মুৰলী

৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতি

২০২৪ খ্ৰীষ্টাব্দ

https://howlyraasmahotsav.org/

৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱৰ সৰ্বাঙ্গীন সফলতা কামনা কৰাৰ লগতে সকলোকে আন্তৰিক শুভেচ্ছা জনালোঁ.....

https://howlyraasmahotsav.org/

৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱৰ স্মাৰক সংকলন

মুৰুলী

১৪৩১ ভাস্কৰাব্দ (২০২৪ খ্ৰীষ্টাব্দ)

https://howlyraasmahotsav.org/

মুৰুলীৰ এই সংখ্যাটি সেৱা আৰু শ্ৰদ্ধাৰে

____

____

ৰ হাতত তুলি দিলো...

সম্পাদনা সমিতি

Muruli A Souvenir of 97th Howly Raas Mahotsava Udjapan Samiti 2024 Edited by Bitumani Barman & Nilkamal Kalita on behalf of Editorial Board and Published by Amarendra Pathak, Nipamani Kalita General Secretary of 97th Howly Raas Mahotsava Udjapan Samiti, Howly, Barpeta, Assam.

প্ৰকাশ কাল ঃ
১২ কাতি, ১৪৩১ ভাস্কৰাব্দ
১৫ নৱেম্বৰ, ২০২৪

সম্পাদনাৰ নেপথ্যত

উপদেষ্টা মণ্ডলী ঃ
শ্ৰীযুত নৃপেন নাথ
শ্ৰীযুতা তৰু ডেকা
শ্ৰীযুত জিতেন চৌধুৰী

সভাপতি ঃ
গজেন দাস

উপ-সভাপতি ঃ
প্ৰতাপ দাস

সম্পাদকদ্বয় ঃ
বিতুমণি বৰ্মণ
নীলকমল কলিতা

কাৰ্যবাহী সম্পাদক ঃ
অসীম দাস

বিজ্ঞাপন সচিব ঃ
কংকন দাস

সদস্যবৃন্দ ঃ
গৌৰৱ নাথ
চম্পক বড়ো
জেকৰ মাৰ্টিন নাথ
গিতুমণি চৌধুৰী
শেখৰ দাস

বেটুপাত ঃ
মুবিন ৰাভা

অংগসজ্জা ঃ
শ্বহিদুল ইছলাম
দিগন্ত দাস
ৰাকিবুল ভূঞা

অক্ষৰ বিন্যাস ঃ
সৃষ্টি প্ৰকাশন, হাউলী

মুদ্ৰণ ঃ
পৰিধি প্ৰিণ্টাৰ্চ, হাউলী

পোহৰ ছবি ঃ
জংকী ভিডিঅ' এণ্ড ফটোগ্ৰাফী, হাউলী

বিশেষ কৃতজ্ঞতা ঃ
লেখক-লেখিকা আৰু
বিজ্ঞাপন দাতা

সামগ্ৰিক পৰিকল্পনা ঃ
সম্পাদনা সমিতি

https://howlyraasmahotsav.org/

শ্ৰদ্ধাঞ্জলি

চানমোহন বৈশ্য

ওপজা দিন ঃ ২ জুন, ১৯৬০
জীৱনাৱসান ঃ ২৮ ছেপ্টেম্বৰ, ২০২৪

‘হাউলী জয়ন্ত সোঁৱৰণী কলা পৰিষদ’ৰ সক্ৰিয় সদস্য চানমোহন বৈশ্য ফুটবলৰ সুদক্ষ খেলুৱৈ, সমাজসেৱী আৰু অসম আন্দোলনৰ এজন নিষ্ঠাবান কৰ্মী আছিল। তেখেতে বৃহত্তৰ হাউলী বাসীক শোকত ম্ৰিয়মান কৰি আপোন ঘৰলৈ গুচি গ’ল।

সুৰেন নাথ

ওপজা দিন ঃ ১ জুন, ১৯৬৮
জীৱনাৱসান ঃ ৩০ মাৰ্চ, ২০২৪

হাউলীৰ সমাজ জীৱনৰ স’তে জড়িত সৰবৰহী ব্যক্তি তথা ব্যৱসায়ী সুৰেন নাথ অগ্ৰণী নিঃস্বাৰ্থবান সমাজসেৱী আছিল। তেওঁৰ পৰলোকপ্ৰাপ্তিয়ে হাউলী অঞ্চলৰ অপূৰণীয় ক্ষতি কৰিলে।

https://howlyraasmahotsav.org/

পংকজ ঠাকুৰীয়া

ওপজা দিন ঃ ৩০ জানুৱাৰী, ১৯৭১
জীৱনাৱসান ঃ ১৫ মে’, ২০২৪

হাঁহিমুখীয়া পংকজ ঠাকুৰীয়া পেশাগত ভাৱে ব্যৱসায়ী আছিল। তেখেত হাউলী ৰাস উদ্‌যাপন সমিতিৰ লগতে হাউলীৰ বিভিন্ন অনুষ্ঠানৰ সক্ৰিয় সদস্য আছিল। তেখেতৰ সামাজিক ভূমিকাই সকলোকে মোহিত কৰিছিল।

মুকুতা দাস

ওপজা দিন ঃ ৯ ডিচেম্বৰ, ১৯৭১
জীৱনাৱসান ঃ ১ জানুৱাৰী, ২০২৪

কৰ্মোদ্দমী, মৃদুভাষী, সমাজসেৱী মুকুতা দাস বৰনগৰ মহাবিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ প্ৰৱক্তা হোৱাৰ লগতে হাউলী ৰাস উদযাপন সমিতি আৰু বিভিন্ন অনুষ্ঠানৰ সক্ৰিয় কৰ্মী আছিল। হাউলীবাসীয়ে তেখেতৰ দৰে অগ্ৰণী নিষ্ঠাবান কৰ্মীক হেৰুৱাই মৰ্মাহত হৈছে। হাউলীৰ বাবে এয়া অপূৰণীয় ক্ষতি।

আমাৰ সমাজ জীৱনৰ সৈতে সংপৃক্ত চাৰিওগৰাকী মানৰ দৰদী ব্যক্তিলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ...।
তেওঁলোকৰ পৱিত্ৰ স্মৃতিত ‘মুকুলী’ৰ এই সংখ্যাটি উছৰ্গা কৰিলোঁ- সম্পাদনা সমিতি

২০২৪ বৰ্ষৰ হাউলী বঁটাৰে সন্মানিত পণ্ডিত সত্যকৃষ্ণ মিশ্ৰ ঃ এক চমু পৰিচিতি

একেধাৰে শাস্ত্ৰীয় সংগীতজ্ঞ শিল্পী, শিক্ষাবিদ, কৃতি খেলুৱৈ, বৰপেটাৰ সমাজ জীৱনৰ মহীৰুহ শতায়ু গৰকা পণ্ডিত সত্যকৃষ্ণ মিশ্ৰৰ জন্ম হয় ১৯২৪ চনত বৰপেটাৰ গলিয়া হাটীত। তেওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একান্ত সংগী ৰাম ৰাম গুৰুৰ বংশধৰ পণ্ডিতপ্ৰৱৰ স্বৰ্গীয় নাৰায়ণ দেৱ মিশ্ৰ আৰু স্বৰ্গীয়া হেমপ্ৰভা দেৱীৰ সুযোগ্য সন্তান।

১৯৫০ চনত কটন কলেজৰ পৰা দৰ্শন বিষয়ত স্নাতক ডিগ্ৰী আৰু ডঃ বাণীকান্ত কাকতি বি. টি কলেজৰ পৰা বি. টি ডিগ্ৰী লাভ কৰা মিশ্ৰদেৱে বৰপেটা বিদ্যাপীঠ হাইস্কুলত শিক্ষকতা আৰম্ভ কৰি সেই বিদ্যালয়ৰ পৰা অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। ছাত্ৰ জীৱনত ফুটবল আৰু ভলীবলৰ এজন সুদক্ষ খেলুৱৈ হিচাপে সুখ্যাতি লাভ কৰা মিশ্ৰদেৱে বৰপেটাৰ মূল ফুটবল দলৰ চেণ্টাৰ বেক্ হিচাপে বিখ্যাত আছিল।

পিতৃ পণ্ডিতপ্ৰৱৰ নাৰায়ণ দেৱ মিশ্ৰৰ তত্বাৱধানত শাস্ত্ৰীয় সংগীতত ব্যুৎপত্তি থকা গোবিন্দ ওস্তাদ, মতি ওস্তাদ, খৰ্গে ওস্তাদ আদি গুণী শিল্পীৰ সান্নিধ্যলৈ আহি ধ্ৰুপদী শৈলী লগতে বিভিন্ন ৰাগৰ সৈতে চিনাকি হৈ তেওঁ সংগীত জীৱন আৰম্ভ কৰে। ককায়েক স্বৰ্গীয় গংগাধৰ মিশ্ৰদেৱৰ তত্বাৱধানত ১৯৩৪ চনৰ পৰা আনুষ্ঠানিক সংগীত শিক্ষা আৰম্ভ কৰা মিশ্ৰদেৱে ১৯৩৫ চনত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্যত তেজপুৰত সংগীত পৰিৱেশন কৰিছিল। কম দিনৰ ভিতৰতে ভাতখাণ্ডে পাঠ্যক্ৰমৰ অধীনত শাস্ত্ৰীয় ৰাগ সমূহৰ জ্ঞান আহৰণ কৰি কণ্ঠ সংগীতৰ উপৰিও তবলা, বেহেলা, সৰোদ আদি বাদ্যযন্ত্ৰত তেওঁ কলাত্মক সক্ষমতা প্ৰদৰ্শন কৰি আহিছে।

এগৰাকী সুদক্ষ অভিনেতা হিচাপে প্ৰসিদ্ধি লাভ কৰা মিশ্ৰদেৱে ‘পৰিণাম’, ‘শকুনিৰ প্ৰতিশোধ’, ‘পুষ্পলতা’, ‘শিৱাজী’ আদি নাটকত অভিনয় কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল।

অসমৰ বিভিন্ন ঠাইত বেহেলা, সৰোদ বজাই দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰখা মিশ্ৰদেৱে এতিয়াও নিয়মিতভাৱে সংগীত চৰ্চা কৰে। স্বনামধন্য সংগীত শিল্পী প্ৰভাত শৰ্মা, নৰেন দাস, সুধীৰ দাস প্ৰমুখ্যে বহুকেইজন সংগীতজ্ঞক শিক্ষা প্ৰদান কৰা মিশ্ৰ দেৱৰ দুই পুত্ৰ বিদ্যুৎ মিশ্ৰ আৰু প্ৰদ্যুত মিশ্ৰক তেওঁ শাস্ত্ৰীয় সংগীতৰ শিক্ষাৰে উপযুক্ত কৰি গঢ়ি তোলাটো তেওঁৰ জীৱনৰ অন্যতম প্ৰাপ্তি।

অসম চৰকাৰৰ শিল্পী পেঞ্চনেৰে সন্মানিত শ্ৰীযুত মিশ্ৰদেৱে সংগীত সূৰ্য বঁটা, তাঁতীকুছি বঁটা আদি বহু সন্মানেৰে বিভূষিত হৈছে। শতায়ু গৰকা এইগৰাকী মহান শাস্ত্ৰীয় সংগীতজ্ঞ শিল্পীক এইবেলি হাউলী ৰাস মহোৎসৱৰ সৰ্ব্বোচ্চ সন্মান ‘হাউলী বঁটা-২০২৪’, ৰে সন্মানিত কৰা হ’ব। তেখেতলৈ আমাৰ আন্তৰিক শুভকামনা জনালোঁ।

হাউলী বঁটা উপ-সমিতি
৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱৰ উদ্‌যাপন সমিতি

https://howlyraasmahotsav.org/

ড° শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী
আউনীআটীয় সত্ৰাধিকাৰ
ডাকঘৰ ঃ আউনীআটী সত্ৰ
মাজুলী, অসম



শুভেচ্ছা বাণী

শৃংগাৰ ৰসে আছে যাৰ মতি ।
তাক শুনি হৌক নিৰ্মল ভকতি ।।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে উল্লেখ কৰা এই পদ কেইফাঁকি ৰাসৰ যথাৰ্থ স্বৰূপ। প্ৰকৃতাৰ্থত জীৱাত্মাই পৰমাত্মাক পোৱাৰ অন্যতম মাধ্যম ৰাস। পৰমাত্মা ৰূপী ভগৱানক আমি যি দৰে উপাসনা কৰো ভগৱান থকা স্থান সুন্দৰ হ'বই লাগিব, তাৰ লগতে মন বিলাক যদি সুন্দৰ নহয় তেতিয়া হলে ভগৱন্তক কেৱল সুন্দৰ পৰিৱেশত উপাসনা কৰিলেই তাৰ সু-ফল পাব নোৱাৰি । গতিকে ৰাসক্ৰীড়াই আমাক এনে অমূল্য শিক্ষা প্ৰদান কৰিছে। আৰু ৰাসক্ৰীড়াত আছে সামূহিক বাৰ্তা। ১৬০০ গোপীয়ে যি কৃষ্ণক লৈ ৰাসক্ৰীড়াত অৱতীৰ্ণ হৈছিল গোপীসকলৰ ক্ৰীড়াত আছিল সামূহিক চিন্তা, গোপীসকলে প্ৰেমাঞ্জলি যাচি একেলগে ভক্তিৰস পান কৰিছিল। সেয়ে ৰাসক্ৰীড়াই আমাক এই কথা মনত পেলাই দিছে সামূহিক চেতনাইহে মানুহক সমৃদ্ধ কৰিব পাৰে। এনে শিক্ষা থকা এটি অনুষ্ঠান উৎসৱলৈ পৰিণত হৈছে । অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে এই অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে । এইবাৰো বৰপেটা হাউলীত ৯৭ সংখ্যক ৰাস মহোৎসৱ অনুষ্ঠিত কৰিবলৈ লোৱা জানি সন্তোষ পোৱা হৈছে। শাৰদীয় ৰাস উৎসৱৰ যোগেদি এনে শিক্ষা বিলাক আমাৰ সমাজ জীৱনত নিশ্চয় প্ৰতিফলিত হ'ব আৰু এই উৎসৱৰ লগত সংগতি ৰক্ষা কৰি প্ৰকৃত স্মৃতি ৰক্ষাৰ্থে উৎসৱৰ প্ৰকৃত দস্তাবেজ **"মুকুলী"** প্ৰকাশৰ দিহা কৰিছে তাৰো সৰ্বপ্ৰকাৰ সফলতাৰ অৰ্থে প্ৰাৰ্থনা জনালোঁ।

শুভমস্তু

https://howlyraasmahotsav.org/

ড° সূৰ্য্যকান্ত হাজৰিকা

সভাপতি

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১
প্ৰশাসনিক কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-৭৮১০০১

শুভেচ্ছা বাণী

‘হাউলী ৰাস মহোৎসৱ’ উত্তৰ-পূৰ্বাঞ্চলত অনুষ্ঠিত হৈ অহা ভগবান শ্ৰীকৃষ্ণৰ ঐশ্বৰিক ক্ৰীড়া সম্ভূত ৰাস মহোৎসৱসমূহৰ ভিতৰত অন্যতম। হাউলী চহৰত প্ৰতি বছৰে ৰাস মহোৎসৱ মহা আড়ম্বৰেৰে পালন কৰা হয় আৰু এই উৎসৱক কেন্দ্ৰ কৰি এক আনন্দমুখৰ পৰিৱেশৰ সূচনা হয়। ইয়াত কেৱল বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তৰ পৰাই নহয়, কাষৰীয়া পশ্চিমবঙ্গকে ধৰি চুবুৰীয়া বহুকেইখন জিলাৰ পৰাও মানুহ সমবেত হৈ বৃহৎ জনসমাগমৰ সৃষ্টি কৰে। স্বকীয় পৰম্পৰা বহন কৰা উক্ত মহোৎসৱত ঐক্য, শান্তি, সম্প্ৰীতি, শৃংখলা, সংযমতা আৰু ভাতৃত্ববোধৰ চানেকিৰে উদ্ভাসিত হোৱা আধ্যাত্মিক বিষয়সমূহৰ উপৰি বিভিন্ন ধৰণৰ বাণিজ্য, ব্যৱসায়, মনোৰঞ্জন আদি জড়িত হৈ আছে। জাতীয় সংস্কৃতিৰ অন্যতম পৰিচয় বহন কৰা ওজা-পালি, ঢুলীয়া, যাত্ৰা, মঞ্চনাট, নাম কীৰ্তন আদিৰ দৰে অনুষ্ঠানসমূহেও উক্ত ৰাসক মহিমামণ্ডিত কৰি তুলিছে।

তথ্য অনুসৰি ১৯২৮ খ্ৰীষ্টাব্দৰ পৰা ধাৰাবাহিকভাৱে অনুষ্ঠিত হৈ অহা ‘হাউলী ৰাস মহোৎসৱ’ এইবেলিও একে ধৰণে অনুষ্ঠিত কৰিবলৈ লোৱাত আনন্দিত হৈছোঁ। উক্ত মহোৎসৱৰ সৈতে সংগতি ৰাখি বিগত বৰ্ষসমূহৰ দৰে ‘মুৰুলী’ শীৰ্ষক এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ বাবে লোৱা উদ্যোগ শলাগিবলগীয়া। স্মৃতিগ্ৰন্থখনে গৌৰৱোজ্জ্বল ৰাস মহোৎসৱৰ স্মৃতি যুগমীয়া কৰাৰ লগতে ন-পুৰণি লেখক-লেখিকাৰ প্ৰতিভা বিকাশতো সহায় কৰিব বুলি আশা ৰাখিছোঁ। বিভিন্ন তথ্যৰে সমৃদ্ধ হৈ প্ৰকাশিতব্য স্মৃতিগ্ৰন্থখনে অঞ্চলটোৰ সামগ্ৰিক প্ৰতিচ্ছৱিখন প্ৰতিফলিত কৰাৰো অৱকাশ আছে।

ৰাস মহোৎসৱ উপলক্ষে গ্ৰহণ কৰা সকলো কাৰ্যসূচীৰ সফলতা কামনা কৰি সকলোলৈকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

শুভেচ্ছাৰে-

১২ কাতি, ১৪৩১ ভাস্কৰাব্দ
২৯ অক্টোবৰ, ২০২৪ খ্ৰীঃ

(ড° সূৰ্য্যকান্ত হাজৰিকা)
সভাপতি
অসম সাহিত্য সভা

https://howlyraasmahotsav.org/

ড° সুৰথ নাৰ্জাৰী
সভাপতি
বড়ো সাহিত্য সভা
बर' थुनलाइ आफाद

শুভেচ্ছা বাণী

আপোনালোকৰ শ্ৰদ্ধাভৰা তথা আন্তৰিকতাৰে পঠোৱা চিঠিখন পাই মই নথৈ আনন্দিত। মই এই কথা জনাবলৈ পাই অতি সুখী যে হাউলী ৰাস মহোৎসৱ নামনি অসমৰ বাবে এক গৌৰৱোজ্বল অনুষ্ঠান, যি অনুষ্ঠানে শান্তি আৰু সম্প্ৰীতিৰ সাক্ষ্য প্ৰমাণ কৰি আহিছে। বছৰ বছৰ ধৰি ই মানৱ সম্প্ৰীতিৰ ধাৰা বোৱাই আমাৰ বাবে এক প্ৰেৰণাৰ উৎস হৈ আহিছে। ইয়াৰ বাবে মই আপোনালোকক অতি আন্তৰিকতাৰে অভিনন্দন জনাওঁ আৰু এইবেলি ৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ তৰফৰ পৰা স্মৃতিগ্ৰন্থ"মুৰুলী" প্ৰকাশ কৰিবলৈ লোৱা উদ্যোগ মই সাদৰে অভিনন্দন জনোৱাৰ লগতে সাফল্যমণ্ডিত কৰি এক সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশিত হওক এয়াই মোৰ শুভ কামনা আৰু আশা।

https://howlyraasmahotsav.org/

(ড° সুৰথ নাৰ্জাৰী)
সভাপতি, বড়ো সাহিত্য সভা
১৪-১০-২০২৪

মুকলীৰ বাট-চ'ৰাত হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ

"মিনতি বচন"

সত্ৰৰে পৰিবেষ্টিত বৃহত্তৰ হাউলীত
স্বাভাৱিকতেই ধ্বনিত হৈছিল শ্ৰীকৃষ্ণৰ নাম-কীৰ্ত্তন
কণ্ঠত আছিল কৃষ্ণ নাম
হিয়াত আছিল কৃষ্ণ-ভক্তি
জীৱনত আছিল জীৱিকাৰ গতি
গতিত ভাগৰি পৰা ৰাইজে বিচাৰিছিল আনন্দৰ জ্যোতি
পৰিৱেশে সেই জ্যোতিত ৰং দিছিল কৃষ্ণ-ৰসৰ আবিৰ সানি
কৃষ্ণ ভক্তিত গদ্ গদ্ হাউলীৰ ৰাইজে বাচি লৈছিল মহাপ্ৰভু শ্ৰীকৃষ্ণৰ, ৰাস-লীলা
এয়াই হাউলীৰ ৰাস উৎসৱৰ পটভূমি
এই পটভূমিত হোৱা হাউলী ৰাস মহোৎসৱৰ ৯৭ বছৰ হ'ল
৯৭ বছৰীয়া হাউলী ৰাস মহোৎসৱৰ ইতিহাস, গৌৰৱৰ ইতিহাস
মৰা মানাহৰ দুয়োপাৰৰ জীয়া মানুহৰ আত্ম-বিশ্বাসৰ ইতিহাস
সুউজ্জ্বল সমন্বয়ৰ সন্দীপিত ইতিহাস
ধৃতিমান ধৰ্মীয় পৰম্পৰাৰ ধীমান ইতিহাস
অপ্ৰতিম আধ্যাত্মিক যাত্ৰাৰ অমল ইতিহাস
একাগ্ৰতাৰ ইতিহাস
একতাৰ ইতিহাস
সাহসৰ ইতিহাস
সংগ্ৰামৰ ইতিহাস
কাহানিও ভাগৰি নপৰাৰ ইতিহাস
তিনিদিনীয়া কাৰ্যসূচীৰে ৰাইজে হাউলীত আৰম্ভ কৰিছিল ৰাস উৎসৱ
১৯২৮ চনত
মৰামানাহৰ দুয়োপাৰে বাস কৰা জীয়া মানুহৰ
অন্তহীন, ক্লান্তিহীন প্ৰচেষ্টাত গঢ় লোৱা এই অনুষ্ঠানে সৃষ্টি কৰিলে সম্ভাৱনীয়তাৰ এক নতুন ঢৌ
জন-সাগৰলৈ আনিলে ধৰ্মীয় চেতনাৰ এক হিৰন্ময় জোৱাৰ
সংস্কৃতিক সাৰথি কৰি ধৰ্মৰ ৰথ ধাৱমান কৰাৰ ইতিহাস
কাহানিও থমকি নোৰোৱাৰ ইতিহাস
এই ৰাস মহোৎসৱক কেন্দ্ৰ কৰি এতিয়া গঢ়ি তুলিব খোজা হৈছে বহুমূখী সাংস্কৃতিক প্ৰকল্প
সৃষ্টি কৰিব খোজা হৈছে সংস্কৃতিক সাৰথি কৰি অনিৰুদ্ধ গতিত ধৰ্মৰ ৰথ ধাৱমান কৰাৰ ইতিহাস
সকলো ধৰণৰ বাধাৰ প্ৰাচীৰ ভাঙি আগবাঢ়ি যোৱাৰ ইতিহাস
স্নায়ুয়ে স্নায়ুয়ে বাজি উঠা সমন্বয়ৰ সুৰে সৃষ্টি কৰা, মহাজগতৰ মহাসংগীতৰ ইতিহাস
এতিয়া আমাৰ লক্ষ্য শতবৰ্ষৰ পিনে ধাৱমান হোৱাৰ
এতিয়া আমাৰ লক্ষ্য অসীম বিশালতা প্ৰাপ্তিৰে সীমাৰ পৰিধি ভঙাৰ
আমাৰ লক্ষ্য শতদল পাহিৰে হাউলীক পোহৰাই তোলাৰ
যতিহীনভাৱে
বিৰাম বিহীনভাৱে
জয়তু হাউলী ৰাস মহোৎসৱ ঃ জয়তু হাউলী

(হেমেন দাস)
সভাপতি
৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতি

https://howlyraasmahotsav.org/

৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ
কাৰ্যকৰী সভাপতিৰ দুআষাৰ ....

সময় গতিশীল আৰু পৰিবৰ্তনশীল। সময়ক কোনো শক্তিয়ে ধৰি বান্ধি ৰাখিব নোৱাৰে। অতীতৰ পাহৰণিৰ বুকুত লুকাই থকা সকলো কথা সময়ত মনত পেলাই দিয়ে। শৰৎ কালৰ চন্দ্ৰাবলী ৰাতি ৰাস ক্ৰীড়া বা ৰাস লীলা আৰম্ভ হয়। তথাপি ১৯২৮ চনতে সেই সময়ৰ দূৰদৰ্শী কেইজনমান ব্যক্তিয়ে হাউলীত ৰাস পাতিছিল। বৰ্তমান হাউলী ৰাস মহোৎসৱৰ আটক ধুনীয়া বিজুলীৰ পোহৰৰ পৰিবৰ্তে সেইসময়ত চাইনেমাত (পেণ্ডেলত) জ্বলিছিল প্ৰেট্ৰ'মাক্স লাইট। পেণ্ডেলৰ খুঁটা আছিল কলগছৰ আৰু চালি আছিল কলগছৰ পাত আৰু তৰা গছ। সেই সময়ত গাঁ ওৰ মানুহে ঐক্যবদ্ধভাৱে চাইনামা বা পেণ্ডেল সাঁজি উলিয়াইছিল। পুৰণি কালত হাউলী বজাৰৰ এখন গৰুবজাৰ আছিল। তাৰ উত্তৰ দিশে এজোপা তেলী কদমৰ গছ আছিল। তাতেই এটা সৰু টিনপাতৰ ঘৰ আছিল আৰু তাতেই ৰাধা কৃষ্ণৰ যুগল মূৰ্তি ৰাখিছিল আৰু ৰাস পূৰ্ণিমাৰ তিথিত ৰাসপূজা কৰিছিল। কেতিয়াবা তিনি দিনীয়া কেতিয়াবা পাঁচ দিনীয়াকৈ। সেই সময়ত ৰংচঙীয়া বস্তুৰ প্ৰতি দৰ্শকে বেছি মনযোগ নিদি ভক্তিমাৰ্গৰ প্ৰতিহে বেছি গুৰুত্ব দিছিল। ৰাস চাবলৈ অহা দৰ্শকে ৰাসমন্দিৰত প্ৰবেশ কৰি চন্দনৰ ফোঁট বা ফাকুৰ ফোঁট নিজে লোৱাৰ উপৰি ও তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰকো কপালত ফোঁট পিন্ধাই দিছিল।

আজিৰ পৰা প্ৰায় ৬৫ বছৰমান আগতে হাউলী ৰাসৰ আনুমানিক বাজেট আছিল পাঁচ হাজাৰ টকাৰ পৰা সাত হাজাৰ টকা। যাত্ৰা গান এক ৰাতিত চাৰিকুৰিৰ পৰা একশ টকা, বৰঢুলীয়াৰ মাননি তিনিদিনৰ পৰা পাঁচদিনত প্ৰায় ছয়কুৰিৰ পৰা সাতকুৰি টকা আৰু ওজাঁপালিৰ তিনি কুৰিৰ পৰা চাৰিকুৰি। সেই সময়ৰ ৰাসৰ বৰঢুলীয়াৰ ঢোলৰ কোবৰ শব্দই বুকু কঁপাই দিছিল। হাউলী অঞ্চলত বসবাস কৰা সকলো সম্প্ৰদায়ৰ লোকে—হিন্দু, বঙালী, বিহাৰী, বড়ো, মুছলমান আৰু অন্যলোকে ঢুলীয়া আৰু ওজাপালি উপভোগ কৰিবলৈ দিনৰ ডেৰমান বজাৰ পৰাই আহিছিল।

সেই সময়ত ৰাতি কুঁৱলি যথেষ্ট পৰিমাণে পৰিছিল। ৰাতি যাত্ৰা গান উপভোগ কৰিবলৈ আহোতে, কিছু সংখ্যক লোকে চৈদিয়া গৰুৰ গাড়ীত বৃদ্ধ তিৰোতা আৰু সৰু ল'ৰা-ছোৱালীবোৰক উঠাই আনিছিল। ঠাণ্ডাৰ বাবে তেওঁলোকে নিজঘৰতে বোৱা এৰী কাপোৰ আৰু তলপাৰা ব্যৱহাৰ কৰিছিল। সেই সময়ত তিৰোতা সকলে ঘৰত তৈয়াৰ কৰা বা বোৱা সকলো ধৰণৰ বস্ত্ৰ ৰাসত পৰিধান কৰিছিল। অৱেশ্যে আজি তাৰ ব্যতিক্ৰম। ১৯৯৭ চনৰ ১৪ নৱেম্বৰ তাৰিখে বৰ্তমান দেখিবলৈ পোৱা ৰাস মন্দিৰৰ নিৰ্মাণ কাৰ্যৰ কামখিনি ২০০৬ বৰ্ষত সমাপ্তি ঘটে আৰু ৩১ জানুৱাৰী ২০০৭ বৰ্ষত হাউলী ৰাস মন্দিৰৰ বিগ্ৰহৰ প্ৰাণ প্ৰতিষ্ঠা কৰি জাগ্ৰত ৰাস মন্দিৰ হিচাবে প্ৰকাশ পায়। তেতিয়াৰে পৰা হাউলী ৰাসউৎসৱ 'হাউলী ৰাস মহোৎসৱ' হিচাপে বহল ভাৱে জনাজাত হয়।

https://howlyraasmahotsav.org/

বৰ্তমান হাউলীৰ ৰাস মহোৎসৱ অসমতে নহয় ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত জনাজাত হোৱাৰ উপৰি ও সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। আজি কেইবাবছৰ ধৰি হাউলী ৰাস মহোৎসৱৰ উপহাৰ কুপন খেল, অসম বিখ্যাত আৰু জনপ্ৰিয় হৈ পৰিছে। উপহাৰ খেলত ২১ খন বিভিন্ন ধৰণৰ চাৰিচকীয়া বাহন উপহাৰ দিয়া এইবাৰ ৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱৰ মূল সমিতি বাদ দি ২৪ খন উপ-সমিতি গঠন কৰা হৈছে। ইয়াৰ কাৰণ তিনি বছৰ পিছত হাউলী ৰাস মহোৎসৱে শতবৰ্ষত ভৰি দিব। সেয়ে দৰ্শকৰ সুবিধাৰ্থে আৰু সেৱাৰ বাবে বিভিন্ন ধৰণৰ কাৰ্যসূচী হাতত লোৱা হৈছে আৰু বিভিন্ন ধৰণৰ ৰূপৰেখাই যুগুত কৰা হৈছে। ৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱৰ ১৫ নৱেম্বৰৰ সন্ধিয়াৰ বিশেষ আকৰ্ষণ 'আতচবাজি' আৰু 'লেজাৰ শ্বো'। বিজুলীৰ বিশেষ আকৰ্ষণ, মৃণ্ময় মুৰ্ত্তি আৰু ইলেকট্ৰনিক মুৰ্তিৰ বিশেষ আকৰ্ষণ মেলাবজাৰ, মিনাবজাৰ বিশেষ আকৰ্ষণ ইত্যাদি ইত্যাদি। এইবাৰ হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ আনুমানিক বাজেট এক কৌটি সত্তৰ লাখ টকা।

৯৬ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিয়ে বৃহত্তৰ হাউলী অঞ্চলৰ ১৮ খন গাঁ ওৰ আৰু হাউলী পৌৰসভাৰ অন্তৰ্গত বাৰ্ড সমূহলৈ, তেওঁলোকৰ সত্ৰ, নামঘৰ, কীৰ্ত্তনঘৰ আদিলৈ এক লাখ টকাকৈ ৩৭ টা অনুষ্ঠানলৈ ৩৭,০০০০০.০০ টকা অনুদান দিয়া হৈছে। ইয়াৰ উপৰি ২০০৮ চনৰ পৰা বৰ্তমানলৈ 'হাউলী বঁটা' ৫০,০০০.০০ (পঞ্চাশ) হাজাৰ কৈ প্ৰতিজনকে প্ৰতিবছৰ অসমৰ বিভিন্ন ঠাইৰ বিখ্যাত সাহিত্যিক, গায়ক, খেলুৱৈ, অভিনেতা সমাজকৰ্মীক এই বঁটা প্ৰদান কৰা হয়। ইয়াৰ উপৰি ক'ৰোণা মহামাৰীৰ সময়ত অসম চৰকাৰৰ পৰা আৰ্থিক অনুদান বিচৰাত হাউলী ৰাস মহোৎসৱ সমিতিয়ে অসম চৰকাৰলৈ ৫০০০০০.০০ (পাঁচ লাখ) টকা আৰ্থিক সাহাৰ্য দিয়ে।

ভৱিষ্যতে ঐতিহ্যমণ্ডিত হাউলী ৰাস মহোৎসৱৰ সকলো ধৰণৰ কাৰ্যসূচীয়ে যাতে দৰ্শকৰ মন আকৰ্ষিত কৰি অসমৰ ভিতৰত সৰ্বাঙ্গ সুন্দৰ আৰু শ্ৰেষ্ট ৰাস মহোৎসৱ বুলি পৰিগণিত হ'ব পাৰে, এই আশাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ-

(তৰুণ চন্দ্ৰ নাথ)
কাৰ্যকাৰী সভাপতি
৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতি

৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ
সাধাৰণ সম্পাদকৰ মনৰ কথা...

মহাপ্ৰভু শ্ৰীকৃষ্ণৰ প্ৰতি ভক্তি ভৰা সেৱা জনাই সাধাৰণ সম্পাদক ৰূপে মনৰ কিছু অভিব্যক্তি এই ছেগতে উনুকিৱাব খুজিছোঁ। ১৯২৮ চনতেই কিছু মহান ব্যক্তিৰ প্ৰচেষ্টাত গঢ় লৈ উঠা আজিৰ এই ‘হাউলী ৰাস মহোৎসৱ’। এই শুভক্ষণৰ প্ৰয়াত নমস্য ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। সময়ৰ পৰিৱৰ্তনৰ লগে লগে হাউলী ৰাসৰো পৰিৱৰ্তন আৰু পৰিবৰ্ধন ঘটি আহিছে। গৌৰৱোজ্জ্বল ৯৭ সংখ্যকত ভৰি দিয়া হাউলী ৰাসে কেৱল আধ্যাত্মিকতাতেই সীমাবদ্ধ নাথাকি জনসাধাৰণৰ বৌদ্ধিক, সাংস্কৃতিক, শৈক্ষিক আৰ্থিকৰ লগতে মানৱ সম্পদ উন্নয়নত লৈ অহা ভূমিকাই অনুষ্ঠানটোক নতুন মাত্ৰা প্ৰদান কৰিছে। যাৰ বাবেই অনুষ্ঠানটো অঞ্চল-বাসীৰ প্ৰাণৰ অনুষ্ঠান, গৌৰৱৰ থলী ৰূপে পৰিগণিত হৈছে– হাউলী অঞ্চলত অনুষ্ঠিত অন্যান্য সামাজিক বা জাতীয় উৎসৱবোৰতকৈ ৰাসৰ মাদকতা সম্পূৰ্ণ সুকীয়া। বিভিন্ন ধৰ্মাৱলম্বী, জাতি-জনগোষ্ঠী, ভাষা-ভাষীৰ লোকৰ বসতি প্ৰধান অঞ্চল হাউলী। ৰাস সমাগত বুলিলেই সকলোৰে প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে জড়িত হৈ ৰাসক প্ৰসিদ্ধ কৰাৰ প্ৰয়াস আদৰণীয়। সেয়ে উদ্‌যাপন সমিতিয়ে বিভিন্ন সময়ত সকলো স্তৰৰ জনসাধাৰণৰ বিকাশৰ ক্ষেত্ৰত লৈ থকা কৰ্মসূচী প্ৰসংশনীয়।

বৰ্তমান হাউলী ৰাসে এক নতুন গতি লৈছে, এই গতিত যতি নপৰিবলৈ ইয়াৰ অভাববোৰৰ কিছু উপহাৰ কুপন খেলৰ পৰা হোৱা আয়েৰে পূৰণ কৰা হৈছে যদিও গুৰুত্বপূৰ্ণ কিছু বিষয় চৰকাৰী বা বেচৰকাৰী অনুষ্ঠানৰ সহায়তহে পূৰণ কৰিব লাগিব। তাৰ বাবে নতুন চিন্তা আৰু সুপৰিকল্পনাৰ লগতে ঐক্যবদ্ধ প্ৰচেষ্টাৰে আগবাঢ়িলে নিশ্চয় আশা ব্যঞ্জক হ’ব। অৱশ্যে এই বেলি তাৰ কিছু আভাষ পোৱা গৈছে। আৰম্ভণিৰ পৰা আজিলৈ ৰাইজৰ স্বতস্ফুৰ্ত সহযোগে আমাৰ কৰ্মস্পৃহা বঢ়াইছে। অগতানুগতিক, ব্যতিক্ৰমী চিন্তাধাৰাৰে মনত সততা আৰু আত্মবিশ্বাসেৰে আগবাঢ়িব পাৰিলে নিশ্চিতভাবে ইপ্সিত ফল লাভ কৰিব পৰা যাব। কেৱল পোন্ধৰদিনীয়া ৰাসৰ বিভিন্ন কাৰ্য সম্পাদনতেই দায়িত্ব শেষ বুলি নলৈ কাৰ্যকালৰ বাকী থকা সময়খিনি সময়োপযোগী পৰিকল্পনাৰে আগবাঢ়িব পাৰিলে সফলতা নিশ্চয় পোৱা যাব। তাৰ বাবে সদিচ্ছা আৰু আন্তৰিকতা দুয়োটাৰ প্ৰয়োজন। হাউলী ৰাসক পৰ্যটন থলী ৰূপে ঘোষণা কৰা বাবে আমি আবেদন কৰিছোঁ যদিও পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু ৰূপে গঢ়ি তোলাৰ কাৰ্যখিনি আমি সবে মিলি কৰিব পাৰিলে হে অনুষ্ঠানটো জিলিকি উঠিব।

ৰাসৰ কাৰ্যসূচী সম্পাদন কৰোঁতে সৰ্বস্তৰৰ চৰকাৰী-বেচৰকাৰী অনুষ্ঠান আৰু জনসাধাৰণৰ ওচৰত আমি কৃতজ্ঞ লগতে বিভিন্ন উপ-সমিতিয়ে তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য পৰায়ণতাৰ বাবে ধন্যবাদৰ পাত্ৰ।

সেয়েহে সম্প্ৰীতিৰ এনাজৰীডাল কট-কটীয়া কৰি শতবৰ্ষৰ দুৱাৰদলিত ভৰি দিয়া হাউলী ৰাসৰ শ্ৰী বৃদ্ধিৰ লগতে সোণালী ইতিহাস সৃষ্টি কৰাত আমি আটায়ে হাত উজান দিও আহক-তাৰেই কামনাৰে-

‘‘জয়তু হাউলী ৰাস মহোৎসৱ’’

(অমৰেন্দ্ৰ পাঠক)
সাধাৰণ সম্পাদক
৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতি

https://howlyraasmahotsav.org/

৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ

সাধাৰণ সম্পাদিকাৰ মনৰ দুৱাৰ...

শাৰদীয় চন্দ্ৰাৱলী নিশা পৰম পুৰুষ শ্ৰীকৃষ্ণই ব্ৰজাংগনা সকলৰ স'তে প্ৰবৃত হোৱা ক্ৰীড়া ৰূপাত্মক অনুষ্ঠানটোক প্ৰদৰ্শন কৰাটোৱেই মূলতঃ ৰাসক্ৰীড়াৰ তত্ব। ৰাসক্ৰীড়াতে ভাৰতীয় আধ্যাত্মিকতাৰ নিগূঢ় তত্ব নিহিত হৈ আছে। এই ৰস তত্বতেই জগতৰ স্থিতি আৰু জগতৰ বিলয়। শ্ৰীকৃষ্ণৰ কৰ্মৰাজিৰ ভিতৰত থকা অলৌকিকতাবোৰ বিসৰ্জন দি তেওঁ দিয়া উপদেশবোৰ হৃদয়ংগম কৰিলে আজিৰ প্ৰজন্মই বহুখিনি মানসিক সুখ-শান্তি উপলব্ধি কৰিবলৈ সক্ষম হ'ব।

নামঘোষাত পোৱা যায়-চৈতন্য শক্তি দ্বাৰে/ইটো জড় জগতৰ/কাৰন্ত কৰ্ম/অনুৰূপে 'ৰাসলীলাত কোনো অশ্লীলতা নাই। ভক্তিপ্ৰেমৰ অতুল্য চেতনাৰে বিশাল ভাৰতীয় প্ৰেমৰ বাট ঋষিমুনি সকলে বিলাই আহিছে শ্ৰীকৃষ্ণৰ জীৱন বৃক্ষৰ পৰাই। প্ৰকৃতি আৰু মানুহৰ বিৰল বৰ্ণনা ৰাস নৃত্যত বিদ্যমান। কালিদাসৰ মেঘ বৰ্ণনাৰ দৰে-শৰৎ কালৰ ঋতু বৰ্ণনা, নৈ-নিজৰা, আকাশ, জোন-জোনাক, গছ- বিৰিখ, পূৰ্ণিমাৰ চিত্ৰন স্বতস্ফূৰ্ত ভাৱে প্ৰকৃতি সভ্যতাৰ অংশ ৰূপে দৃশ্যমান হৈ উঠিছে। ইয়ে যুগে-যুগে মানুহক সজীৱতা প্ৰদান কৰি নতুন কৰি নতুন চেতনাৰে কল্যাণৰ ৰং বিলোৱা দৃশ্য চমকপ্ৰদ।

শ্ৰীকৃষ্ণৰ ৰাসলীলা মূলত হিন্দুৰ এক ধৰ্মীয় উৎসৱ যদিও হাউলীৰ ৰাস মহোৎসৱ আজি এটা বিশেষ সম্প্ৰদায়ৰ উৎসৱ হৈ থকা নাই । জাতি-বৰ্ণ, ধৰ্ম- ভাষা, সম্প্ৰদায় নিৰ্বিশেষে অগণন লোকৰ সমাহাৰত ৰাস মহোৎসৱে আজি সাম্প্ৰদায়িক সম্প্ৰীতিৰ গৌৰৱৰ ধ্বজা কঢ়িয়াই উত্তৰ পূবাৰ্ঞ্চলৰ ভিতৰতে এক জাকত-জিলিকা অনুষ্ঠান হিচাপে নিজকে চিনাকী দিব পাৰিছে।

বিগত বছৰকেইটাৰ দৰে এইবেলিও ৰজা চণ্ডীনাৰায়ণ বৰুৱাৰ 'ৰাজহাউলি'ত ৯৭ সংখ্যক ৰাস মহোৎসৱ পালন কৰাৰ প্ৰস্তুতি উন্নত আৰু নতুন কৌশলেৰে আৰম্ভ কৰা হৈছে। পোন্ধৰদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱ পালন কৰিবলৈ বৃহৎ পৰিমাণৰ অৰ্থৰ প্ৰয়োজন হয়। ৰাইজৰ দান-বৰঙণি, মিনাবজাৰ, মেলাবজাৰ, আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা সংগ্ৰহ কৰা ধনৰাশি ৰাস মহোৎসৱৰ কাৰ্যসূচী পৰিচালনা কৰিবলৈ নুজোৰে। সেয়ে 'উপহাৰ কুপন খেল'ৰ জৰিয়তে এক বৃজন পৰিমাণৰ ধন সংগ্ৰহ কৰা হয়। ইয়ে 'বহুমূখী সাংকৃতিক প্ৰকল্প'ৰ কাম কৰিবলৈ বুকুত সাহস যোগাইছে। এই বেলি হাউলী অঞ্চলৰ সত্ৰ-নামঘৰ, মঠ-মন্দিৰৰ উন্নয়নৰ বাবেও প্ৰতিটো অনুষ্ঠানকে আৰ্থিক সাহায্য প্ৰদান কৰি এক ধৰ্মীয় সহযোগিতা আগবঢ়োৱা হৈছে।

সাহিত্য-সংস্কৃতি, সামাজিক, শৈক্ষিক আদি পথাৰখনলৈ আগবঢ়োৱা বৰঙণিৰ বাবে অসমৰ বিভিন্ন ক্ষেত্ৰৰ পুৰোধা ব্যক্তিলৈ আগবঢ়োৱা 'হাউলী বঁটা' হাউলী ৰাস মহোৎসৱৰ এক দূৰদৰ্শী চিন্তা আৰু ঐতিহাসিক পদক্ষেপ।

হাউলী ৰাস মহোৎসৱৰ সৌজন্যত প্ৰতি বছৰে 'মুৰুলী' নামাকৰণেৰে স্মাৰক সংকলন এখনো প্ৰকাশ হৈ আহিছে। এই সংকলন খনিৰ জৰিয়তে সাহিত্য সৃষ্টিৰ বাবে বৌদ্ধিক সমাজৰ বিভিন্ন লিখনি প্ৰকাশ-প্ৰচাৰ কৰি অসমৰ বৌদ্ধিক সাহিত্যিক মহলৰ লগত সুন্দৰ যোগসূত্ৰ স্থাপনৰ ব্যৱস্থা কৰা হৈছে। গৌৰৱময় 'মুৰুলী'ৰ প্ৰকাশ আৰু প্ৰচাৰ কাৰ্য চিৰদিন অক্ষুণ্ণ থাকক তাৰে কামনা কৰিলোঁ। উৎসৱটো পৰিচালনাৰ বাবে বৃহত্তৰ হাউলীৰ প্ৰতিজন ব্যক্তি একোজন নিষ্ঠাবান কৰ্মী, একো একোজন স্বেচ্ছাসেৱক। হাউলীৰ প্ৰতিজন ব্যক্তিৰ শুভকামনা আৰু দৃষ্টিৰে এই বিশাল মহোৎসৱটি নিয়াৰিকৈ আৰু শৃংখলাবদ্ধ ভাৱে পালিত হয়।

এই ছেগতে হাউলী ৰাস মহোৎসৱৰ লগত জড়িত যিসকল প্ৰয়াত আৰু জীৱিত মহান ব্যক্তিৰ সুদূৰপ্ৰসাৰী প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত হাউলীৰ এই উৎসৱটিয়ে ভাৰতৰ বুকুত এক সাৰ্বজনীন মহোৎসৱ হিচাপে বিকশিত হৈছে, সেইসকল মহান ব্যক্তিলৈ মোৰ আন্তৰিক সেৱা যাচিছোঁ।

শেষত, এইবেলিও মোৰ নিচিনা নিঃকিনক হাউলীবাসী ৰাইজে সাধাৰণ সম্পাদিকাৰ গুৰু দায়িত্ব অৰ্পণ কৰি যি সুযোগ দিলে তাৰ বাবে আটাইলৈ মোৰ ভক্তিপূৰ্ণ সেৱা জনোৱাৰ লগতে শাৰদীয় শুভ কামনা যাচিছোঁ।

(নিপামণি কলিতা)

সাধাৰণ সম্পাদিকা

৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতি

https://howlyraasmahotsav.org/

‘মুৰুলী’ সম্পাদনা সমিতিৰ

সভাপতিৰ মনৰ ভাৱ...

শৰৎ মানে শুভ্ৰ শেৱালি সুগন্ধি। শেৱালিৰ সুগন্ধই আমোল-মোলাই যোৱা পৰিৱেশৰ সৃষ্টি কৰে। ঘৰৰ পদূলিৰ চোতালত জোনাকৰ আলিংগন। মাটি-পানী আকাশৰ নিৰ্মল ছবি। নদীৰ পাৰৰ ৰিব্ ৰিব্ বতাহত কঁহুৱাৰ নাচোন। শৰৎ কালৰ প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই মানুহক অনুপ্ৰেৰণা যোগায়। সৃষ্টিৰ অপৰূপ দৃশ্য দেখি হিয়াত অজানিতে জাগে-জীৱনৰ সুপ্ত বাসনা অযুত আশা পূৰ্ণৰ সপোন। অনাদি কালৰ পৃথিৱীৰ শিল্প সাহিত্যত শৰৎ কালৰ বিমুগ্ধ বৰ্ণনা প্ৰকাশ হৈ আহিছে। সেয়ে এই শৰৎ কালতে বিভিন্ন পূজা-পাৰ্বণ অনুষ্ঠিত কৰা হয়। শ্ৰীমন্ত শংকৰদেৱে শৰতৰ ৰূপ-লাৱণ্যত মুগ্ধ হৈ আদি দশমত বৰ্ণনা কৰিছে –

“শৰৎ কালৰ ৰাতি অতি ৰিতোপন
বহু বিধে পুষ্পে বিকশিত বৃন্দাৱন”

ড° ভূপেন হাজৰিকাদেৱৰ গীততো আহিন মাহৰ শৰৎ কালৰ বৰ্ণনা অসীম –

শাৰদী ৰাণী, শৰতৰ শেৱালিৰ নতুন নিয়ৰে/শুদ্ধ শুভ্ৰ ছবি আঁকে/শুকুলা ডাৱৰৰ পতাকা উৰুৱাই/মুকুতিৰ গীত গায় শৰালি জাকে আদি কথা ৰূপেৰে শৰতৰ বৰ্ণনা মন কৰিবলগীয়া। বিশ্লেষণত শৰৎ কালৰ ৰং অনন্য। অসম তথা ভাৰতৰ বিভিন্ন ঠাইত এনে মনোমোহা মায়াময় শৰৎ কালতে মহা আড়ম্বৰপূৰ্ণভাৱে শ্ৰীকৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত হয়।

১৯২৮ চনৰ শৰৎ কালৰ পূৰ্ণিমাৰ জোনাক বিধৌত ৰাতি হাউলীৰ ৰাইজে ধৰ্মীয় মনোভাৱেৰে আৰম্ভ কৰিলে ৰাস উৎসৱ। সঁচাকৈয়ে মহা উৎসৱলৈ পৰিণত হ’ল হাউলীৰ ৰাস। নানা জাতি-উপজাতি আৰু ধৰ্মীয় লোকৰ বাসভূমি হাউলীৰ ৰাস মহোৎসৱ থলী হৈ পৰিল সম্প্ৰীতি আৰু সমন্বয়ৰো থলী। আশা আৰু প্ৰত্যাশাৰে ভৰা এক প্ৰত্যয়পূৰ্ণ মহাযাত্ৰাই এইবাৰ ৯৭ বৰ্ষ পূৰ্ণ কৰি ধাৱমান হৈছে শতবৰ্ষৰ দুৱাৰদলিত। সেয়ে ৰাস মহোৎসৱ সমিতিয়ে কিছুমান উপযুক্ত আৰু সাৰ্বজনীন পদক্ষেপ লোৱাৰ চিন্তা-চৰ্চা আৰু প্ৰয়োজন আছে বুলি অনুভৱ কাৰিছোঁ। লগতে মহোৎসৱটোৰ গৌৰৱ উজ্জ্বল এশবছৰীয়া যাত্ৰা এক অতি স্মৰণীয় আৰু বৰণীয় হোৱাৰ কামনা কৰিলোঁ। বৰ্তমান সমাজখনত অনৈতিক আৰু ভোগবাদী কিছুসংখ্যক মানুহে বিশৃংখলতাৰ সৃষ্টি কৰা দেখা যায়। এনে অসূয়া দূৰ কৰিবলৈ অসমীয়া জাতিৰ সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক দিশৰ উন্নতিৰ বাবে ঐক্যবদ্ধ এখন সুন্দৰ সমাজ গঢ়াৰ আদৰ্শ দাঙি ধৰিব লাগিব হাউলী ৰাস মহোৎসৱে।

২০০৪ চনৰ পৰা ভাৰত চৰকাৰে ৰাজ্যৰ ঐতিহাসিক ১৫০০-২০০০ বছৰীয়া প্ৰাচীন ভাষা, যিটো ভাষাত বুৰঞ্জী/মহাকাব্য লিখা হৈছে। যাৰ প্ৰকৃত সাহিত্য পৰম্পৰা আছে। প্ৰাচীন সাহিত্য আৰু আধুনিক সাহিত্যৰ লগত ভিন্নতা আছে। তেনেকুৱা ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়ে। অসমীয়া ভাষায়ো চলিত বৰ্ষৰ ৩ অক্টোবৰত মান্যতা পাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি পালে। ভাৰতীয় ধ্ৰুপদী ভাষাৰ অংশীদাৰ হোৱা এনে এটি ভাষাত হাউলী ৰাস মহোৎসৱে প্ৰতিবছৰে প্ৰকাশ কৰি অহা স্মাৰক সংকলন ‘মুৰুলী’ গুণগত দিশেৰে উন্নত সাহিত্যৰ অনবদ্য সংকলন ৰূপে প্ৰকাশ কৰাৰ চেষ্টা কৰা হৈছে। সেয়ে ‘মুৰুলী’ত কেৱল ৰাসকেন্দ্ৰিক লেখাৰে সজাই নলৈ অসমীয়া ভাষা, সাহিত্য সংস্কৃতিমূলক লেখা সন্নিবিষ্ট কৰি ‘মুৰুলী’ খন সৰ্ব্বাংগ সুন্দৰ কৰাৰ চেষ্টা কৰা হৈছে। সীমাবদ্ধ জ্ঞান, নিখুঁত অভিজ্ঞতা আৰু সময়ৰ অভাৱ হেতুকে অনিচ্ছকৃতভাৱে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সহৃদয় পাঠকৰ ওচৰত ক্ষমা বিচাৰিছোঁ। এই ছেগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা বৰেণ্য লেখক-লেখিকা তথা স্থানীয় সাহিত্যপ্ৰেমী লেখক-লেখিকাসকলে বহুমূলীয়া সময় খৰচ কৰি আমালৈ লেখা পঠোৱাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে কিছু সংখ্যক লেখা ‘মুৰুলী’ৰ সীমাবদ্ধ কলেৱৰৰ বাবে প্ৰকাশ কৰিব নোৱাৰিলো তাৰ বাবে আমি ক্ষমা বিচাৰিলোঁ।

‘মুৰুলী’ প্ৰকাশত বিভিন্নজনৰ পৰামৰ্শ আৰু সহযোগিতাই আমাক যথেষ্ট অনুপ্ৰাণিত কৰিছে। তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

জয়তু হাউলী ৰাস মহোৎসৱ!

(গজেন দাস)
সভাপতি
‘মুৰুলী’ সম্পাদনা সমিতি

https://howlyraasmahotsav.org/

সম্পাদকীয়

অসমীয়াৰ জয়যাত্ৰা যেন ব্যাহত নহয়...

শৰৎ কালৰ মনোমোহা পৰিৱেশত উদ্‌যাপিত ৰাসোৎসৱে অসমবাসীক আনন্দ প্ৰদান কৰাৰ লগতে একতা, সম্প্ৰীতি আৰু সদ্ভাৱ বৃদ্ধিত সহায় কৰি আহিছে। গুৰু দুজনাৰ পদস্পৰ্শই নতুন চিন্তা-চেতনা জাগ্ৰত কৰা বৰপেটাৰ হাউলীত প্ৰতি বছৰে আয়োজন কৰা হাউলী ৰাস মহোৎসৱক লৈ অসমবাসীৰ হেঁপাহ, আৱেগ আৰু উন্মাদনাৰ অন্ত নাই। উৎসৱৰ ৰং-আনন্দত মানুহ মতলীয়া হৈ থকাৰ সমান্তৰালকৈ হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিয়ে প্ৰতি বছৰে এখন বৃহৎ কলেৱৰৰ স্মৰণিকা প্ৰকাশ কৰি আহিছে। ইয়াত লেখক-লেখিকাৰ উৎকৃষ্ট চিন্তা প্ৰকাশ পোৱাৰ লগতে এছোৱা সোণালী সময়কো ধৰি ৰখা হয়। আমি আশা কৰোঁ, আলোচনীখনত ঠাই পোৱা লেখাবোৰে পঢ়ুৱৈক নানা ভাৱে লাভান্বিত কৰিব; নতুন নতুন চিন্তা-চেতনা জাগ্ৰত কৰাৰ লগতে সৃষ্টিৰ বাট মুকলি কৰাত সহায় কৰিব।

যথাসাধ্যে হাউলী ৰাস মহোৎসৱৰ স্মৃতিগ্ৰন্থখন পঢ়ুৱৈৰ মাজলৈ আগবঢ়াই দি আমাৰ মনত দুশ্চিন্তা উদ্ভৱ হৈছে—নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীয়ে এইখন পঢ়িব জানো কিয়নো শেহতীয়াকৈ বাতৰি কাকত, আলোচনী, গ্ৰন্থৰ পঢ়ুৱৈৰ সংখ্যা উদ্বেগজনকভাৱে হ্ৰাস পাইছে। অপ্ৰিয় হ'লেও সত্য যে সাম্প্ৰতিক অসমৰ বহু উদীয়মান ল'ৰা-ছোৱালীয়ে অসমীয়া পঢ়িবই নোৱাৰে। অসমীয়াৰ দ্বাৰা আমাৰ মাতৃভাষাটো অৱহেলিত, অনাদৃত হোৱাটোৱে ভয়ংকৰ ভৱিষ্যতৰ ইংগিত দিছে। 'ভাষা জীয়াই ৰাখে জাতিৰ নতুন প্ৰজন্মই। এটা পীৰিৰ পৰা আনটো পীৰিয়ে গ্ৰহণ কৰে মুখৰ ভাষাটো। অসমীয়া ভাষাৰ বিদ্যালয়বোৰ লুপ্ত হৈ গ'লে অসমীয়া ভাষাটো শিকিব কোনে? শিকাব কোনে? শিক্ষাৰ্থীসকলক যদি সৰুতেই অসমীয়া ভাষাৰ পৰা বিচ্ছিন্ন কৰি পেলোৱা হয়, ভাষাটো ভৱিষ্যতে আগবঢ়াই নিব কোনে? কোনে পঢ়িব অসমীয়া ভাষাৰ কিতাপ-পত্ৰ, কোনে অসমীয়াত গান গাব, নাটক কৰিব, চিনেমা কৰিব? ('অসমীয়া প্ৰতিদিন'ৰ সম্পাদকীয়, ৬ নৱেম্বৰ ২০২৪) সেয়েহে আমি শংকিত হৈছোঁ আৰু অসমপ্ৰেমীসকলক প্ৰশ্ন কৰিছোঁ—ভৰিৰ তলৰ মাটিখিনি নোহোৱা হৈ গ'লে আমি ক'ত থিয় হ'ম? জোৰ পুৰি হাত নৌপাওঁতে, এসময়ত বাংলা ভাষাত জাহ যাবলৈ উপক্ৰম হোৱা আমাৰ মৰমৰ অসমীয়া ভাষাটো অশেষ কষ্টেৰে একাংশ অসমহিতৈষীয়ে উদ্ধাৰ কৰাৰ পাছত, এতিয়া জনা বুজা, উচ্চ শিক্ষিত অসমীয়াৰ দ্বাৰাই নিঃশেষ হ'বলৈ ওলোৱাত সতৰ্ক হ'ব নালাগিবনে?

এইবাৰ 'মুৰুলী' সম্পাদনত যি গুৰু দায়িত্ব আমাক অৰ্পণ কৰা হ'ল তাক আমি বহু আন্তৰিকতাৰে গ্ৰহণ কৰিবলৈ চেষ্টা কৰিছোঁ। ক'ৰবাত অনিচ্ছাকৃতভাৱে ভুল ৰৈ যোৱাটো নিতান্তই স্বাভাৱিক, যাৰ বাবে আমি পঢ়ুৱৈ তথা, বৌদ্ধিক মহলৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

শেষত যথেষ্ট মূল্যৱান সময় খৰচ কৰি বহু লেখকে আমালৈ লেখা পঠাইছিল যদিও স্থানাভাৱৰ বাবে বা সঠিক সময়ত আমাৰ হাতত নপৰাৰ বাবে আমি তেনে লেখনিবোৰ 'মুৰুলী' এই সংখ্যাত প্ৰকাশ কৰিব নোৱাৰিলো, তাৰ বাবেও আমি ক্ষমা বিচাৰিছোঁ। 'মুৰুলী' প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়োৱা ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠান সকলোকে অন্তৰৰ পৰা অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

জয়তু হাউলী ৰাস মহোৎসৱ

(বিতুমণি বৰ্মন) (নীলকমল কলিতা)
সম্পাদকদ্বয়
'মুৰুলী' সম্পাদনা সমিতি

https://howlyraasmahotsav.org/

৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱৰ বিষয়ববীয়া সকল

ড° বাবুল চন্দ্ৰ দাস
পৃষ্ঠপোষক

শ্ৰীযুত ৰণজিৎ কুমাৰ দাস
পৃষ্ঠপোষক

শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰী
পৃষ্ঠপোষক

শ্ৰীযুত অতুল বৰা
পৃষ্ঠপোষক

শ্ৰীযুত কেশৱ মহন্ত
পৃষ্ঠপোষক

শ্ৰীযুত জয়ন্তমল্ল বৰুৱা
পৃষ্ঠপোষক

শ্ৰীযুত কিশল বৰা
পৃষ্ঠপোষক

শ্ৰীযুত ফণী ভূষণ চৌধুৰী
পৃষ্ঠপোষক

শ্ৰীযুত জয়ন্ত বসুমতাৰী
পৃষ্ঠপোষক

শ্ৰীযুত ৰোহণ কুমাৰ ঝা
পৃষ্ঠপোষক

https://howlyraasmahotsav.org/

শ্ৰীযুত গৌতম দাস
পৃষ্ঠপোষক

শ্ৰীযুত সুশান্ত বিশ্ব শৰ্মা
পৃষ্ঠপোষক

শ্ৰীযুত উজ্জ্বল প্ৰতীম বৰুৱা
পৃষ্ঠপোষক

শ্ৰীযুত গৌতম দাস
উপদেষ্টা

শ্ৰীযুতা অঞ্জলি দাস চৌধুৰী
উপদেষ্টা

শ্ৰীযুত খনীন্দ্ৰ কুমাৰ বায়ন
উপদেষ্টা

শ্ৰীযুত নৃপেন্দ্ৰ পূজাৰী
উপদেষ্টা

ড° ভগীৰথ নাথ
উপদেষ্টা

শ্ৰীযুত ৰাঘৱ চন্দ্ৰ দাস
উপদেষ্টা

শ্ৰীযুত লক্ষীকান্ত দাস
উপদেষ্টা

শ্ৰীযুত টিকেন্দ্ৰজিৎ দাস
উপদেষ্টা

শ্ৰীযুত বনজিৎ দাস
আজীৱন উপদেষ্টা

শ্ৰীহেমেন দাস
সভাপতি

শ্ৰীতৰুণ চন্দ্ৰ নাথ
কাৰ্যকৰী সভাপতি

শ্ৰীগোপাল কৰ্মকাৰ
উপ-সভাপতি

‘হাউলী বঁটা’ প্ৰাপক নমস্য ব্যক্তিসকল

ড° ভূপেন হাজৰিকা
২০০৮

গোকুল পাঠক
২০০৯

হোমেন বৰগোহাঞি
২০১০

অচ্যুত লহকৰ
২০১১

ড° বীৰেন্দ্ৰনাথ দত্ত
২০১২

সত্যনাথ দাস
২০১৩

আব্দুল মজিদ
২০১৪

ড° লক্ষহীৰা দাস
২০১৫

https://howlyraasmahotsav.org/

বশিষ্ঠ দেৱ শৰ্মা
২০১৬

ড° বীৰুবালা ৰাভা
২০১৭



দুলাল ৰয়
২০১৮

গিল্‌বাৰ্টছন চাংমা
২০১৯

অক্ষয় কুমাৰ মিশ্ৰ
২০২২

পুলক বেনাৰ্জী
২০২৩

সত্যকৃষ্ণ মিশ্ৰ
২০২৪

অনুক্ৰমণিকা

- কুৰুক্ষেত্ৰ যুদ্ধ কেতিয়া হৈছিল জানেনে?/**ড° মাধুৰ্য্যমণ্ডিত বৰুৱা** ১
- ৰাসক্ৰীড়াঃ ভাৰতৰ সংস্কৃতিৰ মেৰুদণ্ড/**ড° নন্দ সিং বৰকলা** ৬
- প্ৰসঙ্গ ঃ মাধৱদেৱৰ বৰগীত/ **ড° দুলুমনি ডেকা** ১২
- শঙ্কৰী পদ্ধতিত বিবাহঃ এটি দৃষ্টিপাত/ **ড° খনিন্দ্ৰ কুমাৰ বৰ্মন** ১৫
- লাচিত বৰফুকনৰ ধৰ্মগুৰু ৰামানন্দ দ্বিজ আৰু কিছু ঐতিহাসিক অনুসন্ধান/**ড° উৎপল নাৰায়ণ গোস্বামী** ১৯
- সিদিনা মোক লৈ/ **কুমাৰ মীন দাস** ২১
- ঐতিহ্যপূৰ্ণ বৰনগৰৰ মহাপ্ৰভু শ্ৰী শ্ৰী গৰখীয়া গোসাঁই থান/ **শশধৰ মিশ্ৰ** ২২
- অসমত ৰাস মহোৎসৱ, মাজুলী আৰু কিছু কথা/**অমৃত কুমাৰ ঠাকুৰ** ২৫
- অসমীয়া ভাষাৰ কালজয়ী চলচ্চিত্ৰ 'অৰণ্য'ক ধ্ৰুপদী চলচ্চিত্ৰৰ শাৰীত স্থান দিব পাৰি/ **চন্দন শৰ্মা** ২৯
- ভক্তি ৰসাশ্ৰিত মীৰাবাঈ নাটকৰ চৰিত্ৰ চিত্ৰণত.../**ড° ভগীৰথ নাথ** ৩৩
- পুৰণি বৰপেটাৰ কথকতা/ **ড° নিৰ্মল ৰঞ্জন মজুমদাৰ** ৩৫
- নিধিৱন এক ৰহস্য/ **ডেইজী বৰা** ৩৭
- পত্তাপৰ পত্তাপ/ **বিবেকাৰঞ্জন ৰায় চৌধুৰী** ৩৯
- বৈদিক দৰ্শন ঃ সংক্ষিপ্ত আৱলোকন/ **জিন্তু ঠাকুৰীয়া** ৪২
- পদ্মশ্ৰী বীৰুবালা ৰাভা/ **ড° নমিতা দাস গুৰুং** ৪৯
- অসমীয়া জনমানসত লক্ষ্মী-অলক্ষ্মী/ **ড° উপেন ৰাভা হাকাচাম** ৫৪
- এয়াই নেকি জীৱন?/ **অঞ্জু দাস** ৬৬
- ন মে ভক্ত ঃ প্ৰণশ্যতি/ **তৰণী কুমাৰ পাঠক** ৬৭
- শ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰসংগত/ **ড° ৰুমী কলিতা** ৭০
- অসমত আৰ্য-অনাৰ্য সভ্যতা-সংস্কৃতিৰ সমন্বয় সংযোগকাৰী হ'ল ভগৱান শ্ৰীকৃষ্ণ/ **ৰত্নেশ্বৰ বসুমতাৰী** ৭৩
- বুৰঞ্জীয়ে ৰিঙিয়ায় ভাৰতীয় স্থাপত্য ভাস্কৰ্য শিল্প / **ড° নঞ্জু দত্ত** ৮০
- শংকৰদেৱৰ দৃষ্টিত শ্ৰীকৃষ্ণৰ ৰাসলীলা/ **ডাঃ হৰেন চৌধুৰী** ৮৩
- ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু তেওঁৰ অমৰ সৃষ্টি 'ইয়াৰুইংগম'/ **নৃপেন্দ্ৰ পূজাৰী** ৮৭
- হাউলী ৰাস গঢ় লোৱা মানৱীয় মূল্যবোধ/ **সাগৰিকা গোস্বামী** ৯১
- অতিথি দেৱো ভৱঃ/ **তৰু ডেকা** ৯২
- ভূপেন দাসৰ কবিতা স্তৱক/**ভূপেন দাস** ৯৫
- হাউলীৰ সাহিত্য, সাংস্কৃতিক ঐতিহ্যঃ কিছু সাম্প্ৰতিক চিন্তা/ **প্ৰতাপ দাস** ৯৬
- মৃত্যু/ **সমৰেন্দ্ৰ ঠাকুৰীয়া** ১১০
- অসমীয়া ভাষাই সন্মুখীন হোৱা প্ৰত্যাহ্বান নেওচাৰ উপায়/**চন্দনা দেৱী, ড° নিভাৰাণী ৰয়** ১১১

https://howlyraasmahotsav.org/

রাস ঃ ভাৰতীয় আধ্যাত্মিকতাৰ শীৰ্ষানুভূতি/ **ডʼ আৰ কে বেজবৰুৱা** ১১৫
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ মহাপ্ৰয়াণৰ ক্ষেত্ৰ মধুপুৰ সত্ৰ/ **যুগান্ত বায়ন** ১১৭
চিৰ চঞ্চল মন আৰু আত্ম নিয়ন্ত্ৰণ/ **ডাঃ হৰেকৃষ্ণ সাহা** ১২১
ঐতিহাসিক দৰঙী উৎসৱ ঃ পাচেতি/ **কল্পনা কোঁৱৰ** ১২৩
ৰাস-পূৰ্ণিমা/ **বিভামণি বৰপূজাৰী** ১২৪
শ্ৰীকৃষ্ণৰ ৰাসলীলা আৰু ভক্তিৰসঃ/ **কাঞ্চন দাস** ১২৫
কানুপ্ৰিয়া/ **অৰূপ হালৈ** ১২৭
ডʼ ৰবীন দেৱ চৌধুৰীৰ অতীত প্ৰীতি/ **ডʼ দয়ানন্দ পাঠক** ১২৮
ৰাধাৰ ভালপোৱা/ **উৎপল ৰায়** ১৩০
ৰাস উৎসৱঃ ইয়াৰ আধ্যাত্মিক আৰু সামাজিক তাৎপৰ্য/ **খনীন নাথ** ১৩১
মানাহক জানক, ভালপাওঁক আৰু সংৰক্ষণত অংশীদাৰ হওঁক/ **নিৰঞ্জণ বৰ্মন** ১৩২
ভাষিক নিপুণতা, শিক্ষাত মাতৃভাষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব এটি অধ্যয়ন/ **সমীৰণ দাস** ১৩৭
ভ্ৰাম্যমাণ থিয়েটাৰৰ স্থিতি গতিৰ আলোকৰেখা/ **ডʼ বসন্ত কুমাৰ শৰ্মা** ১৪০
বেদ আৰু কিছু কথা/ **প্ৰণৱ কুমাৰ শৰ্মা** ১৪৪
বাৰমাহী গীত সম্পৰ্কে এটি চমু আলোচনা/ **শিল্পীশিখা তালুকদাৰ** ১৪৬
মিচিঙৰ সামাজিক ধৰ্মীয় অনুষ্ঠান দবুৰ পূজাঃ/ **উত্তম লইং** ১৪৭
ভক্তি আৰু প্ৰেম ৰসৰ উৎসৱ-ৰাসোৎসৱ/ **অলকা বুজৰ বৰুৱা** ১৫৬
অমৃতৰ ধাৰা ঃ ৰাধা/ **নীলাঞ্জনা পাঠক** ১৫৭
শৰৎকালৰ স্নিগ্ধ জোনাক নিশা আৰু ৰাসক্ৰীড়া/**ডʼ কল্পনা বৈশ্য** ১৫৮
হাউলী ৰাস মহোৎসৱ/ **বনলতা দাস** ১৬১
ৰাসলীলাৰ তাৎপৰ্য্য/ **শিখা গোস্বামী** ১৬২
কথোপকথন/ **ডʼ দীপমণি দাস** ১৬৪
পৰমব্ৰহ্ম আৰু ঈশ্বৰ/ **বীণাপাণি কলিতা পাঠক** ১৬৫
প্ৰতিচ্ছবি/ **প্ৰাঞ্জনা দাস** ১৬৭
কৃষ্ণ মাহাত্ম/ **অমল বৰ্মণ** ১৬৭
কৃষ্ণস্তু ভগৱান স্বয়ং/ **প্ৰসন্ন কুমাৰ পাঠক** ১৬৮
শৰতৰ অনুভৱ/ **শৈলেন তালুকদাৰ** ১৭২
লোক সমাজৰ লোককাব্য/ **ভাস্বতী কলিতা** ১৭৩
নাৰীক নালাগে মিছা উপাধি/ **ভাৰতী নাথ** ১৭৪
দৰঙী লোক পৰিৱেশ্য কলা — ‘ওজাঁপালি’/ **অনামিকা হাজৰিকা** ১৭৫
শ্ৰীকৃষ্ণ লীলা/ **মিহিৰ মৌচুম ৰয়** ১৭৭
গ্ৰন্থ অধ্যয়নে হৈছে জ্ঞানাৰ্জনৰ ঘাইপথ/ **মেছেৰ আলী আহমেদ** ১৭৮
মধুমিতা শৰ্মাৰ ‘কাৰ বাঁহীৰ সুৰ ঘুণাসুঁতিত বাজে’ত সামাজিক দায়বদ্ধতাৰ প্ৰতিফলন/**মদন ৰাজবংশী** ১৮০
ৰাসলীলা তাৎপৰ্য আৰু ইয়াৰ প্ৰাসংগিকতা/ **কিৰণ চন্দ্ৰ চৌধুৰী** ১৮২

https://howlyraasmahotsav.org/

- মকৰা/ **কংকন তালুকদাৰ** ১৮৩
- ভাৰতীয় সঙ্গীতত 'ভক্তিগীত'/ **হিমাংশু কুমাৰ বৰুৱা** ১৮৪
- আধুনিক জীৱন-যাত্ৰাত গীতাৰ প্ৰাসংগিকতা/ **ভুবনেশ্বৰ ডেকা** ১৮৬
- ঐতিহ্যমণ্ডিত হাউলী ৰাসৰ পুৰণি কথাবোৰ/ **অসীম দাস** ১৮৮
- ৰাস আৰু অন্যান্য প্ৰাসংগিক দুই-এটি কথা/ **অৰুণ কুমাৰ গোস্বামী** ১৯৩
- কৃষ্ণতত্ত্ব— অলৌকিকতাৰ কিয়দংশ/ **বিনোদ তালুকদাৰ** ১৯৪
- ৰাষ্ট্ৰীয় সংগীতত কৃষ্ণবন্দনা/ **জাহ্নৱী এন ডেকা** ১৯৬
- কৃষ্ণত চৰিত্ৰৰ মাহাত্ম্য ঃ মানৱী ৰূপত দৈৱিক আধ্যাত্মিক সত্তাৰ প্ৰকাশ/ **কমল দাস** ১৯৮
- পুঠিমাৰী অঞ্চলৰ শ্ৰী শ্ৰী বুঢ়ী আই থানঃ দেৱী মাহাত্ম্যৰ অন্য এটি ৰূপ/ **চন্দামিতা দাস** ২০০
- এজাক চৰাই/ **দ্বীপেন কুমাৰ দাস** ২০১
- শিশুৰ চৰিত্ৰ গঠনত ঘৰুৱা পৰিৱেশ/ **কৃষ্ণকান্ত বৰ্মন** ২০২
- তুমি উৎসৱ/ **প্ৰদীপ কুমাৰ দাস** ২০৩
- উৎসৱ, সামাজিকীকৰণ, আধ্যাত্মিকতা ইত্যাদি/ **উদ্ধৱ দেৱ দাস** ২০৪
- অনুবাদ সাহিত্যৰ পৰিচয় আৰু অসমীয়া অনুবাদ/ **দীক্ষিতা বায়ন** ২০৫
- শ্ৰীকৃষ্ণৰ ৰাস লীলা/ **জয়মতী দাস** ২০৭
- জীৱন উশাহ প্ৰেম/ **কৃষ্ণাশ্ৰী নাথ** ২০৮
- বৰষুণ/ **প্ৰিয়ংকা নাথ** ২০৮
- জ্ঞান উত্তৰণৰ বাহুল্যতা/ **জিতেন চৌধুৰী** ২০৯
- ৰাসক্ৰীড়া, 'গজেন্দ্ৰোপাখ্যান' আৰু মোৰ অনুভৱ/ **ভানুমতী কাকতি** ২১৩
- হাউলীত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস উৎসৱ/ **ধৃতি সুন্দৰ দাস** ২১৬
- অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ স্বীকৃতি/ **কিৰ্তীকা কাশ্যপ (কুঁহি)** ২১৭
- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নাটকত আধুনিক নাৰী মনস্তত্ত্ব ঃ এক চমু পৰ্য্যালোচনা/**দীপজ্যোতি বৈশ্য** ২১৮
- শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া আৰু বৰ্তমান সমাজ জীৱনত ইয়াৰ প্ৰাসংগিকতা/ **প্ৰতিভা দেৱী** ২২০
- সজাৰ পখী/ **কানন দাস** ২২২
- অসমৰ পালনাম মহোৎসৱ ঃ মাজুলীৰ ঐতিহ্য/ **ৰঞ্জিৎ কুমাৰ ভুঞা** ২২৩
- এইবেলি শ্ৰীকৃষ্ণ আহিব হেনো/ **কৰুণাময় দাস** ২২৬
- আনন্দ মেলা/ **প্ৰণৱ জ্যোতি দাস** ২২৭
- উদিত সূৰ্যৰ হাতত/ **ৰূণু চৌধুৰী** ২২৮
- নাৰী মই/ **জুনুমনি হালৈ** ২৩১
- হাউলী ৰাস মহোৎসৱ ঃ এটি অৱলোকন/ **কল্প তালুকদাৰ** ২৩২
- হে গুৰু ঃ প্ৰণাম আপোনাক/ **পূজা তালুকদাৰ** ২৩৪
- সেউজীয়াৰ সোঁমাজত/ **মনজিৎ কলিতা** ২৩৪
- হাউলীয়ে ৰিঙিয়ায়/ **ড° হৃদয় ৰঞ্জন দাস** ২৩৫
- হাউলীৰ ৰাস মহোৎসৱ/ **গণেশ চন্দ্ৰ দাস** ২৩৭

https://howlyraasmahotsav.org/

- হাউলী ৰাস-মহোৎসৱ/ **সুভাষ মেধি** ২৩৯
- শতবৰ্ষত খোজ থবলৈ অগ্ৰসৰ হৈছে ঐতিহাসিক ‘হাউলী ৰাস মহোৎসৱ’/ **গৌৰাংগ দাস** ২৪১
- হাউলীৰ অন্তৰ্গত গাঁও সমূহত পালন কৰা উৎসৱ সমূহৰ চমু আভাস/ **ভাস্কৰ জ্যোতি দাস** ২৪২
- ভগ্নাৱশেষ/ **পূৰবী চক্ৰৱৰ্ত্তী** ২৪৩
- ৰাস মহোৎসৱ সম্পৰ্কে হাউলীৰ বিভিন্ন ধৰ্মানুষ্ঠানৰ বিষয়ববীয়াৰ মনৰ ভাৱ ২৪৪
- যমুনাৰ বালিত কি সুৰ বাজিছে/ **মনহৰি বায়ন** ২৪৮
- নিধিবনত কৃষ্ণক বিচাৰি ফুৰোতে.../**ধ্ৰুৱকুমাৰ তালুকদাৰ** ২৪৯
- হৃদয়ৰ দাপোণত তুমি/ **নমিতা চৌধুৰী** ২৫০
- সপোনৰ ঠিকনা বিচাৰি/ **বিজুলী বৈশ্য** ২৫০
- শৰৎ-বিলাস/ **ইন্দুপ্ৰভা দত্ত অধিকাৰী** ২৫১
- মাছ, মানুহ ইত্যাদি/ **সুশীল ৰঞ্জন চৌধুৰী** ২৫২
- ৰামেশ্বৰী/ **কানুপ্ৰিয়া ডেকা** ২৫৩
- মন্দ সময়/ **মথুৰা নাথ** ২৫৩
- তোমাৰ স্মৃতিত/ **জোনাকী নাথ** ২৫৪
- মই যে নহ’লো কৃষ্ণৰ ৰাধা/ **ৰুমী দেৱী** ২৫৪
- প্ৰতিশ্ৰুতি নে প্ৰতাৰণাৰ বাণ/ **উপাসনা শৰ্মা** ২৫৫
- নাৰ্চিচাছৰ চহৰৰ এটি তৰা/ **হেৰম্ব কুমাৰ দাস** ২৫৫
- কৃষ্ণক বিচাৰি/ **মৌচুম হাজৰিকা** ২৫৬
- উৰ্মিলা হুমুনিয়াহ/ **বিজু দেৱী** ২৫৭
- বৃন্দাবন/ **অনিৰুদ্ধ পাঠক** ২৫৭
- সমবেত গীত/ **প্ৰাণ নাথ পাঠক** ২৫৮
- ৰাসৰ গান/ **দিলীপ নাথ** ২৫৯
- হাউলী ৰাস মহোৎসৱৰ উদ্বোধনী শীৰ্ষ গীত ২৫৯
- दुफां बोथोरनि रंजाथाय फोर्बो आरो आथिखाल समाजारि थासारियाव बेनि गोनांथि/**ड.अनिल बर’** ২৬০
- मायाब्रि कृष्ण/ **Rashmi Choudhury** ২৬৩

ENGLISH SECTION

- Significance of Howly Raas/ **Ranjit Kumar Kalita** ২৬৫
- The First Assamese Woman Poet And Lyrisist –Aai Padmapriya/ **Kumar Rajiv Gurung** ২৬৭
- The Origin of Raas Festival and Howly Raas Mahotsava/**Dr. Sultan Ali Ahmed** ২৬৯
- Importance of Women Empowerment/ **Bijay Kar** ২৭২
- Creation of the God/ **Jiten Thakuria** ২৭৩
- The Raas Festival with special reference to ..../**Dr. Nripanka Saikia** ২৭৪
- Lord Krishna’s Importance in the Raas Festival/ **Gagan Kr. Sarma** ২৭৬

https://howlyraasmahotsav.org/

কুৰুক্ষেত্ৰ যুদ্ধ কেতিয়া হৈছিল জানেনে?
(ৰামচন্দ্ৰ আৰু শ্ৰীকৃষ্ণৰ সময় কেতিয়া ঃ জানো আহক)

ড° মাধুৰ্য্যমণ্ডিত বৰুৱা

কলিযুগ আৰু শ্ৰীকৃষ্ণৰ সময় চতুৰ্থ-পঞ্চম শতিকাৰ সূৰ্য সিদ্ধান্তৰ মতৰ অনুসৰি কলিযুগ খ্ৰীষ্টপূৰ্ব ৩১০২অব্দৰ ১৮ ফেব্ৰুৱাৰীত আৰম্ভ হৈছিল; যিটো সময়ত শ্ৰীকৃষ্ণৰ মৃত্যু হৈছিল। ৪৯৯ খ্ৰীষ্টাব্দত জ্যোতিৰ্বিজ্ঞানী আৰ্যভট্টই ৰচনা কৰিছিল আৰ্য্যভট্টীয়ম্ নামৰ গ্ৰন্থখন। তাতো কলিযুগ আৰম্ভ হোৱাৰ সময় নিৰ্ধাৰণ কৰিছিল খ্ৰীষ্টপূৰ্ব ৩১০২।[২] আৰ্য্যভট্টই কলিৰ বয়স ৩৬০০ বছৰ হওতে আৰ্যভট্টীয়ম্ গ্ৰন্থখন লিখা বুলি দাবী কৰি তেওঁৰ জন্ম ৪৭৬ খ্ৰীষ্টাব্দ আৰু বয়স ২৩ বছৰৰ যোগফলক বিয়োগ কৰি খ্ৰীষ্টপূৰ্ব আৰু প্ৰথম খ্ৰীষ্টাব্দৰ মাজত এটা বছৰ অতিবাহিত হোৱা বুলি গণ্য কৰি পুনৰ এবছৰ যোগ কৰি সময় নিৰ্ধাৰণ কৰিছিল যীশুখ্ৰীষ্টৰ জন্মৰ ৩১০২ বছৰ পূৰ্বে বুলি।[৩] চালুক্য ৰজা দ্বিতীয় পুলকেশীৰ ৰাজত্বকালত লিখা হ'লে' শিলালেখৰ আধাৰত কলিৰ সময় খ্ৰীষ্টপূৰ্ব ৩১০১। ৰাজকবি ৰবিকীৰ্তিয়ে ৰজাৰ প্ৰশস্তি কৰি লিখা কৰ্ণাটকৰ প্ৰাচীন মেগুটি মন্দিৰত থকা শিলালেখখনৰ মতে, মন্দিৰটোৰ নিৰ্মাণ কাল ৬৩৪ খ্ৰীষ্টাব্দ। শিলালেখখনত সেই সময় কলিৰ পৰা ৩৭৩৫ বছৰ বুলি উল্লেখ কৰিছে। কানাড়া লিপিত সংস্কৃতত লিখা শিলালেখখনৰ আধাৰত কলিৰ সময় খ্ৰীষ্টিয় বৰ্ষৰ হিচাপেৰে (৩৭৩৫ বছৰ- ৬৩৪ খ্ৰীষ্টাব্দ =) খ্ৰীষ্টপূব ৩১০১।[৪] কলিৰ সময় আৰম্ভ হোৱাৰ ৩৬ বছৰৰ পূৰ্বে কুৰুক্ষেত্ৰ যুদ্ধ হৈছিল।[৫] সেইফালৰপৰা, কুৰুক্ষেত্ৰ যুদ্ধৰ সঠিক সময় হ'ব লাগে খ্ৰীষ্টপূৰ্ব ৩১৩৭। বৰাহমিহিৰে সূৰ্যসিদ্ধান্তত নিৰ্ধাৰণ কৰা আৰু আৰ্যভট্টই গণনা কৰি উলিওৱা হিচাপ অনুসৰিও খ্ৰীষ্টপূৰ্ব ৩১০২ অব্দত কলিযুগৰ আৰম্ভ হ'লে, শ্ৰীকৃষ্ণৰ মৃত্যুৰ ৩৬ বছৰৰ পূৰ্বে কুৰুক্ষেত্ৰ যুদ্ধ সংঘটিত হোৱাৰ সময় খ্ৰীষ্টপূৰ্ব ৩১৩৮ হ'ব।

লাৱণ্য ভে'মছানিৰ মতে, শ্ৰীকৃষ্ণৰ জন্ম ৩২২৭ খ্ৰীষ্টপূৰ্বত আৰু মৃত্যু খ্ৰীষ্টপূৰ্ব ৩১০২ অব্দত।[৬] কুৰুক্ষেত্ৰ যুদ্ধৰ সময়ত শ্ৰীকৃষ্ণ আছিল নৱৈ বছৰীয়া। মহাভাৰত, হৰিবংশ পুৰাণ, বিষ্ণু পুৰাণ আৰু শ্ৰীমদ্ভাগৱত পুৰাণৰ আধাৰত কৰি উলিওৱা হিচাপ তেওঁৰ গৱেষণাগ্ৰন্থ *Krishna : In History, Thought and Culture*-ত দিছে। লাৱণ্য ভে'মছানিয়ে কুৰুক্ষেত্ৰ যুদ্ধৰ সময় প্ৰসঙ্গত গ্ৰন্থখনত লিখিছে—

The Bharata war, in which Krishna participated at the age of ninety, took place in the year 3138 BCE. Krishna's death is recorded as having happended in the year 3102 BCE, which is also the begining of the Kali age, as the Dvapara age ended with the death of Krishna.[7]

জ্যোতিৰ্বিজ্ঞানী আৰ্যভট্টৰ পূৰ্বে কলিযুগৰ কাল নিৰ্ণয় আন কোনোৱে কৰাৰ কথা জনা নাযায়। পৰৱৰ্তীকালত শ্ৰীমদ্ভাগৱত পুৰাণ, বিষ্ণুপুৰাণ আৰু ব্ৰহ্মপুৰাণত শ্ৰীকৃষ্ণৰ মৃত্যুৰ দিনটো দ্বাপৰ যুগৰ সমাপ্তিঃ কলিযুগৰ আৰম্ভণি বুলি থকা উল্লেখৰ সংযুক্তিৰে আৰ্যভট্ট-নিৰ্ধাৰিত ৩১০২ খ্ৰীষ্টপূৰ্বক শ্ৰীকৃষ্ণৰ জীৱনাৱসানৰ দিনৰূপে গণ্য কৰি লোৱা হ'ল। সেইবাবে

https://howlycaasmahotsav.org/

পণ্ডিত-গৱেষকসকলৰ একাংশই বিষয়টোক অগ্ৰাহ্য কৰি আন ধৰণে ব্যাখ্যা কৰিছে। চতুৰ্যুগৰ প্ৰসঙ্গত মনুস্মৃতিতেই সম্ভৱতঃ প্ৰথম উল্লেখ হৈছিল। তাত কোৱা হৈছে যে সত্যযুগৰ কালৰ পৰিমাণ চাৰি হাজাৰ বছৰ আৰু সেই যুগৰ পূৰ্বৰ চাৰিশ বছৰ সন্ধ্যা তথা পাছৰ চাৰিশ বছৰ সন্ধ্যাংশৰ পৰিমাণ। একেদৰে, সত্যযুগৰ পূৰ্ব সন্ধিকাল আৰু অন্তিম সন্ধিকালৰ লগত ক্ৰমে সত্যযুগৰ সন্ধ্যা তথা সন্ধ্যাংশৰপৰা এশ বছৰকৈ কম কৰি গ'লে যি কাল হ'ব সেয়াই ক্ৰমে ত্ৰেতা, দ্বাপৰ আৰু কলি কালৰ পৰিমাণ। মনুস্মৃতিত আছে ঃ

চত্বাৰ্য্যাহুঃ সহস্ৰাণি ৱৰ্ষাণাং তৎ কৃতং যুগম্।
তস্য তাৱচ্ছতী সন্ধ্যা সন্ধ্যাংশশ্চ তথাৱিধঃ।।
ইতৰেষু সসন্ধ্যেষু সসন্ধ্যাংশেষু; ত্ৰিষু।
একাপায়েন ৱৰ্তন্তে সহস্ৰাণি শতানি;।।[৮]

সেই হিচাপেৰে কলিযুগৰ কালব্যাপ্তি হ'বগৈ মাত্ৰ ১২০০ বছৰ। মনুৱে ইয়াকো কৈ থৈছে যে মানুহৰ এবছৰ দেৱতা সকলৰ এদিন-এৰাতি হয়; যুগকাল দেৱতা সকলৰ বছৰৰ হিচাপ অনুসৰিহে।[৯] তেতিয়া কলিযুগৰ কালব্যাপ্তি হ'বগৈ ৪,৩২,০০০ বছৰ। সত্য, ত্ৰেতা আৰু দ্বাপৰৰ সাধাৰণ হিচাপো বৃহৎ হ'ব; যি মহাকাব্য আৰু পুৰাণসমূহে ব্যাখ্যা কৰা কিম্বা ঐতিহাসিক সত্যতা প্ৰমাণিত হোৱা পৌৰাণিক ইতিহাসৰে কালানুক্ৰমৰ বিসঙ্গতি ঘটিব। মনুস্মৃতিয়ে নিৰ্দেশ কৰা মানুহৰ চাৰি যুগৰ সৰ্বমুঠ কাল বাৰ হাজাৰ বছৰৰে দেৱতাৰ এটা যুগ হোৱা[১০] কথাটো এই ক্ষেত্ৰত মন কৰিব লগীয়া। ঋগ্বেদ আৰু পুৰাণসমূহৰ বিবৃতিৰ সংযুক্তিৰে দেখোঁ ইন্দ্ৰক দেৱলোকৰ ৰজা ৰূপে প্ৰতিষ্ঠা কৰি মানৱৰ সৰ্বশ্ৰেষ্ঠ আৰু সৰ্বশক্তিশালী ৰজাগৰাকীকে ইন্দ্ৰ বুলি ইঙ্গিত কৰা হৈছে। সেইফালৰপৰা দৈৱিক বছৰ যে মানৱকুলৰ বছৰৰে প্ৰতিলেখ, তাক সহজেই অনুমান কৰিব পাৰি।

কল্কিপুৰাণত বাৰ হাজাৰ বছৰ বিভাজনৰ প্ৰসঙ্গত অতি গুৰুত্বপূৰ্ণ উল্লিখন আছে। তাত চাৰিটা যুগৰ বাৰ হাজাৰ বছৰক চাৰি, তিনি, দুই , এক অনুপাতত আনুপাতিকভাৱে ভাগ কৰিবলৈ কৈছে। কল্কিপুৰাণত কোৱা হৈছে ঃ

দ্বাদশাব্দসহস্ৰেণ দেৱনাঞ্চ চতুৰ্যুগম্।
চত্বাৰি ত্ৰীণি দ্বে চেকং সাহস্ৰগণিতং মতম্।।[১১]

কল্কিপুৰাণৰ উল্লিখনৰ সঙ্গতি দেখা যায় বিষ্ণুপুৰাণৰ এই শ্লোকত।

চত্বাৰি ত্ৰীণি দ্বে চৈকং কৃতাদিষু যথাক্ৰমম্।
দিব্যাব্দানাং সহস্ৰাণি যুগেষ্বাহুঃ পুৰাবিদঃ।।
তৎপ্ৰমাণৈঃ শতৈঃ সন্ধ্যা পূৰ্ব্বা তত্ৰাভিধীয়তে।
সন্ধ্যাংশকশ্চ তৎতুল্যো যুগস্যানন্তৰো হিসঃ।।[১২]

ইয়াতো কল্কিপুৰাণৰ লেখেই দি চাৰিও যুগৰ হিচাপ আঙুলিয়াইছে। শ্ৰীমদ্ভাগৱতপুৰাণতো কল্কিপুৰাণ আৰু বিষ্ণুপুৰাণৰ সুৰেই প্ৰতিধ্বনিত হৈছে।[১৩] হৰিবংশপুৰাণত চতুৰ্যুগৰ সময়ৰ বিস্তৃত লেখ দিছে। পুৰাণখনত কোৱা হৈছেঃ

চত্বাৰ্য্যেৱ সহস্ৰাণি বৰ্ষাণাং তু কৃতং যুগম্।
তাৱচ্ছতী ভৱেত্ সন্ধ্যা সন্ধ্যাংশশ্চ তথাৱিধঃ।।
ত্ৰীণি বৰ্ষসহস্ৰাণি ত্ৰেতা স্যাত্ পৰিমাণতঃ।
তস্যাশ্চ ত্ৰিশতী সন্ধ্যা সন্ধ্যাংশশ্চ তথাৱিধঃ।।
তথা বৰ্ষসহস্ৰে দ্বে দ্বাপৰং পৰিকীৰ্তিতম্।
তস্যাপি দ্বিশতী সন্ধ্যা সন্ধ্যাংশশ্চ তথাৱিধঃ।।
কলিৰ্বৰ্ষসহস্ৰং চ সংখ্যাতোহত্ৰ মনীষিভিঃ।
তস্যাপি শতিকা সন্ধ্যা সন্ধ্যাংশশ্চৈৱ তদ্বিধঃ।।
এষা দ্বাদশসাহস্ৰী যুগসংখ্যয়া প্ৰকীৰ্তিতা।[১৪]

চাৰিওটা যুগৰ সৰ্বমুঠ বাৰ হাজাৰ বছৰৰ প্ৰতিটো যুগৰ বিপৰীতে হোৱা বছৰ-সংখ্যাৰ লেখ হৰিবংশপুৰাণত দিছে। কল্কিপুৰাণত 'দ্বাদশাব্দসহস্ৰেণ দেৱনাঞ্চ চতুৰ্যুগম' বুলিৱপ্ত কৈ বাৰ হাজাৰ বছৰক দেৱবৰ্ষৰূপে দিয়া হিচাপৰ বিপৰীতে হৰিবংশপুৰাণতো কৈছে 'এষা দ্বাদশসাহস্ৰী যুগসংখয়া প্ৰকীৰ্তিতা।'[১৬] মহাভাৰতৰ শান্তিপৰ্বত দেৱতা সকলৰ বাৰ হাজাৰ বছৰৰ চতুৰ্যুগৰ মান্যতা বিদ্বানৰ মাজত থকা বুলি উল্লেখ কৰিছে।[১৭] মহাভাৰতৰ মতে, এক সহস্ৰ চতুৰ্যুগ ব্ৰহ্মাৰ এদিন।[১৮] এই প্ৰসঙ্গতে মানুহৰ দিন-ৰাতিৰ হিচাপ সূৰ্য্যই কৰা আৰু ৰাতি প্ৰাণীক শুবলৈ দি দিনত কাম কৰিবৰ বাবে দিয়া বুলি কোৱা হৈছে মহাকাব্যখনৰ বিবৃতিত।[১৯] দিন-ৰাতিৰ বিভাজন সূৰ্য্যৰ উদয়-অস্তৰ লেখেৰে কৰাৰ দৰে স্বাভাৱিক কাল-বিভাজন, চতুৰ্যুগৰ সৰ্বমুঠ কাল বাৰ হাজাৰ বছৰ, মানৱকুলৰ সৰ্বশক্তিমান ৰজাগৰাকীক পুৰাণসমূহে ইন্দ্ৰ বুলি কোৱা, ঋগ্বেদত ইন্দ্ৰপূজনৰ পথ-নিৰ্দেশ কৰাঃ বিষয়সমূহৰ সংযুক্তিৰে চতুৰ্যুগ পূৰ্বে উল্লেখ কৰাৰ দৰে মানৱকুলৰে লেখ

https://howlyraasmahotsav.org/

ব্যতিৰেকে আন নহয়। মন কৰিব লগীয়া, পঁয়সত্তৰ সংখ্যাৰে তিনি লক্ষ যাঠি হাজাৰক বিভক্ত কৰাৰ এশ বছৰৰ ভিতৰত সত্যযুগ অহাৰ সময়

ত্ৰেণী লক্ষণি বৰ্ষণম্ দ্বিজ্ মনুষ্যা সংখ্যায়ৈ।
ষষ্ঠিচীভ সহস্ৰাণী ভাবতিশ ভাই কলিহ।।
শতানি তানি দিবায়ণম সপ্ত পঞ্চ চ।
সংখ্যায়ো নিশেন ভাৰিশতী তু পুনঃ কৃতাম্।।

দেখা যায়, ৩৬০০০০ ক ৭৫ ৰে ভাগ কৰিলে যি পোৱা যাব সেয়ে মনুৱে উল্লেখ কৰি থৈ যোৱা হিচাপৰ ৪০০০+৪০০+৪০০ বছৰ। অৰ্থাৎ, মনুস্মৃতিৰ নিৰ্দেশিত কাল বিভাজনক বিষ্ণুপুৰাণ, হৰিবংশপুৰাণ আৰু মহাভাৰতৰ উল্লিখনৰ আধাৰতে চাওঁ, তেনেহ'লে চাৰিওটা যুগৰ কাল নিৰ্ণয় এনেদৰে হ'বঃ

সত্যযুগ ৪৮০০ বছৰ
(৪০০০ বছৰ + পূৰ্বসন্ধিকাল ৪০০ বছৰ
+ অন্তিম সন্ধিকাল ৪০০ বছৰ = ৪৮০০ বছৰ)
ত্ৰেতাযুগ ৩৬০০ বছৰ
(৩০০০ বছৰ= পূৰ্বসন্ধিকাল ৩০০ বছৰ
+ অন্তিম সন্ধিকাল ৩০০ বছৰ = ৩৬০০ বছৰ)
দ্বাপৰ যুগ ২৪০০ বছৰ
(২০০০ বছৰ+পূৰ্বসন্ধিকাল ২০০ বছৰ
+ অন্তিম সন্ধিকাল ২০০ বছৰ = ২৪০০ বছৰ)
কলিযুগ ১২০০ বছৰ
(১০০০ বছৰ + পূৰ্বসন্ধিকাল ১০০ বছৰ
+ অন্তিম সন্ধিকাল ১০০ বছৰ = ১২০০ বছৰ)

কলিযুগৰ আৰম্ভণি আৰু ব্যাপ্তিকাল সম্পৰ্কে পণ্ডিত-গৱেষক সকলৰ মত-দ্বিমত অব্যাহত আছে। কিন্তু পুৰাণসমূহৰ বিৱৰণে এটা ধাৰণা স্পষ্ট কৰে, পুৰাণ ৰচনা-কাল পৰ্যন্ত যি সকল ৰজা আৰু ঋষিৰ নাম পুৰাণসমূহত লিপিবদ্ধ হৈছে কলিযুগৰ লেখো সিমানলৈকেহে লোৱা হৈছে। আন তিনিটা যুগৰ লেখ মনু-বিবৃত উল্লিখনৰ আধাৰতে পৰম্পৰাগতভাৱেই আৰম্ভ হৈছে। অন্ততঃ মহাভাৰতত ইয়াৰ ইঙ্গিত আছে। মহাকাব্যখনৰ মতে, কালগণনা 'বিদ্বান পুৰুষ'ৰ বিৱৰণী-আশ্ৰিত আৰু 'বিদ্বানৰ মান্যতা'ৰ আধাৰতে প্ৰচলিত।[২০] মহাভাৰতৰ শান্তিপৰ্বত কোৱা হৈছে ঃ

সম্বৎসৰং দ্বে ত্বয়নে বদন্তি
সংখ্যাৱিদো দক্ষিণমুত্তৰং চ।।[২১]

পুনৰ একেটা পৰ্বতে কৈছে 'এতাং দ্বাদশসাহস্ৰীং যুগাখ্যাং কৱয়ো বিদুঃ।'[২২]

জ্যোতিৰ্বিজ্ঞানী আৰ্য্যভট্টই পঞ্চম শতিকাত ৰচনা কৰা আৰ্যভট্টীয়ম্ গ্ৰন্থই সৃষ্টি কৰা ধাৰণাই সৰ্বত্ৰ শিপাই পৰিছিল। বিশেষ কালগণনাৰ পৰম্পৰা এটা আৰ্যভট্টৰপৰা আৰম্ভ হৈছিল যিটোৱে মেগুটি মন্দিৰৰ আইহ'লে' শিলালেখত ৰাজকবি ৰবিকীৰ্ত্তিকো প্ৰভাৱিত কৰিছিল। কামৰূপৰ ৰজা কুমাৰ ভাস্কৰবৰ্মাৰ নিধানপুৰ তাম্ৰফলিত আনুমানিক তিনি হাজাৰ বছৰৰ স্পষ্ট উল্লিখনৰে দিয়া ধাৰণাকো আৰ্যভট্টীয়মৰ প্ৰভাৱ হোৱাটোও আচৰিত কথা নহ'ব। কিয়নো, চালুক্য ৰজা দ্বিতীয় পুলকেশীৰ আইহ'লে' শিলালেখ যি ছোৱা সময়ত লিখোৱা হৈছিল, কুমাৰ ভাস্কৰবৰ্মাৰ নিধানপুৰ তাম্ৰফলিও সেইছোৱা সময়ৰে। মন কৰিব লগীয়া কথা, আইহ'লে' শিলালেখত হৰ্ষবৰ্ধনৰে হোৱা চালুক্যৰাজৰ যুদ্ধৰ বিবৃতিও আছে যি হৰ্ষবৰ্ধনৰে সন্মানজনক ঘনিষ্ঠ সম্পৰ্ক গঢ় লৈ উঠিছিল কামৰূপৰ ৰজা ভাস্কৰবৰ্মাৰো। মহাভাৰতৰ যুদ্ধ, শ্ৰীকৃষ্ণৰ মৃত্যুকাল আৰু কলিযুগৰ সময় নিৰ্ধাৰণ সম্পৰ্কে যি সকল পণ্ডিত-গৱেষকে নিজৰ মত আগবঢ়াই গৈ খ্ৰীষ্টপূৰ্ব ৩১০১-৩১০২ স্পৰ্শ কৰিছে সকলোখিনিয়েই আৰ্য্যভট্টৰ মত-সিদ্ধান্তৰ দ্বাৰা প্ৰভাৱিত। আনকি লাৱণ্য ভে'মছানিৰ Krishna: In History, Thought and Culture গ্ৰন্থখনতো সংশ্লিষ্ট সিদ্ধান্তৰ আধাৰতে চন-তাৰিখ নিৰ্ধাৰণ কৰা হৈছে। ভে'মছানিয়ে শ্ৰীমদ্ভাগৱতপুৰাণ আৰু বিষ্ণুপুৰাণৰ আশ্ৰয় লৈও পুৰাণ দুখনতে কলিযুগ আৰু মহাভাৰতৰ যুদ্ধ কিম্বা শ্ৰীকৃষ্ণৰ মৃত্যুকাল সম্পৰ্কে গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ ইঙ্গিত থকা সত্বেও তাক নজৰ আন্দাজ কৰি গৈছে।

মহাভাৰতত ভগদত্ত আৰু জৰাসন্ধ সমসাময়িক কালৰ বুলি কোৱা হৈছে।[২৩] জৰাসন্ধ আৰু ভগদত্তপিতৃ কামৰূপাধিপতি নৰকক শ্ৰীকৃষ্ণই কিছু অগা-পিছাকৈ একেছোৱা সময়তে শাস্তি প্ৰদান কৰিছিল। বিষ্ণুপুৰাণত জৰাসন্ধৰ পিতৃ বৃহদ্ৰথৰপৰা মহাপদ্ম নন্দলৈকে ঊনচল্লিছ গৰাকী ৰজাৰ নাম আৰু ৰাজত্বৰ লেখ দিছে।[২৪] সেই হিচাপেৰে বৃহদ্ৰথ ৰজাৰপৰা মহাপদ্ম নন্দৰ ব্যৱধান এহেজাৰ পাঁচশ বছৰ।[২৫] শ্ৰীমদ্ভাগৱতপুৰাণত মহাপদ্ম

https://howlyraasmahotsav.org/

নন্দৰ শাসনকালৰ উপৰি জৰাসন্ধৰ বংশৰ অন্তিমজন ৰজা পুৰঞ্জয়ৰপৰা ২৭৯৯ বছৰ ৰাজত্ব কৰা ৰজা আৰু ৰাজবংশৰ বিৱৰণ দিছে। বিষ্ণুপুৰাণত কোৱা হৈছে ঃ

যাবৎ পৰীক্ষিতো জন্ম যাবন্নন্দাভিষেচনম্।
এতদ্বৰ্ষসহস্ৰন্তু জ্ঞেয়ং পঞ্চদশোত্তৰম্।।[২৭]

বিষ্ণুপুৰাণৰ মতেই, পৰীক্ষিতৰ জন্মৰপৰাও নন্দবংশৰ অভিষেক পৰ্যন্ত সময়ৰ হিচাপ পঞ্চদশ সহস্ৰ বছৰ। মহাপদ্ম নন্দক পৰশুৰাম তুল্য ক্ষত্ৰিয় বংশৰ বিনাশক বুলি অভিহিত কৰা হৈছে। স্পষ্টতঃ নন্দক দ্বিতীয় পৰশুৰামৰূপে প্ৰতিষ্ঠা কৰিছে বিষ্ণুপুৰাণেঃ

মহানন্দিসুতঃশূদ্ৰাগৰ্ভোদ্ভৱোহতিলুব্ধো মহাপদ্মানন্দঃ পৰশুৰাম ইবাপৰোহখিলক্ষত্ৰান্তকাৰী ভবিতা। ততঃ প্ৰভৃতি শূদ্ৰা ভূমিপালা ভৱিষ্যন্তি, স চৈকচ্ছত্ৰামনুল্লঙ্ঘিতশাসনো মহাপদ্মঃ পৃথিৱীং ভোক্ষতি।।[২৮]

ৰমাশঙ্কৰ ত্ৰিপাঠীৰ মতে, খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ মধ্যভাগত মহাপদ্ম নন্দই শাসনভাৰ গ্ৰহণ কৰে।[২৯] History and Culture of the Indian People গ্ৰন্থত অচ্যুত দত্তাত্ৰেয় পুচলকৰে এই সময় নিৰ্ধাৰণ কৰিছে ৩৮২ খ্ৰীষ্টপূৰ্ব।[৩০] শ্ৰীমদ্ভাগৱতপুৰাণত মহাপদ্ম নন্দ বংশই এশ বছৰ ৰাজত্ব কৰা বুলি কোৱা হৈছে।[৩১] বিষ্ণুপুৰাণতো সেই লেখ পাওঁ। কৌটিল্যৰ বাবেই যে মহাপদ্ম নন্দ বংশৰ উচ্ছেদ ঘটিছিল তাৰ বিবৃতিও পুৰাণখনত দিছে।[৩২] এতিয়া মহাপদ্মৰ নন্দৰ সিংহাসনত আৰোহণৰ সময় পুচলকৰৰ হিচাপকে যদি গ্ৰহণ কৰি লওঁ, বিষ্ণুপুৰাণে দিয়া 'বৰ্ষসহস্ৰন্তু জ্ঞেয়ং পঞ্চদশোত্তৰম'ৰে সংযুক্তি ঘটাই পৰীক্ষিতৰ জন্মকাল নিৰ্ধাৰণ কৰিব পাৰোঁ (৩৮২ খ্ৰীষ্টপূৰ্ব +১৫০০ বছৰ =) ১৮৮২ খ্ৰীষ্টপূৰ্ব। কুৰুক্ষেত্ৰ যুদ্ধত অশ্বত্থামাৰ ব্ৰহ্মাস্ত্ৰৰ দ্বাৰা আক্ৰান্ত উত্তৰাৰ গৰ্ভত সন্তান থকাৰ কথা বিষ্ণুপুৰাণে কয়।[৩৩] সম্ভৱতঃ মহাভাৰত-যুদ্ধৰ বছৰটোতে পৰীক্ষিতৰো জন্ম হৈছিল। মহাভাৰত যুদ্ধ বা কুৰুক্ষেত্ৰ যুদ্ধৰ সময় যদি খ্ৰীষ্টপূৰ্ব ১৮৮২ হয় আৰু শ্ৰীকৃষ্ণৰ মৃত্যুৰ ৩৬ বছৰৰ পূৰ্বে সেই যুদ্ধ সংঘটিত হয়।[৩৪] শ্ৰীকৃষ্ণৰ মৃত্যুৰ সময় হ'ব (১৮৮২ খ্ৰীষ্টপূৰ্ব - ৩৬ বছৰ =) ১৮৪৬ খ্ৰীষ্টপূৰ্ব। সেইফালৰপৰা কলিযুগ আৰম্ভণিৰ সময় হ'ব লাগে ১৮৪৬ খ্ৰীষ্টপূৰ্বহে।

ৰামচন্দ্ৰৰ সময়

ৰামচন্দ্ৰ আৰু ৰাৱণৰ সমকালতে পৰশুৰামে মধ্য ভাৰতত ব্ৰাহ্মণ্যবাদ প্ৰতিষ্ঠা কৰিছিল ক্ষত্ৰিয় সকলক নিধন কৰি। বিষ্ণুপুৰাণ আৰু ব্ৰহ্মপুৰাণত ইক্ষ্বাকুৰপৰা ৰজা বৃহদ্বললৈকে ৰজা সকলৰ নাম পোৱা যায়। তাৰ আধাৰত কুবলয়াশ্ব ধুন্ধু নামৰ অসুৰক বিনাশ কৰাৰ বাবে যাৰ নাম ধুন্ধুমাৰ হৈছিল, তেওঁৰপৰা ৰামচন্দ্ৰৰ উপৰি আৰু উত্তৰপুৰুষৰ সৰ্বমুঠ পঁয়সত্তৰগৰাকী ৰজাৰ নাম পাওঁ বৃহদ্বলৰ সময়লৈকে। আনহাতে, ৰামচন্দ্ৰলৈকে বৃহদ্বলৰপৰা উভতি তেত্ৰিছ গৰাকী ৰজাৰ লেখ পাওঁ। প্ৰতিগৰাকী ৰজাৰে ৰাজ্যাভিষেকৰ গড় ব্যৱধান চল্লিছ বছৰ ধৰিলে বৃহদ্বলৰ সময়ৰপৰা ৰামচন্দ্ৰ ৰাজত্বকালৰ ব্যৱধান (৩৩ গৰাকী × ৪০ বছৰ =) ১৩২০ বছৰ। বিষ্ণুপুৰাণত মিথিলাৰ জনকবংশীয় ৰজা সকলৰ নাম উল্লেখ কৰা হৈছে। মহাভাৰততো কৌৰৱপক্ষত অংশ লোৱা মিথিলাৰ ক্ষেমমূৰ্ত্তি নামৰ জনক বংশীয় ৰজা এজনৰ কথা কোৱা হৈছে[৩৫] যাৰ পিতৃ সঞ্জয় জনক বুলি বিষ্ণুপুৰাণত উল্লেখ আছে।[৩৬] পুৰাণখনত একেসময়তে কোৱা হৈছে যে জনক-বংশীয় ৰজা সীৰধ্বজে পুত্ৰলাভৰ অৰ্থে কৰা যজ্ঞভূমিৰ কৰ্ষণত সীতাক অৰ্জন কৰিছিল।[৩৭] বিষ্ণুপুৰাণৰ উল্লিখন অনুসৰি ৫৭ গৰাকী জনক আছিল।[৩৮] অন্তিমগৰাকীৰ নাম কৃতি জনক। ৫৪ সংখ্যক জনক ক্ষেমমূৰ্ত্তি বা ক্ষেমাশ্বই কুৰুক্ষেত্ৰ যুদ্ধত অংশ লৈছিল। এই ক্ষেমাশ্ব বা ক্ষেমমূৰ্ত্তি ভগদত্তৰ সমসাময়িক। সীৰধ্বজ জনকৰপৰা ক্ষেমমূৰ্ত্তিলৈ তেত্ৰিছ গৰাকী জনকৰ জীৱনকালে শ্ৰীকৃষ্ণ আৰু ৰামচন্দ্ৰৰ সময়ৰ ব্যৱধান সূচাব। প্ৰতিগৰাকী জনকৰ গড় ৰাজত্বকাল চল্লিছ বছৰ গণ্য কৰি ল'লে, এই সময় হ'ব (৩৩ গৰাকী × ৪০ বছৰ =) ১৩২০ বছৰ।

পুৰাণে দিয়া দুয়োটা লেখৰে সময়-ব্যৱধান সমান ১৩২০ বছৰ। খ্ৰীষ্টপূৰ্ব ১৮৮২ অব্দত যদি কুৰুক্ষেত্ৰ যুদ্ধ সংঘটিত হয়, তেনেহ'লে ৰজা বৃহদ্বল অভিমন্যুৰ হাতত মৃত্যু বৰণ কৰাৰ সময়ো হ'ব লাগিব সেইখিনিয়ে। স্বাভাৱিকতে, ৰামচন্দ্ৰৰ ৰাজত্বকাল আৰু পৰশুৰামে নিক্ষত্ৰিয়কৰণৰ প্ৰতিজ্ঞা লোৱাৰ সময় (১৮৮২ খ্ৰীষ্টপূৰ্ব + ১৩২০ বছৰ =) ৩২০২ খ্ৰীষ্টপূৰ্ব।

পাদটীকা—

১। *Freda Matchett | The Purans | Blackwell companion to Hinduism | Ed Gavin Flood | page 139*

https://howlyraasmahotsav.org/

২। ষষ্টয়ব্দানাং ষষ্টির্যদা ব্যতীতাস্ত্রয়শ্চ যুগপাদাঃ।
ত্র্যধিকা বিংশতিৰব্দাস্তদেহ মম জন্মনোহতাতাঃ।।
আৰ্য্যভট্টীয়ম্। ৩। ১০

৩। Kripa Shankar Shukla | Aryabhatiya of Aryabhata | Introduction | page xix-xx

৪। Gang Ram Garg | Encyclopedia of the Hindu World | Volume I | page 252

৫। শ্ৰীমহাভাৰতে। মুষলপৰ্ব। প্ৰথমোহধ্যায়ঃ চতুৰ্থোহধ্যায়ঃ। পৃষ্ঠা ৬৪৬৩-৬৪৭৩

৬। Lavanya Vemsani | Krishna: In History, Thought and Culture| Introduction | page xxi

৭। ibid।

৮। মনুসংহিতা। পৃষ্ঠা ১১

৯। উল্লিখিত।

১০। উল্লিখিত।

১১। কল্কিপুৰাণ। ৩।৫।১২

১২। বিষ্ণুপুৰাণ। প্ৰথম খণ্ড। তৃতীয়ঃ অধ্যায়ঃ। পৃষ্ঠা ১১

১৩। শ্ৰীমদ্ভাগৱতপুৰাণ। তৃতীয় স্কন্ধ। একাদশোহধ্যায়ঃ। পৃষ্ঠা ২০৪

১৪। হৰিবংশপুৰাণ। অষ্টমোধ্যায়ঃ। পৃষ্ঠা ৩৪

১৫। কল্কিপুৰাণ। ৩।৫।১২

১৬। শ্ৰীমহাভাৰতে-খিলভাগ।
হৰিবংশপৰ্ব। অষ্টমোধ্যায়ঃ। পৃষ্ঠা ৩৪

১৭। এতাং দ্বাদশসাহস্ৰীং যুগাখ্যাং কৱয়ো বিদুঃ।
শ্ৰীমহাভাৰতে। শান্তিপৰ্ব।
একত্ৰিংশদধিকদ্বিশততমোহধ্যায়ঃ। পৃষ্ঠা ৪০৩৬

১৮। সহস্ৰপৰিৱৰ্তং তদ্ ব্ৰাহ্মং দিৱসমুচ্যতে। উল্লিখিত।

১৯। উল্লিখিত।

২০। শ্ৰীমহাভাৰতে। শান্তিপৰ্ব।
একত্ৰিংশদধিকদ্বিশততমোহধ্যায়ঃ। পৃষ্ঠা ৪০৩৬

২১। উল্লিখিত।

২২। উল্লিখিত।

২৩। শ্ৰীমহাভাৰতে। সভাপৰ্ব। চতুৰ্দশোহধ্যায়ঃ। পৃষ্ঠা ৭০৭

২৪। বিষ্ণুপুৰাণ। চতুৰ্থ খণ্ড। ত্ৰয়োবিংশোহধ্যায়ঃ-চতুৰ্বিংশোহধ্যায়ঃ। পৃষ্ঠা ৩২২-৩২৪

২৫। বিষ্ণুপুৰাণত বৃহদ্ৰথ বংশই এহেজাৰ বছৰ, প্ৰদ্যুৎ বংশই ১৩৮ বছৰ আৰু শিশুবংশই ৩৬২ বছৰ ৰাজত্ব কৰাৰ পাছত মহাপদ্ম নন্দ সিংহাসনত আৰোহণৰ লেখ দিছে।

২৬। শ্ৰীমদ্ভাগৱতপুৰাণ। পৃষ্ঠা ৭৬৯-৭৭১

২৭। বিষ্ণুপুৰাণ। চতুৰ্থ খণ্ড। চতুৰ্বিংশোহধ্যায়ঃ। পৃষ্ঠা ৩২৭

২৮। উল্লিখিত। পৃষ্ঠা ৩২৩

২৯। Ramashankar Tripathi | History of Ancient India | page 109

৩০। A D Pusalkar | History and Culture of the Indian People | Volume I | Chapter XIV | page 273

৩১। তস্য চাষ্টৌ ভৱিষ্যন্তি সুমাল্যপ্ৰমুখাঃ সুতাঃ।
য় হমাং ভোক্ষন্তি মহীং ৰাজানঃ স্ম শতং সমাঃ।।
শ্ৰীমদ্ভাগৱতপুৰাণ। দ্বাদশ স্কন্ধঃ। প্ৰথমোহধ্যায়ঃ। পৃষ্ঠা ১৩৭০

৩২। মহাপদ্মঃ তৎপুত্ৰাশ্চ একং বৰ্ষশতমৱনীপতয়ো ভৱিষ্যন্তি। নৱৈৱ তান্ নন্দান্ কৌটিল্যো ব্ৰাহ্মণঃ সমুদ্ধৰিষ্যতি।।
বিষ্ণুপুৰাণ। চতুৰ্থ খণ্ড। চতুৰ্বিংশোহধ্যায়ঃ। পৃষ্ঠা ৩২৩

৩৩। অভিমন্যোৰুত্তৰায়াং পৰিক্ষীণেষু কুৰুষ্বশ্বত্থামপ্ৰযুক্ত ব্ৰহ্মাস্ত্ৰেণ গৰ্ভএৱ ভস্মীকৃতো ভগৱতঃ সক লসুৰাসুৰবন্দিতচৰণযুগলস্যাত্মেচ্ছাকাৰণ মানুষৰূপধাৰিণোহনুভাবাৎ পুনজ্জীৱিতমবাপ্য পৰিক্ষিৎ জজ্ঞে।।
বিষ্ণুপুৰাণ। চতুৰ্থ খণ্ড। বিংশোহধ্যায়ঃ। পৃষ্ঠা ৩১৯

৩৪। শ্ৰীমহাভাৰতে। মুষলপৰ্ব। প্ৰথমোহধ্যায়ঃ-চতুৰ্থোহধ্যায়ঃ। পৃষ্ঠা ৬৪৬৩-৬৪৭৩

৩৫। Makhan Jha | Anthropology of Ancient Hindu Kingdom | page 112

৩৬। বিষ্ণুপুৰাণ। চতুৰ্থ খণ্ড। পঞ্চমোহধ্যায়ঃ। পৃষ্ঠা ২৭২

৩৭। তস্য পুত্ৰাৰ্থং যজনভুৱং কৃষতঃ সীৰে সীতা দুহিতা সমুৎপন্নাসীৎ।
উল্লিখিত।

৩৮। উল্লিখিত। পৃষ্ঠা ২৭১-২৭২

https://howlyraasmahotsav.org/

ৰাসক্ৰীড়া ঃ ভাৰতৰ সংস্কৃতিৰ মেৰুদণ্ড

ড° নন্দ সিং বৰকলা

ৰাস শব্দৰ অৰ্থই সুকীয়া। ইয়াত প্ৰেম, ৰং, সংস্কৃতি, ৰসৰ উৎসৰ সমাহাৰৰ বিৰল প্ৰকাশ বিদ্যমান। ৰাসৰ অৰ্থই কৈ আছে "ৰসস্যায়াং ইতিৰস" ... "ৰসো বৈস্বঃ"। এই ৰসৰ প্ৰতি বিন্দুত কৃষ্ণ সিন্ধু হৈ জিলিকি আছে বাবেই ৰাসৰ মৰ্জাদৰ্শনৰ মৰ্মৰণি বিশাল ভাৰতৰ সনাতন বৈষ্ণৱ জীৱনৰ অমৃত গংগাৰ প্ৰবল বোৱতী সোঁত হৈ ভাৰতৰ মাটিক স্নান কৰাই আছে। ৰসক কেন্দ্ৰ কৰি যি ক্ৰীড়া হয় তাকে ৰাসক্ৰীড়া বোলে। শৃংগাৰ, ভয়ানক, হাস্য, ৰৌদ্ৰ, বীৰ, অদ্ভুত, শান্তি, করুণ আৰু ভক্তি এই ন বিধ ৰসৰ বিপুল জাগতিক সমাহাৰৰ গৰ্ভত ৰামে পূৰ্ণ চৰিত্ৰ নিৰ্মাণ কৰি আছে। ভাগৱতত ইয়াক আমি এনেদৰে পাওঁ।

"ভগৱানপি তাৰাত্ৰী
শাৰদ ফুল্লমল্লিকা
বীক্ষ ৰত্ন মনশ্চক্ৰে
যোগমায়ামু পাশ্ৰিতাঃ" (ভাঃ ১০স্কন্দঃ ১৯ অধ্যায়)

ৰাসত অন্যায়, অসত্য, আন্ধাৰ, দানৱ, অসুৰৰ বিৰুদ্ধে আছে সত্যক প্ৰকাশি স্বচ্ছ সমাজৰ জীৱনবোধক জীৱন্ত কৰাৰ দুৰন্ত গতিপথ। অঘাসুৰ, বকাসুৰ বধৰ তীব্ৰতা কৃষ্ণই গোপীগণক দেখুৱাইছিল। এনে কৰোতে গোপীসকলে কৃষ্ণলীলাত পুতনা, যশোদা, কৃষ্ণৰূপত নিজক প্ৰদৰ্শন কৰি লোৱা ভূমিকা আছিল অনন্য। কীৰ্তনৰ অংকীয়া নাটৰ গীতত শংকৰদেৱে বৰ্ণনা কৰা ৰং বিনন্দীয়া হৈ আমাৰ হৃদয় উদ্বেলিত কৰিছে এনেকৈ—

"কৃষ্ণতে অৰ্পিল মন কৃষ্ণৰ আলাপ।
কৃষ্ণগুণ গায়া কৰে কৃষ্ণৰ বিলাপ।।
পতি-পুত্ৰ গৃহ শৰীৰক নুসুমৰে
কৃষ্ণময় হুয়া কৃষ্ণ চেষ্টা মাত্ৰ কৰে।।

শৰতৰ পূৰ্ণিমা নিশা গোপীসকলে বৃন্দাবনলৈ কৃষ্ণৰ লগত ৰাসলীলা কৰিবলৈ বিশ্বাশৰদে ঢপলিয়াই আহোতে ঘৰুৱা কাম-বন একাষৰীয়াকৈ পেলাই থৈ লোকভয়, প্ৰাণভয়, ধৰ্মভয় জয় কৰি আহিছিল যদিও গোপীগণে কামজয়ক পৰাভূত কৰিব পৰা নাছিল। সেয়ে কৃষ্ণৰ সান্নিধ্যত গোপীসকলে কৈছিল এনেকৈ—

"কৃষ্ণহন্তে মহামান পায়া।
বুলিলা গৰ্বে গোপজায়া।।
আমাৰ সমান সৌভাগিনী নাই।
ভৈলন্ত অধীন যাদৱ ৰায়।।" (কীৰ্তন)

কৃষ্ণই ৰাসক্ৰীড়াৰ পৰা হঠাৎ অন্তৰ্ধান হওঁতে গোপীসকলৰ বুকুত তীব্ৰ বেগেৰে বোৱা ধুমুহাজাকক শান্ত কৰাৰ হেতু জীয়াতু ভুগি উপলব্ধি কৰিছিল বিৰহৰ চেতনাত ভাস্বতঃ হৈছিল ভগৱন্তৰ অৰ্থ। সেয়ে গোপীগন "ভাৰত শৰণ"ত মত্ত হৈ পৰম ঈশ্বৰৰ আৰাধনা কৰোতে তেওঁলোকে পৃথিৱীক নানা শ্ৰমেৰে উত্তৰ বিচাৰি কৰা হাহাকাৰৰ পদুলিত সুগন্ধি মালতী ফুল, তুলসী, জগতক শ্ৰীকৃষ্ণৰ বাৰ্তা কৈ কৈ জ্ঞানৰ অনুসন্ধানত অৰ্থাৎ জিজ্ঞাসু শৰণত মত্ত হৈছিল।

কৃষ্ণকেন্দ্ৰিক লোক উৎসৱে ভাৰতৰ সৰ্বপ্ৰান্তত নানান উৎসৱ উদ্‌যাপনে ভাৰতভূমিক সাংস্কৃতিক, আধ্যাত্মিকভাৱে মহীয়ান কৰি ৰাখিছে। কৃষ্ণ শব্দৰ বিশাল

https://howlyraasmahotsav.org/

অৰ্থ মাটিৰ বুকুৰে সংস্কৃতিক প্ৰতিনিধিত্ব কৰা শক্তিটোৱে নিৰন্তৰ আমাক আন্ধাৰৰ বিৰুদ্ধে পোহৰৰ সপক্ষে, ঘৃণা, প্ৰতাৰণা, হিংসা, স্বাৰ্থপৰতাৰ বিপৰীতে বৰেণ্য ৰূপত অহিংসা আৰু ন্যায়ক প্ৰতিনিধিত্ব কৰি আছে। সেয়ে গোপীগণক কৃষ্ণই কোৱা মহৎ কথা “ভক্তৰ প্ৰেম” অনুৰাগ বঢ়াবলৈহে মই তোমালোকক মাতিছিলো। “এনে বিতোপন কথক কলাৰ গৰ্ভনিনাদ চাবলৈ আমাৰ প্ৰত্যেকৰে চকুত দুটা পৰ্যটকৰ চকু, এখন পৰ্যটকৰ হৃদয়ৰ একান্ত প্ৰয়োজন।”

“ৰাসপ্ৰেমত জীৱাত্মাৰ স'তে পৰমাত্মাৰ সান্নিধ্য, মিলনৰ বিৰল বাটত গংগাস্নান জিলিকি আছে।” তোমালোকৰ পৱিত্ৰ দেহ-মনত কামনাৰ চিহ্ন নাই। তোমালোকৰ এই স্নান এই জীৱন কেতিয়াও পৰিশোধ কৰিব নোৱাৰিম। (কৃষ্ণ, শ্ৰীমদ্ভাগৱতৰ কথা)

কৃষ্ণ গোপীগণৰ মিলনক স্বচ্ছ আৰু স্বাভিমানী হৃদয়ৰ উচ্চ চেতনাৰ মৰ্যাদাৰে চাব পাৰিলে ই এক স্বৰ্গীয় সুখৰ সন্ধান দিয়ে। ইয়াৰ অনন্য চৰিত্ৰদৰ্শনৰ দাৰ্শনিক তত্ত্বই হৈছে ওপৰত কোৱা জীৱাত্ম আৰু পৰমাত্মাৰ একান্ত, একাগ্ৰ সমন্বয়ৰ মিলন। ইয়াত দৈহিক মিলনৰ কোনো চিন্তা-ভাৱনাই স্থান লাভ কৰা নাই।

ভক্ত আৰু ভগৱানৰ অমৃতময় গংগা স্নান ৰাসত মত্ত প্ৰেম বিনন্দীয়া, মনোহৰ, মনোৰম আধ্যাত্মিক সাংস্কৃতিক জীৱনবোধক নিৰন্তৰ প্ৰতিনিধিত্ব কৰা এক বিৰল অমিতাভ, বিমল বে-নজীৰ উৎসৱৰ ৰঙীন চন্দ্ৰাতপ হৈ আছিল, আছে আৰু থাকিব। ইয়াত গোপীগণে শৃংগাৰ ৰসৰ সান্নিধ্য ভক্তিত দৈহিক বাসনাক তুচ্ছ জ্ঞান কৰি জগতৰ মহাপুৰুষ ভগৱান কৃষ্ণৰ স'তে মহাৰাসলীলাত লীন হোৱা সেই সমকাল ভাৰতৰ সভ্যতা-সংস্কৃতিৰো বিজ্ঞান যাত্ৰাৰ অতুল্য শিৰোনামা হৈ আছে আৰু থাকিব। ই পবিত্ৰ, নিৰৱচ্ছিন্ন শাশ্বত জীৱন প্ৰকাশ। যি প্ৰকাশে সমাজৰ মেৰুদণ্ডক সংস্কৃতি আৰু আধ্যাত্মিকতাৰে পোন কৰি ভাৰতক মহিমামণ্ডিত কৰি আছে।

সৰুতেই আমাৰ মন-মগজুক জোকাৰি যোৱা ৰাস এতিয়া ক্ৰমশঃ নষ্টালজিক হোৱাৰ পথত। গোপীৰ মাটি স্পৰ্শ নৃত্য— এতিয়া মঞ্চত উপৱিষ্ট। গোপীৰ সংখ্যাও দ্ৰুত গতিত নিম্নগামী। অতীতত দেখা ৰাসৰ গোপীগণ এক দীঘলীয়া শোভাযাত্ৰাৰ দৰে যেন শেষ হৈয়ো শেষ নোহোৱাৰ চিত্ৰপট। ভাগৱত পুৰাণৰ ১০ম স্কন্ধৰ ২৮-৩৬ অধ্যায়ত ৰাসক্ৰীড়া ছান্দসিক, ছন্দোৱদ্ধ শৈল্পিক সৌন্দৰ্যৰ বৰ্ণনা হৃদয় উদ্বেলক। ভাগৱতৰ সাৰগৰ্ভ, মজ্জা দৰ্শন ৰাসক্ৰীড়াক বাদ দি হ'ব নোৱাৰে। জীৱাত্মা আৰু পৰমাত্মাৰ বিশুদ্ধ মিলনৰ বাংময় সংস্কৃত কলাৰ ভিতৰৰ জোনাক চাব জানিলে কৃষ্ণৰ অপাৰ শক্তি, মহিমা ভাৰতৰ দৰ্শনৰ সৌন্দৰ্য প্ৰকাশক বুজাত সহজ হৈ উঠে।

স্বয়ং কৃষ্ণই গোপীসকলক কৈছিল— ‘ভক্তৰ প্ৰেম অনুৰাগ বঢ়াবলৈহে মই তোমালোকক মাতিছিলোঁ।’ শ্ৰীকৃষ্ণৰ দৰ্শন পাওঁতে— গোপীসকলৰ মনত উৎপন্ন অহংকাৰৰ বাবেই শ্ৰীকৃষ্ণ অন্তৰ্ধান হৈছিল।

ব্ৰহ্মা আৰু জীৱৰ মাজৰ নিৰন্তৰ হৈ থকা বিস্বাশৰদ নৃত্যকলা স্বৰূপাৰ্থত নিত্য ৰূপহে। ৰাসত তাৰ ৰূপ গোপীগণৰ মাজত বিয়পিছে এনেদৰে— “আহা সখী বৃন্দাবনে যাওঁ/বজাইছে মোহন বাঁহী, নেত্ৰ ভৰি চাওঁ।” সেই যে মাজৰাতি কৃষ্ণ অন্তৰ্ধান হোৱাত গোপীৰ শোকগাঁথাত হৃদয়ত বিষাদৰ ৰোল উঠিছিল। গোপী মুখেৰে নিসৃত কৃষ্ণ সোঁৱৰণৰ শোককলাৰ বিলাপে তেতিয়া হৃদয় আক্ৰান্ত কৰিছিল।” সখিহে প্ৰাণনাথ নাহিল দুনাই /মথুৰা নগৰি পাই ৰতি ৰসে মজি মন/হামাক তেজলি যদুৰায়/নৱ যৌৱন ধিক উহি জীৱন/অগৰু চন্দন কি লাগিয়া... (বৈষ্ণৱ কীৰ্তন)।

গোলকী দুনিয়াৰ গৰ্ভত - সেয়ে হয়তো ভূপেন হাজৰিকাই গাইছে - ষোল্লশ গোপী ওলাই/এইয়া কলি কাল/ৰাম পূৰ্ণিমা নাই/এইয়া বিজুলী চাকি।”

এই বিজুলী চাকিৰ পোহৰত প্ৰকৃত ৰাস দৰ্শন নহয়। যমুনা আৱৰ্জনাৰে পূৰ্ণ। মানুহৰ মনৰ মাজত প্ৰেমৰ নামত প্ৰতাৰণা, হত্যা আৰু প্ৰলোভনৰ অনন্ত যাত্ৰা। ভোগবাদী জগতখনে এফালৰ পৰা শুহি নিঃশেষ কৰাৰ পথত খিলঞ্জীয়া, থলুৱা মাটিৰ ৰূপ মানত জীৱনৰ খোজ প্ৰসাৰিত কৰি থকা - সংস্কৃতিৰ শৈল্পিক সৌন্দৰ্যৰ মননশীল দৃশ্যসজ্জা। তাহানিৰ গোপীসকলৰ স্বাভিমানৰ কিৰীটিৰ বিস্ময়কৰ বিমূৰ্ত মন বিমোহন কলা লুপ্ত প্ৰায়। মুৰুলীৰ অনন্ত মাত-সুৰে জগতক তিতাই আছে — কিন্তু শুনিবলৈ দুখন পৰ্যটকৰ কাণৰ অভাৱ। ৰাসলীলাৰ তাহানিৰ অতুল্য প্ৰকৃতি আৰু মানুহৰ মিলনৰ ছন্দময় স্পন্দনত ঝংকাৰিত নৃত্য, তাল-খোলৰ মাতত চন্দ্ৰৰ গতিও স্তব্ধ হৈ গৈছিল ।

https://howlyraasmahotsav.org/

গোপী, জোন, জোনাক, যমুনা— সকলো কলুষিত। যেন ক্ষমতা খঁকুৰাবোৰৰ যত্নত — বাৰুদ সৰ্বস্ব ধাতৱ হুঁচিয়াৰীত - নৈ তেজত তিতা। ভূপেনদাৰ সেই ওপৰত উল্লিখিত গীতে তাকেই প্ৰতিনিধিত্ব কৰিছে। খোলৰ মাত- বোল স্তব্ধ ৰাসত তাহানিৰ হৃদয়খন ৰোমাঞ্চিত নহয় ।

ৰাসকলাৰ বৰ্ণাঢ্য দৃষ্টিনন্দন নান্দনিক ৰূপকলা চাবলৈ সৰুতে চাইকেল লৈ ঘুৰি ফুৰা — দিনকালৰ বাটত এতিয়া থিয় হৈ আছে ভয়। তথাপি ৰাস ভাৰতীয় দৰ্শনৰ বিশুদ্ধ পদযাত্ৰাৰ অনন্ত ধ্বনি।

আধ্যাত্মিক জীৱনবোধৰ বিৰল ৰং, ছন্দ আৰু মানৱীয় লোককলাত উৎসৱসমূহ এনেভাৱে লিপিত খাই থাকে যে যিদৰে মাটিক মানুহৰ পৰা পৃথক কৰা নাযায়, সেইদৰে আধ্যাত্মিক জীৱনবোধৰ পৰা পৃথক কৰিব নোৱাৰি উৎসৱক। মাটি আৰু উৎসৱৰ সম্বন্ধ প্ৰগাঢ়, নিবিড় যাক বাদ দিলে মানৱ জীৱনৰ অৰ্থ ধূসৰ হৈ যাব।

বিষ্ণুপূৰ্ণ ৰূপৰ হৃদয় আন্দোলিক প্ৰকাশ হ'ল শ্ৰীকৃষ্ণ। কৃষ্ণৰ জীৱনবোধত ভাৰতীয় সভ্যতা-সংস্কৃতিৰ পূৰ্ণতা প্ৰকাশ প্ৰতিফলিত। ব্ৰহ্ম, কৃষ্ণ আৰু পৰমাত্মা -- এই বিশিষ্ট তিনি অৱস্থাই ভগৱানৰ ৰূপ মহিমামণ্ডিত কৰিছে।

শ্ৰীকৃষ্ণ জীৱন বৃত্তান্তত অন্ধকাৰৰ বিপৰীতে সত্য, ন্যায় প্ৰতিষ্ঠা আৰু মানৱীয় জীৱনৰ ৰূপকলা বিষ্ণুৰ সংস্কৃতিৱান অৱতাৰৰ বিমূৰ্ত প্ৰকাশত সমাজৰ অভিধা ৰক্ষাৰ বৰ্ণনা বিদ্যমান। প্ৰেম আৰু জীৱনক সাত্তিক প্ৰেমলৈ ৰূপান্তৰ কৰা নামেই হৈছে ৰাধাকৃষ্ণ। ৰাধাৰ কৃষ্ণ প্ৰেম, ভক্তি সৰ্বস্ব সমৰ্পণ কৰোতে ৰাধাৰ হৃদয়ত নাছিল কোনো বাসনা। হয়তো ভক্তপ্ৰাণ মানুহৰ মুখে মুখে ৰাধে ৰাধে ধ্বনি শুনা যায়।

বৃন্দাৱন এই ধ্বনিত গুঞ্জিত। কৃষ্ণ - ৰাধা বা অন্যান্য গোপীসকলে কৰা ৰাসলীলাত কোনো পাৰ্থিৱ আনন্দ আৰু সুখ নাই। ভাগৱত ইয়াৰ জীৱাত্মাৰ লগত পৰমাত্মাৰ মিলন বুলি কোৱা হৈছে।

কৃষ্ণৰ জীৱন বৃত্তান্তত লিপিত খাই থকা বিশাল কৰ্মকাণ্ড, ৰূপকলা, লোককলা, মানৱীয় গুণৰ সমাবেশত বহুমুখী শিল্পসত্তাৰেই ঐতিহ্যমণ্ডিত সংমিশ্ৰণ। ভাৰতীয় মানুহৰ বাবে শ্ৰীকৃষ্ণ এক ধীমান, ধ্ৰুৱক প্ৰেৰণা আৰু জীৱনবোধৰ বিৰল উৎস। ইয়াত আধ্যাত্মিক, ধৰ্মীয়, দৰ্শনৰ প্ৰাধান্য চকমপ্ৰদ। সেয়ে ধৰ্মীয় দিশৰ লগতে ভাৰতীয় মানুহৰ জীৱনৰ প্ৰভাৱিত বাট কৃষ্ণক লৈ সাহিত্যৰ সৃষ্টি অনুপম, মনোহৰ চিত্ৰ ৰূপে চিহ্নিত হৈ আহিছে।

শংকৰদেৱে সংস্কৃত ভাষাতে গীতা, ভাগৱত, বিভিন্ন পুৰাণসমূহ অধ্যয়ন কৰি শ্ৰীকৃষ্ণৰ প্ৰতি আকৰ্ষিত হৈ ৰচনা কৰা তেওঁৰ সাহিত্যত মুখ্য চৰিত্ৰ ৰূপেৰে শ্ৰীকৃষ্ণক বিস্তাৰিত কৰি প্ৰচাৰ বিমূৰ্ত প্ৰকাশ মন কৰিবলগীয়া ।

কীৰ্তনৰ ৰাস ক্ৰীড়াত শৰতৰ বিমূৰ্ত পূৰ্ণিমাৰ জোনাক বিধৌত শীতল পৃথিৱীত মৃদু পৱন বিস্তাৰিত জলবায়ুৰ স'তে ৰাসক্ৰীড়াত কৃষ্ণই হৃদয় উদ্বেলক সংগীতৰ লয়-মান-তালেৰে অৰূপম সুৰ তুলি গোপীসকলক আকৰ্ষিত কৰিছে। মন কৰিবলগীয়া যে কাত্যায়নী ব্ৰত পালনেৰে গোপীসকলে কৃষ্ণক স্বামীৰূপে পাবলৈ কৰা কৰ্ষণৰ কথা ভাগৱত পুৰাণৰ সাৰবস্তু ।

"শৰৎ কালে চন্দ্ৰাৱলী ৰাতি/পঞ্চম ৰাগে
গীত গাইলা হৰি।
শুনি মোহ ভৈলা গোপ সুন্দৰী"

ৰাস নৃত্য কৃষিকৰ্ম উৎসৱৰ লোকনৃত্য— যাক পুৰুষ- নাৰীৰ গোলাকীকৃত ৰূপত একত্ৰ মিলিত ছন্দত তীব্ৰ যৌন গন্ধী, প্ৰজনন-নৃত্যৰ ৰং দেখা যায়। সাধাৰণ লোকৰ স'তে বা নৃত্যৰ স'তে ইয়াৰ পাৰ্থক্য এয়ে যে কৃষ্ণ অলৌকিক পুৰুষ, গোপীসকল সাধাৰণ নাৰী নহয়। আকুল প্ৰাণৰ গোপী আৰু কৃষ্ণৰ মিলন মুখ্যতঃ ৰাসলীলা

"যে যথামং প্ৰপদন্তে তাংস্তথৈব ভজামাহম ।
মম বৰ্ম্মানুবৰ্ত্ততে মনষ্য : পাৰ্থ সৰ্বশঃ"

গীতাত আকৌ জীৱাত্মাৰ লগত পৰমাত্মাৰ মিলন সন্দৰ্ভত কোৱা হৈছে --

"সৰ্বধৰ্মান পৰিত্যাজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্বপাপোভ্যা মোক্ষয়িষ্যামি মা শুচঃ।।"

'ৰস' শব্দৰ লগত 'আ' যুক্ত হৈ 'ৰাস' শব্দৰ উৎপন্ন। জীৱনী শক্তি বিপুল ভক্তৰ অনুৰক্ত জীৱনৰ বিধৌত ৰূপমাৰ্গ চিহ্নিত হৈছে। সৎ, চিত আৰু আনন্দৰ মিশ্ৰিত ৰূপেই কৃষ্ণ। পাহাৰ, নদী, জোন, তৰা, চৰাই, পশু, অৰণ্য, সূৰ্য, মানুহ সকলোৰে এক পৰিমণ্ডলৰ জন্ম দি কৃষ্ণক লৈ পৰিভ্ৰমণ কৰি আছে। ইয়াত নিৰিষ্ট আছে

https://howlyraasmahotsav.org/

অলৌকিক চৌম্বিক আকৰ্ষণ।

অন্ধকাৰৰ পিটনিত লিপিত খাই থকা ক'লা সমাজক, সমাজৰ শুকান মাটিত পানী ঢালি ভক্তিৰ বাটেৰে আধ্যাত্মিক ৰূপক এটাক প্ৰেমৰ আত্মপৰিচয়ৰ বাটেৰে উত্তৰিত গতি দি স্বধৰ্ম পালন কৰি শান্তিৰ,শুকুলা পতাকা উৰুৱা এই উৎসৱ প্ৰতিদিনেই মানুহৰ অন্তৰত বৈ আছে। ইয়াত জনমুখী কৰ্মস্পৃহা সামাজিক চৰিত্ৰলৈ উত্তৰণ ঘটে। মানুহ অনন্ত সম্ভাৱনাৰ প্ৰতীক বাক প্ৰতিমাৰ মূৰ্ত ৰূপ ।

কীৰ্তন আৰু দশমৰ সুৰ-ৰাগত যেতিয়া যমুনাৰ পাৰত কৃষ্ণৰ বাঁহী বাজে গোপীসকলৰ হৃদয়ত নতুন প্ৰেম-ভালপোৱা ঐশ্বৰিক তাড়না জাগে। সেয়ে তেওঁলোকে অপৰিশীলিত কাপোৰেৰে ৰোমাঞ্চিত হৈ উধাতু জোনাকৰ মলয়াৰ গতিত কৃষ্ণক যমুনাৰ পাৰত বিচাৰি ফুৰে। সেই সময়ত কৃষ্ণই গোপীসকলক কয় "উপপতি সমে ক্ৰীড়া গৰহিত কৰ্ম স্বামীৰ শুশ্ৰূষা কুলস্ত্ৰীৰ ধৰ্ম" সোঁৰৰাই দিয়ে। তেতিয়া কৃষ্ণক এৰি যাবলৈ অমান্তি গোপীগণে কয় "তুমি আত্মা হেন জানি সম্প্ৰতি তোমাতেসে কৰে ভকতি ৰতি"।

অন্যহাতে কৃষ্ণক লৈ গোপী কথা প্ৰেমকীৰ্তনত কোৱা হৈছে —

"বাহু মেলি কাকো আলিঙ্গি ধৰি/কাৰ
তন নখ পৰশে হৰি। আনন্দে গোপীৰ বঢ়ায়া
কাম /ৰমিলা গোপীনাথ অবিশ্ৰাম।'

গোপীসকলে ৰাসক্ৰীড়াৰ জৰিয়তে নিজৰ মন দাপোণত আধ্যাত্মিক চিন্তা চেতনা বীজৰ সেউজীয়া ৰঙত জীপাল হৈ উঠিছিল। পৰমানন্দ কৃষ্ণৰ সান্নিধ্যত লাভ কৰা ৰস অতুল্য। গুৰুজনাৰ কীৰ্তনত পোৱা যায় "ইটো ৰাসক্ৰীড়া কেলি কামজয় কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময়।"

ৰাসক্ৰীড়াত কৃষ্ণৰ স'তে গোপীসকলৰ নৃত্যক মহাৰাসো বোলা যায়। শ্ৰীমদ্ভাগৱতত ৰাসক্ৰীড়া বিস্তাৰিত ৰূপ বৰ্ণনা কৃষ্ণই নিজেই প্ৰকাশিছে গোপীসকলক উদ্দেশ্যি এনেদৰে "তোমালোকৰ স'তে মোৰ মিলন দেখাত সাধাৰণতে কামনাৰ ৰূপত দৃশ্যমান হ'লেও ই পৱিত্ৰ, স্বচ্ছ প্ৰেমৰ অভিব্যক্তি।

তোমালোকৰ পৱিত্ৰ দেহ মনত কামনাৰ অলপো চিহ্ন নাই।

শংকৰ গুৰুৱে কৈছে— "ইটো ৰাসক্ৰীড়া/কথা কৃষ্ণৰে/একান্ত চিত্তে শুনে যিটো নৰে/কৃষ্ণ ভকতি/ বাঢ়িব তাৰে/কাম সাগৰে সুখে হৈবে পাৰ।"

যমুনাত স্নানৰত গোপীৰ বস্ত্ৰ হৰণৰ কথাৰে ভাগৱতৰ ৰাসলীলাই গতি লৈছে "বস্ত্ৰহৰণ" খণ্ডৰ পৰা হেমন্ত কালত আঘোণ মাহত। বিৰল প্ৰকৃতি উমাল ৰঙত ৰাসলীলাৰ বীজে ভাৰতীয় মানুহক প্ৰভাৱিত কৰি কৃষ্ণৰ বিৰল ব্যক্তিত্বৰ সামাজিক ৰং বহন কৰি আছে।

ৰাসক্ৰীড়াত নানা ঘটনাপ্ৰবাহ দেখা যায়। ইয়াত শ্ৰীকৃষ্ণ মধ্যমণি, গোপীসকল ইয়াৰ পৰিধি। লোক সংস্কৃতিৰ বিপুল উপাদান, লোকচাৰ যেনে - ভূত-প্ৰেতৰ পৰা ৰক্ষা পোৱা শিশুক ভয় খোৱা সময়ত মূৰত বা পিঠিত থুৱাই দিয়া প্ৰথা অদ্যাপি গ্ৰাম্য সমাজত দেখা যায়

"দুৰ্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি
নাথাকিবা ঐত তোৰা সব স্ত্ৰীমতি।।"

গোপীৰ মনত গৰ্ব অহংকাৰৰ ভাৱ জাগ্ৰত হ'ল, কাৰণ তেওঁলোকে বিশ্বাস কৰিলে যে সচ্চিদানন্দ কৃষ্ণৰ মন গলাব পাৰিছে। সেই অহংকাৰ নোহোৱা কৰিবলৈ কৃষ্ণই "দৰ্প চূৰ্ণ কৰো মোত বাঢ়োক ভকতি" এই বুলি তেওঁ নিমিষতে বৃন্দাবনৰ পৰা অন্তৰ্ধান হোৱা ঘটনাত গছ-বিৰিখ, লতা, পশু-পক্ষীক গোপীগণে কৃষ্ণৰ কথা সুধি ব্যতিব্যস্ত কৰি কৰি ভাগৰি পৰাৰ পিছত পুনৰ কৃষ্ণৰ আৰাধনাত বিলীন হ'ল। অৱশেষত কৃষ্ণই গোপীৰ মনবোৰ প্ৰকৃত কৃষ্ণময় হৈ পৰাত কালিন্দী হ্ৰদৰ তীৰত দেখা দি ৰাসক্ৰীড়াত বিলীন হ'ল। যি আধ্যাত্মিক প্ৰেমৰ ৰাসনৃত্যৰ চিত্ৰমূল্য বহন কৰি আছে ।

কেলিগোপাল নাটক শ্ৰীমন্ত শংকৰদেৱৰ শৃংগাৰ ৰসৰ দাৰ্শনিক আধ্যাত্মিক মৰ্মচেতনাৰ নতুন ৰূপে দেখা দিলে। যি গোপীসৱে তেওঁলোকৰ স্তনত কৃষ্ণৰ হস্তপদ্ম দিবলৈ আহ্বান জনাইছিল সেই গোপীগণে সেই সীমা পাৰ হৈ প্ৰকৃত ভক্তিত কৃষ্ণ প্ৰেমত আৱিৰ্ভাৰ হ'ল।

"যত গোপী তত কৃষ্ণই হুৱা কৰি ক্ৰীড়া
সমস্তে গুচাইলা গোপীকাৰ কামক্ৰীড়া।"

ৰাসক্ৰীড়াৰ শৃংগাৰ ৰস চমকপ্ৰদ। ই সকলো ৰসতকৈ ব্যাপক ৰূপে ৰাসত চৰ্চিত ।

"কাহাক চুম্বই বনমালী লাগি মুখ

https://howlyraasmahotsav.org/

আলিংগনে গোপীক মিলত ৰতি সুখ।”

—(কেলিগোপাল)

আনন্দৰ পৰাই জীৱৰ জন্ম। আনন্দৰ সন্ধানতে মানুহৰ গতি তীব্ৰ । শুকদেৱৰ মতে — “শ্ৰীকৃষ্ণ নিজেই পূৰ্ণকাম। এয়া কামজনিত ৰমণ নহয়।” নামঘোষাত পোৱা যায়—

“চৈতন্য শক্তি দ্বাৰে/ইটো জড় জগত/ৰমাৰন্ত কৰ্ম/অনুৰূপে”

ৰাসলীলাত কোনো অশ্লীলতা নাই। ভক্তিপ্ৰেমৰ অতুল্য চেতনাৰে বিশাল ভাৰতীয় প্ৰেম দৰ্শনৰ বাট ঋষি-মুনিসকলে বিলাই আহিছে কৃষ্ণৰ জীৱন বৃক্ষৰ পৰাই। প্ৰকৃতি আৰু মানুহৰ বিৰল বৰ্ণনা ৰাসনৃত্যত বিদ্যমান। কালিদাসৰ মেঘ বৰ্ণনাৰ দৰে — শৰৎ কালৰ ঋতু বৰ্ণনা, নৈ-নিজৰা, আকাশ, জোন-জোনাক, গছ-বিৰিখ, পূৰ্ণিমাৰ চিত্ৰণ স্বতঃস্ফূৰ্তভাৱে প্ৰকৃতি সভ্যতাৰ অংশৰূপে দৃশ্যমান হৈ উঠিছে। ইয়ে যুগে যুগে মানুহক সজীৱতা প্ৰদান কৰি নতুন কৰি নতুন চেতনাৰে কল্যাণৰ ৰং বিলোৱা দৃশ্য চমকপ্ৰদ। পাৰ্বতীপ্ৰসাদৰ কলমত নিসৃত হৈছে শৰৎ এনেদৰে --

“আহিন মহীয়া শেৱালি সৰিলে— নিয়ৰত তিতিলে বন”।

ভূপেন হাজৰিকাৰ গীততো আহিন বা শৰৎ কালৰ বৰ্ণনা অসীম ঃ শাৰদী ৰাণী, শৰতৰ শেৱালিৰ নতুন নিয়ৰে/শুদ্ধ শুভ্ৰ ছবি আঁকে/শুকুলা ডাৱৰৰ পতাকা উৰুৱাই। মুকুতিৰ গীত গায় শৰালি জাকে, আদি কথা ৰূপেৰে- শৰতৰ বৰ্ণনা মন কৰিবলগীয়া।

দক্ষিণ ভাৰতৰ আলোৱাৰসকলৰ চিন্তা - চেতনাত শ্ৰীকৃষ্ণৰ চৰিত্ৰ শুৱণেৰে তেওঁলোকে কৃষ্ণৰ ওচৰত বিনম্ৰ আত্মনিবেদন কৰা দৃশ্যসজ্জা মননশীল। ৰাসনৃত্যত নিহিত গোপীসৰৰ বিশ্বাসত তিতা আছে প্ৰেমময়ী, ৰসময়ী ভক্তিত তপ, জপ, যাগ-যজ্ঞেৰে বিশ্ব বিমোহন ৰূপকলা পান কৰি গোপীগণৰ বিমূৰ্ত বিস্ময় চেতনাক বাংময় কৰিছিল। জোনাক বিধৌত ৰাতি যমুনাৰ তীৰত ভুৱন ভুলোৱা মুৰুলীৰ সুৰৰ অপূৰ্ব লহৰত গোপীসকলৰ প্ৰেমাকুল হৃদয়ত মিলন কামনা জগাই তোলা কৃষ্ণৰ একীভূত একাত্মবোধ ৰসৰ সমষ্টি বিনন্দীয়া আনন্দৰ গভীৰতা তীব্ৰ। এই ৰাসলীলাৰ দৃষ্টিনন্দন নান্দনিক সমীৰণৰ শীতল খেলাই চিত্তত বিনোদন তুলিছিল তাক দেখি চন্দ্ৰৰো গতি স্তব্ধ হৈছিল

“তম্ভা ই শন্ত ৰথ, নুপুহায় সিটো ৰাতি”

আমাৰ জাতীয় জীৱনৰ লোক সংস্কৃতিত ৰাসে বৰদোৱা, মাজুলী, তেজপুৰ, বৰপেটা, নগাঁও, মৰিগাঁৱকে ধৰি উজনি-নামনিত প্ৰদান কৰি থকা ভূমিকাই আমাক বিষ্ণু, কৃষ্ণ-শংকৰৰ মহিমা, গুণেৰে সমাহিত হৈ আমাক বিশাল ভাৰতীয় মহাসংস্কৃতিৰ মহা অংগৰ সিন্ধু কৰি ৰাখিছে।

এনে জলবায়ুৰ গৰ্ভত গোপীসকলে সকলো পাহৰি আত্মহাৰা হৈছিল । আমাৰ ভাৰতীয় আত্মাত ৰাস বৰ্ণনাৰে কৃষ্ণৰ মাহাত্ম্যৰ বৰ্ণনা দেখুৱাই ভক্তিপ্ৰেমৰ বাট চিকুণাই আছে আৰু ইয়ে ভাৰতীয় মানুহৰ কৃষ্ণ প্ৰেমৰ আধ্যাত্মিক ৰাস বৰ্ণনাৰে মানুহৰ চকুত খুঁটিয়াই আছে।

ৰাসক্ৰীড়াৰ গৰ্ভত গোপীসকলৰ প্ৰেম আকুলতাই বৃন্দাবনত যি স্বৰ্গীয় জীৱনবোধৰ অমৰত্ব বিকশাই তুলিছিল সেই কথাবস্তুৰ গূঢ়াৰ্থ লোকগীতৰ মাজেৰেও জনগণৰ মাজত প্ৰসাৰতা আৰু প্ৰাধান্য লাভ কৰি আছে। ইয়াত শৰৎকালৰ বিতোপন আকাশ, জোনাক তৰা, গৰ্ভৱতী পথাৰৰ জীৱনকোষৰ বতাহে ৰাসক্ৰীড়াক মহানতা দিয়া ৰং অপূৰ্ব। গোপীসকলৰ মনৰ মাজত উৎপন্ন নানা ভাব লোকগীতত ঝংকাৰিত হৈছে। প্ৰেমৰ ব্যাপক ৰঙত ব্যাকুল ৰাধাই পাৰিবাৰিক মৰ্যাদা হেৰুৱাই যাব নোৱাৰাৰ চেতনাই ৰাধাক অস্থিৰ কৰা কথা লোকগীতত পাওঁ যেনেকৈ—

“কানাইৰ মোহন বাঁহী
মোক মাতে আহি
মোৰ নাম ৰাধা ৰাধা ৰাধা
ৰাধা বুলি কোনে ডাকে ৰজনী সময়
নিচলা কপট ৰাধা আমি যদুৰায়।
নিড়িত গোকুলবাসী নীৰৱ ৰজনী
আইলো তব গৃহে ৰাধা মধুৰ গীত শুনি।”

কৃষ্ণ হেৰুৱাৰ চিন্তা, সংশয়ে গোপীৰ মনোভংগীত সৃষ্টি কৰা ঢৌ জোৱাৰ হাস্যভাৱৰ প্ৰকাশ ঘটিছে, যাক শাস্ত্ৰত কোৱা হৈছে এনেদৰে—

“কলিত সম্প্ৰতি নভৈল ভকতি
নপাইলো সাধু সংগ।

https://howlyraasmahotsav.org/

মই দুৰ্বিনয় জানি কৃপাময়
আপুনি কৰিয়ো গতি।।
তোমাৰ ভৃত্যৰ ভৃত্যৰো ভৃত্যৰ
তাৰ ভৃত্য ভৈলো আমি।”

কৃষ্ণক হেৰুৱাৰ কথা লোকগীতত প্ৰকট হৈছে এনেদৰে—

“হা কৃষ্ণ প্ৰাণধন বুলি কান্দে গোপীগণ
আমাক অনাথ কৰি গৈলা...”

কৃষ্ণক নিচেই কাষত পাই পৰিয়ালৰ কথা পাহৰি গৈ কৃষ্ণ প্ৰেমত মজি যোৱাৰ কথা লোকগীতত বৰ্ণনা কৰিছে এনেদৰে—

“যত বস্ত্ৰ অলংকাৰ পিন্ধে কৰি ব্যভিচাৰ
খহি পৰে খোপাৰ মালতী
গুচিলেক লজ্জা ভয় অৰ্ধ বস্ত্ৰ পিন্ধি লয়
আনে যেন আপোনাক মাতি
...
কৃষ্ণসংগে ক্ৰীড়িবাৰ আশে
অ’নাম ধৰিয়া মাতে দেখোন মুৰাৰী।”

অন্যহাতে গোপীয়ে পানীৰ পৰা বস্ত্ৰ বিচাৰি কৰা প্ৰাৰ্থনা প্ৰকাশিছে লোকগীতে এনেকৈ-

“হা হৰি আমি আৰু নকৰো এই খেলা
দ’লি মাৰি দিয়া প্ৰভু আমাৰ মেখেলা
এক হাতে অংগ ঢাকে আউৰ হাত তুলি
কাতৰে মাগয় গোপী বস্ত্ৰ দিয়া বুলি...।”

অন্যহাতে গোপীসকলে কৃষ্ণৰ মৰমৰ পৰা বঞ্চিত, অৱহেলাৰ ৰং প্ৰকাশ পাইছে এনেকৈ-

“আমি ব্ৰজবালা কৰি অৱহেলা
শ্যাম কানু চলি যায়
ৰাধিকাৰ সংগে ৰাসলীলা ৰংগে
বনে বনে ঘুৰি বেড়ায়।”

কৃষ্ণক পুনৰ গোপীসকলে কাষত পোৱাৰ কথা লোকগীতত মানুহৰ মুখে মুখে উচ্চাৰিত হৈ আছে এনেকৈ—

“গোপীকাৰ দেখি ক্লেশ দেখা দিলা হৃষীকেশ
গোপীসৱে পাৱে প্ৰণামিলা
কৃষ্ণ সম গোপীগণ হুয়া আনন্দিত মন
নানান ৰূপে ক্ৰীড়িবাক লৈলা...।”

কৃষ্ণই গোপীসকলক লৈ বৃন্দাবনত ৰাসক্ৰীড়া কৰিবলৈ ৫ম সুৰত বাঁহী বজাবলৈ ধৰে—

“অখণ্ড মণ্ডল শশী শৰৎ ৰাত্ৰিত।
শশাংক কোমল বৃন্দাবন বিকশিত।।
লহু লঘু বহে সন্দ মলয়া পৱন।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলা মন।।
উচায়া পঞ্চম খুৰি হৰি গাইলা গীত
শুনি ব্ৰজবালা সৱ ভৈলা বিমোহিত।।”

তাৰ পূৰ্বে কৃষ্ণৰ অনন্ত মুৰুলী শৰদত উচ্ছাহ বলিয়া গোপীগণে গাইছে—

“আহা সখী আহা বাই বৃন্দাবনে যাওঁ।
বজাইছে মোহন বংশী নয়ন ভৰি চাওঁ।

https://howlyraasmahotsav.org/

প্ৰসঙ্গ ঃ মাধৱদেৱৰ বৰগীত

ড° দুলুমনি ডেকা

অসমীয়া গীতি কবিতাৰ ইতিহাসত বৰগীতৰো এটি ঐতিহাসিক পটভূমি আছে। বৌদ্ধতান্ত্ৰিক মহযান পন্থাৰ সিদ্ধাচাৰ্যসকলে বৌদ্ধধৰ্মৰ প্ৰতি মানুহক আকৃষ্ট কৰিবলৈ যিদৰে চৰ্যাগীতসমূহ ৰচনা কৰিছিল, সেইদৰে নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰতি জনসাধাৰণক সহজে আকৰ্ষণ কৰিবলৈ শঙ্কৰদেৱ-মাধৱদেৱ মহাপুৰুষ দুজনাই বৰগীতসমূহ প্ৰণয়ন কৰিছিল। অসমৰ ধৰ্ম, সমাজ, সাহিত্য, সংস্কৃতিৰ প্ৰাণপুৰুষ সৰ্বগুণাকৰ শ্ৰীমন্ত শঙ্কৰদেৱে নৱবৈষ্ণৱ ভক্তি আন্দোলন সাফল্যমণ্ডিত কৰি তুলিবলৈ কাব্য, নাট, পদানুবাদৰ লগতে সংগীতৰো আশ্ৰয় গ্ৰহণ কৰিছিল। বৰগীতৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে, পঞ্চদশ শতিকাৰ শেষ ভাগত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নিশ্চিতকৈ এই বৰগীতসমূহ প্ৰণয়ন কৰিছিল।

মাধৱদেৱৰ সাহিত্য কৃতিৰ অন্যতম নিদৰ্শন বৰগীতসমূহ শঙ্কৰদেৱৰ অনুপ্ৰেৰণা তথা নিৰ্দেশতে মাধৱদেৱে ৰচনা কৰিছিল। সেয়েহে মাধৱদেৱৰ বিশাল সাহিত্যৰাজিৰ তালিকাত বৰগীতে এখন সুকীয়া স্থান দখল কৰিছে। তত্বগধুৰ গ্ৰন্থাকাৰ ৰূপে মাধৱদেৱ যিদৰে সমাদৃত, নাট্যকাৰ হিচাপে যিদৰে অনন্য, তেনেদৰে গীতিকাৰ হিচাপেও তেৰাৰ প্ৰতিভা অসামান্য। 'কথা-গুৰু চৰিত' মতে শঙ্কৰদেৱ ৰচিত গীতবোৰ আওৱাবলৈ বুলি বৰপেটাৰ কমলা গায়ন নামৰ এজন ভকতে নিছিল। কিন্তু বন-পোৰা জুয়ে সেইবোৰ পোৰাত শঙ্কৰদেৱে মনোকষ্ট পাই গীত ৰচনা নকৰি তেৰাৰ প্ৰপন্ন শিষ্য মাধৱদেৱক গীত ৰচনা কৰিবলৈ আজ্ঞা দিয়ে। আকৌ 'কথা-গুৰুচৰিত'ত আছে— "গুৰুজনে খেদকৈ বোলে, বঢ়াৰ পো, অনেক শ্ৰমকৈ গীতখানি কৈলো, পুইলে। গীত কিছুখানি কৰা আমি নকৰো আৰু।" পিছত মাধৱদেৱে গুৰুজনাৰ বাক্য পালি "আতৈসৰৰ মুখত ৰোৱা আগে-গুড়ি ৰিহা-গাৰি ক্ৰমে দি মাজত ছোট আতাই গীত কৰিলে ন কুৰি এঘাৰ "ছয় ৰসে ছোৰ-চাতুৰি।" মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ অক্লান্ত পৰিশ্ৰমৰ ফলত 'আৰু গীত কৰি গোটাই লিখিলে বাৰেও কুৰি' ৰচনা কৰা বাৰকুৰি বৰগীত অসমীয়া সাহিত্যৰ ভঁড়ালৰ পৰা আমি হেৰুৱাইছো। গুৰুজনাৰ দুশ চল্লিছটা বৰগীতৰ ভিতৰত মাত্ৰ আমি একুৰি চৈধ্যটা বৰগীতহে লাভ কৰিবলৈ পাইছো। গুৰুজনাৰ বাক্য শিৰে ধৰি বৰাৰপো মাধৱদেৱে যিখিনি গীত সংগ্ৰহ আৰু ৰচনা কৰিলে সেইখিনিয়ে বৰ্তমান বৰগীত হিচাপে প্ৰচলন হৈ আহিছে। অসমীয়া বৰগীত পুথিত সন্নিৱিষ্ট হোৱা এশ একানব্বৈটা বৰগীতৰ ভিতৰত এশ সাতাৱন্নটা বৰগীতেই মহাপুৰুষ মাধৱদেৱৰ ৰচিত। বৰগীতৰ তালিকাত মাধৱদেৱৰ দ্বাৰা বিৰচিত বৰগীতৰ সংখ্যাই সৰহ লক্ষ্য কৰিব লগা, ইয়াত 'গীত'হে বোলা হৈছে; বৰগীত নহয়। 'কথা-গুৰুচৰিত'তো এইবোৰক 'গীত' বুলিহে উল্লেখ কৰা হৈছে। যেনে—

(ক) "এতিয়া নাৰায়ণ বহ্নিয়ে পাই একে কুৰাই ছাই কৈলে। এই আৰ্হি দি গীত কৰিছে— "নাৰায়ণ লীলা জাৱন কোই...।"

(খ) "ছোট আতা গীত কৰি মাতিছে— যাদৱ

https://howlyraasmahotsav.org/

লীলা জানব কোই....।"

'বৰগীত' শব্দটি শঙ্কৰদেৱ-মাধৱদেৱ মহাপুৰুষ দুজনাই প্ৰয়োগ কৰাৰ উদাহৰণ পোৱা নাযায়। পৰৱৰ্তী চৰিতকাৰ আৰু সাধু-সন্ত-মহন্তসকলৰ দ্বাৰাহে এই শব্দটো ব্যৱহাৰ হৈছিল বুলি বুজিব পৰা যায়। উক্ত প্ৰসংগত বাপচন্দ্ৰ মহন্তই এইদৰে কৈছে— "গীত শব্দৰ সাধাৰণ অৰ্থ সুস্পষ্ট, কিন্তু গীতৰ লগত 'বৰ' বিশেষণটি যোগ দিয়াত ইয়াৰ ভাৱটোত কিছু বৈশিষ্ট্য প্ৰকাশ পালে। এই 'বৰ' সংস্কৃত ভাষাৰ 'বৰ' অৰ্থাৎ 'শ্ৰেষ্ঠ' অৰ্থৰ সূচক। গতিকে শ্ৰেষ্ঠ বা উত্তম গীতৰ অৰ্থতে 'বৰগীত' শব্দৰ প্ৰচলন হ'বলৈ ধৰিলে। গীতিকাৰসকলৰ দিনত সম্ভৱতঃ এই বৰগীত শব্দৰ প্ৰচলন নাছিল।"

অসমীয়া সাহিত্যত 'বৰগীত' বুলিলে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত গীত কিছুমানৰহে লেখত ধৰা হয়। মোগল বাদশ্বাহসকলৰ সময়ত 'বড়াগানা' বুলি এক উচ্চ শ্ৰেণীৰ সংগীতক বুজাইছিল। হিন্দুস্থানী 'বড়াগানা' শব্দৰ লগত 'বৰগীত' শব্দৰ মিল থকাৰ অনুমান কৰি কোনো কোনোৱে হয়তো 'বড়গীত' নামটো সেই 'বড়াগানা' শব্দৰ পৰা উদ্ভৱ বুলি ক'ব খোজে। প্ৰসংগত ড° মহেশ্বৰ নেওগদেৱে এই বিশ্বাস নাকচ কৰি কৈছে— 'বড়াগানা' ব্যাখ্যাৰ লগত 'বৰগীত' শব্দৰ মিল আছে যেন আমাৰ অনুমান নহয়। অসমীয়া ভাষাত কেতিয়াবা এক শ্ৰেণীৰ ব্যক্তি বা বস্তুৰে বিশেষ এক তৰপক বুজাবৰ কাৰণে 'বৰ' বিশেষণৰ প্ৰয়োগে 'সৰু' বা 'ক্ষুদ্ৰ' এটা শ্ৰেণীৰ পৰিকল্পনা সৃষ্টি নকৰে, সেইদৰে বৈষ্ণৱসকলৰ গীতৰ মাজৰ এটা ভাগত বিশেষ এখনি স্থান দি শঙ্কৰ-মাধৱৰ এই গীতক 'বৰগীত' বোলা হৈছে।"

ডিম্বেশ্বৰ নেওগৰ মতে 'শঙ্কৰ-মাধৱৰ পুঞ্জীভূত ভক্তিপ্ৰসূত কল্পনাৰ ভাৱ-ভাষা আৰু সুৰেই যেন মূৰ্তি ধৰি একোটি বৰগীত হৈছে। শঙ্কৰদেৱৰ সমসাময়িক বা পূৰ্বৱৰ্তী কবিসকলৰ গীত-মাত আৰু ভাৱ-ভাষাতকৈ শ্ৰেষ্ঠ জানি সেইবোৰৰ বিপৰীতে এইবোৰক শ্ৰেষ্ঠ গীত বা বৰগীত বুলিলেও সেই খুঁত থাকি যায়, কিয়নো বাহুল্যভাৱেই বৈষ্ণৱ কবিসকলৰ সকলো গীত-পদ ৰচনা সেইবোৰতকৈ ওপৰ, সেই আটাইবোৰক বৰগীত বোলা নহয় নিশ্চয়।'

মহাপুৰুষ মাধৱদেৱৰ বৰগীতসমূহৰ ৰচনাৰ কাল আৰু স্থান সন্দৰ্ভত সম্পূৰ্ণকৈ একো ক'ব নোৱাৰি যদিও চৰিত পুথিৰ অধ্যয়নৰ পৰা মহাপুৰুষজনাই যে বিভিন্ন সময়ত, বিভিন্ন স্থানত আৰু বিশেষ পৰিস্থিতিত দাস্য আৰু বাৎসল্য ভাৱৰ বহুখিনি গীত প্ৰণয়ন কৰিছিল সেই কথা সহজতে প্ৰতীয়মান কৰিব পাৰি। বিষ্ণু-কৃষ্ণ নাইবা লীলাসমূহেই হ'ল মহাপুৰুষ মাধৱদেৱৰ বৰগীতৰ বিষয়বস্তু আৰু প্ৰধান ৰস হ'ল ভক্তি ৰস। মাধৱদেৱৰ বৰগীতৰ ৰস বা বিষয়বস্তুক কথা গুৰু চৰিতত 'ছয় ৰসে চোৰ-চাতুৰি' বোলা উক্তিখিনিৰ তাৎপৰ্য হৈছে 'ছয় ৰসে' মানে বৰগীতসমূহত ছয় ৰসৰ মিলন ঘটিছে আৰু শ্ৰীকৃষ্ণৰ বাল্যলীলাৰ কথাসমূহক 'চোৰ-চাতুৰি' অৰ্থত বুজোৱা হৈছে। শিশু কৃষ্ণৰ শৈশৱৰ দুষ্টালি আৰু ছল-চাতুৰীসমূহৰ চৰিত্ৰই বাৎসল্য ভাৱকেই প্ৰকাশ কৰে। বৰগীতৰ বাৎসল্যও ভক্তিৰ নামান্তৰহে। অৱশ্যে মাধৱদেৱৰ গীতত 'চোৰ-চাতুৰি' প্ৰধান বিষয়বস্তু হোৱাত তাত বাৎসল্য ভাৱেহে প্ৰাধান্য লাভ কৰিছে। এই ভক্তিৰ আধাৰস্বৰূপে বৰগীতত তিনিবিধ বিষয়বস্তু প্ৰতিপাদিত হৈছে— সেয়া হৈছে ভগৱন্তৰ মহিমা বৰ্ণন, তত্ত্বজ্ঞানৰ উপদেশ আৰু ভগৱন্তৰ লীলা বৰ্ণন। এতেকে বৰগীতসমূহৰ মূল বিষয়বস্তু এয়ে। বিৰহ, বিৰক্তি, চোৰ-চাতুৰি আদি উক্ত তিনিটা বিষয়বস্তুৰ অন্তৰ্ভুক্ত বুলি ক'ব পাৰি। বৰগীতসমূহৰ এই বিচিত্ৰ বিষয়-সামগ্ৰী ৰসসিক্ত কৰি সহৃদয় পাঠকৰ হৃদয়গ্ৰাহী কৰি তুলিবলৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱে যি প্ৰযত্ন কৰিছে, সঁচাকৈয়ে অতি উপাদেয় আৰু উচ্চ মানবিশিষ্ট।

বৰগীতবোৰৰ বিশেষত্ব হ'ল শান্তি, বিনয়, কাৰুণ্য, আশা, লীলা, বিলাস, পীড়া, বিৰহ, দুখ, কৃষ্ণ-প্ৰশস্তি, ৰূপসৌন্দৰ্য, দীন্যতা, লীলা বিচিত্ৰতা, নাম মহিমা, ভক্তিৰ মহিমা, জীৱনৰ সফলতা, আত্ম নিবেদন, ক্ষণ ভঙ্গুৰতা, মন প্ৰবোধ, গোপী বিৰহ, বংশী প্ৰভাৱ, উপদেশ, চিন্তন, জাগৰণ, খেলান, নৰ্তন, ভোজন, প্ৰত্যাগমন ইত্যাদি। প্ৰধানকৈ বৰগীতৰ বিশেষত্ব হ'ল ভক্তি ৰসসিক্ত, এখনি গীতি কবিতা। বৰগীতবোৰে বিভিন্ন ভাৱানুভূতিৰ আবেগেৰে, বিভিন্ন ৰসেৰে ভগৱানৰ চৰণ চিন্তাকে কৰিছে। মাধৱদেৱৰ গীতি সাহিত্য দুভাগে বিভক্ত এবিধ নাট্যধৰ্মী গীতবোৰ নাট্যতে সীমাবদ্ধ। দুয়োবিধ গীতৰ ৰস প্ৰকাশৰ দৃষ্টিভংগী বেলেগ। বৰগীতৰ উদ্দেশ্য একমুখী

https://howlyraasmahotsav.org/

ভক্তি ৰসাত্মক বুলি জনা যায়।

সামগ্ৰিকভাৱে বিষয়বস্তুৰ মহত্ত্ব, কল্পনাৰ সংযম, শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্য, ৰাগ-তাল-মানৰ সৌষম্য, নিৰ্দিষ্ট প্ৰাসংগিকতা আদিয়ে বৰগীতসমূহক ধ্ৰুপদী সংগীতৰ মৰ্যাদা প্ৰদান কৰিছে। পৰম পুৰুষ ভগৱান শ্ৰীকৃষ্ণৰ মহিমা ঘোষণা, তেওঁৰ মানৱী লীলাৰ বিচিত্ৰ ৰূপ বৰ্ণনা, সংসাৰৰ মায়া বন্ধনৰ পৰা জীৱৰ মুক্তি, হৰিনাম কীৰ্তনৰ মহিমা আদি কথাসমূহ বৰগীতৰ মূল উপজীব্য। বিষয়বস্তুৰ এনে দিশসমূহৰ প্ৰতি লক্ষ্য ৰাখি সমালোচকসকলে বৰগীতসমূহক ছটা ভাগত ভাগ কৰিছে— ১। বিৰহ, ২। বিৰক্তি, ৩। চৌৰ্য, ৪। চাতুৰি, ৫। লীলা আৰু ৬। পৰমাৰ্থ। বিৰহ, বিৰক্তি, পৰমাৰ্থ বিষয়ৰ বৰগীতৰ তুলনাত মাধৱদেৱৰ লীলা, চৌৰ্য আৰু চাতুৰি বিষয়ক বৰগীতৰ সংখ্যা আটাইতকৈ বেছি।

মাধৱদেৱে দাস্য আৰু বাৎসল্য ভাৱৰ বৰগীত ৰচনা কৰিলেও বাৎসল্য ৰসৰ বৰগীতৰ সংখ্যাহে অধিক। আকৌ মাধৱদেৱৰ গীতত যে বাৎসল্য প্ৰীতিয়েই স্থান পাইছে তেনে নহয়। ব্ৰহ্মৰ স্বৰূপ, সংসাৰৰ অনিত্যতা, জীৱাত্মা-পৰমাত্মাৰ সম্পৰ্ক আদি জটিল তত্ত্বসমূহো অপ্ৰয়াসে আলোচিত হৈছে। মহাপুৰুষ মাধৱদেৱৰ মতে লোভ-মোহ, কাম-ক্ৰোধৰে ভৰা এই মায়াময় সংসাৰত জীৱই কেৱল কৃষ্ণৰ চৰণত আশ্ৰয় লৈহে মুক্তি পাব পাৰে।

মাধৱদেৱৰ বৰগীতৰ প্ৰধান আকৰ্ষণ হৈছে 'বাল গোপাল' বা শিশু কৃষ্ণৰ চৰিত্ৰৰ মনোৰম ছবি। বাৎসল্য ৰসৰ বিমল প্ৰকাশেৰে মাধৱদেৱৰ প্ৰতিটো বৰগীতেই শ্ৰীকৃষ্ণৰ শিশু জীৱন মহিমামণ্ডিত কৰিছে। মাতৃ যশোদা আৰু শিশু কৃষ্ণৰ কাৰ্যকলাপ এই গীতসমূহৰ মূল আকৰ্ষণ। প্ৰসংগত ড° বাণীকান্ত কাকতিয়ে এটি মন্তব্য প্ৰকাশ কৰি কৈছিল 'বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্তজীৱনৰ সৰ্বহ। মাতৃৰ অপত্য স্নেহৰে সিঞ্চিত শিশু চৰিত্ৰৰ এনে প্ৰাণস্পৰ্শী বৰ্ণন অসমৰ আন কোনো বৈষ্ণৱ কবিৰ ৰচনাত পাবলৈ নাই।বাৎসল্য ৰস তেনেই হৃদয়স্পৰ্শী। বিষয়বস্তুৰ অনুপম চানেকী, বাৎসল্য ৰস আৰু দাস্যভাৱৰ মধুৰ মিশ্ৰণে মাধৱদেৱৰ বৰগীতসমূহক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। বাৎসল্য ৰসে বেছি প্ৰাধান্য লাভ কৰা বাবে মাধৱদেৱৰ বৰগীতসমূহ জনসমাজত বেছি প্ৰিয় হৈ পৰাৰ ইও অন্যতম কাৰণ। সেয়েহে ড° কাকতিয়ে কৈছে যে "ভাৰতীয় প্ৰাদেশিক বৈষ্ণৱ সাহিত্যত এনেধৰণৰ কবিতা অতি বিৰল। আন আন ৰসৰ প্ৰকাশক গীত-কবিতা আন আন সাহিত্যত বহুত আছে, কিন্তু বাৎসল্য ৰস প্ৰকাশক এনে ধৰণৰ গীত-কবিতা নাই বুলিলেই হয়।'

শ্ৰীমন্ত শঙ্কৰদেৱৰ বৰগীতসমূহৰ মুখ্য আকৰ্ষণ যিদৰে ভক্তি-তত্ত্ব-দৰ্শনৰ সম্যক প্ৰতিবাদন, ঠিক সেইদৰে মহাপুৰুষ মাধৱদেৱৰ বৰগীতৰ প্ৰধান আকৰ্ষণ হৈছে 'বাল গোপাল' বা শিশু কৃষ্ণৰ চৰিত্ৰৰ মনোৰম ছবি। কৃষ্ণৰ জাগন, চলন, খেলন আৰু নৃত্যৰ বৰ্ণনাত উদাহৰণ স্বৰূপে 'পৰভাতে শ্যামকানু ধেনু লৈয়া সঙ্গে' আদি গীতত গৰু চৰাবলৈ যোৱা কৃষ্ণৰ মনোৰম ছবি অঙ্কিত হৈছে। গোপ কৃষ্ণই লগৰীয়াসকলৰ লগত 'শিঙ্গা শংখ বেণু' বজোৱাৰ যি অপূৰ্ব বৰ্ণনা প্ৰদান কৰা হৈছে, তাত গীত-বাদ্যৰে মুখৰিত এক সাঙ্গীতিক পৰিবেশ সৃষ্টি কৰিবলৈও সমৰ্থ হৈছে।

বৰগীতে আমাৰ পৰিবেশ আৰু বাতাবৰণ সুস্থ আৰু সুন্দৰ কৰি তোলে। অসমীয়া সাংস্কৃতিক সমাজখনত সংগীত কলাৰ সঞ্চিত জ্ঞানেৰে আৰু অনুপম গীত ৰচনাৰ অপূৰ্ব দক্ষতাৰে মহাপুৰুষ দুজনাই বৰগীতসমূহত গভীৰ আধ্যাত্মিক ভাবদৰ্শন সন্নিবিষ্ট কৰি সুললিত সুৰ-সঞ্চাৰ আৰোপ কৰিছিল। আমাৰ ঐতিহ্য আৰু পৰম্পৰাত বৰগীতসমূহৰ বিশেষ মৰ্যাদা আৰু সন্মান লক্ষণীয় বিষয়।

https://howlyraasmahotsav.org/

শঙ্কৰী পদ্ধতিত বিবাহ ঃ এটি দৃষ্টিপাত

ড° খনিন্দ্ৰ কুমাৰ বৰ্মন

বিবাহ এক ধৰ্মীয় ভাৱনাৰে সংপৃক্ত সামাজিক অনুষ্ঠান। বিশেষকৈ ভাৰতীয় সমাজ দৰ্শনত ধৰ্মীয় আচৰণৰ মাজেদিয়ে বিবাহ অনুষ্ঠান পৰিচালিত হয়। সৰ্বভাৰতীয় পৰ্যায়ৰ কথা বাদ দি যদি অসমৰ বিবাহ পদ্ধতিৰ বিষয়ে লক্ষ্য কৰা হয়, তেতিয়া দেখা যায় যে হিন্দু ধৰ্মাৱলম্বী লোকসকলে প্ৰধানকৈ বৈদিক পদ্ধতিৰে বিবাহ কাৰ্য সমাপন কৰে। তৎসত্ত্বেও সমান্তৰালভাৱে অসমীয়া সমাজ জীৱনৰ আন এটি ধাৰা শংকৰী পদ্ধতিৰে ধৰ্মীয় অনুষ্ঠান, যেনে--- বিবাহ, মৃতকৰ সকাম আদি সমাপন হৈ আহিছে। আজিৰ সমাজত শংকৰী প্ৰথাৰ প্ৰভাৱ বা গুৰুজনাৰ ধৰ্মীয় প্ৰথাৰ প্ৰচলন দিনক দিনে বাঢ়ি অহাহে পৰিলক্ষিত হৈছে।

শ্ৰীমন্ত শংকৰদেৱ গুৰুৱে বৈষ্ণৱ ধৰ্মক এক ধাৰ্মিক ৰূপত বা এক পন্থা হিচাপে প্ৰতিষ্ঠিত কৰি থৈ গৈছে। অৱশ্যে দক্ষিণ ভাৰতৰ পৰা ক্ৰমান্বয়ে অসমত প্ৰৱেশ কৰা বৈষ্ণৱ আন্দোলনটিক এক পৰিগ্ৰহ ৰূপ দি শংকৰ গুৰুৱে এক ধৰ্মীয় প্ৰথা হিচাপে প্ৰতিষ্ঠিত কৰি থৈ যোৱা পন্থাটিক অসমত এক শৰণ নামধৰ্ম বুলি কোৱাৰ উপৰি নৱবৈষ্ণৱ ধৰ্ম বুলিও কোৱা হয়। পৰৱৰ্তী সময়ত শংকৰদেৱৰ প্ৰিয় শিষ্য মাধবদেৱে আৰু সত্ৰসমূহৰ সত্ৰাধিকাৰসকলে ইয়াক ধৰ্মীয় প্ৰথা হিচাপে প্ৰতিষ্ঠিত হোৱাত যথেষ্ট অৰিহণা যোগাইছিল আৰু সময়ত অসমৰ এক বুজন সংখ্যক মানুহ শংকৰী প্ৰথাৰ সৈতে সাঙোৰ খাই পৰিল। শংকৰদেৱৰ বহু পিচত যদিও বংগত চৈতন্যদেৱে বৈষ্ণৱ প্ৰথাৰ আৰম্ভণি ঘটাইছিল কিন্তু চৈতন্যদেৱৰ নামধৰ্মক এক প্ৰথা হিচাপে অৱলম্বন কৰা দেখা নগ'ল। অসমত বৈষ্ণৱ ধৰ্মীয় লোকসকলে শংকৰী প্ৰথাৰে ধৰ্মীয় সকাম-নিকাম সমাধা কৰে। শংকৰী ধৰ্মত পূজা-পাতলৰ স্থান নাথাকে। কৃষ্ণ ভক্তিৰ দ্বাৰা নাম-কীৰ্তনেৰে এইসকল ধৰ্মীয় লোকে নিজৰ নিজৰ ধৰ্মীয় কাম-কাজ সম্পাদন কৰে। অৰ্থাৎ শংকৰী প্ৰথাত শংকৰগুৰুৱে দেখুৱাই যোৱা ভগৱতখনকে বাঙ্গীয় মূৰ্তি বুলি গ্ৰহণ কৰি ভাগৱতৰ মাজেদিয়েই কৃষ্ণক পোৱাৰ চেষ্টা কৰে।

হিন্দুসকলৰ বাবে যিহেতু বিবাহ এক ধৰ্মীয়-সামাজিক অনুষ্ঠান, সেইবাবে শংকৰী প্ৰথাৰ লোকসকলে বিবাহক বৈদিক নিয়মত থকা যাগ-যজ্ঞ বাদ দি শংকৰী নিয়মৰ মাজেদি অনুষ্ঠিত কৰি আহিছে। যদিও শংকদেৱৰ মূলমন্ত্ৰ একেশ্বৰবাদ আৰু মূল ভজনীয় দেৱতা কৃষ্ণ, কিন্তু এই মূল কথাখিনিৰ মাজত থাকিও তেওঁলোকৰ মাজত শংকৰী প্ৰথা কেইবাটাও সংগঠনত বিভাজিত হৈ পৰিছে। মূলতঃ শ্ৰীমন্ত শংকৰ সংঘ যদিও মূল শংকৰী প্ৰথাৰ প্ৰচাৰ-বাহক, কিন্তু অসমত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাদেও শংকৰদেৱ সমাজ, একশৰণ ভাগৱতী সমাজ আদি ধৰ্মীয় সংগঠনৰ জন্ম হৈছে। প্ৰতিটো সংঘৰ মূল ভজনীয় দেৱতা কৃষ্ণ আৰু ভাগৱতক অনুসৰণ কৰিয়েই ধৰ্মীয় অনুষ্ঠান পৰিচালিত হয়। অৱশ্যে আচৰণ বিধিৰ কিছু পাৰ্থক্য নিশ্চয় আছে। আমাৰ আলোচনাত ঘাইকৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিবাহ পদ্ধতি বিষয়কএটি সম্যক আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

শংকৰী পদ্ধতিৰ বিবাহত মূল কাৰ্য ব্ৰাহ্মণে সম্পাদন নকৰে। সমাজৰ এজন শাস্ত্ৰজ্ঞানসম্পন্ন লোকেহে বিবাহ অনুষ্ঠান পৰিচালনা কৰে। তেওঁ কোন জাতিৰ হ'ব তাক

https://howlyraasmahotsav.org/

বিচাৰ কৰা নহয়। অৰ্থাৎ শংকৰী পদ্ধতিত জাতি-ভেদ প্ৰথাক মানি লোৱা নহয়। বৈদিক পদ্ধতিৰ বিবাহ এখনত ব্ৰাহ্মণজনে বিবাহখন সম্পাদন কৰে। তেওঁৰ কথাই বহুত ক্ষেত্ৰত বেদ বুলি মানি লোৱাও দেখা যায়। প্ৰকৃততে ব্ৰাহ্মণজনে বেদ বা সংস্কৃত মন্ত্ৰসমূহ কিমান জানে তাক চোৱা নহয়। কিন্তু শংকৰী পদ্ধতিৰ বিবাহত যিজনে বিবাহ পৰিচালনা কৰিব, তেওঁ অৱশ্যেই শাস্ত্ৰজ্ঞ হোৱা দেখা যায়। লৌকিক আচৰণৰ ফালৰ পৰা চোৱা হয়, যদি দেখা যায় যে শংকৰী পদ্ধতিৰ বিবাহ এখনত বৈদিক পদ্ধতিৰ বিবাহখনৰ দৰে কিছু পৰম্পৰাগত নিয়ম পালিত নহয়। উদাহৰণ স্বৰূপে শংকৰী পদ্ধতিৰ বিবাহৰ দৰা-কইনাৰ গা-ধোৱা পানী তোলাৰ সময়ত পানীত কোনো দেৱ-দেৱতাৰ নামত পূজা দিয়া নহয় বা পইচা আদি দি সেৱা কৰা নহয়। কিন্তু বৈদিক পদ্ধতিৰ বিবাহত এনে নিয়ম অপৰিহাৰ্য। সাধাৰণতে শংকৰী পদ্ধতিৰ বিবাহত নাম-কীৰ্তনেৰে আৰম্ভ হয়। দিনৰ ভাগত শ্ৰাদ্ধ আদিৰ ব্যৱস্থা নাথাকে বা ৰাতিও হোম-যজ্ঞও নাথাকে। আখৈ তোলা আদি ধৰ্মীয় সংবেদনশীল কাৰ্যও কৰা দেখা নাযায়। এইবাবে আখৈ তোলাৰ সময়ত গোৱা বিয়ানাম— 'আখৈ তোলা, আখৈ তোলা, মৰমৰ সৰু ভাই, আজিৰ পৰা আমাৰ গোত্ৰ ছিঙি যায়'— আদিৰো প্ৰাসঙ্গিকতা নাথাকে। অৱশ্যে বৈদিক বিবাহৰ বহু নিয়ম সংস্কৃত মন্ত্ৰৰ পৰা অসমীয়া ভাঙনি কৰি শংকৰী পদ্ধতিত দৰা-কইনা বা কন্যাদাতাই নিজ মুখেৰে উচ্চাৰণ কৰি গোৱাৰ নিয়ম। আনহাতে শংকৰী প্ৰথাৰ বিবাহ অনুষ্ঠান এটিত অসমীয়া সমাজ জীৱনৰ সৈতে খাপ খোৱা ধৰ্মীয় ভাৱ এটাৰ উন্মাদনা বিয়াৰ পুৱাৰে পৰা নাম-কীৰ্তনৰ মাজেদি প্ৰবাহিত হৈ থাকে। প্ৰাৰ্থনাসমূহৰ মাজেদি আধ্যাত্মিক ভাৱৰ অৱতাৰণাও হয়। ভকতীয়া ঠাঁচ, প্ৰাৰ্থনা, তাল-খোলৰ শব্দই পৱিত্ৰতাৰ ভাৱ বাৰুকৈয়ে অনুভূত কৰি তোলে।

শ্ৰীমন্ত শংকৰ সংঘৰ মতে বিবাহ পদ্ধতি ঃ

শ্ৰীমন্ত শংকৰ দেৱ সংঘৰ বিবাহ পদ্ধতিত ঘাইকৈ ব্ৰাহ্ম বিবাহ পদ্ধতিক মান্যতা প্ৰদান কৰিছে। বিবাহ পদ্ধতি বিষয়ক পুথিখনৰ আৰম্ভণিতে মনুৱে উনুকিওৱা মুঠ আঠ প্ৰকাৰৰ বিবাহ পদ্ধতিৰ আলোচনা কৰি ব্ৰাহ্ম বিবাহক সংঘই স্বীকৃতি প্ৰদান কৰিছে। মনুৰ মতে গুণৱান পাত্ৰক আমন্ত্ৰণ কৰি আনি কন্যাদান কৰাকেব্ৰাহ্মবিবাহ বোলে।

"শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিবাহ-পদ্ধতিত 'আমুকৰ গুণৱান পুত্ৰ শ্ৰীমান অমুকক আমাৰ কন্যা শ্ৰীমতী আমুকী দেৱীক বিবাহ দিবৰ কাৰণে আমন্ত্ৰণ কৰি অনা হৈছে।" এনে বাক্য আছে। এই বিবাহ ব্ৰাহ্ম-বিবাহ বুলি ধৰা হয়।

বিবাহত 'গুৰু আসন' প্ৰতিষ্ঠা অতি ভক্তিসহকাৰে কৰা হয়। এই গুৰু আসনত 'অতি ভক্তিসহকাৰে গুণমালা পুথিখন প্ৰতিষ্ঠা কৰা হয় । দৰাচলতে গুৰু আসনখনেই হ'ল বিবাহস্থলীত স্থাপন হোৱা মূল উপাসনাস্থলী। দৰা আৰু কইনাই বিবাহস্থলীলৈ অহাৰ পৰত এই আসনৰ ফালে চাই সেৱা কৰাটো এক অনিবাৰ্য নিয়ম। বিবাহৰ আগদিনা অধিবাস সম্পন্ন কৰে। অধিবাসৰ দিনা দৰা-কইনাক অস্থায়ী হিচাপে স্থাপন কৰা 'গুৰু আসনৰ' ওচৰত নাম-প্ৰসঙ্গ কৰি ভক্তবৃন্দই আশীৰ্বাদ প্ৰদান কৰে। সেইদৰে জোৰণতো বাপসকলে কইনাক আশীৰ্বাদ প্ৰদান কৰে আৰু অন্য বৈদিক বিবাহ অনুষ্ঠানৰ লৌকিক নিয়মৰ দৰেই জোৰণ পিন্ধোৱা পৰ্ব সমাপন কৰা হয়।

বিবাহৰ দিনা দুপৰীয়া ভাগত 'গুৰু আসনৰ' ওচৰত নাম-প্ৰসঙ্গৰ ব্যৱস্থা কৰা হয়। শৰাই আগবঢ়োৱা হয় লগতে নিৰামিষ একসিদ্ধ ভাত বা খিচিৰিৰে অভ্যাগত বাপসকলক আপ্যায়িত কৰা হয়। ইয়াত আমিষ আহাৰৰ ব্যৱস্থা নাথাকে। উল্লেখযোগ্য যে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিবাহত পুৰুষসকলে অসমীয়া সংস্কৃতিৰ পৰিচয়বহনকাৰী ধুতি-চুৰীয়া গামোচা পিন্ধিহে নাম-কীৰ্তনত ভাগ লয়। তেনেদৰে আইসকলে বা মহিলাসকলে অসমীয়া মেখেলা-চাদৰ পিন্ধিহে নাম-কীৰ্তনত ভাগ লয়। অৱশ্যে অন্য অভ্যাগত, যিসকলে নাম-কীৰ্তনত ভাগ নলয়, তেওঁলোকে অন্য সাজ পিন্ধি অহা দেখা যায়। শ্ৰীমন্তশংকৰদেৱ সংঘৰ বিবাহ অনুষ্ঠানত কিছু লৌকিক নিয়মৰো হীন-দেৰি হয়। আয়তীয়ে পানী তোলাৰ পৰ্বত পানীত পইচা দলিয়াই দিয়া নতুবা দৰা-কইনাক গা ধুৱাবৰ বাবে স্থাপন কৰা 'বেইৰ' তলত কণী আদি পোতাৰ নিয়ম পালন নকৰে। অৱশ্যে কলপুলি পুতি আমডালিৰ ব্যৱহাৰ, ফুলৰ মালা আদিৰ ব্যৱহাৰত বাধা নাথাকে। মুঠৰ ওপৰত বিবাহত হোম-যজ্ঞৰ ব্যৱহাৰ নতুবা পূজা-পাতল আদি নিষিদ্ধ। সেইভাগে বিবাহ অনুষ্ঠান উদ্‌যাপনৰ বাবে দিন-বাৰ আদিৰ বাবে জ্যোতিষীৰ ওচৰলৈ যোৱা নহয়।

উল্লেখযোগ্য যে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিবাহ পদ্ধতিত উল্লেখ থকা মতে মূল বিবাহ অনুষ্ঠান অৰ্থাৎ

https://howlyraasmahotsav.org/

দৰাই কইনাঘৰলৈ যোৱাৰ সময় দিনটোৰ যিকোনো সময়ত যোৱাৰ বাধা প্ৰদান নকৰে। কিন্তু সংঘৰ নিয়মত সম্পাদন হোৱা বিবাহৰ মূল বিবাহখন ৰাতিৰ ভাগত সম্পাদন হোৱা পৰিলক্ষিত হয়। অৱশ্যে বৈদিক বিবাহত দৰা-কইনাৰ মিলন ৰাতিৰ ভাগত কৰাৰ বাবেহে দিহা দিয়া আছে। প্ৰকৃততে মূল বিবাহ দৰা আদৰা পৰৰ পৰাই অৰম্ভ হয়। বৈদিক বিবাহৰ দৰেই দৰাক পদুলি মুখত আদৰা হয়। দৰাক কন্যাদাতাই প্ৰথমে চন্দনৰ বগা ফোট দিয়ে আৰু এধাৰি মালা পিন্ধাই আদৰে। লগতে ধুপ-দীপ আদিৰে বিষ্ণুস্বৰূপ জ্ঞান কৰি অৰ্চনা কৰা হয়। এই সময়ত কন্যাদাতাই দৰাক এক মৰমৰ উপহাৰস্বৰূপ চুমাও যাচে। লগতে অন্যসকলে দৰাক উপহাৰ আদিও নিবেদন কৰে। দৰাই ৰভাতলীত সোমায়ে তামোল-পাণৰ বটাৰে ৰাইজক সম্ভাষণ জনায়। দৰাই তেওঁৰ নিৰ্দিষ্ট আসন গ্ৰহণ কৰাৰ আগতে মূল 'গুৰুআসন'লৈ চাই সেৱা আগবঢ়ায়। ইয়াৰ পিছত সমজুৱাই এখন এখন তামোল-পাণৰ শৰাই লৈ উভয়ে উভয়ক অৰ্থাৎ দৰাপক্ষই কন্যাপক্ষক আৰু কন্যাপক্ষই দৰা পক্ষক আদৰ-সম্ভাষণ জনায়।

বিবাহপৰ্ব চলাই নিবলৈ বিবাহ পৰিচালক এগৰাকীক নিৰ্বাচন কৰা হয়। তাৎপৰ্যপূৰ্ণ বিষয় যে বিবাহ পৰিচালকজনক উপস্থিত সমজুৱাৰ পৰা নিৰ্বাচন কৰা হয়। পৰিচালকজন অৱশ্যেই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰশিক্ষণপ্ৰাপ্ত লোক হ'ব লাগে, যিজনৰ শাস্ত্ৰ সম্পৰ্কীয় জ্ঞান থাকে। বৈদিক বিবাহত যেনেকৈ পুৰোহিত এগৰাকী দৰাপক্ষৰো আৰু কইনাপক্ষৰো থাকে, কিন্তু শংকৰদেৱ সংঘৰ বিবাহত কেৱল এগৰাকীয়েই শাস্ত্ৰজ্ঞান প্ৰাপ্ত লোকক বিবাহৰ কাম-কাজ চলাই নিবলৈ নিৰ্বাচন কৰাৰ নিয়ম। এইখিনিতে পৰিচালকে বিবাহ সম্পৰ্কীয় আইন সম্পৰ্কে ৰাইজক জনাব লাগে। ভাৰতবৰ্ষৰ "১৯৫৫ চনৰ হিন্দু বিবাহ আইনমতে দৰা আৰু কন্যা যিকোনো এক পক্ষৰ প্ৰচলিত প্ৰথা অনুযায়ী ধৰ্মীয় আচাৰ আৰু ক্ৰিয়া পদ্ধতিৰে (in accordance with the customary rites and ceremonies) বিয়া হ'ব পাৰে।

দৰাই আসন গ্ৰহণ কৰাৰ পিছতে কইনাকো বাহিৰলৈ উলিয়াই অনাৰ বাবে দৰাপক্ষৰ এটি মহিলা দলে তামোল-পাণৰ বটা লৈ কইনাপক্ষক অনুৰোধ জনায়। কইনাজনী বাহিৰলৈ ওৰণি লৈ ওলাই আহিয়েই গুৰু আসনত প্ৰতিষ্ঠিত হৈ থকা 'গুণমালা' পুথিলৈ চাই সভক্তিৰে সেৱা আগবঢ়ায়। ইয়াৰ পিছত পাৰিচালকৰ সহায়ত 'তুমি চিত্ত বৃত্তি মোৰ —প্ৰৱৰ্তক নাৰায়ণ' প্ৰাৰ্থনাটি গাবলৈ দিয়া হয়।

ইয়াৰ পিছৰ সময়ত কন্যা সম্প্ৰদান কাৰ্যৰ বাবে পৰিচালক আগবাঢ়ে। উল্লেখযোগ্য যে শংকৰ সংঘৰ বিবাহত কইনাৰ মাকেও কন্যা সম্প্ৰদান কৰিব পাৰে, যিটো বৈদিক বিবাহ এখনত সততে দেখিবলৈ পোৱা নাযায়। প্ৰকৃততে বৈদিক বিয়াত কইনা সম্প্ৰদানৰ মন্ত্ৰ আৰু নিয়মসমূহ পিতৃৰ সৈতে সম্পৰ্কিত। সেইবাবে মাতৃয়ে সম্প্ৰদান কৰাৰ দিহা দিয়া নাই। সম্প্ৰদানৰ সময়ত যিখিনি কথোপকথন কইনাদাতা আৰু বৰৰ অভিভাৱকে আগবঢ়ায়, এইখিনি যথাৰ্থতে বৈদিক বিবাহ অনুষ্ঠানত ব্যৱহৃত সংস্কৃত মন্ত্ৰৰ অসমীয়া ভাঙনি বুলি ক'ব পাৰি। অৱশ্যে সকলো সময়তে বৈদিক নিয়মৰ হুবহু ভাঙনি নহৈ অংকীয়া নাটকৰ সংলাপৰ দৰে কথোপকথনৰ ব্যৱহাৰ সৰ্বত্ৰ বিদ্যমান।

প্ৰথমেই সমাজক সাক্ষী কৰি কইনাদাতাই আৰম্ভ কৰে— হে সুধীসকল, আজি এই শুভ দিনত শ্ৰী, বা প্ৰয়াত ...ৰ গুণৱান পুত্ৰ শ্ৰীমান....দেৱক আমাৰ কন্যা শ্ৰীমতী....দেৱীক বিবাহ দিবৰ কাৰণে আমন্ত্ৰণ কৰি অনা হৈছে। সমাজে উচিত বিধানেৰে বিবাহ কাৰ্য সম্পাদন কৰে যেন। দৰাই শুদ্ধচিত্তে কইনাৰ পাণি গ্ৰহণ কৰাৰ অংগীকাৰ লয়। দৰাৰ এনে সংলাপো সংস্কৃত মন্ত্ৰৰ ভাঙনি মাথোন। দৰাই কয়— হে আয়ুষ্মতী, মই ধৰ্ম, অৰ্থ, কাম, মোক্ষ— এই চতুৰ্থবৰ্গ সাধনত তোমাক সাৰথি কৰিম। ইয়াৰ পাছত দৰা-কইনা উভয়ে মাল্য প্ৰদান কাৰ্য সমাপন কৰিব লাগে। প্ৰথমে কইনাই দৰাক মাল্য প্ৰদান কৰে। ইয়াৰ পিছত দৰাই কন্যাক মাল্য অৰ্পণ কৰে।

এইবাৰ বৰৰ সম্ভাষণ অনুষ্ঠান পালন কৰে। বৰে কইনাক উদ্দেশি কিছু উপদেশ দিয়ে। এই কথাখিনি বৈদিক বিবাহত সংস্কৃত মন্ত্ৰৰ মাধ্যমত কোৱা কথাৰ সৈতে সংঘৰ বিবাহত অসমীয়া ৰূপৰ মিল পৰিলক্ষিত হ'ব। আনহাতে কন্যাদাতাই নিজৰ কন্যাক সম্প্ৰদান কৰাৰ সময়ত কন্যাৰ ওচৰত কৰি অহা ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা মাগে। এইখিনি কথাও বৈদিক বিবাহৰ কন্যা সম্প্ৰদানৰ সময়ত গোৱা সংস্কৃত মন্ত্ৰৰ আকাৰত পোৱা যায়। ইয়াত এটা কথা পৰিলক্ষিত হৈছে যে যদিও মূল বৈদিক বিবাহৰ সংস্কৃত মন্ত্ৰৰ অসমীয়া ভাঙনি শংকৰদেৱ সংঘৰ বিবাহত ব্যৱহৃত হৈছে, কিন্তু ইয়াত ক্ৰম ৰক্ষা কৰি

https://howlyraasmahotsav.org/

চলা হোৱা নাই। মূল কথাখিনি ব্যৱহাৰিক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিহে পালন কৰা হয়।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিবাহত ইয়াৰ পিছতে ক্ৰম অনুসৰি উপহাৰ প্ৰদান কাৰ্য সম্পাদন কৰে। ইয়াত কন্যাদাতাই দৰাক যথাসাধ্যে কাঁহী-বাটি, সাজ-কাপোৰ আদি প্ৰদান কৰে। অৱশ্যে বৈদিক বিবাহত এনে কাৰ্য দৰাৰ আসন গ্ৰহণ কৰাৰ অলপ পিছতেই সম্পাদন কৰাৰ নিয়ম। এই সময়তে দৰাই কইনাৰ মোমায়েককো কিছু উপহাৰ প্ৰদান কৰে। এইবাৰ, বৰে কন্যা সম্প্ৰদানৰ সময়ত হোৱা অপৰাধ আদিৰ বাবে প্ৰাৰ্থনাৰে ক্ষমা প্ৰাৰ্থনা মাগে। দৰা-কইনাক সমজুৱাৰ ফালৰ পৰাও উপহাৰ প্ৰদান কৰাৰ বাবে বিবাহ পৰিচালকে আহ্বান জনায়। কইনাদাতাই ইয়াৰ পিছত কইনাজনীক কিছু মঙ্গল বচন শুনায়। কইনাজনী যেন খং আদি পৰিত্যাগ কৰি সকলোৰে বাবে মঙ্গলকামী হওক এনে প্ৰবচনেৰে অশীৰ্বাদ প্ৰদান কৰা হয় আৰু ইয়াৰ লগে লগে সমাজেও হৰিধ্বনি দি আশীৰ্বাদ প্ৰদান কৰে।

শংকৰদেৱ সংঘৰ বিবাহত দৰাৰ লগত যিগৰাকী সখি যায়, তেওঁ দৰা আৰু কইনাক শুভেচ্ছা প্ৰদান অনুষ্ঠান এটি সম্পাদন কৰে। অৱশ্যে বৈদিক ৰীতিৰ বিবাহত এনে অনুষ্ঠান নাথাকে। ইয়াৰ পৰিৱৰ্তে সখিৰ নামত এটি মিত্ৰ কলহ স্থাপন কৰাৰ নিয়ম। এই সময়তে দৰাক সখিয়েকে উপহাৰ দিয়া দেখা যায়। সম্প্ৰদান আৰু মাল্য প্ৰদানৰ পিছতহে পাণি গ্ৰহণ কাৰ্য আৰম্ভ হয়। বৰে কইনাৰ সোঁহাতৰ বুঢ়া আঙুলি নিজৰ সোঁহাতেৰে ধৰি ক'ব লাগে— হে কন্যা! সৌভাগ্য বৃদ্ধিৰ কাৰণে মই তোমাৰ পাণি গ্ৰহণ কৰিছোঁ। ..... দুয়ো এক হৈ এই পবিত্ৰ মিলনেৰে আমি পৱিত্ৰ জীৱন যাপন কৰিম।

সপ্তপদী গমন ঠিক বৈদিক বিবাহৰ দৰে একেদৰে পালন হয়। অৱশ্যে (মন্ত্ৰখিনি) কথাখিনি অসমীয়া ভাষাত গোৱাৰ নিয়ম। শংকৰদেৱ সংঘৰ বিবাহ পদ্ধতিৰ পুথিখনত মূল কথাখিনিৰ তলত সংস্কৃত মন্ত্ৰখিনি সন্নিবিষ্ট কৰিছে। দৰাই কইনাক সোঁ খোজৰ পৰা আৰম্ভ কৰি উত্তৰফাললৈ সাতবাৰ সাত খোজ দিয়ায়। কিন্তু ইয়াৰ বাবে ভৰিত আলটা আৰু পাণ লোৱাৰ কথা কোৱা হোৱা নাই, যিটো বৈদিক বিবাহত দেখা যায় । এটা কথা পৰিলক্ষিত হৈছে যে বৰে প্ৰতিটো খোজৰ বাবে কইনাক নিৰ্দেশ কৰিব লাগে আৰু কোনটো পদত সোঁ খোজ নে বাওঁ খোজ আগবঢ়াব তাকো নিৰ্দেশ কৰে আৰু কইনায়ো বৰৰ কথাৰ আগ ধৰি সেইমতে কৰি যায়। কিন্তু বৈদিক বিয়াত কইনাই মুখেৰে একো কথা উচ্চাৰণ নকৰে। খোজ আগবঢ়াইহে গৈ থাকে। শেষত কইনাজনীয়ে ঈশ্বৰক সাক্ষী কৰি দৰাক স্বামী বৰণ কৰে।

সপ্তপদী গমনৰ পিছত শৰীৰ স্পৰ্শ ৰীতি পালন হয়। বৈদিক বিবাহত ইয়াক হৃদয় স্পৰ্শ বুলি কোৱা হৈছে। ইয়াত কইনাজনীয়ে নিজ কৰ্তব্যবোধ, নিষ্ঠা আৰু ধৰ্ম আচৰণৰ শপত লয়। 'নামঘৰ' সজোৱা আদি লোকসেৱাসমূহৰো সমভাগি হোৱাৰ পৱিত্ৰ কৰ্তব্য কৰি যোৱাৰ পণ লয়। অৰ্থাৎ দৰা-কইনাই বিবাহৰ দিনা একপ্ৰকাৰ দীক্ষা লোৱাৰ দৰে হয়। বিবাহে ধৰ্মীয় কৰ্মৰ মাজেদি দ্বিজত্ব প্ৰদান কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিবাহত কইনাজনীয়ে নিজে কৰ্তব্যবোধৰ বাক্য আওৰায়। কিন্তু বৈদিক বিবাহত বৰেহে কইনাক এনে উপদেশ প্ৰদান কৰে। ক্ৰম অনুযায়ী শেষত অভিমন্ত্ৰণা পালন কৰা হয়। বৰে সমাজক ক'ব লাগে যে, যি গৰাকী কন্যা তেওঁ বিবাহ কৰালে তেওঁ অতি সুলক্ষণযুক্ত আৰু তেওঁক সমাজে যেন আশীৰ্বাদ দিয়ে। ইয়াৰ পাছত বৰ-কইনাই একেলগে সমাজক সেৱা জনায়। সমাজে আশীৰ্বাদ দিয়ে। বিবাহ পৰিচালকে 'এক দেৱ এক সেৱ "আৰু 'এক নামত' মন দৃঢ় কৰাৰ বাবে আশীৰ্বাদ প্ৰদান কৰে। ইয়াৰ পিছৰ পৰ্যায়ত বিবাহৰ সামৰণি কৰা হয় এটি প্ৰাৰ্থনাৰে। এই প্ৰাৰ্থনাটি শ্ৰীমন্ত শংকৰদেৱ শংঘৰ বিবাহ পদ্ধতি মতে দৰা-কইনাই নিজে গাব পাৰে নতুবা বিবাহ পৰিচালকৰ সহায়তো গাব পাৰিব বুলি কোৱা হৈছে।

প্ৰাৰ্থনা—

অচিন্তে অনন্ত শকতিৰ পতি হৰি হৰি হৰি হৰি এ,

....

তয়ু পদ সেৱা পৰম অমিয়া ৰস।।

ইয়াৰ লগে লগে দৰা-কইনাই গুৰু আসনলৈ সেৱা জনাব লাগে আৰু গুৰুস্মৰণ ঘোষা 'শ্ৰীমন্ত শংকৰ হৰি ভকত' বুলি কৈ প্ৰাৰ্থনা জনায়। এইখিনি ধৰ্মীয় নিয়মৰ মাজেদি বিবাহ কাৰ্য সমাপন হোৱাৰ পাছত বিবাহ পৰিচালকে মূল সংঘৰ পৰা প্ৰেৰণ কৰা বিবাহৰ প্ৰমাণ পত্ৰ দিয়াটো তাৎপৰ্যপূৰ্ণ কথা। এই প্ৰমাণ পত্ৰত পিছত দৰা-কইনাৰ যুগ্ম ফটো লগোৱা হয়।

https://howlyraasmahotsav.org/

লাচিত বৰফুকনৰ ধৰ্মগুৰু ৰামানন্দ দ্বিজ আৰু কিছু ঐতিহাসিক অনুসন্ধান

ড° উৎপল নাৰায়ণ গোস্বামী

লাচিত বৰফুকন এজন মহাপ্ৰতাপী যোদ্ধা হোৱা উপৰিও এজন বৈষ্ণৱীও আছিল। তেওঁৰ জীৱন ধাৰণ প্ৰণালীত বৈষ্ণৱী আচাৰ-ৰীতিৰ প্ৰভাৱ কিমান আছিল সেয়া জনা নাযায় যদিও এটা কথাই প্ৰমান দিয়ে তেওঁ বৈষ্ণৱ ধৰ্মগুৰু কালঝাৰ সত্ৰ আৰু আহঁতগুৰি সত্ৰৰ সত্ৰাধিকাৰ তথা চৰিতকাৰ ৰামানন্দ দ্বিজৰ ওচৰত শৰণ গ্ৰহণ কৰি বৈষ্ণৱ হৈছিল। সেয়ে তেওঁ বৈষ্ণৱ ধৰ্মৰ একান্ত অনুৰাগী আছিল। কালঝাৰ সত্ৰ হ'ল বৰপেটাৰ কালঝাৰ অঞ্চলৰ এখন বিখ্যাত সত্ৰ। গোপাল আতাই ভৱানীপুৰৰ পৰা গমন কৰি ভকত সংগীসকলৰ সৈতে কালঝাৰত অৱস্থান কৰিছিল। কালঝাৰ অঞ্চলৰ পৰা একাদশী আতৈ নামৰ এজন লোকে চাৰি-পাঁচজন লোকক লগত লৈ ভৱানীপুৰলৈ যায় আৰু তাতেই গোপাল আতাক দেখা কৰি কালঝাৰলৈ আমন্ত্ৰণ কৰি আহে। পিছত গোপাল আতাই তিনিশ তিনিকুৰি তেৰজন ভকতক লগত লৈ কালঝাৰত আহি উপস্থিত হয় আৰু তাতেই সত্ৰ প্ৰতিষ্ঠা কৰি ধৰ্মৰ খুটি পোতে। গোপাল আতা মহাপুৰুষীয়া ধৰ্মচাৰ্য সকলৰ ভিতৰত এজন উদাৰ নৈতিক ভাৱসম্পন্ন ব্যক্তি। গোপালআতাৰ শিষ্যসকলো সেইধৰনেৰে উদাৰভাৱসম্পন্ন আছিল। তেওঁৰ কালাঝাৰ সত্ৰ পৰাই কালসংহতি নামৰ বৈষ্ণৱ গোট এটিৰ উদ্ভৱ হৈছিল। কালঝাৰ সম্পৰ্কে এক জনশ্ৰুতি এনেদৰে আছে—

"চাৰিফালে চাৰি ঝাৰ
মাজতে কালঝাৰ
গোপালদেৱে নাম গাৱে
ভকত উপকাৰ।।"

এই কালঝাৰত সত্ৰ পাতি গোপাল আতাই ধৰ্ম প্ৰচাৰৰ কাম পূৰ্ণোদম্যে কৰিছিল। পিছত গোপাল আতাই তেওঁৰ প্ৰিয় শিষ্য ব্ৰাহ্মণ শ্ৰীৰাম আতাক তেওঁৰ চাৰিসত্ৰ ভবানীপুৰ, কালঝাৰ, জোৱাৰাদি, পোৱাভঁৰাল সত্ৰ চমজাই দি ইহ সংসাৰ ত্যাগ কৰে। গোপাল আতাৰ পিছত কালঝাৰ সত্ৰত শ্ৰীৰাম আতাই সত্ৰাধিকাৰ হিচাপে সত্ৰ পৰিচালনা কৰি গোপাল আতাৰ উত্তৰসূৰীয়া দায়িত্ব পালন কৰিছিল। শ্ৰীৰাম আতাৰ প্ৰয়াণৰ পিছত কালঝাৰ সত্ৰৰ সত্ৰাধিকাৰ হ'ল তেওঁৰ পুত্ৰ ৰামানন্দ দ্বিজ। আনজন পুত্ৰ পৰমানন্দ দ্বিজ পোৱাভঁৰাল সত্ৰৰ সত্ৰাধিকাৰ হয়। শ্ৰীৰাম আতাৰ কালঝাৰ সত্ৰত সত্ৰাধিকাৰ হৈ থাকোঁতে এবাৰ উজনি অসমলৈ গৈছিল আৰু মাজুলীত ১৬৩৪ খ্ৰীষ্টাব্দত আহঁতগুৰি সত্ৰ প্ৰতিষ্ঠা কৰে। কিন্তু আহোম ৰজাই শ্ৰীৰাম আতাক ভাটিৰ মানুহ বুলি আহোম ৰাজ্যত স্থান নিদিলে। জয়নাৰায়ণ ৰচিত চৰিতত আছে।

"অশ্বখণ্ডৰিৰ সত্ৰ দূতক নেদিলা।
ভটিয়া মহন্ত বুলি নৃপতি এৰিলা।" (পদ-৫০৯)

শ্ৰীৰাম আতাই উজনিৰ আহঁগুৰিৰ সত্ৰ এৰি পুনৰ কালঝাৰ সত্ৰত থাকি ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰিলে। শ্ৰীৰাম আতাৰ প্ৰয়াণৰ পিছত ৰামানন্দ দ্বিজ কালঝাৰ সত্ৰৰ সত্ৰাধিকাৰ হৈ থাকোতে উজনিলৈ গমন কৰিছিল পিতৃ পুৰুষৰ সত্ৰৰ সন্ধানত। উজনিলৈ ৰামানন্দ দ্বিজ যাওঁতে কলিয়াবৰ অঞ্চলত নাও ৰাখিছিল। সেই সময়ছোৱা

https://howlyraasmahotsav.org/

আছিল আহোম মোগলৰ ৰণৰ দ্বিতীয় পৰ্ব। ৰামানন্দ দ্বিজ কালঝাৰ সত্ৰৰ পৰা নাৱেৰে আহি ব্ৰহ্মপুত্ৰই দি উজাই আহি কাজলী মুখেদি গৈ কলঙেৰে কলিয়াবৰ পায়গৈ। ইয়াতে শতাধিপ জগন্নাথ নামৰ এজন লোকে ৰামানন্দ দ্বিজক সেৱা শুশ্ৰূষা কৰিছিল। ইয়াৰ পৰা উজনিলৈ গৈ থাকোতে গোপাল আতাৰ উত্তৰসূৰী শ্ৰীৰাম আতাৰ পুত্ৰ বুলি ৰামানন্দ দ্বিজক গম পাই সকলোৱে বৰ আদৰ-সাদৰ কৰিছিল। ইয়াতে কাছমৰা নামৰ এখন বিশেষ গাঁৱত বহু লোকক শৰণ প্ৰদান কৰি বৈষ্ণৱ ধৰ্মত দীক্ষিত কৰিছিল। তাতেই ৰামানন্দ দ্বিজে ফাকুৱা উৎসৱ পালন কৰিছিল। ৰামানন্দ দ্বিজ কলিয়াবৰৰ খাকৰুডুবিত বাহৰ পাতি থাকোতেই লাচিত বৰফুকনে তেওঁৰ সম্বাদ পায়। লাচিত বৰফুকনে— নৰেশ্বৰ মাহত গুৱাহাটী আৰু পাণ্ডু মোগলৰ পৰা উদ্ধাৰ কৰি কিছুদিনৰ কাৰণে কলিয়াবৰৰ দোপদৰত জিৰণি লোৱাৰ সময়তে গুৰু চৰিতকাৰ দ্বিজ ৰামানন্দ দেৱে দ্বিতীয়বাৰ কালঝাৰ সত্ৰৰ পৰা উজনিলৈ আহি খাকৰুডুবি নামে ঠাইত বাহৰ পাতি আছিল। লাচিত বৰফুকনে ৰামানন্দ দেৱৰ শৰণ লৈ নিজৰ দোপদৰ কলিয়াবৰে মাধৱ দেৱালয়ৰ পূৱলৈ ঠাই নি নিজৰ ঘৰ বাৰী গুৰুক উছৰ্গা কৰি ভেদেলীৰ ভণ্ডাৰকে কেন্দ্ৰ কৰি সত্ৰ পাতি থাকিবলৈ দিলে।' (শ্ৰী শ্ৰী ভলাগুৰি সত্ৰ, খগেশ্বৰ গোস্বামী, অক্টোবৰ, ২০১৩)

ৰামগোপাল চৰিতত এনেদৰে আছে—
'আতপৰে সজাইলাহা লাচিত ফুকন।
ভেদেলী ভণ্ডাৰে সত্ৰ কৰি বিতোপন।।
ফুকনৰ বাৰী যিটো অধিকাৰ নাই
উছৰ্গা কৰিয়া দিলা ৰামানন্দ ঠাই।।'

পদ-২২৬ ভেদেলী ভাণ্ডাৰত সত্ৰ পাতি ৰামানন্দ দ্বিজ কিছুদিন থাকে। কিন্তু লাচিত বৰফুকন ১৬৭১ চনত উজনিলৈ গৈ থাকোতে যোৰহাটত মৃত্যু বৰণ কৰাত ৰামানন্দ দ্বিজো উজনিৰ অভিমুখে যাত্ৰা কৰিলে। তেওঁ গৈ পোনতে গড়গাওঁ ৰাজধানীত পালেগৈ। গড়গাঁৱত লাচিত বৰফুকনৰ গুৰু হিচাপে তেওঁক যথেষ্ট সন্মান প্ৰদান কৰিলে। পণ্ডিত পুৰুষ ৰামানন্দ দ্বিজৰ গুণৰ কথা গম পাই গড়গঞা মন্ত্ৰী আঁতন বুঢ়াগোহাই অতি সন্তুষ্ট হ'ল। ৰামানন্দ দ্বিজেও বুঢ়াগোহাইক সত্ৰ প্ৰতিষ্ঠাৰ বাবে মাটি বিচাৰিলে। বুঢ়াগোহাঁই ডাঙৰীয়াই ৰামানন্দ দ্বিজৰ লগত আধ্যাত্মিক বাৰ্তালাপ কৰি সন্তুষ্টি প্ৰকাশ কৰি অশ্বগুৰিত (আহঁতগুৰি) মাটি প্ৰদান কৰিলে। বুঢ়াগোহাঁয়ে ৰামানন্দ দ্বিজৰ পিতৃ শ্ৰীৰাম আতাই প্ৰতিষ্ঠা কৰা আহঁতগুৰি সত্ৰখন আটক ধুনীয়াকৈ সজাই পৰাই তুলিলে। বুঢ়াগোহাঁইৰ সন্তুষ্টি এনেধৰণৰ আছিল—

'অনন্তেৰে ৰাজ্যত জনায়া গোঁহাই
পথাইলাহা দুত দিয়া।
অশ্বহখগুৰিত মৃত্তিকাক দিলা
শাম্বলি স্তম্ভ মৰায়া।।
প্ৰজাচয় দিয়া গৃহক সজাইলা
বৃহত স্তম্ভ লগাই।
দৰ্জাচয় মাৰি লগাইলাহা আন্তি
ঘৰৰ মধ্যে বন্ধাই।।

পাত সব আতি হেঙ্গুল নিৰ্মিলামূৰ্ত্তিচয় শাৰীশাৰী।।' ৰামগোপাল চৰিত, পদ ২৫২,২৫৩।।

চৰিত পুথিত এনেদৰে সত্ৰৰ প্ৰতি আঁতন বুঢ়াগোহাঁইৰ থকা বদান্যতা প্ৰকাশ পাইছে। ১৬৪৩ চনত শ্ৰীৰাম আতাই পাতি থৈ যোৱা আহঁতগুৰি সত্ৰখনে ১৬৭৩ চনত আঁতন বুঢ়াগোহাঁইৰ দ্বাৰা ৰাজপৃষ্ঠপোষকতা লাভ কৰে। আহঁতগুৰি সত্ৰই ৰাজঅনুগ্ৰহ লাভ কৰাৰ পাছতে ৰামানন্দ দ্বিজৰ পাণ্ডিত্য প্ৰতিভাক সন্মান জনাই চৰিত পুথি ৰচনা কৰিবলৈ ৰজাঘৰৰ পৰা অনুৰোধ জনায়। তেতিয়াই ৰামানন্দ দ্বিজে ৰাজআজ্ঞা লাভ কৰি শ্ৰীশ্ৰী শঙ্কৰদেৱ, শ্ৰীশ্ৰী মাধৱদেৱ আৰু শ্ৰীশ্ৰী গোপাল আতাৰ জীৱন চৰিত ৰচনা কৰে। কিন্তু ৰামানন্দ দ্বিজে ৰচনা কৰা এই 'শ্ৰী গুৰুচৰিত' আঁতন বুঢ়াগোহাঁইয়ে সম্পূৰ্ণকৈ শুনিবলৈ নাপালে। দুৰ্ভাগ্যক্ৰমে ১৬৭৯ খ্ৰীষ্টাব্দত আঁতন বুঢ়াগোহাঁইৰ মৃত্যু হয়।

ৰামানন্দ দ্বিজ মহাপ্ৰতাপী লাচিত বৰফুকনৰ দৰে বীৰ এজনৰ ধৰ্মগুৰু হৈয়ো বৰ্তমানলৈকে প্ৰায় সকলো ক্ষেত্ৰতে উপেক্ষিত হৈ থাকে। এইটো এই বৰ বেদনাদায়ক বিষয়। বীৰপুৰুষজনাই নিজে শৰণ গ্ৰহণ কৰি দ্বিজ গুৰুজনাক যি সন্মান দিলে পৰৱৰ্তী সময়ত সেই সন্মান প্ৰায়সংখ্যক লেখক সাহিত্যিকেই তেওঁক উপযুক্তভাৱে প্ৰদান কৰা নাই। অতি পৰিতাপৰ কথা যে ৰামানন্দ দ্বিজে সত্ৰাধিকাৰ হোৱা দুখন অতি উল্লেখযোগ্য হ'ল এখন সত্ৰ বৰপেটাৰ কালঝাৰ সত্ৰ আৰু আনখন

https://howlyraasmahotsav.org/

মাজুলীৰ আহঁতগুৰি সত্ৰ। দুয়োখন সত্ৰৰ অৱস্থা অতি তথৈবচ। বৰফুকনৰ তত্ত্বাৱধানত প্ৰতিষ্ঠা হোৱা ভেদেলী ভাণ্ডাৰ সত্ৰৰ পৰা বিকাশ হোৱা ভলাগুৰি সত্ৰখনৰো কৰিব লগা বহু কাম আছে। লাচিত বৰফুকনৰ স্পৰ্শেৰে উজ্জীৱিত এই ঐতিহাসিক সত্ৰখনো আজিও কিন্তু চকুত লগাকৈ সজোৱা হোৱা নাই। ৰামানন্দ দ্বিজে সত্ৰাধিকাৰৰ

দায়িত্ব পালন কৰা কালঝাৰ সত্ৰখনৰ অৱস্থাও দুখজনক।। কালঝাৰ সত্ৰখনৰ ঐতিহাসিক ভেটি সংৰক্ষণৰ কোনো বিজ্ঞানসন্মত পৰিকল্পনা আজিলৈকে কোনেও নল'লে। সত্ৰখনৰ হাজাৰ হাজাৰ ভূমি আজিও উদ্ধাৰ হোৱা নাই। আনহাতে উজনি অসমৰ এখন নামজ্বলা সত্ৰ আহঁতগুৰি সত্ৰখন (মূল)ৰো বৰ্তমান মাজুলীৰ শিকলী চাপৰিৰ চৰ অঞ্চলতে আছে। যিখন সত্ৰত ৰামানন্দ দ্বিজ সত্ৰাধিকাৰ হৈ 'শ্ৰীগুৰুচৰিত' পৰ্যন্ত লিখিলে। লাচিত বৰফুকনৰ ধৰ্মগুৰু হিচাপে ৰাজসন্মানো লাভ কৰিলে। সেইখন সত্ৰই আজি নদীৰ খহনীয়াত বিধ্বস্ত হৈ বিভিন্ন শাখাত বিভক্ত হৈ বৰ্তমান মাজুলীৰ শেষ প্ৰান্তত যেনেতেনে বৰ্তি আছে। বাৰে বাৰে নদীয়ে খহাই খহাই বিধ্বস্ত কৰা আহঁতগুৰি সত্ৰখন যদি পুনৰ সংস্থাপন কৰি ৰক্ষণাবেক্ষণ নকৰে তেন্তে এয়া লাচিত বৰফুকনৰ প্ৰতিও সকলোৰে এক অনাকাংক্ষিত অৱজ্ঞা বুলি ধৰিব লাগিব। লাচিত বৰফুকনৰ দৰে এগৰাকী বীৰযোদ্ধাৰ স্মৃতিবিজৰিত এনে অনুষ্ঠানসমূহেও কিন্তু আমাৰ ঐতিহ্য বহন কৰি আছে। সেয়ে আমাক ঐতিহাসিক অনুসন্ধানৰো প্ৰয়োজন। ৰামানন্দ দ্বিজ অবিহনে লাচিত বৰফুকনৰ ইতিহাস কেতিয়াও সম্পূৰ্ণ হৈ নুঠে। লাচিত বৰফুকনৰ দৰে জাতিৰ শৌৰ্য বীৰ্যৰ গৰাকী বীৰৰ ধৰ্মগুৰুৰো নিশ্চয় গুৰুত্ব দিয়াৰ অতি প্ৰয়োজন।

https://howlyraasmahotsav.org/

সিদিনা মোক লৈ

কুমাৰ মীন দাস

সিদিনা মোক লৈ
টনা-আঁজোৰা চলিছিল
বাৰে বাৰে গুচি যাব খুজিও
উভতি আহিছিলো
বাসস্থানলৈ যোৱা বাটটোৰ দুৱাৰখন
তুমি বৰ সাহসেৰে
কেনেকৈ যে বন্ধ কৰি দিছিলা
তাকেই ভাবি আছো-সিদিনাৰ পৰা
তুমি আছা বাবেই
মোৰ বুকুৰ উৰ্বৰতা বাঢ়ি গ'ল
তোমাৰ ত্যাগৰ কৃতজ্ঞতাত
মোৰ মুৰ দোঁখাই যায় আজিও
মোৰ যাযাবৰী জীৱনৰ
বীণখনিৰ তাঁৰবোৰ
আজিও মজবুত হৈ আছে /তুমি আছা বাবেই
সিদিনা গুচি যাবা তুমি মোৰ বুকুৰ পৰা
চাবা
সিদিনাৰ শ্মশানৰ দুৱাৰখন
খোল খাই যাব
মুহূৰ্ততে
সেই বাবেই কিজানি
এতিয়া
কবিজনৰ ঠিকনা হেৰাল

ঐতিহ্যপূৰ্ণ বৰনগৰৰ মহাপ্ৰভু শ্ৰী শ্ৰী গৰখীয়া গোসাঁই থান

শশধৰ মিশ্ৰ

https://howlyraasmahotsav.org/

প্ৰাচীন কালৰ পৰাই অসমত আধ্যাত্মিক দিশত মঠ-মন্দিৰ, থান-সত্ৰকে ধৰি বৈষ্ণৱ পীঠ সমূহে বিশেষ পৰম্পৰাৰ ঐতিহ্য বহন কৰি আহিছে। ইয়াৰ ভিতৰত বৰপেটা জিলাৰ অন্যতম বাণিজ্য নগৰী বৰপেটা ৰোড চহৰৰ পৰা প্ৰায় ছয় কিঃমিঃ পশ্চিমে ইতিহাসে গঢ়কা বৰনগৰত (সৰভোগ) আনুমানিক পাঁচশ বছৰৰো আগতেই প্ৰতিষ্ঠিত মহাপ্ৰভু শ্ৰী শ্ৰী গৰখীয়া গোসাঁইৰ থানখন এখন লেখত লবলগীয়া পৱিত্ৰ তীৰ্থস্থান।

মহাপ্ৰভু শ্ৰী শ্ৰী গৰখীয়া গোঁসাই থানখনৰ কথা অবগত কৰাৰ আগতেই ইতিহাসে গঢ়কা বৰনগৰ সম্পৰ্কে কিছু আলোকপাত কৰাটো নিশ্চয় ভাল হ'ব।

ইতিহাসে কয়, ১৫৫৪ খৃঃত মহাৰাজ নৰনাৰায়ণে শনিৰ দশা এৰাবলৈ ৰাজধানীৰ বাহিৰত থাকিব লগীয়া হোৱাত কামৰূপলৈ আহি বৰপেটাৰ উত্তৰে বৰাজান (মানাহ নৈ) ৰ পাৰত বৰনগৰ নাম দি এখন অস্থায়ী ৰাজধানী পাতিছিল। কোচ ৰজা নৰনাৰায়ণৰ সৈতে অহা বীৰ যোদ্ধাসকলে ইয়াত বসবাস কৰিছিল বাবেই এই অঞ্চলক 'বৰনগৰ' বুলি কোৱা হৈছিল। আনহাতে প্ৰাচীন ঐতিহ্যৰে প্ৰসিদ্ধতা লাভ কৰা 'বৰনগৰক' বিজয় নগৰ, ঘিলা জয়পুৰ ঘিলা বিজয়পুৰ, ঘিলা নগৰ, ইত্যাদি বিভিন্ন নামেৰে স্থান-কাল ভেদে নামাকৰণ কৰা হৈছিল। অৱশ্যে কবি ৰাম স্বৰস্বতীৰ মতে—'বিজয়নগৰ' আৰু কবি বিদ্যাপঞ্চাননৰ মতে—'বৃহৎনগৰ' বুলি কোৱা হৈছিল। পিছত বীৰ নগৰ, বিজয় নগৰ বা বৃহৎ নগৰৰ ঠাইত বৰনগৰ হ'ল আৰু এই বৰনগৰে এক ব্যাপক অঞ্চল সামৰি ললে।

মহাৰাজ নৰনাৰায়ণে বৰনগৰত বাৰ বছৰ কাল থকাৰ পিছত তেঁও অস্থায়ী ৰাজধানী বৰনগৰ এৰি গুচি যোৱাত ভতিজাক ৰঘুদেৱ ৰায়ে বৰবাৰীত থাকি বৰনগৰ শাসন কৰে। ইয়াৰ পিছত ক্ৰমাৎ বৰনগৰত জনবসতি আৰম্ভ হয়। প্ৰবাদ মতে প্ৰথম অৱস্থাত বৰনগৰত মাত্ৰ বাৰ ঘৰ মানুহে হাবি-জাৰণি কাটি বাস কৰিবলৈ লয়। এই বাৰ ঘৰ মানুহক 'জাৰকাটা' বুলি কোৱা হৈছিল।

বৰনগৰত জনবসতি বাঢ়ি অহাৰ সমান্তৰাল ভাবে গৰু-ম'হৰ সংখ্যাও বাঢ়িল। সেই দৰে উত্তৰ গণকগাড়ী আৰু দক্ষিণ গণকগাড়ী গাঁওৰ গৰু-ম'হৰ চৰণীয়া পথাৰ হ'ল বৰ্তমানৰ সৰভোগ নগৰ এলেকাৰ আশে-পাশে

থকা মুকলি পথাৰ বোৰ। গৰখীয়াসকলে ৰংমনে গৰু-ম'হ মেলি গছৰ ছাঁত বহি বাঁহী বজাই নাচি-বাগি সময় অতিবাহিত কৰে। এনেদৰে গৰু-ম'হ চৰাই গৰখীয়াহঁতে ৰং মনে নাচি বাগি থাকোতেই এদিন সিহঁতে লক্ষ্য কৰিলে যে মেধিপ্যাৰা নামৰ গাঁওৰ বৰকোচ পৰিয়ালৰ এজনী কপিলী গাইয়ে দুপৰীয়া সময়ত সদায় জাকৰ পৰা ফালৰি কাটি গৈ এডোখৰ নিৰ্দিষ্ট স্থানত নিজৰ ওহাৰৰ পৰা গাখীৰ এৰি দি পুনৰ গৰুৰ জাকৰ লগত লগ লাগেহি। প্ৰতিদিনে তেনে ঘটনা দেখাৰ পিছত এদিন গৰখীয়াজাকৰ মুখ্য গৰখীয়াজনে নিশা সপোনত দেখিলে যে, কপিলী গাইজনীয়ে গাখীৰ দিয়া সেই নিৰ্দিষ্ট স্থানত ভগৱান শ্ৰীকৃষ্ণৰ এটি মূৰ্তি আছে। পিছদিনা গৰখীয়াজনে সপোনৰ বৰ্ণনা মতে সেই স্থানত খান্দি দেখিলে সঁচাকৈয়ে তাত এটা ভগৱান শ্ৰীকৃষ্ণৰ অপৰূপ প্ৰতিমূৰ্তি আছে। ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতিমূৰ্তি আৰ্বিভাৱত গৰখীয়া সকলৰ লগতে অঞ্চলটোৰ গঞা ৰাইজে আনন্দত আত্মহাৰা হ'ল আৰু তেঁওলোকে প্ৰতিমূৰ্ত্তিটো সুন্দৰ ভাৱে সজাই-পৰাই সেই স্থানতে এখন থাপনা পাতি হৰিৰ নাম-কীৰ্তনেৰে তেওঁৰ সেৱাত নিমজ্জিত হ'ল। সেই স্বপ্নপ্ৰাপ্ত প্ৰতিমূৰ্তিটোৱে সময়ত নাম ল'লে মহাপ্ৰভু শ্ৰী শ্ৰী গৰখীয়া গোসাঁই। উল্লেখ্য যে, গাঁওবাসীৰ কোনোবাৰ গৰু হেৰুৱালে গৰখীয়াৰ দলপতিজনে গোসাঁইক সেৱা জনাই ঠিকনা চাই দিলে দিশ নিৰ্ণয় কৰি দিয়া মতে হেৰোৱা গৰু বিচাৰি পাবলৈ সক্ষম হৈছিল। এনে অলৌকিক কাৰ্যত অঞ্চলটোৰ সকলোৱে আশ্চৰ্য হৈ পৰিছিল। কথাটো প্ৰচাৰ হোৱাত ক্ৰমাৎ মহাপ্ৰভু শ্ৰী শ্ৰী গৰখীয়া গোসাঁইৰ থানলৈ ভক্তৰ সমাগম বৃদ্ধি পাবলৈ ধৰে। অকল সেয়েই নহয় ভক্তই বিপদত পৰিলে উক্ত স্থানত চাকি-বন্তি, কল-মাহ প্ৰসাদ পবিত্ৰ মনে আগবঢ়ালে ভক্তই যি কোনো বিপদৰ পৰা উদ্ধাৰ হয় বুলি প্ৰবাদ আছে। যাৰ ফলস্বৰূপে গোঁসাইৰ মহিমাই এক বিশাল ৰূপত স্থিতি লৈ ভক্তৰ হৃদয়ত বিশেষভাবে ৰেখাপাত সিঁচি বৰ্তমানলৈ ভক্তপ্লাৱন বোৱাই আছে।

অৱশ্যে পিছলৈ মহাপ্ৰভু শ্ৰী শ্ৰী গৰখীয়া গোসাঁইক স্থানান্তৰ কৰি বৰ্তমানৰ স্থানলৈ অনা হৈছে। গোসাঁইক সেই স্থানৰ পৰা বৰ্তমানৰ স্থানলৈ কিয় অনা হ'ল তাৰ কোনো সঠিক তথ্য নাই যদিও, বৰ্তমানৰ ঠাইখন আহল-বহল হোৱা বাবে আৰু সপোনত প্ৰভুৰ নিৰ্দেশ পোৱা মেধি পৰিয়ালৰেই ওচৰ হোৱাৰ বাবে থানখনৰ ৰক্ষণাবেক্ষণৰ সুবিধাৰ্থে হয়তো মহাপ্ৰভুক বৰ্তমানৰ স্থানলৈ স্থায়ীভাৱে প্ৰতিষ্ঠা কৰিছিল যেন ধাৰণা হয়। উক্ত থানত মেধি পৰিয়ালৰ লোকেই বোধহয় ৰাজহুৱাভাৱে থানখনৰ প্ৰথম পূজাৰী বা দেউৰী হিচাপে স্বীকৃতি পায়।

বৰ্তমান ভক্তৰ সংখ্যা দিন-প্ৰতিদিন বৃদ্ধিৰ লগে লগে পুৰণি ভাঁজঘৰৰ ঠাইত নতুন পকী ভাঁজঘৰ নিৰ্মাণ কৰা হয়। এনেদৰে থানখনৰ চৌহদৰ ভিতৰতে ক্ৰমে দৌল, মঠ, নাটঘৰ, অতিথিশালা, ভকত চ'ৰা, কাৰ্যালয়, ভঁৰাল ঘৰ, পুখুৰীৰ মাজত-বৃহৎ কালীয় দমন, ফুলনিৰ মাজত অনন্ত শয্যা, গোপাল কৃষ্ণ ইত্যাদিৰ প্ৰতিমূৰ্তি, পানী যোগান ব্যৱস্থা, তোৰণ, চিকিৎসা গৃহ ইত্যাদিৰ থানখনৰ সৌন্দৰ্যবৰ্ধন কৰাৰ লগতে গাম্ভীৰ্য পূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰিছে।

এই ঐতিহ্যময়ী থানখনত মূল উৎসৱ হিচাপে পালন কৰা হয়- ব'হাগৰ বিহু, জাগৰণ, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, ৰাস উৎসৱ, মাঘ বিহু আৰু দৌল উৎসৱ। এই উৎসৱৰ সময়ত প্ৰভুৰ চৰণত সেৱা জনাবলৈ আৰু উৎসৱ উপভোগ কৰিবলৈ প্ৰতিদিনে হাজাৰ হাজাৰ দৰ্শনাৰ্থীৰ ভিৰ হয়। বিশেষকৈ মাঘ মাহৰ প্ৰথম তিনিদিন অসমৰ বিভিন্ন প্ৰান্তৰ পৰা শতাধিক যাত্ৰীবাহী বাছ আৰু সৰু গাড়ীৰে দৰ্শনাৰ্থী আহি ভৰি পৰে। দৰ্শনাৰ্থী সকলে আশে পাশে থকা মুকলি ঠাইত ৰন্ধা-বঢ়া কৰি আনন্দমনে অন্ন গ্ৰহণ কৰা দৃশ্য চকুৰে নেদেখিলে বৰ্ণাব নোৱাৰি। অৱশ্যে দৰ্শনাৰ্থীৰ সংখ্যা কম হ'লে থান পৰিচালনা সমিতিৰ লগত যোগা-যোগ কৰি অতি কম খৰচতে নিৰামিষ আহাৰ গ্ৰহণ কৰিব পৰা ব্যৱস্থাও আছে।

থানখনৰ 'জাগৰণ' উৎসৱটোৰ এটি বিশেষ কাহিনী আছে। জেঠ মাহৰ ১৬ তাৰিখৰ পৰা ২২ তাৰিখলৈ এই উৎসৱ পালন কৰা হয়। উল্লেখ্য যে, সাধাৰণতে প্ৰতিনিশাই মহাপ্ৰভুক শুৱাই থয় আৰু ৰাতিপুৱাতে প্ৰভাতী প্ৰাৰ্থনাৰ দ্বাৰা প্ৰভুক জগাই দিয়ে। কিন্তু 'জাগৰণ'ৰ সময়ত প্ৰভুৱে দিনে নিশাই জাগি থাকে বুলি প্ৰবাদ আছে। এই 'জাগৰণৰ' সপ্তাহত প্ৰভু শ্ৰীশ্ৰী গৰখীয়া গোসাঁইৰ এলেকাভুক্ত ৰাইজে তেওঁলোকৰ ব্যক্তিগত ঘৰৰ পাকঘৰত ব্যৱহাৰ কৰা সা-সামগ্ৰী ধুই পৰিস্কাৰ কৰে। উৎসৱৰ কেইদিন মাছ, মাংস কণী ইত্যাদি

https://howlyraasmahotsav.org/

ৰন্ধা-বঢ়া নকৰি অকল নিৰামিষ ভোজনৰহে ব্যৱস্থা কৰে। উক্ত কেইদিন প্ৰভুৰ এলেকাভুক্ত গাঁওবাসীৰ প্ৰত্যেক ঘৰৰ (১৯ টা চুবুৰীৰ) পৰা পাল পাতি ৰাইজে মহাপ্ৰভুৰ থানলৈ আহি নিশা উজাগৰে থাকে। এনেদৰে 'জাগৰণৰ' শেষ দিনাৰ আগদিনা অৰ্থাৎ ২১ জেঠৰ ৰাতিপূৱা ৯/১০ বজাত মহাপ্ৰভু শ্ৰীশ্ৰীগৰখীয়া গোসাঁইক দোলাত তুলি গাঁও পৰিভ্ৰমণলৈ উলিয়াই আনে। পিছত নিশা ১২ মান বজাতহে থানলৈ ওভতাই আনে। এই ভ্ৰমণৰ সময়ত গাঁওৰ বিভিন্ন নামঘৰবোৰত প্ৰভুই জিৰণি লয়। অৱশ্যে অঞ্চলটোৰ মংগলাৰ্থে যোৱা কিছু বছৰৰ পৰা গৃহস্থৰ ব্যক্তিগত পদূলিটো প্ৰভুক ৰখাৰ দিহা কৰিছে। এনেদৰে ২২ জেঠৰ দুপৰীয়া অঞ্চলটোৰ লগতে সমগ্ৰ গাঁওৰ ভক্তৰ সমাগমেৰে হোম আৰু নাম-প্ৰসঙ্গ কৰি 'জাগৰণ' উৎসৱৰ সমাপ্তি ঘটায়।

এই উৎসৱ সম্পৰ্কে আৰু এক প্ৰবাদ আছে যে এসময়ত গোটেই বৰনগৰ অঞ্চলত কলেৰা সদৃশ মহামাৰীয়ে ৰাইজক আতংকগ্ৰস্থ কৰি তুলিছিল। তেতিয়া প্ৰভুই তেওঁৰ ভক্তসকলক ৰক্ষা কৰাৰ বাবে মাজনিশা এটা বগা ঘোঁৰাত উঠি অঞ্চলটোত ৰক্ষণাবেক্ষণ দিয়াৰ বাবে মহামাৰীৰ শাম কাটিছিল। প্ৰভুক বগা ঘোঁৰাত উঠি ঘূৰি ফুৰা মনোৰম দৃশ্য বহুতো ভক্তই দেখা পোৱা বুলিও শুনা যায়। এই ঘটনাৰ পিছতে ৰাইজে 'জাগৰণ' উৎসৱ পাতি মহাপ্ৰভুক দোলাত পৰিভ্ৰমণ কৰোৱাৰ নিয়ম বান্ধি দিছিল। এনেদৰে পৰাম্পৰাগতভাৱে অতি বিশ্বাসৰে আৰু ভক্তিভাৱে এই উৎসৱ পালন কৰি আহিছে। প্ৰভুক দোলাত লৈ পৰিভ্ৰমণ কৰা সময়ত গাঁও অঞ্চলৰ কিছুমান ঠাইত প্ৰভুৱে মাছ, মাংসৰ গোন্ধ পোৱা বুলি পূজাৰীক সপোন দেখুৱাৰ বাবেই প্ৰভুৰ এলেকাভূক্ত গাঁওবাসীয়ে বৰ্তমানো 'জাগৰণ'ৰ সপ্তাহটোত কোনো পৰিয়ালতে মাছ, মাংস, কণী ইত্যাদি ৰন্ধা-বঢ়া নকৰে আৰু উক্ত সপ্তাহটো সকলোৱে নিৰামিষ ভোজনহে গ্ৰহণ কৰে।

মহাপ্ৰভু শ্ৰীশ্ৰী গৰখীয়া গোসাঁই থানখনৰ চৌদিশৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু ভক্তপ্ৰাণ ৰাইজৰ অবিৰত সমাগমে অসমৰ এখন লেখত ল'বলগীয়া তীৰ্থস্থানত পৰিণত কৰিছে। এই থানখনলৈ অহা দৰ্শনাৰ্থী আৰু পৰ্যটকসকলে বিশেষভাৱে মোহাচ্ছন্ন হৈ পৰে। ইতিহাসে গৰকা বৰনগৰৰ মহাপ্ৰভু শ্ৰীশ্ৰী গৰখীয়া গোসাঁই থানৰ অপাৰ মহিমা বৰ্ণনা কৰা কঠিন যদিও নিষ্ঠাৱান ভক্তসকলে নিজেই থানৰ অপাৰ মহিমা নিশ্চয় অনুধাৱন নকৰাকৈ নাথাকে। আপোনালোকে যদি কেতিয়াবা কিবা কাৰণত বৰপেটা বা বৰপেটা ৰোডলৈ আহে, তেন্তে সাত কাম কাটি কৰি হ'লেও বৰনগৰৰ (সৰভোগ) মহাপ্ৰভু শ্ৰীশ্ৰী গৰখীয়া গোসাঁই থানত এবাৰ ভুমুকি মাৰি জীৱন সাৰ্থক কৰিব বুলি আশা ৰাখিলোঁ।

https://howlyraasmahotsav.org/

তথ্য উৎস—

ক) মহাপ্ৰভু শ্ৰীশ্ৰী গৰখীয়া থানৰ মুখপত্ৰ 'ভক্তি দৰ্পণ'।

খ) 'মহাপ্ৰভু শ্ৰীশ্ৰী গৰখীয়া গোসাঁই থান ঃ উৎসৱ আৰু ক্ৰিয়া-কাণ্ড' শঙ্কৰ দাসৰ গ্ৰন্থৰ পৰা।

অসমত ৰাস মহোৎসৱ, মাজুলী আৰু কিছু কথা

https://howlyraasmahotsav.org/

অমৃত কুমাৰ ঠাকুৰ

আজিৰ পৰা পাঁচ দশকৰো আগৰ কথা। মোৰ শৈশৱৰ সেই দিনবোৰ অতিবাহিত হৈছিল যোৰহাটত। মানে প্ৰাইমেৰী স্কুলৰ এছোৱা শিক্ষা যোৰহাটৰ মামাহঁতৰ ঘৰৰ পৰা হৈছিল। সেই সময়ত মোৰ এজন সম্পৰ্কীয় মামাই মাজুলীত চাকৰি পাইছিল। সেইজন মামা মাজুলীৰ পৰা প্ৰথমবাৰ ঘৰলৈ অহাৰ পাছতে আমাৰ মামাহঁতৰ ঘৰখনলৈ আহিছিল। মাজুলীত থাকি কেনে পাইছে আদি বিভিন্ন কথা ওলাল। যোৰহাটৰ মামাহঁতৰ ঘৰখনৰ পৰা মাজুলীলৈ দূৰত্ব অতি কম। নদী পথছোৱা বাদ দি মাথোঁ পোন্ধৰ কিলোমিটাৰমানহে হ'ব। তথাপি মাজুলীৰ সন্দৰ্ভত মামাহঁতৰো বিশেষ জ্ঞান বা ধাৰণা আছিল বুলি মনে নধৰিছিল। মাথোঁ ঠাইডোখৰ ভোগালী আৰু বানপানীৰ সময়ত মাজুলীলৈ যাব নোৱাৰি— মাজুলী সম্পৰ্কে সিমানেই জ্ঞান আছিল যেন লাগিছিল। সেই সময়ত যোগাযোগ ব্যৱস্থা অকণো উন্নত নোহোৱাৰ কাৰণেই হয়তো মাজুলী সম্পৰ্কে বহুতৰে জ্ঞান আছিল অতি সীমিত। অৱশ্যে সেই সময়ত অসমৰ অন্যবোৰ ঠাইলৈকো যে যাতায়াত ব্যৱস্থা বৰ উন্নত আছিল, তেনে নহয়। কিন্তু মাজুলীলৈ যে কোনো পথ যোগাযোগ নাছিল, সেই কাৰণে মাজুলীখন অতি পিছপৰা ঠাই বুলিয়েই পৰিচিত আছিল। মাজুলীলৈ যোগাযোগৰ অসুবিধাৰ কাৰণেই চাকৰি পালেও বা বদলি হ'লে যাবলৈ আগ্ৰহ নকৰিছিল। মাজুলীত চাকৰি কৰা মামাই প্ৰসংগক্ৰমে কৈছিল যে মাজুলীৰ ৰাস চাবলগীয়া। মাজুলীৰ উপৰিও বিভিন্ন ঠাইৰ মানুহে মাজুলীৰ ৰাস চাবলৈ উথ্‌পথ্‌প লগায়। মাজুলীৰ বাহিৰৰ লোকসকলে নিজৰ আত্মীয়-কুটুম্ব বা বন্ধু-বান্ধৱৰ ঘৰত ভিৰ কৰেগৈ। অন্যথাই মাজুলীত থকাৰ সুবিধাজনক বিকল্প নাছিল। এই সীমিত সা-সুবিধাৰ মাজতে ৰাস চাবলৈ দুই-তিনিমাহ আগৰে পৰা টিকট বিক্ৰী হয়,আৰু অলপ দিনৰ ভিতৰতে সকলো টিকট শেষ হৈ যায়। শেষ মুহূৰ্তলৈ টিকট নাথাকেগৈ। দ্বিতীয়তে, মাজুলীত গাখীৰেৰে তৈয়াৰ কৰা

এবিধ চানাৰ মিঠাই (নামটো পাহৰিলোঁ) অতি তৃপ্তিদায়ক আৰু জনপ্ৰিয়। সেই সময়ত মামাই কোৱা এই দুটা কথা মোৰ আজিও মনত আছে।

মই যি সময়ত মাজুলীৰ ৰাসৰ জনপ্ৰিয়তাৰ বিষয়ে শুনিছিলোঁ, সেই সময়ত মোৰ ৰাস সৰ্ম্পকে কোনো জ্ঞান বা ধাৰণা নাছিল। মানে ৰাসনো কি--- সেই বিষয়ে নাজানিছিলো। হাইস্কুলৰ পৰ্যায়ত পঢ়ি থাকোঁতে মাজুলী যে সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ, সেই বিষয়ে কিছু কথা জানিব পাৰিছিলো। সমগ্ৰ মাজুলীখনেই ঘাইকৈ কেৱল বৈষ্ণৱধৰ্মী লোকৰ আৱাসস্থল। শাক্ত ধৰ্মৰ কোনো প্ৰভাৱ তাত নাই। অসমৰ ভিতৰত সম্ভৱত: মাজুলীখনেই একমাত্ৰ ঠাই য'ত দুৰ্গা বা অন্য পূজা আদি অনুষ্ঠিত বা উদ্‌যাপন কৰা নহয়। শ্ৰীমন্ত শংকৰদেৱে এই মাজুলীতে কিছুদিন বাহৰ পাতিছিল। সেই কাৰণেই মাজুলীত সত্ৰীয়া সংস্কৃতিয়ে গা কৰি উঠিবলৈ সুযোগ পাইছিল বুলি ভাবিবৰ অৱকাশ আছে। সেই আধাৰতে ৰাসৰ পয়োভৰ অধিক।

এই ৰাসতনো আছে কি? শ্ৰীকৃষ্ণই মৰ্ত্যত কৰা কৰ্মৰাজিক ৰাসোৎসৱৰ জৰিয়তে নিবেদন কৰা হয়। যেন আত্মাৰ পৰা পৰমাত্মালৈ, দৈনন্দিন জীৱনৰ সুখানুভূতিক আধ্যাত্মিকতালৈ আৰু কাম প্ৰবৃত্তিসমূহক কলাত্মক ৰূপ প্ৰদান কৰি ৰাস লীলাত প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে শ্ৰীকৃষ্ণৰ বংশীবাদনত মুগ্ধ হৈ গোপীসকলে য'ৰে কাম ত'তে পেলাই থৈ সংসাৰৰ সকলো মোহ ত্যাগ কৰি বৃন্দাবনলৈ ঢাপলি মেলিছিল আৰু কৃষ্ণৰ চৰণত নিজকে সমৰ্পণ কৰিছিল।প্ৰথমতে শ্ৰীকৃষ্ণই গোপীসকলক স্বগৃহলৈ উভতি যাবলৈ অনুৰোধ কৰিছিল। কিয়নো তেওঁলোকে সংসাৰ ধৰ্ম পালন কৰা উচিত। কিন্তু গোপীসকল নিজৰ মতত দৃঢ় আছিল। ভগৱান ভক্তৰ অধীন। শ্ৰীকৃষ্ণই গোপীসকলৰ দৃঢ়ভক্তি দেখি তেওঁলোকৰ মনোকামনা পূৰণাৰ্থে ৰাসলীলা আৰম্ভ কৰিলে। কিন্তু যেতিয়াই শ্ৰীকৃষ্ণ তেওঁলোকৰ অধীন বুলি ভাবি গোপীৰ মন গৰ্ব-অহংকাৰত ভৰি পৰিল, তেতিয়াই শ্ৰীকৃষ্ণ গোপীসকলৰ মাজৰ পৰা অন্তৰ্ধান হ'ল। শ্ৰীকৃষ্ণ যেতিয়া ৰাধাক লৈ অন্তৰ্ধান হ'ল, তেতিয়াহে গোপীসকলে নিজৰ ভুল বুজিব পাৰিলে। ভগৱানক একমাত্ৰ মোৰ বুলি ভাবি অহংকাৰ কৰাৰ ফলত শ্ৰীকৃষ্ণক হেৰুৱাব লগা হ'ল। এই শ্ৰীকৃষ্ণ ত্ৰিজগতৰে পতি। তেওঁক কোনো মায়া-বন্ধনেৰে বান্ধি ৰাখিব নোৱাৰি। গোপীসকলে একাগ্ৰচিত্তে শ্ৰীকৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে আৰু ভক্তৰ ভক্তিত সন্তুষ্ট হৈ গোপীসকলক মানৱ জীৱনৰ পৰমাৰ্থ বুজাই দিলে আৰু তেওঁলোকৰ অন্তৰ পৰিশুদ্ধি কৰিলে। গোপীসকলৰ ইচ্ছাক সন্মান জনাই 'য'ত গোপী, ত'ত কৃষ্ণ' হৈ গোপীৰ মনৰ অভিলাষ পূৰ্ণ কৰিলে। গোপীসকলেও মুক্তি লাভ কৰিলে। সংক্ষেপে এইখিনিয়েই ৰাসোৎসৱৰ মূল কথা।

'ৰাস' শব্দটি মূলত: 'ৰস' শব্দৰ পৰা উৎপত্তি হৈছে বুলি কোৱা হয়। বহুতেই আকৌ 'ৰাস' শব্দটি 'ৰ', 'আ' আৰু 'স' এই তিনিটা বৰ্ণৰ সমাহাৰেৰে মানে 'ৰ' মানে ৰমণ, 'আ' মানে আনন্দ, আৰু 'স' মানে সংযোগ বা মিলন বুলি ক'ব খোজে। এই ৰাসত ভগবান শ্ৰীকৃষ্ণৰ জীৱনলীলাক উপভোগ্য কৰি প্ৰদৰ্শন কৰা হয়। কিন্তু মাজুলীৰ দক্ষিণপাট সত্ৰতহে পোনপ্ৰথমে ১৭৬২শকৰ পৰা ৰাসৰ প্ৰচলন কৰা হৈছিল। পাছলৈ গড়মূৰ, আউনীআটী, বেঙেনাআটী, কমলাবাৰী, ভোগপুৰ আদি সত্ৰলৈও প্ৰসাৰ ঘটে।

শৰৎ কালৰ পূৰ্ণিমা তিথিত এই ৰাস উদ্‌যাপন কৰা হয়। মাজুলীৰ বাহিৰেও ঘাইকৈ অসমৰ নলবাৰী, বৰপেটাৰ হাউলী, দক্ষিণ কামৰূপৰ পলাশবাৰী,দৰঙৰ দীঘিৰপাৰ আদি ঠাইত ৰাস মহোৎসৱৰ আয়োজন কৰা হয় যদিও উজনি অসমত মাজুলীৰ ৰাসৰ জনপ্ৰিয়তাই অধিক। যিহেতু উজনি অসমৰ লোকে ৰাস বুলিলে ঘাইকৈ মাজুলীৰ কথাই সোঁৱৰে। বাৰিষা বানত জুৰুলা হোৱা মাজুলীবাসীয়ে শৰতত নৱ উদ্যম আৰু হেঁপাহেৰে ৰাস মহোৎসৱৰ বাবে প্ৰস্তুতি চলায়। লক্ষ্মী পূৰ্ণিমাৰ দিনাৰ পৰাই নাটকৰ আখৰা আৰম্ভ কৰি এমহীয়া পৰিক্ৰমাৰ অন্তত তিনিদিনীয়াকৈ (কোনো কোনো সত্ৰত এদিনীয়াকৈ) ৰাস অনুষ্ঠিত কৰা হয়। ৰাসোৎসৱৰ তিনিদিনক এক বিশেষ নামেৰে জনা যায়। প্ৰথম দিনা অধিবাস, দ্বিতীয় দিনা ৰাস আৰু তৃতীয় দিনা ইন্দ্ৰাভিষেক। ৰাস পূৰ্ণিমাৰ দিনা পুৱাৰ পৰা ৰাস পূজা আৰম্ভ হয়। সম্পূৰ্ণ দিনজুৰি নাম-প্ৰসংগৰ উপৰিও গায়ন-বায়ন, নাম-কীৰ্তন, নটুৱা নাচ আদি চলে। ৰাতিলৈ ৰাসলীলা প্ৰদৰ্শন কৰা হয়। উদাসীন পন্থাৰ পৰম্পৰাৰে প্ৰচলিত সত্ৰসমূহত আৰু সত্ৰীয়া পাৰিপাৰ্শ্বিকতাৰ মাজত প্ৰদৰ্শিত ৰাসলীলাত পুৰুষ অভিনেতাসকলেই পুৰুষ আৰু নাৰীৰ উভয়

https://howlyraasmahotsav.org/

চৰিত্ৰতে অভিনয় কৰে। মন কৰিবলগীয়া কথা যে অসমৰ কেৱল মাজুলীতহে মানুহৰ দ্বাৰা অভিনীত ৰাসৰ ব্যৱস্থা আছে। ইতিমধ্যে দৰং জিলাৰ দীঘিৰপাৰাতো মৃন্ময় মূৰ্তিৰ লগতে মানুহৰ দ্বাৰা অভিনীত ৰাসৰ আয়োজন কৰাৰ কথা শুনিবলৈ পাইছো। সেয়েহে দীঘিৰপাৰৰ ৰাসক দ্বিতীয় মাজুলী বুলিও বহুতে আখ্যা দিব খোজে। আনহাতে মাজুলীৰ চামগুৰি সত্ৰ মুখা শিল্পৰ বাবে প্ৰখ্যাত। চামগুৰি সত্ৰৰ বাহিৰে অন্য সত্ৰত মুখা শিল্পৰ চৰ্চা বা নিৰ্মাণ নহয়।

ৰাসৰ এটা বিষয়ে মোক বৰকৈ আকৃষ্ট কৰে। সেইটো হৈছে ৰাসত অভিনয় কৰোতে ব্যৱহৃত তাত্ত্বিক ৰসেৰে সমৃদ্ধ ৰাসৰ গীতসমূহ যি এবাৰ শুনিছে, সি হয়তো কেৱল হৃদয়ংগমহে কৰিব পাৰিব, ভাষাৰে বৰ্ণাব নোৱাৰিব বুলিয়েই ধাৰণা হয়। ঘাইকৈ খোল, তাল আৰু বাঁহীৰে (অৱশ্যে আজিকালি আধুনিক বহু বাদ্যযন্ত্ৰও ব্যৱহাৰ হয় বুলি শুনিছোঁ) সংগত কৰি নিবেদন কৰা গীতসমূহ শুনি গৈ থাকিলে মনলৈ এটা প্ৰশান্তিৰ ভাব আপোনা-আপুনি জাগৰিত হৈ উঠে। গীতসমূহ শুনি থাকিলে, শুনি থাকিবলৈ মন যায়। ইমান মনোমোহা গীত অন্য ভাৰতীয় ভাষাত উপলব্ধ হয়নে নহয় মই নাজানো। এই গীতত উত্তেজনাৰ কোনো স্থান নাই। মন প্ৰসন্নতাৰে ভৰি পৰাৰহে পৰিৱেশ ৰচিত হয়। পলাশবাৰী, নলবাৰী, হাউলীৰ ৰাসত মৃন্ময় মূৰ্তিৰহে প্ৰদৰ্শন কৰা হয়। হয়তো এই ঠাই কেইখনত বংগৰ ৰাসৰ প্ৰভাৱ আছে। গতিকে এই অঞ্চলৰ লোকে ৰাসৰ সেই সুৰীয়া গীত শুনাৰ সৌভাগ্য হৈছেনে নাই নাজানো। কিন্তু প্ৰয়োজন হ'লে মাজুলীৰ পৰা সংগ্ৰহ কৰি হ'লেও ৰাসৰ কেইদিনত সেই গীত পৰিৱেশন কৰিলে পৰিৱেশেই সলনি হৈ পৰিব বুলি আমাৰ ধাৰণা হয়।

মোৰ শৈশৱ অতিবাহিত হৈ কৈশোৰ অতিক্ৰমী বিশ্ববিদ্যালয়ৰ শিক্ষা সাং কৰিলো। অথচ মাজুলীখন দৰ্শন নহ'ল। চাকৰি কালত এবাৰ ইচ্ছা কৰিয়েই লখিমপুৰৰ পৰা যোৰহাটলৈ বুলি মাজুলী হৈ আহিছিলো। লখিমপুৰৰ পৰা খাৰলুঘাট হৈ যোৰহাট পাওতে লোৱা অভিজ্ঞতাই মাজুলী সম্পৰ্কে কিছু ধাৰণাৰ জন্ম দিলে। তাৰ কেইবাবছৰ পাছত চৰকাৰী কামৰ তাগিদাত নীতি আয়োগৰ এগৰাকী উচ্চপদস্থ বিষয়াৰ লগত আকৌ এবাৰ মাজুলীলৈ গৈছিলো। অলপ ভিতৰুৱা ঠাই ভ্ৰমণ কৰা হ'ল যদিও মাজুলী সম্পৰ্কে বহু জ্ঞান আয়ত্বৰ বাহিৰত ৰৈ গ'ল। কিন্তু শৈশৱতে মামাজনৰ মুখত শুনিবলৈ পোৱা মাজুলীৰ ৰাসৰ জনপ্ৰিয়তাৰ কথা জানিও আৰু চাবলৈ আগ্ৰহ থাকিও চোৱাৰ সৌভাগ্য আজিলৈকে নহ'ল। অথচ আজি কেইবছৰমান আগেয়ে কেইবাগৰাকী অসমীয়া প্ৰতিষ্ঠিত অভিনেতা-অভিনেত্ৰী মাজুলীৰ ৰাসত অংশ গ্ৰহণ কৰিবলৈ প্ৰলুব্ধ হোৱাই নহয়, অংশ গ্ৰহণেৰে ৰাসৰ সৌষ্ঠৱ বঢ়াইছিল বুলি ক'ব লাগিব। তদুপৰি ইছমাইল হোছেইনৰ দৰে ইছলামধৰ্মী লোকেও ৰাসত অংশ গ্ৰহণ কৰিবলৈ মন মেলাৰ কথা বাতৰিকাকতত পঢ়িবলৈ পাইছিলোঁ। দুৰ্ভাগ্যজনক কথাটো হৈছে, আজিৰ পৰা পঞ্চাছ বছৰ আগেয়ে মাজুলীত থকাৰ যি অসুবিধাৰ কথা শুনিছিলো, আজিও সেই পৰিৱেশৰ বিশেষ উন্নতি হোৱা বুলি ক'ব নোৱাৰি। যদিও কিছুমান সত্ৰত থকা-মেলাৰ ব্যৱস্থা গঢ়ি উঠাৰ কথা শুনিছোঁ বা ' প্ৰশান্তি লজ'ৰ দৰে সুবিধাজনক লজত থকাৰ সুবিধা গঢ়ি উঠিছে, তথাপি সেয়াই যথেষ্ট বুলি নাভাবোঁ। ইতিমধ্যে এই 'প্ৰশান্তি লজ'ৰ ব্যৱস্থাপনাত খেলি-মেলি লগাৰ বাতৰি পঢ়িবলৈ পাইছো। মাজুলীত আৰু অলপ থকাৰ সুবিধা বঢ়াব পাৰিলে অন্ততঃ ৰাস মহোৎসৱ চাবলৈকে দেশ-বিদেশৰ বহু সংখ্যক লোকক আকৰ্ষিত কৰিব পৰা যায়। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ অৰ্থনীতি সবল হোৱাৰ বহু সম্ভাৱনা আছে। মন কৰিবলগীয়া কথা যে মাজুলীত থকাৰ সীমিত সুবিধাৰ মাজতো পূৰ্বৰে পৰা কিন্তু বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধি পাই আহিছে। অৱশ্যে তাৰ অন্য দুটামান কাৰকো নোহোৱা নহয়। প্ৰথম হৈছে সমগ্ৰ মাজুলীখনেই প্ৰদূষণৰ পৰা একৰকম মুক্ত বুলিব পাৰি। সম্প্ৰতি এনে পৰিৱেশ সমগ্ৰ বিশ্বতেই টুটি আহিছে। তদুপৰি ইয়াৰ জীৱন নিৰ্বাহ প্ৰণালী আপেক্ষিকভাৱে অতি কম খৰচী। কম খৰচী থকাৰ সুব্যৱস্থা কৰিব পাৰিলে ওচৰ-পাঁজৰৰ সাধাৰণ শ্ৰেণীৰ দেশী পৰ্যটকো মাজুলীলৈ যাবলৈ নিশ্চয় মন মেলিব। কিন্তু আজিও আমাৰ ৰাজ্য চৰকাৰখনে এটা সুকীয়া বিভাগ থাকোতেও তেনে দূৰদৰ্শী চিন্তা কৰা পৰিলক্ষিত হোৱা নাই।

এটা কথা স্বীকাৰ কৰিবই লাগিব যে মোৰ শৈশৱৰ দিনৰ মাজুলীৰ চিত্ৰখন আজি বহুখিনি সলনি হৈছে। মাজুলী এতিয়া অসমৰ একমাত্ৰ নদীদ্বীপ জিলালৈ

https://howlyraasmahotsav.org/

উন্নীত হৈছে। কিন্তু দুৰ্ভাগ্যৰ বিষয়, মাজুলীলৈ আজি ইমানবছৰেও পথ যোগাযোগ (লখিমপুৰ-ঢকুৱাখানা হৈ পোনপটীয়া নৈশ বাছৰ সেৱা থাকিলেও, যোৰহাটৰ দিশেৰে) সম্ভৱ হৈ উঠাগৈ নাই। অথচ এই মাজুলী সমষ্টিৰ পৰাই এসময়ৰ অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকী নিৰ্বাচিত হৈছিল। যিওবা এখন দলঙৰ কথা খৰখেদাকৈ ঘোষণা কৰি কিছুদূৰ কামত আগবাঢ়িছিল, আজি কেইদিনমান আগৰে পৰা সিও বন্ধ হৈ পৰিল। ভবিষ্যতে হ'বগৈ নে নাই আৰু হ'লে কেতিয়াকৈ হ'বগৈ সি অনিশ্চিত হৈ পৰিল। মাজুলীবাসীৰ আশা, মাজুলীলৈ পথ যোগাযোগ হ'লে অন্ততঃ মাজুলীৰ মানুহখিনিৰ বাবে বিশেষকৈ চিকিৎসাৰ দিশত বিশেষ সহায়ক হ'ব। কাৰণ চিকিৎসাৰ কাৰণে সদায়েই নিকটৱৰ্তী যোৰহাট নগৰখনৰ ওপৰত নিৰ্ভৰশীল হৈ আহিছে।

এইখিনিতে অন্য এটা কথাও মনলৈ আহিছে। মাজুলীৰ বহু অৱস্থাপন্ন মানুহে যাতায়াতৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাটত মাটি ক্ৰয় কৰি স্থায়ীকৈ ঘৰ বান্ধিছেহি। এইটো কথাও শুনিবলৈ পাইছোঁ যে মাজুলীৰ কিছুমান সত্ৰৰ অধীনত ৰাসত অংশ ল'বলৈ আজিকালি কেতিয়াবা কেতিয়াবা অভিনেতা-অভিনেত্ৰীৰো অভাৱ অনুভৱ কৰিবলৈ লৈছে। (যদি কথাটো সঁচা হয়, তেনেহ'লে বৰ দুৰ্ভাগ্যজনক)। কাৰণ এনেকৈ অংশ লওতা কোনো ভাৱৰীয়াকে মাননি হিচাপে একো দিয়া নহয়। স্বতঃস্ফূৰ্তভাৱেহে অভিনয়ত অংশ গ্ৰহণ কৰে।

মাজুলীৰ মানুহৰ বাবে সবাতোকৈ কাংক্ষিত বস্তুটো হৈছে যোৰহাটলৈ দলং এখন নিৰ্মাণৰ জৰিয়তে সুচল যাতায়াত ব্যৱস্থা এটা গঢ়ি উঠাটো। এই কথা বহুতেই মানি ল'ব বা ব্যক্তিগতভাৱে আমিও আশা কৰোঁ। কিন্তু মাজে মাজে মনলৈ অন্য এটা শংকাও নহাকৈ নাথাকে। সেইটো হৈছে আজিৰ নগৰীয়া বা যান্ত্ৰিক জীৱনে আমাৰ পৰা বহু আপুৰুগীয়া সম্পদ কাঢ়ি নিছে আৰু তাৰ বিনিময়ত দিছে মানসিক চাপ আদিৰ দৰে চিকিৎসাবিহীন ব্যাধি। এসময়ত অসমৰ স্কুল-কলেজত শংকৰদেৱৰ তিথি আদি বৰ উলহ-মালহেৰে উদ্‌যাপন কৰিছিল। কিন্তু চাই থাকোতেই এই উৎসৱবোৰ কেতিয়াৰ পৰানো আমাৰ মাজৰ পৰা হেৰাই গ'ল তাৰ যেন ততকে ধৰিব নোৱাৰিলোঁ। অথচ একাদিক্ৰমে অসমখন খাচ অসমীয়া মানুহৰ নেতৃত্বতে শাসিত হৈ আহিছে। আজিৰ নগৰীয়া ভাৱধাৰাই আমাৰ সমাজখনলৈ ষট পূজাৰ দৰে উৎসৱকহে আমদানি কৰিবলৈ যেন উঠি-পৰি লাগিছে। ৰাজনৈতিক সন্তুষ্টিৰ বাবেই চৰকাৰী বন্ধবোৰ অনা-অসমীয়া উৎসৱবোৰলৈ ঢাপলি মেলিছে নেকি বাৰু? অসমীয়াৰ কাতি বিহুৰ চৰকাৰী বন্ধও ইতিমধ্যে বাতিল হৈ পৰিল। এইটো দেখোন খাচ অসমীয়া মানুহৰ উৎসৱেই আছিল। তেতিয়াহ'লে এদিন আমাৰ মাজৰ পৰাও ৰাস উৎসৱৰ দৰে গাম্ভীৰ্যপূৰ্ণ উৎসৱবোৰো হেৰাই যাব নেকি? প্ৰশ্নবোৰে মনটো বৰ ভাৰাক্ৰান্ত তথা উদ্বিগ্ন কৰি ৰাখে।

https://howlyraasmahotsav.org/

অসমীয়া ভাষাৰ কালজয়ী চলচ্চিত্ৰ 'অৰণ্য'ক ধ্ৰুপদী চলচ্চিত্ৰৰ শাৰীত স্থান দিব পাৰি

চন্দন শৰ্মা

তাহানি আমি স্কুলত পঢ়ি থকা সময়তে অসমীয়া ভাষাৰ এখন আগশাৰীৰ চলচ্চিত্ৰ 'অৰণ্য' ব্লেক এণ্ড হোৱাইটৰ ৰূপত টেলিভিছনত চাই অভিভূত হৈছিলোঁ। চিনেমা সম্পৰ্কে বিশেষ একো জ্ঞান নথকা সত্ত্বেও চিনেমাখনে আমাৰ মন-মগজুত ৰেখাপাত কৰিছিল। অলপতে ইউ টিউবৰ জৰিয়তে পুনৰ সেই একেখন চিনেমা চাই মগজুৰ এচুকত সংগোপনে শুই থকা কাহিনীটো আৰু গানবোৰ সাৰ পাই উঠিল। অৱশ্যে ভাল লাগে বাবেই চিনেমাখনৰ গানকেইটা ইউ টিউবত মাজে-সময়ে চাই বা অকলশৰে আপোনভাবত নিমগ্ন হৈ থকা সময়ত গুণগুণাই দেহ-মন শাঁত পেলাওঁ। সেই সময়ত অসমীয়া মানুহে 'অসমীয়া চিনেমা' বুলিলে গো-গ্ৰাসে চোৱাৰ কথা মনত পৰে আৰু সেই প্ৰভাৱে আমাকো আৱৰি পেলাইছিল। সি যি কি নহওক, 'অৰণ্য' বোলছবিয়ে আমাৰ মন-মগজু চুম্বকীয় আকৰ্ষণেৰে বান্ধি পেলাইছিল। এতিয়া চিনেমাখন চাই আকৌ এবাৰ মনটো জীপাল হ'ল। তদুপৰি সেই সময়ৰ কোমল বয়সত নজনা বহু কথা আৰু মগজুৰে ঢুকি নোপোৱা কিছু বিষয় এতিয়া পূৰঠ বয়সত জুকিয়াই চাবলৈ সমৰ্থ হ'লোঁ। ভাবি ভাল লাগিল যে, অসমীয়া চলচ্চিত্ৰ নিৰ্মাতা এজনে কেইবাটাও দশক পূৰ্বে সীমিত সা-সুবিধাৰ মাজেদি কাহিনীয়ে-গানে ইমান অৰ্থৱহ আৰু উপভোগ্য চিনেমা এখন কলামোদী ৰাইজক উপহাৰ দিব পাৰিছিল।

চিনেমাক অসমীয়া মানুহৰ অতি ওচৰ চপাই আনিছিল সুন্দৰৰ পূজাৰী জ্যোতিপ্ৰসাদ আগৰৱালাই। অত্যুক্তি হ'লেও সঁচা যে তেৱেঁই অসমীয়া মানুহক চিনেমা চাবলৈ শিকাইছিল। তেওঁ নিৰ্মাণ কৰা 'জয়মতী' আৰু 'ইন্দ্ৰমালতী'ৰ পিছতে এখন-দুখনকৈ অসমীয়া চিনেমাই মুক্তি লাভ কৰিছিল। স্পষ্টকৈ ক'বলৈ হ'লে, কুৰি শতিকাত অসমত চিনেমা নিৰ্মাণৰ অনুকূল পৰিৱেশ এটা তেৱেঁই নিৰ্মাণ কৰি থৈ গ'ল। চলচ্চিত্ৰ নিৰ্মাণ হোৱাৰ সমান্তৰালকৈ অসমবাসী ৰাইজে এখন চালিৰ তলত বহি চিনেমা এখন একত্ৰে উপভোগ কৰিবলৈ শদিয়াৰ পৰা ধুবুৰীলৈকে ৰাজ্যখনত চিনেমা হল নিৰ্মাণ হ'ল। ১৯৩৭ চনত ৰূপকোঁৱৰৰ প্ৰচেষ্টাতে অসমত প্ৰথমটো চিনেমা হল 'জোনাকী' প্ৰতিষ্ঠা হৈছিল। এই ব্যৱস্থা সূচনা হোৱাৰ পাছতে অসমীয়া মানুহে গাঁঠিৰ ধন খৰচ কৰি হলত বহি চিনেমা চাবলৈ ল'লে। ৰাজ্যখনৰ মানুহখিনিয়ে চিনেমাৰ ভাল-বেয়া দিশবোৰ জুকিয়াই চাই চিনেমা এখন চাব জনা হ'ল। গতিকে চলচ্চিত্ৰ নিৰ্মাণকাৰী, অভিনয় শিল্পী আৰু কলা-কুশলীসকলে চিনেমা এখনৰ গুণগত মান ৰক্ষাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিবলৈ বাধ্য হ'ল। ফলত অন্তসাৰশূন্য চিনেমা এখনেৰে অসমীয়া মানুহক আঁভুৱা ভৰাটো কঠিন হৈ পৰিল। মানুহৰ মন-মগজু জোকাৰি যোৱা আকৰ্ষণীয় কাহিনী, মন চুই যোৱা গীত, চৰিত্ৰক জীৱন্ত কৰি তুলিব পৰা অভিনয়, কাহিনীয়ে বিচৰা ধৰণৰ লোকেশ্যনৰ বাছনি, শব্দ-পোহৰ আৰু সাজ-সজ্জা মানসম্পন্ন হোৱা আদি ভাল চিনেমা এখনৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ দিশবোৰ পৰিচালকে বিভিন্ন দৃষ্টিকোণৰ পৰা এশবাৰ ভাবি-চিন্তি কৰিবলগীয়া হ'ল। তদুপৰি চিনেমা

https://howlycaasmahotsav.org/

এখন নিৰ্মাণ কৰাৰ পাছত সেইখন যিহেতু চিৰকালৰ বাবে স্থায়ী ৰূপত থাকি যাব, সেয়েহে নিৰ্মাতা এগৰাকীয়ে মানুহৰ মাজত চিনেমা এখনৰ প্ৰাসংগিকতা, অনুসন্ধিৎসা আৰু আকৰ্ষণীয় গুণ ভৱিষ্যতেও যাতে হেৰাই নাযায় সেইটোৰ ওপৰতো গুৰুত্ব দিবলৈ ধৰিলে। ফলস্বৰূপে অসমত বাছকবনীয়া চিনেমা নিৰ্মাণৰ ক্ষেত্ৰত নতুন নতুন চিন্তা-চৰ্চা, অধ্যয়ন আৰু গৱেষণা আৰম্ভ হ'ল।

এতিয়া পুনৰ উভতি আহোঁ 'অৰণ্য' চিনেমাখনলৈ। গুৰুত্বপূৰ্ণ দিশটো হ'ল যে ১৯৭১ চনৰ ১২ নৱেম্বৰত মুক্তি লাভ কৰা ১০৭ মিনিট দৈৰ্ঘ্যৰ চিনেমাখন নিৰ্মাণৰ দায়িত্ব লৈছিল সেই সময়ৰ অবিভক্ত দৰং জিলাৰ মঙলদৈৰ ইউনাইটেড ক্লাব নামৰ মফচলীয় ঠাই এখনৰ ক্লাব এটাৰ সদস্যই। এইটো অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ ইতিহাসত বিৰল ঘটনা যে অসমত পোনপ্ৰথমবাৰৰ বাবে এটা ক্লাবৰ সৌজন্যত এখন পূৰ্ণপৰ্যায়ৰ অসমীয়া ভাষাৰ চিনেমা নিৰ্মাণ কৰা হৈছিল। ইতিমধ্যে নিৰ্মাণৰ পাঁচটা দশক অতিক্ৰম কৰা এই চলচ্চিত্ৰখনে ১৯৭১ চনত ১৯ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ চলচ্চিত্ৰৰ ৰজত কমল বঁটা পাবলৈ সমৰ্থ হৈছিল। চিনেমাখনৰ সৈতে কলিকতাৰ আগশাৰীৰ শিল্পী আৰু কলাকুশলী জড়িত হৈ পৰাটোও কম ডাঙৰ কথা নাছিল। চলচ্চিত্ৰখনৰ কাহিনী, চিত্ৰনাট্য আৰু পৰিচালনাৰ দায়িত্বত আছিল সমৰেন্দ্ৰ নাৰায়ণ দেৱ। চিত্ৰগ্ৰহণকাৰী আৰু সম্পাদনাৰ দায়িত্বত আছিল ক্ৰমে ৰামানন্দ সেনগুপ্ত আৰু গোবিন্দ চেটাৰ্জী। চিনেমাখনৰ আটাইকেইটা জনপ্ৰিয় গীতৰ গীতিকাৰ আছিল কেশৱ মহন্ত। সংগীত পৰিচালক হিচাপে আছিল প্ৰখ্যাত সংগীতজ্ঞ সুধীন দাসগুপ্ত। চিনেমাখনৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছিল অসমীয়া চলচ্চিত্ৰৰ চিৰসেউজীয়া অভিনেতা বিজু ফুকন, বিদ্যা ৰাও, তছদ্দুক ইউছুফ, পুণ্য দাস, বীণা বাৰুৱাতী, অবলা ৰয়, দেউতি বৰুৱা, তৰুণ হাজৰিকা, বিজয় শংকৰ (অতিথি শিল্পী), বিষ্ণু খাৰঘৰীয়া, অখিল ডেকা আদি। চলচ্চিত্ৰখনত সংযোজিত গীতকেইটা ক্ৰমে 'দিনৰ পোহৰ ৰংচঙীয়া' মান্না দেই, 'গুৰ্ গুৰ্ গুৰ্ গুৰ্ ডম্বৰু' দ্বীপেন বৰুৱাই, 'এই পূৰ্ণিমা ৰাতি' জাতিলেশ্বৰ মুখাৰ্জী আৰু সুজাতা মুখাৰ্জীয়ে, 'শিলে শিলে ঠেকা খালে' আৰতি মুখাৰ্জীয়ে প্ৰাণ ঢালি গাইছিল। বোলছবিখনৰ সৰহভাগ দৃশ্য ভাৰত-ভূটান সীমান্তত নৈসৰ্গিক প্ৰাকৃতিক শোভা বিৰাজ কৰি থকা ভৈৰৱকুণ্ড, দৈপাম (ভূটান) আৰু সেই সময়ৰ কাজিৰঙা অভয়াৰণ্যত লোৱা হৈছিল। অসমত ষাঠিৰ দশকতে জ্বলন্ত সমস্যা হিচাপে মূৰ দাঙি উঠা বনমাফিয়াৰ দ্বাৰা অৰণ্য ধ্বংস আৰু চোৰাং চিকাৰীৰ দ্বাৰা পৃথিৱী বিখ্যাত এটা খড়্গযুক্ত গঁড় নিধনক মূল বিষয়বস্তু হিচাপে লৈ অসমৰ এখন মফচলীয় ঠাইৰ ক্লাব এটাৰ সৌজন্যত সমৰেন্দ্ৰ নাৰায়ণ দেৱে নিৰ্মাণ কৰা চিনেমাখনে বিশেষ গুৰুত্ব আৰু তাৎপৰ্য কঢ়িয়াই আনিছে।

ৰঙামাটি সংৰক্ষিত বনাঞ্চললৈ নতুনকৈ ৰেঞ্জাৰ হিচাপে অহা যুৱক জয়ন্ত বৰুৱাই আৱিষ্কাৰ কৰিলে যে দুষ্কৃতিকাৰীয়ে বহু আগৰে পৰা তাত অবৈধভাৱে গছ কাটি কাঠৰ এখন ৰমৰমীয়া ব্যৱসায় চলাই আছে। তদুপৰি অসমৰ গৌৰৱৰ সম্পদ গঁড় হত্যা কৰি খড়্গটো বাহিৰলৈ চালান দি বৃহৎ পৰিমাণৰ ধন উপাৰ্জন কৰি আহিছে। বনমাফিয়াৰ দৌৰাত্ম্যই ৰাজ্যখনৰ অপৰিসীম ক্ষতি কৰা কথাটো সহজভাৱে ল'ব নোৱাৰিলে সৎ বিষয়া জয়ন্তই। ফলত অনিবাৰ্যভাৱে মাফিয়াগিৰি কৰি অহা প্ৰতাপ দুৱৰাৰ সৈতে জয়ন্তৰ সংঘাত হ'ল। প্ৰতাপ দুৱৰাই ছলে-বলে-কৌশলে জয়ন্তক প্ৰলোভনৰ টোপ দি অবৈধ দুষ্কাৰ্য নিৰ্বিবাদে চলাই যাবলৈ সৈমান কৰিব খুজিছিল যদিও তেওঁ মতাদৰ্শজনিত কাৰণত সেই টোপ নিগিলিলে। ইফালে ঘটনাক্ৰমে পাহাৰৰ নামনিত সুদীৰ্ঘকাল ধৰি বসবাস কৰি অহা গোৰ্খা সম্প্ৰদায়ৰ নেপালী পৰিয়াল এটাৰ গাভৰু কৃষ্ণাৰ সৈতে তজবজীয়া তৰুণ জয়ন্তৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিল। আকৌ কৃষ্ণা হৈছে বনদস্যু প্ৰতাপ দুৱৰাৰ অধীনত দীৰ্ঘদিন ধৰি চোৰাং চিকাৰত হাত উজান দি অহা, অব্যৰ্থ লক্ষ্যৰে বন্দুকেৰে গঁড় গুলীবিদ্ধ কৰোঁতা বাহাদুৰৰ জীয়ৰী। জয়ন্ত বৰুৱাক দুষ্কাৰ্যত লিপ্ত কৰাব নোৱাৰি অচিৰে সান্দহ খোৱা বালি তল যোৱাৰ ভয়ত বনমাফিয়া প্ৰতাপ দুৱৰাই ডেকা ৰেঞ্জাৰজনক হত্যাৰ পৰিকল্পনা কৰিলে। এদিনাখন পূৰ্ণিমাৰ ৰাতি সীতাৰামৰ জৰিয়তে অৰণ্যত চোৰাং চিকাৰী পিয়াপি দি থকাৰ মিছা বাতৰি এটা ৰেঞ্জাৰৰ কাণত পেলালেগৈ। ৰেঞ্জাৰ জয়ন্ত বৰুৱাই তাৎক্ষণিকভাৱে চোৰাং চিকাৰীৰ অভিযান ব্যৰ্থ কৰিবলৈ অৰণ্যলৈ ঢাপলি মেলিলে। তেওঁৰ পিছ ল'লে বন্দুকেৰে গুলীওৱাত নিপুণ কৃষ্ণাৰ বাপেক বাহাদুৰ।

https://howlyraasmahotsav.org/

ইফালে সেই একেনিশাই বাহাদুৰহঁতৰ গাঁৱত এটা পৰম্পৰাগত নৃত্য-গীতৰ উৎসৱ চলি আছিল। পূৰ্বৰে পৰা কৃষ্ণাৰ ৰূপ-যৌৱনত বলিয়া হৈ থকা, ধনবল-বাহুবলেৰে বহুকেইগৰাকী নাৰীৰ সতীত্ব ধ্বংস কৰা খলনায়ক প্ৰতাপ দুৱৰাই বাহাদুৰে জয়ন্ত বৰুৱাক হত্যা কৰাৰ দায়িত্বৰ অচিলাতে সেই নিশাই অসৎ প্ৰবৃত্তি চৰিতাৰ্থ কৰিবলৈ কৃষ্ণাৰ পিছ ল'লে। কৃষ্ণাই মদমত্ত দুৱৰাৰ মতলব বুজি পাই আত্মৰক্ষাৰ্থে অৰণ্যৰ ফালে দৌৰে, য'ত বাহাদুৰে বনবিষয়া জয়ন্ত বৰুৱা, অৰ্থাৎ কৃষ্ণাৰ প্ৰেমিকক হত্যা কৰিবলৈ খাপ পিতি ৰৈ আছিল। কৃষ্ণাৰ মৰণকাতৰ চিঞৰ শুনি তেওঁৰ পিতৃ বাহাদুৰ ওলাই আহি দেখিলে কামাতুৰ প্ৰতাপ দুৱৰাই জীয়ৰীক বলাৎকাৰ কৰিবলৈ তাইৰ পিছে পিছে দৌৰিছে। অৱশেষত জীয়ৰীক ৰক্ষা কৰিবলৈ তেওঁ হাতত লৈ থকা বন্দুকটোৰে বনমাফিয়া প্ৰতাপ দুৱৰাক গুলীয়াই হত্যা কৰিলে। মৰ্ত্যৰ দানৱ দুৱৰাৰ মৃত্যুৰ লগে লগে ৰঙামাটি সংৰক্ষিত বনাঞ্চলৰ বহুমূলীয়া বৃক্ষ আৰু দুষ্প্ৰাপ্য গঁড় ৰক্ষা পৰাৰ লগতে অঞ্চলটোলৈ সুখ-শান্তি ঘূৰি আহিল। ইয়াতেই চলচ্চিত্ৰখনৰ 'হেপ্পী এণ্ডিং' ঘটিল।

https://howlyraasmahotsav.org/

নিঃসন্দেহে 'অৰণ্য' শক্তিশালী কাহিনীযুক্ত, পৰিয়ালৰ সকলো সদস্যই একেলগে বহি উপভোগ কৰিব পৰা এখন আকৰ্ষণীয় চলচ্চিত্ৰ। চিনেমাখন নিৰ্মাণৰ আঁৰত থকা কলাকাৰসকলৰ ঐকান্তিক প্ৰচেষ্টাৰ বাবেই ই দৰ্শকৰ মাজত জনপ্ৰিয় হৈ পৰিছিল। সৰ্বপ্ৰথমে চলচ্চিত্ৰখনৰ পৰিচালক সমৰেন্দ্ৰ নাৰায়ণ দেৱে অসমীয়া চলচ্চিত্ৰ নিৰ্মাণৰ বাবে বুকুত কঢ়িয়াই ফুৰা হেঁপাহৰ বিষয়ে খৰচি মাৰি নক'লে এই আলোচনা আধৰুৱা হৈ ৰ'ব। অবিভক্ত দৰং জিলাৰ মঙলদৈত জন্মগ্ৰহণ কৰা এইগৰাকী অসমীয়া পৰিচালকে 'অৰণ্য' চিনেমাখনৰ জৰিয়তে চলচ্চিত্ৰ উদ্যোগত ভৰি দিছিল। কলেজত পঢ়ি থকা সময়তে তেওঁৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু নটসূৰ্য ফণী শৰ্মাৰ সৈতে কালজয়ী নাটক 'চিৰাজ'ত অভিনয় কৰাৰ সৌভাগ্য হৈছিল। তদুপৰি তেওঁ নিজেও নাটক ৰচনা কৰিছিল। নাটকত সাফল্য অৰ্জন কৰাৰ পাছত তেওঁৰ চলচ্চিত্ৰৰ প্ৰতি ধাউতি বাঢ়িল। ফলস্বৰূপে তেওঁ ১৯৬৭ চনত কলিকতালৈ ঢাপলি মেলিলে। তাত তেওঁ আশুতোষ বেনাৰ্জীৰে লগ লাগি 'তিনি ভুবনেৰ পাৰে' নামৰ বাংলা ভাষাৰ চিনেমা এখনৰ নিৰ্মাণকাৰ্যত জড়িত হৈ পৰে। পিছে কলিকতাত তেওঁ সৰহদিন থাকিব নোৱাৰিলে, কিয়নো তেওঁক মাতৃভূমি অসমে হাত বাউলি মাতি আছিল। ফলত ১৯৭০ চনত অসমলৈ তেওঁৰ প্ৰত্যাৱৰ্তন ঘটিল। জন্মস্থান মঙলদৈত ইতিপূৰ্বে বন্ধুসৰৰ সৈতে গঠিত ইউনাইটেড ক্লাৱে উৎসাহিত কৰাত তেওঁ অসমীয়া ভাষাত এখন মানসম্পন্ন চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ মন মেলিলে। বিষয়বস্তু হিচাপে বাছি ল'লে সেই সময়ত অসমৰ মোহনীয় প্ৰকৃতি আৰু অমূল্য সম্পদস্বৰূপ গঁড়লৈ ভাবুকি আহি পৰা বনমাফিয়া আৰু গঁড়ৰ চোৰাং চিকাৰীৰ ভয়াবহতা। চিনেমাখনৰ কাহিনী চূড়ান্ত হোৱাৰ পাছত মুখ্য চৰিত্ৰ ৰূপায়ণ কৰিবলৈ সেই সময়ৰ চফল ডেকা বিজু ফুকন আৰু পূৰ্ণযৌৱনা গাভৰু বিদ্যা ৰাওক বাছি ল'লে। বনমাফিয়াৰ ৰূপত তছদ্দুক ইউছুফ আৰু চিনেমাখনৰ এটা বিখ্যাত গীত 'দিনৰ পোহৰ ৰংচঙীয়া'ত হাতত মদৰ বটল লৈ মদ্যপান কৰি উপভোগ্য অভিনয় কৰিলে তৰুণ অভিনেতা বিজয় শংকৰে। অন্যান্য চৰিত্ৰবোৰ ৰূপায়িত কৰাৰ ক্ষেত্ৰতো শিল্পী বাছনিত তেওঁৰ দক্ষতা স্বীকাৰ কৰিবই লাগিব।

নক'লেও হ'ব যে চলচ্চিত্ৰ এখনৰ জনপ্ৰিয়তাৰ আঁৰত কাহিনীৰ বাহিৰেও মুখ্য ভূমিকা গ্ৰহণ কৰে সংগীতে। সেই ক্ষেত্ৰত সমৰেন্দ্ৰ নাৰায়ণ দেৱে হেমাংগ বিশ্বাসৰ পৰামৰ্শ অনুযায়ী প্ৰতিষ্ঠিত গীতিকাৰ কেশৱ মহন্তৰ হতুৱাই গীতকেইটা লিখি আনিলে। গীতকেইটাৰ সুৰাৰোপণ কৰিলে কলিকতাৰ প্ৰখ্যাত সংগীতজ্ঞ সুধীন দাসগুপ্তই। গীতকেইটাত জনপ্ৰিয় কণ্ঠশিল্পী মান্না দে, আৰতি মুখাৰ্জী, দ্বীপেন বৰুৱা, জাতিলেশ্বৰ মুখাৰ্জী আৰু সুজাতা মুখাৰ্জীয়ে প্ৰাণ ঢালি কণ্ঠ নিগৰালে। চলচ্চিত্ৰখনৰ কাৰিকৰী দিশতো সেই সময়ত চলচ্চিত্ৰ জগতত সুনাম অৰ্জন কৰা কলা-কুশলীক জড়িত কৰোৱাইছিল।

গণসংযোগৰ সবল মাধ্যম চিনেমা যিহেতু নিচেই সাধাৰণ, আনকি নিৰক্ষৰ মানুহৰ মাজলৈও অতি সহজে যাব পাৰে, সেয়েহে ইয়াৰ প্ৰতিক্ৰিয়া মহামাৰী ৰোগৰ দৰে নিমিষতে চাৰিওফালে বিয়পি পৰে। 'অৰণ্য'ৰ কাহিনীয়ে সেই সময়ৰ অসমবাসী লোকক চুম্বকৰ দৰে আকৰ্ষণ কৰিছিল। চিনেমাখনৰ গীতবোৰ হাট-বজাৰ, উৎসৱ-পাৰ্বণ, বাটে-ঘাটে মানুহৰ মুখে মুখে শুনিবলৈ পোৱা গৈছিল। গীতৰ কথাৰ সাৰমৰ্মই মানুহক আনন্দ

দিয়াৰ লগতে ‘দিনৰ পোহৰ ৰংচঙীয়া’ই ভাবুক কৰি তুলিছিল। তদুপৰি অসমত চলচ্চিত্ৰ নিৰ্মাণৰ শুভাৰম্ভণি এটা ঘটিছিলহে, মানুহক মনোৰঞ্জন দিব পৰা চিনেমাৰ ভিৰেই নাছিল। সেই সময়ত গাঁওবোৰত আঙুলিৰ মূৰত লেখিব পৰাকৈ দুই-এঘৰ চহকী মানুহৰ ঘৰত ব্লেক এণ্ড হোৱাইট টেলিভিছনে শোভা বৰ্ধন কৰিছিল। ডেকাচামৰ মাজত প্ৰেম-ৰোমাঞ্চৰ খোৰাক যোগাবলৈ মূলতঃ শিক্ষিতসকলৰ মাজত কিতাপ-আলোচনী আৰু নিৰক্ষৰ-শিক্ষিতৰ মাজত নাটকেই মাধ্যম আছিল বুলিব পাৰি। সি যি কি নহওঁক, চলচ্চিত্ৰখনত অভিনয় কৰা বিজু ফুকন-বিদ্যা ৰাওৰ ৰোমাণ্টিক যুটী তৰুণচামৰ মাজত চৰ্চাৰ কেন্দ্ৰস্থল হৈ পৰিছিল। অভিনেতা-অভিনেত্ৰীসকলৰ সাৱলীল অভিনয়, ঘটনালানিৰ স্বতঃস্ফূৰ্ত গতি, কাহিনীৰ অনুসন্ধিৎসা আদিয়ে ‘অৰণ্য’ক নতুন মাত্ৰা প্ৰদান কৰিছে। তদুপৰি ‘অৰণ্য’ চিনেমাখনে সেই সময়ৰ অসমীয়া সমাজখনক নিখুঁতভাৱে তুলি ধৰিবলৈ চেষ্টা কৰিছে। বৃহত্তৰ অসমভূমিত সম্প্ৰীতিৰ সাঁকো গঢ়াৰ ক্ষেত্ৰতো নেপালী সম্প্ৰদায়ক কাহিনীটোত সংযুক্ত কৰি কাহিনীকাৰে নৈপুণ্যৰ পৰিচয় দিছে। চলচ্চিত্ৰখনত পৰিচালকে গুণগত মান অটুট ৰখাৰ ক্ষেত্ৰত যেন আপোচ কৰা নাছিল--- চলচ্চিত্ৰখন উপভোগ কৰাৰ পাছত মনলৈ এনে ভাব আহে। সেইকাৰণেই সম্ভৱতঃ ‘অৰণ্য’ চলচ্চিত্ৰখনে স্বতঃস্ফূৰ্তভাৱে অসমবাসীৰ মন চুই যাবলৈ সমৰ্থ হৈছিল।

এইটো সৰ্বজনবিদিত যে চলচ্চিত্ৰ এখনৰ কাহিনী আৰু সংগীত শক্তিশালী, মনপৰশা আৰু আকৰ্ষণীয় নহ’লে সি মগজুত চিৰদিনৰ বাবে ঠাই নাপায়। তদুপৰি শ্বুটিং কৰা ঠাইবোৰ কাহিনী আৰু গীতৰ সৈতে ৰজিতা খোৱা ধৰণৰ নহ’লে দৰ্শকৰ বাবে গ্ৰহণযোগ্য হৈ নুঠে। সেইদৰে অন্যান্য কাৰিকৰী দিশবোৰ উন্নত নহ’লে চিনেমা চাবলৈ লৈ সচেতন দৰ্শক নিৰাশ হয়। সম্প্ৰতি এই কথা কাৰো অবিদিত নহয় যে চিনেমা এখন সস্তীয়া হ’লে ই চিৰকালৰ বাবে সৰ্বজন সমাদৃত হৈ মৃত্যুহীন হৈ নাথাকে। ‘অৰণ্য’ৰ বাবে সৌভাগ্যৰ কথা যে চলচ্চিত্ৰখন নিৰ্মাণ হৈছিল নাটক আৰু চিনেমাৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ থকা, জাতি-মাটি-ভেটিৰ প্ৰতি দুৰ্বাৰ টান থকা এজন নিভাঁজ অসমীয়াৰ দ্বাৰা। দৰ্শকে ‘অৰণ্য’ চোৱাৰ পাছত ক’বই ক’ব, পৰিচালকৰ ভাষা-সংস্কৃতিৰ প্ৰতি দায়িত্ববোধ আৰু জাতিপ্ৰেম শলাগ ল’বলগীয়া। আনহাতে তেওঁ ‘অৰণ্য’ৰ পিছত নিৰ্মাণ কৰা ‘পুতলা ঘৰ’ (১৯৭৬), ‘সোণৰ হৰিণ’ (১৯৭৯), ‘ৰাজা’ (১৯৮২), ‘বীৰ চিলাৰায়’ (২০১২) আদিয়ে একেই দায়বদ্ধতাৰ প্ৰতিশ্ৰুতি দাঙি ধৰিছিল। অৱশ্যে অন্য কালজয়ী অসমীয়া চলচ্চিত্ৰতো সেই একেই দায়বদ্ধতাৰ পৰিচয় চলচ্চিত্ৰ নিৰ্মাতাই দাঙি ধৰিছে। আকৌ চলচ্চিত্ৰ এখনত সংলাপ ৰচনা, পৰিৱেশ সৃষ্টি কৰা, ৰসৰ সমাৱেশ ঘটোৱা আদিবোৰো বৰ গুৰুত্বপূৰ্ণ। ‘অৰণ্য’ চিনেমাখনে এই দিশবোৰ উলাই নকৰি সেইবোৰ খাপ খোৱাকৈ ধৰি ৰাখিবলৈ যত্ন কৰিছিল। ‘অৰণ্য’ চিনেমাখন উপভোগ কৰাৰ পাছত মনটো আপোনা-আপুনি ভাল লাগি যায়, দৰ্শকক ভাবুক কৰি তোলে আৰু ই সমাজলৈ আগবঢ়োৱা বাৰ্তা আজিও প্ৰাসংগিক হৈ আছে। এইবোৰ কাৰণতে ‘অৰণ্য’ চলচ্চিত্ৰখন আমাৰ মাজত চিৰকালৰ বাবে মৃত্যুহীন হৈ থাকিব।

তথ্য উৎস—

১। *ফিফ্‌টী গোল্ডেন ইয়েৰ্ছ অৱ ‘অৰণ্য’— ফাৰহানা আহমেদ।*

https://howlyraasmahotsav.org/

ভক্তি ৰসাশ্ৰিত মীৰাবাঈ নাটকৰ চৰিত্ৰ চিত্ৰণত দেশপ্ৰেমৰ স্ফুৰণ আৰু নাট্যকাৰৰ নাট্য প্ৰতিভা

ড° ভগীৰথ নাথ

'মীৰাবাঈ' যুগল দাসৰ এখনি ঐতিহাসিক নাটক। নাটকখন ১৬৭৬ শকত প্ৰকাশ পায়। নাটকৰ কাহিনীভাগ ইতিহাস আৰু কিম্বদন্তিক আশ্ৰয় কৰি লিখা এখনি ভক্তি আশ্ৰিত নাটক। মীৰাবাঈ নাটকখন প্ৰকৃত ঐতিহাসিক নাটক বুলি ক'ব নোৱাৰি যদিও নাট্যকাৰে ইতিহাসক একেবাৰে উপেক্ষা কৰি নাট্য কাহিনী প্ৰস্তুত কৰা নাই। সেয়েহে মীৰাবাঈ ঐতিহাসিক নাটকৰ শাৰীত স্থান দি আলোচনাৰ মাজলৈ আনিবলৈ প্ৰয়াস কৰা হৈছে।

মীৰাবাঈ চিতোৰৰ ৰাণা কুম্ভৰ মহিষী। শৈশৰ কালৰ পৰাই গিৰিধৰ গোপালত তেওঁ আত্ম নিয়োগ কৰিছিল। কুম্ভৰ লগত বিবাহ পাশত আৱদ্ধ হৈও গিৰিধাৰী গোপালকে স্বামীৰূপে বৰণ কৰিছিল। স্বামী গৃহলৈ যাওঁতে গিৰিধাৰী গোপালৰ মূৰ্তিটো লগত লৈ গৈছিল। গিৰিধাৰী গোপালৰ মূৰ্তিটো প্ৰতিষ্ঠা কৰাৰ বাবে এটা মন্দিৰ নিৰ্মাণ কৰিবলৈ কুম্ভক অনুৰোধ জনালে। মীৰাৰ অনুৰোধত এটা সুন্দৰ মন্দিৰ নিৰ্মাণ কৰিলে। এই কাৰ্যত শাক্তধৰ্মী চিতোৰত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল। কুম্ভৰ কাৰ্যই মাতৃক সচকিত কৰিলে। মাতৃয়ে কুম্ভক সাৱধান বাণী শুনাই ক'লে যে, দেশৰ অমঙ্গল যাতে মাতি নানে। বাৰে বাৰে সোঁৱৰই দিয়া সত্বেও মীৰা গিৰিধাৰী গোপালৰ আৰাধনাৰ পৰা আঁতৰি নাহিল। শেষ উপায় হিচাপে মীৰাক বিষ-পান কৰালে, তথাপি মীৰাৰ মৃত্যু নহ'ল। শেষত একান্ত চিত্তে গিৰিধাৰীৰ চৰণত আত্মনিবেদন কৰি ইহলীলা সম্বৰণ কৰে।

চিতোৰৰ ৰাণা কুম্ভৰ চৰিত্ৰত দেশপ্ৰেম ফুটি উঠা দেখা যায়। মীৰাৰ ভজনৰ বাবে ৰাজ্যৰ প্ৰজা সাধাৰণৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা বুলি মাতৃয়ে কুম্ভক তিৰস্কাৰ কৰাত এই কথাৰ সত্যাসত্য নিৰূপণ কৰিবৰ বাবে চোৰাংচোৱা নিয়োগ কৰিলে। মহাৰাণাৰ দায়িত্ব প্ৰজা সাধাৰণৰ সৰ্বতো প্ৰকাৰে সুখ-শান্তি কামনা কৰা। আন পিনে ধৰ্মক সাক্ষী কৰি, অগ্নিক সাক্ষী কৰি যিজনীক জীৱন সঙ্গিনী কৰি আনিছে তেওঁক পৰিত্যাগ কৰাও অসম্ভৱ। কিন্তু ৰজা হ'লে ৰজাৰ মৰ্যাদা ৰক্ষা কৰি পূৰ্বপুৰুষৰ মান-সন্মান অটুট ৰখাটো ৰজাৰ কৰ্তব্য। এপিনে ৰাজ্যৰ প্ৰজা সাধাৰণ আনপিনে জীৱন সঙ্গিনী। তেওঁৰ মনত দোধোৰ-মোধোৰৰ সৃষ্টি হৈছে যদিও পত্নীতকৈ প্ৰজাসাধাৰণ কেতিয়াও সৰু হ'ব নোৱাৰে। সেয়েহে দেশ আৰু প্ৰজাসাধাৰণক আগস্থান দিয়া কাৰ্যই দেশপ্ৰেমৰ জ্বলন্ত নিদৰ্শন---"মই চিতোৰৰ মহাৰাণা! প্ৰজাপালন মোৰ একমাত্ৰ ধৰ্ম। পূৰ্বপুৰুষৰ সন্মান ৰক্ষা মোৰ প্ৰিয় কৰ্তব্য।

পূৰ্বপুৰুষৰ সন্মান আৰু প্ৰজাৰঞ্জনৰ বাবে মীৰাক হয়তোবা মই ত্যাগ কৰিবই লাগিব, যিদৰে প্ৰাণৰঞ্জন ৰামচন্দ্ৰে জানকীক বিসৰ্জন দিলে।" (২য় দৃশ্য)

নাটকৰ আন এটি চৰিত্ৰ কুম্ভৰ মাতৃ। কুম্ভৰ মাতৃয়ে ৰাজমাতাৰ কৰ্তব্য পালন কৰিবলৈ যোৱা কাৰ্যৰ পৰাও দেশপ্ৰেম ফুটি উঠিছে। কুম্ভই মীৰাৰ অনুৰোধ ৰক্ষা কৰি গিৰিধাৰী গোপালৰ মন্দিৰ নিৰ্মাণ কৰি দিম বুলি প্ৰতিশ্ৰুতি দিয়াত মাকৰ নিৰ্দেশ মানিবলৈ অপাৰগ হোৱা মাকে কুম্ভক

https://howlyraasmahotsav.org/

পূৰ্বপুৰুষৰ পৰা নোহোৱা কাৰ্যই যে প্ৰজাসাধাৰণৰ অন্তৰত আঘাত দিব তাক বুজা উচিত বুলি কুম্ভক দিয়া আদেশত চিতোৰৰ ৰাণাৰ মাতৃৰ অন্তৰত দেশৰ প্ৰতি থকা প্ৰেম আৰু প্ৰজাসাধাৰণৰ প্ৰতি থকা আনুগত্য প্ৰকাশ পাইছে—

"তুমি অতি কৰ্তব্য-জ্ঞান শূন্য হৈ পৰিছা, কুম্ভ!
পূৰ্বপুৰুষৰ
প্ৰতি সন্মান দেখুৱা আৰু প্ৰজাবৃন্দক আঘাত
নিদিয়াটো
তোমাৰ কৰ্তব্য। তুমি ভুল প্ৰতিশ্ৰুতি দিলা। এই
প্ৰতিশ্ৰুতি
তুমি প্ৰত্যাহাৰ কৰিব লাগিব কুম্ভ।" (২য় দৃশ্য)

চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত কোনো নতুনত্ব দেখা পোৱা নাযায়। বুৰঞ্জীৰ চৰিত্ৰ কেইটি হ'ল— মীৰাৰ দেউতাক (মৈৰাতাৰাজ), মীৰাৰ মাক, কুম্ভ, কুম্ভৰ মাক, জয়ৰথ, ৰঘুবীৰ, সন্ন্যাসী (ছদ্মৱেশী পাদছা আকবৰ) আদি। কাল্পনিক চৰিত্ৰ হ'ল— জনৰৱ আৰু কিংবদন্তীমূলক কাহিনীৰে পৰিপূৰ্ণ মীৰাৰ চৰিত্ৰ। কুম্ভ নাটকৰ নায়ক। নায়ক হিচাপে থাকিবলগীয়া গুণ কুম্ভৰ চৰিত্ৰত দেখা পোৱা নাযায়। তেওঁ মাতৃৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰশীল। কুম্ভৰ চৰিত্ৰত ৰাজকীয় গুণ থাকিলেও মাতৃৰ কথাক অৱজ্ঞা কৰিব নোৱাৰি নিজৰ নৱবধূক মৃত্যু মুখলৈ ঠেলি দি তেওঁৰ ব্যক্তিত্ব বহু পৰিমাণে লাঘৱ কৰিছে।

মীৰাৰ চৰিত্ৰ অংকনৰ ক্ষেত্ৰত নাট্যকাৰে পাৰদৰ্শিতা দেখুৱাব পাৰিছে। মীৰাৰ কাহিনী সৰ্বজন বিদিত। এনেকুৱা কাহিনী এটিক নাটকীয় ৰূপদান কৰা বৰ সহজ কাম নহয়। নাট্যকাৰে নানা কষ্ট স্বীকাৰ কৰি মীৰাৰ চৰিত্ৰ অংকন কৰি নাট্যমোদীক মীৰা ভজনৰ সোৱাদ দিব পাৰিছে। মীৰাবাঈ বৈষ্ণৱ জগতৰ এটি ডাঙৰ চৰিত্ৰ। মীৰাই গিৰিধাৰী লালৰ ওচৰত আত্ম সমৰ্পণ কৰিলেও স্বামী ৰাণাক কোনো ক্ষেত্ৰতে অৱজ্ঞা বা অশ্ৰদ্ধা কৰা নাই। বৰঞ্চ স্বামীৰ ভিতৰতে গিৰিধাৰীক বিচাৰি পাব খোজে—"ভুল নুবুজিব ৰাণা। আপুনি মোৰ স্বামী। আপোনাতে দুখ-সুখৰ মই সকলো বস্তু বিচাৰিছোঁ। আপোনাৰ ভিতৰত মোৰ গিৰিধৰ লালকো বিচাৰিছোঁ। যিদিনা গিৰিধৰক আপোনাৰ ভিতৰত মই পাম, সিদিনা মোৰ দৰদৰ থলি হ'ব একমাত্ৰ আপুনিয়ে। সিদিনা আমাৰ সম্বন্ধ সোণত সুৱগা হ'ব ৰাণা।" (২য় দৃশ্য) মীৰা যে গিৰিধৰৰ একান্ত ভক্ত সেই কথা তেওঁৰ চৰিত্ৰ নাট্যকাৰে অংকন কৰিবলৈ সমৰ্থ হৈছে। মীৰাৰ ভক্তিৰ প্ৰতিহে আনুগত্য, ধন-সম্পত্তিৰ প্ৰতি কোনো লালসা নাই। ৰজাৰ মহিষী হৈ সাধাৰণ বৈষ্ণৱী বস্ত্ৰ পৰিধান কৰি একমাত্ৰ গিৰিধৰ গোপালৰ চিন্তাত নিমগ্ন। মীৰাৰ চৰিত্ৰ অংকনত নাট্যকাৰে এটি মাদকতা আনিব পাৰিছে।

কুম্ভৰ মাতৃৰ চৰিত্ৰত দেশপ্ৰেম একনায়কত্ববাদ আৰু ক্ৰুৰ স্বভাৱ ফুটি উঠা দেখা যায়। দেশৰ প্ৰজাৰ কাৰণে মীৰাৰ নিচিনা এজনী বোৱাৰীকো ত্যাগ কৰিব পাৰে। পুত্ৰক নাম মাত্ৰ ৰজা পাতি শাসনৰ বাঘজৰী নিজৰ হাতত ৰাখি পুত্ৰকো তেওঁৰ হাতৰ চিয়াঁৰেৰে কাম কৰিবলৈ বাধ্য কৰাইছে। নাটকৰ প্ৰতিটো চৰিত্ৰ সুন্দৰভাৱে ৰূপায়ণ কৰাত নাট্যকাৰ সফল হৈছে।

যুগল দাসৰ 'মীৰাবাঈ' নাটকত সহজ সৰল আৰু পোনপটীয়া গদ্যৰ প্ৰয়োগ ঘটিছে। সহজ প্ৰকাশ ভঙ্গীঁয়ে তেওঁৰ ৰচনাৰ প্ৰাণ। উদাহৰণ হিচাপে কুম্ভৰ মাতৃয়ে কুম্ভৰ আগত কৰা উক্তিৰ কথা উনুকিয়াব পাৰি —

"মাতৃ — ই তোমাৰ যুক্তিহীন প্ৰতিশ্ৰুতি। ই তোমাৰ
নৱবধুৰ প্ৰতি অন্ধ আসক্তি। ভাল তেন্তে।
ময়ে যি কৰিব লাগে কৰিম। হয় মীৰাই কৃষ্ণ
ভজন ত্যাগ কৰিব, নতুবা চিতোৰৰ ৰাজগৃহই
ত্যাগ কৰিব লাগিব। মই জীয়াই থাকোঁ মানে
পূৰ্বপুৰুষত নোহোৱা কথা এই পৰিয়ালত
প্ৰৱৰ্তন হ'বলৈ নিদিম।" (২য় দৃশ্য)

নাট্যকাৰৰ আন এটা বিশেষত্ব হৈছে বেছিভাগ সংলাপেই চুটি চুটি। চুটি বাক্য, সৰু সৰু শব্দ আৰু চুটি চুটি অনুচ্ছেদ ব্যৱহাৰ কৰিব পৰাটো সুলেখকৰ প্ৰধান বৈশিষ্ট্য। যুগল দাসৰ নাটকত এই পদ্ধতি প্ৰয়োগে নাটকৰ বিষয়বস্তুৰ ৰমণীয়তা বৃদ্ধি কৰিছে।

'মীৰাবাঈ' নাটকত মীৰাৰ কণ্ঠত সাতোটা ভজন দিছে। আটাইকেইটা ভজনে নাটকৰ সংগীতাংশৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। তদুপৰি নাটকত বৈষ্ণৱ ভাৱধাৰাৰ আভাস এটি দাঙি ধৰিবলৈ প্ৰয়াস কৰা দেখা যায়, বৈষ্ণৱ আৰু বৈষ্ণৱীসকলৰ কথোপকথনৰ মাজেৰে। নাটকৰ শেষত দিয়া নাট্যকাৰৰ 'ওপৰঞ্চি' কথাখিনিয়ে পৰিচালক তথা অভিনেতা-অভিনেত্ৰীক বিশেষভাৱে সহায় কৰিছে। যুগল দাস যে এজন অভিজ্ঞ নাট্যকাৰ সেই কথা নাটকত দিয়া নিৰ্দেশাত্মক কথাখিনিৰ পৰাই অনুমান কৰিব পাৰি।

https://howlyraasmahotsav.org/

পুৰণি বৰপেটাৰ কথকতা

ড° নিৰ্মল ৰঞ্জন মজুমদাৰ

বৈষ্ণৱ ধৰ্মৰ মহাপুৰুষ দুজনাৰ আৰু আতা পুৰুষসকলৰ ধৰ্মচৰ্চাৰ স্থান হিচাপে, নৱ বৈষ্ণৱৰ পীঠস্থান হিচাপে বৰপেটাৰ আছে এক সুকীয়া পৰিচয়। অসমৰ সত্ৰ নগৰী বুলিলে বৰপেটাৰ কথাই মনলৈ আহে। শতিকা প্ৰাচীন চহৰ বৰপেটাক লৈ কেৱল বৰপেটাবাসীয়েই নহয়, সমগ্ৰ অসমবাসীয়ে গৌৰৱবোধ কৰে। বৰপেটাৰ ভাষা, বৰপেটাৰ সংস্কৃতি, বৰপেটাৰ আচাৰ-পৰম্পৰা, ৰীতি-নীতি, সকলোতে কিছু সুকীয়া বৈশিষ্ট্য বিদ্যমান। এইখিনিতে মন কৰিবলগীয়া কথা যে এনেবোৰ দিশৰ বহু ক্ষেত্ৰত কিন্তু এই 'বৰপেটা' শব্দটোৱে ভৌগোলিকভাৱে গোটেই জিলাখনক সামৰি নলয়। আকৌ 'বৰপেটা' শব্দটোৱে কেৱল নখন্দা, চাউলখোৱা আৰু মৰানদীকে চাৰিসীমা বুলি ধৰি লৈ মাজৰ ভূখণ্ডকো বুজোৱা নহয়। সাধাৰণতে বৰপেটাৰ দাঁতি কাষৰীয়া নগাঁও, চেঙা, বহৰি, হাউলী, ভবানীপুৰ, সৰভোগ, বৰপেটাৰোডৰ প্ৰায়সংখ্যক লোকৰেই বিশেষকৈ ভাষা-সংস্কৃতি, সত্ৰীয়া ৰীতি-নীতিৰ দিশত আছে এক সৰলীকৃত একতা। সেয়েহে এই বৃহৎ অঞ্চলৰ লোকসকলৰ প্ৰথম পৰিচয় হৈছে 'বৰপেটীয়া'। এই বৃহৎ অঞ্চলটোৰ লোকৰ পৰিচয়ৰ ক্ষেত্ৰত থকা একতাৰ বাবেই বৰপেটা যুগে যুগে উজলি আছে। পুৰণি বৰপেটাৰ, বিশেষকৈ প্ৰাক-স্বাধীনতা কালৰ সৰু অথচ তথ্যভিত্তিক আৰু তাৎপৰ্যপূৰ্ণ বুলি অনুভৱ কৰা দুটামান কথা এই লেখাটোৰ মাধ্যমত উল্লেখ কৰিবলৈ বিচাৰিছোঁ।

।। অগ্নি বীণাৰ তান ।।

বৰপেটাৰ সন্তান অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'ই যে অগ্নি বীণাৰ তান' এটি স্বদেশ-স্বজাতিৰ প্ৰতি প্ৰেম উথলিত কৰা দেশপ্ৰেমমূলক গীত।

"এইটো নহয় হাঁহি-তামাছাৰ ভাগৰ জুৰোৱা গান
ই যে জীৱন মৰণ একাকাৰ কৰা অগ্নি-বীণাৰ তান।"

অসম কেশৰীয়ে ৰচনা কৰা এই গীতটো বিগত বৰ্ষত জুবিন গাৰ্গৰ সুললিত কণ্ঠত পুনৰ যেন প্ৰাণ পাই উঠিছে আৰু বিশেষকৈ 'কা' আন্দোলনৰ সময়ত ৰাজ্যখনত বহুলভাৱে প্ৰচাৰিত হৈছিল। গীতটিয়ে ২০২০ চনৰ ১৮ ডিচেম্বৰৰ পৰা ২০২৪ চনৰ অক্টোবৰলৈকে YouTubeত প্ৰায় ২০ লাখৰো অধিক View পাবলৈ সক্ষম হৈছে। আজিও গীতটো শুনিলে অসমী আইক ভাল পোৱা প্ৰতিগৰাকী লোকৰ দেহ-মনত জাগি উঠে অন্য এক জাতীয় চেতনা। অসম কেশৰীৰ এই গীতটোৰ লগত আছে বৰপেটাৰ এক বিশেষ যোগসূত্ৰ। এই শতিকাৰ তৃতীয় দশকতো জনপ্ৰিয় তথা প্ৰাসংগিক হৈ থকা এই বিশেষ গীতটো প্ৰথমবাৰৰ বাবে ১৯১৭ চনত পৰিৱেশন কৰা হৈছিল বৰপেটাত অনুষ্ঠিত 'আসাম এচোছিয়েছন'ৰ অধিৱেশনত। অধিৱেশনখনৰ আৰম্ভণী গীত হিচাপে পৰিৱেশন কৰা এই গীতটোত কণ্ঠদান কৰিছিল ৰায়চৌধুৰীয়ে নিজেই। আজিৰ পৰা ১০৭ বছৰ পূৰ্বে বৰপেটা চহৰত অনুষ্ঠিত সেই ৰাজহুৱা সভাত পৰিৱেশিত এই গীতটো আজিও জনপ্ৰিয়তাৰ শীৰ্ষত। গীতৰ কথা একেই আছে, সলনি হৈছে মাত্ৰ কণ্ঠশিল্পীহে। ভাবিলেই আচৰিত যেন নালাগে নে শতিকাজুৰি একোটা গীতৰ কথাই কিদৰে শ্ৰোতাসমাজক মোহিত কৰি আহিছে, শ্ৰোতাৰ মন জয় কৰি আহিছে।

https://howlyraasmahotsav.org/

।। বণিক প্ৰধান জেমছেদজী টাটা।।

প্ৰায় এশ বছৰ পূৰ্বে বৰপেটাৰ সুন্দৰীদিয়া সত্ৰৰ শ্ৰীৰামচন্দ্ৰ দাসে ৰচনা কৰিছিল এখন বিশেষ কিতাপ আৰু কিতাপখনৰ প্ৰকাশক আছিল যোৰহাটৰ বৰকটকী কোম্পানী নামৰ প্ৰকাশন গোষ্ঠী। এই কিতাপখন জেমছেদজী টাটাৰ জীৱনীভিত্তিক। 'বণিক প্ৰধান জেমছেদজী টাটা' শীৰ্ষক কিতাপখনৰ ৰচক শ্ৰীৰামচন্দ্ৰ দাস শিক্ষা বিভাগৰ বিষয়া আছিল আৰু সাহিত্যিক হিচাপেও তেখেতৰ আছিল এক সুকীয়া পৰিচয়। আলোচিত কিতাপখনৰ শিৰোনাম পৃষ্ঠাত থকা তাৰিখৰ ভিত্তিত এই কিতাপখন ১৯২৮ চনৰ জুলাই মাহত প্ৰকাশ পোৱা বুলি ধাৰণা কৰিব পাৰি। অৱশ্যে 'নিবেদন' শিৰোনামেৰে লিখা পাতনিত লেখকে উল্লেখ কৰা তাৰিখ হৈছে ১৯২৯ চনৰ ১৫ ছেপ্টেম্বৰ। কিতাপখন হয়তো ১৯২৯ চনতেই ছপা হৈ ওলাইছিল। আগৰ কালত কিতাপ ছপাৰ কাম কলিকতাতহে হৈছিল। এই কিতাপখনো মুদ্ৰিত হৈছিল কলিকতাৰ বেথুন ৰোডত থকা ভাৰতমিহিৰ যন্ত্ৰত। হয়তো আজিৰ তুলনাত ছপা কামত অধিক সময়ৰ প্ৰয়োজন হৈছিল। কিতাপখনৰ দাম আছিল ১৬ পইচা। কিতাপখন ৪৩ পৃষ্ঠাৰ; লগতে ৮ টা আগপৃষ্ঠা আছে। কিতাপখনত জেমছেদজী টাটাৰ জীৱনৰ ওপৰত আলোকপাত কৰাৰ লগতে বেপাৰ-বাণিজ্যৰ কিছু নিয়ম প্ৰকৰণৰ বিষয়েও উল্লেখ আছে আৰু লেখকে কিতাপখন মূলতঃ শিশুসকলৰ বাবে লিখা শিশু সাহিত্য বুলি মত পোষণ কৰিছে। বৰপেটাৰ শ্ৰীৰামচন্দ্ৰ দাসৰ চিন্তাৰ পৰিসৰ শলাগিবলগীয়া। তেখেতে কিতাপখন গতানুগতিক জীৱনীমূলক কিতাপতে সীমাবদ্ধ নাৰাখি ইয়াৰ লগত বেপাৰ-বণিজৰ কথাও সন্নিৱিষ্ট কৰিছে। সেই সময়ত অসমীয়া ভাষাত এনে বিষয়ৰ কিতাপ পাবলৈ নাই বুলিয়েই লেখকে পাতনিত উল্লেখ কৰিছে। সেই দিশৰ পৰাও কিতাপখন মূল্যৱান। বেপাৰ-বণিজৰ ক্ষেত্ৰত বৰপেটা অঞ্চলৰ এক সুকীয়া সুনাম আছে। সেই বৰপেটা অঞ্চলৰ লোকেই আজিৰ পৰা ৯৫ বছৰৰ পূৰ্বেই দেশৰ এগৰাকী প্ৰখ্যাত বণিকৰ জীৱনী লিখি শিশুসকলক বেপাৰ-বাণিজ্যৰ প্ৰতি আকৰ্ষিত কৰাৰ স্বাৰ্থত এই বিষয়ৰ আদিপাঠ দিয়াৰ প্ৰয়াস কৰিছিল। ইয়ো এক গৌৰৱৰ বিষয় নহয় জানো।

।। বিদ্যালয়ৰ বাৰ্ষিক উৎসৱত সাঁতোৰ, নাওখেল প্ৰতিযোগিতা।।

পুৰণি বৰপেটাৰ চৌপাশ আৰু চহৰখনো নৈ, জান, খাল, বিল আদিৰে আবৰি থকাৰ হেতুকে এই ভূমিখণ্ডই বৃহৎ বৃহৎ পিটনিৰ পৰাই 'বৰপেটা' নামটো পোৱা বুলিও কোৱা হয়। অতীতৰ বৰপেটাৰ ল'ৰাৰ পৰা বুঢ়ালৈ সকলোৱে হেনো সাঁতুৰিব জানিছিল। একালত, বিশেষকৈ বাৰিষা কালত নাৱেই আছিল এই অঞ্চলটোৰ পৰিবহনৰ সুচল ব্যৱস্থা। ভাবিবলৈ আচৰিত যেন লাগিলেও সঁচা যে তাহানিৰ বৰপেটাৰ বিদ্যালয়ৰ বাৰ্ষিক উৎসৱত সাঁতোৰ প্ৰতিযোগিতা, নাওখেল প্ৰতিযোগিতা আদিও অনুষ্ঠিত হৈছিল। বৰপেটাৰ ঐতিহ্যমণ্ডিত বিদ্যাপীঠ হাইস্কুলৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজিত অন্যান্য ভিন্ন কাৰ্যসূচীৰ ভিতৰত বিভিন্ন খেল-ধেমালিৰ লগতে সাঁতোৰ প্ৰতিযোগিতা আৰু নাওখেল প্ৰতিযোগিতাও আয়োজন কৰা হৈছিল। নাওখেলৰ বিজয়ী দলক আগবঢ়োৱা হৈছিল 'স্বৰ্গীয় পানোৰাম মেডেল'। ১৯৩৫ চনত আয়োজিত এনে কিছু প্ৰতিযোগিতাৰ খবৰ সেইসময়ৰ বিখ্যাত অসমীয়া আলোচনী 'আৱাহন'ৰ সপ্তম বৰ্ষৰ দ্বিতীয় সংখ্যাৰ পাতত আলোকচিত্ৰসহ প্ৰকাশ পাইছিল। তদানীন্তন অসমৰ আগশাৰীৰ আলোচনী এখনত স্থান পোৱাৰ পৰাই সহজে অনুমান কৰিব পাৰি তাহানিৰ সেই প্ৰতিযোগিতাসমূহৰ গুৰুত্বৰ কথা। আজিৰ দিনত অবিশ্বাস্য যেন লাগিলেও ৯০ বছৰ পূৰ্বৰ বৰপেটা চহৰৰ বাবে ইয়ে হয়তো আছিল এক গতানুগতিক কথা।

বৰপেটাবাসীয়ে অতীতৰ পৰাই সংগীত-চৰ্চা, সাহিত্য-চৰ্চা, খেলা-ধূলা সকলো দিশতেই যে কিছু পৃথকতাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল, সেই কথাই যেন প্ৰতিফলিত হৈছে উল্লিখিত তিনিওটা উদাহৰণত। অতীতৰ বৰপেটাৰ এনে বহু কথাই কিতাপৰ পাতে পাতে, বয়োজ্যেষ্ঠ বহু লোকৰ মুখে মুখে চলি আহিছে। অতীতৰ এনে সোণসেৰীয়া কথাৰে নৱ প্ৰজন্মক উদ্ভাসিত কৰাৰ বাবে এই ধৰণৰ কথাবোৰৰো সময়ে সময়ে আলোচনা-চৰ্চাৰ অতীৱ প্ৰয়োজন। হয়তো হাউলীৰ ৰাসমঞ্চও হ'ব পাৰে ইয়াৰ বাবে এক উপযুক্ত স্থান। কাৰণ অতীতৰ এনে গৌৰৱময় কথাই আমাৰ উঠি অহা প্ৰজন্মক দেখুৱাবৰ বাবে সমাজত বাট বুলাৰ সুগম-সুচল পথ। বিংশ শতিকাৰ প্ৰথমৰ তিনিটা দশকৰ এই তিনিটা কথাৰেই পুৰণি বৰপেটাৰ কথকতা শীৰ্ষক এই চমু লেখাটো সামৰিছোঁ।

https://howlyraasmahotsav.org/

চৈতন্য মহাপ্ৰভু
হৈছে ১৫ শ শতিকাৰ হৰেকৃষ্ণ
আন্দোলনৰ এক কৃষ্ণ ভক্ত বৈষ্ণৱ
প্ৰবৰ্তক। নৃত্য গীতেৰে
হৰিনাম প্ৰচাৰ কৰাটো
তেওঁৰ প্ৰধান বৈশিষ্ট্য আছিল।
তেওঁৰেই শিষ্য হৰিদাস।
১৪৫০ ত জন্মা হৰিদাস ইমানেই
কৃষ্ণ ভক্ত আছিল যে
তেওঁ দৈনিক ৩ লাখ বাৰ
“হৰেকৃষ্ণ” নাম
জপ কৰিছিল। তেওঁক মামা
ঠাকুৰ বা যৱন হৰিদাস
নামেও জনা
গৈছিল।

নিধিবন এক ৰহস্য

ডেইজী বৰা

https://howlyraasmahotsav.org/

বৃন্দাবনৰ নিধিবনৰ বিষয়ে জনাৰ আগতে চৈতন্য মহাপ্ৰভু আৰু তেওঁৰ শিষ্য হৰিদাসৰ বিষয়ে জানি লওঁ আহক। চৈতন্য মহাপ্ৰভু হৈছে ১৫ শ শতিকাৰ হৰেকৃষ্ণ আন্দোলনৰ এক কৃষ্ণ ভক্ত বৈষ্ণৱ প্ৰবৰ্তক। নৃত্য গীতেৰে হৰিনাম প্ৰচাৰ কৰাটো তেওঁৰ প্ৰধান বৈশিষ্ট্য আছিল। তেওঁৰেই শিষ্য হৰিদাস। ১৪৫০ ত জন্মা হৰিদাস ইমানেই কৃষ্ণ ভক্ত আছিল যে তেওঁ দৈনিক ৩ লাখ বাৰ “হৰেকৃষ্ণ” নাম জপ কৰিছিল। তেওঁক মামা ঠাকুৰ বা যৱন হৰিদাস নামেও জনা গৈছিল।

এই নিধিবন আছিল তেওঁৰ সাধনাস্থলী। যদিও তেওঁৰ জন্ম বংগত হৈছিল তেওঁ এই নিধিবন স্থাপন কৰি ইয়াতে কৃষ্ণ ভক্তিত লীন গৈছিল। এই বনৰ তুলসী গছবোৰ তেওঁৰ দিনতে ৰুৱো। (কোনোৱে কয় এইবোৰ ৫০০০ বছৰ পুৰণি, কৃষ্ণৰ দিনৰ)। দিনে ৩ লাখবাৰ কৈ কৃষ্ণ নাম জপ কৰি তেওঁ কৃষ্ণৰ এনেদৰে আৰাধনা কৰিছিল যে, এদিন সপোনত তেওঁক কৃষ্ণই কথা দিছিল যে তেওঁ ইয়ালৈ আহিব আৰু ইয়াতে থাকিব। তাৰ পাছত নিধিবনত অলৌকিক ঘটনা ঘটিবলৈ লৈছিল। যাৰ ৰহস্য আজিও কোনেৰে উদ্‌ঘাটন কৰিব পৰা নাই।

যদিও দিনত নিধিবনত ভক্তৰে ভৰি থাকে সান্ধ্য আৰতিৰ পাছত ৭ বজাত ইয়াৰ সকলো দুৱাৰ তলা লগাই বন্ধ কৰি দিয়া হয়। ভিতৰলৈ কাকো যাব দিয়া নহয়। তাত কাকো ৰাতি যাপন কৰিব দিয়া নহয়। কোৱা হয় ৰাতি তালৈ কৃষ্ণ আৰু ৰাধা আহে। তাত থকা ৰংমহল নামৰ মন্দিৰটোত এখন চন্দন কাঠৰ বিচনা ৰখা আছে, সেইখন ফুলেৰে সজাই ৰখা হয়। কাষতে, শাৰী, শাখা, বিন্দি, মিঠা পাণ, মিঠাইৰ বাকচ, দাঁত ঘঁহা ব্ৰাচ, পানীৰ বটল আদি ৰখা হয়। কিন্তু তলা লগাই থোৱা হয়। ইয়াত ৰাধাক সজাই পৰাই শৃংগাৰ কৰি কৃষ্ণ নিধিবনৰ তুলসীবোৰৰ মাজলৈ যায় আৰু তুলসীবোৰে গোপীৰ ৰূপ লৈ সকলোৰে মিলি স্বৰ্গীয় ৰাস নৃত্য কৰে। যি নৃত্য চৈতন্য প্ৰভু আৰু হৰিদাসে কৰিছিল। পূৱতী নিশা আকৌ ৰংমহলত

জিৰণি লৈ, দাঁত ঘঁহি মিঠাই, পাণ খাই গুচি যায়। কোনেও দেখা নাপায়। যিয়ে চাবলৈ যত্ন কৰে তাৰ চকু অন্ধ আৰু মুখ বোবা হৈ যায়। সেয়ে চাবলৈ ভয় কৰে বা দিয়া নহয়। পুৱা কিন্তু সদায় মিঠাইৰ লাডুবোৰ আধা খোৱা, পাণ আধা খোৱা, ব্ৰাচ দাতুন কৰা, ফুলে সজোৱা বিচনা খেলিমেলি হৈ থাকে।

তাৰ ৰসহ্য উদ্‌ঘাটন কৰিলে বহু ডাঙৰ ডাঙৰ বুৰঞ্জীবিদ, বিজ্ঞানী ইয়ালৈ আহিছে। কিন্তু সুদা হাতে ঘূৰি গৈছে। এবাৰ এটা বিদেশী মিডিয়াৰ মানুহে CC কেমেৰা ফিট কৰি থৈছিল। কিন্তু একো ৰেকৰ্ড নহ'ল। অথচ কেমেৰা ঠিকে চলি আছিল।

১০ বছৰ মান আগতে বংগৰ এজন কৃষ্ণ ভক্তই তেওঁৰ গুৰুৰ মুখত নিধিবনৰ বিষয়ে শুনি ইমানে আপ্লুট হৈছিল যে ৰাতি তাত আহি মনে মনে গছৰ আৰত লুকাই আছিল। সন্ধিয়া গেট বন্ধ কৰা মানুহে দেখি উলিয়াই লৈ গৈছিল। দ্বিতীয় দিনা আকৌ লুকাই থাকিল, আকৌ বিচাৰি পালে। তৃতীয় দিনা এনে জেগাত লুকাল যে কোনেও নেদেখিলে। পিছদিনা পুৱা সৰাপুচা কৰা মাইকী মানুহ কেইজনীয়ে দেখিলে এটা মানুহ মাটিত শুই আছে আৰু মুখেৰে ফেন উলাই আছে। তেওঁৰ গুৰু গোবৰ্ধনৰ আশ্ৰমত আছিল। তালৈ লৈ গ'ল। ১০ দিনমানৰ পাছত অলপ ভাল হৈ এখন কাগজ বিচাৰিলে লিখিবলে কাৰণ সি বোবা হৈ গৈছিল। কাগজখন দি গুৰু গা ধুবলৈ গ'ল। আহি পাই দেখে বেৰতে আউজি সি মৰি আছে। কাগজ খনত লিখা আছে... "নিধি বনত প্ৰভুৰ যি ৰূপ দেখিলো, মোৰ আৰু পৃথিৱীত কোনো বস্তু চোৱাৰ হাবিয়াস নাই। তেওঁৰ ৰূপ দেখাৰ পাছত জীয়াই থকাৰো ইচ্ছা নাই।"....

বঙালী ভাষাত লিখা এই কাগজখন মথুৰাৰ সংগ্ৰহালয়ত এতিয়াও আছে।

নিধিবনৰ কাষত এতিয়া মানুহৰ ঘৰে ভৰি পৰিল। কিন্তু কোনোৱে সন্ধিয়াৰ পাছত সেইফালে নাচায়। সেইফালে থকা ঘৰৰ খিৰিকীবোৰ নোখোলে। দিনটো গিজগিজাই থকা বান্দৰ, চৰাইবোৰো তাৰ পৰা ওলাই যায়। গোটেইখন নিতাল মাৰে। কোনোৱে বাঁহীৰ সুৰ নুপুৰৰ ধ্বনিও শুনা বুলি কয়।

তাত থকা তুলসীবোৰ কাকো চুব দিয়া নহয়। তাৰ পাত আনিলেও অমংগল হয়। তাৰ গছবোৰ জোৰা পাতি এডালে আনডালত মেৰ খাই থকা। গা গছ তল লৈ দো খাই থকা আৰু শিপাবোৰ ওপৰলৈ যোৱা। ৰাতিবোলে গছবোৰে ইঠাইৰ পৰা সিঠাইলৈ যায়, নাচে। তাকে প্ৰমাণ চাবলৈ এবাৰ কেইজনমানে ইডাল গছৰ পৰা সিডাল গছলৈ ৰছি বান্ধি থৈছিল। পুৱা গৈ দেখে ৰছীবোৰ ছিঙি আছে। এইবোৰেই নিধিবনৰ ৰহস্য আৰু এই বিজ্ঞানৰ যুগতো কোনেও ভেদ কৰিব পৰা নাই।

কৃষ্ণ এতিয়াও ইয়াত আছে পৰম ভক্ত হৰিদাসৰ বাবে। নিধি বনত হৰিদাসৰ লগতে আৰু কেইজনমান গুৰুৰ সমাধিও আছে। তাৰোপৰি আছে ললিতা কুণ্ড, কৃষ্ণই বাঁহীটো মাটিত হেচি বনোৱা কুঁৱা আৰু সৰু সৰু বহুতো মন্দিৰ।

কৃষ্ণ বিষ্ণুৰ অষ্টম অৱতাৰ আছিল। ৰজা আকবৰক হেনো তানসেনে ইয়ালৈ লৈ আহিছিল স্বামী হৰিদাসক সাক্ষাৎ কৰিবলৈ।

https://howlyraasmahotsav.org/

পত্তাপৰ পত্তাপ

বিবেকাৰঞ্জন ৰায় চৌধুৰী

মানুহজনৰ নাম 'পত্তাপ'। নামে-কামে মিলা। কিছুমানৰ মন্তব্য--- "দাঢ়ি-চুলিৰে হটঙা কথাৰে মানুহজন বৰ ৰুক্ষ। তেওঁৰ চালচলন সাজ-পোচাক চকুত লগা বিধৰ নহয়।" আন একাংশৰ মন্তব্য, মানুহজন সাংস্কৃতিক দিশত অৰ্থাৎ সংগীত, নাটক, "নাচ-গান আদিত কোনো ৰাপ নথকা এক নীৰস ব্যক্তি। তেওঁৰ তীক্ষ্ণ কথাবোৰে কিছুমানক শেলে বিন্ধা দিয়ে।" এনেকুৱা উপলুঙাসূচক দৃষ্টিকোণেৰে একাংশই তেওঁক অৱহেলাৰ চকুৰে চায়। তেওঁ কি ইমানেই নীৰস নে? উপৰুৱা দৃষ্টিত কোনো মানুহৰ ওপৰত কৰা মন্তব্যবোৰ যে সকলো সময়তে সঁচা নহয় তাৰেই নিদৰ্শন এই গৰাকী মহান ব্যক্তি। আমি ক'বলৈ ওলাইছোঁ— যিগৰাকী ব্যক্তি সমগ্ৰ অসমৰ ৰাজহাড়। যিগৰাকী ব্যক্তি একেধাৰে কবি, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, অভিনেতা, নাট পৰিচালক, নৃত্য পৰিচালক, সংগীত পৰিচালক, মল্লযোদ্ধা, স্বাধীনতা সংগ্ৰামী, উৎকট দেশপ্ৰেমিক, ভৱিষ্যদ্ৰষ্টা (ভৱিষ্যদ্ৰষ্টা এই কাৰণেই কৈছোঁ, যি সময়ত আজিৰ পৰা প্ৰায় শতবৰ্ষ আগতেই কৈছিল— "অসমখেন গেল এ, কিবা এটা কৰ") আজি আমি এই প্ৰজন্মৰ মানুহে মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ এই অপ্তবাক্য। অসম আন্দোলনৰ প্ৰভাৱ দেখিলো, অসমৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত তেজাল ডেকাবোৰ ছহিদ হোৱা, প্ৰায় প্ৰতিখন ঘৰতে চি আৰ পি বাহিনীৰ অত্যাচাৰ দেখিলো। তেওঁ কোৱা কথাখিনি যদি সেই সময়তেই চিন্তা কৰিলেহেঁতেন আজিৰ প্ৰজন্মই ইমানখিনি কষ্ট নাপালেহেঁতেন। কাৰোবাৰ সুস্থিৰ চিন্তাধাৰাৰ বা স্বাৰ্থজনিত কাৰণতেই হয়তো তেওঁৰ কথাক গুৰুত্ব নিদিলে। সাঁতোৰবিদ, উচিত কথাত ৰজাক দেও নোবোলা এইগৰাকীয়ে হ'ল অসমবাসীৰ নমস্য ব্যক্তি অসম কেশৰী অম্বিকাগিৰী ৰায় চৌধুৰী। (প্ৰথমতে 'অম্বিকাচৰণ' আছিল, পিছলৈ শ্ৰীমন্ত শংকৰদেৱৰ বংশৰ হোৱা বাবে চৰণ গুচাই 'গিৰী' যোগ কৰি অম্বিকাগিৰী হ'ল) উৎপতীয়া স্বভাৱৰ বাবে তেওঁলোকৰ ঘৰতে থকা 'জানকী'য়ে দিয়া নাম 'পত্তাপ'।

https://howlyraasmahotsav.org/

নিচেই সৰুৰে পৰা মাকৰ পৰা বৰগীত শিকি পিছলৈ প্ৰতিষ্ঠিত শিল্পী হ'বলৈ পাৰিছিল। বৰপেটাত কীৰ্তন ঘৰৰ যাত্ৰা নাট বাঙালী নাটৰ অনুবাদবোৰ তেওঁৰ মুঠেই পচন্দ হোৱা নাছিল। তাৰেই বিৰোধিতা কৰি অসমীয়া নাট লিখিবলৈ কলম হাতত তুলি লৈছিল।

এইগৰাকী ব্যক্তিৰে অতীতৰ দুই-এটা কথাৰে আমি আজি এই লেখাৰ পাতনি মেলিবলৈ প্ৰয়াস কৰিছোঁ। যিবিলাক কথা আজিৰ প্ৰজন্মই হয়তো ভালকৈ নাজানে বা চৰ্চালৈ নাহে।

১। পত্তাপৰ ঘৰৰ নিচেই কাষেৰে বৈ গৈছে এটি জান। নাম 'হাবিজান'। মহাপুৰুষ মাধৱদেৱ গুৰুজনাই স্থাপন কৰা বৰপেটা সত্ৰৰ পূবপিনে থকা খট্‌খটিৰ কাষেৰে মৰানদীৰ পৰা এই জানটো ওলাই নখান্দাত মিলিছে গৈ। এই জানটোৰ প্ৰচুৰ মাছ। সেই অঞ্চলৰ সকলোৰে এই জানটোত মাছ ধৰে। মাজে-সময়ে পত্তাপহঁতো যায়। এদিন ককায়েক গিৰিশচন্দ্ৰৰ লগত পত্তাপো ওলাল উক্ত জানত মাছ মাৰিবলৈ। বাকীসৱে মাছ মাৰি মাৰি বহুদূৰ পালেগৈ। পত্তাপহঁত পিছ পৰি ৰ'ল। এনেতে হঠাৎ গিৰীশচন্দ্ৰক এডাল জোঙা কটহ বাঁহৰ কাঁটাই ভৰিত বেয়াকৈ বিন্ধি

ধৰিলে। থিতাতে গিৰীশচন্দ্ৰ বোকাপানীতে বহি পৰিল। অতিপাত কষ্টত তেওঁ কেঁকাবলৈ ধৰিলে। পত্তাপে লগৰবোৰক চিঞৰি মাতিলে। কোনেও সেই চিঞৰ শুনা নাপালে। অগত্যা পত্তাপেই বহু কষ্টেৰে ভৰিৰ কাঁইটডাল টানি উলিয়ালে। তেজেৰে তুমৰলি হ'ল ভৰিখন। উপায় নাপাই তেওঁলোক ঘৰলৈ অহিব খুজি দেখে গিৰীশচন্দ্ৰই কোনোমতে খোজ কাঢ়িব নোৱাৰে। ভায়েক পত্তাপে কোনোমতে তেওঁক পিঠিত তুলি ঘৰ পোৱালে। ভাগৰত অৱশ ককায়েকক চোতালত থৈ পত্তাপেও মাটিত দীঘল দি পৰি ফোঁপাবলৈ ধৰিলে। ডাঙৰসকল আহি দুয়োকে শুশ্ৰূষা কৰিবলৈ লাগি গ'ল। সেই সময়ত পত্তাপৰ বয়স ৮ বছৰ আৰু ককায়েক বয়স ১০ বছৰ মাথোঁ।

২। এই পত্তাপেই সৰুতে এদিন কিবা কথাত খং উঠি ককায়েকক এডাল জোঙাবস্তুৰে পিঠিতে হানি দিলে। ককায়েকৰ পিঠি ফুটি তেজ ওলাল। কান্দি কান্দি তেওঁ চিঞৰিলে--- 'আই চা আহি, নাপিতিয়ে মোক পিঠিত হানি দিছে। (সৰুৰে পৰা ককায়েক পত্তাপক 'নাপিতি' বুলি মাতিছিল আৰু পত্তাপেও ককায়েকক 'বুকোৰ দাদা' বুলি মাতিছিল।) ঘটনা বিষম দেখি পত্তাপ পলাল। পত্তাপহঁতৰ আতা-আবুৰ দিনৰে পৰা তেওঁলোকৰ আশ্ৰয়ত থকা জানকীয়ে (পত্তাপহঁতে 'বৌ' বুলি মাতিছিল।) ককায়েকক শুশ্ৰূষা কৰাৰ লগতে কৈ উঠিল— ন-কইনা, আজি পত্তাপক ভাত নেদু। (জানকীয়ে পত্তাপৰ মাকক মৰমতে ন-কইনা বুলি মাতিছিল।) ইতিমধ্যে পত্তাপে খাটৰ তলত লুকাই সকলো কথা শুনি থাকিল। সময়ত সকলো শাম কাটিল। দুপৰীয়া মাকে ককায়েকক ভাত খাবলৈ মাতিলে। লগে লগে ককায়েকে সুধিলে--- নাপিতিকো ভাত দিছানে আই? লগে লগে জানকীয়ে মাত দিলে —'তাক আজি ভাত নেদো, তই খাহহি'। ককায়েকে ক'লে, 'তাক ভাত নেদিলে ময়ো নাখাও।' মাকে কৈ উঠিল — 'সি দেখোন নাই ক'ত বা পলাই আছে? তয়ে খাই ল।'

'আই, তাক যদি নামাৰা, মই তাক আনি দিবা পাৰু।' ককায়েকৰ অনুৰোধত মাকে নামাৰু বুলি কোৱাত মাক আৰু জানকীয়ে ক'লে--- 'যা নামাৰু যা, উঃ এনেয়ো পত্তাপ তেনেইও পত্তাপ। ইয়াক লৈ মহা সমস্যা হৈছে। যা নামাৰু যা, সি ক'ত আছে তাক লৈ আহ। পুৱাৰ পৰা এই থিয়া দিপ্ৰাক লোগি তাৰ দেখা-দেখি নাই। কোক বা গেল...."

তাক কোনেও নেদেখিলেও ককায়েকে কিন্তু সি ক'ত লুকাই আছে দেখিছিল। ককায়েকে খাটৰ তলত লুকাই থকা পত্তাপক মাতি উলিয়াই আনি গা-মূৰ পিহি মৰম কৰি ক'লে — 'মোক আৰো নামাৰ্ বিদে নাপিতি।" দাদাকৰ মৰমত পত্তাপে যথেষ্ট শোক পালে আৰু কান্দি কান্দি ক'লে ---"তোক আৰো কেথেনো নামৰু বুকোৰ দাদা।" এয়া এক ভাতৃপ্ৰেমৰ বিৰল দৃষ্টান্তই সিদিনাৰ পৰা আৰু কোনো দিনে ককায়েকক মৰাটো দূৰৈৰে কথা, উচ্চস্বৰেও এষাৰ কথা কৈ নাপালে।

৩। পত্তাপৰ ককায়েকৰ প্ৰতি থকা মৰমৰ আন এক নিদৰ্শন— সৰ্বানন্দ দত্ত। ঘৰ বজালীৰ ৰতনপুৰত। সম্পৰ্কত তেওঁ পত্তাপহঁতৰ ককায়েক। গিৰীশচন্দ্ৰৰ লগত একেখন স্কুলতে পঢ়ে। এদিন এই সৰ্বানন্দই বিদ্যালয়ত শিক্ষকক গিৰীশচন্দ্ৰৰ বিষয়ে কিবা কথা কৈ শাস্তি দিয়াইছিল। কথাটো শুনি পত্তাপৰ খং চুলিৰ আগ পালে। কোনোবাই ককায়েকক কিবা ক'ব, কিবা কৰিব, পত্তাপ থাকোতে সেয়া সম্ভৱ হব নোৱাৰে। এই ঘটনাৰ পোটক তুলিবলৈ তেওঁ চিন্তা কৰিবলৈ ধৰিলে— কেনেকৈ সৰ্বা ককায়েকক এশিকনি দিব পাৰে। মুখামুখিকৈ একো ক'ব নোৱাৰে, কাৰণ সৰ্বানন্দ জ্যেষ্ঠ আৰু তেওঁ কনিষ্ঠ।

https://howlyraasmahotsav.org/

এদিন সুযোগ ওলাল। সৰ্বানন্দই ৰাতিপুৱা ৰ'দত বহি কিতাপ পঢ়ি আছে। তেওঁক দেখাৰ লগে লগে সুযোগৰ অপেক্ষাত থকা পত্তাপে আগধৰি সাজু কৰি ৰখা এছটা বাঁহৰ চেকনিৰে পিছপিনৰ পৰা সৰ্বানন্দক উধাই-মুধাই কোবাই কোবাই ক'লে — "আৰো মোৰ বুকোৰ দাদাক তেনে কোৰ্বিনা?" এইবুলি ভিৰাই লৰ মাৰিলে। সৰ্বানন্দৰ চিঞৰত ঘৰৰ মানুহবোৰ ওলাই আহিল। কথাটো গম পাই জানকীয়ে কৈ উঠিল — "উঃ এই পত্তাপৰ পত্তাপ দিনক দিনে বাঢ়ি গৈছে। তাক আজি মজা পালি দিম।" পিছত মাকে পত্তাপক চেকনিৰে কোব কেইটামান মাৰিলে। ককায়েক গিৰীশচন্দ্ৰই চৰ মৰাৰ নিচিনা গালত লাহেকৈ আঙুলি লগাই ক'লে — "এনে বয়া কাম আৰো নকৰোৰি নাপিতি।"

৪। পত্তাপহঁতৰ ঘৰৰ কাষতে পৃথুনাথ তহবিলদাৰৰ ঘৰ। লগতে এখন প্ৰকাণ্ড বাৰী। তাত নানান ফল-মূলৰ গছ-গছনি। বাৰীখনৰ এমূৰে এটা খেৰৰ পঁজাত এজন বুঢ়াই বাস কৰি বাৰীখন চোৱা-চিতা কৰে। বুঢ়াক সকলোৱে কুঁজা বুঢ়া বুলি মাতে। বাৰীখনত পকি ওলমি

থকা আমবোৰ দেখি এদিনাখন ককয়েক গিৰীশচন্দ্ৰ আৰু ওচৰৰ দুজনমান ককায়েকৰ লগত আমৰ বাৰীত সোমাল। গছ বগোৰাত পাকৈত পত্তাপে এজোপা আমৰ গছত উঠি আম পাৰি দি আছে আৰু তলত থকা ককায়েকহঁতে সেইবোৰ লৈ আছে।

এনেতে কুঁজা বুঢ়াই দেখা পাই এডাল বাহৰ টোকোন লৈ খেদি আহিল। বাকীবোৰে কথা বিষম দেখি দৌৰি পলাল। কিন্তু ককায়েক গিৰীশচন্দ্ৰই পলাই নগ'ল। তেওঁ কুঁজা বুঢ়াক ক'লে — "আমাক নামাৰ্বা আতা, আমবোৰ আমি নেনু। তুমি ৰাখি থোৱা। আমাক যাবলৈ দিয়া।" কিন্তু কুঁজা বুঢাই তেওঁৰ কথাত কাণ নিদি গছৰ ওপৰত থকা পত্তাপক ক'লে—"নামি আহ বেটা, আজি তোৰ হাড়া ভাঙি দিম।" পত্তাপে কিন্তু বুঢ়াৰ কথাত কাণ নিদি গছত বহি থাকিল। কুঁজা বুঢ়াই যিমানে ধম্‌কি দিয়ে সিমানে তেওঁ গছৰ ওপৰলৈহে যায়। পিছত ককায়েকে ক'লে--- "আহ নাপিতি, নামি আহ। আমাক আৰো আম নাল্‌গে। আমি যাউ আহ।" ককায়েকৰ কথাত পত্তাপ বিমোৰত পৰিল। কি কৰিব এতিয়া? ককায়েকৰ কথাও পেলাব নোৱাৰে। গছৰ ওপৰতে তীক্ষ্ণতৰ পত্তাপে এটা বুধি পাঙিলে। লাহে লাহে গছৰ পৰা নামি আহি কিছু ওপৰৰ পৰা জাঁপ মাৰি কুঁজা বুঢ়াৰ গাৰ ওপৰতে পৰিল। কুঁজা বুঢ়াই উঃ আঃ কৈ মাটিত বাগৰি পৰিল। কিন্তু লগে লগে কুঁজা বুঢ়াই পত্তাপৰ এখন ভৰিত জপটিয়াই ধৰিলে। দুয়োৰে টনা-আজোৰা দেখি ককায়েকে ক'লে— "আতা', এৰি দে নাপিতিক। আমাক আম নাল্‌গে। আমি গুচি যাউ।" লগে লগে কুঁজা বুঢ়াৰ উত্তৰ 'এৰি দিম? আজি তুহুন দোকে বলি দিম।" ঠিক এনেকুৱা সময়তে মন্দিয়া সত্ৰৰ পৰা আহি থকা ৰাজো ঠাকুৰৰ বুজনিতহে কুঁজা বুঢ়াই তেওঁলোকক এৰি দিলে, লগতে ক'লে--- ই পত্তাপ যি পত্তাপেই। ইয়াৰ পাছোত দেখ্‌লি তুহাক মজা দিম।

৫। পত্তাপৰ বয়স তেতিয়া মাত্ৰ ১৩ বছৰ। গুৱাহাটীলৈ যাব। তেতিয়া বৰপেটাৰ পৰা যাব পৰা ৰেলপথ হোৱাই নাই। পত্তাপে প্ৰায় ২০ কিঃ মিঃ খোজ কাঢ়ি খোলাবন্ধা জাহাজ ঘাটত জাহাজত উঠিল। মাকে লগত দিয়া লফৰা আৰু ব্ৰহ্মপুত্ৰৰ পানী খাই শুই পৰিল। পিছদিনা জাহাজ পলাশবাৰী ঘাটত থামিল। যাত্ৰীবোৰে নামি গৈ লাগতিয়াল বস্তুবোৰ পাৰত থকা দোকানবোৰৰ পৰা ল'লে। এনেতে জাহাজত বহি থকা পত্তাপে দেখিলে এগৰাকী ধুতি পৰিহিত ভদ্ৰলোকে পোহাৰী এজনীৰ পৰা অমিতাখিনি পইচা নিদিয়াকৈ উভতিব খোজোতে পোহাৰীজনীয়ে ভদ্ৰলোকজনৰ পোন্ধত টানি ধৰিলে। দুয়োৰে টনা-আঁজোৰা লগা অৱস্থাত ভদ্ৰলোকজনে পোহাৰীৰ কপালত জোতাৰে প্ৰচণ্ড গোৰ মাৰি দিলে। পোহাৰীজনী কৰ্ফাল খাই পৰি গ'ল। তাইৰ কপালেৰে তেজ বিৰিঙি ওলাল। ভদ্ৰলোকজনে সেইফালে গুৰুত্ব নিদি জাহাজলৈ খোজ ল'লে। পত্তাপে জাহাজৰ পৰা উক্ত ঘটনাবোৰ দেখি ৰ'ব নোৱাৰিলে। খঙতে জাহাজৰ পৰা নামি সেই তথাকথিত ভদ্ৰলোকজনা উধাই-মুধাই মাৰিব ধৰিলে। এই দৃশ্য দেখি জাহাজৰ কেপ্তেইন আৰু আন মানুহে কাজিয়াখন ভাঙি দিলে। পত্তাপৰ জোৰদাৰ দাবীত ঘটনাটোৰ বিচাৰ হ'ল। বিচাৰত ভদ্ৰলোকজন দোষী সাব্যস্ত হ'ল। ভদ্ৰলোকজনে পোহাৰীজনীক উচিত মূল্য দিবলৈ বাধ্য হ'ল। পত্তাপৰ সততাত জাহাজত বহি থকা দুগৰাকী জ্যেষ্ঠ ব্যক্তি সন্তুষ্ট হ'ল। তেওঁলোক মহৰ্ষি কমলাকান্ত ভট্টাচাৰ্য আৰু মহাপুৰুষীয় ৰত্ন হৰিবিলাস আগৰৱালা।

৬। এদিনাখন গোলোক গুৱাল নামৰ ব্যক্তি এগৰাকীৰ প্ৰায় ৮ বছৰীয়া ছোৱালীজনী কোনেবাকৈ ব্ৰহ্মপুত্ৰত পৰি উটি গ'ল। লগে লগে হুলস্থূল লাগিল। ভৰা ব্ৰহ্মপুত্ৰত তাইক উদ্ধাৰ কৰিবলৈ কোনেও সাহস কৰিব পৰা নাছিল। হঠাতে গা ধুবলৈ অহা পত্তাপৰ ঘটনাটো দৃষ্টি গোচৰ হ'ল। লগে লগে ব্ৰহ্মপুত্ৰত জাপ দিলে পত্তাপে। পাণবজাৰৰ পৰা ফাঁচী বজাৰলৈ মানুহবোৰে পাৰে পাৰে চিঞৰি চিঞৰি দৌৰিছেহে। ইফালে প্ৰচণ্ড সাঁতোৰ মাৰি পত্তাপে ছোৱালীজনীক ধৰিবলৈ সমৰ্থ হ'ল। লগে লগে তাইও পত্তাপক জপটিয়াই ধৰিলে। পত্তাপৰ সাঁতুৰিবলৈ অসুবিধা হ'ল। তথাপি মৰণত শৰণ দি তাইক পাৰলৈ আনিবলৈ চেষ্টা কৰিছে। প্ৰচণ্ড তীব্ৰ সোঁতে তেওঁলোকক ক্ষণে ক্ষণে বাধা দিছে। এনেতে এখন মৰাপাটৰ নাৱৰ পৰা কোনোৱাই এডাল বাঁহ আগবঢ়াই দিলে। এহাতেৰে পত্তাপে বাঁহডালত ধৰি কোনোমতে ছোৱালীজনীক পাৰলৈ আনিলে। ছোৱালীজনীক লগে লগে চিকিৎসকৰ কাষলৈ নিয়া হ'ল। তাই বাচি উঠিল। লগৰ ল'ৰাবোৰে কৈ উঠিল —"এনে উগ্ৰ সাহসৰ বাবে তোৰ কেতিয়াবা বিপদ ঘটিব। তোৰ নাম এনেয়ে 'পত্তাপ' (প্ৰতাপ) থোৱা নাই। তই পত্তাপ যি পত্তাপেই"। উত্তৰত পত্তাপে কৈ উঠিল—"হ'লেও চকুৰ আগত এজনক এনেকৈ মৰিব দিব পাৰি নেকি?" লগে লগে বন্ধুৱে ক'লে — "হয়দে আজি পত্তাপৰ পত্তাপ নিজে দেখা পালোঁ।"

https://howlyraasmahotsav.org/

বৈদিক দৰ্শন ঃ সংক্ষিপ্ত আৱলোকন

জিন্তু ঠাকুৰীয়া

বৈদিক দৰ্শন হৈছে হিন্দু ধৰ্মৰ আটাইতকৈ প্ৰাচীন আৰু পবিত্ৰ শাস্ত্ৰ বেদৰ গ্ৰন্থত শিপাই থকা ভাৰতীয় চিন্তাৰ ভেটি গঠন কৰা আদিম দাৰ্শনিক চেতনা। "বৈদিক দৰ্শন" শব্দটোৱে ভাৰতীয় উপমহাদেশত খ্ৰীষ্টপূৰ্ব ১৫০০ৰ পৰা ৫০০ চনৰ ভিতৰত ৰচিত এই প্ৰাচীন গ্ৰন্থসমূহত পোৱা জ্ঞান আৰু প্ৰজ্ঞাৰ ধাৰাক বুজায়। বেদৰ পৰা উদ্ভৱ হোৱা দৰ্শন কেৱল জল্পনা-কল্পনাৰ নহয়, বৰঞ্চ আচাৰ-ব্যৱহাৰ, ব্ৰহ্মাণ্ডবিজ্ঞান আৰু অস্তিত্বৰ স্বৰূপ, ঐশ্বৰিক আৰু মানৱ আত্মা আৰু মহাবিশ্বৰ মাজৰ সম্পৰ্ক বুজিবলৈ গভীৰ অনুসন্ধানৰ সৈতে গভীৰভাৱে জড়িত। বৈদিক দৰ্শন কেৱল হিন্দু ধৰ্মৰ মূল শিলাস্তম্ভ মাত্ৰ নহয়, পৰৱৰ্তী সময়ৰ ভাৰতীয় ধৰ্ম যেনে বৌদ্ধ আৰু জৈন ধৰ্মৰ ওপৰতো ইয়াৰ যথেষ্ট প্ৰভাৱ আছে।

বেদসমূহ মূল চাৰিটা সংকলনত বিভক্ত ঃ ঋগবেদ, সামবেদ, যজুৰ বেদ, আৰু অথৰ্ববেদ। এই বেদসমূহৰ প্ৰত্যেকখন চাৰিটাকৈ ভাগত গঠিতঃ সংহিতা (স্তৱ আৰু প্ৰাৰ্থনা), ব্ৰাহ্মণ (আচাৰ-ব্যৱহাৰ আৰু আনুষ্ঠানিক ব্যাখ্যা), আৰণ্যক (আচাৰ-ব্যৱহাৰৰ দাৰ্শনিক ব্যাখ্যা), আৰু উপনিষদ (ধৰ্ম আৰু আধ্যাত্মিক অন্বেষণ)। এই গ্ৰন্থসমূহে মানুহৰ চিন্তা, চেতনা, মান আৰু কৰ্মৰ এক বহল বৰ্ণালীক সামৰি লৈছে। ইয়াত অভিজ্ঞতা, দৈনন্দিন জীৱন আৰু আচাৰ-অনুষ্ঠানৰ ব্যৱহাৰিক দিশৰ পৰা আৰম্ভ কৰি বাস্তৱৰ চূড়ান্ত প্ৰকৃতিৰ ওপৰত গভীৰ ধ্যানলৈকে সামৰি লোৱা হৈছে। বৈদিক দৰ্শন মহাজাগতিক শৃংখলা আৰু ঐক্যৰ সন্ধান। ইয়াত বিশ্বব্ৰহ্মাণ্ডৰ উৎপত্তি, মানৱ জীৱনৰ উদ্দেশ্য আৰু ঐশ্বৰিকতাৰ স্বৰূপ ব্যাখ্যা কৰিব বিচৰা হৈছে। বৈদিক বিশ্বদৃষ্টিভংগী গভীৰভাৱে আন্তঃসংলগ্ন। ইয়াত প্ৰকৃতি, মহাবিশ্ব আৰু ব্যক্তিৰ মাজত এক সমন্বয়ৰ ভাৱ পৰিলক্ষিত হয়। বৈদিক দৰ্শনৰ মূল ধাৰণাসমূহ হৈছে—

ক) ঋত ঃ মহাজাগতিক শৃংখলা: বৈদিক দৰ্শনৰ অন্যতম মূল ধাৰণা হৈছে ঋত, যাক প্ৰায়ে মহাজাগতিক বা প্ৰাকৃতিক শৃংখলা বুলি কোৱা হয়। ইয়াৰ দ্বাৰা প্ৰকৃতি আৰু মানৱ বিষয়ত ভাৰসাম্য আৰু সমন্বয় বজাই ৰাখি বিশ্বব্ৰহ্মাণ্ডক নিয়ন্ত্ৰণ কৰা মৌলিক নিয়মক বুজোৱা হয়। ঋতুৰ নিয়ম, আকাশী পদাৰ্থৰ গতিবিধি আৰু মানুহৰ কাৰ্য্য নিয়ন্ত্ৰণ কৰা নৈতিক নিয়ম নিশ্চিত কৰা নীতিয়েই হৈছে ঋত। ই শাৰীৰিক আৰু নৈতিক উভয় শৃংখলাৰ ভেটি। পিছলৈ ঋতৰ ধাৰণাটোৱে ধৰ্মৰ ধাৰণালৈ বিকশিত হয়। ক্ষত অনুসৰি নৈতিক কৰ্ত্তব্য প্ৰতিজন ব্যক্তিয়ে বিশ্বব্ৰহ্মাণ্ডৰ সৈতে সমন্বয় বজাই ৰাখিবলৈ জীৱনত পালন কৰিব লাগিব।

খ) ব্ৰহ্ম আৰু আত্মা ঃ চূড়ান্ত বাস্তৱতা আৰু আত্মা ঃ বৈদিক দৰ্শনে ভাৰতীয় চিন্তাধাৰাৰ অন্যতম চিৰস্থায়ী আৰু গভীৰ আধ্যাত্মিক ধাৰণাৰ ভিত্তি স্থাপন কৰে ব্ৰহ্ম (চূড়ান্ত বাস্তৱ)আৰু আত্মা (ব্যক্তিগত আত্মা বা আত্মা)ৰ মাজৰ সম্পৰ্ক ব্যাখ্যাৰ যোগেদি। প্ৰাথমিক বৈদিক গ্ৰন্থসমূহত ব্ৰহ্মক প্ৰায়ে মহাজাগতিক নীতি হিচাপে বুজা যায়। ই হৈছে বিশ্বব্ৰহ্মাণ্ডৰ সকলো বস্তুৰেই গ্ৰাস কৰা ঐশ্বৰিক শক্তি। কিন্তু পৰৱৰ্তী বৈদিক যুগত বিশেষকৈ

https://howlycaasmahotsav.org/

উপনিষদত ব্ৰহ্মক ক্ৰমান্বয়ে সকলো দ্বৈততাক অতিক্ৰম কৰা নিৰাকাৰ, অসীম আৰু চিৰন্তন বাস্তৱ হিচাপে ধাৰণা কৰা হৈছে।

আনহাতে আত্ম মানে ব্যক্তিগত আত্মা বা চেতনাক বুজায়। উপনিষদ কালৰ চিন্তাবিদসকলে আত্মাক ব্ৰহ্মৰ সৈতে একে অৰ্থাৎ ব্যক্তিগত আত্মা চূড়ান্ত বাস্তৱৰ পৰা পৃথক নহয় বুলি ধাৰণাটো আগবঢ়াই লৈ গৈছিল আত্মা আৰু বিশ্বব্ৰহ্মাণ্ডৰ এই একবাদী (অদ্বৈত) ধাৰণা ভাৰতীয় দৰ্শনৰ এক কেন্দ্ৰীয় বিষয়বস্তু হৈ পৰে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে এই মৌলিক ঐক্যৰ বাস্তৱায়নৰ জৰিয়তে মুক্তি (মোক্ষ) লাভ কৰিব পাৰি।

গ) যজ্ঞ আৰু আচাৰ-অনুষ্ঠান ঃ বৈদিক যুদ্ধত বহুখিনি দাৰ্শনিক আৰু আধ্যাত্মিক চেতনা যজ্ঞ বা বলিদানৰ আচাৰ-অনুষ্ঠানৰ ওপৰত কেন্দ্ৰিত আছিল। এই অনুষ্ঠানসমূহক মহাবিশ্বৰ শৃংখলা বজাই ৰখা আৰু ব্যক্তি আৰু সমাজৰ সমৃদ্ধি, স্বাস্থ্য আৰু সফলতা নিশ্চিত কৰাৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হৈছিল। অগ্নি (অগ্নি দেৱতা), ইন্দ্ৰ (বস্ত্ৰ-বৰষুণৰ দেৱতা), সোম (দেৱকৃত উদ্ভিদ আৰু পানীয়) আদি বিভিন্ন দেৱতাক প্ৰাৰ্থনা আৰু আমন্ত্ৰণেৰে ভৰপূৰ ঋগবেদৰ গীতবোৰত তেওঁলোকৰ আশীৰ্বাদ বিচৰাৰ বিনিময়ত বলিদান হিচড়া নৈবেদ্য আগবঢ়োৱা হৈছিল। কিন্তু মন কৰিবলগীয়া যে, বৈদিক দৰ্শনত বলিদানৰ অৰ্থ কেৱল দেৱতাক খাদ্য বা পশু অৰ্পণ কৰা শাৰীৰিক ক্ৰিয়া নহয়। ই এক বৃহত্তৰ মহাজাগতিক বিনিময়ৰ প্ৰতীক, য'ত মানুহৰ কাৰ্য্য বিশ্বব্ৰহ্মাণ্ডৰ কাম-কাজৰ সৈতে জড়িত হয়। যজ্ঞৰ কাৰ্য্যই সকলো অস্তিত্বৰ আন্তঃসংযোগ আৰু মানুহ আৰু ঈশ্বৰৰ মাজৰ পাৰস্পৰিক সম্পৰ্কক প্ৰতিনিধিত্ব কৰে। পৰৱৰ্তী বৈদিক গ্ৰন্থসমূহত বিশেষকৈ উপনিষদসমূহত বাহ্যিক আচাৰ-অনুষ্ঠানৰ পৰা আভ্যন্তৰীণ ধ্যান আৰু আধ্যাত্মিক মুক্তিৰ প্ৰকৃত পথ হিচাপে অহমিকা ত্যাগৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

ঘ) বহু দেৱতাবাদ আৰু একতাবাদ ঃ বৈদিক বিশ্বদৃষ্টিভংগীক প্ৰায়ে বহুদেৱতাবাদী বুলি বৰ্ণনা কৰা হয়, য'ত অসংখ্য দেৱ-দেৱী প্ৰাকৃতিক শক্তি আৰু জীৱনৰ দিশৰ সৈতে জড়িত। উদাহৰণস্বৰূপে ঋগবেদত বহুতো দেৱতাৰ প্ৰতি উৎসৰ্গিত মন্ত্ৰ আছে য'ত প্ৰত্যেকৰে সুকীয়া বৈশিষ্ট্য আৰু দায়িত্বৰ উল্লেখ আছে। এই দেৱতাসকলক শক্তিশালী হিচাপে গণ্য কৰা হৈছিল যদিও তেওঁলোকৰ শক্তি আৰু দয়া বজাই ৰাখিবলৈ মানুহৰ কাৰ্যৰ ওপৰতো নিৰ্ভৰশীল আছিল। কিন্তু এই আপাত বহুদেৱতাবাদৰ অন্তৰ্নিহিত হৈছে ঐশ্বৰিকতাৰ ঐক্যৰ ওপৰত গভীৰ দাৰ্শনিক অনুসন্ধান ঋগবেদৰ কেইবাটাও মন্ত্ৰত একক দৃষ্টিভংগীৰ প্ৰতিফলন ঘটিছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে বহুতো দেৱতা একক, অন্তৰ্নিহিত বাস্তৱতাৰ ভিন্ন দিশ মাত্ৰ। ঋগবেদৰ বিখ্যাত নসাদীয় সুক্ত (সৃষ্টি মন্ত্ৰ)ত ইচ্ছাকৃতভাৱে অস্পষ্ট আৰু ৰহস্যময় শব্দৰে বিশ্বব্ৰহ্মাণ্ডৰ উৎপত্তিৰ কথা কোৱা হৈছে। ইয়াৰ দ্বাৰা দেৱতাসকলৰ আগতেই থকা আদিম ঐক্যৰ কথা আঙুলিয়াই দিয়া হৈছে। বিভিন্ন দেৱতাবোৰ এক চূড়ান্ত বাস্তৱৰ প্ৰকাশ বুলি এই ধাৰণাটোৱে পাছত হিন্দু এককবাদৰ বিকাশৰ ভেটি স্থাপন কৰিছিল। বিশেষকৈ অদ্বৈত বেদান্ত মতবাদ ইয়াৰ পৰাই গঢ়ি উঠিছিল।

ঙ) কৰ্ম আৰু পুনৰ্জন্ম ঃ পৰৱৰ্তী উপনিষদসমূহত কৰ্মৰ ধাৰণা (কৰ্ম আৰু ইয়াৰ পৰিণতি) অধিক স্পষ্টভাৱে বিকশিত হ'লেও ইয়াৰ শিপা বৈদিক দৰ্শনৰ পৰাই অনুসন্ধান কৰিব পাৰি। বৈদিক গ্ৰন্থৰ পৰা অনুমান কৰা হৈছে যে অনুষ্ঠানৰ সময়ত কৰা কৰ্মৰ লগতে ব্যক্তিৰ নৈতিক আচৰণৰ পৰিণতিয়ে কেৱল মানুহৰ বৰ্তমান জীৱনত নহয়, ভৱিষ্যতৰ অস্তিত্বতো প্ৰভাৱ পেলায়। এই বিশ্বাস অনুসৰি নৈতিক কাৰ্যকাৰণৰ পৰাই অৱশেষত পুনৰ্জন্মৰ মতবাদ বিকশিত হয়। জন্মান্তৰবাদ অনুসৰি আত্মাই নিজৰ কৰ্মৰ ওপৰত ভিত্তি কৰি জন্ম, মৃত্যু আৰু পুনৰ্জন্মৰ চক্ৰৰ মাজেৰে পাৰ হয়।

চ) উপনিষদ যুগলৈ পৰিৱৰ্তন ঃ বৈদিক দৰ্শনৰ বিকাশৰ লগে লগে তাত পূৰ্বৰ বেদৰ বাহ্যিক, আচাৰ-ব্যৱহাৰৰ কেন্দ্ৰবিন্দুৰ পৰা অধিক পৰিৱৰ্তন হৈছিল। এই পৰিৱৰ্তনৰ ফলত ভাৰতীয় চিন্তাধাৰাত উল্লেখযোগ্য বিকাশ ঘটিছিল, কাৰণ দাৰ্শনিকসকলে আচাৰ-অনুষ্ঠানৰ কাৰ্যকাৰিতাক লৈ প্ৰশ্ন উত্থাপন কৰিবলৈ আৰম্ভ কৰিছিল আৰু চূড়ান্ত জ্ঞান আৰু সত্যৰ সন্ধানত ৰত হৈছিল। সততে "বেদৰ অন্ত" (বেদান্ত) বুলি কোৱা উপনিষদত আত্মসাধ্যতা আৰু ঐশ্বৰিকতাৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছেশ্ৰ এইসমূহে

https://howlyraasmahotsav.org/

মত পোষণ কৰে যে ব্ৰহ্ম আৰু আত্মাৰ জ্ঞানে সংসাৰ চক্ৰৰ পৰা মুক্তি আৰু ব্যক্তিগত অহংকাৰ বিসৰ্জন দিয়ে। এই গভীৰ চেতনাগত পৰিবৰ্তনে বহুতো মূল ধাৰণাৰ ভেটি স্থাপন কৰিছিল যিয়ে পিছলৈ হিন্দু, বৌদ্ধ আৰু জৈন দাৰ্শনিক পৰম্পৰাৰ সংজ্ঞা নিৰূপণ কৰিছিল। বৈদিক দৰ্শন মন্ত্ৰ, গীত, আচাৰ-ব্যৱহাৰ আৰু আধ্যাত্মিকতাৰ চহকী এক চহকী বৰ্ণালী যিয়ে ভাৰতীয় দাৰ্শনিক চিন্তাৰ উদয়ক প্ৰতিনিধিত্ব কৰে ই ব্যৱহাৰিক ধৰ্মীয় শিক্ষা আৰু গভীৰ আধ্যাত্মিক অনুসন্ধানৰ মিশ্ৰণ।

বৈদিক দৰ্শনৰ দাৰ্শনিক ধাৰণা (Philosophical Postulates of Vedic Philosophy): বৈদিক দৰ্শনৰ মূল দাৰ্শনিক ধাৰণাসমূহ দৰ্শনৰ তিনিটি মূল শাখা অধিবিদ্যা, আনবিদ্যা আৰু মূল্যবিদ্যাৰ দিশৰ পৰা বিচাৰ কৰি চাব পাৰি। এইসমূহ তলত আলোচনা কৰা হ'ল—

অধিবিদ্যামূলক ধাৰণা (Metaphysical Concepts): বৈদিক দৰ্শনৰ আধ্যাত্মিকতাবাদে বাস্তৱৰ প্ৰকৃতি, মহাবিশ্ব, আত্মা আৰু অস্তিত্বৰ চূড়ান্ত উদ্দেশ্য সম্পৰ্কীয় গভীৰ প্ৰশ্নসমূহৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। ভাৰতীয় চিন্তাৰ আদিম চেতনাস্ৰোতৰ ভিতৰত অন্যতম হিচাপে বৈদিক আধ্যাত্মিকতা হিন্দু, বৌদ্ধ, জৈন ধৰ্মকে ধৰি ভাৰতীয় দৰ্শনৰ বহু পিছৰ মতবাদসমূহৰ বাবে ভেটিস্বৰূপ। বৈদিক গ্ৰন্থ বিশেষকৈ উপনিষদসমূহত শিপাই থকা বৈদিক অধিবিদ্যাই অস্তিত্বৰ বস্তুগত আৰু আধ্যাত্মিক উভয়ে দিশৰে অন্বেষণ কৰি বিশ্বব্ৰহ্মাণ্ডৰ উৎপত্তি, আত্মাৰ স্বৰূপ আৰু মানৱ আৰু ঐশ্বৰিক সত্বা সম্পৰ্কে আলোচনা আগবঢ়াইছে। বৈদিক দৰ্শনৰ অধিবিদ্যামূলক ধাৰণাসমূহ তলত উল্লেখ কৰা ধৰণে বিচাৰ কৰি চাব পাৰি।

i) ব্ৰহ্মঃ চূড়ান্ত বাস্তৱতা ঃ বৈদিক অধিবিদ্যাৰ ধাৰণাৰ মূলতে ব্ৰহ্মৰ ধাৰণা আছে, যিয়ে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ অন্তৰ্নিহিত চূড়ান্ত, অপৰিৱৰ্তিত বাস্তৱতাক প্ৰতিনিধিত্ব কৰেশ্ৰ ব্ৰহ্মক অসীম, নিৰাকাৰ আৰু মানুহৰ বোধৰ বাহিৰত বুলি বৰ্ণনা কৰা হৈছে। ই কোনো ব্যক্তিগত দেৱতা নহয়, বৰঞ্চ সকলো অস্তিত্বৰ ভিত্তি, যিয়ে বস্তুগত আৰু আধ্যাত্মিক দুয়োখন জগতকে সামৰি লৈছে। উপনিষদত ব্ৰহ্মক অন্তৰ্নিহিত (সকলোতে উপস্থিত) আৰু অতিক্ৰমণীয় (সৰ্বোত্তৰ) বুলি কোৱা হৈছেশ্ৰ ব্ৰহ্মক কেতিয়াবা সত-চিৎ-আনন্দ (অস্তিত্ব-চেতনা-আনন্দ) বুলি বৰ্ণনা কৰা হৈছে। ইয়াৰ চিৰন্তন, চেতন আৰু আনন্দময় স্বভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। আধ্যাত্মিক ভাষাত ক'বলৈ গ'লে ব্ৰহ্ম হৈছে সকলো বস্তুৰ কাৰণ আৰু সকলো পৰিঘটনা উৎপত্তি হোৱাৰ উৎস। এই ধাৰণাই অদ্বৈতবাদী (অদ্বৈত) দৰ্শনৰ ভিত্তি স্থাপন কৰিছিল, য'ত ব্ৰহ্মক একমাত্ৰ সত্য বাস্তৱ হিচাপে গণ্য কৰা হয়, আৰু বাকী সকলোকে সেই বাস্তৱতাৰ মায়াময় প্ৰকাশ (মায়া) বুলি গণ্য কৰা হয়।

ii) আত্মা ঃ আত্মা বা ব্যক্তিগত আত্মাৰ ধাৰণাটো ব্ৰহ্মৰ ধাৰণাটোৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। বৈদিক দৰ্শনত আত্মাক ব্যক্তিৰ অন্তৰ্নিহিত সত্তা, দেহ, মন আৰু অহংকাৰৰ বাহিৰত থকা চিৰন্তন আৰু অপৰিৱৰ্তিত সত্বা বুলি গণ্য কৰা হয়। উপনিষদত কোৱা হৈছে, "তত তাম অসী" ("তুমি সেইটোৱেই"), অৰ্থাৎ আত্মা ব্ৰহ্মৰ সৈতে একে। এই উপলব্ধি হৈছে আধ্যাত্মিক মুক্তিৰ (মোক্ষ) চাবিকাঠী। আধ্যাত্মিক দৃষ্টিকোণৰ পৰা আত্মাৰ ব্ৰহ্মৰ সৈতে চিনাক্তকৰণে ব্যক্তি আৰু মহাজাগতিকৰ ঐক্যক প্ৰতিনিধিত্ব কৰেশ্ৰ ব্যক্তিয়ে নিজকে পৃথক সত্তা হিচাপে অনুভৱ কৰিব পাৰে যদিও আত্মাৰ প্ৰকৃত স্বৰূপ অদ্বিতীয় আৰু চূড়ান্ত বাস্তৱতাৰ সৈতে একে। ইয়াৰ ফলত মোক্ষ লাভ হয়— এই ঐক্যৰ উপলব্ধিয়ে ব্যক্তিক জন্ম, মৃত্যু আৰু পুনৰ্জন্মৰ চক্ৰৰ পৰা মুক্ত কৰে।

iii) মায়া; ভ্ৰম বা ৰূপ ঃ বৈদিক দৰ্শনৰ এটা গুৰুত্বপূৰ্ণ অধিবিদ্যাগত ধাৰণা হ'ল মায়া মায়া হৈছে সেই শক্তি যিয়ে বহুত্বৰ আভাস সৃষ্টি কৰে, যিটো বিশ্বব্ৰহ্মাণ্ডৰ মূলত এক আৰু অবিভক্ত। ইয়েই এক ওৰণিৰূপ যিয়ে বাস্তৱৰ প্ৰকৃত স্বৰূপ অস্পষ্ট কৰি ব্যক্তিক পৃথক আত্মা আৰু সুকীয়া বস্তুৰ অস্তিত্বত বিশ্বাস কৰিবলৈ বাধ্য কৰে। মায়াক বাস্তৱৰ সাময়িক আৰু প্ৰতাৰণামূলক প্ৰকাশ হিচাপেহে গণ্য কৰা হয়। আপেক্ষিক স্তৰত বাস্তৱিক হ'লেও পৰিঘটনামূলক জগতখন শেষত ব্ৰহ্মৰে প্ৰকাশ। বৈদিক অধিবিদ্যা অনুসৰি আধ্যাত্মিক অনুশীলনৰ লক্ষ্য হৈছে মায়াৰ মায়াক অতিক্ৰম কৰি ব্ৰহ্ম আৰু আত্মাৰ একত্ব উপলব্ধি কৰা।

iv) ঋত; মহাজাগতিক শৃংখলা ঃ বৈদিক অধিবিদ্যা আন এটা মূল ধাৰণা হ'ল ঋত, যিয়ে বিশ্বব্ৰহ্মাণ্ডক পৰিচালিত কৰা মহাজাগতিক শৃংখলাক

https://howlyraasmahotsav.org/

বুজায় ই প্ৰাকৃতিক নিয়মৰ নীতি যিয়ে মহাবিশ্বত সমন্বয় আৰু ভাৰসাম্য নিশ্চিত কৰে, আকাশী পদাৰ্থৰ গতিবিধি, ঋতু আৰু মানুহৰ কাৰ্য্য নিয়ন্ত্ৰণ কৰা নৈতিক নিয়ম নিয়ন্ত্ৰণ কৰে। ঋতক বিশ্বব্ৰহ্মাণ্ডৰ এক অন্তৰ্নিহিত বৈশিষ্ট্য, ব্ৰহ্মাৰ শৃংখলা আৰু বুদ্ধিৰ প্ৰকাশ বুলি গণ্য কৰা হয়। এই ধাৰণাটোৱেই পিছলৈ ধৰ্মলৈ বিকশিত হয়, যিয়ে মহাজাগতিক ব্যৱস্থাৰ সৈতে সামঞ্জস্য বজাই ৰাখিবলৈ ব্যক্তিসকলে পালন কৰিবলগীয়া নৈতিক আৰু নৈতিক কৰ্তব্যসমূহক বুজায়। ঋত কেৱল ভৌতিক নিয়ম নহয়, বৰঞ্চ আধ্যাত্মিক নীতিও। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে নৈতিক আৰু প্ৰাকৃতিক জগতৰ মাজত এক অন্তৰ্নিহিত সংযোগ আছে। এইদৰে, বৈদিক অধিবিদ্যাই বিশ্বব্ৰহ্মাণ্ডৰ এক দৃষ্টিভংগী উপস্থাপন কৰে য'ত নৈতিক আৰু ভৌতিক বাস্তৱতা গভীৰভাৱে একীভূত।

v) সংসাৰ চক্ৰ ঃ জন্ম, মৃত্যু আৰু পুনৰ্জন্মঃ বৈদিক অধিবিদ্যাত সংসাৰ অৰ্থাৎ সকলো জীৱৰ জন্ম, মৃত্যু আৰু পুনৰ্জাৰ চক্ৰৰ ধাৰণাটোকো সামৰি লোৱা হৈছে। এই চক্ৰ কৰ্ম, কাৰ্য-কাৰণমূলক নিয়মৰ দ্বাৰা পৰিচালিত হয়, য'ত এই জীৱনত মানুহৰ কৰ্মই ভৱিষ্যত জীৱনৰ অৱস্থা নিৰ্ধাৰণ কৰে। আত্মাই অতীতৰ কৰ্মৰ ফল অনুভৱ কৰি বহু জীৱনৰ মাজেৰে পাৰ হৈ যায় বুলি বিশ্বাস কৰা হয়। আত্মা আৰু ব্ৰহ্মাৰ ঐক্য উপলব্ধি কৰি এই চক্ৰৰ পৰা মুক্ত হোৱাটোৱেই বৈদিক দৰ্শনৰ লক্ষ্য। ব্যক্তিয়ে নিজৰ প্ৰকৃত স্বৰূপ চিনি পাই মায়াৰ দ্বাৰা সৃষ্টি হোৱা অজ্ঞানতা (অবিদ্যা)ক জয় কৰিলেই সংসাৰৰ পৰা মুক্ত হৈ মোক্ষ বা আধ্যাত্মিক মুক্তি লাভ কৰে।

vi) যজ্ঞঃ যজ্ঞ নীতি ঃ বৈদিক চিন্তাধাৰাত যজ্ঞ বা আচাৰ-ব্যৱহাৰে মহাজাগতিক ব্যৱস্থা বজাই ৰখা আৰু সমৃদ্ধি নিশ্চিত কৰাত কেন্দ্ৰীয় ভূমিকা পালন কৰিছিল। অৱশ্যে যজ্ঞৰ এক আধ্যাত্মিক মাত্ৰাও আছে। ত্যাগ কেৱল শাৰীৰিক কাৰ্য্য নহয়; বৰঞ্চ সকলো অস্তিত্বৰ আন্তঃসংযোগৰ প্ৰতীকী প্ৰকাশ) কোনো বৈদিক অনুষ্ঠানত আগবঢ়োৱা প্ৰসাদ জীৱন আৰু শৃংখলা বজাই ৰখা বৃহত্তৰ মহাজাগতিক প্ৰক্ৰিয়াৰ অণুব্ৰহ্মাণ্ডিক প্ৰতিফলন। সময়ৰ লগে লগে বৈদিক আধ্যাত্মিকতাবাদৰ বিকাশ ঘটিছে। অহংকাৰ আৰু স্বাৰ্থপৰ কামনাৰ আভ্যন্তৰীণ ত্যাগক যজ্ঞৰ অধিক গভীৰ ৰূপ হিচাপে দেখা যায়। উপনিষদত বাহ্যিক আচাৰ-অনুষ্ঠানৰ পৰা আভ্যন্তৰীণ আধ্যাত্মিক অনুশীলনলৈ মনোযোগ স্থানান্তৰিত হয়, য'ত প্ৰকৃত বলিদান হৈছে ব্ৰহ্মাৰ সৈতে আত্মাৰ একত্ব উপলব্ধি প্ৰতি ব্যক্তিগত পৰিচয়ৰ সমৰ্পণ।

vii) কৰ্মঃ কৰ্মৰ নিয়ম আৰু ইয়াৰ পৰিণতি ঃ কৰ্মবাদ বা কাৰ্য-কাৰণমূলক নিয়ম বৈদিক অধিবিদ্যাৰাদৰ আন এক জটিল অথচ গুৰুত্বপূৰ্ণ দিশ শ্ৰ কনই কেৱল ভৌতিক জগতখনেই নহয়, অস্তিত্বৰ নৈতিক মাত্ৰাকো পৰিচালিত কৰে। প্ৰতিটো কৰ্মৰ পৰিণতি থাকে; কেৱল বৰ্তমান জীৱনত নহয়, ভৱিষ্যত জীৱনতো এনে পৰিণতি ভোগ কৰিবলগীয়া হ'ব পাৰে। অতীতৰ জীৱনৰ পৰা সঞ্চিত কৰ্মই মানুহৰ বৰ্তমানৰ অস্তিত্বৰ পৰিস্থিতি গঢ় দিয়ে, মানুহৰ অভিজ্ঞতা আৰু আধ্যাত্মিক বৃদ্ধিৰ সুযোগক প্ৰভাৱিত কৰে। কৰ্ম সংসাৰ চক্ৰৰ লগত জটিলভাৱে বান্ধ খাই আছে, কিয়নো ইয়েই হৈছে আত্মাক পুনৰ্জন্মৰ চক্ৰত বান্ধি ৰখা শক্তি। কিন্তু সঠিক কৰ্ম (ধৰ্ম) আৰু আধ্যাত্মিক জ্ঞান (জ্ঞান)ৰ দ্বাৰা ব্যক্তি এজনে নিজৰ কৰ্ম শুদ্ধ কৰি মুক্তিৰ ওচৰ চাপিব পাৰে।

viii) দ্বৈতবাদ আৰু অদ্বৈতবাদ ঃ বৈদিক দৰ্শনৰ অধিবিদ্যাত দ্বৈতবাদী আৰু অদ্বৈতবাদী উভয় দৃষ্টিভংগীকে গ্ৰহণ কৰা হয়। প্ৰাচীন বৈদিক গ্ৰন্থসমূহত প্ৰায়ে দ্বৈতবাদী ধাৰণা উপস্থাপন কৰা হৈছে, য'ত দেৱতা, মানুহ আৰু বিশ্বব্ৰহ্মাণ্ডক সুকীয়া সত্তা হিচাপে দেখা যায়। কিন্তু উপনিষদত অদ্বৈতবাদ অধিক প্ৰধান হৈ পৰিছে। উপনিষদত কোৱা হৈছে যে জগতৰ বহুত্বই এক ভ্ৰম, আৰু একমাত্ৰ প্ৰকৃত বাস্তৱ হৈছে ব্ৰহ্ম, যাৰ লগত আত্মা একে। এই অদ্বৈত দৃষ্টিভংগীয়ে পৃথকতাৰ ধাৰণাক প্ৰত্যাহান জনায় আৰু এই উপলব্ধি কৰিবলৈ আহ্বান জনায় যে আত্ম আৰু আন, ব্যক্তি আৰু মহাবিশ্ব এনে পৃথকীকৰণৰ ধাৰণা মিছা। বৈদিক অধিবিদ্যা অনুসৰি চূড়ান্ত সত্য হৈছে সকলো অস্তিত্বৰ ঐক্য। বৈদিক দৰ্শনৰ অধিবিদ্যাই অস্তিত্বৰ বস্তুগত আৰু আধ্যাত্মিক দুয়োটা মাত্ৰাকে সামৰি বাস্তৱৰ গভীৰ আৰু বহুমুখী ধাৰণাপ্ৰদান কৰে। ইয়াত ব্ৰহ্ম, আত্মা, ঋত মায়া, সংসাৰ আদি ধাৰণাসমূহৰ জৰিয়তে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰকৃতি অন্বেষণ কৰা হৈছে। ইয়াত ব্ৰহ্মাণ্ডক চিৰন্তন নিয়মৰ দ্বাৰা পৰিচালিত এক ঐক্যবদ্ধ সমগ্ৰ হিচাপে দৰ্শন আগবঢ়োৱা হৈছেশ্ৰ

https://howlyraasmahotsav.org/

বৈদিক অধিবিদ্যাবাদে কেৱল অস্তিত্বৰ স্বৰূপ ব্যাখ্যাতেই সীমাবদ্ধ থকা নাই, বৰঞ্চ ব্যক্তিক নিজৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰি আধ্যাত্মিক মুক্তি লাভৰ পথো প্ৰদান কৰিছে। এই আধ্যাত্মিক অনুসন্ধানৰ জৰিয়তে বৈদিক দৰ্শনে বাস্তৱৰ স্বৰূপ, আত্মা আৰু জীৱনৰ চূড়ান্ত উদ্দেশ্যৰ বিষয়ে কালজয়ী অন্তৰ্দৃষ্টি আগবঢ়াইছে।

বৈদিক দৰ্শনৰ জ্ঞানতত্ত্ব (Vedic Epistemology): প্ৰমাণ নামেৰে জনাজাত বৈদিক দৰ্শনৰ জ্ঞানতত্ত্ব হৈছে জ্ঞানৰ উৎসৰ অধ্যয়ন আৰু বৈধ জ্ঞানৰ উপায়) বৈদিক পৰম্পৰাত জ্ঞান কেৱল বিষয় নহয়, অভিজ্ঞতাভিত্তিক তথ্যও। কিন্তু ইয়াত জ্ঞানৰ অস্তিত্বৰ প্ৰকৃতিৰ সন্দৰ্ভত আধ্যাত্মিক সত্যৰ বিষয়ে চিন্তা কৰা হৈছে।

বৈদিক দৰ্শন অনুসৰি জ্ঞানৰ উৎস (প্ৰমাণ) হ'ল—

i) প্ৰত্যক্ষ (Perception): ইয়াৰ দ্বাৰা প্ৰত্যক্ষ সংবেদনশীল অভিজ্ঞতাৰ দ্বাৰা লাভ কৰা আনক বুজোৱা হয়। বৈদিক দৰ্শনত উপলব্ধিৰ অন্তৰ্গত বাহ্যিক (ইন্দ্ৰিয়) আৰু আভ্যন্তৰীণ (মানসিক) দুয়োটা অভিজ্ঞতাকে আনৰ উৎস হিচাপে স্বীকাৰ কৰা হৈছে। কিছুমান মতবাদত অৱশ্যে ইন্দ্ৰিয়প্ৰত্যক্ষ (ইন্দ্ৰিয়ৰ দ্বাৰা উপলব্ধি) আৰু মনঃপ্ৰত্যক্ষ (মানসিক উপলব্ধি)ৰ মাজত পাৰ্থক্য কৰা হয়। সি যি কি নহ'লেও প্ৰত্যক্ষক জ্ঞানৰ আটাইতকৈ মৌলিক আৰু তাৎক্ষণিক ৰূপ বুলি গণ্য কৰা হয়।

ii) অনুমান (Inference): অনুমান হ'ল যুক্তি বা অনুমানৰ দ্বাৰা লাভ কৰা জ্ঞান। ইয়াৰ লগত পৰ্যবেক্ষণ কৰা পৰিঘটনাৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত লোৱাটো জড়িত হৈ থাকে। উদাহৰণস্বৰূপে ধোঁৱা থাকিলে জুইৰ উপস্থিতি অনুমান কৰিব পাৰি। বৈদিক জ্ঞানতত্ত্বত অনুমানক বিভিন্ন প্ৰকাৰত ভাগ কৰা হৈছে, যেনে— পূৰ্ণবত অনুমান (কাৰণৰ পৰা কাৰণলৈ অনুমান) আৰু সেসৱত অনুমান (প্ৰভাৱৰ পৰা কাৰণলৈ অনুমান)।

iii) শব্দ (মৌখিক সাক্ষ্য)ঃ শব্দই কৰ্তৃত্বশীল মৌখিক সাক্ষ্যৰ দ্বাৰা লাভ কৰা জ্ঞানক বুজায়। বিশেষকৈ সেইসমূহ বেদ যিবোৰ দৰ্শনত জ্ঞানৰ নিৰ্ভৰযোগ্য আৰু পবিত্ৰ উৎস হিচাপে গণ্য কৰা হয়, সেইসমূহত শব্দক জ্ঞানৰ মৌখিক সাক্ষ্য হিচাপে গণ্য কৰা হৈছে। বহু বৈদিক উপমতবাদত বিশেষকৈ মিমাংসা আৰু বেদান্তত ধৰ্ম (নৈতিক কৰ্তব্য) আৰু ব্ৰহ্ম (চূড়ান্ত বাস্তৱ)ৰ বিষয়ে জ্ঞান প্ৰদান কৰা বেদক চিৰন্তন আৰু সৰ্বোপৰি বুলি গণ্য কৰা হয়।

iv) উপমান (তুলনা)ঃ উপমানত জ্ঞান আহৰণ জড়িত হৈ থাকে উপমা বা তুলনাৰ জৰিয়তে। য'ত প্ৰত্যক্ষ উপলব্ধি বা অনুমান সম্ভৱ নহয়, তাত উপমানক জ্ঞানৰ উৎস হিচাপে স্বীকাৰ কৰা হয়। তুলনাই অপৰিচিত ধাৰণা বুজিবলৈ সহায় কৰে

v) অৰ্থোৎপত্তিঃ অৰ্থোৎপত্তি হৈছে জ্ঞানৰ এনে এক মাধ্যম য'ত কোনোবাই আপাত দৃষ্টিত বিৰোধী তথ্য সমৰূপী কৰিবলৈ কিবা এটা প্ৰস্তাৱ বা অনুমান কৰে। উদাহৰণস্বৰূপে, যদি কোনো ব্যক্তিয়ে দিনত খাদ্য গ্ৰহণ নকৰে কিন্তু সুস্থ আৰু পুষ্টিকৰ হৈ থাকে, তেন্তে কোনোবাই ধাৰণা কৰিব পাৰে যে তেওঁ নিশ্চয় ৰাতি খাইছে। আধ্যাত্মিক বা আচাৰ-ব্যৱহাৰৰ প্ৰসংগত আপাত বৈপৰীত্য সমাধানৰ ক্ষেত্ৰত এই জ্ঞান পদ্ধতি সাধাৰণ ভাবে ব্যৱহাৰ হয়।

i) অনুপলব্ধি (অনুভূতি/অনুপস্থিতি)ঃ অনুপলব্ধি বুলিলে কিবা এটাৰ অনুপস্থিতি বা অনুভূতি নোহোৱাৰ দ্বাৰা লাভ কৰা জ্ঞানক বুজায়) উদাহৰণস্বৰূপে, মজিয়াত কোনো বস্তুৰ (পাত্ৰৰ দৰে) অনুপস্থিতিৰ জ্ঞান বস্তুটোৰ অনুপস্থিতিৰ উপলব্ধিৰ জৰিয়তে লাভ কৰা হয়। অদ্বৈত বেদান্তত এই দিশটো বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হয়। ইয়াত ব্ৰহ্মৰ ঐক্য উপলব্ধি কৰিবলৈ দ্বৈততা বা পৃথকতাৰ অনুপস্থিতি অপৰিহাৰ্য বুলি বিবেচিত হৈছে। বৈদিক দৰ্শনত জ্ঞানতত্ত্ব কেৱল অভিজ্ঞতাভিত্তিক জ্ঞানৰ সৈতে জড়িত নহয়, বাস্তৱ, অস্তিত্ব আৰু আত্মাৰ গভীৰ বোধৰ সৈতেও জড়িত। বিভিন্ন বৈদিক মতবাদে এইদৰে জ্ঞানৰ সন্ধানত যুক্তি, সংবেদনশীল উপলব্ধি আৰু শাস্ত্ৰীয় কৰ্তৃত্বৰ মাজত ভাৰসাম্য ৰক্ষা কৰি জগত আৰু অতিক্ৰমণীয় সত্যৰ কাষ চাপিবলৈ বিভিন্ন প্ৰমাণ (জ্ঞানৰ মাধ্যম)ৰ ধাৰণা আগবঢ়াইছে।

বৈদিক প্ৰমূল্যবিদ্যা (Vedic Axiology): মূল্যবোধ বিশেষকৈ নৈতিক মূল্যবোধ আৰু নান্দনিক মূল্যবোধৰ অধ্যয়নৰ বিষয়ে বৈদিক দৰ্শনত মূলতঃ ধৰ্ম আৰু পুৰুষাৰ্থৰ কথা কোৱা হৈছে। জীৱনত কি ভাল, গুণী আৰু শেষত অৰ্থপূৰ্ণ বুলি গণ্য কৰা হয়, সেই কথা

https://howlyraasmahotsav.org/

বুজিবলৈ বৈদিক দৰ্শনে এক ব্যাপক কাঠামো সামৰি লৈছে। বৈদিক চিন্তাৰ মূল্যবোধৰ ব্যৱস্থাসমূহ আধ্যাত্মিক আৰু ব্ৰহ্মাণ্ডবিজ্ঞানৰ নীতিৰ পৰা উদ্ভৱ হৈছে। ই ধৰ্ম (নৈতিক কৰ্তব্য), মোক্ষ (মুক্তি), আৰু উচ্চতম সত্যৰ উপলব্ধিৰ ধাৰণাসমূহৰ সৈতে গভীৰভাৱে জড়িত। বৈদিক প্ৰমূল্যবোধৰ মূল উপাদানসমূহ হ'ল—

i) ধৰ্ম (ধাৰ্মিকতা/কৰ্তব্য)ঃ ধৰ্ম বৈদিক নৈতিকতাৰ কেন্দ্ৰীয় বিষয়। ই নৈতিক নিয়ম, ধাৰ্মিকতা আৰু কৰ্তব্যক বুজায়। ই হৈছে নৈতিক আচৰণৰ বাবে পথ প্ৰদৰ্শক নীতি। এই নীতি অনুসৰি ব্যক্তিয়ে মহাজাগতিক আৰু সামাজিক ব্যৱস্থা (ঋত)ৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে কাম কৰে। বৈদিক দৃষ্টিত সমাজত নিজৰ ভূমিকা, জীৱনৰ পৰ্যায় (আশ্ৰম), আৰু নিজৰ অন্তৰ্নিহিত স্বভাৱ (গুণ)ৰ ওপৰত ভিত্তি কৰি প্ৰতিজন ব্যক্তিৰ নিৰ্দিষ্ট কৰ্তব্য (স্বধৰ্ম) থাকে। নিজৰ ধৰ্ম অনুযায়ী জীৱন যাপন কৰাটো সৰ্বোচ্চ নৈতিক আৱশ্যকতা হিচাপে গণ্য কৰা হৈছে। বৈদিক দৰ্শনে ধৰ্মৰ যোগেদি ব্যক্তিগত কল্যাণ আৰু সমাজৰ সমন্বয় উভয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

https://howlyraasmahotsav.org/

ii) পুৰুষাৰ্থ (জীৱনৰ চাৰিটা লক্ষ্য)ঃ মানৱ জীৱনৰ লক্ষ্যক প্ৰতিনিধিত্ব কৰা চাৰিটা পুৰুষাৰ্থক কেন্দ্ৰ কৰি বৈদিক মূল্যবোধৰ ব্যৱস্থা সংগঠিত হৈছে। এই চাৰিটা হ'ল —

ধৰ্ম— নৈতিক আৰু কৰ্তব্যপৰায়ণ জীৱন।

অৰ্থ— বস্তুগত সমৃদ্ধি আৰু ধন-সম্পত্তিৰ সন্ধান।

কাম — সুখ, কামনা, প্ৰেমৰ সন্ধান।

মোক্ষ— জন্ম-মৃত্যুৰ চক্ৰৰ পৰা চূড়ান্ত মুক্তি (সংসাৰ)।

এই লক্ষ্যসমূহে মানৱৰ সমৃদ্ধিৰ বাবে এক ব্যাপক ভিত্তি প্ৰদান কৰে। অৰ্থ আৰু কাম লৌকিক সাধনাৰ সৈতে জড়িত হ'লেও ধৰ্মৰ পৰিসীমাৰ ভিতৰতে অনুসৰণ কৰিব লাগিব। মোক্ষই অতিক্ৰমণীয় মূল্যক প্ৰতিনিধিত্ব কৰে, যি বস্তুগত ক্ষেত্ৰৰ বাহিৰৰ চূড়ান্ত লক্ষ্য হিচাপে পৰিগণিত হয়।

iii) মোক্ষ (Liberation): বৈদিক দৰ্শনত বিশেষকৈ বেদান্ত আৰু সাংখ্যৰ দৰে দাৰ্শনিক মতবাদত মোক্ষ বা মুক্তিৰ সৰ্বোচ্চ মূল্য। ই সংসাৰ চক্ৰৰ পৰা মুক্তি (জন্ম, মৃত্যু, আৰু পুনৰ্জন্ম) আৰু আত্মাক (আত্ম) ব্ৰহ্মৰ সৈতে একে বুলি উপলব্ধি (চূড়ান্ত বাস্তৱক প্ৰতিনিধিত্ব কৰে। এই মুক্তি কেৱল নৈতিক নহয়, বৰঞ্চ আত্মজ্ঞানৰ শিখৰ অৱস্থাস্বৰূপ, য'ত দ্বৈততাক অতিক্ৰম কৰি সকলো অস্তিত্বৰ একত্ব উপলব্ধি কৰা হয়। মোক্ষক পৰম মূল্য বুলি গণ্য কৰা হয়, কাৰণ ইয়াৰ ফলত চিৰন্তন আনন্দ লাভ হয় আৰু সকলো ধৰণৰ দুখ-কষ্টৰ পৰা মুক্তি লাভ হয়।

iv) কৰ্ম (Action and its Consequences): প্ৰতিটো কৰ্মৰ পৰিণতি আছে বুলি ধাৰণা কৰা কৰ্মবাদৰ নীতিয়ে বৈদিক মূল্যবিদ্যাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কৰ্মৰ নৈতিক মাত্ৰাই এই জীৱন আৰু ভৱিষ্যত জীৱন উভয়তে ইতিবাচক ফলাফল নিশ্চিত কৰিবলৈ সৎ কৰ্ম (ধৰ্মৰ লগত খাপ খুৱাই) কৰাৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাল কৰ্ম (পুণ্য)ৰ ফলত অনুকূল পুনৰ্জন্ম বা আধ্যাত্মিক উন্নতি হয়, আনহাতে বেয়া কৰ্ম (পাপ)ৰ ফলত দুখ ভোগ কৰিবলগীয়া বা অস্তিত্বৰ নিম্ন ৰূপ ধাৰণ কৰিবলগীয়া হয়। এইদৰে নৈতিক আচৰণ কাৰণ আৰু ফলৰ নিয়মৰ সৈতে অন্তৰ্নিহিতভাৱে জড়িত।

v) ঋত (Cosmic Order): ঋতই বৈদিক চিন্তাত বিশ্বব্ৰহ্মাণ্ডক পৰিচালিত কৰা মহাজাগতিক শৃংখলা আৰু সত্যক প্ৰতিনিধিত্ব কৰে। নৈতিক কাৰ্য্য হ'ল সেইবোৰ যি এই সাৰ্বজনীন ব্যৱস্থাৰ সৈতে মিল খায়, যিয়ে সমাজ, প্ৰকৃতি আৰু মহাবিশ্বৰ ভাৰসাম্য ৰক্ষা কৰাটো নিশ্চিত কৰে। এই ধাৰণাটোৰেই ধৰ্মৰ ধাৰণালৈ বিকশিত হৈছিল। ঋত হৈছে নৈতিক মূল্যবোধ আৰু কাৰ্য্যক গঢ় দিয়া বৃহত্তৰ, মহাজাগতিক কাঠামো।

vi. অহিংসা (Non-violence): অহিংসা হৈছে এক উল্লেখযোগ্য নৈতিক মূল্যবোধ যিটো পৰৱৰ্তী বৈদিক আৰু উপনিষদীয় চিন্তাধাৰাত অধিক প্ৰাধান্য লাভ কৰে। সকলো জীৱৰ অন্তনিহিত আন্তঃসংযোগক স্বীকাৰ কৰি অহিংসাই কোনো জীৱৰ ক্ষতি নকৰাৰ নৈতিক আৱশ্যকতাক গুৰুত্ব আৰোপ কৰিছে।

vii. নৈতিক গুণঃ বৈদিক দৰ্শনত নৈতিক গুণ হ'ল সত্যতা। সত্য বা সততা বৈদিক দৰ্শনৰ এক প্ৰধান গুণ। সত্য কথা কোৱা আৰু কাম কৰাটো ধৰ্ম আৰু নীতি অনুযায়ী জীৱন যাপনৰ বাবে অপৰিহাৰ্য বুলি গণ্য কৰা হয়। সত্য কেৱল নৈতিক নিৰ্দেশনা নহয়, বৰঞ্চ সকলো অস্তিত্বৰ অন্তৰ্নিহিত গভীৰ আধ্যাত্মিক সত্যৰ (ব্ৰহ্ম) প্ৰতিফলন। বৈদিক দৰ্শনত প্ৰাধান্য লাভ কৰা আন দুবিধ

প্রমূল্য হৈছে আত্মনিয়ন্ত্রণ আৰু বৈৰাগ্যা বৈদিক দৰ্শনত নৈতিক আচৰণ প্ৰায়ে নিজৰ কামনা আৰু ইন্দ্ৰিয়সমূহ আয়ত্ত কৰা আৰু বস্তুগত জগতৰ প্ৰতি অনাসক্তিৰ লগত জড়িতা উদাহৰণস্বৰূপে ভাগৱতত স্বাৰ্থপৰ উদ্দেশ্য অবিহনে কৰ্তব্য পালনত মনোনিৱেশ কৰি কৰ্মৰ ফলাফলৰ আকাংক্ষা নকৰাৰ কথা কোৱা হৈছে। এই গুণসমূহে ব্যক্তিক আভ্যন্তৰীণ শান্তি, সমতা আৰু আধ্যাত্মিক উপলব্ধিৰ বাবে প্ৰস্তুতিৰ অৱস্থা লাভ কৰাত সহায় কৰে যিয়ে শেষত মোক্ষলৈ লৈ যায়। বৈদিক আৰু উত্তৰ-বৈদিক পৰম্পৰাত দয়া এক গুৰুত্বপূৰ্ণ মূল্যবোধ) ইয়াত সকলো সত্তাৰ ঐক্যৰ স্বীকৃতি আৰু নিজৰ মংগল আনৰ মংগলৰ সৈতে জড়িত বুলি কৰা ধাৰণাৰ প্ৰতিফলন ঘটে। বহুল অৰ্থত ই অহিংস নীতিৰ সৈতে জড়িত যিয়ে আনৰ প্ৰতি দয়া আৰু সহানুভূতিৰ জীৱনক অনুপ্ৰাণিত কৰে।

viii. নান্দনিক মূল্যবোধঃ বৈদিক দৰ্শনৰ নান্দনিক মূল্যবোধ হ'ল ৰসবোধ। ইয়াক নান্দনিক অভিজ্ঞতা বুলিবও পাৰিম উত্তৰ-বৈদিক সাহিত্যত (বিশেষকৈ নাট্যশাস্ত্ৰত) বিকশিত হোৱা ৰসৰ ধাৰণাটোৱে কলাত্মক প্ৰকাশৰ পৰা উদ্ভৱ হোৱা আনন্দ বা আৱেগিক অৱস্থাৰ নান্দনিক অভিজ্ঞতাক বুজায়া যেনে নাটক, সংগীত বা সাহিত্য আদি। ৰস তত্ত্বই দৰ্শকৰ মাজত উত্তেজিত হোৱা বিভিন্ন নান্দনিক আৱেগ (যেনে প্ৰেম, বীৰত্ব, মমতা আদি) চিনাক্ত কৰে, যিয়ে ঐশ্বৰিক সৃষ্টিশীলতাৰ প্ৰতিফলন হিচাপে শিল্প আৰু সৌন্দৰ্য্যৰ প্ৰতি গভীৰ প্ৰশংসাৰ অনুভূতিৰ সৃষ্টি কৰাত অৰিহণা যোগায়। সত্যম, শিৱম, সুন্দৰম (সত্য, মঙ্গল, আৰু সৌন্দৰ্য্য) এই ত্ৰিত্বই চূড়ান্ত মূল্যৰ বৈদিক ধাৰণাক প্ৰতিফলিত কৰে। সত্যম (সত্য), শিৱম (শ্ৰেষ্ঠ), আৰু সুন্দৰম (সৌন্দৰ্য্য) হৈছে ব্ৰহ্ম বা চূড়ান্ত বাস্তৱতাৰ আন্তঃসংলগ্ন দিশ। জীৱনৰ সৰ্বোচ্চ মূল্য এই গুণসমূহৰ ঐক্য উপলব্ধি কৰাত পোৱা যায়, য'ত সত্য আৰু নৈতিক সৌন্দৰ্য্য ঐশ্বৰিক চেতনাত একত্ৰিত হয়। বৈদিক দৰ্শনৰ প্ৰমূল্যবোধ মানৱ জীৱনক সৰ্বোচ্চ উপলব্ধিৰ দিশত পথ প্ৰদৰ্শন কৰা নৈতিক, আধ্যাত্মিক আৰু নান্দনিক মূল্যবোধৰ ওপৰত কেন্দ্ৰিত। ইয়াত লৌকিক আৰু আধ্যাত্মিক সাধনাৰ ভাৰসাম্য ৰক্ষা কৰা হৈছে। বৈদিক দৰ্শনত এই কথাত গুৰুত্ব আৰোপ কৰা হৈছে যে বস্তুগত সফলতা (অৰ্থ) আৰু উপভোগ (কাম)ক নৈতিকভাৱে (ধৰ্মৰ সৈতে সংগতি ৰাখি), মুক্তিৰ চূড়ান্ত লক্ষ্য (মোক্ষ)ৰ সৈতে অনুসৰণ কৰিব লাগিব। সত্যতা, অহিংসা, মমতা আৰু আত্মনিয়ন্ত্ৰণৰ দৰে নৈতিক গুণসমূহে সৌন্দৰ্য্য আৰু শিল্পৰ প্ৰতি প্ৰশংসাৰ সৈতে মিলি আধ্যাত্মিক আৰু ব্যৱহাৰিক দুয়োটা মাত্ৰাতে শিপাই থকা এক সামগ্ৰিক মূল্যবোধৰ ব্যৱস্থাৰ সংজ্ঞা দিয়ে।

References:

- *Aggarwal. J. C. (2010): Theary and Principles of Education, 13th Ed. Vikash Publishig House Pvt. Ltd. New Delhi*
- *Arjunam, N. K. (2010): Philosophical and Sociological Foundations of Education. Palakhad Yoga Publication.*
- *Banerjee, A. C. & Sharma, S. R. (1999): Sociological and Philosophical Issues in Education, Jaipur Book Enclave.*
- *Bhatia, K. K. (2013) Social foundation of Education. Kalyani Publishers, Ludhiana*
- *Chaube, S, P. and Akhilesh (1981): Philosophical and Sociological Foundations of Education. Vinod Pustak Mandir. Agra.*
- *Chandra S. S. R. Sharma, Rajendra. K. (2006): Philosophy of Education. Atlantic. New Delhi.*
- *Ghosh, Sunanda: Education in Emerging Indian Society: The Challenges and Issues PHI Learning Pvt. Ltd. New Delhi, 2009.*
- *Johri, P. K. (2005) Philosophical Foundations of Education. Anmol Publications Pvt. Ltd. New Delhi.*
- *Pachuri, Girish (2009): Philosophical Foundation of Education R. Lall Book Depot. Meerut*
- *Pathak, R. P. (2007): Philosophical and Sociological Perspectives of Education. Atlantic, New Delhi.*
- *Pande. A. P (2006): An Introduction to Major Philosophies of Education. Vinod Pustak Mandir Agra*
- *Sahu, B. (2002): The New Educational Philosophy. Sarup and Sons. New Delhi.*

https://howlyraasmahotsav.org/

পদ্মশ্ৰী বীৰুবালা ৰাভা
(সমাজক আন্ধাৰৰ পৰা পোহৰলৈ অনা এগৰাকী সাহসী নাৰী)

ড° নমিতা দাস গুৰুং

'এদিন মোক ৰাইজে ডাইনী সাজিছিল আৰু এঘৰীয়া কৰিছিল'— এই উক্তি ডাইনী হত্যাৰ বিৰুদ্ধে যুঁজ দিয়া অদম্য সাহসী নাৰী বীৰবালা ৰাভাৰ। তেওঁৰ দোষ ক'ত? যাৰ বাবে ৰাইজে তেওঁক ডাইনী সাজিছিল। এঘৰীয়া কৰিছিল। তেওঁৰ দোষ আছিল— কিন্তু কি? কি দোষ? স্বামী আৰু পুত্ৰৰ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হোৱাটোৱেই তেওঁৰ ক্ষমাহীন দোষ আছিল? যাৰ বাবে ৰাইজে বীৰুবালা ৰাভাক এঘৰীয়া কৰাই নহয়, আক্ৰমণ কৰি হত্যা কৰাৰো চেষ্টা চলাইছিল।

বীৰুবালা ৰাভাই কৈছিল "গাঁৱৰ ওজা এজনে এটি পিতলৰ বাটিত কিবা মন্ত্ৰ ফুকাই এৰি দিছিল আৰু যিগৰাকী ডাইনী তেওঁৰ ওচৰলৈ বাতিটো নিজে নিজে বাগৰি গৈছিল। এদিন মোৰ ওচৰলৈ এনে মন্ত্ৰপূত বাটি এৰি দিছিল। বাটিটো বাগৰি বাগৰি মোৰ কাষ পাইছিল আৰু মোক ৰাইজৰ আগত ওজাই ডাইনী বুলি প্ৰমাণিত কৰিছিল।"

ইয়াৰ পিছত বীৰুবালা ৰাভাক আক্ৰমণ কৰিবলৈ একাংশ লোক উদ্যত হৈছিল। কিবাকৈ তেওঁ সেই আক্ৰমণৰ পৰা হাত সাৰিছিল। এইগৰাকী সাহসী আৰু প্ৰতিবাদী বীৰুবালা ৰাভাই হৈছে শান্তিৰ নোবেল বঁটাৰ বাবে মনোনীত হোৱা প্ৰথমগৰাকী অসমীয়া মহিলা। ২০০৫ চনত গুৱাহাটীৰ এটা আগশাৰীৰ সংগঠনে (Thousands Project Woman) শান্তিৰ ন'বেল বঁটাৰ বাবে তেওঁৰ নাম প্ৰেৰণ কৰিছিল।

১৯৫৪ চনত গোৱালপাৰা জিলাৰ ঠাকুৰভিলা নামৰ এখন ভিতৰুৱা গাঁৱত এটি অতি সাধাৰণ পৰিয়ালত বীৰুবালা ৰাভাৰ জন্ম হৈছিল। বহু কষ্টেৰে ডাঙৰ-দীঘল হোৱা বীৰুবালা ৰাভাই মাত্ৰ পঞ্চম শ্ৰেণীলৈকে পঢ়া-শুনা কৰাৰ পাছতেই বিদ্যালয় এৰিবলগীয়া হৈছিল। সৰুতেই দেউতাকৰ মৃত্যু হোৱাত ঘৰৰ দায়িত্বও বহন কৰিবলগীয়া হৈছিল। ১৯৮৫ চনত ঠাকুৰভিলা গাঁৱৰে এজন কৃষকৰ সৈতে বীৰবালা ৰাভাই বিবাহপাশত আবদ্ধ হৈছিল। ইয়াৰ পিছতেই তেওঁলোকৰ জীৱনলৈ আহিছিল এটি পুত্ৰ সন্তান। সন্তানটিৰ নাম ৰাখিছিল— ধৰ্মেশ্বৰ। ধৰ্মেশ্বৰ লাহে লাহে ডাঙৰ হৈ আহিছিল আৰু পঞ্চম শ্ৰেণীলৈ উত্তীৰ্ণ হৈছিল। কিন্তু দহ বছৰ বয়সীয়া ধৰ্মেশ্বৰৰ এদিন শাৰীৰিক বিসংগতিয়ে দেখা দিছিল। স্নায়ুৰোগত আক্ৰান্ত ধৰ্মেশ্বৰ কেতিয়াবা হঠাৎ মূৰ্ছাও গৈছিল। উন্নত চিকিৎসাৰ বাবে বীৰবালা ৰাভাৰ গাঁৱত ভাল হাস্পাতাল আৰু ডাক্তৰৰ সুবিধা নাছিল। কোৱা বাহুল্য যে— গাঁৱৰ মানুহে অসুখ হ'লে দেওধনী আৰু স্থানীয় বেজৰ শৰণাপন্ন হৈছিল। পুত্ৰৰ দুৰ্দশা সহ্য কৰিব নোৱাৰি বীৰুবালায়ো দেওধনীৰ ওচৰলৈ পুত্ৰক লৈ গৈছিল। দেওধনীয়ে মঙ্গল চাই বীৰুবালাক কৈছিল—

"ধৰ্মেশ্বৰৰ গাত পৰী লম্ভিছে। পৰীজনী বৰ্তমান গৰ্ভৱতী। পৰীজনীৰ সন্তান জন্ম হ'লেই ধৰ্মেশ্বৰৰ মৃত্যু হ'ব।"

কিন্তু পৰীজনীৰ সন্তান জন্ম হ'ল নে নহ'ল সেয়া দেওধনীৰ বাদে কোনেও নাজানিলে আৰু ধৰ্মেশ্বৰো

https://howlyraasmahotsav.org/

জীয়াই থাকিল। কিন্তু নৰম শ্ৰেণী পোৱাত ধৰ্মেশ্বৰৰ স্নায়ুৰোগ আৰু মানসিক ৰোগ বহুত বেছি বাঢ়ি গৈছিল। তাৰ মানসিক অৱস্থা ইমান বেছি বেয়া হৈছিল যে তাৰ উৎপাতত গাঁৱৰ মানুহ অতিষ্ঠ হৈ পৰিছিল। উপায় নাপাই ৰাইজে তাক হাতে-ভৰিয়ে বান্ধি কোঠাত আবদ্ধ কৰি থ'বলৈ বাধ্য হৈছিল। অৱশেষত প্ৰশাসনৰ সহযোগত বীৰুবালা আৰু স্বামীয়ে ধৰ্মেশ্বৰক চিকিৎসাৰ বাবে শ্বিলঙলৈ পঠিয়াই দিছিল। মৰমৰ পুত্ৰৰ অসুস্থতাত বীৰুবালা ৰাভাৰ যেন হিয়া ভাগি গৈছিল। কিন্তু বিধিৰ কি বিধান! "কালৰ কুটিল গতি বুজা বৰ টান। বিৰহ-মিলন দুটি বিধিৰ বিধান।।"

বীৰুবালাৰ কপালত যেন লিখা আছে দুখৰ উপৰি দুখ। পুত্ৰক শ্বিলঙলৈ পঠোৱাৰ পিছতেই বীৰুবালাৰ স্বামীও দুৰাৰোগ্য ৰোগত আক্ৰান্ত হ'ল। অন্ধবিশ্বাস আৰু কুসংস্কাৰৰেৰে মন-মগজু ভৰি থকা ঠাকুৰভিলা গাঁৱৰ এজন লোকে বীৰুবালা ৰাভাৰ বিৰুদ্ধে বিষবাষ্প সমাজত বিয়পাই দিলে।

"ঘৰৰে বাণ, ঘৰৰে শাণ, ঘৰতে ডাইনী, ঘৰতে ভূতুনী।"

অৰ্থাৎ ধৰ্মেশ্বৰৰ মাক বীৰুবালা এজনী ডাইনী। সেইবাবে ধৰ্মেশ্বৰৰ মানসিক বেমাৰ হ'ল আৰু গিৰিয়েকৰো ডাঙৰ বেমাৰ হ'ল। লোকবিশ্বাস মতে হেনো ডাইনীয়ে নিজৰ গিৰিয়েক আৰু সন্তানকো ৰেহাই নিদিয়ে। সেয়েহে সন্তানক পাগল আৰু স্বামীক বেমাৰী কৰিলে। বৈজ্ঞানিক মানসিকতাৰ অভাৱগ্ৰস্ত গাঁওবাসীয়ে এনে মন্তব্যত বিশ্বাস কৰিলে আৰু লগে লগেই ৰাইজে মেল পাতি বীৰুবালা ৰাভাক ডাইনী বুলি প্ৰতিপন্ন কৰিলে আৰু ৰাইজে অপমান কৰিলে, গালি-শপনি পাৰিলে।

বীৰুবালা ৰাভাৰ স্বামীয়ে কিন্তু ৰাইজৰ এনে অযুক্তিপূৰ্ণ কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছিল। তেওঁ বিভিন্ন যুক্তি দৰ্শাইছিল। ৰাইজৰ চিঞৰ-বাখৰত বীৰুবালা ৰাভাৰ স্বামীৰ যুক্তি বৃহৎ অট্টালিকাৰ জিকি-মিকি দেৱালীৰ ওচৰত জুপুৰীৰ এগছি বন্তি হৈ যেন হৈ পৰিছিল। অৱশেষত বীৰুবালা ৰাভাৰ পৰিয়ালটোক ডাইনীৰ সন্দেহত ৰাইজে এঘৰীয়া কৰিছিল।

শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত পিছপৰা গোৱালপাৰা জিলাৰ ঠাকুৰভিলা গাঁৱৰ অন্ধবিশ্বাসী মানুহবোৰৰ ওচৰৰ পৰা আঁতৰি আহিছিল বীৰুবালা ৰাভা। তাৰ পিছৰ পৰাই অদম্য সাহসেৰে ডাইনী হত্যাৰ বিৰুদ্ধে যুঁজ দি গৈছিল বীৰুবালাই। অন্ধবিশ্বাসৰ গ্ৰাসৰ পৰা সমাজখনক মুক্ত কৰিবলৈ সীমাহীন বাধা অতিক্ৰম কৰি সম্পূৰ্ণ অকলে খোজ দিছিল সমাজহিতৈষী, মানৱ দৰদী নাৰী বীৰুবালা ৰাভাই।

য'তেই ডাইনী হত্যা বা অন্ধবিশ্বাসৰ সমস্যাই গা কৰি উঠিছিল তাতেই সাহসেৰে উপস্থিত হৈছিল বীৰুবালা ৰাভা। পিছলৈ তেখেতৰ কাৰ্যক সমৰ্থন কৰি সমাজৰ আন আন লোকেও তেওঁক সংগ দিছিল।

১৯৯৯ চনত গোৱালপাৰা জিলাৰ লক্ষ্মীপুৰৰ দদান মন্দিৰৰ চোতালত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাত ঠাকুৰভিলা অঞ্চলৰ কেইগৰাকীমান যুৱতী আৰু মহিলাক ৰাইজে ডাইনী বুলি অভিহিত কৰিছিল। সেই ৰাজহুৱা সভাত বীৰুবালা ৰাভাই অতি দৃঢ় কণ্ঠেৰে যুৱতী আৰু মহিলা কেইগৰাকীৰ পক্ষত থিয় দিছিল। তেওঁ চিঞৰি চিঞৰি কৈছিল— "তেওঁলোক ডাইনী নহয়, তেওঁলোক কেতিয়াও ডাইনী হ'ব নোৱাৰে, এয়া অন্ধবিশ্বাস।" বীৰুবালা ৰাভাই ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ গৈ ডাইনী যে অন্ধবিশ্বাস এই কথাৰ প্ৰচাৰ কৰিছিল। প্ৰায় ৩৫ গৰাকী ডাইনী বুলি অভিহিত কৰা লোকৰ জীৱন ৰক্ষা কৰিছিল বীৰুবালা ৰাভাই। তেওঁৰ এই অক্লান্ত যুঁজত সহযোগ কৰিবলৈ আগবাঢ়ি আহে শত-সহস্ৰ পুৰুষ-নাৰী, যুৱক-যুৱতী।

এনেদৰেই ২০১২ চনত আনুষ্ঠানিকভাৱে 'মিছন বীৰবালা'ৰ জন্ম হয়। অমৰ সূৰ্য বীৰুবালা ৰাভাৰ আদৰ্শযুক্ত মিছন বীৰুবালাৰ সদস্যৰ সংখ্যা দিনে দিনে বৃদ্ধি পাইছে। মিছন বীৰুবালাৰ প্ৰায় এশগৰাকী সদস্যই অসমৰ ১৪ খন জিলাত অন্ধবিশ্বাস আৰু ডাইনী সন্দৰ্ভত কৰ্মশালা, সজাগতা সভা আদি অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছে আৰু যথেষ্ট সফলো হৈছে।

'মিছন বীৰুবালা'ৰ অধীনত ডিব্ৰুগড় বিশ্ববিদ্যালয়, দুধনৈ মহাবিদ্যালয়, চাবুৱা ডি ডি আৰ কলেজ, ডিব্ৰু মহাবিদ্যালয়, ফিল'বাৰী কনিষ্ঠ মহাবিদ্যালয় আৰু ছেৰফাংগুৰিত মিছন বীৰুবালা কোষ (Working Cell) গঠন কৰিছে। মিছন বীৰুবালাই অসমৰ ভিতৰুৱা গাঁৱৰ সচেতন ব্যক্তি তথা প্ৰশাসনৰ সহযোগত অসমৰ বিভিন্ন ঠাইলৈ গৈ অন্ধবিশ্বাস দূৰ কৰাৰ বাবে একান্তভাৱে চেষ্টা

https://howlyraasmahotsav.org/

চলাই আহিছে। মিছ্ন বীৰুবালাৰ মূল উদ্দেশ্য হৈছে— 'অন্ধবিশ্বাসৰ বিৰুদ্ধে সামাজিক সচেতনতা সৃষ্টি কৰা।'

বীৰুবালা ৰাভাৰ অক্লান্ত সমাজ সেৱাৰ বাবে লাভ কৰা বঁটা আৰু সন্মান—

১। সৰ্বেশ্বৰ দত্ত সোঁৱৰণী বঁটা (2011) SI Foundation for Media & Social Welfare, Assam.

২। ৰিলায়েন্স ইন্ডাসট্ৰিজ লিমিটেডৰ পৰা 'ৰিয়েল হিৰো খিতাপ' ২০০৮, মুম্বাইত

৩। আনন্দৰাম ঢেকিয়াল ফুকন বঁটা ২০১৯, নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়।

৪। 12th Upendra Nath Brahma Soldier of Humanity Award— ২০১৫

৫। টাই আহোম যুৱ পৰিষদৰ বীৰাঙ্গনা মূলাগাভৰু বঁটা, জয়মতী বঁটা, সমাজ প্ৰাণ সেৱা বঁটা।

৬। গুৱাহাটী বিশ্ববিদ্যালৰ পৰা সন্মানীয় পি. এইচ. ডি ডিগ্ৰী প্ৰদান।

৭। 'প্ৰজেক্ট থাউজেন্ড উইমেন'ৰ মনোনয়নত শান্তিৰ ন'বেল বঁটাৰ বাবে মনোনীত — ২০০৫ চন।

৮। সমাজ সেৱাৰ বাবে পদ্মশ্ৰী বঁটা-- ২০২১ চন।

ডাইনী হত্যাৰ দৰে ভয়ানক সামাজিক ব্যাধি সমাজৰ পৰা চিৰদিনৰ বাবে আঁতৰাই পেলোৱাৰ আপ্ৰাণ চেষ্টা কৰা অদম্য এটি অমৰ সূৰ্য, পদ্মশ্ৰী বীৰুবালা ৰাভাই ২০২৪ চনৰ ১৩ মে' তাৰিখ সোমবাৰে জীৱন নাটৰ সামৰণি মাৰে। বীৰুবালা ৰাভাৰ কায়িক জীৱন পৰিক্ৰমাৰ পৰিসমাপ্তি ঘটিছে যদিও আদৰ্শ কিন্তু চলি থাকিব যুগ যুগান্তৰলৈ।

ডাইনী হত্যাৰ কাৰণ ঃ

১। উপযুক্ত শিক্ষাৰ অভাৱ

২। অন্ধবিশ্বাস

৩। কুসংস্কাৰ

৪। আধুনিক স্বাস্থ্যসেৱাৰ অভাৱ

৫। বিবাহ বহিৰ্ভূত শাৰীৰিক সম্পৰ্ক

৬। বাল্য-বিবাহ

৭। মাটি-সম্পত্তিৰ প্ৰতি লোভ

৮। হিংসা-ঈৰ্যা (সামাজিক)

৯। ঘৰুৱা হিংসা, ব্যক্তিকেন্দ্ৰিকতা

১০। বেজ হিচাপে জীৱিকা নিৰ্বাহ

১১। ধৰ্মৰ নামত কুসংস্কাৰ (বলিপ্ৰথা)

১২। অনাবৃষ্টিৰ ফলত হোৱা খৰাং বতৰ

১৩। অতিবৃষ্টিৰ ফলত হোৱা বানপানী

১৪। অচিন পোকৰ আক্ৰমণত হোৱা শস্যৰ ক্ষতি

১৫। অচিন ৰোগত পোহনীয়া জীৱ-জন্তুৰ মৃত্যু

১৬। মেলেৰীয়া, টাইফয়দ, জণ্ডিচ, উচ্চ ৰক্তচাপ, এনকেফেলাইটিছ, কেঞ্চাৰ, টিবি, হাৰ্ট এটাক, মানসিক ৰোগ আদিৰ ফলত গাঁৱত একেলগে বহু লোক আক্ৰান্ত হোৱা বা মৃত্যু হোৱা

১৭। জীৱিকাৰ ক্ষেত্ৰত হোৱা প্ৰতিযোগিতা

১৮। ধৰ্মৰ প্ৰতি বিৰোধিতা

১৯। অবৈজ্ঞানিক মানসিকতা

২০। অধিকাংশ শিক্ষিত লোকৰ সামাজিক দায়বদ্ধতাৰ অভাৱ।

ডাইনী ঃ একবিংশ শতিকাৰ সামাজিক ব্যাধি ঃ সমগ্ৰ বিশ্বত অনেক সংস্কৃতিত প্ৰাচীন আৰু আধুনিক কাল পৰ্যন্ত ডাইনী হত্যা হৈ আহিছে। মানুহে অন্ধবিশ্বাস আৰু কুসংস্কাৰত আক্ৰান্ত হৈ সমাজত ডাইনী বিদ্যা চৰ্চা কৰা লোকক হত্যা কৰে বা সমাজৰ পৰা ত্যাগ কৰে। কেতিয়াবা আচল ডাইনী বিদ্যা চৰ্চা কৰা লোক ধৰিব নোৱাৰি ভুলকৈও আক্ৰমণ কৰে আৰু হত্যা কৰে। ১৮৯২ চনত জোছেফ বাকেৰে আঁকা দা উইচ নং ৩ ত ডাইনী হত্যাৰ সময় ১৪৮০ চনৰ পৰা ১৭০০ চনৰ ভিতৰত বুলি কোৱা হৈছে।

প্ৰাচীন মিচৰ আৰু বেবিলনত যাদুকৰ আৰু ডাইনীৰ বাবে সুকীয়া আইন আছিল। হামুৰাবি কোড (১৮ শতক, খ্ৰীষ্টপূৰ্ব)ৰ মতে— "যদি এজন মানুহে অন্যজনৰ ওপৰত যাদু কৰে আৰু যদি সেয়া প্ৰমাণিত নহয়, তেতিয়া যাৰ ওপৰত যাদু প্ৰয়োগ কৰা হৈছে তেওঁ পবিত্ৰ নদীৰ কাষলৈ যাব আৰু নদীত নামিব। নদীয়ে যদি

https://howlyraasmahotsav.org/

তেওঁক ডুবাই পেলায় তেতিয়া তেওঁৰ ঘৰৰ মালিকীস্বত্ব সেই যাদু প্ৰয়োগকাৰী ব্যক্তিজনে লাভ কৰিব। যদি সেই পৱিত্ৰ নদীত নুডুবে তেতিয়া যাদুকৰজনক মৃত্যুদণ্ড দিয়া হ'ব আৰু তেওঁৰ ঘৰৰ মালিকীস্বত্ব লাভ কৰিব যাদুত আক্ৰান্ত হোৱা ব্যক্তিজনে।

একবিংশ শতিকাত পৃথিৱীখন মানুহৰ হাতৰ মুঠিত। বিজ্ঞানে এতিয়া বিশ্বব্ৰহ্মাণ্ডৰ আন আন গ্ৰহ-নক্ষত্ৰৰ অধ্যয়নত ব্যস্ত হৈ পৰিছে। বৰ্তমান সমাজখনক বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ ন-ন আৱিষ্কাৰে এনেদৰে ছানি ধৰিছে দেখিলে এনে লাগে যেন প্ৰত্যেক ব্যক্তিৰে মন বৈজ্ঞানিক মানসিকতাৰে পৰিপূৰ্ণ। কিন্তু বাহ্যিক সত্য আৰু আভ্যন্তৰীণ সত্য দুটা বেলেগ বস্তু। বাহিৰত আমি ডাঙৰ ডাঙৰ ভাষণ দিওঁ। অন্ধবিশ্বাস-কুসংস্কাৰৰ বিৰুদ্ধে শ্লোগান দিওঁ। কিন্তু আমিয়েই নিজৰ উন্নতিৰ বাবে দহটা আঙুলিৰ আঠটাত আঙুঠি পিন্ধো। শনিবাৰ-মঙ্গলবাৰে শুভ কামলৈ নাযাওঁ। পেট ফুলিলে পানী জৰা, আদা জৰা খাওঁ। এনেদৰে আমি দুটা ভিন্ন ৰূপ লৈ সমাজত জীয়াই আছোঁ। সি সময়ত বিজ্ঞানে সফলতাৰ চৰম শিখৰত উপনীত হ'বলৈ সক্ষম হৈছে, সেই একে সময়তে সমাজত ঘটি আছে ডাইনী সন্দেহত সংঘটিত হোৱা হত্যাৰ কৰুণ ঘটনা। বাতৰি কাকতত গড়ে দৈনিক এটাকৈ অন্ততঃ ডাইনী সন্দেহত হোৱা হত্যাৰ বাতৰি আমি পঢ়িবলৈ পাইছোঁ। ডাইনী হত্যাৰ নিচিনা হত্যা কু-কাৰ্যৰ যিধৰণৰ তীব্ৰ প্ৰতিবাদ সমাজত হ'ব লাগিছিল তেনে প্ৰতিবাদ কিন্তু হোৱা নাই। দূৰদৰ্শনত প্ৰায় দেখি থকা ডাইনী বুলি কৰা হত্যা বা নিগ্ৰহৰ প্ৰতিচ্ছবিয়ে নতুন প্ৰজন্মক কেনে শিক্ষা দিব সেয়া চিন্তাৰ বিষয়। 'ডাইনী সন্দেহত হত্যা'ৰ দৰে কু-সংস্কাৰে যিদৰে অসমখনক ছানি ধৰিছে সেয়া জাতিটোৰ বাবে অশনি সংকেত। অৱশ্যে সাহসী নাৰী বীৰুবালা ৰাভাই এই ক্ষেত্ৰত দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ ডাইনী নিগ্ৰহৰ বিৰুদ্ধে যুঁজ দি সমাজত সজাগতা সৃষ্টিৰ বাবে অশেষ কষ্ট কৰিছে। যাব বাবে তেওঁ শান্তিৰ নোবেল বঁটাৰ বাবে মনোনয়ন পাইছিল। বীৰুবালা ৰাভাই সীমাহীন কষ্ট কৰিও যেন ৰোধ কৰিব পৰা নাই মানৱৰ মগজুৰ নিভৃততম কোণত লুকাই থকা কু-সংস্কাৰৰ বীজ।

'ডাইনী' এক অপশক্তি বুলি জনসমাজত এনেভাৱে প্ৰচলিত যে তাক নিৰ্মূল কৰিবলৈ প্ৰত্যেকেই দৃঢ় সংকল্প ল'ব লাগিব। ৰাজনৈতিক, অৰাজনৈতিক সকলো দল-সংগঠনে এক হৈ অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজিব লাগিব। সাহিত্য ৰচনা কৰি সজাগতা সৃষ্টি কৰিব লাগিব। ভ্ৰাম্যমাণ থিয়েটাৰসমূহত 'ডাইনী'ক বিষয়বস্তু হিচাপে লৈ নাটকত প্ৰচাৰ কৰিব লাগিব।

যি তিৰোতাই মন্ত্ৰ কৰিব জানে তেৱেঁই ডাইনী। জনসমাজত বিশ্বাস যে এই মন্ত্ৰ কৰা তিৰোতাই ভূত বা বিৰা পোহে। এই বিৰা বা প্ৰেতটোৱে তিৰোতাজনীক কামত সহায় কৰে। গাঁৱত এনেদৰে মন্ত্ৰ কৰা কিছুমান মহিলা থাকে। কোনো বিধৱা, কোনো গাঁৱত আবিয়ৈ বা কোনো গাঁৱত নিঃসন্তান এনে মহিলাই পানী জৰা, তেল জৰা, জপ দিয়া, ফল জৰা আদিৰে দুপইচা উপাৰ্জন কৰে। সমাজৰ এচাম স্বাৰ্থান্বেষী, কু-চক্ৰান্তকাৰী লোকে এনে অকলশৰীয়া মহিলাক ডাইনী সজাই হত্যা কৰে। কেতিয়াবা দুই-এজন দুষ্ট লোকে সমাজত একোঘৰ মানুহৰ বিৰুদ্ধে অপপ্ৰচাৰ চলাই ডাইনী বুলি হত্যা কৰে। ২০১৭ বৰ্ষৰ সাহিত্য অকাডেমী বঁটা প্ৰাপক ড° জয়ন্ত মাধৱ বৰাৰ 'দেওধনি' উপন্যাসখন এনে এটা সত্য কাহিনীৰ আলমত ৰচিত। ২০০০ চনত শোণিতপুৰ জিলাৰ বিশ্বনাথত চাওতাল জনগোষ্ঠীৰ একাংশ লোকে ডাইনী সন্দেহত এটা পৰিয়ালৰ পুৰুষ-নাৰী নিৰ্বিশেষে পাঁচগৰাকী সদস্যক নিশাটো অত্যাচাৰ কৰি পুৱা তেওঁলোকৰ কটা মূৰবোৰ আনি স্থানীয় থানাত জমা দি আত্মসমৰ্পণ কৰিছিল।

ডাইনী হত্যা যে কেৱল অসম বা ভাৰততে হৈ আছে তেনে নহয়। অসমৰ কোকৰাঝাৰ, ওদালগুৰি, চিৰাং, ৰাতাবাৰী, তামোলপুৰ, অভয়াপুৰী, জালাহ, বৰমা, বাক্সা, শিঙিমাৰী, ঢেকীয়াজুলি, মোনাবাৰী চাহ বাগিচা, বৌতা, ডুমুনী চাহ বাগিচা, মুছলপুৰ, গোঁসাইগাঁও আদি ঠাইত ডাইনী সন্দেহত হত্যাকাণ্ড সংঘটিত হৈছে।

ভাৰতবৰ্ষৰ গুজৰাট, অন্ধ্ৰপ্ৰদেশ, বিহাৰ, চত্তিশগড়, উৰিষ্যা, হাৰিয়ানা, মহাৰাষ্ট্ৰ, পশ্চিমবংগ, ঝাৰখণ্ড, ৰাজস্থানৰ ভুঙ্গৰপুৰ, বানচোৱাৰা, কোটা, উদয়পুৰ, টোঙ্ক, চিত্তোৰগড়, ভিলৱাৰা আদি ঠাইত সঘনে ডাইনী সন্দেহত হত্যাকাণ্ড সংঘটিত হয়। আনহাতে শ্ৰীলংকা, নৱবে, ছুইডেন, আমেৰিকা আদিতো ডাইনী হত্যাৰ নিচিনা ঘটনা ঘটা দেখা যায় যদিও সম্প্ৰতি তেনে ঠাইত এই কু-সংস্থাৰ বহু পৰিমাণে লোপ পাইছে। ভাৰতবৰ্ষতো

https://howlyraasmahotsav.org/

ডাইনী হত্যা ৰোধ কৰিবৰ বাবে আইন প্ৰণয়ন কৰা হৈছে। বিহাৰত দেশখনৰ ভিতৰতে প্ৰৱৰ্তন কৰা প্ৰথমখন এনে আইন হ'ল--- "Pre-vention of Witch (Daain) Practices Act, 1999"। দ্বিতীয়তে ঝাৰখণ্ডত প্ৰৱৰ্তিত আইনখন হ'ল- "Anti witch craft Act in 2001"।

ভূত-প্ৰেত, যখিনী-ডাইনী আদিৰ কথা লোক-সাহিত্যত পোৱা যায়। ভূত-প্ৰেত, যখিনী খেদোৱা মন্ত্ৰৰো উল্লেখ লোক-সাহিত্যত আছে। অক্সফৰ্ড বিশ্ববিদ্যালয়ত Witch Craft বুলি এটা বিভাগ আছে। তাত ডাইনী খেদোৱাৰ যাদু-মন্ত্ৰ আদিৰ শিক্ষাদান কৰা হয়। এনে তন্ত্ৰ-মন্ত্ৰৰ জৰিয়তে 'মামী'ৰ পৰা মৃতকক জীৱন্ত কৰিব পৰা যায় বুলিও কোৱা হয়। অস্কাৰ বঁটাপ্ৰাপ্ত 'স্নো হুৱাইট' নামৰ ছবিখনত মাহীমাকে তন্ত্ৰ-মন্ত্ৰৰ কিতাপৰ পৰা কেনেকৈ স্নো হুৱাইটক হত্যা কৰিব পাৰি তাৰ দিহা কৰিছিল। উইলিয়াম শেক্সপীয়েৰৰ 'মেকবেথ' (১৬০৬) নাটকত ডাইনীত্ৰয়ৰ মুখৰ সংলাপে সেই সময়ৰ 'ডাইনী বিদ্যা' চৰ্চাৰ প্ৰমাণ দাঙি ধৰে।

ৰাভাসকলৰ প্ৰধান অধিষ্ঠাত্ৰী দেৱী 'খোকচি' বা 'বায়খো'। পৰম্পৰাগত কাহিনী মতে 'খোকচি' আৰু 'বায়খো' দুই ভগ্নী। সৰু ভগ্নী 'খোক্চি'য়ে ডাইনী বিদ্যা শিকি আনৰ অপকাৰ কৰা বাবে হেনো দুই ভগ্নীৰ মনোমালিন্য হয়। গতিকে ৰাভা পৰম্পৰাগত কাহিনী অনুসৰি এই দুগৰাকী অধিষ্ঠাত্ৰী দেৱীৰ এগৰাকী 'ডাইনী'।

ড° নবীন চন্দ্ৰ শৰ্মাৰ ভাষাৰে ক'বলৈ গ'লে— 'প্ৰকৃতিৰ অলৌকিক কাৰ্যাৱলীৰ প্ৰতি সহজ বিশ্বাস প্ৰৱণতা, অজ্ঞেয়ৰ প্ৰতি যুক্তিবিহীন ভীতি বিহ্বলতা অথবা ৰহস্যাবৃত ঘটনা আৰু ভুল পথে পৰিচালিত শ্ৰদ্ধাৰ ওপৰত নিৰ্ভৰশীল আচৰণ আৰু বিশ্বাসৰ প্ৰতি আনুগত্য আদিয়েই অন্ধবিশ্বাসৰ বুনিয়াদ।' এই অন্ধবিশ্বাসৰ ফলতেই সমাজত 'ডাইনী' বুলি জীৱন্তে মানুহক জ্বলাই দিয়া হৈছে। কাটি টুকুৰা-টুকুৰ কৰা হৈছে অথবা নিজৰ মৰমৰ ঘৰখন, গাঁওখন এৰি গুচি যাবলৈ বাধ্য কৰোৱা হৈছে। এইসকল বৰ্বৰ মানুহৰ বিৰুদ্ধে মাত মতাৰ সৎ সাহস যেন কাৰো নাই। শিক্ষিতসকলেও ভয়তে ধৃতৰাষ্ট্ৰৰ ভাও লৈছে। অৱশ্যেই প্ৰাগ নিউজৰ সাংবাদিক দিগন্ত শৰ্মাই ঢেকীয়াজুলীত ডাইনী হত্যাৰ আধাৰত এখন চুটি ছবি নিৰ্মাণ কৰিছে।

একবিংশ শতিকাৰ শিক্ষিত সমাজে যদি এই ভয়ংকৰ মানসিক ব্যাধি ৰোধ কৰাৰ বাবে কোনো সুস্থ পদক্ষেপ গ্ৰহণ নকৰে তেন্তে আমাৰ নৱপ্ৰজন্মও এই ব্যাধিৰ চিকাৰ হ'ব। আজি আমি সজাগ হ'বৰ সময় হ'ল। আমি যদি কেৱল নিজৰ কথা চিন্তা কৰি বহি থাকোঁ তেন্তে অন্ধবিশ্বাসত বুৰ গৈ থকা সমাজখনক উদ্ধাৰ কৰিব কোনে?

আহক, আমি সকলোৱে মিলি ডাইনী বুলি যে কোনো অপশক্তি নাই তাক সমাজত প্ৰতিষ্ঠা কৰোঁ। বীৰুবালা ৰাভাৰ আদৰ্শেৰে সমাজখনক অন্ধবিশ্বাসৰ পৰা মুক্ত কৰি এখন সুস্থ-সবল পৃথিৱী গঢ়ি তোলোঁ তেতিয়াহে মহীয়সী নাৰী বীৰুবালা ৰাভাৰ ডাইনী হত্যাৰ বিৰুদ্ধে কৰা প্ৰবল সংগ্ৰামে সফলতা লাভ কৰিব।

https://howlyraasmahotsav.org/

প্ৰসঙ্গ পুথি—

১। *..........., পৃষ্ঠা-৬৪-৬৫*
File "BAGSA DUWAR" A Souvenir of the 57th Annual Conference BODO SAHITYA SABHA & The 29th Annual Conference, All Bodo Primary Teachers' Association.

২। *প্ৰান্তিক, ত্ৰয়শ্চত্বাবিংশ বছৰ ত্ৰয়োদশ সংখ্যা, পৃষ্ঠা-২৪-২৫*

৩। *Wikipedia— বীৰুবালা ৰাভা, অসমীয়া বিকিপিডিয়া*

৪। *NKTV PLUS, Youtube - 13 May 2024 'কেতিয়াও ঘূৰি নহাৰ বাটেৰে গ'লগৈ পদ্মশ্ৰী বীৰুবালা ৰাভা'*

৫। *মৌখিক তথ্য ড° নয়নজ্যোতি দাস— কোকৰাঝাৰ শ্ৰীকৃষ্ণা মায়া দেৱী— ঢেকীয়াজুলী শ্ৰীৰাজু শৰ্মা— গোৱালপাৰা শ্ৰীহিৰন্ময় চৌধুৰী মুছলপুৰ শ্ৰীবিপুল পাঠক— বিজনী ড° হিমানী হালৈ নিকাছী*

অসমীয়া জনমানসত লক্ষ্মী-অলক্ষ্মী

ড° উপেন ৰাভা হাকাচাম

হিন্দু ধৰ্মত লক্ষ্মী আৰু নাৰায়ণ অকল ইষ্ট দেৱ-দেৱীয়ে নহয় ই সুগৃহিণী (সুতিৰী) আৰু সুপুৰুষৰো আদৰ্শ প্ৰতীক (idol man/woman) স্বভাৱে-চৰিত্ৰই, বচনে-ভূষণে প্ৰত্যেক মাতৃ-পিতৃয়ে নিজৰ ছোৱালীজনী বা বোৱাৰীজনী এইগৰাকী লক্ষ্মী দেৱীৰ আশীষধন্যা হোৱাটো বা দেৱীগৰাকীৰ চাল-চলন বা পৰিমাৰ্জিত চৰিত্ৰ অনুকৰণ কৰাটো কামনা কৰে আৰু শৈশৱৰে পৰা তেনে স্বভাৱ-চৰিত্ৰৰে গঢ় ল'বলৈ নীতিশিক্ষাৰ দ্বাৰা (ইটো কৰিব পায়; সিটো কৰিব নাপায় এই ধৰণৰ হাক-বচন দিয়া বা সমাজে বিচৰা ধৰণে শিকাই-বুজাই লোৱা) ব্যতিব্যস্ত কৰি ৰাখে। মাক-বাপেকে শিকাই-বুজাই পঠাব নোৱাৰা গুৰু-গোসাঁই নমনা ডাংকাটী এজনীয়েও ভাল ঘৰত পৰিলে বা চোকা শাহুৱেকৰ হাতত পৰিলে ভিজা মেকুৰীৰ দৰে ঘৰ ধৰা বোৱাৰী একোজনী হৈ পৰে। কথাতে আছে—

"মাছে গৰকা পাচলি খাবা।
শাহুৱে গৰকা বোৱাৰী বাবা।।"

ইয়াতকৈ কিছু সুন্দৰ আৰু বাস্তৱ চিত্ৰ পোৱা যাব তলৰ বাংলা প্ৰবচনত—

"হলুদ জব্দ শিলে মাগ জব্দ কিলে
দাঁগ্যাল্যা মেয়্যা জব্দ হয় শ্বশুৰবাড়ি গেলে।"

অৰ্থাৎ টান হালধিকো পটাগুটিত পিহা যায় তিৰোতাক কিল সোধালে নিয়ন্ত্ৰণলৈ আহে, দন্দুৰী আৰু মুখচোকা ছোৱালী বিয়াৰ পিছত শান্ত-শিষ্ট হৈ পৰে। শাহুয়েকে শিকালেও শিক্ষা নোলোৱা অধচাৰিণী বা ব্যভিচাৰিণী নাৰীৰ পৰিণাম অতি শোকাবহ হয় বুলি সমাজে মানি আহিছে। তেওঁলোকৰ দুবেলা-দুমুঠি খাবলৈ ভাতৰ কাৰণেতো হাহাকাৰ হ'বই, তাতোকৈ ডাঙৰ কথা ডাঙৰৰ হাক-বচন নমনাৰ দোষত (শাও-শপনি খাই) তেওঁলোক আণ্ঠুকৰি (বাঁজী), অকাল বৈধব্য (মাহ-হালধিৰ গোন্ধ নাযাওঁকেই স্বামীহাৰা হোৱা আদি), গজমূৰী (স্বামী-পুত্ৰ বা পিতৃ-মাতৃৰ মৃত্যুৰ কাৰণ হোৱা), খাইমূৰী আদিৰ দৰে দুৰ্কপলীয়া হ'ব লাগিব, নহ'লেবা বাৰেবনৰী (বাৰভাতাৰী), ঘৰভাঙতী, হস্তনী (হসডাকনী), লক্ষ্মীছাৰা (কুলক্ষণীয়া), অমঙ্গলীয়া, শাঁখিনী, হাবাতীয়া (ভাতৰ কঙাল), পোকালাগী (দুৰাৰোগ্য ৰোগত)। আদিত বদনামেৰে লোকৰ ঘৰ ঘৰে কটনা কাটি, লেদেনা উকটি কালাতিপাত কৰিব লাগিব।

মুঠতে সংসাৰৰ সমস্ত বেয়া কাম, দুৰ্যোগ-দুৰ্গতি, অপঘাত-অশান্তিৰ কাৰক যেনিবা তাইৰ কৰ্মফলহে; শিশুকালত ঠিকমতে 'ভাল সংস্কাৰ' শিকাই-মেলি দিব নোৱাৰাৰ বাবে কম-বেছি পৰিমাণে মাককো জগৰীয়া কৰা হয়— "মাক-বাপেকে এই সোপাহে শিকাই পঠিয়াইছিল নে?" এইবুলি। স্বামীগৃহত শাহু-ননন্দৰ পৰা তাই চিৰদিন পিতৃনিন্দা, মাতৃনিন্দা, বংশনিন্দাৰে তিৰস্কৃতা হৈ থাকিব লাগিব। মুখ খুলি একো এটা প্ৰতিবাদ কৰিব নোৱাৰিব। কথাই প্ৰতি কিল-ভুকু-চৰ আদি খাব লাগিব—

"কাক ক'ম কোনে পতিয়াব,
যিয়ে শুনে সিয়ে লঠিয়াব।"

এয়াই হ'ল লক্ষ্মীৰ কোপদৃষ্টিত পৰা নাৰী

https://howlyraasmahotsav.org/

এগৰাকীৰ সীমাহীন দুৰ্গতিৰ কাহিনী (ভাগ্যলক্ষ্মীয়ে এৰা দিয়া আৰু শনিয়ে লম্ভা)। ইয়াৰ বিপৰীতে লক্ষ্মীৰ কৃপাদৃষ্টি পোৱা নাৰীৰ চাৰিওফালে জয়জয়-ময়ময় ধনে-ধানে, মানে-মৰ্যাদাই, লগুৱা-লিগিৰীৰে গিজগিজাই থকা এখন ভৰা সংসাৰ। মাক-দেউতাকৰ ঘৰতো তাই আছিল সাদৰৰ সাদৰী আৰু আজি স্বামীগৃহতো তায়েই চেনেহৰ পুতলী—

"মাটিত থ'লে পৰুৱাই পায়;
মূৰত থ'লে ওকনিয়ে খায়।"

সাধাৰণ জ্বৰ এটাত তাই কাহ বা হাচি এটা মাৰিলেই আটায়ে উবুৰি খাই পৰে— "বোৱাৰী! তুমি ঠাণ্ডা পানী নাখাবা", "নবৌ! মই গা ধুবলৈ গৰম পানী কৰি দিওঁনে", "হেৰা! তুমি আজি বাবাহঁতক আনিব যাব নালাগে" ইত্যাদি ইত্যাদি। সেই মান্ধাতাযুগীয়া বাল্যবিবাহ বৰ্তমানে উঠি গৈছে, বিধবা-বিবাহৰ পুনৰ প্ৰচলন হৈছে, সন্তানহীনৰ বাবে পত্নীৰ গাত কোনো দোষ নাই বুলি বিজ্ঞানে আজি প্ৰমাণ কৰি দেখুৱাইছে, কোষ্ঠী বা যোটক চাই বিয়া কৰাৰ পৰিবৰ্তে ব্লাড গ্ৰুপ চাইহে বিয়া কৰাৰ নিয়ম সমাজত প্ৰৱৰ্তিত হ'ব ধৰিছে অথচ সৰ্বসাধাৰণ লোকৰ নিচিনাকৈ সৌভাগ্য-দুৰ্ভাগ্যৰ অন্যতম কাৰক যে লক্ষ্মীৰ কৃপাদৃষ্টি বা কোপদৃষ্টি সেই কথা এতিয়াও নমনাকৈ চলিবলৈ আমি সাহস গোটাব পৰা নাই।

লক্ষ্মীকেন্দ্ৰিক লোকবিশ্বাসৰ মাজত এফালে শাস্ত্ৰাচাৰ আৰু আনফালে লোকাচাৰ এই দুটাৰ সুন্দৰ সমাহাৰ ঘটা পৰিলক্ষিত হয়। বেদ, সংহিতা, পুৰাণ, উপ-পুৰাণৰ কাহিনী; অতীতৰ কৃষক সমাজৰ অভিজ্ঞতাপুষ্ট ধ্যান-ধাৰণাত সৃষ্টি হোৱা লক্ষ্মীদেৱী সংক্ৰান্তীয় বহুবিলাক লোকবিশ্বাসে অসমীয়া সমাজত আসন পাৰি বহি আছে বুলিলেও অত্যুক্তি কৰা নহ'ব। অৱশ্যে এনে সৰহভাগ লোকবিশ্বাসৰ মূলতে আছে বাঙালী সমাজত অতিশয় জনপ্ৰিয় কিন্তু অসমীয়া সমাজত ৰাম সৰস্বতীৰ ভণিতাযুক্ত সেই অখ্যাত কবিৰ বিখ্যাত ৰচনা "শ্ৰীশ্ৰী লক্ষ্মী চৰিত্ৰ'ৰ নীতি-নিৰ্দেশনাৰাজি।

(দ্ৰষ্টব্য ঃ গ্ৰন্থখনত সন্নিবিষ্ট 'শ্ৰীশ্ৰী লক্ষ্মী চৰিত্ৰ' খণ্ড)

লক্ষ্মী চৰিত্ৰত জলধি-তনয়া নাৰায়ণীয়ে নাৰায়ণৰ আগত তাহানিতে বৰ্ণোৱা নৰ- নাৰীৰ (গৃহস্থ- গৃহস্থনীৰ) প্ৰিয়-অপ্ৰিয় (কৃত্যাকৃত্য) কাৰ্যৰ কিছু সংখ্যক নিসন্দেহে যুগসাপেক্ষ, কিন্তু তাৰ মাজতো স্থান-কাল-পাত্ৰভেদৰ ঊৰ্দ্ধত থকা কিছুমান শিষ্টাচাৰ এতিয়াও সবাৰে অনুকৰণীয় হৈয়েই আছে বুলিবই লাগিব।

অসমীয়া বৰ্ণ হিন্দু সমাজত আৰু পৰম্পৰাগত কৌলিক ধৰ্মমতে চলা জনজাতীয় সমাজত লক্ষ্মী-অলক্ষ্মীৰ ধ্যান-ধাৰণাই কিমানখিনি স্থান অধিকাৰ কৰি আছে তাক তলত চমুৱাই আলোচনা কৰা হ'ল।

(ক) জন্মসূত্ৰে ঃ কিছুমান পুৰুষ বা নাৰীৰ জন্ম কুণ্ডলীতে দুৰ্ভাগ্য যোগ (ভাগ্যহীন/ভাগ্যহীনা/ দুৰ্ভগীয়া) থকাৰ দৰে কিছুমানে অশুভ লক্ষণ লৈ জন্মগ্ৰহণ কৰে বাবে— তেওঁলোকে য'তে হাত দিয়ে তাতে বিফলতা, তাতে দুৰ্যোগ নামি আহে আৰু নানা লোকচানৰ সন্মুখীন হ'বলগীয়া হয়। জ্যোতিষ শাস্ত্ৰৰ সৈতে পৰিচিত নোহোৱা সাধাৰণ লোকেও জন্মৰ গতি-প্ৰকৃতি নিৰীক্ষণ কৰি বা জাতকৰ লক্ষণ চাই শুভাশুভ বিচাৰ কৰিব জানে। তেনে কিছুমান জাতকৰ লক্ষণ হ'ল—

মাকে সন্তান গৰ্ভত থাকোতে যদি হাতী, ক'লা গৰু, সাধু-সন্যাসী, দেৱ-দেৱী, মঠ-মন্দিৰ আদি সপোনত দেখে তেন্তে তেনে সন্তান (পুত্ৰ) সৌভাগ্যশালী হয়। ইয়াৰ বিপৰীতে ৰাক্ষস-ৰাক্ষসী, দৈত্য-দানৱ, কিম্ভূত কদাকাৰ আৰু ক'লা মানুহ বা কুকুৰ, সাপ, জোক, শিয়াল আদি সপোনত দেখাটো অমংগল আৰু দুৰ্ভাগ্যৰ কাৰক। জন্মৰ সময়ত প্ৰাকৃতিক দুৰ্যোগ (সূৰ্যগ্ৰহণ-চন্দ্ৰগ্ৰহণ, ধূমকেতু, ধূলিৰ ধুমুহা, কাউৰী-শগুণৰ কোৰ্হাল, শিয়াল-কুকুৰৰ আৰাৱ ইত্যাদি) হ'লে তেনে সন্তানে পৰিয়াল তথা সমাজৰ দুৰ্যোগ মাতি আনে। সেইদৰে সন্তান ভূমিস্থ হওঁতে অস্বাভাৱিকতাই দেখা দিলে (মাকৰ মৃত্যু হ'লে, ওভোটা জনম অৰ্থাৎ মূৰৰ পৰিৱৰ্তে ভৰি আগ কৰি জন্ম হ'লে, মগৰীয়া অৰ্থাৎ ৰজস্বলা নোহোৱা অৱস্থাতো সন্তান গৰ্ভধাৰণ কৰিলে) তেনে সন্তানে নিজৰ লগতে পৰিয়াললৈ বিপদ মাতি আনে বুলি সমাজৰ লোকে বিশ্বাস কৰি আহিছে। ইয়াৰ বিপৰীতে সন্তানে জন্মতে নাড়ী-ভুৰুৰে মেৰ খাই লগুণ ধাৱণ কৰাৰ দৰে জন্মিলে (বামুণীয়া) এনে সন্তান অতি ধাৰ্মিক বা সুপুৰুষ হয়। সন্তানৰ হাতৰ ৰেখা, আঙুলিৰ টিপত থকা কুলা বা দোণৰ চিন, শৰীৰত থকা মাহ-তিলৰ দাগ, মূৰৰ চকৰ, হাতৰ আঙুলিৰ মাজত থকা ফাক, ভৰিৰ পতাৰ চাপ, দাঁত-ওঁঠৰ আকৃতি-প্ৰকৃতি,

https://howlyraasmahotsav.org/

বুকু-নাভি-পেটৰ গঢ়-গঠন, চকুৰ বৰণ, শৰীৰত গজা নোম আৰু চুলিৰ চুটি-দীঘল-কুটকুৰা আদিৰ প্ৰতি লক্ষ্য কৰি ভৱিষ্যত গণনা কৰা হয়।[৩] সেইদৰে অন্নপ্ৰসন্নৰ সময়ত সন্তানৰ ভূত-ভৱিষ্যত চাবলৈ আগবঢ়োৱা ধান-কলম-পইচা-ফুল আদিৰ প্ৰতি থকা আকৰ্ষণ-বিকৰ্ষণ চাই যথাক্ৰমে কৃষি-অধ্যয়ন-বাণিজ্য-ধৰ্মৰ প্ৰতি মনোনিৱেশ-অমনোনিৱেশ নিৰীক্ষণ কৰা হয়। কোনো কোনো সমাজত সন্তানৰ প্ৰথমে ওপৰ পাৰিৰ দাঁত গজিলে (আগদান্তীয়া) সি বা তাই যি কয় সিয়ে ফলিয়ায় বুলিও বিশ্বাস কৰা হয়। অসমীয়া সমাজত, বিশেষকৈ নাৰীৰ লগত ভালেমান বিশ্বাস জড়িত আছে। উদাহৰণ—

(ক) ডাকৰ বচনৰ পৰা—

যাৰ পেট পিঠি উচলা দান্ত।
তাইক দেখিলে লক্ষ্মীৰ অন্ত।।

....

উচলা চাল দাঁতিনী তিৰী।
সিটো গৃহস্তৰ নাহিকে চিৰি।।
উঠঙ্গা ঘৰ বকতা স্ত্ৰী।
গিৰিহঁতৰ হৰয় শ্ৰী।।

....

গোৱালপৰীয়া সমাজতো নাৰীৰ অনুৰূপ ছবি পোৱা যায়। উদাহৰণ—

টেৰা চকু অশ্ব গতি
আড়াই দিনে মৰে পতি।।

....

চিৰল দাঁতী মটুক চুল
নিশ্চয় মজায় জাতি কুল।।

....

উপৰ দাঁতে কালা দাগ
জাত মজাইবে দেয় আভাস।।

....

পুৰুষৰ লগতো জন্মগত লক্ষণ অনুযায়ী নানাধৰণৰ বিশ্বাস জৰিত হৈ আছে। ডাকৰ বচনৰ পুৰুষৰ সামগ্ৰিক লক্ষণৰ পৰা আৰু অন্যান্য প্ৰবাদ-পটন্তৰৰ পৰা এইবোৰ জানিব পাৰি। যেনে—

দশ আঙুলিৰ আগত দোণ।
তাহাৰ হোৱে অসংখ্য ধন।।

পাঠান্তৰ ঃ

এখন কুলা নটা দোণ।
তাৰ ঘৰত নৱয় কোন।।[৪]
সৰ্বকোষ্ঠে আঙুলি দেখায় ৰেখা।
ৰাজ সিংহাসনে তাহাক দেখা।।
যদিবা নোহয় সিটো নৃপতি।
লক্ষ্মী হোৱে আহি তাহাতে স্থিতি।।

....

দীৰ্ঘ লিংগ হোৱে দৰিদ্ৰৰ চিন।
উচ্চ লিংগ পাৱে বহুত ধন।।[৫]
সেইদৰে—
চকু লাল হিয়া খাল।
সেই পুৰুষৰ লক্ষণ ভাল।

যি পুৰুষৰ ভ্ৰূযুগল লগ লগা (যোৰা ভ্ৰূ) তেওঁ অতি ভাগ্যৱান হয়।সেইদৰে যি পুৰুষৰ আগকপালত চুলি নাইকীয়া (আগ চাইন্দা) হয় তেওঁ অতি ভাগ্যৱান আৰু ধনৱান হয়।

সেইদৰে ছোৱালী এজনী পুষ্পিতা হওঁতে পৰা যোগ অনুযায়ী (পতিব্ৰতা, সুভগা, দুৰ্ভগা, সুশীলা, দুশীলা, কান্তা আদি) বা কোকশাস্ত্ৰৰ দ্বাৰা নিৰ্ধাৰিত চাৰি জাতিৰ নাৰী (পদ্মিনী, চিত্ৰিনী, হস্তিনী, শংখিনী) অনুযায়ী চিহ্নিত হৈ সেই অনুযায়ী স্বভাৱ-চৰিত্ৰ (সুগৃহিণী-অধাচাৰিণী) হয় বুলি মানি অহা হয়। প্ৰাচীন কালত নাৰী এগৰাকী সতী নে অসতী (লক্ষ্মী-অলক্ষ্মী) তাক বিচাৰ কৰিবলৈ বহু পন্থা অৱলম্বন কৰাৰ বিষয়ে বেউলা চৰিত, সাবিত্ৰী-সত্যবান আদিৰ আখ্যানৰ পৰা গম পোৱা যায়। এইক্ষেত্ৰত গুৰু চৰিত বৰ্ণিত ৰাধিকা শান্তীৰ কথাও আমাৰ মনলৈ আহে। অসমৰ ৰাভা, বড়ো আদি জনগোষ্ঠীৰ মাজত বিয়াৰ দিনা ৰাইজক দিবলগীয়া ভোজত কইনাই নিজ হাতে এহেতো (হাতা/হাথা) ভাত লৈ তাৰে পৰা প্ৰত্যেকৰে ভাতৰ পাতত অলপ অলপকৈ দিয়াৰ পিছত ৰাহি কৰিব পাৰিব লাগে। তেতিয়া লক্ষ্মী (সুগৃহিণী) ৰূপে বিবেচিত হয় আৰু ৰাহি কৰিব নোৱাৰিলে অলক্ষ্মী (লক্ষ্মীছাৰা) বুলি সমাজৰ আগত নিন্দিত হ'বলগীয়া হয়।

বংশগত বা জাতিগতভাৱেও পুৰুষ বা নাৰী এগৰাকী বিশেষ কিছুমান গুণ বা দোষৰ উত্তৰাধিকাৰী হোৱা বুলি বিবেচনা কৰা হয়। গালি-শপনিৰে এনে চৰিত্ৰ

https://howlyraasmahotsav.org/

উদঙাই দিয়া হয়। অসমীয়া লোকজীৱনত প্ৰচলিত— খাব নোপোৱাৰ জাত (এসাঁজ ভাতৰ বাবে হাহাকাৰ কৰিবলগা পৰিয়াল), ভিকহুৰ জাত, অষ্টম দৰিদ্ৰ, ডাল দৰিদ্ৰৰ বংশ, কাঠিৰ কুকুৰ, বাটৰ ভিকহু, দুখীয়া নিচলা, জনম দুখুনী, কাঠি চেলেকাৰ সঁচ/জাত, চুৰাপাত চেলেকা ইত্যাদি এনে ভাৱ প্ৰকাশক কেতবোৰ নাৰীৰ গালি-শপনি।

নাৰীৰ ক্ষেত্ৰত "মাক ভালেহে জীয়েক জাতি" "মাটি গুণে ভেটি/মাও গুণে বেটী (গোৱালপৰীয়া প্ৰবচন) বুলি কইনাৰ মাকৰ লক্ষণ চাই যেনেদৰে বিয়া কৰাবলৈ কৈছে; তেনেদৰে "ঘনপোৱাতীৰ নহ'বা জোঁৱাই" বুলি ঘনপোৱাতীৰ বংশৰ পৰা কইনা আনিবলৈ মানাও কৰিছে।

(আ) পৰিৱেশসূত্ৰে (সৌভাগ্য/দুৰ্ভাগ্যক্ৰমে) ঃ

"চৰণেহে জানে মৰণৰ ঠাই" বা "জন্ম-মৃত্যু-বিবাহত মানুহৰ হাত নাই" বোলাৰ দৰে এই সংসাৰত কেতিয়া কাৰ তালৈ সৌভাগ্য নতুবা দুৰ্ভাগ্য নামি আহে তাক কোনেও ক'ব নোৱাৰে। হিন্দুসকলৰ মাজত স্বপ্নফল বিচাৰ, যাত্ৰা প্ৰকৰণ বা কাক চৰিত্ৰ অনুযায়ী ইবিলাকৰ শুভাশুভ বিচাৰ কৰাৰ বিধান আছে। তাৰে কিছুমান হ'ল— ▪ ঘৰৰ চৌহদত বা চোতালত শগুণে বহিয়ালে বা লাদিলে গৃহস্থৰ বাবে মঙ্গল। ▪বাৰীত শিয়ালে হোৱা দিলে গৃহস্থৰ মঙ্গল। ▪ বাৰীত মৌ বাহ ল'লে গৃহস্থৰ বাবে মঙ্গল। ▪ আনৰ ঘৰৰ পৰা আহি ৰাতি ঘৰ লোৱা বগা পাৰ গৃহস্থৰ সৌভাগ্যৰ কাৰক। ▪ হাতৰ তলুৱা খজুৱালে বা মুখ মণ্ডলত বিশেষকৈ নাকত বিহ-ফোঁহোৰা উঠিলে ভুক্তভোগীজনৰ ধনপ্ৰাপ্তিৰ যোগ থকা সূচায়।▪ সৰ্পমণি (স্যমন্তক মণি) বা মাণিক (মুকুতা) হস্তগত হ'লে তেওঁৰ জয় জয়-ময় ময় অৱস্থা হয়। ▪ যাত্ৰাকালত ভৰা কলহ, হাতী, দামুৰীৰ সৈতে গাই, ব্ৰাহ্মণ, ৰজা, বেশ্যা, পুত্ৰৱতী নাৰী, শৱযাত্ৰা বা মৃত-দেহ দেখিলে যাত্ৰা সিদ্ধি হয়। গাখীৰৰ ভাৰ দেখা মংগল। ▪ যোৰ পাতি থকা অৱস্থাত শালিকা, সাপ দেখা আৰু গাত পখিলা পৰাটোও অবিবাহিত পুৰুষ-নাৰীৰ বাবে ভাল।▪ কইনা চাবলৈ যাওঁতে সদ্যস্নাতা অৱস্থাত কইনাক দেখা নতুবা কইনাই ভৰা কলহত পানী অনা বা ৰ'দত ধান মেলি থকা অৱস্থাত দেখাটো শুভ লক্ষণ।

আকৌ যাত্ৰাপথত যদি দা-কটাৰী, কুঠাৰ আদি লৈ কোনোবা সমুখত থিয় হয়হি বা কটা-চিঙা বা ৰক্তপাত দেখা পায়, তেনেহ'লে যাত্ৰানাস্তি হয়া বুলি বিশ্বাস আছে। এইক্ষেত্ৰত 'সতিনীৰ নাক কাটি যাত্ৰা ভঙ্গ কৰা' বুলি এফাকি ফঁকৰাও অসমীয়া মানুহৰ মুখে মুখে শুনা যায়। অৰ্থাৎ সতিনীয়ে নিজৰ নাক কাটি হ'লেও তেজ দেখুৱাই সতিনীৰ যাত্ৰা ভঙ্গ কৰিবলৈ যত্ন কৰে বুলি এটি বদনাম আছে।

সেইদৰে সপোনত হাতী, হাতীদাঁত, তিয়ঁহ আদি লাগনী গছ, কেচুৱা, সৎ লোক, খেতি পথাৰ, ধান-চাউল, কল-কপাহ, সোণ বা অলংকাৰ-পাতি, টকাৰ কলহ (মাটিৰ তলত পুতি থোৱা তাহানিৰ চিকাৰূপৰ পাত্ৰ), পকীঘৰ, মঠ-মন্দিৰ, দেৱ-দেৱী, বগা মাছ, মাছ মাৰিবলৈ পালে অথবা পকীঘৰ সজোৱা, তাঁত বোৱা, গছত বগোৱা দেখিলে, অচিৰেই বহু ধন হাতত পৰে বুলি বিশ্বাস কৰা হয়।

আকৌ সপোনত সাঁতুৰি নদী পাৰ হোৱা, নাদৰ পৰা পানী তুলি খোৱা, পদুমপাতত আহাৰ খোৱা, অজাতিৰ হাতে খোৱা, গুৰুক সেৱা কৰা, বৰযুগত অট্টালিকাত খুপা আদি দেখাটো দেখোঁতাৰ বাবে মংগল, সৌভাগ্যৰ লক্ষণ। সপোনত ঘৰ সজা দেখিলে লাভ কিন্তু ঘৰ ভঙা দেখিলে লোকচান। জুইত ৰন্ধা দেখিলে অৰ্থলাভ অথচ জুইত কাপোৰ আদি পোৰা দেখিলে অৰ্থহানি হোৱাৰ সম্ভাৱনা।

ইয়াৰ বিপৰীতে কিছুমান পৰিদৃশ্যমান ঘটনা বা হঠাতে সন্মুখীন হোৱা অৱস্থাৰ বাবেও কিছুমান কুফল ভোগা বা দুভাৰ্গ্যৰ যোগ থকা বুলি ভবা হয়। যেনে— ▪ ঘৰৰ চালত বিশেষকৈ দুপৰীয়া শগুণ পৰিলে গৃহস্থৰ বাবে অমঙ্গল। ▪ পোহনীয়া মৌ ঘৰ এৰি গুচি গ'লে গৃহস্থৰ বাবে অশুভকাৰক। ▪ হঠাতে হু মাৰি পাৰ ঘৰ এৰি গুচি গ'লেও গৃহস্থৰ অমঙ্গল হয় বুলি বিশ্বাস কৰা হয়। ▪ ঘৰত ফেঁচা সোমালেও গৃহস্থৰ বাবে হানিকাৰক। ▪ ভাললৈ কাতিমাহত ক'লী গাই নজগে। জগালে দুৰ্যোগ হয়। ▪ কাঁহী-বাটি পৰি বিশেষকৈ ৰাতি শব্দ হ'লে দুভাৰ্গ্যৰ আগজাননী। ▪ বাঁহ গছ ফুলিলে, কলগছৰ পেটেদি কলডিল ওলালে (ঠোক পেলালে) গৃহস্থৰ লগতে দেশৰ বাবেও অমংগল। ▪ ম'ৰাচৰাই/যমডাকিনী মাতিলে দুৰ্ভিক্ষৰ যোগ। ▪ তেল বেচিবলৈ অহা , তেলীক দেখা, খালী পাত্ৰ দেখা বেয়া, যাত্ৰানাস্তি।▪ পিছ ফালৰ পৰা যাত্ৰাকালত মাতিব নাপায়। ক'লৈ বুলি প্ৰশ্ন সুধিব নাপায়। ▪ যাত্ৰাকালত খালী পাত্ৰ, গাইমুৰা পুৰুষ, নাপিত, বঁজা-বাঁজী, বিধবা নাৰী দেখিলে বা কল বা তামোলৰ ঠোক

https://howlyraasmahotsav.org/

আপোনা-আপুনি সৰিলে সমুখেদি মেকুৰী দৌৰি পাৰ হৈ গলে অমঙ্গল। ▪ কইনা চাবলৈ যাওঁতে যাত্ৰাকালত খৰিকটীয়া, কোৰ লৈ যোৱা খেতিয়ক, মাছলৈ যোৱা আদি দেখাটো অশুভ। কইনাই ৰ'দত চুলি মেলি থকা অৱস্থাত দেখাটোও আন এটা অমংগলীয়া ঘটনা। ▪ সপোনত ক'লা মেকুৰী, কালনাগ, জুইত কাপোৰ পোৰা, ভিখাৰীক চাউল দিয়া আদি দেখাটো বেয়া। বিশেষকৈ সপোনত ক'লা বাস্তৱত ডাঙৰ অসুখ বা নৰিয়াত পৰাৰ আগজাননী বুলি মানি আহিছে। সপোনত চাউল দিয়াটো আয়ুস ক্ষয়ৰ আগজাননী ইত্যাদি।

ইয়াৰোপৰি কিছুমান কাৰ্য বা ঘটনাৰ (বাস্তৱত বা সপোনত দেখা) সামান্য ইফাল-সিফালে হ'লে শুভ বা অশুভৰ কাৰক বুলি ভৰা হয়। যেনে—

সোঁ চকু নাচিলে মঙ্গল কিন্তু বাঁও চকু নাচিলে অমঙ্গল। যাত্ৰাকালত ঘৈণীয়েকে বা অনুজ সকলে পিছফালৰ পৰা মাত দিলে যাত্ৰা নাস্তি হয় বুলি বিশ্বাস আৰু ইয়াৰ বিপৰীতে পৰিয়ালৰ পিতা-মাতা বা তেনে অগ্ৰজসকলে পিছফালৰ পৰা মাত দিলেও যাত্ৰা বেয়া নহয় অৰ্থাৎ যাত্ৰা সিদ্ধি হয় বুলি অসমীয়া সমাজৰ বিশ্বাস। যাত্ৰাৰ আগমুহূৰ্তত পদূলিলৈ ওলায়ে পদূলিৰ ধূলিৰে কঁপালত ফোঁট ল'লে আৰু শিশুসকলক মজিয়া বা পদূলিৰ ধূলিত মাকে মুখৰ পিক্ অলপ পেলাই দি সেই পিক্ পৰা ভিজা ধূলিৰে শিশুৰ কঁপালত ফোঁট দিলে হেনো বিপদ-বিঘিনি নাশ হয়।

সেইদৰে বহু ক্ষেত্ৰতে দেখা যায় যে— পুৰুষৰ ক্ষেত্ৰত যিবোৰ লক্ষণ মঙ্গলদায়ক সেইবোৰ লক্ষণ নাৰীৰ ক্ষেত্ৰত অমঙ্গলদায়ক। এইবোৰ দিশ বিবেচনা কৰিয়ে হয়তো অসমীয়া মানুহে "আজি পুৱা কাৰ মুখ দেখিছিলোঁ" বুলি দিনটোৰ কামত সফলতা-বিফলতাৰ লেখ-জোখ লয়।

(ই) আচৰণ-বিধি (লোকাচাৰ) অনুসাৰে ঃ

ব্যক্তিবিশেষৰ স্বভাৱ-চৰিত্ৰ বা আচৰণ বিধি অনুসাৰে কিছুমান শুভ আৰু কিছুমান অশুভ জ্ঞান কৰা হয়। তদুপৰি বিহুৰে, সংক্ৰান্তিয়ে তিথিয়ে, পাৰ্বনে পালন কৰা কিছুমান লোকাচাৰ গৃহস্থৰ বাবে অমঙ্গল বিনাশক (যদিহে ঠিকমতে পালন কৰে; নহ'লে বিপৰীত ফল সূচায়)। গৃহিণীৰ বাবে ৰন্ধনশাল, ঢেঁকীশাল, ভঁৰাল ঘৰত মানিবলগা বিশেষ কিছুমান নিয়ম আছে। সেইদৰে প্ৰত্যেকৰ বাবেই বিশেষকৈ নাৰীসকলৰ বাবে দৈনন্দিন পালন কৰিব লগা কিছুমান বাধ্যবাধকতাত থাকে। সেইবোৰ মানি চলিব পাৰিলে গৃহস্থালিৰ বাবে মঙ্গল, নহ'লে অমঙ্গল সূচায়। অমঙ্গলে গৃহস্থৰ প্ৰাণহানি বা ধনহানি সূচায়। তেনে কেতবোৰ আচৰণ বিধি আৰু লোকাচাৰৰ উল্লেখ কৰা হ'ল।

(ক) মঙ্গলদায়ক (শুভ ফলদায়ক) ঃ

▪ দুপৰীয়াৰ অতিথি সাক্ষাৎ দামোদৰ জ্ঞান কৰি গৃহস্থই তেনে অতিথিক ভুৰি ভোজন কৰি আপ্যায়ন কৰিব লাগে। ঘৰৰ আটাইকে খুৱাই-বুৱাই যিখিনি ৰৈ যায় তাকে তৃপ্তিৰে খাব লাগে। এইখিনিতে হিন্দু নাৰীয়ে দুৰ্বাশাৰ অভিশাপ আৰু শ্ৰীকৃষ্ণৰ অৱশিষ্ট ভোজন সম্পৰ্কীয় পুৰাণ-মহাভাৰতৰ কথা অতি শ্ৰদ্ধাৰে স্মৰণ কৰে।

▪ সেইদৰে উপজি পুৱাতে বাহী ঘৰ-চোতাল সাৰি, ৰান্ধনীশালৰ মজিয়া লিপা-মোচা কৰি, মূৰ তিয়াই গা ধুই তিতা তিয়নিৰে আহি আগদিনাই পাগঘৰত পিন্ধিবলগীয়া কাপোৰ যথাস্থানত তিয়াই-বুৱাই থোৱাখিনিকে পিন্ধি ঘৰৰ গৃহিণীয়ে অন্নপূৰ্ণা হৈ পাগঘৰত সোমাব লাগে। কিয়নো বাহী চোতালখন হেনো ঘৰৰ মতা মানুহে গচকিব নাপায়। সেইদৰে বাহীবন নকৰাকৈ বাহী পাকঘৰত ভাত ৰন্ধা, বাহী গায়ে পাকঘৰত সোমোৱা আৰু চাহ ভাত ৰন্ধা আদি স্বভাৱবোৰো লক্ষীচাৰা স্বভাৱ বুলি অতীতৰ পৰাই গণ্য কৰি আহিছে।

প্ৰবাদ আছে যে যিখন ঘৰত ৰাতি শোৱাৰ আগতে ঘৰ-দুৱাৰ, মজিয়া আদি মচি-সাৰি পানী ছটিয়াই থৈ গৃহস্থই ৰাতি শুই থাকে সেইখন ঘৰত হেনো ৰাতি লক্ষ্মী দেৱী আহে আৰু সেই লক্ষ্মী দেৱীৰ পদৰেণু প্ৰথমে হেনো ঘৰৰ গৃহিণীজনীয়ে শিৰত ল'লে সেই গৃহত স্বয়ং লক্ষ্মী দেৱীয়ে বাস কৰে। আকৌ যদি ইয়াৰ বিপৰীতে ঘৰৰ মতা মানুহে প্ৰথমে বাহীচোতাল গচকে তেতিয়া হ'লে হেনো সেই মতা মানুহৰ আয়ুস টুটে।........ অসমীয়া মানুহে পুৱা আৰু গধূলি চোতাল-ঘৰ সাৰি-পুঁচি পানী আদি ছটিয়াই চাকি-বন্তি জ্বলোৱা নিয়ম পালন কৰি আহিছে। পুৱা আৰু গধুলি চোতাল-ঘৰ নাসাৰি, ভঁৰাল ঘৰ বা গোসাঁই থাপনাত চাকি-বন্তি নজ্বলালে সেইখন ঘৰ লক্ষ্মীচাৰা হয় বুলি গণ্য কৰে আৰু সেই ঘৰখন অভাৱ-

https://howlyraasmahotsav.org/

অনাটনত পৰে বুলি বিশ্বাস কৰি আহিছে।[২০]

▪ ৰাতিপুৱা চোতাল সাৰোঁতে ঘৰৰ ফালৰ পৰা বাটমুখীয়াকৈ আৰু আবেলি বাটৰ ফালৰ পৰা ঘৰমুখীয়াকৈ সাৰিব লাগে। কিয়নো তেওঁলোকে বিশ্বাস কৰে যে পুৱা লক্ষ্মী দেৱী ঘৰৰ পৰা ওলাই যায় আৰু সন্ধিয়া পুনৰ ঘৰলৈ উভতি আহে। সেয়েহে এনে কৰাৰ দ্বাৰা লখিমীক আদৰাৰ দৰে হয়।

▪ ব'হাগ বিহুৰ দিনা বা লক্ষ্মী পূজাৰ দিনা ৰাতি গৃহস্থই কড়ি খেলিলে লক্ষ্মী ঘৰলৈ আহে বুলি বিশ্বাস কৰে। সেইদৰে কাতিবিহুত ধাননি পথাৰ, তুলসীতল, চোতাল আৰু গৃহস্থৰ সকলোবিলাক কোঠাত সন্ধিয়া চাকি জ্বলাই লখিমী আদৰা হয়।

▪ বিহুৰে সংক্ৰান্তিয়ে, লক্ষ্মী পূজা-দীপান্বিতা আদিত ভঁৰালঘৰ মচি-কাচি চাকি-নৈবেদ্য আগবঢ়োৱা হয়। ভঁৰালঘৰত থকা সাপক ঘৰ দেউতি বা লক্ষ্মী বুলি মানি তেনে সাপক ভুলতেও মৰা নহয়।

▪ বছৰৰ বিহুত হুঁচৰি গোৱা ৰাইজক (নামনি অসমত বাম্বোলপিটা, ভালুক নচুৱা বা মহোহোঁ, হানাঘোঁৰা, বাঁহগোসাই আদি) তামোল-পাণ এযুৰিৰে হ'লেও মান ধৰি আশীৰ্বাদ ল'ব লাগে। তেতিয়া গৃহস্থৰ ধন-ধান, গো-গাই, পুত্ৰ-পৰিয়াল বছৰটিৰ বাবে মংগলে থাকে। ▪ গৃহিণীয়ে ভিখাৰীক ভিক্ষা দিবলৈ অনা চাউল মুঠিৰ পৰা কিছু অংশ ৰাখিহে দিব লাগে। নহলে লক্ষ্মী গুছি যায় বুলি বিশ্বাস। ▪ পূৰ্ণিমা, অমাৱশ্যা নতুবা একাদশী তিথিত বহুতে ব্ৰত ৰাখে বা নিৰামিষ খায়।সেইদৰে বৃহস্পতিবাৰে নতুবা সোমবাৰে বহুতে মুখত একো এটা নিদিয়ে। সিদিনা বহুতে ঘৰৰ চাউল, টকা-পইচা আদি কাকো নিদিয়ে। এনে কৰিলে গৃহস্থৰ ঘৰত লখিমী চাপে, অন্যথা লক্ষ্মীয়ে লগ এৰা দিয়ে বুলি বিশ্বাস। ▪ ঘৰৰ ডাঙৰ ছোৱালী বা বিয়া দিয়া ছোৱালী অসন্তুষ্ট মনে গ'লে মাক-বাপেকৰ লক্ষ্মীও পিছে পিছে ওলাই যায় বুলি ভাবি দৰাঘৰলৈ যোৱাৰ মুহূৰ্তত পিছফালে উভতি চাই ধান-চাউল ছটিয়াই মাকৰ ঘৰত লখিমী থৈ যোৱা নিয়ম।

যাত্ৰাৰ সময়ৰ লগত জড়িত লোকবিশ্বাস ঃ

কোনোবা এঠাইলৈ যাত্ৰা কৰাৰ সময়ত শুভাশুভৰ লগতো লোকবিশ্বাস জড়িত হৈ আছে। ক'ৰবালৈ যাবলৈ ওলোৱাৰ আগতে, কোনো এটা নতুন কাম কৰিবলৈ ওলোৱাৰ আগতে দিন, বাৰ, মাহ, ক্ষণ, যোগিনী, নক্ষত্ৰ আদি ভালদৰে চাই-চিন্তি লৈহে যাত্ৰা আৰম্ভ কৰিব লাগে বুলি অসমীয়া মানুহৰ বিশ্বাস।

"সাধাৰণতে যাত্ৰাকালত মুক্তকেশ, নাককাটী, অমংগলীয়া নাৰীৰ অট্টহাস্য, বাঁওহাতে সাপ আৰু সোঁহাতে শিয়াল আৰু মেকুৰী পাৰ হোৱা, তেলীক দেখা, বিকৃত যোগিনীয়ে থাল পাতি ভিক্ষা মাগিবলৈ অহা, অনাবাৰে গছ ভাঙি পৰা, আকাশত শগুণ জাকে জাকে উৰি ফুৰা, মুখলৈ চাই চাই ঢোৰা কাউৰীয়ে মতা, জেঠীয়ে টিক্‌টিকোৱা, বাওঁহাত নাচি উঠা আদি অমংগলৰ চিন স্বৰূপে সমাজত লোকবিশ্বাস বিদ্যমান।"

"যাত্ৰাৰ সময়ত যুৱীয়া শালিকা দেখিলে, হাতী দৰ্শন হ'লে, ভৰা জলপাত্ৰ দেখিলে আৰু কুকুৰ আগে আগে গ'লে সেই যাত্ৰাৰ ফল শুভ হয় বুলি লোকবিশ্বাস আছে। যাত্ৰাকালত পাছফালৰ পৰা মাত লগালে সেই যাত্ৰাৰ ফল অশুভ হয় বুলি লোকবিশ্বাস বিদ্যমান অৱশ্যে এই ক্ষেত্ৰত মাক ব্যতিক্ৰম।

যদি কিবা কাৰণত দিন, বাৰ আদিত কোনো পধ্যেই যাত্ৰা মিলাব নোৱাৰে তেনেহ'লে "কিহৰ তিথি, কিহৰ বাৰ, জন্ম নক্ষত্ৰ কৰিবা সাৰ" বুলি অসমীয়া মানুহে মনত বল বান্ধিও যাত্ৰা আৰম্ভ কৰে। আনহাতে "মঙ্গলে যাত্ৰা বুধে পাৰ, যাহা মুচি তাহা যাওঁ।" বুলি এইফাঁকি ফক্‌ৰা মানি চলি মঙ্গল বা বুধবাৰে যাত্ৰা আৰম্ভ কৰে। দাড়ি, চুলি, নখ কটাৰ ক্ষেত্ৰত খনাৰ বচনৰ মঙ্গল চাওঁতে "মঙ্গল আগে পাছে" বুলি কোৱা কথাষাৰ মনত পেলাই সেইমতে নখ, দাড়ি, চুলি কাটিছিল আৰু এতিয়াও এই বিশ্বাস বহুতেই মানি আহিছে।

উৎসৱ-পাৰ্বণত পদুলিমুখত কলপুলি পুতি শুভযাত্ৰা কামনা কৰা, বিবাহ আদি উৎসৱত পদুলিমুখত কলপুলি পুতি বাটমালা দিয়া, দৰা-কইনাৰ গা ধোৱা ঠাইত কলপুলি পুতি কলগছৰ চাং পাতি বেই সজা ইত্যাদিৰে মংগলময় পৰিবেশ সৃষ্টি কৰা বৈদিক প্ৰথা অতীতৰ পৰাই অসমীয়া মানুহে পালন কৰি আহিছে।

(খ) অমঙ্গলদায়ক (অশুভ ফলদায়ক) ঃ

▪ ৰান্ধনী বা গৃহিণীয়ে ৰাতি ঘৰ সাৰি জাবৰ পেলালে, খিৰিকি সৰকাই আন কাৰোবাক বস্তু দিলে, ন-গোছা দিয়া বা প্ৰথম কঠীয়া পৰা আদি পৰ্বৰ দিনাখন

https://howlyraasmahotsav.org/

জুইকে ধৰি কিবা বস্তু আনক দিলে লখিমী গুছি যায় বুলি অসমৰ সৰ্বত্ৰতে মানি চলা দেখা যায়। ▪ব'হাগ বিহুৰ দিনা বা লক্ষ্মী পূজাৰ দিনা ৰাতি পইচা লৈ হেতালি খেলিলে লক্ষ্মী আঁতৰি যায় বুলি বিশ্বাস কৰা হয়। ▪আলহীক ভাত খুৱাই মুহুদি নকৰাকৈ পঠিয়ালে লখিমী যায়গৈ। ▪শনিবাৰে, বৃহস্পতিবাৰে নতুবা মঙ্গলবাৰে আৰু তিনিসন্ধিয়া বা ৰাতি বাঁহগছ কাটিব নাপায়। অন্যথা ঘৰলৈ অমঙ্গল মাতি অনা হয়। ▪ভৰ-দুপৰীয়া, কাল সন্ধিয়া ঢেঁকী দিয়া অমঙ্গলীয়া কাম। মঙ্গল বা শনিবাৰে বা বুধ, বৃহস্পতিবাৰে চিৰা-সান্দহ আখৈৰ খোলা বহুতে নাপাতে। পাতিলে গৃহস্থৰ অমঙ্গল হয় বুলি মানে। ▪ৰন্ধা-বঢ়া কৰা বা খোৱা পাত্ৰ ভগা-ছিগা হ'ব নাপায়। সেইদৰে ভগা পীৰাত বহিব নাপায়। ৰান্ধোতে-বাঢ়োঁতে কাঁহী-বাটি, চৰু-হেতা থেকেচ-নেকেচ হোৱা কুলক্ষণীয়াৰ চিন। চৰুত ভাত খোৱা (হাড়ীত খাঁইতী), মুখেৰে সাৰৌপ সাৰৌপ কৰি বা টকালি পাৰি খোৱা, থিয়ৈ থিয়ৈ খোৱা আদি অমংগলীয়া। ভাত খাওঁতে আমন-জিমনকৈ খোৱা বা অতি হুলস্থূল কৰি খোৱা দুয়োটাই বেয়া। ▪কাঁহীত ভাত খাওঁতে আঙুলি ঘঁহাই শব্দ উলিওৱা বা ভাতৰ কাঁহীত হাতেৰে হেঁচা দি ভাত খোৱা দৰিদ্ৰতাৰ লক্ষণ। সেইদৰে কাঁহীৰ দাঁতিত কেঁচা নিমখ লৈ খোৱাও বেয়া লক্ষণ। ▪ঘৰৰ ভিতৰত সুহুৰি বজোৱা, দুৱাৰ-দলিত বহা বা ভৰি থোৱা, দুৱাৰমুখত আঁউজি থকা, উৰাল বা ঢেঁকীত বহা, চাউল থোৱা পাত্ৰ যেনে— মাটিৰ হাড়ী, ডলা-কুলা-চালনী, বাঢ়নী, ভাত ৰন্ধা জুহাল বা আখা, সাজি থোৱা ভাত আদি লঠিয়াই পেলোৱা লঠিয়া আদিও বিশেষকৈ জীয়ৰী-বোৱাৰীৰ বাবে বেয়া। এনে কৰিলে ঘৰৰ পৰা লখিমী গুচি যায় বুলি ভাৱে। ▪গা নোধোৱাকৈ পাগঘৰ, ভঁৰালঘৰ আৰু গোসাঁইঘৰত আন কোনেও সোমাব নোৱাৰে। বিধুতি অৱস্থাত তিৰোতাসকলে চাৰি-পাঁচ দিনলৈ এইবোৰৰ উপৰিও গোহালি ঘৰতো নোসোমায় আৰু তুলসী বা পাণ নিচিঙে। মান্যৰৰ লোকক চুৱা-গজা কৰাৰ পৰা বিৰত থাকে। ▪বিধুতি অৱস্থাততো নাপায়েই এনেয়েও বৰজনাক শহুৰেক আদিৰ সৈতে আনদিনাখনো বোৱাৰীয়েকসকলে পোনপটীয়াকৈ কোনো বস্তু দিয়া-থোৱা নকৰে আৰু ওৰণি-বাৰণি নোলোৱাকৈ মাত-বোল নকৰে। পূৰ্বতে গিৰিয়েক বা স্বামীগৃহৰ জ্যেষ্ঠজনৰ নাম ভুলতেও উচ্চাৰণ কৰা নহৈছিল।

এই সম্পৰ্কীয় বিধি-নিষেধ অসমীয়া সমাজত অতি পূৰ্বৰে পৰা প্ৰচলিত আছিল আৰু ডাক নামৰ জ্যোতিৰ্বিদে সেইবোৰ তেওঁৰ বচনত লিপিৱদ্ধ কৰি ৰাখিছিল। ডাকৰ বচনৰ অথ নীতি প্ৰকৰণ, অথ গৃহিণী লক্ষণ, কুপুৰুষ লক্ষণ, সুপুৰুষ লক্ষণ, নাৰী লক্ষণ আদি খণ্ডত লিপিৱদ্ধ লক্ষ্মী-অলক্ষ্মীৰ ধাৰণাকে বৰ্তমানেও অসমীয়া গৃহস্থই মানি চলা দেখা যায়। তাৰ পৰা তেনে কিছুমান বিৱৰণ দাঙি ধৰা হ'ল—

(ক) অথ গৃহিণী লক্ষণৰ পৰা ঃ

গাইৰ বৰ্জিত ওলোৱা ৰাহি।
স্ত্ৰীৰ বৰ্জিত ঘনে তোলে হাঁহি।।
....
নষ্ট হ'ল কৃষি মাকো হ'ল বাট।
নষ্ট হ'ল স্ত্ৰী নিতে বেহাই হাট।
....
শাক শুকেতি দিনত বাচে।
সেহিতো ঘৰত লক্ষ্মী আছে।।
যি ঘৰত অতিথি শুশ্ৰূষা নকৰে।
লক্ষ্মী নাথাকে তাহাৰ ঘৰে।।
....

(খ) কুপুৰুষৰ লক্ষণৰ পৰা ঃ

অল্প-আৰ্জন বিস্তৰ ভোজন।
সেই পুৰুষৰ দৰিদ্ৰ লক্ষণ।।
নিদ্ৰা কৰে সন্ধ্যা বেলা।
আপুন কাৰ্যক যি কৰে হেলা।।
....
** জুই যুৱতী, জুৱা খেলা। দিনে যাই যুৱতীৰ শালা।*
বৰশী বাৰে তিনি সাঁজ দিপৰ বেলা।।
বাৰে টোকৰী তোকেৰি বাৰে তাল।
ভাতে নাটে সৰ্বতি কাল।।
পাৰে পাৰে ঘাঁহি ভৰি ধোৱয়।
অকুমাৰী সঙ্গে ৰতি কৰয়।।

*সন্ধ্যাত বহি অশুচি দ্ৰব্যক চোৰে।/স্ত্ৰীক সঙ্গতে লৈয়া দিনতে শোৱে।।

ৰজস্বলা সমে শৃঙ্গাৰ কৰয়।

https://howlyraasmahotsav.org/

* দুখী/দুখীয়া হৈয়া সিটো নৰকে পৰয়।।
ইতো নিষেধক যিজনে কৰে।
লক্ষ্মী নাথাকয় তাহাৰ ঘৰে।।

(গ) সুপুৰুষৰ লক্ষণৰ পৰা ঃ

*কপাল *ওখ/উঠা বুকু খাল।/চকু লাল হিয়া খাল।*
সেই পুৰুষৰ লক্ষণ ভাল।।
পানী পান্তাই ভক্ষণ/ শাকে শোকোতাই ভক্ষণ।
সেইহে পুৰুষৰ লক্ষণ।।
জঙ্গে খঙ্গে সদা হাসি নেৰয়।
তাৰ গৃহে লক্ষ্মী থাকয়।।
ক্ৰোধ ভেলৈ যি মাতো বাপা বুলি।
শত্ৰুকো যিজনে ধৰে আকোৱালি।।

....

অল্প আহাৰ যাৰ নিদ্ৰা খীণ।
সিতো পুৰুষৰ লক্ষণৰ চিন।।
বহি থাকাতে নানান মন।
সিতো পুৰুষৰ নেৰিবেক ধন।।
গজ কপাল চক্ষু ধেলা।
সুখে যাই তাৰ সৰ্ব কালা।।
খখদখ নকৰে ভোজনৰ বেলা।
আপোনাৰ কাৰ্য্যত নকৰয় হেলা।।
হাত পায় পখালে চিকণ কৰি।
অচলা লক্ষ্মী থাকে আৱৰি।।
বোলন্ত ডাকে জানিবা ভাল।
সুখে তাৰ সৰ্বকাল।।

(ঘ) নাৰী-লক্ষণৰ পৰা ঃ

স্বামীত ভকতি গম্ভীৰ নাসা।
বোলন্ত ডাকে লক্ষ্মীৰ বাসা।।
সমান গম্ভীৰ গতি মনে মাত।
ক্ষুধা বুজিয়া স্বামীক যোগাই ভাত।।
বামহাতে পৰসে লোণ।
লক্ষ্মী নাচাৰে ঘৰৰ কোন।।
যাকে তাকে কৰে পৰিহাস।
বোলন্ত ডাকে লক্ষ্মীৰ বাস।।
বস্ত্ৰ কেস পায় চিকন দেখি।
মাথাত ওৰণি লজ্জা অতি আখি।।
আপোনাৰ কথাক নকৰৈ পৰত।
ডাকে বোলে লক্ষ্মী থাকিবে ঘৰত।।

....

* খণ্ডা জিভা ডিম্ব গ্ৰাস। ডিম্ব বান্ধি মাৰে ভাতৰ গ্ৰাস।

(ছ) ৰন্ধা- বঢ়া আৰু ৰান্ধনীৰ লগত জড়িত অন্যান্য লোকাচাৰ-লোকবিশ্বাস ঃ

আগৰ দিনত গৃহিনী সকলে ৰন্ধা-বঢ়া কৰাৰ ক্ষেত্ৰত বহুতো নিয়ম-নীতি পালন কৰিব লাগিছিল।তাৰে কিছুমানৰ অঞ্চলগত আৰু সম্প্ৰদায়গত পাৰ্থক্য থকিলেও তলত উল্লেখ কৰা হ'ল।

"আনকি গা-পা ধুই ৰঙীন 'ৰান্ধনী কাপোৰ' সাজ পিন্ধিহে ৰান্ধনী ঘৰত প্ৰৱেশ কৰিছিল। সেই সময়ত পাদুকাৰে ৰান্ধনী ঘৰত প্ৰৱেশ নকৰিছিল। ৰান্ধনী ঘৰত ৰান্ধনীজনীৰ বাদে অইনৰ প্ৰৱেশ নিষেধ আছিল। কেৱল ঘৰৰ নাবালক-নাবালিকা সকলৰ ক্ষেত্ৰতহে উক্ত নিয়মটো প্ৰয়োগ হোৱা নাছিল। একে ধৰ্ম্মৰ মানুহৰ বাদে অইন ধৰ্ম্মৰ মানুহক ৰান্ধনী ঘৰত ভাত দিয়াতো নিষেধ আছিল। উচ্চ ধৰ্ম্মাৱলম্বী 'গোসাঁই' আহিলে অন্য ঘৰত বা চোতালত চৌখুটি মাৰি নিজে ৰন্ধা বঢ়া কৰি খাব দিছিল।"

আগৰ দিনত ভাত ৰান্ধিবলৈ ৰান্ধনী ঘৰত সোমাই প্ৰথমে ভাতহে ৰন্ধাৰ নিয়ম আছিল। ধান-চাউলক যিহেতু লক্ষ্মী জ্ঞান কৰে সেয়েহে ভাত প্ৰথমে নাৰান্ধিলে লক্ষ্মীক অৱমাননা কৰা হয় বুলি গণ্য কৰা হৈছিল আৰু আজিও বহুতেই এই বিশ্বাস মানি আহিছে।

আকৌ ভাত চৰুত বহুৱাবৰ সময়ত প্ৰথমে জুইত তিনি চিকুট চাউল দি তাৰ পাছত বাওঁহাতেৰে তিনি চিকুট চাউল চৰুত বহুৱাৰ নিয়ম। চৰুত চাউল বহুৱাৰ পাছত যদি খৰাহি বা চাউল ধোৱা পাত্ৰটোত চাউল লাগি থাকে তেনেহ'লে এই কাৰ্য লক্ষ্মীচাৰা বুলি ভবা হয়। চাউল বহুৱাওঁতে যদি চৰুৰ কাণত চাউল বজি থাকে, মাটিত পৰে তেন্তে তেনে ৰান্ধনী লক্ষ্মীচাৰা বা অধাচাৰী বুলি জনমানসত চিহ্নিত হোৱা দেখা যায়। কাঁহীত ভাত বাঢ়োঁতে ভাতৰ চৰুটোৰ একাষৰ পৰা ওপৰৰ পৰা চৰুৰ তলিলৈ একাদিক্ৰমে ভাত বাঢ়িব লাগে। তাকে নকৰি চৰুৰ বুকুৰ পৰা ওপৰে ওপৰে ভাত বঢ়াতো লক্ষ্মীচাৰা স্বভাৱ বুলি অসমীয়া মানুহে গণ্য কৰে।

ৰন্ধা-বঢ়া হোৱাৰ পিচতেই ৰান্ধনীয়ে জুই-ছাঁই

https://howlyraasmahotsav.org/

ভালদৰে সামৰি ৰান্ধনী ঘৰটো চাফ-চিকুণ কৰি থৈছিল আৰু পুৰুষ ব্যক্তি এজনক প্ৰথমতে ভাত নিদিয়াকৈ কোনো স্ত্ৰীকে ভাত নিদিছিল।

প্ৰতিবাৰ খোৱা-বোৱাৰ পিছতেই ৰান্ধনী ঘৰটো সাৰি লৈ বগা মাটিৰ দমৰ পৰা এখামোচ মাটি আনি ৰন্ধন শালাটো পৰিস্কাৰকৈ মচি থৈছিল। ৰাতি বিচনালৈ যোৱাৰ আগেয়ে ৰান্ধনীয়ে পাগঘৰৰ আৱশ্যকীয় সকলো কাম শেষ কৰি ৰান্ধনী সাজ সলাইছিল। কাৰণ বিচনাত উঠাৰ পিছত পাকঘৰত প্ৰৱেশ কৰা মানা আছিল।”

সেয়ে ডাকে শাহুৰতী ৰান্ধনীসকলৰ বিষয়ে কথা কোৱা আটায়ে আখৰে আখৰে পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰে। ডাকৰ মতে—

“ৰন্ধন কৰে বচন মিষ্ট।
সেই গৃহিনী বুলিবা ইষ্ট।
সাসুৰিত পুচি কৰে আয় ব্যয়।
সি নাৰীক সদা লক্ষ্মী নাচাৰয়।।’

অসমীয়া সমাজত খোৱা-বোৱা আৰু আহাৰ খোৱাপাত্ৰৰ ক্ষেত্ৰতো লোকবিশ্বাস বিদ্যমান। খোৱা পাত্ৰ বা বহা আসন ভগা-চিগা হ’ব নাপায়। ৰান্ধোতে বা বাঢ়োঁতে কাঁহী-বাতি, চৰু-হেতাৰ খেকেচ- নেকেচ হোৱা, চৰু চাই চাই ভাত খোৱা, ভাত খাওঁতে আমন জিমনকৈ গালে মুখে হাত দি থকা, টকালি পাৰি বা মুখেৰে সাৰৌপ সাৰৌপকৈ শব্দ কৰি খোৱা, চিঞৰ-বাখৰ কৰি বা থিয়ৈ খোৱা, কাঁহীৰ দাঁতিত কেঁচা নিমখ লৈ খোৱা আদি স্বভাৱবোৰ কুলক্ষণীয়াৰ চিন আৰু তেনেকৈ খাওঁতাজনৰ দূৰ্কপাল ঘটে বুলি বিশ্বাস কৰা হয়।

আগৰ দিনত ভাত খোৱাৰ আগমুহূৰ্তত কাঁহীৰ আগত সামান্যভাৱে পানী ছটিয়াই তাতে অলপ ভাত দিহে প্ৰথম গৰাহ ভাত মুখত দিছিল। তাকে নকৰিলে হেনো খাওঁতাৰ ভৱিষ্যতে দুখত পৰি খাব নোপোৱা অৱস্থা হয়। আকৌ লগে- ভাগে ভাত খালে সকলোৰে ভাত খোৱা হ’লেহে ভাতৰ পাতৰ পৰা উঠিব পাৰিছিল। কোনোবা যদি কিবা কাৰণত আগতীয়াকৈ উঠিব খোজে তেনেহ’লে তেওঁ তেওঁৰ কাঁহী বা পাতৰ আগত মাটিত এটা আঁক দি ৰাইজৰ সন্মতিলৈহে উঠিব পাৰিছিল। এই নিয়ম অতীতৰ পৰা পুৰুষানুক্ৰমে চলি আহিছে। এই নিয়ম নমনাসকলক ব্যভিচাৰী আখ্যা দিয়া হয়।

(জ) ঢেঁকী আৰু ঢেঁকীশালৰ লগত জড়িত লোকাচাৰ-লোকবিশ্বাস ঃ

অসমীয়া সমাজত ঢেঁকী আৰু ঢেঁকীশালৰ সৈতেও নানা ধৰণৰ লোকবিশ্বাস আৰু আচাৰ-অনুষ্ঠান প্ৰচলিত আছে। অসমীয়া মানুহৰ মনত ঢেঁকীশালখন লক্ষ্মীশাল। “ভৰদুপৰীয়া, মুনিচুনি বেলিকা ঢেঁকী কোবোৱা কুলক্ষণীয়া কাম। কুলাৰ বুকুত চালনী, খুবলিৰ বুকুত থোৱা, ঢেঁকীৰ লগত বাঢ়নী মাৰি নথলে মাকৰ বুকুত সন্তান নাথাকে বুলি ধাৰণা প্ৰচলিত। সোমবাৰ, বৃহস্পতিবাৰ, শনিবাৰে সান্দহ আখৈৰ খোলা ঢেঁকীশালত পাতিব নাপায়। সেইদৰে বিহু সংক্ৰান্তিত, লক্ষ্মীপূজাত ঢেঁকীশাল মচা-কচা নিয়ম।”

ঢেঁকীশাল অসমীয়া জীয়াৰী-বোৱাৰীৰ বাবে অতি পৱিত্ৰ। বিহুৰে-সংক্ৰান্তিয়ে, লক্ষ্মী পূজাত ঢেঁকীশাল মচা-কচা কৰিব লাগে। সোম-বুধবাৰে নতুবা শনি-বৃহস্পতিবাৰে বহুতে ঢেঁকীশালত চিৰা-সান্দহৰ খোলা নাপাতে। পুৰুষে ভাইবোৱাৰী জ্ঞান কৰি ঢেঁকীশালত প্ৰবেশ নকৰে বা ঢেঁকী নোচোৱে। অৱশ্যে অনাবৃষ্টি হ’লে ঢেঁকী চুৰ কৰি ৰাতি চোতালত পুৰুষে চোঁচৰায়। বিয়াৰ দিনা নাৰদৰ বাহন জ্ঞান কৰি খোবা-খুবীয়ে নাপাবলৈ ঢেঁকী বন্ধা প্ৰথা বহু সমাজতে প্ৰচলিত।

(ঝ) কৃষিৰ লগত জড়িত অন্যান্য লোকাচাৰ-লোকবিশ্বাস ঃ

সেইদৰে খেতিয়কৰ প্ৰাণস্বৰূপ খেতিপথাৰৰ লগত বিশেষকৈ কৃষিৰ লগত জৰিত বিশ্বাস আৰু লোকাচাৰত গৃহস্থ-গৃহস্থনী আৰু পা-পৰিয়ালে মানি চলিব লগীয়া বহু দিশ মৌখিক ৰূপত হ’লেও পোৱা যায়।[৩৮] অৱশ্যে সম্প্ৰদায় আৰু অঞ্চল সাপেক্ষে ইবোৰৰ কিছু পাৰ্থক্য পোৱা যায়।

কৃষিজীৱী অসমীয়া আৰু অসমৰ সৰহসংখ্যক ভৈয়ামৰ জনগোষ্ঠীয় লোকসকলৰ বাবে কৃষিভূমি (পথাৰ), কৃষি-সঁজুলি আৰু সহায়ক জীৱ-জন্তু (নাঙল-কোৰ, গৰু-ম’হ), কৃষিৰ শস্য-ভৰাৰ (ভঁৰাল), ৰন্ধন শাল-ঢেঁকীশাল আদিক অতি পৱিত্ৰ আৰু লক্ষ্মীৰ নিবাস বুলি ভাৱে। গৃহস্থ-গৃহিণীয়ে ৰাইজৰ লগত একেলগে বা গাই-গুটীয়াভাৱে কৃষিৰ উৰ্বৰা বৃদ্ধিৰ বাবে বছৰেকত এটিবাৰলৈ হ’লেও লখিমী দেৱীক পোনপটীয়াকৈ পূজা

https://howlyraasmahotsav.org/

কৰাৰ উপৰিও বিহুৰে-সংক্ৰান্তিয়ে সকামে-নিকাম (মাঘ বিহু, কাতি বিহু আদিত) আৰু ঘৰুৱা অনুষ্ঠানত (ন খোৱা, লখিমীৰ আগ অনা, ন গছা লোৱা) ধান-চাউলকে লক্ষ্মীৰ প্ৰতীক হিচাপে লৈ শ্ৰদ্ধা ভক্তি প্ৰদৰ্শন কৰে।

অসমীয়া জনজীৱনত ধাননি পথাৰ আৰু ভঁৰাল ঘৰক লৈ নানা বিশ্বাস জড়িত হৈ আছে। পথাৰ বা ভঁৰাল ঘৰত বাস লোৱা সাপক ঘৰ-জেউতি বুলি মনা হয় আৰু তাক কেতিয়াও মৰা নহয়।

ৰজস্বলা অৱস্থাত নতুবা অশৌচ খটা অৱস্থাত জীয়ৰী-বোৱাৰীক ভঁৰাল ঘৰৰ ছাঁটোকো চুবলৈ দিয়া নহয়। এনে অৱস্থাত পথাৰলৈও যাব দিয়া নহয়। এনে অৱস্থাত ধাননি পথাৰলৈ গ'লে ধান ক'লা পৰি নষ্ট হৈ যায় বুলি বিশ্বাস কৰা হয়। এনেয়েও শইচ বাঢ়ি অহা সময়ত বহু অঞ্চলত তিৰোতাসকলক খেতিপথাৰ দৰ্শন কৰাৰ পৰা বিৰত ৰখা হয়; নহ'লে অজানিতভাবে হোৱা তিৰোতাৰ ঈৰ্ষাত খেতি নষ্ট হয়। কিন্তু তিৰা গৃহিণীসকলে কাতিবিহুত ন-শস্য চাবলৈ যাব পাৰে; যাওঁতে পথাৰত ৰবাব টেঙা লৈ যায়। পথাৰতে ৰবাব টেঙা কাটি খায়, যাতে ৰবাব টেঙাৰ কোঁহৰ দৰে ধানৰ শীহ হয়। সেইদৰে পোক-পৰুৱা ধ্বংস হওক বুলি খোৱা বাকলিবোৰ খেতি পথাৰলৈ চৌপাশে ছটিয়াই থৈ আহে। উজনি অসমৰ মটক সম্প্ৰদায়ৰ জীয়ৰী-বোৱাৰীয়েও কাতিবিহুৰ দিনা পথাৰলৈ সমূহীয়া দৰ্শন দিবলৈ আমন্ত্ৰিত হৈ যায়। তেওঁলোকৰ ভৰিৰ পৰশ পৰিলে পথাৰৰ ধানে লহ্‌পহ্‌কৈ বাঢ়ে বুলি লোকবিশ্বাস আছে।

পথাৰৰ আৰু ভঁৰাল ঘৰৰ ধানক লক্ষ্মী বুলি বিবেচনা কৰাৰ দৰে গৃহস্থই ঘৰৰ ধান বা চাউলকো লক্ষ্মী জ্ঞান কৰে। সেয়েহে এইবিলাক দিয়া-থোৱাৰো অতবোৰ নিয়ম-নীতি গৃহস্থ ভেদে, অঞ্চল ভেদে কিছু বেলেগ বেলেগ ৰূপত গঢ়ি উঠিছে। বাৰ-তিথি-মাহ চাই, ৰাতি বিয়লি সময় চাই গৃহস্থই ধান আদি ভঁৰালৰ পৰা উলিয়ায়, থোৱা-মেলা (লাৰা-চাৰা) কৰে আৰু প্ৰয়োজনবোধে অইন কাৰোবাক দিয়ে। সেয়েহে বহুতে মগনীয়াক ধান দিওঁতে কেইটামান ধান পাচি-খৰাহিত লখিমী ৰাখিহে দিয়ে। বহুতে একেজন মানুহক একে সময়তে ধানৰ সৈতে পাণ বা খেৰ নিদিয়ে। ধান খেৰৰ লগত কিছুমানে মাহো নিদিয়ে। কেতিয়াবা এইবিলাক গৃহস্থৰ ঘৰৰ পৰা নিব লগা হ'লে আগতীয়াকৈ পদুলিৰ আগত থৈহে বাকী বস্তুটো নিবলৈ দিয়া হয়।

আহোমসকলে লখিমীৰ লগত দিয়া দুণৰিৰ ধান ঘৰে ঘৰে এমুঠি বিলাই দি ভঁৰালত সিঁচি দিয়ে। এই মুঠি ধান লখিমী বুলি গণ্য কৰে। কোনো কোনো ঠাইত এই ধান এটা চুঙাত ভৰাই ভঁৰালৰ দুৱাৰমুখত আঁৰি থোৱাৰ নিয়ম।

টাই আহোমসকলৰ লখিমী বাৰ হ'ল সোমবাৰ আৰু এই লখিমী বাৰত তেওঁলোকে দান-দক্ষিণা নিদিয়ে। তেওঁলোকৰ বিশ্বাস এনে কৰিলে লক্ষীছাড়া হয়। সেয়ে তেওঁলোকে জেঠ-আহৰ মাহৰ শুক্ল পক্ষৰ কোনোবা সোমবাৰ এটাত নামঘৰত লখিমী সবাহৰ আয়োজন কৰে। টাই আহোমসকলে লখিমী তুলিবলৈ ঘাটলৈ যাওঁতে যদি জাকৈৰ প্ৰথম চাবতে মাছ আহে তেতিয়া লখিমী তুষ্ট বুলি ভাবে লগতে সেই বছৰ কৃষি সুগম হ'ব বুলি বিশ্বাস কৰে। সেইদৰে পানী তুলিবলৈ যাত্ৰা কৰাৰ আগত যদি বাটত পী থকা দামুৰি, গাই দলটিয়ে দেখে তেন্তে কৃষিকাৰ্যৰ বাবে মংগল বুলি ভাবে।

এনেধৰণৰ বিভিন্ন বিশ্বাস দেউৰীসকলৰ মাজতো দেখা যায়। "দেউৰীসকলৰ শুভবাৰ হ'ল বুধবাৰ, সামুহিক পূজাৰ কাৰণে বুধবাৰটো দেউৰীসকলৰ শুভদিন। অৱশ্যে বিশেষ অসুবিধা হ'লে দেওবাৰেও পূজা দিব পাৰে। দেউৰীসকলৰ বাবে পুহ আৰু চ'ত এই মাহ দুটা অমংগলীয়া। কোনো শুভকাম এই দুটা মাহত নকৰে।

উধানৰ পৰা ভাতৰ চৰু বাগৰি পৰাটো দেউৰী সমাজৰ বাবে কুমংগলৰ চিন। ইয়াৰ বাবে তেওঁলোকে লখিমী সবাহ পাতে। একেদৰে ধান পুৰিলে বা ধানৰ ভঁৰালত জুই লাগিলে বা কিবা অনিষ্ট হ'লে তাৰবাবেও লখিমী আই বিতুষ্ট হৈছে বুলি ভাবি লখিমী আইক পূজা দিয়ে। একেলেথাৰিয়ে কেইবাবছৰলৈও ভালদৰে খেতি-বাতি নহ'লে লখিমী হেৰাইছে বুলি ভাবে আৰু লখিমী সবাহ পাতে।"

(ঞ) কৃষিৰ লগত জড়িত বিভিন্ন যাদুধৰ্মীয় লোকবিশ্বাসঃ

ধানখেতিৰ লগত বহুতো যাদুধৰ্মীয় বিশ্বাস জড়িত হৈ আছে। জন্মগতভাৱে কিছুমান মানুহ ভাগ্যৱান বা ভাগ্যৱতী (লক্ষ্মী) আৰু কিছুমান ভাগ্যহীন বা ভাগ্যহীনা (লক্ষ্মীছাৰা)।৫৬ বিভিন্ন লক্ষণৰ পৰা এইবোৰ চিনাক্ত

https://howlyraasmahotsav.org/

কৰিব পৰা যায় বুলি হিন্দুৰ কাকচৰিত্ৰ কিম্বা জ্যোতিষ শাস্ত্ৰৰ ভিত্তিত নানা লোক-পটন্তৰ লোকবিশ্বাসে গঢ় হৈছে। সেইদৰে নিজৰ কৰ্মদোষ বা আচৰণৰ দ্বাৰাই লক্ষ্মীছাৰা হয় বা লক্ষ্মীৰ বৰপুত্ৰ হ'ব পাৰি বুলি বিশ্বাস কৰা হয়। ঘৰৰ মূল গৃহস্থৰ পৰলোকগামী হ'লে আৰু বিয়াৰ দিনা উলিয়াই দিয়া ঘৰৰ জীয়ৰী ৰুষ্ট হ'লে ঘৰৰ শ্ৰীবৃদ্ধি নাশ হয় বুলি এটা বিশ্বাস প্ৰায়বোৰ সমাজতে প্ৰচলিত আছে। পূজা-বিধি, তিথি-পাৰ্বণত ৰাইজৰ পদধূলি লৈ ধনে-ধানে ধন্য হোৱা যায় বুলিও বিশ্বাস একোটা গঢ়ি উঠিছে। তলত ধানৰ লগত জড়িত বিশ্বাস কিছুমানৰ উল্লেখ কৰা হ'ল।

(অ) ধানে গেঁৰ মেলিবৰ সময়ত শোকোতা আৰু চাউলৰ গুড়িৰ আঞ্জা খাই ধাননিলৈ যোৱা নিষেধ; তেনে কৰিলে ধান পতান হয়।

(আ) ঢেঁকী বা উৰালত বহিব নাপায়, বহিলে হেনো এন্দুৰে পথাৰৰ ধান খায়।

(ই) ভাত খাই উঠিয়েই বিছনাত বাগৰি পৰিব নাপায়, তেনে কৰিলে পথাৰৰ শস্য বাগৰি পৰে ইত্যাদি

সেইদৰে ঘৰৰ ভিতৰত বা ধাননি পথাৰত বা ৰাতি-বিয়লিত ব্যক্তিগত চৰিত্ৰ-দোষ থকা যেনে— সুহুৰি মৰা, যেতিয়াই-তেতিয়াই টকালি পৰা, চেলেকি চেলেকি বা চুহি চুহি ভাত-আঞ্জা খোৱা, আঞ্জা ৰান্ধোতে জিভাৰে চাকি সোৱাদ লোৱা, মানুহৰ সন্মুখত পাদ মৰা স্বভাৱৰ লোকক লক্ষ্মীয়ে এৰা দিয়ে বুলি লোকবিশ্বাস আছে। কোনো কোনো সমাজত কৃত্যাকৃত্য বা উচিত-অনুচিত কাৰ্যবিধিতো কৃষিয়ে মুখ্য স্থান অধিকাৰ কৰি আছে।

সেইদৰে গো ধন কেন্দ্ৰিক গোহালি ঘৰ, গোবৰ আদিক লৈও নানাধৰণৰ বিশ্বাস, শ্ৰদ্ধা-ভক্তি (পূজা) জড়িত হৈ আছে। তলত তাৰে কিছুমানৰ উদাহৰণ দাঙি ধৰা হ'ল— অসমীয়া হিন্দু সমাজত গোহালিক লক্ষ্মীৰ নিবাস জ্ঞান কৰে আৰু গো মাতা সাক্ষাৎ দেৱতা (ব্ৰাহ্মণে গৰু জন্ম লোৱা বাবেই গৰুবিহুৰ দিনাখন লগুণৰ প্ৰতীক হিচাপে তৰা গছৰ পঘা বটি গৰুক পিন্ধায়)। সেই বাবেই ন খোৱাৰ দিনাখন আৰু ব'হাগৰ গৰু বিহুত (নামনি অসমত মাঘৰ দোমাহীতো) গৰুক গা ধুৱাই, তেল-সেন্দুৰৰ ফোঁট পিন্ধাই পিঠা-পনা খুৱাই পূজা কৰে। নতুন গৰু আনিলে প্ৰথমে গৰুৰ ভৰি ধুওৱা প্ৰথাটোও মন কৰিবলগীয়া। বাহী আৰু অশুচি গাৰে তিৰোতাসকলে গোহালিত প্ৰৱেশ নকৰে।

অসমীয়া মানুহে গৰুৰ গোবৰ বৰ পবিত্ৰ বস্তু বুলি মানি আহিছে। কোনো পূজা-পাতল নতুবা মাংগলিক অনুষ্ঠান পাতিলে পূজা পতা ঠাইখন শুচি কৰি ল'বলৈ আৰম্ভণিতে গোবৰ মাটিৰে মচি লোৱা হয়। সেইদৰে এনেকুৱা পবিত্ৰ দিনত গৃহস্থইও ৰাতিপুৱাতেই ঘৰৰ মজিয়া, চোতাল আদি গোবৰ মাটিৰে মচি শুচি কৰি লয়। সেইদৰে ভাত খোৱা ঠাইখন, মজিয়াখন গোবৰ মাটিৰে মচিলেহে শুচি হয় বুলি মানে। একাদশী, পূৰ্ণিমা, মৰ-আঁউসী (মৰাআহু) আদি তিথিবোৰতো অসমীয়া মানুহে চোতাল-ঘৰ সকলো গোবৰ মাটিৰে মুচি লৈহে মনত সান্ত্বনা লভে। পিতৃ-মাতৃ কিম্বা উপৰি পুৰুষৰ শ্ৰাদ্ধ, বিবাহ আদিতো গোবৰ এবিধ অপৰিহাৰ্য দ্ৰব্য হিচাপে ব্যৱহাৰ হৈ আহিছে।

"সাধাৰণতে অসমীয়া মানুহে গৰুৰে মৰণা মাৰে। মৰণা মৰা হ'লে ধান খেৰেৰে গৰুৰ পিঠি মোহাৰি দিব লাগে। অন্যথা গুটি ধান গৰুৱে লৈ যায় বুলি আৰু গৰুৰ মূৰ ঘূৰণি হয় বুলি সমাজত বিশ্বাস প্ৰচলিত হৈ আহিছে।"

পাদটীকা আৰু প্ৰসঙ্গসূচী—

১। বিভিন্ন পুৰাণ, মহাপুৰাণ, উপাখ্যান আৰু মালিতাসমূহত বিভিন্ন পৌৰাণিক চৰিত্ৰসমূহৰ জন্ম খণ্ডত এনে বিৱৰণ পোৱা যায়। 'যাৱৎ কঠীয়া তাৱৎ চন্দ্ৰাৱলী' শীৰ্ষক আখ্যানত ৰাজকন্যা চন্দ্ৰাৱলীৰ সাধাৰণ গৰখীয়া ল'ৰা কঠীয়াৰ লগত হোৱা বিবাহৰ ঘটনা অসমীয়া সমাজত অতি শ্ৰদ্ধাসহকাৰে বিবাহ-পৰ্বত পাঠ কৰা হয়।

২। ৰাভা হাকাচাম, উপেন ঃ 'ৰাভাসকলৰ জন্ম-মৃত্যুৰ লোকাচাৰ', ৰাভা সমাজ আৰু সংস্কৃতি, ২০১০, পৃ. ২২২-২২৭

৩। উৎস—

(ক) ৰাজগুৰু, সৰ্বেশ্বৰ ঃ অসমীয়া প্ৰবাদ, ২০০৩

(খ) শৰ্মা, নবীন চন্দ্ৰ ঃ ডাক-প্ৰবচন আৰু ডাক পৰম্পৰা, ২০০৫ (বৰ্ণাশুদ্ধি আৰু তৰা চিহ্ন সূচিত পাঠান্তৰ দুয়োখন পুথিৰ আধাৰত পুনৰলিখিত কৰা হৈছে।)

৪। উৎস ঃ ৰায়, প্ৰভাত ঃ গোৱালপৰীয়া সমাজ, সভ্যতা আৰু সংস্কৃতি, ১৯৯১, পৃ. ৬১-৬৩।

৫। বেণুধৰ ৰাজখোৱাই উল্লেখ কৰা— যাৰ হাতৰ আঙুলিত দোণৰ চিন বেছি তেওঁ সৌভাগ্যৱান

https://howlyraasmahotsav.org/

বা সৌভাগ্যৱতী আৰু যাৰ হাতৰ আঙুলিত কুলাৰ চিন বেছি তেওঁ দুৰ্কপলীয়া বোলা বিশ্বাসৰ সপক্ষে দিয়া ড° প্ৰফুল্লদত্ত গোস্বামীৰ অসমীয়া পটন্তৰত ইয়াৰ পাঠান্তৰ ঘটিছে। যেনে—

“নখন কুলা এটা দোণ
তাৰ ঘৰত নবয় কোন।”

(দ্ৰষ্টব্য ঃ Rajkhowa, Benudhar : Assamese Papular superstitions and Assamese Demonology, 1973, p. 62)

৬। উৎস ঃ ৰাজগুৰু, সৰ্বেশ্বৰ ঃ প্ৰাগুক্ত, পৃ. ২৯৪-২৯৫, ৯। কন্যাৰ প্ৰথম ঋতু হোৱাৰ (পুষ্পিতা প্ৰাপ্ত) সময় বাৰ আৰু ঋতু কাল অনুযায়ী মঙ্গল-অমঙ্গল (লক্ষ্মী-অলক্ষ্মী) গণ্য কৰা হয়। যেনে—

(ক) কাল সন্ধ্যা, ৰাতি সংক্ৰান্তিত, দুয়োটা গ্ৰহণত, কৃষ্ণপক্ষত নিজৰ ঘৰত বা আনৰ ঘৰত কন্যাৰ প্ৰথম ঋতু হ'লে অশুভ; অন্য ক্ষেত্ৰত অৰ্থাৎ দিনৰ পোহৰত, শুক্লপক্ষত হ'লে শুভ।

(খ) পুষ্পিতা ব'হাগ মাহত হ'লে প্ৰিয়বাদিনী, জেঠ মাহত হ'লে দুৰ্ভাগিনী, আহাৰ মাহত হ'লে ধনৱতী আৰু পুত্ৰিণী, শাওন মাহত হ'লে মৃত্যু বৎসলা, কাতি মাহত হ'লে ধৰ্মশীলা, ভাদ মাহত হ'লে ৰুগীয়া, আঘোন মাহত হ'লে ৰুগীয়া আৰু বিহ্বলা হয় বুলি ভাবে।

(গ) সেইদৰে পুষ্পিতা হোৱাৰ বাৰ অনুযায়ী-- বিধৱা (ৰবিবাৰে), পতিব্ৰতা (সোমবাৰে), বেশ্যা (মঙলবাৰে), ভাগ্যৱতী (বুধবাৰে), শ্ৰীমান স্বামী লাভ (বৃহস্পতিবাৰে), পুত্ৰৱতী (শুক্ৰবাৰে), বন্ধ্যা (শনিবাৰে) হয় বুলি বিশ্বাস কৰি তেনেবোৰ বেয়া দোষ খণ্ডন কৰাৰ বিধান দিয়া হয়।

(ঘ) প্ৰভাত কালে কন্যা পুষ্পিতা হ'লে পদ্মিনী হয় বুলি ভাৱে।

(উৎস ঃ গগৈ লোকেশ্বৰ ঃ অসমৰ লোকসংস্কৃতি, ১÷ খণ্ড, ২০০৭, পৃ. ৩৩৫)

৭। এই বিশ্বাসৰ বশৱৰ্তী হৈ ৰভাত কইনাৰ কোঁচত থোৱা চাউল বিদায় পৰত আতৌ-পিতৌকৈ আঁজলি পাতি ভঁৰালত থোৱা, স্বামীগৃহত যাওঁতে এবাৰলৈ হ'লেও পিতৃগৃহৰ ফালে উভতি চোৱা আদি লোকাচাৰ গঢ়ি উঠিছে। “এই দেখি আজিও জীয়ৰী ছোৱালী উলিয়াই দিয়াতে তাই বাপেক-মাকৰ ফালে উভতি চাই যায়; নাচালে বাপেকৰ ঘৰৰ সকলোবোৰ বস্তু হেনো তাইৰ লগতে যায়।” (লক্ষ্মীনাথ বেজবৰুৱা; তুলা আৰু তেজা', বুঢ়ী আইৰ সাধু, ১৯১১, পৃ. ৯১)

সেইদৰে কিছুমান অঞ্চলত— “ঘৰৰ পৰা উলিয়াই দিয়া ছোৱালীক ধানৰ সঁচ দিয়া নহয়; ভঁৰালো চাবলৈ দিয়া নহয়। ঘৰৰ মুৰব্বীলোক লোকান্তৰ হ'লে ডলা এখনত বান্ধি ৰখা হয়। এই ধান তিনিদিনৰ দিনা লেখি চোৱা হয়; যদি হিচাপত মিলে তেন্তে সেই ধানৰ সঁচ নিয়া নাই বুলি ভবা হয়। উল্লেখযোগ্য যে যিবিধ ধান মৃতকৰ লগত হিচাপ কৰি ৰখা হয় সেই ধান এবছৰ বা তিনিবছৰলৈকে সঁচ লোৱা নহয়।” (উৎস ঃ বুঢ়াগোহাঞি, হেম ঃ প্ৰাগুক্ত, পৃ ৫৬)

কোনো কোনা অঞ্চলত গৃহস্থৰ মৃত্যু হ'লে শৱযাত্ৰাৰ আগে আগে তেওঁৰ ভৰিৰ বুঢ়া আঙুলি জুবুৰিয়াই ৰখা লোটাপানীৰে বাৰীৰ চৌপাশ, ঘৰৰ বাহিৰ-ভিতৰ বিশেষকৈ ভঁৰাল ঘৰ, গোহালি ঘৰত ছটিয়াই গৃহ-লক্ষ্মী বন্ধন কৰি ৰাখে।

৮। গাৰো সমাজত 'আছি মালজা' বা 'আছি নামজা' (বেয়া বা পাপ) আৰু 'ডাক মালজা' বা 'ডাক নামজা' (অনুচিত কাৰ্য) হ'ল পৰম্পৰাগতভাৱে প্ৰবৰ্তিত হৈ অহা সামাজিক অনুশাসনমূলক ৰীতি-নীতিসমূহৰ মূল উৎস। কি কি কৰিলে 'আছি নামজা' পাপ হয় তাৰ ভিতৰত— খেতিপথাৰৰ শস্যৰোপন কৰাৰ দিনৰ পৰা শস্যৰ মুখত ফল পৰিদৃশ্যমান নোহোৱালৈকে খেতিপথাৰেদি যাওঁতে সুহুৰিয়াব নাপায় অৰ্থাৎ আছি নামজা। তেনে কৰিলে শস্য দেৱতাৰ ৰোষত পৰিব লাগে বুলি বিশ্বাস। ..... গাৰোসকলে উৎপাদিত প্ৰথম শস্য, ফলাদি শস্য দেৱতাৰ (মিছি ছালজং) নামত উছৰ্গা নকৰাকৈ অৰ্থাৎ ওৱানগালা উৎসৱ অনুষ্ঠিত নোহোৱালৈকে খোৱাটো আছি নামজা। ফলাদি উছৰ্গাৰ আগত খালে বা খাওঁতাক সাপে খুটে, বাঘে খায় বা দুৰ্ভিক্ষই দেখা দিয়ে বুলি গাৰোসকলৰ আদিম বিশ্বাস।” (মাৰাক, মনোৰঞ্জন ঃ প্ৰাগুক্ত, পৃ. ৫,৭)

৯। “হিন্দু সমাজত 'গোধন মহাধন'। কৃষকৰ পৰম বন্ধু গৰু 'গো লক্ষ্মী'ৰূপে পূজিত। মানুহে গৰু কিনি আনিলে গৰুক পানীৰে ভৰি ধুৱাই, শিঙত তেল ঘঁহি, ঘাঁহ-পানী খুৱাই আদৰি অনাৰ নিচিনা, বিক্ৰী

https://howlyraasmahotsav.org/

কৰিব লগাত পৰিলেও অনুৰূপ নীতি নিয়মেৰে গো-লক্ষ্মীক সেৱা শুশ্ৰূষা কৰি শ্ৰদ্ধা জনায়। গো নিগ্ৰহ লক্ষ্মী নিগ্ৰহৰ সমতুল্য, গো নিগ্ৰহকাৰীৰ নৰকত বাস, এয়া লোকবিশ্বাস। গো লক্ষ্মীক আদৰ যত্ন কৰাৰ বাবে স্বয়ং লক্ষ্মীদেৱীয়ে 'শ্ৰীশ্ৰী লক্ষ্মীচৰিত্ৰ'ত মনুষ্য সমাজক আহ্বান জনাইছে এনেদৰে—

গো ধনক সদা যিটো কৰে উপকাৰ।
ধন ধান সম্পদক মিলাও আমি তাৰ।।

লক্ষ্মী সংক্ৰান্ত লোকবিশ্বাসৰ অন্য এটি তাৎপৰ্য হ'ল গোবৰত লক্ষ্মীৰ অধিষ্ঠান হেতু গোবৰ স্বৰ্ণতুল্য— 'খায় বন, দিয়ে সুবন"। মহাভাৰতত আছে গৰুৱে হেনো চঞ্চলা লক্ষ্মীদেৱীক গৰুৰ গোবৰ আৰু মূত্ৰৰ অধিষ্ঠান কৰিবলৈ প্ৰাৰ্থনা জনাইছিল। সেয়েহে, হিন্দু সমাজৰ প্ৰায় সকলো প্ৰকাৰৰ সেৱা, পূজা আৰু দৈনন্দিন জীৱনৰ বিভিন্ন কামত গৰুৰ গোবৰ আৰু খিচ্ অপৰিহাৰ্য। মুঠতে ধান, চাউল, ভাত, গৰু, গোবৰ ইত্যাদি লক্ষ্মীকেন্দ্ৰিক লোকবিশ্বাস লোকসমাজৰ আপুৰুগীয়া সম্পদ।"

(কলিতা, ফুলকুমাৰী ঃ 'শ্ৰীশ্ৰী লক্ষ্মীদেৱীৰ পৰিচয় আৰু লোকবিশ্বাসত লক্ষ্মীদেৱীৰ স্থান', লোকসংস্কৃতিৰ সুবাস, ২০১৩, পৃ. ৬৬

১০। উৎস ঃ ভদ্ৰকান্ত বৰা ঃ 'অসমীয়া সমাজৰ লোকাবিশ্বাস আৰু বৈচিত্ৰ্যতা',অসমীয়া সমাজৰ লোকাচাৰ আৰু লোকবিশ্বাস, ২০১৪, পৃ. ১০৪

https://howlyraasmahotsav.org/

এয়াই নেকি জীৱন?

অঞ্জু দাস

হৃদয়ত সাঁচি ৰখা কথাবোৰ নধৰা হৈছে।
অজানিতে বুকুত এটা বিষ অনুভৱ হয়
ভাল দিন এটা পাবলৈ মনত বৰ হেঁপাহ!
প্ৰত্যেক দিন আৰম্ভ হয় এক নতুন সংগ্ৰামেৰে।
তথাপি ওঁঠত এটি মিঠা হাঁহি লৈ,
জীৱনটো উপভোগ কৰিবলৈ শিকিছোঁ।
কেতিয়াবা নিজকে বৰ অকলশৰীয়া
অনুভৱ কৰোঁ, ইয়াৰ বাবে জগৰীয়া
... মই নিজেই!...
মাথোঁ মৌন হৈ বাগৰি অহা
চকুলো মচি হাঁহি মুখে
ভালে থকাৰ অভিনয় কৰোঁ।
কেতিয়াবা চিঞৰি চিঞৰি কবলৈ
মন যায়
এয়াই
নেকি
জীৱন?

ন মে ভক্ত ঃ প্ৰণশ্যতি

তৰণী কুমাৰ পাঠক

"কৃষ্ণ ভক্তৰ কদাপি বিনাশ নহয়'। এয়া ভগৱান শ্ৰীকৃষ্ণৰ মুখ নিঃসৃত বাণী। মোৰ ভক্তৰ কেতিয়াও বিনাশ নহয়। বিনাশৰ পৰিত্ৰাণৰ একমাত্ৰ উপায় হ'ল কৃষ্ণ ভক্তিত নিমজ্জিত হোৱা। আধ্যাত্মিক ধৰ্মগুৰু শ্ৰীধৰ স্বামীয়ে কৃষ্ণ শব্দৰ তাৎপৰ্য সন্দৰ্ভত কৈছে যে 'কৃষ্ণ শব্দই ভূমি, সত্তা আৰু অস্তিত্বক বুজায়, মূৰ্ধন্য 'ণ' আখৰটোৱে নিভূতিক অৰ্থাৎ ভূমা আনন্দক বুজায়। ক্ষণভংগুৰ মনুষ্য জীৱন মাটি, পানী, বায়ু, তেজ, শূন্য পঞ্চভূতেৰে গঠিত। মনুষ্যৰ মাটিৰ দেহ যেতিয়া এই পঞ্চভূতৰ দ্বাৰা সঞ্চাৰিত হয়, তেতিয়া এনেকুৱা দেহত পৰমানন্দ অনুভূত হৈ কৃষ্ণময় হয়। সাধাৰণ মনুষ্যৰ জীৱন ধূসৰ, অজ্ঞানতাৰে ভৰপূৰ। সেয়েহে জীৱ চৈতন্য খন্তেকীয়া, কিন্তু ইয়াৰ বিপৰীতে কৃষ্ণ চৈতন্য চিৰস্থায়ী আছিল, আছে আৰু থাকিব। চৈতন্য আৰু পৰম ব্ৰহ্মৰ মূৰ্ত প্ৰতীক হৈছে কৃষ্ণ। অৰ্থাৎ কৃষ্ণ হৈছে সৎ-চিৎ-আনন্দ স্বৰূপ সচ্চিদানন্দ। ভাগৱতত কোৱা ভগৱান কৃষ্ণই নিজৰ পৰিচয় দিবলৈ গৈ অৰ্জুনক কৈছে যে—

মত্তঃ পৰতৰং নান্যৎ
কিঞ্চিদস্তি ধনঞ্জয়।
ময়ি সৰ্বমিদং প্ৰোতং
সূত্ৰে মণিগণা হৱ।। গীতা ৭/৭

'হে অৰ্জুন, মই সকলোতকৈ শ্ৰেষ্ঠ। সমস্ত ব্ৰহ্মাণ্ড সূতাত মণি গাঁঠি থোৱাৰ দৰে মোৰ লগত জড়িত হৈ আছে। মণি আৰু সূতা দুয়োটাৰে গুণগত দিশ যদিও ভিন্ন, তথাপি দুয়োটাৰে সংযোগত যিদৰে এধাৰি মালাৰ সৃষ্টি হয় ঠিক একেদৰে ভক্ত আৰু ভগৱানৰ সম্পৰ্কও অতি নিবিড়। ভক্ত অবিহনে ভগৱানৰ অস্তিত্ব সন্দৰ্ভতো বিভিন্ন প্ৰশ্নৰ অৱতাৰণা হোৱাটো নুই কৰিব নোৱাৰি। পৰম বিষ্ণুৰ পূৰ্ণ অৱতাৰী পুৰুষ কৃষ্ণক হৃদয়ংগম কৰিব পাৰিলে জাগতিক কোনো শংকা বা ভয়ে মনুষ্যক তলাব নোৱাৰে। আনকি মৃত্যু-ভয়ো স্পৰ্শ কৰিব নোৱাৰে। মৰ্ত্তবাসী আমি সাধাৰণ নৰ-মনিচে কৃষ্ণতত্ত্বৰ মূল দৰ্শন নুবুজি খন্তেকীয়া সুখ-আনন্দত মচগুল হৈ প্ৰকৃত কৃষ্ণ ভক্তিৰে নিগৰিত অমৃত পানৰ পৰা বঞ্চিত হৈ আহিছে। গুণী-জ্ঞানীজনে প্ৰকৃতাৰ্থত কৃষ্ণক পৰমব্ৰহ্ম ৰূপত স্তুতি কৰে। যোগীজনৰ হৃদয়ত পৰম কৰুণাময় কৃষ্ণ চৈতন্যৰূপে বিৰাজমান।

যেহপ্যন্য দেৱতা ভক্তা
যজন্তে শ্ৰদ্ধয়ান্বিতাঃ।
তেহেপি মামেৱ কৌন্তেয়
যজন্ত্যবিধি পূৰ্বকম্।। গীতা ৯/২৩

হিন্দু ধৰ্মশাস্ত্ৰসমূহৰ অজস্ৰ দেৱ-দেৱীৰ পূজা অৰ্চনাৰ বিভিন্ন ধৰণৰ বিধি-বিধান আছে আৰু সেইসমূহ দেৱ-দেৱীৰ পূজা-অৰ্চনাৰ জৰিয়তে ভক্তৰ স্বকীয় মনোবাসনা পূৰণৰ ব্যৱস্থা যদিও আছে। ইয়াতো শ্ৰদ্ধা আৰু ভক্তি অতীৱ প্ৰয়োজন। শ্ৰদ্ধা-ভক্তিহীন ভক্তই কেতিয়াও প্ৰাৰ্থনাত সিদ্ধি লাভ কৰিব নোৱাৰে। হিন্দু ধৰ্ম শাস্ত্ৰসমূহৰ ভিতৰত কলিযুগৰ শ্ৰীমদ্‌ভাগৱত গীতাকে উত্তম শাস্ত্ৰ বুলি কৈছে, সেয়েহে হৰি কীৰ্তনৰ জৰিয়তে পোনে পোনে কৃষ্ণক উপাসনা কৰা ভক্ত শ্ৰেষ্ঠ। মনৰ পৰা

https://howlyraasmahotsav.org/

যেতিয়ালৈ অহংকাৰ আৰু দাম্ভিক স্বভাৱ ত্যাগ কৰিব নোৱাৰে তেতিয়ালৈকে মনুষ্যই ঈশ্বৰ তত্ত্ব বা ব্ৰহ্মতত্ত্ব উপলব্ধি কৰিব নোৱাৰে। ভগৱান শব্দৰ অৰ্থ বিভিন্ন ধৰ্মীয় গুৰুসকলে বেলেগে বেলেগে যদিও ইয়াৰ অৰ্থ ব্যাখ্যা কৰিছে তথাপি সৰ্বজনভাৱে গৃহীত ইয়াৰ অৰ্থ তলত উল্লেখ কৰা ধৰণে প্ৰকাশ কৰাৰ প্ৰয়াস কৰা হ'ল।

ভগৱান শব্দৰ অৰ্থ

(ক) ভ— ভূমি (Earth)

(খ) গ— গগন (Sky)

(গ) ৱ— বায়ু (Air)

(ঘ) অ— অগ্নি (Fire)

(ঙ) ন— নীড় (Water)

ওপৰত উল্লিখিত বিষয়সমূহৰ লগত যিহেতু ভগৱান শব্দৰ তাৎপৰ্য অন্তৰ্নিহিত হৈ আছে সেয়েহে ইয়াৰ অৰ্থ সহজে উপলব্ধি কৰা উজু নহয়। আমাৰ মনৰ পৰা বা হৃদয়ৰ পৰা যেতিয়ালৈকে 'অহং, মম বা মই মোৰ' ভাৱ পৰিত্যাগ কৰিব নোৱাৰোঁ তেতিয়ালৈকে প্ৰকৃত কৃষ্ণতত্ত্বৰ ৰহস্যৰ জ্ঞান লাভ কৰিব নোৱাৰি। উদাহৰণস্বৰূপে যমুনাৰ বালিত কৃষ্ণৰ লগত যেতিয়া গোপীসৰে ক্ৰীড়া কৰিছিল তেতিয়ালৈকে গোপীসৰে 'কৃষ্ণৰ্বৈ অহম্ অহং বৈ কৃষ্ণঃ'— কৃষ্ণ জ্ঞান লাভ কৰিবলৈ সক্ষম হোৱা নাছিল, যেতিয়ালৈকে গোপীসৰে কৃষ্ণস্বৰূপ পৰম তত্ত্বত জীৱ চৈতন্যস্বৰূপ গোপীসমূহে নিজকে বিলীন কৰি দিব পৰা নাছিল তেতিয়ালৈকে পৰম কৃষ্ণতত্ত্ব বোধগম্য হোৱাত বিলম্ব হৈছিল। জীৱ চৈতন্যস্বৰূপ গোপীসৰে কৃষ্ণস্বৰূপ পৰম তত্ত্বত বিলীন হোৱা বাবেহে তেওঁসৰৰ মনোকামনা পূৰ্ণ হৈছিল আৰু তেতিয়াহে গোপীসৰে পৰম কৃপালু কৃষ্ণত বিলীন হ'বলৈ সক্ষম হৈছিল। কলিযুগত ভাগৱত শাস্ত্ৰখনো এখন উত্তম গ্ৰন্থ বুলি ধৰ্মীয় গুৰু তথা শাস্ত্ৰ বিশাৰদসকলে বাৰে বাৰে কৈ আহিছে। এতিয়া চাওঁ আহক ভাগৱত গ্ৰন্থখনক কিয় শ্ৰেষ্ঠ গ্ৰন্থ বুলি কোৱা হয় আৰু অন্তৰ্নিহিত অৰ্থ কি? ভাগৱত শব্দটো মুঠ চাৰিটি অক্ষৰৰ দ্বাৰা গঠিত আৰু প্ৰতিটো আখৰৰ একো একোটা তাৎপৰ্যপূৰ্ণ অৰ্থ নিহিত হৈ আছে। তলত ভাগৱত শাস্ত্ৰখনৰ অক্ষৰসমূহৰ তাৎপৰ্য আৰু অৰ্থসমূহ উল্লেখ কৰা হ'ল। ভাগৱত শব্দৰ অৰ্থ—

(ক) ভ— ভক্তি

(খ) গ— জ্ঞান

(গ) ৱ — বৈৰাগ্য

(ঘ) ত— তৰি যোৱা

ভাগৱত শাস্ত্ৰখন এনে গুণবিশিষ্ট গুণৰাজিৰে ৰচনা হোৱা হেতু ইয়াৰ অন্তৰ্নিহিত অৰ্থসমূহৰ তাৎপৰ্য বেপেৰুৱাভাৱে অধ্যয়ন কৰি প্ৰকৃত ৰস আস্বাদন কৰিব নোৱাৰি।

ভগৱান কৃষ্ণৰ সকলোতকৈ প্ৰিয় কোন? এই প্ৰশ্নৰ সমিধান দি গীতা শাস্ত্ৰৰ ১২ নং অধ্যায়ৰ ১৩/১৪ নং শ্লোকত উল্লেখ কৰি কৃষ্ণই অৰ্জুনক কৈছে যে—

'অদ্বেষ্টা সৰ্বভূতানাং
মৈত্ৰ ঃ কৰুণ এৱচ।
নিৰ্মমো নিৰহংকাৰ
সমদুখঃসুখঃক্ষমী।।
সন্তুষ্ট ঃ সততংযোগী
যতাত্মা দৃঢ়নিশ্চয় ঃ।
ময্যৰ্পিত মনোবুদ্ধিৰ্যো
মদ্ভক্ত ঃ সমে প্ৰিয় ঃ।।'

যিজন সকলো জীৱৰ প্ৰতি স্নেহশীল, যাৰ বিদ্বেষভাৱ নাই, সমস্ত জীৱৰ প্ৰতি স্নেহশীল, দয়াবান, মই বৰ ভাৱত উদ্বুদ্ধ নহয়, অহংকাৰ শূন্য, দুখ-সুখত সমভাৱাপন্ন, দয়াশীল, ক্ষমাশীল, যি পাইছে তাতেই তুষ্ট, যিজনে সৰ্বান্তকৰণে মন-প্ৰাণ সমৰ্পিত কৰিছে, সংযমী, দৃঢ়বিশ্বাসী, তেৱেঁই মোৰ পৰম ভক্ত।

ভগৱান শ্ৰীকৃষ্ণ প্ৰেমময় পৰম ব্ৰহ্ম পৰমাত্মা। গীতা শাস্ত্ৰত পৰম কৰুণাময় কৃষ্ণতত্ত্ব জ্ঞান, কৰ্ম, ভক্তি আৰু যোগ এই চাৰিগুণ বিশিষ্ট প্ৰক্ৰিয়াৰে কৃষ্ণৰ প্ৰকৃত স্বৰূপ তত্ত্বৰ লগতে কৃষ্ণ ভক্তসকলৰ কৰণীয় দিশটি প্ৰকাশ পাইছে। মনুষ্য জীৱনৰ মূল উদ্দেশ্য হ'ল জ্ঞান, কৰ্ম, ভক্তি যোগত আত্মনিয়োগ কৰি জীৱনটোক গতিশীল কৰা। কৰ্মবিমুখজনে নিষ্কাম ব্ৰহ্মজ্ঞান লাভ কৰিব নোৱাৰে। কৰ্মহীন জীৱন অশান্তিপূৰ্ণ। ঈশ্বৰ কৃষ্ণৰ ওপৰত থকা গভীৰ বিশ্বাস আৰু নিষ্ঠাৰ দ্বাৰাহে কৰ্ম বাসনা ক্ষয় হয়। নিখুঁত কৰ্ম সম্পাদনাৰ বাবে প্ৰকৃত জ্ঞানৰ প্ৰয়োজন। কৰ্মত সিদ্ধি লাভ কৰিবলৈ হ'লে জ্ঞানৰ দ্বাৰাহে মনুষ্যই ধাৱিত হ'ব লাগে। এইক্ষেত্ৰত স্বয়ং কৃষ্ণই গীতাৰ চতুৰ্থ অধ্যায়ৰ ৩৭ নং শ্লোকত অৰ্জুনক কৈছে যে

https://howlyraasmahotsav.org/

'যথৈ ধাংসি সমিদ্ধোঽহগ্নি
ভর্স্মসাৎ কুৰুতেহৰ্জুন।
জ্ঞানাগ্নিঃ সৰ্বকৰ্মাণি
ভস্মসাৎ কুৰুতে তথা।।'

অগ্নিয়ে যিদৰে কাঠ আদি দ্ৰব্যসমূহ পুৰি ভস্মীভূত কৰে, ঠিক একেদৰে জ্ঞানৰূপী জুইয়ে আমাৰ সমস্ত কৰ্মৰাজি পুৰি নিকা কৰে। শ্ৰদ্ধা-ভক্তিৰ লগতে ইন্দ্ৰিয় সংযমীজনেহে ব্ৰহ্মজ্ঞান লাভ কৰিব পাৰে। মনুষ্য জীৱনৰ শান্তি প্ৰাপ্তিৰ বাবে জ্ঞানৰ প্ৰয়োজন। গীতাৰ চতুৰ্থ অধ্যায়ৰ ৩৯ নং শ্লোকত পুনৰাই কৃষ্ণই অৰ্জুনক কৈছে যে—

শ্ৰদ্ধাবান্ লভতে জ্ঞানং
তৎপৰঃ সংযতেন্দ্ৰিয়ঃ।
জ্ঞানং লব্ধা পৰাং শান্তিম্
চিৰোণাধি গচ্ছতি।।'

এই শ্লোকটিৰ তাৎপৰ্য হৈছে — যিজন শ্ৰদ্ধাশীল আৰু নিষ্ঠা আৰু সততাৰে মনৰ সকলো কামনা-বাসনা ত্যাগ কৰি প্ৰকৃত জ্ঞান লাভ কৰিব পাৰে তেওঁহে সকলোৰে বাবে উজলি উঠে চকুৰ মণিত।

https://howlyraasmahotsav.org/

ঠিক একেদৰে তেওঁ পুনৰ চতুৰ্থ অধ্যায়ৰ ৪০ নং শ্লোকত কৈছে যে—'অজ্ঞ, মূৰ্খ, জ্ঞানহীন আৰু সংশয়যুক্ত মনুষ্যসকলৰ অলপতে বিনাশ হয়। এইসকল মনুষ্যই ইহলোক-পৰলোকত কদাপি সুখ ভোগ কৰিব নোৱাৰে। কুৰুক্ষেত্ৰ যুদ্ধৰ সন্মুখ ভাগত পিতামহ ভীষ্মসহ দ্ৰোণাচাৰ্য, কৃপাচাৰ্য, দুৰ্যোধন আদি আত্মীয়-স্বজনসকলক যেতিয়া যুদ্ধক্ষেত্ৰত দেখা পালে তেতিয়া অৰ্জুনে যুদ্ধ নকৰোঁ বুলি কৈ হাতৰ পৰা গাণ্ডীৱ পেলাই দি, আত্মীয়ৰ তেজেৰে যুদ্ধত জয়ী হৈ পাপ অৰ্জন কৰিব খোজা নাই। অৰ্জুনৰ এনেধৰণৰ আৱেগ বিহ্বল অৱস্থা দেখি পৰিশেষত স্বয়ং কৃষ্ণই অৰ্জুনক বিশ্বৰূপ দৰ্শন কৰাবলৈ বাধ্য হ'ল। গীতাৰ এঘাৰ অধ্যায়ৰ প্ৰতিটো শ্লোকত অৰ্জুনক বিষ্ণুৰ পূৰ্ণ অৱতাৰী স্বয়ং ভগৱান কৃষ্ণই বিশ্বৰূপ দৰ্শনৰ জৰিয়তে বুজাই দিলে যে প্ৰকৃতাৰ্থত তেওঁৰ পৰম বান্ধৱ মাধৱৰ প্ৰকৃত স্বৰূপ কি? বিশ্বৰূপ দৰ্শনৰ জৰিয়তে অৰ্জুনে যেতিয়া কৃষ্ণৰ মুখ গহ্বৰত চতুৰ্দশ ভুৱন, গ্ৰহ, নক্ষত্ৰ, ঋষি-মুনি, দেৱ-দেৱতা, যক্ষ-ৰক্ষ, কিন্নৰ, দানৱ, অসুৰ, গন্ধৰ্ব ইত্যাদিৰ লগতে কুৰুক্ষেত্ৰৰ যুদ্ধত সমৱেত হোৱা যুদ্ধৰ মহাৰথী বীৰযোদ্ধা পিতামহ ভীষ্ম, গুৰু দ্ৰোণাচাৰ্য্য, সাগৰ, মহাসাগৰ, জলাশয়, পাহাৰ-পৰ্বত আনকি নিজকো যেতিয়া প্ৰত্যক্ষ কৰিলে তেতিয়া অৰ্জুনৰ মায়া-মোহ আঁতৰিল আৰু কৃষ্ণৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰি সখাৰূপে তেওঁক কৰা ব্যৱহাৰৰ বাবে ক্ষমা ভিক্ষা খুজিলে। কৃষ্ণৰ এনে অলৌকিক ৰূপ দৰ্শনত চমকিত হৈ অৰ্জুনে কৃষ্ণক সখিভাৱেৰে পুনৰাই মনুষ্য ৰূপ ধাৰণ কৰিবলৈ কাকুতি কৰিলে। অৱশেষত পৰম বান্ধৱ কৃষ্ণই অৰ্জুনৰ অনুৰোধ ৰক্ষা কৰি পুনৰ সখাৰূপে দৰ্শন দিলে।

ওপৰত বৰ্ণনা কৰা বিষ্ণুৰ অৱতাৰী পুৰুষ শ্ৰীকৃষ্ণই মনুষ্য হিচাপে এই ধৰাত জন্মগ্ৰহণ কৰি বিভিন্ন অলৌকিক চমৎকাৰপূৰ্ণ ঘটনা প্ৰদৰ্শন কৰি অতি মানৱীয় গুণৰ দ্বাৰা সমাদৃত হৈ পৰিশেষত তেওঁ ধৰিত্ৰীত জন্ম লোৱাৰ মূল উদ্দেশ্য দুষ্কৃতিকাৰীক দমন কৰা আৰু শান্তক পালন কৰি পৃথিৱীৰ পৰা অন্যায়, অত্যাচাৰ, উৎপীড়ন, নিৰ্যাতন ইত্যাদিসমূহক দমন কৰি প্ৰকৃত ধৰ্ম স্থাপন কৰাই তেওঁৰ মূল উদ্দেশ্য আছিল।

'যদা যদাহি ধৰ্মস্য গ্লানি ৰ্ভৱতি ভাৰত।
অভ্যুত্থানম ধৰ্মস্য তদাত্মানং সৃজাম্যহম্।।
পৰিত্ৰাণায় সাধুনাং ৱিনাশায়চ দুষ্কৃতাম্।
ধৰ্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।'

এনেহেন পৰম দয়ালু শ্ৰীকৃষ্ণৰ চৰণত পুনৰ এবাৰ গীতা শাস্ত্ৰত উল্লিখিত এটি শ্লোক—

'বসুদেৱ সুতং দেৱং কংসচানুৰমৰ্দ্দনম
দেৱকীপৰমানন্দং কৃষ্ণং বন্দে জগৎ গুৰুম্।।'

জৰিয়তে সেৱা জনাই লেখা সামৰা হ'ল।

শ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰসংগত

ড° ৰুমী কলিতা

পৰমব্ৰহ্ম ভগৱানৰ কৃষ্ণ অৱতাৰৰ অসংখ্য লীলাৰ ভিতৰত ভক্ত গোপীসকলৰ লগত বৃন্দাবনৰ যমুনাৰ তীৰত কৰা ৰাসলীলা এক অতি তাৎপৰ্যপূৰ্ণ আৰু গুৰুত্বপূৰ্ণ অধ্যায়। কৃষ্ণ প্ৰেমত আপোন পাহৰা গোপীসকলৰ লগত শ্ৰীকৃষ্ণৰ এই ৰাসলীলা আপাত দৃষ্টিত নৰ-নাৰীৰ কামভাবেৰে উদ্ভাসিত যদিও প্ৰকৃততে ই কৃষ্ণ প্ৰেমৰ এক অপূৰ্ব নিদৰ্শন দাঙি ধৰে, য'ত জীৱাত্মা আৰু পৰমাত্মাৰ মিলনৰ কথাহে প্ৰকাশ পাইছে।

'ৰাস' শব্দৰ উৎপত্তি হৈছে 'ৰস' শব্দৰ পৰা। ৰস মানে আনন্দৰ উৎস। উপনিষদৰ মতে পৰমাত্মাই ৰস অৰ্থাৎ আনন্দৰ হেতু, 'ৰসো বৈ সঃ'। শৃংগাৰ, বীৰ, কৰুণ আদি কৰি ৰস মুঠতে দহপ্ৰকাৰৰ। এই দহবিধ ৰস কৃষ্ণতে বিৰাজমান। বেলেগ বেলেগ লোকে নিজ নিজ দৃষ্টিভংগীৰে চাই কৃষ্ণত এই দহ প্ৰকাৰৰ ৰস অনুভৱ কৰে। কৃষ্ণক মাৰিবলৈ কংসই আয়োজন কৰা ধনুৰ্যজ্ঞলৈ যাওঁতে ভিন্নজনে দহপ্ৰকাৰে কৃষ্ণৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিছিল। এই দহ প্ৰকাৰৰ দৃষ্টিয়েই দহ প্ৰকাৰৰ ৰস। যি ক্ৰীড়া বা লীলাত এই ৰসৰ ভাণ্ডাৰ কৃষ্ণক পাই গোপীসকলে পৰমানন্দ লাভ কৰিছিল সেই ক্ৰীড়াই ৰাসক্ৰীড়া বা ৰাসলীলা।

ৰাসলীলা অনুষ্ঠিত হয় শৰৎকালৰ পূৰ্ণিমা ৰাতি। শৰৎ মানেই ৰূপ, ৰস, গন্ধৰ এক অপূৰ্ব সমাহাৰ। শৰৎ মানেই সুনীল আকাশ, নিয়ঁৰৰ দলিচা, শুভ্ৰ শেৱালি, চপৰা-চপৰ শুকুলা মেঘ, মৃদু বতাহ, চৰাইৰ কাকলি, নৈৰ পাৰৰ কঁহুৱা বন, কুঁৱলীৰ চাদৰ, এক মায়াবী পৰিৱেশ, এক মিঠা অনুভূতি আৰু যে কত কি? শৰতে মানুহৰ মনৰ পৰা মলিনতা দূৰ কৰি মন আনন্দেৰে ভৰাই তোলে। মানুহৰ মন যেতিয়া নিৰ্মল হয় তেতিয়া তেওঁ কৃষ্ণক সাক্ষাৎ পাবলৈ সক্ষম হয়। তেওঁ পৰমানন্দ লাভ কৰে। সেয়ে শৰৎ কালৰ নিৰ্মল পূৰ্ণিমা নিশা প্ৰফুল্ল মল্লিকাৰ শোভাৰে সুশোভিত জোনাকত উল্লাসিত হৈ ভগৱান শ্ৰীকৃষ্ণই যোগমায়া সমন্বিতে বৃন্দাবনত বিহাৰ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে। পূৰ্বজন্মত প্ৰাপ্ত বৰ অনুসৰি কৃষ্ণাৱতাৰত ভক্তা গোপীসকলৰ মনোবাঞ্ছা পূৰণ হ'ব লাগে। এই কথা গোপীসকলে নাজানিলেও কৃষ্ণই জানে। ভক্তৰ মনোৰথ পূৰণৰ হেতু এদিন উপযুক্ত পৰিৱেশ চাই তেওঁ গোপীসকলক প্ৰেমালিংগনৰ কাৰণে আহ্বান জনালে। শৰৎকালৰ পূৰ্ণিমা ৰাতি, যমুনা নদীৰ তীৰ, প্ৰফুল্লিত পুষ্পৰ সৌৰভ, শ্যামল প্ৰকৃতিৰ শোভা, ৰিব্ ৰিব্ মলয়া বতাহ এনে পৰিৱেশত কৃষ্ণৰ সুমধুৰ বংশীধ্বনি শুনি গোপীসকলে উধাতু খাই বৃন্দাবনলৈ ঢাপলি মেলিলে। তেওঁলোকে য'ৰে কাম ত'তে পেলাই থৈ পতি-পুত্ৰৰ বাধাও নেওচি প্ৰাণস্বামী কৃষ্ণৰ কাষ পালেগৈ। কৃষ্ণই তেওঁলোকৰ প্ৰেম, ভক্তি জুখিবৰ বাবে নানা কৌতুক কৰি কুলবধুৰ কৰ্তব্যৰ কথা সোঁৱৰাই দি উভতি যাবলৈ অনুৰোধ কৰিলে, 'উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম।' স্বামীৰ শুশ্ৰূষা কুল স্ত্ৰীৰ মহাধৰ্ম। পুত্ৰ পালন তেওঁলোকৰ কৰ্তব্য। পতি কলা, কুঁজা, বুঢ়া হ'লেও তেওঁলোকক কোনো কাৰণতে ত্যাগ কৰিব নাপায়। উপপতি ভজিব

https://howlyraasmahotsav.org/

নাপায়, তেওঁৰ লগত ক্রীড়া কৰাটো পর্বত সমান পাপ; ইয়াৰ ফলত ইহলোকৰ নিন্দা আৰু পৰলোকত নৰক যন্ত্রণা ভোগ কৰিব লাগে। কিন্তু তেওঁলোকে কেতিয়াও উভতি নাযায়। ভক্তা গোপীসকলে জন্ম-জন্মান্তৰৰ আৰাধনাৰ বস্তু স্বয়ং ভগৱানক সাক্ষাতে লাভ কৰিছে। পতি, পুত্র গোপীসকলৰ কাৰণে অতি আপোন অতি চেনেহৰ; কিন্তু পতি-পুত্রই সংসাৰ বন্ধনৰ প্রধান হেতু; গোপীসকলে পতি-পুত্রৰ মায়াকো অতিক্রম কৰি পতিৰো পতি পৰম পতি কৃষ্ণৰ সান্নিধ্য লাভ কৰিছে। তেওঁলোকৰ কাৰণে মায়াৰে ভৰা সংসাৰৰ সকলো বস্তুৱেই কৃষ্ণৰ তুলনাত অতি তুচ্ছ বস্তু। গোপীসকলৰ ভক্তিৰ দৃঢ়তা দেখি ভক্ত বৎসল কৃষ্ণই তেওঁলোকৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ ৰাসক্রীড়াত প্রবৃত্ত হ'ল। কিন্তু কৃষ্ণৰ আদৰ পাই কৃষ্ণ তেওঁলোকৰ অধীন হ'ল বুলি ভাবি গর্বিতা হৈ গোপীসকলে তেওঁক অৱহেলা কৰিবলৈ ধৰিলে।

গোপীসকলৰ অহংভাৱ দেখি তেওঁলোকৰ অন্তৰ পৰিশুদ্ধ কৰিবলৈ কৃষ্ণ হঠাতে তেওঁলোকৰ মাজৰ পৰা অন্তর্ধান হ'ল। গোপীসকলে তেতিয়া শ্রীকৃষ্ণ যে জিতেন্দ্রিয় সেই কথা বুজি পালে। গতিকে দেখা গ'ল যে মনত যদি অহংকাৰ ভাব থাকে অর্থাৎ শক্তি, সামর্থ, ৰূপ, যৌৱন, ক্ষমতা আৰু ধন সম্পদৰ অহংকাৰ যদি মনত থাকে তেনেহ'লে ভগৱানক লাভ কৰিব নোৱাৰি। গোপীসকলে হা কৃষ্ণ হা কৃষ্ণ কৰি সমস্ত বৃন্দাবন চলাথ কৰিও কৃষ্ণক বিচাৰি নোপোৱাত তৰু-তৃণ, পশু-পক্ষী, গছ-লতাক কৃষ্ণৰ বতৰা সুধিলে। অৱশেষত হতাশ হৈ কৃষ্ণৰ গুণ বৰ্ণাই বৰ্ণাই তেওঁৰ স্তুতি কৰিবলৈ ধৰিলে। গোপীসকলৰ আকুল বিননি শুনি আৰু তেওঁলোকৰ অন্তৰ সম্পূর্ণভাৱে পৰিশুদ্ধ হোৱা বুলি জানি ভকত বৎসল কৃষ্ণই বিশ্ববিমোহন ৰূপ ধৰি পুনৰ তেওঁলোকৰ আগত আৱির্ভাৱ হ'ল। কৃষ্ণক পাই গোপীসকলে সকলো দুখ পাহৰি নির্মল অন্তৰেৰে ভগৱানৰ চৰণত সম্পূর্ণৰূপে আত্মসমর্পণ কৰিলে। গোপীসকলৰ ভক্তিৰ তেনে অৱস্থা দেখি কৃষ্ণই যত গোপী তত কৃষ্ণ হৈ পুনৰ ৰাসক্রীড়া আৰম্ভ কৰিলে। এয়ে মহাৰাস। গোপীসকলৰ মনোকামনা সিদ্ধি হ'ল। কৃষ্ণৰ সেৱা কৰি তেওঁলোকে মুক্তি লাভ কৰিলে।

ৰাসলীলাৰ কথা হৰিবংশ, বিষ্ণুপুৰাণ আৰু বিশেষকৈ শ্রীমদ্ভাগৱতৰ দশম স্কন্ধৰ পাঁচটা অধ্যায়ত বর্ণিত হৈছে। ভাগৱতৰ দশম স্কন্ধৰ অন্তর্গত ২৯১ পৰা ৩৩ পর্যন্ত এই পাঁচটা অধ্যায়ত ৰাসলীলাৰ বর্ণনা থকা কাৰণে ইয়াক ৰাস পঞ্চাধ্যায় বোলা হয়। ইয়াত শ্রীকৃষ্ণ আৰু ব্রজধামৰ গোপীসকলৰ মাজত হোৱা ৰাস নৃত্যৰ বর্ণনা কৰা হৈছে। মহাপুৰুষ শ্রীমন্ত শংকৰদেৱে মূল সংস্কৃত ভাগৱত অসমীয়ালৈ ভাঙোতে ১৪ টা অধ্যায়ত, দ্বিতীয়তে কীর্তনৰ ৰাসক্রীড়া খণ্ডত ১৮ টা কীর্তনত আৰু তৃতীয়তে কেলিগোপাল নাটকত ৰাসলীলাৰ বিষয়ে বর্ণনা কৰিছে। ইয়াৰে প্রথমটি পঠন আৰু শ্রৱণৰ বাবে, দ্বিতীয়টি নাম-প্ৰসংগৰ বাবে আৰু তৃতীয়টি অভিনয়ৰ দ্বাৰা শ্রৱণ আৰু দর্শনৰ উপযোগীকৈ ৰচনা কৰা হৈছে।

ৰাসলীলাৰ বিষয়বস্তু অতিশয় ৰহস্যপূর্ণ আৰু গভীৰ আধ্যাত্মিক তত্ত্বেৰে ভৰা। সাধাৰণ দৃষ্টিত ৰাসলীলা শ্রীকৃষ্ণ আৰু গোপীসকলৰ দৈহিক মিলনৰ ছবি যেন লাগে। ইয়াত গোপ নাৰীসকলৰ সৈতে তেওঁলোকৰ প্রেমাস্পদ কৃষ্ণৰ প্রেমালিংগনৰ বর্ণনা আছে। সেইফালৰ পৰা ই নিতান্ত শৃংগাৰ ৰসাত্মক। অনেকে ৰাসলীলাক কৃষ্ণৰ কামলিপ্সা পূৰণৰ চেষ্টা বুলিয়েই ভাবে। ৰাসলীলাৰ তেনে উদ্দেশ্য হোৱা হ'লে ভাগৱত, হৰিবংশৰ নিচিনা গভীৰ দার্শনিক তত্ত্বেৰে ভৰা ভক্তিমূলক গ্রন্থত ইয়াক কেতিয়াও ঠাই নিদিলেহেঁতেন। মহাপুৰুষ শ্রীমন্ত শংকৰদেৱে ইয়াক 'কামজয় কেলি' বা 'অনংগ কেলি' বুলি কৈছে। ৰাসলীলা আত্মা আৰু পৰমাত্মাৰ মিলনৰ কেলি বুলিহে বুজিব লাগিব। বর্ণনাত যিয়েই নাথাকক গোপীসকল আত্মিক ভাৱেহে বৃন্দাবনলৈ ঢাপলি মেলিছিল আৰু ভগৱান কৃষ্ণৰ লগত মিলিত হৈছিল। পতিসকলে গোপীসকলক তেওঁলোকৰ বিচনাতেই শুই থকা দেখিবলৈ পাইছিল। আনহাতে ভাগৱতত গোপীসকলক আচলতে পাঁচ-ছয় বছৰীয়া ছোৱালী আৰু কৃষ্ণক সাত-আঠ বছৰীয়া ল'ৰা বুলিহে কোৱা হৈছে। গতিকে ৰাসলীলাত কোনো প্রকাৰে পার্থিৱ কামনাৰ গোন্ধ থাকিব নোৱাৰে। তথাপি বিভিন্ন সময়ত ৰাসলীলাক ভুলভাৱে গ্রহণ কৰাৰ অনেক দৃষ্টান্ত পোৱা যায়। ভাৰতৰ প্রসিদ্ধ সমাজ সংস্কাৰক ৰাজা ৰামমোহন ৰায়ৰ লেখীয়া লোকেও ৰাসলীলাৰ ভুল ব্যাখ্যা দিছিল। তেওঁৰ মতে ভাগৱতখন অতি উৎকৃষ্ট আৰু উচ্চ পর্যায়ৰ গ্রন্থ, যদিহে তাৰ পৰা দশম স্কন্ধৰ ৰাসলীলাৰ পাঁচটা অধ্যায় বাদ দিয়া হয়, কাৰণ তাত বহুত

https://howlyraasmahotsav.org/

অশ্লীল কথা আছে। তেওঁৰ কথাতে একমত হৈ খ্রীষ্টিয়ান ধৰ্মযাজকসকলে হিন্দুসকলৰ উপাস্য দেৱতা কৃষ্ণক লম্পট আখ্যাৰে কলংকিত কৰিছিল। তাৰ বহুদিনৰ পিছত স্বামী বিবেকানন্দইহে ৰাসলীলাৰ প্ৰকৃত তাৎপৰ্য বুজাই দি তেওঁলোকৰ সেই ধাৰণা দূৰ কৰিছিল। ৰাসলীলাৰ অন্তৰালত লুকাই থকা গভীৰ ৰহস্য অনুধাৱন কৰিববৈলে কৃষ্ণ আৰু গোপীসকলৰ স্বৰূপ জানিব লাগিব।

কৃষ্ণ পূৰ্ণাৱতাৰ ব্ৰহ্ম 'কৃষ্ণস্তু ভগৱান স্বয়ম্'। আদি-অন্তবিহীন তেৱেঁই সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ গৰাকী। তেওঁ সত্ত্ব, ৰজ, তম এই ত্ৰিগুণৰো অতীত। তেওঁ পূৰ্ণানন্দ যাৰ কোনো ধৰণৰ কামনা-বাসনা নাথাকে। গোপীসকল ভগৱানৰ পৰম ভক্তা। ৰাম অৱতাৰত দণ্ডকাৰণ্যবাসী ঋষিসকলে শ্ৰীৰামক দেখি মুগ্ধ হৈছিল। ঋষিসকলে নিজে ৰামৰ প্ৰেয়সী হৈ তেওঁৰ সেৱা-শুশ্ৰূষা কৰিববৈলে বিচাৰিছিল। তেতিয়া ৰামে কৃষ্ণাৱতাৰত তেওঁলোকৰ মনোবাঞ্ছা পূৰ্ণ হ'ব বুলি বৰ প্ৰদান কৰিছিল। কৃষ্ণাৱতাৰত সেই মহৰ্ষিসকলেই গোকুলৰ গোপীৰূপে জন্ম গ্ৰহণ কৰে। গোপী ৰূপধাৰী মহাভক্ত ঋষিসকলে এই জন্মত ভগৱানক পাই তেওঁলোকৰ কামনা পূৰণ কৰি পৰম গতি লাভ কৰিলে।

https://howlyraasmahotsav.org/

ৰাসলীলা ভগৱান আৰু ভক্তৰ আত্মা আৰু পৰমাত্মাৰ মিলনৰ দুৰ্বাৰ বাসনা--- একত লীণ হৈ যোৱাৰ সাধনা। ভগৱান ভক্ত বৎসল, ভক্তই ভগৱানৰ প্ৰাণ। বৈকুণ্ঠ প্ৰয়াণৰ সময়ত কৃষ্ণই উদ্ধৱক কৈছে—

'ভকতেসে মোৰ হৃদি জানিব নিশ্চয়।
ভকত জনৰ জানা আমিসে হৃদয়।
মই বিনা ভকতে নিশ্চিন্তে কিছু আন।
ভকতত পৰে মই নিচিন্তোহো আন।'

ভক্তই যিভাৱেই ভগৱানক ভজনা কৰে সেইভাৱেই তেওঁ ভক্তৰ মনোৰথ সিদ্ধি কৰে। গীতাত কৃষ্ণই নিজেই কৈছে— 'যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈৱ ভজাম্যম্।' একান্ত ভক্তৰ কাৰণে তেওঁ সকলো কৰিব পাৰে। ৰাসলীলাত গোপীসকলৰ একান্ত ভকতিয়ে কৃষ্ণক বশ কৰিব পাৰিছে। প্ৰথম অৱস্থাত কৃষ্ণক কেৱল কামজ পতি হিচাপে পোৱাৰ বাসনা থকা গোপীসকলৰ অহংকাৰ দূৰ কৰি কৃষ্ণ যে স্বয়ং ভগৱান তাক তেওঁলোকক বুজাই নিৰ্মল ভকতিৰ পথ দেখুৱাইছে। গোপীসকলেও ভগৱানৰ বাহিৰে জগতৰ সকলো বস্তু অনিত্য আৰু অসাৰ বুলি জানি পতি পুত্ৰাদিৰ স্নেহ-মমতা এৰি একান্তভাৱে তেওঁতে আত্মসমৰ্পণ কৰিছে। তেওঁ বিচৰা মতেই গোপীসকলৰ মনোবাঞ্ছা পূৰণ কৰিছে—

"দেৱৰো দেৱতা যিটো ব্ৰহ্মাৰো নমস্য।
ভৈলা ভকতিত আসি গোৱালীৰ বশ্য।।"

ৰাসলীলাত কৃষ্ণই প্ৰেমালিংগনেৰে গোপীসকলৰ মনোকামনা সিদ্ধি কৰিলেও তেওঁ কিন্তু সম্পূৰ্ণ নিৰ্লিপ্ত, সম্পূৰ্ণ নিৰাসক্ত। পৰম ব্ৰহ্ম কৃষ্ণ নিজে গুণাতীত, জিতেন্দ্ৰিয়, তেওঁ পূৰ্ণকাম। তেওঁ ইচ্ছা কৰিলেই অনিন্দ্য সুন্দৰী নাৰীৰ সৃষ্টি কৰিব পাৰে তেওঁৰনো পৰ নাৰীৰ প্ৰতি কি মোহ থাকিব পাৰে। তেওঁ নিজে পূৰ্ণকাম হ'লেও ভকতৰ প্ৰীতি সাধন কৰে— 'পূৰ্ণকাম হৰি যদি জগত ঈশ্বৰ। তথাপি সাধন্ত আতি প্ৰীতি ভকতৰ।' এইখিনিতে 'কাম' আৰু 'প্ৰেম'ৰ পাৰ্থক্যৰ কথাও আহি পৰে। নিজৰ প্ৰীতিৰ কাৰণে যি ভাব সি 'কাম' আৰু ভগৱানৰ প্ৰীতিৰ কাৰণে যি ভাব সি 'প্ৰেম'। দৰাচলতে সমস্ত বিষয়-বাসনা পৰিত্যাগ কৰি ভগৱানৰ চৰণত নিজৰ দেহ, মন সমৰ্পণ কৰাই প্ৰকৃত ভক্তৰ লক্ষ্য আৰু তাকে কৰিব পাৰিলেই ভগৱানৰ সান্নিধ্য লাভ কৰিব পাৰি। ৰাসলীলা জীৱাত্মা আৰু পৰমাত্মাৰ মিলন। জীৱাত্মা গোপীসকলৰ পৰমাত্মা কৃষ্ণৰ প্ৰতি আকৰ্ষণ আৰু মিলনকে ৰাসলীলাত দেখুওৱা হৈছে। ভক্তসকলে সন্ন্যাসী নোহোৱাকৈ সাংসাৰিক কাম-কাজত ব্যস্ত থাকিও যে ভগৱানৰ সান্নিধ্য পাব পাৰে ৰাসলীলা তাৰ এক উল্লেখযোগ্য উদাহৰণ।

অসমত আৰ্য-অনাৰ্য সভ্যতা-সংস্কৃতিৰ সমন্বয় সংযোগকাৰী ভগৱান শ্ৰীকৃষ্ণ

ৰত্নেশ্বৰ বসুমতাৰী

মানৱ জাতিৰ সভ্যতা-সংস্কৃতিৰ ইতিহাস হৈছে প্ৰব্ৰজনৰ ইতিহাস। প্ৰব্ৰজনৰ ইতিহাস আদিম কালতে আৰম্ভ হৈ কুৰি শতিকাৰ মাজভাগমানত শেষ হৈ আধুনিক ৰাষ্ট্ৰ প্ৰাকৃতিক ৰাজ্যৰপৰা গঠিত হয়। পৃথিৱীৰ প্ৰত্যেক প্ৰাকৃতিক ৰাজ্যত আধুনিক ৰাজ্য গঠন হোৱাৰ পিচত নিৰ্দিষ্ট ভৌগোলিক সীমাৰেখাৰ ভিতৰত আধুনিক মানৱ সভ্যতা-সংস্কৃতি লাহে লাহে বিকাশ হ'বলৈ ধৰে। লগে লগে আদিম অৱস্থাত বাধাহীনভাৱে হোৱা মানৱ প্ৰব্ৰজনৰ ইতিহাস সম্পূৰ্ণভাৱে বন্ধ হয়। ফলত কুৰি শতিকাৰ ভিতৰত প্ৰত্যেক ৰাষ্ট্ৰত আধুনিক ৰাষ্ট্ৰ গঠিত হ'বলৈ ধৰাত এখন দেশৰপৰা আন এখন দেশলৈ মানুহে যাব খুজিলে বিদেশী ৰাষ্ট্ৰৰ অনুমোদন তথা স্বদেশৰ চৰকাৰৰপৰা পাৰপত্ৰ তথা 'ভিছা' আদি লৈহে যাবলগীয়া হয়। সৰ্বজনবিদিত কথা যে, অসমত বসবাস কৰা মংগোলীয় গোষ্ঠীৰ বড়ো মূলৰ লোক; যেনে--- বড়ো-কছাৰী, ৰাভা-কছাৰী, ডিমাছা-কছাৰী, সোণোৱাল-কছাৰী, তিৱা-কছাৰী, মেছ-কছাৰী, চুতীয়া-কছাৰী, মৰাণ ঠেঙাল-কছাৰী, কছাৰী, দেউৰী-কছাৰী, হাজং, গাৰো ইত্যাদি কছাৰীসকলৰ পূৰ্বপুৰুষসকলে অসম মুলুকত মানৱ সভ্যতাৰ পাতনি নেমেলোঁতেই ছাইবেৰিয়া আৰু মংগোলীয় দেশৰপৰা প্ৰব্ৰজন হৈ আধুনিক ভাৰত ৰাষ্ট্ৰৰ পূৰ্বাঞ্চলত পোন প্ৰথমে বসবাস কৰি মানৱ সভ্যতা-সংস্কৃতিৰ প্ৰথম গজালি মেলিছিল। তেওঁলোকৰ আগমনৰ প্ৰায় ২৫০০ বছৰমানৰ পিচতহে পুৰণি প্ৰাগজ্যোতিষ বা কামৰূপ ৰাজ্যত আৰ্যগোষ্ঠীৰ লোক কিছুমানৰ আগমন ঘটিছিল। ইতিহাসৰ পাতনি মেলি চালেই এই কথা জনা যায়। সেই কাৰণে অষ্ট্ৰিক প্ৰজাতিৰ খাচি, জয়ন্তীয়া, মিজো আৰু মংগোলীয় প্ৰজাতিৰ বড়ো অথবা বড়োমূলীয় বিভিন্ন শাখা-প্ৰশাখাৰ লোকসকলে অগা-পিচাকৈ প্ৰব্ৰজিত হৈ আহি সমাজ পাতি বসবাস কৰিছিল বাবেই তেওঁলোকক উত্তৰ-পূৰ্বাঞ্চলৰ আৱিষ্কাৰক আদিম জাতি, জনগোষ্ঠী তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভূমিপুত্ৰ (Son of the soil) বুলি অভিহিত কৰা হয়। অষ্ট্ৰিক আৰু মংগোলীয় প্ৰজাতিৰ লোকৰ হাজাৰ হাজাৰ বছৰৰ পিচত অহা আৰ্যগোষ্ঠীসম্ভূত জাতি-সম্প্ৰদায়ৰ লগতে অন্যান্য জনগোষ্ঠী সম্প্ৰদায়ৰ লোক সমন্বিতে ইংৰাজসকলে অসম দখল কৰা দিনৰপৰা যিমানখিনি সৰু-বৰ জাতি-উপজাতি-জনজাতিৰ লোক আছে, সাম্প্ৰতিক কালত তেওঁলোক আটাইকে খিলঞ্জীয়া অসমীয়া বুলি কোৱা হয়। উত্তৰ-পূৰ্বাঞ্চললৈ অসমৰ আদিম জনগোষ্ঠীসকলৰ ভিতৰত কোনে কেতিয়া পৰ্যায়ক্ৰমে প্ৰব্ৰজন কৰিছিল, সেই বিষয়ে এক প্ৰণালীবদ্ধ, শৃংখলাবদ্ধ আৰু ঐতিহাসিক বিৱৰণ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে অসমীয়া কৃষ্টিৰ ওপৰত নগাঁও জিলা ছাত্ৰ ফেডাৰেচনৰ ৰহাত বহা প্ৰথম বাৰ্ষিক অধিৱেশনৰ কৃষ্টি শাখা সভাৰ সভাপতিৰ অভিভাষণত এনেদৰে ব্যক্ত কৰিছে; ৰাভাদেৱৰ নিজৰ ভাষাত— "অসমৰ পাহাৰে পৰ্বতে, গুহাই-কন্দৰে, নৈয়ে, ভৈয়ামে, হাবিয়ে-বননিয়ে এই মিকিৰসকলেই (এতিয়াৰ কাৰ্বিসকলে) প্ৰথমে বিচাৰি ফুৰিছিল। তেওঁলোকেই অসম আৱিষ্কাৰকৰ্তা কলম্বাছ।...

https://howlyraasmahotsav.org/

আজি প্ৰায় আঢ়ৈ লাখ বছৰে হ'ল যেতিয়া জাভা, বালি আদি পূৰ্ব ভাৰতীয় দীপপুঞ্জৰ লগত মালয়েদি দক্ষিণ-পূৰ্ব এছিয়াৰ সংযোগ আছিল। সেই সংযোগস্থলীয়েদি এই অষ্ট্ৰিক জাতীয় লোকসকলে উত্তৰ-পশ্চিম মুৱা হৈ আহে। ডাৰউইনৰ মতে ক্ৰমবিকাশৰ ফলত বান্দৰৰ পাচতেই মানুহ তেতিয়া উলংগ, বৰ্বৰ, অসভ্য আছিল, প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিছিল। তেওঁলোকে পশুৰ দৰে যিহকে ওচৰত পাইছিল তাকে বুটলি খাইছিল। শেষত গছৰ ফল-মূল, পাত পাৰি খাইছিল। প্ৰস্তৰ যুগত শিলৰ অস্ত্ৰ নিৰ্মাণ কৰি পশু চিকাৰ কৰি পেট প্ৰৱৰ্তাইছিল। এই প্ৰথম আদিম অসমীয়া হ'ল মিকিৰ। যদি বান্দৰৰ ক্ৰমবিকাশৰ ফলতেই মানুহৰ জন্ম, তেন্তে মিকিৰৰ জন্ম সেয়েই। কাৰণ তেওঁলোকে কয়— মিকিৰসকল হেনো বালিৰ বংশধৰ। বালি বান্দৰ আছিল, গতিকে মিকিৰসকল বান্দৰৰে বংশ। এই অসমত প্ৰথম মানৱৰ প্ৰথম বাসস্থান গঢ়োতে কিমান পৰিশ্ৰম লাগিছিল, এই মিকিৰসকলেই জানে..... উচ্ছৃংখল প্ৰকৃতিৰ কোলাত অতিকায় মহাবলী হিংস্ৰ জীৱ-জন্তুৰ মাজত একমাত্ৰ অস্ত্ৰবল শিলকে মূল হিচাপে লৈ ফুৰা সামান্য সাহসৰ কথা নহয়। সেই সাহস আছিল এই কাৰ্বিসকলৰ। সেয়েহে আজি আদিম অসমীয়া কাৰ্বিসকলৰ প্ৰতি আজিৰ অসমীয়া চিৰকৃতজ্ঞ।"

মিকিৰসকলৰ পিচত আহিল অসমলৈ আদি প্ৰস্তৰ যুগৰ শেষত আৰু নৱপ্ৰস্তৰ যুগৰ প্ৰাৰম্ভতে কুকী-লুচাই, শেষত নগা। মিকিৰসকলৰ মতে— নগাসকল মিকিৰৰ সতি-সন্ততি। এওঁলোক অষ্ট্ৰিক জাতীয়; কিন্তু এইলোকৰ ভিতৰত নগাই শ্ৰেষ্ঠ। নগাসকলৰ সম্বল অস্ত্ৰ হ'লেও সেই অস্ত্ৰ চোকা আৰু উন্নত ধৰণৰ আছিল। এদিন অকস্মাতে শিল ঘঁহি থাকোঁতে সেই অগ্নিৰ আৱিষ্কাৰ হ'ল। এই যুগান্তকাৰী অগ্নিৰ আৱিষ্কাৰে আদিম অসমীয়া প্ৰাণত সৃজন শক্তিৰ অস্তিত্বই থানথিত ল'লে। সেই অগ্নি ঘৰ্ষণৰ শিলেই অসমীয়া আদিম টিঙৰী। সেই টিঙৰীৰ সহায়তে তেওঁলোকে হাবি-বননি পুৰিবলৈ ধৰিলে। অটব্য হাবিৰ হিংস্ৰ জীৱ-জন্তুৰ বহুতৰ প্ৰাণ নাশ হ'ল। শেষত নৱপ্ৰস্তৰ যুগত আদিম অসমীয়াই প্ৰকৃতিৰ বুকু ফালি শস্য উৎপাদন কৰিব শিকিলে। এয়েই হ'ল ঝুম খেতি। এই ঝুম খেতিয়েই আদিম অসমীয়াৰ প্ৰথম কৃষি তথা আদিম কৃষ্টি। এই কৃষ্টিৰ বয়স প্ৰায় ১৫ হাজাৰ বছৰৰো বেছি। শেষত অসমীয়া আদি নাৰীয়ে হাবিৰপৰা এবিধ গুটি বুটলি আনিলে। সেই গুটিৰপৰা কপাহ হ'ল। সেই কপাহৰ আঁহৰপৰাই সূতা ওলাল। সেই সূতাৰপৰা মাটিত গাঁত খান্দি কঁকালত টঙালি বান্ধি আজিও সেই সূতাৰ মাজে মাজে হাতেৰে জাকি তুলি বেলেগে সূতা সুমুৱাই আঙুলিৰ তাঁৰ মাৰোঁতে কাপোৰ ওলাল। সেয়ে অসমীয়া আদিম কাপোৰ। উলংগ বৰ্বৰ সভ্যতাৰ গাত আৱৰণ পৰিল।

তাৰ পিচত দক্ষিণ ব্ৰহ্ম আৰু শ্যামৰ মোন্ বা তালৈ জাতি আৰু কম্বোজৰ খমেৰে জাতি মিলি মনখামৰ এই ময়াৰ শংকৰ জাতি অসমলৈ আহিল। এওঁলোক খাচীয়া জাতিৰ পূৰ্বপুৰুষ। এওঁলোক অলপ সভ্য। পাহাৰৰ গা কাটি ধানৰ খেতি কৰিছিল এওঁলোকে। ধনু আছিল এওঁলোকৰ প্ৰধান অস্ত্ৰ। খাচীয়াসকলে ঝুম খেতি কৰিছিল। তেওঁলোকৰ ঝুম খেতিৰ ভিতৰত তামোল-পাণ, ধান আদি শস্য আছিল। এওঁলোক অহাত অসমৰ হাবি বহুতো পৰিষ্কাৰ হ'ল। অসমী আইৰ কোলাত প্ৰাণৰ সঞ্চাৰ হ'ল। মাটি ফুটি শস্য গজিল। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ নকৰি শিলৰ হাতনাঙলৰ সহায়েৰে শস্য উৎপাদন কৰা হ'ল। পশু ধৰি সংগ্ৰহ কৰি পালন কৰা হ'ল।

বিষ্ণুপ্ৰসাদ ৰাভাৰ মতে অষ্ট্ৰিক প্ৰজাতিৰ লোক অসমলৈ আগমন ঘটাৰ পিচত মংগোলীয় মানৱ প্ৰজাতিৰ লোকসকলৰ অসমলৈ আগমন হয়। বিষ্ণুপ্ৰসাদ ৰাভাৰ নিজৰ ভাষাত— "তাৰ পিচত আহিল মংগোলীয় জাতি, অসমৰ সৌমাৰ অঞ্চলৰ পূব চুকেদি। এই জাতিৰ মানুহৰ তিনি ভায়েক আছিল। তিনি ভাইৰ নাম আছিল—মৌৰাং, মাইৰাং আৰু মৰাণ পূব অঞ্চলত, মাইৰাং মধ্যম অঞ্চলত আৰু মৌৰাং নেপালৰ দক্ষিণে বংগৰ উত্তৰ অঞ্চলত বেলেগে বেলেগে ৰাজ্যস্থাপন কৰিছিল। মাইৰাঙেই মহীৰংগ দানৱ। সেই বংশৰে শেষ ৰজা ঘটক। ঘটক কিৰাটক বধ কৰি আন এটা মংগোলীয় প্ৰজাতিয়ে অসমলৈ উত্তৰ-পশ্চিম চুকেদি সোমাই ৰাজত্ব কৰিছিল। ঘটকৰ হত্যাকাৰী ৰজাজনেই আছিল নৰকাসুৰ। ঘটক কিৰাটৰ মৃত্যুৰ লগে লগে মহীৰংগ বা মাইৰাঙৰ বংশও লোপ পালে। মৰাণ ৰজাৰ বংশধৰ মৰাণসকল এতিয়াও জীয়াই আছে। এওঁলোক বৰ প্ৰতাপী আছিল। সেই প্ৰতাপৰ লোক প্ৰাচীন কামৰূপলৈ প্ৰব্ৰজিত হৈ প্ৰাগজ্যোতিষ,

https://howlyraasmahotsav.org/

কামৰূপ, কমতাপুৰ আনকি আহোমৰ ৰাজত্বকালত অহা বৈদিক সংস্কৃতিৰ বাহক আৰু ধাৰক সাধু-সন্ন্যাসী তথা পূজাৰীসকলে ইয়াৰ স্থানীয় বিভিন্ন সৰু-বৰ ৰাজ্যৰ ৰজা আৰু ৰাজন্যবৰ্গক ভালৰি লগাই নানা ধৰণৰ বৈদিক নীতিৰে মঠ-মন্দিৰৰ পূজা-পাতল পৰিচালনা কৰাৰ সুযোগ লাভ কৰি মংগোলীয় সংস্কৃতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ চলাই ৰজাঘৰীয়াক সম্পূৰ্ণভাৱে আৰ্যকীকৰণ কৰি নিজ আধিপত্য চলোৱাত প্ৰাচীন মংগোলীয় আৰু অষ্ট্ৰিক সংস্কৃতি পৰি ৰ'বলৈ বাধ্য হয়।

সি যি কি নহওক, মোৰ প্ৰবন্ধটোৰ আচল বক্তব্য হ'ল অসম মুলুকত কেনেকৈ কেতিয়া মংগোলীয় অনাৰ্য সংস্কৃতিৰ ওপৰত আৰ্যসকলৰ বৈদিক সংস্কৃতিৰ বিস্তাৰ লাভ কৰিলে, সেই বিষয়ে থূলমূল আভাস দিয়া। আৰ্যসকলে প্ৰাচীন প্ৰাগজ্যোতিষপুৰ কামৰূপলৈ আহি দেখিলে যে, এই অঞ্চলৰ মানুহ তেওঁলোকৰ নিচিনা নহয়। তেওঁলোকৰ খোৱা-বোৱা, ঘৰ-বাৰী, পিন্ধা-উৰা, পূজা-পাতল সম্পূৰ্ণ বেলেগ। আৰ্যসকলে নিজকে মংগোলীয় আৰু অষ্ট্ৰিক প্ৰজাতিৰ লোকৰ সংস্কৃতিতকৈ তেওঁলোকৰ সংস্কৃতি উন্নত বুলি জাত্যভিমানত বুৰ গৈ কামৰূপৰ প্ৰথম বড়ো ৰজা মাইৰাঙক মহীৰংগ দানৱ, শোণিতপুৰৰ বাণ ৰজাক বাণাসুৰ, কুণ্ডিল ৰজা ভীষ্মকক ভীষ্মাসুৰ, কামৰূপৰ অন্যতম ৰজা নৰকক (নাৰখুব) নৰকাসুৰ নামেৰে নামাংকিত কৰি তেওঁলোকক পদানত কৰি ৰাখিলে। ম্লেছ বুলি আখ্যা দিলে। এই কথাকে বুৰঞ্জীবিদ ড° শৰৎ কুমাৰ ফুকনে এনেদৰে ব্যক্ত কৰিছে— "ইতিহাস প্ৰসিদ্ধ দানৱ বংশী ৰজা মহীৰংগ বা মাইৰাং, নৰক বা নৰকাসুৰ হাচংচা দৰাচলতে বড়োসকলৰ আদি ৰজা আছিল। আৰ্যসকলে আন ঠাইৰ ৰজাসমূহক (অনাৰ্যসকলক) অসুৰ-দানৱ আদি বিশেষণেৰে চিহ্নিত কৰাৰো উদাহৰণ বেদ-উপনিষদ সৃষ্টি হোৱা যুগৰেই। সেই ধাৰা অসমৰ ক্ষেত্ৰতো পৰিৱৰ্তন নহ'ল। নৰকাসুৰ বা নাৰখুহাচংচা যে বড়োসকলৰ আদি ৰজা, সেই কথা প্ৰমাণ কৰিবৰ বাবে বেছি দূৰলৈ যোৱা প্ৰয়োজন নাই। কাৰণ ডিমাচাসকলৰ ডিমাপুৰ, মাইবাং, খাছপুৰত ৰাজত্ব কৰা ৰজাসকলে নৰকৰ (হাচংচা) উপাধি গ্ৰহণ কৰিছিল আৰু ই প্ৰায় খ্ৰীষ্টীয় উনবিংশ শতিকাৰ আৰম্ভণিলৈ প্ৰচলন আছিল। তদুপৰি ডিমাছা ৰজাসকলৰ যিকোনো শিলালিপি বা তাম্ৰলিপিত মোহৰ মাৰোঁতে ৰজাৰ প্ৰশস্তি লিখিবলৈ গৈ মাহৰাং ৰত্নাসুৰ, সম্বাৰাসুৰ, ঘটকাসুৰ, নৰকাসুৰ হাচংচাৰ বংশধৰ বুলি উল্লেখ কৰিছিল। শক্তিশালী ৰজা মাইৰাঙৰ ৰাজধানী আছিল বেলতলাৰ কাষৰ মাইবাং পৰ্বত। ৰত্নাসুৰ, সম্বাৰাসুৰ, ঘটকাসুৰৰ ৰাজধানী আছিল শৰণীয়া পাহাৰ। নৰকাসুৰৰ ৰাজধানী আছিল আজিৰ নৰকাসুৰ পাহাৰ। নৰকৰ সময়তে উত্তৰ অসমত তেতিয়াৰ চীন দেশ পৰ্যন্ত বড়ো ৰজা ভীষ্মক বা ভীষ্মাসুৰ, বাণ বা বাণাসুৰে ৰাজত্ব কৰিছিল। বাণাসুৰৰ শক্তিশালী মন্ত্ৰী কুম্ভাণ্ডসুৰৰ নামেৰেই আজিৰ কুম্ভাণ্ড বা পদুম পুখুৰী। বাণাসুৰৰ ৰাজধানী আছিল তেজপুৰত।"

এতিয়া আহোঁ প্ৰাগৈতিহাসিক কালৰ খচ, কদলী আদি বড়ো ৰাজ্যলৈ। এইবোৰ ৰাজ্যৰ ইতিহাসত বিস্তাৰিত বিৱৰণ নাই যদিও মৌৰ্য সাম্ৰাজ্য প্ৰতিষ্ঠাৰ প্ৰায় ৬/৭ শতিকাৰ পূৰ্বেই গঠন হৈছিল। হিড়িম্বা/হিড়িম্ব/ঘটোৎকচ সেই দেশৰ শাসক-প্ৰশাসক আছিল। খ্ৰীষ্টপূৰ্ব ১৫০১ পৰা ২০০০ চনলৈ এই সময়ছোৱাত বড়ো ৰাজ্যলৈ মহাভাৰতৰ ভীমাৰ্জুন আহিছিল। তাৰো পূৰ্বে এদিন বড়ো ৰাজ্য গৰকি আৰ্য পণ্ডিত বশিষ্ঠ, কণ্ব, অত্ৰী, উধা আদি ব্যক্তিসকল আহিছিল। ক্ষত্ৰিয় বীৰ পৰশুৰাম, শ্ৰীকৃষ্ণ, অনিৰুদ্ধহঁতেও এই বড়ো ৰাজ্যৰ সন্মানিত অতিথি হৈছিলহি। উত্তৰ ভাৰতৰ 'চামুদ' ৰজাই এই বড়ো ৰাজ্যৰ মাজেদিয়েই পাৰ হৈ খ্ৰীষ্টীয় প্ৰথম শতিকাত দক্ষিণ-পূব এছিয়াৰ কম্বো দেশ পাইছিল। (উৎস- বড়ো জনজাতিৰ ইতিহাস আৰু ঐতিহ্য, ড° শৰৎ কুমাৰ ফুকন, স্মৃতিগ্ৰন্থ 'ফেণ্ডুৱা', ২০তম বাৰ্ষিক অধিৱেশন, ২০০১, নলবাৰী জিলা ট্ৰাইবেল সংঘ, ধমধমা।)

দ্বাপৰ যুগতে শ্ৰীকৃষ্ণৰ জৰিয়তে কেনেকৈ উত্তৰ-পূৰ্বাঞ্চলৰ মূল কিৰাটজঃ সংস্কৃতিৰ লগত তথা মংগোলয়ড বাৰেবৰণীয়া কলা-কৃষ্টি-সংস্কৃতিৰ লগত আৰ্য কলা-কৃষ্টি-সংস্কৃতিৰ তথা অনাৰ্য সভ্যতা-সংস্কৃতি আৰু আৰ্য (বৈদিক) সভ্যতা-সংস্কৃতিৰ কেনেদৰে আদান-প্ৰদান হ'ল আৰু তাৰ পিচত কেনেকৈ মংগোলীয় সংস্কৃতিৰ বৈদিক আৰ্য সংস্কৃতিৰ বিনিময়ৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলত এক আৰ্য-অনাৰ্যৰ সংমিশ্ৰিত নতুন সভ্যতা-সংস্কৃতিৰ সৃষ্টি হ'ল, সেই বিষয়ে থূলমূলকৈ আলোচনা কৰা যাওক।

প্ৰাচীন কালত কামৰূপত নৰকাসুৰে, শোণিতপুৰত

https://howlyraasmahotsav.org/

বাণ ৰজাই আৰু কুণ্ডিলত (শদিয়াত) তথা সৌমাৰ পীঠত মংগোলীয় প্ৰজাতিৰ ভীষ্মক ৰজাই ৰাজত্ব কৰিছিল। ভীষ্মাসুৰ, নৰকাসুৰ, বাণ ৰজা বা বাণাসুৰ— এই তিনিওগৰাকী ৰজাই সমসাময়িকভাৱে নিজ নিজ ৰাজ্য ৰাজত্ব কৰিছিল। সেই সময়ত দেৱতা আছিল শিৱ বা শিৱাই। এই অঞ্চলৰ লোকসকলৰ অগাধ বিশ্বাস আছিল ভূত-প্ৰেত, দেৱ-দেৱীৰ ৰাজ্য আৰু আদ্যাশক্তি গোসাঁনীৰ নাম হ'ল কামাখ্যা বা কামলখী অৰ্থাৎ ভূত-প্ৰেত, দেৱ-দেৱীৰ গোসাঁনী। বড়ো ভাষাত আহল-বহল ডাঙৰ-দীঘল নৈৰ নাম হ'ল তিলাউ। ভৰ বাৰিষা ভৰা চাকনৈয়া আৰু ভদীয়া ধলৰ কোবাল সোঁতৰ শব্দ বুকুত লৈ এই তিলাউ নৈখন বৈছিল কাৰণে এই নৈখনক বড়োসকলেই প্ৰথমতে 'ভুল্লংবুথুৰ'ও বুলি কৈছিল। 'ভুল্লংবুথুৰ'ৰ অৰ্থ হ'ল কল্ কল্ নাদকাৰী। বড়ো ভাষাত 'তি' মানে পানী বা নৈক বুজায় আৰু 'লাউ' মানে দীঘল। অৰ্থাৎ দীঘল নৈ বা নদী। প্ৰাচীন শাস্ত্ৰত নৰকক বিষ্ণুৰ ঔৰসত জন্ম হোৱা হেতু আৰ্যবংশীয় লোক বুলি কোৱা হয়; কিন্তু নৰকাসুৰ নামটোৰে কিন্তু অনাৰ্যসকলক আৰ্যসকলে দিয়া নামহে। আনহাতে বড়োসকলে নৰকাসুৰক 'নাৰখু' বুলি কৈছিল। সেই ফালৰ পৰা নৰক কেতিয়াও আৰ্যগোষ্ঠী সম্ভূত নহয়। নৰকে কামৰূপৰ আদিমতম ৰজা মহীৰংগ দানৱৰ শেষ ৰজা ঘটকাসুৰক বধ কৰি কামৰূপৰ ৰজা হোৱা বুলি পৌৰাণিক ইতিহাসে ঘিঁিয়াই কয়। সেইদিনাৰপৰা মহীৰংগ দানৱৰ বংশই ৰাজত্ব কৰা কামৰূপৰ ৰজাৰ বিলুপ্তি ঘটে। কোৱা হয়, নৰকে ঘটকাসুৰক বধ কৰি কামৰূপৰ ৰজা হৈছিল যদিও কামৰূপৰ কিৰাটজঃ সংস্কৃতিৰ ঠাইত আৰ্য সভ্যতা-সংস্কৃতিৰ কোনো ধৰণৰ ছাপ কামৰূপ ৰাজ্যত পেলাব পৰা নাছিল হেনো। বৰঞ্চ নৰকাসুৰে কামৰূপৰ কিৰাটজঃ বা মংগোলয়ড সভ্যতা-সংস্কৃতিত বিলীন হৈ 'আৰ্য নৰকৰ' ঠাইত 'অনাৰ্য নৰকাসুৰ' নামেৰেহে পৰিগণিত হ'ল। এই নৰকেই যেতিয়া অনাৰ্যসকলৰ দেৱী কেঁচাইখাইতি গোসাঁনী কামখী বা খামলখীৰ ৰূপ-লাৱণ্যত আকৰ্ষিত হৈ বিয়া কৰিবলৈ উদ্যত হৈছিল, তেতিয়া ভগৱান শ্ৰীকৃষ্ণই এই কথা জানিব পাৰি দ্বাৰকাৰ পৰা আহি দুৰাচাৰী নৰকাসুৰক বধ কৰি পুতেক ভগদত্তক কামৰূপ ৰজা পাতিছিল। ড° সৌমাদ্বীপ দত্তই তেওঁৰ অমূল্য গ্ৰন্থ 'অসমৰ বৌদ্ধ কিৰাট'ত লিখিছে যে, "মোৰ ধাৰণাত আৰ্যসকলে এজন কিৰাটক (ঘটকাসুৰক) বৈদেকীকৰণ মাধ্যমেৰে বিষ্ণুৰ পুত্ৰেৰে প্ৰহাৰ কৰি অসমৰ কিৰাট ৰজাসকলৰ বিৰুদ্ধে যুদ্ধত লিপ্ত কৰায় আৰু কিৰাটৰ হাতেৰেই কিৰাটসকলক ধ্বংস কৰি বা পদানত কৰি আৰ্যাৱৰ্তনৰ প্ৰাধান্য অসমত প্ৰতিষ্ঠা কৰিবৰ বাবে যত্নপৰ হয় আৰু এই ক্ষেত্ৰত নৰকক ব্যৱহাৰ কৰে। আৰ্যসকলৰ স্বাৰ্থত কিৰাট নৰকক বিষ্ণুৰ সন্তান বুলি প্ৰচাৰ হৈছিল বুলি ক'লেও পিচলৈ বহুতে নৰকক কিৰাট বুলিব নুখুজি আৰ্য বুলিয়েই মানি থাকিল।" কোৱা হয় যে, নৰকাসুৰে হাতীৰূপ ধৰি বিশ্বকৰ্মাৰ চৈধ্য বছৰীয়া অপৰূপা কন্যাক অপহৰণ কৰিছিল। ব্ৰহ্মাৰ বৰ পাই নৰকাসুৰৰ লাজ-ভয় একো নোহোৱা হ'ল। প্ৰথমে কামৰূপেশ্বৰ হৈ দৈত্য, দানৱ, ৰাক্ষসবিলাকক আনন্দেৰে আদেশ দিছিল হেনো এইবুলি— "কি দেৱলোক, কি নৰলোক, কি পৃথিৱী, কি ৰত্নাকৰ, য'ত যি ধন-ৰত্ন আছে, সেই সকলো আমাৰ ওচৰলৈ লৈ আনা।" সেই আদেশ মতেই নৰকৰ সৈন্যগণে দেৱকন্যা, গন্ধৰ্ব কন্যা, মনুষ্য কন্যা আৰু সাত-সম্প্ৰদায়ৰ অপ্সৰাবিলাকক ধৰি আনিবলে ধৰিলে। সেই সমুদায় মিলি মুঠ যোল্ল হেজাৰ ৰমণী প্ৰসবেনী হৈ সতীধৰ্ম ৰক্ষা কৰি থাকিবলগা হ'ল। নৰকাসুৰে বোলে এই ৰমণীবিলাক থকাৰ সুবিধাৰ বাবে মুৰু দৈত্যৰ অধিকাৰত থকা মণিপৰ্বতত ৰমণীৰ এখন নগৰো নিৰ্মাণ কৰালে। শেষলৈ সৰুদৈত্যৰ দহজন পুত্ৰ আৰু প্ৰধান ৰাক্ষসবিলাকক সেই ৰমণীবিলাকৰ ৰক্ষাৰ ভাৰ নৰকে দিয়ে। যেতিয়া শ্ৰীকৃষ্ণই নৰকাসুৰক বধ কৰি ভগদত্তক ৰজা পাতি মূল্যবান নৰকাসুৰৰ সমস্ত ৰত্ন ভাণ্ডাৰ লগত লৈ দ্বাৰকালৈ গমন কৰিছিল, বাটতে মণিপৰ্বতত উঠি মণিপৰ্বততো বহু হেজাৰ ৰমণী বন্দী হৈ থকাৰ কথা গম পাই তালৈ গৈও সেই যোল্ল হেজাৰ ৰমণীক উদ্ধাৰ কৰি দ্বাৰকালৈ হৰণ কৰি লৈ যায়। সেই তেতিয়াৰপৰাহে আৰ্য সভ্যতা-সংস্কৃতি কামৰূপত লাহে লাহে প্ৰচলন হ'বলৈ ধৰে। কোৱা হয়, তাৰ পিচতে আৰ্যীকৰণ পদ্ধতিৰে বৰ্তমানৰ কামাখ্যা মন্দিৰৰ নাম কামখী বা কামলখীৰ ঠাইত কামাখ্যা হয়। বৰ্তমানৰ লুইত বা লৌহিত্যৰ নাম বড়ো ভাষাৰ 'তিলাউ'ৰ পৰা সলনি হৈ লাউতি! লুইত বা লৌহিত্য হ'ল। বড়ো ভাষাৰপৰা হৈ ভুৰল্লংবুথুৰৰ ঠাইত ব্ৰহ্মপুত্ৰ হ'ল। লগতে বৰ্তমানৰ

https://howlyraasmahotsav.org/

'কামৰূপ' শব্দটো বড়ো ভাষাৰ 'খামৰূ' বা 'কামাৰূ'ৰ পৰা মোট সলাই কামৰূপ হ'ল। বড়ো ভাষাত 'খামৰূ' শব্দৰ অৰ্থ ইয়াত 'খাম' মানে পুৰা বা দহন হোৱা আৰু 'ৰূ' মানে পুৰি যোৱাৰ পিচত ছাইৰ দৰে সাৰুৱা ফুৰ্ফুৰীয়া হোৱা। 'খামৰূ' বা কামৰূ' হোৱাৰ তিনিটা মতবাদ বা কাহিনী আছে।

প্ৰথমটো হ'ল— অতীতত 'খামৰূ' ৰাজ্য দেৱ-দেৱী, ভূত-প্ৰেতৰ ঠাই আছিল। সেই কাৰণে স্থানীয় লোক আৰু বাহিৰৰ মানুহে এই ৰাজ্যখনক খামৰূ/কামৰূ/কামৰূপ বুলি অভিহিত কৰিছিল। দ্বিতীয়তে আন এটা প্ৰবাদ মতে— এটা সময়ত দেৱাদিদেৱ মহাদেৱ অগ্নিশৰ্মা হৈ কামদেৱক এটা চকুৰে চাই ভস্মীভূত কৰিছিল। পিচত কামদেৱৰ পত্নী ৰতিয়ে কাবৌ-কাকুতি কৰিলত, মহাদেৱে দয়াশীল হৈ কামদেৱক পুনৰ জীৱিত কৰি তুলিছিল। পুৰি ছাই হোৱা দেহ পুনৰ জীৱিত ৰূপ পোৱাৰ কাৰণে বড়ো ভাষাত খামৰূ/কামৰূ/কামৰূপ হ'ল। তৃতীয় কিংবদন্তি মতে— যেতিয়া তিনি ভাই-ককাইৰ ভিতৰত মাইৰাং দানৱে প্ৰথম আজিৰ মধ্যম অসম কামৰূপত ৰাজত্ব কৰাৰ কথা জনা যায়। হিমালয় পৰ্বতৰপৰা নামনিলৈ বৈ অহা নদীৰ সোঁতৰ আঁত ধৰি যেতিয়া সমতল ভূমিত খোজ পেলাইছিল, তেতিয়া উৰ্বৰা এই বিশাল ভূখণ্ড প্ৰকাণ্ড হাবি-বননিৰে ভৰপূৰ আছিল আৰু প্ৰকাণ্ড প্ৰকাণ্ড জীৱ-জন্তুৰে পৰিপূৰ্ণ আছিল। সেই হাবি-বননিক জুই জ্বলাই পুৰি ছাৰখাৰ কৰি তাতেই কৃষিকাৰ্য প্ৰৱৰ্তন কৰিছিল। সেই যে হাবি-বননিৰে ভৰা ভূ-খণ্ডখিনি পুৰি ছাৰখাৰ কৰা, সাৰুৱা কৰা কাৰ্যক বড়ো ভাষাত 'খামৰূ' বুলি কোৱা হয়। সমতল ভূ-খণ্ডটো পুৰি চাই হৈ ফুৰ্ফুৰীয়া হোৱা অৱস্থাক বড়ো ভাষাত 'খামনানৈ ৰূবু ৰূবু' হোৱা হেতুকে খামৰূব/কামৰূব হোৱা বুলি কোৱা হয়। কোৱা হয়, আৰ্যসকলে প্ৰাচীন কামৰূপলৈ অহাৰ পিচত 'খামৰূ'ৰ পৰাই কালক্ৰমত খামৰূব/কামৰূপলৈ ৰূপান্তৰ হ'ল।

ভগৱান শ্ৰীকৃষ্ণৰ জৰিয়তে আৰ্য সভ্যতা-সংস্কৃতিৰ লগত আন এটা ঘটনাৰ জৰিয়তে কিৰাটজঃ তথা মংগোলয়ড সভ্যতা-সংস্কৃতিৰ সংমিশ্ৰিত প্ৰভাৱ পৰিছে যেতিয়া কুণ্ডিলৰাজ ভীষ্মকৰ জীয়ৰী ৰুক্মিণীক শ্ৰীকৃষ্ণই হৰণ কৰি লৈ যায়হি। তাৰ এটা ভক্তিমূলক কাহিনী আছে। কাহিনীটো হ'ল— ভীষ্মক জীয়ৰী ৰুক্মিণীয়ে দ্বাৰকাধিপতি শ্ৰীকৃষ্ণক স্বামী হিচাপে পাবলৈ দিনে-ৰাতিয়ে ভক্তিভাৱেৰে প্ৰাৰ্থনা কৰিছিল। শাস্ত্ৰত কোৱা আছে–- ভগৱান শ্ৰীকৃষ্ণ সদায় ভক্তৰ অধীন তথা ভক্তৰ মনোবাঞ্ছা পূৰণ কৰে; কিন্তু বাধা হিচাপে থিয় দিছিল ভায়েক ৰুক্মবীৰে। কাৰণ ৰুক্মবীৰে ৰুক্মিণীক ৰজা শিশুপালৰ লগতহে বিবাহ দিয়াৰ সিদ্ধান্ত কৰিছিল। সেইমতে এদিন শিশুপালে সদলবলে ঢোলে-ডগৰে ৰুক্মিণীক বিবাহ কৰিবলৈ বিবাহ-স্থলীত উপস্থিত হ'ল। এই কথা জানিব পাৰি ৰুক্মিণীয়ে ভগৱান শ্ৰীকৃষ্ণক শীঘ্ৰে তেওঁক হৰণ কৰি লৈ যাবলৈ কাতৰ আহ্বান জনালে। ভক্তৰ অধীন শ্ৰীকৃষ্ণই ৰথেৰে সৈন্য-সামন্ত লৈ কুণ্ডিল নগৰত আহি ৰুক্মিণীক হৰণ কৰি লৈ যাওঁতে বাটত ৰজা শিশুপাল সমন্বিতে ভায়েক ৰুক্মবীৰ আৰু শ্ৰীকৃষ্ণৰ মাজত তয়াময়া ৰণ লাগিল। ৰণত শ্ৰীকৃষ্ণই শিশুপালক হত্যা কৰিছিল যদিও ভায়েক ৰুক্মবীৰক হত্যা কৰিবলৈ উদ্যত হওঁতে ৰুক্মিণীৰ অনুৰোধমৰ্মে শ্ৰীকৃষ্ণই ভায়েক ৰুক্মবীৰক বধ নকৰি ৰুক্মিণীৰ সৈতে দ্বাৰকালৈ ৰাওনা হয়। যাৰ কাৰণে পৰৱৰ্তী কালত আৰ্য সভ্যতা-সংস্কৃতিৰ লগত মংগোলয়ড অনাৰ্য সভ্যতা-সংস্কৃতিৰ আদান-প্ৰদান হয় আৰু লাহে লাহে সময়ৰ সোঁতত আৰ্য সভ্যতা-সংস্কৃতিৰ লগত অনাৰ্য সভ্যতা-সংস্কৃতিৰ সংমিশ্ৰণ ঘটাৰ ফলস্বৰূপে অসমকে আদি কৰি উত্তৰ-পূৰ্বাঞ্চলত এক অনন্য নব্য সমাজ, সভ্যতা-সংস্কৃতিয়ে বিকশিত হৈ উঠে। অসম মুলুকত ভগৱান শ্ৰীকৃষ্ণৰ জৰিয়তে আকৌ এবাৰ আৰ্য আৰু অনাৰ্য সভ্যতা-সংস্কৃতিৰ সংমিশ্ৰণ হ'বলৈ ধৰে, যেতিয়া বাণ জীয়ৰী ঊষাক শ্ৰীকৃষ্ণৰ নাতিয়েক অনিৰুদ্ধই শোণিতপুৰৰ অগ্নিগড়ৰ ভিতৰত গন্ধৰ্ব বিবাহ পদ্ধতিৰে বিবাহপাশত আবদ্ধ হয়। তাৰ এক কাহিনী আছে। কাহিনীটো এনে ধৰণৰ–- কালিকা পুৰাণৰ মতে, প্ৰাচীন কালত কিৰাতজঃ ৰজা মংগোলয়ড প্ৰজাতিৰ বড়ো মূলজ বাণ ৰজাই শোণিতপুৰত বৰ্তমান তেজপুৰত ৰাজত্ব কৰিছিল। আগতেও উল্লেখ কৰি অহা হৈছে যে, সেই সময়ৰ মংগোলয়ড প্ৰজাতিৰ বড়ো মূলৰ লোকসকলৰ প্ৰধান দেৱতা আছিল শিৱ বা শিব্ৰাই, যাক অনাৰ্য দেৱতা বুলি সৰ্বজনবিদিত শক্তি। গোসাঁনী দেৱীৰ নাম ভল্লীৰী অথবা কেঁচাইখাইতি গোসাঁনী মা কামাখ্যা। আৰ্যাৱৰ্তৰ মানুহে সেই সময়ৰ প্ৰাচীন বড়ো মূলজৰ ৰজাসকলক

https://howlyraasmahotsav.org/

দেখাত চেহেৰাটো তেওঁলোকৰ নিচিনা নোহোৱা হেতুকে অনাৰ্যসকলক ম্লেচ্ছ, দৈত্য, দানৱ, অসুৰ বুলি অভিহিত কৰিছিল। ঊষাৰ সখীয়েক চিত্ৰলেখাই মায়াবী গুণৰ বলত দ্বাৰকাৰ ৰাজপ্ৰাসাদৰপৰা অনিৰুদ্ধক হৰণ কৰি আনি অগ্নিগড়ত গন্ধৰ্ব বিবাহ পদ্ধতিৰে ঊষা আৰু অনিৰুদ্ধক বিবাহপাশত আবদ্ধ কৰায়। এই কথা জানিব পাৰি বাণ ৰজাই অনিৰুদ্ধক বন্দী কৰি ফাটেকত আবদ্ধ কৰি থৈছিল। এই কথা জানিব পাৰি শোণিতপুৰলৈ শ্ৰীকৃষ্ণই নাতিয়েক অনিৰুদ্ধক উদ্ধাৰৰ হেতু বাণ ৰজাৰ লগত যুদ্ধত অৱতীৰ্ণ হ'বলগীয়া হ'ল। পূৰ্বতে উল্লেখ কৰি অহা হৈছে যে, শিৱ মংগোলয়ড প্ৰজাতিৰ বড়ো মূলৰ লোকসকলৰ প্ৰধান দেৱতা বুলি সৰ্বজনবিদিত। বাণ ৰজাক সৰ্বতোপ্ৰকাৰৰ সহায় কৰিবলৈ শিৱই আগবাঢ়ি আহিল। এই যুদ্ধত দুয়ো পক্ষৰ হাজাৰ হাজাৰ সৈন্য-সামন্ত মৰা পৰিল। শিৱ আৰু শ্ৰীকৃষ্ণৰ মাজত তয়া-ময়া যুদ্ধ লাগিছিল কাৰণে সেই যুদ্ধক 'হৰি-হৰৰ যুদ্ধ' বুলি কোৱা হয়। যুদ্ধত ভগৱান শ্ৰীকৃষ্ণই জয়ী হৈ ঊষা-অনিৰুদ্ধক লৈ দ্বাৰকালৈ গমন কৰিলে। এনেদৰে ভগৱান শ্ৰীকৃষ্ণৰ জৰিয়তে আকৌ এবাৰ আৰ্য-অনাৰ্যৰ মাজত দ্বাপৰ যুগতে সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক সম্পৰ্কও গঢ়ি উঠিছিল।

বুৰঞ্জীৰ পাতত লিখা আছে যে ১৭০০ খ্ৰীষ্টাব্দৰ আগতে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত হিড়িম্ব ৰাজ্য নামৰ কছাৰী ৰাজ্য এখন বিস্তাৰিত হৈ আছিল। সেই হিড়িম্ব ৰজাৰ আমোলত পঞ্চ পাণ্ডৱসকলে কৌৰৱ পাশাখেলৰ ষড়যন্ত্ৰত পৰাজিত হৈ যদুগৃহৰপৰা কোনোমতে প্ৰাণ লৈ পলাই আহি এটা সময়ত বাৰামাৰপৰা পলাই আহি বিভিন্ন ঠাই ভ্ৰমণ কৰি আহি আহি দৈৱ্যক্ৰমে কছাৰী হিড়িম্বৰ ৰাজ্যত উপস্থিত হৈছিল। কছাৰী খাৰাংফা ৰজাৰ পুতেকৰ নাম হিড়িম্ব আৰু জীয়েকৰ নাম হিড়িম্বা। ৰজা খাৰাংফাৰ মৃত্যুৰ পিচত পুতেক হিড়িম্বই ৰজা হৈছিল আৰু ভনীয়েক হিড়িম্বাই ককায়েকৰ সহযোগী হিচাপে শাসনকাৰ্যত সকলো প্ৰকাৰে সহায় কৰিছিল। দুখৰ কথা, মহাভাৰতত তেওঁলোকক 'ৰাক্ষক-ৰাক্ষসী' বুলি অভিহিত কৰিছে। হিড়িম্বৰ ৰাজ্যত পঞ্চপাণ্ডৱৰ আগমনৰ কথা ৰজা হিড়িম্বই জানিব পাৰি ভাগৱতী দেৱীৰ নামত বলি দিবলৈ হিড়িম্বাক ধৰি আনিবলৈ নিৰ্দেশ দিলে। ভনীয়েক হিড়িম্বাই ককায়েকৰ আজ্ঞা শিৰোধাৰ্য কৰি পঞ্চপাণ্ডৱৰ ওচৰ পালেগৈ। হিড়িম্বাই পঞ্চপাণ্ডৱক ক'ত ধৰি আনিব, ভীমৰ ৰূপ-লাৱণ্য মোহিত হৈ পঞ্চপাণ্ডৱৰ লগত ৰৈ থাকিলগৈ। বহু পলম হোৱা দেখি হিড়িম্বই নিজে পঞ্চপাণ্ডৱক ধৰি আনিবলৈ ওলাই যায়। ফলস্বৰূপে ভীমৰ লগত হিড়িম্বৰ তয়া-ময়া ৰণ লাগিল আৰু ৰণত হিড়িম্ব ৰজা মৃত্যুমুখত পৰে। পিচত ভীমে ধৰ্মৰাজ যুধিষ্ঠিৰ আৰু কুন্তীৰ পৰামৰ্শমৰ্মে হিড়িম্বৰ ভনীয়েক হিড়িম্বাক বিবাহ কৰে। এনেদৰে পঞ্চপাণ্ডৱে অজ্ঞাতবাসৰ সময়ত অনাই-বনাই ঘূৰি ফুৰোঁতে হিড়িম্বাকো লগত লৈ নানা ৰাজ্য, নানা ঠাই, পৰ্বত-পাহাৰ ঘূৰি ফুৰি থাকোঁতে যথাসময়ত হিড়িম্বাৰ গৰ্ভত অতি বলবান সৰ্বশক্তিসম্পন্ন পুত্ৰৰ জন্ম হয়। যাৰ নাম ঘটোৎকচ, মহাভাৰতৰ যুদ্ধত ঘটোৎকচে পঞ্চপাণ্ডৱৰ ফলীয়া হৈ যুদ্ধত অৱতীৰ্ণ হৈছিল। মহাভাৰতৰ যুদ্ধত ঘটোৎকচে কেনেদৰে বীৰত্বৰে যুদ্ধ কৰি শত্ৰুপক্ষক ধৰাশায়ী কৰিছিল, তাৰ দৃশ্য মহাভাৰতৰ ছিৰিয়েল চোৱা প্ৰত্যেকজন ব্যক্তিয়ে জানে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা মংগোলয়ড কিৰাটজঃ অনাৰ্য সভ্যতা-সংস্কৃতিৰ লগত আৰ্য সভ্যতা-সংস্কৃতিৰ সমন্বয় ঘটায় অতীতত সম্পন্ন হোৱা আন এটা বিবাহকাৰ্যই। এই বিবাহকাৰ্য সম্পন্ন হৈছিল প্ৰাচীন কামৰূপৰ জীয়ৰী অমৃতপ্ৰভা আৰু সুদূৰৰ কাশ্মীৰৰ ৰজা মেঘবাহনৰ মাজত। ফলস্বৰূপে আত্মিক আৰু তেজৰ সম্পৰ্ক ভাৰতৰ অন্যান্য প্ৰান্তৰৰ আৰ্য মানুহৰ লগত উত্তৰ-পূৰ্বাঞ্চলৰ অনাৰ্য মংগোলীয় মানুহৰ মাজত গঢ়ি উঠিছিল।

এনেদৰে বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰপৰাই উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ বসবাস কৰা মংগোলয়ড প্ৰজাতিৰ মানুহৰ লগত বৈবাহিক সূত্ৰে বৈদিক যুগৰপৰাই আৰ্য গোষ্ঠীৰ লোকৰ মাজত সম্পৰ্ক গঢ়ি উঠাৰ কথা জনা যায়। আন বহুতে কোৱাৰ দৰে আৰু ভবাৰ দৰে অসম তথা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল আদিতে ভাৰতৰ অংগ নাছিল অথবা কোনো ধৰণৰ সম্পৰ্ক নাছিল বুলি কোৱা শুনা যায়। অতীত ইতিহাস অধ্যয়ন নকৰাকৈ এনেকৈ অসমকে আদি কৰি উত্তৰ-পূৰ্বাঞ্চলক ভাৰতৰ অংগ নাছিল বুলি কোৱাটো সমীচীন নহ'ব। আন এটা উদাহৰণৰ পৰাও কথাষাৰ প্ৰতিপন্ন কৰিব পাৰিব। পঞ্চপাণ্ডৱে অজ্ঞাতবাসৰ সময়ত প্ৰাচীন মণিপুৰ ৰাজ্যলৈকে ভ্ৰমণ কৰিছিল হেনো। সেই সময়তেই পঞ্চপাণ্ডৱৰ অৰ্জুনে মণিপুৰী জীয়ৰী চিত্ৰাংগদাক

https://howlyraasmahotsav.org/

বিবাহ কৰিছিল। পিচত অৰ্জুনৰ ঔৰসত আৰু চিত্ৰাংগদাৰ গৰ্ভত বীৰ বব্ৰুবাহনৰ জন্ম হোৱাৰ কথাই মহাভাৰতৰ যুগতে উত্তৰ-পূৰ্বাঞ্চলৰ লগত অনাৰ্য মংগোলয়ড প্ৰজাতিৰ মানুহৰ লগত আৰ্যাৱৰ্তৰ মানুহৰ বৈবাহিক সম্বন্ধেৰে মিতিৰালি গঢ়ি উঠাৰ ফলত অনাৰ্য সভ্যতা-সংস্কৃতিৰ সৈতে আৰ্য সভ্যতা-সংস্কৃতিৰ সমন্বয় ঘটে।

আদিতে মংগোলয়ড সভ্যতা-সংস্কৃতিৰে ভৰপূৰ উত্তৰ-পূৰ্বাঞ্চলৰ মানৱ প্ৰজাতিৰ মাজত কস্মিন কালেও জাত-পাতৰ বিচাৰ, উচ্চ-নীচৰ ধ্যান-ধাৰণা, জাতিভেদ প্ৰথাৰ কোনো ধৰণৰ চিন-চাব নাছিল। কাৰণ মংগোলয়ড প্ৰজাতিৰ কিৰাটজঃ মানৱ সভ্যতা, সমাজ সংস্কৃতিৰ আৰম্ভণিৰপৰাই সাম্যবাদ, সম অধিকাৰ, সম মৰ্যাদা সৰ্বত্ৰ বিৰাজ কৰি আহিছিল আৰু আজিও মংগোলয়ড সমাজ-সংস্কৃতিৰ আবাসভূমি ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ মানুহৰ মাজত কোনো ধৰণৰ জাতিভেদ, বৰ্ণ বৈষম্য, উচ্চ-নীচৰ বাদ-বিবাদ, বিচাৰ-বিবেচনা নাই বুলিয়ে ক'ব পাৰি। কিন্তু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে কৈ যোৱাৰ দৰে ভগৱান শ্ৰীকৃষ্ণৰ জৰিয়তেহে উত্তৰ-পূৰ্বাঞ্চলৰ মংগোলয়ড সমাজ-সংস্কৃতিৰ ওপৰত বৈদিক আৰ্য সভ্যতা-সংস্কৃতিৰ প্ৰভাৱ পৰিবলৈ ধৰাৰ জৰিয়তেহে উত্তৰ-পূৰ্বাঞ্চলৰ মংগোলয়ড সমাজ-সংস্কৃতিৰ ওপৰত বৈদিক আৰ্য সভ্যতা-সংস্কৃতিৰ প্ৰভাৱ পৰিবলৈ ধৰাত বিশেষকৈ বৈদিক সংস্কৃতিত থকা চাৰি বৰ্ণাশ্ৰম-ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ ভাগ বাটোৱাৰাৰ প্ৰভাৱ পৰিবলৈ ধৰে। তথাপি আমি ন দি ক'ব পাৰোঁ— স্থানীয় প্ৰাচীন কামৰূপৰ কিৰাটজঃ সভ্যতা-সংস্কৃতিৰ প্ৰভাৱ প্ৰব্ৰজিত বৈদিক সভ্যতা-সংস্কৃতিৰ ওপৰতো পৰিবলৈ ধৰাত উত্তৰ-পূৰ্বাঞ্চলত আৰ্যসকলৰ আগমনে ইয়াৰ প্ৰাচীন কামৰূপৰ অনাৰ্য সভ্যতা-সংস্কৃতিক মচি পেলাব নোৱাৰিলে। এই কথাষাৰকে প্ৰতিপন্ন কৰিলে, যেতিয়া চীন পৰিব্ৰাজক হিউৱেন চাঙে কামৰূপ ৰাজ্যলৈ আহি এটা অতি গুৰুত্বপূৰ্ণ মন্তব্য কৰিছিল যে, "কামৰূপৰ মানুহখিনি উত্তৰ ভাৰতৰ মানুহতকৈ কিছু বেলেগ।" আচলতে প্ৰাচীন কামৰূপত আৰ্য-অনাৰ্য সভ্যতা-সংস্কৃতিৰ সমন্বয় ঘটাৰ ফলত যি উমৈহতীয়া মিশ্ৰিত সমাজ-সংস্কৃতি সৃষ্টি হ'ল, সেয়াই উত্তৰ-পূৰ্বাঞ্চলৰ আধুনিক মানৱ সমাজৰ নব্য সমাজ-সংস্কৃতি। এক কথাত মংগোলয়ড সভ্যতা-সংস্কৃতিৰ প্ৰাবল্য প্ৰভাৱৰ কাৰণেই ইয়াত আৰ্য সভ্যতা-সংস্কৃতিত বিৰাজমান বৰ্ণ বৈষম্য, জাতিভেদ প্ৰথা আৰু উচ্চ-নীচৰ বিচাৰ-বিবেচনাই অসমকে আদি কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত গা কৰি উঠিব নোৱাৰিলে। কাৰণ উত্তৰ-পূৰ্বাঞ্চলৰ মংগোলয়ড প্ৰজাতিৰ মানুহৰ প্ৰধান আৰাধ্য দেৱতা হ'ল শিৱ বা শিৰাই-শিব্ৰুই, ভল্লীবী-ভল্লীব্ৰাই অৰ্থাৎ হৰ-পাৰ্বতী। প্ৰধান আৰাধ্য দেৱী হ'ল কেঁচাই খাইতি আই ভগৱতী কামাখ্যা দেৱী। আৰ্যসকলৰ আৰাধ্য দেৱতা হ'ল ভগৱান শ্ৰীকৃষ্ণ। এক কথাত অনা-আৰ্যসকলে শিৱক তেওঁলোকৰ আৰাধ্য দেৱতা হিচাপে পূজা-অৰ্চনা কৰে আৰু আৰ্যসকলে শ্ৰীকৃষ্ণক আৰাধ্য দেৱতা হিচাপে পূজা-অৰ্চনা কৰা দেখা যায়। অৱশ্যে পিচলৈ বাধ্যত পৰি শিৱকো ভগৱান হিচাপে আৰ্যগোষ্ঠীৰ লোকেও আৰাধনা কৰিবলৈ ধৰে। দেখা গৈছে, শ্ৰীকৃষ্ণৰ জৰিয়তে সময়ৰ সোঁতত আৰ্য-অনাৰ্যৰ সংমিশ্ৰণৰ ফলত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্য-অনাৰ্যৰ এক সংমিশ্ৰিত নব্য সমাজ-সংস্কৃতিৰ বাৰেবৰণীয়া, বাৰেৰহণীয়া বৈচিত্ৰ্যপূৰ্ণ মানৱ সমাজ-সভ্যতা আৰু সংস্কৃতিয়ে গা কৰি উঠিছে। এই আৰ্য-অনাৰ্য ভাষা-সাহিত্য-সংস্কৃতিক সোণত সুৱগা সানি বিশ্ব দৰবাৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিবিধ বিচিত্ৰ মানৱ সমাজ আৰু সভ্যতা-সংস্কৃতিক দাঙি ধৰাৰ পবিত্ৰ দায়িত্ব আৰু কৰ্তব্যক আমি সকলো খিলঞ্জীয়া অসমীয়াই পালন কৰাৰ সময় সমাগত।

https://howlyraasmahotsav.org/

বুৰঞ্জীয়ে ৰিঙিয়ায় ভাৰতীয় স্থাপত্য ভাস্কৰ্য শিল্প

ড° নঞ্জু দত্ত

ভাৰতৰ সাংস্কৃতিক জীৱনলৈ বা জগতলৈ সাতবাহন ৰাজবংশই প্ৰভূত বৰঙণি আগবঢ়াইছিল। স্থাপত্য আৰু ভাস্কৰ্যৰ ক্ষেত্ৰত সেই যুগৰ শিল্পীসকলে যথেষ্ট অৱদান আগবঢ়াইছিল। সাঁচীৰ স্তুপ, বিখ্যাত অমৰাৱতীৰ ভাস্কৰ্য সাতবাহন ৰজাৰ উৎকৃষ্ট শিল্পকলাৰ নিদৰ্শন।

চীনা প্ৰব্ৰিৰাজক ফাহিয়ানৰ টোকাৰ পৰা আমি গম পাওঁ আনুমানিক তৃতীয় শতিকাত গুপ্ত নামৰ ৰাজবংশৰ প্ৰচেষ্টাত ভাৰতৰ সাহিত্য, সংস্কৃতি এলাহাবাদ প্ৰশস্তি, মুদ্ৰা, স্থাপত্য-ভাস্কৰ্য আৰু চিত্ৰকলাই এটা নতুন ধাৰাৰ সৃষ্টি কৰিছিল। এই যুগৰ ভাস্কৰ্যই ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ বাহিৰেও অন্যান্য দেৱ-দেৱীৰ মূৰ্তি প্ৰতিফলিত কৰিছিল। বৌদ্ধ ভিক্ষুসকলৰ বাবে পাহাৰ কাটি নিৰ্মাণ কৰা মন্দিৰ আৰু শিল, ইটাৰে নিৰ্মিত মন্দিৰসমূহ গুপ্তযুগৰ ভাস্কৰ্যৰ অপূৰ্ব নিদৰ্শন। গুপ্তযুগৰ স্থাপত্যৰ কিছু নিদৰ্শন হ'ল সাঁচীৰ বিষ্ণু মন্দিৰ, দেওগড়ৰ দশাৱতাৰ মন্দিৰ, আইহোলৰ দুৰ্গা মন্দিৰ, সাৰনাথৰ ধ্যানমগ্ন বুদ্ধ, মথুৰাৰ থিয় দি থকা বৌদ্ধ মূৰ্ত্তি ইত্যাদি। দিল্লীৰ ওচৰৰ মেহৰুলিৰ লৌহস্তম্ভও এই যুগৰ অৱদান।

গুপ্তযুগৰ ভাস্কৰ্য আৰু চিত্ৰকলাৰ প্ৰভাৱ অসমতো পৰা দেখা গৈছিল। উদাহৰণ স্বৰূপে তেজপুৰৰ দ' পৰ্বতীয়াত থকা শিলৰ তোৰণখন। এই তোৰণখনত থকা গংগা আৰু যমুনাৰ মূৰ্তিত গুপ্ত ভাস্কৰ্যৰ স্পষ্ট নিদৰ্শন পোৱা যায়। ইয়াৰ আগলৈকে অসমত শিলত দেৱ-দেৱীৰ মূৰ্তি খোদাই কৰাৰ নিদৰ্শন পোৱা নাযায়। ইয়াৰ পৰিৱৰ্তে অসমৰ ভাস্কৰ্যসমূহত মাটি আৰু কাঠহে ব্যৱহাৰ কৰা হৈছিল। দ' পৰ্বতীয়াৰ উপৰিও মিকিৰ তাঁতী (নগাঁও), বৰগংগা (নগাঁও), কামাখ্যা (গুৱাহাটী), বৰ মেধী পাৰা (দুধনৈ) পোৱা ভাস্কৰ্যবোৰত গুপ্ত ভাস্কৰ্যৰ প্ৰভাৱ পৰিলক্ষিত হয়।

গুপ্তযুগৰ সাহিত্য, সংস্কৃতি, বিজ্ঞান, স্থাপত্য, ভাস্কৰ্য আৰু চিত্ৰকলাৰ বিকাশৰ পৰা এই যুগক নিঃসন্দেহে ভাৰতৰ ইতিহাসৰ 'স্বৰ্ণযুগ' বুলি ক'ব পৰা যায়।

দক্ষিণ ভাৰতত থকা প্ৰায়বোৰ মন্দিৰ পল্লৱ বংশৰ ৰজাসকল অৱদান। সপ্তম শতিকাতে পল্লৱ বংশৰ কেবাজনো ৰজাই নিৰ্মাণ কৰা মন্দিৰসমূহ ভাস্কৰ্যৰ এক উৎকৃষ্ট নিদৰ্শন। দক্ষিণ ভাৰতৰ মহাবলীপুৰম মন্দিৰসমূহ দেখিবলৈ ৰথৰ নিচিনা। এই মন্দিৰবোৰক ৰথ বোলা হয়। এখন পাহাৰ কাটি ৰথৰ দৰে সজা এই ৰথ বা মন্দিৰসমূহ ধৰ্মৰাজ অৰ্জুন ৰথ বা দ্ৰৌপদী ৰথ বোলা হয়।

ধাৰ্মিক পল্লৱসকলে বহুতো হিন্দু মন্দিৰ, বৌদ্ধ বিহাৰ নিৰ্মাণ কৰি শিল্প-ভাস্কৰ্যৰ বিকাশৰ ক্ষেত্ৰত দ্ৰাবিড় শিল্পকলা নামৰ এটি নতুন শিল্প ৰীতি প্ৰচলন কৰিছিল।

আনুমানিক ৭৫৩ খ্ৰীঃত প্ৰতিষ্ঠা হোৱা মহাৰাজাধিৰাজ ত্ৰিভুৱন চক্ৰৱৰ্তী আদি উপাধি লোৱা শৌৰ্য্য-বীৰ্য্য এটা ৰাজ বংশ দাক্ষিণাত্য আৰু উত্তৰ ভাৰতত আধিপত্য স্থাপন কৰিছিল। অকল দেশ শাসনতে নহয় তেওঁলোকে উচ্চ সংস্কৃতিৱান লোক আছিল। সহনশীল গুণৰ উৎকৃষ্ট নিদৰ্শন এই বংশৰ লোকসকলে নিৰ্মাণ কৰা অজস্ৰ মন্দিৰ আজিও বিদ্যমান। ইলোৰাৰ কৈলাশ

https://howlyraasmahotsav.org/

নাথ মন্দিৰ ৰাষ্ট্ৰকূট ৰজা প্ৰথম কৃষ্ণই নিৰ্মাণ কৰিছিল। এলিফেন্টা আৰু মানখেদাৰ মন্দিৰসমূহো এই বংশৰ যে স্থাপত্য-ভাস্কৰ্যৰ প্ৰতি অনুৰাগ আছিল গম পোৱা যায়। ৰাষ্ট্ৰকূট ৰজাৰ দিনত ইছলামধৰ্মী লোকসকলে বহুতো মছজিদো সজাইছিল।

ভাৰতত মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাপক বাবৰ এগৰাকী কলাপ্ৰেমী আছিল। তেওঁ কম দিনৰ ভিতৰতে শিল্পী মনৰ পৰিচয় দিছিল। স্থাপত্য শিল্পলৈ তেওঁ যি অৰদান আগবঢ়াইছিল তাৰ অভুতপূৰ্ব নিদৰ্শন হ'ল পানীপথৰ কাবুল বাৰ্গ আৰু চম্বলৰ জুমা মছজিদ।

বাবৰৰ পুত্ৰ হুমায়ুনো কলা-সংস্কৃতিৰ পৃষ্ঠপোষক আছিল। তেওঁ পাৰ্চীয়ান আৰ্হিত বহুতো অট্টালিকা সজাইছিল। হাৰিয়ানাৰ হিচাৰ জিলাৰ ফাতেহাবাদত থকা মছজিদ আৰু দিল্লীৰ হুমায়ুন সৌধ তেওঁৰ শিল্প প্ৰতিভাৰ অভুতপূৰ্ব স্বাক্ষৰ। পাৰ্ছিয়ান কাৰিকৰ মিৰাক মিৰ্জা গিয়াচ আছিল ইয়াৰ নিৰ্মাতা।

বুৰঞ্জী অধ্যয়ন কৰিলিহে এৰি অহা যুগবোৰৰ ৰজা-মহাৰজাৰ শাসন, শিল্পৰীতি যে উচ্চ পৰ্যায়ৰ আছিল তাক জানিব পাৰি। বুৰঞ্জী অধ্যয়ন অবিহনে প্ৰকৃত মানৱৰ জ্ঞানৰ ঘৰ উদং।

https://howlyraasmahotsav.org/

মহামতি আকবৰ মোগল সাম্ৰাজ্যৰ শ্ৰেষ্ঠ সম্ৰাট। শান্তিৰ-প্ৰগতিৰ লগতে তেওঁ শিল্প-সংস্কৃতিৰ বিকাশ কৰিছিল। লাহোৰ, এলাহাবাদ, আগ্ৰা, ফাতেহপুৰচিক্ৰী আৰু অন্যান্য ঠাইত আকবৰে যিবোৰ অট্টালিকা, মছজিদ, সমাধি, দৰৱাজা আদি নিৰ্মাণ কৰিছিল সেয়া সব পাৰ্চী-হিন্দু আৰু ইছলামীয় শিল্পী ৰীতিৰ সংমিশ্ৰণেৰে সাজি উলিয়াইছিল। অট্টালিকা নিৰ্মাণত ৰঙা শিলৰ গুড়ি ব্যৱহাৰ কৰিছিল। বুৰঞ্জীৰ পাতে পাতে লিখা আছে আকবৰৰ কলা-সুলভ মনৰ পৰিচয়।

স্থাপত্য শিল্পত কাৰিকৰী দক্ষতাৰ চিন ফুটি উঠিছিল আন এজন মোগল সম্ৰাট জাহাংগীৰৰ দিনত। তেওঁৰ পৃষ্ঠপোষকতাৰ স্থাপত্য শিল্পৰ যথেষ্ট বিকাশ হৈছিল।

মোগল যুগৰ ভাৰতত স্থাপত্য শিল্পৰ এক বৃহৎ অংশৰ পৃষ্ঠপোষক আছিল মোগল সম্ৰাট চাহজাহান। যাৰ নাম আজিও পৃথিৱীৰ প্ৰান্তে প্ৰান্তে উজ্বলি আছে। চাহাজাহান ৰূপ-সৌন্দৰ্যৰ সাধক আছিল। মোগল স্থাপত্যৰ 'সোণালী যুগ' আছিল চাহজাহানৰ শাসন কালছোৱা। স্থাপত্য-ভাস্কৰ্য নিৰ্মাণত তেওঁ মুক্তহস্তে খৰচ কৰিছিল যাৰ বাবে তেওঁ বহু বিপদত পৰিছিল অৰ্থৰ ক্ষেত্ৰত। চাহজাহানে নিৰ্মাণ কৰা পত্নী মমতাজৰ অমৰ প্ৰেমৰ স্বাক্ষৰ 'তাজমহল'। স্থাপত্য-ভাস্কৰ্য্য নিৰ্মাণত আকবৰৰ দৰে চাহজাহানেও মাৰ্বল ব্যৱহাৰ কৰিছিল। তাজমহল শুদ্ধ বগা মাৰ্বলেৰে সজাইছিল। ইয়াৰ অপূৰ্ব কাৰুকাৰ্য মাৰ্বলৰ মনোমোহা সৌন্দৰ্য যমুনাৰ পাৰৰ অপৰূপ দৃশ্য এই সকলোবোৰেই তাজমহলক অনন্য মাত্ৰা প্ৰদান কৰিছে। আজিও বিশ্বৰ বিভিন্ন প্ৰান্তৰ হাজাৰ হাজাৰ লোকে তাজমহল এবাৰ চোৱাৰ হেঁপাহেৰে ভাৰতলৈ আহে। (পৃথিৱীৰ সাতটা আচৰিত বস্তুৰ ভিতৰত তাজমহল অনন্য যাৰ বাবে প্ৰত্যেক ভাৰতীয়ই গৌৰৱ অনুভৱ কৰিব পাৰে। আগ্ৰাৰ দুৰ্গৰ ভিতৰতো চাহজাহানে বহুতো অট্টালিকা সজাইছিল। মছজিদ আৰু দেৱান-ই-আম বিখ্যাত আছিল। চাহজাহানবাদ নামেৰে তেওঁ সজোৱা অপূৰ্ব চহৰখন মাৰ্বলৰ কাৰুকাৰ্যৰে নিৰ্মাণ কৰিছিল। চাহজাহানবাদত তেওঁ চালে চকুৰোৱা জুমা মছজিদো সজাইছিল।

দুষ্প্ৰাপ্য হীৰা, মুকুতা আৰু পান্নাৰে সু-সজ্জিত ময়ূৰ সিংহাসনো চাহজাহানৰ স্থাপত্য শিল্পপ্ৰীতিৰ অপূৰ্ব নিদৰ্শন। লাহোৰ, কাশ্মীৰ আদি ঠাইতো বিভিন্ন অট্টালিকা আৰু মছজিদ নিৰ্মাণ কৰিছিল। দিল্লীৰ দেৱান-ই-আম আৰু দেৱান-ই-খাচ আকৰ্ষণীয় আছিল। তেওঁ কেৱল স্থাপত্য-ভাস্কৰ্য নিৰ্মাণতেই গুৰুত্ব দিয়া নাছিল, ইয়াৰ সংৰক্ষণৰো ব্যৱস্থা কৰিছিল। বহুতো বুৰঞ্জীবিদে চাহজাহানবাদক মাৰ্বলৰ ৰোগ নগৰী বুলি ক'ব খোজে।

বুৰঞ্জীৰ মতে চাহজাহানৰ মৃত্যুৰ পাছত আন সম্ৰাটে স্থাপত্য-ভাস্কৰ্য শিল্পৰ উদ্যোগ লোৱা বুলি জনা নাযায়।

এইবাৰ আমি আহো আমাৰ অসমৰ স্থাপত্য-ভাস্কৰ্য কলাৰ বুৰঞ্জীৰ আলোচনাৰ মেজলৈ। আজিৰ অসমৰ অধিকাংশ স্থাপত্য, ভাস্কৰ্য মধ্যযুগৰেই অৰদান। উল্লেখ্য যে এইবোৰৰ বেছিভাগে আকৌ আহোমসকলৰ দিনতে নিৰ্মাণ কৰা হৈছিল। মধ্যযুগ স্থাপত্য আৰু ভাস্কৰ্যত চহকী আছিল।

আহোম যুগৰ মঠ-মন্দিৰ, দৌল-দেৱালয়, ৰাজপ্ৰসাদ, শিলৰ সাঁকো সমূহ মধ্যযুগৰ আন এবিধ উল্লেখযোগ্য স্থাপত্য। শিলৰ সাঁকোসমূহৰ মাজত নামদাং,

দৰিকা, দিজৈ সাঁকোৰ ৰূপ বৰ্ণনাতীত। আহোম যুগত খন্দা পুখুৰী বিশেষকৈ জয়সাগৰ, শিৱসাগৰ, গৌৰীসাগৰ পুখুৰী স্থাপত্যৰ অন্যতম নিদৰ্শন। এয়া অসমৰ ঐতিহ্য।

আহোম যুগৰ দৌল-দেৱালয়, অট্টালিকাবোৰত ভাস্কৰ্য্যৰ উজ্জ্বল চানেকি পোৱা যায়। মন্দিৰৰ প্ৰাচীৰত খোদিত দেৱ-দেৱীৰ মূৰ্তিসমূহ, ফুল-লতা, জীৱ-জন্তুৰ মূৰ্ত্তি, প্ৰাকৃতিক দৃশ্যৰাজি আহোম ভাস্কৰ্যৰ নিদৰ্শন। পোৰা মাটিৰ শিল্পয়ো এচাম ভাস্কৰ্যক চহকী কৰি গৈছে।

শিৱসাগৰৰ বিখ্যাত শিৱদৌল, বিষ্ণুদৌল আৰু দেৱী দৌল ইটা আৰু কঢ়ালেৰে বনোৱা। প্ৰথমে কাৰু-কাৰ্য খচিত বাঁহ আৰু কাঠেৰে দুমহলীয়া ঘৰবোৰ সাজিছিল যদিও পিছলৈ মিহি, বহল আৰু টান ইটাৰে ঘৰ বনাইছিল। বৰ্তমানৰ চিমেণ্টৰ সলনি গুড়, মাটিমাহ, শিলচুণ, শামুক চুণ, চকা চুণ, বৰালী মাছ, তেল, ধূনা আদিৰ মিশ্ৰণেৰে কঢ়াল তৈয়াৰ কৰি ঘৰ, মঠ-মন্দিৰ, দৌল-দেৱালয় যাউতিযুগীয়া কৰি থৈ গৈছে।

আহোম স্বৰ্গদেউসকলে নিৰ্মাণ কৰা মঠ-মন্দিৰ আহোম স্থাপত্য শিল্পৰ মনোমোহা অৱদান। দেৱীদৌল, জয়দৌল, বিষ্ণুদৌল, উগ্ৰতাৰা মন্দিৰ, কামাখ্যাৰ সিদ্ধেশ্বৰ, কামেশ্বৰ মন্দিৰ, অশ্বক্লান্তৰ জনাৰ্দন মন্দিৰ, শুক্ৰেশ্বৰ মন্দিৰ, ৰুদ্ৰেশ্বৰ মন্দিৰ, দেৰগাঁও আৰু বিশ্বনাথৰ শিৱ মন্দিৰ, বশিষ্ঠাশ্ৰম মন্দিৰ, দীৰ্ঘেশ্বৰী মন্দিৰ, ছত্ৰাকাৰ মন্দিৰ ইত্যাদিয়ে আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্য শিল্পৰ শ্ৰেষ্ঠতাক প্ৰমাণ কৰে।

গড়গাঁওৰ কাৰেংঘৰ, ৰংপুৰৰ ৰংঘৰ আৰু তলাতল ঘৰ আহোমসকলৰ অক্ষয়কীৰ্ত্তি। অৱশ্যে নকৈ নোৱাৰি যে আহোম স্থাপত্যত কিছু মোগল পাৰ্ছী নিদৰ্শনৰ ছাঁ পৰিছিল আহোমৰ শ্ৰেষ্ঠ ৰজা ৰুদ্ৰসিংহৰ দিনৰ পৰা। অকল আহোম ৰাজবংশই নহয় অসমত কছাৰী ৰাজবংশই স্থাপত্য আৰু ভাস্কৰ্যত মনোনিবেশ কৰিছিল। কছাৰীৰ ৰাজধানী ডিমাপুৰত উদ্ধাৰ কৰা ধ্বংসাৱশেষে প্ৰমাণ কৰি দিছে যে তেওঁলোকৰ স্থাপত্যৰ ধ্যান-ধাৰণা উচ্চ আছিল। আহোমতকৈ আগতেহে কছাৰীসকলে ইটাৰ ব্যৱহাৰ কৰিছিল। ইয়াৰ প্ৰমাণ কছাৰী ৰাজধানী ডিমাপুৰৰ তিনিওফালে বেৰাৰে আৱৰা আছিল। পুৰাতত্ত্ববিদসকলে ক'ব খোজে যে বংগদেশৰ মুছলমানসকলৰ গৃহ নিৰ্মাণ কৰা মন্দিৰ বিশেষকৈ বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ নামনি অঞ্চলত অৱস্থিত মালিনীথান আৰু পুখুৰী সমূহে চুটিয়াৰাজ্যৰ স্থাপত্যৰ প্ৰতি থকা অনুৰাগ যে প্ৰৱল আছিল তাকে বুজায়।

নীলাচল পাহাৰৰ কামাখ্যা মন্দিৰ, হাজোৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ আৰু কামাখ্যা মন্দিৰৰ প্ৰৱেশদ্বাৰত মধ্যযুগৰ শিল্প-ভাস্কৰ্যৰ বিৰল কীৰ্তি। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মুখা শিল্প আদিও আমাৰ গুৰুজনাৰ ভাস্কৰ্য-স্থাপত্য প্ৰীতি যে সুদূৰ প্ৰসাৰী আছিল তাক বুজা যায়। লিখি শেষ কৰিব নোৱাৰা ভাস্কৰ্য স্থাপত্য শিল্পৰ কথা অসমত উজ্বলি আছে এতিয়াও যাক অধ্যয়ন কৰা উচিত।

বৰপেটা জিলাৰ বৰবিলাত অৱস্থিত সকলোৰে কৃপা কৰোতা দয়াময় শ্ৰীশ্ৰীপখ্‌লা গোসাঁইৰ মন্দিৰ। কথিত আছে যে কামৰূপৰ বিখ্যাত ৰজা কুমাৰ ভাস্কৰ বৰ্মনে হেনো সপোনত দেখি শিল কাটি পখ্‌লি এটা সাজি তাত বিষ্ণু আৰু জয়-বিজয়ৰ মূৰ্তি খোদিত কৰিছিল। কালক্ৰমত বহুতৰ হাত বাগৰি বাগৰি বৰবিলাত স্থাপন কৰা হয় উলহ-মালহেৰে পখ্‌লা গোসাঁই। জনশ্ৰুতি মতে পখ্‌লা গোসাঁই প্ৰভু ঈশ্বৰে এতিয়াও ৰাতি ৰাতি বগা কাপোৰ পিন্ধি ঘোঁৰাৰ পিঠিত উঠি গাঁওখন পহৰা দি থাকে হেনো।

https://howlyraasmahotsav.org/

শংকৰদেৱৰ দৃষ্টিত শ্ৰীকৃষ্ণৰ ৰাসলীলা

ডাঃ হৰেন চৌধুৰী

শৰৎ কালৰ পূৰ্ণিমাত অসম তথা ভাৰতবৰ্ষৰ সকলো ঠাইতে মহা আড়ম্বপূৰ্ণভাৱে শ্ৰীকৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত কৰা হয়। শৰৎ কালৰ মানুহৰ অনুভৱী হিয়াত ভৰি থাকে সুগন্ধি শেৱালিৰ নিৰ্যাস প্ৰেমৰ সুবাস আৰু জোনাকৰ স্নিগ্ধ শীতলতা। মাটি-পানী আকাশত দেখিবলৈ পাওঁ সুন্দৰ নিৰ্মল পৰিৱেশ। নদীৰ পাৰৰ কঁহুৱাডৰাই চোতালৰ শুভ্ৰ শেৱালিয়ে আৰু নীল আকাশেদি উৰি যোৱা শৰালিজাকেও মানুহৰ মন প্ৰেমেৰে আলোড়িত কৰে। এই শৰৎ কালত দুৰ্গা পূজা আদি কৰি বিভিন্ন পূজা পাৰ্বণো অনুষ্ঠিত হয়। এনে এক আনন্দমুখৰ পৰিৱেশত ভগৱান শ্ৰীকৃষ্ণই গোপীসকলৰ স'তে বৃন্দাবনত নৃত্য-গীতৰ মহা আয়োজন কৰি চৌদিশ আনন্দিত আৰু উল্লাসিত কৰি তুলিছিল। এই শৰতৰ ৰূপ-লাৱণ্যত মুগ্ধ হৈ শ্ৰীমন্ত শংকৰদেৱে আদি দশমত এনেদৰে বৰ্ণনা কৰিছে—

শৰৎ কালৰ ৰাতি অতি বিতোপন
বহুবিধ পুষ্পে বিকশিত বৃন্দাবন
দেখি যোগমায়া বলে হৰিয়ে অহিত
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত্ত।

শ্ৰীকৃষ্ণ কেন্দ্ৰিক ৰাসলীলাই আৰ্য হিন্দুসকলৰ মনত বৈষ্ণৱ ধৰ্ম সংস্কৃতিৰ এক নিৰ্মোহ নিদৰ্শনেৰে আধ্যাত্মিকতাবাদৰ এক গোপন তত্ত্ব বিকশাই তুলিছে। এই পৃথিৱীৰ সকলো জীৱ ভগৱানৰ মায়াৰ অধীন। ভক্তসকলে শ্ৰীকৃষ্ণৰ চৰণত সকলো সমৰ্পণ কৰি জীৱৰ সুখ আৰু শান্তি বিচাৰিছে। শ্ৰীকৃষ্ণৰ ভকতিয়ে মানুহৰ মনৰ অন্ধকাৰ দূৰ কৰি অমৃতময় প্ৰেমৰ সজীৱ ধাৰা হৃদয়লৈ বোৱাই আনে।

এহিমতে সিটো শৰতৰ গুণে
আমোদিত বৃন্দাবন
গুৰু গোপীগণ সবে ভ্ৰমে ততে
আনন্দে নন্দ নন্দন।।

বিষ্ণুপুৰাণ, হৰিবংশ, ভাগৱত পুৰাণ, ব্ৰহ্মবৈবৰ্ত পুৰাণ আদিতো ৰাসলীলাৰ বিবিধ মনোৰম বৰ্ণনা পোৱা যায়। মহাপুৰুষ শংকৰদেৱৰ ৰাসক্ৰীড়াৰ তাৎপৰ্য্য আৰু বৰ্ণনা আদ্য দশম, কীৰ্তন আৰু কেলিগোপাল নাটত অতি সূক্ষ্ম আৰু সুন্দৰভাৱে বৰ্ণনা কৰিছে। একান্ত ভক্তি আৰু আত্মোৎসৰ্গৰ দ্বাৰাহে ভগৱানক পাব পাৰি, উপভোগৰ ঐশ্বৰ্য্যৰে পাব নোৱাৰি এই কথা ৰাসক্ৰীড়াত প্ৰতিষ্ঠাপিত হৈছে। বৈষয়িক সুখ-সম্ভোগ আৰু মায়াৰ দ্বাৰা সকলোকে যে বশ কৰিব নোৱাৰি এই কথাও ৰাসক্ৰীড়াত প্ৰতিপন্ন হৈছে। গোপীসকলৰ দৈহিক সৌন্দৰ্য্য প্ৰেম বা মায়াই শ্ৰীকৃষ্ণক বশ কৰিব পৰা নাছিল, বৰং শ্ৰীকৃষ্ণৰ লীলাতে গোপীসকল উদ্বাউল আৰু আকৰ্ষিত হৈ পৰিছিল। শ্ৰীমন্ত শংকৰদেৱেও এই কথা ব্যাখ্যা কৰিছে—

নাপাৰে গোপীগণ মুহিতে কৃষ্ণক
ছায়ায়ে সহিতে যেন ওমলে বালক।।

সংস্কৃত শ্ৰীমদ্ভাগৱতৰ ৰাসলীলা উপসংহাৰ শ্লোকত বৰ্ণনা কৰিছে— "সৰ্বা শৰত কাব্য কথা ৰসাশ্ৰয়া" শৃংগাৰ ৰসৰ উদ্দীপক উৎস হিচাপেও শৰৎ কালৰ বৰ্ণনা আছে। শ্ৰীমন্ত শংকৰদেৱে বহু সময়ত ৰাসক্ৰীড়া বৰ্ণনা কৰে যদিও সৰ্বশেষত শ্ৰীকৃষ্ণৰ উপলব্ধিৰ আধ্যাত্মিক ভক্তিৰসৰ স'তে এক অদেখা সংযোগ অব্যাহত ৰাখিছে। 'কেলিগোপাল' নাটত শৃংগাৰ ৰসৰ অনুপম উপলব্ধিৰ মাজেৰে শ্ৰীকৃষ্ণৰ প্ৰতি পবিত্ৰ ভক্তি প্ৰকাশ কৰা দেখা যায়। বৃন্দাবনত যেতিয়া

https://howlyraasmahotsav.org/

শ্ৰীকৃষ্ণৰ মধুৰ বাঁহী বাজে গোপীসকলৰ দেহ-মন চেতনা ৰোমাঞ্চিত হৈ পৰে আৰু ঘৰৰ সকলো কাম-কাজ ত্যাগ কৰি বিশৃঙ্খল কাপোৰেৰে উধাতু খাই জোনাকৰ বৰষুণ সৰা যমুনা বালিচৰত শ্ৰীকৃষ্ণক বিচাৰি ফুৰে। শ্ৰীকৃষ্ণই গোপীসকলক নিজৰ পতি-পুত্ৰৰ শুশ্ৰূষা আৰু কৰ্তব্যৰ প্ৰতি দায়িত্ব সোঁৱৰাই দি কয়— উপপতিৰ মতে ক্ৰীড়া অতি গৰিহিত কৰ্ম, স্বামীৰ শুশ্ৰূষা কুলস্ত্ৰীৰ ধৰ্ম আদি বিভিন্ন উপদেশ দি নিজ নিজ ঘৰলৈ যাবলৈ কয়। কিন্তু গোপীসকলে শ্ৰীকৃষ্ণৰ সান্নিধ্য এৰি যাবলৈ প্ৰস্তুত নহয় বুলি কয়। ঘৰলৈ উভতি যাবলৈ অসন্মতি প্ৰকাশ কৰি গোপীগণে কয়— 'তুমি আত্মা হেন জানি সম্প্ৰতি তোমাতেসে কৰোঁ ভকতি ৰতি।' তথাপি শ্ৰীকৃষ্ণই গোপীসকলক ক'বলৈ ধৰিলে যে গোপীসকলক তেওঁলোকৰ পিতৃ-মাতৃ, পুত্ৰ-কন্যাই তেওঁলোকক বিচাৰি ফুৰিব। কেঁচুৱাবোৰে কান্দিব, স্বামীয়ে খং কৰিব, বান্ধি থোৱা গৰু পোৱালিবোৰে হেম্বেলিয়াব আদি কৰি বহুতো বিপদ ঘৰত ঘটিব। সেইবাবে শ্ৰীকৃষ্ণই গোপীসকলক অলপো পলম নকৰি ঘৰলৈ যাবলৈ উপদেশ দিয়ে—

স্বামীৰেসে সেৱা কুলস্ত্ৰীৰ মহাধৰ্ম
পুত্ৰসবে পুৰিব কৰিয়া গৃহকৰ্ম।।

এসময়ত গোপীসকলে কাত্যায়নী দেৱীৰ ওচৰত শ্ৰীকৃষ্ণক পতিৰূপে পাবলৈ প্ৰাৰ্থনা কৰিছিল। যিহেতু শ্ৰীকৃষ্ণ প্ৰাপ্তিয়ে গোপীসকলৰ মুখ্য উদ্দেশ্য আছিল সেইবাবে গোপীসকলে যিকোনো উপায় অৱলম্বন কৰি কৃষ্ণক পাবলৈ চেষ্টা কৰিছিল। অৱশেষত শ্ৰীকৃষ্ণই গোপীসকলৰ মনৰ ভাব বুজিব পাৰি সিহঁতৰ মনোকামনা পূৰ্ণ কৰিবলৈ স্থিৰ কৰে। ভগৱান শ্ৰীকৃষ্ণই গীতাত কৈছে— 'ভক্তই মোক যিভাৱে ভজন কৰে, মই সেইভাৱে তেওঁলোকৰ বাসনা মনোকামনা পূৰ্ণ কৰোঁ।' ৰাসলীলাত ভক্তিৰ ৰতি ভাৱৰ ফলশ্ৰুতিৰ বাবে শৃংগাৰ ৰস প্ৰকট হৈ উঠিছিল। বিখ্যাত আলংকৰিক বিশ্বনাথৰ মতে প্ৰিয় বস্তুৰ প্ৰতি মানুহৰ সহজ অনুৰাগ থাকে, ব্ৰজধামৰ গোপীসকলৰ সবাতোকৈ প্ৰিয় আৰু কাম্য হৈছে শ্ৰীকৃষ্ণৰ সান্নিধ্য। এই প্ৰেম কীৰ্তনত এনেদৰে বৰ্ণনা কৰিছে—

বাহুমেলি ককো আলিঙ্গি ধৰি
কৰে তন নখ পৰশে হৰি।
আনন্দ গোপীৰ বঢ়ায়া কাম
ৰমিলা গোপীনাথ অবিশ্ৰাম।।

গোপীসকলৰ শ্ৰীকৃষ্ণৰ সতে ৰমণ কৰাৰ সৌভাগ্য হোৱাত মনে মনে গোপীসকলৰ গৰ্ব আত্ম-অভিমান বাঢ়ে। তেওঁলোকে ভাবিবলৈ ধৰিলে—

কৃষ্ণকো কৰিলো বশ্য ৰূপে গুণে জিনি
আমাৰ সমান আন নাহি সৌভাগিনী।।

এই কথা অন্তৰ্যামী শ্ৰীকৃষ্ণই গম পোৱাত ৰাসক্ৰীড়াৰ মাজৰ পৰা তৎমুহূৰ্তে অন্তৰ্ধান হ'ল। তেতিয়া গোপীসকলে কৃষ্ণক নেদেখি কৃষ্ণ কৃষ্ণ বুলি বিৰহ মনেৰে বৃন্দাবনত বিচাৰি ফুৰিবলৈ ধৰিলে। কামকেলি আধৰুৱা কৰি যোৱা কৃষ্ণক পাবলৈ গোপীসকলে বৃন্দাবনৰ গছ-লতা, পশু-পক্ষী, নদ-নদী আদি সকলোকে সুঁৱৰি প্ৰাৰ্থনা কৰিবলৈ ধৰিলে—

বহল মণ্ডলাকাৰে হুৱা শাৰী
কৃষ্ণক প্ৰাৰ্থিবে লৈলা য'ত গোপ নাৰী।।

শেষত গোপীসকলৰ কাতৰ প্ৰাৰ্থনাত শ্ৰীকৃষ্ণৰ দয়া উপজিল আৰু মোহন মূৰ্তি ধৰি বেকত হ'ল। সকলো গোপীয়ে শ্ৰীকৃষ্ণৰ কাষলৈ দৌৰি গ'ল— আলিংগন বিচাৰি।

সবেয়ো বোলয় মোকেসে আলিঙ্গি
আছন্ত স্বামী মুৰাৰী
বদন প্ৰকাশে পৰম উল্লাসে
কৰে নৃত্য গোপ নাৰী।।

এনেদৰে গোপীসৱে শ্ৰীকৃষ্ণৰ সান্নিধ্য লাভ কৰি শ্ৰীকৃষ্ণৰ ভাৱত তন্ময় চিত্তেৰে শ্ৰীকৃষ্ণৰ সতে অভিন্ন হৈ পৰে। শ্ৰীকৃষ্ণৰ ৰাসলীলাত কামজয় কৰাটোৱে প্ৰকৃত তত্ত্ব। গোপীৰূপী জীৱ হ'ল আত্মা আৰু পৰম ব্ৰহ্ম শ্ৰীকৃষ্ণ হ'ল পৰমাত্মা। আত্মা আৰু পৰমাত্মাৰ মিলনে হৈছে ৰাস। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কীৰ্তনত কৈছে—

ইটো ৰাসক্ৰীড়া কেলি নামে কামজয়
কৰিলা ভূত্যৰ পদে কৃষ্ণ কৃপাময়।।
আক শুনে ভণে যিটো জনে অবিশ্ৰাম
বাঢ়িব ভকতি অতি জিনিবেক কাম।

লৌকিক দৃষ্টিত গোপীসকলে নিজ পতিক এৰি শ্ৰীকৃষ্ণক ভজাটো ব্যভিচাৰ যেন লাগে। কিন্তু ৰাসলীলা শৃংগাৰ ছলহে মাথোন। শ্ৰীকৃষ্ণই বৃন্দাবনত যি লীলা প্ৰকট কৰিছিল তাত কামভাৱৰ অলপো বাসনা নাছিল। কাৰণ ভগৱান শ্ৰীকৃষ্ণ হৈছে পূৰ্ণকাম পতিত পাৱন। মহাপুৰুষ শংকৰদেৱেৰেও কীৰ্তনঘোষাত কৈছে—

পৰম ঈশ্বৰে কৰে অকৰ্ম
তেজস্বীত কিছু নাম অধৰ্ম।।
সৰ্বভক্ষে বহ্নি সবাকে শোষে

https://howlyraasmahotsav.org/

তথাপিতো কিছু নোছেৰে দোষে।।

যি ইন্দ্ৰিয়ক দমন কৰিব পাৰে, যি অহং শূন্য তেৱেঁই তেজস্বী, তেওঁৱেঁই ঈশ্বৰ। সকলো জীৱাত্মাৰ একমাত্ৰ গতি পৰমাত্মা। একমাত্ৰ সত্য হৈছে পৰমাত্মা। পৰমাত্মা প্ৰাপ্তি হৈছে আত্মাৰ অবিৰত যাত্ৰাৰ সৰ্বশেষ লক্ষ্যকেন্দ্ৰ। শুকদেবৰ মতে ভগৱান শ্ৰীকৃষ্ণ যি হেতুকে সকলো জীৱৰ আত্মাত অন্তৰ্যামী ৰূপে বিৰাজ কৰে, গতিকে জগতৰ সকলোৰে অন্তৰত তেওঁ বিৰাজমান। গতিকে গোপীসকলৰ অন্তৰতো তেওঁ বিৰাজমান। গোপীসকলক স্থূল দৃষ্টিত পৰস্ত্ৰী যেন লাগিলেও গোপীসকল পৰস্ত্ৰী নহয়। যেতিয়া কৃষ্ণ চৈতন্য আৰাধ্য হিয়াত প্ৰবেশ কৰে তেতিয়া আত্মাই আধ্যাত্মিকতালৈ উত্তৰণ কৰে। ৰাসক্ৰীড়াত শৃংগাৰ ৰসৰ মাজেৰে ভক্তি ৰসৰ নদী বৈ আহিছে। ৰসৰ ভাণ্ডাৰ কৃষ্ণৰ সান্নিধ্য লভি গোপীসকলে পৰমানন্দ পাইছিল। কাৰণ ব্ৰজধামবাসীয়ে শ্ৰীকৃষ্ণক বিশ্ব ব্ৰহ্মাণ্ডৰ স্বামী ৰূপে বিশ্বাস কৰিছিল—

এহিমতে কৃষ্ণক চিন্তিতে গোপীগণ
ভৈল অতি পৰম নিৰ্মল তনুমন।।

কাৰণ গোপীসকলে কাত্যায়নী দেৱীৰ ওচৰত কোনো জড়-জাগতিক বাসনা প্ৰাপ্তিৰ বাবে পূজা কৰা নাছিল। শ্ৰীকৃষ্ণ প্ৰাপ্তিয়ে আছিল পূজাৰ প্ৰধান আৰু মুখ্য উদ্দেশ্য। গতিকে প্ৰাপ্তিৰ বাবে ভক্তই যিকোনো পন্থা আদৰি লোৱাটো স্বাভাৱিক। সেয়ে গুৰুজনাই কীৰ্তনত লিখিছে—

ইটো ৰাসক্ৰীড়া কেলি কামজয়
কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময়।।

উপনিষদতো কোৱা হৈছে— 'ব্ৰহ্ম আনন্দ স্বৰূপ' আনন্দৰ দ্বাৰা জীৱ জীয়াই থাকে। আনন্দৰ উৎস অভিমুখে জীৱই গমন কৰে আৰু আনন্দত বিলীন হয়। গতিকে গোপী আৰু কৃষ্ণৰ মাজত হোৱা প্ৰেম ভক্তিপ্ৰেমলৈ ৰূপান্তৰিত হোৱা কাৰ্য্যক অপাপ প্ৰেমৰ এক অমৃতময় ফলশ্ৰুতি বুলি ক'ব পাৰি। শ্ৰীকৃষ্ণই গোপীসকলৰ ভক্তিৰ বহুবাৰ পৰীক্ষা কৰি চাইছিল। প্ৰতিটো পৰীক্ষাতে গোপীসকল সৰ্বত্যাগী ভক্ত হিচাপে পৰিগণিত হৈছিল। শ্ৰীমন্ত শংকৰদেৱে কীৰ্তনত কৈছে—

সমস্ত বিষয় এড়িয়া স্বামী
ভজিলো তোমাৰ চৰণে আমি।।

ৰাসলীলাৰ সময়ত শ্ৰীকৃষ্ণই বহুজন হৈ প্ৰতিজন গোপীৰ সত্বে সমানে নৃত্য কৰিছিল। প্ৰতিজন গোপীয়ে ভাবিছিল যে কৃষ্ণ কেৱল তেওঁৰ স'তেহে নৃত্য কৰিছিল। অন্যফালে গোপীসকলৰ স্বামীবোৰেও নিজৰ বিছনাতে গোপীসকলক শয্যাসংগী ৰূপে পাইছিল। অৱশ্যে এই সকলোবোৰ শ্ৰীকৃষ্ণই যোগমায়াৰ প্ৰভাৱৰ দ্বাৰা সম্ভৱ কৰি তুলিছিল। এই যোগমায়া নামৰ অচিন্ত্য শক্তিৰ সহায়ত শ্ৰীকৃষ্ণই ৰাসলীলাত পাতনি মেলিছিল বৃন্দাবনত—

দেখি যোগমায়া বলে হৰিষে তহিত
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত্ত।

শ্ৰীকৃষ্ণ নিজে পূৰ্ণকাম। সেইবাবে তেওঁৰ কাম ভাব থকা বা ৰমণৰ ইচ্ছা থকাটো সম্ভৱ নহয়। এয়া কামজনিত ৰমণ নহয় মায়া উদ্ভূত ৰমণহে মাত্ৰ। ঘোষাতো কৈছে—

চৈতন্য শক্তি দ্বাৰে ইটো জড় জগতক
ৰমাবন্ত কৰ্ম অনুৰূপ।

সম্পূৰ্ণভাৱে সমৰ্পিতা গোপীসকলক আনন্দ সুখ দিয়াই শ্ৰীকৃষ্ণৰ ৰমণ ক্ৰিয়া। এই ৰমণত জীৱ-জন্তুৰ দৰে কোনো বহিঃক্ৰিয়া নাই। ইয়াত মিলনৰ আনন্দহে আছে। 'ৰস' ধাতুৰ অৰ্থ আনন্দ প্ৰদান কৰা। গতিকে ৰাসক্ৰীড়াত অনুকৰণ, সাধাৰণ মানুহৰ বাবে প্ৰযোজ্য হ'ব নোৱাৰে। ইয়াত শ্লীল বা অশ্লীল স্বাৰ্থ বা পৰকীয়া প্ৰেমৰ কথা নাহে। শিৱই বিষপান কৰিছিল আৰু নীলকণ্ঠ হৈছিল। কিন্তু সাধাৰণ মানুহে বিষপান কৰিলে মৃত্যু নিশ্চিত। গতিকে এনেকুৱা কাৰ্য্য পূৰ্ণকাম শ্ৰীকৃষ্ণৰ ক্ষেত্ৰত সম্ভৱপৰ। গোপীসকলে পৰমাত্মা স্বৰূপ ভগৱান শ্ৰীকৃষ্ণৰ মতে ৰমণ কৰা কাৰ্য্যক মহাৰস বুলিও ক'ব পাৰি। ভক্তি সাধনাৰ দ্বাৰা গোপীসকলে পাৰ্থিৱ সম্বন্ধৰ অৰ্থহীনতা সম্পূৰ্ণভাৱে উপলব্ধি কৰি পৰম সত্যৰ কথা অৱশেষত বুজি পাইছিল। শংকৰদেৱে লিখিছে—

ইটো ৰাস ক্ৰীড়া কথা কৃষ্ণৰে
একান্ত চিত্তে গুণে যিটো নৰে।
কৃষ্ণ ভকতি বাঢ়িব তাৰে
কাম সাগৰে সুখে হৈবে পাৰ।।

গোপীসকলে বুজিলে কৃষ্ণপদ পংকজ অবিহনে "ধৰ্ম অৰ্থ কাম মোক্ষ" সম্ভৱ নহয়। এনেদৰে নানা ক্ৰীড়া কৰি শ্ৰীকৃষ্ণৰ লগত গোপীসকল এক পৰম আনন্দত বিলীন হৈ গ'ল। বৰ্তমান সময়তো সমৰ্পিত ভক্তসকলৰ মাজত ৰাসলীলাৰ আধ্যাত্মিক দৰ্শন আৰু ভক্তিভাৱৰ নিগূঢ় তত্ব প্ৰাসংগিক হৈ আছে। আজিও শ্ৰীকৃষ্ণৰ এই অপাৰ লীলা শৰতৰ শুভ জোনাকৰ দৰে ভক্তসকলৰ হিয়াত উজলি আছে আৰু হয়তো অনন্ত কাললৈ থাকিব। শ্ৰীকৃষ্ণৰ ভক্তিয়ে পৰমাত্মাৰ স'তে লীন

https://howlyraasmahotsav.org/

হ'বলৈ আত্মাক জগাই তোলে আৰু এই মায়াময় সংসাৰ সাগৰৰ পৰা উদ্ধাৰ পাবলৈ হৃদয়ত হৰিনাম ৰস বোবাই দিয়ে। যিকোনো মানুহে একান্ত ভক্তিৰে শ্ৰীকৃষ্ণৰ চৰণত আত্মনিবেদন কৰিলে তেওঁৰ সান্নিধ্য লাভ কৰিবলৈ সমৰ্থ হয়। মহাপুৰুষ শংকৰদেৱে কৈছে—

"বোলা হৰি নাম মুকুন্দ মুৰাৰী
বিনাহৰি নামে ভৱ তৰিতে নাপাৰি"

ৰাসলীলা সম্বন্ধে বিভিন্নজনে বিভিন্ন মত প্ৰকাশ কৰিলেও পৰমাত্মাৰ স'তে আত্মাৰ মহা-মিলন হ'ল ৰাস। ভাগৱতত ৰাসলীলাৰ বৰ্ণনা প্ৰথমে কৈছে— এই লীলা অলৌকিক। বিষ্ণুপুৰাণৰ মতে শ্ৰীকৃষ্ণই ৰাস অনুষ্ঠিত কৰিছিল গোপীসকলৰ স'তে শৰৎ কালত। শ্ৰীধৰ স্বামীয়ে কৈছে বহু নৰ্তকী মিলি কৰা নৃত্য বিশেষৰ নাম হ'ল ৰাস। পুৰাণতো ৰাস উৎসৱৰ বিষয়ে উল্লেখ আছে। টীকাকাৰ শংকৰৰ মতে ৰাস হ'ল বৃত্তাকাৰে উপস্থাপন কৰা নাচ য'ত আঠ, যোল্ল বা বত্ৰিছজনক লৈ নৃত্য অনুষ্ঠিত কৰে। কীৰ্তন ঘোষাত উল্লেখ থকা মতে ৰসৰ আস্বাদনেই হৈছে ৰাস। গুৰুজনাৰ কীৰ্তন ঘোষাত থকা ৰাসক্ৰীড়া খণ্ড এক ঐশ্বৰ্যময় ৰস সৃষ্টি কৰিব পৰা নিপুণ শিল্পকৰ্ম বুলি ক'ব পাৰি। শংকৰদেৱৰ ধৰ্মৰ মূল কেন্দ্ৰবিন্দু হ'ল শ্ৰীকৃষ্ণৰ আদৰ্শ আৰু গুৰুজনাই আত্মা-পৰমাত্মাৰ মিলনৰ মাজেৰে ভক্তিৰসৰ শ্ৰেষ্ঠতম সৃষ্টি কৰি জনগণক বৈষ্ণৱমুখী কৰিবলৈ সমৰ্থ হৈছিল। সদায় ভক্তৰ অধীন ভগৱান। সেইবাবে ভক্তসকলে ভগৱানক যি ৰূপে বিচাৰে সেই ৰূপত ভক্তি সাধনাৰে পাব পাৰে। যেতিয়া গোপিনীসকলে বুজিলে শ্ৰীকৃষ্ণ হ'ল ত্ৰিজগতৰ পতি। কোনো মায়াৰে ভগৱানক বান্ধি ৰাখিব নোৱাৰে। যেতিয়া গোপীসকলে শ্ৰীকৃষ্ণৰ চৰণত স্তুতি কৰিব ধৰিলে আৰু 'য'ত গোপী ত'ত কৃষ্ণ' হৈ গোপীসৱৰ অভিলাষ পূৰ্ণ কৰিবৰ বাবে ৰাসলীলা আৰম্ভ কৰিলে। বিভিন্নজনে ৰাসক্ৰীড়া অধ্যায়ত অশ্লীলতা থকা বুলি ক'ব খুজিলেও তাত্ত্বিক দৃষ্টিৰে বিশ্লেষণ কৰিলে কামনা জয় কৰি পৰমাত্মাৰ মতে বিলীন কৰিব পৰাটোহে ৰাসক্ৰীড়াৰ প্ৰকৃত উদাহৰণ হিচাপে চিহ্নিত। কাম হ'ল বাসনা আৰু প্ৰেম হ'ল ঐশ্বৰ্যময় স্বৰ্গীয় অনুভূতি। উল্লেখ থকা মতে ৰসৰ আস্বাদনেই হৈছে ৰাস। গুৰুজনাৰ কীৰ্তন ঘোষাত থকা ৰাসক্ৰীড়া খণ্ড এক ঐশ্বৰ্যময় ৰস সৃষ্টি কৰিব পৰা নিপুণ শিল্পকৰ্ম বুলি ক'ব পাৰি।

যেতিয়া গোপিনীসকলে বুজিলে শ্ৰীকৃষ্ণ হ'ল ত্ৰিজগতৰ পতি। কোনো মায়াৰে ভগৱানক বান্ধি ৰাখিব নোৱাৰে।

শ্ৰীমন্ত শংকৰদেৱৰ ৰাসলীলা বৰ্ণনাত অকল ভক্তি ৰাস নাছিল লেখাৰ প্ৰতিটো শাৰীত থকা কাব্যিক সৌন্দৰ্যও পাঠকক বহু পৰিমাণে আকৰ্ষণ কৰে। লক্ষ্মীনাথ বেজবৰুৱাদেৱে লিখিছে— 'ভাষাৰ লালিত্য ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য ভাষাৰ মাধুৰ্য ভক্তিৰ দৃঢ়তা চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ কীৰ্তন ৰচিত'। শংকৰদেৱৰ 'কীৰ্তন ঘোষা' অসমীয়া সাহিত্যৰ এক অন্যতম কীৰ্তি। অসমৰ বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ ভিতৰত শংকৰদেৱৰ 'কীৰ্তন ঘোষা' শ্ৰেষ্ঠ মাইলৰ খুঁটি বুলি ক'ব পাৰি। সম্প্ৰতি পৃথিৱীৰ সৰ্বতে হত্যা হিংসা ধৰ্ষণ শোষণ নিপীড়নৰ পাশৱিক তাণ্ডৱ চলিছে। গতিকে মানুহৰ মনত শুভ বুদ্ধি শুভ চিন্তাৰ উন্মেষ ঘটাবলৈ হৰিনামৰ শ্ৰৱণ কীৰ্তন অতি প্ৰয়োজন বুলি বিশ্বাস কৰোঁ। আহক আজি সকলোৱে মিলি জোনাকী আকাশৰ তলত হেৰাব খোজা মানৱতাৰ পতাকাখন তুলি ধৰিবলৈ চেষ্টা কৰোঁ। সকলোকে শান্তি, প্ৰেম আৰু নিৰাপত্তা প্ৰদানৰ বাবে কৃষ্ণভক্তিৰে আলোকিত কৰোঁ বিষাদ আন্ধাৰ মন। এয়ে হওঁক অনাগত জীৱন যুঁজৰ অমৃতময় পণ।

"শুনিয়োক সৰ্বজন কৃষ্ণৰ অৰ্পিয়ো মন
কৃষ্ণৰ কথা দিয়া চিত
বুজিবা শাস্ত্ৰৰ মৰ্ম আতপৰে নাহি ধৰ্ম
ইটো মহা দুৰ্ঘোৰ কলিত।।"

https://howlyraasmahotsav.org/

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু তেওঁৰ অমৰ সৃষ্টি 'ইয়াৰুইংগম'

নৃপেন্দ্ৰ পূজাৰী

১৯২৪ চনৰ ১৪ অক্টোবৰত শিৱসাগৰৰ চক্ৰাই চাহ বাগিচাত জন্মগ্ৰহণ কৰা ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য অসমৰ প্ৰথমগৰাকী জ্ঞানপীঠ বঁটাৰে সন্মানিত সাহিত্যিক। সেই বঁটাৰে তেওঁ অসম তথা ভাৰতৰ ইতিহাসত অসমৰ জয়গান গাব পৰা গৌৰৱৰ যি বৰদেউল সাজি থৈ গৈছে তাৰ কলচীটো আজিও জলমলাই আছে আৰু চিৰদিন জলমলাই থাকিব। অকল সেয়াই নহয় ১৯৭৯ চনত 'মৃত্যুঞ্জয়' উপন্যাসৰ বাবে জ্ঞানপীঠ বঁটাৰে সন্মানিত হোৱাৰ পূৰ্বে ১৯৬১ চনত তেওঁ 'ইয়াৰুইংগম' উপন্যাসৰ বাবে সাহিত্য অকাডেমি বঁটাও লাভ কৰি অসম তথা ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। অৱশ্যে বঁটাপ্ৰাপ্ত এই উপন্যাস দুখনৰ উপৰিও তেওঁ ৰাজপথে 'ৰিঙিয়ায়', 'শতঘ্নী', 'আই' সমন্বিতে প্ৰায় একুৰিৰো অধিক উৎকৃষ্ট মানৰ উপন্যাস, গল্প, কবিতা, নাটক, জীৱনী, ভ্ৰমণ কাহিনীৰ উপৰিও কেইখনমান অনুবাদ গ্ৰন্থ আৰু সাহিত্য আৰু সংস্কৃতি বিষয়ক গ্ৰন্থও ছপা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰি থৈ গৈছে। শিশু সাহিত্যৰ জগতখনো তেওঁ স্পৰ্শ নকৰাকৈ থকা নাই। অনুবাদ সাহিত্য শিতানতো তেওঁৰ প্ৰিয় লেখক হেমিংৱেৰ দেৱ দুন্দুভি বাজে কাৰ বাবে, কৌশাম্বীৰ ভাৰতৰ ইতিহাস, শৰৎচন্দ্ৰৰ পৰিণিতা সুন্দৰ অনূদিত গ্ৰন্থ। তদুপৰি শ্ৰীঅৰবিন্দ, চন্দ্ৰ নাথ শৰ্মা, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি জীৱনী লিখা ড° ভট্টাচাৰ্যৰ অনূদিত গ্ৰন্থখন অসমীয়া সাহিত্যৰ এটুকুৰা চেঁকুৰা সোণ বুলি অভিহিত কৰিব পৰা যায়। সেইদৰে কবিতা প্ৰসংগত কোৱা হয় যে তেওঁ আচলতে কবি প্ৰজাপতি আছিল আৰু সেইবাবেই 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি'ৰ দৰে যুগমীয়া কবিতাৰ সৃষ্টি কৰিব পাৰিছিল, যি কবিতা এসময়ত আবৃত্তিৰ আকণ্ঠ প্ৰতিযোগিতা চলিছিল বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত। আজিও চলি আছে। একেদৰে ভ্ৰমণ কাহিনী গ্ৰন্থৰ কথা ক'বলৈ হ'লে তেওঁ ১৯৬৮ চনত কৰা ৰুছ ভ্ৰমণৰ অভিজ্ঞতাৰ ভিত্তিত লিখা আৰু ১৯৭৫ চনত ছপা কৰা 'সীমাই আমনি কৰে' গ্ৰন্থখন তেওঁৰ প্ৰথম ভ্ৰমণ কাহিনী গ্ৰন্থ।

ছাত্ৰাবস্থাত প্ৰখৰ মেধাৰ পৰিচয় দিয়া বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই অসমীয়া, বুৰঞ্জী, ভূগোল আৰু সংস্কৃতত লেটাৰসহ সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত পঢ়িবলৈ আহি ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত নামি প্ৰমত্ত দেশাত্মবোধৰ বেদীত সমূহীয়া জাগৰণৰ প্ৰাণ প্ৰতিষ্ঠাৰ বাবে ৰামমনোহৰ লোহিয়াৰ আদৰ্শত দীক্ষিত হয়। ইয়াৰ মাজতে কটন কলেজৰ পৰাই আই. এছ. চি, বি. এছ. চি পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত এম এ পৰীক্ষাত উত্তীৰ্ণ হয় আৰু তাৰ পিছত একেখন বিশ্ববিদ্যালয়ৰ পৰাই 'অসমীয়া সাহিত্যত ব্যংগ আৰু হাস্যৰস' বিষয়ত পি এইচ্ ডি ডিগ্ৰী অৰ্জন কৰে।

সাংবাদিকতাৰে কৰ্ম জীৱন আৰম্ভ কৰা বীৰেন্দ্ৰ কুমাৰ উট্টাচাৰ্যই কলিকতাৰ পৰা প্ৰকাশিত আৰু মাধৱ বেজবৰুৱা সম্পাদিত 'বাঁহী' আৰু ইংৰাজী কাকত

https://howlyraasmahotsav.org/

'Advance'ৰ সহাকাৰী সম্পাদক (১৯৪৫-৪৬), গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক অসমীয়াৰ বাৰ্ত্তা সম্পাদক (১৯৪৭-৪৯), 'সাপ্তাহিক জনতা' কাকতৰ বাৰ্ত্তা সম্পাদক (১৯৪৯-৫০) আদিৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব বহন কৰিছিল। ইয়াৰ পিছত 'ৰামধেনু'ৰ সম্পাদনা (১৯৫২-৬৩)ৰে অসমীয়া সাহিত্যৰ এটি যুগ আৰু সম্প্ৰদায় (School) নিৰ্মাণ কৰিবলৈ সক্ষম হৈছিল। স্বৰাজোত্তৰ এই যুগৰ প্ৰতিনিধি স্বৰূপে ৰামধেনুৰে মাতত গলগলীয়া, শব্দত আঁৰ নলগা, ভাষা সৰ্গৰীয়া, লেখা বৈ যোৱা, মুক্ত আৰু মূৰ্ত প্ৰকাশভংগীৰে ওলাই আহিবলৈ প্ৰেৰণা যোগাইছিল। সৌৰভ কুমাৰ চলিহা, নৱকান্ত বৰুৱা, হোমেন বৰগোহাঞি, চন্দ্ৰপ্ৰসাদ শইকীয়া, ড° লক্ষ্মীনন্দন বৰা, হেম বৰুৱা, মহিম বৰা, নীলমণি ফুকন আদি লেখকসকলক। সম্পাদকীয় স্তম্ভই সাহিত্যৰ লগতে ৰাজনীতি, সমাজনীতি, বিজ্ঞান, দৰ্শনেৰে অসমীয়াক সাহে-পিতে গদাধৰ কৰাৰ প্ৰযত্ন কৰা দেখা যায়।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ৰচনাত ব্যৱহৃত ভাষা সন্দৰ্ভত মন্তব্য দিবলগীয়া হ'লে স্বীকাৰ কৰিব লাগিব যে তেওঁৰ গল্প, উপন্যাস আদিত আংগিকতকৈ বক্তব্যৰ প্ৰাধান্য ঘনীভূত হোৱাত ভাষা সততে উপযোগীবাদী হৈ পৰা দেখা যায়। সেইফালৰ পৰা চাবলৈ গ'লে তেওঁৰ সেই দৰ্শনেই তেওঁৰ ভাষাক অইন লেখকৰ ভাষাৰ পৰা পৃথক কৰিছে আৰু ব্যতিক্ৰমীও কৰি তুলিছে। যেনে— 'নামঘৰত সোমাবলৈও তাত গোসাঁই মহন্তৰ প্ৰতিপত্তি। ধৰ্মত বামুণৰ অধিকাৰ। এমুঠিমান মানুহে পুৰুষানুক্ৰমে সকলো ভোগ কৰিছে আৰু আমালৈ থৈছে উচ্ছিষ্টখিনি।' (মৃ.১০০)। নিৰলংকাৰ বাক্যকেইটাত তেওঁ গ প ধ আদি কঠিন ধ্বনি প্ৰয়োগ কৰিছে ভাৱৰ গভীৰতা বুজাবলৈ। অসমৰ তদানীন্তন গাঁৱৰ চিত্ৰ পূৰামাত্ৰাই সমাজমুখী হৈছে আৰু ভাষাই সূক্ষ্ম ব্যঞ্জনা লাভ কৰিছে। ইয়াৰ উপৰিও সমাজৰ প্ৰতি দায়বদ্ধ লেখক হিচাপে তেওঁ মানৱচিত্ত আৰু সমাজচিত্তৰ দৰ্পণৰূপে ভাষাক প্ৰতিষ্ঠা কৰিছে। সমাজৰ প্ৰগতিৰ লগত ভাষাৰ পৰিৱৰ্তনৰ অনিবাৰ্যতাও যিদৰে লক্ষ্য কৰিছিল সেইদৰে কেন্দ্ৰীয় ভাষা বিজ্ঞানৰ Central linguistics প্ৰতিও তেওঁ সচেতন আছিল। সেইবাবে কেন্দ্ৰীয় ভাষাবিজ্ঞানৰ আধাৰত তদানীন্তন সমাজৰ বাস্তৱ ৰূপ এটা নিৰ্মাণ কৰিবলৈও যত্ন কৰিছিল। যেনে---- আধা, ভয়পাদুৰা, মাৰৰ মুৰটো, মাৰে পোহা, তৰ্ধৰণি, দেৱাই, দিতি ৰজা (দুটি ৰজা), জেগা, কুৰ্বুধালি, মৰকুচীয়া, চেজাই, হাতীসকাম (ডাঙৰ কাম), ৰাই ৰুই, দোচোৰা, খেৰেস্তানি, চোস্তি, লৰজতে (লাচতে), বামুণালি, ছোৱাধীন, নিগুটি, উঘাট ইত্যাদি। সেইবুলি ভাষাৰ পৰিমাৰ্জিত ৰূপটোও তেওঁ অৱজ্ঞা কৰা নাই। চিন্তাশীল ৰচনাত উন্নত ভাৱৰ বাহক স্বৰূপে প্ৰকৰণগত জটিলতা থকা ভাষাও তেওঁ ব্যৱহাৰ কৰিছে। যেন— ক্ৰমশিৰ্ণা, শিৰ্ণা, বিশাললোচন দৃষ্টি, সংবৰ্ত্তক অগ্নি, আন্ধাৰ নহয় যেন ইন্দ্ৰজিতৰ নাগপাশ (মৃ. ১৪), আন্ধাৰত সকলোৰেই অন্ধ (মৃ. ১৯), ওখ গছতহে বতাহ লাগে (মৃ.৪৪), কালটো, একজতীয়া (মৃ. ৪৫), মনৰ সুঁতি নৈৰ সুঁতি একে (মৃ. ৪৫), মানুহৰ স্বভাৱো গছৰ গাৰ দৰে (মৃ. ৮৩), তুলনাবোৰ খোৰা (মৃ, ১০২) ইত্যাদি। অৱশ্যে এই বিষয়ে যথেষ্ট অধ্যয়ন কৰাৰ থল আছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই অসম সাহিত্য সভাৰ মজিয়াতো বলিষ্ঠ ভূমিকা পালন কৰা দেখা যায়। ১৯৮২ চনত ডিফুত অনুষ্ঠিত অধিৱেশনত তেওঁ এটা জাতীয় ন্যাস পুঁজি গঠনৰ আহ্বান জনায়। সেইমৰ্মে সভাই পঞ্চম প্ৰস্তাৱ যোগে এটা জাতীয় ন্যাসপুঁজি গঠন কৰে। ইয়াৰ পিছৰ বছৰত অৰ্থাৎ ১৯৮৩ চনত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সভাপতি আৰু ড° নগেন শইকীয়া প্ৰধান সম্পাদক নিৰ্বাচিত হয়। এই বৰ্ষটোত অসম সাহিত্যই সভাই নানা বিপত্তিৰ সন্মুখীন হ'বলগীয়া হৈছিল। কাৰণ সেই সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত চলি থকা অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত অসম সাহিত্য সভা প্ৰত্যক্ষভাৱে জড়িত হৈ অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ শৰাইঘটীয়া হ'বলৈ যোৱা আৰু একে উদ্দেশ্যে গঠিত অসম গণসংগ্ৰাম পৰিষদত যোগ দিয়াত ৰজাঘৰ ক্ষুণ্ণ হ'ল। ইয়াৰ উপৰিও অবৈধ নাগৰিকৰ নাম সন্নিবিষ্ট ভোটাৰ তালিকাৰে পাতিব খোজা নিৰ্বাচন আৰু আৰক্ষীৰ নিৰ্যাতন আদিৰ প্ৰত্যক্ষভাৱে বিৰোধিতা কৰাত ৰজাঘৰে ৰঙাচকু দেখুৱাই সভালৈ প্ৰতিবছৰে প্ৰদান কৰি অহা বাৰ্ষিক অনুদান বন্ধ কৰাৰ লগতে অধিৱেশনত সম্পূৰ্ণ অসহযোগ কৰিলে। আনকি অধিৱেশনৰ আগদিনা জনসাস্থ্য বিভাগে পানীৰ পাইপ পৰ্যন্ত উঠাই নিলে। ইয়াৰ উপৰিও শোভাযাত্ৰাৰ পথত শিলগুটি পেলাই

https://howlyraasmahotsav.org/

শোভাযাত্ৰাকাৰীৰ পথ ৰুদ্ধ কৰি শোভাযাত্ৰা বিফল কৰাৰ অপচেষ্টাৰ দৰে নিকৃষ্ট পন্থা গ্ৰহণ কৰিলে। পিছে এনে পৰিস্থিতি সত্ত্বেও সভাপতি আৰু প্ৰধান সম্পাদক ক্ৰমে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু নগেন শইকীয়াৰ চৰকাৰৰ ওচৰত নতি স্বীকাৰ নকৰা মনোভাৱৰ লগতে মাতৃভাষা প্ৰেমত উদ্ধাউল অসম তথা বঙাইগাঁওবাসী দৃঢ়মনা ৰাইজৰ অকুণ্ঠ সহায়-সহযোগৰ ফলত জাকজমকতা পৰিহাৰ কৰি হ'লেও অধিৱেশনৰ সফল সামৰণি পৰে আৰু চৰকাৰক চুঙা চাই সোপা দিবলৈ সক্ষম হ'ল। এয়াই অসমৰ সাহিত্যাকাশ শূন্য কৰি ১৯৯৭ চনত ৬ আগষ্টত আমাক এৰি যোৱা মহান সাহিত্যিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ চমু জীৱন গাঁথা।

'ইয়াৰুইংগম' সংবাদ ঃ অসমৰ বৰেণ্য সাহিত্যিকসকলৰ ভিতৰত অন্যতম ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ কাপেৰেই সৃষ্টি হোৱা ২৯৫ পৃষ্ঠাৰ কালজয়ী উপন্যাস 'ইয়াৰুইংগম' প্ৰকাশ হৈছিল ১৯৬০ চনৰ অক্টোবৰ মাহত আৰু অসমবাসীৰ বাবে বিৰল গৌৰৱ কঢ়িয়াই আনি পিছৰ বছৰতে অৰ্থাৎ ১৯৬১ চনত এই উপন্যাসখনৰ বাবে তেওঁ সাহিত্য অকাডেমি বঁটা লাভ কৰে। 'ইয়াৰুইংগম' হৈছে উত্তৰ-পূৰ্বাঞ্চলৰ নগা জনগোষ্ঠীৰ জীৱনধাৰাৰ আধাৰত আৰু স্বাধীনতাৰ সময়ৰ নগা জনগোষ্ঠীৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক চৰিত্ৰৰ মনোৰম প্ৰকাশ। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে অসমীয়া উপন্যাসত জনজাতীয় জীৱনধাৰাৰ সূচনা কৰিছিল উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে ১৮৯৫ চনত তেওঁৰ বিখ্যাত উপন্যাস 'মিৰি জীয়ৰী'ৰ জৰিয়তে। অৱশ্যে নগা জনগোষ্ঠীৰ জীৱনক অসমীয়া উপন্যাসত পোন প্ৰথমে দাঙি ধৰাৰ চেষ্টা কৰিছিল ঔপন্যাসিক কৈলাশ শৰ্মাই তেওঁৰ 'বিদ্ৰোহী নগাৰ হাতত' (১৯৫৮) উপন্যাসখনৰ জৰিয়তে। ১৯৮০ চনলৈ নগা জনগোষ্ঠীৰ ওপৰত চাৰিখন অসমীয়া উপন্যাস প্ৰকাশ হৈছিল। ইয়াৰ ভিতৰত তিনিখন কৈলাশ শৰ্মাৰ আৰু এখন বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ। কৈলাশ শৰ্মাৰ নগা জনজীৱনক লৈ লিখা আন দুখন উপন্যাস হৈছে — 'অনামী নাগিনী' (১৯৬৩) আৰু 'ডালিমীৰ স্বপ্ন' (১৯৭২)। ইয়াৰ পিছত ২০০৭ চনত প্ৰকাশ হোৱা অনুৰাগ মহন্তৰ 'আউলিঙৰ জুই'য়েও নগা জনগোষ্ঠীৰ জীৱনক চিত্ৰিত কৰা দেখা যায়। অৱশ্যে ইমানৰ পিছতো সকলোৱে একমুখে স্বীকাৰ কৰিব লাগিব যে ১৯৬০ চনত প্ৰকাশ হোৱা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ইয়াৰুইংগম' উপন্যাসখনহে নগা জনজীৱনৰ প্ৰকৃত দাপোণ স্বৰূপ আৰু অসমীয়া উপন্যাসসমূহৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ উপন্যাস।

'ইয়াৰুইংগম'ৰ নায়ক ৰিশ্বাং কেইছিং, নায়িকা খুটিংলা আৰু তেওঁলোকৰ ডাঙৰ ল'ৰা ইয়াৰুইংগম যে বাস্তৱ চৰিত্ৰ, মানে নায়কজন যে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা প্ৰাক্তন সাংসদ ৰিশ্বাং কেইছিং, নায়িকাজনী যে তেওঁৰ পত্নী খুটিংলা আৰু ইয়াৰুইংগম যে তেওঁলোকৰ ডাঙৰ ল'ৰা সেই কথা শেহতীয়াকৈ ড° ৰত্নোত্তমা দাস বিক্ৰমৰ 'ৰিশ্বাঙক বিচাৰি' শীৰ্ষক নিবন্ধটোৰ পৰাহে গম পোৱা গৈছে।

সাহিত্য সমালোচক ক্লাৰা ৰীভৰ ভাষাৰে ক'বলৈ হ'লে, 'উপন্যাস বাস্তৱ জীৱন, সমাজৰ ৰীতি-নীতি আৰু সমকালীন সময়ৰ প্ৰতিচ্ছবি স্বৰূপ।' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ইয়াৰুইংগমত ১৯৫১-৫২ চনত তেওঁ শিক্ষকতা কৰি থকা মণিপুৰৰ উখৰুলৰ টাংখুল নগা জনগোষ্ঠীৰ সমাজৰ ৰীতি-নীতি, সমাজ ব্যৱস্থা আৰু ৰাজনৈতিক অৱস্থাৰ বৰ্ণনা পোৱা যায়। ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ প্ৰাক মুহূৰ্তত টাংখুল নগাপ্ৰধান অঞ্চলটো জাপানী সৈন্যৰ অধীনত আছিল। সেই সময়ত জনসাধাৰণৰ বিচ্ছিন্নতাবাদী মনোভাৱ আৰু মহাত্মা গান্ধীৰ অহিংসা নীতিৰে শান্তি প্ৰতিষ্ঠা কৰিবলৈ বিচৰা মনোভাৱৰ দোমোজাত উপন্যাসৰ কাহিনীয়ে গতি লাভ কৰিছে। ৰাজনৈতিক ঘটনা, চৰিত্ৰৰ বাস্তৱিকতাই উপন্যাসখনৰ কাহিনী আৰু চৰিত্ৰ বিকাশত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। উপন্যাসখনত বহুতো চৰিত্ৰই কাহিনী বিকাশ তথা পৰিৱেশ সৃষ্টিত মুখ্য ভূমিকা গ্ৰহণ কৰিছে। সেই চৰিত্ৰসমূহৰ ভিতৰত চাৰেংলা, ৰিশ্বাং, খাটিং, ফানিটফাং, নাজেক, ঙাটিঙখুই, খুটিংলা, ভিডেচেলী, ডাঃ ধ্ৰুক, ইয়েংমাছ, অটিব, খাইখো, অমূল্য, অবিনাশ, জনাথন, জীৱন, চঞ্চল, শ্যামলী, কনচেং, বাৰামিলা, জেমচ, এনভি, পিটস্বী, চাৰেংলাৰ একমাত্ৰ কুকুৰ আবেট আদি।

ইয়াৰুইংগমত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই নগা সমাজৰ মাজত সৃষ্টি হোৱা পুৰণি আৰু নতুনৰ সংঘাতৰ কথা অৰ্থাৎ খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰা লোকসকলে পুৰণি

https://howlyraasmahotsav.org/

পৰম্পৰা ত্যাগ কৰি কিছু নতুন নীতি, যেনে--- বৰআই ওলালে পূজা-পাতল, জৰা-ফুঁকা, বেজালি আদি বিশ্বাসৰ সলনি ছিটা ল'বলৈ অস্বীকাৰ কৰা সংঘাতৰ কথা সুন্দৰভাৱে উপস্থাপন কৰিছে। তেওঁ দেখুৱাইছে যে নগা বৈশিষ্ট্য অটুট ৰাখি নগাৰূপে প্ৰথম আৰু প্ৰধান পৰিচয় দিবলৈ বিচৰা আপোচবিহীন নাজেকে শেষত পুতেক খাটিঙক ত্যাগ কৰি আংগামী গোষ্ঠীৰ ডেকা ভিডেচেলীক আধ্যাত্মিক উত্তৰাধিকাৰ পাতি থৈ গ'ল। আনহাতে নগাসকলৰ মৃতদেহ সৎকাৰৰ ৰীতি-নীতি বৰ্ণনাৰে এক বিশ্বাস দেখুৱাইছে এনেদৰে — 'হঠাৎ ক'ৰবাৰ পৰা অহা মৌমাখিয়ে গুণগুণাই নাজেকৰ মৃতদেহৰ ওপৰৰ ছালত পৰি চটফটাই ফুৰিবলৈ ধৰিলে। ঙাটিঙখুয়ে ফুচফুচাই ক'লে- সেইটো নাজেকৰ আত্মা দেখিছ নে নাই? একেদৰে নগা জনগোষ্ঠীৰ ডেকা চাং আৰু গাভৰু চাঙৰ কথা উল্লেখ আছে। সেইদৰে নগা জনগোষ্ঠীৰ চৰিত্ৰ, এচুকীয়া মনোভাৱ আৰু প্ৰতিশোধ পৰায়ণতা স্পষ্টৰূপত প্ৰকাশ পাইছে ইয়েংমাছ, ঙাটিঙখুইৰ চৰিত্ৰৰ মাজেৰে। ইয়াৰ উপৰিও নগা জনগোষ্ঠীৰ মাজত প্ৰচলিত মূৰ কটা প্ৰথাৰ আভাস পোৱা যায় নাজেকৰ ঘৰৰ মুখৰ বেৰত বাইশটা মৰা মানুহৰ মূৰ জিলিকি থকা কাৰ্যৰ পৰা। বাহিৰৰ মানুহে নগা মানুহক মূৰ কটা মানুহ বুলিহে জানে। সেই কথা প্ৰকাশ পাইছে কলিকতাত ৰিশ্বাং আৰু শ্যামলীৰ কথাত।

হাডছনৰ ভাষাত ক'বলৈ হ'লে, 'এখন ভাল উপন্যাসে এখন সমাজৰ ভাল-বেয়া, ৰীতি-নীতি, সংগ্ৰাম-ভাগ্য আদি সকলো দিশ প্ৰতিফলিত কৰে। সেয়ে হয়তো বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ইয়াৰুইংগতো সুন্দৰভাৱে বৰ্ণনা কৰিছে যে নগাসকল কঠোৰ পৰিশ্ৰমী আৰু কৃষি তেওঁলোকৰ অৰ্থনৈতিক বুনিয়াদ। তেওঁৰ বৰ্ণনাত আৰু প্ৰকাশ পাইছে যে পথাৰত খেতি-বাতি কৰি থকা মানুহবোৰৰ মাজতহে লুকাই আছে আচল জীৱন। কিন্তু গীত, নৃত্য, বাঁহীৰ সুৰত খেতি ছপোৰা উৎসৱৰ আগজাননী পালেও খ্ৰীষ্টান ধৰ্মৰ প্ৰসাৰে টাংখুল সমাজলৈ পৰিৱৰ্তন আনিছে। পুৰণি ৰীতি-নীতৰ স্থান নতুনে অধিকাৰ কৰিছে— 'খ্ৰীষ্টীয়ান হ'বৰে পৰা প্ৰকৃতিৰ গীত-নৃত্যৰ এই মন-প্ৰাণ হৰি নিয়া নিমন্ত্ৰণ সি গ্ৰহণ কৰিবলৈ এৰিছে, উপন্যাসখনৰ দুটি মুখ্য চৰিত্ৰ চাৰেংলা আৰু খুটিংলা দুয়ো নায়ক ৰিশ্বাঙৰ প্ৰেমত আসক্ত হ'লেও চাৰেংলা সমাজৰ চকুত পতিতা হোৱা বাবে তাই শৈশৱৰ প্ৰেমিকক এক নিৰলস দৃষ্টিৰে চাইছে। দুয়োগৰাকী নাৰীৰে পৰিৱেশন বেলেগ যদিও নাৰীৰ চিৰন্তন চৰিত্ৰসমূহ প্ৰকাশ পাইছে। সেইদৰে নগাপাহাৰৰ প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনাৰ লগতে প্ৰকৃতিৰ ভয়াবহতাৰ বৰ্ণনাও অতি সুন্দৰভাৱে বৰ্ণনা কৰিছে।

২০২৪ চনত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকীৰ সামৰণিলৈকে প্ৰায় পোন্ধৰটা সংস্কৰণ প্ৰকাশ পোৱা 'ইয়াৰুইংম' মানে হ'ল ৰাইজৰ শাসন আৰু ইয়াৰ নায়ক ৰিশ্বাং শব্দৰ অৰ্থ হ'ল--- ৰি মানে দীৰ্ঘ জীৱন আৰু শ্বাং মানে সফল, সমৃদ্ধিশালী। বৰ্তমানলৈকে 'ইয়াৰুইংগম' ইংৰাজী, হিন্দী, উৰ্দু, গুজৰাটী, মাৰাঠী, তামিল, তেলেগু আদি বহুকেইটা ভাষালৈ অনূদিত হৈছে। ই কম গৌৰৱৰ কথা নহয়। শেষত উপন্যাসখনৰ নায়ক ৰিশ্বাঙে গিৰ্জা নিৰ্মাণত আপত্তি কৰি কোৱা কথা এষাৰেৰে সামৰণি মাৰিব খুজিছোঁ। ৰিশ্বাঙে কৈছিল— 'যি গিৰ্জাই গাঁৱত বিভেদৰ গুটি সিঁচে তাত যীশু থাকিব নোৱাৰে। মোৰ বাবে প্ৰেমেই ধৰ্ম।'

ইয়াৰুইংগমৰ নায়ক ৰিশ্বাঙৰ এই কথাফাঁকি বৰ্তমান সময়ত সকলোৰে হৃদয়ত স্থান পাওক আৰু জীৱনত প্ৰযোজ্য হওক, তাৰেই কামনা কৰিলোঁ।

https://howlyraasmahotsav.org/

তথ্য উৎস—

১। *এশ বছৰৰ অসমীয়া গদ্যসাহিত্য ১৯০০-৯৯ ঃ ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী (সম্পাদক)*

২। *ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য বিমৃশা (প্ৰবন্ধ,) নিয়মীয়া বাৰ্তা, ৬ আগষ্ট, ২০২০ ঃ ড° বসন্ত কুমাৰ গোস্বামী।*

৩। *ইয়াৰুইংগম (প্ৰবন্ধ, তিনিদিনীয়া অগ্ৰদূত, ৮ মাৰ্চ, ২০২৩ ঃ ৰবেন্দ্ৰ কুমাৰ দাস।*

৪। *ৰিশ্বাঙক বিচাৰি (প্ৰবন্ধ) ঃ ড° ৰত্নোত্তমা দাস বিক্ৰম।*

হাউলী ৰাসত গঢ় লোৱা মানৱীয় মূল্যবোধ

সাগৰিকা গোস্বামী

শ্ৰীকৃষ্ণৰ কথা সাৰোগত হ'লেই শ্ৰীমদ্ভাগৱতৰ গীতাৰ শ্লোকে আমাৰ মগজুত কচৰত কৰিবলৈ আৰম্ভ কৰে। সমগ্ৰ গীতাৰ প্ৰতিটো শ্লোকত মানৱীয় মূল্যবোধৰ আভাস পোৱা যায়। ৰাস অৰ্থাৎ ৰসৰ সমাহাৰ। কৃষ্ণ আৰু ৰাধাৰ শৃংগাৰ ৰসৰ বৰ্ণনাই ৰাসৰ সময়ত মানৱ সমাজৰ মনত আনে এক ভালপোৱাৰ মানসিকতা, মানৱীয়তা। ঋতুৰাণীৰ গমনৰ প্ৰাক্‌ক্ষণত ৰাসৰাত্ৰিৰ ৰমণীয় পৰিৱেশ মানৱ সমাজৰ বাবে এক মানসিক ঔষধসম। উষ্ণ-শীতৰ সন্ধিক্ষণত ৰাধা-কৃষ্ণৰ মিলন (ৰাস পূৰ্ণিমা ৰাতি) যাত্ৰাৰ সংগী হৈ নামনি অসমৰ লগতে অসমৰ উজনি-মধ্য সকলো অঞ্চলৰ পৰা ৰাস উপভোগৰ বাবে দৰ্শনাৰ্থী ভিৰ কৰা দেখা যায় হাউলী ৰাস মহোৎসৱত।

হাউলী ৰাস মহোৎসৱ মানৱীয় মূল্যবোধৰ জাগৰণকাৰী এক অনুষ্ঠান তথা অস্থায়ী প্ৰতিষ্ঠানসম। এটা দীঘলীয়া সময় ৰাস চলি থাকে বাবেই প্ৰতিজন মানুহে আজি ব্যস্ততাৰ মাজতো যিকোনো এটা সময়ত ৰাস উপভোগৰ সময়-সুযোগ পায়। যান্ত্ৰিক তথা একক জীৱন-যাপনৰ মাজত কেতিয়াবা আপোনজনৰ বা আপোনসকলৰ লগত সময় অতিবাহিত কৰাৰ অৰ্থাৎ কিছু সময় উদ্‌যাপন কৰাৰ সুযোগ বিচাৰি ফুৰোঁ। হাউলী ৰাস মহোৎসৱে আমাক সেইকণ সুযোগ আপোনভাৱেই দিয়ে।

হাইস্কুল শিক্ষান্ত পৰীক্ষা দি উঠি উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ বুলি অলপ পঢ়াৰ বোজা কম অনুভৱ কৰি বাতৰি কাকতত পোৱা কিছুমান প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ লগতে হাউলী ৰাস মহোৎসৱৰ আলোচনীৰ বাবেও লেখা বিচাৰি দিয়া বাতৰিটো পাই লেখা এটা দিয়াৰ ইচ্ছাৰে তাত দিয়া যোগাযোগৰ নম্বৰ এটাত নিজেই যোগাযোগ কৰিছিলোঁ। লেখা দিয়াৰ বাবে অনুমতি পোৱাৰ লগতে কথাৰ প্ৰাসংগিকতাত মই ঘোষিকাৰ দায়িত্ব পালন কৰাৰ উমান পাই আমন্ত্ৰণ পালোঁ হাউলী ৰাস মহোৎসৱৰ এৰাতিৰ সাংস্কৃতিক সন্ধিয়াত ঘোষিকা হিচাপে। ৰাইজৰ তথা উদযাপন সমিতিৰ মৰম, সমৰ্থন আৰু আশীৰ্বাদত আজি পৰ্যন্ত হাউলী ৰাসৰ মই এগৰাকী সক্ৰিয় শুভাকাংক্ষী কৃষ্ণ-কানাইৰ আশিসত।

দেখিলেই ভক্তিভাৱৰ নিজৰাই অন্তৰ পৰিশুদ্ধ কৰা হাউলী ৰাস মন্দিৰ চিৰ তৰুণ তথা চিৰ সেউজ। আধ্যাত্মিক মূল্যবোধৰ পম খেদি এই মন্দিৰত ৰঙীণভাৱে আধ্যাত্মিকতা জাগ্ৰত কৰাৰ এক সুযোগ দিয়ে হাউলী ৰাস মহোৎসৱে ৰাসপ্ৰেমী ভক্তগণক। ৰঙা-নীলা পোহৰৰ খেলা, চাৰিওফালে বাণিজ্য মেলা, বিধে-বিধে খাদ্য সম্ভাৰ, মেৰিগো ৰাউণ্ডৰ নিচিনা খেল খেল লগা আহিলা-সম্ভাৰ, সাংস্কৃতিক অনুষ্ঠান, শাৰীৰিক-মানসিক-বৌদ্ধিক বিকাশৰ প্ৰতিযোগিতা, গ্ৰন্থমেলা অৰ্থাৎ যিগৰাকী মানুহৰ যি বিষয়ত আগ্ৰহ আছে সকলো খুব কম সময়ৰ বাবে অথচ ইচ্ছা অনুসৰি উপভোগ কৰি জীৱনৰ স্মৃতি কৰি ল'ব পাৰে এই হাউলী ৰাস মহোৎসৱত। আনন্দক মহানন্দলৈ ৰূপান্তৰ কৰা মানৱীয় প্ৰমূল্যবোধৰ এক উল্লেখনীয় কাৰ্যক্ষম কাৰ্যসূচী হৈছে হাউলী ৰাস মহোৎসৱৰ ১৫ দিনীয়া জয়যাত্ৰা। দুখীয়া-ধনিকশ্ৰেণী সকলো মানুহে মূৰ দোৱাই আপোন মনে মনৰ কথা ব্যক্ত কৰি নিজৰ প্ৰয়োজন, ওজৰ-আপত্তি ব্যক্ত কৰিব পৰা এক পৱিত্ৰ স্থান এই হাউলী ৰাস মহোৎসৱ। ব্যৱহাৰিক জীৱনৰ কৰ্মময় জয়যাত্ৰা অব্যাহত ৰাখি একেখন আঙিনাত একেলগে ভৰি থ'ব পৰা ঘৰখনেই হৈছে ভগৱান (বিগ্ৰহ স্থাপিত)ৰ ঘৰ।

https://howlyraasmahotsav.org/

অতিথি দেৱো ভৱঃ

তৰু ডেকা

"ভো ভো ৰাজন', আশ্ৰমমৃগোহয়ং ন হন্তকো ন হন্তব্যঃ" — ওহে ওহে ৰাজন্! এইটো আশ্ৰমৰ হৰিণ ইয়াক হত্যা নকৰিব, হত্যা কৰা উচিত নহয়। ৰজা দুষ্মন্তই হত্যা কৰিবলৈ খেদি অনা হৰিণাটোক বধ নকৰিবলৈ কণ্ব মুনিয়ে ৰজাক এনেকৈয়ে বাৰণ কৰিছিল। এয়া মহাকবি কালিদাসৰ অভিজ্ঞান শকুন্তলম নাটকৰ কাহিনীৰ আৰম্ভণি। ঋষি কণ্ব এজন সিদ্ধ মুনি আছিল। তেওঁৰ নান্দনিক আশ্ৰমত সকলোৱে নিৰ্ভয়ে বিচৰণ কৰিব পাৰিছিল। কি সাধু সন্যাসী, কি আশ্ৰমৰ বালক-বালিকা, পশু-পক্ষী, নিকুঞ্জবনৰ সকলো আলহীয়ে শান্তিত জীৱন কটাইছিল। আশ্ৰমৰ আশ্ৰয়দাতা কণ্বমুনিয়ে আশ্ৰিতসকলক মুক্তভাৱে বিচৰণ কৰাত কেতয়াও বাধা আৰোপ কৰা নাছিল, বৰঞ্চ আশ্ৰিতসকলৰ নিৰাপত্তাৰ বাবে নিজে দায়বদ্ধ আছিল। সেই বাবেই তেওঁৰ আশ্ৰমৰ নিমাখিত হৰিণাটোক হত্যা কৰাটো তেওঁৰ বাবে নীতি বিৰুদ্ধ কথা আছিল, যাৰ পৰিপ্ৰেক্ষিতত তেওঁৰ দেশৰ ৰজাকো বাধা দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। অথচ সন্মান সহকাৰে ৰজা দুষ্মন্তক আতিথ্যও প্ৰদান কৰিছিল। এয়াই ভাৰতীয়ৰ সংস্কাৰমুখী সভ্যতা, সংস্কৃতি।

পুণ্যভূমি ভাৰতবৰিষৰ ইতিহাস পৃথিৱীৰ ভিতৰতে একক আৰু অনন্য। পৃথিৱীত সভ্যতাৰ উত্থান নৌহওঁতেই ভাৰতত চাৰি বেদ ৰচিত হৈছিল। চৈধ্য শাস্ত্ৰ ওঠৰ পুৰাণ, উপনিষদ, মহাকাব্যৰে বৈদিক সভ্যতাৰ জ্যোতিয়ে সকলোকে বিস্মিত আৰু মোহিত কৰিছিল। ভাৰতীয় দৰ্শন, আদৰ্শ, সংস্কাৰ, সংস্কৃতিৰ মাজেৰে যি বীজ অংকুৰিত হৈছিল তাৰ দ্বাৰাই ভাৰতবাসীয়ে বিশ্বত আজিও নমনীয় হৈ আছে। জ্ঞানৰ প্ৰত্যুষ কালৰ পৰা প্ৰগতিশীল কাললৈকে জ্ঞান, প্ৰজ্ঞান ভাৰতৰ শিৰৰ মুকুট হৈ জিলিকি আছে।

এয়া একেদিনাই আৰ্জিত হোৱা নাছিল। মানুহে সমাজপাতি বাস কৰিবলৈ লোৱাৰ পৰাই পৰম্পৰাগত জীৱন অন্বেষণ আৰু জীৱন চৰ্চাত উৎপত্তি হোৱা অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰিয়ে জ্ঞান অৰ্জন কৰিছিল। অন্তৰাত্মাৰ লগত সত্তাৰ অন্তৰঙ্গ মিলনত উৎপত্তি হোৱা আত্মজ্ঞানৰ দ্বাৰাই ভাৰতীয় দৰ্শন, আদৰ্শবাদ সংপৃক্ত হৈ আছে। ভাৰতীয় পৰম্পৰাত আদিম সমাজ ব্যৱস্থাৰ বিভিন্ন ঘটনা-পৰিঘটনাৰ মন্থন, কৰ্ষণৰ ফলশ্ৰুতিতে সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, প্ৰশাসনিক আদি বিভিন্ন দিশৰ তত্ত্বজ্ঞানৰ অনুসন্ধান আৰু চৰ্চা হৈছিল আৰু তাৰ ৰসাস্বাদন সম্ভৱ হৈছিল। সেই ৰসানুসন্ধান আৰু আস্বাদন কালক্ৰমিকভাৱে ভাৰতীয় সংস্কৃতিৰ অঙ্গ হিচাপে পিছৰ প্ৰজন্মলৈ বিয়পি পৰিছে, আৰু ভৱিষ্যতৰ ফালেও ই নিশ্চয় গতি কৰিব। পৌৰাণিক যুগৰ পৰাই মহাভাৰতীয়ৰ তেজে তেজে বিদ্যমান হৈ থকা অতিথিপৰায়ণতাই ভাৰতীয় সংস্কাৰ 'অতিথি দেৱো ভৱঃ'ক প্ৰাণৱন্ত কৰি ৰাখিছে। নিগূঢ় অৰ্থত দেখা পোৱা "ভো ভো ৰাজন', আশ্ৰমমৃগোহয়ং ন হন্তকো ন হন্তব্যঃ"— ওহে ওহে ৰাজন্! এইটো আশ্ৰমৰ হৰিণ ইয়াক হত্যা নকৰিব, হত্যা কৰা উচিত নহয়। ৰজা দুষ্মন্তই হত্যা কৰিবলৈ খেদি অনা হৰিণাটোক বধ নকৰিবলৈ কণ্ব মুনিয়ে ৰজাক এনেকৈয়ে

https://howlyraasmahotsav.org/

বাৰণ কৰিছিল। এয়া মহাকবি কালিদাসৰ অভিজ্ঞান শকুন্তলম নাটকৰ কাহিনীৰ আৰম্ভণি। ঋষি কণ্ব এজন সিদ্ধ মুনি আছিল। তেওঁৰ নান্দনিক আশ্ৰমত সকলোৱে নিৰ্ভয়ে বিচৰণ কৰিব পাৰিছিল। কি সাধু সন্যাসী, কি আশ্ৰমৰ বালক-বালিকা, পশু-পক্ষী, নিকুঞ্জবনৰ সকলো আলহীয়ে শান্তিত জীৱন কটাইছিল। আশ্ৰমৰ আশ্ৰয়দাতা কণ্বমুনিয়ে আশ্ৰিতসকলক মুক্তভাৱে বিচৰণ কৰাত কেতয়াও বাধা আৰোপ কৰা নাছিল, বৰঞ্চ আশ্ৰিতসকলৰ নিৰাপত্তাৰ বাবে নিজে দায়বদ্ধ আছিল। সেই বাবেই তেওঁৰ আশ্ৰমৰ নিমাখিত হৰিণাটোক হত্যা কৰাটো তেওঁৰ বাবে নীতি বিৰুদ্ধ কথা আছিল, যাৰ পৰিপ্ৰেক্ষিতত তেওঁৰ দেশৰ ৰজাকো বাধা দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। অথচ সন্মান সহকাৰে ৰজা দুষ্মন্তক আতিথ্যও প্ৰদান কৰিছিল। এয়াই ভাৰতীয়ৰ সংস্কাৰমুখী সভ্যতা, সংস্কৃতি।

পুণ্যভূমি ভাৰতবৰিষৰ ইতিহাস পৃথিৱীৰ ভিতৰতে একক আৰু অনন্য। পৃথিৱীত সভ্যতাৰ উত্থান নৌহওঁতেই ভাৰতত চাৰি বেদ ৰচিত হৈছিল। চৈধ্য শাস্ত্ৰ ওঠৰ পুৰাণ, উপনিষদ, মহাকাব্যৰে বৈদিক সভ্যতাৰ জ্যোতিয়ে সকলোকে বিস্মিত আৰু মোহিত কৰিছিল। ভাৰতীয় দৰ্শন, আদৰ্শ, সংস্কাৰ, সংস্কৃতিৰ মাজেৰে যি বীজ অংকুৰিত হৈছিল তাৰ দ্বাৰাই ভাৰতবাসীয়ে বিশ্বত আজিও নমনীয় হৈ আছে। জ্ঞানৰ প্ৰত্যুষ কালৰ পৰা প্ৰগতিশীল কাললৈকে জ্ঞান, প্ৰজ্ঞান ভাৰতৰ শিৰৰ মুকুট হৈ জিলিকি আছে।

https://howlyraasmahotsav.org/

এয়া একেদিনাই আৰ্জিত হোৱা নাছিল। মানুহে সমাজপাতি বাস কৰিবলৈ লোৱাৰ পৰাই পৰম্পৰাগত জীৱন অন্বেষণ আৰু জীৱন চৰ্চাত উৎপত্তি হোৱা অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰিয়ে জ্ঞান অৰ্জন কৰিছিল। অন্তৰাত্মাৰ লগত সত্তাৰ অন্তৰঙ্গ মিলনত উৎপত্তি হোৱা আত্মজ্ঞানৰ দ্বাৰাই ভাৰতীয় দৰ্শন, আদৰ্শবাদ সংপৃক্ত হৈ আছে। ভাৰতীয় পৰম্পৰাত আদিম সমাজ ব্যৱস্থাৰ বিভিন্ন ঘটনা-পৰিঘটনাৰ মন্থন, কৰ্ষণৰ ফলশ্ৰুতিতে সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, প্ৰশাসনিক আদি বিভিন্ন দিশৰ তত্ত্বজ্ঞানৰ অনুসন্ধান আৰু চৰ্চা হৈছিল আৰু তাৰ ৰসাস্বাদন সম্ভৱ হৈছিল। সেই ৰসানুসন্ধান আৰু আস্বাদন কালক্ৰমিকভাৱে ভাৰতীয় সংস্কৃতিৰ অঙ্গ হিচাপে পিছৰ প্ৰজন্মলৈ বিয়পি পৰিছে, আৰু ভৱিষ্যতৰ ফালেও ই নিশ্চয় গতি কৰিব। পৌৰাণিক যুগৰ পৰাই মহাভাৰতীয়ৰ তেজে তেজে বিদ্যমান হৈ থকা অতিথিপৰায়ণতাই ভাৰতীয় সংস্কাৰ 'অতিথি দেৱো ভৱঃ'ক প্ৰাণৱন্ত কৰি ৰাখিছে। নিগূঢ় অৰ্থত দেখা পোৱা যায় যে ই ব্যক্তিৰ দায়িত্বৰ পৰিধি ক্ৰমান্বয়ে 'আপোন'ৰ পৰা পৰিয়াল, পৰিয়ালৰ পৰা সমাজলৈ বৰ্দ্ধিত হৈ মানুহৰ দায়িত্বৰ কথা সূচায়।

কিছু পৌৰাণিক কাহিনী, আখ্যানত পোৱা অনুসৰি দেৱতা জ্ঞান কৰা অতিথিয়েও কোনো এক বিশেষ মুহূৰ্তত গৃহস্থক ভয়ংকৰ পৰিস্থিতিৰ গৰাহলৈ ঠেলি দিছিল।

মহাকবি কালিদাসৰ অভিজ্ঞান শকুন্তলমত দুৰ্বাসা মুনিৰ অভিশাপে কণ্বমুনিৰ পালিতা কন্যা শকুন্তলাক যি বিষম পৰিস্থিতিত পেলাইছিল সেইটো কাৰো অবিদিত নহয়। আপোন চিন্তাত বিভোৰ শকুন্তলাই স্ব-ইচ্ছাত দুৰ্বাসা মুনিক বিমুখ কৰা নাছিল। যেতিয়া শকুন্তলাই সম্বিত ঘূৰাই পাইছিল তেতিয়া মুনি দুৰ্বাসাক অতিথি হিচাপে কৰা সৎকাৰ তেওঁ গ্ৰহণ কৰা নাছিল; বৰঞ্চ শকুন্তলাক অভিশাপহে দিছিল।

অৱশেষে পিছত আশ্ৰমকন্যা সকলৰ কাকুতি-মিনতিত ক্ষান্ত হৈ অভিশাপৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় দিছিল। কিন্তু অভিশাপৰ ফলত ৰজা দুষ্মন্তই বিয়াতা পত্নী শকুন্তলাক পাহৰি পেলাইছিল। আকৌ ৰামায়ণৰ অতিথি 'ভিক্ষাং দেখি।' সাত্ত্বিক ব্ৰাহ্মণৰূপী ৰাক্ষস ৰজা ৰাৱণ আহি পঞ্চৱতী বনত বনবাসী হৈ থকা ৰামচন্দ্ৰৰ পৰ্ণকুটীৰ পালে। উদ্দেশ্য সীতা হৰণ। ৰাৱণৰ দিহা মতেই হৰিণৰূপী মাৰীচে ৰাম-লক্ষ্মণক আঁতৰাই নিলে আৰু ৰাৱণে ভিক্ষুক সাজত আহি সীতাক ভিক্ষা মাগিলে। দুপৰীয়াৰ অতিথিক সাক্ষাৎ দামোদৰ জ্ঞান কৰা হয়। ভিক্ষুক ব্ৰাহ্মণৰূপী ৰাৱণক সাধাৰণ ভিক্ষাৰী হিচাপে নলৈ সীতাই দেৱতা জ্ঞান কৰি ভিক্ষা দিবলৈ আগবাঢ়ি গ'ল। লক্ষণ ৰেখা পাৰ হোৱাৰ লগে লগে ৰাৱণে নিজ ৰূপত সীতাক হৰণ কৰি লৈ গ'ল। তাৰ পিছৰ পৰিণাম সৰ্বজনবিদিত। ব্যাসদেৱৰ মহাভাৰতৰ আখ্যানত পোৱা অনুসৰি এদিব দুৰ্বাসা মুণিয়ে তেওঁৰ শিষ্যসহ কৌৰৱৰ ৰাজ্য হস্তিনাপুৰত উপস্থিত হৈছিলহি। সেইসময়ত পাণ্ডৱসকল বনবাসত আছিল। আতিথ্য প্ৰদান কৰিবলৈ অপাৰগ হৈ ঋষি দুৰ্বাসাৰ কোপত যাজ্ঞসেনী সহ

পঞ্চপাণ্ডৱ সৰ্বস্বান্ত হওক বুলিয়েই দুৰ্যোধনে চলনাৰে দুৰ্বাসা মুনিক বনবাসী পাণ্ডৱৰ ওচৰলৈ পঠিয়াই দিছিল। কিন্তু স্বয়ং ভগৱান শ্ৰীকৃষ্ণৰ অৱলীলাক্ৰমে আসন্ন বিপদৰ পৰা পাণ্ডৱ সকল সাৰি গৈছিল। বিপ্ৰ দামোদৰ আৰু দ্বাৰকাপতি শ্ৰীকৃষ্ণৰ সাক্ষাৎকাৰৰ কথাও এই প্ৰসঙ্গত উল্লেখ কৰিব পৰা যায়। এনেধৰণৰ খণ্ডকথাত অতিথিপৰায়ণতাৰ চিত্ৰ প্ৰকাশ হোৱা দেখা যায়। যদি আমি পুনৰ কণ্বমুনিৰ আশ্ৰমলৈ উভতি যাও, তাত আন এটা কথাও সংলগ্ন হৈ থকা দেখা পোৱা যায়। সেয়া হৈছে সীমাবদ্ধতা। সাৰ্বভৌমত্ব বজাই ৰাখিবলৈ হ'লে সীমাবদ্ধতাৰ প্ৰয়োজন আছে বুলি ভাবিব পাৰি। কণ্ব মুনিয়ে সেই সীমাবদ্ধতাৰে ৰজা দুষ্মন্তৰ সাৰ্বভৌমত্বক অৱমাননা নকৰাকৈয়ে আশ্ৰমৰ নিমাখিত হৰিণাটোক ৰক্ষা কৰিছিল। আশ্ৰম ৰক্ষাৰ ক্ষেত্ৰত তাত বিচৰণ কৰা পশু-পক্ষীক অবাধ স্বাধীনতা দিয়াৰ লগতে সীমাবদ্ধতাৰ নীতি-উলংঘন কৰিবলৈ কাকো অনুমতি দিয়া নাছিল। সেয়েহে কণ্বমুনিয়ে মৃগয়াপ্ৰিয় ৰজাক সাহসেৰে ক'ব পাৰিছিল ওহে ওহে ৰাজন্, আশ্ৰমৰ হৰিণাটোক নামাৰিব, মৰাটো উচিত নহয়। বিদগ্ধ জনে কোনো কৰ্মৰ আঁচনি যুগুত কৰোঁতে আগতে নীতি নিৰ্ধাৰণ কৰে, যি নীতি সসীমত সীমাবদ্ধ থাকে। তেনেকৈ মানুহৰ লোভ, মোহ, কাম, ক্ৰোধ ক্ৰিয়ায়ো অসীম হ'ব নাপায়। সীতাক অসীমিত মোহে বিপদত পেলাইছিল, ৰাৱণৰো একেই দশা হৈছিল। লোভে পাপ, পাপে মৃত্যু পৰস্ত্ৰীক হৰণ কৰি পাপযুক্ত হোৱা ৰাৱণৰ শ্ৰীৰামৰ হাতত মৃত্যু হৈছিল। স্বৰ্ণপুৰী লংকা চাৰখাৰ হৈছিল। আনপিনে সীতাই ভাৰতীয় সংস্কাৰৰ সন্মান অটুট ৰাখিবৰ বাবেই লক্ষ্মণৰেখাৰ বাধ্যবাধকতা অমান্য কৰিহে বিপদত পৰিছিল। বনবাসী হ'লেও পৰম্পৰাগত সংস্কাৰমুখী ব্যৱস্থাৰে বংশৰ মৰ্যদা হানি নহ'বলৈকে লক্ষ্মণৰ সাৱধানবাণীলৈও জনক নন্দিনীয়ে ভ্ৰূক্ষেপ কৰা নাছিল।

আমাৰ পৌৰাণিক আখ্যান-উপাখ্যানত এনে ধৰণৰ বহুতো ঘটনা সম্বলিত হৈ আছে। সেইবোৰৰ পৰা আমি উচিত শিক্ষা লোৱা আৱশ্যক। সাধুবাদ আৰু গ্ৰাম্য জীৱনৰ অভিজ্ঞতাৰ সংমিশ্ৰণত লোক-কথাৰ সৃষ্টি হয়। তেনে সৃষ্টি আমি সমাজত সততে প্ৰত্যক্ষ কৰি আহিছো। অতিথি দেৰো ভৱঃ এই কথাষাৰৰ যুক্তিযুক্ততা মানি আজিৰ সমাজতো বহুলভাৱে ব্যৱহৃত এটি যোজনাত এইদৰে কোৱা হৈছে— অতিথি আহিলে খঙেৰে চায়,

ভাল বস্তু পালে অকলে খায়,
তাইৰ ফালে যমেও নাচায়।'

পুৰুষ সকলে উপাৰ্জনহে কৰে, ঘৰৰ মহিলা গৰাকীয়েহে ঘৰখন পৰিচালনা কৰে। সেয়েহে ইয়াত মুখ্যভাৱে মহিলা গৰাকীক দায়বদ্ধ কৰা হৈছে।

অতিথিক উপেক্ষা কৰিব নাপায়— 'দুপৰীয়াৰ অতিথি সাক্ষাৎ নাৰায়ণ।' কিন্তু লোক সমাজত দুৰ্বাসা ঋষি, ৰাৱণ, সীতাৰ দৰে চৰিত্ৰৰ ব্যক্তি নথকা নহয়। হয়তো তেনে ব্যক্তিয়ে আনক জ্বলাতন কৰিছে নহয়তো নিজে ত্যক্ততাত ভুগিছে। সেয়েহে কোৱা হয়— 'অতিথিক নিদিবা ঠাই, অতিথিয়ে লাৰি-চাৰি খায়।'

প্ৰসঙ্গত এটি বাস্তৱ কাহিনী দাঙি ধৰিলো। কাহিনী সত্তৰ দশকৰ প্ৰাককালীন সময়ৰ। আমাৰ অগ্ৰজ সকলৰ প্ৰায় লোকেই অতিথি প্ৰিয় আছিল। শুনা যায় যে কোনো কোনো লোকে ঘৰত অতিথি অবিহনে আহাৰ গ্ৰহণ কৰা নাছিল। কেতিয়াবা বাটৰুৱা লোকক বাটৰ পৰা মাতি নি অতিথি হিচাপে সৎকাৰ কৰিছিল। মোৰ দেউতাও তেনেধৰণৰ লোক আছিল। আমাৰ ঘৰত আলহী থকাৰ বাবে আছুতীয়া কোঠা আৰু কোঠাত বন্ধনৰ ব্যৱস্থা কৰা ঠাই আছিল। বিশেষকৈ গুৰু-গোসাঁই, সজ্জন লোক আহিলে থকা-খোৱাৰ বাবে ঘৰৰ লগৰ বাৰান্দাত এটি কোঠা আছিল। যেন বৰ্তমানৰ "Home Stay"ৰ ব্যৱস্থা। কিন্তু বিনিময়ত কোনো মূল্যৰ আদান-প্ৰদান নহয়।

আমি সৰুৰে পৰা আমাৰ ঘৰখনত বিভিন্ন লোকক আপ্যায়ন কৰা দেখিছিলো। এবাৰ এজন বৈষ্ণৱ প্ৰকৃতিৰ লোক আহি কেইদিনমান আছিল। তেওঁ দিনত কিবা কামত ওলাই যায়, গধূলি আহি মায়ে আগবঢ়োৱা সিধা গ্ৰহণ কৰি নিজে ৰান্ধি-বাঢ়ি খায়। আমি বাচন-বৰ্তন ধুই পখালি ইটো সিটো লাগতীয়াল কাম কৰি দিও। গধূলি দেউতাৰ লগত তেখেতে ৰামায়ণ, মহাভাৰতৰ আলমত ধৰ্মীয় কথা আলোচনা কৰে। পঢ়া-পাতি সামৰি আমিও শুনো।

এনেকৈ কেইদিনমান যোৱাৰ পিছত তেখেতে মোক বা ভাইটিক মাতি নিৰ্দিষ্ট নিৰামিষ সিধাৰ ওপৰিঞ্চি বেলেগ বস্তুও খোজা হ'ল। কথাটো দেউতাৰো কাণত নপৰাকৈ নাথাকিল। মানুহজন যেন গ'লেই ৰক্ষা! কিন্তু

https://howlyraasmahotsav.org/

যোৰাৰ নাম নাই। পাছত এদিন মানুহজনে দেউতাৰ ওচৰত এটি প্ৰস্তাৱ উত্থাপন কৰিলে যে তেওঁ বিশেষ এটা ধৰ্মীয় গোটৰ হৈ দীক্ষা দিবলৈ আহিছে আৰু দেউতাই দীক্ষা ল'ব লাগে। দেউতা আছিল খাটি সনাতন ধৰ্মাৱলম্বী লোক। একমাত্ৰ পৰম ব্ৰহ্ম নাৰায়ণ শ্ৰীকৃষ্ণৱহে পূজা-উপাসনা কৰে। মানুহজন আঁকোৰগোজ হৈ পৰিছিল দেউতাক দীক্ষা দিবলৈ। তেখেতে জনৈক নতুনকৈ উত্থান হোৱা গুৰুক প্ৰতিষ্ঠিত কৰিবলৈকে শিষ্যৰ সংখ্যা বৃদ্ধি কৰিবলৈ আহিছিল। কিন্তু দেউতা বাধ্য নহ'ল। বৰঞ্চ মানুহগৰাকীক বিৰাগ ভাবেৰে বিদায় দিব লগীয়া হৈছিল। দেউতা ক্ষুণ্ণ হৈছিল যদিও তেওঁক সসন্মানে বিদায় দিছিল। পিছলৈ সেইকোঠাতো পঢ়া কোঠা হিচাপে আমাক ব্যৱহাৰ কৰিব দিছিল। সেই অতিথি গৰাকীয়ে দেউতাক মানসিকভাৱে আঘাত দিয়াটো আমিও অনুভৱ কৰি দুখ পাইছিলো। আচলতে দেউতাই তেখেতৰ আত্মসন্মানত হাত দিব বিচৰা নাছিল। লগতে নিজৰ আত্মমৰ্যদাও বৰ্তাই ৰাখিবৰ বাবে চেষ্টা কৰিছিল। সেয়েহে কয় —'অতিথি আৰু মাছ তিনিদিনত গোন্ধায়।'

গতিকে, 'যি অতিথি আহুকাল,
সেই অতিথি নহাই ভাল।'

সকলো মানুহেই পৰিস্থিতিৰ দাস। বৰ্তমানৰ পৰিস্থিতিৰ তাগিদাত পৰি নক'লেও নহয়, শুনিবলৈকো লাজ—

'নিজেই পৰৰ খাওঁ,
কি শুনিম অতিথিৰ নাউ (নাম)।'

চহা লোকৰ সৰলতা আৰু বাস্তৱ অভিজ্ঞতাৰে পুষ্ট এনেধৰণৰ বহুত প্ৰৱচন আমাৰ সমাজত আজিও প্ৰচলিত হৈ থকা দেখা যায়। এই প্ৰচলিত প্ৰবাদ বা প্ৰৱচনবোৰ কোনো যুক্তি নোহোৱাকৈ নুই কৰিব নোৱাৰি। প্ৰবাহমান কালত ইয়াত নিহিত সত্যতাক মানিবলৈ আমি বাধ্য।

সাৰ্বভৌমত্ব আৰু সীমাবদ্ধতাক উলংঘন কৰা অনুচিত। তথাপিও ক'ব পাৰি যে সাৰ্বভৌমত্ব আৰু সীমাবদ্ধতাৰ মাজত জোঁটবন্ধনৰ সমীকৰণ কৰিহে শান্তি-শৃংখলা অব্যাহত ৰাখিব পাৰি। পৰিকল্পিত বা অপৰিকল্পিত ভাবে উদ্ভাৱন হোৱা সমস্যাবোৰো তেনেকুৱাই। সমস্যাবোৰ সমাধানত আমাৰ পৰিপক্কতাৰ প্ৰয়োজন। সমস্যাবোৰো আলহী-অতিথিৰ দৰে। পুহি থাকিলে পুহি ৰাখিব পাৰি। ইয়াক বঢ়োৱাতকৈ নিৰ্দিষ্ট পৰিসীমাত আৱদ্ধ কৰি সমস্যাবোৰ টুটাই আনিব লাগে। যেনেকৈ কণ্বমুনিয়ে মৃগয়াপ্ৰিয় ৰজাকো বাৰণ কৰিব পাৰিছিল... ন হন্তব্যো ন হন্তব্যঃ। ⏮

https://howlyraasmahotsav.org/

ভূপেন দাসৰ কবিতা স্তৱক

ভূপেন দাস

শ্ৰীকৃষ্ণই নাচিলেহে
শ্ৰীকৃষ্ণই মুৰুলী বজালেহে
আমাৰ জগতখন
সঠিকভাৱে ঘূৰে। ⏮

হাউলীৰ সাহিত্য, সাংস্কৃতিক ঐতিহ্য ঃ কিছু সাম্প্ৰতিক চিন্তা

প্ৰতাপ দাস

সৃষ্টিশীলতা মানৱ অন্তৰৰ গভীৰতম এক মহৎ কলা। সৃজনশীল মনৰ মানুহে এই কলাৰ যোগেদি অতুলনীয় উদ্ভাৱনী শক্তিৰ অধিকাৰী হয়। যি শক্তিৰ দ্বাৰা তেওঁলোকে সৃষ্টি কৰে উন্নত সভ্যতা, সংস্কৃতি আৰু জাতি এটাৰ প্ৰাণ সদৃশ, সাহিত্য। পৃথিৱীত চহকী জাতিৰ ভড়াল হ'ল কলা-সংস্কৃতি, পৰম্পৰা, জীৱনবোধ ইত্যাদি আৰু ভাষা হ'ল, সেই জাতিটোৰ সম্পত্তি। যাৰ দ্বাৰা নিজস্ব ধ্যান-ধাৰণা, অন্তৰ্নিহিত ভাব, চিন্তা, চেতনা, পৰম্পৰা, প্ৰতিচ্ছবি প্ৰকাশ কৰিব পাৰি। ভাষাৰ সৈতে মানুহৰ প্ৰাণৰ সম্বন্ধ থাকে। প্ৰতিটো জাতিৰ পুৰোধা ব্যক্তি তথা সাহিত্যিকসকলে তেওঁলোকৰ কলমৰ যোগেদি নিজস্ব জীৱনধাৰা, সাম্প্ৰতিক জাতীয় প্ৰতিচ্ছবি, জাতিটোৰ উত্থান-পতন আদি সকলোবোৰ সাহিত্যৰ মাজেৰে প্ৰকাশ কৰে। জাতিৰ ক্ৰমবিকাশত সাহিত্য সদায়ে স্বতন্ত্ৰ বৈশিষ্ট্যৰে পৰিপূৰ্ণ আৰু গতিশীল, যি কেতিয়াও ৰুদ্ধ নহয়।

সমাজ সংস্কাৰ কৰে কিছুমান সচেতন ব্যক্তি, কবি, সাহিত্যিক সকলে। তেওঁলোকৰ কল্পনা, বাস্তৱ, অভিজ্ঞতা, জ্ঞান আৰু অনুভৱক কলাসুলভ প্ৰতিভাৰ সংযোজন ঘটাই স্থানীয় সমাজ, সংস্কৃতি লগতে সাহিত্যক সমৃদ্ধ কৰি জনমানসত দাঙি ধৰে। তেওঁলোকৰ অবিৰত সাধনাৰ সৃষ্টিক আগলৈও জনসাধাৰণে সোঁৱৰে।

অসম গৌৰৱ, বহুমুখী প্ৰতিভাৰ বহু মনীষিয়ে অসমৰ জাতীয় জীৱনৰ লগত সম্পৰ্ক থকা প্ৰতিটো দিশ আৰু অসমীয়া সাহিত্য, সাংস্কৃতিক ক্ষেত্ৰখনক আগুৱাই নিবলৈ অহোপুৰুষাৰ্থ কৰা হেতুকে আজি ভাৰতবৰ্ষ তথা বিশ্বৰ বুকুত অসমীয়া সাহিত্য, সংস্কৃতি ঠাই পাবলৈ সক্ষম হৈছে। সেইসকলে স্বনামধন্য ব্যক্তি অসম বুৰঞ্জীত স্মৰণীয় হৈ থাকিব।

অসমৰ ঠাই বিশেষে সাংস্কৃতিক সাহিত্যানুৰাগী আৰু সাহিত্যৰ সুবাসেৰে উদ্ভাসিত ব্যক্তি যথেষ্ট পোৱা যায়, তেওঁলোকেই উদ্যাপিত কৰে নতুন সৃষ্টি। এনে এক সবল চিন্তাৰে সময়ৰ সতে খোজ মিলাই আগবাঢ়িছিল চণ্ডীবৰুৱাৰ ৰাজ হাউলীও। আজিৰ পৰা ৫৭ বছৰৰ আগতে বৃহত্তৰ হাউলী অঞ্চলৰ শুভ চিন্তক, সমাজকৰ্মী, সু-সাহিত্যিক বিদ্যানুৰাগ ব্যক্তি যাদৱ চন্দ্ৰ দাস আৰু শশী শৰ্মাৰ উদ্যোগত আৰু কৃতী শিক্ষক, সমাজকৰ্মী, সংস্কৃত সাহিত্যৰ বুৎপত্তিমন্ত সুৰেন্দ্ৰ নাৰায়ণ গোস্বামী তথা বিশিষ্ট ব্যক্তি, লেখক, সমাজকৰ্মী যোগেশ চন্দ্ৰ নাথৰ সহযোগত সাধাৰণ সভাৰ যোগেদি ১৯৬৬ চনত হাউলীত পোন প্ৰথমে 'হাউলী শাখা সাহিত্য সভা'ৰ জন্ম হয়। 'শাখা সাহিত্য সভা'ৰ প্ৰথম সভাপতি আছিল বি.এইচ. কলেজৰ উপাধ্যক্ষ, সমাজকৰ্মী গিৰীন্দ্ৰ কুমাৰ দাস আৰু প্ৰথম সাঃ সম্পাদক আছিল হাউলী হাইস্কুলৰ কৃতী শিক্ষক, বিশিষ্ট প্ৰৱন্ধকাৰ সত্যেন্দ্ৰ কুমাৰ পাঠক। সহঃ সম্পাদক আছিল হাবিবুৰ ৰহমান।

এনেদৰে হাউলীৰ বিদ্বৎ সমাজখনে 'শাখা সাহিত্য সভা'খন সক্ৰিয় কৰি বৃহত্তৰ হাউলী অঞ্চলত সাহিত্য, সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। যাদৱ চন্দ্ৰ দাস, সত্যেন্দ্ৰ কুমাৰ পাঠক, চাকিনা খাতুন আৰু

https://howlyraasmahotsav.org/

কুমাৰ মীন দাসে 'হাউলী শাখা সাহিত্যৰ সভা'ৰ হৈ 'অসম সাহিত্য সভা'ৰ বছৰেকীয়া অধিৱেশনত সাতবাৰ প্ৰতিনিধিত্ব কৰিছিল।

১৯৭৭-১৯৭৮ চনত সমাজ সচেতক, লেখক, হাউলী হাইস্কুলৰ কৃতী শিক্ষক সুৰেন্দ্ৰ কুমাৰ দাস আৰু সমাজ কৰ্মী, শিক্ষক খগেন দাসৰ উদ্যোগ আৰু নিৰলস প্ৰচেষ্টাত, সাহিত্য অনুৰাগী ব্যক্তি সকলৰ সহযোগত হাউলী অঞ্চলত সাহিত্যৰ পৰিৱেশ নিৰ্মাণ হৈছিল। কালক্ৰমত বিভিন্ন কাৰণবশতঃ (প্ৰধানতঃ অসম আন্দোলন) শাখা সাহিত্য সভাখন নিষ্ক্ৰিয় হৈ পৰে।

হাউলীত দ্ব্যৰ্থহীন শুভচিন্তক, দূৰদৰ্শী, জাতীয় প্ৰেমিক সকলে ভৱিষ্যত প্ৰজন্মৰ বাবে কিবা এটা কৰো বুলি নাইবা সমাজখন শৃংখলিতভাৱে ৰাখিবলৈ, সাংস্কৃতিকভাৱে আগবঢ়াই নিবলৈ, অসংখ্য ত্যাগেৰে যিমানবোৰ অৱদান আগবঢ়ালে সেইবোৰ আমাৰ বাবে সম্পদ, সম্পত্তি। তেওঁলোক আছিল জ্ঞান পিপাসু মহৎ লোক। তেওঁলোকৰ দুৰ্বাৰ সপোনবোৰক অৱলম্বন কৰি আমি পিছৰ প্ৰজন্মই নতুন চিন্তাৰে ধাৱমান হ'ব পাৰো। কাৰণ পুৰণিৰ আলমতহে নতুনৰ সৃষ্টি সহজ হয়।

https://howlyraasmahotsav.org/

১৯৯৮ চনত তেনে এক নব্য চিন্তাৰে আগবাঢ়ি আছিল হাউলীৰ উদ্যোগী, ভৱিষ্যতদ্ৰষ্টা, সৃষ্টিশীল মনৰ অধিকাৰী কেইজনমান উঠি অহা যুৱক। তেতিয়া মই দিনটোৰ বেছি সময় বৰপেটাৰোডতে কটাওঁ, বৰপেটাৰোড আছিল মোৰ কৰ্মভূমি। তাত এখন মোৰ কিতাপৰ দোকান আছিল। এদিনাখন ভাতৃপ্ৰতীম মনহৰি বায়নে লগ ধৰিলে আৰু ক'লে প্ৰতাপদা, হাউলীৰ 'শাখা সাহিত্য সভাখন বহু বছৰ ধৰি নিষ্ক্ৰিয় হৈ আছে, ইতিমধ্যে 'অসম সাহিত্য সভা'ৰ স্বীকৃতিও বাতিল হৈছে। আপুনি আমাৰ লগত আহক, আমি আটায়ে মিলি 'হাউলী শাখা সাহিত্য সভা'ক সক্ৰিয় কৰি সাংস্কৃতিক পৰিৱেশ গঢ়ি তুলিবলৈ সহযোগ কৰোঁ। দুদিনমান পিছত পুনৰ মনহৰি বায়ন আৰু মেছেৰ আলী আহমেদে মোক বৰপেটাৰোডত লগ ধৰিলে। আমি আলোচনাত মিলিত হৈ সিদ্ধান্ত ল'লোঁ আৰু হাউলী অঞ্চলৰ বহু সাহিত্যানুৰাগী ব্যক্তিক লগ ধৰিলোঁ। সাধাৰণ সভাযোগে 'শাখা সাহিত্য সভা' হাউলী, পুনৰ গঠন হ'ল। সভাই সভাপতিৰ দায়িত্ব দিলে শিক্ষাবিদ, বি. এইচ কলেজৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক গুণীন্দ্ৰ নাথ চৌধুৰীদেৱক। সাঃ সম্পাদকৰ দায়িত্ব দিলে প্ৰতাপ দাসক (এইপ্ৰবন্ধৰ লেখক) সহঃ সম্পাদকৰ দায়িত্ব দিলে মনহৰি বায়ন আৰু মেছেৰ আলীক।

উপদেষ্টাদ্বয় শিক্ষাবিদ, লেখক, সাংবাদিক কমল চন্দ্ৰ বায়ন আৰু সমাজকৰ্মী, লেখক যোগেশ চন্দ্ৰ নাথ। তত্বাৱধায়ক আছিল কৃতী শিক্ষক, সমাজকৰ্মী খগেন্দ্ৰ চন্দ্ৰ দাস। (এই শাখা সাহিত্য সভাখনে 'অসম সাহিত্য সভাৰ সাংবিধানিক বিধি ৰক্ষা কৰি পাঁচ বছৰলৈ কাৰ্যনিৰ্বাহ কৰিছিল।) হাউলী 'শাখা সাহিত্য সভা' পুনৰ গঠন হোৱাত আমি আটায়ে সন্তোষ প্ৰকাশ কৰিলোঁ আৰু সভাক সক্ৰিয় কৰিবলৈ অহৰহ লাগি থাকিলো। 'অসম সাহিত্য সভাৰ লগত যোগাযোগ কৰি শাখা সভাখনক স্বীকৃতি দিবলৈ আবেদন জনালোঁ। সাহিত্য সভাৰ সাংবিধানিক নিয়ম অনুযায়ী অৱশেষত হাউলী 'শাখা সাহিত্য সভা'ই স্বীকৃতি পালে। এতিয়াও মনত সজীৱ হৈ আছে সাহিত্য সভাৰ সদস্য ভৰ্তিৰ বাবে মনহৰি বায়ন, মেছেৰ আলী আহমেদক লগত লৈ হাউলী অঞ্চলৰ বিভিন্নজনক লগ ধৰিবলৈ চাইকেলেৰে ঘূৰি ফুৰা কথা। অৱশ্যে ৰাইজৰ সঁহাৰি দেখি আমি উৎসাহী হৈছিলোঁ। হাউলী 'শাখা সাহিত্য সভা'ৰ দায়িত্ব লোৱাৰে পৰা আমি আটায়ে মিলি সাহিত্য সভাৰ মাজেৰেই সময়নিষ্ঠভাৱে হাউলী অঞ্চলৰ সাহিত্য-সংস্কৃতি আৰু সামাজিক কামবোৰ কৰাৰ বাবে আগবাঢ়িছিলোঁ। আমাৰ কাৰ্যকালত 'অসম সভা'ৰ ১৯৯৯ হাজো অধিৱেশন আৰু বিলাসীপাৰা অধিৱেশনত 'শাখা সাহিত্য সভা'ৰ হৈ প্ৰতাপ দাস, মনহৰি বায়ন, মেছেৰ আলী আহমেদে প্ৰতিনিধিত্ব কৰিছিল। সময়ে সময়ে কেইবাখনো সাহিত্য আলোচনা সভা, কবি সন্মিলন, সম্বৰ্ধনা অনুষ্ঠান, বছৰেকীয়া অধিবেশন আদি অনুষ্ঠিত হৈছিল।

বিশিষ্ট সাহিত্যিক, কৃতকৰ্মা যাদৱচন্দ্ৰ দাসক জীৱিত কালতেই সমাদৃত কৰিবলৈ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছিল আৰু উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি এখনি পুষ্টিকাও প্ৰকাশ কৰা হৈছিল। পুস্তিকাখনৰ সম্পাদনাৰ দায়িত্বত আছিল মনহৰি বায়ন আৰু মেছেৰ আলী আহমেদে।

হাউলী বাসীৰ বাবে গৌৰৱৰ বিষয়, অসমীয়া সাহিত্য জগতৰ প্ৰথম ঐতিহাসিক উপন্যাস 'মনোমতী'ৰ

পটভূমি আছিল চণ্ডীবৰুৱাৰ ৰাজ হাউলি। ৰজনীকান্ত বৰদলৈ হাউলীৰ হালাপাকুৰীস্থিত গড়কাপ্তানী বিভাগৰ পৰিদৰ্শন বাংলাত চৰকাৰী বিষয়াৰ দায়িত্বত থকা সময়ত লেখি উলিয়াইছিল 'মনোমতী'। এই ঐতিহ্যপূৰ্ণ ঠাইডোখৰ সংৰক্ষণৰ বাবে প্ৰস্তাৱিত কৰিবলৈ 'শাখা সাহিত্য সভা'ৰ তৰফৰ পৰা বৰপেটা জিলা উপায়ুক্ত আৰু অসম চৰকাৰক স্মাৰকপত্ৰ প্ৰদান কৰি উল্লেখিত বাংলাটোৰ সন্মুখত এখন ফলক লগাই দিয়া হৈছিল।

'হাউলী শাখা সাহিত্য সভাই স্থায়ী কাৰ্যালয় আৰু সভা গৃহৰ কথা অনুভৱ কৰি সিদ্ধান্ত লোৱা ঠাই ডোখৰতে নিৰ্মাণ হোৱাত এটা চিৰদিনীয়া অভাৱ দূৰ হৈছে।

ঐতিহ্যমণ্ডিত চণ্ডীবৰুৱা ৰাজ হাউলি সাহিত্য, সাংস্কৃতিক ক্ষেত্ৰত অসমৰ ভিতৰতে এখন লেখত ল'বলগীয়া অতি সুন্দৰ নগৰ। হাউলীত বহু বিদ্যানুৰাগ, জ্ঞান পিপাসু, বিদ্বজ্জন আৰু কবি, অভিনেতা, চিত্ৰকৰ, শিল্পী তথা ব্যৱসায়ী সকলে ঐতিহ্য, ইতিহাসক সুন্দৰভাৱে ধৰি ৰাখিবলৈ প্ৰয়াস কৰা দেখা যায়। নতুন প্ৰজন্মক তাৰেই কিছু আভাস দিবলৈ চেষ্টা কৰিছোঁ।

https://howlyraasmahotsav.org/

হাউলীৰ মহান ব্যক্তিসকলে বুজি পাইছিল, সাহিত্য চৰ্চাই ভাষা আৰু জাতিক উন্নতিৰ পথত আগুৱাই নিয়াত কিদৰে প্ৰত্যক্ষভাৱে সহায় কৰে, হয়তো এইটোও বুজিছিল যে সাহিত্যৰ এটা মুখ্য উদ্দেশ্য হৈছে মানৱ সম্পদৰ অন্বেষণ। সাহিত্য এক বিশ্বাস, ধাৰণা কিন্তু সাধাৰণভাৱে ক'বলৈ হ'লে সাহিত্যই আমাক মানুহ, সমাজ, ঘটনা, পৰিঘটনা আৰু সংস্কৃতিক বুজিবলৈ শিকায়। সাহিত্যৰ প্ৰধানতঃ উদ্দেশ্যই হ'ল মনোৰঞ্জন আৰু সাংস্কৃতিক পৰিৱেশ তৈয়াৰ কৰা।

এনে এক গুৰু দায়িত্ব লৈ আগবাঢ়িছিল হাউলী অঞ্চলৰ মনীষীসকলে। তেওঁলোকৰ নিৰন্তৰ নেতৃত্বত হাউলীত সাংস্কৃতিক বাতাৱৰণৰ সৃষ্টি হৈছিল।

অসমীয়া সাহিত্য জগতত পৰিচিত, প্ৰতিষ্ঠিত সাহিত্যিক হাউলীৰ সু-সন্তান যাদৱ চন্দ্ৰ দাসদেৱ। 'নিংনি ভাওৰীয়াৰ ৰহস্য' ৰচনাৰে তেওঁ অসম বিখ্যাত হৈ পৰিছিল। আজিও 'নিংনি ভাওঁৰীয়াৰ ৰহস্য' অসমীয়া মানুহৰ মুখে মুখে। তেখেতৰ অন্যান্য প্ৰকাশিত পুথি 'অসমৰ পটভূমি বাউসী বৰনগৰৰ ঐতিহ্য' (২০০২), মোৰ জীৱন সংগ্ৰামৰ বিজয়ৰ কাহিনী, ল'ৰাৰ সংযম শিক্ষা আদি। তেওঁৰেই পঞ্চৰতন ফাৰ্মৰ অসমীয়া দিনপঞ্জী (কেলেণ্ডাৰ) প্ৰতি বছৰে অসমীয়া নতুন বছৰৰ আৰম্ভণিতে প্ৰকাশ কৰি উলিয়ায়। আজিও সেইধাৰা পঞ্চৰতন ফাৰ্মে অব্যাহত ৰাখিছে।

আন এগৰাকী বৰেণ্য ব্যক্তি সংস্কৃত সাহিত্যৰ ব্যৎপত্তিমন্ত সুৰেন্দ্ৰ নাৰায়ণ গোস্বামী। তেওঁ ১৯৫৭ চন মানতেই অসমৰ জনপ্ৰিয় কাকত নতুন অসমীয়া, অসম বাণী আদিত প্ৰৱন্ধ-পাতি লেখি অসমীয়া সাহিত্য জগতত নিজৰ স্থান দখল কৰবলৈ সক্ষম হৈছিল। ১৯৫৮ চনত তেওঁৰ 'কথা সৰিৎ সাগৰৰ সাধু' প্ৰকাশ পায়। আন এখন পুথি 'পুৰাণৰ গল্প' ২০১৫ চনত 'অসম শিশু সাহিত্য ন্যাস'ৰ দ্বাৰা প্ৰকাশিত।

উল্লেখ্য যে, যি সময়ত সংস্কৃত কাব্যগ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰাতো সহজবোধ্য নাছিল, সেইকাৰ্য সম্ভৱ কৰি তুলিছিল সুৰেন্দ্ৰ নাৰায়ণ গোস্বামীয়ে তেখেতৰ সেই অন্যতম অসমীয়ালৈ অনুদিত গ্ৰন্থ (সংস্কৃত মহাকবি কালিদাসৰ) 'মেঘদূত'। ইয়াৰ উপৰি উড়িয়া কাকত 'সু-শ্ৰী'ত 'শেষ বন্ধু'নামৰ সংস্কৃত কবিতা এটা প্ৰকাশ পাইছিল। ১৯৬০ চনত হাউলী 'চণ্ডীবৰুৱা স্মৃতি ভৱন'ত সুৰেন্দ্ৰ নাৰায়ণ গোস্বামী, যাদৱ চন্দ্ৰ দাস আৰু ডাঃ দেৱেন দাসৰ উদ্যোগত 'শংকৰ অধ্যয়ণ চক্ৰ' নামৰ এটা সাহিত্য সম্পৰ্কীয় অনুষ্ঠানৰ জন্ম হৈছিল। তাত মাহিলি এবাৰকৈ বৈঠক হৈছিল।

শিক্ষাবিদ, সাংবাদিক, সাহিত্যিক আৰু 'হিন্দী অসমীয়া অভিধান'ৰ প্ৰণেতা আছিল কমল চন্দ্ৰ বায়ন। তেওঁ সৰ্বভাৰতীয় পৰ্যায়ৰ হিন্দী আলোচনী 'ধৰ্মযুগ'ত নিয়মিতভাৱে লিখিছিল। তেওঁ অনুমানিক ১৯৭৭ পৰা 'নতুন অসমীয়া' আৰু পিছলৈ 'আজিৰ অসম' কাকতৰ সাংবাদিক আছিল।

হাউলী ছোৱালী হাইস্কুলৰ কৃতী শিক্ষক, সমাজকৰ্মী সতেন্দ্ৰ কুমাৰ পাঠক সাহিত্যানুৰাগী ব্যক্তি। তেওঁ বিভিন্ন প্ৰৱন্ধ-পাতি লিখি সাহিত্যৰ পথাৰ চহকী কৰিছিল। তেওঁৰ বিভিন্ন লেখা বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ পাইছিল, তাৰ ভিতৰত অন্যতম আছিল প্ৰান্তিক, নীলাচল আদি।

সমাজ সংগঠক, লেখক হাউলীৰ শুভ চিন্তক যোগেশ চন্দ্ৰ নাথে উচ্চ মানৰ প্ৰৱন্ধ-পাতি লেখি

সাংস্কৃতিক পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈছিল। দেৱেশ্বৰ মজুমদাৰো আছিল এগৰাকী সমাজ হিতৈষী, সংগঠক। তেওঁ সাহিত্য, সাংস্কৃতিক ক্ষেত্ৰখনত জড়িত ব্যক্তিসকলক সদায় উৎসাহ উদ্দীপনা যোগাইছিল। তেওঁৰ প্ৰেৰণাই কেইবাগৰাকী ব্যক্তিক সাহিত্য চৰ্চা কৰিবলৈ বাধ্য কৰাইছিল। তেওঁ 'নতুন অসমীয়া'ৰ সংবাদিক আছিল।

হাউলীৰ সৰবৰহী মহিলা চাকিনা খাতুন আছিল ভাল সাহিত্য কৰ্মী। কৃতী শিক্ষয়িত্ৰী চাকিনা খাতুন লেখিকা হিচাবে প্ৰতিষ্ঠিত। তেওঁৰ কেবাখনো গ্ৰন্থ ইতিমধ্যে প্ৰকাশ পাইছে। শেষলৈ তেওঁৰেই ছোৱালী ছানিয়াৰা খাতুনেও লেখা-মেলাত মনোনিৱেশ কৰিছিল।

আন এগৰাকী বিশিষ্ট শিক্ষাবিদ, পুৰোধা ব্যক্তি আছিল বি.এইচ.কলেজৰ অধ্যক্ষ সত্যনাথ দাস দেৱ। তেওঁ এগৰাকী সু-বক্তা, কৰ্মঠ প্ৰশাসক আৰু প্ৰৱন্ধ লেখক। অৰ্থনীতিৰ ওপৰত প্ৰৱন্ধ লেখি সমাদৰ লাভ কৰিছিল, তেওঁৰ প্ৰকাশিত পুথি 'অৰ্থনীতি'। এতিয়াও 'অৰ্থনীতি' নামৰ পুথিখন অৰ্থনীতিৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰাসংগিক পুথি হিচাপে অধ্যয়ন কৰি আছে।

https://howlyraasmahotsav.org/

হেন্‌ৰি ফৰ্ড এ কৈছিল— 'যি মানুহে নতুন নতুন কথা শিকিবলৈ এৰি দিয়ে, তেওঁকে বুঢ়া মানুহ বুলি ক'ব পাৰি— তেহেলৈ তেওঁৰ বয়স কুৰিয়েই হওঁক বা আশীয়েই হওঁক, যি মানুহে নতুন নতুন কথা শিকি থাকে তেওঁ সদায় ডেকা হৈ থাকে। নিজৰ মনটোক চিৰতৰুণ কৰি ৰখাটোৱেই হ'ল মানুহৰ জীৱনৰ আটাইতকৈ ডাঙৰ কৃতকাৰ্যতা।' এনেবোৰ উদ্ধৃতিৰে উদ্‌গনি জগোৱা, সাহিত্যৰ আড্ডা ৰসাল কৰা, অসমৰ সাহিত্য আকাশৰ ভোটা ত'ৰা সদৃশ হাউলীৰ সু-সন্তান মনোৰঞ্জন চৌধুৰীৰ সান্নিধ্যই মোৰ লগতে বহুতোকে ধন্য কৰিছিল। হৃদয়স্পৰ্শী চুটি গল্প লেখি মনোৰঞ্জন চৌধুৰীয়ে পাঠকৰ মন জয় কৰাৰ উপৰি দক্ষতাৰে অসমীয়া সাহিত্য জগতত নিজৰ স্থান দখল কৰিছিল। তেখেতৰ লেখাবোৰৰ মই এজন নিয়মীয়া পঢ়ুৱৈ আছিলো। এতিয়াও মনত সজীৱ হৈ আছে তেখেতৰ বিখ্যাত চুটি গল্প 'হৃদয় নহয় শিল, অন্ধকুপ আদি। তেওঁৰ ৰচনাৰ শব্দশৈলী, বাক্যৰ গাঁথনি বৰ ৰসাল আছিল। শব্দৰ ভঁড়াল আছিল তেওঁৰ মগজু, যেন সৰু-সুৰা এখনি অসমীয়া অভিধান। অতি সাৱলীলভাৱে নিৰ্গত হৈছিল অসমীয়া শব্দবোৰ। প্ৰৱন্ধ, কবিতা, নাটক আদিও লিখিছিল মনোৰঞ্জন চৌধুৰীয়ে। তেওঁৰ প্ৰকাশিত গল্প পুথি-'অন্ধকুপ'। অসমীয়া আলোচনী, বাতৰি কাকতত সিঁচৰতি হৈ আছে মনোৰঞ্জন চৌধুৰীৰ লেখা। চৌধুৰীদেৱৰ এখন বিখ্যাত নাটক 'সমাজৰ সঁচাখিনি'। এইখন নাটক কিমান মঞ্চস্থ হৈছে তাৰ হিচাব নাই। আন এখন নাটক পিষ্টল (বাংলাৰ অনুবাদ) সমাজৰ সঁচাখিনি আৰু পিষ্টল এই দুখন নাটকে দৰ্শকৰ মন আলোড়িত কৰিছিল।

সাহিত্যানুৰাগী আন এগৰাকী ব্যক্তি আছিল তাজ উদ্দিন। হাউলীৰ সাহিত্যৰ আড্ডাত তেওঁ থাকেয়েই। লেখা-মেলাতো বৰ আগ্ৰহী আছিল তাজ উদ্দিন ডাঙৰীয়া। তেওঁ উপন্যাস, গল্প, প্ৰৱন্ধ আদি লিখিছিল। তেখেতৰ প্ৰকাশিত উপন্যাস 'আহত কপৌ, (১৯৯৪)।

এতিয়া আহোঁ গভীৰ অধ্যয়নপুষ্ট এগৰাকী লেখকৰ পৰিচয় কৰাবলৈ— তেওঁৰ নাম যোগেন নাথ। যোগেন নাথ বহুমুখী প্ৰতিভাৰ ৰসাল ব্যক্তিত্বৰে মহীয়ান হাউলী অঞ্চলৰ এগৰাকী অতি জনপ্ৰিয় লোক। তেওঁ একেধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, নাট পৰিচালক, অভিনেতা, কবি আৰু প্ৰৱন্ধকাৰ। তেওঁৰ সান্নিধ্যতে সাহিত্য, সাংস্কৃতিক দিশৰ অ, আ, ক, খ— শিকিছিলোঁ। যিমান দিনলৈ জীয়াই থাকিম সিমান দিনলৈ হয়তো যোগেন নাথক পাহৰিব নোৱাৰিম। তেওঁ বিতৰ্কহীন ব্যক্তিত্বৰে এগৰাকী দক্ষ সাংস্কৃতিক সংগঠক। যোগেন নাথৰ বিখ্যাত নাটক 'শগুণ' আৰু 'ৰঙা গোলাপ'।

মহাবিদ্যালয়ৰ কৃতী অধ্যাপক, সমাজকৰ্মী ড° ভগীৰথ নাথ এগৰাকী ভাল প্ৰৱন্ধকাৰ। স্থানীও বহু আলোচনীত তেখেতৰ লেখাসমূহ সিঁচৰতি হৈ আছে। আন এগৰাকী কৃতী শিক্ষক, সমাজসেৱী, কৰ্মদ্যোমী আৰু প্ৰৱন্ধকাৰ নৃপেন্দ্ৰ পূজাৰী। তেখেতৰলেখাসমূহ আলোচনী, বাতৰি কাকতত বিভিন্ন সময়ত প্ৰকাশ হৈছিল।

হাউলীবাসীৰ বাবে সমাদৃত প্ৰতিভা নিৰঞ্জন দাস (নিৰুদা) এগৰাকী দক্ষ নাট পৰিচালক, সুদক্ষ অভিনেতা, সুৰকাৰ আৰু গায়ক। এনে এটা সময় আছিল হাউলীত নিৰুদাৰ অবৰ্তমানত নাট্য জগত স্থবিৰ, নিমাওমাও যেন হৈ পৰে। নিৰুদা মানেই নাটক।

নগেন নাথৰ কথা নক'লেও আধৰুৱা হ'ব। নগেন নাথ আছিল কৃতিত্বশালী নাট্যকাৰ, অভিনেতা, গীতিকাৰ আৰু সুদৰ্শন ব্যক্তি। তেওঁৰেই বিখ্যাত নাটক 'বহুৱা মঞ্চ'। এতিয়াও নিশ্চয় নগেন নাথৰ অভিনয় দৰ্শকে পাহৰিব পৰা নাই। হাউলীৰ নাটকৰ অনিৰুদ্ধ যাত্ৰাৰ দুগৰাকী দক্ষ অভিনেতা, নাট্যকাৰ আছিল প্ৰসন্ন নাথ (প্ৰসন্ন মণ্ডল) আৰু ভগৱান নাথ। ভগৱান নাথ বিশেষকৈ কৌতুক অভিনেতা। তেওঁৰ হাস্য-ৰসিক অভিনয়ে দৰ্শকক আনন্দ দিছিল।

হাউলীৰ প্ৰতিভাধৰ ব্যক্তিসকলৰ কথা কিমান কম, কিমান লিখিম? আজিৰ পৰা বহু বছৰ আগতে হাউলী নগৰ আছিল সাংস্কৃতিক অময়াপুৰী। ঠায়ে ঠায়ে নাটক, কবিতাৰ আড্ডা, প্ৰতিভাৰ প্ৰতিযোগিতা। এক সুন্দৰ পৰিৱেশ। সেই সময়ৰে দক্ষ অভিনেতা, চিত্ৰকৰ, নাট্যকাৰ, নাট পৰিচালক কৃতী শিক্ষক সূৰ্যকান্ত চৌধুৰী। তেওঁ পৰিচালনা কৰা নাটক 'ডকাইত কোন' আৰু তেওঁ ৰচনা কৰা নাটক 'বালি চাপৰিত বলিশাল' আদি। তেওঁ এগৰাকী প্ৰখ্যাত চিত্ৰকৰো আছিল।

বহু বছৰ আগৰ কথা। হাউলীৰ পৰা এটা নাট্য দল ধুবুৰী জিলাৰ বিলাসী পাৰালৈ গ'ল— নাট মঞ্চস্থ কৰাৰ উদ্দেশ্যে, নাটকখনৰ নাম আছিল 'বেউলা লক্ষীন্দৰ'। নাটকৰ কাহিনী আৰু অভিনেতাৰ বলিষ্ঠ তথা সাৱলীল অভিনয়ে দৰ্শক ৰাইজৰ মন মুহিলে, ৰাইজ মুগ্ধ হ'ল। বিলাসী পাৰাৰ স্থানীয় দৰ্শক, ৰাইজৰ অকুণ্ঠ দাবীত 'বেউলা লক্ষীন্দৰ' নাটকখন এদিনৰ ঠাইত একেৰাহে তিনিদিন মঞ্চস্থ কৰিব লগা হ'ল। আচলতে ৰাইজৰ মৰম আৰু অনুৰোধে নাট্য দলটোক বাধ্য কৰি তুলিছিল। নাটকখনৰ মুখ্য অভিনেতা আছিল 'হাউলীৰ বিদ্বজ্জন, সু-চিকিৎসক, দক্ষ অভিনেতা তথা সক্ৰিয় ৰাজনীতিক ডা° সুৰেন্দ্ৰ নাথ দাস। সেই সময়ত তেওঁ আছিল অসম চৰকাৰৰ দায়িত্বশীল স্বাস্থ্য মন্ত্ৰী। একে সময়তে শৰৎ চন্দ্ৰ সিংহ অসমৰ মুখ্যমন্ত্ৰী আছিল। যেতিয়া ডাঃ সুৰেন্দ্ৰ নাথ দাস দিছপুৰলৈ ঘূৰি গৈছিল তেতিয়া মুখ্য মন্ত্ৰীয়ে প্ৰশ্ন কৰিছিল ডাঃ দাস আপুনি নাটক কৰি থাকিবনে মন্ত্ৰীত্বৰ কামো কৰিব? এনেধৰণৰ ঘটনাৰাজিয়ে এতিয়াও আমাৰ মনপ্ৰাণ আপ্লুত কৰে।

আন দুগৰাকী সমাজকৰ্মী, প্ৰতিষ্ঠিত অভিনেতা আছিল বিশ্ব নাথ দাস আৰু উমেশ চন্দ্ৰ দাস। তেওঁলোকৰ হৃদয়স্পৰ্শী অভিনয়ে দৰ্শকক আনন্দ দিছিল। বি. এইচ. কলেজৰ সৰ্বৱৰহী অধ্যাপক, প্ৰৱন্ধ লেখক, সংগঠক, খেলুৱৈ, ফুটবল খেলৰ ৰেফাৰী আৰু প্ৰতিভাৱান অভিনেতা অকণ পাঠক। অকণ পাঠকৰ অকৃত্ৰিম হাউলীপ্ৰেম আৰু অৱদানক হাউলীবাসী ৰাইজে পাহৰিব নোৱাৰে। তেখেতৰ সমসাময়িক ৰাজনীতিক, সমাজ সেৱী চণ্ডীচৰণ দাসো এগৰাকী দক্ষ অভিনেতা আছিল।

নামনি অসমৰ নাট্য জগতৰ গুৰি ধৰোঁতা হাউলীবাসী ৰাইজে সদায় এখনি স্থায়ী ৰংগ মঞ্চৰ অভাৱ অনুভৱ কৰি আছিল। অৱশেষত হাউলীৰ বাসিন্দা নিকুঞ্জ বিহাৰী সাহাৰ সভাপতিত্বত সাধাৰণ সভাযোগে ১৯৫২ চনত জন্ম হয় 'হাউলী নাট্য সংঘ'। কালক্ৰমত 'চণ্ডীবৰুৱা স্মৃতি ভৱন'ত হাউলী নাট্য সংঘৰ স্থায়ী ৰংগমঞ্চ স্থাপন হয়গৈ। এইখন ৰংগ মঞ্চতে স্বনামধন্য, বিদ্বৎ নাট্য শিল্পীয়ে অভিনয় তথা নাট পৰিচালনা কৰি ৰাইজৰ মৰম বুটলিছিল। প্ৰণিধানযোগ্য যে থিৰেশ্বৰ শৰ্মা, ডাঃ দেৱেন দাস আদি নাট্য কৰ্মীৰ লগত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্য গঢ়ি উঠিছিল আৰু 'চণ্ডীবৰুৱা স্মৃতি ভৱন'ৰ নাট্যসংঘৰ মঞ্চত ১৯৬৫ চনত বিষ্ণু ৰাভাই 'শোণিত কুৱৰী' নাটখন পৰিচালনা কৰাৰ উপৰিও দক্ষতাৰে অভিনয়ো কৰিছিল। 'শোণিত কুঁৱৰী' নাটখন চাবলৈ দৰ্শকৰ সোঁত বৈছিল আৰু তিনিদিন ধৰি মঞ্চস্থ হৈছিল। বৃহত্তৰ হাউলী অঞ্চলৰ ৰাইজৰ উপৰি আঠিয়াবাৰী (বৰ্তমান বৰপেটাৰোড), সৰভোগ, বৰপেটা, সৰুপেটা আদিৰ দৰ্শকো 'শোণিত কুৱৰী' চাবলৈ সমবেত হৈছিল, নাটখনে দৰ্শক ৰাইজৰ অভূতপূৰ্ব সঁহাৰি লাভ কৰাত উদ্যোক্তাসকলে সন্তোষ প্ৰকাশ কৰিছিল।

সুদক্ষ অভিনেতা ছবিন নাথ আছিল এগৰাকী নাট্য শিল্পী আৰু সংগঠক। ছবিন নাথ আৰু থিৰেশ্বৰ শৰ্মাই কলাগুৰু বিষ্ণুৰাভাৰ লগত অভিনয় কৰিছিল। নাট্য কৰ্মী থিৰেশ্বৰ শৰ্মাই হাউলী নাট্য সংঘৰ একেৰাহে ২৫ বছৰ ধৰি সভাপতি আছিল। কৃতী শিক্ষক, সমাজকৰ্মী আৰু এগৰাকী প্ৰভাৱশালী অভিনেতা আছিল শৈলেন চৌধুৰী। তেখেতেৰ অভিনয়ে দৰ্শকক আপ্লুত কৰা দেখা গৈছিল।

আন এগৰাকী অভিনেতা, নাট্যকাৰ চান মোহন পাঠক। তেওঁ একাগ্ৰতাৰে নাট ৰচনাৰ উপৰি সুন্দৰ অভিনয়েৰে দৰ্শকক আমোদ দিছিল। তেওঁৰ ৰচিত

https://howlyraasmahotsav.org/

নাটবোৰ ক্ৰমে— জীৱন্ত পাক, সীমান্তৰ বলি, বিপ্লৱ, পাহাৰী কন্যা, শ্বেৰশ্বাহ, সূৰ্য তৰুণ, মানুহ, লাল খাঁ, জয় যাত্ৰা, দেনা-পাওনা আদি। (ইয়াৰ কেইবাখনো নাটক বাংলা নাটকৰ পৰা অনুদিত।)

শৈলেন দাস সুদৰ্শন আৰু সুদক্ষ অভিনেতা আৰু সমাজসেৱী। অভিনয়ক মনে-প্ৰাণে ভাল পোৱা শৈলেন দাসে বহু মঞ্চত অভিনয় কৰিছে। তেওঁৰ দুৰ্দান্ত অভিনয়ে দৰ্শকক মন্ত্ৰ মুগ্ধ কৰিছিল। অভিনয়কে পেছা হিচাবে লৈ ভ্ৰাম্যমান থিয়েটাৰতো একেৰাহে কেবা বছৰ ধৰি মূল নায়কৰ চৰিত্ৰত অভিনয় কৰি থিয়েটাৰৰ মঞ্চ শুৱনি কৰি দৰ্শকৰ মৰম, আশীৰ্বাদ পাইছিল। তেওঁ হাউলীৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ব্যক্তি।

দীনেশ নাথো ভ্ৰাম্যমান থিয়েটাৰৰ অভিনেতা। তেওঁ বহু বছৰ ধৰি মঞ্চ জগতত দক্ষতাৰে অভিনয় কৰি সুনাম অৰ্জন কৰিছে। থিৰেশ্বৰ দাস, সুচেন পাঠকো ভাল অভিনেতা আছিল।

হাউলীৰ বলিষ্ঠ অভিনেতা সকলৰ ভিতৰত অন্যতম দীপক দাস (উকীল) তেওঁৰ সাৱলীল অভিনয়ে দৰ্শকক আমোদ দিছিল। কৃতী শিক্ষক ৰমেশ দাসে নিজে অভিনয় নকৰিছিল যদিও তেওঁ আছিল নাট্য সংগঠক আৰু অনুৰাগী। ৰমেশ দাসে সাংস্কৃতিক কৰ্মৰাজিত একাগ্ৰতাৰে জড়িত হৈ ৰাইজক উৎসাহিত কৰিছিল।

প্ৰসংগ সলনি কৰি এইবাৰ হেমেন দাস, খনীন নাথ, হৃষীকেশ গোস্বামী, ভূপেন দাস, ডাঃ ডিমেশ্বৰ দাস, কুমাৰ মীন দাস, জিতেন চৌধুৰী, নাৰায়ণ গোস্বামী, তৰণী কুমাৰ পাঠক আদি, প্ৰতিভাধৰ ব্যক্তিসকলৰ বিষয়ে চমুকৈ আলোকপাত কৰিব বিচাৰিছোঁ।

হাউলীৰ সোণালী অতীতত সাহিত্য, সংস্কৃতিৰ বটবৃক্ষ ৰোপণ কৰা ব্যক্তিসকলক সোঁৱৰণ কৰিলেই মনলৈ আহে হেমেন দাস (প্ৰাক্তন আই.এ.এছ বিষয়া তথা অসম বিধান সভাৰ সচিব)ৰ কথা। অকৃত্ৰিম সমাজকৰ্মী হেমেন দাসে অদমনীয় দৃঢ়তাৰে ৰাজহুৱা কামবোৰ কৰে। অসমবাসীৰ পৰিচিত তেওঁ এগৰাকী প্ৰভাৱশালী ব্যক্তি। বহুমুখী প্ৰতিভাৰ অধিকাৰী হেমেন দাস। সাহিত্যৰ ক্ষেত্ৰতো তেওঁ হৃদয়স্পৰ্শী লেখাৰে পাঠকৰ মন জয় কৰিব পৰা গুণৰ বাবে প্ৰশংসিত। তেওঁৰ লেখাবোৰ অতি উচ্চ মানৰ। সুন্দৰ শব্দশৈলীৰে বিষয়বস্তু প্ৰকাশৰ সুকীয়া ধাৰা আৰু কবিতাময় বাক্য গাঁথনিৰে মননশীল লেখাবোৰে পাঠকৰ হৃদয়, মন চুই অতি মনোৰঞ্জক কৰি তোলে। তেখেত এগৰাকী কবিও, হেমেন দাসৰ ভিন্নৰুচি সাহিত্য চৰ্চাই পাঠকক পৃথক আনন্দ দিয়ে। অভিনয় জগততো তেওঁৰ সুকীয়া স্থান আছে। এগৰাকী দক্ষ অভিনেতা হোৱাৰ উপৰিও সমাজ সংগঠক, সু-বক্তা আৰু সমাজৰ নেতৃত্ব ল'ব পৰা দায়িত্বশীল, নীতিজ্ঞ লোক হেমেন দাস। তেওঁৰ আছে অবিৰতভাৱে কাম কৰাৰ দুৰ্বাৰ সাহস। হাউলীৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত তেওঁ জড়িত। 'ৰামধেনু' নামৰ সাংস্কৃতিক গোষ্ঠীটোৰ জন্মদাতা সকলৰ ভিতৰত হেমেন দাস অন্যতম আছিল। তেওঁ দক্ষ অভিনেতা হেতুকে নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি কেবাবাৰো শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। 'মোৰ দেশ মোৰ মনৰ কথা'ৰ তেওঁ সংকলক আছিল। (পুথিখনৰ প্ৰকাশক 'নিশিথ প্ৰকাশন' ১৯৯৩)। বৃহত্তৰ হাউলী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ কেবাখনো 'স্মৰণিকা' হেমেন দাসৰ সম্পাদনাতেই প্ৰকাশ পাইছে।

https://howlyraasmahotsav.org/

চণ্ডী বৰুৱা ৰাজহাউলীৰ সু-সন্তান অতি সৰল, সহজ ব্যক্তিত্বৰ সংস্কৃতিৱান লেখক, কবি খনীন নাথ। ১৯৭৮ চনত 'নতুন অসমীয়া'ৰ অকণিৰ মৌ কোষ চ'ৰাত প্ৰথম লেখা প্ৰকাশেৰে তেওঁ সাহিত্য কৰ্মৰ পাতনি মেলিছিল। এটা সময়ত খনীন নাথে মন পৰশা কবিতা লেখি পাঠকক আমোদ দিছিল। তেওঁৰ এই জীপাল কবিতাবোৰে অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰিব। সম্পূৰ্ণ নতুন ধাৰাৰে কবিতা লেখি হাউলীৰ সাহিত্য ইতিহাসতো তেওঁৰ নাম লিপিবদ্ধ কৰিছে। খনীন নাথৰ আন এটা মহৎ গুণ হ'ল তথ্য লিপিবদ্ধ কৰা। হাউলীৰ ইতিহাস, ঐতিহ্যৰ বহু অজানা কথা তেওঁ সুন্দৰকৈ জানে। তেওঁৰ প্ৰকাশিত কবিতা পুথি 'অমৃতৰ সন্ধানত' (২০০৫)। আন এখন অনুবাদ পুথি 'ৰামধনু আঁকা ছোৱালীজনী' (চীন দেশৰ সাধুৰ পৰা অনূদিত), প্ৰকাশক ঃ অসম শিশু সাহিত্য ন্যাস, গুৱাহাটী। এই পুথিখনে অভিলেখ সৃষ্টি কৰি অসমীয়া সাহিত্যৰ বজাৰত বিক্ৰী হৈছিল।

হাউলী নগৰ এখন প্ৰসিদ্ধ ঠাই। ইয়াতেই বহু গুণী-জ্ঞানী, প্ৰতিষ্ঠাবান প্ৰতিভাৰ জন্ম হৈছে। তেনে এগৰাকী আদৰণীয় ব্যক্তি হৃষীকেশ গোস্বামী (অসম

শিশু সাহিত্য ন্যাসৰ সচিব তথা প্ৰাক্তন প্ৰেছ উপদেষ্টা মুখ্যমন্ত্ৰী, অসম চৰকাৰ)। তেওঁ একেধাৰে বিশিষ্ট লেখক, নিবন্ধকাৰ, কবি, দক্ষ অভিনেতা, সমাজসেৱী আৰু সু-বক্তা। হৃষীকেশ গোস্বামীয়ে গভীৰ বিষয়বস্তুৰ ওপৰত উল্লেখনীয় প্ৰৱন্ধ, নিৱন্ধ আদি লেখি অসমীয়া সাহিত্য জগতত নিজৰ স্থান দখল কৰিব পাৰিছে। তেওঁৰ লেখনীসমূহ নিয়মিতভাৱে অসমীয়া বাতৰি কাকত,আলোচনী আদিত প্ৰকাশ পাই আছে।

হৃষীকেশ গোস্বামী নিৰৱচ্ছিন্নভাৱে এগৰাকী সমাজসেৱী, সাহিত্য সেৱী, শিশু প্ৰেমীক আৰু সুদক্ষ বক্তা। তেখেতৰ সামাজিক বক্তব্যই দৰ্শক, শ্ৰোতাক প্ৰভাৱান্বিত কৰা দেখা যায়। তেওঁ ৰাজহুৱা সভাসমূহত নিৰলসভাবে ভাষণ প্ৰদান কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা গুণৰ বাবে সদায় মহান। গভীৰ অধ্যয়নপুষ্ট মন, জ্ঞান পিপাসু হৃষীকেশ গোস্বামীৰ সাৱলীল বক্তব্যৰ উপৰিও সাধাৰণ কথন ভংগীও বৰ ৰসাল। সেইবাবে তেওঁৰ কথা শুনিবলৈ আগ্ৰহেৰে বাট চাওঁ। কেতিয়াবা তেওঁ দুই- এটা প্ৰশ্ন হঠাতে সুধিলে বিব্ৰত হৈ পৰো, জনা কথাটোও পাহৰি যাওঁ, কিজানি ভুল হয়গৈ! ইয়াৰ কাৰণ হয়তো বিদ্বৎজনৰ সন্মুখত নিৰল আত্মসমৰ্পণ।

https://howlyraasmahotsav.org/

অসমৰ চুকে- কোণে ৰাজহুৱা সভাবোৰলৈ আমন্ত্ৰিত অতিথি বা মুখ্য বক্তা হিচাপে গৈ হৃষীকেশ গোস্বামীয়ে প্ৰেৰণাদায়ক ভাষণ আগবঢ়াই দৰ্শক, শ্ৰোতাক বিমুগ্ধ কৰি মৰম, আশীৰ্বাদ বুটলিবলৈ সক্ষম হৈছে। সেই বাবেই তেওঁৰ কথনীয় ভাষন শুনিবলৈ ৰাজহুৱা সভাবোৰত মানুহৰ সমাৱেশ হয়। হৃষীকেশ গোস্বামীয়ে বিভিন্ন শিক্ষানুষ্ঠান বিশেষকৈ বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিত বিভিন্ন মনীষিৰ হৃদয় পৰশা বানীৰ উদ্ধৃতিৰে আৰু নিজস্ব জ্ঞানৰ পৰিসীমাৰে সাৱলীলভাবে প্ৰেৰণাদায়ক বক্তিতা দি ছাত্ৰ-ছাত্ৰী তথা দৰ্শকক উপকৃত কৰিছে। অলপতে অসমৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শৈক্ষিক সভা এখনত আমন্ত্ৰিত বক্তা হিচাপে ভাষণ ৰাখি পাণ্ডিত্যৰ পৰিচয় দাঙি ধৰাত বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, দৰ্শক ৰাইজে উচ্চ প্ৰশংসাৰে ওপচাই দিছে, সেই কথা জানি আমি হাউলীবাসী হিচাবে গৌৰবান্বিত হৈ সন্তোষ প্ৰকাশ কৰিছোঁ। নামনি অসম, উজনি অসম জুৰি তেওঁ এগৰাকী জনপ্ৰিয় বক্তা হিচাপে পৰিচিত। উজনি অসমৰ প্ৰায়বোৰ বিহু মঞ্চৰ সাধাৰণ সভাবোৰত নামনি অসমৰ হৃষীকেশ গোস্বামীয়েই হয়তো একমাত্ৰ আমন্ত্ৰিত বক্তা। তেওঁৰ এনেবোৰ জনপ্ৰিয়তাই আমাক উৎসাহিত কৰে। ইয়াৰ উপৰি ধৰ্মালোচনা সভা আদিতো আধ্যাত্মিক চিন্তা- ধাৰাৰে হৃষীকেশ গোস্বামীয়ে ভাষণ ৰাখি দৰ্শক ৰাইজৰ প্ৰশংসা লাভ কৰিছে। হৃষীকেশ গোস্বামীৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি তেওঁৰ স্ব-ৰচিত প্ৰকাশিত গ্ৰন্থ আৰু সম্পাদিত আলোচনী, পুথিসমূহৰ বিৱৰণ দাঙি ধৰিলোঁ। তেখেতৰ শিশু সাহিত্যঃ পথ প্ৰদৰ্শক, আমাৰ দেশৰ মহান নেতা, ভল্টেয়াৰ, অকণমান বুঢ়ী (Little old women, N.B.T ৰ অনুদিত)। সম্পাদনা কৰা পুথি সমূহঃ (ড° নিৰ্মল প্ৰভা বৰদলৈৰ) শিশু সাহিত্য সম্ভাৰ, স্বদেশ প্ৰেমমূলক গীত, শিশু নাট্য সম্ভাৰ।

সম্পাদনা উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল—

১। শিশু সাহিত্য কোষ (৪০ টা খণ্ড) (কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়)।

২। অসম আন্দোলনৰ তথ্য কোষ,(অসম চুক্তি ৰূপায়ন বিভাগ, অসম চৰকাৰ)।

৩। ৰাইজৰ বাতৰি (অসম চৰকাৰ), হাস্য-ব্যংগ আলোচনী 'অবিকল'ৰো তেওঁ সম্পাদনা সদস্য আছিল। হৃষীকেশ গোস্বামীৰ আন দুখন প্ৰবন্ধ সংকলন- মানুহৰ মৃত্যুত আৰু নেতৃত্ব এক কলা।

কবিতা যাৰ প্ৰিয় তেওঁ পাৰ্যমানে পঢ়ে। বহু কবিতা বুজা যায় আৰু বহু কবিতা সহজতে বুজিব নোৱাৰি। কেতিয়াবা কবিতাটো পঢ়ি অৰ্থ বুজিবলৈ বহু সময়ৰ প্ৰয়োজন হয় আৰু কিছুমান কবিতা দুৰ্বোধ্য, কবিতা পঢ়াৰ ইচ্ছা থকা পাঠকে কবিতা পঢ়িবই, কিন্তু দুৰ্বোধ কবিতাই পাঠকক আউল লগায়। তেনেকুৱা ধাৰাৰ পৰা আঁতৰি আহি পাঠকে বুজি পোৱাকৈ যথাযথ প্ৰতীক ব্যৱহাৰেৰে আৰু সহজ, সুন্দৰ গাঁথনিৰে কুমাৰ মীন দাসে কবিতা লিখি পাঠকৰ মন জয় কৰিব পাৰিছে। কবি হিচাপে জনমানসত পৰিচিত কুমাৰ মীন দাস একেৰাহে এগৰাকী সুদক্ষ অভিনেতা, সংগঠক, সাংস্কৃতিক কৰ্মী আৰু নাটকৰ প্ৰতিভাশালী স্মাৰক।

হাউলী অঞ্চলৰ অজস্ৰ নতুন কবিৰ সৃষ্টিকাৰী কবিতা আলোচনী 'ইয়াতো নদী' সম্পূৰ্ণ একক প্ৰচেষ্টাৰে সম্পাদনা কৰিছিল কুমাৰ মীন দাসে। ইতিমধ্যে ড°

হেমন্ত ডেকাৰ সম্পাদনাত দাসৰ ১০০ টা নিৰ্বাচিত কবিতা সংকলন 'এতিয়া আমাৰ একো বিৰোধ নাই' প্ৰকাশ পাইছে। সাংবাদিকতা কুমাৰ মীন দাসৰ পেছা আছিল যদিও কবিতা তেওঁৰ প্ৰাণত আছে। গুৱাহাটীৰ পৰা প্ৰকাশিত 'আমি' নামৰ আলোচনীখনো তেওঁয়েই সম্পাদনা কৰিছিল। বহুমুখী প্ৰতিভাৰ কুমাৰ মীন দাস সৃষ্টিশীল মনৰ অধিকাৰী, হাঁহিমুখীয়া ব্যক্তি। ১৯৭৪ চনত 'নতুন অসমীয়া'ৰ অকণিৰ মৌ কোষ চ'ৰাত তেওঁৰ লেখা প্ৰথম প্ৰকাশ হৈছিল, সেয়াই আছিল আৰম্ভণি। আজিলৈ স্থবিৰ নোহোৱাকৈ অসমৰ বাতৰি কাকত, আলোচনীত তেওঁৰ কবিতা প্ৰকাশ পাই আছে।

অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক নাৰায়ণ গোস্বামী এগৰাকী সু-লেখক, প্ৰবন্ধকাৰ, কবি আৰু গীতিকাৰ। বিজ্ঞান সম্পৰ্কীয় প্ৰবন্ধ লেখি তেওঁ ইতিমধ্যে সুখ্যাতি লাভ কৰিছে। তেওঁ অসমৰ বহুল প্ৰচাৰিত আলোচনী প্ৰান্তিক, জোনবিড়ি, অবিকল আদিত নিয়মিতভাৱে লেখাৰ উপৰি 'নতুন আৱিস্কাৰ'ত বিজ্ঞান সম্পৰ্কীয় কেইবাটাও প্ৰবন্ধ লিখিছে। অসমীয়া বাতৰি কাকতত তেওঁ কেবাবছৰ ধৰি সাংবাদিকতাও কৰিছিল।

https://howlyraasmahotsav.org/

আন এগৰাকী লেখক জিতেন চৌধুৰী। তেওঁ প্ৰবন্ধকাৰ আৰু গল্পকাৰ। তেখেতৰ লেখাৰ ধাৰা সুকীয়া। মনোগ্ৰাহী গল্প লিখি পাঠকৰ মন জয় কৰিছে জিতেন চৌধুৰীয়ে। এতিয়াও তেওঁ একাগ্ৰতাৰে সাহিত্য সেৱাত ব্ৰতী হৈ আছে।

লেখিকাৰ শাৰীত হাউলী অঞ্চলৰ নিবাসী জয়মতী দাসে সাহসেৰে সাহিত্য চৰ্চাত ব্ৰতী হৈছিল। জয়মতী দাসৰ প্ৰকাশিত পুথি 'জানিবলগীয়া কথা' (২০০৯)।

ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ, কৃতকৰ্মা শিক্ষক, প্ৰবন্ধ লেখক তৰণী কুমাৰ পাঠকৰ বিষয়ে নিলিখিলে আধৰুৱা হ'ব। তেওঁ এগৰাকী সমাজসেৱী আৰু হাউলীৰ শুভ চিন্তক। তৰণী কুমাৰ পাঠকে উৎকৃষ্ট বিষয় নিৰ্বাচন কৰি কেবাটাও গধুৰ প্ৰবন্ধ লিখি উলিয়াইছে। পাঠকে বহু অজানা কথা তেওঁৰ প্ৰবন্ধ পঢ়ি জানিব পাৰিছে। আধুনিক শিক্ষা ব্যৱস্থাৰ ওপৰতো তেওঁ দ্বিধাহীনভাৱে লেখিছে। তেখেতৰ প্ৰবন্ধবোৰ ক্ৰমে সোঁণোৱালী আখৰেৰে গাঁথা হাউলীৰ ইতিহাস, ভাৰতবৰ্ষৰ বৈষ্ণৱ আন্দোলন আৰু ভক্তিমাৰ্গৰ অভ্যুত্থান, ঈশ্বৰৰ সান্নিধ্য বিচাৰি, প্ৰাচীন ভাৰতীয় সাহিত্য ৰাজিত ধৰ্মীয় প্ৰভাৱ, অসমৰ বৈষ্ণৱ সনাতন ধৰ্মৰ কাণ্ডাৰী শংকৰ-মাধৱ মহাপুৰুষ দুজনা আদি।

১৯৭৭ চনত হাউলীত জন্ম হৈছিল 'অৰণ্য' নামৰ এখন মাহেকীয়া আলোচনী। উদ্যোক্তা আছিল— হেমেন দাস, হৃষীকেশ গোস্বামী, যুগান্ত বায়ন, কুমাৰ মীন দাস, ভুপেন দাস আদি। 'অৰণ্য'ত জড়িত স্বনামধন্য সকলৰ বিষয়ে ইতিমধ্যে চমুকৈ আলোকপাত কৰা হৈছে। বাকী আছে যুগান্ত বায়ন আৰু ভুপেন দাসৰ বিষয়ে লিখিবলৈ।

হাউলীৰ অতি চিনাকী নাম যুগান্ত বায়ন। তেওঁ সমাজকৰ্মী, সংগঠক আৰু লেখক। হাউলীৰ সচেতক যুগান্ত বায়ন বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত। তেওঁৰ উদ্যোগী প্ৰেৰণাই সামাজিক কাম-কাজত নিজকে নিয়োগ কৰিবলৈ বহুতোকে বাধ্য কৰায়। হাউলীৰ সাংস্কৃতিক পৰিৱেশৰ অন্তৰালত যুগান্ত বায়নৰ বহু অৱদান আছে। আলোচনী, বাতৰি কাকত আদিত প্ৰবন্ধ-পাতি লেখাৰ লগতে সচেতনামূলক লেখাৰে ৰাইজক সজাগ কৰি আহিছে। 'মধুপুৰ মহোৎসৱ'ৰ স্মৃতিগ্ৰন্থখন যুগান্ত বায়নে সম্পাদনা কৰি আহিছে কেইবা বছৰো ধৰি। তেখেত এগৰাকী ভাল সাংবাদিকো আছিল। আজিৰ অসম, হিন্দী চেণ্টিনেলৰ তেওঁ নিয়মীয়া বাতৰি পৰিৱেশক আছিল। হাউলীৰ পৰা প্ৰকাশিত 'আমাৰ দেশ' কাকতখনৰো সহযোগী সম্পাদক আছিল। প্ৰয়াত সাহিত্যিক গকুল পাঠকদেৱ আছিল 'আমাৰ দেশ'ৰ মুখ্য সম্পাদক।

ভাল লেখাই সমাজক সমৃদ্ধ কৰে, ঠিক তেনেদৰেই ভাল কবিতাইও পাঠক আৰু সাহিত্যক সমৃদ্ধ কৰে। কথাশিল্পী হোমেন বৰগোহাঁঞিদেৱৰ কবিতা আলোচনা এটিত এষাৰ কথা মনত পৰিছে- ভাল কবিতা পঢ়িলে প্ৰকৃত পাঠকৰ মনত যন্ত্ৰণা অনুভৱ হয়। বৰগোহাঞিদেৱে কোৱাৰ দৰে ভাল কবিতাৰ সৃষ্টি কৰিব পৰা দুগৰাকী হাউলীৰ মহান কবি ভুপেন দাস আৰু ডাঃ ডিম্বেশ্বৰ দাস। ডিম্বেশ্বৰ দাসৰ কবিতাত আছে পৰিমল আনন্দ তেওঁ উপযুক্ত প্ৰতীক, সুন্দৰ বাক্য গাঁথনিৰে অতি সুন্দৰ কবিতা লেখি পাঠকক উপহাৰ দিছে।

অসমীয়া সাহিত্য জগতত কবি হিচাপে পৰিচিত আৰু প্ৰতিষ্ঠিত ভুপেন দাস। সম্পূৰ্ণ সুকীয়া শৈলীৰে

ভূপেন দাসে আজিও ভাৱ গধুৰ কবিতা লিখি আছে। তেওঁ জন্মগতভাৱেই হয়তো এগৰাকী শুদ্ধ কবি। সুন্দৰ শব্দ গাঁথনিৰে আৰু উপযুক্ত প্ৰতীক ব্যৱহাৰেৰে নতুন ৰূপত কবিতা লেখি ভূপেন দাস পাঠক সমাজৰ চৰ্চাৰ বিষয় হৈ পৰিছে। অনন্য প্ৰকাশ ভংগীমা আৰু সুন্দৰতাই ভূপেন দাসৰ কবিতাক মনোগ্ৰাহী আৰু মধুময় কৰি আহিছে। অসমীয়া কবিতা জগতৰ তেওঁ এগৰাকী দখলদাৰী কবি। বাতৰি কাকত, আলোচনীৰ ভূপেন দাস নিয়মীয়া কবি। অসমৰ বহুল প্ৰচাৰিত 'প্ৰান্তিক' আলোচনীখনত তেওঁৰ কবিতা প্ৰায়ে প্ৰকাশ পাই থাকে। ভূপেন দাসৰ প্ৰকাশিত কবিতা পুথি- ফুল আৰু ফলৰ বাবে কবিতা (অৰ্কিড প্ৰকাশন ১৯৮৯), বৃন্দাবন বিলাসিনী (নিজা প্ৰকাশ ২০০৬), সৰাফত আলী পিতা আকালুদ্দিন (অৰ্কিড প্ৰকাশ, ২০০২) আৰু ১০৩ জন কবিৰ কবিতা সংকলন, সম্পাদনা ঃ ভূপেন দাস, (অৰ্কিড প্ৰকাশ)।

কলেজীয়া জীৱনৰ পৰা কবিতা চৰ্চা কৰি, শেষলৈ গল্প, গীত আৰু প্ৰবন্ধ লেখি আত্মপ্ৰকাশ কৰে প্ৰতাপ দাসে। তেওঁৰ লেখা প্ৰথম প্ৰকাশ হয় তিনিদিনীয়া অগ্ৰদূত কাকতত। তাৰ পাচত অসম বাণী, নীলাচল, পূৰ্ব্বাচল, আমাৰ অসম, আমি (আলোচনী), জনমভূমি, দৈনিক অগ্ৰদূত, গৰীয়সী আলোচনী আৰু বৰপেটাৰ পৰা প্ৰকাশিত বৰপীঠ, আমাৰ দেশ আদিত প্ৰতাপ দাসৰ লেখা প্ৰকাশ পাইছিল। অসম বাণীত তেওঁৰ প্ৰকাশিত গল্প 'অনিন্দিতাৰ চকুলো' অগ্ৰদূতত প্ৰকাশিত গল্প 'ৰাতিৰ এজাক বৰষুণ' বৰপীঠত প্ৰকাশিত গল্প 'অনিন্দিতাৰ সপোন' আদি।

প্ৰতাপ দাসৰ প্ৰকাশিত কবিতা পুথি (যুটীয়াভাৱে) উপত্যকাৰ পৰা (১৯৮৯), আন এখন কবিতা পুথি (যুটীয়াভাৱে) 'তোমাৰ দুখৰ অবিৰত যোদ্ধা' (১৯৯৮)। প্ৰকাশক ঃ সাৰদা কিতাপ ঘৰ, বৰপেটাৰোড। প্ৰকাশিত চুটি উপন্যাস 'এন্ধাৰৰ সীমাৰে' (১৯৮৮)।

অতি গাম্ভীৰ্যতাৰে সাহিত্য চৰ্চা আৰম্ভ কৰে কবি গীতিকাৰ, লেখক মনহৰি বায়নে নব্বৈ দশকৰ পৰা পিছলৈ মনহৰি বায়নে অসমীয়া সাহিত্য জগতত প্ৰতিষ্ঠিত হয়, বিশেষকৈ কবি হিচাপে। বায়নৰ 'লীনা দুৰ্বাক লগ পোৱা যাবনে' শীৰ্ষক কবিতাটো পঢ়ি কথাশিল্পী হোমেন বৰগোঁহাঞিদেৱে লেখিছিল— 'এটা ভাল কবিতা পঢ়াৰ লগে লগেই পাঠক হিচাপে মোৰ মনত কিবা এটা যন্ত্ৰণা হোৱা যেন অনুভৱ কৰিছিলো, এটা ভাল কবিতা পঢ়াৰ যন্ত্ৰণা।'

মনহৰি বায়নৰ লেখা অসমৰ আগশাৰীৰ বাতৰি কাকত, আলোচনী— প্ৰান্তিক, গৰীয়সী, প্ৰকাশ, আমাৰ অসম আদিত প্ৰকাশ পাইছে। তেওঁৰ প্ৰকাশিত কবিতা পুথি নলীনাক্ষ তুমি মোৰ বিচাৰপতি (২০১৮), (প্ৰকাশক ঃ পূৰ্ব্বায়ন প্ৰকাশন, গুৱাহাটী)। আন এখন অনন্য প্ৰকাশিত গ্ৰন্থ অসমৰ লোক সংস্কৃতিৰ ওপৰত লিখা 'নিচুকনি গীত আৰু গীতি সাহিত্য'। লেখকে এই গ্ৰন্থখন বহু অধ্যয়ন আৰু পৰিশ্ৰম কৰি অসমীয়া সাহিত্যৰ ভড়াললৈ বিৰল এখনি পুথি প্ৰস্তুত কৰিছে। তেওঁ অদমনীয় দৃঢ়তাৰে সাহিত্য চৰ্চা কৰি আছে। মনহৰি বায়নৰ চেষ্টাৰ ধাৰাবাহিকতা অব্যাহত থাকক।

হাউলী অঞ্চলৰ আন এগৰাকী প্ৰতিষ্ঠিত সাংবাদিক, প্ৰবন্ধকাৰ, মেছেৰ আলী আহমেদ। তেওঁ ১৯৯২ চনৰ পৰা 'আজিৰ সংবাদ' কাকতৰ যোগেদি সংবাদ সেৱা আৰম্ভ কৰি, পিছলৈ প্ৰতিদিন কাকতৰ স্থায়ী সাংবাদিক ৰূপে (কাকতখনৰ জন্মলগ্নৰে পৰা) কাৰ্যনিৰ্বাহ কৰে। সমাজসেৱী সাংবাদিক মেছেৰ আলী আহমেদৰ প্ৰবন্ধ-পাতি সাদিন, অসমবাণী আদি কাকতত প্ৰকাশ পাইছে।

https://howlyraasmahotsav.org/

আন এগৰাকী নিষ্ঠাবান সাংবাদিক ৰত্নেশ্বৰ তালুকদাৰ। তেওঁ নিয়াৰীকৈ সংবাদ সেৱা আগবঢ়োৱাৰ বাবে অসম চৰকাৰৰ পৰা সাংবাদিক অৱসৰ কালীন নিয়মিত ভাট্টা (পেঞ্চন) লাভ কৰে।

পুনৰ যদি হাউলীৰ সোঁণোৱালী যুগৰ কথা আলোচনা কৰিব বিচাৰো— তেতিয়াহ'লে ক'ব লাগিব যে প্ৰায় ৬০ দশক মানৰ পৰা হাউলী নগৰকে ধৰি ইয়াৰ আশে-পাশে থকা অঞ্চলটোত সাহিত্য আৰু সাংস্কৃতিক দিশত এক বিপ্লৱৰ সূচনা হৈছিল। সেই সময়ৰ পৰাই হাউলীবাসী ৰাইজে সাংস্কৃতিকভাৱে উন্নয়নৰ পথত বাট বুলিবলৈ চেষ্টা কৰিছিল আৰু নেতৃত্ব লৈছিল একাংশ বিদ্যানুৰাগী লোকে। তাৰেই কিছু আভাস দিবলৈ প্ৰয়াস কৰিছোঁ।

১৯৭২-১৯৭৩ চনত হাউলীৰ পৰা প্ৰকাশিত হৈছিল 'কুঁহি' নামৰ এখন আলোচনী। 'কুঁহি' সম্পাদনা কৰিছিল ফণী দাসে। ফণী দাস অতি উৎসাহী আৰু উদ্যোগী লোক আছিল। তেওঁৰ আন্তৰিক প্ৰেৰণাতেই স্থানীয় বহুতেই 'কুঁহি' আলোচনীৰ যোগেদি সাহিত্য চৰ্চাত

ব্ৰতী হৈছিল। ফণী দাস দেখিবলৈ ক্ষীণ আছিল বাবে সমনীয়াবোৰে ধেমালিতে প্লাষ্টিক ফণী বুলি মাতিছিল।

১৯৭৪-১৯৭৬ চনত হাউলীৰ পৰা আন এখন আলোচনী 'বিন্দু' প্ৰকাশিত হৈছিল। আলোচনীখন সম্পাদনা কৰিছিল দ্বীপেন দাস, অৰুণ ভৌমিক আৰু জলজলীৰ খনীন দাসে। 'বিন্দু'ৰ কেইবাটাও সংখ্যাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাইও লিখিছিল।

১৯৭৭ চনত প্ৰকাশিত অন্য এখন আলোচনী 'অৰণ্য'। অৰণ্যত স্থানীয় লেখকৰ উপৰিও অসমৰ স্বনামধন্য সাহিত্যিকে লেখা মেলা কৰিছিল। আলোচনীখনৰ সম্পাদনা সমিতিৰ মুখ্য সম্পাদক আছিল প্ৰসেনজিৎ দাস, সম্পাদক কুমাৰ মীন দাস, সম্পাদনা সহযোগীঃ হেমেন দাস, হৃষীকেশ গোস্বামী, যুগান্ত বায়ন, ভূপেন দাস আৰু ডাঃ ডিম্বেশ্বৰ দাস আদি।

উল্লেখ্য যে এওঁলোকেই হাউলীত 'ৰূপকোঁৱৰ চেমনীয়া শিল্পী সমাজ' নামৰ এটা সাংস্কৃতিক সংগঠনৰ জন্ম দিছিল। শিল্পী সমাজৰ সৌজন্যত সাহিত্য প্ৰতিযোগিতা আৰু নাট সমাৰোহ অনুষ্ঠিত হৈছিল। এই সংগঠনৰ বুকুতে জন্ম হৈছিল 'অৰণ্য'। হয়তো এতিয়াও বিচাৰিলে 'অৰণ্য'ৰ প্ৰকাশিত সংখ্যাবোৰ হাউলীত পোৱা যাব।

১৯৮৭ চনৰ পৰা ১৯৯১ চনলৈ হাউলীৰ পৰা প্ৰকাশিত হৈছিল পষেকীয়া বাতৰি কাকত 'আমাৰ দেশ'। আমাৰ দেশৰ মুখ্য সম্পাদক আছিল সাহিত্যিক গোকুল পাঠক, সহঃ সম্পাদক আছিল খনীন নাথ আৰু সম্পাদনা সহযোগী আছিল যুগান্ত বায়ন। কাকতখনৰ মুখ্যতঃ জড়িত ব্যক্তিসকল—হেমেন দাস, দ্বিজেন দাস, জিতেন দাস, প্ৰদীপ দাস, প্ৰদীপ নাজিৰ, অজয় দাস আৰু নৃপেন দাস আদি।

১৯৯৩-১৯৯৪ চনত হাউলীৰ পৰা প্ৰকাশিত হৈছিল অন্য এখন বাতৰি কাকত 'লাংচিং'। 'লাংচিং' সম্পাদনা কৰিছিল ড° ভূপেন দাসে। স্কুল পৰিদৰ্শক ড° ভূপেন দাস আছিল এগৰাকী দক্ষ মঞ্চ অভিনেতা। তেখেতৰ বলিষ্ঠ অভিনয়ৰ কথা এতিয়াও হাউলীৰ বহুতৰে মুখে মুখে শুনিবলৈ পোৱা যায়। সমাজসেৱী ড° ভূপেন দাস হাউলীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ব্যক্তি আছিল। 'লাংচিং'ৰ শেষ বৰ্ষৰ সম্পাদক আছিল ৰেজাউল কৰিম আহমেদ।

এইবাৰ হাউলীৰ সাংস্কৃতিক ক্ষেত্ৰখনত অনবদ্য অৱদান আগবঢ়োৱা কেইটামান অনুষ্ঠানক পৰিচয় কৰাব বিচাৰিছোঁ— ১৯৭৮ চনত জন্ম হয় 'জয়ন্ত সোঁৱৰণী কলা পৰিষদ'ৰ। কুমাৰ মীন দাসৰ নেতৃত্বত আৰু ৰাণা বৰুৱা, টিকেন্দ্ৰজিৎ দাস, নগেন দাস, নাৰায়ণ দাস, চন্দন মিশ্ৰ আদিৰ উদ্যোগত। সেইসময়ত হাউলীৰ সাংস্কৃতিক পৰিৱেশ বৰ সুন্দৰ আছিল। সংগীতৰ ক্ষেত্ৰখনত 'জয়ন্ত সোঁৱৰণী কলা পৰিষদে' বহু বছৰ ধৰি গুৰি ধৰিছিল।

১৯৮০ চনত জন্ম হয় 'ৰামধেনু'ৰ। 'ৰামধেনু'ৰ সম্পাদক আছিল হৰেকৃষ্ণ দাস (গুণ) আৰু উদ্যোগীসকল আছিল— হেমেন দাস, সুশীল পাঠক, প্ৰদীপ নাজিৰ, খনীন নাথ, প্ৰদীপ নিশিথ, দ্বিজেন দাস, বনজিত দাস আৰু মুকুল দাস আদি। 'ৰামধেনু'ৰ দ্বাৰা কেইবাখনো বলিষ্ঠ নাট মঞ্চস্থ হৈছিল। তাৰ ভিতৰত 'জিও দাৰ্নো ব্ৰুন' নাটকখন অন্যতম। নাট্যকাৰ আৰু পৰিচালক আছিল বিনোদ শৰ্মা। গুৱাহাটীস্থিত ৰবীন্দ্ৰ ভৱনত মঞ্চস্থ হৈছিল আন এখন নাটক 'আহাৰ'। নাট্যকাৰ অৰুণ শৰ্মা। অৰুণ শৰ্মাৰ 'আহাৰ' নাটকখন পুনৰ সদৌ অসম পূৰ্ণাংগ নাট প্ৰতিযোগিতাত মঞ্চস্থ হৈছিল বৰপেটাৰ 'তৰুণৰাম ফুকন হল'ত। 'আহাৰ' নাটকৰ জৰিয়তে 'ৰামধেনু'ৱে সৰ্বমুঠ পাঁচটা বঁটা লাভ কৰিছিল। শ্ৰেষ্ঠ নাট্যদল হোৱাৰ উপৰিও শ্ৰেষ্ঠ অভিনেতাৰ বঁটাও লাভ কৰিছিল। শ্ৰেষ্ঠ অভিনেতা আছিল হেমেন দাস। নাটকৰ সংগীত পৰিচালনাত আছিল টিকেন্দ্ৰজিৎ দাস।

এই 'ৰামধেনু'ৰ বুকুৰ পৰাই অন্যতম এগৰাকী প্ৰখ্যাত অভিনেতাৰ জন্ম হয়। তেওঁ সকলোৰে পৰিচিত হাউলীৰ সু-সন্তান প্ৰদীপ নিশিথ। তেওঁ বলিষ্ঠ অভিনয়েৰে দৰ্শকৰ মন জিনিছে। প্ৰদীপ নিশিথ মঞ্চ জগতৰ উপৰিও হিন্দী, অসমীয়া ধাৰাবাহিকৰ এগৰাকী নিয়মীয়া সুদৰ্শন অভিনেতা। অভিনয় দক্ষতাৰ বলতে প্ৰদীপ নিশিথে হাউলী (অসম)ৰ পৰা গৈ বলিউদৰ অভিনয় জগতখনত বৰ্তি থাকি নিজকে এগৰাকী সবল অভিনেতাৰূপে পৰিচয় কৰাব পাৰিছিল। তেওঁ মুম্বাইত বহু বছৰ অতিবাহিত কৰি অভিনয় জগতখনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল আৰু দীঘলীয়া পৰিক্ৰমাৰ অন্তত অসমলৈ ঘূৰি আহে। তেওঁ দূৰদৰ্শনৰ বহুকেইখন হিন্দী ধাৰাবাহিকত বলিষ্ঠ অভিনয় কৰি হাউলীৰ মান উজ্বলাইছে।

https://howlyraasmahotsav.org/

প্ৰদীপ নিশিথে অসমলৈ ঘূৰি আহিও অভিনয়ৰ ধাৰাবাহিকতা ৰক্ষা কৰি ভ্ৰাম্যমান নাট্য দলৰ লগত অভিনেতা হিচাপে জড়ি হৈ পৰে। ভ্ৰাম্যমান থিয়েটাৰৰ মঞ্চতো তেখেতে দৰ্শনীয় অভিনয় কৰি দৰ্শকৰ মন আকৰ্ষণ কৰিব পাৰিছে। অভিনয় পটুতাৰে জীৱন অতিবাহিত কৰা প্ৰদীপ নিশিথে দূৰদৰ্শনৰ অসমীয়া ধাৰাবাহিকতো নিয়াৰিকৈ অভিনয় কৰি দৰ্শক ৰাইজৰ মন মুহিছে। অসমীয়া চিনেমা জগততৰো তেখেত এগৰাকী প্ৰভাৱশালী অভিনেতা। অলপতে তেখেতে অভিনয় কৰা অসমীয়া ছবি 'পাগলী' আৰু 'ড° বেজবৰুৱা' মুক্তি পাবহি। প্ৰদীপ নিশিথ এতিয়া অসমৰ অভিনয় জগতৰ এটা পৰিচিত নাম। প্ৰদীপ নিশিথে অভিনয় কৰা হিন্দী ধাৰাবাহিক ১৬খনৰো অধিক। সেইবোৰ ক্ৰমে— হাম পাঁচ, শ্ৰীকৃষ্ণ, জাল, মানে য়া না মানো, মুংগেৰী কা ভাই নৰৰংগী, ৰ'হট, শক্তিমান, নিয়ত, দিৱাৰ, জয় মহালক্ষ্মী, ব্ৰহ্মা বিষ্ণু মহেশ আদি। (এই ধাৰাবাহিকবোৰ জি টিভি, ডি ডি ৱান, চাব টিভি আদি চেনেলযোগে প্ৰচাৰিত।

ইতিমধ্যে উল্লেখ কৰিছোঁৰেই প্ৰদীপ নিশিথ ভ্ৰাম্যমান থিয়েটাৰৰ এগৰাকী বলিষ্ঠ অভিনেতা। তেখেতে অভিনয় কৰা ভ্ৰাম্যমান নাট্যদলসমূহ-কহিনুৰ থিয়েটাৰ, ৰাজশ্ৰী থিয়েটাৰ, শকুন্তলা থিয়েটাৰ, শৰাইঘাট থিয়েটাৰ, শংকৰদেৱ থিয়েটাৰ আৰু সুদৰ্শন থিয়েটাৰ আদি। প্ৰদীপ নিশিথ এগৰাকী প্ৰতিভাৱান নাট্যকাৰো।

১৯৮২ চনত হাউলীত আন এটি সংগীতানুষ্ঠানৰ জন্ম হৈছিল 'ক্লাৰ অৰোৰা'। সমাজসেৱী তথা সংগীতজ্ঞ বিবেকানন্দ চৌধুৰী লগতে সমাজসেৱী, গায়ক পিনাকী মিত্ৰ, মনোজ চৌধুৰী (সোণ), কুলকমল পাঠক (তবলাবাদক) আদিয়ে 'ক্লাৰ অৰোৰা'ক জন্ম দিছিল। হাউলী অঞ্চলৰ সংগীতৰ ক্ষেত্ৰখনত 'ক্লাৰ অৰোৰা'ই পৃষ্ঠপোষক হিচাপে সেৱা আগবঢ়াইছিল।

১৯৭৮ চনত জন্ম হয় ৰূপকোঁৱৰ শিল্পী সমাজ। উদ্যোগীসকল আছিল মহানন্দ দাস, অমৰেন্দ্ৰ পাঠক, ভূপাল পাঠক, ধনঞ্জয় বৰ্মন, প্ৰতাপ দাস, অমল চৌধুৰী, খৰ্গেশ্বৰ নাথ, প্ৰদীপ দাস (বন্ধু) আৰু নীলাঞ্জন বৰপূজাৰী আদি। ৰূপকোঁৱৰ শিল্পী সমাজৰ সৌজন্যত বহুতো সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হোৱাৰ উপৰিও কেইবাখনো নাট মঞ্চস্থ হৈছিল। নাটবোৰ পৰিচালনা কৰিছিল ভুবনেশ্বৰ পাঠকে। ভুবনেশ্বৰ পাঠক আছিল এগৰাকী দক্ষ মঞ্চ অভিনেতা আৰু নাটক পৰিচালক। তেখেতৰ পৰিচালনাত 'বিশ্বকৰ্মা পূজা'ত এবাৰ হাউলীৰ এ. পি. ডি. চি. এলৰ কাৰ্যালয়ৰ সন্মুখত মঞ্চস্থ হৈছিল পূৰ্ণাংগ নাটক 'পিষ্টল' (বাংলা নাটকৰ অনূদিত)। অসমীয়ালৈ অনুবাদ কৰিছিল মনোৰঞ্জন চৌধুৰীয়ে। আন এখন নাটক মঞ্চস্থ কৰা হৈছিল 'ডকাইত কোন'। পৰিচালক আছিল সূৰ্যকান্ত চৌধুৰী। মঞ্চস্থ নাটকবোৰৰ দক্ষ স্মাৰক আছিল কুঞ্জ বৰ্মন।

'ৰূপকোঁৱৰ শিল্পী সমাজ'ৰ অভিনেতা মহানন্দ দাস, ধনঞ্জয় বৰ্মন আৰু অমল চৌধুৰীয়ে সুন্দৰ অভিনয়ৰে দৰ্শকৰ পৰিচিত হৈ পৰিছিল। তিনিওগৰাকী মঞ্চশিল্পীয়ে বিভিন্ন ৰংগ মঞ্চত অভিনয় কৰি দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে কেইবাটাও বঁটা লাভ কৰিছিল।

শিল্পী সমাজৰে আন এগৰাকী অভিনেতা ভূপাল পাঠক। অভিনয় দক্ষতাৰেই ভূপাল পাঠকে অসম চৰকাৰৰ সাংস্কৃতিক বিভাগ (ৰবীন্দ্ৰ ভৱন)ৰ নাট বিভাগত চাকৰি পাবলৈ সক্ষম হৈছিল। ভূপাল পাঠক অঁনাতাৰ নাট্য অভিনেতাও। আনফালে তেওঁ এগৰাকী নাট পৰিচালক আৰু সাংস্কৃতিক কৰ্মী। ভূপাল পাঠক ক্ৰীড়া আদি বিভাগতো জড়িত ব্যক্তি। শেষলৈ তেওঁ সাংস্কৃতিক সঞ্চালকালয়ৰ নাট প্ৰযোজক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

১৯৮২ চনত কুমাৰ মীন দাস, প্ৰতাপ দাস, মধু দাস, ধ্ৰুৱ শৰ্মা, পুতুল দাস, ছবিন দাস আদিৰ উদ্যোগত জন্ম হৈছিল 'বিষ্ণুজ্যোতি সাংস্কৃতিক গোষ্ঠী'ৰ।

প্ৰসংগ সলাই হাউলীৰ লেখিকা এগৰাকীৰ বিষয়ে লিখিবলৈ লৈছো তেওঁ হ'ল এগৰাকী কৃতী শিক্ষয়িত্ৰী আৰু কৰ্মোদ্যমী লেখিকা তৰু ডেকা। তৰু ডেকাই নিৰৱধি চেষ্টাৰে সাহিত্য সেৱাত ব্ৰতী হোৱা দেখা গৈছে। তেওঁ 'লোক কলা কৃষ্টি'ৰ সাধক, সাহিত্যিক ফুলকুমাৰী কলিতা আৰু লেখক, সাংবাদিক কমল চন্দ্ৰ বায়নৰ প্ৰেৰণাতেই সাহিত্য চৰ্চা কৰিবলৈ আৰম্ভ কৰে। কেইবাবছৰো ধৰি তেওঁ অসমীয়া সমাজ জীৱন তথা লোক-সংস্কৃতিৰ লগত নিৰৱচ্ছিন্নভাৱে জড়িত হৈ পৰিছে। ইতিমধ্যে তেখেতৰ লেখাবোৰ প্ৰাণ পাই উঠিছে আৰু পাঠকৰ হৃদয়, মন স্পৰ্শ কৰিছে। অন্যান্য লেখাসমূহৰ উপৰি তৰু ডেকাই কবিতা লেখিও প্ৰতিষ্ঠিত হৈছে। তেওঁক হাউলী অঞ্চলৰ লেখিকা সমাজৰ প্ৰেৰণাদাতা আৰু পথ প্ৰদৰ্শক বুলি ক'ব পাৰি।

https://howlyraasmahotsav.org/

তৰু ডেকাৰ প্ৰকাশিত কবিতা পুথি 'মন দাপোণৰ ইপাৰে সিপাৰে (২০১১)। অন্য অখন প্ৰকাশিত কবিতা আৰু প্ৰবন্ধ (যুটীয়াভাৱে)ৰ পুথি 'শব্দৰ মালিতা আৰু বিবিধ'। প্ৰকাশিত উপন্যাস 'পঞ্চৱতী বনৰ হৰিণাজনী' (২০২২)।

হাউলীত আচলতে প্ৰতিভাৰ অভাৱ নাই বুলিয়েই ক'ব পাৰি। শেহতীয়াকৈ অভিজিত তালুকদাৰে সাহিত্য সেৱাত ব্ৰতী হৈ নতুন উদ্যমেৰে পৰিশ্ৰম কৰি আছে। ইতিমধ্যে অভিজিতৰ এখন কবিতা পুথি প্ৰকাশ পাইছে 'পানীৰ মুখে মোক শুব নিদিয়ে'। পাঠকে অভিজিতৰ কতিা উচ্চমানৰ বুলি মন্তব্য কৰিছে।

হেমন্ত কুমাৰ দাস (জি এল চি কলেজৰ প্ৰৱক্তা), ৰমেন কুমাৰ দাস, টংকেশ্বৰ কলিতা, প্ৰতাপ দাস (কনিষ্ঠ) আদি একোগৰাকী ভাল কবি। হেমন্ত কুমাৰ দাস (প্ৰৱক্তা) আৰু ৰমেন কুমাৰ দাসে নৱৈ দশকৰ পৰা সাহিত্যৰ পথাৰত বাট বুলিছে। ৰমেন কুমাৰ দাস (যুটীয়াভাৱে)ৰ 'তোমাৰ দুখৰ অবিৰত যোদ্ধা' নামৰ এখনি কবিতা পুথি প্ৰকাশ পাইছে।

লেখিকাৰ শাৰীত প্ৰতিষ্ঠা লাভ কৰা অন্য এগৰাকী সৰ্ববৰহী লেখিকা ৰুমী দেৱী। ৰুমী দেৱীয়ে সাহিত্য সেৱাত মনোনিৱেশ কৰি একনিষ্ঠভাৱে কাম কৰি আছে।

হাউলীৰেই বোঁৱাৰী (গৃহিণী) নমিতা চৌধুৰী সাহিত্য চৰ্চাত ব্ৰতী হৈছে আৰু উন্নত মানৰ কবিতা লেখি পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিছে।

কৃতী শিক্ষয়িত্ৰী ফিৰোজা বেগম এগৰাকী ভাল লেখিকা। আন এগৰাকী কৃতী শিক্ষয়িত্ৰী, সমাজসেৱী ৰেণুকা দাসেও সুন্দৰ কবিতা লেখি পাঠকক উপহাৰ দিছে। তেখেতৰ অন্যান্য লেখাবোৰ পঢ়ি পাঠকে প্ৰশংসা কৰা দেখা যায়। কৃতী শিক্ষয়িত্ৰী (পুৰস্কাৰপ্ৰাপ্ত) ভানুমতী কাকতিও এগৰাকী উৎসাহী লেখিকা। তেখেতে নিঃশব্দে সাহিত্য চৰ্চাত ব্ৰতী হৈ পাঠক সমাজলৈ কেইবাখনো পুথি আগবঢ়াইছে। প্ৰকাশিত পুথিবোৰ লক্ষী চৰিত, হৃদয় বীণাৰ ঝংকাৰ আৰু নদী আৰু নাৰী আদি।

এতিয়া চিত্ৰ শিল্পী নৃপেন চৌধুৰী, নাৰায়ণ দাস আৰু বিজয় গোস্বামীৰ বিষয়ে দু-ষাৰ লিখিব বিচাৰিছোঁ- এওঁলোক একো একোজন নিপুণ হাতৰ চিত্ৰ শিল্পী। অতি নতুন চিন্তাৰে চিত্ৰাংকনত বিপুল পৰিৱৰ্তন আনে নৃপেন চৌধুৰীয়ে। 'হাউলী ৰাস মহোৎসৱ'ৰ প্ৰতিমা বিলাকৰ আছুতীয়া কুঠৰীৰ চিত্ৰবোৰ আৰু চিহ্নবোৰ ধাৰাবাহিকভাৱে নৃপেন চৌধুৰীয়ে অংকন কৰিছিল। পিছলৈ নাৰায়ণ দাস আৰু বিজয় গোস্বামীও একে পথেৰেই বাট বুলে। তেওঁলোকৰ হাতৰ পৰশত অংকিত চিত্ৰবোৰ জীৱন্ত ৰূপত দেখা দিয়ে। কালৰ বুকুত নৃপেন চৌধুৰী আৰু নাৰায়ণ দাস নাই যদিও তেওঁলোকৰ আধৰুৱা লক্ষ্যবোৰ বিজয় গোস্বামীয়ে পূৰণ কৰিব বুলি আশা ৰাখিছোঁ।

আচলতে নিঃস্বাৰ্থভাৱে সমাজৰ একাংশ প্ৰতিভাধৰ, দূৰদৰ্শী পথ প্ৰদৰ্শকে বহু কঠিন সময় আৰু হতাশাক অতিক্ৰম কৰি বিৰামহীন পৰিশ্ৰমৰ দ্বাৰা নতুন প্ৰজন্মলৈ সংস্কৃতিবান সমাজ এখন থৈ যাবলৈ হয়তো যাৱতীয় প্ৰয়াসৰ ত্ৰুটি নকৰে! যাৰ ফলত একোখন সুন্দৰ আৰু সংস্কৃতিবান সমাজ গঢ় লয়। সংক্ষিপ্তভাৱে হাউলীৰ স্বনামধন্য পুৰুষসকলৰ বিষয়ে লিখিবলৈ চেষ্টা কৰোঁতে সেই কথাকেই বাৰে বাৰে মনলৈ আহিছে।

সেইবাবে ইতিহাস, ঐতিহ্য সমৃদ্ধ বৃহত্তৰ হাউলী অঞ্চলৰ নতুন পুৰুষ আৰু অভিভাৱকসকলক আহ্বান জনাম যে, ব্যৱহাৰিক জীৱনৰ শিক্ষাৰে সন্তানক উপযুক্তভাৱে গঢ়ি তোলাৰ উপৰিও কঠিন সময়ৰ মুখামুখি হ'বলৈ সম্পূৰ্ণতাৰে প্ৰস্তুত কৰক লগতে এখন সুন্দৰ সমাজ গঢ়িবলৈ প্ৰভাৱিত কৰক। যিদৰে এৰি অহা দিনবোৰত আগৰ পুৰুষে স্থানীয় সমাজখনলৈ সেৱা আৰু অৱদান আগবঢ়ালে।

সংস্কৃতি শব্দৰ অৰ্থ বিশাল। সেই বিষয়ে আজিৰ প্ৰসংগত আলোচনা বিচৰা নাই, ক'ব বিচাৰিছোঁ সংস্কৃতি হ'ল মানৱ জীৱনৰ অবিচ্ছেদ্য অংগ। জীৱনৰ বিভিন্ন কৃতিকেই সংস্কৃতি বুলিব পাৰি! কিন্তু সংস্কৃতি প্ৰাকৃতিক নহয়, ই মানৱ সৃষ্টিহে। সময়ৰ লগে লগে মানুহৰ জীৱন ধাৰণৰ কৌশলবোৰ সলনি হ'বলৈ ধৰে আৰু সাম্প্ৰতিক পৰিৱেশ, পৰিস্থিতিৰ সন্মুখীন হৈ এটা সময়ত সংস্কৃতিয়েও নতুন ৰূপ পৰিগ্ৰহ কৰিবলৈ আৰম্ভ কৰে। সময়ৰ স'তে ই নদীৰ সোঁতৰ দৰে বৈ থাকে। কেৱল সমাজৰ একাংশ লোকে বৌদ্ধিক উৎকৰ্ষ সাধনৰ নিমিত্তে নিজৰ জাতীয় সংস্কৃতি, পৰম্পৰাবোৰক ধৰি ৰাখিবলৈ বাৰম্বাৰ চেষ্টা কৰে আৰু স্থানীয় এলেকাৰ লোকাচাৰ,

https://howlyraasmahotsav.org/

পৰম্পৰা, ঐতিহ্য-ইতিহাস তথা সুন্দৰ পৰিৱেশ এটা গঢ়িবলৈ মনোনিৱেশ কৰি একোটা স্থায়ী কৰ্মানুষ্ঠানৰ জন্ম দিয়ে। ঠিক তেনে এক মহৎ উদ্দেশ্য আগত ৰাখিয়েই শেহতীয়াভাৱে ৫ নৱেম্বৰ, ২০১১ চনত (সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যুৰ দিনাখন) হাউলীৰ উদ্যোগী, সমাজসেৱী কেইজনমান পথ প্ৰদৰ্শকে 'বাপ বান্ধৱ সংঘ'ক স্থাপিত কৰিছিল।

সংঘৰ প্ৰতিষ্ঠাপক সভাপতি আছিল ভাস্কৰ কুমাৰ দাস আৰু সম্পাদক আছিল তাপস কুমাৰ দেৱ শৰ্মা। উদ্যোগীসকল আছিল ক্ৰমে পৰমানন্দ নাথ, সুভাষ নাথ, হৰিশ ৰাজবংশী, প্ৰতাপ দাস, কাৰ্তিক সাহা, অনন্ত নাথ, ভগৱান দাস আদি। 'বাপ-বান্ধৱ সংঘ'ৰ বৰ্তমানৰ সভাপতি হৰিশ ৰাজবংশী, সম্পাদকঃ ভগৱান দাস, সুভাষ নাথ। 'বাপ বান্ধৱ সংঘ'ৰ কৃতকৰ্মা সদস্যসকলে প্ৰতি বছৰে ৫ নৱেম্বৰ তাৰিখে ড° ভূপেন হাজৰিকা দেৱৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান নিয়াৰিকৈ পালন কৰি আহিছে। ইয়াৰ উপৰি সংঘৰ তৰফৰ পৰা ড° ভূপেন হাজৰিকাদেৱৰ ফটো প্ৰদৰ্শনী আৰু স্থানীয় সামাজিক, সংস্কৃতিমূলক অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। উল্লেখ্য যে শ্ৰদ্ধেয় সুশীল ৰঞ্জন চৌধুৰীৰ কথা আৰু স্বনামধন্য অনাতাঁৰ শিল্পী বৰপেটাবাসী সুধীৰ দাসৰ সুৰেৰে 'হাউলী ৰাস মহোৎসৱ'ৰ প্ৰসংগ গীত (থীম ছং)টো 'বাপ বান্ধৱ সংঘ'ৰ মজিয়াতে সৃষ্টি হৈছিল।

অন্য এটা সাহিত্য অনুষ্ঠান 'হাউলী কবি সন্মিলন'। এই অনুষ্ঠানটি ২০১৭ চনত হাউলীৰ কেইগৰাকীমান কবিৰ সহায় সহযোগিতা আৰু প্ৰেৰণাত বিজুলী বৈশ্যৰ ঘৰৰ চোতালত প্ৰাণ পাই উঠে। 'হাউলী কবি সন্মিলন' প্ৰতিষ্ঠা হোৱাৰে পৰা একনিষ্ঠভাৱে বিজুলী বৈশ্যই সাহিত্য কৰ্ম আগবঢ়াই নি হাউলী অঞ্চলত স্থিতি লাভ কৰিছে। তেখেতৰ স্ব-ৰচিত হিন্দী কবিতা (প্ৰায় ৩০ টা মান) সৰ্বভাৰতীয় হিন্দী কাকততো প্ৰকাশ পাইছে। বিজুলী বৈশ্যৰ প্ৰকাশিত কবিতা পুথি- এজাক বৰষুণৰ প্ৰতীক্ষাত, জোনাকৰ বৰষুণ, চু—উ—প কবি সাৰে আছে আদি প্ৰকাশৰ পথত তেওঁৰেই আন এখন কবিতা পুথি 'নাৰীবোৰ নদীৰ দৰেই।

হাউলী অঞ্চলত এক সংগীতৰ বাতাবৰণ গঢ়ি তোলাৰ প্ৰয়াসেৰে লক্ষ্ণৌ ভাটখাণ্ডে পদ্ধতিৰ আধাৰতত শাস্ত্ৰীয় সংগীত আৰু লঘু শাস্ত্ৰীয় সংগীতৰ শিক্ষণ-শিকনৰ লক্ষ্য আগত ৰাখি শেহতীয়াভাৱে ২০২০ চনত স্থাপিত হৈছে 'সপ্তক সংগীত বিদ্যালয়, হাউলী'। বিদ্যালয়খন উদ্বোধন কৰিছিল গীতিকাৰ, সুৰকাৰ আৰু গায়ক বৰপেটাবাসী ৰমেন দাসে। সংগীত বিদ্যালয়খনৰ শিক্ষণৰ সমল ব্যক্তি শাস্ত্ৰীয় সংগীতজ্ঞ প্ৰদ্যুত মিশ্ৰ, গুৱাহাটী। এই সংগীত শিক্ষণ-শিকণ কেন্দ্ৰটোৱে হাউলী অঞ্চলৰ সংগীতৰ ছাত্ৰ-ছাত্ৰীসকলক সংগীত শিক্ষা প্ৰদান কৰি উপকৃত কৰিছে। ইতিমধ্যে লক্ষ্ণৌ ভাটখাণ্ডে সংগীত বিদ্যাপীঠৰ অধীনত অনুষ্ঠিত হোৱা শাস্ত্ৰীয় সংগীত পৰীক্ষাত 'সপ্তক সংগীত বিদ্যালয়'ৰ ছাত্ৰ-ছাত্ৰীয়ে ভাল ফলাফল লাভ কৰা দেখা গৈছে। বিশেষকৈ মামনী দাসৰ উদ্যোগ আৰু প্ৰচেষ্টাতে 'সপ্তক সংগীত বিদ্যালয়'খন গঢ় লৈ উঠিছে। হাউলীৰ একাংশ গুণী-জ্ঞানী ব্যক্তি আৰু সংগীতপ্ৰেমীয়ে বিদ্যালয়খনক আগুৱাই নিবলৈ প্ৰেৰণা আৰু সহযোগ আগবঢ়াইছে। সংগীত বিদ্যালয়খন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ এখন সমিতিও গঠন কৰি লোৱা হৈছে। সমিতিখনৰ অধ্যক্ষ মামনি দাস আৰু সচিব প্ৰধান পৰমানন্দ নাথ, উপ-সচিব হান্নানুৰ ৰহমান, উপদেষ্টা ৰমেন দাস, মানৱজ্যোতি দাস, লাচিত দাস আদি।

https://howlyraasmahotsav.org/

হাউলীৰ আন এগৰাকী শিক্ষাবিদ, সমাজসেৱী 'বৰনগৰ কলেজ'ৰ উপাধ্যক্ষ ৰেজাউল কৰিম আহমেদ। তেওঁ হাউলী, সৰভোগ আৰু বৰপেটাৰোড অঞ্চলক সামৰি অতি নিঃস্বাৰ্থভাৱে সমাজসেৱা কৰি আছে। কলেজ শিক্ষক হিচাপে সুনাম অৰ্জন কৰা আহমেদে ছাত্ৰ-ছাত্ৰী (পুৰণি-নতুন সকলোকে)ক সদায় প্ৰেৰণামূলক বক্তব্যৰে উপকৃত কৰি আহিছে। সাম্প্ৰতিক সময়ত তেওঁ সাংস্কৃতিক কৰ্মী হিচাপেও পৰিচয় লাভ কৰিছে। সদৌ অসম কামৰূপীয়া লোকগীত বৈঠকী শিল্পী সমাজৰ উপদেষ্টা এটা জন্ম দি সাংস্কৃতিক বিভাগত অৱদান আগবঢ়াই আছে। তেওঁ 'নামঘৰ প্ৰডাকচন হাউচ'ৰ জন্মলগ্নৰ সভাপতি। এই প্ৰডাকচন হাউচৰ মাধ্যমেৰে ইতিমধ্যে কেইবাখনো 'চুটি ছবি' নিৰ্মাণ কৰি ভূয়সী প্ৰশংসিত হৈছে। প্ৰচাৰিত চুটি ছবি কেইখনে কেইবাটাও বঁটা লাভ কৰিছে।

'চিন্তন, হাউলী' (তৰ্ক আৰু কুইজৰ বাবে) এই অনুষ্ঠানটো হাউলীৰ নৱ প্ৰজন্মক সাঙুৰি সমাজসেৱী,

বিদ্বৎজন হেমেন দাসৰ পৃষ্ঠপোষকতাত গঢ়ি উঠে। বৰপেটা জিলাৰ ভিতৰতে অগ্ৰণী ভূমিকা লৈ 'চিন্তন হাউলী'য়ে অসমৰ বিভিন্ন ঠাইৰ যুৱ প্ৰজন্মক তৰ্ক আৰু কুইজত পাৰদৰ্শিতা আগবঢ়াবলৈ উপযুক্ত প্ৰশিক্ষণ আৰু প্ৰেৰণাৰে পৃষ্ঠপোষকতা কৰি আহিছে। 'চিন্তন, হাউলী'ৰ প্ৰয়াস আৰু প্ৰচেষ্টাৰ বলতেই একাংশ যুৱ প্ৰজন্মই ইতিমধ্যে কুইজ প্ৰতিযোগিতাত যোগদান কৰি কেইবাটাও বঁটা পাবলৈ সক্ষম হৈছে। উল্লেখ্য যে 'চিন্তন, হাউলী'ৰ উদ্যোগতে প্ৰতি মাহে হাউলীত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰি থকা হৈছে। ইয়াত অঞ্চলটোৰ বিভিন্ন ঠাইৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। 'চিন্তন, হাউলী'ৰ উদ্যোগীসকল— পৃষ্ঠপোষক ঃ হেমেন দাস, অধ্যক্ষ ঃ বিতুমণি বৰ্মন, সম্পাদকদ্বয় ঃ পুলক নাথ, অৰ্ণৱৰাজ দাস, সমন্বয়ক ঃ চম্পক কুমাৰ নাথ, নীলকমল কলিতা।

২০২০ চনৰ ডিচেম্বৰ মাহত ভাষা-সাহিত্য, কলা-সংস্কৃতি বিষয়ক তিনিমহীয়া অসমীয়া ই-আলোচনী 'ঐশানু' মুখ্য সম্পাদক ড° জিতুমণি চৌধুৰী আৰু সম্পাদক বিতুমণি বৰ্মনৰ সম্পাদনাত হাউলীৰ সৃষ্টি প্ৰকাশনে প্ৰকাশ কৰি উলিয়াইছিল।

অতি শেহতীয়াভাৱে আমাৰ সংবাদ জগতৰ লগত জড়িত সংবাদসেৱীসকল ক্ৰমে লিপিকা ডেকা, ৰুমী দেৱী, দিদাৰ হুছেইন, প্ৰসন্ন কুমাৰ শৰ্মা, গোপেশ নাথ, বুলবুল জামানুৰ, কৌশিক কমল দাস, নয়নমণি ওজা, নিতুমণি দাস আৰু কিশোৰ বায়ন আদি। এওঁলোকে হাউলীৰ বিভিন্ন কৰ্মানুষ্ঠানৰ লগত জড়িত হৈ সমাজসেৱা কৰাৰ উপৰি অসমৰ বিভিন্ন বাতৰি কাকতত সাংবাদিকৰূপে সংবাদ সেৱাত ব্ৰতী হৈ আছে।

বৃহত্তৰ হাউলী অঞ্চলৰ ঐতিহ্য ইতিহাস আৰু বহু পুৰণি কথা উদ্ধাৰ কৰি অতি নিষ্ঠাসহ সেইবোৰ জনমানসৰ মাজলৈ নি প্ৰচাৰ কৰাৰ প্ৰয়াসেৰে অসীম দাসে গঢ়ি তুলিছে 'হাউলী ডিজিটেল'। এই ডিজিটেল চেনেলটোৰ যোগেদি তেওঁ অতি মনোগ্ৰাহী বৰ্ণনাৰে হাউলী অঞ্চলৰ বহু অজানা কথা প্ৰকাশ কৰি আহিছে। আশা ৰাখিছোঁ অসীম দাসৰ অকৃত্ৰিম প্ৰচেষ্টাৰ ফলতেই আগলৈ আৰু বহু পুৰণি কথা জানিব পাৰিম।

ইতিমধ্যে আমাৰ জ্ঞাত যে, চলিত বৰ্ষৰ মাৰ্চ মাহত অসীম দাসৰ 'হাউলীৰ পুৰণি কথাবোৰ' শীৰ্ষক সচিত্ৰ সংকলন পুথি এখন প্ৰকাশ পাইছে। পুথিখন 'হাউলী সাহিত্য সভা' প্ৰাংগণত বি এইচ কলেজৰ অধ্যক্ষ ভূষণ চন্দ্ৰ পাঠকে আনুষ্ঠানিক উন্মোচন কৰিছে।

হাউলীৰ নতুন প্ৰজন্মই থোৰতে জানিব লগা কথা—

১। পঞ্চৰতন ফাৰ্ম (১৯২৬), উদ্যোগী ব্যক্তি ৰমাকান্ত দাস, ২। হাউলী ৰাস মহোৎসৱ উদ্‌যাপন (১৯২৯) প্ৰথম সভাপতি ঃ বিশ্বনাথ দাস, প্ৰথম সম্পাদক ঃ গৰ্জন চন্দ্ৰ সৰকাৰ, ৩। হাউলী চণ্ডী বৰুৱা স্মৃতি ভৱন স্থাপন (১৯৭৮), ৪। হাউলীলৈ প্ৰথম বিজুলী বাতি আহিছিল ১৯৭৪ চন, ৫। হাউলী নাট্য সংঘ স্থাপন (১৯৫২ চন), ৬। মনোমতী পুথিভঁৰাল স্থাপন (১৯৫৮), ৭। হাউলী হাইস্কুল স্থাপন (১৯৩৯ চন), ৮। বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন (১৯৪৯ চন), ৯। হাউলী নৰ্মাল স্কুল স্থাপন (৯৫০ চন), ১০। হাউলী ছোৱালী হাইস্কুল স্থান (১৯৫৮ চন), ১১। বি এইচ কলেজ স্থাপন (১৯৬৬ চন), ১২। হাউলী নগৰ সমিতি স্থাপন (১৯৭৪ চন), ১৩। বিজুলী বাতি (১৯৭৭), ১৪। হাউলী ক্ৰীড়া সন্থাৰ জন্ম (১৯৬৫ চন, ১৫। হাউলীৰ পটভূমিত ৰচিত নাটক ঃ হাদিৰাই চকুলো টুকে, নাট্যকাৰ ঃ গকুল পাঠক, ১৬। অসমীয়া সাহিত্যৰ প্ৰথম ঐতিহাসিক উপন্যাস 'মনোমতী'ৰ শতবৰ্ষ উদ্‌যাপন (জুন ২০০০ চন), সভাপতি ঃ সত্যনাথ দাস, কাৰ্যকৰী সভাপতি ঃ বিৰিঞ্চি কুমাৰ চৌধুৰী, সম্পাদক ঃ মহানন্দ পাঠক, সহঃ সম্পাদক ঃ প্ৰতাপ দাস, সংগঠক ঃ কুলেন দাস, সাংস্কৃতিক সম্পাদক ঃ টিকেন্দ্ৰজিৎ দাস।

অসমীয়া সাহিত্য জগতৰ প্ৰথম ঐতিহাসিক উপন্যাস 'মনোমতী'ৰ শতবৰ্ষ উদ্‌যাপন হাউলী চাৰিআলিত ৰাজহুৱাকৈ পালন কৰা হৈছিল। এখন উপনাসৰ শত বৰ্ষ উদ্‌যাপন আমাৰ বাবে আশ্চৰ্যকৰ আছিল যদিও অনুষ্ঠানবোৰ নিয়াৰিকৈ সম্পাদন কৰা হৈছিল আৰু হাউলীবাসী ৰাইজো আশ্বস্ত হৈছিল। উক্ত কাৰ্যসূচীৰ সংগতি ৰাখি হাউলী চাৰিআলিতে 'মনোমতী'ৰ ১০০ বছৰীয়া ঐতিহ্য জীয়াই ৰখাৰ নিমিত্তে 'স্মাৰক স্তম্ভ' নিৰ্মাণ কৰি শতবৰ্ষ উদ্‌যাপনৰ দিনাখনেই উন্মোচন কৰা হৈছিল।

এইখিনিতে কথা এষাৰ মনলৈ আহিছে ৭৫ বৰ্ষীয় 'হাউলী ৰাস মহোৎসৱ'ৰ সময়ৰ কথা। অতি উলহ-মালহেৰে ৭৫ বৰ্ষীয় ৰাস মহোৎসৱ পালন কৰা হৈছিল।

https://howlyraasmahotsav.org/

সেই বছৰৰ ‘মুৰুলী’ৰ সম্পাদনা সমিতিৰ সম্পাদক আছিল হেমেন দাস, সম্পাদনা সহযোগী আছিল প্ৰতাপ দাস, মনহৰি বায়ন। ‘মুৰুলী’ৰ নিমন্ত্ৰিত উন্মোচক অতিথি হিচাপে ‘হাউলী ৭৫ বৰ্ষীয় ৰাস মহোৎসৱত উপস্থিত হৈছিলহি জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক ড° মামণি ৰয়চম গোস্বামী।

সৌষ্ঠৱপূৰ্ণ ‘মুৰুলী’ উন্মোচনী সভাৰ শেষত গোস্বামী বাইদেৱে আমাৰ স'তে ঘৰুৱাভাৱে মিলিত হৈছিল আৰু হাউলী ঐতিহ্য ইতিহাসৰ কথা জানিব পাৰি আপ্লুত হৈছিল। ‘মনোমতী’ উপন্যাসৰ শতবৰ্ষ ৰাজহুৱাকৈ উদ্‌যাপনৰ খবৰটো পাই তেওঁ কৈছিল— মই পৃথিৱীৰ বহু দেশ ভ্ৰমণ কৰিছোঁ, ঘূৰিছোঁ-ফুৰিছোঁ, কিন্তু এখন উপন্যাসৰ শতবৰ্ষ পালন কৰা কথা, কতো শুনা নাই। মই বৰ আপ্লুত হৈছো, আশ্চৰ্য প্ৰকাশ কৰিছোঁ। ইমান সুন্দৰ কাম কৰিছে আপোনালোকে, মই মুগ্ধ হৈ পৰিছোঁ। তাৰ পিছতে তেওঁ আমাক কথা দিছিল হাউলীক পটভূমি হিচাপে লৈ এখন উপন্যাস লিখিম বুলি। হয়তো আমাৰেই দুৰ্ভাগ্য, তাৰ কেইটামান বছৰ পিছতে গোস্বামী বাইদেউ নৰিয়াত পৰে আৰু অসমবাসীক কন্দুৱাই ইহলালী ত্যাগ কৰে।

(ক্ষমা প্ৰাৰ্থনা ঃ সীমিত সময়, তথ্যপাতিৰ অভাৱ আৰু জ্ঞানৰ সীমাবদ্ধতাৰ বাবে হাউলীৰ বহুতো গুণী-জ্ঞানীৰ অৱদান (জ্যেষ্ঠ, কনিষ্ঠ)প্ৰকাশ কৰিব নোৱাৰিলোঁ। এনে দোষৰ বাবে লেখকে ক্ষমা প্ৰাৰ্থী হৈ ৰ'লোঁ)

বি.দ্ৰ. ঃ প্ৰবন্ধটোৰ ভালেখিনি কথা ইতিমধ্যে ‘হাউলী সাহিত্য সভা’ৰ বাৰ্ষিক পত্ৰিকা'ত প্ৰকাশ পাইছে, সেই প্ৰবন্ধটোকে পৰিৱৰ্তিত ৰূপত পুনৰ লিখা হ'ল। প্ৰবন্ধটো লিখোঁতে বিভিন্ন বিষয়ত তথ্য পাতিৰে সহায় কৰা ব্যক্তিসকল ক্ৰমে খনীন নাথ, কুমাৰ মীন দাস, তৰণী কুমাৰ পাঠক, টিকেন্দ্ৰজিৎ দাস, যুগান্ত বায়ন, নাৰায়ণ গোস্বামী আৰু ধনঞ্জয় বৰ্মন। তেওঁলোকক আন্তৰিকতাৰে শলাগ লৈ ধন্যবাদ জনালোঁ আৰু যিসকল স্বনামধন্য লোকৰ বিষয়ে অনিচ্ছাকৃতভাৱে উত্থাপন কৰিব নোৱাৰিলোঁ, তেওঁলোকৰ ওচৰত লেখক ক্ষমাপ্ৰাৰ্থী।

https://howlyraasmahotsav.org/

মৃত্যু

সমৰেন্দ্ৰ ঠাকুৰীয়া

জীৱনৰ বাট
জীয়াই থকাৰ যুঁজত
মই আজি ভাৰাক্ৰান্ত
সেয়ে তোমাৰ শীতল
কোলাত বিলীন হৈ
যাব বিচাৰিছোঁ.......

তুমিয়েতো সত্য
তুমিয়েতো অন্ত......।

জীৱনৰ বাটত জীয়াই থকাৰ যুঁজত
পোৱাৰ হেঁপাহত
হেৰুৱাৰ বেদনাত
সফলতাৰ পিছত
মই আজি ভাগৰুৱা,
সেয়ে বিচাৰিছোঁ তোমাৰ
শুভ্ৰ চাদ ছাঁয়া
জীৱন বাটত
জীয়াই থকাৰ যুঁজত
যান্ত্ৰিকতাৰ অগ্ৰাধিকাৰত
আৱেগ অনুভূতিহীন জীৱনৰ প্ৰতি
মই আজি মেঘাচ্ছন্ন
সেয়ে বিচাৰিছোঁ তোমাৰ
শব্দহীন নীৰৱতাৰ কফিন
তুমিয়েতো সত্য
তুমিয়েতো অন্ত...।

অসমীয়া ভাষাই সন্মুখীন হোৱা প্ৰত্যাহ্বান নেওচাৰ উপায়

চন্দনা দেৱী, ড° নিভাৰাণী ৰয়

অলপতে অসমীয়া ভাষাক 'ক্লাছিকেল লেংগুৱেজ' অৰ্থাৎ ধ্ৰুপদী ভাষা হিচাপে ভাৰত চৰকাৰে ঘোষণা কৰিলে। এই খবৰে নিঃসন্দেহে প্ৰতিগৰাকী অসমীয়াভাষীক অপাৰ আনন্দ দিছে সঁচা, কিন্তু ধ্ৰুপদী ভাষাৰ তালিকাত অসমীয়া ভাষাটো সোমালেই ভৱিষ্যতে আইৰ মুখৰ ভাষাটো নিৰাপদে চলি থাকিব জানো? অৰ্থাৎ ই ভাষাটোৰ বাবে ৰক্ষা-কবচ হৈ ব'বনে? আনন্দৰ সোঁত বোৱাৰ সমান্তৰালকৈ এনেধৰণৰ বহু প্ৰশ্নই সচেতন অসমীয়া মানুহৰ মগজুত উদ্ৰেক হৈছে। এই প্ৰশ্ন জাগ্ৰত হোৱাটো একো অস্বাভাৱিক নহয়। কিয়নো বিগত কেইবাটাও দশক ধৰি অসমীয়া ভাষাটোলৈ সংকট নামি অহাটো আমি মন কৰিছোঁ। বহু দূৰ অতীতত যিটো ভাষাৰে অসমীয়া মানুহে খাওঁতে-শোওঁতে, উঠোঁতে-বহোঁতে, কওঁতে-লিখোঁতে, পঢ়োঁতে সকলো ক্ষেত্ৰতে দৈনন্দিন জীৱন আগুৱাই নিছিল সেই ভাষাটোলৈ গৃহভূমি অসমতে প্ৰত্যাহ্বান নামি অহাটো কম বেজাৰৰ কথানে? থাউকতে ক'বলৈ হ'লে, প্ৰতিগৰাকী অসমবাসী ভাষাটো লৈ উপযুক্তভাৱে সজাগ-সচেতন নহ'লে ভৱিষ্যতে যে গাৰ নোম শিয়ৰি উঠাকৈ ই সংকটৰ সন্মুখীন হ'ব তাত নিশ্চয় কাৰো দ্বিমত নাই।

মানৱ জীৱনত ভাষাৰ ভূমিকা কিমান সুদূৰপ্ৰসাৰী সেই কথা নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। মানুহৰ বিবেকক জগাই তুলিছে ভাষাই। পৃথিৱীৰ সকলো জীৱন্ত প্ৰাণীৰ ভিতৰত মানুহে সুকীয়া মৰ্যদা লাভৰ ক্ষেত্ৰত ভাষাই বিশেষ ভূমিকা গ্ৰহণ কৰি মানুহৰ জীৱন গতিশীল কৰি তুলিছে। এটা জাতিৰ জাতীয় চিন্তা, ধ্যান-ধাৰণা আৰু ঐতিহ্যৰ ইতিহাসক প্ৰোজ্জ্বল কৰি ৰাখে সেই জাতিৰ জাতীয় ভাষাই। জাতি এটাৰ সভ্যতা আৰু সংস্কৃতি ধৰি ৰাখে নিজৰ ভাষাই। ভাষা, জাতি আৰু সংস্কৃতিৰ এটা নিবিড় সম্পৰ্ক আছে। ভাষাই জাতি এটাক নিৰ্দিষ্ট চৰিত্ৰ প্ৰদান কৰে। জাতীয়তাবাদী দৃষ্টিভংগী বহন কৰাৰ সমান্তৰালকৈ ভাষাই মানুহৰ মাজত স্বাভিমান বৃদ্ধি কৰে। থাউকতে ক'বলৈ হ'লে, ভাষাই এটা নিৰ্দিষ্ট পৰিমণ্ডলৰ ভিতৰত মানুহক সংগঠিত ৰূপত ধৰি ৰাখে। ভাৰতভূমিৰ উত্তৰ-পূবত থকা অসম, মেঘালয়, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, মিজোৰাম, নাগালেণ্ড আৰু মণিপুৰত অতীজৰে পৰা অক্ষুণ্ণ থকা ভাষা-বৈচিত্ৰ্য এটা উল্লেখযোগ্য বৈশিষ্ট্য। দেশখনৰ এই বিশাল ভূখণ্ডত শ শ বছৰ ধৰি সম্প্ৰীতিৰে বসবাস কৰি অহা জনজাতীয় লোকসকলে ভাষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত লক্ষণীয়ভাৱে বৈচিত্ৰ্য ৰক্ষা কৰি আহিছে। অসমীয়া ভাষা অতীজৰে পৰা সুসমৃদ্ধ এটা ঐতিহ্যশালী ভাষা। নিঃসন্দেহে ইয়াৰ প্ৰকাশিকা শক্তিও বৰ সবল। বিভিন্ন সময়ত নানা শক্তিশালী প্ৰত্যাহ্বান মূৰ পাতি লৈ আৰু অলেখ আলাই-আথানিৰ মাজেদি আহি অসমীয়া ভাষাই বৰ্তমানৰ স্থিতি লাভ কৰিছে। অসমৰ ভূমিত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ নিজস্ব মাতৃভাষাৰ উপৰি প্ৰাণৰ ভাষাটো হৈছে অসমীয়া ভাষা।

লোকপিয়লৰ শেহতীয়া সমীক্ষাই দেখুৱাইছে যে উত্তৰ-পূৰ্বাঞ্চলৰ বহু ভাষালৈ সংকট নামি আহিছে। ইতিমধ্যে ডাঙৰ মাছে সৰু মাছ গিলাৰ দৰে সৰহ

https://howlyraasmahotsav.org/

সংখ্যক লোকে কোৱা ভাষাত ক্ষুদ্ৰ ভাষা একোটা লীন গৈছে। মূলতঃ কৰ্মসংস্থানৰ স্বাৰ্থত উত্তৰ-পূবত ইংৰাজী ভাষাৰ গুৰুত্ব বাঢ়ি যোৱাত ইয়াৰ অধিবাসীসকলৰ মুখৰ ভাষাটো সংকটৰ সন্মুখীন হৈছে। উত্তৰাধিকাৰ সূত্ৰে পোৱা মৰমৰ ভাষাটো হেৰোৱাটো কিমান মৰ্মান্তিক কথা সেয়া ভুক্তভোগীয়েহে ভালদৰে উপলব্ধি কৰিব পাৰে। আকৌ এসময়ত বহুল প্ৰচলিত ভাষাৰ কেইবাটাও সংকটৰ গৰাহত পৰিছে। ভাৰতীয় সংবিধানে অষ্টম অনুসূচীত স্বীকৃতি দিয়া ভাষা একোটাৰো ব্যৱহাৰকাৰীৰ সংখ্যা অকল্পনীয়ভাৱে হ্ৰাস পাইছে। উত্তৰ-পূৰ্বাঞ্চলত সৃষ্টি হোৱা ভাষা-সংকটৰ যথোচিত সমাধানৰ পথ উলিয়াব নোৱাৰিলে ভৱিষ্যতে ইয়াৰ বাসিন্দাসকল মৰমৰ ভাষাটোক বিসৰ্জন দিবলৈ সাজু থাকিব লাগিব। ১৮৩৬-১৮৭২ চনৰ 'অন্ধকাৰ যুগ'ৰ সুদীৰ্ঘ সময়ছোৱাত বাংলা ভাষাই অসমীয়াক গ্ৰাস কৰি ভাষাটো সংকটাপন্ন কৰিছিল। ২০১১ চনৰ লোকপিয়ল মতে, উত্তৰ-পূবৰ ভাষা ব্যৱহাৰকাৰীৰ শতকৰা হাৰ এনেধৰণৰঃ অসমীয়া ৪৮ শতাংশ, বাংলা ২৮.৯২ শতাংশ, হিন্দী ৬.৭৩ শতাংশ, বড়ো ৪.৫৪ শতাংশ, চাহ বাগানীয়া ২.৯২ শতাংশ, মিচিং ১.৯৮ শতাংশ, নেপালী ১.৯১ শতাংশ, কাৰ্বি ১.৬৪ শতাংশ, ওড়িয়া ০.৭০ শতাংশ, চাওতালী ০.৬৮ শতাংশ, মণিপুৰী ০.৫৪ শতাংশ, গাড়ো ০.৫২ শতাংশ আৰু অন্যান্য ১.১৭ শতাংশ। এই তথ্যই এইটো স্পষ্ট ইংগিত দিছে যে এবাৰ ভৰিৰ তলৰ মাটি খহি যোৱাৰ পাছত থিয় হ'বলৈ ঠাই যে নাথাকে সেই কথা উপলব্ধি কৰাৰ সময় হ'ল। উল্লেখনীয় যে ভাষাৰ সৈতে মানুহৰ নিজস্ব পৰিচয়ৰ অংগাংগী সম্পৰ্ক আছে।

এসময়ত মেঘালয়, অৰুণাচল প্ৰদেশ, মিজোৰাম, নাগালেণ্ড অসমৰ অন্তৰ্ভুক্ত হৈ থাকি বৰ অসম গঠিত হৈছিল। সৰহভাগ লোকে কোৱা অসমীয়া ভাষাই সংযোগ-সূত্ৰ স্থাপন কৰিছিল। ভাষাগত দৃষ্টিকোণৰ পৰা চাৰিটা বিভিন্ন ভাষা-গোষ্ঠী বা ভাষা-পৰিয়ালৰ ভাষা অসমত প্ৰচলিত হৈ আছে। সেই ভাষা-গোষ্ঠীকেইটা হ'ল— অষ্ট্ৰিক ভাষা-গোষ্ঠী, দ্ৰাবিড় ভাষা-গোষ্ঠী, তিব্বত-চিনীয় বা চীন-তিব্বতীয় আৰু ইণ্ডো-ইউৰোপীয়। যিহেতু এই বৃহত্তৰ অঞ্চলটো নানা জনগোষ্ঠীৰ মিলনভূমি, তেওঁলোকৰ মুখ-নিসৃত ভাষাও অতীজৰে পৰা বহুলভাৱে চলি আছিল। কিন্তু কালক্ৰমত এই ভাষাবোৰলৈ বিভিন্ন কাৰণত সংকট নামি আহিল। ত্ৰিপুৰাত খিলঞ্জীয়া লোকসকলে কোৱা কক্‌বৰক ভাষাৰ মৃত্যু ঘটিল আৰু তাৰ ঠাইত বাংলা ভাষাই স্থায়ী ৰূপত খুঁটি পুতি বহিল। সেইদৰে উত্তৰ-পূবত এসময়ত বহুল ৰূপত প্ৰচলিত ভাষা এতিয়া কেল্‌ঢোপ-কেল্‌ঢোপকৈ কোনোমতে প্ৰাণটো লৈহে বৰ্তি আছে। অসমত চলি থকা কেইবাটাও ভাষা বৰ্তমান ব্যৱহাৰকাৰীৰ অভাৱত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। অসমীয়া ভাষাৰ পিছত ২০০০ চনত বড়ো ভাষাও সংবিধানৰ অষ্টম অনুসূচীত সোমাল যদিও ভাষাটো অবড়োৰ মাজলৈ আশানুৰূপে সম্প্ৰসাৰিত নহ'ল। আনহাতে বড়োসকলক সময়ৰ আহ্বানে হাত বাউলি মতাত ইংৰাজী ভাষাকে ধৰি অন্য ভাষাৰ প্ৰতি ধাউতি বাঢ়ি গৈ মাতৃভাষাটো ভাবুকিৰ সন্মুখীন হ'ল। উত্তৰ-পূবৰ স্থানীয় ভাষালৈ এইদৰে প্ৰত্যাহ্বান নামি অহাত সচেতন লোকসকলে পৰিচয়-সংকটত ভোগাৰ আশংকা কৰিছে।

ইতিমধ্যে উত্তৰ-পূৰ্বাঞ্চলৰ কমেও ১২ টাকৈ ভাষা বিলুপ্তিৰ গৰ্ভত লীন যাবলৈ উপক্ৰম ঘটিছে। ইয়াৰ কাৰণ হৈছে সেই ভাষা কোৱা বা ব্যৱহাৰকাৰীৰ সংখ্যা দুখ লগাকৈ কমি আহিছে। ভাৰত চৰকাৰৰ লোকপিয়লৰ তথ্য মতে সংকটাপন্ন ভাষাৰ তালিকাত আছে মেঘালয়ৰ এটা, দুটাকৈ অসম আৰু অৰুণাচল প্ৰদেশৰ আৰু মণিপুৰৰ সাতটা। টাই ভাষা-গোষ্ঠীৰ অন্তৰ্গত আহোম, খামটি, ফাকে, টুৰুং, আইতন আৰু খামায়াং কোৱা মানুহৰ সংখ্যা কমি যোৱাত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তদুপৰি তিৱা, কাৰ্বি, গাৰো, থাৰো, দেউৰী, নাগামিজ, নিচি, নেপালী, পাইতে, মণিপুৰী, মৰাণ, মটক, মাৰ, মিচিং, মুণ্ডাৰী, মৈতৈই, ৰাজবংশী, ৰাভা, ৰেংমা, লিম্বু, লোথা, সোণোৱাল-কছাৰী, হাজং, হো আদি ভাষাৰ ব্যৱহাৰকাৰীৰ সংখ্যা লক্ষণীয়ভাৱে হোৱাহোৰে হ্ৰাস পাইছে। চিন্তনীয় বিষয় যে কেৱল পৰম্পৰা আৰু ঐতিহ্য জীয়াই ৰখাৰ স্বাৰ্থত নতুনচাম ল'ৰা-ছোৱালীয়ে ভাষা এটা চৰ্চা কৰিব নোখোজে। যি ভাষাই সংস্থাপন আৰু উপাৰ্জনৰ পথ মুকলি কৰাত সহায় কৰে সেই ভাষাকহে তেওঁলোকে আঁকোৱালি লৈছে। এই কথা দিনৰ পোহৰৰ দৰে স্পষ্ট যে ভাষা এটালৈ সংকট নামি আহে ভাষাটো কোৱা মানুহৰ জৰিয়তে। তেওঁলোকে ভাষাটো এলাগী কৰা

https://howlyraasmahotsav.org/

বা যথোচিত গুৰুত্ব নিদিয়াৰ ফলত ভাষাটোৰ মৃত্যুঘণ্টা বাজে। উদাহৰণস্বৰূপে, উত্তৰ-পূৰ্বাঞ্চলৰ দুগৰাকী লোক ক'ৰবাত মিলিত হ'লে তেওঁলোকে নিজৰ ভাষাত কথা পতাৰ সলনি হিন্দী বা ইংৰাজীত কথা পাতিহে মনৰ ভাৱ প্ৰকাশ কৰে। আকৌ উত্তৰ-পূৰ্বৰ বাহিৰৰ মানুহ এজনক লগ পাই মনৰ ভাব প্ৰকাশ কৰিব লাগিলেও আৰু বহিৰাগতজনৰ উত্তৰ-পূৰ্বৰ ভাষা জানিবলৈ প্ৰবল আগ্ৰহ থকা সত্ত্বেও তেওঁৰ সৈতে হিন্দী বা ইংৰাজী ভাষাতহে কথা পাতে। ভাষা এটা নিজৰ মাজতে আৱদ্ধ নাৰাখি বহুল প্ৰচাৰ আৰু প্ৰসাৰৰ চেষ্টা কৰা উচিত, যিটো সুদীৰ্ঘকাল ধৰি ইংৰাজী ভাষাই কৰি আহিছে। মন কৰিবলগীয়া যে ভাষাৰ সম্প্ৰসাৰণ কৰাটো দূৰৈৰ কথা, অসমত আজিপৰ্যন্ত এখন সৰ্বজনগ্ৰাহ্য অভিধান নোহোৱা, ১৯৬০ চনৰ ভাষা আইন অনুসৰি অসমীয়াক ৰাজ্যভাষা হিচাপে চৰকাৰী কাৰ্যালয়ত প্ৰয়োগৰ ভেকো ভাওনা, অসমীয়া ভাষাটোৰ উন্নতিৰ বাবে চৰকাৰে যথোচিত মনোযোগ নিদিয়া, অসমৰ ব্যৱসায়িক প্ৰতিষ্ঠানত নামফলক অসমীয়াত লিখিবলৈ আহ্বান জনাই বিফল হোৱা ঘটনাই অসমীয়া ভাষালৈ সংকট নামি অহাৰ ইংগিত দিয়ে।

ভাষা আৰু ধৰ্ম, সংস্কৃতিৰ দুটা অন্যতম মূল উপাদান। আহোমসকল টাইভাষী লোক। অসমলৈ আহি কালক্ৰমত তেওঁলোকে নিজ ভাষা পৰিহাৰ কৰি অসমীয়া ভাষাক নিজ ভাষা কৰি ল'লে। অসমীয়া ভাষা ৰাজভাষাৰূপে স্বীকৃত হ'ল। অসমীয়া ভাষাৰ মৰ্যদা বাঢ়িল। অন্য ভাষা-ভাষী জনসমষ্টিবোৰেও অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিলে। সংস্কৃতিৰ এটা ঘাই বাহন ভাষা। ভাষাৰ মাধ্যমেৰে যোগাযোগ স্থাপন কৰাত আৰু ভাব বিনিময় কৰাত সুচল হয়। ভাষা সমৃদ্ধ আৰু চহকী হ'লেহে ই অন্য লোকক আকৃষ্ট কৰিব পাৰে। ভাষাৰ মুখ্য সম্পদ হ'ল শব্দ-ভাণ্ডাৰ। বিশাল শব্দ-ভাণ্ডাৰক লৈ ভাষা সমৃদ্ধিশালী হৈ পৰে। প্ৰাচীন ভাষাৰ ভিতৰত গ্ৰীক, সংস্কৃত আদি সমৃদ্ধিশালী হোৱাৰ মূলতেও বিশাল শব্দ-ভাণ্ডাৰ। আধুনিক ভাষাসমূহৰ ভিতৰত বিশ্বভাষা বা আন্তঃৰাষ্ট্ৰীয় ভাষাৰ মৰ্যদা লাভ কৰা ইংৰাজী ভাষাৰ অপৰিসীম শক্তিৰ মূলতেও ইয়াৰ অতি শক্তিশালী আৰু বিশাল শব্দ-ভাণ্ডাৰ। শব্দ-নিৰ্মাণ আৰু আহৰণ কৰাত এইবোৰ ভাষা অতি দক্ষ হোৱাৰ বাবেই এনে মৰ্যাদা লাভ কৰিব পাৰিছে। ইংৰাজী ভাষা আকৌ বিদেশী বা আন ভাষাৰ পৰা গ্ৰহণ কৰা শব্দবোৰ আত্মসাৎ কৰাত পাৰ্গত। আনহাতে অসমীয়াকে ধৰি উত্তৰ-পূৰ্বৰ বিভিন্ন ভাষাত কথা কওঁতাসকল ভাষাগত দিশত যিধৰণে সচেতন হ'ব লাগিছিল ঠিক সেইধৰণে হ'ব পৰা নাই। অসমীয়া ভাষা-সাহিত্যক শুদ্ধ ৰূপত প্ৰতিষ্ঠা কৰিবৰ বাবে বেজবৰুৱাই অহৰহ চেষ্টা কৰিছিল। লীলা গগৈৰ ভাষাত— "ভাষা বৈচিত্ৰ্য, শব্দৰ বৈচিত্ৰ্য, চিত্ৰ বৈচিত্ৰ্য, অৰ্থ বৈচিত্ৰ্য আৰু চৰিত্ৰৰ বৈচিত্ৰ্যৰ সহায়ত বেজবৰুৱাই হুঁহুৱায়। নিৰহ-নিপানী প্ৰকাশভংগী, অনুকৰণীয় ভাষা আৰু বিষয়বস্তুৰ উপস্থাপন ৰীতিয়ে বেজবৰুৱাৰ ৰচনা সমৃদ্ধ কৰি তোলে।"

সম্প্ৰতি বহু উচ্চ শিক্ষিত লোকেও নিজৰ মাতৃভাষাটোৰ প্ৰতি আওকণীয়া মনোভাৱেৰে ভুলকৈ লিখা দেখা যায়। ভাষাৰ নিজস্ব চৰিত্ৰ বা বৈশিষ্ট্য ৰক্ষা পৰে সেই ভাষাৰ সঠিক বানান আৰু শুদ্ধ উচ্চাৰণৰ ওপৰত। শিক্ষক, ছাত্ৰকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ লোকেই যিমান দূৰ সম্ভৱ নিজৰ মাতৃভাষাটোৰ প্ৰতি দায়বদ্ধ হোৱা উচিত। ইংৰাজী ভাষাত লিখোতে আমাৰ বানান ভুল হ'লে আমি যিমান লজ্জিত হওঁ, অসমীয়া ভাষাত লিখোঁতে আমাৰ ভুল হ'লে আমি তিলমানো অনুতপ্ত নহওঁ। অসমীয়া ভাষাৰ দুৰৱস্থা সন্দৰ্ভত ভাষাবিদ ড° গোলোকচন্দ্ৰ গোস্বামীয়ে এইদৰে কৈ গৈছে—"ভাষাৰ জৰিয়তে সাহিত্যৰ ভেটি সুদৃঢ় হয়। সেইবাবেই হয়তো ভাষাক সাহিত্যৰ ভেটি বুলি কোৱা হয়। গতিকে ভাষা শুদ্ধকৈ লিখিব পাৰিলেহে এটা জাতিয়ে উন্নত মানৰ সাহিত্য সৃষ্টি কৰিব পাৰে। ...আটাইতকৈ দুখৰ কথাটো হ'ল—বহু গৱেষকেও ভাষাটো শুদ্ধকৈ লিখাৰ প্ৰতি মনোযোগ নিদিয়ে। এনে বহু গৱেষক আছে যিসকলে ভাষাৰ গৱেষণা কৰে অথচ তেওঁলোকৰ 'গৱেষণাপত্ৰ'ত অসমীয়া ভাষাৰ শ্ৰাদ্ধ হয়। বাৰেপাচি ভুলেৰে 'গৱেষণাপত্ৰ' লিখি বহুতে 'ডক্টৰেট' উপাধি লয়। এনে হোৱাটো সমাজৰ বাবে, জাতিৰ বাবে আৰু সাহিত্য ক্ষেত্ৰখনৰ বাবে অত্যন্ত ক্ষতিকাৰক।" আকৌ এই কথাটো কাৰো অবিদিত নহয় যে বৰ্তমান অসমীয়া ভাষাটো ঘাইকৈ বাংলা, হিন্দী আৰু ইংৰাজী মিহলি খিচিৰি ভাষালৈ ৰূপান্তৰিত হৈছে।

উত্তৰ-পূৰ্বৰ বহুকেইটা ভাষাৰ ব্যৱহাৰকাৰীৰ

https://howlyraasmahotsav.org/

সংখ্যা কম হ'লেও সেই ভাষাত উৎকৃষ্ট সাহিত্য সৃষ্টি হৈছে। পিছে এই বৃহত্তৰ অঞ্চলটোৰ বেছিভাগে নিজৰ মাতৃভাষাত বাহিৰে (হিন্দী, ইংৰাজী আৰু বাংলাক বাদ দি) অঞ্চলটোৰ অন্য ভাষা নাজানে। এনে হোৱাটো নিঃসন্দেহে বৰ দুৰ্ভাগ্যজনক। অথচ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই অসমীয়াত বাহিৰেও উত্তৰ-পূবৰ বহু ভাষা জানিছিল। সলসলীয়াকৈ ক'ব পাৰিছিল। অসমৰ পৰা এসময়ত ফালৰি কাটি যোৱা অৰুণাচল প্ৰদেশত বহুল প্ৰচাৰিত ভাষা নাই। তাত অসমীয়া ভাষাৰ প্ৰচলন কৰিব পৰা যায়। এইক্ষেত্ৰত অসম সাহিত্য সভাই শক্তিশালী ভূমিকা ল'ব পাৰে। আজিকালি তথ্য-প্ৰযুক্তিৰ যুগত ভাষা এটা নিজৰ দখললৈ অনাটো টান কাম নহয়। তদুপৰি সেই ভাষাত প্ৰকাশিত কিতাপ-পত্ৰ পঢ়িও ভাষাটো সহজে আয়ত্তলৈ আনিব পাৰি। যিকোনো ভাষাৰ জ্ঞান, শব্দ-সম্ভাৰ, ৰচনাৰ-ঠাঁচ আদি জানিবলৈ অধ্যয়ন আটাইতকৈ প্ৰকৃষ্ট উপায়। গল্প, উপন্যাস, কবিতা আদি সাহিত্য, জ্ঞান-বিজ্ঞান, ভ্ৰমণ-অভিযান আদি সাহিত্য, ধৰ্ম আৰু নীতিমূলক সাহিত্য আদি বিভিন্ন শ্ৰেণীৰ সাহিত্যৰ ভূমিকা সুকীয়া। এই বিভিন্ন শ্ৰেণীৰ পুথি পঢ়িলে ভাষাৰ ব্যৱহাৰ আৰু শব্দৰ জ্ঞান বৃদ্ধি পায়। আকৌ প্ৰসংগক্ৰমে ক'ব পাৰি, যিসকল অনাঅসমীয়া লোক জীৱিকাসূত্ৰে বৃহত্তৰ উত্তৰ-পূবত বাস কৰি আছে, তেওঁলোকক এই অঞ্চলৰ ভাষা শুদ্ধকৈ শিকোৱাৰ ব্যৱস্থা কৰিব পাৰি। তেনে লোকৰ সৈতে অনাৱশ্যকভাৱে হিন্দী, ইংৰাজী, বাংলাত মত বিনিময় কৰাৰ সলনি এই অঞ্চলৰ ভাষা ব্যৱহাৰ কৰিব পাৰি। অসমীয়া ভাষাৰ প্ৰতি বহিৰাগতৰ অনুৰাগ কিয় বৃদ্ধি নাপাব, —এই দৃষ্টিভংগীৰে অসমীয়াক তেওঁলোকৰ ওচৰ চপাই নিব পাৰি। এইটোও ঠিক যে, ভাষা এটাক মানুহে অন্তৰেৰে গ্ৰহণ কৰিব লাগিব, ইয়াক কাৰো ওপৰত জোৰকৈ জাপি দিব নোৱাৰি। ভাৰতবৰ্ষৰ শক্তিশালী আঞ্চলিক ভাষাবোৰৰ দৰে অসমীয়া ভাষাৰ ভেটি মজবুত কৰিবলৈ ইয়াক নিৰ্দিষ্ট এলেকাৰ ভিতৰত সীমাবদ্ধ কৰি ৰখাৰ পুৰণিকলীয়া ৰীতিৰ ওৰ পৰিব লাগিব। ভাষাটোক মানুহে মৰমেৰে বুকুত সাৰটি লৈ, শুচিতা ৰক্ষা কৰি, অন্য মানুহেও চেনেহেৰে আঁকোৱালি লোৱাৰ ওপৰতে ইয়াৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে।

তথ্য উৎস ঃ

১। *বৰা, ড° হেম ঃ অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰ, নাহেন্দ্ৰ পাদুন সম্পাদিত 'ভাষাৰ তত্ত্ব-কথা' পুথিত প্ৰকাশিত লেখা, পৃষ্ঠা-২২০*

২। *দাস, ড° ভুবন মোহন ঃ অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়, অসম বিজ্ঞান সমিতি, পৃষ্ঠা-২৫৩*

৩। *পাঠক, ড° ৰমেশ ঃ অসমীয়া ভাষাৰ ইতিহাস, পৃষ্ঠা-২৪৭*

৪। *ভট্টাচাৰ্য, ড° পূৰ্ণ ঃ ভাষা বিষয়ক সাধাৰণ চিন্তা, অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী উপলক্ষে 'আলোকসন্ধানী' স্মৃতিগ্ৰন্থত প্ৰকাশিত প্ৰবন্ধ, পৃষ্ঠা-৮৪*

৫। *বৰুৱা, প্ৰীতি ঃ মাতৃভাষা শিক্ষাৰ প্ৰয়োজনীয়তা, অসমীয়া ৰচনা সংকলন, পৃষ্ঠা-৮৪*

৬। *শৰ্মা, চন্দন ঃ ন-শিকাৰুসকলক অসমীয়া ভাষাটো কি পদ্ধতিৰে শিকালে সুফল পাব, বৰপেটা আইন মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে 'আইন সুৰভি' স্মৃতিগ্ৰন্থত প্ৰকাশিতপ্ৰবন্ধ, পৃষ্ঠা-৪৫*

৭। *ডেকা, ভুবনেশ্বৰ ঃ অসমীয়া ভাষাৰ আখৰ আৰু বৰ্ণৰ প্ৰসংগত, বাৰ্তাপখিলী, অক্টোবৰ ২০২৪, পৃষ্ঠা-৪৬৩*

https://howlyraasmahotsav.org/

ৰাস ঃ ভাৰতীয় আধ্যাত্মিকতাৰ শীৰ্ষানুভূতি

ড° আৰ কে বেজবৰুৱা

ৰাসৰ কাহিনী অত্যন্ত জটিল। সাহিত্য দৰ্পণত বিশ্বনাথ কবিৰাজে কৈছে ঃ 'ৰস্যতে ইতি ৰসঃ'। যি আস্বাদন কৰা হয়, সি ৰস। ৰসৰ পৰাই ৰাসৰ উৎপত্তি বুলি কোৱা হয় । পৰম ব্ৰহ্মাৰ সহিতে জীৱাত্মাৰ সম্বন্ধই হৈছে 'ৰাস'। কিন্তু পূৰ্ণচন্দ্ৰৰ পুলকিত কৰা নিশা যমুনাৰ পাৰলৈ কৃষ্ণই গোপীসকলক আকৰ্ষণ কৰিছিল। প্ৰথমতে শ্ৰীকৃষ্ণই গোপীসকলক ভয় দেখুৱাইছিল। নিশাৰ ভূত-প্ৰেতৰ ভয়, সমাজৰ লঘু-লাঞ্ছনাৰ ভয়, লাজ-লজ্জাৰ ভয়, কৰ্তব্য ভংগৰ ভয় আৰু পতিসকলৰ দ্বাৰা নিগৃহীত হোৱাৰ ভয়। কিন্তু কৃষ্ণৰ আলিংগনৰ বাবে অধৈৰ্য নাৰীসকলে সকলো ভয়ৰ উৰ্ধ্বলৈ গৈ একো কথা নাভাবি কেৱল কৃষ্ণৰ চৌপাশে গোপীসকলে নৃত্য কৰিছিল। কৃষ্ণই তেওঁলোকক শৃংগাৰ ৰসত ডুবাই ক্ৰীড়াত মগ্ন হৈছিল। কৃষ্ণৰ আঠগৰাকী পত্নী থকাৰ পিছতো এই ক্ৰীড়াৰ উদ্দেশ্য বুজিবলৈ হ'লে ভক্তিৰ গভীৰতাত ডুব দিব লাগিব। ৰাস ক্ৰীড়াৰ আধ্যাত্মিক তত্ত্ব উপলব্ধি কৰিবলৈ সক্ষম হ'বলৈ হ'লে কোনো লোক কৃষ্ণৰ একান্ত ভক্ত হ'ব লাগিব। সংসাৰৰ মায়াত আৱদ্ধ হৈ থাকি জীৱাত্মাই পৰমাত্মাৰ কাষ চাপি পৰমানন্দ লাভ কৰা সম্ভৱ নহয়। তাৰ বাবেই ভগৱানে অৱতাৰ ৰূপে লীলা কৰে। সেই লীলাৰ গূঢ়াৰ্থ আয়ত্ত কৰিবলৈ মানুহ ভক্তিৰ মাৰ্গত যাত্ৰা কৰাৰ উপযুক্ত সময়ত প্ৰভুৱে মায়াৰ আৱৰণ নিজেই অপসাৰণ কৰে।

গোপিনীৰ বস্ত্ৰ হৰণ আছিল গোকুলত শ্ৰীকৃষ্ণৰ ৰাস ক্ৰীড়াৰ প্ৰথম প্ৰয়াস। কিন্তু সেই সময়ত গোপিনীৰ মনত ভক্তিয়ে পূৰ্ণতা লাভ কৰা নাছিল। পাৰ্থিৱ কামনা-বাসনা ত্যাগৰ সিপাৰে উদ্ভৱ হয় প্ৰেম-ভক্তি। প্ৰেম-ভক্তিৰ আশ্ৰয়ত পৰমাত্মাৰ সৈতে জীৱাত্মাৰ মিলন সম্ভৱ হয়। সেই মিলন সম্ভূত আনন্দৰ অনুভূতিত ভক্তৰ মন-প্ৰাণ বিগলিত হৈ যি ৰসময়ী আনন্দ উৎপন্ন কৰে সেয়াই ৰাস।

'ৰাস' শব্দটো তিনিটা বৰ্ণৰ সমাবেশত সৃষ্টি হৈছে। ৰ, আ আৰু স। 'ৰ'ৰ দ্বাৰা ৰমণ, 'আ'ৰ পৰা আনন্দ আৰু 'স'ৰ দ্বাৰা সংযোগ। অৰ্থাৎ, যি সংযোগৰ মাধ্যমত ৰমণৰ দ্বাৰা আনন্দ লাভ হয়, সেয়াই 'ৰাস'। ভাগৱত পুৰাণৰ ২৯ ৰ পৰা ৩৩ তম্ অধ্যায়ত ৰাসৰ বিস্তৃত বৰ্ণনা কৰা হৈছে। আমাৰ গুৰু শ্ৰীমন্ত শংকৰদেৱে ৰাসৰ ভেটি প্ৰস্তুত কৰিছে পাটবাউসী সত্ৰত থকা কালত ৰচিত তেখেতৰ 'কেলি গোপাল' নাটত।

ৰাস পঞ্চাধ্যায়ৰ প্ৰথম অধ্যায়ৰ এটি শ্লোক হৈছে—

'ভগৱানপি তা ৰাত্ৰীঃ শাৰ্দোৎপল্লমল্লিকাঃ।
ৰীক্ষ্য ৰন্তুং মনশ্চক্ৰে যোগমায়ামুপাশ্ৰিতঃ।।'

অৰ্থাৎ

শৰত কালৰ ৰাত্ৰি অতি বিতোপন।
বহুবিধ পুষ্পে বিকশিত বৃন্দাবন।।
দেখি যোগমায়া বলে হৰিষ তহিত।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত্ত।।

('দশম'/ শ্ৰীমন্ত শংকৰদেৱ)

শৰতকালৰ বিতোপন ৰাতিত শ্ৰীকৃষ্ণ স্বয়ং ষড়ৈশ্বৰ্য্যপূৰ্ণ আত্মতৃপ্ত হোৱাৰ পিছতো যোগমায়া নামৰ অচিন্ত্য শক্তিক আশ্ৰয় কৰি ৰাসক্ৰীড়া কৰিবলৈ ইচ্ছা কৰিলে। অৰ্থাৎ, ৰমণৰ ইচ্ছা কৰিলে।

https://howlyraasmahotsav.org/

শ্ৰীধৰ স্বামীৰ ৰাস পঞ্চাধ্যায়ৰ পঞ্চম অধ্যায়ৰ টীকাৰ দ্বিতীয় শ্লোকত 'ৰাসক্ৰীড়াৰ' অৰ্থ এইদৰে কৰিছে— *'ৰাসো নাম বহুনৰ্ত্তকী যুক্ত নৃত্য বিশেষঃ।'*

তাৰ অৰ্থ হৈছে— বহু নৰ্তকীয়ে কৰা নৃত্য বিশেষক ৰাস বোলা হয়। কিন্তু শ্ৰীধৰ স্বামীয়ে একে টীকা ভাষ্যৰ প্ৰথম শ্লোকত কৈছে—

'তাস্মাদ্ৰাসক্ৰীড়াবিৰম্বনং কামজয়াখ্যাপনায়েতি তত্ত্বম্।'

তাৰ অৰ্থ এইটো যে, ৰমণ কৰাৰ অভিপ্ৰায়েৰে গোপীসকলক আকৰ্ষণ কৰিছে যদিও 'কামজয়' প্ৰদৰ্শন কৰিবৰ বাবেই 'ৰাস' নামৰ নৃত্যৰ দ্বাৰা লীলা কৰিছিল। এইটোৱেই হৈছে ৰাসৰ তত্ত্বকথা। ভগৱান শ্ৰীকৃষ্ণই নৰ্তক-নৰ্তকীৰ মাধ্যমত আধ্যাত্মিক ৰসত্ব মানুহৰ মন প্ৰাণত প্ৰবাহিত কৰিছে। পাৰ্থিৱ জীৱৰ ভাব, ভাষা আৰু কৰ্মৰ যোগেদি আধ্যাত্মিক তত্ত্ব প্ৰকাশ কৰা সম্ভৱ নহয়। সংসাৰী জীৱৰ আত্মতত্ত্ব আধ্যাত্মিক তত্ত্বলৈ উৰ্দ্ধমুখী কৰাৰ বাবেই বিষ্ণুৱে শ্ৰীকৃষ্ণৰ ৰূপত অৱতাৰ ধাৰণ কৰিছে। তেওঁৰ প্ৰতিটো কৰ্ম আৰু লীলাৰ মাধ্যমত মানুহক মুক্তিৰ সন্ধান দিবলৈ সততে উন্মুখ হৈ আছে। তেওঁৰ অৱতাৰৰ মূল উদ্দেশ্যই হৈছে—

'ভকতৰ পদে আপুনি হৰি।
ক্ৰীড়িলা ৰঙ্গে নৰদেহ ধৰি ।।'

মায়া-মোহ, কামনা-বাসনাত মত্ত হৈ সদায়ে পাপত ডুব গৈ থকা জীৱবোৰৰ হৃদয়ৰ কাম-পীড়া দূৰ কৰাৰ নিমিত্তে তেওঁ অৱতাৰ গ্ৰহণ কৰি ৰাসক্ৰীড়া কৰিছে। শ্ৰীকৃষ্ণ ৰূপী ভগৱানে কাম-পীড়াৰ দ্বাৰা দহি থকা মানুহক কাম-কেলিৰ মাজেৰে ভক্তিৰ ৰসত পৰিতৃপ্ত কৰাই সংসাৰৰ মায়াৰ আৱৰণ অন্তৰ্হিত কৰি পৰম আনন্দ, ৰসময়ী ক্ষেত্ৰত আৰোহণ কৰাৰ পথ নিৰ্মাণ কৰি গৈছে।

'শৃঙ্গাৰ ৰসে আছে যাৰ ৰতি।
আক শুনি হৌক নিৰ্মল মতি।।
ইটো ৰাস ক্ৰীড়া কথা কৃষ্ণৰ।
একান্ত চিত্তে শুনৈ যিটো নৰ
কৃষ্ণত ভকতি বাঢ়িবে তাৰ।
কাম সাগৰে সুখে হৈবে পাৰ ।।'

প্ৰকৃততে ৰাস ক্ৰীড়া অশ্লীলতাপূৰ্ণ দৈহিক মিলন মাত্ৰ নহয়। ৰাসলীলাত শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ দৈহিক মিলনৰ পৰিৱৰ্তে আত্মিক মিলন ঘটে। ৰাসক্ৰীড়া দৈহিক প্ৰেমৰ উৰ্দ্ধমুখী এক অনন্ত সম্পৰ্ক। জীৱাত্মাৰ সৈতে পৰমাত্মাৰ স্বৰ্গীয় আনন্দ আৰু ৰসময় মিলনতেই হৈছে ৰাসক্ৰীড়া।

আমাৰ ক্ষুদ্ৰ জ্ঞান আৰু অনুভৱেৰে ৰাসৰ মহত্ত্ব অনুধাৱন কৰাৰ সাধ্য নাই। বেদ বেত্তা মহৰ্ষি কৃষ্ণ দ্বৈপায়ন ব্যাসদেৱ, মহামুনি শুকদেৱ বা শ্ৰীধৰ স্বামীৰ দৰে ত্ৰিকাল দৰ্শীয়ে য'ত জীৱাত্মা আৰু পৰমাত্মাৰ মিলনৰ তত্ত্ব ব্যাখ্যা কৰিছে, তাত সামান্য মনুষ্য হৈ আমি পাণ্ডিত্য প্ৰদৰ্শন কৰা সঁচাকৈয়ে হাস্যকৰ। যিহেতু ভাৰতীয় মানসিকতাত ভক্তি আৰু সামাজিকতাৰ মাজেৰে ৰাস অনুষ্ঠানসমূহ চলি আহিছে আৰু সমাজে আঁকোৱালি ধৰি আছে, তেনেকুৱা ক্ষেত্ৰত সুৰুঙা পাই সামান্য জ্ঞান জাহিৰ কৰাৰ প্ৰয়াস কৰিলোঁ মাত্ৰ। ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰিছোঁ।

https://howlyraasmahotsav.org/

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ ক্ষেত্ৰ মধুপুৰ সত্ৰ

যুগান্ত বায়ন

অসমীয়া জাতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ স্মৃতি বিজড়িত বৰ্তমানৰ পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ মধুপুৰত অৱস্থিত এই স্থানত ১৫৬৮ খ্ৰীষ্টাব্দত মহাপুৰুষ শঙ্কৰদেৱে দেহ ত্যাগ কৰিছিল। ইয়াৰ উপৰিও মধুপুৰত আন বহুতো ভকতৰো সমাধি আছে বুলি জনা যায়। জীৱনৰ অন্তিম সময়ছোৱা মহাপুৰুষ শঙ্কৰদেৱে মধুপুৰত থাকি ধৰ্ম চৰ্চা কৰাৰ লগতে বহুতো সাহিত্যিক আৰু সাংস্কৃতিক কৃতিও ৰচনা কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দহজন শিষ্যৰ মধুপুৰত ভেটি থকা কাৰণে মধুপুৰ সত্ৰক দহ মুকুটৰ থান বুলিও কোৱা হয়। মধুপুৰৰ পুৰণি নাম আছিল চন্দনচৌৰা। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰায় ৯৭ বছৰ বয়সত প্ৰধান শিষ্য মাধৱদেৱ, নাৰায়ণ ঠাকুৰ, ৰামৰায় আদি কৰি প্ৰায় ছকুৰি ভকতক লৈ দ্বিতীয়বাৰৰ বাবে পুৰীৰ ফালে তীৰ্থযাত্ৰা কৰিছিল। আনুমানিক ১৫৫০ খৃষ্টাব্দত জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱে পুৰী তীৰ্থৰ জগন্নাথ ক্ষেত্ৰৰ পৰা উভতি অহাৰ পথত বৰ্তমান কোচবিহাৰ চহৰৰ পশ্চিম দিশত প্ৰায় সাত কিঃমিঃ আঁতৰত এজোপা পাৰলি বৃক্ষ অৰ্থাৎ জৰি গছৰ তলত ভক্তসকলৰ আগত ভাগৱতৰ পৰা বৃন্দাবনৰ শ্ৰীকৃষ্ণৰ লীলাৰ কথা ব্যাখ্যা কৰিছিল। সেই সময়তে হেনো জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱে আঁউজি থকা জৰি গছজোপাত মৌমাখিয়ে সজা মৌচাকৰ পৰা মৌৰস পৰিছিল আৰু সেই মৌৰস তেওঁলোকে তৃপ্তিৰে খাইছিল বুলি জনা যায়। সেই পৰিৱেশ উপভোগ কৰি জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰধান শিষ্য মাধৱদেৱে বোলে কৈছিল, 'কি মধুময় পৰিৱেশ, কি পুণ্যভূমিখানি গুৰুমুখে হৰিকথা মধুপান গুৰুভক্তৰ' কথাৰ আঁত ধৰি জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱে সেই স্থানৰ নাম 'মধুপুৰ থান' ৰাখে। ইয়াৰ পিছত জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱে ভকতসকলৰ সৈতে পাটবাউসীলৈ যায়। সেই সময়ত বেহাৰ অৰ্থাৎ কোচ ৰাজ্যৰ ৰজা আছিল নৰনাৰায়ণ আৰু তেওঁৰ ৰাজ্য বৰ্তমান পশ্চিমবংগৰ কোচবিহাৰলৈকে বিস্তৃত আছিল। পাটবাউসীত উপস্থিত হৈ জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱে দেখিলে যে ব্ৰাহ্মণসকলে তেওঁৰ বিৰুদ্ধে নানা অপপ্ৰচাৰ কৰিবলৈ ধৰিছে আৰু ৰজা নৰনাৰায়ণৰ ওচৰত গোচৰ দিছে এইবুলি যে— শঙ্কৰে আপোনাৰ সমস্ত ৰাজ্যক নষ্ট কৰিলে, জাত-পাতৰ কোনো বিচাৰ নাইকিয়া কৰিলে। বেহাৰ অৰ্থাৎ কোচৰাজ্যৰ ব্ৰাহ্মণ পণ্ডিতসকল ৰজা নৰনাৰায়ণৰ বৰ প্ৰিয়পাত্ৰ আছিল, সেয়ে কোচ ৰাজ্যৰ ব্ৰাহ্মণ পণ্ডিতসকলৰ পৰা অভিযোগ পাই ৰজা নৰনাৰায়ণ মহা ক্ৰোধান্বিত হয় আৰু 'মোৰ দেশত শঙ্কৰে এনে কৰে', 'হাড়ে পুৰাইবো জুই ছালে ডামা সীম শৰীৰৰ মাংস তাৰ কুকুৰক দিম' বুলি শ্ৰীমন্ত শঙ্কৰদেৱক ৰজাৰ ৰাজধানীলৈ ধৰি আনিবলৈ দহজন চিপাহী (গড়মলি) পাটবাউসীলৈ পঠিয়াই দিয়ে। কিন্তু ইতিমধ্যে ৰজা নৰনাৰায়ণৰ ভাতৃ চিলাৰায়ে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সম্বন্ধীয় ভাতৃ ৰামৰায়ৰ কন্যা ভুৱনেশ্বৰী অৰ্থাৎ কমলাপ্ৰিয়াক বিয়া কৰায় আৰু পত্নীৰ মুখত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুণৰাজিৰ কথা জানিব পাৰি জগত গুৰুজনৰ প্ৰতি আকৃষ্ট হৈ তেওঁৰ

https://howlyraasmahotsav.org/

ওচৰত শৰণ লৈছিল। বিপদৰ আশংকা দেখি জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱক ৰজাৰ চিপাহীসকলে ধৰাৰ আগতেই চিলাৰায়ে গোপনে জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱক আনি ফুলবাৰীত ৰাখে। পিছত গুৰুজনাক নিজ আশ্ৰয়ত ৰাখি চিলাৰায়ে জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ মাহাত্ম্যৰ কথা ককায়েক ৰজা নৰনাৰায়ণক কয়গৈ। ৰজাৰ ইচ্ছাৰ কথা জানিবলৈ পাই চিলাৰায় আশ্বস্ত হয় আৰু জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱক বেহাৰ অৰ্থাৎ কোচবিহাৰলৈ লৈ যায় আৰু ৰজা নৰনাৰায়ণৰ ৰাজপ্ৰাসাদৰ সিংহদ্বাৰত উপস্থিত কৰায়। হাতত তুলসী মালা। 'দেখিতে সুন্দৰ গৌৰবৰ্ণ কলেৱৰ। কৰন্ত প্ৰকাশ আতি সূৰ্য সমসৰ'। দূৰৰ পৰাই গুৰুজনাৰ এনেকুৱা ৰূপ দেখা পাই ৰজা নৰনাৰায়ণ মোহিত হৈ পৰে ৰজাই অভিবাদন জনাই জগতগুৰু শঙ্কৰদেৱক ৰজাৰ ওচৰলৈ আহি আসন গ্ৰহণ কৰিবলৈ কয়। জগতগুৰুজনায়ো ৰজাৰ প্ৰতি অভিবাদন জনাই সাতখলপা ভেটিৰ ওপৰত থকা সিংহাসনৰ ফালে আগবাঢ়ি যায়। প্ৰত্যেক থাকতে উঠি জগতগুৰু শঙ্কৰদেৱে নিজৰ ৰচিত 'মধু দানৱ দাৰণ দেৱ বৰং, বৰ ৱাৰিজ লোচন চক্ৰ ধৰম্' গাই যাবলৈ ধৰে। তেতিয়া ৰজাই জগত গুৰুজনাক সসন্মানে বহিবলৈ দিয়াত জগতগুৰুজনাই 'নাৰায়ণ কাহে ভকতি কৰু তেৰা', ধনশ্ৰী ৰাগৰ এই গীতটি; লগতে এটি ৰাজ ভটিমা 'জয় জয় মল্ল নৃপতি ৰসবান, যাকেৰি গুণগান নাহিকে সমান' ইত্যাদি গাইছিল। ইয়াৰ পিছত শঙ্কৰদেৱে ৰজাক আশীৰ্বাদ কৰিলে। ৰজাই শঙ্কৰদেৱৰ পাণ্ডিত্য, ধীৰগম্ভীৰ মনোমুগ্ধকাৰী সুন্দৰ প্ৰশস্ত ৰূপ দেখি মুগ্ধ হ'ল আৰু তেওঁৰ বিৰুদ্ধে তৰা গোচৰ পৰীক্ষা কৰি চাবৰ মনেৰে ৰজাই ব্ৰাহ্মণ পণ্ডিতসকলক মাতি শঙ্কৰদেৱৰ লগত বাদ কৰিবলৈ লগাই দিয়ে। বাদত পণ্ডিতসকল পৰাস্ত হয়। গুৰুজনাৰ মধুৰ তত্ত্ব কথা শুনি নৰনাৰায়ণ ৰজা মুগ্ধ হৈ গুৰুজনাক স-সন্মানে বিদায় দিলে আৰু তেওঁক প্ৰতিদিনে ৰাজসভালৈ আহিবলৈ অনুৰোধ কৰিলে। ইয়াৰ পিছত গুৰুজনাই পূৰ্বে মধুপান কৰা ঠাইতে সত্ৰ পাতি থাকিবলৈ লয়। চিলাৰায়ে সেই ঠাইত গৃহ আদি নিৰ্মাণ কৰি দিয়ে আৰু পাছত তাৰ পৰাই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ৰজা নৰনাৰায়ণৰ ৰাজসভালৈ অহা-যোৱা কৰিবলৈ লয়। ৰজা নৰনাৰায়ণৰ ৰাজসভাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ব্ৰাহ্মণ পণ্ডিতসকলৰ লগত কেইবাবাৰো তৰ্কবাদত লিপ্ত হ'ব লগা হৈছিল। এবাৰ ৰজা নৰনাৰায়ণে ৰাজসভাত পণ্ডিতসকলক দুই দণ্ডৰ ভিতৰতে গাই শুনাব পৰাকৈ ভাগৱতৰ সাৰ কথা এদিনৰ ভিতৰতে ৰচি আনিব পাৰিবনে বুলি প্ৰশ্ন কৰে। উপস্থিত সকলো পণ্ডিতে ক'লে, 'মহাৰাজ,ই হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰে; অসম্ভৱ। বাৰস্কন্ধ ভাগৱত বাৰ মাহত শুনা কঠিন, ঈশ্বৰ শক্তি হ'লেহে পাৰে এদিনত। মানুহৰ শক্তি নাই।' তেতিয়া ৰজাই শঙ্কৰদেৱ গুৰুজনাৰ ফালে চাই সেই কাম পাৰিবনে বুলি সোধাত ক'লে, 'মহাৰাজ, যদি ভগৱন্তৰ কৃপা হয় আমি কাইলৈ পৰা যাব' এইবুলি ৰাজসভাৰ পৰা বিদায় লৈ সত্ৰ পাই কীৰ্তন ঘৰত প্ৰৱেশ কৰি নিশাৰ ভিতৰতে বাৰস্কন্ধ ভাগৱত সাৰ কৰি 'গুণমালা' শাস্ত্ৰ ৰচনা কৰিলে শংকৰদেৱ গুৰুজনাই। শংকৰদেৱে পিছদিনা গা -পা ধুই সেইখন হাতীমূৰ্তি অঙ্কিত ভুৰুকা এটাত ভৰাই ৰজা নৰনাৰায়ণৰ হাতত অৰ্পণ কৰে। শঙ্কৰদেৱৰ বুদ্ধি আৰু প্ৰতিভা দেখি ৰজা নৰনাৰায়ণ বিস্ময়াভিভূত হয়। এইদৰে নৰনাৰায়ণ ৰজাৰ লগত শঙ্কৰদেৱৰ ঘনিষ্ঠতা ক্ৰমে বৃদ্ধি পাবলৈ ধৰে। ৰজাই তেওঁক শ্ৰদ্ধা-ভক্তি কৰিছিল আৰু শংকৰদেৱ গুৰুজনায়ো ৰজাৰ গুণমুগ্ধ হৈ পৰে। এবাৰ নৰনাৰায়ণ ৰজাই বৃন্দাবনত শ্ৰীকৃষ্ণৰ লীলা-খেলা বস্ত্ৰত তুলি দেখুৱাবলৈ শংকৰদেৱ গুৰুজনাক অনুৰোধ জনায়। শঙ্কৰদেৱে এই কথাত সন্মতি জনায় আৰু পাটবাউসীলৈ আহি তাঁতীকুছিৰ (বৰ্তমান বৰপেটা) তাঁতীসকলৰ

https://howlyraasmahotsav.org/

হতুৰাই 'বৃন্দাৱনী বস্ত্ৰ' তৈয়াৰ কৰি ৰজাৰ হাতত অৰ্পণ কৰে। শঙ্কৰদেৱে কেইবাবাৰো বেহাৰলৈ (কোচবিহাৰ) অহা-যোৱা কৰি প্ৰায় আঢ়ৈ বছৰ কাল বেহাৰত (কোচবিহাৰ) কটাইছিল। সেই সময়ছোৱাতে শেষ বয়সত শংকৰদেৱ গুৰুজনাই ৰজা নৰনাৰায়ণৰ ভাতৃ চিলাৰায়ৰ অনুৰোধক্ৰমে 'ৰাম বিজয়' নাটখন ৰচনা কৰে। এদিন শঙ্কৰদেৱ গুৰুজনাই ৰাজসভাত বহি ঈশ্বৰৰ গুণানুকীৰ্তন কৰি থাকোঁতে ৰজা নৰনাৰায়ণে শঙ্কৰদেৱ গুৰুজনাৰ মস্তকৰ পৰা পদ-পঙ্কজলৈ ভালকৈ নিৰীক্ষণ কৰি তেওঁৰ গাতে ঈশ্বৰ পুৰুষৰ সকলো লক্ষণ দেখা পাই দণ্ডৱতে প্ৰণাম কৰিলে আৰু শঙ্কৰদেৱ গুৰুজনাৰ ওচৰত শৰণ প্ৰাৰ্থনা কৰে। কিন্তু শঙ্কৰদেৱ গুৰুজনাই ৰজাক শৰণ দিবলৈ অনিচ্ছা প্ৰকাশ কৰে। ৰজাই বহুবাৰ অনুৰোধ কৰিলত গুৰুৱে ক'লে, 'বাৰু কাইলৈ উপবাসে থাকক, ঈশ্বৰে কৰিলে পৰহিলৈ শৰণ দিবলৈ অহা হ'ব।' এইবুলি শঙ্কৰদেৱ গুৰুজনাই ৰজাৰ পৰা বিদায় লৈ বেহালৈ (কোচবিহাৰ) আহে। বেহাত (কোচবিহাৰ) ভক্তসকলক মাতি কয় যে, 'মোৰ দেহা ভাল নহয়, পৃথিৱীত আৰু নাথাকোঁ'। গুৰুজনাৰ মুখৰ পৰা এনে কথা শুনি ভকতসকলে হৰিকীৰ্তন কৰিবলৈ ধৰে। বৰপুত্ৰ ৰমানন্দই কথাযাৰ জানিব পাৰি পিতৃৰ চৰণত পৰি কয়— 'পিতৃদেৱ, মই একো নাপালোঁ', তেতিয়া গুৰুজনে কয় যে 'হে বাপু ৰমানন্দ, সোণ, ৰূপ, কাঁহ আদি সকলো সম্পদ পাটবাউসীত তোমাৰ মাৰ কাষতে আছে, তাতে পাবা'। তেতিয়া ৰমানন্দই ক'লে যে 'পিতৃ আমি পাৰ্থিৱ বস্তু বিচৰা নাই,পৰকালৰ বৈকুণ্ঠৰ বস্তুহে প্ৰাৰ্থনা কৰা হৈছে।' উক্ত কথা শুনি শঙ্কৰদেৱ গুৰুজনাই পুনৰায় কয় যে ঃ আজিহে আচল পিতা-পুত্ৰৰ সম্বন্ধ ঘটিল। যি হওক, এতিয়া মোৰ অন্তিম সময়। মোৰ শক্তি-ভক্তি,বল-বীৰ্য্য, পৰাক্ৰম সকলো 'বঢ়াৰ পো'ৰ হাতত থৈ আহিছোঁ, মাধৱক গুৰু বোধে সকলো বুজি ল'বা', এই বুলি পুত্ৰক বুজাই আৰু ভকতসকলক যথাসাধ্য উপদেশ-পৰামৰ্শ দি মহাপুৰুষ শঙ্কৰদেৱে ১৪৯০ শকৰ (১৫৬৮ খ্ৰীষ্টাব্দ) ভাদ মাহৰ ২১ তাৰিখত শুক্লা দ্বিতীয়া তিথি, বৃহস্পতিবাৰে দিনৰ ডেৰ প্ৰহৰত নশ্বৰদেহ ত্যাগ কৰি মধুপুৰতে বৈকুণ্ঠগামী হয়। কোচৰজা নৰনাৰায়ণৰ শংকৰদেৱ গুৰুজনাৰ পৰা শৰণ লোৱা নহ'ল। ৰজা নৰনাৰায়ণ আৰু শংকৰদেৱৰ ভক্ত তথা ৰজাৰ ভাতৃ চিলাৰায়ে গুৰুজনাৰ মহাপ্ৰয়াণৰ খবৰ পাই শোকত ভাগি পৰে। পিছত ৰজাই ৰাজভঁৰালৰ পৰা ঘিঁউ, চন্দন কাঠ আদি পঠিয়াই দিয়ে আৰু তোৰষা (টোৰোচা) নদীৰ কাকটকুটা ঘাটত শংকৰদেৱ গুৰুজনাৰ ভক্তসকলে গুৰুজনাৰ পবিত্ৰ দেহৰ অন্তিম সংস্কাৰ কৰে। অন্তিম সংস্কাৰৰ সেই সময়ত দেৱগণে পুষ্পবৃষ্টি কৰে আৰু গোটেই তোৰষা (টোৰোচা) নদী পুষ্পময় হৈ পৰে। তেতিয়াৰ পৰাই কাকটকুটা ঘাটৰ নাম 'পুষ্পকান্তি' বুলি জনাজাত হয়। সময়ৰ গতিত অৱশ্যে সেই ঘাটৰ চিন-চাব এতিয়া আৰু নাই। পিছত ৰজা নৰনাৰায়ণে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক ঈশ্বৰ জ্ঞান কৰি মধুপুৰ সত্ৰৰ নামত দুশ বিঘা মাটি ব্ৰহ্মোত্তৰ হিচাপে প্ৰদান কৰে। বেহাৰত (কোচবিহাৰ) থকা সময়ত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ মধুপুৰত আছিল আৰু শঙ্কৰদেৱৰ প্ৰধান শিষ্য মাধৱদেৱ ভেলা সত্ৰত আছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ পাছত মাধৱদেৱে গুৰুভাৰ পাই ১৫৬৮ খ্ৰীষ্টাব্দত ধৰ্মাচাৰ্য্য হিচাপে পাটবাউসী, গণককুছি, বৰপেটা আৰু সুন্দৰীদিয়া সত্ৰত থাকি ধৰ্ম প্ৰচাৰ কৰিছিল। ৰজা নৰনাৰায়ণৰ মৃত্যুৰ পিছত পুত্ৰ লক্ষ্মীনাৰায়ণ বেহাৰ (কোচবিহাৰ) ৰাজ্যৰ ৰজা হয় আৰু তেওঁৰ ৰাজত্ব কালত ১৫৯৬ খ্ৰীষ্টাব্দত ভাদ মাহৰ কৃষ্ণা পঞ্চমী তিথিত ভেলা সত্ৰতে মহাপুৰুষ মাধৱদেৱ বৈকুণ্ঠগামী হয়। পিছত ক্ৰমে অচ্যুৎ গুৰু, শ্ৰীৰাম আতা, বিষ্ণু আতা আদি ভেলা সত্ৰৰ অধিকাৰ হয়। বিষ্ণু আতাৰ মৃত্যুৰ পিছত কিছুদিন সত্ৰ চলোৱাৰ ভাৰ 'সমূহ'ৰ ওপৰত পৰে। 'সমূহ' হৈছে সত্ৰশাল, মাধৱপুৰ, বৈকুণ্ঠপুৰ আদি গাঁৱৰ সমূহ ভক্তবৃন্দ। পিছত বুঢ়ীৰ-পো গোবিন্দ আতৈ ভেলা সত্ৰৰ অধিকাৰ হয়। সেই সময়তে ভেলাসত্ৰ তোৰষা নদীৰ গৰাখহনীয়াত পৰে। তেতিয়া বেহাৰ (কোচবিহাৰ) ৰজা আছিল বীৰ নৰনাৰায়ণ। ভেলাসত্ৰৰ দুৰ্গতিৰ কথা ৰজাক জনোৱাত ৰজাই পিতৃ লক্ষ্মীনাৰায়ণৰ কথা স্মৰণ কৰি সেই মাটিসহ সত্ৰৰ সমস্ত বস্তু নাৱেৰে নি গুৰুগৃহ, কীৰ্তনঘৰ, হাটী আদি নিৰ্মাণ কৰি মধুপুৰত পুনঃ সত্ৰ স্থাপন কৰে আৰু তেতিয়াৰ পৰা দুয়োখন সত্ৰ লগলাগি নাম হয় ভেলা মধুপুৰ সত্ৰ। বুঢ়ীৰ-পো গোবিন্দ আতৈ শ্ৰীশ্ৰীভেলা মধুপুৰ সত্ৰৰ প্ৰথম অধিকাৰ হৈ ছকুৰি ভকত সমন্বিতে সত্ৰত অক্ষয় প্ৰদীপ প্ৰজ্জ্বলিত কৰি নাম-কীৰ্তন কৰি আছিল। গোবিন্দ আতৈৰ

https://howlyraasmahotsav.org/

পিছত ক্ৰমে নিৰঞ্জন আতৈ, গোপীনাথ আতৈ আদিয়ে সত্ৰৰ দায়িত্ব পালন কৰিছিল। পৰৱৰ্তী সময়ত যিসকল সত্ৰীয়া আতৈ বুঢ়া ভকতে মধুপুৰ সত্ৰ পৰিচালনা কৰে সেইসকল হ'ল ক্ৰমে--- কৃষ্ণ বাপু সত্ৰীয়া, ৰামনাথ বাপু সত্ৰীয়া, গোপীনাথ বাপু সত্ৰীয়া, গঙ্গাৰাম ভৰালী, পচাৰাম ভৰালী আতৈ, কিনাৰাম আতৈ, নিৰণ আতৈ, তোলন আতৈ, লক্ষ্মীকান্ত আতৈ বুঢ়াভকত, ফটিক চন্দ্ৰ দেৱ গোস্বামী। যোৱা ২০১২ চনৰ ১৮ এপ্ৰিলত সত্ৰাধিকাৰ ফটিক চন্দ্ৰদেৱ গোস্বামীৰ মৃত্যুৰ পিছত পূৰ্বৰ ডেকা সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তক সত্ৰাধিকাৰ হিচাপে অভিষেক কৰা হৈছিল। যোৱা ২০২২ চনৰ ৮ মাৰ্চত মধুপুৰ সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত পৰলোক প্ৰাপ্তি ঘটাত সত্ৰ সমিতিৰ সিদ্ধান্ত মৰ্মে ভাৰপ্ৰাপ্ত সত্ৰাধিকাৰ হিচাপে পূৰ্বৰ ডেকা সত্ৰাধিকাৰ পীতাম্বৰ ভকতে বৰ্তমান সত্ৰখন পৰিচালনা কৰি আছে। তোলন আতৈৰ দিনত মধুপুৰ সত্ৰৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল। কোচবিহাৰৰ ভক্তপ্ৰাণ স্বৰ্গীয় হৰমোহন পোদ্দাৰ আৰু তেওঁৰ পিছৰ পুত্ৰ-পৌত্ৰসকলে মধুপুৰ সত্ৰৰ সংৰক্ষণ আৰু উন্নতিৰ হকে অহোপুৰুষাৰ্থ কৰিছিল। সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তৰ আতৈৰ দিনত মধুপুৰ সত্ৰৰ পুনঃনিৰ্মাণৰ কথা চিন্তা কৰি 'মধুপুৰ সত্ৰ সমিতি' নামে এখন সত্ৰ সমিতি গঠন কৰা হয়। উক্ত সমিতিৰ জৰিয়তে তদানীন্তন অসমৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় মহেন্দ্ৰ মোহন চৌধুৰীৰ ঐকান্তিক প্ৰচেষ্টা আৰু ৰাইজৰ সহযোগত বৰ্তমান সত্ৰৰ পকী নামঘৰ, প্ৰাচীৰ, ৰাস্তা আদি নিৰ্মাণ কৰা হয়। ১৯৬৮ চনৰ জানুৱাৰী মাহত শঙ্কৰদেৱৰ সমাধি ক্ষেত্ৰৰ নিৰ্মাণ কাৰ্য্য সম্পন্ন কৰা হয়। মধুপুৰ সত্ৰত প্ৰধানকৈ গুৰুজনাৰ সমাধি স্তম্ভ, কীৰ্তনঘৰ আৰু মণিকূট আছে। গুৰু নামঘৰৰ কাষে কাষে পাঁচটা আতাগৃহ বা ভকতৰ গৃহ আছে। সত্ৰাধিকাৰৰ উপৰিও সত্ৰত উদাসীন আৰু কেৰলীয়া ভকত কেইজন আছে। সত্ৰৰ কাষতে যাত্ৰীসকল আহিলে থাকিব পৰাকৈ সকলো সা-সুবিধাৰে প্ৰায় তিনিশজন মানুহৰ বাবে এটা যাত্ৰীগৃহ আছে। সত্ৰৰ লগতে অসম চৰকাৰৰ এটা সাংস্কৃতিক কেন্দ্ৰ আছে। মূল সমাধি স্তম্ভগৃহত গুৰুজনাৰ দিনৰে কিছুমান সেৱাৰ বস্তু সংৰক্ষিত হৈ আছে। সেইবোৰ হ'ল— গুৰুজনাৰ বহা কঠ, তেওঁৰ খৰম, ৰজাই দিয়া লাখুটি, গুৰুজনাৰ হাতৰ জাপ্যমালা, গুৰুজনাই নিজ হাতে লিখা সাঁচিপাতৰ গুণমালা পুথি, তেওঁৰ বৃন্দাৱনী বস্ত্ৰৰ অংশবিশেষ, গুৰুজনাই গুৱা-পাণ গ্ৰহণ কৰা টেমী-কটাৰীসহ সঁফুৰা, গুণমালা পুথিখন লিখা কাপ-মৈলাম ইত্যাদি। ইয়াৰ বাহিৰেও মাধৱদেৱে স্বহস্তে লিখা ঘোষাৰ পুথিখন, তেওঁ জলপান কৰা লোটা আৰু দুজনা গুৰুৰ শৰীৰৰ অংশ অস্থি আদিক সেৱাৰ বস্তু হিচাপে পৰম্পৰাগতভাৱে ৰক্ষা কৰি অহা হৈছে সত্ৰখনত। মধুপুৰ সত্ৰত চৈধ্য প্ৰসঙ্গ সম্পূৰ্ণৰূপে চলি থাকে। ৰাতিপুৱা পুৱাৰ প্ৰসঙ্গ হয়, দুপৰীয়াৰ পৰা আবেলিলৈ ভাগৱত পাঠ, ভাটিবেলা প্ৰসঙ্গ আৰু আইসকলৰ নাম আৰু সন্ধিয়া নাম-কীৰ্তন কৰা হয়। ইয়াৰে ১৯ বিঘা মাটিৰ ওপৰত সত্ৰখন আছে আৰু সত্ৰৰ বাহিৰত ৪১ বিঘা খেতিৰ মাটি আছে। ফলত সত্ৰখন এক সংকটৰ সন্মুখীন হৈছে। অৱশ্যে সত্ৰখনৰ সাৰ্বিক উন্নয়নৰ বাবে অসম চৰকাৰে অতিথিগৃহ নিৰ্মাণকে ধৰি বিভিন্ন উন্নয়নমূলক আঁচনি গ্ৰহণ কৰিছে। শেহতীয়াভাৱে বৰ্তমানৰ অসম চৰকাৰে সত্ৰখনৰ সামগ্ৰিক উন্নয়নৰ গতি অধিক গতিশীল কৰাৰ বাবে ৩০ কৌটি টকাৰ এক অভিলাষী আঁচনি গ্ৰহণ কৰিছে। সাম্প্ৰতিক পৰিস্থিতিত অসমৰ সত্ৰ সংস্কৃতিৰ প্ৰতি অহা ভাবুকিক প্ৰত্যাহ্বান জনাবলৈ অসম চৰকাৰে গ্ৰহণ কৰা এনে দূৰদৰ্শী সিদ্ধান্ত কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অসমৰ সচেতন ভক্তপ্ৰাণ ৰাইজ নিশ্চয় সচেতন হৈ থাকিব। ⏮

https://howlyraasmahotsav.org/

চিৰ চঞ্চল মন আৰু আত্ম নিয়ন্ত্ৰণ

ডাঃ হৰেকৃষ্ণ সাহা

পঞ্চভূত অৰ্থাৎ ক্ষিতি (মাটি), অপ (জল), মৰুত (বায়ু), তেজ (অগ্নি), ব্যোম (আকাশ) এই পঞ্চতত্ত্বৰ দ্বাৰাই নৰদেহ ৰচিত। ই ক্ষণভঙ্গুৰ (perishable), ইয়াত মুখ্য উপাদান হিচাপে আছে মন, বুদ্ধি আৰু মিথ্যা অহঙ্কাৰ। পৰমেশ্বৰৰ অংশ স্বৰূপ অবিনশ্বৰ (non perishable), চিৰ প্ৰবাহমান আত্মাই নৰদেহত চৈতন্য শক্তি প্ৰদান কৰে। আত্মাৰ প্ৰকৃত স্বৰূপ হৈছে, সৎ, চিত, আনন্দময়। যি শাশ্বত, জ্ঞান স্বৰূপ, চিৰ আনন্দ স্বৰূপ। আত্মাক কোনো অস্ত্ৰৰ দ্বাৰা ছেদ কৰিব নোৱাৰে। ইয়াৰ উপৰি পথত কৰ্মেন্দ্ৰিয় যেনে হাত, ভৰি, মুখ, বায়ু, উপস্থ আৰু পথত জ্ঞানেন্দ্ৰিয় যেনে চক্ষু, নাক, কাণ, জিভা আৰু তক এই দেহত বিৰাজমান। শব্দ, পৰ্শ, ৰূপ, ৰস, গোন্ধৰ মাধ্যমেদি এইসকল ইন্দ্ৰিয়ৰ জৰিয়তে সকলো প্ৰকাৰৰ ভোগ মনে আস্বাদন কৰে। ষড় ৰিপু যেনে কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য আদিয়ে বিভিন্ন ভাবত মনক নিবিষ্ট কৰি জীৱক নাকত নাকি লগাই চাকত ঘূৰাই ফুৰে। ফলস্বৰূপে এই সংসাৰত জীৱই দুখ-কষ্ট ভুগিব লাগে। কৃত কৰ্মৰ ফল ইহ সংসাৰত ভুগিব লাগিবই। তেনেদৰে পুণ্য কৰ্মৰ ফল হিচাপে সুখ শান্তি লাভ কৰে। দৰাচলতে ঈশ্বৰে মানুহক সুখ বা দুখ কোনটোৱে প্ৰদান নকৰে, কৃতকৰ্মৰ ফল জীৱে নিজেই ভোগে। পৰমপিতা পৰমেশ্বৰে যাতে জীৱই এই সংসাৰত জীয়াই থাকি অস্তিবৃদ্ধিৰ (Being and becoming) পথত আগুৱাই পৰমশান্তি আৰু মোক্ষ (salvation) লাভ কৰিব পাৰে তাৰেহে বিধান বা নীতি-বিধি প্ৰদান কৰে। সেইবাবেই ঈশ্বৰৰ অন্য এটি নাম বিধি বা বিধাতা। ঈশ্বৰ প্ৰদত্ত এই নিয়মসমূহ বা আচৰণসমূহ পালন কৰাকে প্ৰকৃত অৰ্থত ধৰ্ম বা ধৰ্মাচৰণ কৰা বুজায়। যিয়ে মানুহৰ বাচি থকা আৰু বৃদ্ধি পোৱাক অক্ষুণ্ণ ৰাখে।

যুগ পুৰুষোত্তম শ্ৰী শ্ৰী ঠাকুৰ অনুকূল চন্দ্ৰৰ নিম্ন উল্লিখিত মহাবাণীত কৈছে—

“যি ইচ্ছা তাকে কৰিলে নচলিব,
ভাল এবি মন্দ কৰিলে,
পৰিস্থিতিয়ে নেৰিব।”

বৈষ্ণৱ গুৰু শ্ৰী শ্ৰী মাধৱদেৱে তেখেতৰ অমূল্য ৰচনাৰ মাজেদি সেই একে কথাই সোঁৱৰাই দিছে—

“বাঢ়িয়াছে মন শত্ৰু পৰম দুৰ্জ্জয়,
আত্মা ঈশ্বৰক বঞ্চিলেক অতিশয়
গুৰু ৰূপ পাহৰি পদ সেৱা অস্ত্ৰধৰী,
ছেদিয়ক মনবৈৰী।
গুৰুসেৱা বিনে যতেক উপায়,
দুৰ্জ্জয় মনক জিনন নাযায়।

গতিকে এই দুৰ্জয় বৈৰী মনক জয় কৰিব পৰা টোৱে হৈছে সকলো প্ৰকাৰৰ ধৰ্মাচৰণৰ মূল বস্তু। আত্ম অহংকাৰৰ পৰা দূৰত থাকি প্ৰভুৰ শ্ৰীচৰণত পূৰ্ণ আত্ম সমৰ্পণ দ্বাৰাইহে ই সম্ভব আৰু একমাত্ৰ পথ বুলি ভগৱান শ্ৰীকৃষ্ণই ভাগৱত গীতাত উল্লেখ কৰিছে। অৰ্জুনৰ দৰে মহান ব্যক্তিত্বই অকপটে স্বীকাৰ কৰি কৈছিল যে মনক নিয়ন্ত্ৰণ কৰা বৰ কঠিন।

“চঞ্চল হি মমঃকৃষ্ণ প্ৰমাধি বলবদ্দৃঢ়ম।

https://howlyraasmahotsav.org/

তস্যাহং নিগ্ৰহংমন্যে বয়োৰিব সুদুষ্কৰম্।।”

ভগবদ গীতা (৬/৩৪)

“হে কৃষ্ণ মন অতি চঞ্চল, শৰীৰ আৰু ইন্দ্ৰিয়াদিৰ বিক্ষেন উৎপাদক দুৰ্দমনীয় আৰু অত্যন্ত বলবান। ইয়াক নিগ্ৰহ কৰা বায়ুক বশীভূত কৰাতকৈও অধিকাৰ কঠিন বুলি মানিছোঁ।”

আত্মিকভাবে বলৰাম জনে অস্থিৰ মনৰ গতি ৰোধ কৰি বৃত্তি প্ৰবৃত্তিৰ উৰ্দ্ধত কাম কৰিব পাৰে। সমাজত যিবোৰ অশুভ, সমাজ বিৰোধী নীতি বিৰোধী অসামাজিক কৰ্ম চলি আছে প্ৰায় সকলোবোৰেই অনিয়ন্ত্ৰিত মনৰ বহিৰ্প্ৰকাশ মাত্ৰ জাগতিক শিক্ষা যাক শাস্ত্ৰত অপৰা বিদ্যা বুলি অভিহিত কৰিছে, ইয়াৰ বিপৰীত দিশটো হৈছে পৰা বিদ্যা, যি উৎকৃষ্ট জ্ঞান লভিবৰ উপায়। যিয়ে মনুষ্যত্বৰ বুনিয়াদ সুদৃঢ় কৰি মানুহক প্ৰকৃত জ্ঞানৰ অধিকাৰী কৰি পৰম শান্তি প্ৰদান কৰে, মানৱ জীৱনৰ ভাৰসাম্যতা প্ৰদান কৰে। বৰ্তমান সমাজত উচ্চশিক্ষিত, ডিগ্ৰীধাৰী, শাস্ত্ৰজ্ঞানী, পণ্ডিত, সমাজ সেৱক, বিজ্ঞানীৰ অভাৱ নাই। অথচ বৰ্তমান সমাজখন এক ব্যতিক্ৰমী দিশত আগবাঢ়িছে বুলি অনুমেয় হয় আৰু ধ্বংসই ইয়াৰ চৰম পৰিণতি। সমাজৰ প্ৰতিটো দিশত ভাল মানুহৰ অভাৱ দেখা যায়। গতিকে আধুনিক শিক্ষাৰ সমান্তৰালভাৱে গুৰুকেন্দ্ৰিক আধ্যাত্মিক শিক্ষা, নীতিশিক্ষাৰ প্ৰতি উৎসাহিত কৰা প্ৰয়োজন আছে। উঠি অহা প্ৰজন্মক আধুনিকতা আৰু পাচ্যাত্যৰ চিকমিকনিৰ মোহ ভঙ্গ কৰিব লাগিব। স্বামী বিবেকান্দই ইংৰাজীত এষাৰ কথা কৈছিল— “Excessive power and money having no holiness makes a man devil.”

জীৱন সংগ্ৰামত প্ৰাপ্তিৰ নিৰ্দ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ বিশ্ৰামহীন মানসিক হেচাঁ আৰু প্ৰতিযোগিতাৰ ফলত উঠি অহা ল'ৰা-ছোৱালী তথা যুৱ প্ৰজন্মই কেতিয়াবা মানসিক ভাৰসাম্যতা হেৰুৱাব লগা পৰিস্থিতিৰ সন্মুখীন হয়। এবাৰ লক্ষ্যভ্ৰষ্ট হ'লেই জীৱনৰ সকলো হেৰুৱাই যাব সেইটো কেতিয়াও নহয়। “Failure is the pillar of success” ইংৰাজী এই বাক্যটো এইক্ষেত্ৰত বিশেষভাবে মন কৰিবলগীয়া। মানসিক চাপ (Mental tension) আৰু হতাশাৰ (Frastration) ফলত বা সমাজৰ অইনবোৰ কাৰণতে যুৱ প্ৰজন্মৰ মাজত মাদক দ্ৰব্য সেৱন, নিচাযুক্ত দ্ৰব্য ব্যৱহাৰ কৰা পৰিলক্ষিত হৈছে। ক্ৰমান্বয়ে মনৰ দৃঢ়তা হ্ৰাস (loss of self confidence), নিৰ্ণায়ক ক্ষমতা লোপ পোৱা (loss of firmness, decision making), উচ্চৰক্ত চাপ (High BP), আত্মহননৰ প্ৰচেষ্টা (Suicidal tendency) আদি লক্ষণসমূহ পৰিলক্ষিত হয়। সমাজৰ যুৱ প্ৰজন্মৰ মাজত বৰ্তমানে দেখা দিয়া নেতিবাচক দিশটোৰ প্ৰতি যুদ্ধ কালীন তৎপৰতাৰে প্ৰতিহত কৰিব নোৱাৰিলে, ইয়াৰ পৰিণতি যে ভয়াবহ হ'ব ই ধ্ৰুব সত্য।

A new study published is American journey of Epodemiology has revealed that teens raised in a religious or spiritual onvironment may legs likely to develop substance abuse and depression. “The religious upbringing include service attendance, prayer or medition, are profundly positive in protecting agaimt substance abuse and depression, as well as contributing to highest level of happiness and voluntering” said study co-author Tyler Vander Weele, a professon at Harvard University.

https://howlyraasmahotsav.org/

ভাৰতীয় দৰ্শন আধ্যাত্মবাদৰ ওপৰত প্ৰতিষ্ঠিত ভাৰতবৰ্ষৰ অতীজৰে পৰা আধাত্ম পুৰুষ, ঋষি-মুণিসকলে এই সম্পৰ্কে আমাক কৈ গৈছে। যি ব্যক্তি আধাত্মিক নহয় তেঁও সময়ৰ সৎব্যৱহাৰে কৰিব নোৱাৰে। সেইজন ব্যক্তি প্ৰাপ্ত সময়খিনি ভোগ-লিপ্সাত ব্যয় কৰে। গতিকে প্ৰতিটো পৰিয়ালতে আধ্যাত্মিক চিন্তা-চৰ্চা, নীতি-নিয়ম পালন, ঈশ্বৰ প্ৰাৰ্থনাৰ অনুশীলন থাকিলে নিশ্চিতভাৱে এইবোৰ সামাজিক ব্যাধিৰ নিৰাকৰণ কৰিব পৰা যাব। জীয়াই থাকিবৰ বাবে আমি প্ৰকৃতি আৰু পৰিৱেশক ৰক্ষা কৰিবই লাগিব। অকলশৰীয়াকৈ কোনেও বাচি থাকিব নোৱাৰে। সেইবাবে আমাক পৰিয়াল, সুন্দৰ সমাজ তথা পৰিবেশৰ প্ৰয়োজন। আত্মকেন্দ্ৰিক মানসিকতাই মানুহৰ জীৱনৰ পৰিসৰ সংকুচিত কৰি আনে, জীৱনৰ বৃদ্ধিৰ পথ চমু চপাই আনে, এইটো কাৰো কাম্য নহয়। কাৰণ —

“বিস্তাৰেই জীৱন আৰু সংকোচেই মৃত্যু
প্ৰেমেই জীৱন দ্বেষেই মৃত্যু।”

—স্বামী বিবেকানন্দ

ঐতিহাসিক দৰঙী উৎসৱ ঃ পাচেতি

কল্পনা কোঁৱৰ

পাচেতি, দৰঙী সমাজ জীৱনৰ অতি জনপ্ৰিয় উৎসৱ। পাচেতি দৰঙী ভাষাত কোৱা হয়। দৰঙী ভাষাৰ সুকীয়া ঠাঁচ আছে। (দৰঙীয়াসকলৰ বাবে গৌৰৱৰ কথা যে এনেবোৰ ঠাঁচৰ আঞ্চলিক শব্দ সংগ্ৰহ কৰি দৰং জিলা সাহিত্য সভাই ১৯৮৯ চনত 'দৰঙী শব্দ-কোষ' নামৰ গ্ৰন্থ এখন প্ৰকাশ কৰিছিল।) দৰঙী শব্দ-কোষত পাচেতিৰ অৰ্থ জন্মাষ্টমীৰ আনুষংগিক উৎসৱ (ভাদ-আহিনৰ দোমাহীত খটৰা সত্ৰত আৰু কাতি-আঘোণৰ দোমাহীত ঔতলা সত্ৰত এই উৎসৱ আৰু মেলা হয়)।

গোৱালিনী বাই, অ গোৱালিনী বাই
নন্দৰ গৃহক লাগি কোন পন্থে যায়।
এই পন্থে যায় হৰি, এই পন্থে যায়
আজি নন্দে গোবিন্দৰ পাচেতি কৰয়।।

মুখে মুখে চলি অহা এই গীতটি পাচেতি উৎসৱত গোৱা হয় । এই গীতৰ পৰাই এটা আভাস পোৱা যায় যে পাচেতি উৎসৱ ভগৱান শ্ৰীকৃষ্ণৰ জন্মৰ লগত জড়িত। কিন্তু তথ্যমতে কৃষ্ণ জন্মৰ আগৰ পৰাই এই উৎসৱ লোক সমাজত প্ৰচলিত আছিল। আচলতে এই উৎসৱ সন্তান জন্মৰ পাঁচদিনত পতা এটা অনুষ্ঠান। কৃষ্ণ জন্মৰ পাঁচদিনত নন্দ ৰজাই পালন কৰা পঞ্চতি উৎসৱেই পাচেতি উৎসৱ। কামৰূপতো পাচেতি উৎসৱ হয় যদিও তাত 'পচতি' বুলিহে কয়। দৰং জিলাৰ খটৰা সত্ৰ, ঔতলা সত্ৰ আৰু দেৱানন্দ সত্ৰত পাচেতি উৎসৱ অনুষ্ঠিত হয় যদিও তিনিওখন সত্ৰত একে সময়তে অনুষ্ঠিত নহয়। অৱশ্যে ঠাই বিশেষে এই উৎসৱৰ নামত নামঘৰতো মহিলাসকলে গধূলি লগ হৈ ধূপ-ধূনা, পিঠাগুৰিৰ লাৰু, মাহ-প্ৰসাদ আদি আগবঢ়াই নাম-প্ৰসংগ কৰা দেখা যায়। খটৰা সত্ৰত ভাদ আৰু আহিনৰ সংক্ৰান্তিৰ দিনা পাচেতি উৎসৱ উদ্‌যাপন কৰা হয়। খটৰা সত্ৰত অনুষ্ঠিত হোৱা পাচেতি উৎসৱৰ প্ৰধান অঙ্গ হ'ল দধিমথন। উৎসৱৰ আগদিনা ৰাতি আৰু উৎসৱৰ দিনা আবেলি দধিমথন নৃত্য অনুষ্ঠিত হয়। এই দধিমথন কাৰ্য চলি থকা সময়ত গায়ন-বায়ন তালুৰৈসকলে ইয়াৰ চাৰিওফালে ঘূৰি ঘূৰি দধিমথনৰ গীত গায়—

ঘিউৰ বাতি লৈ কৃষ্ণক মাতোগেই।
আহা সখী আহা বাই দধি মথোগেই।।
গোবিন্দ মোৱালি এ হৰি হে ৰামে জয় এ।
আপুনি যশোদা নন্দৰ ঘৰিণী দধি মথিবা যায় এ।।
যশোদায়ে দধি মথনে যায় এ।
বস্ত্ৰ অলংকাৰে মন্দিছে কায় এ।।
যশোদায়ে দধিমথনে কাছে।
জামৰে জুমৰে নূপুৰ বাজে।।

('দৰঙী লোক-সাহিত্যৰ ৰূপৰেখা' নামৰ গ্ৰন্থৰ পৰা সংগৃহীত)

গীতটি গোৱাৰ পিছতেই গোপিনীৰ অভিনয় কৰাসকলে দধিমথনৰ জৰীডালত ধৰি মথনি দণ্ড ঘূৰায়। মথনি দণ্ড ঘূৰোৱাৰ লগে লগে গায়ন-বায়নসকলে তাল ধৰি নাচি নাচি আকৌ গীত গায়। পাচেতিৰ দিনাও দধিমথনৰ সময়ত গায়ন-বায়নসকলে এই গীত দোহাৰে,

https://howlyraasmahotsav.org/

এইসময়ত কিন্তু গীতৰ প্ৰতিটো পদ খৰকৈ গোৱাৰ লগে লগে খোল-তাল আদিৰ ছেও খৰ হয়, বেচ আকৰ্ষণীয় হয় পৰিবেশটো।

পাচেতিৰ আগদিনাৰ পৰাই খুলীয়া ভাওৰীয়া, ব্যাস ওজাপালি আদিৰে অনুষ্ঠানস্থলী মুখৰিত হোৱা দেখা যায়।

ইফালে দৰঙৰ ঔতলা সত্ৰত আকৌ পাচেতি উৎসৱ কাতি আৰু আঘোণৰ সংক্ৰান্তিৰ দিনাহে অনুষ্ঠিত হয়। এই সত্ৰত বাসুদেৱ পূজা, হোম আদিৰ জৰিয়তে পাচেতি উৎসৱ অনুষ্ঠিত হয়। হোমৰ পূৰ্ণাহুতিৰ পূৰ্বে পাঁচ/সাতগৰাকী ছোৱালীয়ে একোখন কাঁহীত গামোচা এখনেৰে চাউল-দাইল তিওৱা বুট, মুগ লৈ ৰাধা-কৃষ্ণৰ গীত গাই গাই সত্ৰৰ গোসাঁই ঘৰটো তিনিবাৰ প্ৰদক্ষিণ কৰে।

আনহাতে দৰং জিলাৰে দেৱানন্দ সত্ৰৰ পাচেতি উৎসৱ কিন্তু কোনো সংক্ৰান্তিত নহয়। ইয়াত এই উৎসৱ তিথিকেন্দ্ৰিক অৰ্থাৎ শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ পাঁচ দিনৰ দ্বাদশী তিথিত দেৱানন্দ সত্ৰত পাচেতি উৎসৱ উদ্‌যাপিত হয়।

এই সত্ৰত পাচেতিৰ দিনা দুপৰীয়া কাঁহৰ বটা এখনত ৰুমালেৰে (দৰঙী ভাষাত উৰমালেৰে) ঢাকি চেনী-চুৰা (জুলীয়া গুৰ)-পিঠাগুৰিৰে তৈয়াৰী লাৰু লৈ সত্ৰৰ ভিতৰত থকা ভেটিটোৰ চাৰিওফালে প্ৰদক্ষিণ কৰি বটাখন মণিকূটত থয়। এই কাৰ্য সাতজনী ছোৱালীয়ে কৃষ্ণ জন্ম, শিশুলীলা, কংস বধ আদিৰ গীত গাই গাই সম্পন্ন কৰে। এই অনুষ্ঠানৰ অন্য এটা আকৰ্ষণ হৈছে বোকা ভাওনা। তথ্যমতে সত্ৰৰ গোসাঁই পৰিয়ালৰ লোকসকলে বোকা-পানী কৰা ঠাই এডোখৰত বোকা ভাওনা কৰাৰ লগতে থিয়নামৰ পদ গায়।

প্ৰতিখন সত্ৰতে এই উৎসৱৰ ৰস, গীত-পদ-অভিনয় চাবলৈ দূৰ দূৰণিৰ পৰা জনসাধাৰণৰ সমাগম হয়। অৱশ্যে উৎসৱৰ সময়ছোৱাত অনুষ্ঠানস্থলীৰ চৌদিশত বহা মেলাখনেও জনসাধাৰণক বাৰুকৈয়ে আকৰ্ষণ কৰে। আগৰ দিনত ঘৰুৱা লাগতীয়াল বয় বস্তু কিনিবলৈ পাচেতি উৎসৱলৈ বছৰটো অপেক্ষা কৰিছিল বুলি শুনা যায়। আজিকালি ডিজিটেলৰ যুগ যদিও পাচেতি উৎসৱৰ মেলাৰ জনপ্ৰিয়তা কোনো গুণে কমা নাই। বৰঞ্চ বাঢ়িছেহে, যাৰ ফলত কেইবাদিনীয়াকৈ এই উৎসৱ উদ্‌যাপিত হয়।

https://howlyraasmahotsav.org/

ৰাস-পূৰ্ণিমা

বিভামণি বৰপূজাৰী

গাতে গা লগাই ,
কোমল মিঠা আলিংগনৰ মধুময় সমীৰণত
কঁপি থকা যমুনাৰ জোনটিয়ে আকৌ চঞ্চল কৰিলেহি
আজি ৰাধাৰ মন।
পাই হেৰুৱাৰ জীৱন গাঁথা
আন্ধাৰ-পোহৰৰ খেলা ।
তমসাৰ বিষাদবোৰ বুকুত সামৰি
পৰিপূৰ্ণতাত আজি তৃপ্ত চন্দ্ৰমাই আনিছে
কানাই অহাৰ বাতৰি।
বাৰমহীয়া বাৰিষাৰ অন্তহীন অপেক্ষাৰ
বিৰহিনী ৰাধাৰ দুচকুতো তিৰবিৰালে এটি তৰা ফুল ।
কানাইৰ আগমনৰ আকুলতাই মৰম আকলুৱা
ৰাধিকাজনী
আৰু অভিমানী কৰি যেন মৰতত নামিছে জোনাক।
সিংহাসন সুশোভিতা দ্বাৰেকাশ্বৰৰ অংকশায়িনী
ৰাজৰাণীৰ অভিলাষী বিলাসিতাৰ চমকে
নোচোৱে ৰাধাৰ হৃদয়।
তোৰ মুৰুলীৰ বিষাদৰ সুৰ
আজি আৰু নবজাবি কানাই ।
জীৱন শূন্যতাত ৰাধা-কৃষ্ণৰ ধ্বনিৰে উতলা কৰিছেহি
আকৌ ৰাধাৰ হিয়া।।

শ্ৰীকৃষ্ণৰ ৰাসলীলা আৰু ভক্তিৰস

কাঞ্চন দাস

শৰত কালৰ পূৰ্ণিমাৰ ৰাতি আনন্দত বিভোৰ হোৱা লোকক ৰস-ঘন আনন্দৰ ৰসাস্বাদন কৰাবলৈ বৃন্দাবনত কৃষ্ণই গোপীসকলৰ সৈতে কৰা আদি ৰসাত্মক নৃত্য লীলাই হ'ল ৰাস। আকৌ ৰাস হ'ল সংসাৰৰ মায়া-মমতাৰ পৰা মুক্ত হৈ তন-মন আত্মাৰে কৃষ্ণৰ চৰণত নিজকে সমৰ্পন কৰি লাভ কৰা আনন্দ। ৰাসত শব্দ, স্পৰ্শ, গন্ধ, ৰস, ৰূপ— এই পঞ্চতত্বৰ সমাবেশ হৈছে।

'শ্ৰীমদ্ভাগৱত — এই মহাপুৰাণখনিৰ ৰাসলীলা গভীৰ আধ্যাত্মিক তত্বৰে পৰিপূৰ্ণ এটি অধ্যায়। ভাগৱতে মাধৱ গুৰুৰ লেখাত পাওঁ—

শ্ৰৱণ কীৰ্ত্তন স্মৰণ বন্দন
অৰ্চন পদসেৱন
দাস্য সখীত্ব বন্দন বিষ্ণুত
কৰিবা দেহ অৰ্পন।

এই নৱভক্তিৰ মাজেৰে আমি কৃষ্ণৰ কৃপা লাভ কৰাৰ পথ প্ৰসস্ত কৰিব পাৰোঁ। ভগৱন্তত আত্মসমৰ্পন কৰা এই মাধুৰ্য ভাৱৰ ভক্তিৰ আধ্যাত্মিক বাখ্যাই হ'ল ৰাসলীলা। 'ৰাস শক্তি তত্বৰ বিকাশ নহয়, ভক্তি তত্বৰ বিকাশ, যাক উপনিষদত 'ৰসো বৈ সঃ 'সচ্ছিদানন্দম', সত্যং শিৱং সুন্দৰং বুলিছে। সেই অনন্ত সুন্দৰৰ প্ৰেমত ভক্তই আত্মহাৰা হৈ সৰ্বস্ব সমৰ্পণ কৰাই এই ভক্তি, এয়ে ভগৱন্তৰ ৰাসলীলা (লক্ষ্মীনাথ বেজবৰুৱা)।

শ্ৰীমদ্ভাগৱত মহাপুৰাণ'ৰ দশম স্কন্ধৰ উনত্ৰিশৰ পৰা তেত্ৰিশ অধ্যায়লৈকে থকা ৰাসলীলাৰ বৰ্ণনা ৰাস পঞ্চাধ্যায় নামেৰে সকলোৱে জানে য'ত শ্ৰীকৃষ্ণ আৰু গোপীৰ বৃন্দাবনত আনন্দ মনেৰে কৰা বিচৰণৰ বৰ্ণনা বৰ্ণিত হৈছে। ৰাসৰ উৎপত্তি পঞ্চতত্বৰ মাজৰ ৰসৰ পৰা। ৰাস জীৱাত্মা আৰু পৰমাত্মাৰ মিলনৰ আনন্দ। এই মিলনৰ ফল লাভ কৰা সহজ নহয়। কাৰণ এয়া যে জীৱৰ মোক্ষ লাভৰ কঠিন পৰীক্ষা। ৰাসলীলা ভাগৱান শ্ৰীকৃষ্ণ তেনে এক পৰীক্ষাই — যাৰ দ্বাৰা তেওঁৰ পৰমভক্ত গোপীসকলৰ পৰীক্ষা হৈছিল। এই পৰীক্ষাত গোপীসকলৰ জীৱাত্মই পৰমাত্মাই শ্ৰীকৃষ্ণত নিজকে সমৰ্পন কৰি সংসাৰ বন্ধনৰ পৰা মুক্তি লাভ কৰিছিল।

ভগৱানক পাবলৈ হ'লে সংসাৰৰ মায়াৰ পৰা মুক্ত হ'ব লাগিব — যি মুক্তি ভকতৰ সঙ্গত থাকি, ভকতৰ পৰা কৃষ্ণৰ মহিমা শ্ৰৱণ কৰি পাব পাৰি। বাহ্যিকভাৱে ৰাসলীলাত নাৰী-পুৰুষৰ মিলনৰ আকাঙ্খাত কাম ভাৱৰ সঞ্চাৰ হোৱা বা পাৰ্থিৱ প্ৰেমৰ ছবি এখন মনলৈ আহে কিন্তু আভ্যন্তৰীণ ধাৰণাত জ্ঞান, বিজ্ঞান, ৰহস্য, আধ্যাত্মিক ভক্তি প্ৰেমৰ বাবে ভক্ত আৰু ভগৱন্তৰ মিলনৰ কথাইহে প্ৰাধান্য লাভ কৰে। ইন্দ্ৰিয় বাসনা চৰিতাৰ্থ কৰা আৰু ভগৱানৰ ওচৰত ভক্তি নিবেদন কৰাৰ মাজত বহুতো তফাৎ থাকি যায়। ৰাসলীলা ভাগৱানৰ কামশূন্য ঐশ্বৰিক লীলা মাথোন।

'ভাগৱত পুৰাণ'ৰ দশম স্কন্ধত অৰ্ন্তভূক্ত হোৱা ৰাসলীলা কাহিনীটো এক অভুতপূৰ্ব, অতুলনীয় কাহিনী। ভক্তিৰসেৰে পূৰ্ণ ৰাসলীলা তত্বৰ প্ৰধান বক্তা হ'ল শুকদেৱ আৰু এই বক্তব্য আছিল মৰণ পথৰ যাত্ৰীৰ পৰীক্ষিতৰ উদ্দেশ্যে। তত্বৰ মহানায়ক হ'ল 'কৃষ্ণস্তু ভগৱান, স্বয়ং আৰু

https://howlyraasmahotsav.org/

যাৰ লগত নাটকৰ অৱতাৰণা কৰিলে, তেওঁলোক গোকুলৰ গোপাঙ্গনা। দুয়োৰে মিলনত সংঘটিত হৈছিল 'ৰাসক্ৰীড়া'। শাস্ত্ৰত বৰ্ণিত বহু প্ৰকাৰে ৰসৰ ভিতৰত ৰাসলীলাত দুবিধ প্ৰধান ৰস আছে— গোপীসকলৰ ক্ৰীড়াকৰ্মত শৃঙ্গাৰ ৰস আৰু ভকতৰ বৈশ্য শ্ৰীকৃষ্ণৰ বাৎসল্য, উপলব্ধ হয়। এই লীলাখেলাৰ মাজেৰে পৰম আনন্দ লাভ কৰাই ৰাসলীলাৰ মূল উদ্দেশ্য। ভক্তই তাৰ পৰা (ৰাসলীলা) অমৃত পান কৰি অমৰ হয় আৰু অভক্ত পল্লৱগ্ৰাহী কামুকে গৰল পান কৰি মৃত্যুৰ মুখত পৰে। একেটা ফুলৰে মৌ-কোঁহ আমি বৰলে বিহৰ ভঁৰাল বান্ধে আৰু মৌ-মাখিয়ে আনি মৌ-কোঁহ প্ৰস্তুত কৰে। তথাপিত মৰ্মকথা উপলব্ধি কৰিব নোৱাৰি পৰীক্ষিতে প্ৰশ্ন কৰিছিল—

ধৰ্মক ৰাখিতে ভৈলন্ত উদিত
যিটো জগতৰ বাপ।
পৰ গোপনাৰী ৰমিয়া কিসক
আপুনি কৰিলা পাপ। (১৫৩৩)

শুকদেৱে সমিধানত কৈছিল— বহ্নি সৰ্বভক্ষ। তথাপিও বহ্নি যেনেকৈ শুদ্ধ হৈ থাকে তেনেকৈ ঈশ্বৰৰ কৰ্মতো কোনো দোষ থাকিব নোৱাৰে।

শৰত কালৰ পূৰ্ণিমাৰ ৰাতি কৃষ্ণৰ ৰাসক্ৰীড়া কৰাৰ হেঁপাহ জাগিছিল। পূৰ্ণিমাৰ ফৰিংফুটা জোনাকত গোটেই পৃথিৱী আলোকত অৱগাহন কৰিছিল। এই মন-প্ৰাণ হৰি নিয়া প্ৰাকৃতিক পৰিৱেশত কৃষ্ণৰো মনত জোৱাৰ আহিল। গোপীসকলৰ স'তে ৰাসক্ৰীড়া কৰাৰ মানসেৰে তেওঁ মোহন বাঁহীৰ সুৰৰ মূৰ্চ্ছনাৰে বৃন্দাবনত ঝাঙ্কাৰ তুলিলে। কৃষ্ণৰ বংশী ধ্বনিত উত্ৰাৱল হৈ গোপীসকলে যিয়ে যি কামত ব্যস্ত আছিল সকলো এৰি সুৰৰ উৎসৰলৈ ধাৱিত হ'ল। মনৰ উকমুকনিৰ বাবে বস্ত্ৰ-অলংকাৰ পৰিধান কৰাৰ ক্ষেত্ৰতো তেওঁলোকৰ বিজুটি ঘটিল। শাস্ত্ৰত পোৱা যায় —

'বাহুত নূপুৰ পিন্ধে নকৰে বিচাৰ।
মাৰ্গতি মুকুত আৰে কঙ্কালত হাৰ।।
পিন্ধে শ্বেত শাৰী কামে উত্ৰাৱল।
যুপুসি উপৰ কৰে আঞ্চলক তল।। (১২২০-১১)

আনহাতে যিকেইজনী গোপী ওলাই আহিব খোজাত ঘৰৰ পৰা বাধা পালে, তেওঁলোকে ঘৰতে কৃষ্ণৰ চৰণত মন-প্ৰাণ সপি, কৃষ্ণ হৃদয়ত আসন দি তাতেই দেহ ত্যাগেৰে কৃষ্ণতে লীন হৈ গ'ল।

ব্ৰজৰ গোপবালা কৃষ্ণৰ সমীপ লোৱাত কৃষ্ণই তেওঁলোকৰ কুশল বাৰ্তা লৈ আগমনৰ কাৰণ সুধিলে। এয়া তেওঁলোকৰ মানসিক অৱস্থাৰ পৰীক্ষা। বস্ত্ৰ হৰণৰ সময়ত আৰম্ভ হোৱা ভক্তিৰ পৰীক্ষাত কৃতকাৰ্য হ'ব নোৱাৰাৰ ফলস্বৰূপে আন এটা পৰীক্ষা। অৱশেষত কৃষ্ণই বুজালে যে এই গভীৰ ৰাতি এনেদৰে ওলাই অহাটো নিৰাপদ নহয়। তেওঁলোক উভতি যোৱাই শ্ৰেয়। শাস্ত্ৰত বৰ্ণিত আছে —

'দুৰ্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি
ঐত নাথাকিবা তোৰা সব স্ত্ৰীমতী।" (১২৩৭)

কিন্তু গোপীসকল নাচোৰবান্দা। এই বিলাক কথাই তেওঁলোকৰ মন সলনি কৰিব নোঁৱাৰিলে। কাৰণ তেওঁলোকে দেহ-মন আত্মা সকলো কৃষ্ণতে সমৰ্পন কৰি দেহত প্ৰেমৰ বহু উৰ্দ্ধত আধ্যাত্মিক প্ৰেমত লীন হৈছে। তেতিয়া জগতৰ অধিকাৰী কৃষ্ণই ৰাসলীলাৰ বাবে উদ্যোগ ল'লে। কৃষ্ণৰ আলিঙ্গনত গোপীসকলে কৃষ্ণৰ পৰশন পাই কৃষ্ণ সুখত, কৃষ্ণ ভাৱত নিমজ্জিত হ'ল। কৃষ্ণৰ এই সঙ্গ লাভত গোপীৰ মনলৈ অহা অহংভাৱ দেখি কৃষ্ণ অন্তৰ্ধান হ'ল। গোপীসকলে কৃষ্ণৰ সন্ধানত তেওঁৰ আৰাধনাত নিমগ্ন হৈ দেহ মন-প্ৰাণ কৃষ্ণময় হৈ পৰাত, কৃষ্ণ পুনৰ আবিৰ্ভাৱ হৈ ৰাসক্ৰীড়াত প্ৰবৃত্ত হয়। সেই সময়ত কৃষ্ণ ন/দহ বছৰীয়া শিশু। আনহাতে *পোপিনী যোল্লহাজাৰ। তথাপিও*

য'ত গোপী ত'ত কৃষ্ণ হুয়া কৰে ক্ৰীড়া।
সমস্তে গুচাইলা গোপীকাৰ কাম পীড়া।। (১৫০২)

বৃন্দাবনত প্ৰতিগৰাকী গোপীৰ স'তে কৃষ্ণ বিৰাজমান। অথচ গোকুলত ঘৰে ঘৰে তেওঁলোকে স্বামীসকলৰ স'তে ব্যস্ত থকাৰ দৰে কৃষ্ণও যশোদাৰ কোলা শুৱনি কৰি আছে। ইয়ালৈ লক্ষ্য ৰাখিলে ভাগৱতৰ ৰাস পঞ্চধ্যায় উপলব্ধি কৰাটো অতি কঠিন। দৈহিক কামনাৰ পৰা ৰাসক্ৰীড়াত কৃষ্ণৰ সঙ্গ লাভ কৰালৈ ব্ৰজংগনা গোপীসকলে কেবাটাও মানসিক পৰীক্ষাত উত্তীৰ্ণ হবলগীয়া হৈছিল। গোপীসকলৰ কৃষ্ণক লাভৰ বাসনা আছিল অতিকৈ তীব্ৰ অথচ শুদ্ধ অন্তৰৰ। তেওঁলোকে অত্যাজ্য পাৰ্থিৱ পতি আৰু লাজ অতিক্ৰমী কৃষ্ণত বিলীন হোৱাৰ বাসনাক শুদ্ধচিত্তে আগস্থান দিয়া বাবে কৃষ্ণয়ো তেওঁলোকক গ্ৰহণ কৰিলে। সুন্দৰ প্ৰাকৃতিক

https://howlyraasmahotsav.org/

পৰিৱেশত সেয়েহে কৃষ্ণই—

"আনন্দ গোৱিন্দ গোপীকাৰ বঢ়াই কাম।
ৰমিলা শৰত ৰাত্রি অতি অবিশ্রাম।।(১২৯০)

গোপিনীৰ স'তে কৃষ্ণই জনকেলিও কৰিলে —

লৈয়া সঙ্গে সিটো সৱে গোপৰ যুৱতী
যমুনা জলত গৈয়া নামিলন্ত হৰি।।(১৫০৬)

এনেদৰেই জল-থল নিৰ্বিচাৰে ক্রীড়াত লিপ্ত হৈ গোপীসকলে কৃষ্ণৰ কৃপাত কামৰোগৰ পৰা মুক্ত হৈ প্রেমানন্দত নিমগ্ন হ'ল, পৰমাত্মা স্বৰূপ কৃষ্ণৰ লগত জীৱ বা আত্মাৰ মিলনৰ যি ঐকান্তিকতা, তাৰেই মূৰ্ত প্রকাশ ৰাসলীলা। কামনা-বাসনাক জয় কৰোঁতাজনহে পৰাত্মাত বিলীন হোৱাৰ দৃষ্টান্ত ৰাসলীলা। প্রকৃততে গোপীসকলৰ ভগৱৎ প্রেম সাধনাৰ এই নিদর্শনে দেখুৱায় যে সকলো জীৱ পৰমাত্মাৰ অংশ। এই সত্তা জীৱ মাজত থকা বাবেই প্রত্যেকে প্রত্যেককে আকর্ষন কৰে। গোপীসকলৰ অন্তৰত এই প্রেমে ব্যপ্তি লাভ কৰি প্রেমানন্দ সুলভ কৰি তুলিছিল। এয়া আছিল দেহাতীত (Spiritual love) সম্বন্ধ। সেয়ে ৰাসলীলাক 'কামজয় নামে ইটো কেশৱৰ কেলি' বুলি কোৱা হয়। কিয়নো পূর্ণকাম কৃষ্ণৰ কোনো কামনা, কোনো অভাৱ থাকিব নোৱাৰে। শ্রীকৃষ্ণ ৰাসলীলা জীৱক ব্রহ্মৰ আলিঙ্গনৰ অভিনয়। ৰাসলীলাৰ মাজেৰে গোপীসকলৰ হৃদয়ত সৃষ্টি হোৱা শৃঙ্গাৰ ৰস ভক্তি ৰসলৈ উত্তৰণ ঘটাইছিল।

গোপীসকলে একান্ত ভক্তিৰ বাবেহে কৃষ্ণক পাইছে। গোপী আৰু কৃষ্ণৰ এই মিলন সাধাৰণ দেহজ মিলন নহয়, ই জীৱাত্মা আৰু পৰমাত্মাৰে মিলন আৰু ইয়াতেই জীৱনৰ মুক্তি লাভ ঘটিছে। ভাগৱতৰ দশম স্কন্ধৰ মাজেৰে এটা উদ্ধৃতি—

ইটো কামজয় নামে কৃষ্ণৰ কেলি অনুপাম
আক শুনে ভনে যিটো জনে
হেলায়ে জিনিব কাম দুখ হুইবে উপশাম
তাক পীড়া জিনিব কাম দুখ হুইবে উপশাম
তাক পীড়া এৰিব মদনে।।

(ভাগৱত (দশম) ১৬২৯)

https://howlyraasmahotsav.org/

কানুপ্রিয়া

অৰূপ হালৈ

যমুনাৰ উষ্ণ বালিত
চিকমিক উর্মিমালা অম্বু
কদম্বৰ ৰিবৰিব মলয়া
তাতেই আকৌ তুমি
তেৰাৰ বংশীৰ সুৰত মতলীয়া
কিদৰে আমনি কৰোঁ
তুমিয়েটো আমনি পাবা!
আমনি কৰোৱেই বা কিয়
আমনি কৰিলে হেৰাওঁ
তেৰাৰ বাহিৰ অমিয়া সুৰ।
নকৰোঁ দিয়া আমনি কানুপ্রিয়া
বিভোৰ হোৱা তুমিয়ো
সুৰৰ ৰাগত
লগতে গোপিনীৰ নৃত্যত।
আউসীৰ জোনাক যেন তোমাৰ হাঁহিটি
কথাবোৰো যেন গগণৰ তৰাৰ ধেমালি
মুক্ত গগণ তোমাৰ
আপোন সৰগৰ
কানাইক বলিয়া
আৰু নকৰিবা এই মৰতৰ ।
বুজি পোৱা যদি আহা ওচৰলৈ
হৃদয়ৰ কেচা কেকুৰি বাটেৰে
নিৰলে নিৰবে ভৰিব খোপনি পুটি।
বুজি নাপালে আঁতৰি যোৱা দুৰণিৰ পৰাই,
কানাইৰ খোপাৰ কোমল ময়ুৰপংক্ষী
খিলা
কুৎসিত আৰু সাং নকৰিবা আহি
তোমাৰ মুখনি যেন জিলিকা ময়ৰাৰ পাখি
অন্তৰত বিশাল সৰগ
তুমিয়েইটো কানাইৰ প্রিয়া
কানাইৰ অভিমানী প্রিয়া।

ড° ৰবীন দেৱ চৌধুৰীৰ অতীত প্ৰীতি

ড° দয়ানন্দ পাঠক

ড° ৰবীন দেৱ চৌধুৰীৰ বিষয়ে জনা লোকৰ সংখ্যা আজি ক্ৰমসংকুচিত। অথচ এইজন ব্যক্তিৰ ব্যক্তিত্বই এটা সময়ত মোকে নহয়, ঐতিহ্য প্ৰিয়, সংস্কৃতিপ্ৰিয় প্ৰতিগৰাকী ব্যক্তিকেই আলোকিত কৰিছিল। তেওঁৰ জন্ম, জন্মস্থান, পিতৃ-মাতৃ সম্পৰ্কে বহলাই ক'বলৈ নাযাও; কিন্তু তেওঁৰ ব্যক্তিত্বই এটা সময়ত কেৱল মোকেই নহয়, আমাৰ বহুতকে আলোড়িত কৰিছিল। তেওঁৰ মুখত স্বাভাৱিক হাঁহিটি, মন-মেজাজৰ সৰলতাই আমাক তেওঁৰ প্ৰতি আকৰ্ষিত কৰিছিল।

মই তেওঁক লগ পাইছিলো অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ত। সেই সময়ত অসম সাহিত্য সভাৰ সভাপতি লক্ষ্যধৰ চৌধুৰী, উপসভাপতি যতীন গোস্বামী আৰু প্ৰধান সম্পাদক ড° ৰাম চৰণ ঠাকুৰীয়া। মই যেনিবা আকস্মিকভাৱে আৰু অপ্ৰত্যাশিতভাৱে অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক হিচাপে মনোনীত হৈছিলো। সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয় আৰু অসম ৰাজ্যিক সংগ্ৰহালয়টি পৰস্পৰ গাত লাগি থকা বৃহৎ অনুষ্ঠান। এই অনুষ্ঠানটিৰ কাৰ্যালয়লৈ আমাৰ সঘন আহ-যা অব্যাহত আছিল বাবেই ৰবীনদেৱ চৌধুৰীৰ লগতো আমাৰ ঘনিষ্ঠতা বাঢ়িছিল। ইফালে ড° ৰাম চৰণ ঠাকুৰীয়া, আনফালে ড° ৰবীনদেৱ চৌধুৰী দুয়োগৰাকীৰ মাজত অসম প্ৰীতি, সংস্কৃতিপ্ৰীতি, শংকৰদেৱপ্ৰীতি, সত্ৰ-মন্দিৰপ্ৰীতি আছিল অতি জোৰদাৰ। দুয়োগৰাকীৰ মাজত থাকি আমাৰ মনতো কিঞ্চিৎ জাতীয় চেতনা জাগ্ৰত হৈছিল।

ড° ৰবীনদেৱ চৌধুৰীৰ সংগ্ৰহালয় প্ৰীতি আছিল অতি লক্ষণীয় তেওঁ বহু সময়ত নিজে কৰা কাম কাজবোৰ আমাক দেখুৱাবলৈ যত্ন কৰিছিল। আমিও তেওঁৰ সংস্কৃতিপ্ৰীতিৰ লগতে অসমৰ অতীতপ্ৰীতি দেখাৰ সুবিধা লাভ কৰিছিলোঁ।

ড° চৌধুৰীয়ে এটা সময়ত ভাৰতবৰ্ষৰ Director General of National Museum হিচাপে নতুন দিল্লীত দায়িত্ব বহন কৰিবলগীয়া হৈছিল। তেতিয়াও দিল্লীলৈ গ'লে তেওঁৰ কাৰ্যালয়ত সোমাইছিলো আৰু তেওঁৰ সতে উক্ত বিষয়ত বাৰ্তালাপ কৰিছিলো। তেনে ৰাষ্ট্ৰীয় পৰ্যায়ত তেৱেঁই প্ৰথম অসমীয়া লোক। আমাৰ বহুতেই এই কথা নাজানে। এইক্ষেত্ৰত আৰু এটা কথা ক'বলগীয়া হ'ব মিউজিয়াম সম্পৰ্কে শিক্ষক প্ৰশিক্ষণ গৱেষণাৰ এটি ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠান আছে, নাম হ'ল— National Museum Institute, সেই অনুষ্ঠানটোৰো তেওঁ উপাচাৰ্য হিচাপে দায়িত্ব বহন কৰিছিল। এইখিনিও কথাও বহুতেই নাজানে।

যাওক সেইবোৰ কথা। সেয়া আছিল তেওঁৰ বাবে চৰকাৰী দায়িত্ব। সেই দায়িত্ব তেওঁ অতি নিষ্ঠাৰে পালন কৰিছে। ড° চৌধুৰীয়ে আমাৰ সাংস্কৃতিক জীৱনৰ বিভিন্ন দিশৰ ওপৰত সুন্দৰ গ্ৰন্থ লিখিছে 'Some Aspects of History and Culture of Assam.'

প্ৰকাশন পৰিষদ অসমে প্ৰকাশ কৰিছে ১৯৯২ গ্ৰন্থখনত মুঠ ২০ টা প্ৰৱন্ধ তেওঁ ইংৰাজীত লিখিছে সংকলনটিৰ প্ৰতিটো প্ৰবন্ধ তেওঁ নিজেই লিখিছে প্ৰথম প্ৰবন্ধটোৰ নাম "G. N Bordoloi Meseum Dreams comes true "প্ৰৱন্ধটোত গোপীনাথ বৰদলৈৰ জন্মস্থান আৰু বাস কৰা জন্মগৃহটোক কেনেদৰে এটি সংগ্ৰহালয়লৈ

https://howlyraasmahotsav.org/

পৰিণত কৰা হ'ল সেই বিষয়ে তেওঁ সুন্দৰকৈ লিখিছে। প্ৰথম অৱস্থাত সেই পৰিত্যক্ত ঘৰটোৰ প্ৰতি কাৰো মনত কোনো অনুৰাগ নাছিল। সেই পৰিত্যক্ত ঘৰটো এটি সংগ্ৰহালয় হিচাপে গঢ়ি তুলিবলৈ ৰবীন দেৱ চৌধুৰীয়ে যে অনেক চেষ্টা কৰিছিল সেই বিষয়ে লিখিছে। প্ৰবন্ধটোত গোপীনাথ বৰদলৈ প্ৰতিও যে অসমীয়া মানুহৰ কোনো বিশেষ অনুৰাগ নাই সেই কথাখিনি নিজক দেউতাকৰ মুখেৰে বৰদলৈ কনিষ্ঠ কন্যা ড° লীলী মজিন্দাৰ বৰুৱাৰ সন্মুখত কোৱাৰ উদ্ধৃতিৰে তেওঁ এইদৰে লিখিছে "The Assamese people did not know Gopi Bordoloi. The ungrateful Assamese people did not try to realized the contribution of Gopi Bordoloi...."

গ্ৰন্থখনত ২০ টা প্ৰবন্ধ অতি গুৰুত্বপূৰ্ণ। তেওঁ অসমৰ তাৰাকোটা শিল্প সম্পৰ্কে সুন্দৰকৈ লিখিছে। লগতে মেঘালয়, অৰুণাচল, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ তাৰাকোটা শিল্প সম্পৰ্কেও লিখিছে। এই অঞ্চলৰ তাৰাকোটাৰ যে এক নিজস্ব বৈশিষ্ট্য আছে সেই বিষয়ে মন্তব্য কৰি লিখিছে— "The Terracota tradition of North-East India is not just and extension of genenic plains. It has its own identity moulded by the inherent folk elements..."

তেওঁ পুনৰ লিখিছে যে এই অঞ্চলত তাৰাকোটা শিল্পত হিন্দু আৰু বৌদ্ধ ধৰ্মৰো প্ৰভাৱ সুস্পষ্ট। অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰাচীনত্ব সম্পৰ্কেও তেওঁ "Aspects of History and culture of the stats of NE" শীৰ্ষক প্ৰবন্ধত লিখিছে যে অসমত সেই সময়ত কামৰূপ ৰাজ্যত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পঞ্চম শতিকাৰ পৰাই উপলব্ধ। তাৰ বাবে বিভিন্ন গ্ৰন্থতাত্বিক প্ৰমাণ দাঙি ধৰিবলৈ যত্ন কৰিছে। তাৰ বাবে উমাচল শিলালিপিৰ উদাহৰণ দাঙি ধৰিবলৈ যত্ন কৰিছে। বহুত উদাহৰণ আৰু প্ৰসংগৰ পাছত তেওঁ এইদৰে মন্তব্য কৰিছে— "Let us state the example form history and be prectical. History is for past present and also for the future." এয়া মাথোন দুটি উদাহৰণহে সংগ্ৰহালয় বিষয়ে তেওঁৰ জ্ঞান অপৰিসীম। সংগ্ৰহায়লৰ দৰে প্ৰতিষ্ঠানক তেওঁৰ দৰে ভালপোৱা লোক অসমৰ কেইজন ওলাব নাজানো।

এবাৰ তেওঁ মোক ক'লে- আমাৰ সত্ৰানুষ্ঠানবোৰ দুৰ্দশাৰ কথা আপুনি জানেনে? তেতিয়া সত্ৰ আৰু নামঘৰৰ বিষয়ে মোৰ সম্যক জ্ঞান নাছিলেই!

'সত্ৰবোৰৰ অৱস্থা দেখোন সদায় বেয়া উত্তৰত কৈছিলোঁ — বহুত মানুহ সত্ৰলৈ নাযায়। কিয় নাযায় সেই কথা আমি জানিব লাগিব।'

'সত্ৰবোৰৰ প্ৰতি মানুহৰ আকৰ্ষণ কমিছে। অথচ সত্ৰ নামঘৰবোৰক বাদ দি অসমীয়াৰ সংস্কৃতি নাথাকে।' তেওঁ ক'লে'—

'একদম সঁচা কথা, নাথাকে'— মই ক'লো।

তেতিয়া তেওঁ মোক ক'লে, 'আপোনাক এদিন কেইখনমান সত্ৰলৈ লৈ যাম। দেখিব কেনে পৰিৱেশৰ মাজেৰে আমাৰ সত্ৰবোৰ চলিছে।'

এনে কথা-বতৰা হোৱাৰ পিছত এদিন তেওঁৰ গাড়ীখন লৈ আমি নগাঁওলৈ যাবলৈ ওলালো। নগাঁওলৈ যাওতে প্ৰায় দুঘণ্টা লাগে। তাৰ পৰা আমি যাম আলিপুখুৰীলৈ, য'ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ জন্ম হোৱা বুলি কোৱা হয়। আলিপুখুৰী বৰদোৱা থানৰে এক নিকটতম স্থান। আমাৰ গাড়ীখন আলিপুখুৰীত ৰ'লহি। গাড়ীৰ পৰা নামি আমি গুৰুজনাৰ জন্মস্থান বুলি বিশ্বাস কৰা ঠাইখনলৈ গ'লো। তাত এখন সত্ৰও আছে। দেখিলো সত্ৰৰ ভিতৰত কেইজনমান লোকে লোকে তাঁচ খেলি আছে। আমি গৈ পোৱাৰ পাছতো তাঁচ খেলাত মত্ত হৈ থকা লোক কেইজনৰ গা লৰা দেখা নগ'ল। পাছত যেনিবা দুজনমান লোক আমাৰ ফালে আগবাঢ়ি আহিল। মানুহকেইজনৰ লগত কথা পাতি আমি পুনৰ গাড়ীত উঠিলো।

আমাৰ গাড়ীখন আমাৰ বৰদোৱাৰ থানৰ সন্মুখত ৰ'ল। তেওঁ ক'লে, বৰদোৱা থানৰ বহুত মাটি বেদখলত। তথাপি থানখন কোনোমতে চলি আছে ৰাইজৰ অকুণ্ঠ সহযোগত; কিন্তু পূৰ্বৰ স্থিতি বৰদোৱা থানখনত নাই কাৰণ থানৰ অনেক মাটি বেদখলত। চৰকাৰেও এই ক্ষেত্ৰত নীৰৱতা অৱলম্বন কৰিছে। আমি চৰকাৰক ভালকৈ বুজাবও লাগিব। তাৰ পাছত আমি গ'লো কোবাইকাটা সত্ৰখনলৈ। এই সত্ৰখন স্থাপন কৰিছিল শংকৰদেৱৰ নাতি বোৱাৰী কনকলতাই; কিন্তু সত্ৰখনলৈ গৈ মনটো সেমেকি গ'ল। সত্ৰখনৰ চৌপাশে ইছলামধৰ্মীয় মানুহ। ক'বলৈ গ'লে তেওঁলোকেই সত্ৰখন চোৰা চিতা কৰি আছে। প্ৰায় ২৫০ বিঘা মাটি থকা বুলি জানিব পাৰিছিলো। কিন্তু এতিয়া

https://howlyraasmahotsav.org/

হয়তো সত্ৰখনৰ বাবে এবিঘা মাটিও হয়তো নহ'ব।

তাৰ পাছত আমাৰ গাড়ীখন ধিঙৰ সত্ৰখনলৈ গ'ল। তাতো সত্ৰখন চোৱাচিতা কৰা কোনো লোকক নেদেখিলো। তাৰ পাছত আৰু এখন সত্ৰলৈ গ'লো। ৰবীন চৌধুৰীয়ে ক'লে এই সত্ৰখনত আবেলি পৰত চাকি এগছি জ্বলাবলৈও মানুহ নাই।

মই সুধিলো-তেন্তে আন্ধাৰত বুৰ গৈ থাকে?

তেওঁ ক'লে- সপ্তাহত প্ৰায় ছয় দিন আন্ধাৰত থাকে দুদিনমান চাকি জ্বলে। চাকি জ্বলোৱা মানুহ এজন ঠিক কৰিছো। তেওঁ ইয়াৰে দুখন সত্ৰত চাকি জ্বলায়। এখনত থাকে। আনখনত মটৰেৰে আহি চাকিটো আবেলি জ্বলাই নিজে থকা সত্ৰখনলৈ গুচি যায়। আৰক্ষী বিভাগত কাম কৰিছিল। অৰ্থাৎ এনেদৰেই আমাৰ অনেক সত্ৰ পৰিচালিত। তেনেবোৰ সত্ৰৰ প্ৰতি আমাৰ কোনো আগ্ৰহ সমালোচনা নাই। ইতিমধ্যে বাংলাদেশত অনেক সত্ৰৰ বিলুপ্তি ঘটিছে। সেই বোৰ সত্ৰৰ কোনো হিচাপ আমাৰ হাতত নাই। আনকি পাটবাউসী থানখনৰ প্ৰতি আমাৰ শ্ৰদ্ধা আছে যদিও থানখনৰ প্ৰতি আমাৰ প্ৰয়োজনীয় দায়িত্ববোধ খিনি নাই। এনেবোৰ কথা ৰবীনদেৱ চৌধুৰীৰ লগতে কৰিছিলোঁ।

চৌধুৰী গুৱাহাটীৰ সংগ্ৰহালয়ৰ দায়িত্বত থকা সময়ত তেওঁ সত্ৰৰ দুৰৱস্থাৰ বিষয়ে প্ৰস্তুত কৰা তিনিখন কিতাপ আমাৰ হাতত পৰিছিল। তাৰে এখন ড° ৰামচৰণ ঠাকুৰীয়াৰ দ্বাৰা সম্পাদিত আৰু দ্বিতীয়খন শিৱানন্দ শৰ্মাৰ দ্বাৰা সম্পাদিত। একে পৰ্যায়ৰ এখন সংকলন তেওঁ নিজেও সংকলিত আৰু সম্পাদনা কৰিছে। কিতাপখনৰ নাম হ'ল "অসমৰ দুৰ্দশাগ্ৰস্থ সত্ৰসমূহ— পাঁচশ বছৰীয়া ঐতিহ্যৰ সংকলন।

অসমৰ বিভিন্ন সত্ৰসমূহৰ অৱস্থাও ভিন ভিন। সামাজিক পৰিবৰ্তনৰ কোৱাল সোঁতত অনেক সত্ৰৰ বিলুপ্তি ঘটিছে। অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰণ সমূহৰ বিষয়েও তেওঁ আলোচনা কৰিছে। তেওঁ লিখিছে— The most important and urgent task before the Govt. Is to exhance the annuity of the Satras and old temples in a suitable way, keeping a relation with the present price rise so that these cultural centres can survive...... এইজন ব্যক্তিয়ে যেতিয়া Director General of National Meseum হিচাপে নিযুক্তি লাভ কৰিলে মই ব্যক্তিগত ভাৱে বৰ আনন্দিত হৈছিলো; কিন্তু তেওঁৰ অকাল বিয়োগে আমাক হতাশ কৰিছে। ৰবীনদেৱ চৌধুৰীৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। তেওঁ দৈহিকভাৱে অনুপস্থিত হৈয়ো আমাক যে আন্তৰিকতাৰে সহায় কৰি থাকিব সেইটোৰ প্ৰতিও আমাৰ অতল বিশ্বাস।

https://howlyraasmahotsav.org/

ৰাধাৰ ভালপোৱা

উৎপল ৰায়

যমুনা উথলি উঠিছে
ভালপোৱাৰ বৃন্দাবন
বাঁহীৰ মূৰ্ছনাত মোহিত ৰাধা
ঈৰ্ষাত ছাটি-ফুটি গোপীনিৰ গোপন গাঁথা

অযোধ্যৰ আগমণি পোহৰে পোহৰালে
ইখনৰ পিছত সিখন হিয়া
য'ত সৰ এয়াই ভালপোৱা
নগৈ আনন্দিত, এজোলোকা উৰুলি দিয়া।

ৰাস উৎসৱ ঃ ইয়াৰ আধ্যাত্মিক আৰু সামাজিক তাৎপৰ্য

খনীন নাথ

শ্রীকৃষ্ণৰ আধাৰত উদ্‌যাপিত উৎসৱ-পাৰ্বণসমূহৰ ভিতৰত বিতোপন শাৰদীয় কাতি-আঘোণ মাহৰ জ্যোৎস্নাময় পবিত্ৰ পূৰ্ণিমা তিথিত পালন কৰা ৰাসপূজা বা ৰাসলীলা ভাৰতীয় সংস্কৃতিৰ এক মহৎ উৎসৱ। ৰাস শব্দটো 'ৰস' শব্দৰ পৰা সিদ্ধ হৈছে। সকলো ৰসৰ সাৰ হৈছে প্ৰেমভকতি। সৰ্বশক্তিমান ভগৱান শ্ৰীকৃষ্ণৰ সৈতে চিৰানন্দ ৰসময়ী নৃত্য প্ৰেয়সী গোপীসকলৰ নৃত্য-গীতময়ী লীলাই হৈছে ৰাসলীলা।

শৰৎ কালৰ ৰাত্ৰি অতি বিতোপন
বহুবিধ পুষ্পে বিকশিত বৃন্দাবন।।
দেখি যোগমায়া বলে হৰিষ তাহিত
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন।।

শৰৎ কাল অতি নিৰ্মল। শীতকালত আছে মাথোঁ নিৰ্মলতা, কোমলতা, স্নিগ্ধতা, সৰলতা আৰু সুন্দৰতা।

গগন নিৰ্মল স্বচ্ছ ভৈল জল
দূৰ গৈল মেঘগণ
মহাসুখকৰ সুৰভি শীতল
বহে বায়ু সৰ্বক্ষণ।।

এনেকুৱা শৰৎ কালৰ মনোমোহা পূৰ্ণিমা ৰাতি কৃষ্ণই বাঁহীত মন মতলীয়া সুৰ তুলি সমস্ত গোপিনী সৱৰ হৃদয় জিনি ৰাসলীলা কৰিছিল। লৌকিক দৃষ্টিত এই ৰাসলীলা পৰকীয়া প্ৰেমেৰে দোষী লাগিলেও ইয়াৰ মাজত অন্তৰ্নিহিত হৈ আছে ভক্তি সাধনাৰ তত্ত্ব। যি সত্য, তেৰেঁই সুন্দৰ আৰু যি সত্য সুন্দৰ তেৰেঁই মঙ্গলময়। বাঁহীৰ সুৰ এক প্ৰতীকহে। ৰাসলীলা চৰম আধ্যাত্মিক উৎকৰ্ষ লাভৰ জ্যোৎস্নাময় নিদৰ্শন। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত— 'ৰাসলীলাত তুচ্ছতা-হীনতাৰ স্থান নাই, আছে মানৱীয় মহামুক্তিৰ পৰম আনন্দ।

শ্ৰীকৃষ্ণই ৰাসলীলাৰ জৰিয়তে আধ্যাত্মিক মিলনক প্ৰেমৰ ৰূপ প্ৰকাশ কৰি জগতৰ হিতৰ কাৰণে অন্তৰাত্মা বিকাশ সাধন কৰিছিল।

ভক্তি আন্দোলনৰ ফলস্বৰূপে খৃষ্টীয় পঞ্চদশ শতিকাত অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ লগে লগে সৰ্বসাধাৰণৰ মাজত শ্ৰীকৃষ্ণৰ ৰাসনৃত্য বা ৰাসলীলাৰ প্ৰচলন হয়। পিছলৈ নানা বিৱৰ্তনৰ মাজেদি আহি সেই ৰাসনৃত্য বা ৰাসলীলাই বৰ্তমান উৎসৱ ৰূপে পৰিণত হৈছে। উজনি অসমত ৰাতিলৈ ৰাসলীলাৰ কাহিনীৰ আধাৰত ভাওনা কৰা হয়। নামনি অসমত কিন্তু ৰাস পূজা ৰাস উৎসৱ হিচাপেহে পালন কৰা হয়। নামনি অসমৰ হাউলী, নলবাৰী, পলাশবাৰী আদি ঠাইত ৰাস উৎসৱ সাৰ্বজনীন উৎসৱত পৰিণত হৈছে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ লোকেই ৰাস উৎসৱৰ লগত জড়িত হৈ সহায়-সহযোগ কৰি আহিছে। ফলত ৰাস উৎসৱ হৈ পৰিছে ঐক্য, শান্তি, সম্প্ৰীতিৰ এক মিলনভূমি। হিন্দু আৰু মুছলমানৰ সমন্বয়ৰ ক্ষেত্ৰত ৰাস উৎসৱে এক উল্লেখযোগ্য নিদৰ্শন দাঙি ধৰিছে।

ৰাস উৎসৱে বৰ্তমান বিজ্ঞান আৰু ধনতন্ত্ৰৰ যুগত প্ৰৱেশ কৰিছে। অধিক মেলামুখিতাই এই উৎসৱক যাতে অপসংস্কৃতিৰ গ্ৰাসত পৰিবলৈ নিদিয়ে তাৰ বাবে আমি সকলোৱে সচেতন হ'ব লাগিব। ৰাস উৎসৱৰ মাজত সুস্থ সংস্কৃতি আৰু সুন্দৰ আদৰ্শ ৰক্ষা কৰিবলৈ সজাগ আৰু সচেতন হৈ থাকিব লাগিব।

https://howlyraasmahotsav.org/

মানাহক জানক, ভালপাওঁক আৰু সংৰক্ষণত অংশীদাৰ হওঁক

নিৰঞ্জন বৰ্মন

অপৰ্যাপ্ত বন্যপ্ৰাণী আৰু নয়নাভিৰাম প্ৰাকৃতিক সৌন্দৰ্যৰে মহীয়ান মানাস যিটো পৃথিৱীৰ যিকোনো ঠাইৰ বাবেই দুৰ্লভ। মহান প্ৰকৃতিবিদ ই.পি.জি চাহেবে বহু বছৰ আগতেই মানাহৰ বিষয়ে বৰ্ণনা কৰিছিল— "Both Plentiful Wildlife and magnificant scenery are found together .... a rare occurence any where in the world. - E.P. Gee"

https://howlyraasmahotsav.org/

ভূটান আৰু হিমালয়ৰ পাদদেশত অসমৰ উত্তৰ-পশ্চিম সীমান্ত অঞ্চলৰ নৱগঠিত Bodoland Territorial Region (BTR) এলেকাধীন জিলা কেইখনত অৱস্থিত মানাহ প্ৰকৃতিৰ এটুকুৰা অমূল্য ৰত্ন আৰু প্ৰকৃতিপ্ৰেমীৰ বাবে ভূ-স্বৰ্গ। BTR এলেকাৰ চাৰিওখন জিলাৰ মুঠ বনাঞ্চল ২৮৩৭ বৰ্গ কিঃমিঃৰ অঞ্চল সামৰি লৈছে। পূব ওদালগুৰি জিলাৰ ধনশিৰি নদীৰ পৰা পশ্চিমে, কোকৰাঝাৰ জিলাৰ সোণকোষ নদীলৈকে বিস্তৃত এই জৈৱ মণ্ডলীয় সংৰক্ষণ ক্ষেত্ৰখন সৰলৰৈখিকভাৱে ১৫০ কিঃমিঃ দৈৰ্ঘ্যৰ এটা নিৰৱচ্ছিন্ন অৰণ্য বেষ্টনীৰে আৱৰা অঞ্চল মানাহৰ সমগ্ৰ উত্তৰ অঞ্চল ভাৰত-ভূটান আন্তঃৰাষ্ট্ৰীয় সীমা আৰু ই ভূটানৰ ৰয়েল ভূটান ৰাষ্ট্ৰীয় উদ্যানৰ লগত সংলগ্ন হৈ আছে। ৯১°৫১ ৰ পৰা ৯০°০০ পূব দ্ৰাঘিমাংশ আৰু ২৬°৩০ ৰ পৰা ২৭°০০ উত্তৰ অক্ষাংশৰ ভিতৰত অৱস্থিত মানাহ জৈৱ বিচিত্ৰ্যতাৰ ক্ষেত্ৰৰ ৫০০ বৰ্গ কিঃমিঃ কোৰ অঞ্চল (Core area) মানাহ ব্যঘ্ৰ প্ৰকল্প (Manas Tiger Project) আৰু ৰাষ্ট্ৰীয় উদ্যান সাগৰ পৃষ্ঠৰ পৰা দক্ষিণে ৪০ মিটাৰ, উত্তৰে ১৫০ মিটাৰ। পূব হিমালয়ান প্ৰাকৃতিক বিভাগৰ অন্তৰ্গত মানাহে বন্যপ্ৰাণীৰ বাসস্থানৰ ক্ষেত্ৰত সদায়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তদুপৰি ভাৰতীয় ইথিঅ'পীয়ান আৰু ইণ্ডো-চীন প্ৰাকৃতিক বিভাগৰ সঙ্গম স্থলীত অৱস্থিত হোৱাটো ইয়াৰ চহকী জৈৱ বিচিত্ৰতাৰ অন্যতম বুলি জনা যায়।

১৯০৫ চনতেই মানাহক সংৰক্ষিত বনাঞ্চল হিচাপে প্ৰস্তাৱ কৰিছিল বৃটিছ চৰকাৰে। তাৰ পাছত ১৯০৭ চনত সংৰক্ষিত বনাঞ্চল (Reserve Forest) হিচাপে ঘোষণা কৰে। চহকী জৈৱ-বিচিত্ৰ্যতাৰ বাবে ১৯২৮ চনত ইয়াৰ মাটিকালি ৩৬০ বৰ্গ কিঃমিঃ সম্প্ৰসাৰিত কৰি পূব কামৰূপ গেম চেংচুৰেৰি হিচাপে উন্নীত কৰা হয় আৰু ১৯৫০ চনত ইয়াক 'বন্যপ্ৰাণী' অভয়াৰণ্য (Wildlife Sanctuary) হিচাপে চৰকাৰী জাননী জাৰি কৰা হয়। ১৯৫১ আৰু ১৯৫৫ চনত উত্তৰ কামৰূপ সংৰক্ষিত বনাঞ্চল আৰু মানাহ সংৰক্ষিত বনাঞ্চলক অভয়াৰণ্যৰ ভিতৰত সংযুক্ত কৰা হয়। সত্তৰ দশকৰ আগভাগতেই ভাৰতবৰ্ষৰ অৰণ্যৰ পৰা দ্ৰুতগতিত বাঘ হ্ৰাস পাব ধৰা বুলি সকলোৰে দৃষ্টিগোচৰ হোৱা সময়তে মানাহ সংৰক্ষিত অভয়াৰণ্যত বাঘৰ প্ৰধান আশ্ৰয়স্থল আছিল। বাঘক কেতিয়াও পৃথককৈ সংৰক্ষণ কৰাটো সম্ভৱ নহয় (The Tiger can't be preserved in isolation)। এই দাৰ্শনিক চিন্তাৰ ওপৰত ভিত্তি কৰি ১৯৭৩ চনত মানাহৰ ৫০০ বৰ্গ কিঃমিঃ কোৰ

অঞ্চল হিচাপে লৈ ইয়াক ভাৰতবৰ্ষৰ প্ৰথম ৯ খন ব্যাঘ্ৰ প্ৰকল্পৰ ভিতৰত এখন (Tiger reserve) হিচাপে ঘোষণা কৰা হয়। তাৰ পাছতেই National man and Biosphere Committee য়ে ১৯৮৯ চনত মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ২৮৩৭ বৰ্গ কিঃমিঃ এলেকাৰ আটাইখিনিকে সামৰি অসমৰ প্ৰথমখন জৈৱ মণ্ডলীয় সংৰক্ষণ ক্ষেত্ৰ হিচাপে ঘোষণা কৰে। অন্যহাতে সমগ্ৰ দক্ষিণাঞ্চল ঘন জনবসতিৰ পূৰ্ণ গাঁও আৰু ৰাষ্ট্ৰসংঘই (UNESCO) মানাহক World Heritage Site ৰ মৰ্যাদা প্ৰদান কৰে আৰু পাণবাৰী সংৰক্ষিত বনাঞ্চলক মানাহৰ লগত সংলগ্ন কৰি ৫০০ বৰ্গ কিঃমিঃ এলেকাক ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰে। কিন্তু নব্বৈ দশকৰ শেষৰ ফালে এই অঞ্চলত হোৱা জনজাতীয় আন্দোলনে মানাহৰ জৈৱ বিচিত্ৰ্যতাৰ বহুতো ক্ষতি সাধন কৰাৰ ফলস্বৰূপে ১৯৯২ চনত UNESCO ইয়াৰ মৰ্যাদা পুনৰ মূল্যায়ন কৰি ইয়াক World Heritage Site in Danger বুলি ঘোষণা কৰিবলগীয়া হয়। মানাহ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম হাতীৰ আবাসভূমি সংৰক্ষণৰ হেতুকে ২০০৩ চনত ২৬০০ বৰ্গ কিঃমিঃ অঞ্চল সামৰি চিৰাং-ৰিপু হস্তী সংৰক্ষিত বনাঞ্চল (Elephant Reserve) হিচাপে ঘোষণা কৰা হয়।

মানাহৰ উত্তৰণৰ ঢাপসমূহ (Manas throughout the year)	
১৯০৫	সংৰক্ষিত বনাঞ্চল (প্ৰস্তাৱিত)
১৯০৭	মানাহ সংৰক্ষিত বনাঞ্চল হিচাপে চৰকাৰী জাননী
১৯২৮	মানাহ অভয়াৰণ্য ঘোষণা
১৯৫০	মানাহ বন্যপ্ৰাণী অভয়াৰণ্য ঘোষণা।
১৯৫৫	উত্তৰ কামৰূপ বনাঞ্চলক মানাহ অভয়াৰণ্যৰ ভিতৰত সংলগ্ন ঘোষণা।
১৯৭৩	বাঘ সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা।
১৯৮৫	বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা।
১৯৯৮	জৈৱ মণ্ডলীয় সংৰক্ষণ ক্ষেত্ৰ ঘোষণা।
১৯৯০	ৰাষ্ট্ৰীয় উদ্যান হিচাপে স্বীকৃতি (৫০০ কিঃমিঃ)
১৯৯২	বিশ্ব ঐতিহ্য ক্ষেত্ৰ স্বীকৃতিৰ পুনৰ মূল্যায়ন আৰু বিপদৰ গৰাহত পৰা বুলি ঘোষণা।
২০০৩	চিৰাং ৰিপু হাতী সৰক্ষিত অঞ্চল ঘোষণা।
২০০৬	মানাহক World Heritage Site Danger ঘোষণা বিলুপ্তিকৰণ (UNESCO)
২০০৪	চৰাইৰ প্ৰধান আবাস অঞ্চল হিচাপে ঘোষণা।
২০১৯	মানাহক পৰিবেশ সংবেদনশীল ক্ষেত্ৰৰ প্ৰস্তাৱ

মানাহৰ জৈৱ বৈচিত্ৰ্য (BIO-DIVERSITY OF MANAS)

(ক) উদ্ভিদৰ বৈচিত্ৰ্য (FLOSAL DIVERSITY) ঃ উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰ্যতাৰ দিশৰ পৰা অতিকৈ চহকী আৰু ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অদ্বিতীয় বুলিব পাৰি। অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, আৰু ত্ৰিপুৰাক সামৰি মুঠ মাটিকালিৰ পৰিমাণ ২৫৫০৮৩ বৰ্গ কিঃমিঃ আৰু আমাৰ ভাৰতবৰ্ষৰ মুঠ মাটিকালিৰ ৮ শতাংশ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনে সামৰি লৈছে। সমগ্ৰ দেশৰ উদ্ভিদ প্ৰজাতিৰ মুঠ ৫০ শতাংশ উত্তৰ-পূৰ্বাঞ্চলত পোৱা যায়, উদ্ভিদৰ প্ৰজাতিৰ ফালৰ পৰা চালে দেখা যায় অৰুণাচলত সৰ্বাধিক ৫০০০ বিধ, মেঘালয়ত ৩৫০০ বিধ, অসমত ৩০১০ বিধ, মণিপুৰত ২৫০০ বিধ, নাগালেণ্ডত ২২৮০ বিধ, মিজোৰামত ২২০০ বিধ, ত্ৰিপুৰাত ১৬০০ বিধ বিভিন্ন প্ৰজাতিৰ উদ্ভিদ পোৱা যায়। ভাৰতীয় উপ-মহাদেশৰ ভিতৰতেই মানাহ উদ্ভিদ বৈচিত্ৰ্যতাৰ দিশৰ পৰা অন্যতম চহকী। ইয়াত এতিয়ালৈকে ৫৪৩ টা প্ৰজাতিৰ সপুষ্পক আৰু অপুষ্পক উদ্ভিদ চিনাক্তকৰণ কৰা হৈছে। ঘন অৰণ্যৰ বাবে বহুতো উদ্ভিদ এতিয়ালৈকে গৱেষণাৰ অভাৱত চিনাক্তকৰণ অবিহনেই বিলুপ্তিকৰণ হৈছে। সেয়েহে অধিক পৰিমাণে গৱেষণা হোৱা দৰকাৰ। চেম্পিয়ন আৰু চেঠ (CHAMPION & SHETH) ৰ শ্ৰেণী বিভাজন নীতিৰ ওপৰত ভিত্তি কৰি মানাহত মুঠ ছয় প্ৰকাৰৰ বননি চিনাক্তকৰণ হৈছে।

(১) উপ হিমালয়ান পলসুৱা অৰ্দ্ধ চিৰহৰিৎ অৰণ্য (Sub Himalayan High Alluvial Semi Evergreen Forest) ঃ মানাহৰ সমগ্ৰ উত্তৰাঞ্চলৰ ফালে এই ধৰণৰ অৰণ্য বেষ্টনী বিদ্যমান। ভেলু (Tearmeles

https://howlyraasmahotsav.org/

nudiflora) গছৰ এটা তৰপ এই ৰকমৰ অৰণ্য প্ৰধান চাৰিত্ৰিক বৈশিষ্ট্য। পৰ্ণপাতী উদ্ভিদ (Deciduous) প্ৰজাতি তলৰ ফালে আন তিনিটা উদ্ভিদৰ তৰপ বিদ্যমান। ওপৰৰ তৰপটো হাতীপুলীয়া (Pterosperment ocerifolium), বগী জামু (Eugenia Praecox), বান্দৰডিমা (Dysoxyleem), বমছোম (Phoebe goalparensis), আমেৰি (Amoora wallichii), পাৰালী (Sterospermum personatem), বগীপাম (Cheekrassia valutiona), খোকন (Duobanga grondiflora) আদি গছেৰে গঠিত। মাজৰ তৰপটো ঘাইকৈ বান্দৰডিমা (Dysoxyleem benectorifrum) জিয়া (Linnea coromandelica) হাটীপুলীয়া (Pterosperment ocerifolium) ছপা (Michelia SP) উদাল আদি গছেৰে গঠিত আৰু একেদৰে তলৰ তৰপটো Morinda angustifolia, Alpinia zingber নাঙলভাঙা (Desmodium) আদিৰ চিৰহৰিৎ গুল্ম আৰু বিভিন্ন প্ৰজাতিৰ ঢেকীয়াৰে গঠিত। ছেগা-ছেৰেকাকৈ গজা বেত আৰু সৌকাৰ উপস্থিতিও লক্ষণীয়।

(২) পূৰ্বীয় ভাবাৰ বননি (Eastern Bhabhar type forest)ঃ নদী আৰু জান-জুৰিৰ পাৰৰ আৰ্দ্ৰ বা সেমেকা অঞ্চল বট (Albizzia procera) গছৰ আৱৰণ এই ধৰণৰ বনাঞ্চলৰ সহজাত বৈশিষ্ট্য। এই বট গছৰ মাজে মাজে ছেগা-ছেৰেকাকৈ শিমলু (Bombex ceiba), জাম (Syzigium cumini), ভেলকৰ (Trewia policerpa), গামাৰি (Gmelina arborea), উদাল আদি গছৰ উপস্থিতিও প্ৰধানযোগ্য মাজৰ মহলটো ভেলকৰ (Trewia policerpa) আৰু মেকুৰাঙ্গা গছৰ পুলি আৰু সেৰেঙাকৈ গজা পলাশেৰে (Butea monosprema) গঠিত। মাটিৰ তৰপটো বিভিন্ন প্ৰজাতিৰ ঢেকীয়া, কচু (Colocassia SPP) বিভিন্ন ৰকমৰ কাঁটা বেঙেনা তিতাভেকুৰী, বাঘ্ৰা তিতা পাতলীয়াকৈ গজা বিভিন্ন প্ৰজাতিৰ বগৰী আৰু মুকলি অঞ্চল জাৰ্মানী বনেৰে আবৃত। ভেদাইলতা, ফেনেল লতা আৰু বিশেষকৈ মাইকেনীয়া প্ৰজাতিৰ লতাই কিছু কিছু অঞ্চল ডাঠকৈ শিপাই গৈছে।

(৩) পুব হিমালয়ান আৰ্দ্ৰ মিশ্ৰিত পৰ্ণপাতি অৰণ্য (East Himalayan Miost Mixeel Deeiduous Forest) ঃ এই ধৰণৰ অৰণ্যই মানুহৰ উত্তৰাঞ্চলৰ কিছুমান পাহাৰৰ ঢাল আৰু ভাবৰ (Bhabhar) অঞ্চলৰ ওখ ঠাই তথা মালভূমি অঞ্চল অৰৰি আছে। জলাশয়ৰ কাষৰ আৰ্দ্ৰ অঞ্চল আৱৰি আছে। জলাশয়ৰ কাষৰ আৰ্দ্ৰ অঞ্চল য'ৰ পৰা ছাভানা ঘাঁহনিৰ উৎপত্তি হৈছে। সেই অঞ্চলত এই ৰকমৰ অৰণ্যপটী আৰু বেষ্টনী আকাৰত আবিৰ্ভাৱ হোৱা দেখা যায়। এই ধৰণৰ অৰণ্য সুবিধাজনক পৰিবেশত অৰ্দ্ধ চিৰহৰিৎ অৰণ্যলৈ পৰিৱৰ্তিত হ'ব পাৰে। ওপৰৰ মহলটো ঘাইকৈ গুণ্ডেৰী (Premna latifilia), ছিৰিছ (Albizzia lebbeck), গমাৰি (Gmelina arborea), গহৰা (Premna bengalensis), পাহাৰী কাঞ্চন (Bauhimia SSp), হাটীপুলীয়া বলা (Morees laevigata) আদি গছেৰে গঠিত। মধ্যম স্তৰৰ উদ্ভিদৰ ভিতৰত চিধা (Lagestroemia parviflora), গছৰ মধ্যমীয়া পুলি, বেহেৰা (Terminalia Chebula), শিলিখা (Terminalia Chdula), ভেলকৰ (Trewia polycarpa), জামু (Syzigium cummi), সোণাৰু আদি গছ উল্লেখযোগ্য। তলৰ স্তৰটোৰ উদ্ভিদ গঠন প্ৰণালী কেনপি প্ৰকাৰৰ (Canopy) আৰু মাটিৰ আদ্ৰতাৰ ওপৰত নিৰ্ভৰ কৰি গঠিত হয়। মাটিৰ আৰ্দ্ৰ পৰিবেশত বিভিন্ন প্ৰজাতিৰ ঢেঁকীয়া Age ratum, Alpinia SPP আদি উদ্ভিদ জন্ম হোৱা দেখা যায়। অন্যহাতেদি মুক্ত পৰিবেশত জাৰ্মানী বন (Eupatoricem), উলুখেৰ (IMpereta cylindrica Flemingia SPP), আঁঠুভঙা বন (Leea Spp) আদি উদ্ভিদ জন্মে। লতাজাতীয় উদ্ভিদৰ ভিতৰত মাইকেনীয়া প্ৰজাতিৰ লতা উল্লেখযোগ্য।

(৪) অসমৰ উপত্যকাৰ অৰ্দ্ধ চিৰহৰিৎ অৰণ্য (Assam Valley Semi Evergreen forest)ঃ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত মানাহ সংৰক্ষিত বনাঞ্চল আৰু পাণবাৰী সংৰক্ষিত বনাঞ্চলৰ তেৰাই বেষ্টনীৰ আৰ্দ্ৰমিশ্ৰিত ভূমিখণ্ড এই ধৰণৰ বননিয়ে আৱৰি আছে। এই ধৰণৰ বনাঞ্চলৰ ওপৰৰ ভাগৰ গছবোৰৰ ভিতৰত পাৰলী, হাতীবুলীয়া, ঔটেঙা (Dillenia indica), পমা, উৰীআম (Bischofia javanica), জামুক আৰু বেহেৰা (Terminalia belerica) আদি গছেই উল্লেখযোগ্য। মধ্যস্তৰৰ গছবোৰ হ'ল— গোহৰা (Premna bengalensis), মাছকটীয়া কুঁহীৰ, মাৰলী, কুঁঠীয়াকঁৰী

https://howlyraasmahotsav.org/

আদি। মাটিৰ আচ্ছাদানটো Leea SPP, নাঙলভঙা (Desmodium SPP) Alpinia, Melasfoma SPP আৰু বিভিন্ন ধৰণৰ একবীজপত্ৰী উদ্ভিদেৰে গঠিত।

(৫) পূৰ্বীয় আৰ্দ্ৰমিশ্ৰিত পলসুৰা ঘাঁহনি (Easter Wet Alluvial Grasland Teri Formation)ঃ এই ধৰণৰ ঘাঁহনিত কঁহুৱা (saccharum procerum), ইকৰা (S.Spontancum), খাগৰি, বিৰিণা আদি ঘাঁহনি পোৱা যায়। পানী আবদ্ধ হৈ থকা অঞ্চলত প্ৰকৃতাৰ্থত কোনো বৃক্ষ দেখা নাযায়। জলজ উদ্ভিদৰ ভিতৰত মেটেকা পুণী বিৰিণা আদিৰ আধিক্য দেখা যায়।

টেৰাই আৰু ছাভানা ঘাঁহনিয়ে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ৫০ শতাংশতকৈ অধিক অঞ্চল আৱৰি আছে। এই ঘাঁহনিৰ দুটা চাৰিত্ৰিক নীতি আছে।

এটা বৈজ্ঞানিক বিশ্লেষণ মতে মাটিৰ গুণাগুণৰ বাবে ছাভানা আৰু টেৰাই ঘাঁহনিক ঘাঁহনি গঠনৰ সৰ্বশেষ স্তৰ বুলি কোৱা হয়। অধিক পৰিমাণে পানীৰ উপস্থিতি আৰু ক্ৰমান্বয়ে পচা জাবৰ-জোঁথৰ, হিউমাছ, বালি, পলস আৰু বোকাময় বা পঙ্কিল অঞ্চলত টেৰাই বনাঞ্চলৰ সৃষ্টি হয় য'ত পানীৰ পৰিমাণ আপেক্ষিকভাৱে কম আৰু মাটিৰ গঠনত পলসুৰা বালিৰ সৈতে পৰ্যাপ্ত হিউমাছ থাকে। আনহাতেদি ভাবাৰ অঞ্চল বিশ্লেষণ মতে নিয়মিতভাৱে ঘাঁহনি দহন প্ৰক্ৰিয়া সম্পন্ন কৰা ফলস্বৰূপে ঘাঁহনিবোৰৰ ক্ৰম পৰিৱৰ্তন স্থবিৰ হৈ এটা স্থায়ী জৈৱিক অৱস্থাৰ ঘাঁহনিৰ সৃষ্টি হয়। মানাহত নিম্নশ্ৰেণীৰ উদ্ভিদৰ প্ৰকৃত নিৰূপণ কৰিবলৈ বা চিনাক্তকৰণ এতিয়াও বহু বাকী। এতিয়াও কেবাবিধো বহুমূলীয়া আৰু দুষ্প্ৰাপ্য উদ্ভিদৰ বাসস্থান তাৰ ভিতৰত বনআম আদি উল্লেখযোগ্য।

মানাহৰ বনাঞ্চলত শতাধিক প্ৰজাতিৰ ঔষধি গুণসম্পন্ন উদ্ভিদ পোৱা যায়। তাৰ ভিতৰত বাঘ নল, নিলিখৎ, গন্ধসৰে, ভেদাইলতা, ফেনেল লতা, মাই চুন্ড্ৰি এক কহিমা ফল, অৰ্জুন, দুৱৰি বন, দহী গছ, পাতেগজা, পচতীয়া, দৈশ্ৰেম, খয়েৰ, তেজপাত, বন আলু, ফেছুৱা, কতিমালা, মানিমুনি, ডিংডিঙা, বাঘ্ৰা তিতা, লতিশাক, মহানিম, নেমু, অমৰা, চিৰতা তিতা, ছালকুঁৱৰী, হাড়জোৰা, শিলিখা, আমলখি আদি উল্লেখযোগ্য।

(খ) প্ৰাণীৰ বৈচিত্ৰ্য (Faunal Diversity) ঃ মানাহ প্ৰকৃতি মাতৃৰ অমূল্যদান আৰু প্ৰাণীবিদসকলৰ বাবে ভূস্বৰ্গ স্বৰূপ। মানাহত এতিয়ালৈকে ৬০ টা প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ৩১২ টা প্ৰজাতিৰ পক্ষী, ৪২ টা প্ৰজাতিৰ উভচৰ, ৫৪ টা প্ৰজাতিৰ অমেৰুদণ্ডী প্ৰাণী আৰু শতাধিক প্ৰজাতিৰ পখিলা আৰু পতংগ চিনাক্তকৰণ কৰা হৈছে।

এই ৬০ টা প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণীৰ ভিতৰত ২১ টা ভাৰতীয় বন্যপ্ৰাণী সংৰক্ষণ আইনৰ প্ৰথম অনুসূচীৰ অন্তৰ্ভুক্ত। নলগাহৰি (Sus salvanius) মানাহত বাস কৰা আটাইতকৈ দুষ্প্ৰাপ্য প্ৰাণী। অন্যান্য প্ৰাণীৰ বিপদাপন্নৰ ভিতৰত মেকুৰী বৰ্গ প্ৰাণী ৬ টা ঢেঁকীয়াপতীয়া বাঘ, সোণালী মেকুৰী, মাছুৱৈ মেকুৰী আৰু লতামেকুৰী বাঘ। ৩ টা প্ৰজাতিৰ টুপীমূৰিয়া বান্দৰ (Presbytis pileatus), সোণালী বান্দৰ (Tradytithecus geei) আৰু লাজুকী বান্দৰ (Nycticebus caucang) আদি পোৱা যায়। এছিয়া হাতী (Elephas maximus), বনৰৌ (Maniscrassicau data), বিনটুৰাংগ (Aretictis binturong), সোৰোপা ভালুক (Melursus ursinus), এটা খৰ্গযুক্ত গঁড় (Rhinoceros unicornis), ম'হ (Bubalus bubalis), দল হৰিণ (Carvus duvauceli), উৰণীয়া কেৰ্কেটুৱা (Famambuhus SPP), খাগৰিকটা শহা (Caprolagus hispidus), শিহু (Platanista gangatica), কেটেলা পহু (Hystirix indica) আদি মানাহত পোৱা বিপদাপন্ন প্ৰজাতিৰ প্ৰাণী।

মানাহত পোৱা ৩১২ টা প্ৰজাতিৰ পক্ষীৰ ভিতৰত ১০ বিধেই ভাৰতীয় বন্যপ্ৰাণী সংৰক্ষণ আইন ১৯৭২ ৰ প্ৰথম অনুসূচীৰ অন্তৰ্ভুক্ত। তাৰ ভিতৰত ক'লা-মৌখাপ (Black Crested Baza), জাগাৰ (Falco Juggar), Shahin Falcom, উলুমৰা (Haubaropis bengalensis), ধেকধেকী (Pied hornbill), ৰাজধনেশ (Great pied hornbill, Rufousneeked hornbill, Wreathed hornbill, ম'ৰা চৰাই (Common peafowl) আৰু কুকুৰা (Pea cok pheasent)। এইবোৰৰ উপৰিও মানাহত অন্যান্য প্ৰজাতিৰ চৰাইৰ ভিতৰত বগা পিঠীয়া শগুন(Gyps bengalensis), বৰটোকোলা (Leptoptilus javaniyus), হাড়গিলা (Leptoptilus dubius), ক'লা ডিঙিৰ ষ্টৰ্ক (Ephittiorhynchus asiaticus),

https://howlyraasmahotsav.org/

ঈগল (Pallas Fishing Egale), পেলিকান আদি উল্লেখযোগ্য চৰাই।

মানাহত নথিযুক্ত হোৱা ৪২ টা প্ৰজাতিৰ সৰীসৃপৰ ভিতৰত ৩০ টা প্ৰজাতিৰ জেঠী, ২ টা প্ৰজাতিৰ কাছ আৰু এটা প্ৰজাতিৰ ঘঁৰিয়াল পোৱা যায়। এইবোৰৰ ভিতৰত গুঁইসাপ, কেঁকো, ভাইপাৰ, ফেটীসাপ, ক্ৰেইট, Flying Snake, Kulbeck, পানীসাপ, অজগৰ সাপ আদি উল্লেখযোগ্য। ১৯৮৮ চনত ইয়াত Assam Roofed Turtle পোৱা গৈছিল; তথ্যমতে যাৰ চলং কেৱল বৃটিছ মিউজিয়ামতহে সংৰক্ষিত অৱস্থাত আছে।

মানাহত ৫ টা পৰিয়ালৰ অন্তৰ্গত ৭ টা প্ৰজাতিৰ উভচৰ প্ৰাণী চিনাক্তকৰণ কৰা হৈছে। সেইবোৰৰ ভিতৰত চুক ভেকুলী, পানী বেং, বামুণ ভেকোলা, মাইক্ৰহাইলা, পাত বেং আৰু Cocopus golbulosus; আনফালে ৯ টা গোত্ৰৰ ১৯ টা পৰিয়ালৰ অন্তৰ্গত ৫৪ প্ৰজাতিৰ মাছ মানাহ নৈ, বেঁকী নদী আৰু মানাহৰ ভিতৰত থকা সৰু-বৰ নৈ বা জলাশয়বোৰত পোৱা যায়। এইবোৰৰ ভিতৰত ১২ প্ৰজাতিৰ মাছ দুৰ্লভ আৰু সেইকেইটা হ'ল- Barillius shacra, B. Vagra, Crossocheilus latius, Chagumius chagunio, Garra gotyal, Labeo pangusia, Puntius geluis, P. guganio, Semiplous semi plotus, Pscloehynchus sucation, somileptes gongota, lysa horae আদি প্ৰধান।

জলবায়ু পৰিৱৰ্তনত মানাহৰ ভূমিকা ঃ

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যৰ ভিতৰত অসমৰ উত্তৰ-পশ্চিমাঞ্চলত অৱস্থিত হিমালয়ৰ পাদদেশত থকা এই বিস্তৃত ভূখণ্ড মানাহ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলেই জলবায়ু পৰিৱৰ্তনত বিশেষ ভূমিকা অৱলম্বন কৰছে। এই অৰণ্যই অক্সিজেনৰ ভঁৰাল আৰু কাৰ্বন-ডাই-অক্সাইড শোষণ কৰা যন্ত্ৰ বুলিব পাৰি। এইখন দলিচাৰ বাবে আমি অফুৰন্তভাৱে শুদ্ধ অক্সিজেন পাই জীৱন ধাৰণ কৰিছোঁ হক। সেয়েহে জলবায়ু পৰিৱৰ্তনত মানাহে এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে।

মানাহ বনাঞ্চলত বেদখল উদ্বেগজনক ঃ

বনাঞ্চলৰ নাম (সংৰক্ষিত)	বেদখলৰ পৰিমাণ
বৰনদী অভয়াৰণ্য	৪০০.০০ হেক্টৰ
সালিংদুৱাৰ সংৰক্ষিত বনাঞ্চল	১৩৬৫.০০ হেক্টৰ
ভৈৰবকুণ্ড সংৰক্ষিত বনাঞ্চল	১৩৫.০০ হেক্টৰ
ৰৌতা সংৰক্ষিত বনাঞ্চল	২৩৪২.৫৩ হেক্টৰ
বাটাবাৰী সংৰক্ষিত বনাঞ্চল	৪২৭.০০ হেক্টৰ
দিহিৰা সংৰক্ষিত বনাঞ্চল	৩৬৮.০০ হেক্টৰ
সুৱনখাটা সংৰক্ষিত বনাঞ্চল	৩৪৩.০০ হেক্টৰ
মৰা পাগলাদিয়া সংৰক্ষিত বনাঞ্চল	৮০০.০০ হেক্টৰ
দাৰাঙ্গা সংৰক্ষিত বনাঞ্চল	৩৮৪৫.০০ হেক্টৰ
চিৰাং সংৰক্ষিত বনাঞ্চল	১৮০৬১.৬৮ হেক্টৰ
কচুগাঁও সংৰক্ষিত বনাঞ্চল	২৭৭.৩৫ হেক্টৰ
মানাহ সংৰক্ষিত বনাঞ্চল	২১৩.০০ হেক্টৰ
ভূএগ্ৰাপাৰা বনাঞ্চলিক কাৰ্যালয়	১৬০০.০০ হেক্টৰ
পানবাৰী বনাঞ্চলিক কাৰ্যালয়	১৬৩০.০০ হেক্টৰ

উপৰিউক্ত বন বিভাগৰ তথ্য মতে মানাহ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল ২৮৩৭ বৰ্গ কিঃমিঃৰ ভিতৰত বেদখলৰ পৰিমাণে গোটেই মানৱ জাতিক চৰম সংকটৰ ফালে ঠেলি দিছে। বেদখলৰ পৰিমাণ প্ৰতি বছৰে উদ্বেগজনক ভাৱে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। সেয়েহে সময় থাকোতে বন বিভাগ তথা ৰাইজে যৌথভাৱে মিলি ব্যৱস্থা গ্ৰহণ কৰা উচিত। অন্যথা মানৱ জাতিৰ চৰম সংকট ঘনীভূত বুলিব পাৰি।

মানাহ পৰ্যটন আৰু জীৱিকা ঃ মানাহত ক্ৰমান্বয়ে পৰ্যটকৰ সংখ্যা বৃদ্ধিয়ে কিছু আশাৰ সঞ্চাৰ কৰা দেখিবলৈ পোৱা গৈছে। কিন্তু বাঁহবাৰীকেন্দ্ৰিক পৰ্য্যটন হ'লেই নহ'ব। সমগ্ৰ মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ অধীনত পৰ্যটন উদ্যোগ চলি থাকিব লাগিলে সুস্থ আইন শৃংখলা আদি অত্যন্ত নিৰ্ভৰশীল।

https://howlyraasmahotsav.org/

ভাষিক নিপুণতা, শিক্ষাত মাতৃভাষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব এটি অধ্যয়ন

সমীৰণ দাস

ভাষাতাত্ত্বিক নিপুণতা বুলি ক'লে এটা ভাষা শুদ্ধকৈ ক'ব আৰু লিখিবি পৰা দক্ষতাকে বুজা যায়। ভাষিক দক্ষতা আয়ত্ত হয় শ্ৰৱণ, কথন, পঠন আৰু লিখনৰ জৰিয়তে। ভাষাৰ কিছুমান মানসিক কাৰ্যাৱলী থাকে। ভাষাৰ গঠন, বিকাশ প্ৰকাশ সম্পৰ্কে মানুহৰ মনোজগতৰ অৱচেতন মনত ইতিমধ্যে অন্তৰ্নিহিত হৈ থাকে, পৰৱৰ্তী সময়ছোৱাত বাহ্যিক জগতৰ অভিজ্ঞতা আৰু সামাজিক পৰিৱেশৰ সহযোগত ভাষাৰ বিকাশ হয়। ভাষাৰ এনে ধাৰণা পোনতে আনিছিল ন'ম চমস্কি নামৰ ভাষা বিজ্ঞানী এজনে ১৯৬৫ চনত। চমস্কিৰ মতে প্ৰত্যেক ব্যক্তিৰ অৱচেতন মনত কিছুমান শব্দ, ধ্বনিৰ বিমূৰ্ত ভাব সোমাই থাকে আৰু ভাষাৰ এই প্ৰাৰম্ভিক জ্ঞানক কোনো ব্যাকৰণে উত্তৰণ ঘটাব নোৱাৰে। ই স্বতঃস্ফূৰ্তভাৱে বাগেন্দ্ৰিয়ৰ দ্বাৰা প্ৰকাশ পায়।

প্ৰকৃতাৰ্থত অন্তৰ্নিহিত ভাষাৰ দক্ষতাক জুখিব পৰা নাযায়। ইয়াৰ অন্তৰ্নিহিত ভাষিক জ্ঞানে ধ্বনি আৰু শব্দৰ অৰ্থ বুজি পোৱাত সহায় কৰে। সাধাৰণতে ভাষাৰ বিকাশত দুই ধৰণৰ ব্যাকৰণিক উপাদান লক্ষ্য কৰিব পাৰি ব্যাকৰণগত ৰূপতত্ত্ব আৰু ধ্বনিতত্ত্ব। ৰূপতত্ত্বই শব্দৰূপ আৰু বাক্য বিন্যাসৰ সূত্ৰসমূহ দাঙি ধৰে আৰু ধ্বনিতত্ত্বই ভাষাতাত্ত্বিক পৰিৱেশত স্বৰ আৰু ব্যঞ্জনৰ উচ্চাৰণ, স্বাসাঘাত, সুৰ, লয় আদি আলোচনা কৰে। অৱশ্যে শব্দতত্ত্বই ভাষাটোৰ নিজস্ব জতুৱা ঠাঁচ খণ্ডবাক্য, যোজনা, পটন্তৰ আদি প্ৰকাশ কৰাত সহায় কৰে।

ভাষিক নিপুণতা আৰু মাতৃভাষাৰ মাজত এক গভীৰ সম্পৰ্ক আছে। মাতৃভাষা শিক্ষণৰ যোগেদি ব্যক্তিৰ ভাষিক নিপুণতাৰ বিকাশ সাধন হয়। মাতৃভাষা হৈছে যিকোনো সংস্কৃতিৰ এক সংহত উপাদন আৰু বিভিন্ন সংস্কৃতি বা অন্তঃসংস্কৃতিৰ বুনিয়াদী ভেটি। মাতৃভাষাৰ সম্বন্ধে পাণ্ডিতমহলৰ বিভিন্ন মত দিয়া দেখা যায়।

যি ভাষা পৰিয়ালৰ পৰা শিকা হয়, ঘৰত ব্যৱহাৰ হয়, সেই ভাষাই মাতৃভাষা। শিশুৱে প্ৰথমে কোৱাত ব্যৱহাৰ কৰা ভাষা সমাজত ব্যৱহাৰ কৰা ভাষাটোৱেই মাতৃভাষা। যি ভাষা সাৱলীলভাৱে ক'ব পাৰি বা যিটো ভাষাক বেছি অগ্ৰাধিকাৰ দিয়া হয়, সেই ভাষটোকে মাতৃভাষা আখ্যা দিব পাৰি।

"The term mother tongue refers to a persons unative language that is a language learnt from birth also called a first language, dominent language, home language and native tongue."

মাতৃভাষা পিতৃ বা মাতৃৰ ভাষাই হ'ব লাগিব বুলি কোনো বাধ্যবাধকতা নাই, কিয়নো কেতিয়াবা শিশু এটিৰ বিশেষকৈ দ্বি-ভাষী শিশু যাৰ পিতৃৰ ভাষা আৰু মাতৃ ভাষা বেলেগ বেলেগৰ হয়, তেনে শিশুৰ মাতৃভাষা দুটাও হ'ব পাৰে। অৱশ্যে এনে ক্ষেত্ৰত শিশুটোৱে যিটো ভাষাত সহজ অনুভৱ কৰিব সেইটোৱে তাৰ মাতৃভাষা বুলি গণ্য কৰিব পাৰি।

এখন ৰাজ্যৰ বিদ্যালয়ত বা কাৰ্য্যলয়সমূহত এই ঘৰুৱা ভাষাবোৰৰ যিটো মান্যৰূপ সেই ৰূপটোকে বিদ্যালয়ৰ প্ৰথম ভাষা হিচাপে বিবেচনা হয়। এই প্ৰথম

https://howlyraasmahotsav.org/

ভাষাটিয়ে বিদ্যালয়ৰ মাতৃভাষা মাধ্যম। বিদ্যালয়ৰ শিক্ষাত মাতৃভাষা মাধ্যম বা মাতৃভাষা শিক্ষাৰ গুৰুত্ব অপৰিসীম, বৰং অত্যন্ত জৰুৰী তথা এৰাব নোৱাৰা বিষয়। তলত মাতৃভাষা শিক্ষাৰ প্ৰয়োজনীয়তা তথা গুৰুত্ব সম্পৰ্কে আলোচনা কৰা হ'ল—

ক) মাতৃভাষা শিক্ষাৰ জৰিয়তে শিক্ষাৰ্থীৰ মৌখিক, লিখিত আৰু ভাবানুভূতিৰ সমুচিত প্ৰয়োগ, বিকাশ আৰু বোধ শক্তিৰ প্ৰসাৰ হয়।

খ) মাতৃভাষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বিষয়বস্তু সহজে আয়ত্ত কৰিব পাৰে আৰু দ্বিতীয় ভাষা এটিৰো অনুশীলন কৰি বিষয়বস্তুৰ বহল পৰিসৰৰ লগত সামঞ্জস্য ৰাখিব পাৰে।

গ) শিক্ষাৰ্থীৰ সৃজনী শক্তি, কল্পনা শক্তি আৰু বৌদ্ধিক বিকাশৰ বাবে মাতৃভাষা শিক্ষাৰ প্ৰয়োজনীয়তা অতীৱ প্ৰয়োজন। মাতৃভাষা শিক্ষাৰ এই প্ৰয়োজনীয়তা মাতৃভাষা শিক্ষাত কিছুমান সুবিধা সৃষ্টি কৰে। তলত এই সুবিধাসমূহ আলচ কৰা হল ঃ—

১) ভাষা শিকাৰ প্ৰাথমিক উদ্দেশ্য হৈছে নিজৰ মনৰ ভাৱ শুদ্ধ আৰু স্পষ্টকৈ প্ৰকাশ কৰা। মাতৃভাষা শিক্ষণৰ জৰিয়তে শিক্ষাৰ্থীসকলে অতি সহজে নিজৰ মনৰ ভাৱ শুদ্ধ আৰু নিয়াৰিকৈ প্ৰকাশ কৰিব পাৰে।

২) মাতৃভাষা শিকনৰ বাবে কোনো আনুষ্ঠানিকতাৰ প্ৰয়োজন নহয়। পৰিৱেশ, পৰিয়াল আৰু লগৰীয়াৰ পৰাই মাতৃভাষা আয়ত্ত কৰিব পাৰি।

৩) মাতৃভাষাৰ জ্ঞান আৰু চৰ্চাৰ ওপৰতহে অন্যান্য বিষয়ৰ শিক্ষা তথা শিশুৰ সমগ্ৰ শিক্ষা নিৰ্ভৰ কৰে। মাতৃভাষাৰ বুনিয়াদ সৰল হ'লেহে অন্যভাষাৰ শিকনত সহজ হয়।

৪) মাতৃভাষাই শিশুৰ ঐতিহ্য, সংস্কৃতি, পৰম্পৰা, মূল্যবোধ আদিৰ পূৰ্ণ বিকাশ সম্ভৱ কৰি তোলে।

৫) মাতৃভাষাৰ শিক্ষাই প্ৰজন্মৰ ব্যৱধানত অন্তৰায় হিচাপে থিয় দিয়ে।

৬) মাতৃভাষাৰ সম্পূৰ্ণ ভাষাগত দক্ষতাই ভাষাভিন্ন অন্য বিষয়ৰ জ্ঞান বোধ কৰাত সহায় কৰে।

৭) মাতৃভাষা শিক্ষাৰ ফলত বিদ্যালয় আৰু অভিভাৱক-অভিভাৱিকাৰ মাজত সহজ সম্পৰ্কে স্থাপনত সহায় কৰে।

মানৱ জীৱনত মাতৃভাষাৰ গুৰুত্ব অপৰিসীম। এই সন্দৰ্ভত দাৰ্শনিক, পণ্ডিত, শিক্ষাবিদ আৰু আনকি মনীষীসকলেও স্বীকাৰ কৰিছে। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত মাতৃভাষাৰ গুৰুত্ব অপৰিহাৰ্য। মাতৃভাষাৰ গুৰুত্ব সম্পৰ্কে শিক্ষাবিদ ৰায়বাৰ্নে কৈছে— "The mother tongue is at once a tool, a source of joy, and happiness and knowledge, a director of taste and feeling."

'মাতৃভাষা একাধাৰে সঁজুলি, আনন্দ, সুখ আৰু জ্ঞানৰ উৎস, ৰুচি আৰু অনুভূতিৰ পৰিচালক। মাতৃভাষাৰ গুৰুত্ব সম্পৰ্কত অন্য এজন শিক্ষাবিদ ষ্টুৰ্টভেণ্টেয়ে কৈছে 'A language is a system of arbitrang vocal symbols by which members of social group co-operate and inter act.' গতিকে মাতৃভাষাৰ উদ্দেশ্য সম্পৰ্কত নিম্ন উল্লিখিত দৃষ্টিভংগীৰ ফালৰ পৰা আলোচনা কৰিব পাৰি ঃ

ক) মাতৃভাষাৰ মাধ্যমত আত্মপ্ৰকাশৰ স্থল ঃ ভাব, চিন্তা, অনুভূতিৰ প্ৰকাশৰ বাহক হ'ল মাতৃভাষা যিহেতু মাতৃভাষাৰ মাধ্যমত মানুহে নিজস্ব ভাৱ, অনুভূতিক আনৰ আগত প্ৰকাশ কৰিব পাৰে। মানুহৰ অন্তৰত সুপ্ত হৈ থকা সৃজনাত্মক প্ৰতিভা বিকাশ কৰি জাতীয় সাহিত্য সৃষ্টিত অৰিহণা যোগাব পাৰে। স্বাভাৱিকতে মাতৃভাষাৰ জৰিয়তেই ব্যক্তিৰ আত্মপ্ৰকাশৰ সৰ্বাধিক স্থল নিহিত হৈছে।

খ) মাতৃভাষা সামাজিক আৰু মানৱিক সম্পৰ্কৰ ৰক্ষাকৰচ স্বৰূপ ঃ একোটা অঞ্চলত মাতৃভাষাই প্ৰধান স্থান অধিকাৰ কৰি থাকে। ব্যৱহাৰিক জীৱনত অধিকাংশ মানুহে মাতৃভাষাতে ভাৱৰ আদান-প্ৰদান কৰাৰ পৰিপ্ৰেক্ষিতত সামাজিক বান্ধোন দৃঢ় হয়। এনেকি নৱজাত শিশুৱে এটা সময়ত মাতৃভাষাতেই কথা ক'বলৈ অভ্যাস কৰে। মাতৃভাষাৰ মাধ্যমত ভাৱৰ আদান-প্ৰদান কৰি সামাজিক আৰু মানৱিক সম্পৰ্ক ৰক্ষা কৰি সমাজৰ একতা-সংহতিত অৰিহণা যোগান ধৰি অহিছে।

গ) জাতীয় আৰু বংশগত ঐতিহ্যৰ ধাৰক আৰু বাহক ঃ মাতৃভাষাৰ মাধ্যমত সৃষ্টি হোৱা সাহিত্য সম্পদে জাতীয় ঐতিহ্যক গঢ় দিয়ে। জাতীয় সাহিত্যই এটা জাতিৰ উত্থান-পতন ঘটাব পাৰে। পৃথিৱীত এনে ঘটনাৰ আকাল নাই। যি জাতিৰ সাহিত্য নাই সেই জাতিৰ উন্নতি

https://howlyraasmahotsav.org/

নাই, অৰ্থ নাই। মাতৃভাষাৰ মাধ্যমত প্ৰবাদ, প্ৰবচন, ধৰ্মীয় সাহিত্য, লোক-সাহিত্য আদি ৰচনা কৰি জাতীয় একতাক শক্তিশালী কৰি গঢ়ি তোলা হয়। পূৰ্বপুৰুষসকলে মাতৃভাষাৰ জৰিয়তে নিজৰ উৎকৃষ্ট চিন্তাৰাজি, সৃষ্টিৰাজি, ভৱিষ্যত প্ৰজন্মলৈ অৱদান আগবঢ়াই যাব পাৰে। সংস্কৃতিৰ ওপৰতে সাহিত্য সমৃদ্ধ হয় আৰু সাহিত্যই সংস্কৃতিক জীয়াই ৰাখে।

ঘ) মাতৃভাষা মানুহৰ অনুভূতিৰ ভাষা ঃ মাতৃভাষা হ'ল মন আৰু চিন্তাৰ ভাষা। মানুহৰ বিৰহ-বেদনা, হৰ্ষ-বিষাদ, সুখ-দুখ আদি মাতৃভাষাত প্ৰকাশিত হয়। মাতৃভাষাৰ মাধ্যমত ব্যক্তি-অভিব্যক্তিৰ প্ৰকাশ, ব্যৱহাৰিক জীৱনৰ প্ৰকাশ, জীৱনৰ ঘাত-প্ৰতিঘাতৰ প্ৰকাশ সাধাৰণতে হয়। সেয়ে মাতৃভাষা মানুহৰ ভাৱ-অনুভূতিৰ প্ৰকাশৰ ভাষা।

ঙ) শিশুৰ জীৱনত মাতৃভাষাৰ প্ৰভাৱ ঃ মানৱ শিশুৱে জন্ম ধাৰণ লৈ সমাজ, পৰিয়ালৰ পৰা অনুকৰণ, আয়ত্তকৰণৰ জৰিয়তে মাতৃভাষা শিকি লয়। বিদ্যালয় শিক্ষাৰ জৰিয়তে মাতৃভাষাৰ জ্ঞান আৰু বেছি প্ৰকট হয়। এটা কথা অতি স্পষ্ট যে মাতৃভাষা শিক্ষাইহে শিশুৰ শিক্ষা জীৱনত গতিশীলতা আনিব পাৰে। মানৱ জীৱনৰ সমগ্ৰ প্ৰক্ৰিয়াটোতে মাতৃভাষাৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ।

চ) মাতৃভাষাৰ শিক্ষাৰ বাহন ঃ শ্ৰৱন, কথন, পঠন আৰু লিখন এই চাৰিটা মুখ্য কৌশলেৰে মাতৃভাষাৰ শিক্ষা প্ৰাপ্তি হয়। মাতৃভাষাৰ জৰিয়তে শিক্ষাগ্ৰহণ কৰিলে শিশুৱে শিক্ষাগ্ৰহণত যথেষ্ট সহায় পায় আৰু সহজে আয়ত্ব কৰিব পাৰে। শিক্ষাদান আৰু শিক্ষাগ্ৰহণত মাতৃভাষাই গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰে।

ছ) মাতৃভাষা ভাব প্ৰকাশৰ বাহন ঃ ভাষা ভাৱৰ দাপোন। ভাষাৰ দুটা ৰূপ এটি উচ্চাৰিত আৰু আনটি লিখিত ৰূপ। ভাষাক সাংকেতিক সাধনা হিচাপে মানুহে ভাৱ-অনুভূতি আৰু ধাৰণা প্ৰকাশ কৰে। মানুহে নিৰ্দিষ্ট পথতহে চিন্তা কৰে। চিন্তাৰ ভাষা হ'ল- মাতৃভাষা। মানুহৰ চিন্তাধাৰা ভাষাৰ মাধ্যমতহে প্ৰকাশ হয়।

জ) মাতৃভাষা সৌন্দৰ্য সৃষ্টিৰ সাধন ঃ মাতৃভাষাক ভিত্তি কৰি মানুহে সাহিত্যিক সৌন্দৰ্য সৃষ্টি কৰে। মাতৃভাষা ৰস, সৌন্দৰ্য, শিল্প, কলাৰ বাহন। সাহিত্য ৰসাস্বাদনৰ আনন্দ উপভোগ মাতৃভাষাৰ দ্বাৰাই হৈছে। নিজৰ ভাষা-সাহিত্য, কলা-কৃষ্টি আদিৰ সৌন্দৰ্যৰাশি উপভোগ কৰিবলৈ মাতৃভাষাৰ জ্ঞান অত্যন্ত প্ৰয়োজন।

ঝ) মাতৃভাষা মানসিক আৰু বৌদ্ধিক বিকাশৰ সাধক ঃ মানুহৰ প্ৰবৃত্তি, আবেগ আদি মাতৃভাষাৰ যোগেদি প্ৰকাশ পায়। সাহিত্যৰ মূল্যবোধ সৃষ্টি হৈছে মাতৃভাষাৰ যোগেদিহে। মাতৃভাষাৰ যোগেদি মানুহৰ আবেগ অনুভূতি, বিৰহ-বেদনা, সুখ-দুখ, জ্ঞান-প্ৰজ্ঞা, চিন্তা-চৰ্চা, সকলো সৃষ্টিশীল সাহিত্য আদি প্ৰকাশিত হয়। সামাজিক ক্ৰিয়া-কলাপ, সমাযোজন আদিতো মাতৃভাষাই সহায় কৰে।

গতিকে দেখা যায় মাতৃভাষা শিক্ষাৰ অধ্যয়নে ভাষিক দক্ষতা বিকাশ কৰি এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে। কিন্তু মাতৃভাষা শিক্ষাৰ কেতবোৰ নেতিবাচক থলো আছে। তলত এই বিষয়ে আলোচনা যুগুত কৰা হ'ল ঃ

১। মহাবিদ্যালয়ত মাতৃভাষাৰ ব্যৱহাৰ সীমিত হোৱা দেখা যায়। প্ৰাথমিক আৰু মাধ্যমিক স্তৰত মাতৃভাষাৰ ব্যৱহাৰ ফলপ্ৰসূ। মাতৃভাষাৰ শিক্ষাৰেই অকল দীক্ষিত হ'লেই উচ্চ শিক্ষা পৰ্যায়ত শিক্ষাৰ্থীয়ে অন্যভাষা আয়ত্ত কৰাত অসুবিধা পায়।

২। মাতৃভাষা শিক্ষাৰ সঘন ব্যৱহাৰৰ ফলত শিক্ষাৰ্থীসকলে আন্তঃৰাজ্যিক বা আঞ্চলিক বা অন্তঃৰাষ্ট্ৰীয় যোগাযোগৰ ক্ষেত্ৰত বাধাৰ সন্মুখীন হয়।

৩। শিক্ষাৰ বাণিজ্যিকীকৰণ আৰু ব্যক্তিগতকৰণত মাতৃভাষাৰ যোগেদি শিক্ষাগ্ৰহণ অৰ্থহীন। নিয়োগৰ ক্ষেত্ৰতো মাতৃভাষাৰ প্ৰয়োগ অন্তৰায়স্বৰূপ হয়।

৪। উচ্চ শিক্ষা, তথ্য প্ৰযুক্তি, কাৰিকৰী, চিকিৎসাবিজ্ঞান আদিৰ ক্ষেত্ৰত মাতৃভাষাৰ যোগেদি শিক্ষা দিয়াটো অসম্ভৱ।

সামৰণিত ক'ব পাৰি যে যদিও অসুবিধা আছে, তথাপি আমি স্বীকাৰ কৰিবই লাগিব যে ভাষিক দক্ষতা অৰ্জনত বিশেষকৈ পঠন, লিখন আৰু ব্যৱহাৰৰ ক্ষেত্ৰত মাতৃভাষাই আমাৰ সৰ্বশ্ৰেষ্ঠ অৰিহণা যোগায়। মাতৃভাষাৰ যোগেদি আৰু অন্যান্য বিষয়তো ২য় ভাষা

৩য় ভাষাৰ অনুশীলন, চৰ্চাৰ মাধ্যমেদি ভাষাৰ চৰ্চা কৰিলে শিক্ষাৰ্থীয়ে ভাষিক নিপুণতা অৰ্জনত সফল হ'ব পাৰে।

https://howlyraasmahotsav.org/

ভ্ৰাম্যমাণ থিয়েটাৰৰ স্থিতি গতিৰ আলোকৰেখা

ড° বসন্ত কুমাৰ শৰ্মা

সম্প্ৰতি অসমত ভ্ৰাম্যমাণ থিয়েটাৰ দলৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে বিশেষ গুণসম্পন্ন, প্ৰতিভাশালী অভিনেতা-অভিনেত্ৰীৰ সংখ্যা সন্তোষজনকভাৱে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। একেদৰেই সূক্ষ্ম দৃষ্টিভঙ্গীসম্পন্ন, উচ্চ শিক্ষিত প্ৰযোজকৰ সংখ্যাও বৃদ্ধি পোৱা মনকৰিবলগীয়া। 'অপেৰা' 'যাত্ৰাপাৰ্টী'ৰ মালিকেও সময়ৰ পৰিৱৰ্তিত আওতাত নিজক ৰজিতা খুৱাই 'প্ৰযোজক' হৈ ভ্ৰাম্যমাণ থিয়েটাৰৰ গতি ত্বৰান্বিত কৰাত সহায়-সহযোগ কৰা অনস্বীকাৰ্য। 'মালিক', 'প্ৰযোজক' শব্দ বাদ দি 'প্ৰডিউচাৰ' শব্দ নামৰ আগে-পাছে প্ৰয়োগ কৰি ভ্ৰাম্যমাণ থিয়েটাৰ দল বিশেষ পৰিচালনা কৰা, কথাই প্ৰতি 'মই বৰ' ভাব প্ৰকাশ কৰি সংবাদ মাধ্যমত শীৰ্ষস্থান দখল কৰিবলৈ প্ৰয়াস কৰা সংস্কৃতিৰ সেৰকো ক্ৰমে বাঢ়িয়ে আছে। ভ্ৰাম্যমাণ থিয়েটাৰে সমাজ বিন্যাস, সমাজৰ চিন্তা-চৰ্চাত প্ৰভাৱবিস্তাৰ কৰাৰ প্ৰতি লক্ষ্য ৰাখিয়ে প্ৰযোজকে ব্যাপকভাৱে সমাদৃত শব্দ থিয়েটাৰৰ আঁচনি, পৰিকল্পনা যুগুত কৰিয়ে অগ্ৰসৰ হোৱা অনস্বীকাৰ্য।

ন-পুৰণি সকলো ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজকে নাট্যবৰ্ষৰ শাওণ মাহৰ পৰা চ'ত মাহৰ মাজভাগলৈ আৰম্ভণিৰ ছমাহমানৰ পৰাই মূল অভিনেতা-অভিনেত্ৰীৰ নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ কৰাৰ উপৰি নিৰ্বাচিত অভিনেতা-অভিনেত্ৰীয়ে বিচৰা ধৰণে চৰিত্ৰ থকা নাটক নিৰ্বাচন বা সংগ্ৰহত গুৰুত্ব প্ৰদান কৰে। সময় বিশেষে ব্যৱসায়লৈ ৰূপান্তৰিত হোৱা, সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰা নাট্যকাৰ বিশেষৰ কাষ চাপে। আগে ভাগে 'মাননি' দি নাটক নিজৰ হাতলৈ নিয়াৰ পিছতে প্ৰযোজকৰ কৰ্মৰ গতি, চিন্তাত নতুন ধাৰাই খোপনি পোতে। নিৰ্বাচিত অভিনেতা-অভিনেত্ৰীৰ দক্ষতা, শাৰীৰিক অৱয়বৰ প্ৰতি লক্ষ্য ৰাখি নাটকৰ কাহিনী বিন্যাস, চৰিত্ৰ উপস্থাপনত প্ৰযোজকে নাট্যকাৰক এক প্ৰকাৰ হেঁচা দিয়ে। প্ৰযোজকৰ হাতৰ মুঠিৰ পুতলা স্বৰূপ নাট্যকাৰ বিশেষে অ'ৰ-ত'ৰ পৰা সংলাপ সংগ্ৰহ কৰি নাটক ৰচনা কৰিয়ে ক্ষান্ত নাথাকি নাটকৰ নামকৰণতো চমক সৃষ্টি কৰাৰ প্ৰয়াস কৰে। সামাজিক নাটকত সমাজৰ বিষয়, ঘটনা প্ৰকটভাৱে প্ৰতিফলিত হোৱাতকৈ নাট্যকাৰৰ মনেৰে সজা সামাজিক বিষয়হে প্ৰতিফলিত হোৱা দেখা যায়। চমক সৃষ্টি কৰিব পৰা নাটক নিৰ্বাচন কৰি প্ৰযোজকে অন্যান্য অভিনেতা-অভিনেত্ৰীৰ সন্ধান কৰে আৰু মঞ্চৰ কলা-কৌশল সন্দৰ্ভত আগতীয়াকৈ চিন্তা-চৰ্চা কৰি আগবাঢ়ে। থিয়েটাৰৰ প্ৰাৰম্ভিক প্ৰস্তুতি পৰ্বত প্ৰযোজকে শুদ্ধ, স্বচ্ছ বাট গ্ৰহণ কৰিব নোৱাৰিলে নাট্যবৰ্ষৰ বিভিন্ন সময়ত উজুটি খাই পৰাৰো উদাহৰণ নোহোৱা নহয়। অভিনেতা-অভিনেত্ৰীৰ পাৰিতোষিক, পেণ্ডেল বুক, যথাস্থানৰ পৰা সামগ্ৰী ক্ৰয় কৰা আদি বিষয়ত অতি সাৱধানেৰে অগ্ৰসৰ হোৱা পৰিলক্ষিত হয়। অপ্ৰিয় হ'লেও সত্য, মূল অভিনেতা- অভিনেত্ৰীৰ পাৰিতোষিক মাননী বিষয়ত বিশ্বাসযোগ্য তথ্য প্ৰায়ে প্ৰকাশ নাপায়। তিনিটা স্তৰত 'চুক্তি' হোৱা আৰু 'চুক্তি' কাণ বাগৰি বাঢ়িয়ে থকাও মনকৰিবলগীয়া। আন কলা-কুশলী, কৰ্মচাৰীৰ 'মাননি' প্ৰায়ে বিশ্বাসযোগ্য ৰূপত

https://howlyraasmahotsav.org/

প্ৰকাশ প্ৰায়। ভ্ৰাম্যমাণ থিয়েটাৰৰ দুই-এক প্ৰযোজকে কথাই প্ৰতি 'উদ্যোগ চলাইছোঁ, লোকচান হ'লে কোনে দিব। সংস্কৃতিৰ সেৱা কৰি নাখাই মৰিব নোৱাৰোঁ।' বাক্য, কথা শুনাইয়ে নেৰে, হাতে-কামে আয়োজক সমিতি আহ্বায়ক সমিতিলৈ ঠেলি দি উদ্দেশ্য পূৰণ কৰে। মূল অভিনেতা-অভিনেত্ৰীক আগধন হিচাপে বহুত লাখ টকা দিবলগীয়া হোৱা বাবেই তিনিদিনৰ পেণ্ডেল বুক কৰা আয়োজক সমিতি! আহ্বায়ক সমিতিৰ পৰা আগধন হিচাপে লাখ টকা লোৱাৰ উদাহৰণ তেনেই বিৰল নহয়। বৰ্তমান সমিতিয়ে আগধন দিয়াত পিছলৈ গতি নকৰে। কাৰণ, টকাৰেহে টকা আনিব পাৰি। টকা আহিবই। নাটকৰ নামকৰণ, আভিনেতা-অভিনেত্ৰীৰ নাম জানিয়ে সমিতিয়ে উৎফুল্লিত হৈ আগধন দিয়াৰ উদাহৰণ দেখাৰ আছে। প্ৰায়বোৰ থিয়েটাৰ দলৰ আখৰাৰ শুভ কাৰ্য মাঙ্গলিক কাৰ্যৰ মাজেৰে সমাপন কৰা মন কৰিবলগীয়া। শুভ কাৰ্যৰ শুভ ক্ষণৰ সাক্ষী হোৱাৰ বাবেই হওক বা উৎসাহ-উদ্গনি প্ৰদান কৰাৰ বাবেই হওঁক বিভিন্ন ব্যক্তি, অনুষ্ঠান, পেণ্ডেল বুক কৰা সমিতি, আঁৰত থকা নাট্যকাৰ-পৰিচালক, প্ৰচাৰ মাধ্যমৰ বিষয়ববীয়াক প্ৰায়ে নিমন্ত্ৰণ দিয়ে। প্ৰচাৰ মাধ্যমৰ বিষয়ববীয়া বিশেষক দুই-তিনিগৰাকী প্ৰযোজকে উপহাৰ আগবঢ়ায়। তিলকে তাল কৰি প্ৰচাৰ কৰিবলৈ বাধ্য কৰোৱাৰ উদাহৰণো নোহোৱা নহয়। এনে প্ৰচাৰে স্থায়িত্ব লভিব নোৱাৰে। পেণ্ডেলত নাটক চোৱাৰ পিছতে প্ৰচাৰ মাধ্যম আৰু প্ৰযোজকৰ মাজত থকা 'বুজা-বুজি' ওলাই পৰে আৰু তেনে বুজা- বুজিয়ে দৰ্শকক নতুন বুজা-বুজিৰ মাজলৈ লৈ যায়।

নাটকৰ আখৰাৰ সময়ত নাট্যকাৰে সাময়িকভাৱে উপস্থিত হৈ ৰেহ-ৰূপ চোৱাৰ লগতে আৱশ্যকবোধে নাটকৰ কিয়দংশ সংলাপ, পৰিৱেশ উপস্থাপন সন্দৰ্ভত নতুন স্থিতি গ্ৰহণ কৰা মন কৰিবলগীয়া। এসময়ত ড° ভবেন্দ্ৰ নাথ শইকীয়াই নিজৰ নাটকৰ আখৰাৰ সময়ত সক্ৰিয়ভাৱে সহযোগ কৰাৰ উপৰিও পৰিচালনা বিষয়তো দিহা-পৰামৰ্শ দিয়া প্ৰণিধানযোগ্য। ভ্ৰাম্যমাণ থিয়েটাৰৰ সংখ্যা সন্তোষজনক গতিত বৃদ্ধি পোৱাৰ লগে-লগে প্ৰতিভা সম্পন্ন, ন-ন দৃষ্টিভঙ্গী সম্পন্ন নাট্যকাৰৰ সংখ্যাও বাঢ়িছে। তাৰ ভিতৰত প্ৰফুল্ল বৰা, অভিজিৎ ভট্টাচাৰ্য, হেমন্ত দত্ত, চম্পক শৰ্মা, ৰাজদ্বীপ, হিল্লোল কুমাৰ পাঠক, মৃদুল চুতীয়া, প্ৰদীপ নিশিথ, শ্যাম সুন্দৰ জালান, সতীশ দাস, প্ৰফুল্ল বৰ্মন, সমৰেন্দ্ৰ বৰ্মন, অৱতাৰ সিং, কমল হাজৰিকা, অৰূপ কুমাৰ শৰ্মা, ৰমা বৰ্মন, জিতেন শৰ্মা, ধ্ৰুবজ্যোতি শৰ্মা (প্ৰগতিশীল চিন্তাধাৰাৰে সমৃদ্ধ সাংবাদিক হিচাপে সমাদৃত), দেৱজিৎ শৰ্মা, নিতুল মেধি প্ৰভৃতিৰ নাম উল্লেখযোগ্য। সৰহ সংখ্যক নাট্যকাৰে প্ৰযোজকৰ হাতত মনে বিচৰা নাটকৰ পাণ্ডুলিপি দি, খুঁত-খাত দুই-এটা বিষয় উপলব্ধি কৰাৰ সুৰুঙা উলিয়াই দি পিঠি দিয়ে। নটৰাজ থিয়েটাৰৰ শেষৰ ফালে প্ৰযোজকে "অচ্যুত লহকৰ" নাট্যকাৰ, পৰিচালক হিচাপে থাকি দলক আগবঢ়াই নিয়াৰ দৰে চেষ্টা কৰাৰ নিদৰ্শন বৰ্তমান পোৱা নাযায়। সহযোগী প্ৰযোজকে নাটক পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰি সফল হোৱাৰ উদাহৰণো নোহোৱা নহয়। দলগত কাম বুলি বিবেচনা কৰা প্ৰযোজকে নিৰ্দিষ্ট পৰিচালকৰ হাতত নাটকৰ পৰিচালনাৰ কাম এৰি দিয়া বিষয়টোৰ মাজত কৰ্ম বিভাজন প্ৰক্ৰিয়াই চমকপ্ৰদ গতি লভিছে।

আখৰাৰ কাম (মাটি আখৰা, মঞ্চ আখৰা) সম্পূৰ্ণ হোৱাৰ পিছতে শুভ দিন-বাৰ, পক্ষত নাটক মঞ্চস্থ কৰাৰ বাবে আগবাঢ়ে। তাৰ আগেয়ে কৰ্মৰ ভাগ অনুসৰি কৰ্মচাৰী, কলা-কুশলীক চুক্তিবদ্ধ কৰি কামৰ গতিগোত্ৰ বুজাই দিয়ে। থিয়েটাৰ দলটিক এটি পৰিয়াল হিচাপে গণ্য কৰি প্ৰযোজকে পৰিয়ালৰ মুৰব্বী হিচাপে দায়িত্ব গ্ৰহণ কৰে। এই বিষয়ত কহিনুৰৰ প্ৰযোজক ৰতন লহকৰ ব্যতিক্ৰম নহয়। ফলস্বৰূপে পৰিয়াল হিচাপে গ্ৰহণ কৰাৰ সুযোগ পোৱা, বিভিন্ন পৰ্যায়ৰ কলা-কুশলীৰ মাজত নিবিড় আত্মীয়তা গঢ়ি উঠাই নহয়; পৰিয়াল সদৃশ থিয়েটাৰ দলটিৰ মৰ্যাদা বৃদ্ধিত অৱহেলা নকৰে। তিনিবাৰৰ মূৰত মেট্ৰিকৰ ডেওনা পাৰ হোৱা, চিনেমা প্ৰেক্ষাগৃহৰ গেট-কীপাৰ হোৱা, 'প্ৰডিউচাৰ' বুলি দেমাক প্ৰকাশ কৰিয়ে ক্ষান্ত নাথাকি 'মই ডেৰশ মানুহ পুহি আছোঁ' বুলি কোৱা প্ৰযোজক বিশেষে নামী-দামী নাট্যকাৰ, অভিনেতা-অভিনেত্ৰীক গুৰুত্ব দিয়াত বাহিৰে আনক গুৰুত্ব নিদিয়াৰ অভিযোগো নোহোৱা নহয়। আয়কৰ বিভাগৰ প্ৰতি পিঠি দিয়া প্ৰযোজক বিশেষে 'যেনে মাছ দেখোঁ, তেনে জাল গুঠোঁ' ভাব ৰাশি সদায় জাগ্ৰত কৰি চৰকাৰৰ সুবিধা গ্ৰহণতো অগ্ৰসৰ হোৱা দেখা যায়। চৰকাৰৰ সুবিধা গ্ৰহণত আপত্তি থাকিব নোৱাৰে। অপসংস্কৃতিৰ বাটেৰে আগবাঢ়ি সুবিধা গ্ৰহণ কৰিলেহে

https://howlyraasmahotsav.org/

বিপৰ্যয় হোৱাৰ আশংকা থাকে।

নাট্যবৰ্ষৰ প্ৰথম পেণ্ডেলতে থিয়েটাৰ দল বিশেষে দৰ্শকৰ বিপুল দাবীত চাৰিটা, তিনিটা দৰ্শনী কৰি চমক সৃষ্টি কৰা সম্প্ৰতি প্ৰচাৰ হৈছে। প্ৰতিযোগিতামূলক মনোভাবেৰে আগবাঢ়ি যাওঁতে আনক হেয় কৰাৰ উদ্দেশ্যে অপপ্ৰচাৰত লিপ্ত হোৱা নাইতো? টিকট ক্ৰয় কৰি দৰ্শক হৈছেনে? দৰ্শক কোন? প্ৰযোজক (প্ৰডিউচাৰ)ৰ অসাধু ব্যৱসায় প্ৰচাৰত পত্ৰ। জাতি ব্যক্তিয়ে সহায় কৰা সমীচীন হৈছে নে? ভাৰি চাবৰ সময় সমাগত। আভুৱা ভাৰি সমাজত পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰিলে সময়ত কুফল পোৱাৰহে শংকা থাকে।

সুৰেন মহন্ত, তৌফিক ৰহমান, জীৰেশ্বৰ ডেকা প্ৰভৃতিয়ে ক্ৰমে থিয়েটাৰৰ পৰা আঁতৰিবলৈ চেষ্টা কৰাৰ সময়তে তপন দাস, যতীন বৰা, চম্পক শৰ্মা, প্ৰস্তুতি পৰাশৰ, বৰষাৰাণী বিষয়া, চন্দনা শৰ্মা, গায়ত্ৰী মহন্ত, মৃদুল ভূঞা, ৰাজকুমাৰ, সঞ্জীৱ শৰ্মা, মৃদুল চুতীয়া, যোগেশ কাশ্যপ, ভৱেশ বৰুৱা, ৰাগ ঐনিতম, অংকিতা শইকীয়া, ৰবি শৰ্মা, হৰেণ মালাকৰ, পৰাগ শৰ্মা, অলিম্পিকা ভূঞা, প্ৰসেনজিৎ বৰা, শ্যামন্তিকা শৰ্মা, মণি শৰ্মা, প্ৰাণজিৎ দাস, দিব্যজ্যোতি দাস, স্বাগতা বৰুৱা, মীনাক্ষী নেওগ প্ৰভৃতিয়ে অভিনয় শৈলীত নতুনত্ব, মৌলিকতা প্ৰতিফলিত কৰি সৰহ সংখ্যক দৰ্শকৰ মাজত সমাদৃত হোৱাৰ উপৰি নতুন চাম অভিনেতা-অভিনেত্ৰীৰ মাজত অনুপ্ৰেৰণাৰ উৎস হৈ পৰা স্বীকাৰ্য। সম্প্ৰতি অভিনেতা-অভিনেত্ৰীয়ে কঠোৰ অনুশীলনৰ মাজেৰে অভিনয় কাৰ্য-বৃত্তিক চমকপ্ৰদ গতি প্ৰদান কৰাত গুৰুত্ব দিয়াৰ লগতে খুঁত নোহোৱা অভিনয় ধাৰাৰে খ্যাতি অৰ্জন কৰা মন কৰিবলগীয়া। সাৱলীল অভিনয়ৰ মাজেৰে নাটকৰ মানদণ্ড উন্নীতকৰণত অৰিহণা যোগোৱাৰ লগতে সমাজক আপ্লুত কৰা কথাও একেই প্ৰসঙ্গতে স্বীকাৰ্য। এখনৰ পিছত আন এখন পেণ্ডেললৈ যাতায়াত কৰোঁতে বা সঘনাই অস্থায়ী বাসস্থান সলনি কৰা সময়ত অভিনেতা-অভিনেত্ৰীয়ে প্ৰায়ে দুৰ্ভোগ ভুগিবলগীয়া হয়। 'পেছা-নিচা'ৰ আওতাত থাকি 'অভিনয় কাৰ্য' সজীৱভাৱে উপস্থাপন কৰি অভিনেতা-অভিনেত্ৰীয়ে দৰ্শকৰ পৰা যোগাত্মক সঁহাৰি লাভ কৰি নিতৌ ন উৎসাহ-অনুপ্ৰেৰণাৰে অগ্ৰসৰ হোৱা সঁচাকৈয়ে মন কৰিবলগীয়া। অপ্ৰিয় হ'লেও সত্য, ভ্ৰাম্যমাণ থিয়েটাৰ বিশেষত প্ৰযোজক, অভিনেতা-অভিনেত্ৰী বিশেষৰ মাজত সময় বিশেষে খকা-খুন্দা লগা, ফেৰিয়া-ফেৰি হোৱা, মাত-বোল নোহোৱা হোৱা ঘটনা- কাৰ্যও নোহোৱা নহয়। এনেবোৰ দিশ এৰাই চলিব পাৰিলে আটাইৰে মঙ্গল। আঁহ ফলা কথা-কাৰ্যৰ আওতাত প্ৰযোজক, অভিনেতা-অভিনেত্ৰী বিশেষৰ মাজত সদ্ভাৱ-সম্প্ৰীতি নোহোৱা হোৱা আৰু তাৰেই পৰিণাম স্বৰূপে নাট্যবৰ্ষৰ মাজভাগতে উভয়ে কক্ষচ্যুত হোৱা কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। প্ৰাকৃতিক দুৰ্যোগৰ মাজতো অভিনয় কাৰ্য সম্পন্ন কৰা, সাময়িক বিৰতি লৈয়ে একে নিশাতে কেবাটাও দৰ্শনী কৰা, পিতৃৰ মৃত্যুৰ সৎকাৰ কাৰ্য কৰিয়ে পুত্ৰই মুখত ৰং সানি অভিনয় কৰা বিষয়ত নতুন চিন্তা-চৰ্চাৰ থল নোহোৱা নহয়। তদ্ৰূপ, প্ৰযোজক বিশেষে বছা-বছা অভিনেতা-অভিনেত্ৰীক পৰ্যাপ্ত সা-সুবিধা প্ৰদান কৰা, পাৰ্শ্ব চৰিত্ৰত অভিনয় কৰা অভিনেতা-অভিনেত্ৰীক অন্যতম সা-সুবিধা দিয়াটো আগ্ৰহ প্ৰকাশ নকৰা, পেণ্ডেলৰ বিদায়ৰ ক্ষণত, স্থান বিশেষে আয়োজক সমিতিৰ লগত তিতা-কেঁহা পৰিৱেশ সৃষ্টি কৰা বিষয়সমূহতো নতুনকৈ চিন্তা-চৰ্চা কৰাৰ থল নোহোৱা নহয়। সমিল মিলেৰে নতুন 'ধাৰা' প্ৰৱৰ্তন কৰাৰো আৱশ্যকতা নোহোৱা নহয়। লেহুকা যুক্তিক প্ৰশ্ৰয় দি বা কিবা-কিবি নেপোৱাৰ বেদনাত অভীষ্ট হৈ নাট্যবৰ্ষৰ মাজতে ফালৰি কটা অভিনেতা-অভিনেত্ৰীক পিছ মুহূৰ্ততে সঠিক বাটেৰে অনাত চুক্তিপত্ৰখনেই একমাত্ৰ আহিলা হ'ব নোৱাৰে। চুক্তিপত্ৰই কোনো পক্ষকে কাবু কৰিব নোৱাৰা বিশেষভাৱে লক্ষ্য কৰিবলগীয়া। 'আইনৰ ওচৰ চাপিম' বুলি ভাবুকি দিয়া কাৰ্যও আজি পৰ্যন্ত সঠিক বাটেৰে গতি নকৰা উল্লেখযোগ্য। পৰস্পৰৰ মাজত বুজা-বুজি থাকিলে, স্বজন-তোষণ ভাব ৰাখি দমন কৰিব পাৰিলে, মানুহ কেতিয়াও দেৱতা হ'ব নোৱাৰে। ভুল কৰিবই, থাকিবই আদি চিন্তা-প্ৰজ্ঞাৰে আগবাঢ়িলে নিশ্চয় উভয়ৰে মঙ্গল হ'ব আৰু ইয়ে পৰৱৰ্তী সময়ত ভ্ৰাম্যমাণ থিয়েটাৰ দলটিৰ নাট্যবৰ্ষত সু-প্ৰভাৱ বিস্তাৰ কৰি সকলোৰে আনন্দৰ কাৰণ হ'ব বুলি ভাবিবৰ অৱকাশ আছে।

ভ্ৰাম্যমাণ থিয়েটাৰৰ আৰম্ভণি, ক্ৰমবিকাশ চমকপ্ৰদ, বৰ্ণাঢ্য হোৱা স্বীকাৰ্য। নটৰাজ থিয়েটাৰ (১৯৬৩), সুৰদেৱী থিয়েটাৰ, অসম ষ্টাৰ থিয়েটাৰ,

https://howlyraasmahotsav.org/

পূৰ্বজ্যোতি থিয়েটাৰ, ৰূপকোঁৱৰ থিয়েটাৰ, মঞ্চকোঁৱৰ থিয়েটাৰ, মুকুন্দ থিয়েটাৰ, ৰূপালীম থিয়েটাৰ আদিৰ অৱিহণা, জনপ্ৰিয়তা সৰ্বজনবিদিত। নটৰাজৰ একক, অতুলনীয় স্থান বিশেষত দৰ্শকৰ যোগাত্মক মত আজিও মচিব নোৱাৰা হৈ থকা মন কৰিবলগীয়া। সুৰদেৰীৰ মঞ্চত চম্বলৰ ডকাইত মানসিংহৰ ভাওঁত ধৰণী বৰ্মনৰ নিখুঁত অভিনয় জানো পাহৰিব পাৰিব? এই দলসমূহে অভিনয়ৰ দিশত নতুনত্বৰ গতি প্ৰদান কৰাৰ লগতে আঙ্গিক, কলা-কৌশলতো সময়োপযোগী সংযোজন কৰি নতুন মাত্ৰা প্ৰদান কৰা অনস্বীকাৰ্য।

এসময়ত বাংলা ভাষাত ৰচিত নাটকক অসমীয়া ভাষালৈ অনুবাদ (আক্ষৰিক অনুবাদ নহয়) কৰি ভ্ৰাম্যমাণ থিয়েটাৰে মঞ্চস্থ কৰিছিল দৰ্শকৰ চিন্তা-ৰুচি -প্ৰজ্ঞাৰ প্ৰতি লক্ষ্য ৰাখি বিদেশৰ কাহিনী সম্বলিত, বিদেশী ভাষাত ৰচিত নাটকক অসমীয়া পৰিৱেশ, অসমীয়া ভাষাত ৰূপ দি মঞ্চস্থ কৰিছিল। ধৰ্মমূলক, বুৰঞ্জীমূলক, কাল্পনিক নাটকৰ প্ৰতিও মোহ এৰা নাছিল। পিছলৈ সামাজিক পটভূমিত ৰচিত নাটকে যেন সকলোকে আকৰ্ষিত কৰে। সময়ৰ পৰিৱৰ্তিত ভাঁজত প্ৰযোজক, অভিনেতা-অভিনেত্ৰী, সমাজে একীভূত হৈ আগবঢ়া বিশেষভাৱে প্ৰণিধানযোগ্য। ভ্ৰাম্যমাণ থিয়েটাৰৰ চালিকা শক্তি হ'ল সমাজ। সেয়ে সমাজৰ তাগিদা-চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰযোজক, অভিনেতা-অভিনেত্ৰীয়ে সকলো বিষয়তে নতুনত্ব প্ৰদান কৰাৰ প্ৰয়াস অব্যাহত ৰখাৰ উপৰি সামাজিক দায়বদ্ধতা, 'বৃত্তি'ৰ সাধুভাৱ-গতি নিমজভাৱে দাঙি ধৰাটোকা অস্বীকাৰ কৰিব নোৱাৰি।

ভ্ৰাম্যমাণ থিয়েটাৰৰ গুণগত দিশত, সংখ্যাগত দিশত বঢ়া-টুটা আছে। থাকিবই। বিভিন্ন কাৰণত কিছু সংখ্যক থিয়েটাৰ দল থিয়েটাৰৰ শাৰীৰ পৰা বিচ্যুত হৈছে। বেছি ভাগেই থিয়েটাৰৰ আদৰ্শ, অনুপ্ৰেৰণাতে নতুন আঁচনি-পৰিকল্পনা শুদ্ধ-সততাৰে সংযোজন কৰি কালক্ৰমত গৌৰৱেৰে গতি কৰি সৰ্বস্তৰৰ দৰ্শকৰ প্ৰশংসা অৰ্জন কৰা স্বীকাৰ্য। কহিনুৰ, হেঙুল, ভাগ্যদেৱী, আৱাহন, বৰদৈচিলা, বৃন্দাবন, শংকৰদেৱ, সূৰ্য, মাধৱদেৱ, শতাব্দী, চিৰঞ্জীৱ, ৰাজশ্ৰী, ৰাজতিলক, ইতিহাস, নয়নতৰা, প্ৰাগজ্যোতিষ, চিত্ৰলেখা, পৃথ্বীৰাজ, সুদৰ্শন, বীণাপাণি, সুৰুয, শৰাইঘাট, নটসূৰ্য, ৰাজমুকুট আদিৰ নাম উল্লেখযোগ্য। নাট্যবৰ্ষৰ আৰম্ভণিৰ পৰাই দৰ্শকৰ পৰা অফুৰন্ত উৎসাহ, অনুপ্ৰেৰণা লাভ কৰা থিয়েটাৰ দলৰ সংখ্যা বাঢ়িয়ে আছে। অকৃপণভাৱে ধন খৰছ কৰি, বহল মনৰ ভাৱৰাশিক গুৰুত্ব দি আগবঢ়া প্ৰযোজকৰ সংখ্যাও আশাতীতভাৱে বাঢ়িয়ে আছে। সকলো পৰ্যায়ৰ সমাজ, চৰকাৰেও ভ্ৰাম্যমাণ থিয়েটাৰত নিয়োজিত ব্যক্তিক মৰ্যাদাপূৰ্ণ স্থান দিয়াত, আৱশ্যকবোধে সা-সুবিধা দিয়াত গুৰুত্ব দিছে। ই অতি শুভ লক্ষণ। উদ্যোগলৈ পৰ্যবসিত হোৱাৰ সময়ত সকলোৰে আগবঢ়োৱা দিহা-পৰামৰ্শ, সা-সুবিধা ল'ব জানিলে সামগ্ৰিকভাৱে ভ্ৰাম্যমাণ থিয়েটাৰে সময় বিশেষত উপকাৰ সাধন কৰিব বুলি আশা কৰিব পাৰি।

জীৱনৰ প্ৰতি মুহূৰ্তৰে একোটা মহৎ উদ্দেশ্য আছে। এই চৰম উদ্দেশ্য সাধনৰ কাৰণে কৰা কঠোৰ প্ৰচেষ্টাতেই জীৱনৰ অখণ্ডতা লুকাই আছে। মানুহৰ শিক্ষা হ'ল আহিলাহে, আলয় নহয়, কৰ্মহে মানুহৰ উদ্‌গনিৰ আলম। কৰ্ম নহ'লে বিদ্যা-বুদ্ধি সকলো নিষ্ফল। কৰ্মময় জীৱন সদা সন্মানীয় শক্তিশালী আৰু এই জীৱন অতি সাৰুৱা।

— মেক্সিম গৰ্কী

সংগ্ৰাহক ঃ **জয়ন্ত বৰুৱা**

https://howlyraasmahotsav.org/

বেদ আৰু কিছু কথা

প্ৰণৱ কুমাৰ শৰ্মা

'বিদ' ধাতুৰ পৰা বেদ শব্দটোৰ উৎপত্তি হৈছে, যাৰ অৰ্থ হ'ল 'জানিবলৈ'। ভাৰতীয় দৰ্শনৰ আৰম্ভণি বেদ আৰু উপনিষদ। পাৰ্থিৱ জগতৰ জ্ঞান ইন্দ্ৰিয়ৰ জৰিয়তে লাভ কৰা হয়। পৰমসত্তাৰ জ্ঞান কেৱল বেদৰ ওপৰত নিৰ্ভৰশীল। সায়নাচাৰ্যৰ মতে বেদ হ'ল— "ইষ্ট প্ৰাপ্তিৰ নিষ্ট পৰিহাৰ য়োঃ

আলৌকিক মুপায়ং মো গ্ৰন্থো বেদয়তিয় বেদ ইতি

'অৰ্থাৎ যি গ্ৰন্থই বাঞ্ছিত লাভ আৰু অবাঞ্ছিত পৰিহাৰৰ অলৌকিক উপায় জনায়, তাক বেদ বোলে।

ভাৰতীয় পৰম্পৰাত বেদ নিত্য আৰু অপৌৰুষেয় তথা জ্ঞানৰ ভঁৰাল। ড° ৰাধাকৃষ্ণনৰ মতে বেদ মানৰ মনৰ পৰা উদ্ভুত এনেকুৱা গ্ৰন্থ যাক আমি প্ৰামাণিক গ্ৰন্থ হিচাপে গ্ৰহণ কৰি আছো। ড° ৰাধাকৃষ্ণনক সমৰ্থন কৰি পণ্ডিত উইলচনে কৈছে 'প্ৰাচীনতা সম্পৰ্কীয় সকলো বিষয়ৰ পৰ্যাপ্ত জ্ঞান বেদৰ পৰাই লাভ কৰা যায়। গতিকে ভাৰতীয় দৰ্শন সাহিত্যত বেদৰ ভূমিকা গুৰুত্বপূৰ্ণ। যাজ্ঞবল্ক্যৰ মতে—

"প্ৰত্যক্ষেণানুমিত্যা বা যস্তুপায়ো ন বিদ্যতে
এনং ৰিদন্তি ৰেদেন তন্মাদ ৰেদস্য ৰেদতা"।।

অৰ্থাৎ প্ৰত্যক্ষ বা অনুমানৰ দ্বাৰা যি জ্ঞান লাভ কৰাৰ কোনো উপায় নাই, সেই জ্ঞান বেদৰ পৰা লাভ কৰা যায় বাবে এই ধৰ্মগ্ৰন্থক 'বেদ' বুলি অভিহিত কৰা যায়। বেদ ধৰ্মতত্ব আৰু ব্ৰহ্মাতত্ব প্ৰতিপাদক অপৌৰুষেয় শ্ৰুতিবচন মনুৰ মতে বেদ অখিল ধৰ্মৰ মূল (ৰেদোই খিলো ধৰ্মমূলম) গতিকে বেদ হ'ল যি শাস্ত্ৰত ধৰ্ম আৰু তাৰ লগত যুক্ত কৰ্ম, কৰ্মফল, যজ্ঞ, যজ্ঞফল, স্বৰ্গ, পৰলোকতত্ব অদৃষ্ট প্ৰভৃতি ধৰ্ম সম্বন্ধীয় যাবতীয় আৰু ব্ৰহ্মা, মোক্ষ ইত্যাদি বিষয়ৰ জ্ঞান লাভ কৰা যায়।

বেদ কোনো পুৰুষৰ দ্বাৰা ৰচিত হোৱা নাই কাৰণে বেদক 'অপৌৰুষেয়' বোলে। পৰমেশ্বৰৰ বাণী সৰ্বপ্ৰথম ঋষিসকলে অলৌকিক যোগশক্তিৰ সহায়ত শ্ৰৱণ কৰে আৰু তাৰ পিছত সেইবোৰ প্ৰচলিত এক ঋষিৰ স্মৃতিৰ পৰা অন্য এক ঋষিৰ স্মৃতিত গুৰুৰ পৰা শিষ্য — এইদৰে এজনৰ পৰা আনজনৰ শ্ৰৱণৰ মাধ্যমত বেদ সংৰক্ষিত। গতিকে বেদ কোনো মানুহৰ দ্বাৰা সৃষ্টি হোৱা নাই। 'বেদ' শব্দৰ প্ৰতিশব্দ হিচাপে বৈদিক আচাৰ্যই শ্ৰুতি, আগম, ছন্দস, ত্ৰয়ী আদি শব্দ ব্যৱহাৰ কৰিছে। অনাদি কালৰে পৰা বেদ গুৰু, শিষ্য-প্ৰশিষ্য আদিৰ মুখৰ পৰা শ্ৰৱণ কৰি ৰক্ষিত হোৱা বাবে ইয়াক শ্ৰুতি বোলে। বিশ্বাসযোগ্য ব্যক্তিৰ বাক্য শ্ৰৱণ কৰাৰ পিছত সেই বাক্য নিৰ্দেশিত বস্তুৰ জ্ঞান উৎপন্ন হ'লে তাক আগম বোলে। পাণিনিয়ে তেওঁৰ ব্যাকৰণসূত্ৰত বেদক বুজাবলৈ 'ছন্দস্' শব্দটো ব্যৱহাৰ কৰিছে। ঋকবেদ, সামবেদ, আৰু যৰ্জুবেদ এই তিনি বেদক ত্ৰয়ী বোলে। বেদক ত্ৰয়ী বুলি ক'লেও প্ৰকৃততে বেদ চাৰিখন। ব্যাসদেৱে বেদক চাৰিভাগত বিভক্ত কৰিছে— ঋক্‌বেদ, সামবেদ, যৰ্জুবেদ আৰু অথৰ্ববেদ। ঋক্‌বেদত দেৱতাসকলৰ স্তুতিৰ কাৰণে গোৱা মন্ত্ৰ সংগৃহীত আছে। যজ্ঞৰ বিধিসমূহ যৰ্জুবেদত বৰ্ণনা কৰা আছে। সংগীত প্ৰধান হ'ল সামবেদ। আকৌ অথৰ্ববেদত যাদু মন্ত্ৰ-তন্ত্ৰ নিহিত হৈ আছে। ঋকবেদ চাৰিবেদৰ ভিতৰত আটাইতকৈ মৌলিক আৰু প্ৰধান গ্ৰন্থ।

বেদৰ চাৰিটা অংশ আছে— সংহিতা (মন্ত্ৰ আৰু

https://howlyraasmahotsav.org/

প্ৰাৰ্থনা), ব্ৰাহ্মণ (উৎসৰ, পূজাবিধি আৰু উছৰ্গাৰ নিয়ম) আৰণ্যক আৰু উপনিষদ (ধ্যান, দৰ্শন আৰু আধ্যাত্মিক জ্ঞান)। বেদৰ এই চাৰিটা অংশক আকৌ বিষয়বস্তুৰ ফালৰ পৰা তিনিটা ভাগত বিভক্ত কৰা হৈছে। কৰ্মকাণ্ড উপাসনাকাণ্ড আৰু জ্ঞানকাণ্ড। সংহিতা আৰু ব্ৰাহ্মণ কৰ্মকাণ্ড, আৰন্যক উপাসনা কাণ্ড আৰু উপনিষদ জ্ঞান কাণ্ডৰ অন্তৰ্ভূক্ত।

সংহিতা (মন্ত্ৰ আৰু প্ৰাৰ্থনা) ঃ মন্ত্ৰ সংকলনক সংহিতা বোলে। বেদব্যাসে এক অখণ্ড অনাদি বেদৰ পৰা ঋক, যৰ্জুঃ সাম আৰু অথৰ্ব মন্ত্ৰসমূহক লৈ চাৰিখন সংহিতাত বিভক্ত কৰিলে। কিন্তু চাৰিখন সংহিতাত বিভক্ত কৰিলে। কিন্তু চাৰিখন সংহিতা সম্পূৰ্ণ পৃথক পৃথক নহয়। মন্ত্ৰ বুলিলে চাৰিবেদৰ সংহিতাকেই বুজায়। মন্ত্ৰবোৰ যথাৰ্থভাৱে বিনিযুক্ত হ'লে অভীষ্ট সিদ্ধি কৰিবলৈ সামৰ্থ হয় বাবে 'মন্ত্ৰ' বুলি কোৱা হয়। নিৰুক্তৰ টীকাকাৰ দুৰ্গাচাৰ্যই কৈছে যে বেদৰ মন্ত্ৰসমূহৰ পৰা আধি দৈৱিক, আধ্যাত্মিক তথা আধিয়াজ্ঞিক বিষয়াবলীৰ মনৰ বোধ উৎপন্ন হয়।

ব্ৰাহ্মণ (উৎসৰ, পূজাবিধি আৰু উছৰ্গাৰ নিয়ম) ঃ ব্ৰাহ্মণ অংশত বৈদিক যজ্ঞৰ সুস্থ সম্পাদনাৰ বাবে ৰচিত বিধি নিয়মসমূহ। মন্ত্ৰৰ তত্বসাধনা আৰু বিবিধ যাক-যজ্ঞৰ বিৱৰণ ব্ৰাহ্মণ অংশত আছে। গতিকে ব্ৰাহ্মণ হ'ল মন্ত্ৰৰ অৰ্থ আৰু ব্যৱহাৰৰ দিশ। কিছুমান পণ্ডিতৰ মতে বেদৰ লগত সম্বন্ধ থকা হেতু "ব্ৰাহ্মণ" আৰু আন এচাম পণ্ডিতে পুৰোহিতকেই ব্ৰাহ্মণ বুজাইছে। ব্ৰাহ্মণ সকলৰ আদিৰে পৰা যজন-যাজন বৃত্তি আছিল। গতিকে সেই পুৰোহিতসকলে কৰা যজ্ঞ আৰু যজ্ঞ সম্বন্ধীয় কৰ্মকাণ্ডৰ বিভিন্ন বৰ্ণনা থকা শাস্ত্ৰকে ব্ৰাহ্মণ বোলে। মহাভাষ্যকাৰ পতঞ্জলীযে ৫/১/১ পাণিনি সূত্ৰৰ ব্যাখ্যা কৰি কৈছে যে 'সামানাৰ্থাৱেতৌ ব্ৰহ্মণ শব্দটো ব্ৰাহ্মণ শব্দশ্চ" অৰ্থাৎ ব্ৰহ্মণ শব্দ আৰু ব্ৰাহ্মণ শব্দৰ অৰ্থ একে। স্বামী দয়ানন্দ সৰস্বতীৰ "ঋগভাষ্য ভূমিকা" ত তেওঁ কৈছে ব্ৰহ্মেতি ব্ৰাহ্মনানং নামাস্তি। অত্ৰ প্ৰমানং ব্ৰহ্ম বৈ ব্ৰাহ্মণ; অৰ্থাৎ ব্ৰাহ্মণসকলৰ আন নাম ব্ৰহ্ম। আপস্তম্বই কৈছে "কৰ্ম চোদনা ব্ৰাহ্মণানি" অৰ্থাৎ যাগ যজ্ঞাদি ক্ৰিয়া কলাপ। তেওঁৰ মতে ছয়টা বিষয় ব্ৰাহ্মণত আলোচনা কৰে— বিধি, অৰ্থবাদ, নিন্দা, প্ৰশংসা, পৰাকল্প, পৰকৃতি। আৰণ্যকঃ উপসনা বা কৰ্তব্যৰ দিশসমূহ আৰন্যকত লিপিবদ্ধ আছে। দ্ৰব্য যজ্ঞই আৰণ্যকত জ্ঞানযজ্ঞৰ ৰূপ হৈছে। "অৰণ্যে উক্তি মিতি আৰন্যকম" যি অৰণ্যৰ মাজত যুক্ত হৈ আছে সিয়েই হ'ল আৰণ্যক। আধ্যাত্মবিদ্যা, আত্মতত্ব, ব্ৰহ্ম-তত্ব, সৃষ্টি ৰহস্য প্ৰভৃতি জ্ঞান কাণ্ড আৰণ্যকৰ বিষয়বস্তু। আধ্যাত্মবিদ্যা প্ৰকৃত অধিকাৰীৰ বাহিৰে আনক দান কৰা নাছিল। শান্ত, দান্ত, মুমুক্ষু আৰু বৈৰাগ্যশীল ব্যক্তিক আধ্যাত্মবিদ্যা ব্ৰহ্মবিদ আচাৰ্যই দান কৰিছিল। প্ৰাচীন কালত এনেকুৱা আৰ্যসকলে লোকালয়ৰ পৰা বহুত দূৰৈত বাস কৰিছিল কাৰণে তাক আৰণ্যক বোলে।

উপনিষদ (ধ্যান, দৰ্শন আৰু আধ্যাত্মিক জ্ঞান)ঃ বেদৰ অন্তিম অংশটোক উপনিষদ বোলে। উপনিষদক বেদান্ত বুলি কোৱাৰ কাৰণ হ'ল উপনিষদতেই বেদৰ সকলো মূলতত্ব, শিক্ষা আদিৰ পৰিণতি লক্ষ্য কৰা যায়। ভাৰতীয় চিন্তাধাৰা আৰু সংস্কৃতিৰ মূল উৎস হ'ল উপনিষদ।

উপনিষদ শব্দটো 'সদ' ধাতুৰ লগত 'উপ' আৰু 'নি' উপসৰ্গ যুক্ত হৈছে। 'উপ' ৰ অৰ্থ হ'ল নিকট বা ওচৰত (near by) 'নি' অৰ্থ শ্ৰদ্ধাসহিত বা ধ্যানসহকাৰে (devotedly) আৰু 'সদ' ধাতুৰ অৰ্থ হ'ল বহা (to sit down) বিনাশ কৰা (to destroy) আৱসান ঘটোৱা (to loosen) বা প্ৰাপ্তি (achievement) গতিকে উপনিষদ শব্দৰ বুৎপত্তিগত অৰ্থ হ'ল — শিষ্যই কোনো যোগ্য গুৰুৰ নিকট পৰমতত্বৰ গূঢ় উপদেশ শ্ৰৱণ কৰিবলৈ শ্ৰদ্ধাসহিত বহা, যাৰ দ্বাৰা তেওঁৰ অবিঘা বিনাশ হয়। কৰ্মবন্ধন আৰু তজ্জন্য দুখাদিৰ অৱসান ঘটে আৰু ফলত শিষ্যই ব্ৰহ্মজ্ঞান বা আত্মজ্ঞান লাভ কৰিবলৈ সক্ষম হয়।

উপনিষদৰ প্ৰকৃত সংখ্যা নিৰূপন কৰিব পৰা হোৱা নাই। মুক্তি উপনিষদত ১০৮ খন উপনিষদৰ কথা পোৱা যায়। বৰ্তমান ১১২ খন উপনিষদৰ তথ্য পোৱা হৈছে। এই উপনিষদ ভাৰতীয় বৈদিক আৰু অবৈদিক আদি সকলো দৰ্শন আৰু চিন্তাৰ মূল।

https://howlyraasmahotsav.org/

বাৰমাহী গীত সম্পৰ্কে এটি চমু আলোচনা

শিল্পীশিখা তালুকদাৰ

মালিতাৰ এতি বিশেষ অংশ হৈছে বাৰমাহী গীতবোৰ। ভাৰতৰ বিভিন্ন ঠাইত বাৰমাহী গীত 'বাৰমাসী বা বাৰমাসা' গীতৰূপে জনা যায়। সাধাৰণতে বাৰমাহী গীতত বছৰটোৰ বাৰটা মাহৰ প্ৰাকৃতিক পৰিৱৰ্তনৰ ফলত বিৰহিনীৰ মনোজগতত কৰা প্ৰতিক্ৰিয়াৰ বৰ্ণনা এই গীতত দেখা যায়। এই গীত সাধাৰণতে মহিলাসকলে বেছিকৈ গোৱা দেখা যায়, কিন্তু কোনো কোনো অঞ্চলত পুৰুষেও গোৱা বুলি উল্লেখ পোৱা যায়। বাৰমাহী গীতৰ বিষয়বস্তুৰ বিষয়ে ক'বলৈ গৈ ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে এনেদৰে কৈছে—এজনী গাভৰুৱে হয়তো বিদেশত থকা গিৰিয়েকক স্মৰণ কৰি প্ৰত্যেক মাহৰ নিসৰ্গ জীৱনৰ পৰিৱৰ্তন আৰু নিজ অন্তৰৰ ক্ৰিয়া বৰ্ণনা কৰি গৈছে, নতুবা কোনো সাউদে নাও বান্ধি অজ্ঞাতভাৱে নিজৰ ঘৈণীয়েককে মাহৰ পাছত মাহ প্ৰণয় যাচি গৈছে এয়ে বাৰমাহী গীতৰ সাধাৰণ বিষয় বস্তু।'

অসমীয়া জন-সাহিত্য (পৃষ্ঠাঃ ৯৫-৯৬), বাৰমাহী গীতসমূহ কাহিনী বিশিষ্ট। কাহিনীৰ কথা যদি এৰাই চলে এই গীতক ঋতুগীত বা বিলাপ গীত বা প্ৰেম-প্ৰণয় প্ৰধান গীত বা বিৰহ গীত বুলিলেও আপত্তি কৰাৰ কোনো প্ৰশ্ন নুঠে। লোক-সাহিত্যৰ ভঁৰাল চহকী কৰাত ইয়াৰ অৰিহণা যথেষ্ট। বাৰমাহী গীতসমূহ মানুহৰ মুখে মুখে চলি অহা দেখা যায়। এই গীতসমূহ গোৱালপাৰা আৰু কামৰূপ জিলাত বিশেষভাৱে প্ৰচলিত হোৱা দেখা যায়। ইয়াৰ নিৰ্দিষ্ট সুৰ আছে। বাৰমাহী গীতবোৰ যদি ভালদৰে পৰ্যবেক্ষণ কৰা যায় তেতিয়া কম-বেছি পৰিমাণে বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ প্ৰতিফলন দেখা যায়। বাৰমাহী গীতত আদি আৰু কৰুণ ৰসৰ স্থান পৰিলক্ষিত হয়।

অসমীয়া বাৰমাহী গীত আঘোণ মাহৰ পৰা আৰম্ভ হোৱাৰ পৰম্পৰা প্ৰচলিত আছে। কিন্তু হিন্দীভাষী, মৈথিলী, ভোজপুৰী আদি অঞ্চলত আহাৰ মাহৰ পৰাহে 'বাৰমাসী' গীত আৰম্ভ হয়। কিছু ব্যতিক্ৰমভাৱে অসমীয়া বাৰমাহী গীত কিছুমান চ'ত-ব'হাগ মাহৰ পৰাও হোৱাটো পৰিলক্ষিত হৈছে।

বাৰমাহী গীতবোৰৰ শব্দৰ ব্যৱহাৰ লক্ষ্য কৰিলে দেখা যায় যে তাত 'ঘৰুৱা' আৰু কথিত শব্দৰ প্ৰয়োগ আছে। ইয়াৰ উপৰি যোজনা, পটন্তৰ আদিৰ স্থানো লক্ষ্য কৰিব লগা।

বাৰমাহী গীতৰ ভিতৰত কন্যা বাৰমাহী, শান্তি বাৰমাহী, সীতা বাৰমাহী, ৰাম বাৰমাহী, বেউলা বাৰমাহী, চ'ত মহীয়া বাৰমাহী আদি উল্লেখযোগ্য।

গোৱালপাৰা অঞ্চলত প্ৰচলিত শান্তি বাৰমাহী গীত

'বাৰ বছৰ পৰে লাগাল ধৰো মোৰে
এহেৰাল দিলাম তোৰে
যদি স্বামী না আইছে বাৰ বছৰ পৰে
বিয়া হবো তোৰে মোৰে।।'

(শৰ্মা, যোগেন ঃ সুললিত লোকগীত, পৃষ্ঠা ঃ ৯৪)

সহায়ক গ্ৰন্থপঞ্জী—

১। *শৰ্মা, যোগেন ঃ সুললিত লোকগীত,*
২। *গোস্বামী দত্ত প্ৰফুল্ল ঃ অসমীয়া জন-সাহিত্য, গুৱাহাটী,*
৩। *দাস নাৰায়ণ (মুখ্য সম্পাদক) ঃ অসমৰ সংস্কৃতি কোচ ৰাজবংশী পৰমানন্দ (সম্পাদক)।*

https://howlyraasmahotsav.org/

মিচিঙৰ সামাজিক ধৰ্মীয় অনুষ্ঠান দবুৰ পূজা

উত্তম লইং

আৰম্ভণি ঃ দবুৰ পূজা হ'ল অসমৰ দ্বিতীয় বৃহৎ জনজাতি মিচিংসকলৰ এটা পুৰণা প্ৰথা তথা এক পৰম্পৰা। ই এক সামাজিক ধৰ্মীয় অনুষ্ঠান, য'ত প্ৰধানকৈ দঃঞি-পঃল (সূৰ্য-চন্দ্ৰ)ক পূজা কৰা হয়। দবুৰ হ'ল এটা কেঁচা জাতীয় পূজা য'ত তিৰোতাসকলক আঁতৰত ৰাখি মিচিং পুৰুষসকলে সমজুৱাকৈ পালন কৰে। এই পূজা ঠাই বিশেষে জেঠ মাহৰ ১৫ তাৰিখে আৰু কিছু ঠাইত কাতি মাহৰ ১৫ তাৰিখে পালন কৰে। দবুৰক 'দবুৰ পূজা' বুলি কোৱাৰ কাৰণ হ'ল এই অনুষ্ঠানত মাঙ্গলিক কাৰ্য কৰা হয় আৰু দঃঞি-পঃল (সূৰ্য-চন্দ্ৰ)ক পূজা পাতল কৰা হয় আৰু জীয়াই জীয়াই কুকুৰাৰ ডিঙি কটা হয়। আকৌ, দবুৰত প্ৰতিঘৰৰ চাং কোবায় কাৰণে বহুলোকে দবুৰক 'চাং কোবোৱা বিহু' বা 'চাং কোবোৱা পূজা' বুলি কয়। দবুৰক মিচিংসকলৰ এক 'ধৰ্মীয় সামাজিক উৎসৱ' বুলিও কোৱা হয় কিয়নো সেই বিশেষ দিনটোত গাঁওখন উগুল থুগুল পৰিবেশ হৈ থাকে। যদি চুবুৰীয়া মিচিং গাঁওবিলাক ওচৰা ওচৰি হয় তেতিয়াতো কথাই নাই। গোটেই অঞ্চলটোৱে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈ থাকে। সেইয়ে হয়তো বহুলোকে দবুৰক "দবুৰ উৎসৱ" বুলিও কয়।

দবুৰ পূজাৰ উৎপত্তি সম্পৰ্কে লোক কাহিনীঃ

'দবুৰ' শব্দটো কেনেকৈ উৎপত্তি হ'ল, কোনে ক'ত কেতিয়া প্ৰথম প্ৰয়োগ কৰিছিল এই বিষয়ে এতিয়ালৈকে সঠিককৈ জনা নাযায়। কিছুমানৰ মতে মিচিং ভাষাত 'দ' মানে 'খা' আৰু 'বুৰ' মানে উৰ্বৰা হোৱা নাইবা গুৰি হোৱা। গতিকে দবুৰ শব্দটোৱে পূজা পাতলৰ যোগেদি পৃথিৱী উৰ্বৰা কৰা কাৰ্যক বুজায়। কিন্তু দবুৰ শব্দটোৱে যে মিচিং সমাজৰ পূজা বিশেষক বুজায় সেইটো নিশ্চিত।

অতীজৰে পৰা মিচিংসকলে দবুৰ পূজা পালন কৰি আহিছে। পূৰ্বতে সমজুৱাকৈ চিকাৰলৈ যোৱা লোকসকলে চিকাৰ সহজে পাবৰ বাবে আৰু চিকাৰ কৰোঁতে সন্মুখীন হ'বলগীয়া বিপদ, বাধা-বিঘিনিৰ পৰা ৰক্ষা পাবৰ বাবে অৰণ্যৰ দেৱতাক উদ্দেশ্যি এই পূজা পালন কৰা হৈছিল যদিও বৰ্তমান অৰণ্যৰ পৰিৱৰ্তে গাঁও ভিত্তিতো ইয়াক পালন কৰা হয়। দবুৰ পূজাৰ মূল উদ্দেশ্য হৈছে কেঁচা দেৱতাই ৰাইজৰ ওপৰত কৰিব পৰা অপকাৰ, বিপদ, বেমাৰ-আজাৰ, অপায়-অমঙ্গল আদিৰ পৰা ৰক্ষা পৰা। এই পূজাত ডেকা-আদহীয়া লোকসকলে গাঁৱৰ ঘৰৰ চাং, বেৰ আদি লাঠী, টোকোনেৰে এফালৰ পৰা কোবাই দেও-ভূত খেদে। তাৰ পাছত কুকুৰা, গাহৰি আৰু আপঙেৰে দেৱতাক পূজা দিয়া হয়। দবুৰ পূজা শেষ কৰি অহা ছাই মদৰ চাকণিত বিভিন্ন চিহ্ন দেখা যাব পাৰে। ইয়াত যদি মানুহৰ খোজৰ দৰে চিন দেখা পালে মানুহ মৰে বুলি বিশ্বাস কৰা হয়।

দবুৰ পূজাৰ উৎপত্তি সম্পৰ্কে এটা লোক কাহিনী পোৱা যায়। সেয়া এনেধৰণৰ— 'আদিম পৃথিৱীত আবুতানি নামেৰে এজন মানৱ পুৰুষ আছিল। তেওঁকেই পৃথিৱীৰ প্ৰথম মানৱ বুলি কোৱা হয়। আবুতানি দঃঞি (সূৰ্য্য)ৰ জোঁৱায়েক আছিল অৰ্থাৎ দঃঞিৰ জীয়েক 'য়াচি'ক তেওঁ বিয়া কৰাইছিল। সেই সময়ত পৃথিৱীত

https://howlyraasmahotsav.org/

খাদ্যৰ ব্যাপক নাটনি হৈছিল। সেয়ে কুকুৰ এটা লগত লৈ খাদ্য শস্য বিচাৰি আবুতানিয়ে শহুৰেকৰ দেশলৈ যাত্ৰা কৰিছিল। তেওঁ মাটিৰ তলেৰে গৈছিল বুলি প্ৰবাদ আছে। তেওঁ গৈ থাকোতে বাটতে কঃজেয়াংগ (লক্ষ্মী দেৱী)ৰ ঘৰত গৈ উপস্থিত হ'লগৈ। কঃজেয়াংগৰ ওচৰত তেওঁ পৃথিৱীত হোৱা খাদ্যৰ নাটনিৰ কথা সকলো বিৱৰি ক'লে।

আবুতানিৰ দুখ-দুৰ্দশাৰ কথা শুনি কঃজেয়াংগৰ বৰ দুখ লাগিল। তেওঁ আবুতানিক কিছু শস্যৰ বীজ দিলে আৰু তাক কেনেদৰে সিঁচিব লাগে তাকো শিকাই দিলে। লগতে ক'লে যে শস্য সিঁচাৰ পাঁচ দিনলৈকে পথাৰলৈ গৈ শস্য চাব নেলাগে। শস্য ভাল হ'লে ৰাজহুৱাভাবে কঃজেয়াংগক এটা পূজা দিব লাগিব। আবুতানিয়ে প্ৰতিশ্ৰুতি দি তাৰ পৰাই নিজ গৃহলৈ উভতি আহিল। তেওঁ পথাৰত শস্য সিঁচিলে আৰু পাঁচ দিন পথাৰমুখী নহ'ল। ষষ্ঠ দিনা তেওঁ পথাৰলৈ গৈ দেখে যে পথাৰত এটাও শস্য নাই। ভালকৈ লক্ষ্য কৰি দেখিলে যে সকলো শস্য কপৌ চৰায়ে খাই পেলালে। তেতিয়া আবুতানিয়ে বৰ দুখ পালে আৰু বেজাৰতে কান্দিবলৈ ধৰিলে। আবুতানিৰ কান্দোন শুনি ওচৰৰ হাবিত থকা 'চেউকাৰী' নামৰ এজন দেৱতা ওলাই আহিল আৰু আবুতানিক কন্দাৰ কাৰণ সুধিলে। তেওঁ চেউকাৰী দেৱতাৰ ওচৰত সকলো বিৱৰি ক'লে। তেতিয়া চেউকাৰী দেৱতাই চৰ্তসাপেক্ষে ধনু-কাঁড় লৈ সকলোবোৰ কপৌ চৰাই বধ কৰিলে আৰু কপৌ চৰাইৰ ডিঙিৰ (টোটোলা) পৰা শস্যখিনি উলিয়াই পুনৰ পথাৰত সিঁচি দিবলৈ আবুতানিক পৰামৰ্শ দিলে। আবুতানিয়ে তাকে কৰিলে আৰু শস্য নদন-বদন হ'ল। তেনেতে আকৌ এক সমস্যাই দেখা দিলে। হাবিৰ পৰা এদল দেৱতা ওলাই আহি আবুতানিক বিনা অনুমতিত হাবি ভাঙি খেতি কৰাৰ বাবে তৰ্জন-গৰ্জন কৰিবলৈ ধৰিলে। আবুতানিয়ে বৰ ভয় খালে। তেওঁ এই দেৱতাসকলক কাকুতি-মিনতি কৰিবলৈ ধৰিলে। তেতিয়া দেৱতাসকলে কুকুৰা বলি দি পঃৰ আপঙেৰে পূজা দিবলৈ নিৰ্দেশ দিয়ে। এই পূজাকেই 'দবুৰ পূজা' হিচাপে নামকৰণ কৰা হয়। আনহাতে, ইয়াৰ পূৰ্বে চেউকাৰী দেৱতাই কপৌ চৰাই বধ কৰোঁতে আবুতানিক তিনিটা চৰ্ত দিছিল। সেই অনুসৰি আবুতানিয়ে ধান চপোৱাৰ পাছত তিনিটা বৃহৎ পূজা দিব লাগিব। এই তিনিটা পূজাক পিছলৈ উৎসৱ হিচাপেও নামকৰণ কৰা হয়। সেইকেইটা হ'ল-আলি-আয়েঃ-লৃগাং, পঃৰাগ আৰু দবুৰ পূজা।

মিবু আঃবাঙতো কপৌ চৰাইৰ কাহিনীটো এইদৰে গোৱা শুনিবলৈ পোৱা যায়—

'তাংকৃঅী কৃন্নাই কৃঃ কৃঃ কৃন্নাই কৃব্বাই কৃঃ কৃঃ
কাবৃকী তঃৰ কৃঃ কৃঃ, তচাং চমানী কৃঃ কৃঃ
তাংকৃকী তংগক কৃঃ কৃঃ, তুঃলেদী কায়িকী কৃঃ কৃঃ।'

(ভাবাৰ্থ ঃ 'শস্য খাই কপৌ চৰাইবোৰ ওচৰৰ গছত ৰূণ দি আছে। চেউকাৰী দেৱতাই ধনু-কাঁড়েৰে বধ কৰাত কপৌকেইজনী মাটিত ধলি পৰিল।)

গতিকে উক্ত পূজাই বৰ্তমান মিচিং সমাজত 'দবুৰ' নামৰ এক ডাঙৰ দেও-ভূতৰ পূজা হিচাপে অতীজৰে পৰা প্ৰচলিত হৈ আহিছে।

দবুৰৰ প্ৰকাৰ ঃ

দবুৰ প্ৰকৃততে কেইপ্ৰকাৰ সঠিককৈ জানিব পৰা নাযায়। দবুৰ পূজাৰ কেইবাটাও ভাগ আছে। কিছুমানৰ মতে তিনি প্ৰকাৰৰ। আন কিছুমানৰ মতে চাৰি প্ৰকাৰৰ। কিন্তু আটাইবোৰ দবুৰৰ উদ্দেশ্য আৰু সময় একে নহ'বও পাৰে। প্ৰয়াত শিক্ষাবিদ তথা সাহিত্যক টংকেশ্বৰ লইং দেৱে তিনি ধৰণৰ দবুৰৰ কথা উল্লেখ কৰিছে— ১। আতোম দবুৰ, ২। বানে বা ৰাজহুৱা দবুৰ, ৩। বুৰতে দবুৰ। ঘৰৰ অপায় অমঙ্গল দূৰ কৰিবলৈ গৃহস্থই নিজৰ ঘৰটো কোবাই ৰঙা-ৰাঙলী কুকুৰা এযোৰ কাটি পূজা কৰি পাঁচদিন গেনা পালন কৰাকে 'আতোম দবুৰ' বোলে। গাঁৱৰ অপায় অমঙ্গল দূৰ কৰিবলৈ বছৰেকত এবাৰ, কোনো কোনো গাঁৱত দুবাৰকৈ কাতি আৰু জেঠ মাহত চাং কোবোৱাকে বানে বা ৰাজহুৱা দবুৰ বোলে। পাপ-তাপ আদি দূৰ কৰিবলৈ ঘৰখনৰ মঙ্গলৰ বাবে দহ-বাৰখন খেলৰ মুখিয়ালসকলৰ উপস্থিতিত গাহৰি-কুকুৰা কাটি পাঁচদিন গেনা পালন কৰাকে 'বুৰতে দবুৰ' বুলি কয়।

আকৌ, লেখক নাহেন্দ্ৰ পাদুনদেৱে চাৰিবিধ দবুৰৰ কথা সুন্দৰকৈ উল্লেখ কৰিছে।

যেনে— ১। মঃপুন্ দবুৰ, ২। কঃ চন দবুৰ,
৩। বৃত্তী দবুৰ, ৪। ৰাবান দবুৰ

১। মঃপুন্ দবুৰঃ মঃপুন (সম্ভৱতঃ মঃ< আমং=মাটি, পুন <আপ্পুন্=ফুল, অৰ্থাৎ মাটিৰ ফুল বা ধান) দবুৰ খেতিপথাৰত শস্য নষ্ট হোৱাৰ আশংকা দেখিলে

https://howlyraasmahotsav.org/

কৰা হয়। ইয়াক 'মঃতী দবুৰ' বুলিও জনা যায়। মঃপুন দবুৰ পথাৰতে কৰা হয়। ভূঁই বা পথাৰৰ পৰা ধানৰ পাত মেগেলা গছৰ পাতেৰে সৈতে বিশেষ ধৰণে মেৰিয়াই আনি টঙিৰ ওপৰত বা পূজা কৰা ঠাইত এটা বিশেষ ধৰণে তৈয়াৰ কৰা বাঁহৰ টোমত ভৰাই তাক দুফালে দুটা খুটি পুতি পথালিকৈ এডাল মাৰিত ওলোমাই নাইবা মাটিতে থৈ তাৰ ওপৰত আপং আদি পূজাৰ সম্ভাৰ ঢালি দি 'আজিৰ পৰা ধান-মাহ, খেতি-বাতি, বেমাৰ-আজাৰ ভাল হওঁক, পৃথিৱী মাতৃক তাৰ বাবে পূজা আগবঢ়াইছোঁ' বুলি আশীষ বচন (পেনাম) মাতে।

২। **কঃচন দবুৰ্**— কঃচন দবুৰ্ সাধাৰণতে চিকাৰীসকলকহে কৰা দেখা যায়। বনত চিকাৰ কৰিবৰ সময়ত চিকাৰীসকলে বিভিন্ন দেৱ-দেৱী, দেও-ভূতৰ সন্মুখীন হ'ব লগা হয়। দেও-ভূতৰ ৰুষ্ট বা তুষ্ট অনুযায়ী চিকাৰীসকলে চিকাৰৰ সামগ্ৰী পায়। দেও-ভূত বা চিকাৰীৰ উপাস্য দেৱতাক সন্তুষ্ট কৰিবলৈ কঃচন্ দবুৰ কৰে। এই দবুৰ্ কুকুৰাৰে কৰা হয়। ঘৰৰ মাঙ্গলিক কাৰ্যৰ কাৰণেও কেতিয়াবা কঃচন্ দবুৰ্ কৰা দেখা যায়।

৩। **বৃৰ্ত্তী দবুৰ্**— 'আজেং' বা কোনোবাই কিবা অপৰাধ কৰাৰ বাবে দায়ী হ'লে 'বৃৰ্ত্তী দবুৰ' কৰা হয়। কোনো মানুহে কাৰোবাৰ প্ৰতি অন্যায় কৰিলে (যেনে— গোপন পৰনাৰী গমন, আনৰ ভঁৰালৰ পৰা ধান চুৰ কৰা, আনৰ গৰু ম'হ গোপনে বধ কৰা ইত্যাদি) নাইবা দেৱতাই বেয়া পোৱা কাম কৰিলে তেওঁ দুৰাৰোগ্য ৰোগত ভুগিব। তেনে মানুহৰ ৰোগৰ লক্ষণলৈ চাই এই আজেং বা দায় লোৱা হয়। এই দবুৰত অপায়-অমঙ্গলৰ দেও-ভূত সকলো গাঁওখনৰ সিমূৰলৈ খেদি পঠিয়াবৰ কাৰণে পূজাত থকা লোকসকলে মাৰিৰে গোটেই গাঁওখনৰ নাইবা সেই আজেং থকা মানুহ ঘৰ কোবাই বিভিন্নধৰণে চিঞৰ-বাখৰ কৰে। চুঙাবোৰত ক'ৰবাত দেও-ভূত থাকিব পাৰে বুলি সেইবোৰ সোপা দি বন্ধ কৰি থোৱা হয়। মিচিং চাংঘৰ কোবোৱাৰ কাৰণেই বহুতে ইয়াক চাং কোবোৱা পূজা বুলি কয়। ইয়াৰ পিছত আজেং থকা মানুহৰ ঘৰে এজনী কুকুৰা, এটোপোলা আপং আগবঢ়াই সেই মানুহবোৰক বিদায় দিয়ে। আজেং লোৱা দবুৰ কোনো কোনো ঠাইত পাঁচ ধৰণৰ কৰা দেখা যায়।

৪। **ৰাবান্ দবুৰঃ** ৰাবান্ কঃচনো মানুহৰ মঙ্গল বিধানৰ কাৰণেই কৰা হয়। ৰাবান্ কঃচন্ কৰাৰ সময়ত পাঁচটাকৈ মেগেলা গছৰ খুটা পূৰণ চিনৰ দৰে গাৰি তাৰ ওপৰত লগ লগাকৈ একোডাল পথালিকৈ দিয়া হয়। তেনেকৈ পাঁচ শাৰীকৈ সজোৱাৰ পাছত মাজৰ ডালত কুকুৰাৰ মূৰ আঁৰি দিয়া হয়। বাকী দুয়োকাষৰ দুয়োডালতে কণী আঁৰি দিয়ে। এই কণী আৰু কুকুৰাৰ মূৰো পুবা-পশ্চিমাকৈ গুজি দিয়ে। এই দবুৰ পূজাত 'পাঃপে' আৰু 'পৌতুম্' দুবিধ বাঁহৰ খাং বিশেষ আকৃতিৰে সাজি লোৱা হয়।

অৱসৰপ্ৰাপ্ত অতিৰিক্তি উপায়ুক্ত তথা লেখক উৎপল দলেদেৰে তেখেতৰ 'মিচিং সংস্কৃতিৰ ৰূপৰেখা' শীৰ্ষক গ্ৰন্থখনিত এইদৰে লিখিছে— "দবুৰ পূজাৰ কেইবাটাও ভাগ আছে। সেইবোৰ বিভিন্ন উদ্দেশ্যে আৰু বিভিন্ন সময়ত কৰা হয়। সাধাৰণতে বুৰতা দবুৰ, গাঁও বা দঃলুং দবুৰ, পথাৰ বা আৰ্গ দবুৰ, চিকাৰ বা কঃচন দবুৰ, ব্যক্তিগত বা আতীগ দবুৰ; কিন্তু নিয়ম আৰু পৰম্পৰাৰ ক্ষেত্ৰত মতানৈক্য আছে মিচিং সমাজত। আমি নিজে পৰ্যবেক্ষণ কৰা কালত প্ৰত্যক্ষ কৰিছোঁ কোনো এটা অঞ্চলৰ দবুৰ পূজা একে নহয়।"

https://howlyraasmahotsav.org/

সু-সাহিত্যিক খগেন পেগুদেৰে তেখেতৰ "মিচিং সমাজ আৰু সংস্কৃতি" শীৰ্ষক গ্ৰন্থখনত দবুৰৰ প্ৰকাৰ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰিছে এইধৰণে— 'ৰৌগাম বা ৰাজহুৱা দবুৰৰ বাদেও পৰিয়ালকেন্দ্ৰিক আৰু ব্যক্তিগত বা দলগতভাৱে প্ৰয়োজন সাপেক্ষে বিভিন্ন সময়ত পতা আৰু কেবাটাও দবুৰ আছে। সেইবিলাক হ'ল— ঔৰাঃ দবুৰ (পৰিয়ালৰ দবুৰ) বা বুৰতী দবুৰ (ব্যক্তিগত কাজিয়া আৰু অগম্য গমন আদিৰ বাবে কৰা দবুৰ), আৰৃগ বা কঃচীগ দবুৰ (পথাৰৰ দবুৰ), পিইয়াঃ দবুৰ (দুৰ্ঘটনাৰ বাবে কৰা দবুৰ), কিঃৰুগ বা চিৰুগ ৰুগ্নাম দবুৰ (চিকাৰৰ বাবে কৰা দবুৰ) ইত্যাদি।

ঔৰাঃ বা পৰিয়ালৰ দবুৰ তিনিটা ভাগত বিভক্ত। ইয়াৰে প্ৰথমটো হ'ল— বুৰ্তী দবুৰ। অগম্য গমন, মাটি-বাৰী, ধন-সম্পত্তি আদিৰ বাবে দন্দ-কাজিয়া হোৱাৰ ফলত হতাহতি, মৰামৰি কৰাত গাৰ কোনোবা অংশৰ পৰা তেজ ওলালে পৰস্পৰৰ দায়-দোষৰ প্ৰায়চিত্ত হিচাপে কুকুৰা আদি মাৰি ভৱিষ্যতৰ অপায়-অমঙ্গল ৰোধ কৰিবলৈ এই দবুৰ অনুষ্ঠিত কৰা হয়। দ্বিতীয়টো

হ'ল— মৌগু দবুৰ। কোনোবা পৰিয়ালৰ অতীতত ঘটি যোৱা কিছুমান দায়-দোষ, অপৰাধৰ বাবে পিছলৈও তেওঁলোকৰ ঘৰত সময়ে সময়ে জুই লাগি পৰিয়ালৰ ঘৰ-বাৰী, ধন-সম্পত্তি আদি নষ্ট হয়। নতুবা কোনোবা অজানিত কাৰণত কেতিয়াবা হঠাতে ঘৰত জুই লাগি পৰিয়ালৰ ধন-সম্পত্তিৰ লোকচান হ'ব পাৰে। সেয়ে তেনে বিপত্তিৰ পুনৰাবৃত্তি নহ'বৰ বাবে এই দবুৰ সম্পন্ন কৰা হয়। তৃতীয়টো হ'ল— পিইয়াঃ দবুৰ। পিইয়াঃ দবুৰ দুবিধ। এবিধ পৰিয়ালকেন্দ্ৰিক আৰু আনবিধ ৰাজহুৱা দবুৰ। কেতিয়াবা কোনো অজানিত কাৰণত নতুবা এনেও হঠাৎ কোনোবা পৰিয়ালৰ মানুহ দুৰ্ঘটনাত পতিত হয়। নতুবা দুৰ্ঘটনাত পতিত হৈ অকালতে মৃত্যুবৰণ কৰে। সেয়ে তেনে বিপত্তি ভৱিষ্যতে পুনৰাবৃত্তি নহব'ৰ বাবে এনেকুৱা দবুৰ অনুষ্ঠিত কৰা হয়।

কেতিয়াবা পথাৰত বিজুলী-ঢেৰেকনিৰে বজ্ৰপাত হ'লে তাৰ পুনৰাবৃত্তি নহ'বৰ বাবে তালীঃ মিৰৗম, কঃজী য়াংগ আদিক উদ্দেশ্য কৰি কুকুৰা উৰ্চগা কৰা হয় যাক কোৱা হয় আবৃগ দবুৰ বা কঃচৗগ দবুৰ। তেনেকৈ কোনোবা গাঁৱত মাৰি-মৰক, মহামাৰী বা জমাল আদি আহিলে নতুবা প্ৰাকৃতিক দুৰ্যোগৰ বাবে হঠাৎ সামাজিক, বিপৰ্যয় বা দুৰ্ভিক্ষ আদি হ'লে ৰাজহুৱাভাবে পিইয়াঃ দবুৰ অনুষ্ঠিত কৰা হয়। এই দবুৰ পৰিয়ালকেন্দ্ৰিক পিইয়াঃ দবুৰৰ দৰে হ'লেও ইয়াক এটা পৰিয়ালে নকৰি গাঁৱৰ ৰাইজে সমূহীয়া বা ৰাজহুৱাভাৱে সম্পন্ন কৰে।

"কিঃৰুগ বা চিৰুগ ৰুগ্নাম অৰ্থাৎ চিকাৰলৈ যোৱা দবুৰ ব্যক্তিগত বা দলগত ভিত্তিত পতা হয়। ইয়াত চিকাৰলৈ যোৱা সকলে যাতে বাটত বা হাবিত কোনো বিপদ-বিঘিনি বা প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন নোহোৱাকৈ চিকাৰ ধৰি ঘৰলৈ সুকলমে ঘুৰি আহিব পাৰে তাৰ বাবে প্ৰাৰ্থনা জনোৱা হয়।"

লেখক মনোৰঞ্জন বড়িদেৱে তেখেতৰ 'মিচিংসকলৰ ধৰ্মীয় আৰু ৰোগ সম্পৰ্কীয় লোকবিশ্বাস' নামৰ গ্ৰন্থখনিত চাৰি প্ৰকাৰৰ দবুৰৰ কথা উল্লেখ কৰিছে। এইকেইটা হ'ল— (১) মঃপুন দবুৰ, (২) কঃচন দুবুৰ, (৩) বুৰ্ত্তী দবুৰ আৰু (৪) ৰাবান্ কঃচন দবুৰ।

আকৌ, প্ৰশান্ত বৰিৰ 'অসমীয়াভাষী মিচিঙৰ জনজীৱন' শীৰ্ষক গৱেষণা গ্ৰন্থখনত দবুৰ ঘাইকৈ তিনিবিধ বুলি উল্লেখ কৰিছে। এইকেইটা হ'ল— দলুং দবুৰ, বুৰ্ত্তী দবুৰ আৰু আৰুগ দবুৰ।

দলুং দবুৰ উদযাপন ঃ

দলং দবুৰ বা ৰাজহুৱা দবুৰ মিচিংসকলে প্ৰত্যেক বছৰে পালন কৰে। বিশেষকৈ কাতি মাহৰ পোন্ধৰ নহ'লে জেঠ মাহৰ পোন্ধৰ তাৰিখে সমজুৱাকৈ পালন কৰে। সেইদিনা গাঁৱৰ পুৰুষসকলে হাতে হাতে বাঁহৰ লাঠী, টোকোন, দীঘল মাৰি লৈ গাঁৱৰ উজনিৰ পৰা প্ৰতি ঘৰে ঘৰে চাং কোবায়। তেতিয়া এফাকি বচন মাতে। ঠাই বিশেষে বচনসমূহ কিছু পৃথক যেন লাগে। প্ৰাক্তন অতিৰিক্ত উপায়ুক্ত তথা লেখক উৎপল দলে ডাঙৰীয়াই তেওঁৰ 'মিচিং সংস্কৃতিৰ ৰূপৰেখা' নামৰ গ্ৰন্থখনত এইদৰে উল্লেখ কৰিছে—

"আজৌঙৌ নলুক ঔৰাঙা, অজৌঙৗম বিকুইকা"

অৰ্থাৎ "দায় জগৰ আহিছে গৃহস্থ। জগৰবোৰ ঘূৰাই দিয়া।"

তেতিয়া ঘৰত থকা গৃহস্থই আগতে যোগাৰ কৰি থোৱা এটা কুকুৰা নতুবা তাৰ পৰিৱৰ্তে কণী, চাউল, নিমখ, জলকীয়া, শাক, খৰি, আপং আদি সাধ্য অনুসাৰে আগবঢ়াই কয়—

"চিঙৌ চিল আকচিন্নাংক
অজৌঙৗম বিদুংকুনী
কিনাম-ৰামনামৗম কামমা-পীকা
ঔচাৰ বি-বি মলাংকা
পুপ-জৰাপমলংকা"

অৰ্থাৎ— 'এয়া আজি দায়-জগৰবোৰ আগবঢ়াইছোঁ। বেমাৰ-আজাৰ হ'বলৈ নিদিবা। বতাহৰ দৰে মুকলি হ'বলৈ দিবা। সুখ-শান্তিৰে থাকিবলৈকে দিবা।'

আকৌ এইফাকি বচন কেতিয়াবা কৰবাত এইদৰেও উচ্চাৰণ কৰে— 'অৃৰ্ৰই ঙলু দবুৰৗম দৃঙাঃদুং, আজৌঙৗম জৌঙাঃদুংঃ, আজৌঙৌ আজৌঙৌ। দঃগ্ৰিঃ-পঃল কাঃলাংকা। ৰুঃনী পৃনী, কাৰ্চুং কাৰ্তাং, চৗঃদ্-মৗঃল, চিনী-মঃব-নলু আপ্পৃঙৌ তাদ্লাংকা। চিদী ঔৰাঃচক দপাঃ-তৃঃপাঃমাঃনাম, গেৰ্মাঃ-পুঃমাঃনাম, কিনাম-ৰাম্নাম আপ্পৃঙৗম চিল' দীম ডঃ পুঃদুঃবংকী। বুলুক ইল্গ মল্গ্নাম আবৃগ অৃচৃঙৗম ৰুগ্জি মেঃৰাং, তাপুম তাৰেয়ৗম দপাগ্মমাঃপী নলু ইঙিৰ এঙেৰ্পী জাৰ্চাং

https://howlyraasmahotsav.org/

অচাঃমতেইকা...।” অৰ্থাৎ আজি আমি চন্দ্ৰ-সূৰ্যক সাক্ষী কৰি ঘৰে ঘৰে দবুৰ কোবাইছোঁ-দায়-দোষ, ভুল-ভ্ৰান্তি আদিৰ প্ৰায়চিত্তৰ বাবে। হে সৃষ্টিকৰ্তা, পালনকৰ্তা আৰু সংহাৰকৰ্ত্তা ভগৱান, লগতে হে আমাৰ উপৰিপুৰুষসকল, তোমালোক সকলোৱে শুনা। এই ঘৰৰ অভাৱ-অনাটন, অপায়-অমঙ্গল, বেমাৰ-আজাৰ সকলোখিনি যেন আমাৰ মাৰিৰ কোবত ধূলি-বালি সৰাৰ দৰে আজিৰ পৰা সৰি-পচি নাইকিয়া হৈ যায়। তেওঁলোকে পথাৰত ৰুই বা সিঁচি দিয়া কঠীয়াবিলাক যেন তোমালোকে পোক-পৰুৱাৰ আক্ৰমণ আৰু প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা কৰি লহপহকৈ বাঢ়ি যাবলৈ দিয়া..।” (‘মিচিং সমাজ আৰু সংস্কৃতি’-খগেন পেগু, পৃষ্ঠা নং-৫২)

এনেদৰেই গাঁৱৰ পুৰুষসকলে ঘৰৰ চাং, বেৰ কোবাই কোবাই আজীং বিচাৰি প্ৰতিটো ঘৰলৈ যায়। কোনো ঘৰ বাকী নাথাকে। প্ৰতিটো পৰিয়ালে পাৰ্যমানে আপং, কুকুৰা, কণী, চাউল, নিমখ, জলকীয়া, পইছা, শাক আদি যি পাৰি সাধ্য অনুসাৰে দি গোটেই বছৰটোলৈ সুমঙ্গল কামনা কৰে।

গৃহস্থৰ পৰা সংগৃহীত বস্তুবোৰ লগত লৈ গাঁৱৰ শেষত নিৰ্জন ঠাই, নদী পাৰ অথবা কোনোবা আছুটীয়া ঠাইলৈ গৈ পূজাৰ কাম আৰম্ভ কৰে। প্ৰথমতে ঠাইখিনি কোৰেৰে পৰিস্কাৰ কৰি লোৱা হয়। তাতেই মেগেলা বনেৰে সুন্দৰকৈ সজাই লোৱা হয়। তাৰ পিছত কণী ভঙা আৰু ৰঙা কুকুৰা কটা কাৰ্যসূচী হাতত লোৱা হয়। উল্লখযোগ্য যে এই দবুৰ পূজাত উৎসৰ্গা কৰা কুকুৰা বিলাকৰ পাখি, মূৰ আৰু ঠেংবিলাক গাঁৱৰ সীমামূৰীয়া প্ৰৱেশদ্বাৰত গুজি দিয়া হয়।

আনহাতেদি, পূজাস্থলিত দবুৰৰ শুভ ভোজ ভাতৰ যোগাৰ কৰি সকলো খাই বৈ সমূহীয়া চিকাৰত যায়। অৱশ্যে আজিকালি এই চিকাৰৰ পয়োভৰ নোহোৱা হৈছে।

ঠাই বিশেষে দবুৰ পূজাতো মঙ্গল চোৱা হয়। সাহিত্যিক প্ৰয়াত টংকেশ্বৰ লইংদেৰৰ ‘মিচিং জনবিশ্বাসঃ শুভাশুভ লক্ষন’ শীৰ্ষক লেখাটোত এইদৰে উল্লেখ কৰিছে— “পূজাস্থলীৰ পৰা অহাৰ আগমুহূৰ্তত তেওঁলোকে আপং আৰোগ (মদৰ গুটি)ত দেৱতাই কিবা চিন দি গৈছে নেকি চায়। তদুপৰি পহু, বাঘ আদিৰ খোজৰ চিন ওলালে সেই বছৰ চিকাৰত সেইবোৰ বস্তু সৰহকৈ পাব বুলি বিশ্বাস কৰে।”

এনেদৰেই দলুং দবুৰৰ অন্ত পৰে আৰু গাঁৱৰ ৰাইজে গেনা পালন কৰে।

দবুৰ পূজা উদযাপনৰ কাৰণঃ

দবুৰ পূজা নানান কাৰণত কৰিব পাৰে। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল সহজ-সৰল মিচিংসকলৰ জনবিশ্বাস মতে অপদেৱতা, দেও-ভূত আদি সকলোতে বিচৰণ কৰি ফুৰে আৰু ই মানুহক প্ৰায়ে অপকাৰ কৰিবলৈ বিচাৰি থাকে। তেওঁলোকক সন্তুষ্ট কৰাৰ লগতে গাঁৱৰ পৰা আঁতৰ কৰিবলৈ এই পূজা কৰা হয়। আকৌ শস্য উৎপাদন বৃদ্ধিৰ বাবে, মাটি উৰ্বৰা শক্তি বৃদ্ধিৰ বাবে, অসূয়া-অপসূয়াৰ দুৰীকৰণ, উন্নতিৰ বাবে, পৰিয়ালৰ দুখ-দুৰ্গতি আঁতৰাই শ্ৰীবৃদ্ধিৰ কাৰণেও দবুৰ পূজা আয়োজন কৰা হয়। কোনো ব্যক্তি আৱেগৰ বশৱৰ্তী হৈ কৰা ভুল বা পাপ কৰ্মৰ পৰা পৰিত্ৰাণৰ বাবে, জটিল ৰোগত পৰি কোনো চিকিৎসাই কাম নকৰিলেও এই পূজাৰ আয়োজন কৰা হয়। সমূহীয়া বা বুৰতী দবুৰ সকলোৰে মংগলৰ বাবে আয়োজন কৰা হয়। সাধাৰণতে দুখন গাঁও বা দুটা ফৈদৰ মাজত কাজিয়া হ’লে, দুজন ব্যক্তি, ককাই- ভাইৰ মাজত সম্পত্তি লৈ কাজিয়া হ’লে, মিলা-মিচাৰ বাবে কেইবাখনো গাঁৱৰ ৰাইজ একগোট হৈ পুনৰ যাতে এই কাজিয়া হ’ব নোৱাৰে তাৰ বাবে সাৱধান হ’বলৈ এই পূজাৰ আয়োজন কৰা হয়। এই পূজাৰ জৰিয়তে মিচিং সমাজে ডাঙৰ ডাঙৰ সমস্যাও সহজতে সমাধান কৰিব পাৰিছিল। চিকাৰীসকলে চিকাৰলৈ যোৱাৰ আগমুহূৰ্তত চিকাৰত যাতে কোনো বিপদ-বিঘিনি নহয় আৰু সহৰকৈ চিকাৰ পাবৰ বাবেও এই দবুৰ পূজা অনুষ্ঠিত কৰে। আজেং’ বা কোনোবাই কিবা অপৰাধ কৰাৰ বাবে দায়ী হ’লে, ৰক্তপাত দোষ, আকস্মিক দুৰ্ঘটনা, ঘৰত জুই লাগিলে, ডাঙৰ পাপ কৰিলে, কোনো মানুহে কাৰোবাৰ প্ৰতি অন্যায় কৰিলে যেনে— গোপন পৰনাৰী গমন, আনৰ ভঁৰালৰ পৰা ধান চোৰ কৰা, আনৰ গৰু, ম’হ গোপনে বধ কৰা ইত্যাদি নাইবা দেৱতাই বেয়া পোৱা কাম কৰিলে তেওঁ দুৰাৰোগ্য ৰোগত ভুগিব পাৰে। তেনে মানুহৰ ৰোগৰ লক্ষণলৈ লক্ষ্য কৰিও দবুৰ উদযাপন কৰা হয়। বেমাৰ আজাৰ অপায় অমঙ্গল দূৰ কৰিবলেও দবুৰ পূজা উদযাপন কৰা হয়। গতিকে এনেদৰে দেখা যায়

https://howlyraasmahotsav.org/

বিভিন্ন কাৰণত মিচিং সমাজত দবুৰ উদযাপন কৰা হয়।

গেনা আৰু পালন কৰিব লগা কিছু নিয়ম ঃ গাঁৱৰ ৰাইজে এদিন আৰু কুকুৰা কটা ব্যক্তিজনে পাঁচদিন ‘গেনা’ পালন কৰিব লাগে। অৱশ্যে আজিকালি এদিন হে গেনা পালন কৰা দেখা যায়। গেনা মানে হ’ল মিচিংসকলৰ এক নিষিদ্ধ প্ৰথা।

কিছুমান খাদ্য খাব নাপায় যেনে— কচু, ঘেঁৰ শাক, বেঙেনা, ৰঙালাও আদি। আনকি গেনা পালন কৰা সময়ত য’ত-ত’ত, চহৰে-নগৰে, গাড়ীয়ে-মটৰে নাযায়। গছত উঠা, ঘৰৰ মুধচত উঠা, কোৰ মৰা, হালবোৱা আদি কোনো ধৰণৰ কাম নকৰে সেইদিনা। যিহেতু সেইদিনা ‘কেঁচা কটা’ হয়, সেই বাবে গেনা পালন কৰে। এই গেনা বা কৰিব নোপোৱা বা বাধামূলক কাৰ্য্যৰ মাজত মিচিংসকলৰ বিশ্বাসবোৰো সোমাই আছে বুলি কোৱা হয়।

দবুৰ পূজাৰ দিনা অন্য গাঁৱৰ মানুহ গাঁৱত সোমাবলৈ দিয়া নহয় কিয়নো গাঁৱৰ লক্ষ্মী বাহিৰলৈ ওলাই যায় বুলি বহুলোকে বিশ্বাস কৰে। আকৌ আন কিছুমানে তেওঁলোকৰ কাৰ্য সিদ্ধি নহয় বুলি ভাবে। গাঁৱৰ ৰাইজে বেমাৰ আজাৰ, দেও দেৱতা, অপায়-অমঙ্গল গাঁৱৰ পৰা দূৰ কৰিবলৈ এক শুভ মাঙ্গলিক কাৰ্য কৰিছে তেনেস্থলত বহিৰাগতৰ প্ৰৱেশৰ ফলত পূজা বিফল হয় বুলিও ভৰা হয়। সেইয়ে হয়তো পূজা শেষ নোহোৱা পৰ্যন্ত বহিৰাগতক গাঁৱৰ পৰা বাহিৰ হ’বলৈ নিদিয়ে।

দবুৰ পূজাত মহিলাৰ অংশগ্ৰহণ দেখিবলৈ পোৱা নাযায়। আনকি দবুৰ পূজাত অশুচি মহিলাক আঁতৰাই ৰখাটো নিয়ম আৰু এনে ঘৰৰ পৰা যাতে পূজালৈ কোনো আহিব নোৱাৰে তাৰ বাবে আগতীয়াকৈ জনাই দিয়া হয়। আকৌ গাঁৱৰ কোনোবা তিৰোতাই যদি সেইদিনা সন্তান প্ৰসৱ কৰে তেন্তে সেইঘৰ মানুহ দবুৰ পূজাত অংশগ্ৰহণৰ পৰা বিৰত থাকে।

সাধাৰণতে দবুৰ পূজাত তেল, হালধী, মছলা, মাছ আদি প্ৰয়োগ কৰা নহয়। পৰম্পৰাগতভাৱে সিজাই খোৱা হয়।

অসমীয়া ভাষী মিচিং সমাজত দবুৰ পূজাঃ

মিচিঙৰ অন্যান্য ফৈদ বা খেলসমূহৰ দৰে অসমীয়া ভাষী মিচিংসকলৰ মাজতো দবুৰ পূজা অতি প্ৰাচীন কালৰে পৰা পৰম্পৰাগতভাবে চলি আহিছে। কিছুলোকৰ মতে দবুৰ তিনিবিধ আৰু আন কিছুমানৰ মতে দবুৰ চাৰিবিধ বুলি পোষণ কৰিছে যদিও অসমীয়া ভাষী মিচিং সমাজত ১। দলুং দবুৰ আৰু ২। বুৰ্তো দবুৰহে পালন কৰা দেখা যায়।

১। দলুং দবুৰ (ৰাজ দবুৰ) ঃ

গাঁৱৰ ৰাইজে সমূহীয়াকৈ পতা দবুৰক ‘দলুং দবুৰ’ বুলি কোৱা হয়। শৰৎ কালত কাতি মাহৰ ১৫ তাৰিখে তেওঁলোকে এই দবুৰ পূজা পালন কৰে। গাঁৱৰ মূৰৰ প্ৰথম ঘৰৰ পৰা এঘৰ এঘৰকৈ প্ৰতিটো ঘৰতে এই কাৰ্য কৰা হয়। কোনো ঘৰ বাকী থাকি নাযায়। গাঁৱৰ ডেকা, আদহীয়া, বুঢ়া মেথা সকলোৱে অংশ গ্ৰহণ কৰে। মহিলাসকলে অংশগ্ৰহণ নকৰে যদিও এই কাৰ্য সম্পন্ন কৰা স্থানত ভাত ৰন্ধা, আপং চকা, বিলনি কৰা আদি কাৰ্যত সহায় সহযোগ কৰা দেখা যায়।

দবুৰ পূজাৰ দিনা গাঁৱৰ এদল পুৰুষে ঘৰে ঘৰে গৈ চাং কোবাই যায়। হাতত ইকৰা, খাগৰি অথবা মেগেলা হাতত লৈ এজনে ‘অ্‌ৰ্ৰাই’ বুলি চিঞৰি গৃহস্থক চাং কোবাবলে অহা বুলি জনাই দিয়ে আৰু তেওঁ দবুৰৰ দলটোক নেতৃত্ব দিয়ে। (কিছু ঠাইত মেগেলা, ইকৰা আদি নাপাই কহুঁৱা ব্যৱহাৰ কৰাও দেখা যায়।)

বাকীসকলেও অ্‌ৰ্ৰাই..... অ্‌ৰ্ৰাই.... বুলি কৈ হাতে হাতে বাঁহৰ লাঠী, টোকোন, দীঘল মাৰি লৈ গাঁৱৰ উজনিৰ পৰা প্ৰতি ঘৰে ঘৰে চাং, বেৰ এফালৰ পৰা কোবায়। ঘৰৰ উজনি ফাল অৰ্থাত পূব দিশৰ পৰা পশ্চিম দিশ হে সম্পূৰ্ণ এপাক ঘূৰি এই কাৰ্য কৰে। ঘৰৰ গৃহস্থই হাতত খৰাহী, কুলা বা চালনি আদিত আপঙৰ টোপোলা, কুকুৰা, কণী, নিমখ চাউল, শাক, টকা-পইচা আদি আগবঢ়াই দিয়ে যাতে ঘৰৰ বেমাৰ, আজাৰ, অপায়-অমঙ্গল আদি দূৰ হয়। তেতিয়া ইকৰা লৈ নেতৃত্ব দি অহা ব্যক্তিজনে বস্তু দিয়া খৰাহীত ধৰি ‘তালেং আজেং কাজে কাজে’ কৈ গৃহস্থৰ সৈ’তে টনা টনি কৰে। গৃহস্থই কয়— আজিৰ পৰা অপায় -অমঙ্গল, দুখ -দুৰ্গতি নোহোৱা হ’ব লাগে আৰু ৰাইজৰ লগতে সকলো বেমাৰ আজাৰবোৰ গুচি যাব লাগে। উল্লেখযোগ্য যে দবুৰ কাৰ্য আৰম্ভ কৰা প্ৰথম ঘৰটোত আপং, চাউল আদি অন্যান্য বস্তুৰ লগতে কুকুৰা এটা দিয়াটো বাধ্যতামূলক। বাকী ঘৰ বিলাকত কুকুৰা দিয়াটো বাধ্যতামূলক নহয়। সাধ্য অনুসৰি যি দিয়ে সেইয়াকে গ্ৰহণ কৰা হয়। এনেদৰে প্ৰতিঘৰতে এই কাৰ্য

https://howlyraasmahotsav.org/

কৰে। আৰু কোনো ঘৰ বাকী নোৰোৱকৈ চাং কোবায়। সংগৃহীত বস্তু-সমগ্ৰী লৈ গাঁৱৰ মূৰত নিৰ্জন ঠাইত, নদী পাৰত অথবা আঁছুতীয়া ঠাইত সমবেত হৈ দবুৰৰ পূজা কাৰ্য সমাপন কৰে। চাং কোবোৱা লাঠি, টোকোন সকলো দবুৰ পূজাস্থলিত একেলগে গোটায়। দবুৰ পূজাত মহিলাসকলে অংশগ্ৰহণ নকৰে যদিও এই কাৰ্য সম্পন্ন কৰা স্থানত ভাত ৰন্ধা, আপং চকা, বিলনি কৰা আদি কাৰ্যত সহায় সহযোগিতা কৰা দেখা যায়। দবুৰ পূজাত ৰন্ধা বঢ়া কাৰ্যত তেল, মছলা আদি ব্যৱহাৰ কৰা নহয় যদিও অসমীয়া ভাষী মিচিংসকলে ব্যৱহাৰ কৰা দেখা যায়। আকৌ এই কাৰ্যত গাহৰিৰ প্ৰয়োগ কৰাত বাধা নাই যদিও তেওঁলোকে প্ৰয়োগ কৰা দেখা নাযায়।

গাঁৱৰ সীমান্তৰ আছুটীয়া ঠাইত প্ৰথমতে কোৰেৰে চাফা কৰি কোলা চিকুনোৱা হয় আৰু তাত ইকৰা তিনিডালৰ আগবোৰ একেলগে গাঁঠি দি থিয়কৈ পুতি লোৱা হয়। তাৰ ভিতৰতে দুটা সৰু সৰু গাঁত খন্দা হয়। এটা গাঁতত কুকুৰাৰ কণী ভঙা হয় আৰু কুকুৰাৰ ডিঙি কাটি তেজ দিয়া হয়। আনটো গাঁতত আপং বকা হয়। এজন পুৰুষে গা ধুই সূৰ্যমুখীয়া হৈ দঃঞিও-পঃল (সূৰ্য-চন্দ্ৰ)ৰ নাম লৈ মুৰ্গীটো হাতত লৈ ডিঙি ৰেপি হত্যা কৰি সকলোৰে মঙ্গল কামনা কৰি উৎসৰ্গা কৰে আৰু ডিঙিৰ তেজ গাঁতত দিয়ে। তেতিয়া বেঃদি বা বচন মাতি থাকে। এই কাৰ্যত এহাল ৰঙা কুকুৰাৰ প্ৰয়োজন হয়।

একেটা সময়তে কেইজনমান বয়োজ্যেষ্ঠ ব্যক্তিয়ে ঘৰে ঘৰে গৈ 'পিঃডে' কৰে। এই কাৰ্যক 'পিয়াৰ' কৰা বুলিও কয়। এই কাৰ্য গৃহস্থৰ মেৰামত কৰা হয়। মেৰামৰ চাৰিটা চুকতে আপং ঢালি ঢালি খেতি-পথাৰ, গৰু, ম'হ, মানুহ সকলো ভালে থাকিব লাগে আৰু বেমাৰ আজাৰৰ পৰা বাচি থাকিব লাগে বুলি সূৰ্য-চন্দ্ৰ, পূৰ্বপুৰুষ আদি সকলোৰে নাম উচ্চাৰণ কৰে।

গোত্ৰ দেৱতাৰ নামো লয়। যদি মানুহঘৰ পাৱ বংশৰ হয় তেনেহ'লে এইদৰে কয়

"আত লইঙে, গুঃমৃন চঃয়ৃঙে,
পংকাং আচিন বিতাগনেকা,
আচ্চেম বিতাগনেকা,
তিংগেল গিলাংকুবং"

অৰ্থাৎ পাৱ বংশৰ গোত্ৰ দেৱতা লইঙক 'আপং দিছো খা, পানী দিছো খা, খাই বৈ যাবিগৈ আৰু' বুলি কয়।

পাঠৰি বংশৰ হ'লে— 'আত পাঠৰি, গুঃমৃন চঃয়ৃঙে', আৰু বৰি বংশৰ গৃহস্থ হ'লে 'আত তৰিয়ে, গুঃমৃন চঃয়ৃঙে,' মৰাং বংশৰ হ'লে 'আত বনোঙে, গুঃমৃন চঃয়ৃঙে' এনেদৰে পূৰ্ব পুৰুষ বা গোত্ৰ দেৱতাৰ নাম উচ্চাৰণ কৰে। শেষত দুৱাৰ মুখৰ ফালে থকা মেৰামৰ চুকেদি শেষ কৰে। এই কাৰ্য কেঁচা ভকতে কৰিব পাৰে, কিয়নো দবুৰ পূজা হৈছে কেঁচাই কটা পূজা। গতিকে সাধু গুৰু নহ'লেও হয়।

একেটা সময়তে দবুৰত ব্যৱহাৰ কৰা কুকুৰাৰ মূৰ, পাখি, ঠেংবোৰ গাঁৱৰ সীমামূৰীয়া প্ৰৱেশদ্বাৰ বা আন্তঃগাঁৱ প্ৰৱেশদ্বাৰত গুজি দিয়া হয়। ইয়াৰ দ্বাৰা ইয়াকে বুজাব বিচৰা হয় যে বহিৰাগতৰ প্ৰৱেশ নিষেধ। এই ডবুৰ পূজাৰ দিনা আন গাঁৱৰ লোক আন এখন গাঁৱত প্ৰবেশ নিষেধ। কোনোবাকৈ প্ৰৱেশ কৰিলে তেওঁক দিনটো আৱদ্ধ কৰি ৰখা হয়, অন্যথা মূল্য ভৰিব লগা হয়। কিয়নো গাঁৱত এটা শুভ দবুৰ পূজা কাৰ্য কৰাত বহিৰাগতৰ প্ৰৱেশে গাম্মাং বা চোৱা লগাই দিয়া বুলি কয়। বয়োজ্যেষ্ঠসকলে ইমুৰ-সিমুৰ লগা বুলি কয়। আকৌ আন কিছুমানে লক্ষ্মী লৈ যোৱা বুলি কয়। অৱশ্যে অসমীয়া ভাষী মিচিংসকল বৰ বেছি কঠোৰ নহয়। ব্যক্তিজনৰ বিশেষ জৰুৰী কাম থকা বুলি ক'লে সামান্য এটা মূল্যৰ বিনিময়ত যাবলৈ দিয়ে। আকৌ ডবুৰ কোবোৱা গাঁৱৰ মানুহৰ মাজত অহা যোৱা চলে আৰু প্ৰৱেশত বাধা নাই বুলিও বহুলোকে কয়।

সেইদিনা স্থানীয় স্কুল, কলেজ, অফিচ আদি সকলো বন্ধ থাকে। শেষত দবুৰ পূজাৰ ভোজ ভাত খোৱা হয়। সেইদিনা চিকাৰত যোৱাৰ দৰে হাবিত শিয়াল, পহু, জহামল আদি বিচাৰিবলৈ যোৱা দেখা গৈছিল যদিও বৰ্তমান এই কাৰ্য দেখিবলৈ পোৱা নাযায়। দবুৰ পূজাৰ দিনা অসমীয়া ভাষী মিচিং গাঁৱৰ ৰাইজে গেনা পালন কৰে। কুকুৰা কটা ব্যক্তিজনে পাঁচদিন গেনা পালন কৰিব লাগে যদিও আজিকালি কেৱল উক্ত দিনটোতহে গেনা পালন কৰা দেখা যায়।

২। বুৰ্তী দবুৰ বা পিইয়াং দবুৰ ঃ

এই দবুৰ সাধাৰণতে কোনো কোনো ব্যক্তিৰ মাজত অথবা কোনো গাঁৱৰ লগত আন এখন গাঁৱৰ ৰক্তাক্ত ঘটনাক পিইয়াং লগা বা চিক্চা লগা বুলি কোৱা

https://howlyraasmahotsav.org/

হয়। এই পিইয়াং কাৰ্যই হত্যাকাণ্ডৰ ৰূপ ল'লে দবুৰৰ মাত্ৰাও বিস্তৃত আৰু গভীৰ হয়। এই পিইয়াং ভঙা কাৰ্যকে চিক্চা ভঙা বা বুৰ্তী দবুৰ বুলি কোৱা হয়।

অসমীয়া ভাষী মিচিংসকলৰ ভিতৰত সকলো ফৈদে এই দবুৰ উৎসৱ পালন কৰা দেখা নাযায়। বিশেষকৈ ছামুগুৰীয়া, বংকুৱাল, বিহিয়া, বেবেজিয়া ফৈদে এই দবুৰ উৎসৱ নাপাতে। লাহে লাহে অসমীয়া ভাষী মিচিং সমাজত নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত আৰু ভালকৈ নীতি নিয়ম জনা ব্যক্তিৰ অভাৱত কেতিয়াবা স্বকীয়তা হেৰুৱাব পেলাব যেন ভাব হয়।

দবুৰ পূজাৰ নতুন নিয়ম সম্পৰ্কত ঃ

শান্তিপ্ৰিয় মিচিংসকল পাহাৰৰ পৰা বিভিন্ন সময়ত ভৈয়ামলৈ নামি আহিল আৰু অসমৰ য'ত-ত'ত সিঁচৰিত হৈ পৰিল। সেইয়ে ঠাই বিশেষে দবুৰ উদ্যাপনৰ ৰীতি-নীতি আৰু পৰম্পৰাসমূহ কিছু ব্যতিক্ৰম হোৱা দেখা যায়। গতিকে সকলো মিচিং সামাজত একেধৰণে এই দবুৰ পূজা আয়োজন কৰাৰ মানসেৰে অসমৰ দ্বিতীয় বৃহৎ জনগোষ্ঠী মিচিঙৰ জাতীয় পূজা— 'দবুৰ পূজা'ৰ বাবে মিচিং জনগোষ্ঠীৰ পিতৃ সংগঠন 'মিচিং বানে কেবাং' (Mising Ba:ne Kebang-MBK)ৰ নেতৃত্বত মিচিং জাতীয় সংগঠনসমূহৰ সৰ্বসন্মতি অনুসৰি ২০২৪ চনৰ ২৯ মে' তাৰিখে কিছুমান নতুন নিয়ম প্ৰস্তুত কৰিছিল। সেই নিয়মসমূহ আছিল এনেধৰণৰ...

১। পূৰ্বৰ জেঠ মাহৰ ১৫ তাৰিখে দবুৰ পূজা পালন কৰি আহিছে যিহেতু সেইয়ে জেঠ মাহৰ ১৫ তাৰিখে দবুৰ পূজাৰ দিন হিচাপে বাধ্যতামূলক কৰা হয়। যদি সেইদিনা গাঁৱৰ কোনো ব্যক্তিৰ মৃত্যু হ'লে আন এদিনাও কৰিব পাৰে।

২। গাঁৱৰ কোনোবা তিৰোতাই যদি সেইদিনা সন্তান প্ৰসৱ কৰে তেন্তে কেৱল মাত্ৰ সেইঘৰ মানুহকে দবুৰ পূজাৰ পৰা বিৰত ৰাখিব লাগিব।

৩। দেখা যায় যে দলুং দবুৰত গাহৰি মাংস প্ৰয়োগ কৰিলেও কুকুৰাৰ মাংস ব্যৱহাৰ কৰাটো বাধ্যতামূলকভাৱে ব্যৱহাৰ কৰা দেখা যায়। এইয়ে দলুং দবুৰৰ মূল মাঙ্গলিক কাৰ্যত মাত্ৰ এযোৰ ৰঙা কুকুৰাৰ ৰক্তৰ ৰঞ্জৰেহে কৰা হওক।

৪। পূৰ্বৰ প্ৰচলিত নিয়ম মতে 'তাকপিয়াং' গছৰ ডাল কাটি কুকুৰা মৰা আৰু ৰন্ধা বঢ়া কামত জাকি হিচাপে ব্যৱহাৰ কৰা হ'ব।

৫। ঘৰে ঘৰে আজেং বিচৰা কাৰ্য পৰম্পৰাগতভাৱে চলি থাকিব।

৬। সাধাৰণতে দবুৰ পূজাত তেল, হালধী, মছলা নিদিয়াকৈ পৰম্পৰাগতভাৱে সিজাই খোৱা নিয়ম মানি চলা।

৭। দবুৰ পূজাৰ নামত বাহিৰৰ পৰা চান্দা বৰঙনি তোলা নিয়ম নাই। সেইমতে চান্দা বৰঙনি তোলা নিয়ম নকৰাই ভাল।

৮। গাঁৱৰ লোকে দবুৰ পূজাৰ দিনা ঘৰৰ ভিতৰত বা বাহিৰত ভোজ ভাত বা পাৰ্টি কৰাৰ পৰম্পৰা নাই।

৯। প্ৰচলিত নিয়ম অনুযায়ী দবুৰ পূজাৰ দিনা গাঁৱৰ সীমামূৰীয়া প্ৰৱেশদ্বাৰত 'নিপিৰ পিৰনাম' নামৰ প্ৰতীক চিহ্ন বহিৰাগত আগমনৰ বন্ধৰ চিন দিব যদিও গাঁওখনৰ সৰু সৰু আলিবোৰত সোমোৱা বাৰন কৰাৰ বাদে আন্তঃগাঁৱৰ সংযোগী পথ কিম্বা ৰাজ্যিক ঘাইপথ আদি অন্যান্য বৃহৎ পথসমূহত অহা-যোৱা বন্ধ কৰাৰ নিয়ম নকৰাই ভাল।

১০। "দঃবুৰ পূজা"ত উৎসৰ্গিত কুকুৰা, কুকুৰাৰ পাখি, ঠেং আদি আংগিক টুকুৰাবোৰ গিতপুনৰ দ্বাৰা গাঁৱৰ সীমা তথা প্ৰৱেশদ্বাৰ সমূহত গুজি দিয়াৰ প্ৰচলন থাকিব আৰু ধৰ্মীয় পৰম্পৰা অনুসৰি গেনা নিয়ম মানি চলা হওক।

১১। য়দলেন— দবুৰৰ দিনা কাঃৰুগ কগলেন আৰু য়দলেন পৰ্বসমূহ "দবুৰ পূজা" কৰাৰ স্থানতেই সাময়িকভাৱে সমাপন কৰা হওক।

মিচিং জাতিত জ্ঞাতে-অজ্ঞাতে বহু নতুন নতুন ৰীতি-নীতিৰ সংমিশ্ৰণ হোৱাৰ ফলত অসমৰ বিভিন্ন প্ৰান্তত থকা মিচিং গাঁৱৰ মানুহৰ দবুৰ পূজা পালন কৰাৰ নিয়মো কৰবাত পৃথক হোৱা দেখিবলৈ পোৱা যায়। প্ৰব্ৰজনৰ ফলত কৰবাত দৃষ্টিকতো প্ৰথাই স্থান পালেও সেই প্ৰথাসমূহৰ বাস্তৱিক আৰু দাৰ্শনিক ভিত্তি বিশ্লেষণ কৰাৰ পিছত উপৰোক্ত নীতিসমূহ প্ৰস্তুত কৰা হৈছে। গতিকে "দবুৰ পূজা"ৰ ওপৰত যুগুত কৰা এই প্ৰতিবেদনৰ সকলো নীতি-নিয়ম অসমৰ বিভিন্ন প্ৰান্তত থকা মিচিং ৰাইজে আদৰি ল'ব বুলি আশা কৰা হৈছে।

সামৰণী ঃ

বৰ্তমান মিচিংসকলৰ চাংঘৰ আৰু কেঁচা ঘৰ (বাঁহ-

https://howlyraasmahotsav.org/

খেৰৰ) ক্ৰমে কমি আহিছে। তাৰ ঠাইত বিভিন্ন ধৰণৰ আছাম টাইপ (Assam Type), আৰ. চি. চি. (RCC) আদি পকাঘৰে ঠাই লৈছে। সেই কাৰণে পকা ঘৰত চাং কোবাৱা দবুৰ কাৰ্য কৰিবলে অসুবিধা আহি পৰিছে। তদুপৰি মানুহ নগৰমুখী হোৱা বাবে কিছু নীতি নিয়ম নজনা হৈছে আৰু পৰম্পৰা নাইকীয়া হৈ যাব ধৰিছে।

দবুৰৰ দিনা দবুৰ পূজা পালন কৰা গাঁৱত বহিৰাগতৰ প্ৰৱেশ নিষেধ। যদি কোনো ব্যক্তি কিবা কাৰণত প্ৰৱেশ কৰে তেতিয়া হ'লে দিনটো আৱদ্ধ কৰি ৰাখে। এই নিয়মটো সংশোধন কৰিবৰ হ'ল। কিয়নো সেই ব্যক্তিজনৰ অতি দৰকাৰী আৰু জৰুৰী কামো থাকিব পাৰে সেইদিনা।

তাহানিতে নানান বেমাৰ-আজাৰৰ পৰা বাচি থাকিবলৈও দবুৰ পূজা কৰিছিল আৰু দবুৰৰ দিনা ঘৰৰ চাং, বেৰ কোবাইছিল। ইয়াৰ এটা বিজ্ঞানসন্মত কাৰণ নথকা নহয়। চাং, বেৰ কোবালে তাত লাগি থকা লেতেৰাবিলাক গুচি পৰিস্কাৰ হৈ পৰে আৰু লেতেৰাৰ পৰা হ'ব পৰা বেমাৰৰ পৰা পৰিত্ৰান পোৱা বুলিও ভবাৰ থল আছে।

লাহে লাহে বিশ্বায়নৰ পৃথিৱীত আধুনিকতা আৰু পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত, অন্যান্য ধৰ্মৰ প্ৰভাৱ, অপসংস্কৃতিৰ প্ৰভাৱ, কৰ্মৰ খাতিৰত নগৰমুখী হোৱাৰ বাবে দবুৰ পূজাৰ বহুখিনি নীতি নিয়ম মিচিঙৰ বহু বক্তিয়ে হয়তো ভালকৈ নজনা হৈ পৰিছে। এনেদৰে মিচিঙৰ এই পৌৰাণিক প্ৰথা পৰম্পৰা কিমান দিন সুকলমে ধৰি ৰাখিব পাৰিব ই এক বিচাৰ্যৰ বিষয়।

সহায়ক গ্ৰন্থপঞ্জী ঃ

১। *কাগ্য়ুং, ভৃগুমুনি (২০২০), মিচিং সংস্কৃতিৰ আলেখ্য, মিচিং আগম কৌবাং*

২। *বৰি, প্ৰশান্ত (২০১৪), অসমীয়া ভাষী মিচিঙৰ জনজীৱন (গৱেষণা গ্ৰন্থ)*

৩। *বড়ি, মনোৰঞ্জন (২০১৬), চিকিৎসা-বিজ্ঞান, মিচিং সমাজ আৰু লোক বিশ্বাস, অসম প্ৰকাশন পৰিষদ*

৪। *দলে, উৎপল, দলে, ৰঞ্জু মৰাং (২০২২), মিচিং সংস্কৃতিৰ ৰূপৰেখা, কৌস্তভ প্ৰকাশন*

৫। *তামুলী, গীতাশ্ৰী, গগৈ, অখিল (সম্পাদনা-২০০৬), মিচিং জনজীৱন*

৬। *পাদুন, নাহেন্দ্ৰ, মিচিং সংস্কৃতিৰ পটভূমি, মিচিং আগম কৌবাং*

৭। *পেগু, খগেন, মিচিং সমাজ আৰু সংস্কৃতি,*

৮। *মৰাং, দেৱাৰ্থ (২০২৩), টংকেশ্বৰ লইং ৰচনাৱলী, মিচিং আগম কৌবাং*

৯। *Doley, Ghono Kt.(2021), GOMLAB AKUN, Mising Agom Kebang*

১০। *Kuli, Jawahar Jyoti, (2012), THE MISINGSÊ. Their History and Culture, Kaustabh Prakashan*

তথ্য দাতাঃ

১। *শ্ৰীযুত দিব্যধৰ পাঠৰি, গুলুং টেমেৰা বালি গাঁও*

২। *শ্ৰীযুত খগেন লইং, বালিগাঁও*

৩। *শ্ৰীযুতা মিনা কুমাৰী দলে, ৰজাবাৰী (বোকাখাট)*

https://howlyraasmahotsav.org/

ভক্তি আৰু প্ৰেম ৰসৰ উৎসৱ-ৰাসোৎসৱ

অলকা বুজৰ বৰুৱা

ৰাস অসমৰ এটা অতি গুৰুত্বপূৰ্ণ তথা জনপ্ৰিয় ধৰ্মীয় উৎসৱ। ভক্তি ৰস আৰু প্ৰেম ৰসৰ মধুৰ সমন্বয়েই ৰাসোৎসৱ। কাতি মাহৰ পূৰ্ণিমা তিথিত ৰাস মহোৎসৱ পালন কৰা হয়। শৰৎ কালৰ জ্যো বিধৌত ৰাতিত শ্ৰীকৃষ্ণই যি প্ৰেম ৰসেৰে গোপিনীসকলক আপ্লুত কৰি তুলিছিল সেই প্ৰেমলীলাই ৰাসোৎসৱৰ প্ৰতিপাদ্য বিষয়।

"শৰত কালৰ ঋতু অতি বিতোপন
ৰাস-ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলা মন।"

ভগৱান শ্ৰীকৃষ্ণই মৰ্ত্যত কৰা কৰ্মৰাজিক ৰাস উৎসৱৰ জড়িয়তে প্ৰতিফলিত কৰা হয়। ৰাসলীলা প্ৰকৃত অৰ্থত প্ৰকৃতি আৰু পুৰুষৰ ৰমণ, জীৱাত্মা আৰু পৰমাত্মাৰ মিলন, ভক্ত আৰু ভগৱন্তৰ আলিংগন।

ৰাস শব্দটো মূলতঃ 'ৰস' শব্দৰ পৰা উৎপত্তি হৈছে বুলি ভৰা হয়। ইয়াৰ পাৰমাৰ্থিক অৰ্থ হৈছে ভক্ত আৰু ভগৱানৰ মিলনৰ আনন্দ। কীৰ্তনঘোষাত উল্লেখ থকা মতে "ৰসৰ আস্বাদনেই হৈছে ৰাস।" প্ৰভু শ্ৰীকৃষ্ণই গোপীসকলৰ লগত ৰমণ কৰি পোৱা আনন্দ আৰু এই আনন্দত গোপীৰ মিলন হোৱা বাবেই ৰাসৰ উৎপত্তি হৈছে।

শ্ৰীকৃষ্ণৰ সুমধুৰ বংশীধ্বনিত মোহিত হৈ গোপীসকলে বৃন্দাবনলৈ ঢাপলি মেলিছিল আৰু কৃষ্ণৰ চৰণত নিজকে সমৰ্পণ কৰিছিল। শ্ৰীকৃষ্ণই গোপীসকলক সংসাৰ ধৰ্ম পালন কৰাৰ অৰ্থে স্ব-গৃহলৈ উভতি যাবলৈ অনুৰোধ কৰিছিল। কিন্তু গোপীসকলে নিজৰ মতত অলৰ অচৰ আছিল। শ্ৰীকৃষ্ণই গোপীসকলৰ দৃঢ়ভক্তি দেখি তেওঁলোকৰ মনোকামনা পূৰণৰ অৰ্থে ৰাসলীলা আৰম্ভ কৰিলে। কিন্তু যেতিয়া গোপীসকলে কৃষ্ণক তেওঁলোকৰ অধীন বুলি ভাৱি অহংকাৰ কৰিলে তেতিয়াই কৃষ্ণই ৰাধাক লৈ অন্তৰ্ধান হয়। তেতিয়া গোপীসকলে নিজৰ ভুল বুজিব পাৰি একান্তমনে কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। গোপীসকলৰ ভক্তিত সন্তুষ্ট হৈ কৃষ্ণই গোপীসকলক মানৱজীৱনৰ গূঢ়াৰ্থ বুজাই দিলে আৰু তেওঁলোকৰ ইচ্ছাক সন্মান জনাই "য'ত গোপী ত'ত কৃষ্ণ" হৈ গোপীৰ মনৰ অভিলাষ পূৰ্ণ কৰিলে। এয়ে ৰাস উৎসৱৰ মূল অৰ্থ।

"জয় জয় জগন্নাথ জগতৰ আদিমূল
গোপ ৰূপ ধৰি হৰি তাৰিলা গোকুল।

শৃংগাৰ ৰসেৰে ভৰা ৰাসলীলা পৰম পুৰুষ ভগৱান শ্ৰীকৃষ্ণৰ লীলা, ভক্তি ৰসত জীৱই পৰমপুৰুষ ভগৱানক লগ পোৱাৰ শ্বাশত পথ।

অসমৰ নদীদ্বীপ ৰাসলীলা প্ৰদৰ্শনৰ স্বৰ্ণক্ষেত্ৰ বুলি অভিহিত কৰিব পাৰি। আধ্যাত্মিক তত্ব সমৃদ্ধ ৰাসলীলা অসমৰ বিভিন্ন প্ৰান্তত উদ্‌যাপন কৰা হয় যদিও মাজুলীৰ ৰাসলীলাত হোৱা আড়ম্বৰ পূৰ্ণ অনুষ্ঠানে সুকীয়া বৈশিষ্ট্য বহন কৰে।

অসমৰ মাজুলীৰ দক্ষিণপাট সত্ৰত প্ৰথমে ৰাস উৎসৱ আৰম্ভ হয়। বৰ্তমান মাজুলীৰ উপৰিও-নলবাৰী, হাউলী, টিহু, পলাশবাৰী, মঙলদৈ, পাঠশালা, আদিতো ৰাস উৎসৱ অনুষ্ঠিত হয়। ৰাস আদি ধৰ্মীয় উৎসৱবোৰৰ আন এটা দিশো আছে। সেইটো হ'ল মানুহৰ মনত একতা আৰু ভাতৃত্ববোধ জগাই তোলা। নানা সমস্যাৰে

https://howlyraasmahotsav.org/

জৰ্জৰিত মানুহবোৰক এনে উৎসৱ সমূহে-সাহস, শক্তি, আনন্দ আৰু প্ৰেৰণা দিব পাৰে। এনে উৎসৱসমূহৰ দ্বাৰা ডেকাচামৰ আধ্যাত্মিক জ্ঞানৰ জৰিয়তে কু-অভ্যাসবোৰ ত্যাগ কৰি সজ পথত চলাৰ বাবে পাথেয় হ'ব পাৰে, উজনি আৰু নামনি অসমৰ ৰাসৰ মাজত বহুতো পাৰ্থক্য দেখিবলৈ পোৱা যায়। উজনিৰ ৰাস অভিনয় কেন্দ্ৰিক আৰু নামনিৰ ৰাস মূৰ্তি কেন্দ্ৰিক। এই মূৰ্তি সমূহৰ জৰিয়তে গীতা, ৰামায়ণ, মহাভাৰত, ভাগৱত আদিৰ আখ্যানৰ লগত জড়িত ভগৱানৰ মাহাত্ম্য প্ৰকাশ কৰা হয়। ইয়াত শ্ৰীকৃষ্ণৰ বিভিন্ন কৰ্মৰাজিক মৃন্ময় মূৰ্তি সমূহৰ জৰিয়তে সজাই তুলি উপস্থাপন কৰা হয়। নামনি অসমৰ ৰাসত বিভিন্ন আলোক সজ্জাৰে প্ৰদৰ্শনস্থলী সজাই দৰ্শকৰ মন আকৰ্ষণ কৰে। একেদৰে পূৰ্বৰ ৰাস উৎসৱ আৰু বৰ্তমানৰ ৰাস উৎসৱৰ মাজতো বহুতো পাৰ্থক্য দেখা যায়। পূৰ্বতে ৰাসোৎসৱ কেৱল আধ্যাত্মিক ভাৱধাৰাৰ লগত জড়িত আছিল। কিন্তু আধ্যাত্মিকতাৰ লগত বৰ্তমান বহুতো বাহ্যিকতাৰ সমন্বয় ঘটিছে। ৰাস উৎসৱ সম্প্ৰতি অকল ধৰ্মীয় উৎসৱতে সীমাবদ্ধ হৈ থকা নাই। ই সাংস্কৃতিক তথা অৰ্থনৈতিক দিশতো বহুখিনি প্ৰভাৱ বিস্তাৰ কৰিছে। বৰ্তমান ৰাসৰ মূৰ্তিসমূহৰ ভিতৰত ৰাধা, যশোদা অথবা শ্ৰীকৃষ্ণৰ জীৱনৰ লগত জড়িত দেৱ-দেৱী সমূহৰ উপৰিও সামাজিক জীৱন প্ৰতিফলিত কৰিব পৰা যেনে ঃ শিক্ষা, স্বাস্থ্য, বিজ্ঞান আৰু মানৱতা, সামাজিক পৰিৱেশ আদিৰ লগত খাপ খোৱা মূৰ্তিও প্ৰদৰ্শন কৰা হয়। গতিকে ক'ব পাৰি সাম্প্ৰতিক সময়ত ৰাস-ধৰ্মীয় উৎসৱ হোৱাৰ লগতে সামাজিক উৎসৱো। পূৰ্বতে কেৱল ভাওনা, গায়ন-বায়ন আদিৰ শব্দৰে ৰাসোৎসৱ অনুষ্ঠিত হৈছিল। বৰ্তমান নানা বাদ্যযন্ত্ৰ, সাংস্কৃতিক সন্ধিয়াৰ আয়োজন, আলোক সজ্জা আদিবোৰ তাত সংযোজিত হৈছে।

https://howlyraasmahotsav.org/

অমৃতৰ ধাৰা ঃ ৰাধা

নীলাঞ্জনা পাঠক

ৰাধা, এটা নাম যি সামৰে সকলো। শ্ৰীকৃষ্ণৰ হাঁহি ৰাধা, কৃষ্ণৰ বাঁহীৰ সুৰ ৰাধা, যমুনাৰ শীতলতাও ৰাধা, ৰাসৰ ঈশ্বৰীও ৰাধা। শ্ৰী কৃষ্ণৰ সৰ্বস্ব ৰাধা।

সূৰ্য দেৱৰ মনুষ্য ৰূপ হৈছে বৃষভানু, সেই বৃষভানু আৰু কৃতিদাৰ কন্যা সন্তানজনীয়ে হৈছে ৰাধা। বাৰসনাৰ জীয়ৰী ৰাধাই কৃষ্ণ লীলাত সহায় কৰিবলৈয়ে পৃথিৱীত মনুষ্য ৰূপে অৱতাৰ লৈছিল। কৃষ্ণৰ পৰশতহে চকু মুকলি কৰা ৰাধাই অনন্ত প্ৰেমৰ পাঠ সংসাৰক পঢ়াই শ্ৰী কৃষ্ণৰ আগেই এই লীলা মঞ্চ ত্যাগ কৰিছিল। ৰাধা ঈশ্বৰী হৈও মানৱী আকৌ মানৱী হৈও দেৱী। ৰাধা নামতেই আছে অখণ্ড পুণ্যৰ ভাণ্ডাৰ, সেয়ে শ্ৰী কৃষ্ণইও তেওঁৰ নাম বাৰে পতি উচ্চাৰণ কৰে, ৰাধা ৰাধা...।

কৃষ্ণ প্ৰিয়া ৰাধাৰ প্ৰিয় খাদ্য হৈছে, কচুৰ তৰকাৰি, ৰাবৰি, মাখন, পায়স। নীলা ৰং ৰাধাৰ প্ৰিয় কাৰণ সেই ৰং তেওঁৰ প্ৰিয়তমৰ। পদ্মজন্মা ৰাধাৰ প্ৰিয় ফুল পদ্ম। কৰুণাময়ী ৰাধাৰ কৰুণা লাভ কৰিবলৈ কৃষ্ণইও উত্ৰাৱল হৈ থাকে, সকলোকে মৰমৰে আৱৰি থকা ৰাধাই নিজৰ পোছাকত ভুলতে লাগি ধৰা শুকান পাতটোকো গুচাই নেপেলায় কাৰণ শুকান এখিলা পাততো ৰাধাই ঢালি দিব পাৰে কৰুণাৰ কান্তি। ৰাধাক মূল প্ৰকৃতি, বৃন্দাবন বিহাৰীণী, বৃন্দাবনঈশ্বৰী, কৃষ্ণ মোহিনী আদি নামেৰেও মাতিব পাৰি। সকলোকে ক্ষমা কৰি সকলো বদনাম মূৰ পাতি লৈ ৰাধাই প্ৰেম অমৃতৰ ধাৰা বোৱাই যায় ইপাৰৰ পৰা সিপাৰলৈ, অনন্তলৈ।

শৰৎকালৰ স্নিগ্ধ জোনাক নিশা আৰু ৰাসক্ৰীড়া
(মহাপুৰুষ শংকৰদেৱৰ 'কীৰ্তন গ্ৰন্থ'ৰ উল্লিখনসহ)

ড° কল্পনা বৈশ্য

১.০ অৱতৰণিকা ঃ

অসমীয়া জাতীয় জীৱনৰ প্ৰাণ স্বৰূপ তথা সৰ্বকালৰ যুগনায়ক বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক তথা বৈষ্ণৱ গুৰু মহাপুৰুষ শংকৰদেৱ। গুৰুজনাৰ বৰগীত, অংকীয়া নাট, কাব্য, তত্ত্বমূলক সাহিত্য-আদি প্ৰতিটো সৃষ্টি কৰ্মৰ অভিনৱত্বৰ বাবে অসমীয়া জাতীয় জীৱনত ব্যাপ্ত হৈ আছে। ধৰ্ম, দৰ্শন, সাহিত্য, সংস্কৃতি, জীৱনবোধ— আদি সকলো দিশতে গুৰুজনাৰ সমাজখনক দেখুৱাই থৈ যোৱা আদৰ্শ আৰু দৃষ্টিভংগীয়ে মূল চালিকা শক্তিৰূপে চিহ্নিত হৈছে। মহাপুৰুষ শংকৰদেৱ অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ প্ৰভূত অৰিহণা যোগাওঁতা আৰু মহাপুৰুষজনাৰ এই অৰিহণাই অসমীয়া জাতীয় জীৱনক এক নতুন মাত্ৰা প্ৰদান কৰিছে বুলি ক'ব পাৰি। ধৰ্মপ্ৰচাৰৰ উপৰিও সমাজ-সংস্কাৰ, সাহিত্য সৃষ্টি, চিত্ৰবিদ্যা, সংগীত, অভিনয় আদি সকলো বিষয়তে এইগৰাকী মনীষীয়ে নিজস্ব প্ৰতিভাৰ স্বাক্ষৰ দি থৈ গৈছে আৰু অসমীয়া জাতিক ধৰ্ম, সাহিত্য, শিক্ষা, সংস্কৃতিৰ ক্ষেত্ৰখনত সঞ্জীৱনী শক্তি প্ৰদান কৰি খ্যাতি ৰাখি গৈছে। সেয়েহে গুৰুজনাৰ গুণানুকীৰ্তন কৰি তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱে এনেদৰে কৈছিল—

"জয়গুৰু শংকৰ সৰ্বগুণাকৰ যাকেৰি
নাহিকে উপাম।"

অসমীয়া সাহিত্য জগতখনত শংকৰদেৱে অনুবাদমূলক, কাব্য, নাট, গীত, নামপ্ৰসঙ্গ সম্পৰ্কীয় আৰু তত্ত্বমূলক গ্ৰন্থ ৰচনা কৰি সাহিত্যৰ ভঁৰাল মেটমৰা কৰি থৈ গৈছে।

১.১ শৰৎকালৰ স্নিগ্ধ জোনাক নিশা আৰু ৰাসক্ৰীড়া ঃ

ছয় ঋতুৰ ভিতৰত শৰৎ ঋতুক এক তাৎপৰ্যপূৰ্ণ ঋতু হিচাপে গণ্য কৰা হয়। শৰৎ ঋতুত আকাশ নিৰ্মল হয়, আকাশত জোন আৰু তৰাৰ উজ্জ্বলতাই মানৱৰ মনতো এক আনন্দৰ বন্যা আনি দিয়ে। বাৰিষাৰ মেঘবোৰ নাইকিয়া হৈ বাট-পথ পৰিষ্কাৰ হয়। শৰৎ নিশাৰ স্নিগ্ধ পোহৰে মানুহৰ মনত অন্য এক পুলক যোগায়। প্ৰকৃতি জগতৰ গছ-লতা, তৰু-তৃণৰ স্বচ্ছ স্ফটিকৰ বৰ্ণালী, চৰাই-চিৰিকটি, জীৱ-জন্তু আৰু মানৱৰ প্ৰাণত শাৰদীয় ঋতুৰ মনোমুগ্ধকৰ প্ৰতিচ্ছবি এখনে অতীজৰে পৰাই বৰ্তমান পৰ্যন্ত প্ৰাচ্য আৰু পাশ্চাত্যৰ কবি-সাহিত্যিক, গীতিকাৰ, চিত্ৰকৰ, শিল্পী, দাৰ্শনিকসকলক নানান ভাব-ভংগীৰে আকৰ্ষিত কৰি আহিছে। মহাকবি কালিদাসে তেওঁৰ সাহিত্যত "শৰৎ" পংকজ নয়না ৰাজলক্ষ্মী আদি উপাচাৰেৰে সজাই এক নব্য ৰূপত চিত্ৰিত কৰিছে। সেইদৰে শংকৰদেৱৰ শৰতৰ সৌন্দৰ্যময় ৰূপ এনেদৰে বৰ্ণনা কৰিছে—

"পুষ্পিত মন্দাৰ কুন্দ গন্ধে হুৱা ভোল।
মধুমত্ত অনেক ভ্ৰমৰে কৰে ৰোল।।
শৰৎ চন্দ্ৰ কানিত অতি সুকোমল।
দেখি মহা সন্তোষিত গোপীকাসকল।।"

বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰে শৰতৰ মনোৰম সৌন্দৰ্যবোধ অনুভৱ কৰি শৰতক আহ্বান জনাইছে এনেদৰে—

https://howlyraasmahotsav.org/

"এসো হে শাৰদ লক্ষ্মী
তোমাক শুভ্ৰ মেঘৰ ৰথে।"

বৈষ্ণৱ গুৰু মহাপুৰুষ শংকৰদেৱৰ অনুদিত ভাগৱতৰ দশম স্কন্ধত শৰৎকালৰ মহিমাময় ৰূপৰ সুন্দৰ বৰ্ণনা দাঙি ধৰিছে আৰু তাৰ লগে লগে শৰৎ কালত ৰাস পূৰ্ণিমাৰ নিশা প্ৰকৃতিৰ এই ৰম্য ভূমিত ৰাসমঞ্চৰ সৃষ্টি কৰি পৰম পুৰুষ মুৰুলিধৰ ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি আকৃষ্ট হৈ গোপীসকলে কৃষ্ণৰ সৈতে ৰাসলীলাত নিমগ্ন হৈ পৰিছিল তাৰ বৰ্ণনা কৰিছে এনেদৰে—

"শৰতকালৰ ৰাত্ৰি আতি বিতোপন।
বহুবিধ পুষ্পে বিকশিত বৃন্দাবন।।
ভৈলন্ত উদিত চন্দ্ৰ পূৰ্ব দিশ হন্তে।
কামাতুৰ স্ত্ৰীৰ যেন সন্তাপ মাজন্তে।।
লহু লহু বহে মন্দ মলয়া পবন।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন।।"

ৰাসক্ৰীড়াৰ এনে বৰ্ণনাৰ মাজেৰে শৰতৰ সৌন্দৰ্যৰ বুকুত যেন আত্মা-পৰমাত্মাৰ এক মিলন দেখুওৱা হৈছে।

মহাপুৰুষ শংকৰদেৱৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন তথা বৈষ্ণৱ সাহিত্যৰ কীৰ্তিস্তম্ভ হ'ল 'কীৰ্ত্তন' গ্ৰন্থ। অতি কম পৰিসৰত কীৰ্ত্তন গ্ৰন্থৰ প্ৰতিটো খণ্ড অথবা আখ্যান পৰ্যাপ্তভাৱে পাঠক অথবা শ্ৰোতাৰ হৃদয়ক আকৰ্ষিত কৰি তোলাৰ ক্ষেত্ৰত গুৰুজনাৰ প্ৰধান কৃতিত্ব। "বিষয়বস্তুৰ মনোৰম প্ৰকাশ, ছন্দৰ বৈচিত্ৰ্য আৰু লালিত্যই, তাৰ উজ্জীপিত কৰিব পৰা উপযুক্ত শব্দৰ ব্যৱহাৰে আৰু সকলোৰে ওপৰত ভক্তিৰ মধুৰ প্ৰলেপে কীৰ্ত্তনক ল'ৰা, ডেকা আৰু বুঢ়া সকলো লোকৰে প্ৰিয় কৰি তুলিছে।"

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই 'কীৰ্ত্তন' গ্ৰন্থৰ সম্পৰ্কত এনেদৰে মত প্ৰকাশ কৰিছে—

"ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য ভাবৰ মাধুৰ্য্য, ভক্তিৰ দৃঢ়তা চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ কীৰ্ত্তন ৰচিত।"

জ্ঞাননাথ বৰাদেৱৰ ভাষাত—

"কীৰ্ত্তনত হৰ্ষ-বিষাদ, প্ৰেম-বিৰহ, ক্ৰোধ ক্ষমা আদিয়ে জুমুৰি পাতিছে।"

তাৰোপৰি 'কীৰ্ত্তন' সম্পৰ্কে এনেদৰে পোৱা যায়—"সংক্ষেপতে ক'বলৈ হ'লে কীৰ্ত্তনত কাব্যমোদীৰ বাবে কাব্য, দাৰ্শনিক জ্ঞানমাৰ্গীৰ বাবে তত্ত্বজ্ঞান, ভক্তৰ বাবে কৃষ্ণকথা অথবা লীলা, গায়কৰ কাৰণে গীত আৰু গুৰুৰ পৰা উপদেশ বিচৰাসকলৰ বাবে বিধি ব্যৱস্থা বা উপদেশ সকলো একেলগে থূপ খাই আছে।"

কীৰ্ত্তন গ্ৰন্থৰ লীলা বিষয়ক খণ্ডৰ ভিতৰত 'ৰাসক্ৰীড়া' খণ্ডটিৰ এক বিশেষ মূল্য আছে। শংকৰদেৱে ঈশ্বৰ পূৰ্ণব্ৰহ্ম আৰু সেই ব্ৰহ্মাৰ চৰাচৰ জীৱ আৰু ভূত-বৰ্ত্তমান বুলি মানি লোৱা হয়— এনে ব্যাখ্যা দাঙি ধৰিছে। সেয়েহে পৰম পুৰুষ ভগৱান শ্ৰীকৃষ্ণৰ মাহাত্ম্যৰ কথা এনেদৰে কোৱা হৈছে—

"সমস্ত প্ৰাণীক ব্যাপি আছোহোঁ অনন্ত।
বাহিৰে ভিতৰে সমস্ততে ভগৱন্ত।।
সেহি ঘটসৰ মাটি মাত্ৰ বিচাৰত।
সেইমতে ব্যাপি আছো এহি ত্ৰিজগত।।"

কীৰ্ত্তন গ্ৰন্থত সন্নিৱিষ্ট এটি তাৎপৰ্যপূৰ্ণ অন্যতম অধ্যায় হ'ল 'ৰাসক্ৰীড়া' অধ্যায়। বৈষ্ণৱ গুৰু শংকৰদেৱে ভাগৱতৰ দশম স্কন্ধৰ আধাৰতে কীৰ্ত্তন গ্ৰন্থৰ 'ৰাসক্ৰীড়া' অধ্যায়টি ৰচনা কৰিছে। 'ৰাসক্ৰীড়া' অধ্যায়ত মুঠ ওঠৰটা কীৰ্ত্তন আছে। শৰতকালৰ পূৰ্ণিমা ৰাতি অৱতাৰী পুৰুষ শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া কৰাৰ আকাংক্ষা জাগিল। এই ৰাসলীলা মূলতঃ জীৱাত্মাৰ সৈতে পৰমাত্মা শ্ৰীকৃষ্ণৰ লীলা। অৰ্থাৎ জীৱাত্মাৰ সৈতে পৰমাত্মা পৰমব্ৰহ্মৰ যি নিত্য লীলা অনাদি অনন্ত কাল ধৰি চলি আহিছে সেই লীলাৰ প্ৰকৃত স্বৰূপ মানুহক বুজাবৰ উদ্দেশ্যে বৃন্দাবনত মায়াৰ জৰিয়তে মনুষ্যদেহ ধাৰণ কৰি পৰমব্ৰহ্ম শ্ৰীকৃষ্ণই ৰাসলীলাত মগ্ন হৈছিল। এই ৰাসলীলা শৃঙ্গাৰ কথা স্থূল মাথোন। প্ৰকৃতাৰ্থত এই ৰাসলীলা নিবৃত্তি পথ মুক্তিৰ দ্বাৰ স্বৰূপ। এয়াই হ'ল ৰাসলীলাৰ প্ৰকৃত তাৎপৰ্য।

পৰম পুৰুষ ভগৱান শ্ৰীকৃষ্ণৰ আকৰ্ষণীয় স্বৰূপ সুললিত সুৰেৰে বাঁহী বজালে। কৃষ্ণগত প্ৰাণা গোপীসকলে বিশুদ্ধ চিত্তেৰে শ্ৰীকৃষ্ণৰ মুৰুলীৰ সেই ধ্বনি শুনি গৃহ কাৰ্য আৰু পতি-পুত্ৰাদি পৰিত্যাগ কৰি বৃন্দাবনত শ্ৰীকৃষ্ণৰ ওচৰলৈ আহিল। শ্ৰীকৃষ্ণই গোপীসকলক স্বাগতম জনাই ব্ৰজৰ কুশল বাৰ্তা সুধি তেওঁলোকৰ প্ৰিয় কাৰ্য সম্পৰ্কে জানিবলৈ বিচাৰিলে আৰু গোপীসকলক পৰীক্ষা কৰাৰ মানসেৰে প্ৰাণৰ ভয়, লোকভয় আৰু ধৰ্মভয় দেখুৱালে। শ্ৰীকৃষ্ণৰ একান্ত ভক্তা গোপীসকলে ব্ৰজলৈ উভতি নোযোৱা দেখি শ্ৰীকৃষ্ণই

https://howlyraasmahotsav.org/

ৰাসক্ৰীড়াৰ উদ্দেশ্যে সন্মতি দিলে। কিন্তু শ্ৰীকৃষ্ণৰ পৰা মহামান লাভ কৰি গোপীসকল অহংকাৰী হৈ পৰিল আৰু গোপীসকলৰ দৰ্প চূৰ্ণ কৰাৰ বাবে কৃষ্ণই ৰাসমণ্ডলীৰ পৰা আকস্মিকভাবে অন্তৰ্ধান হোৱাত গোপীসকলে আৰ্তৰাৱে কৃষ্ণক বিচাৰিবলৈ ধৰিলে। কাতৰ গোপীসকলে বিহ্বলা হৈ অশ্বত্থ, বট, পাকৰি, চম্পা, তুলসী, যুতি, মালতী আদি বৃক্ষবোৰক কৃষ্ণৰ বাতৰি সুধিলে। কৃষ্ণক বিচাৰি নাপাই বিৰহিনী গোপীসকলে কৃষ্ণলীলাৰ চৰিত্ৰসমূহ অভিনয় কৰিবলৈ ধৰিলে। শেষত ধ্বজ বজ্ৰ-অঙ্কুশ চিহ্নযুক্ত কৃষ্ণৰ খোজৰ সৈতে আন এজনী গোপিনীৰ খোজ চিহ্ন দেখি গোপিনীসকলে আকুল হৈ মহাদুখে কৃষ্ণক অনুসৰণ কৰিলে। শ্ৰীকৃষ্ণৰ সৈতে যোৱা গোপিনীগৰাকীৰ মনত অহংকাৰৰ সৃষ্টি হোৱাত শ্ৰীকৃষ্ণই তেওঁকো ত্যাগ কৰিলে। ৰাসলীলাৰ শেষৰফালে সকলো গোপীয়ে মিলিত হৈ কৃষ্ণত নিজৰ চিত্ত অৰ্পণ কৰি যমুনাৰ বালিত একান্তমনে প্ৰাৰ্থনা কৰিলে। 'ৰাসক্ৰীড়া' খণ্ডটিত লেখকে এনেদৰে উল্লেখ কৰিছে—

"কৃষ্ণত অৰ্পিল মন কৃষ্ণৰ আলাপ।
কৃষ্ণগুণ গায়া কৰে কৃষ্ণৰ বিলাপ।।
পতি পুত্ৰ গৃহ শৰীৰকো নুসুমৰে।
কৃষ্ণময় হুয়া কৃষ্ণ চেষ্টা মাত্ৰ কৰে।।"

https://howlyraasmahotsav.org/

কৃষ্ণপ্ৰেমী একান্ত ভক্তা গোপীসকলৰ প্ৰেম ভক্তিত সন্তুষ্ট হৈ শ্ৰীকৃষ্ণই গোপীসকলক দেখা দিয়ে। শ্ৰীকৃষ্ণই গোপীসকলৰ প্ৰেম ভক্তি গভীৰ হোৱাৰ উদ্দেশ্যেহে যে অন্তৰ্ধান হৈছিল— সেই কথাও গোপীসকলৰ আগত প্ৰকাশ কৰিলে। শ্ৰীকৃষ্ণই পূৰ্ণিমা ৰাতি যমুনাৰ বালিত মণ্ডলাকাৰে গোপীসকলৰ লগত ৰাসক্ৰীড়া আৰম্ভ কৰে। একান্ত ভক্তা গোপীসকলৰ মনোবাঞ্চা পূৰণৰ উদ্দেশ্যে ভগৱান শ্ৰীকৃষ্ণই এনেদৰে ৰাসক্ৰীড়া কৰিছিল।

মহাপুৰুষ শংকৰদেৱে 'ৰাসক্ৰীড়া' নামৰ এই খণ্ডটিত শৃঙ্গাৰ ৰসৰ বৰ্ণনা দাঙি ধৰিছে যদিও কৃষ্ণ ভক্তিৰ প্ৰতি শৃঙ্গাৰ ৰসত ৰতি থকা লোকক আকৃষ্ট কৰাৰ উদ্দেশ্যে অৰ্থাৎ 'কামজয় নামে ইটো কেশৱৰ কেলি' বুলি বৈষ্ণৱ গুৰুজনে এনে বৰ্ণনা দাঙি ধৰিছে। পাঠটিত এনেদৰে পোৱা যায়—

"শৃঙ্গাৰ ৰসে যাৰ আছে ৰতি।
আকে শুনি হোক নিৰ্মল মতি।।

....

ইটো ৰাসক্ৰীড়া কেলি নামে কামজয়।
কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময়।।"

ভগৱানৰ এনে মধুৰ ৰাসক্ৰীড়া চোৱাৰ মানসেৰে বিমানযোগে গন্ধৰ্বসকল মৰ্ত্যলৈ নামি আহিছিল। নিৰাকাৰ পৰম ব্ৰহ্ম শ্ৰীকৃষ্ণই কায়া লুকুৱাই ছায়া শৰীৰক ভক্তিত গদ্ গদ্ গোপীসকলৰ মাজত বিলাই দি ভক্তৰ মনোবাঞ্চা পূৰ্ণ কৰিছিল।

ৰাসক্ৰীড়াৰ অন্তত গোপীসকল শ্ৰান্ত-ক্লান্ত হোৱা দেখি শ্ৰীকৃষ্ণই গোপীসকলক যমুনাৰ জলত নমাই বিভিন্ন প্ৰকাৰে জলকেলি কৰিছিল। একান্ত ভক্তিৰ অধিকাৰিণী গোপীসকলে কৃষ্ণৰ বাক্য শিৰত লৈ নিজ নিজ গৃহলৈ উভতিছিল।

'সৰ্ব 'অৱতাৰৰ কাৰণ' স্বৰূপ 'ব্ৰহ্মৰূপী সনাতন' মূল বস্তুৰ আদৰ্শ তেওঁ মানৱৰ আগত দাঙি ধৰে। এই সনাতন আৰ্যসত্যৰ ওপৰতেই সমস্ত ভাৰতীয় সভ্যতা প্ৰতিষ্ঠিত।

শংকৰী দৰ্শনৰ অথবা ধৰ্মৰ মূল গ্ৰন্থ হিচাপে 'কীৰ্ত্তন ঘোষা'ই এক বিশেষ স্থান লাভ কৰিছে বুলি ক'ব পাৰি। আনহাতে ভক্তি ধৰ্মৰ ফালৰ পৰাও এই গ্ৰন্থ শ্ৰেষ্ঠ গ্ৰন্থ। শংকৰী ধৰ্মৰ মূল ভেটি হ'ল ভক্তি। গুৰুজনাৰ মতে সৰ্বদেহ মন এক পৰম পুৰুষ কৃষ্ণত অৰ্পণ কৰি ভক্তি সহকাৰে অন্তৰত আৰাধনা কৰিলেই জীৱই মুক্তি লাভ কৰিব পাৰে। সেয়েহে গুৰুজনাই কৈছে—

'মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ'।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।।" (স্যমন্ত হৰণ)

১.২ সামৰণি ঃ

এই কলি যুগত কীৰ্ত্তনেই শ্ৰেষ্ঠ ধৰ্ম। শ্ৰুতিস্মৃতি বাণীয়েও সেই কথাকে দাঙি ধৰিছে। অস্পৃশ্যতা বৰ্জন, বিশ্ববীক্ষা, সৰ্বধৰ্মৰ প্ৰতি সহনশীলতা, বৰ্ণাশ্ৰমৰ অৰ্থহীনতা, সাম্যবাদ, অতিথি পৰায়ণতা, সৰ্ব সম্প্ৰদায়ৰ মাজত আনুভূতিক ঐক্য, উদাৰতা, মানৱপ্ৰেম তথা বিশ্বপ্ৰেম, অহিংসা, ভূতদয়া, সদাচাৰ আদি বহুমূলীয়া উপদেশেৰে শংকৰদেৱে অসমীয়া জাতিক ঐক্যবদ্ধভাৱে একতাৰ ডোলেৰে বান্ধ খুৱাই ৰখাৰ এক প্ৰয়াস কৰিছিল। শৰৎকালৰ স্নিগ্ধ জোনালী ৰাতি শ্ৰীকৃষ্ণই গোপীসকলৰ লগত যি ক্ৰীড়াত অৱতীৰ্ণ হৈছিল তাৰ এক মনোৰম বৰ্ণনা কীৰ্ত্তন গ্ৰন্থৰ 'ৰাসলীলা' খণ্ডটিৰ মাজেৰে "কামজয়

নামে ইটো কেশৱৰ কেলি” বুলি উল্লেখ কৰি বৈষ্ণৱ গুৰুজনাই ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ লগতে একান্ত মনে ভগৱানক হৃদয়ত স্থাপন কৰি জীৱই এই সংসাৰ বন্ধনৰ পৰা পৰিত্ৰাণ পাব পাৰে সেই বৰ্ণনা দাঙি ধৰিছে। গোপীসকলৰ নিদৰ্শন দাঙি ধৰি গুৰুজনাই একান্ত ভক্ত আৰু ভগৱানৰ মাজত যে এক যোগসূত্ৰ স্থাপন হয় সেই কথাও প্ৰতিপন্ন কৰিছে।

সহায়ক গ্ৰন্থপঞ্জী—

কাকতি, বাণীকান্ত ঃ পুৰণি অসমীয়া সাহিত্য, ১৯৬৮

নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৭০

ভকত, দ্বিজেন্দ্ৰ নাথ ঃ কীৰ্ত্তন ঃ এক সমীক্ষাত্মক আলোচনা, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৮

মহন্ত, বাপচন্দ্ৰ ঃ ঐতিহাসিক পটভূমিত মহাপুৰুষ শংকৰদেৱ, ১৯৮৭

শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৮১, ১৯৯৬

শৰ্মা, হেমন্ত কুমাৰ ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, ১৯৮৭

Kalita, Prabodh and Kalita, Himendra(ed): Synergy, A Collection of Research Papers and Articles, Ken Publication, Barpeta Road,2021

Internet :

https://as.wikipedia.org>wiki>1...

https://www.somoloy>2020/10.

https://www.gyanamkamrup.in>bl

হাউলী ৰাস মহোৎসৱ

https://howlyraasmahotsav.org/

বনলতা দাস

শৰৎ কালৰ ৰাতি অতি বিতোপন
পাতিছে ৰাজ হাউলীত
আনন্দৰ উৎসৱ ৰাস মহোৎসৱ
পোন্ধৰ দিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে
কৰিবলৈ একগোট ভক্তপ্ৰাণ ৰাইজসৱক।
সাহিত্য, সংস্কৃতিৰ ৰসাল শিতান
বিশিষ্ট সাহিত্যিকেৰে হয় আলোচন
বাৰেবৰণীয়া সাংস্কৃতিৰ কাৰ্যক্ৰম
ইয়াৰে মঞ্চত হয় প্ৰদৰ্শন।
তাহানিৰ চণ্ডীবৰুৱাৰ এয়া যে বাসস্থলী
তেওঁৰে জীয়ৰি মনোমতীক লৈ
ৰৰদলৈদেৱে ৰচি থৈ গ'ল
প্ৰসিদ্ধ উপন্যাসখনি
সুদূৰ তাহানিতে ১৯২৭ চনতে
ৰাজ হাউলীৰ মাজ মজিয়াতে
বহুজন মনিষীৰ পূৰ্ণ প্ৰয়াসত
জনম লভিলে শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ
ৰাস মহোৎসৱ।
শুনিছোঁ পাতনিতে হেনো
আছিল কাৰ্যক্ৰম তিনি কি পাঁচ দিনৰ
আজি পুনৰ জাক জমকতাৰে
কাৰ্যক্ৰম হ'ল পোন্ধৰ দিনৰ
সুকীৰ্তিৰে ৯৬ টা বছৰ গৰকি
৯৭ বছৰত দিলেহি ভৰি
নৱ প্ৰয়াসেৰে নতুন চিন্তাধাৰাৰে
নমস্য মহানসৱৰ অক্লান্ত চেষ্টাত
আটক ধুনীয়া ৰূপত আজি
হাউলী ৰাস মহোৎসৱ।
বিজুলী বাটিৰ উজ্জ্বল পোহৰে
উজলিল আজি ৰাজ হাউলী।

ৰাসলীলাৰ তাৎপৰ্য্য

শিখা গোস্বামী

জীৱ, ব্ৰহ্ম আৰু জগত সম্পৰ্কে ধ্যান ধাৰণা আৰু সম্পৰ্ক বিচাৰ ভাৰতীয় দৰ্শন শাস্ত্ৰৰ এটি গুৰুত্বপূৰ্ণ বিষয়। ভাগৱত ষড়দৰ্শনৰ এখন সকলো নিগম শাস্ত্ৰৰ সুপক্ক কদলিস্বৰূপ। ই পুৰাণ সূৰ্য্য আৰু সকলো বেছান্দৰেই সাৰ। সেয়ে ভাগৱততো ব্ৰহ্ম, জীৱ আৰু জগত এই তিনিটাৰ সম্পৰ্ক বিচাৰৰ বিষয়েও বিশেষ গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে আৰু মহাপুৰুষ শংকৰদেৱৰ প্ৰচাৰিত এক শৰণ ধৰ্মও ভাগৱতৰ ওপৰতেই প্ৰতিষ্ঠিত। সেয়ে তেওঁ অনুবাদ কৰা আদিদশমতো ইয়াক বিশেষভাৱে আলোচনা কৰি দেখুওৱা হৈছে। জীৱ, ব্ৰহ্ম আৰু ঈশ্বৰৰ সম্পৰ্কে বিচাৰ সম্পৰ্কীয় আলোচনা শংকৰাচাৰ্য্যৰ পূৰ্ণ কালৰে পৰাই চলি আহিছিল আৰু পিছত ই সুকীয়া-সুকীয়া মতবাদৰ বিষয় স্বৰূপ হৈ পৰে।

"ব্ৰহ্ম চৈত্য জগত মিথ্যা জীৱ ব্ৰহ্মৈৱ নাকৰঃ" অৰ্থাৎ ব্ৰহ্ম একমাত্ৰ সত্য, জগতখন মিছা। আনহাতে জীৱ কিন্তু ব্ৰহ্মৰ নিচিনাই। এনে ধাৰণাৰ প্ৰচলন মহাপুৰুষ শংকৰদেৱৰ পূৰ্বকালৰে পৰাই চলি আছিল। শংকৰাচাৰ্য্যই অদৈত মতবাদত প্ৰতিষ্ঠা কৰাৰ পিছত ইয়েই পিছত পুত্তবদ্ধ-ৰূপে প্ৰতিষ্ঠিত হয়।

এই বিশ্বব্ৰহ্মাণ্ডৰ মূলত এক পৰমসত্বা মাত্ৰ বৰ্ত্তমান। তেওঁৰ পৰাহে এই বিশ্ব ব্ৰহ্মান্দৰ সৃষ্টি হৈছে।গতিকে তেওঁ ভিন্ন দ্বিতীয় কোনো সত্বা নাই। এনে এক অদ্বিতীয়ম্ ধাৰণাই হ'ল অহৈত দৰ্শনৰ মূল কথা। এই জগতখনত সত্য যেন লগা প্ৰধান কাৰণ হ'ল মায়াৰ প্ৰভাৱ। শংকৰচাৰ্য্যই এই মায়াবাদী অদ্বৈতবাদৰ কথাকে প্ৰকাশ কৰিছে। আনহাতে জীৱ কিন্তু ঈশ্বৰৰ সৈতে এক নহ'লেও একেবাৰে ভিন্নও নহয়। কাৰণ জীৱ ঈশ্বৰেই অংশ। জীৱ, জগত আৰু ব্ৰহ্মৰ সম্পৰ্কলৈ ৰামানুৰাচাৰ্য্য, নিম্বাৰ্ক, মাদ্ভাচাৰ্য্য, বল্লভাচাৰ্য্য প্ৰভৃতিয়ে দৈত্যাদৈত্য, বিচুধ্যাহৈত্য, আদি মতবাদৰ প্ৰতিষ্ঠাতো নিজা নিজা দৃষ্টি কোনেৰে আলোচনা কৰিছে। মহাপুৰুষ শংকৰদেৱৰ দাৰ্শনিকতত্ব কি এই বিষয়ে স্পষ্টভাৱে কোৱা টান হ'লেও তেওঁৰ মতবাদ যে বহুপৰিমাণে শঙ্কৰাচাৰ্য্যৰ মতবাদৰ ওচৰচপা সেই বিষয়ত কোনো সন্দেহ নাই। তদুপৰি এই তিনিটাৰ সম্পৰ্কত ভাগৱতৰ যিটো মূল কথা শংকৰদেৱে তাকেই তেওঁৰ আদি দশমৰ ভাঙনিত প্ৰকাশ কৰিছে। আদি দশমৰ একাধিক ঠাইত দেখুওৱা হৈছে এই বিশ্ব ব্ৰহ্মান্দত একমাত্ৰ সত্য হৈছে পৰমব্ৰহ্ম। তেওঁ নিগুৰ্ণ নিৰ্বিকল্প হ'লেও ভক্তৰ বাঞ্চা পূৰ্ণৰ কাৰণে কেতিয়াবা কেতিয়াবা এই ক্ষেত্ৰত অৱশ্যে শংকৰদেৱৰ মত ভাগৱতৰ লগতে মাৰানুচাৰ্য্যৰ সৈতেও একে। ব্ৰহ্মৰ অবিনশ্বৰতা আৰু শাশ্বতা সম্পৰ্কে শংকৰদেৱে দশমত কিদৰে ব্যাখ্যা কৰিছে তলত দুটামান উদাহৰণ দাঙি ধৰা হ'লে—

ব্ৰহ্ম ঃ ঈশ্বৰ বা ব্ৰহ্মই হৈছে এই বিশ্ব ব্ৰহ্মণ্ডৰ মূল সত্বা। ব্ৰহ্মৰ অপৰিহাৰ্য্য বৈশিষ্ট্য তিনিটা সৎ, চিৎ আৰু আনন্দ। তেওঁৰ শুদ্ধত্ব প্ৰকাশ চৈতন্য আৰু মন সকলোৰে মূল কাৰণ। তেওঁ জগত সত্ব পালক আৰু সংহাৰক। আদি দশমৰ অন্তৰ্গত গোপী উদ্ধৱ সংবাদত শংকৰদেৱে স্পষ্টকৈ কৈছে ব্ৰহ্মই হৈছে বিশ্বজগতৰ আধাৰ, জগতক অতিক্ৰম কৰিও তেওঁৰ সত্তা বিৰাজমান। তেওঁ পৰম বিশুদ্ধ, গুণহীন আৰু জ্ঞানময়। তেৱেঁই জগতৰ উপাদানকাৰণ। শংকৰদেৱে

https://howlyraasmahotsav.org/

এই সম্পৰ্কত লিখিছে—

"যেন জলবায়ু পৃথিৱী আকাশ
ব্যাপি আছে চৰাচৰ
সেহিমতে ময়ো মনবুদ্ধি প্ৰাণ
ব্যাপি আছো সমস্ত।
আপোনাতে মই আপোনাকে স্ৰজো
আপুনি পালো সকলে
আপোনাকে পাছে আপুনি সংহাৰো
আপুনি মায়াৰো বোল।"

ব্ৰহ্ম সৰ্বকালব্য। তেওঁৰ পৰাই জন্ম হয় পঞ্চমহাভূত। সৃষ্টিৰ আদি, মধ্য আৰু অন্তত তেৰেঁই মাত্ৰ বিৰাজমান। তেওঁ অন্তৰ্য্যামী—

"তুমি সত্যব্ৰত মুখ্যৰ সাধন
সৰ্ব্বকালে থাকা স্বামী।
মহা পঞ্চভূত তোমাত ওপজে
তুমি সৰ্ব অন্তৰ্য্যামী।"

সৃষ্টিৰ অন্তত তুমি মাত্ৰ থাকা সমতাপ প্ৰৱৰ্ত্তাই। উপনিষদৰ এই নিৰ্গুণ, নিৰাকাৰ ব্ৰহ্মাই হৈছে ভাগৱত বৰ্ণিত ঈশ্বৰ আৰু সেই ঈশ্বৰ হৈছে ভাগৱতৰ উপাস্য দেৱতা শ্ৰীকৃষ্ণ।

"কৃষ্ণন্থ্য ভগৱান স্বয়ং।"

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদি দশমত ব্ৰহ্ম বা ঈশ্বৰৰ স্বৰূপ শ্ৰীকৃষ্ণৰ সৈতে অভিন্ন হিচাপে এইদৰে দেখুওৱা হৈছে—

জীৱ ঃ দেহ পিঞ্জৰাবদ্ধ কৰ্মফলভুগী আৰু মায়াবৃত ব্ৰহ্মাৰ অংশ স্বৰূপ আত্মাই হ'ল জীৱ। জীৱ ব্ৰহ্মতকৈ ওপৰত নহয়। "জীৱত্ব বৈষ্ণৱৈৰ নাপৰঃ" দ্বৈতবাদী মদ্ধ সম্প্ৰদায়ে জীৱাত্মা আৰু পৰমাত্মাৰ মাজত স্বকীয় অস্তিত্ব নিৰূপণ কৰে। বিশিষ্ট দ্বৈতবাদী ৰামানুজ সম্প্ৰদায়ৰ মতে জীৱ পৰমব্ৰহ্মাৰ অংশস্বৰূপ। শংকৰদেৱে আৰু তেওঁৰ অনুচৰবৰ্গৰ সকলৰ মতে জীৱাত্মা আৰু পৰমাত্মা যথাৰ্থতে স্বতন্ত্ৰ নহয়, অভেদহে। জীৱহে সত্য আৰু ব্ৰহ্মাতকৈ বেলেগ নহয়। আদি দশমত শংকৰদেৱে স্পষ্টকৈ কৈছে—

"যদ্যপি তোমাত কৰি জীৱ নহি ভিন্ন
তথাপিতো ভৈল প্ৰভু, তোমাৰ অধীন।"

স্বৰূপাৰ্থত দেহ, মন, কৰ্ম্ম আৰু আত্মাৰ সংযোগৰ নামান্তৰে জীৱ পঞ্চভূতাত্মক দেহ, মন, কৰ্ম্ম আৰু আত্মাৰ মিলন পৰ্য্যন্তহে জীৱৰ অস্তিত্ব বৰ্তমান থাকে। সাংসাৰিক দুখ ভোগ জীৱৰ প্ৰধান ধৰ্ম—

''দেহমন কৰ্ম্ম আত্মা যাৰত সংযোগ
তাৰে জীৱ নাম থাকে দুখ পৰে ভোগ।।"

জগত ঃ আনুমানিক দৃষ্টিভংগীৰ ফালৰ পৰা জগত প্ৰৱঞ্চ সত্য যেন লাগে। কিন্তু প্ৰাগনুভৌমিক দৃষ্টিভংগী ফালৰ পৰা জগতখন প্ৰকৃততে মিথ্যা। জগত অবিদ্যাযুক্ত, ব্ৰহ্মাৰ পৰা উদ্ভৱ হৈছে কাৰণেহে ইয়াক সত্য যেন লাগে। এই সম্পৰ্কত কীৰ্ত্তনঘোষাতো কোৱা হৈছে—

"অসন্ত জগতখান তোমাত উদ্ধৱ হৈল
সন্তযেন প্ৰকাশে সদ্য।"

প্ৰকৃততে জগত ব্ৰহ্মাৰ বিবৰ্ত ক্ৰিয়া ফলস্তুতি মাথোন। জৰিত সাপৰ ভ্ৰম হোৱাৰ নিচিনাকৈ মায়াৰ কাৰণেহে এই জগতখন সত্য যেন লাগে। জীৱনৰ দৰে জগতখন ব্ৰহ্মাৰে অংশ। কিন্তু ই মায়াৰ সৃষ্টি তথাপিও মাটি আৰু মাটিৰ পাত্ৰৰ মাজত স্বৰূপত যিদৰে কোনো পাৰ্থক্য নাথাকে। অৱশ্যে এই কথা ঠিক যে জীৱনৰ দৰে জগতখনো ব্ৰহ্মাৰ অশং হ'লেও ই ব্ৰহ্মাৰ ৰূপান্তৰ নহয়, বাহ্যত প্ৰতীয়মান হোৱা নাম আৰু ৰূপহে।

"মুকুত কুণ্ডল যেন সুৱৰ্ণৰ ভিন্ননোহি
মিছা মাত্ৰ নাম ৰূপ য'ত।।"

এইদৰে আলোচনাৰ মাজেৰে দেখা যায় যে মহাপুৰুষ শংকৰদেৱৰ ধৰ্ম্মীয় মতবাদ মূলত অদ্বৈতবাদী আৰু ব্ৰহ্ম সত্য জগত মিথ্যা জীৱ বৈষ্ণৱীয় নাপঃ কথাৰ ওপৰতে ব্ৰহ্ম, জৈৱ আৰু জগতৰ সম্পৰ্ক প্ৰধানভাৱে প্ৰতিষ্ঠিত। তেওঁ আদি দশমৰ বিভিন্ন আলোচনাৰ যোগেদি এই তিনিওটাৰ সম্পৰ্কৰ প্ৰসংগত এনে দৃষ্টি ভংগীকে দাঙি ধৰে।

সামান্য মায়া থাকিলে ও যে জীৱৰ চৰমগতি লাভ হয় তেনে শিক্ষাৰ কথাকেই শ্ৰীকৃষ্ণ আৰু গোপিনীসকলৰ এই ৰাসক্ৰীয়া কাহিনীত স্পষ্টভাৱে বিদ্যমান।

ৰাসক্ৰীড়াৰ বৰ্ণনাত যি আদি বা শৃঙ্গাৰলোকৰ ঢাকনি থকা যেন লাগে যথাৰ্যতে ই ৰাসৰ তাৎপৰ্য নহয়। কামক বিনাশ কৰি কিদৰে প্ৰকৃত প্ৰেমৰ উদ্ভৱ হয়, জীৱে স্তৰে স্তৰে কিদৰে মায়াৰ বন্ধন ছিন্ন কৰি পৰমপুৰুষৰ সান্নিধ্য লাভ কৰিব পাৰে, কেনেকৈ দ্বৈত ভাৱৰ ধাৰণা পৰিৱৰ্তন কৰি জীৱনৰ অদ্বৈতজ্ঞানৰ ধাৰণা হ'ব পাৰে, নৱবিনাশ ভক্তিৰ

https://howlyraasmahotsav.org/

ভিতৰত দেহাস্পৰ্শ বা তপনিবেদন ভক্তিৰ কাৰণে কিদৰে পৰম পুৰুষক পাব পাৰি তাকেই শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ ৰাসলীলাৰ বৰ্ণনাৰ মাজেৰে দাঙি ধৰা হৈছে। গোপীসকলক ৰাসৰ নায়িকা হিচাপে বাচিলৈ তেওঁলোকে পৰমপুৰুষৰ পতি ৰূপে পাবলৈ কামনা কৰা হয়তো অন্য এটি তাৎপৰ্য্যও থাকিব পাৰে। সংসাৰৰ সকলো আসক্তিৰ ভিতৰত নাৰীয়ে সুযোগ্যজনক পতিৰূপে পাবলৈ কামনা কৰাতো বিশেষ আশক্তিৰ প্ৰতীক হিচাপে বুজোৱা হয়। পৰমপুৰুষ ভগৱন্তৰ প্ৰতি জীৱ কিভাবে আসক্তিপূৰ্ণ হ'ব লাগে তেনে তৎবিগৰ্হিত চিন্তাৰ আভাস দাঙি ধৰাটো গোপীসকলক ৰাসৰ নায়িকা হিচাপে লৈ তেওঁক পতি হিচাপে পাবলৈ কামনা কৰি দেখুওৱা আন এটি তাৎপৰ্য্য হ'ব পাৰে। তদুপৰি জীৱাত্মাই পৰমাত্মাৰ লগত এক হৈ যোৱাৰ পথত তিনিটা বাধা আহি সততে প্ৰতিবন্ধকৰূপে থিয় দিয়ে। সেই তিনিটা হৈছে লাজ, অভিমান আৰু ভয়। এই কেইটা নাইকীয়া হৈ নগ'লে জীৱৰ কেতিয়াও অদ্বিতজ্ঞান লাভ নহয়। কাৰণ দ্বৈতভাৱৰ পৰাহে এইবোৰৰ উদ্ভৱ হয়। শ্ৰীকৃষ্ণই গোপীসকলক বস্ত্ৰহৰণৰ পৰ্বতেই ইয়াৰ প্ৰথম পৰীক্ষা কৰিছিল। কিন্তু সেইসময়লৈকে তেওঁলোকৰ এই তিনিটা সমূলঞ্চে বিনাশ হোৱা নাছিল। সেয়ে তেওঁলোকৰ উদ্দেশ্য পূৰ্ণ ভৱিষ্যত সম্ভাৱনাৰ কথা কৈ শ্ৰীকৃষ্ণই এবছৰৰ কাৰণে কঠোৰভাৱে সাধনা কৰিবলৈ তেওঁলোকক ওভতাই পঠাইছিল আৰু এবছৰ পূৰ্ণ হোৱাৰ পাছতে যমুনা বালিত তেওঁলোকৰ লগত ৰাসক্ৰীড়া আৰম্ভ কৰিছিল। গতিকে সহজতেই ধাৰণা কৰিব পাৰি ৰাসৰ যথাৰ্থ তাৎপৰ্য্য কামক উদ্বেলিত কৰা নহয়, বৰং কামক জয় কৰাহে। মহাপুৰুষ শংকৰদেৱে ভাগৱতত স্পষ্টভাৱে লিখিছে যে— "কামজয় নামে ইটো কেশৱৰ কেলি।" শ্ৰীধৰ স্বামীয়েও তেওঁৰ ভাবাত জীৱিকা ৰাস পঞ্চাধ্যায়ৰ ব্যাখ্যা আৰম্ভণীতে এই কথাকেই স্পষ্টভাৱে উল্লেখ কৰি কৈছে—

"তস্মাদ ৰাসক্ৰীড়া বিড়ম্বনং কাম বি হয় খ্যা পনায়ম্ ইত্যেৰ তত্ত্বম্।"

"শৰৎ কালৰ নিশা অতি বিতোপন
নানাবিধ পুষ্পে বিকশিত বৃন্দাবন,
দেখি যোগমায়া বোলে হৰিষে তহিত
ৰাসক্ৰিড়া কৰিতে প্ৰভুৰ ভৈল চিত।"

সেয়ে ৰাসলীলাত জীৱাত্মা আৰু পৰমাত্মাৰ মিলনৰ মাজেদি যি অদ্বৈত বাদৰ শিক্ষা দিয়া হৈছে তাৰ সূচনা হৈছে বস্ত্ৰহৰণ খণ্ড। সেয়ে লক্ষ্মীনাথ বেজবৰুৱাদেৱে যথামথভাৱে অভিমত দি কৈছে—

"বস্ত্ৰহৰণ ৰাসলীলাৰ পাতনি।"

https://howlyraasmahotsav.org/

কথোপকথন

ড° দীপমণি দাস

তেওঁ সুধিছিলে
কি লাগে তোমাক
মনালিছাৰ হাঁহি
নে লাস্যময়ী হাঁহি

মই কৈছিলোঁ
জীৱন চালু চাহ
লাস্যময়ী হাঁহিৰ কথা

তেওঁ সুধিছিলে
সাগৰ দেখিছা
মই কৈছিলোঁ
পুখুৰীৰ পানীও সঁচা

কথোপকথনৰ সেই সোণালী আকাশ
ৰূপালী জোনাক...

পৰমব্ৰহ্ম আৰু ঈশ্বৰ
(সমসাময়িক ভাৰতীয় দাৰ্শনিক সকলৰ দৃষ্টিত)

বীণাপাণি কলিতা পাঠক

বিশ্বৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন দেশৰ দৰ্শনত কিছুমান নিজা নিজা বৈশিষ্ট্য দেখা যায়। এখন দেশৰ সমাজ সংস্কৃতি, জীৱনধাৰণ পদ্ধতি, মানবীয় মূল্যবোধ ইত্যাদি সেই দেশখনৰ দৰ্শনত প্ৰতিফলিত হয়। সেই হেতু বৃটিছ দৰ্শনক জ্ঞানমূলক, আমেৰিকাৰ দৰ্শনক বাস্তৱবাদী আৰু প্ৰয়োগবাদী, আকৌ ফৰাচী দৰ্শনক বুদ্ধিবাদী দৰ্শন বুলি কোৱা হয়। এনে দৃষ্টিভংগীৰ পৰাই ভাৰতীয় দৰ্শনক আধ্যাত্মিক দৰ্শন বুলি অভিহিত কৰা হয়। ভাৰতীয় দৰ্শনৰ লক্ষ্য হৈছে নিৰৱচ্ছিন্ন ধ্যানৰ সহায়ত আত্মাৰ স্বৰূপ আৰু শক্তি বা মাহাত্ম্যৰ জ্ঞান লাভ কৰা।

সমসাময়িক ভাৰতীয় দাৰ্শনিক সকলে প্ৰাচীন ভাৰতীয় দৰ্শনৰ আদৰ্শক এক বৈজ্ঞানিক আৰু যুক্তিসন্মত ৰূপত সজাই ভাৰতীয় দৰ্শনক এক নতুন ৰূপত প্ৰতিষ্ঠা কৰিছে। তেওঁলোকে মানুহৰ ব্যৱহাৰিক জীৱনৰ ওপৰত প্ৰাধান্য দিয়াৰ লগতে আধ্যাত্মিক আদৰ্শ আৰু বাস্তৱ জীৱনৰ মূল্য উভয়ৰ মাজত এক সুন্দৰ সমন্বয় সাধন কৰিব বিচাৰিছে। মানৱ শৰীৰ আৰু ইন্দ্ৰিয় ক্ষণস্থায়ী। তেনেদৰে পাৰ্থিব ধন দৌলত ও অৰ্থহীন। আধ্যাত্মিক শান্তি লাভেই মানৱ জীৱনৰ প্ৰকৃত শান্তি বুলি মহান দাৰ্শনিক সকলে বিশ্বাস কৰে।

সমসাময়িক মহান ভাৰতীয় দাৰ্শনিক সকল হৈছে— স্বামী বিবেকানন্দ, বাল গংগাধৰ তিলক, কবি গুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ, মহামানৱ মহাত্মা গান্ধী, ঋষি শ্ৰী অৰবিন্দ, ড° সৰ্ব্বপল্লী ৰাধা কৃষ্ণণ আদি। প্ৰাচীন ভাৰতীয় দৰ্শনৰ ভেটি হৈছে মানৱ জীৱনৰ নৈৰাশ্যবাদ। মানুহৰ দুখ যাতনাৰ পৰা পৰিত্ৰাণ পোৱাৰ পথ দেখুৱায় দৰ্শন আৰু ধৰ্মই। সমসাময়িক ভাৰতীয় দৰ্শনেও জীৱনৰ দুখ-যাতনাৰ পৰা ৰক্ষা পোৱাৰ বাবে গভীৰ চিন্তা কৰে। এই দুখৰ পৰাই মানুহে মহত্ব লাভ কৰিব পাৰে। বৈদিক ঋষি মুনিৰ দৰে যোগ সাধনাৰ দ্বাৰাই সত্যক পাব পাৰি বুলি আধুনিক দাৰ্শনিক সকলেও বিশ্বাস কৰে।

মহান দাৰ্শনিক ৰবীন্দ্ৰ নাথ ঠাকুৰৰ মতে বিশ্ব জগতৰ অনাদি, অনন্ত, চিৰন্তন, নিত্য সত্বাকেই পৰম সত্তা বা পৰম ব্ৰহ্ম বোলা হয়। ব্ৰহ্ম নিৰ্গুণ, নিৰাকাৰ এক শুদ্ধ চৈতন্য। তেওঁৰমতে পৰম ব্ৰহ্ম আৰু ঈশ্বৰৰ মাজত কোনো পাৰ্থক্য নাই। এই জগতৰ সকলো বস্তু কেৱল ব্ৰহ্মৰ প্ৰকাশ। শংকৰাচাৰ্য্যৰ অদ্বৈত বেদান্তৰ 'ব্ৰহ্ম'ই হৈছে জগতৰ পৰম সত্য। তেওঁৰ মতে 'ব্ৰহ্ম' সত্য, জগত মিছা বা ভ্ৰম। কিন্তু ধৰ্মীয় দৃষ্টিত জগতৰ সৰ্বময় কৰ্তা হৈছে পৰমেশ্বৰ ভগৱান। ৰবীন্দ্ৰনাথ ঠাকুৰৰ মতে ঈশ্বৰ আৰু মানুহৰ মাজত এক প্ৰেমৰ সম্বন্ধ আছে। দুয়োৰো মাজত থকা সম্বন্ধ উপলব্ধিৰ জৰিয়তে জানিব পৰা যায়। মানুহে হতাশাৰ সময়ত ভগৱানক প্ৰাৰ্থনা কৰে। কাৰণ মানৱ জীৱনৰ শক্তি আৰু সাহসৰ উৎস, আশা আৰু আকাংঙ্খাৰ কেন্দ্ৰ বুলি ভগৱান বা ঈশ্বৰক বিশ্বাস কৰা হয়। প্ৰেমৰ এটা মূৰে আছে ব্যক্তিত্ব সম্পন্ন ঈশ্বৰ আৰু আনটো মূৰে আছে নৈব্যক্তিক সত্তা। ৰহস্যৰে ভৰা বিশ্ব চৰাচৰৰ অন্তৰালত এগৰাকী সুনিপুন সৃষ্টিকৰ্তা আছে। সৃষ্টিৰ আনন্দৰ পৰাই ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ কৰিব পাৰি। এই বহুত্বৰ অন্তৰালত এক অলৌকিক শক্তি বিৰাজমান হৈ আছে আৰু তেওঁৱেঁই ঈশ্বৰ।

আন এগৰাকী দাৰ্শনিক মহামানৱ মহাত্মা গান্ধী। তেওঁৰ দৰ্শনত ঈশ্বৰৰ স্বৰূপ নিৰ্ণয় কৰাটো অলপ কঠিন। কাৰণ তেওঁ ভাগৱানক এবাৰ সত্য বুলি কৈছে আৰু পিছত

https://howlyraasmahotsav.org/

সত্যকে ভগৱান বুলি মানি লৈছে। সনাতন হিন্দু ধৰ্মত বিশ্বাসী মহাত্মা গান্ধী শ্ৰীৰাম ভক্ত। তেওঁৰমতে জগতৰ সকলো বস্তুতে ঈশ্বৰ ব্যাপ্ত হৈ আছে। ঈশ্বৰক অনুভৱ কৰিব পাৰি কিন্তু প্ৰত্যক্ষ কৰিব নোৱাৰি।

গান্ধীজীয়ে আধ্যাত্মিক পৰম ব্ৰহ্ম আৰু ধৰ্মীয় ঈশ্বৰক একাৰ্থক ৰূপত গ্ৰহণ কৰিছিল। যি শুদ্ধ নীতিৰ দ্বাৰাই বিশ্ব জগত পৰিচালিত হৈ আছে সিয়ে সত্য বা ঈশ্বৰ। তেওঁৰমতে অহিংসা আৰু প্ৰেমৰ পথেৰে আত্ম উপলব্ধি হয়। আকৌ আত্ম উপলব্ধিয়েই পৰমেশ্বৰক লাভ কৰাত সহায়ক হয়। সত্যই ভগৱান বুলি কৈ গান্ধীজীয়ে পৰম্পৰাগত ভাৰতীয় দৰ্শনৰ ব্ৰহ্মৰ ধাৰণাৰ লগত সংগতি ৰক্ষা কৰিছিল। ঈশ্বৰৰ প্ৰতিথকা প্ৰেম আৰু ভক্তিয়ে মানুহৰ অতৃপ্ত মনত আনন্দৰ সঞ্চাৰ কৰে। অতীন্দ্ৰিয়বাদী মহান দাৰ্শনিক ঋষি আৰবিন্দই আকৌ বৈদিক ঋষি সকলে প্ৰদৰ্শন কৰা পথেৰেই মানৱ জীৱনত চৰম লক্ষ্য লাভ কৰিব পাৰি বুলি মানি লৈছে। উপনিষদৰ ব্ৰহ্মকেই তেওঁ বিশ্ব চৰাচৰৰ মূল কাৰণ বুলি মানি লৈছিল। প্ৰাচীন যুগত ঋষি সকলে তপস্যাৰ জৰিয়তে ব্ৰহ্মক প্ৰত্যক্ষ কৰিব পাৰিছিল। যোগ সাধনাৰ বলত শ্ৰী অৰবিন্দয়ো পৰম ব্ৰহ্মৰ সাক্ষাৎ লাভ কৰিছিল বুলি তেওঁৰ মতবাদত উল্লেখ কৰিছে। ব্ৰহ্ম নিৰ্গুণ, নিৰাকাৰ। কিন্তু ধৰ্ম স্থাপনৰ বাবে আৰু জগতক উদ্ধাৰ কৰাৰ বাবে এই ব্ৰহ্মই মায়াৰ বলত সগুণ, ৰূপে আৱিৰ্ভূত হয়। শ্ৰীঅৰবিন্দই জগতৰ যৰ্থাথতা বা সত্যতাক স্বীকাৰ কৰিছিল। তেওঁৰ মতে পৰম ব্ৰহ্ম অৱৰোহণ কৰাৰ বাবেই জগতৰ সৃষ্টি হৈছে। আকৌ জীৱই আৰোহণ প্ৰক্ৰিয়াৰে পূৰ্ণ সত্তাক লাভ কৰিবলৈ সক্ষম হয়। যোগ সাধনা আৰু আধ্যাত্মিক অনুশীলনৰ ফলত পৰমেশ্বৰ প্ৰাপ্তি সম্ভৱ হয়।

আন এগৰাকী মহান দাৰ্শনিক স্বামী বিবেকানন্দ। তেওঁৰ দৃষ্টিত ঈশ্বৰ ভক্ত সকলৰ পৰম আৰাধ্য। মাটি, পানী, বায়ু, আকাশ সকলো ঈশ্বৰ সৃষ্ট। ঈশ্বৰৰ কৃপাতে সূৰ্যই জগতত পোহৰ বিলাই আছে। তেওঁৰমতে প্ৰকৃত জ্ঞানীলোকৰ দৃষ্টিত ব্ৰহ্ম আৰু ঈশ্বৰৰ মাজত কোনো ভেদ নাই। তেনেকৈ জীৱাত্মা পৰমাত্মাৰ মাজতো কোনো ভেদ নাই। ঈশ্বৰ মায়াৰ সৃষ্টি। আন্ধাৰত যেনেকৈ আমি ৰচীত সাপ দেখো তেনেকৈ অজ্ঞানতাৰ কাৰণে আমি 'ব্ৰহ্ম'ত জগত দেখো। আন্ধাৰ আঁতৰি গ'লে পোহৰত যেনেকৈ আমি ৰচী প্ৰত্যক্ষ কৰো; ঠিক তেনেকৈ অবিদ্যা বা অজ্ঞানতা দূৰ হ'লে আমি পৰম 'ব্ৰহ্ম'ক প্ৰত্যক্ষ কৰিব পাৰো।

'ব্ৰহ্ম' হৈছে — সৎ (অস্তিত্ব), চিৎ (চৈতন্য) আৰু আনন্দ। আনন্দ মানে প্ৰেম। যুক্তি প্ৰমাণ বা তৰ্কৰে ঈশ্বৰৰ অস্তিত্ব বুজা সম্ভৱ নহয়। গভীৰ বিশ্বাসৰ দ্বাৰাহে পৰমেশ্বৰক বুজিব পাৰি বুলি বিবেকানন্দই মানি লৈছিল।

বেছিভাগ সমসাময়িক দাৰ্শনিকৰ দৰে সৰ্ব্বপল্লী ৰাধাকৃষ্ণণৰ দৰ্শনতো অদ্বৈত বেদান্ত দৰ্শনৰ প্ৰভাৱ পৰা দেখা যায়। অদ্বৈত বেদান্তৰ মতে ব্ৰহ্ম সত্য, জগত আৰু ঈশ্বৰ মায়াৰে সৃষ্টি। জগত আৰু ঈশ্বৰৰ ব্যৱহাৰিক সত্যতাহে আছে, পাৰমাৰ্থিক সত্যতা নাই। অজ্ঞানতা থাকে মানে জগত আৰু ঈশ্বৰৰ অস্তিত্ব আছে আৰু অজ্ঞানতা দূৰ হ'লে প্ৰকৃত জ্ঞানৰ উদয় হ'লে এই দুটাৰ সত্যতা নাথাকে। এই বিচিত্ৰ ক্ৰমবিকশিত বিশ্ব জগতক ব্যাখ্যা কৰাৰ বাবে পৰম সত্তাক এক সৃজনীমূলক হিচাবে লোৱা হয়। পৰমসত্তা আৰু বিশ্ব জগতৰ মধ্যত ঈশ্বৰৰ অস্তিত্বক স্বীকাৰ কৰা হয়। এই ঈশ্বৰ ধৰ্মীয় ঈশ্বৰ। অমূৰ্ত্ত ব্ৰহ্মৰ ঈশ্বৰ হৈছে মূৰ্ত্ত ৰূপ। জগতৰ সৃষ্টি কৰ্তা, পালন কৰ্তা, আৰু সংহাৰ কৰ্তা ঈশ্বৰে সকলোৰে কৰ্মত সূক্ষ্ম দৃষ্টি ৰাখে। ৰাধা কৃষ্ণণৰ মতেও জাগতিক দৃষ্টি ভংগীৰ পৰা ঈশ্বৰেই পৰম ব্ৰহ্ম। কিন্তু প্ৰকৃততে ঈশ্বৰ সগুণ, আনহাতে আদি কাৰণ ব্ৰহ্ম অদৃশ্য নিৰ্গুণ নিৰাকাৰ।

ৰাধাকৃষ্ণণৰ মতে দৈহিক জীৱনৰ পৰাই এক উচ্চতৰ আধ্যাত্মিক জীৱনলৈ উন্নিত হোৱাৰ বাবে সকলো মানুহৰে সামৰ্থ্য আছে। মানুহৰ মাজত এক আধ্যাত্মিক সত্তা আছে যাৰ স্পৃহাৰ বাবেই মানুহে সাংসাৰিক দুখৰ পৰা মুক্তি পাব বিচাৰে। মুক্তি হৈছে পূৰ্ণ চৈতন্য অৱস্থা। এই অৱস্থা চিৰ আনন্দময়। মানুহৰ অন্তৰ জ্ঞানৰ দ্বাৰাই মানুহে এই আনন্দময় অৱস্থাত উপনীত হ'ব পাৰে। কৃষ্ণচন্দ্ৰ ভট্টাচাৰ্য্যৰ মতেও পৰম সত্তা অজ্ঞেয়। মানুহৰ সীমিত শক্তিৰে পৰম সত্তাৰ স্বৰূপ জনা সম্ভৱ নহয়। প্ৰতীকৰ মাধ্যমেৰেহে আমি

তেওঁক প্ৰকাশ হোৱা বুলি ক'ব পাৰো। তেওঁ কোনো আলৌকিক ব্ৰহ্ম বা ঈশ্বৰ আদিৰ ওপৰত গুৰুত্ব নিদি মানৱৰ মুক্তি আৰু প্ৰগতিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। তেওঁ জগতত মানৱতাবাদক সুউচ্চ স্থানত অধিস্থিত কৰিব বিচাৰিছিল। মানুহে এই জীৱনতে অমৰত্ব লাভ কৰিব পাৰে। সুন্দৰৰ সাধনা, বৌদ্ধিক জ্ঞান আৰু বিশ্বজনীন প্ৰেমৰ মাজেৰে মানুহে এই জীৱনতে পৰম সুখ লাভ কৰিব পাৰে। দাৰ্শনিক সকলে সাংসাৰিক অশান্তিৰ পৰা উৰ্দ্ধত থাকি এটি সুন্দৰ জীৱন যাপন কৰে। আনহাতে সৰ্ব সাধাৰণ মানুহে মায়া মোহৰ অন্ধকাৰত ডুবি থাকে বাবে তেওঁলোকে দুখ

https://howlyraasmahotsav.org/

আৰু অশান্তি ভোগ কৰি থাকে।

গুৰুজনাইয়ো একান্ত ভকতিৰে নিৰ্গুণ কৃষ্ণক দৰ্শন কৰিব পাৰে বুলি কৈ গৈছে। ৰাসক্ৰীড়া কৃষ্ণ আৰু গোপীনিসকলৰ মাজত থকা এটি প্ৰেমৰ উৎসৱ। প্ৰেম আৰু ভক্তিয়ে মানৱক অদৃশ্য শক্তিক প্ৰাপ্তিত সহায় কৰে। ব্ৰহ্ম, ঈশ্বৰ আৰু কৃষ্ণ বা ভগৱানৰ মাজত থকা পাৰ্থক্য নাইকিয়া হয় তেতিয়া যেতিয়া মানুহৰ অন্তৰ্জ্ঞান হয় আৰু আত্ম-উপলব্ধি হয়। তাৰ বাবে প্ৰয়োজন একান্ত ভক্তি বা প্ৰেম বা যোগ সাধনাৰ। বৰ্ত্তমানত বিশৃংখল সমাজত শান্তি স্থাপন কৰিবলৈ হ'লে সকলোৰে মনত প্ৰেমৰ উদয় হোৱাটো নিতান্তই বাঞ্ছনীয়।

প্ৰতিচ্ছবি

প্ৰাঞ্জনা দাস

জয়াল নদীৰ বুকু নাই উদং-উকা,
হেঁপাহ পাঙি আহিছিলোঁ মই
আঁকি থোৱা প্ৰতিচ্ছবি চাবলৈ;
প্লাষ্টিকৰ আৰ্বজনা আছে উপঙি,
নাই চেতনা প্ৰাণীজগতৰ।
সকলোৰে তৃষ্ণাৰ জলৰ উৎস হৈও
বৈ আছা বাৰু কিয় তুমি নীৰৱ নিস্তব্ধ কৰি?

কোন কাহানিৰ সপোনত আহিছিলা
বৃহৎ নদীৰ বুকুত নাও মেলি
মলয়া বতাহজাকে
চুমিছিল সুমাথিৰা তোমাৰ দুগাল,
আউলি-বাউলী মেলা চুলিয়ে
ঢাকিছিল তোমাৰ ডিঙিৰ মুকুতা মণিৰ হাৰ,
পূৰ্ণিমাৰ জোনৰ প্ৰতিচ্ছবি উঠিছিল
তোমাৰ মুখত উজলি।।

কৃষ্ণ-মাহাত্ম্য

অমল বৰ্মণ

কৃষ্ণ মানেই হৰিনাম প্ৰেমৰস মিলে।
কৃষ্ণতে পৰম ব্ৰহ্মাৰ ৰূপ প্ৰকাশে।।
কৃষ্ণতে ভকতে পায় পৰম আনন্দৰ ধাৰা।
ৰাসনামে ৰমণ কৰি আনন্দ লোৱা।।
য'ত জীৱ কূলৰ সমস্ত দুখ সংকট।
কৃষ্ণনাম শুনিয়া ৰয় নিলগত।।
মনৰ অহংকাৰ খেদ অজ্ঞানতা।
কৃষ্ণ নামে শিকায় কৰিবলৈ আত্মনিন্দা।
শ্ৰৱণে কীৰ্তনে শুদ্ধচিত্তে হৰিনাম লোৱা।
জিনিবা বিষয় বাসনা হেন নৰক যন্ত্ৰনা।।
অধম নীচ ভৃত্য জানি কৃষ্ণ ভক্ত হোৱা।
তেহে জীৱনে মৰণে হৰি কৃপা পাইবা।।

https://howlyraasmahotsav.org/

কৃষ্ণস্তু ভগৱান স্বয়ং

প্ৰসন্ন কুমাৰ পাঠক

শ্ৰীমদ্ভাগৱতৰ প্ৰথম স্কন্ধৰ আৰম্ভণিত গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে শ্ৰীকৃষ্ণৰ চৰণত সেৱা জনাই মঙ্গলাচৰণ কৰিছে এইদৰে—

"জয় জয় কৃষ্ণ কৃপাময় মহেশ্বৰ।
যাৰ আজ্ঞা শিৰে বহে ব্ৰহ্মা হৰিহৰ।।
মৎস্য কূৰ্ম্ম আদি অংশ অৱতাৰ যাৰ।
ঈশ্বৰ কৃষ্ণক কোটি কোটি নমস্কাৰ।।
নমো নমো মধু মুৰ ৰিপু মহা হৰি।।
অন্ত্যজো উত্তম আতি হোৱৈ যাক স্মৰি।।
সমস্ত জগত নিস্তাৰক যাৰ নাম।
হেনয় কৃষ্ণক কৰোঁ সহস্ৰ প্ৰণাম।।"

মহাপ্ৰভু শ্ৰীকৃষ্ণৰ চৰণ কমলত সেৱা জনাই তেৰাৰ মাহাত্ম্য, মহিমা, ঐশ্বৰিক লীলা-খেলা আৰু ভক্তৰ প্ৰতি তেওঁৰ যি দৰদ সেয়া উপস্থাপন কৰিবলৈ কিছু বিষয় ইয়াত বৰ্ণনা কৰাৰ প্ৰয়াস কৰা হৈছে। এয়া স্বীকাৰ্য্য যে শ্ৰীকৃষ্ণৰ বিষয়ে লিখাটো সহজ নহয়। অচিন্ত্য তেওঁৰ লীলা, মহিমা, মাহাত্ম্যৰ পৰিসৰ সীমাহীন। বেদ, উপনিষদ, পুৰাণ ইত্যাদি গ্ৰন্থসমূহেও ভগৱান শ্ৰীকৃষ্ণৰ বিষয়ত বিশদ বিৱৰণ দিয়াত নিজৰ সীমাবদ্ধতা প্ৰকাশ কৰিছে। শ্ৰীমদ্ভগৱদগীতা, শ্ৰীমদ্ভাগৱত, মহাভাৰত আৰু কীৰ্তন পুথিৰ আলম লৈ প্ৰবন্ধটি প্ৰস্তুত কৰি শ্ৰীশ্ৰীকৃষ্ণদেৱৰ চৰণকমলত সেৱা জনোৱাৰ প্ৰচেষ্টাহে কৰা হ'ল। ভুল ত্ৰুটিৰ বাবে তেওঁৰ শ্ৰীচৰণত ক্ষমাৰ প্ৰাৰ্থী হ'ম নিশ্চয়।

শ্ৰীমদ্ভগৱদগীতাৰ জ্ঞান কৰ্মৰ সন্ন্যাস যোগত ভগৱান শ্ৰীকৃষ্ণই কৈছে—

"যদা যদা হি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানম্ ধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম্।।
পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুস্কৃতাম্।
ধৰ্ম্মসংস্থাপনায়ৰ্থায় সম্ভৱামি যুগে যুগে।।"

অৰ্থাৎ— হে ভাৰত! যেতিয়াই ধৰ্মৰ গ্লানি আৰু অধৰ্মৰ বৃদ্ধি হয়, তেতিয়াই মই নিজকে সৃষ্টি কৰি অৰ্থাৎ দেহ-ৰূপ, ধাৰণ কৰি সৰ্বসাধৰণৰ সন্মুখত আবিৰ্ভাৱ হওঁ। সাধু পুৰুষৰ উদ্ধাৰ আৰু পাপীবিলাকক বিনাশ কৰাৰ কাৰণে আৰু ধৰ্ম সংস্থাপনৰ কাৰণে মই যুগে যুগে অৱতীৰ্ণ হওঁ।

জগত সৃষ্টিকৰ্তা পৰম ব্ৰহ্ম শ্ৰীবিষ্ণু অৰ্থাৎ শ্ৰীনাৰায়ণ অৰ্থাৎ শ্ৰীকৃষ্ণ ভাগৱত শাস্ত্ৰ অনুসৰি যিজন স্বয়ং ভগৱান তেৰাই সময়ে সময়ে বিভিন্ন অৱতাৰ ধৰি আহিছে। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে তেখেতৰ নামঘোষাত কৈছে—

"মৎস্য কূৰ্ম্ম নৰসিংহ বামন পৰশুৰাম,
হলিৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোঁহো প্ৰণাম।।

প্ৰভু শ্ৰীকৃষ্ণৰ অৱতাৰে সমাজৰ পৰা অশুভ, অসূয়া শক্তিৰ বিনাশৰ লগে লগে ধৰ্ম প্ৰৱৰ্তনেৰে সমাজক সংস্কৃতিবান কৰা হৈছে। সেয়েহে কোৱা হয়, ভাৰতীয় সংস্কৃতিৰ মূল আধাৰ হ'ল শ্ৰীকৃষ্ণ। তেওঁ একেধাৰে প্ৰতাপঘন, প্ৰজ্ঞানময় আৰু প্ৰেমঘন। তেওঁৰ সমগ্ৰ লীলাত আমি এই ত্ৰিবিধ শক্তিৰ পৰিচয় পাওঁ। দ্বাপৰ যুগত মহাপ্ৰভু শ্ৰীকৃষ্ণদেৱে অত্যাচাৰী, সংস্কৃতিহীন, কুলাধম কংসক

https://howlyraasmahotsav.org/

বধ কৰাৰ বাবে বসুদেৱ আৰু দৈৱকীৰ অষ্টম পুত্ৰ ৰূপে আৱিৰ্ভাৱ হয়। জন্মিয়েই বসুদেৱ-দৈৱকীৰ পৰা আঁতৰ হৈ নিজৰ অলৌকিক শক্তিৰ দ্বাৰা বৃন্দাৱনত গো-পালকসকলৰ ৰজা নন্দ-যশোদাৰ গৃহত স্থান লয়। দাদা বলৰামৰ সৈতে নানান লীলাৰে বাল্যকাল পাৰ কৰে। শ্ৰীকৃষ্ণৰ লীলাত বৃন্দাৱনবাসী তেওঁৰ প্ৰেমবান্ধোনত (প্ৰেমঘন) বান্ধ খায়। কৃষ্ণহীন সমাজ তেওঁলোকে ভাবিব নোৱাৰা হ'ল। ল'ৰা-বুঢ়া, গোপ-গোপী সকলো কৃষ্ণপ্ৰেমত মচগুল। পিছে সেই বৃন্দাবনো ত্যাগ কৰি কংস বধৰ বাবে পুনৰ মথুৰালৈ গমন কৰে। মথুৰাত কংস বধৰ দ্বাৰা নিজৰ সৰ্বশক্তিমান (প্ৰতাপঘন) স্বৰূপ প্ৰকাশ কৰি তেওঁৰ ঐশ্বৰিক শক্তিৰ মহিমা প্ৰকাশ কৰিলে। শেষত মথুৰা ত্যাগ কৰি আৰব সাগৰৰ বুকুত দ্বাৰকাত ৰাজদৰবাৰ স্থাপন কৰে। এই দ্বাৰকাৰ পৰাই আহি কুৰুক্ষেত্ৰৰ যুদ্ধত পঞ্চপাণ্ডৱৰ পক্ষত থাকি ধৰ্ম সংস্থাপনাৰ্থে তৃতীয় পাণ্ডৱ অৰ্জুনৰ ৰথৰ সাৰথিৰ ৰূপ লয়। কুৰুক্ষেত্ৰ যুদ্ধৰ আৰম্ভণিতে তেওঁ অৰ্জুনক গীতা শুনাই প্ৰজ্ঞানময় শক্তিৰে ৰাইজৰ কল্যাণৰ হকে তেওঁৰ গভীৰ জ্ঞানৰ জ্যোতি বিলায়। কুৰুক্ষেত্ৰৰ যুদ্ধ সামৰি পুনৰ দ্বাৰকালৈ আহি দ্বাৰকাতে ৰহস্যঘন, লীলাময় জীৱন নাট সামৰি বৈকুণ্ঠগামী হয়। থাউকতে, শ্ৰীকৃষ্ণৰ জীৱন কাহিনী এইদৰেই বৰ্ণনা কৰা হ'ল। এতিয়া প্ৰভু শ্ৰীকৃষ্ণৰ ঐশ্বৰিক মহিমাৰ মহত্ব প্ৰকাশ পোৱা দুটি আখ্যান আমাৰ পাঠকসকললৈ আগবঢ়োৱা হ'ল। আখ্যান দুটি ক্ৰমে মহাভাৰত আৰু শ্ৰীমদ্ভাগৱতৰ পৰা লোৱা হৈছে।

আখ্যান অতিথি দুৰ্বাসা ঃ

অহঙ্কাৰী, অসৎ চিন্তাৰে সমৃদ্ধ অসংস্কৃতিবান কৌৰৱ শ্ৰেষ্ঠ দুৰ্যোধন যেতিয়া ৰাজ সিংহাসনত, সেই সময়ত পঞ্চ পাণ্ডৱে বনত ভিখাৰীৰ বেশত জীৱন অতিবাহিত কৰিছে। এই সময়তেই এদিন দুৰ্বাসা মুনিয়ে দহ হাজাৰ শিষ্যসহ দুৰ্যোধনৰ ৰাজপ্ৰাসাদত উপস্থিত হ'লহি। সেই সময়ত ৰজা-প্ৰজা সকলোৱে দুৰ্বাসা মুনিক ভয় কৰিছিল। অলপ দোষতে তেওঁ ভয়ঙ্কৰ অভিশাপ দিছিল। গতিকে অভ্যৰ্থনা কেনেবাকৈ ত্ৰুটি হ'লে ঋষিৰ শাপত পৰিব লাগিব। এই ভয়তে দুৰ্যোধনে নিজে আলপৈচান ধৰিলে। সেৱা সৎকাৰত সন্তুষ্ট হৈ ঋষি দুৰ্বাসাই দুৰ্যোধনক 'বৰ' দিবলৈ ইচ্ছা প্ৰকাশ কৰি কলে "বাছা তোমাক কি বৰ লাগে কোৱা? 'কুট বুদ্ধিত সিদ্ধহস্ত দুৰ্যোধনে অতি বিনম্ৰ হৈ দুৰ্বাসা মুনিক ক'লে— "প্ৰভু, মোৰ এটি অনুৰোধ ৰক্ষা কৰক। আপুনি আজি মোৰ ঘৰত আলহী হৈ মোক যিদৰে ধন্য কৰিলে; সেইদৰে, আপুনি আপোনাৰ শিষ্য সমন্বিতে এদিন বনত থকা মোৰ পাণ্ডৱ ভাইসকলৰ আলহী হওক। তেওঁলোককো আপোনাৰ আশীৰ্বাদ দৰকাৰ।" এইদৰে কৈয়েই দুৰ্যোধনে এনে এটা সময়ত সশিষ্যে মুনিক যাবলৈ ক'লে, যেতিয়া পাণ্ডৱৰ খোৱা-বোৱা শেষ হয়, আৰু কোনো অতিথি গ'লে খাব দিবৰ উপায় নাথাকে। পাণ্ডৱসকলে দুৰ্বাসা মুনিক কিহেৰে সেৱা কৰিব। সেৱা-শুশ্ৰূষা কৰিব নোৱাৰিলে দুৰ্বাসাৰ অভিশাপ পাব। এনেকুৱা বিষয় এটা কল্পনা কৰিয়েই দুৰ্যোধনে মুনিক পঞ্চ পাণ্ডৱৰ আলহী হোৱাৰ বাবে প্ৰস্তাৱ ৰাখিলে।

এদিনাখন পাণ্ডৱসকলে দুপৰীয়া খাই-বৈ উঠি বিশ্ৰাম কৰা সময়তে তেওঁলোকৰ পঁজাঘৰৰ পদুলিত দুৰ্বাসা মুনিয়ে লগত দহ হাজাৰ শিষ্যসহ উপস্থিত হ'লহি। পাণ্ডৱসকলে ঋষিক দেখা পাই অতি নম্ৰ হৈ সেৱা-সৎকাৰ কৰি বহিবলৈ আসন পাৰি দিলে। দুৰ্ব্বাসাই যুধিষ্ঠিৰলৈ চাই ক'লে— "আমাৰ বৰ ভোক লাগিছে, আমি এতিয়াই গৈ নৈত স্নান কৰি আহিম। আমাৰ বাবে ভোজনৰ দিহা কৰা।" এইবুলি কৈয়েই ঋষিয়ে শিষ্যসকলক লৈ নৈৰ ফালে খোজ ল'লে।

https://howlyraasmahotsav.org/

মুনিবৰ দুৰ্বাসা ঘাটৰ পৰা শিষ্য সমন্বিতে উভতি আহিলে তেওঁলোকক কি উপায়ে ভোজন কৰাব এই কথা লৈ দ্ৰৌপদী মহা চিন্তাত পৰিল। নিৰুপায় হৈ তেওঁ ৰান্ধনি-ঘৰত সোমাই শ্ৰীকৃষ্ণক একান্তমনে ভক্তি সহকাৰে চিন্তা কৰিবলৈ ধৰিলে। হাত যোৰ কৰি দ্ৰৌপদীয়ে ভগৱান শ্ৰীকৃষ্ণৰ চৰণ চিন্তা কৰি ক'লে— "প্ৰভু, এই শৰণাগতক ৰক্ষা কৰা।" স্থিৰচিত্তে দ্ৰৌপদীয়ে কাতৰকৈ কাকুতি কৰি তেওঁক ধ্যান কৰিবলৈ ধৰিলে। ভগৱান ভক্তৰ অধীন। দ্ৰৌপদীয়ে ভগৱানৰ ওচৰত শৰণ লোৱাৰ লগে লগে শ্ৰীকৃষ্ণ দ্ৰৌপদীৰ ওচৰত হাজিৰ। আহিয়েই তেওঁ দ্ৰৌপদীৰ ওচৰত অন্ন বিচাৰিলে। দ্ৰৌপদীয়ে হতবাক হৈ শ্ৰীকৃষ্ণক ক'লে, "হায় ভগৱান, ই তোমাৰ কেনে লীলা-খেলা! হে প্ৰভু, তুমি সকলো কথা জানা। মই সূৰ্য্যদেৱতাৰ পৰা যি অক্ষয় পাত্ৰ লাভ কৰিছিলোঁ ইয়াৰ দ্বাৰা মই অন্ন গ্ৰহণ কৰাৰ আগতে হাজাৰজনক অন্ন দান কৰিব পাৰোঁ। কিন্তু মই অন্ন গ্ৰহণ কৰাৰ পিছত এই অক্ষয় পাত্ৰৰ দিনটোৰ কাৰণে সেই

শক্তি নোহোৱা হয়। গতিকে হে প্ৰভু, তোমাক মই অন্ন দান কৰিবলৈ অপাৰগ। তেতিয়া শ্ৰীকৃষ্ণই অক্ষয় পাত্ৰটো দাঙি আনি পাত্ৰটোৰ কাণত লাগি থকা শাকৰ কণিকা আৰু ভাতৰ কণিকা লাগি থকা দেখা পাই তাকেই হাতত তুলি লৈ মুখত দিলে। তাৰ পিছত শ্ৰীকৃষ্ণই ভীমসেনক মাতি ক'লে, "তুমি এতিয়া দুৰ্বাসা মুনিক অন্ন গ্ৰহণ কৰিবলৈ মাতি আনাগৈ।"

ভীমসেনে লৰালৰিকৈ গৈ দুৰ্বাসা মুনিৰ কাষ পালেগৈ। সেই সময়ত দুৰ্বাসা ঋষি আৰু তেওঁৰ শিষ্যসকলে ডিঙিৰ গুৰিলৈকে ভোজন কৰি উগাৰি থকাৰ দৰে উগাৰি থকা দেখা পালে। আৰু শিষ্যসকলে লাজত তলমূৰ কৰি থকা দুৰ্বাসা ঋষিক কোৱা শুনিলে, "গুৰুদেৱ, আপুনি ধৰ্ম পুত্ৰক ভোজনৰ যোগাৰ কৰিবলৈ কৈ আহিল হয়, ইফালে দেখোন আমাৰ পেটত ভোকৰ নাম গোন্ধই নাই। ভোজনত তৃপ্তিবোধ আমাৰ এনেয়ে যেন হৈ আছে।" পিছ মুহূৰ্ত্তে ভীমক দেখা পাই দুৰ্বাসা মুনিয়ে মাত দিলে, "আমাৰ ভোজন হৈ গৈছে। যুধিষ্ঠিৰক ক'বাগৈ আমাৰ দোষ যেন ক্ষমা কৰে।" এইবুলি কৈয়েই দুৰ্বাসা মুনি সশিষ্যে তাৰ পৰা উঠি আনফালে গুচি গ'ল।

ভক্তি ৰত্নাৱলীত এযাৰ কথা আছে—

"যিহেতু পৰম আত্মা হৰিসে জীৱৰ।
হৰি তুষ্ট ভৈলে তুষ্ট হোৱে চৰাচৰ।।"

গোটেই বিশ্বব্ৰহ্মাণ্ড শ্ৰীভগৱানৰ অন্তৰতে আছে। ভগৱান শ্ৰীকৃষ্ণই কণিকা মাত্ৰ শাকান্ন ভোজন কৰি তৃপ্ত হোৱাত সেই সময়ৰ নিমিত্তে ব্ৰহ্মাণ্ডৰ সকলো প্ৰাণীৰে খোৱাৰ তৃপ্তি অনুভূত হৈছিল। দুৰ্বাসা মুনিও ইয়াৰ ভিতৰত পৰিছিল। গতিকে দুৰ্যোধনৰ কু-অভিসন্ধি অৰ্থশূন্য হ'ল। প্ৰকৃত ভক্ত দ্ৰৌপদীক ভগৱান শ্ৰীকৃষ্ণই কি ধৰণে সহায় কৰিলে সেয়া নিশ্চয় আমাৰ পাঠক সমাজে বুজিব পাৰিছে। সেয়েহে কোৱা হয় ভগৱান ভক্তৰ অধীন। ভগৱানৰ কৃপা দৃষ্টিত অশুভ শক্তি নাশ হয়।

২য় আখ্যান দৈৱকীৰ প্ৰাৰ্থনা, শ্ৰীকৃষ্ণৰ দ্বাৰা মৃত পুত্ৰ আনয়ন।

এবাৰ দ্বাৰকাত মাতৃ দৈৱকীয়ে শ্ৰীকৃষ্ণক স্তুতি কৰি ক'লে—

"হে কৃষ্ণ! কৃষ্ণ বাপ দেৱ নাৰায়ণ।
হে হৰিৰাম, তুমি শিৱ সনাতন।।
জানিলোহো তোৰাসৱ নুহিকা মানুষ।
জগত ঈশ্বৰ দুয়ো পৰম পুৰুষ।।
....
....
....
তোমাৰ প্ৰভাৱ মই কহি নাপাওঁ সীমা।
শুনি আছোঁ তুমি সৱ অচিন্ত্য মহিমা।।
মৰা পোক সান্দীপনি মাগিলন্ত দান।
চিৰকাল ভৈল সাগৰত গৈল প্ৰাণ।।
তথাপিতো মৃতক পুত্ৰক চক্ৰপাণি।
দিলা গুৰু দক্ষিণা যমৰো পৰা আনি।
মোৰো মাৰি আছে কংসে পুত্ৰ ছয়গুটি।
তাসম্বাক সুমৰন্তে প্ৰাণ যায় ফুটি
ময়ো মাগো পুত্ৰ দান দিয়োক সত্বৰ।
উদ্ধাৰিয়ো শোক শল্য হৃদয়ৰ মোৰ।।
যেনমতে পাওঁ সিটো ছয় খানি পোক।
হেন কৃপা বাপ এবে কৰিয়োক মোক।। "

এদিনাখন দৈৱকীয়ে কৃষ্ণ-বলৰামক ভক্তি সহকাৰে ক'লে— "হেৰা কৃষ্ণ, জানিছোঁ তুমি পৰম দেৱতা নাৰায়ণ। হেৰা হলিৰাম মুষলধাৰী। তুমি শিৱ সনাতন। জানিছো নহয় যে তোমালোক নৰ-মনিষ নোহোৱা। তোমালোক দুয়োজনেই পৰম পুৰুষ জগতৰ ঈশ্বৰ। ইয়াকে জানি মই তোমালোকৰ চৰণত শৰণ লৈছোঁ। মোক শোক সাগৰৰ পৰা উদ্ধাৰ কৰা। হে কৃষ্ণ বাপ! তোমাৰ অনন্ত মহিমা আৰু প্ৰভাৱৰ কথা কৈ মই অন্ত কৰিব নোৱাৰোঁ। বহুতৰ পৰা শুনিছোঁ আৰু নিজেও দেখা পাইছোঁ তোমাৰ অচিন্ত্য মহিমা।

হেৰা কৃষ্ণ, গুৰু সান্দীপনিয়ে তোমাৰ পৰা গুৰু-দক্ষিণা হিচাপে তেওঁৰ পূৰ্বতে মৰি যোৱা ল'ৰাকেইটা বিচাৰিলে। তুমি সেই মৃত পুত্ৰকেইটাক যমৰ ঘৰৰ পৰা আনি সান্দীপনিক দিছিলা। কিন্তু হে কৃষ্ণ-বলৰাম, তোমালোকে নাজানা জানো যে মোৰ ছটা পুত্ৰ কংসই মাৰিছিল। সিহঁতৰ কথা সদায় মনত পৰি মোৰ প্ৰাণটো ফুটি যাওঁ ফুটি যাওঁ হৈ থাকে। সেয়েহে মই তোমালোকৰ ওচৰত সেই ল'ৰাকেইটা ভিক্ষা মাগিছোঁ। মোক সেই ল'ৰা কেইটাক তৎক্ষণাত আনি দিয়া।" এইবুলি চকুপানী টুকি টুকি দৈৱকীয়ে তেওঁৰেই পুত্ৰ কৃষ্ণৰ আগত মৃত পুত্ৰৰ কথা মনত পেলাই কান্দিবলৈ ধৰিলে। মাকে তেনেকৈ কন্দা-কটাখন কৰা দেখি আৰু তাৰ কাৰণটোৰ গুৰুত্ব বুজি ৰাম-কৃষ্ণ দুয়োজনেই তেওঁক

https://howlyraasmahotsav.org/

প্ৰণাম জনাই সান্ত্বনা দি ক'লে— "হে মাতৃ। তুমি শোক কৰিবলৈ এৰি শান্ত হোৱা। আমি এতিয়াই গৈ তোমাৰ পুত্ৰ ছজন আনি দিম।" কথাটো শুনি দৈৱকীৰ মুখত হাঁহি বিৰিঙি উঠিল। তেওঁ চকুপানী মচি পুত্ৰ কৃষ্ণৰ ঐশ্বৰিক মহিমা আৰু গুণ-যশবোৰ সুঁৱৰি পৰমানন্দত নিমজ্জিত হৈ পৰিল।

ইয়াৰ পিছত ৰাম-কৃষ্ণ দুয়োজনহৈ গৈ যোগমায়াৰ বলেৰে এক নিমিষতে "সুতল পুৰী"ত প্ৰৱেশ কৰিলে। ভুৱনমোহন দিব্যৰূপ ধাৰণ কৰি দুয়োজনেই গৈ বলিৰ সভাত উপস্থিত হ'ল। মহোৎসৱৰ আনন্দময় পৰিবেশত দৈত্যৰাজ বলিয়ে আনন্দত বিহ্বল হৈ ৰাম-কৃষ্ণক পূজা-অৰ্চনা কৰিবলৈ ধৰিলে। তাৰ পিছত দণ্ডৱতে পৰি দুয়োজনকে প্ৰণাম জনাই কৃষ্ণৰ চৰণত মধুপৰ্কৰ পাদ্য-অৰ্ঘ্য অৰ্পণ কৰিলে। বলি ৰজাৰ অচলা ভক্তিত সন্তুষ্ট হৈ শ্ৰীকৃষ্ণই ক'বলৈ ধৰিলে— হেৰা দৈত্যৰাজ, তুমি পৰম সিদ্ধি লাভ কৰিলা। তোমাৰ এই প্ৰেমময় ভকতিত মই বশ্য হ'লোঁ। তুমি দুৰ্জয় মায়াক জয় কৰিব পাৰিলা। হেৰা দৈত্যৰাজ! বৰ্তমান আমি যি উদ্দেশ্যত আহিছোঁ সেই বিষয়ে কওঁ শুনা।

"মৰীচিৰ প্ৰথম মনুৰ দিনত ছজন পুত্ৰ আছিল। তেওঁলোক সকলো দেৱতা আছিল। স্মৰ, পৰিষঙ্গ, উদগীথ, পতঙ্গ, ক্ষুদ্ৰভৃক আৰু ঘৃণী নামৰ এই ছজনে কাম-ক্ৰোধ জয় কৰিছিল। ব্ৰহ্মাই যেতিয়া তেওঁৰ দুহিতাৰ সৈতে ক্ৰীড়া কৰিবলৈ চাইছিল তেতিয়া সেই ছজন দেৱতাই ব্ৰহ্মাক নিন্দা আৰু বৰ ঠাট্টা-মস্কৰা কৰিলে। তেওঁলোকে ব্ৰহ্মাক কোৱা এযাৰ বিশেষ কথা আছিল— "তুমি জগতৰ পিতামহ হৈ এনে গৰ্হিত কাম কৰিবলৈ ওলাইছা কিয়?" তেওঁলোকৰ কথা শুনি ব্ৰহ্মা খঙত জাজ্বল্যমান হৈ গাৰ পৰা ঘাম বাহিৰ হৈ আহিল। উগ্ৰ খঙত কম্পমান হৈ সেই দেৱতা ছজনক ব্ৰহ্মাই শাপ দিলে— "তহঁত কেইটাই তেনেহ'লে অসুৰ হৈ জন্ম লগৈ যা।" তেওঁৰ সেই শাপৰ দ্বাৰা অভিশপ্ত হৈ দেৱতাকেইজন হিৰণ্যকশিপু নামৰ দৈত্যটোৰ পুত্ৰৰূপে জন্ম লৈছিল। তাৰ পাছত সেই ছজনক যোগমায়াই দৈৱকীৰ গৰ্ভত জন্ম দিয়াইছিল। সিহঁত জন্ম হোৱাৰ পাছত ধৰ্মাধৰ্ম একো নাচাই কংসই সেই আটাইকেইটাকে বধ কৰিলে। বৰ্তমান মোৰ সেই ছয়োজন জ্যেষ্ঠ ভাতৃ তোমাৰ কাষত আছে। আই দৈৱকীদেৱীয়ে তেওঁৰ এই মৃতপুত্ৰ কেইজনৰ কথা চিন্তা কৰি কৰি সদায় কন্দা-কটা কৰি থাকে। গতিকে সেই আটাইকেইজনকে মই আজি দ্বাৰকালৈ লৈ গৈ মোৰ মাতৃৰ শোক দূৰ কৰিম। গতিকে দৈত্যপতি বলি! এই কাৰণতেই আমি আজি তোমাৰ সভালৈ আহিলোঁ।"

কৃষ্ণৰ কথাকেইটা শুনাৰ লগে লগে বলি ৰজাই সেই ছজনকে আনি বৰ ভকতিৰে তেওঁৰ চৰণত অৰ্পণ কৰিলে। শ্ৰীকৃষ্ণই বলি ৰজাৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰি বলৰামৰে সৈতে সেই জ্যেষ্ঠ ভাতৃকেইজনক ৰথত তুলি লৈ তৎক্ষণাত দ্বাৰকাত উপস্থিত হ'ল। দৈৱকীয়ে সেই হেৰোৱা পুত্ৰ ছজনক দেখা পাই আনন্দত আত্মহাৰা হৈ চকুলো টুকি টুকি সিহঁতক ভালদৰে নিৰীক্ষণ কৰি ক'লে— "হয়, হয়, পাপী কংসই মোৰ যি ছজন পুত্ৰক বধ কৰিছিল এই কেইজনেই সেই ছয় পুত্ৰ।"

দৈৱকীয়ে ল'ৰাকেইটাক বুকুত সাৱটি ধৰি আনন্দৰ চকুপানীৰে তেওঁলোকৰ গাবোৰ ভিজাই পেলালে। সেই পুত্ৰসকলক কি খুৱাব, কি দিব, কেনেকৈ মাতৃ-স্নেহ দিব ইয়াকে লৈ দৈৱকী অস্থিৰ হৈ পৰিল। ল'ৰাকেইটাক পায়স, পৰমান্ন, খীৰ আদিৰে ভোজন কৰাবলৈ ধৰিলে। এনেদৰে পুত্ৰ-স্নেহত তেওঁৰ আনন্দৰ সীমা পাৰ হৈ গ'ল। বিষ্ণুৰ মায়াই তেওঁক মুহি পেলাইছিল। উক্ত বিষয়টি গুৰু শঙ্কৰদেৱে ভাগৱতত এই ধৰণে বৰ্ণনা কৰিছে—

ইগুটিক থন্ত কতো সিগুটিক লন্ত তুলি
উৎসুকে পিয়ান্ত কতো খীৰ।।
লুণ্ডি ঘুণ্ডি মহাসুখে কৰন্ত চুম্বন মুখে।
ঘনে ঘনে ঘ্ৰাণে পুত্ৰৰ শিৰ।।
কৌতুকৰ নাহি অন্ত উৎসুকে নাচন্ত যেন
বিষ্ণু মায়া মুহিলেক চিত্ত।।
দুনাই মৰা পুত্ৰ পাই আনন্দৰ সীমা নাই
ভৈলন্ত দৈৱকী কৃতকৃত্য।।

দশম স্কন্ধ (কুৰুক্ষেত্ৰ)

বিশেষ কথা হ'ল, যি মাতৃৰ কোলাত আৰু স্নেহত ভগৱান শ্ৰীকৃষ্ণ ডাঙৰ-দীঘল হৈছিল সেই মাতৃৰ স্নেহ লাভ কৰি উক্ত ছয় পুত্ৰ পুণ্যৱান হৈ পৰিল। আকৌ শ্ৰীকৃষ্ণৰ গাৰ স্পৰ্শ লাভ কৰি তেওঁলোক ছজনেই ঘোৰ ব্ৰহ্মাৰ শাপৰ পৰা মুক্তি পালে। বসুদেৱ, দৈৱকী, বলৰাম আৰু শ্ৰীকৃষ্ণক সেৱা জনাই সেই ছজনৰ আত্মা আকাশৰ পৰা নামি অহা বিমানত উঠি আকাশ মাৰ্গেদি স্বৰ্গলৈ গুচি গ'ল। এই আচম্বিত ঘটনাটো দেখা পাই দৈৱকীয়ে চিন্তা কৰিলে—

https://howlyraasmahotsav.org/

মোৰ ছয় পুত্ৰ আহিল আকৌ আমাক প্ৰণাম কৰি স্বৰ্গলৈ তৎক্ষণাৎ গুচি গ'ল। বুজিলোঁ এইবিলাক সকলো ঈশ্বৰ কৃষ্ণৰেই মায়া। ক'ৰ পৰা জীৱবোৰ আহে, কাক কোনে পুত্ৰ বা কন্যা বুলি ভাবি থাকে! এইবিলাক মায়া-মোহৰ ছলনা একমাত্ৰ ভগৱান শ্ৰীকৃষ্ণৰহে খেলা। সেয়া আমি বুজিব নোৱাৰোঁ।" এই জগতখন প্ৰকৃতাৰ্থত এক মায়াৰ সাগৰ। এই জগতখনলৈ জীৱ ক'ৰ পৰা আহে আৰু মৃত্যু হ'লে ক'লৈ যায় সেয়া একমাত্ৰ সৃষ্টিকৰ্তা ভগৱানেই জানে। জীৱসকল পৰস্পৰে পৰস্পৰৰ মাজত মায়াৰ জালেৰে বান্ধ খাই থাকে মাত্ৰ খন্তেক সময়লৈ। কোনো চিৰস্থায়ী নহয়। এই জগতত শোক, দুখ, দৈন্য, ৰোগ আদিৰ পৰা উদ্ধাৰ কৰোঁতা একমাত্ৰ কৃষ্ণ। তেওঁ সংসাৰৰ মায়া আৰু মৃত্যু আদিৰো গৰাকী। সৃজন, পালন, সংহাৰ কৰোঁতাও তেওঁৰ বাহিৰে আৰু দেৱতা নাই। জগতৰ যিমান কৰ্ম আছে সকলোৰে মূল একমাত্ৰ কৃষ্ণ। ভগৱান শ্ৰীবিষ্ণু, শ্ৰীনাৰায়ণ, শ্ৰীকৃষ্ণৰ ছলনাতে এই জগত বৰ্তমান।

আমাৰ মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে নামঘোষাত কৈছে—

কৃষ্ণ এক দেৱ দুখঃহাৰী কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি, স্থিতি অন্তঃকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ,
জানিবা, বিষ্ণুসে সমস্ত জগতে সাৰ।

শৰতৰ অনুভৱ

https://howlyraasmahotsav.org/

শৈলেন তালুকদাৰ

শৰৎ আহিল
শেৱালি ফুলিল
দূবৰি বনত মুকুতা সৰিল
মলয়া পৱন
বয় অনুক্ষণ
পৰাণ জুৰোৱা
শীতল পৰশ
শুকুলা জোনাকত
সন্ধিয়া পৰত
সাধুৰ আখৈ
আইতাৰ মুখত
তৰাৰ দীপাৱলী
ফৰকাল আকাশ
মেঘালীৰ আচ্ছাদন
ছয়াময়া প্ৰকাশ
শৰৎ কালি
মতলীয়া বৃন্দাবন
কৃষ্ণৰ কেলি
সঙ্গে গোপিনী

লোক সমাজৰ লোককাব্য

ভাস্বতী কলিতা

লোককাব্য মানে হৈছে— লোক জন-জীৱনৰ তথা অসাধাৰণ মানুহৰ দুঃসাহসিক কাৰ্যাৱলী বৰ্ণনা ইয়াৰ প্ৰধান উপজীব্য। আমি যদি লোককাব্য আৰু সাহিত্যিক কাব্যৰ মাজত পাৰ্থক্য বিচাৰিবলৈ যাওঁ— তেতিয়া গম পাওঁ যে লোককাব্যত ৰচয়িতাৰ কোনো নাম-ধাম নাথাকে, ইয়াৰ বিপৰীতে সাহিত্যক কাব্যত ৰচয়িতাৰ নাম উল্লেখ হৈ থাকে।

লোককাব্যত ইতিহাসৰ লগত সাধুকথাৰ সমন্বয় অনস্বীকাৰ্য। বিশেষকৈ ৰামায়ণ-মহাভাৰতৰ বিভিন্ন কাহিনী আৰু ৰস সৎ চৰিত্ৰসমূহৰ সুন্দৰ দৃষ্টান্ত পোৱা যায়। লগতে পুৰাণ-উপপুৰাণ, জনশ্ৰুতি, সাধুকথা আদিৰ অনেক উল্লেখ আছে।

লোকপুৰাণৰ প্ৰধানতঃ বিষয়বস্তু হৈছে সামাজিক ঘটনাৱলী, জনশ্ৰুতি, লোকাচাৰ লগতে আদিম মানৱ সমাজৰ লোকবিশ্বাস।

'ৰাস জন্ম নৌহওঁতে ৰামায়ণ' বুলি একাষাৰ কথা এতিয়াও আমাৰ ভাৰতীয় সমাজ ব্যৱস্থাত প্ৰচলিত হৈ আছে। পণ্ডিতসকলৰ মতে বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰাৰ পূৰ্বেই ৰাম সম্পৰ্কীয় বিভিন্ন কাহিনী লোককাব্য ৰূপে অথবা বেলাড ৰূপে প্ৰৱাহমান আছিল। গায়ক, কথক আদিয়ে এই কাহিনীবোৰ দেশে আবৃত্তি কৰিছিল তথা বীণাৰ সহায়ত এইবোৰৰ বিস্তৃত বৰ্ণনাও কৰিছিল। এই গায়ক আৰু কথকসকলে মূল গীতত বিভিন্ন অঞ্চলত প্ৰচলিত বিভিন্ন কাহিনী কথক প্ৰয়োজনবশতঃ নিজে ৰচনা কৰি মূল সংমিশ্ৰণত এক অবিচ্ছিন্ন ৰাম কাহিনীৰ বিকাশ হৈ উঠিছিল আৰু পৰিশেষত আদি কবি বাল্মীকিয়ে এক অখণ্ড আৰু অবিচ্ছিন্ন ৰূপত মহাকাব্য ৰামায়ণ ৰচনা কৰে। আমাৰ সকলোৰে জ্ঞাত যে লোককাব্য বা স্থান পুৰাণত অতীতৰ সামাজিক তথা ৰাজনৈতিক কথা কাহিনীসমূহত সুন্দৰ সুন্দৰ বৰ্ণনা আছে। উদাহৰণ স্বৰূপে, পথৰুঘাটৰ কৃষক বিদ্ৰোহ অসমৰ ৰাজনৈতিক ইতিহাস আৰু স্বাধীনতা যুঁজৰ এক চিৰস্মৰণীয় ইতিহাস। ইংৰাজসকলে অসমীয়া খেতিয়কক কৃষি ব্যৱস্থাৰ পৰা আঁতৰাই আনিলে। বিভিন্ন ছল-বলেৰে ইংৰাজে খেতিয়কৰ পথাৰ কাঢ়িলে। খেতিয়কৰ স্বপ্নবোৰ আধৰুৱা হ'ল। অশান্তি, বিৰক্তি, অসন্তুষ্টিৰে শেষত ইংৰাজৰ বিৰুদ্ধে পথৰুঘাটত মাৰ বান্ধি থিয় হ'ল। মণিৰামৰ মহিমাময় ত্যাগে যিদৰে লোকমানসক কন্দুৱাইছিল আৰু ক্ষুদিৰামৰ ফাঁচীয়ে যিদৰে লোকমানসক শোক-সন্তপ্ত কৰি তুলিছিল তদ্ৰূপ পথৰুঘাটৰ নিৰ্মম অথচ বাস্তৱ ঐতিহাসিক ঘটনাই লোকমানসক নিজ অন্তৰৰ অভিব্যক্তি ভাষা-ব্যঞ্জনাৰ মাধ্যমত বাংময় ৰূপ দিবলৈ বাধ্য কৰে। ফলশ্ৰুতিত সৃষ্টি হ'ল— 'পথাৰুঘাটৰ বেলাড' শীৰ্ষক দলি পুৰাণৰ এই বেলাডসমূহ। পথৰুঘাটৰ ৰণৰ বৰ্ণনা বিশিষ্ট গীত-পদ মুখ পৰম্পৰা প্ৰচলিত আছিল। আমাৰ শ্বহীদসকলৰ বলিদানৰ গৌৰৱপূৰ্ণ ঘটনাই লোকসকলক অভিভূত কৰিছিল আৰু তাৰে ফলত 'দলি পুৰাণ'ৰ জন্ম।

আধুনিক দৰং জিলাত 'দলি পুৰাণ'ৰ ধৰ্মীয় প্ৰসংগসমূহ লেখত ল'বলগীয়া। ধৰ্মীয় অনুষ্ঠানসমূহত অনুষ্ঠিত হোৱা মুহনিৰ নাম, তিৰীৰ নাম, নাগাৰা নাম,

https://howlyraasmahotsav.org/

পালনাম আদিত দলি পুৰাণৰ পদসমূহ গোৱা হয়।

গৱেষক, বিশেষজ্ঞসকলৰ মতে 'দলি পুৰাণ'ত লোককাব্যৰ প্ৰায়বিলাক বৈশিষ্ট্য কম-বেছি পৰিমাণে আছে। পথৰুঘাটৰ ৰণত পিছতেই (১৮৬৮ খ্ৰীঃ) দলি পুৰাণৰ জন্ম আৰু ইয়াৰ কিছুদিন পিছতেই লাভ কৰে লিখিত ৰূপ। গতিকে মুখ পৰম্পৰা প্ৰচলিত লোককাব্যৰ নিচিনাকৈ অতিৰঞ্জিত বৰ্ণনাই স্থান লাভ কৰা পথটো 'দলি পুৰাণ'ৰ ক্ষেত্ৰত ৰুদ্ধ হৈ পৰিল।

আমি যদি 'দলি পুৰাণ'ৰ নামকৰণৰ বাস্তৱিকতাৰ বিষয়ে জানিবলৈ চেষ্টা কৰোঁ, তেতিয়াহ'লে এক গভীৰ তাৎপৰ্যপূৰ্ণ দিশ দেখিবলৈ পোৱা যায় বুলি ভাবোঁ। আমি যদি বিচাৰ কৰি চাবলৈ যাওঁ 'পুৰাণ' পদটোৰ অৰ্থ পৰম্পৰাগত প্ৰৱাহমান কথা বা কাহিনী। 'দলি' পদটো 'দলন' শব্দৰ পৰা বিকাশ হৈছে। অৰ্থ — বিমৰ্দন, মৰ্দন, নিস্পীড়ন ইত্যাদি। ইংৰাজ সৈন্যই কৃষক সকলক দলন কৰিছিল তেনে অৰ্থ সূচক কৰাৰ প্ৰসংগত গীত-পদটিৰ নাম দিয়া হৈছে 'দলি'। অৰ্থাৎ পৰম্পৰাগত ভাৱে চলি অহা দলন বিষয় সম্বলিত গীত পদ কাহিনীক 'দলি পুৰাণ' আখ্যান দিয়া বুলি কব পাৰি। 'দলি পুৰাণ' পথৰুঘাটৰ ৰণৰ বাস্তৱ চাক্ষুষ বৰ্ণন। ইতিহাসে প্ৰথম স্বাধীনতা যুঁজ পথৰুঘাটৰ ৰণৰ বৰ্ণনা পৰ্যাপ্তভাৱে দিয়া নাই। কিন্তু দলি পুৰাণে সেই অভাৱ সম্পূৰ্ণভাৱে পূৰ্ণ কৰিছে। অসমীয়া 'বেলাড'ৰ প্ৰধান ছান্দসিক বৈশিষ্ট্য—এইবোৰ ত্ৰিপদী ছন্দত ৰচিত আৰু ইয়াত অৰ্থহীন বাক্যৰ প্ৰয়োগ থাকে। ইয়াৰ বিপৰীতে 'দলি পুৰাণ' পদ বা পয়াৰ ছন্দত ৰচিত আৰু ইয়াত নাই অৰ্থহীন বাক্যৰ প্ৰয়োগ। মুঠতে 'দলি পুৰাণ' সাহিত্যিক কাব্যৰ আলম লৈ ৰচিত। অতীতৰ চিৰসত্য কাহিনী কিছুমানৰ স্বাক্ষৰ বহন কৰা 'দলি পুৰাণ'ৰ বিষয়ে গৱেষণা কৰাৰ বহু থল আছে।

https://howlyraasmahotsav.org/

নাৰীক নালাগে মিছা উপাধি

ভাৰতী নাথ

নাৰী তুমি অনন্যা নাৰী তুমি বিশ্ববৰেণ্যা
নাৰী তুমি জন্মদায়িনী নাৰী তুমি সহধৰ্মিণী
নাৰী তুমি জগতজননী নাৰী তুমি মনোমোহিনী

যিখন ঠাইত নাৰী দিৱস উপলক্ষে ইমান খলকনি,
তাতেই আকৌ নাৰীক লৈ কিয় ইমান
আলৈ-আথানি? নাৰীয়েই যদি অনন্যা,
তেন্তে নাৰী কিয় হ'ব লগা হয় লাঞ্ছিতা?
নাৰীয়েই যদি বিশ্ববৰেণ্যা,
তেন্তে নাৰী বাৰে বাৰে কিয় হয় বঞ্চিতা?
নাৰীয়েই যদি জন্মদাত্ৰী,
তেন্তে নাৰী কিয় হয় পতিতাৰ যাত্ৰী?
নাৰীয়েই যদি অৰ্ধাঙ্গিনী,
তেন্তে বিশ্বাসবোৰ কিয় যায় ভাঙি?

নাৰীয়েই যদি জগতজননী,
তেন্তে নাৰী কিয় হয় অৱজ্ঞাৰ পাত্ৰী?
নাৰীয়েই যদি মনোমোহিনী,
তেন্তে নাৰী কিয় হয় ঘৃণাৰ গৰাকী?

নালাগে নাৰীক বিভূষিত উপাধি
নালাগে নাৰীক বহিবলৈ পূজাৰ বেদী
নালাগে নাৰীক সজাব সৌন্দৰ্যয়িনী
নালাগে নাৰীক সজাব পূজাৰ অধিষ্ঠাত্ৰী

পালে মাথোঁ কোমল নাৰীমন হয় শান্তি,
কলুষিতাবিহীন এপলক সৎ চকুৰ চাৱনি।
মাতৃসুলভ মমতাৰে ভৰা নাৰীহৃদয়,
খন্তেকতে লগ পালে মাত প্ৰেমময়।

দৰঙী লোক পৰিৱেশ্য কলা — 'ওজাপালি'

অনামিকা হাজৰিকা

অসম উত্তৰ-পূব ভাৰতৰ এনে এখন ৰাজ্য যিয়ে বিভিন্ন জাতি-জনজাতিৰ সমন্বয়ৰ এক অন্যতম নিদৰ্শন বহন কৰি আহিছে, আৰু এই সমন্বয়ৰ অন্যতম উৎস হৈছে ইয়াৰ লোক সাংস্কৃতিক চেতনা। অসমী আইৰ এই লোক সংস্কৃতিৰ মেটমৰা ভাণ্ডাৰ আৰু অধিক মজবুত কৰি ৰাখিছে দৰঙৰ লোক সংস্কৃতিৰ এক সুকীয়া পৰিচয়ে।

https://howlyraasmahotsav.org/

জনজীৱনৰ চিন্তা-চেতনা আৰু সৃষ্টিশীলতাৰ আধাৰত গঢ় লৈ উঠা অসমৰ লোক-সংস্কৃতিৰ বিশাল পথাৰখনত দৰঙৰ লোক সংস্কৃতিৰ এক উল্লেখযোগ্য অৱদান আছে। সাধাৰণতে জনসাধাৰণৰ পৰম্পৰাগত জীৱন ধাৰণ পদ্ধতিৰ পটভূমিত লোক সংস্কৃতি গঢ় লৈ উঠাৰ দৰে দৰঙৰ জনসাধাৰণৰো পৰম্পৰাগত গ্ৰামীণ জীৱন ধাৰণ পদ্ধতিৰ মাজেৰে দৰঙৰ লোক সংস্কৃতি গঢ় লৈ উঠা পৰিলক্ষিত হৈছে। তেনে ক্ষেত্ৰত অসমৰ লোক সংস্কৃতি বুলিলেই দৰঙৰ বহল ভূমিকাৰ কথা মনলৈ অহাটো স্বাভাৱিক।

ওজাপালি, দেওধনী নৃত্য, মহোহো উৎসৱ, নাঙেলী গীত, ব'হাগত হোৱা দৌল উৎসৱ আদিয়ে দৰঙী লোক সংস্কৃতিক এক সুকীয়া মাদকতা প্ৰদান কৰিছে। বৰ্ণিল কলা-সংস্কৃতিৰ পথাৰখনৰ এটি অংশ ওজাপালিৰ বিষয়ে এক চমু আলোকপাত হৈছে আমাৰ আলোচ্য বিষয়।

ওজাপালি ঃ অসমৰ পৰিৱেশ্য কলা ওজাপালি অনুষ্ঠানটো অসমৰ প্ৰাচীন পৰম্পৰাগত দৃশ্য শ্ৰাব্য কলাশৈলী। কোন যুগত ওজাপালি অনুষ্ঠানৰ আৰম্ভণি হৈছিল সেই কথা সঠিককৈ জনা নগ'লেও প্ৰাক্ শংকৰী যুগৰ পৰাই যে এই অনুষ্ঠান অসমত প্ৰচলিত হৈ আহিছে সেই বিষয়ে সন্দেহৰ অৱকাশ নাই। দৈৱিক মতবাদ অনুসৰি বৃহন্নলাৰূপী অৰ্জুনৰ ধাৰা এইবিধ কলা স্বৰ্গৰ পৰা মৰ্ত্যত প্ৰচলিত হয়। পাৰিজাত নামৰ এগৰাকী মহিলাই স্বপ্নৰ দ্বাৰা এই কলা আয়ত্ত কৰি শিষ্যসকলক শিকাই বুলিও বহু সময়ত বিশ্বাস কৰা হয়। বিয়াহ কলাই আৰু কেন্দু কলাই এই দুয়োগৰাকী ব্যক্তিবিশেষো ওজাপালিৰ জনক বুলি জনশ্ৰুতি প্ৰচলিত

ওজাপালিৰ অনুষ্ঠানক বিষয়বস্তুৰ ফালৰ পৰা দুটা ভাগত ভগাব পাৰি-

১। মহাকাব্য আশ্ৰয়ী, ২। মহাকাব্য অনাশ্ৰয়ী।

মহাকাব্য আশ্ৰয়ীক আকৌ সাতোটা ভাগত ভগাব পাৰি— বিয়াহৰ ওজাপালি, সত্ৰীয়া ওজাপালি, ৰামায়ণ ওজাপালি, পাঞ্চালী ওজাপালি, ভাইৰা ওজাপালি, দুলৰি ওজাপালি, দুৰ্গাবৰী ওজাপালি, ঠিকসেইদৰে মহাকাব্য অনাশ্ৰয়ীক পাঁচটা ভাগত ভগাব পাৰি— সুকনান্নী ওজাপালি, বিষহৰি গান, মাৰে গান, পদ্মপুৰাণৰ গান, টুকুীয়া ওজাপালি।

এইধৰণৰ শ্ৰেণীবিভাজন তথ্যসমৃদ্ধ হ'লেও আধুনিক সময়ত ওজাপালিক জীৱিত ৰূপত যি দুইধৰণে পোৱা যায় সেয়া হ'ল ব্যাস সংগীত বা বিয়াহৰ ওজাপালি আৰু সুকনান্নী ওজাপালি।

বিয়াহৰ ওজাপালি ঃ বিয়াহৰ ওজাপালি দৰঙত

সভাগোৰা ওজাপালি নামে খ্যাত। এই ধৰণৰ ওজাপালি ৰামায়ণ, মহাভাৰত, পূৰাণ, উপপূৰাণৰ পদ পৰিৱেশন কৰে। ওজাই বিশেষধৰণৰ সাজ পৰিধান কৰে। তেওঁ সাপকন চোলা পিন্ধে যদিও কপালত দীঘল ৰঙা-হালধীয়া বৰণৰ গামোচা বান্ধে। এনে ওজাই ভৰিত নূপুৰ, হাতত ৰূপৰ গামখাৰু আৰু কপালত চন্দনৰ ফোঁট লয়। মূৰত মৰা পাগুৰিটোৰ সমূখভাগ ময়ুৰচৰাইৰ পাখি সদৃশ হয়। ইয়াৰ বৰণ বগা হয় আৰু কাপোৰত দহটা ভাঁজ দি ইয়াক ময়ুৰ পাখিৰ দৰে কৰি লোৱা হয়। সভাগোৰা ওজাই আখ্যানৰ লগত ৰিজাই কিছুমান খুহুতীয়া কথাৰে মাজেৰে বৰ্ণনা দি দৰ্শকক হাঁহিৰ খোৰাক যোগায় আৰু সেইদৰেই নৃত্যটোক আমোদজনক কৰি তোলে। ওজাজনে খুঁটিতাল বজায় আৰু পালিটোক আমোদজনক কৰি তোলে। ওজনে খুটিতাল বজায় আৰু পালিসকলে মধ্যমুখ স্তনাকাৰ কাঁহৰ তাল বজাই গীত পৰিৱেশন কৰে। চাবতাল, জিকিৰ তাল, চৌতাল, লেছাৰী আৰু থোকাতাল গীত আৰু নাচত ব্যৱহাৰ কৰা হয়। ওজাই গুৰু বন্দনা দিয়াৰ পিছত প্ৰায় সাতাইশতা মান ৰাগৰ ব্যৱহাৰ কৰে। মংগলদৈৰ ওজা স্বৰ্গীয় ধাতুৰাম শৰ্মাৰ কণ্ঠত ভাৰতবৰ্ষৰ পৰা হেৰাই যোৱা বুলি অনুমান কৰা সাৰঙ্গৰাগ এটি শুনি সংগীত বিশাৰদ বিনায়ক পট্টবৰ্ধন অভিভূত হৈ পৰিছিল। আন এটি উল্লেখযোগ্য বিষয় বিয়াহৰ ওজাপালি বিশেষভাৱে বাসুদেউ পূজাৰ লগত জড়িত। অন্য দেৱ দেৱীৰ পূজা যেনে সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, লক্ষ্মী পূজা, দুৰ্গাপূজা, আনকি কাতিমহীয়া বা জেঠমহীয়া ৰাইজৰ সবাহ আদি অনুষ্ঠানতো ব্যাসগোৰা ওজাপালি অনুষ্ঠিত কৰা হয়।

সুকনান্নী ওজাপালি ঃ

"সুকবি নাৰায়ণদেৱৰ ষোড়শো পাঁচালি।
বেউলাৰ ক্ৰন্দনে গায় একেই লাছাৰি।"

দৰঙত প্ৰচলিত পদ্মপূৰাণৰ গীত পদ গাই পৰিৱেশন কৰা ওজাপালিক সুকনান্নী ওজাপালি বুলি কোৱা হয়। মনসা পূজাৰ লগতে সুকনান্নী ওজাপালিৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। সেই ওজাপালিক মাৰৈ গোৱা, ৰং গোৱা আদি নামেৰেও জনা যায়। বেউলী আৰু লখীন্দাৰৰ কাহিনী সম্বলিত পদ্মপূৰাণত পদ এওঁলোকে গায়। ব্যাসগোৰা ওজাপালিৰ দৰে ইয়াত অধিক ৰাগৰ ব্যৱহাৰ দেখা নাযায়। ওজাপালিয়ে পদ পৰিৱেশন কৰোঁতে খুঁটিতাম বজায়। বিশেষকৈ সুকবি নাৰায়ণদেৱে ৰচনা কৰা পদ্মপূৰাণৰ বা নাৰায়ণদেৱৰ নামত মৌখিক ৰূপত চলি অহা মনসা বিষয়ক গীত-পদ যিয়ে গায় সেই ওজাপালিকহে সুকনান্নী ওজাপালি বুলি কোৱা হৈছে। ওজাপালি অনুষ্ঠানটিত এজন ওজা, এজন দাইনাপালি, ৩/৪ জন সাধাৰণ পালি থাকে। দাইনা পালিজন ওজাৰ সোঁহাত স্বৰূপ। ধুতি, পাঞ্জাৱী আৰু চাদৰ ওজাৰ

সাজপাৰ হিচাপে বিবেচিত হয়। তাৰোপৰি মূৰত দীঘল চাদৰ এখনৰ পাগুৰিও মাৰি লোৱা দেখা যায়। ওজাৰ পাগটো আগফালে মিহি। এই পাগটো কুহুমীয়া পাগুৰী বা জিম পাগ নামেৰে জনা যায়। ওজাই পিন্ধা অলংকাৰসমূহ হৈছে— ঢোল, মাদুলী, কানত কুণ্ডল, হাতত মুঠি খাৰু, আঙুলিত আঙুঠি আৰু কপালত ৰঙা বা বদা চন্দনৰ ফোঁট। পালিসকলে গেঞ্জি আৰু ধূতি পৰিধান কৰে। কান্ধত এখন ফুলাম গামোচা আৰু মূৰত মৈৰাচালি পাগুৰি।

ওজাপালি অনুষ্ঠানৰ আন এটি তাৎপৰ্যপূৰ্ণ দিশ হ'ল— ওজা আৰু দাইনা পালিৰ কথোপকথন। পদৰ কিছু অংশ গোৱাৰ লগতে ওজা আৰু দাইনা পালিয়ে সাধাৰণ দৰ্শক শ্ৰোতাই বুজি পোৱাকৈ পদবোৰ ভাঙনি কৰে। এই সময়ত ৰসিক দাইনাপালিয়ে মূল কাহিনীটোৰ লগত সম্পৰ্ক নথকা বিষয়বস্তুও পৰিৱেশন কৰি দৰ্শকক আমোদ দিয়ে। অৱশেষত যিহেতু গীত-পদ গাঁওতে বিভিন্ন অপৰাধ হ'ব পাৰে সেইবাবে গৃহস্থ, গাঁওতা শুনোতা আদি সকলোৰে দোষ মৰিষণ কৰিবৰ বাবে ওজাপালিয়ে এইদৰেই স্তুতিমূলক পদ গায়—

"অপৰাধ বিনাশন তয়ুনামে নাৰায়ণ
জানি নামে পশিলো শৰণ।"

অপৰাধ ক্ষমা প্ৰাৰ্থনা গোৱাৰ লগে লগে পুৰোহিতেও মন্ত্ৰ উচ্চাৰণ মহিতে দেৱী বিসৰ্জন দিয়ে। বিদায় পৰ্বত ঢোল-তাল বজায় আৰু সামৰণিৰ আগে আগে পূজা মণ্ডপত থকা ধানৰ লক্ষ্মী দুনৰিটো গৃহস্থই মূলত লৈ ভঁৰালঘৰৰ সন্মুখত থ'বলৈ নিওতে ওজাপালিয়ে আগবঢ়াই লৈ যায়।

সঁচা অৰ্থত ক'বলৈ গ'লে দৰঙী সংস্কৃতিৰ এক অনবদ্য অনুষ্ঠান ওজাপালিক বাদ দি আমি অসমীয়া সংস্কৃতিৰ কথা ভাবিবই নোৱাৰোঁ। আধুনিক বুৰঞ্জী কিছু

https://howlyraasmahotsav.org/

পৃষ্ঠা লুটিয়াই চালে দেখা যায় যে বিশ্বসিংহৰ বংশধৰ কোচ নৃপতি সকলে দৰঙী কলা-কৃষ্টিৰ বিকাশ তথা প্ৰসাৰৰ বাবে অহোপুৰোষাৰ্থ কৰিছিল। এই দৰঙী ৰজাসকল যিহেতু শাক্তধৰ্মী আছিল, গতিকে তেওঁলোকেই মাৰৈ পূজা কৰিছিল আৰু এই পূজাত পৰিৱেশ্য কলা হিচাপে ওজাপালি আৰু দেওধনী নৃত্যৰ পোষকতা কৰিছিল। এইখিনিতেই আমি বিশেষভাৱে নাম ল'ব লাগিব দৰং জিলাৰ ছিপাঝাৰ অঞ্চল সাতঘৰীয়া গাঁৱৰ শ্ৰদ্ধাৰ গুৰু দ্ৰোণ ভূঞা ডাঙৰীয়া সুকনান্নী ওজাপালি আৰু দেওধনী নৃত্যৰ এইগৰাকী বিশিষ্ট শিল্পীয়ে লোকপিল্পৰ ক্ষেত্ৰখনলৈ অসামান্য অৱদান আগবঢ়োৱা বাবে একাধিক বঁটা আৰু সন্মান লাভ কৰে। ২০০৯ চনত তেওঁ ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ 'গুৰু সন্মান' লাভ কৰে, উত্তৰ প্ৰদেশৰ আগ্ৰাত অনুষ্ঠিত ৰাষ্ট্ৰীয় নাট্য আৰু লোক কলা মহোৎসৱত ২০১২ বৰ্ষত মীৰা বঁটা লাভ কৰে, ২০২১ বৰ্ষত অসম চৰকাৰৰ সাংস্কৃতিৰ সঞ্চালকালয়ৰ পৰা 'বিষ্ণু ৰাভা বঁটা' লাভ কৰে। ইয়াৰোপৰিও তেওঁক ২০২৩ বৰ্ষৰ বাবে অসমৰ তৃতীয় সৰ্বোচ্চ অসামৰিক সন্মান 'অসম গৌৰৱ' প্ৰদান কৰা হয় আৰু ২০২৪ বৰ্ষত তেওঁ ভাৰত চৰকাৰৰ পৰা দেশৰ তৃতীয় সৰ্ব্বোচ্চ অসামৰিক সন্মান 'পদ্মশ্ৰী' বঁটা লাভ কৰে। গতিকে ওজাপালি অনুষ্ঠানটিক ৰাষ্ট্ৰীয় দৰবাৰত জিলিকাই তোলাৰ ক্ষেত্ৰত তেওঁৰ অৱদান অতুলনীয়। প্ৰত্যেকগৰাকী অসমীয়াৰ তেজত থকা এই লোক-সংস্কৃতিসমূহ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ দায়িত্ব বৰ্তমানৰ নৱ প্ৰজন্মৰ। বৰ্ণিল সংস্কৃতিৰ অধিকাৰী অসমী আইৰ এই পৰিৱেশ্য কলাসমূহে যেন চিৰদিন বিশ্ব দৰবাৰতো দপ্‌দপাই থাকিব পাৰে, তাৰেই আশা কৰিছোঁ।

শ্ৰীকৃষ্ণ লীলা

https://howlyraasmahotsav.org/

মিহিৰ মৌচুম ৰয়

ৰাতিৰে ৰাতিটো
শ্ৰীকৃষ্ণৰ স'তে নৃত্য কৰি
বাউলী গোপীগণ,
শ্ৰীকৃষ্ণৰ সংগ লভি
পৰমসুখে পাৰ কৰে
জোনাক বনত বহি।

কোন দিশেৰে আহে পুৱা
কোন দিশেৰে দিন খহে
জানিবলৈ নাই কাৰো আহৰি,
শ্ৰীকৃষ্ণৰ লীলা কীৰ্তন কৰোঁতেই
সময় যায় বাগৰি।

বাউলী গোপী উন্মনা আজি
ঘনেপতি কঁপে বাহু,
বাৰম্বাৰ নাচে ভ্ৰূযুগল
শ্ৰীকৃষ্ণৰ মুৰুলীধ্বনি শুনি।

শ্ৰীকৃষ্ণৰ কাষ চাপি
চঞ্চলা গোপীৰ মন আজি,
উলাহত শিথিল হয়
কাপোৰৰ বান্ধন।

লাজুকী গোপীৰ গালৈ আহে সজ্ঞান
শ্ৰীকৃষ্ণৰ বিৰহত উদ্বাউল গোপীৰ
মনত ওপজে শ্ৰদ্ধা,
সকলো বিৰহ সামৰি থৈ
বুকুত গুঁজি লয় লক্ষ্মী
বাউলী গোপীবৃন্দ
মুহূৰ্ততে হয় স্থিৰ সৌদামিনী।

গ্ৰন্থ অধ্যয়নে হৈছে জ্ঞানাৰ্জনৰ ঘাইপথ

মেছেৰ আলী আহমেদ

গ্ৰন্থ হৈছে মানৱ জীৱনৰ পৰম বন্ধু। গ্ৰন্থই মানুহক সদায় সুখ-শান্তি আৰু তৃপ্তি দান কৰে। গ্ৰন্থই মানুহক নীচ প্ৰবৃত্তিৰ পৰা উত্তৰণ ঘটাই ক্ৰমে উচ্চ প্ৰবৃত্তিৰ পিনে অগ্ৰসৰ কৰাত সহায় কৰে। সময়ৰ সদ্ব্যৱহাৰ কৰিবলৈ মানুহে গ্ৰন্থ অধ্যয়ন কৰা উচিত। গ্ৰন্থ অধ্যয়নৰ ফলত নতুন নতুন অভিজ্ঞতা লাভ আৰু নতুন নতুন জ্ঞান অৰ্জন হয়। গ্ৰন্থ অধ্যয়নৰ ফলত আমাৰ শাৰীৰিক আৰু মানসিক বিকাশ সাধন হয়। গ্ৰন্থ অধ্যয়নত মনোনিৱেশ কৰা এজন ব্যক্তিৰ এম আৰ আই স্কেন পৰীক্ষা কৰি বিজ্ঞানীসকলে দেখা পাইছে যে— গ্ৰন্থ অধ্যয়ন নকৰা ব্যক্তিতকৈ গ্ৰন্থ অধ্যয়ন কৰা ব্যক্তিৰ মগজুৰ কোষৰ যথেষ্ট বিকাশ সাধন হোৱা পৰিলক্ষিত হয়। গ্ৰন্থ অধ্যয়নৰ ফলত মনৰ মাজত থকা সুপ্ত প্ৰতিভাৰ উমান পায় আৰু সেই প্ৰতিভাক সঠিকভাৱে প্ৰয়োগ কৰাৰ ফলত অপৰিসীম মানসিক বিকাশ সাধন হয়। গ্ৰন্থ অধ্যয়নৰ ফলত মানুহৰ কল্পনা শক্তি বৃদ্ধি পায়। গ্ৰন্থই এজন পঢ়ুৱৈৰ নতুন নতুন বিষয়ৰ ওপৰত লিখাৰ ক্ষমতা বৃদ্ধি কৰে। গ্ৰন্থ অধ্যয়ন কৰা ব্যক্তিৰ মনত সদৰ্থক জ্ঞানৰ ধাৰণা জাগ্ৰত হয়। লিখিত শব্দৰ আবিৰ্ভাৱ হোৱাৰ পৰাই গ্ৰন্থ হৈছে তথ্য আৰু জ্ঞানৰ এক গুৰুত্বপূৰ্ণ উৎস। আজিৰ আধুনিক ডিজিটেল মাধ্যম আৰু অনলাইন সম্পদৰ উত্থানৰ পিছতো শিক্ষা আৰু ব্যক্তিগত জ্ঞান বৃদ্ধিত গ্ৰন্থই বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। গ্ৰন্থ হৈছে জ্ঞানৰ এক উৎকৃষ্ট উৎস। ইতিহাসৰ পৰা আৰম্ভ কৰি ধৰ্ম, ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, বিজ্ঞান, দৰ্শন আদি বিভিন্ন বিষয়ৰ বহুতো তথ্য গ্ৰন্থত সন্নিৱিষ্ট কৰা থাকে। গ্ৰন্থ অধ্যয়ন কৰিলে কোনো বিশেষ বিষয়ৰ বিষয়ে বুজাবুজি গভীৰ হ'ব পাৰে আৰু নতুন অন্তৰ্দৃষ্টি আৰু দৃষ্টিভংগী লাভ কৰাত সহায় কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে হওক, পেছাদাৰী ব্যক্তিয়েই হওক বা কেৱল শিকিব আৰু জ্ঞান বৃদ্ধি কৰিব খোজা ব্যক্তিয়েই হওক, গ্ৰন্থ অধ্যয়ন কৰাটো জ্ঞান বৃদ্ধিৰ এক উৎকৃষ্ট উপায়। গ্ৰন্থ অধ্যয়নে আমাৰ জ্ঞান ক্ষমতাও উন্নত কৰিব পাৰে। নিয়মিতভাৱে গ্ৰন্থ অধ্যয়ন কৰিলে আমাৰ মনত শব্দভাণ্ডাৰ বৃদ্ধি, স্মৃতিশক্তি আৰু একাগ্ৰতা বৃদ্ধি, আমাৰ বিশ্লেষণাত্মক আৰু সমালোচনাত্মক চিন্তাধাৰাৰ দক্ষতা বৃদ্ধি কৰিব পাৰে, যিয়ে আমাৰ সকলো মূল্যৱান দক্ষতাই ব্যক্তিগত আৰু পেছাদাৰী দুয়োটা জীৱনতে উপকৃত কৰিব পাৰে। বৌদ্ধিক লাভৰ উপৰিও গ্ৰন্থ অধ্যয়ন কৰিলে এক আনন্দদায়ক আৰু লাভজনক অভিজ্ঞতা আহৰণ কৰিব পৰা যায়। শিকিবলৈ আৰু জ্ঞান বৃদ্ধি কৰিবলৈ ভাল গ্ৰন্থই এক শক্তিশালী প্ৰেৰণাদায়ক হৈ পৰে। গ্ৰন্থ অধ্যয়ন এক ডাঙৰ মানসিক চাপ নিৰাময়কাৰী হ'ব পাৰে, যাৰ ফলত আমাৰ দৈনন্দিন জীৱনৰ চাপৰ পৰা হাত সাৰিবলৈ আৰু নিজকে এক বেলেগ পৃথিৱীত নিমগ্ন কৰি ৰাখিব পাৰি। তদুপৰি গ্ৰন্থই এনে এক অনন্য দৃষ্টিভংগী আগবঢ়ায় যিটো আন ক'তো বিচাৰি পোৱা নাযায়। গ্ৰন্থ অধ্যয়নৰ দ্বাৰা অচিনাকি ঠাঁয়ো অনায়াসে ভ্ৰমণ কৰিব পাৰি। গ্ৰন্থ অধ্যয়নৰ জৰিয়তে নতুন সংস্কৃতি আৰু অভিজ্ঞতা অন্বেষণ কৰিব পৰা যায়। গ্ৰন্থ অধ্যয়নৰ জৰিয়তে আমাৰ চৌপাশৰ জগতখনৰ বিষয়ে ভালদৰে

https://howlyraasmahotsav.org/

বুজিব পৰা যায় আৰু জ্ঞান আহৰণ কৰিব পৰা যায়। গ্ৰন্থ অধ্যয়নে আনৰ প্ৰতি সহানুভূতি আৰু মৰম-ভালপোৱা গঢ়ি তোলাত সহায় কৰে। ব্যক্তিগত বুদ্ধি আৰু শক্তিশালী সম্পৰ্ক গঢ়ি তোলাৰ বাবে অপৰিহাৰ্য গুণবোৰ গ্ৰন্থ অধ্যয়নৰ জৰিয়তে আহৰণ কৰিব পাৰি। গ্ৰন্থ অধ্যয়ন কৰিলে আজীৱন শিক্ষণৰ প্ৰতি প্ৰেম গঢ়ি তোলাত সহায়ক হ'ব পাৰে। আমি যিমানেই গ্ৰন্থ অধ্যয়ন কৰিম সিমানেই শিকিবলৈ আৰু জ্ঞান বৃদ্ধি কৰিবলৈ আমাৰ মন যাব। ইয়াৰ ফলত এক কৌতূহল আৰু বিস্ময়ৰ অনুভূতিৰ সৃষ্টি হ'ব পাৰে, যিটো আমাৰ লগত গোটেই জীৱন থাকিব আৰু আমাক নতুন জ্ঞান আৰু অভিজ্ঞতা বিচাৰিবলৈ অনুপ্ৰাণিত কৰিব। গ্ৰন্থ অধ্যয়নে আমাৰ ব্যক্তিগত জ্ঞান বৃদ্ধি আৰু শিক্ষাৰ এক অপৰিহাৰ্য অংগ হিচাপে কাম কৰে। গ্ৰন্থ অধ্যয়নে জ্ঞান আৰু অন্তৰ্দৃষ্টিৰ সমৃদ্ধি প্ৰদান কৰে, জ্ঞানমূলক ক্ষমতা উন্নত কৰে আৰু পৃথিৱীৰ প্ৰতি এক অনন্য দৃষ্টিভংগী প্ৰদান কৰে। গ্ৰন্থ অধ্যয়ন কৰাটো আমাৰ জীৱনৰ অংশ হ'ব লাগে বুলি যদি কোৱা হয় তেন্তে তাৰ মুখ্য কাৰণ কেইটা হৈছে যে— গ্ৰন্থ হৈছে মানুহৰ জ্ঞানৰ যাইপথ। গ্ৰন্থই কল্পনা কৰিব পৰা প্ৰায় সকলো বিষয়ৰ ওপৰত জ্ঞানৰ এক বিশাল জলাশয় সৃষ্টি কৰে। গ্ৰন্থ হৈছে বৰ্ধিত শব্দ ভাণ্ডাৰ। নিয়মিত গ্ৰন্থ অধ্যয়ন কৰিলে আমাক বহল পৰিসৰৰ শব্দ ভাণ্ডাৰৰ সৈতে পৰিচয় কৰাই দিয়ে, যাৰ ফলত আমাৰ যোগাযোগ দক্ষতা আৰু বুজাবুজিৰ ক্ষমতা বৃদ্ধি পায়। গ্ৰন্থ অধ্যয়নে মানুহৰ স্মৃতিশক্তি বৃদ্ধি কৰে। গ্ৰন্থ অধ্যয়নে আমাৰ স্মৃতিশক্তি আৰু জ্ঞানমূলক কাৰ্যক তীক্ষ্ণ কৰাত সহায় কৰে, যাৰ ফলত আমাৰ মনটো সক্ৰিয় আৰু নিয়োজিত হৈ থাকে। গ্ৰন্থ অধ্যয়নৰ ফলত মানুহৰ মানসিক চাপ হ্ৰাস পায়। এখন ভাল কিতাপ লৈ কাৰ্লিং আপ কৰাটো মানসিক পলায়নৰ এক প্ৰকাৰ হ'ব পাৰে, যিয়ে আমাক দৈনন্দিন উদ্বেগৰ পৰা সাময়িকভাৱে ৰেহাই আৰু আৰাম কৰাৰ সুযোগ প্ৰদান কৰে। এখন ভাল গ্ৰন্থ অধ্যয়ন কৰাৰ ফলত উন্নত মনোনিৱেশ আৰু একাগ্ৰতা বৃদ্ধি কৰে। বিক্ষিপ্ততাৰে ভৰা আজিৰ এইসময়ত দ্ৰুতগতিত চলি থকা পৃথিৱীখনত গ্ৰন্থ অধ্যয়নে আমাক দীৰ্ঘ সময়ৰ বাবে মনোনিৱেশ কৰাৰ ক্ষমতাক শক্তিশালী কৰাত সহায় কৰে। সহানুভূতি আৰু দৃষ্টিভংগী গঢ়ি তোলাত গ্ৰন্থ অধ্যয়নে অৰিহণা যোগায়। কোনো কাল্পনিক চৰিত্ৰৰ মাজত ভৰি দিলে সহানুভূতি বিকশিত হয় আৰু বিভিন্ন দৃষ্টিভংগীৰ গভীৰ বুজাবুজি লাভ কৰিব পাৰি একমাত্ৰ গ্ৰন্থ অধ্যয়নৰ জৰিয়তে। বৰ্ধিত সৃষ্টিশীলতা গঢ়ি উঠে গ্ৰন্থ অধ্যয়নৰ ফলত। গ্ৰন্থ অধ্যয়নে আমাক নতুন ধাৰণা আৰু চিন্তা প্ৰক্ৰিয়াৰ সৈতে পৰিচিত কৰায়, যিয়ে সম্ভাৱনাময়ভাৱে আমাৰ নিজৰ সৃষ্টিশীলতা আৰু সমস্যা সমাধানৰ দক্ষতাৰ সূচনা কৰে। শক্তিশালী লিখাৰ দক্ষতা বৃদ্ধি পায় গ্ৰন্থ অধ্যয়নৰ ফলত। ভাল গ্ৰন্থ অধ্যয়ন কৰি ভালদৰে লিখা-পঢ়াত নিজকে নিমজ্জিত কৰিলে লেখাৰ শৈলী, বাক্যৰ গঠন আৰু সামগ্ৰিকভাৱে যোগাযোগৰ স্পষ্টতা উন্নত কৰি তুলিব পাৰি। গ্ৰন্থ অধ্যয়নে আমাক শিথিল আৰু আৰামদায়ক হ'বলৈ সহায় কৰিব পাৰে, যাৰ ফলত আমাৰ টোপনিও উন্নত হৈ পৰে। সেয়ে গ্ৰন্থ অধ্যয়নক আমাৰ দৈনন্দিন জীৱনৰ অংশ হিচাপে ল'ব লাগে আৰু গ্ৰন্থ অধ্যয়নৰ উক্ত আচৰিত সুবিধাসমূহ আমি অনুভৱ কৰিব লাগে। গতিকে এখন ভাল গ্ৰন্থ হাতত তুলি লৈ প্ৰতিদিনে অধ্যয়ন আৰম্ভ কৰাৰ বাবে সকলোৰে প্ৰতি আহ্বান জনালোঁ।

https://howlyraasmahotsav.org/

মধুমিতা শৰ্মাৰ 'কাৰ বাঁহীৰ সুৰ ঘুণাসুঁতিত বাজে'ত সামাজিক দায়বদ্ধতাৰ প্ৰতিফলন

মদন ৰাজবংশী

"সুখী হোৱাৰ বাবে নালাগে বিশাল অট্টালিকা,
ৰেষ্টুৰেণ্টৰ বিলাতী খানা কিম্বা এখন দামী গাড়ী
সৰু সৰু প্ৰাপ্তিবোৰেই দিব পাৰে সুখৰ ঠিকনা।"

সম্প্ৰতি মানুহ প্ৰতিযোগিতাৰ দৌৰত ব্যস্ত। হয়, প্ৰতিযোগিতা থকাটো ভাল। ভিন্ন ভিন্ন বিষয়ত প্ৰতিযোগিতাৰ নিতান্তই আৱশ্যকতা আছে। কিন্তু প্ৰতিযোগিতাৰ নামত কেৱল বিলাসিতা কিম্বা আভিজাত্যৰ ৰঙক সামৰি ল'লে সমাজৰ ক্ষতি হোৱাৰো অৱকাশ থাকে। আজিৰ এচামে প্ৰতিযোগিতাৰ নামত বিলাসিতা কিম্বা আভিজাত্যৰে নিজকে প্ৰতিপন্ন কৰিব খোজে সমাজৰ অনন্য অংগ হিচাপে। টকাৰে সকলো ক্ৰয় কৰিবলৈ বিচাৰে। ঐশ্বৰ্য-বিভূতি, সুখ, শান্তি সকলো।

সেইখিনিতে এক ব্যতিক্ৰম চিন্তাৰে আগবাঢ়িছে কবি মধুমিতা শৰ্মা। কবি শৰ্মাই অট্টালিকাত সুখৰ ঠিকনা বিচাৰি হাবাথুৰি খাব খোজা নাই অথবা ৰেষ্টুৰেণ্টৰ খানা কিম্বা দামী গাড়ীতো কবিয়ে সুখৰ সন্ধান কৰাৰ পোষকতা নকৰে। কবিয়ে 'সুখৰ ঠিকনা' কবিতাটোৰ মাজেৰে ক'ব খুজিছে যে যদিহে মানুহে প্ৰাপ্তিৰ সৰ্বোচ্চ সোৱাদ উপলব্ধি কৰিব জানে তেন্তে সৰু সৰু প্ৰাপ্তিয়েও অথবা মৰমৰ এষাৰ মাতেও দিব পাৰে জীৱনৰ পৰম সুখ, চৰম আনন্দ।

জীৱনবোধৰ গভীৰতাৰ আলম লৈ কবিয়ে সুন্দৰ চিত্ৰকল্প এটাৰে কবিতাটো আগবঢ়াই নিছে।

কবি মধুমিতা এগৰাকী শিক্ষয়ত্ৰী। বহু সময়ত কবিৰ মাজত এগৰাকী নাৰী আৰু এগৰাকী কবিৰ দণ্ড হয়। কেতিয়াবা কবি জয় হয় আৰু সৃষ্টি হয় কবিতাৰ, কেতিয়াবা কবি হাৰি যায় অথচ কবিতাৰেই জয় হয়। নাৰী জয় হোৱাৰ অভিজ্ঞতাৰে সৃষ্টি হয় মমতাময় কবিতাৰ, তাক লৈয়ে কবিয়ে লালন কৰে এটি এটি পল, এটি এটি ক্ষণ।

কবিয়ে কেইবাটাও কবিতাত নিজৰ অভিজ্ঞতাৰ আলমত বাস্তৱ প্ৰতিচ্ছবি কিছুমান ফুটাই তুলিবলৈ প্ৰয়াস কৰা দেখা যায়। কবিয়ে 'মোক বৃদ্ধাশ্ৰমত নাৰাখিবি বোপাই' কবিতাটোৰ মাজেৰে সাম্প্ৰতিক সময়ৰ বাস্তৱ প্ৰতিচ্ছবি এখনি অংকন কৰিব খোজা পৰিলক্ষিত হয়। সন্তান এটা জন্ম দিয়াৰ আঁৰৰ ত্যাগ আৰু কষ্ট এগৰাকী নাৰীয়েহে সবাতোকৈ ভালদৰে উপলব্ধি কৰিব পাৰে। অথচ এই নাৰী আজিও আমাৰ সমাজত সময়ে সময়ে অৱহেলিত হৈ আহিছে। কবিতাটোৰ মাজেৰে কবিয়ে আজিৰ প্ৰজন্মক এক ধনাত্মক বাৰ্তা দিবলৈ সক্ষম হ'ব বুলি আশা কৰিব পাৰি। আনহাতে 'নাৰী এক বিশাল আকাশ' কবিতাটোৰ মাজেৰে কবিয়ে নাৰীৰ মাজত যে অসীম ক্ষমতাৰ সমাহাৰ ঘটে তাক বুজাবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে।

কবি মধুমিতা শৰ্মা সমাজক লৈও বহু সচেতন হোৱা দেখা যায়। তেওঁৰ বহুকেইটা কবিতাত সমাজৰ ভিন্ন দিশ স্পষ্ট ৰূপত প্ৰকাশ পাইছে। আজিৰ ইলেক্‌ট্ৰনিক সমাজখনক কবিয়ে সহজভাৱে ল'ব পৰা নাই। সমাজৰ মৌলিকতা হেৰাই মানুহবোৰ যেন এক শূন্যৰ ফালে গমন কৰিছে। কবিয়ে 'পৰিৱৰ্তনৰ ধাম্‌খুমীয়াত আমি' কবিতাটোত লিখিছে—

"পৰিৱৰ্তনশীল শৈশৱৰ আজি
উশাহত অ'টিটি

https://howlyraasmahotsav.org/

নিশাহত ইউ-টিউব, হোৱাটছ্‌এপ
এই সময় পৰিৱৰ্তনৰ সময়,
সময় নে দুঃসময়, কোন পথে ধাৱমান আমি...”

কবিয়ে যেন ধৰিব পাৰিছে, কোন ফালে গতি কৰিছে সময়, কোন দিশে ধাৱমান মানুহৰ সমষ্টি। আজিৰ সময় দুঃসময়ৰ জাননী নেকি? এক শূন্যতাৰ ছাঁই কবিক আৱৰি ধৰিছে যেন অনুমান হয়, সেয়েহে কবিয়ে লিখিছে ‘কোন পথে ধাৱমান আমি...’

কবিয়ে বহুদিন ধৰি কবিতা চৰ্চা অব্যাহত ৰাখিছে। বহু ঘাত-প্ৰতিঘাতেও কবিৰ কলমক বাধা দি ৰাখিব পৰা নাই। কবিয়ে যেন কবিতাৰ মাজতে বিচাৰি পাইছে জীৱনৰ অনুপম সুখানুভৱ।

কবিয়ে জীৱনক লৈ বৰ সচেতন। দুৰ্বোধ্যৰ মাজতো কবিয়ে জীৱনৰ সেউজ সংজ্ঞা বিচাৰি ফুৰে। কবিয়ে ‘নুসুধিবা তুমি’ কবিতাত জীৱন সম্পৰ্কত লিখিছে---

“জীৱন মানে কাৰোবাৰ বাবে পূৰ্ণতা
কাৰোবাৰ বাবে শূন্যতা।
জীৱনৰ সংজ্ঞা, মোক নুসুধিবা তুমি
নুবুজিবা কোনোকালে
নিছলা কবিৰ ভংগ্ন হৃদয়ৰ অভিমান...”

কবি অভিমানী, কবি প্ৰেমিকাও। সেয়েহে অভিমানী সুৰেৰে কবিয়ে নিজৰ ভালপোৱাজনক হয়তো ক’বলৈ চেষ্টা কৰিছে— “জীৱনৰ সংজ্ঞা, মোক নুসুধিবা তুমি, নুবুজিবা কোনোকালে নিছলা কবিৰ ভংগ্ন হৃদয়ৰ অভিমান...”

সকলো সৃষ্টিতে প্ৰেম থাকে, কিন্তু কবিতাত প্ৰেমৰ সৈতে অভিমানো থাকে। প্ৰেম আৰু অভিমান অবিহনে কবিতাৰ সৃষ্টি সম্ভৱ নহয় আৰু কবিতা অবিহনে কবি জীয়াই থাকিবও নোৱাৰে। কবিৰ তেজে তেজে, কোঁহে কোঁহে প্ৰেম আছে বাবেই কবিয়ে কবিতা লিখে, আকাশৰ শূন্যতাতো জীয়াই থাকিব খোজে। কবিয়ে ‘মোৰ কেনভাছত এখন বিখ্যাত ছবি’ কবিতাত লিখিছে—

“মোৰ হৃদয়ৰ তাম্ৰলিপিত
লিখি লৈ সোণোৱালী আখৰেৰে
তোমাৰ আকুল অনুভৱৰ ছন্দ
তোমাক ভালপাওঁ বাবেই কবিতা লিখিছো
তোমাক ভালপাওঁ বাবেই
আজিকালি ভাল লগা হ’ল
আকাশৰ শূন্যতা, বতাহৰ ধেমালি
ফাগুনৰ উদং পথাৰ।”

কবিয়ে সপোন দেখে সুখৰ অথচ যন্ত্ৰণা কবিৰ সহচৰ। সেয়েহে ‘যন্ত্ৰণা’ কবিতাত কবিয়ে লিখিছে---

“কিয় বাৰে বাৰে এজাক দূষিত বতাহে
কলিজাত খামোচ মাৰি পাৰ হৈ যায়
আমাৰ আশাবোৰৰ কাষেৰে
ধূসৰিত কৰি আমাৰ সপোন...”

সপোন সুখৰ অবিচ্ছেদ্য অংগ। পৃথিৱীত এনে কোনো ব্যক্তি নাই যিয়ে সপোন দেখা নাই বা সপোন দেখি বেয়া পায়। কবিয়েও সপোন দেখে আৰু বিচাৰি ফুৰে জীৱনৰ সেন্দূৰীয়া সৌন্দৰ্য। সেইবাবে আশাবোৰ ধূসৰিত হ’লে কবিয়ে কষ্ট পায়। কবিয়ে কবিতাবোৰৰ মাজেৰে সাধাৰণ মানুহৰ অনুভৱখিনি ব্যক্ত কৰাৰ প্ৰয়াস কৰা যেন অনুমান হয়। কবিক কবিতাৰ পথাৰত খুউব চহকী বুলি ক’ব নোৱাৰি। কবিৰ কবিতাত ভিন্ন প্ৰকাৰৰ খলা-বমা দেখিবলৈ পোৱা যায়। কবিয়ে কবিতাবোৰৰ মাজেৰে মনৰ ভাববোৰ সহজ-সৰলভাৱে প্ৰকাশৰ চেষ্টা কৰা যেন অনুমান হয়, কিন্তু কবিৰ যি চেষ্টা তাত সততা থকাটো পৰিলক্ষিত হয়। ই কবিৰ বাবে এক শক্তি। কিন্তু কবি এই শক্তিক লৈ সন্তুষ্ট থাকিলে নিশ্চয়কৈ ক্ষতি হ’ব। কবিয়ে এই শক্তিক ঢাল হিচাপে লৈ যথেষ্ট অধ্যয়ন কৰাৰ প্ৰয়োজন আছে। কবিয়ে কলমত নাচি থকা শব্দবোৰক ধৰি-বান্ধি এক কবচ নিৰ্মাণৰ চেষ্টা কৰিব লাগিব।

সংকলনটোত কেইবাটাও পঢ়ি আমোদ লগা কবিতা অন্তৰ্ভুক্ত হৈছে। ‘নদী আৰু নাৰী’, ‘ৰূপান্তৰ’, ‘উপলব্ধি’, ‘উভতি নহাৰ গান’, ‘যন্ত্ৰণা’, নিলাজ ফাগুন’ ইত্যাদি কবিতা পঢ়ি পাঠকে আমোদ পাব বুলি কব পাৰি।

কবিতা শব্দৰ খেল। শব্দৰ খেলত ধৰা দিয়ে চিত্ৰকল্প, প্ৰাণ পায় প্ৰতীকে। লালিত্য হৈ উঠে শব্দৰ মালিতা। এই ক্ষেত্ৰত কবিৰ কিছু কষ্ট কৰিব লগা আছে। মধুমিতা শৰ্মাৰ কবিতাৰ স্তৰ পাঠক সমাজে নিশ্চয় মূল্যায়ন কৰিব।

মধুমিতা শৰ্মাৰ এইখন কবিতাৰ প্ৰথম পুথি। এই সংকলনটোত মুঠ ছটা কবিতা অন্তৰ্ভুক্ত হৈছে। শৰাইঘাট প্ৰকাশনে প্ৰকাশ কৰা এই সংকলনটোৱে পাঠক সমাজৰ সঁহাৰি পাব বুলি আমি আশা কৰিলোঁ। কবিতাপুথিখনৰ আকৰ্ষণীয় বেটুপাতটো অংকন কৰিছে চিত্ৰশিল্পী নিৰেণ তালুকদাৰে। সংকলনটোৰ মূল্য ২০০ টকা।

https://howlyraasmahotsav.org/

ৰাসলীলাৰ তাৎপৰ্য আৰু ইয়াৰ প্ৰাসংগিকতা

কিৰণ চন্দ্ৰ চৌধুৰী

ভগৱান শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া কৃষ্ণৰ এক অলৌকিক লীলা। এই ৰাসক্ৰীড়াত নানা ৰূপৰ সমাহাৰ ঘটিছে। ৰাসলীলাক ভগৱান শ্ৰীকৃষ্ণৰ সপ্তমলীলাৰ মুকুতা মণি বুলি কোৱা হয়। ৰাস উৎসৱ অসমৰ ধৰ্মীয় উৎসৱসমূহৰ অন্যতম বুলি ক'ব পাৰি। বৰ্তমান ৰাস উৎসৱ গণমুখী হোৱাত ইয়াৰ প্ৰসাৰতা ইমান বাঢ়িছে যে গাঁৱে-ভুঁঞে নগৰে-চহৰে সকলোতে আড়ম্বৰপূৰ্ণভাৱে ৰাস উৎসৱ অনুষ্ঠিত হয়। আগৰ তুলনাত ৰাস চাবলৈ মাজুলীলৈ নগৈ এতিয়া নামনি অসমৰ হাউলী, নলবাৰী আৰু পাঠশালাই এক সুকীয়া স্থান দখল কৰিছে। এই ৰাস উৎসৱত প্ৰধানকৈ শ্ৰীকৃষ্ণৰ বিভিন্ন লীলা আৰু ৰামায়ণ, মহাভাৰতৰ আখ্যান-উপাখ্যানৰ মৃন্ময় মূৰ্তি আৰু জীৱন্ত মূৰ্তি ৰাস মেলাৰ আয়োজন সমাৰোহ হয়।

ভগৱান শ্ৰীকৃষ্ণই এই ৰাসলীলাৰ যোগেদি মূলতঃ মানৱ জীৱনত সঠিক পথ দেখুৱাৰ নিমিত্তে বিভিন্ন ৰূপ চৰিত্ৰ ৰূপায়ণ কৰিছে। অসমৰ বৰ্তমানে ৰাসলীলা এটা জাতীয় উৎসৱত পৰিণত হৈছে। এই সন্দৰ্ভতে ৰাস শব্দৰ উৎপত্তি সম্পৰ্কে দুআষাৰ আলোচনা কৰিলোঁ। ৰস শব্দৰ লগত 'আ' কাৰ যুক্ত হৈ ৰাস শব্দটো নিষ্পন্ন হৈছে। 'ৰস' শব্দৰ অৰ্থ জীৱনী শক্তি। উদ্ভিদে যিদৰে মাটিৰ ৰস চুহি গছ-বিৰিখ জীয়াই থকাৰ দৰে ঈশ্বৰৰ চিন্ময় ৰসেৰে জীয়াই থাকে ভক্তৰ অনুৰক্ত জীৱন। আনহাতে 'ৰস' শব্দৰ আন এক অৰ্থ প্ৰেম। সৎ চিৎ আৰু আনন্দ— এই তিনিবিধ আনন্দ শক্তিৰ মিশ্ৰিত অভিব্যক্তিয়ে হৈছে স্বয়ং শ্ৰীকৃষ্ণ। এইগৰাকী শক্তিয়ে আমাৰ সকলোৰে হৃদয়ত বাস কৰা নাৰায়ণী সত্তাৰ নাম। জীৱনৰ সকলো ভাল অনুভৱৰ স'তে এই সত্তাৰ সহবাস হোৱাৰ বাবে মৰতীয় পৰিৱেশত সৰগীত প্ৰেমৰ আজিও ইমান পয়োভৰ। জীৱনৰ ঘাত-প্ৰতিঘাত কণ্টকময় যাত্ৰাপথত সকলো সুন্দৰ, সুস্থ, সৰ্বোত্তম ক্ষণৰ স'তে কেতিয়াবা একেলগে কেতিয়াবা অকলশৰে অহা দুখ, বেদনা, বিষাদ, যন্ত্ৰণা, অস্থিৰতা, অসুস্থতা, কান্দোন, শংকা আদি অৱস্থাসমূহৰ ধামখুমিয়াত পৰি আমি শেষ আশ্ৰয় হিচাপে যাৰ শৰণাপন্ন হওঁ তেৱেঁ শ্ৰীকৃষ্ণ। 'কৃষ্ণ' শব্দৰো কৃষ ধাতুৰ অৰ্থ ভূমি বা বুনিয়াদ আৰু 'ণ' শব্দৰ অৰ্থ পৰমানন্দ কৃষ্ণৰ স্বৰূপেই হ'ল ভূমিৰ সৈতে পৰমানন্দৰ মিলন। সসীমৰ ৰূপ তৃষাৰ পৰা অসীমৰ অনন্তব্যাপ্তিলৈ ই এক প্ৰেমময় যাত্ৰা। এই প্ৰেমৰ নিবেদন উজ্জ্বল আৰু নিৰ্মল। 'ৰাস' পদটি ৰস শব্দৰ পৰা নিষ্পন্ন হৈছে। ৰস্যতে আস্বাদ্যতে অসৌ ইতি ৰসঃ। আস্বাদ বা আস্বাদন কৰা হয় বাবে ইয়াৰ নাম ৰস। এই ৰসেই হৈছে আনন্দ স্বৰূপ আৰু আনন্দই হৈছে পৰমাত্মা ভগৱান। উপনিষদত কোৱা হৈছে— 'আনন্দ' ব্ৰহ্মোতি ব্যজানাৎ'। বৃন্দাবনত কৃষ্ণৰূপী পৰমাত্মাই জীৱাত্মাৰ প্ৰতীক গোপীসৱৰ সৈতে যোগমায়াৰ বলেৰে কৰা ক্ৰীড়াত কোনো পাৰ্থিৱ কামনা-বাসনা নাই। আছে মাথোঁ নিৰ্মল, প্ৰেমানন্দৰ, অমৃতধাৰা। ৰাসলীলা মূলতঃ ইন্দ্ৰিয়াতীত, পূৰ্ণকাম ঈশ্বৰ কৃষ্ণৰ অপ্ৰাকৃত লীলা বিহাৰ। ৰাসলীলাৰ সময় আছিল দ্বাপৰৰ অন্তত আৰু কলিযুগৰ আদ্যত এই হেন সময়তে পূৰ্ণ চন্দ্ৰৰ অমল জ্যোৎস্নাৰে

https://howlycaasmahotsav.org/

বিধৌত শৰতৰ বিতোপন ৰাতি লক্ষ্মীদেৱীৰ কুমকুমে ৰঞ্জিত মুখপদ্মৰ শোভা অনুভৱ কৰি শ্ৰীকৃষ্ণৰ ৰাসলীলা কৰিবৰ মন গ'ল। মাজনিশা শ্ৰীকৃষ্ণৰ বংশীধ্বনি শুনি প্ৰেমাকুল গোপীসৱে বৃন্দাবনলৈ উধাতু খাই লৰৰি আহিল। পাহৰি গ'ল নিজ নৈতিক ভাৱনা আৰু পাহৰি গ'ল ঘৰ সংসাৰ পতিপ্ৰেম। যিখন বৃন্দাবনত শ্ৰীকৃষ্ণই ৰাসলীলা কৰি আৰু গৰু চৰাই প্ৰেম অমৃতৰ সুধাপান কৰিছিল। 'বৃন্দাবন' শব্দৰ অৰ্থ হ'ল— আনন্দৰ স্থান। (বৃন্দ মানে আনন্দ, 'অৱন'— স্থান) ব্ৰজধামৰ গোৱালীসৱক 'গোপী বোলা হৈছে। 'গোভি পিৱন্তি ইতি গোপী, ইয়াত 'গো' পদে বেদ আৰু বেদৰ ৰসামৃত পান কৰোঁতাসকল গোপী। ব্ৰহ্ম সংহিতাৰ মতে গোপীসকল আছিল শ্ৰীকৃষ্ণৰ মেদিনী শক্তিৰ প্ৰকাশ, অৰ্থাৎ কৃষ্ণৰ পৰা অভিন্ন। আনহাতে আনন্দতে কৰা হ'লেও ৰাসলীলা প্ৰকৃততে কামময়ী নহয়। এই লীলা বাস্তৱিকতে অপ্ৰাকৃত প্ৰেমময়ী লীলা। লৌকিক দৃষ্টিত এই ৰাসলীলাত কামভাৱৰ উল্লেখ থাকিলেও এই লীলাত এক গভীৰ আধ্যাত্মিক তাৎপৰ্য নিহিত হৈ আছে। প্ৰকৃততে ৰাসক্ৰীড়া হৈছে জীৱাত্মা আৰু পৰমাত্মাৰ এক নিবিড় সম্বন্ধ অৰ্থাৎ পৰমআত্মাৰ স্বৰূপ শ্ৰীকৃষ্ণ আৰু জীৱাত্মৰ স্বৰূপ গোপীসকলৰ মহামিলন। শ্ৰীকৃষ্ণই এক লীলাৰ মাজেদি তেওঁৰ বস্ত্ৰ হৰণ পৰ্বত শৰৎ কালৰ পূৰ্ণিমা তিথিত গোপীসকলৰ উদাসীন সমৰ্থন, প্ৰেম ভক্তিক প্ৰাৰ্থনাত সন্তুষ্ট হৈ তেওঁলোকৰ মনোৰথ পূৰণৰ প্ৰতিশ্ৰুতি দিছিল। ফৰিং ফুটা জোনাকত চন্দ্ৰাৱলী শৰৎকালৰ ৰাত্ৰি যমুনাৰ তীৰত শ্ৰীকৃষ্ণৰ মোহন বেণুৰ সুৰৰ ধ্বনিৰে যেতিয়া সমস্ত ব্ৰজবাসীক বিমুগ্ধ কৰি তুলিছিল তেতিয়া ব্ৰজবালাসকলে শ্ৰীকৃষ্ণৰ মোহন বংশীধ্বনিত আকৰ্ষিত হৈ গৃহকাৰ্য, পতি-পুত্ৰ সকলোকে এৰি কৃষ্ণৰ কাষলৈ লৰৰি কৃষ্ণক ভজিছিল আৰু কৃষ্ণৰ প্ৰেমত অতিকৈ গভীৰ হোৱা বাবে গোপীসকলৰ মাজত শ্ৰীকৃষ্ণৰ অস্তিত্ব স্বকীয়ভাৱে বিৰাজ কৰিছিল। শ্ৰীকৃষ্ণই গোপীসকলক সান্ত্বনা বচনৰে নিজ নিজ গৃহলৈ উভতি গৈ সংসাৰ ধৰ্ম পালনৰ পৰামৰ্শ দিয়াত গোপীসকল দুখত মৰ্মাহত হৈছিল। অন্তৰ্যামী শ্ৰীকৃষ্ণ ভগৱানে মায়া কৰি তেওঁলোকৰ মনত নৈৰাশ্যৰ ভাৱ জোগাই তুলিছিল। গোপীসকলৰ প্ৰেমভক্তি পৰীক্ষাৰ হেতু শ্ৰীকৃষ্ণক বিচাৰি আকুল হৈ তৰু-তৃণ, পশু সকলোকে কৃষ্ণৰ সন্ধান সুধি ঘূৰি ঘূৰি হতাশ আৰু বাউলী লৈ কান্দি কান্দি নিজৰ ভুল অনুভৱ কৰিছিল আৰু সমস্ত জীৱন শ্ৰীকৃষ্ণতে অৰ্পণ কৰিছিল। শ্ৰীকৃষ্ণই গোপীসকলৰ মনোবাঞ্ছা পূৰণৰ হেতু আগতে কৰা কামনা অনুযায়ী নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰি ৰাসলীলা কৰে।

https://howlyraasmahotsav.org/

মকৰা

কংকন তালুকদাৰ

সৌ মকৰাবোৰে জাল গুঁঠিছে
এডাল এডালকৈ টানি আছে সূতা

আমাৰ দৰে পতংগবোৰক জালত পেলাই
স্বাৰ্থ সিদ্ধিৰ বাবেই
সিহঁতে জাল গুঁঠে
সিহঁতৰ ঠেংবোৰৰ দৰে
সম্প্ৰসাৰিত সিহঁতৰ আকাংক্ষা
সিহঁতে ভাবি নাচায় এবাৰো

আমাৰ দৰে ক্ষুদ্ৰ পতংগবোৰৰ কথা
সেয়েহে আমি ক্ষুদ্ৰ পতংগবোৰে
এটি আন্দোলন কৰিব লাগে
স্বাৰ্থপৰ মকৰাবোৰৰ বিৰুদ্ধে
কিয়নো—
আমি ক্ষুদ্ৰ জীৱ হ'লেও
আমাৰো জীয়াই থকাৰ অধিকাৰ আছে
আমাৰো সপোন দেখাৰ অধিকাৰ আছে।

ভাৰতীয় সঙ্গীতত ‘ভক্তিগীত’

হিমাংশু কুমাৰ বৰুৱা

সঙ্গীত বুলিলে সাধাৰণতে গীত, বাদ্য আৰু নৃত্য এই তিনিওটাৰ সমষ্টিক বুজোৱা হয়। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাত ৰচিত সাৰংগদেৱৰ ‘সঙ্গীত ৰত্নাকৰ’ গ্ৰন্থত উল্লেখ থকা মতে ‘গীতং, বাদ্য তথা নৃত্যং ত্ৰয়ং সঙ্গীতম্ উচ্যতে’ অৰ্থাৎ গীত, বাদ্য আৰু নৃত্য এই তিনিওটাৰ সমষ্টিয়ে সংগীত। গীতৰ অধীন বাদ্য আৰু বাদ্যৰ অধীন নৃত্য।

আনহাতে নৃত্য হ'ল গীত আৰু বাদ্য দুয়োটাৰে অধীন। তদুপৰি গীত আকৌ সাহিত্যৰ অধীন। ভাৰতীয় সাহিত্যত সঙ্গীতৰ প্ৰাচীনত্বৰ কথা ক'বলৈ হ'লে বেদৰ মাজলৈ যাব লাগিব। বেদৰ মন্ত্ৰবিলাক ছন্দোবদ্ধ আৰু সংগীতধৰ্মী। বেদচতুষ্টয়ৰ ভিতৰত সামবেদখন অধিক সঙ্গীতধৰ্মী, লয়যুক্ত। উল্লেখ্য যে সামবেদতেই প্ৰথম সঙ্গীতৰ ‘সপ্তস্বৰ’ ৰ উল্লেখ পোৱা যায়। উক্ত সপ্তস্বৰেই সঙ্গীতৰ জাতি, গ্ৰাম, মূৰ্চ্ছনা আদিৰ উৎস। বেদৰ মন্ত্ৰ উচ্চাৰণৰ ক্ষেত্ৰত উদাত্ত, অনুদাত্ত আৰু স্বৰিত যি তিনিটা নিয়ম বন্ধা হৈছে তাৰ আধাৰতে সঙ্গীতৰ ত্ৰিসপ্তক যেনে মন্দ্ৰ, মধ্য আৰু তাঁৰ সপ্তক গঢ় লৈ উঠিছে বুলি পণ্ডিতসকলে কয়। আদিকাব্য ৰামায়ণখনিও প্ৰথম অৱস্থাত সংগীতধৰ্মী আছিল। আদিকবি বাল্মীকিয়ে ৰামায়ণৰ কথাবস্তু শিশুশিল্পী লৱকুশৰ জৰিয়তে গীত সঙ্গীতৰ মাধ্যমেৰে লোক সমাজত প্ৰচাৰ কৰিছিল।

ভাৰতবৰ্ষত ভক্তিমূলক গীতৰ প্ৰচলনৰ পূৰ্বে ভক্তিবাদৰ এটি ধাৰাই সমাজ জীৱনত গা কৰি উঠিছিল। সেয়েহে ভক্তিবাদক ভক্তিগীতৰ উৎস বুলি ক'ব পাৰি। বৈদিক সাহিত্যত দেৱ-দেৱতাৰ নানা স্তুতিৰ মাজত ভক্তিভাব নিহিত থাকিলেও সেইসমূহক প্ৰকৃতাৰ্থত ভক্তিগীত বুলি ক'ব নোৱাৰি। ভক্তি বুলিলে সাধাৰণতে মনলৈ আহে, শ্ৰদ্ধা সহকাৰে ভগৱন্তৰ ওচৰত শৰণ বা আত্মনিবেদন। বৈষ্ণৱ ধৰ্ম আৰু ভক্তিমাৰ্গ ওতঃপ্ৰোতভাৱে জড়িত যদিও শৈৱ, শাক্ত আদি পন্থাৰ লগতো ইয়াৰ মিল পৰিলক্ষিত হয়। সকলো ধৰ্মীয় সাহিত্যত ভক্তিমাৰ্গৰ প্ৰাধান্য সুস্পষ্ট। সময়ৰ লগে লগে সঙ্গীতৰ প্ৰকাশশৈলী পৰিৱৰ্তন হৈ আহিছে। ভক্তিমাৰ্গৰ লগতো সঙ্গীতৰ ব্যৱহাৰৰ ফলত একশ্ৰেণী ভক্তিমূলক গীতৰ সৃষ্টি হয়। স্তোত্ৰ, ভজন, বৰগীত আদি এই শ্ৰেণীৰ অন্তৰ্গত। এই গীতসমূহ আকাৰত সৰু অৰ্থবহ ৰাগযুক্ত আৰু আধ্যাত্মিক ভাবেৰে পৰিপুষ্ট। ভক্তিগীত আৰু ভজন দুয়োটা শব্দ ‘ভজ’ ধাতুৰ পৰা উৎপন্ন। ‘ভজ’ৰ অৰ্থ হ'ল শ্ৰদ্ধা নিবেদন, সেৱা, উপাসনা আদি। সেয়েহে ভক্তিমূলক গীত ‘ভজন’ আদিত ভগৱানৰ বন্দনাই প্ৰাধান্য লাভ কৰে। ভক্তিগীত বা ভজন আদিৰ ক্ৰমবিকাশৰ লগত ৰাজনৈতিক, সামাজিক আৰু ধৰ্মীয় দিশ জড়িত হৈ থাকে। ভাৰতবৰ্ষত ভক্তি আন্দোলন গা-কৰি উঠাৰ লগে লগে ভক্তিমূলক গীত-পদ আদিৰো বিকাশ হৈ আহিছে। উত্তৰ ভাৰতত ভক্তি আন্দোলনৰ গুৰি ধৰোঁতাসকলৰ ভিতৰত আছিল স্বামী ৰামানন্দ, কবিৰ দাস, গোস্বামী তুলসী দাস, গুৰুনানক, সুৰ দাস, মীৰাবাঈ, চৈতন্যদেৱ, শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে। এই বৈষ্ণৱ কবিসকলে গীত-পদ আদিৰ মাধ্যমেৰে জনমানসত ভক্তি-ধৰ্ম প্ৰচাৰৰ

https://howlyraasmahotsav.org/

বাবে অহোপুৰুষাৰ্থ কৰিছিল। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ শেষৰ ফালে স্বামী ৰামানন্দৰ আৱিৰ্ভাৱে উত্তৰ ভাৰতত ভক্তি আন্দোলনৰ উদ্ভৱ হৈছিল। এই সন্তগৰাকীয়ে শ্ৰীৰামচন্দ্ৰক ইষ্ট দেৱতা ৰূপে লৈ তেওঁৰ বন্দনা আৰম্ভ কৰিছিল। ৰামানন্দৰ মূলমন্ত্ৰ আছিল ‘ৰাম নাম’। এই নাম ধৰ্ম সকলো জাতিৰ বাবে মুকলি আছিল। স্বামী ৰামানন্দই সমাজৰ সকলো স্তৰৰ লোকক ভক্তিৰ ডোলেৰে বান্ধি হিন্দু জাতিক একগোট কৰি উচ্চ স্তৰলৈ নিয়াৰ প্ৰয়াস কৰিছিল। ৰামানন্দৰ প্ৰচাৰিত ৰামভক্তি কালক্ৰমত দুটা ভাগত বিভক্ত হয়। এটা নিৰ্গুণ আৰু আনটো সগুণ ধাৰা। নিৰ্গুণ ধাৰাৰ প্ৰচাৰক কবীৰ দাস আৰু সগুণ ধাৰাৰ প্ৰচাৰক তুলসী দাস। দুয়োজন সন্তই ৰামভক্তিৰ নিৰ্মল ধাৰা ভক্তি গীতৰ মাজেৰে প্ৰচাৰ কৰিছিল। তুলসী আৰু কবীৰ দুয়োজন হিন্দী সাহিত্যৰ মহান প্ৰচাৰক বুলি ক'ব পাৰি। শিখ ধৰ্মৰ প্ৰৱৰ্তক গুৰুনানক এজন বৰেণ্য সন্ত আছিল। ১৪৬৯ খৃষ্টাব্দত পঞ্জাবত নানকৰ জন্ম হয়। নানকে সাম্যমৈত্ৰীৰ কথাবিলাক গীত-পদৰ মাধ্যমেৰে প্ৰচাৰ কৰিছিল। নানকৰ গীতৰ ওপৰত বেদান্ত দৰ্শনৰ প্ৰভাৱ দেখা যায়। ব্ৰজ ভাষাত কৃষ্ণভক্তি প্ৰচাৰ কৰা কবিসকলৰ ভিতৰত আছিল সুৰদাস অন্যতম। ব্ৰজ ভাষাত ৰচিত সুৰ দাসৰ গীত-পদৰ সংগ্ৰহ ‘সুৰ সাগৰ’ হিন্দী সাহিত্যৰ এক অমূল্য সম্পদ। এই কবিজনাৰ ৰচনাৰ মাজত বাৎসল্য, সখ্য, মধুৰ, দাস্য আদি ভক্তিভাৱৰ প্ৰকাশ ঘটিছে। শ্ৰীকৃষ্ণৰ বাল্যলীলাৰ ওপৰত সুৰদাসৰ সূক্ষ্ম আৰু অন্তৰ্স্পৰ্শী বৰ্ণনা অতুলনীয়। কৃষ্ণভক্ত কবিসকলৰ ভিতৰত মীৰাবাঈৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ১৪৯৮ চনত জন্মগ্ৰহণ কৰা এই গৰাকী ৰাজৰাণী কবিৰ গীত-পদসমূহ মধ্যযুগীয়া গুজৰাটী সাহিত্যৰ অমূল্য সম্পদ। কৃষ্ণভক্তিত নিমগ্ন হোৱাত মীৰাবাঈয়ে ৰাজবৈভৱৰ হেৰুৱাব লগাত পৰিছিল। মীৰাৰ গীত-পদৰ মাজত মধুৰ আৰু দাস্যভক্তিৰ প্ৰকাশ বিদ্যমান। মীৰাবাঈ ধৰ্মপ্ৰচাৰক নাছিল যদিও কৃষ্ণপ্ৰেমত আপ্লুত হৈ গীত ৰচনা কৰিছিল। ভাৰতীয় ভক্তি গীতি সাহিত্যত মীৰাবাঈৰ ভজনে এক বিশেষ স্থান অধিকাৰ কৰি আছিছে। বৈষ্ণৱ তথা ভক্তি আন্দোলনৰ আন এজন পুৰোধা ব্যক্তি হৈছে বঙ্গদেশৰ চৈতন্যদেৱ। ১৪৮৫ চনত জন্মগ্ৰহণ কৰা এই সন্তজনে কৃষ্ণভক্তি প্ৰচাৰৰ উদ্দেশ্যে দলবদ্ধভাৱে গাব পৰাকৈ ‘সংকীৰ্তন'ৰ ব্যৱস্থা কৰিছিল। চৈতন্যদেৱৰ প্ৰচাৰিত সংকীৰ্তনৰ মূলমন্ত্ৰ হ'ল— “হৰে কৃষ্ণ হৰে কৃষ্ণ, কৃষ্ণ কৃষ্ণ হৰে হৰে, হৰে ৰাম হৰে ৰাম, ৰাম ৰাম হৰে হৰে”। ভাৰতৰ পূৰ্বপ্ৰান্ত তেতিয়াৰ কামৰূপত শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱধৰ্ম প্ৰচাৰৰ হকে গীত, বাদ্য, নৃত্য, নাটক আদিৰ সহায় লৈছিল। ১৪৪৯ চনত জন্মগ্ৰহণ কৰা এইজনা মহাপুৰুষ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক আছিল। প্ৰাক্ শংকৰী যুগতে অসমৰ বৈষ্ণৱ ধৰ্ম আৰু ভক্তিবাদৰ প্ৰচলন আছিল যদিও শংকৰদেৱে তাৰ কিছু সংস্কাৰ সাধন কৰি গীত, পদ, নাটক আদিৰ মাধ্যমেৰে ভক্তি আন্দোলন তীব্ৰতৰ কৰি জনমুখী কৰিছিল। এইক্ষেত্ৰত শংকৰদেৱৰ প্ৰধান সহায়ক আছিল তেওঁৰ শিষ্য মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ। উত্তৰ ভাৰতত যিসকল বৈষ্ণৱ কবিয়ে ভক্তিমূলক গীত ৰচনা কৰিছিল তাৰ ভিতৰত তুলনামূলকভাৱে শংকৰদেৱ আৰু মাধৱদেৱে আধ্যাত্মিক ভাৱযুক্ত, ভক্তিৰসযুক্ত, ৰাগ আধাৰিত, ধীৰ গম্ভীৰ তথা উদাত্ত কণ্ঠে গাব পৰা এক শ্ৰেণী ভক্তিমূলক গীত ৰচনা কৰিছিল, যাক পৰৱৰ্তী কালত ‘বৰগীত' নামেৰে নামকৰণ কৰা হয়। বৰগীতবোৰ উচ্চ, নৈতিক আৰু আধ্যাত্মিকভাৱে উন্নত ভাৱৰ ওপৰত প্ৰতিষ্ঠিত বাবে সেইসমূহক ‘বৰগীত' বোলা হয়। বৰগীতৰ মাজত শ্ৰীকৃষ্ণ বন্দনা, শ্ৰীকৃষ্ণৰ ৰূপ মাধুৰী, কৃষ্ণৰ ব্ৰহ্মত্ব, ভগৱানৰ সৰ্বব্যাপকতা, জীৱৰ ইন্দ্ৰিয়ত মন আৰু শৰীৰৰ প্ৰভাৱ, ৰাম নামৰ মহিমা, ভক্তি আৰু মুক্তিৰ স্বৰূপ, সাংসাৰিক তাপ, সুখ-দুখ, পৰমাৰ্থিক তত্ত্ব, কৃষ্ণলীলা, দাস্যভাৱ, স্নেহ, নৈতিক আদৰ্শ, দয়া, আত্মবুদ্ধি আদি অনেক বিষয় নিহিত হৈ আছে।

মুঠৰ ওপৰত ভাৱ, ভাষা আৰু প্ৰকাশভংগী পৃথক হ'লেও সন্তসকলৰ দ্বাৰা ৰচিত ভক্তিমূলত গীতসমূহৰ দ্বাৰা মানৱ মনত সুদূৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ইয়াৰ মাধ্যমেদি মানুহক ভোগবাদী জগতৰ পৰা সত্য, অহিংস, দয়া, স্নেহ, সমদৰ্শন আদি গুণৰ অধিকাৰী কৰি শ্ৰেষ্ঠ মানৱ সমাজ গঢ়াৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা পালন কৰি আহিছে।

https://howlyraasmahotsav.org/

আধুনিক জীৱন-যাত্ৰাত গীতাৰ প্ৰাসংগিকতা

ভুবনেশ্বৰ ডেকা

এনে এখন গ্ৰন্থ যিয়ে যুগে যুগে সমাজৰ বিভিন্ন বৰ্গৰ ব্যক্তিক একেলগে অনুপ্ৰেৰণা যোগাই শক্তি, ভক্তি আৰু মুক্তিৰ মন্ত্ৰেৰে অন্তৰাত্মা আলোড়িত কৰি তুলি বিশ্বৰ সকলোকে উদ্বুদ্ধ কৰিব পাৰে, তেনে গ্ৰন্থই নিৰৱচ্ছিন্নভাৱে জাতি-ধৰ্মৰ পৰিধি অতিক্ৰমি নিজৰ বিশ্বজনীনতাৰ কাৰণে বিশ্বৰ সকলোৰে বাবে এক অমূল্য সম্পদ স্বৰূপ হৈ পৰে আৰু এনে এখন যুগোত্তীৰ্ণ বিশ্ববন্দিত মহৎ গ্ৰন্থ হৈছে— গীতা, শ্ৰীমদ্‌ভাগৱত গীতা। গীতাৰ গৰিমাত মোহিত হৈ তাহানি মোগল যুগতে সম্ৰাট ছাহজাহানৰ জ্যেষ্ঠ পুত্ৰ শাহজাদা দাবা শিকোহেই ইয়াৰ গুণাণুকীৰ্ত্তন কৰি এই গীতাক 'স্বৰ্গীয় আনন্দৰ অফুৰন্ত উৎস' তথা 'চৰম সত্য উপলব্ধিৰ সুগম পথ' বুলি অভিহিত কৰিছিল। আধুনিক ইংৰাজী কবিতাৰ জনক স্বৰূপ টি. এচ. ইলিয়টে এই গ্ৰন্থক বিশ্বৰ দ্বিতীয়খন সৰ্বশ্ৰেষ্ঠ দাৰ্শনিক কাব্য গ্ৰন্থ বুলি অভিহিত কৰিছিল। বীৰ আলেকজেণ্ডাৰে মৃত্যুৰ আগে আগে গীতা পঢ়িবলৈ পোৱাটো পৰম ভাগ্যৰ কথা বুলি অনুভৱ কৰিছিল। শ্বহীদ ভগৎ সিং আৰু কুশল কোঁৱৰে গীতা বুকুত বান্ধিয়েই, দেশৰ বাবে প্ৰাণ বলি দিছিল। এনেকৈয়ে গীতাৰ অমৃত বাণীয়ে অকল ভাৰতবাসীৰে নহয়, বিশ্বৰ সকলো চিন্তাশীল লোকৰে অন্তৰ আলোড়িত তথা আলোকিত কৰিবলৈ সমৰ্থ হৈছে।

কুৰুক্ষেত্ৰ ৰণাঙ্গনত চলা অৰ্জুনৰ অন্তৰ্দ্বন্দৰ দৰে আজিৰ আধুনিক যুগৰ মানুহৰ মনোৰাজ্যতো অহৰহ অন্তৰ্দ্বন্দ্ব চলিয়েই আছে। বৰ্তমান বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত উন্নয়নে মানুহৰ ভোগবাদী প্ৰৱণতা বৃদ্ধি কৰি আধ্যাত্মিক উৎকৰ্ষতাৰ পথ অৱৰুদ্ধ কৰি পেলাইছে। মানৱীয় প্ৰমূল্যবোধৰ দ্ৰুত অৱক্ষয়ে সমাজ-জীৱনলৈ কঢ়িয়াই আনিছে মাথো অন্তহীন লোভ, নোপোৱাৰ ক্ষোভ আৰু অশান্তিৰ হাহাকাৰ। মানুহৰ মন আজি এশ শতাংশই অশান্ত। মানুহে আজি পাহৰি পেলাইছে জীৱনৰ লক্ষ্য-উদ্দেশ্য-ধৰ্ম-অৰ্থৰ কথা। ক্ষমতাৰ ৰাগীত মতলীয়া মানুহে পলুৰ দৰে বন্ধ কৰি পেলাব ধৰিছে নিজৰ উত্তৰণৰ পথ। অশান্তি, অনাচাৰ আৰু হাহাকাৰেৰে ভাৰাক্ৰান্ত হৈ পৰিছে আজিৰ পংকিল পৃথিৱী। সেয়ে সমাজত আজি প্ৰয়োজন হৈছে আত্মোপলব্ধি আৰু গীতাই হ'ল প্ৰকৃত আত্মোপলব্ধিৰ মূলাধাৰ। গীতাতে নিহিত হৈ আছে মানৱ জীৱনৰ কৰ্তব্যা কৰ্ত্তব্যৰ বিতং তথ্য। ভোগবাদৰ বলি হতাশগ্ৰস্ত মানুহৰ বাবে আজি গীতাৰ বাণীয়েই শান্তিৰ সঞ্জীৱনী। গীতাৰ মতে কৰ্মই ধৰ্ম। কৰ্ম অবিহনে পৃথিৱীত কোনো বৰ্তি থাকিব নোৱাৰে। কৰ্ম অবিহনে পৃথিৱীত যিকোনো ধৰ্মই অস্তিত্বহীন। সেয়ে গীতাত অৰ্জুনৰ জৰিয়তে মানৱ সমাজলৈ নিজৰ নিজৰ কৰ্ম কৰি যোৱাৰ বাবে ভগৱান শ্ৰীকৃষ্ণই আহ্বান জনাইছে এইদৰে—

'নিয়তং কুৰু কৰ্ম ত্বং' অৰ্থাৎ তোমাৰ নিৰ্ভাৰিত কৰ্ত্তব্য-কৰ্ম তুমি কৰি যোৱা। কৰ্ম নকৰি থকাতকৈ কৰ্ম কৰাতো বেছি ভাল। কৰ্ম বিনে তোমাৰ শৰীৰৰ কাৰ্য্য বিলাকো চলি থাকিব নোৱাৰিব অৰ্থাৎ তোমাৰ শৰীৰ ধাৰণ কৰি থকাটোৱেই সম্ভৱ নহ'ব। আকৌ কোৱা হৈছে যে— 'কৰ্মন্যে ৰাধিকাৰ স্তে মা ফলেসু কদাচন...।' অৰ্থাৎ

https://howlyraasmahotsav.org/

'যথাবিহিত কৰ্মসমূহ কৰি যোৱাৰহে তোমাৰ অধিকাৰ আছে। ফলৰ ওপৰত তোমাৰ অধিকাৰ কেতিয়াও নাথাকে। তুমি কেতিয়াও নিজকে তুমি কৰা কৰ্ম সমূহৰ ফলৰ কাৰণ বুলি নাভাবিবা আৰু কেতিয়াও তুমি তোমাৰ কৰ্তব্য নকৰাকৈ থকা অৱস্থাৰ প্ৰতি আসক্ত নহ'বা।'

কৰ্মৰ কোনো বিকল্প নাই। কৰ্ম বিমুখিতাই সেয়ে বৰ্তমানৰ অৱনতিৰ মূল। সেইবাবে আমি সকলোৱেই কৰ্মনিষ্ঠ হ'বই লাগিব। সিদ্ধি-অসিদ্ধিৰ প্ৰতি আসক্তি পৰিহাৰ কৰি অবিচলিত ভাৱে কৰ্ম সম্পাদন কৰি যাব লাগিব। সিদ্ধি অসিদ্ধিৰ প্ৰতি সমভাৱাপন্ন হ'ব পৰাটোকে গীতাত 'যোগ' বুলি কোৱা হৈছে। বৰ্তমানৰ ক্ষয়িষ্ণু ভোগবাদী পৰম্পৰাই মানুহক কেতিয়াও সুখী কৰিব নোৱাৰে। মানুহ সুখী হ'বলৈ হ'লে যোগী (কৰ্মযোগী) আৰু ত্যাগী হ'বই লাগিব, কিয়নো শান্তি লাভ কৰিব পাৰি ত্যাগৰ জৰিয়তেহে, ভোগৰ জৰিয়তে নহয়। কিয়নো 'ত্যাগাৎ শান্তি নিবন্তৰম্।' গীতাত ইয়াকে এনেকৈ কৈছে- 'যিলোকে কামনা-বাসনা পৰিত্যাগ কৰি জীৱন নিৰ্বাহ কৰে, যিজনে নিজকে কোনো বস্তুৰ গৰাকী বুলি কেতিয়াও নাভাবে বা যাৰ একোৰে প্ৰতি মমতা নাই আৰু যাৰ মিছা অহংকাৰ নাই- তেৰেই কেৱল শান্তি লাভ কৰিব পাৰে।'

ভোগবাদী জীৱন-চৰ্চা আৰু অপসংস্কৃতিৰ ধামখুমীয়াত হিতাহিত জ্ঞান হেৰুৱাই মানুহ আজি পশুতকৈও হীন হৈ পৰিছে। সেইবাবে আমাৰ জীৱনৰ প্ৰতি খোজতে গীতাৰ শিক্ষা আৰু আদৰ্শ অপৰিহাৰ্য্য হৈ পৰিছে। গীতা-গংগাৰ পবিত্ৰ জলেৰে জীৱনৰ সমস্ত পংকিলতা ধুই নিকা কৰিব পাৰিলেহে আমি জীৱনৰ সাৰ্থকতা বিচাৰি পাব পাৰিম। মানুহৰ মনেই হৈছে শান্তি অশান্তিৰ মূল। মনৰ ভিতৰতে থাকে সুৰাসুৰ। গীতাৰ উপদেশ মতেও মানুহৰ মনৰ মাজতে বন্ধু আৰু শত্ৰু সোমাই থাকে। নিজক নিয়ন্ত্ৰণ কৰিব পৰা মানুহজন নিজেই নিজৰ বন্ধু আৰু নোৱাৰাজন শত্ৰু।

মানুহৰ মনো ৰাজ্যতো আজি অন্য এক 'কুৰুক্ষেত্ৰ'ৰ সৃষ্টি হৈছে। মানুহৰ মনোৰাজ্যৰ এই অঘোষিত, অবিৰত যুঁজৰ পৰিসমাপ্তি ঘটাই অস্থিৰ মনক সুস্থিৰ কৰাৰ প্ৰয়াস গীতাৰ ছত্ৰে ছত্ৰে বিদ্যমান। তাহানিৰ কুৰুক্ষেত্ৰৰ সেই কিংকৰ্তব্য বিমূৰ্ত অৰ্জুনৰ দৰে আজিৰ মানুহো বিমূৰ্ত-বিচলিত। মানুহৰ মানসিক অশান্তিয়ে আজি ঘৃণা, সংশয়, সন্দেহ আদিৰ সৃষ্টি কৰি মানুহৰ মনোজগত অধিক জটিল কৰি তুলিছে। ফলত মানুহৰ এক বুজন সংখ্যকে মানসিক ভাৰসাম্য হেৰুৱাই বিকাৰগ্ৰস্ত হৈ পৰিছে নতুবা আন এক বুজন সংখ্যক লোক অত্যধিক নিচাসক্ত হৈ পৰি পৰিয়াল পৰিজন তথা সমাজ জীৱনৰ প্ৰতি এক ভয়ংকৰ ভাবুকিৰ সৃষ্টি কৰি দেশৰ দুৰ্দিন মাতি আনিছে। 'গীতা'ৰ সামগ্ৰিকতাক মাত্ৰ এখন ধৰ্মগ্ৰন্থৰ পৰিসীমাৰে কাহানিও পৰিসীমিত কৰিব নোৱাৰি। ইয়াত মানুহৰ মানসিক, আৰ্থিক, ৰাজনৈতিক, সামাজিক দায়িত্ব বোধকে ধৰি সমাজ জীৱনৰ বিভিন্ন দিশ সংপৃক্ত হৈ আছে। সেয়ে সমাজ জীৱনলৈ শান্তি-সমৃদ্ধি ঘূৰাই আনিবলৈ আজি গীতাৰ শিকনি তথা আদৰ্শৰ প্ৰচাৰ আৰু প্ৰসাৰতাৰ অতীৱ প্ৰয়োজন হৈ পৰিছে। গীতা যুগে যুগে জীৱন-যাত্ৰাৰ সাৰথি। আধুনিক জীৱন-যাত্ৰাত ইয়াৰ প্ৰাসংগিকতা তৰ্কাতীত। গীতাতে নিহিত হৈ আছে জীৱনৰ গূঢ়াৰ্থ আৰু জীৱন কেন্দ্ৰিক সমস্ত প্ৰশ্নৰ যথাৰ্থ উত্তৰ। সঁচাকৈয়ে গীতা জীৱনৰ কবিতা।

https://howlyraasmahotsav.org/

ঐতিহ্যমণ্ডিত হাউলী ৰাসৰ পুৰণি কথাবোৰ

অসীম দাস

১৬ শতিকাৰ পৰা ১৯ শতিকাৰ আগভাগলৈ বিভিন্ন ঐতিহাসিক পৰিঘটনাৰ সাক্ষী বৃহত্তৰ হাউলী অঞ্চল। ৰজা নৰনাৰায়ণে ১৫৬৩ খ্ৰীষ্টাব্দত স্থাপন কৰা চাৰিখন নগৰৰ অন্যতম নৰনগৰত চণ্ডীনাৰায়ণ বৰুৱাই ৰাজহাউলি কৰি বৰনগৰৰ ৰাজধানী পাতিছিল। মানৰ তৃতীয় আক্ৰমণত সামন্ত ৰজা চণ্ডীনাৰায়ণ বৰুৱাৰ টোলসহ হাউলীৰ সমগ্ৰ অঞ্চলটো ধ্বংস হোৱাৰ পিছত ১৮২৩ খ্ৰীঃ ৰ পৰা ১৮৯৭ খ্ৰীঃ ৰ বৰভুঁইকঁপ হোৱাৰ মাজৰ সময়ছোৱাক হাউলী অঞ্চলৰ 'অন্ধকাৰ যুগ' বুলি বহুতো ইতিহাসবিদে অভিহিত কৰিব খোজে। অৱশ্যে বিভিন্ন ঘটনাৱলীৰ তথ্যৰ পৰা এইটো কব পৰা যায় বৰভুঁইকঁপৰ পূৰ্বেও এই অঞ্চলত পাতলকৈ হ'লেও মানুহৰ বসতি আছিল। তথাপি এইটো স্বীকাৰ কৰিবই লাগিব যে মানৰ শেষ আক্ৰমণে হাউলীৰ অতীতৰ সমস্ত ঐতিহ্য ধূলিস্যাৎ কৰি দিছিল আৰু তাৰ পাছত এই অঞ্চলটো ঠন ধৰি উঠিবলৈ কিছুসময়ৰ প্ৰয়োজন হৈছিল। ১৮৯৭ চনৰ বৰভুঁইকঁপৰ পিছত এই অঞ্চলটোৰ গাঁও ভুঁইবোৰৰ ভৌগলিক পৰিগাঁথনিৰ সালসলনি হ'বলৈ ধৰে।

কোনো এখন ঠাইৰ সমাজ জীৱনৰ আৰম্ভণিৰ কথা সেই ঠাইৰ সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ স্থাপনকালে প্ৰতিফলিত কৰে। ১৮৯৭ চনৰ আগতে বৃহত্তৰ হাউলী অঞ্চলত স্থাপন হোৱা ধৰ্মীয় প্ৰতিষ্ঠানৰ ভিতৰত আছিল— ঘিলাঝাৰী সত্ৰ (১৫৫৬ খ্ৰীঃ), কালঝাৰ সত্ৰ (১৫৮৯ খ্ৰীঃ), গুৱাগাছা সত্ৰ (১৫৯৯ খ্ৰীঃ), পৰাভঁৰাল সত্ৰ (১৭ শতিকাৰ আৰম্ভণিত), হাউলী গাঁৱৰ ৰাখাল গোসাঁইৰ থান (১৮৮১ খ্ৰীঃ)। নমাটিত মুকুন্দদেৱে স্থাপন কৰা নমাটি সত্ৰ (১৬৭৯ খ্ৰীঃ) আৰু বাঘবৰৰ কাষত অৱস্থিত দলাগাঁৱত শ্ৰী শ্ৰী নাৰায়ণ দাস ঠাকুৰ আতাই স্থাপন কৰা দলাগাঁও সত্ৰ (১৫৯০ খ্ৰীঃ) প্ৰাকৃতিক বিপৰ্যয়ৰ কাৰণে ১৮৯৭ চনত হাউলীত স্থাপন কৰা হৈছিল।

উৎসৱৰ যোগেদি আমি মিলাপ্ৰীতি আৰু বন্ধুত্বভাৱ গঢ়িব পাৰোঁ। উৎসৱ পালনৰ যোগেদি সমাজত চলি অহা সংস্কৃতি ৰক্ষা কৰিব পৰা যায়। ১৯২৮ চনৰ আগলৈকে বৃহত্তৰ হাউলী অঞ্চলক সামৰি সামাজিকভাৱে প্ৰভাৱ পেলাব পৰা ৰাজহুৱা উৎসৱ নাছিল বুলিয়েই ক'ব পাৰি। হাউলীৰ আশে-পাশে থকা বিভিন্ন উৎসৱ-পাৰ্বন আদিৰ দ্বাৰা অনুপ্ৰাণিত হৈ সেই সময়ৰ হাউলীৰ কিছুমান চিন্তাশীল ব্যক্তিয়ে সমাজত একতাৰ ভাৱ গঢ়ি তোলাৰ উদ্দেশ্যেৰে বৃহত্তৰ হাউলী অঞ্চলৰ ৰাইজক সামৰি এক উৎসৱ আয়োজনৰ চিন্তা-চৰ্চা আৰম্ভ কৰে। বৃটিছ শাসনকালৰ কথা। ১৯২৫ চনত সৰুপেটাত দুৰ্গাপূজা আৰম্ভ হৈছিল। সৰুপেটাত বৰ উলহ-মালহেৰে দুৰ্গোৎসৱ পালন কৰা হৈছিল। হাউলী অঞ্চলৰ পৰা ঐতিহাসিক গোহাঁইকমল আলিয়েদি বহুতো লোকে এই উৎসৱ চাবলৈ গৈছিল। ১৯২৭ চনত সৰুপেটাৰ দুৰ্গাপূজা সমিতিৰ লগত কিবা মনোমালিন্য হৈ কোচবিহাৰৰ যাত্ৰাদল এটা নতুনকৈ নিৰ্মাণ হোৱা ৰে'ল বাটেৰে আহি হাউলী পায়হি। দলটোৱে হাউলীত কোচবিহাৰৰ আৰ্হিত 'ৰাস উৎসৱ' আয়োজনৰ দিহা আগবঢ়ায় আৰু যথাসম্ভৱ সহায়-সহযোগিতাৰ

https://howlyraasmahotsav.org/

আশ্বাস প্ৰদান কৰে। হাউলীৰ সেই সময়ৰ এদল যুৱকে উদ্যোগ লৈ জ্যেষ্ঠসকলৰ মত লৈ হাউলীত ৰাস উৎসৱ পালন কৰিবলৈ থিৰাং কৰিলে। বৃহত্তৰ হাউলী আঞ্চলৰ ১৮ খন গাঁও— মৈৰামাৰা, হাউলীগাঁও, পৰাভঁৰাল, দলাগাঁও, জলজলী গাঁও, খাটালপাৰা, মাজৰগাঁও, হাতিজানা, গণকপাৰা, মাদুলীঝাৰ, মৌটুপুৰী, বেন্নীবাৰী, ৰংদিয়া, হেলনাৰ পাম, কৰৈগুৰী বুনমাজা, হালাপাকুৰী, কালঝাৰ আৰু আমবাৰীকে ধৰি হাউলী বজাৰ অঞ্চলক সামৰি সৰ্বসন্মতিক্ৰমে হাউলীত ৰাস উৎসৱ পালনৰ সিদ্ধান্ত লোৱা হয়। প্ৰথম ৰাস উৎসৱ পৰিচালনা সমিতিৰ সভাপতি আছিল ঁবিশ্বনাথ দাস আৰু সম্পাদকদ্বয় আছিল ক্ৰমে ঁগৰ্জন চন্দ্ৰ সৰকাৰ আৰু ঁযোগেশ চন্দ্ৰ দাস। এই উৎসৱটি সঠিকভাৱে পৰিচালনা কৰিবলৈ ওপৰত উল্লিখিত গাঁওসমূহৰ নেতৃস্থানীয় লোকসকলক লৈ ৰাস উৎসৱ পৰিচালনা সমিতি গঠন কৰা হয়।

ভগৱান শ্ৰীকৃষ্ণই গোপিনীসকলৰ লগত বৃন্দাবনত আজিৰে পৰা প্ৰায় ৫০০০ তকৈ অধিক বছৰ আগতে ৰাসক্ৰীড়া কৰিছিল বুলি জনা যায়। ভাৰতৰ বিভিন্ন প্ৰান্তত ইতিহাসে ঢুকি নোপোৱা দিনৰ পৰাই ৰাসোৎসৱ উদ্‌যাপিত হৈ আহিছে। ভাৰত বিখ্যাত কোচবিহাৰ ৰাসমেলা ১৮৯০ চনমানৰে পৰা কোচবিহাৰৰ আনন্দময়ী ধৰ্মশালা চৌহদক কেন্দ্ৰ কৰি পতা হৈছিল। কোচবিহাৰৰ ৰাসমেলাত স্থানীয় মৃত শিল্পীসকলে শ্ৰীকৃষ্ণৰ লীলাসমূহ মৃন্ময় ৰূপত প্ৰকাশ কৰি আহিছে। কোচবিহাৰ ৰাসোৎসৱৰ এই সকলো দৃশ্যৰাজি হাউলী ৰাস উৎসৱৰ প্ৰথম উদ্যোক্তাসকলে কোচবিহাৰলৈ গৈ চাই আহিছিল। হাউলীৰ ৰাস উৎসৱো কোচবিহাৰৰ ৰাসৰ আৰ্হিতে পতা হৈছিল। সেইবাবে বৰ্তমানেও হাউলী ৰাসোৎসৱত মৃন্ময় মূৰ্তিৰ দ্বাৰা ভগৱান শ্ৰীকৃষ্ণৰ লীলাসমূহ প্ৰদৰ্শন কৰাৰ পৰম্পৰা আছে।

হাউলীত ৰাজহুৱাকৈ ৰাস উৎসৱ আৰম্ভণি হোৱাৰ আগতেও হাউলীৰ মৈৰামাৰা গাঁওত ৰাস পূজা বৈদিক পৰম্পৰাৰে কৰা হৈছিল। হাউলী অঞ্চলৰ গৌৰৱ, অভয়াপুৰী ৰজাৰ দ্বাৰ পণ্ডিত তথা শিমলুগুৰিৰ অধ্যাপক ৰূপে খ্যাত সংস্কৃত পণ্ডিত মহিৰাম ভট্টাচাৰ্যৰ পুত্ৰ বিদ্যাবাগীশ আদ্যনাথ ভট্টাচাৰ্যৰ ঘৰত নিজাববীয়াকৈ ৰাসপূজা কৰা হৈছিল। সংস্কৃত পণ্ডিত আদ্যনাথ ভট্টাচাৰ্যৰ মহামন্ত্ৰেৰে ১৯২৭ চনত হাউলীৰ প্ৰথমখন দুৰ্গাপূজা হাউলী মধ্যবজাৰত আৰম্ভ হৈছিল। ১৯২৮ চনৰ ৰাস পূৰ্ণিমা তিথিত হাউলীত ৰাস উৎসৱ ৰাজহুৱাকৈ অনুষ্ঠিত হোৱাত এই পৰিয়ালটোৱে ৰাইজৰ লগত সহযোগ কৰিছিল।

হাউলীৰ মাজেৰে বৈ যোৱা ঐতিহাসিক মানাহ নদীৰ পাৰত, বৰ্তমান হাউলী হাটখোলাৰ বাঁহৰ বজাৰত থকা এজোপা তেলিকদমৰ তলত ৰাসোৎসৱৰ স্থান নিৰ্ধাৰণ কৰা হয়। হাউলীৰ গাঁওসমূহৰ প্ৰতিঘৰ মানুহৰ পৰা ৰাসোৎসৱৰ বাবে এক টকা, একোডাল বাঁহ আৰু একসেৰকৈ চাউল বৰঙণি হিচাপে তোলা হ'ল। বৰঙণি দিয়াটো এক প্ৰকাৰ নিয়ম হৈ পৰিল। হাউলীবাসী ৰাইজে মুক্তমনে দান-বৰঙণি আগবঢ়ালে। তিনিদিনীয়াকৈ পাতিব ওলোৱা ৰাস উৎসৱৰ প্ৰতি ৰাইজৰ এনে আগ্ৰহে আয়োজকসকলক উৎসাহিত কৰি তুলিছিল। ৰাসোৎসৱৰ প্ৰতি হাউলীবাসীৰ এনে সামাজিক দায়বদ্ধতা আজিও পৰিলক্ষিত হৈ আছে। প্ৰথম অৱস্থাত ৰাসথলীত কোনো ধৰণৰ স্থায়ী ছামিয়ানা নাছিল। প্ৰতিবছৰে ৰাসৰ আগে আগে ছামিয়ানাবোৰ তৈয়াৰ কৰা হৈছিল। মূলভেটিৰ চাৰিওফালে ছামিয়না সাজিবৰ বাবে হাউলী অঞ্চলৰ গাঁওসমূহক দায়িত্ব ভগাই দিয়া হৈছিল। গহেখান্দা (পৰাভঁৰাল, হাতিজানা) আৰু খাটালপাৰা গাঁওবাসীয়ে উত্তৰ দিশৰ ছামিয়না সজাৰ দায়িত্ব গ্ৰহণ কৰিছিল। পূব দিশৰ হাউলীগাঁও আৰু হেলনাৰ পামবাসীয়ে কৰিছিল। দক্ষিণৰ ছামিয়ানা সাজিছিল মৈৰামাৰা আৰু দলাগাঁও ৰাইজে। হালাপাকুৰী আৰু মৌটুপুৰী গাঁৱৰ লোকসকলে পশ্চিম দিশৰ ছামিয়ানা সাজিছিল। ছামিয়ানাবোৰ ভীমকলগছৰ খুঁটা, বাঁহ, তৰাগছ আৰু কলপাতেৰে সজা হৈছিল। তৰাগছেৰে ভৰি থকা বৰ্তমানৰ পাঠকহাটী অঞ্চলৰ পৰা তৰাগছবোৰ অনা হৈছিল। তেলিকদমৰ তলৰ মাটিৰ ওখ এটা ভেটিত এযোৰ ৰাধা-কৃষ্ণৰ মূৰ্তি স্থাপন কৰি ১৯২৮ চনৰ ৰাসপূৰ্ণিমা তিথিৰ পৱিত্ৰ দিনত হাউলী ৰাস উৎসৱৰ পাতনি মেলা হ'ল। সিদিনা হাউলীৰ কেউদিশে মাথোঁ আনন্দৰ ৰোল! হাউলী অঞ্চলৰ সকলো গাঁৱৰ ডেকা-বুঢ়া, ল'ৰা-ছোৱালী, পুৰুষ-মহিলাই নাম কীৰ্তন কৰি ৰাসথলী ভৰি পৰিছিল।

প্ৰথম দিনটোত উপস্থিত পুৰুষসকলে এনেদৰে গাইছিল—

https://howlyraasmahotsav.org/

"জয় হৰি গোবিন্দ নাৰায়ণ
ৰাম কেশৱ হৰি ৰাম ৰাম কেশৱ হৰি"
"কৃষ্ণই বাঁহী বজায় ক'ত তেলিকদমত
গো ধেনু চাৰে কৃষ্ণই বৃন্দাবনত"
আহা সখি নামত যাওঁ এ হে
ঘৰৰ মায়া এৰি
ও সখি কেনকে সখি নামত যাওঁ পাপে আছে বেৰি হে
আহা সখি নামত যাওঁ এ।

ৰাস উৎসৱত বিষ্ণুপূজা কৰা এক পৰম্পৰা আছিল সেৱা কৰিলে ভক্তৰ কপালত চন্দনৰ ফোঁট দিয়া হৈছিল। আজিৰ তুলনাত ৰাস চাব অহা মানুহৰ সংখ্যা অতি কম আছিল। ৰাসথলীৰ ওচৰত কেৱল এখন বা দুখন মিঠাইৰ দোকান বহিছিল। ৰাসলৈ আহি ৰাধা-কৃষ্ণৰ প্ৰতিমাযোৰ চায়েই লোকসকলে আনন্দ লভিছিল।

গিৰিম্ গিৰিম্ মাটি কঁপি উঠাৰ ঢোলৰ শব্দ দূৰ গাঁওবোৰলৈকে শুনিব পোৱা এই ঢোলৰ শব্দই হাউলী ৰাসত ঢুলীয়া দলৰ উপস্থিতিৰ বতৰা দিছিল। পালোৱান ভুঁইকুমুৰা আৰু বীৰহুৰ বৰঢোলৰ শব্দ শুনি চাৰি-পাঁচ মাইল দূৰৰ পৰা দলাগাঁও, মৈৰামাৰা, হাউলীগাঁও, পৰাভঁৰাল, জলজলী, খাটালপাৰা, মাজৰগাঁও, হালাপাকুৰী, মৌটুপুৰী আদি গাঁৱৰ ৰাইজে ৰাসলৈ অহাৰ যো-জা কৰিছিল। নলবাৰী অঞ্চলৰ বিখ্যাত কামৰূপী ঢুলীয়া দল যেনে — কৈহাটি, অগ্নিশালা, জোৰাৰ্দি আদি ঢুলীয়াৰ দলবোৰ হাউলী ৰাসৰ প্ৰধান অংগ আছিল। ডাঙৰ ঢুলীয়াৰ প্ৰধানজন পালোৱানৰ দৰে, ক'লা-ৰঙা ছেগুো গেঞ্জী, দুয়োহাতৰ বাহুত ৰঙা ফিটাৰে মেৰিওৱা, কান্ধলৈ অহা দীঘল কেঁকোৰা চুলি, কান্ধত ছয়-সাতজনকৈ মানুহ উঠাই চাৰ্কাছ কৰি দৰ্শকক চমক খুৱাইছিল। ঢোল বজোৱাৰ পিছত নানাধৰণৰ খুহুতীয়া কথাৰে ভাওনা আৰম্ভ কৰিছিল। বিখ্যাত মোহন ভাওৰীয়া আৰু নিতোতী ভাওৰীয়াৰ ভাও চাবলৈ শ শ দৰ্শকৰ উপস্থিতিৰে ৰাসমণ্ডপ গুঞ্জৰিত হৈ উঠিছিল। মোহন ভাওৰীয়াক দেখিলে কোনো মানুহেই নহঁহাকৈ থাকিব নোৱাৰিছিল। ঢুলীয়াৰ ভাওৰ লগতে যাত্ৰাগান (খোলাগান) হাউলী ৰাস উৎসৱৰ প্ৰধান উৎস আছিল। পাঠশালা, বামাখাটা, টিহু, মুগকুছি, বৰনগৰ, চকীশাল, পিপলিবাৰী, মৰোৱা আদি বিভিন্ন অঞ্চলৰ পৰা যাত্ৰাগান পাৰ্টি হাউলী ৰাসলৈ আমন্ত্ৰণ কৰা হৈছিল। ইয়াৰ উপৰি হাউলী ৰাসোৎসৱৰ কাৰ্যসূচীত নাম-কীৰ্তন, ভাগৱত পাঠ, ধৰ্মালোচনা সভা, ওজাপালি, কবিগান আদি অপৰিহাৰ্য অংগ আছিল। ৰাস উৎসৱত হাউলীৰ গাঁও কিছুমানৰ বীৰনামদলে বীৰনাম পৰিৱেশন কৰিছিল। ৰাসৰ শেষৰ দিনটোত হাউলী অঞ্চলৰ সকলো গাঁৱৰ মহিলাসকলে নাম প্ৰসংগ কৰিবলৈ অহা এক পৰম্পৰা আছে।

ওজাপালিত এজন ওজাই ৰামায়ণ, মহাভাৰত বা কোনোৱা উপাখ্যানৰ আঁত ধৰিছিল আৰু তেখেতৰ পিছফালে থকা পালিকেইজনে এখন হাতত সৰু সৰু গধুৰ তাল বজাই নাচি-বাগি এক বিশেষ সুৰ লগাই দীঘল জাপ মাৰি গানবোৰ গাবলৈ ধৰে। ওজাজনে কাহিনীবোৰ ব্যাখ্যা কৰিছিল। পালিবোৰৰ মাজৰ পৰা কোনোবা এজনে কিছুমান খুহুতীয়া কথা অৱতাৰণা কৰি মঞ্চ ৰসাল কৰি তুলিছিল। ৰাসৰ কাৰ্যসূচীৰ প্ৰথম দুদিন আমন্ত্ৰিত নাট্যগোষ্ঠীৰ দ্বাৰা নাট পৰিৱেশন কৰা হৈছিল। এদিন হাউলী অঞ্চলৰ বিভিন্ন যাত্ৰাদলসমূহে ওৰে ৰাতি যাত্ৰাভিনয় কৰিছিল। ৰাসৰ বাবে বৰঙণি হিচাপে তোলা চাউলবোৰেৰে আমন্ত্ৰিত নাট্যগোষ্ঠী, ওজাপালি আদি দলক আতিথ্য প্ৰদান কৰা হৈছিল। হাউলী ৰাস উৎসৱক উপলক্ষ কৰিয়েই এক প্ৰতিযোগিতামূলক মনোভাৱেৰে হাউলী অঞ্চলৰ কেইবাটাও যাত্ৰাদল গঢ় লৈ উঠিছিল। তাৰ ভিতৰত মৈৰামাৰা চতুৰ্ভুজ অ'পেৰা, হাউলী গাঁও যাত্ৰাগান দল, পৰাভঁৰাল মিলন অ'পেৰা, হালাপাকুৰী নাট্য দল, খাটালপাৰা নাট্যদল, হাউলী বজাৰ অ'পেৰা, ৰূপকোঁৱৰ শিল্পী সমাজ আদি। আগৰ যাত্ৰাগানত ছোৱালী নাছিল, ছোৱালীৰ চৰিত্ৰবোৰ ল'ৰাই কৰিব লাগিছিল। ১৯৫২ চনত স্থাপন হোৱা হাউলী নাট্যসংঘ হাউলী ৰাসৰ সাংস্কৃতিক দিশৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। নাট্যদলসমূহে মূলতঃ ভক্ত প্ৰহ্লাদ, হৰিহৰৰ যুদ্ধ আদিৰ দৰে ধৰ্ম সম্বন্ধীয় নাটক মঞ্চস্থ কৰিছিল।

মানুহে এই অনুষ্ঠানবোৰ বহি চাবলৈ চকী নাছিল। বহিবলৈ মাটিত খেৰ পাৰি দিয়া হৈছিল। কিছুমানে তাৰ ওপৰত পাৰিবলৈ তলপাৰা, বস্তা আদি ঘৰৰ পৰা লৈ আহিছিল। বিশেষকৈ মহিলা আৰু শিশুসকলে শাৰী-শাৰীকৈ ৰাখি থোৱা গৰুগাড়ী, ম'হগাড়ী আদিত বহি অনুষ্ঠানবোৰ উপভোগ কৰিছিল। যাত্ৰাগান চাবলৈ

https://howlyraasmahotsav.org/

অহা এনে গাড়ী ৪০০-৫০০ খন পর্যন্ত হৈছিল। পুৰণি দিনবোৰত বিজুলীবাতিৰ প্ৰচলন নাছিল। ১৯৭৭ চনৰ পৰাহে হাউলীত বিদ্যুৎ যোগান আৰম্ভ হৈছিল। সেই সময়ত মঞ্চৰ চাৰিওফালে চাৰিটা পেট্ৰ'মাক্স লাইট জ্বলাই লোৰ শিকলিৰে ওলোমাই ৰখা হৈছিল। তিনি-চাৰিঘণ্টাৰ মূৰে মূৰে লেম্পবোৰ তললৈ নমাই আনি নতুনকৈ পাম্প দি পুনৰ ওলোমাই দিয়া হৈছিল। প্ৰচণ্ড জাৰত ৰাস চাবলৈ সেই সময়ত মহিলাসকলে চাদৰ-মেখেলা, এৰী কাপোৰ আৰু পুৰুষসকলে ধূতি-পায়জামাৰ লগত এৰী চাদৰ উৰি আহিছিল।

এনেদৰে ৰাস উৎসৱৰ তিনিওটা দিনত ছামিয়ানাৰ তলত বিভিন্ন কাৰ্যসূচী উপভোগ কৰি হাউলীবাসী আপোন-পাহৰা হৈ থাকিছিল। এবাৰ এক অঘটন ঘটিছিল। ভীমকলৰ খুঁটিৰে সজা ছামিয়ানাখন যাত্ৰাগান চলি থকা সময়তে হঠাৎ ভাগি পৰে। হঠাৎ এনেদৰে ছামিয়ানাখন ভাগি পৰাত দৰ্শকৰ মাজত হুৱাদুৱা লাগিছিল। উদ্যাপন সমিতিয়ে এনেকুৱা ঘটনা পুনৰ নঘটিবলৈ পৰৱৰ্তী ৰাসত ভীমকলৰ খুঁটিৰ সলনি মজবুত ভলুকা বাঁহৰ খুঁটি ব্যৱহাৰ কৰাৰ সিদ্ধান্ত লৈছিল।

ৰাস উৎসৱৰ প্ৰথম দিনটোত সন্ধিয়া প্ৰদৰ্শন কৰা আতচবাজীয়ে শ শ দৰ্শকক আকৰ্ষিত কৰাৰ লগতে সুবিমল আনন্দ প্ৰদান কৰিছিল। প্ৰথম অৱস্থাত হাউলী ৰাসত বৰপেটাৰ কলা-কুশলীক মাতি আনি আতচবাজী প্ৰদৰ্শন কৰা হৈছিল। পিছলৈ হাউলীৰ স্থানীয় লোকৰ দ্বাৰাও আতচবাজী প্ৰদৰ্শন কৰা হ'ল। সময় বাগৰিল। ১৯৫৪-৫৫ চনত হাউলী অঞ্চলৰ মাজেৰে ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্য আৰম্ভ হয়। পুৰণি হাটখোলাৰ মাজেৰে ৰাষ্ট্ৰীয় ঘাইপথটো নিৰ্মাণ কৰিব লগা হোৱাত ৰাস মন্দিৰৰ ভেটিৰ স্থান সলনি কৰিবলগীয়া হ'ল। হাউলী ৰাসৰ সেই পুৰণি জন্ম কথাৰ স্মৃতিজড়িত তেলিকদম গছজোপা নোহোৱা হোৱাত সকলোকে বৰকৈ দুখ দিছিল। পিছে সময় ৰৈ নাথাকে। গতিশীল সময়লৈ আহে পৰিৱৰ্তন। এই পৰিৱৰ্তনশীল সময়ৰ লগত চলি যাবৰ বাবে পুৰণি ৰাস মন্দিৰৰ ভেটিৰ স্থান পূবে কিছু মিটাৰ দূৰত স্থাপন কৰা হয়। নতুন স্থানলৈ স্থানান্তৰিত হোৱাৰ পিছত এটা স্থায়ী মন্দিৰ নিৰ্মাণ কৰা হৈছিল। এই পুৰণি মন্দিৰটোত প্ৰায় ২০০০ চন পৰ্যন্ত ৰাসোৎসৱত ৰাধা-কৃষ্ণৰ যুগল মূৰ্তি স্থাপন কৰি পূজা-অৰ্চনা কৰা হৈছিল।

বৰ্তমানে সেই পুৰণি মন্দিৰটোৰ স্থানত হাউলী ৰাস মহোৎসৱৰ স্থায়ী মঞ্চ নিৰ্মাণ কৰা হৈছে। সেই সময়ত ৰাস উৎসৱ ৫ দিনীয়াকৈ উদ্‌যাপিত হৈছিল। ১৯৬৭ চনলৈ হাউলী ৰাসোৎসৱ ৫ দিনীয়াকৈ গতানুগতিকভাৱে চলি আছিল। ১৯৬৮ চনত নতুনকৈ গঠন হোৱা সমিতিৰ উৎসাহ আৰু প্ৰচেষ্টাত ৰাস মন্দিৰৰ চাৰিওফালে পকা দেৱাল নিৰ্মাণ কৰি প্ৰদৰ্শনীৰ ষ্টল তৈয়াৰ কৰি তাত গীতা, ভাগৱত, ৰামায়ণ, মহাভাৰত আদিৰ আধাৰত মৃন্ময় মূৰ্তি স্থাপন কৰি ৰাসক এক নৱৰূপ দিয়া হৈছিল। সেই বৰ্ষৰে পৰা হাউলী ৰাসোৎসৱ সাতদিনীয়া হৈ পৰে। ১৯৭০ চনত স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰীৰ তত্বাৱধানত এটা দলে হাউলী ৰাসত শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া প্ৰদৰ্শন কৰিছিল।

১৯৭২ চনত হাউলী ৰাসত বৃন্দাবনৰ অন্তৰ্ভুক্তিয়ে এক নতুন যাত্ৰা প্ৰদান কৰিছিল। ভগৱান শ্ৰীকৃষ্ণৰ শিশুলীলা, অঘাসুৰ বধ, বকাসুৰ বধ, গোপীৰ বস্ত্ৰহৰণ আদি দৃশ্যৰ উপস্থাপনেৰে বৃন্দাবনখন ৰাসৰ আকৰ্ষণৰ অন্যতম কেন্দ্ৰবিন্দু হৈ পৰিছিল। প্ৰথম অৱস্থাত হাউলী ৰাসোৎসৱৰ লগত ইছলামধৰ্মী লোকসকলে যোগদান কৰা নাছিল যদিও পিছলৈ মুছলমান সমাজৰ নেতৃস্থানীয় ব্যক্তিসকলে অংশগ্ৰহণ কৰিবলৈ ধৰে। জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৰে ৰাসত জড়িত হোৱাৰ পিছত এই ৰাসোৎসৱ 'হাউলী সাৰ্বজনীন ৰাস উৎসৱ'লৈ পৰিণত হৈ পৰে। সকলো ধৰ্মৰ, বৰ্ণৰ লোকৰ অংশগ্ৰহণে এই অঞ্চলৰ সামাজিক ঐক্যৰ পৰিচয় দি এই উৎসৱক সমন্বয়ৰ উৎসৱলৈ ৰূপান্তৰিত কৰি তোলে।

১৯৭৮ চনত হাউলী ৰাসোৎসৱৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপিত হৈছিল। সেই সোণালী জয়ন্তী বৰ্ষতে হাউলী ৰাস সম্পৰ্কে প্ৰথমখন স্মৃতিগ্ৰন্থ প্ৰকাশ পায়। ২০০২ চনত হাউলী ৰাস মহোৎসৱৰ মহাৰজত জয়ন্তীৰ 'মুৰুলী' নামে দ্বিতীয়খন স্মৃতিগ্ৰন্থ প্ৰকাশ হয়। তাৰ পিছৰে পৰা হাউলী ৰাস উৎসৱৰ স্মাৰক সংকলন হিচাপে 'মুৰুলী'খন প্ৰতিবছৰে প্ৰকাশ পাই আহিছে। ১৯৭৮ চনত হাউলী জয়ন্ত সোঁৱৰণী কলা পৰিষদৰ জন্ম হোৱাৰে পৰা হাউলী ৰাসৰ সাংস্কৃতিক দিশৰ বিকাশ হোৱাত যথেষ্ট সহায়ক হৈছিল। ১৯৭৯ চনত হাউলী ৰাস মন্দিৰৰ কাষতে হাউলী অঞ্চলৰ কেন্দ্ৰীয় নামঘৰ স্বৰূপ হাউলী

https://howlyraasmahotsav.org/

মদন মোহন কীৰ্তনঘৰ প্ৰতিষ্ঠা হোৱাত ৰাস মন্দিৰ প্ৰাঙ্গনে এক অনন্য সৌন্দৰ্য্য লাভ কৰে। ১৯৯৫ চনত হাউলী ৰাসোৎসৱৰ প্ৰদৰ্শনী আৰু তোৰণ আদিত বৈদ্যুতিক কাৰুকাৰ্যৰ বিকাশ হয়। লাহে লাহে বহিঃৰাজ্যৰ পৰা অনা বিজুলী চাকিৰ আলোকেৰে দীপ্ত হ'বলৈ ধৰিলে হাউলী ৰাস। সময়ৰ সোঁতত বিভিন্ন পৰিক্ৰমাৰ মাজেৰে একালৰ হাউলী ৰাস পূজা হৈ পৰিল 'হাউলী ৰাস মহোৎসৱ'।

১৯৯৭ চনত হাউলী ৰাস মন্দিৰটো নতুনকৈ নিৰ্মাণ কৰাৰ প্ৰস্তাৱ উত্থাপিত হয় আৰু এখন নতুন ৰাস মন্দিৰ নিৰ্মাণ সমিতি গঠন হয়। ১৯৯৭ চনৰ ১৪ নৱেম্বৰত নতুন ৰাস মন্দিৰটোৰ আধাৰশিলা স্থাপন কৰা হয়। হাউলী ৰাস মন্দিৰটো আচলতে ক'বলৈ গ'লে কৃষ্ণ মন্দিৰ নাইবা বিষ্ণু মন্দিৰ। এই মন্দিৰটো ৯০ ফুট ওখ আৰু ৬২ ফুট বহল, দুই খলপীয়া। মন্দিৰটোৰ প্ৰথম মহলাৰ ঢালাই কামত বৃহত্তৰ হাউলীৰ ৰাইজে কৰসেৱা আগবঢ়াইছিল। মন্দিৰটোত প্ৰায় ৮৫ টন বগা মাৰ্বলৰ প্লেট আৰু গ্ৰেনাইট ব্যৱহাৰ হৈছে, যিবোৰ ৰাজস্থানৰ পৰা অনা হৈছিল। মন্দিৰৰ ভিতৰত ৫ ফুট উচ্চতাৰ এযোৰ ৰাধা-কৃষ্ণৰ যুগল প্ৰতিমা, ৩-৭ ফুট উচ্চতাৰ ৮ যোৰ ৰাধা-কৃষ্ণ, ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আৰু যোগিনী বুঢ়ীৰ প্ৰতিমাসহ মুঠ ২২ টা বগা মাৰ্বল পাথৰেৰে তৈয়াৰ কৰা প্ৰতিমা আছে। এই প্ৰতিমাবোৰ ৰাজস্থানৰ জয়পুৰৰ পদ্ম বিভূষণ পদক প্ৰাপ্ত আৰু ৰাষ্ট্ৰীয় সন্মানেৰে সন্মানিত পণ্ডিত লালু প্ৰসাদ খনিকৰে নিৰ্মাণ কৰিছিল। এই মন্দিৰ নিৰ্মাণ কৰিবলৈ বুজন পৰিমাণৰ অৰ্থৰ প্ৰয়োজন হোৱাত ২০০০ চনত এই মন্দিৰ নিৰ্মাণৰ সাহায্যাৰ্থে এখন উপহাৰ কুপন খেলৰ আৰম্ভণি কৰা হৈছিল। পিছলৈ এই উপহাৰ কুপন খেলখনে সমগ্ৰ অসমৰ লগতে ভাৰতৰ বিভিন্ন ৰাজ্যত জনপ্ৰিয় হৈ পৰে। মন্দিৰ নিৰ্মাণৰ পিছত বহুমুখী প্ৰকল্প নিৰ্মাণৰ উদ্দেশ্য আগত লৈ অনুস্থিত হোৱা এই উপহাৰ কুপন খেলখনৰ প্ৰতি থকা ৰাইজৰ আস্থা আৰু বিশ্বাসে ইয়াক আকৰ্ষণীয় কৰি তুলিছে। ২০০৭ চনৰ ৩১ জানুৱাৰীৰ দিনা হাউলী ৰাস মন্দিৰৰ বিগ্ৰহৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। কেৱল শৰতৰ ৰাস পূৰ্ণিমাৰ দিন কেইদিনৰ বাবে অস্থায়ীকৈ স্থাপন হোৱা ৰাস মন্দিৰে এতিয়া বছৰৰ প্ৰতিটো দিনেই পূজাৰ্চনা কৰা এটা মন্দিৰলৈ পৰিৱৰ্তন হৈ পৰিল। ২০০৮ চনৰ পৰা হাউলী ৰাস মহোৎসৱে সাহিত্য, সংস্কৃতি, সামাজিক, শৈক্ষিক, মানৱসেৱা, ক্ৰীড়া আদি ক্ষেত্ৰলৈ বিশেষভাৱে আগবঢ়োৱা বৰঙণিৰ বাবে নমস্য একোগৰাকী বিদ্বৎ পুৰোধাক 'হাউলী বঁটা' প্ৰদান কৰা পৰম্পৰাৰ আৰম্ভণি কৰিছিল।

শতবৰ্ষৰ দুৱাৰদলিত আহি উপনীত হোৱা হাউলী ৰাস মহোৎসৱ এক ধৰ্মীয় অনুষ্ঠানৰ লগতে এতিয়া বিভিন্ন ভাষা-ভাষী, জাতি-জনগোষ্ঠীৰ মহামিলনৰ তীৰ্থস্থান স্বৰূপ। হাউলী ৰাস মহোৎসৱত এই অঞ্চলৰ প্ৰতিগৰাকী লোকৰ হৃদস্পন্দন পৰিস্ফুট হয়। এই মহোৎসৱে অঞ্চলটোৰ অৰ্থনৈতিক দিশতো এক অতি গুৰুত্বপূৰ্ণ তথা ইতিবাচক ভূমিকা গ্ৰহণ কৰিছে। হাউলী ৰাস মহোৎসৱে আধুনিকতাৰ স্পৰ্শ পাইছে যদিও বাদ দিয়া নাই ইয়াৰ ধৰ্মীয় পৰম্পৰা তথা ঐতিহ্য।

(যিসকল মহান ব্যক্তিয়ে ৰাস উৎসৱৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ ঐকান্তিক প্ৰচেষ্টাৰে পাতনি মেলি আজিৰ পৰ্যায়লৈ আনিলে, সেইসকল উদ্যমী তথা পুৰোধাৰ নাম অসুবিধাবশতঃ এই প্ৰবন্ধত উল্লেখ নকৰাৰ বাবে ক্ষমা বিচাৰিছোঁ। স্থানাভাৱৰ প্ৰতি লক্ষ্য ৰাখি বহুতো কথাক সামৰি ল'ব পৰা নগ'ল। প্ৰবন্ধটো যুগুত কৰোঁতে কিছু গ্ৰন্থ, প্ৰবন্ধ, ইণ্টাৰনেট আৰু হাউলী অঞ্চলৰ কেইগৰাকীমান জ্যেষ্ঠ ব্যক্তিৰ সাক্ষাৎকাৰৰ সহায় লোৱা হৈছে।)

https://howlyraasmahotsav.org/

ৰাস আৰু অন্যান্য প্ৰাসংগিক দুই-এটি কথা

অৰুণ কুমাৰ গোস্বামী

শৰৎ কালৰ পূৰ্ণিমা তিথিত আয়োজন কৰা ভক্তি ৰসৰ মধুৰ সমন্বয়েই ৰাসলীলা। শৰৎকালৰ জ্যোৎস্না প্লাৱিত ৰাতিও গোপীসকলক প্ৰেমৰসত আপ্লুত কৰি শ্ৰীকৃষ্ণই যি লীলাৰে বৃন্দাবন উৎফুল্ল কৰি তুলিছিল সেই প্ৰেমলীলাই ৰাস মহোৎসৱৰ প্ৰতিপাদ্য বিষয়। ভগৱান শ্ৰীকৃষ্ণই মৰ্ত্যত কৰা কৰ্মৰাজিক ৰাসোৎসৱৰ জৰিয়তে প্ৰতিফলিত কৰা হয়। উজনি অসমৰ দৰে নামনি অসমতে ৰাস মহোৎসৱৰ প্ৰাধান্য দেখা যায়। নলবাৰী, শুৱালকুছি, ৰামদিয়া, হাউলি, টিহু, পলাশবাৰী আদি অঞ্চলত ৰাস মহোৎসৱ পালন কৰে। উজনি অসম আৰু নামনি অসমৰ ৰাসৰ মাজত বহু পাৰ্থক্য দেখিবলৈ পোৱা যায়। উজনিৰ ৰাস অভিনয়কেন্দ্ৰিক আৰু নামনিৰ ৰাস মূৰ্তিকেন্দ্ৰিক। কালিয়দমন, পুতনা বধ, দধিমথন, কংসবধ, বৃন্দাবনৰ ৰাসলীলা আদি মৃন্ময় মূৰ্তিসমূহৰ জৰিয়তে উপস্থাপন কৰা হয়। নামনি অসমত ৰাসত বংগীয় প্ৰভাৱ দেখিবলৈ পোৱা যায়। বিভিন্ন আলোকসজ্জাৰে প্ৰদৰ্শনস্থলী সজাই দৰ্শকক মন মোহিত কৰে।

ৰাস শব্দটি মূলতঃ 'ৰস' শব্দৰ পৰা উৎপত্তি হৈছে বুলি কোৱা হয়। ৰাস মানে হৈছে আনন্দ। ইয়াৰ পাৰমাৰ্থিক অৰ্থ হৈছে ভক্ত আৰু ভগৱানৰ মিলনৰ আনন্দ।

অসমৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সময়ৰে পৰাই ৰাস উৎসৱৰ আৰম্ভণি হোৱা বুলি কোৱা হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ৰচনা কৰা 'কেলি গোপাল' নাটখনেই অসমৰ ৰাস উৎসৱৰ মূল ভেটি বুলি কোৱা হয়।

নৱ বৈষ্ণৱ ধৰ্মৰ পৃষ্ঠভূমি মাজুলীৰ ৰাস হৈছে প্ৰধান উৎসৱ। মাজুলীত পোন প্ৰথমবাৰৰ বাবে ৰাস পালন কৰা হয় দক্ষিণপাট সত্ৰত। জন শ্ৰুতিমতে ১৭৬২ শকত দক্ষিণপাট সত্ৰত প্ৰথমবাৰৰ বাবে ৰাস পালন কৰা হয়। মাজুলীৰ ৰাস উৎসৱ বিশ্ববিখ্যাত। মাজুলীৰ দক্ষিণপাট সত্ৰৰ উপৰিও গড়মূৰ সত্ৰ, আউনীআটী সত্ৰ, কমলাবাৰী সত্ৰ আদিকে ধৰি সকলো সত্ৰতে ৰাস উৎসৱ পালন কৰা হয়। মাজুলীৰ সত্ৰসমূহৰ ৰাস উৎসৱৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে পুৰুষকেন্দ্ৰিক অভিনয়। ৰাসলীলাৰ নাটকৰ পুৰুষ-নাৰী উভয়ৰে চৰিত্ৰ পুৰুষৰ দ্বাৰা ৰূপায়ণ কৰা হয়।

মাজুলীৰ ৰাস যেনেদৰে জনপ্ৰিয় তেনেদৰে জনপ্ৰিয় নলবাৰীৰ শ্ৰীশ্ৰী হৰি মন্দিৰ ৰাস মহোৎসৱ আৰু হাউলী, পলাশবাৰী, মঙলদৈ আদিতো ধুমধামেৰে ৰাস মহোৎসৱ অনুষ্ঠিত কৰা হয়। নলবাৰীৰ ৰাসত ওজাপালি, ঢুলীয়া, নাগৰা নাম আদিৰ দৰে অনুষ্ঠানৰ ৰস পোৱা যায়। বহুকেইটা ভ্ৰাম্যমাণ নাট্যদলে নলবাৰী ৰাসত নাটক প্ৰদৰ্শন কৰে। প্ৰত্যেক বছৰে ৰাস উৎসৱ উপভোগ কৰিবলৈ মাজুলী আৰু নলবাৰীলৈ দেশ-বিদেশৰ নানা পৰ্যটক আহে।

সময়ৰ তাড়নাত তথা আধুনিকতাৰ পৰাশত ৰাস উৎসৱৰ মহত্ত্ব লোপ পাইছে যদিও ৰাস উৎসৱৰ লগত অসমীয়া ভক্তপ্ৰাণ ৰাইজে চিৰদিন একাত্ম হৈ থাকিব।

https://howlyraasmahotsav.org/

কৃষ্ণতত্ত্ব— অলৌকিকতাৰ কিয়দংশ

বিনোদ তালুকদাৰ

ব্ৰহ্মাই পৰম সত্য, চৰাচৰ বিশ্বব্ৰহ্মাণ্ডৰ সকলো সৃষ্টিয়েই তেওঁৰ অধীনস্থ, তেওঁ সৰ্বজ্ঞ সৰ্বশক্তিমান, আদি কবি ব্ৰহ্মাক লগতে সকলো দেৱতাই তেওঁতেই মুহ্যমান, শক্তি, পানী, মাটি আদি পৰিৱৰ্তনশীল, স্বৰ্গ, মৰ্ত্য, পাতাল আদি সকলো মায়া, একমাত্ৰ তেওঁহে পৰম সত্য, সেই পৰমব্ৰহ্ম পৰম সত্যক মই স্তুতি কৰোঁ।

ওঠৰ নম্বৰ তথা শেষসংখ্যক পুৰাণ 'শ্ৰীমদ্ভাগৱত' ব্যাসদেৱৰ উৎকৃষ্ট সৃষ্টি বুলি জনাজাত; কিয়নো জীৱজগতৰ মঙ্গল সাধন কৰি মুক্তিৰ পথ দেখুৱাব পাৰে কেৱল শ্ৰীমদ্ভাগৱতে। স্বয়ং নাৰায়ণৰ মুখৰ বাণীয়ে ভাগৱত সৃষ্টিৰ মূল।

কেৱল ভাগৱতেই নহয় চাৰিবেদ, চৈধ্যশাস্ত্ৰ, ওঠৰ পুৰাণ, উপনিষদ, মহাভাৰত, ৰামায়ণ আদি পৌৰাণিক ধৰ্মশাস্ত্ৰসমূহ ৰচিত হৈছিল ভাৰতবৰ্ষতেই। সেয়ে হিন্দুধৰ্ম আটাইতকৈ পুৰণি। এই ভাৰতবৰ্ষতেই মুনিসকলৰ জন্ম হৈছিল আৰু জ্ঞানৰ পোহৰ উদ্ভাসিত হৈছিল। বুৰঞ্জীৰ পাত লুটিয়ালে পোৱা যায় যে পৃথিৱীৰ অন্যান্য দেশসমূহ অজ্ঞান অন্ধকাৰত নিমজ্জিত হৈ থকা সময়ত প্ৰথম সভ্যতাৰ নিদৰ্শন পোৱা গৈছিল ভাৰতবৰ্ষতেই। ভাৰতবৰ্ষই ধৰ্ম সভ্যতা সংস্কৃতিৰ মূল আধাৰ স্বৰূপ।

পুৰণি কালৰ পৰা পূজা-পাতল, হোম-যজ্ঞ, বলি-বিধান আদি বিভিন্ন কৰ্মমাৰ্গ চলি আহিলেও ধ্যান, ধাৰণা, আধ্যাত্মিক চিন্তাধাৰাৰে এক ঈশ্বৰৰ উপাসনাও সময়ৰ সোঁতত প্ৰবাহমান। বিশ্বব্ৰহ্মাণ্ডৰ একমাত্ৰ সৃষ্টিকৰ্তা স্বয়ং পৰমব্ৰহ্মক নুই কৰিব পৰা শক্তি কোনো নাই। সেয়েহে আজিও একান্ত ভক্তসমাজে আধ্যাত্মিক চিন্তাধাৰাৰে তেৰাৰ সান্নিধ্য পাবলৈ অহৰহ যত্নপৰ হৈ আহিছে।

মই অজ (জন্ম-মৃত্যুৰহিত), অব্যয়, (হ্ৰাস-বৃদ্ধি-ৰহিত), ভূতাদিৰ অৰ্থাৎ সৃষ্টিৰ সকলোৰে ঈশ্বৰ হৈও, প্ৰকৃতিক বশীভূত কৰি মায়াশূন্যতাৰে অৱতৰণ হওঁ।

স্বয়ং নাৰায়ণৰ চৌবিশ অৱতাৰৰ বৰ্ণনা পোৱা যায়। শংকৰ গুৰুজনায়ো চৌবিশ অৱতাৰ তত্ত্ব দাঙি ধৰিছে। প্ৰতিটো অৱতাৰতে ভিন্ন ভিন্ন ক্ৰিয়াকলাপ প্ৰকাশিত হৈছে। প্ৰতি অৱতাৰ তত্ত্বই সত্য, শৌচ, দয়া, ক্ষমা, সৰলতা, প্ৰেম, ধৈৰ্য্য, উদাৰতা আদি মহৎ গুণৰ চানেকি প্ৰতিভাত কৰিছে। নিৰাকাৰ হৈও সাকাৰ ৰূপত বিদ্যমান হোৱা সম্পূৰ্ণ উদ্দেশ্যপ্ৰণোদিত। অৱতাৰ তত্ত্বৰ মতে শ্ৰেষ্ঠ আৰু পূৰ্ণ অৱতাৰ কৃষ্ণ অৱতাৰ, 'কৃষ্ণস্তু ভগবান স্বয়ম্' তত্ত্ব অনুসাৰে কৃষ্ণ এফালে সাধাৰণ মনুষ্য আনফালে পৰমাত্মা ঈশ্বৰৰ লীলা। কৃষ্ণ অৱতাৰতেই যথেষ্ট সংখ্যক লীলা-খেলাৰ উমান পোৱা গৈছে, লগতে অভূতপূৰ্ব অলৌকিকতা প্ৰকাশ পাইছে।

এইখিনিতেই অলৌকিকতাৰ কিয়দংশ উল্লেখ কৰাৰ প্ৰয়াস কৰা হৈছে— কৃষ্ণ অৱতাৰৰ সূচনা আকাশবাণী— যি বাণীয়ে দুৰাচাৰ কংসক সন্ত্ৰস্ত বিপৰীতে ভক্তবৃন্দক আশ্বস্ত কৰিছিল। এফালে নিৰানন্দ আনফালে পৰমানন্দ।

পৰৱৰ্তী আশ্চৰ্য্য হ'ল কৃষ্ণজন্মৰ প্ৰাকমুহূৰ্তৰ

https://howlyraasmahotsav.org/

প্ৰকৃতিৰ বিতোপন পৰিৱেশ, কৃষ্ণজন্ম ক্ষণৰ প্ৰকৃতিৰ বিভীষিকাময় পৰিৱেশ, ক্ষণজন্মা কেঁচুৱাৰ চতুৰ্ভুজ মূৰ্তি, দৈৱকী বসুদেৱৰ হস্তশৃঙ্খল সুলকি পৰা, কাৰাগাৰৰ কপাট স্বতঃস্ফূৰ্তভাৱে মেলখোৱা, পিতৃ-মাতৃৰ প্ৰতি উপদেশ, নন্দ-যশোদাৰ গৃহত যোগমায়া জন্মৰ প্ৰৱণতা, যমুনা নদীৰ পানী শুকোৱা, আকৌ সামান্য মনুষ্যৰ কেঁচুৱা ৰূপ ধাৰণ—– এইবোৰ ঐশ্বৰিত্বৰ প্ৰমাণ নহয় নে বাৰু?

এতিয়া নন্দ-যশোদাৰ গৃহত পালিত দুগ্ধপোষ্য শিশুকৃষ্ণ। 'স্তনপান দিয়া মাৰি ফুৰে পুতুনা ৰাক্ষসী' প্ৰৱেশ যশোদাৰ গৃহত। কিন্তু 'স্তন পানে শুষিলা পুতুনাৰ প্ৰাণ'— দুমহীয়া শিশুই বৃহদাকায় ৰাক্ষসীৰ প্ৰাণ কঢ়া দৃশ্যই গোকুলবাসীৰ চকু কপালত উঠিছিল।

আঁঠুকঢ়াৰ বয়স শিশুকৃষ্ণৰ। মাতৃ যশোদাই গৃহৰ অত্যধিক কামৰ বোজাৰ বাবে শিশুকৃষ্ণক ভৰিত বান্ধি এটা উড়ালৰ সৈতে সংযুক্ত কৰি নিজৰ ওচৰতে ৰাখিছে। কিন্তু 'কিম্ আশ্চৰ্য্যম্' যশোদাৰ অজানিতে উড়াল টানি লৈ গৈ যমলাৰ্জ্জুন নামৰ গছ দুজোপাৰ মাজত লগাই গছ দুজোপাকেই উভালি পেলালে। সেই দৃশ্য গোকুলবাসীয়ে প্ৰত্যক্ষ কৰি অভিভূত হ'ল। লগতে গছদুজোপাৰ পৰা কুবেৰৰ দুই পুত্ৰ মণিগ্ৰীৱ আৰু নলকুবেৰে কৃষ্ণৰ চৰণত প্ৰণিপাত জনাই অনন্তধামলৈ গতি কৰিলে। এই দৃশ্যই কি সূচাইছে অনুমান কৰিব পাৰিছেনে বাৰু?

শিশুকৃষ্ণৰ দৌৰি ফুৰাৰ বয়স। কিছুমান নাভূত-নাশ্ৰুত ক্ৰিয়াকলাপৰ বাবে অন্যৰ পৰা আপত্তি শুনিব লগা অৱস্থা মাতৃ যশোদাৰ।

কেনে মাটি খাইলি অৰে গোপাল।
কোবাই আজি তোৰ ফাৰিবো ছাল।। কীৰ্ত্তনঘোষা

'দাদা বলভদ্ৰ মাতন্ত ঘটি' বুলি মাকক পতিয়ন নিয়াবলৈ শিশুকৃষ্ণই মুখ মাকক দেখুৱালে।

যশোদা মাতৃ সপোনসদৃশ দৃশ্য দেখা পালে কৃষ্ণৰ মুখগহ্বৰত। গ্ৰহ, নক্ষত্ৰ আদি কৰি সমস্ত জগত প্ৰতীয়মান হ'ল যশোদাৰ। তাতোকৈ অদ্ভুত দৃশ্য কৃষ্ণমুখগহ্বৰত মাতৃ যশোদাৰ নিজৰ ছবি। 'কৃষ্ণই ভগৱান স্বয়ম্' নহয়নে বাৰু? অলৌকিকতাৰ এয়া উৎকৃষ্ট নিদৰ্শন। কেতিয়াবা মাতৃয়ে বৃন্দাবনলৈ যোৱাৰ সময় সোঁৱৰাই দিয়ে বৎস কৃষ্ণক। কিন্তু এই বৃন্দাবনতে কিছুমান অঘটন ঘটে। ৰাক্ষসৰ উৎপাতত গোপশিশু, ধেনু বৎসসকলে ত্ৰস্তমান হৈ পৰে। কিন্তু সেইসকল ৰাক্ষসক হেলাৰঙে বধ কৰি সৱাকো ৰক্ষা কৰিছিল কৃষ্ণই। অঘাসুৰ, বকাসুৰ, প্ৰলম্বাসুৰ, ধেনুকাসুৰ, বোম্যাসুৰ, অৰিষ্টাসুৰ, নেমী, কেশী, শঙ্খচুৰ, সুদৰ্শন আদি দৈত্যবোৰক বধি কৃষ্ণই গোকুলবাসীক স্তম্ভিত কৰিছিল। ইও এটা অলৌকিকতাৰ নিদৰ্শন। মনুষ্য শিশুৰ বাবে এয়া অসম্ভৱ।

সৃষ্টিৰ গৰাকী কৃষ্ণ পৰমব্ৰহ্ম। ইয়াৰ অন্য এটা উদাহৰণ ব্ৰহ্মাৰ গোপশিশু, ধেনু বৎস অপহৰণ। বৃন্দাবনৰ পৰা এদিনাখন গোপসহিতে ধেনু বৎস ব্ৰহ্মালোকলৈ লৈ গ'ল। কৃষ্ণই বুজি পালে এই ঘটনাৰ আঁৰৰ কাহিনী। কৃষ্ণই সেই একেধৰণৰ গোপশিশু তথা গো-বৎস সৃষ্টি কৰি বৃন্দাবনত ৰাখিলে। ব্ৰহ্মাই পুনৰ বৃন্দাবনলৈ ঘূৰি আহি সেই একে গোপশিশু তথা গো-বৎস দেখি ভ্ৰম হৈছিল। এবাৰ ব্ৰহ্মলোক এবাৰ বৃন্দাবন বাটকুৰি বাই ভাগৰি পৰি কৃষ্ণ মহিমাৰ প্ৰমাণ পালে। স্বয়ং ব্ৰহ্মাইয়ো কৃষ্ণৰ সম্পূৰ্ণ মহিমা বুজিবলৈ সক্ষম নহয়।

আঠ বছৰীয়া শিশুকৃষ্ণ। কৃষ্ণ-বলৰামৰ মথুৰা যাত্ৰা। দাস্যু দানৱ অস্ত্ৰে-শস্ত্ৰে সুসজ্জিত কংস নগৰী মথুৰা। কুৱলয় হাতী সহিতে দস্যুবোৰে আগুৱাই আহি দুই ভাতৃক প্ৰতিহত কৰিবলৈ অমোঘ চেষ্টা। কিন্তু দুই ঈশ্বৰপুৰুষে কুৱলয় মদমত্ত হাতীক ওফৰাই দস্যুদানৱক নিহত কৰি শেষত উন্মত্ত, দুৰাচাৰী কংসক বধ কৰি মথুৰা নগৰী সুখ-শান্তিৰ আবাসস্থল ৰূপে প্ৰতিষ্ঠা কৰিছিল। এইখিনিতে পূৰ্বনিনাদিত আকাশবাণীৰ প্ৰতিফলন ঘটিল। শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাইয়ো ৰাসলীলা সুন্দৰভাৱে প্ৰতিপন্ন কৰিছে। বৰ্তমান সময়লৈ ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ আকৰ্ষণীয় ৰূপত সজোৱা হৈছে। কিছুসংখ্যক কৃষ্ণৰ ৰাসলীলাক বিশ্লেষণ কৰিব বিচাৰে যদিও আধ্যাত্মিক ভাৱধাৰাহে সম্পৃক্ত হৈ আছে। গোপীসৱৰ সৈতে কৃষ্ণই ৰাসলীলা কৰিছিল যদিও এয়া হ'ল অনঙ্গ কেলি--- মাথোন আত্মা-পৰমাত্মাৰ মিলনৰ ইংগিত।

জগতৰ গৰাকী কৃষ্ণই ক্ৰীড়াখেলৰ মাজতে গোপীসৱৰ মাজৰ পৰা অন্তৰ্দ্ধান হোৱা বুলি কীৰ্তনত উল্লেখ আছে। শেষত গোপীসৱক সুন্দৰ আৰু আধ্যাত্মিক জ্ঞানৰ বাণীৰে কৃষ্ণই বিদায় দি নিজগৃহলৈ পঠিয়াই দিছে। ইয়েই ৰাসক্ৰীড়াৰ তত্ত্বমূলক দৰ্শন।

https://howlyraasmahotsav.org/

ৰাষ্ট্ৰীয় সংগীতত কৃষ্ণবন্দনা

জাহ্নৱী এন ডেকা

স্বাধীন ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত হিচাপে গ্ৰহণ কৰা 'জন গণ মন ' গীতটিৰ ৰচক কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ বুলি আমি সকলোৱেই জানো। এই গীতটি পোন প্ৰথমবাৰৰ বাবে গোৱা হৈছিল ইং ১৯১১ চনৰ ২৭ ডিচেম্বৰত, কলকতাত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনৰ দ্বিতীয় দিনা আৰু গীতটি গাইছিল কবিগুৰুৰ ভতিজা সৰলা দেৱী চৌধাৰাণীয়ে। গীতটি পৰিৱেশনত তেওঁক সহযোগ কৰিছিল কেইগৰাকীমান স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে। তেওঁলোকৰ এই গীত পৰিৱেশনৰ সময়ত জাতীয় কংগ্ৰেছ দলৰ সদস্য বিষাণ নাৰায়ণ ধৰ আৰু অম্বিকাচৰণ মজুমদাৰৰ দৰে প্ৰখ্যাত জাতীয়তাবাদী ব্যক্তিসকলো উপস্থিত আছিল। উল্লেখ্য যে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে লিখা 'ভাৰত ভাগ্য বিধাতা' নামৰ এটি কবিতাৰ পৰা 'জন-গণ-মন.....' কবিতাংশ (প্ৰথমটো স্তৱক) কংগ্ৰেছৰ সেই অধিবেশনত গীত হিচাপে গোৱা হৈছিল। ইং ১৯১২ চনত 'ভাৰত ভাগ্য বিধাতা' নামৰ মূল কবিতাটো কবিগুৰুৱে নিজে সম্পাদনা কৰা তথা ব্ৰাহ্মসমাজৰ দ্বাৰা প্ৰচাৰিত 'তত্ববোধিনী' পত্ৰিকাত প্ৰকাশ কৰে। ইং ১৯৪৭ চনৰ ১৪ আগষ্টৰ মাজনিশা ভাৰতে স্বাধীনতা লাভৰ প্ৰাকমুহূৰ্তত সংবিধান সভাৰ সদস্যসকল এক বিশেষ আলোচনাৰ বাবে সমবেত হয় আৰু তেওঁলোকৰ এই আলোচনা সভাৰ শেষত 'জন গণ মন....' গীতটো সমস্বৰে গোৱা হয়। পৰৱৰ্তীকালত স্বাধীনতা লাভৰ পিছত ইং ১৯৫০ চনৰ ২৪ জানুৱাৰী তাৰিখে গীতটোক ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত হিচাপে আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰা হয়।

যি নহওক, ৰাষ্ট্ৰীয় সংগীতটোক লৈ সময়ে সময়ে বিতৰ্কও নোহোৱাকৈ থকা নাই। বহু ভাৰতীয় মানুহৰ মনত এটা ভুল ধাৰণা আছে যে কবিগুৰুৱে ইংলেণ্ডৰ ৰজা পঞ্চম জৰ্জক উদ্দেশ্য কৰি ৰাষ্ট্ৰীয় সংগীতটো ৰছনা কৰিছিল। বহুতে আনকি এইবুলিও কোৱা শুনা যায় যে ব্ৰিটিছ সম্ৰাটৰ গৰিমা প্ৰচাৰ কৰাৰ উদ্দেশ্যেৰেহে কবিগুৰুৱে এই গীতটো ৰছনা কৰিছিল। তেওঁলোকৰ মতে, ভাৰতবাসীয়ে অন্তঃকৰণেৰে ইয়াক ৰাষ্ট্ৰীয় সংগীত হিচাপে গ্ৰহণ কৰিছে যদিও প্ৰকৃতাৰ্থত গীতটো ভাৰতীয়সকলৰ বাবে লিখা হোৱা নাছিল। সেয়ে বহু ভাৰতীয়ই মত পোষণ কৰি আহিছে যে ৰবীন্দ্ৰনাথৰ 'জন-গণ-মন.....'ৰ পৰিৱৰ্তে বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ 'বন্দে মাতৰম' গীতটোকহে ৰাষ্ট্ৰীয় সংগীত হিচাপে গ্ৰহণ কৰা উচিত। অৱশ্যে এনেধৰণৰ বিতৰ্কবোৰ সময়ে সময়ে হৈ আহিছে যদিও মূল গীতটোৰ কথাংশৰ গভীৰতালৈ লক্ষ্য কৰিলে এটা কথা প্ৰতীয়মান হয় যে গীতটোৰ কথাংশত এক সৰ্বশক্তিমান সত্তাক বন্দনা কৰা হৈছে যদিও এই সৰ্বশক্তিমানজন ইংলেণ্ডৰ ৰজা পঞ্চম জৰ্জ নহয়, বৰঞ্চ এক উপাস্য দেৱতাহে। মূল কবিতাটোৰ শিৰোনামায়ো (ভাৰত ভাগ্য বিধাতা) আনকি এই কথাকে সূচায় যদিও বহুতেই গীতটোৰ আঁৰত লুকাই থকা প্ৰকৃত অৰ্থৰ কথা অনুধাৱন কৰিব নোৱাৰি এনে বিতৰ্কৰ সৃষ্টি কৰি আহিছে। আমি ইতিমধ্যেই ওপৰত উল্লেখ কৰি আহিছোঁ যে ৰাষ্ট্ৰীয় সংগীতটো কবিগুৰুৰ 'ভাৰত ভাগ্য বিধাতা' নামৰ কবিতাটিৰ প্ৰথমটো স্তৱক। উল্লেখ্য যে 'ভাৰত ভাগ্য বিধাতা' নামৰ গীতটোত পাঁচটা স্বৰক আছে আৰু ইয়াৰ প্ৰথমটো স্তৱক 'জন-গণ-মন অধিনায়ক' অংশক সংবিধান সভাই ৰাষ্ট্ৰীয় সংগীত হিচাপে গ্ৰহণ কৰিছে। কবিগুৰুৱে এই গীতটো ভাৰতবাসীয়ে ভাগ্য নিয়ন্তা বুলি বিশ্বাস কৰা সৰ্বশক্তিমান ভগৱানৰ নামত সমৰ্পণ কৰিব বিচাৰিছে। অৱশ্যে গীতটোৰ 'জন গণ মন....' অংশত এই কথা অধিক

https://howlyraasmahotsav.org/

স্পষ্ট নহ'লেও তৃতীয়টো স্তৱকত ইয়াৰ উল্লেখ স্পষ্টভাৱেই আছে। তৃতীয় স্তৱকটোত উল্লেখ আছে এইবুলি—

পতন অভ্যুদয় বন্ধুৰ পন্থা, যুগ যুগ ধাবিত যাত্ৰী
হে চিৰসাৰথি, তব ৰথচক্ৰে মুখৰিত পথ দিনৰাত্ৰি
দাৰুণ বিপ্লৱ মাজে তব শংখধ্বনি বাজে
সঙ্কটদুঃখত্ৰাতা।
জন-গণ পথ পৰিচায়ক, জয়হে ভাৰত ভাগ্যবিধাতা!
জয় হে, জয় হে, জয় হে, জয় জয় জয় জয় হে।।

গীতটোৰ তৃতীয়টো স্তৱকত স্পষ্টভাৱে উল্লেখ থকা 'হে চিৰসাৰথি, তব ৰথচক্ৰে....' বাক্যাংশত যুগযুগ ধৰি এই ধৰাত ভ্ৰমণকাৰীৰ ৰূপত অহা মনুষ্যৰ পথ প্ৰদৰ্শনকাৰী, মানৱ জীৱনৰ গতিপথৰ ৰথৰ চালকৰ ৰূপত এক পৰম সত্তাৰ বিষয়ে উল্লেখ কৰা হৈছে। ভাগৱত গীতাৰ মতে এই চিৰসাৰথি, ৰথচালকজন আন কোনো নহয়, তেওঁ হৈছে ভগৱান শ্ৰীকৃষ্ণ। ভাগৱত গীতাত পৰমেশ্বৰ শ্ৰীকৃষ্ণক এই বিশ্ব চৰাচৰৰ একমাত্ৰ অধীশ্বৰ তথা সাৰথি হিচাপে বৰ্ণনা কৰা হৈছে। বহুতে ক'ব খোজে যে কবিগুৰুৰ গীতত উল্লেখ থকা চিৰসাৰথিজনো ভগৱান শ্ৰীকৃষ্ণৰ বাহিৰে আন কোনো নহয়। অৱশ্যে 'ভাৰত ভাগ্য বিধাতা' কবিতাটোত কবিগুৰুৱে কৃষ্ণৰ নাম কোনো এঠাইত উল্লেখ নকৰাকৈয়ে কবিতাটো ৰচনা কৰিছে যদিও কৃষ্ণৰ আদৰ্শ আৰু মতবাদ বৰ্ণনাৰ জৰিয়তে কৃষ্ণৰূপী সৰ্বশক্তিমানজনক ঐক্য আৰু শান্তি বৰ্তাই ৰাখিবলৈ কাতৰ প্ৰাৰ্থনা কৰিছে। কবিগুৰুৱে 'জন গণ মন.....' গীতটো বৃটিছৰ বন্দনাৰে ৰচনা কৰা বুলি প্ৰথম অভিযোগ উঠে ১৯১২ চনত। তাৰ কিছুদিন আগতে ইং ১৯১১ চনৰ ২৭ ডিচেম্বৰত কংগ্ৰেছৰ কলকাতা অধিবেশনত 'ভাৰত ভাগ্য বিধাতা' গীতটোৰ প্ৰথমটো স্তৱক 'জন গণ মন...,' অংশ পৰিৱেশন কৰা হৈছিল। আনহাতে সেই একেটা বৰ্ষৰ একেটা মাহতে কাকতালীয়ভাৱে ইংলেণ্ডৰ ৰজা পঞ্চম জৰ্জো ভাৰত ভ্ৰমণলৈ অহাত সেই সময়ৰ সংবাদপত্ৰসমূহে গীতটো তেওঁকেই উদ্দেশ্য কৰি লিখা বুলি বাতৰি পৰিৱেশন কৰে। ইং ১৯১১ চনৰ ২৮ ডিচেম্বৰ সংখ্যা ষ্টেটছ্‌মেন কাকতত বাতৰি পৰিৱেশন কৰা হৈছিল এইবুলি "The Bengali poet Rabindranath Tagore sang a song composed by him specially to welcome the Emperor." উল্লেখযোগ্য যে ষ্টেটছ্‌মেন কাকতৰ এই বাতৰিৰ পিছতে কিছুসংখ্যক জাতীয়তাবাদীৰ মনতো গীতটো সম্পৰ্কত সন্দেহৰ উদ্ৰেক হয়। তেওঁলোকে কবিগুৰুগৰাকীক এই বিষয়ত মতামত স্পষ্ট কৰিবলৈ আহ্বান জনায়। সংবাদপত্ৰ সমূহৰ এনেবোৰ বাতৰিত কবিগুৰুগৰাকী যথেষ্ট ক্ষোভিত হৈ পৰে। তেওঁ নিজৰ অৱস্থিতি জনাই তেওঁৰ বন্ধু তথা সেই সময়ৰ এজন বিশিষ্ট পণ্ডিত পুলিন বিহাৰী সেনলৈ লিখা এখন পত্ৰত (Rabindrajibani, volume ll, page 339 by Prabhat Kumar Mukherjee) উল্লেখ কৰিছিল এইবুলি, "ব্ৰিটিছ শাসনৰ তলত কাম কৰা এজন উচ্চ পৰ্যায়ৰ বিষয়া যি মোৰ বন্ধুও আছিল, তেওঁ মোক অনুৰোধ কৰিছিল যাতে সম্ৰাটক আদৰণি জনাবলৈ মই এটি গীত লিখোঁ। তেওঁৰ এই অনুৰোধত মই অলপ আচৰিত হৈছিলোঁ। মোৰ মনত আলোড়নৰ সৃষ্টি হৈছিল। মোৰ এই মানসিক অস্থিৰতাৰ প্ৰতি সহাঁৰি জনাই 'ভাৰত ভাগ্য বিধাতা' গীতটোৰ 'জন গণ মন' অংশত এই ভাৰতভূমিত যিজনে বছৰ বছৰ জুৰি উত্থান পতনৰ মাজেৰে, পোনপটীয়াকৈ হওক বা বক্ৰপথেৰেই হওক সাৰথিৰ ভূমিকাত অৱতীৰ্ণ হৈ আহিছে সেইগৰাকী ভাগ্যবিধাতা অথবা জনগণৰ ত্ৰাণকৰ্তাৰ জয়গান ঘোষণা কৰিছোঁ যদিও এই ভাগ্যবিধাতা বা ভাগ্যনিৰ্মাতা তথা ভাৰতীয় জনগণৰ মন জয় কৰিব পৰা চিৰ সহচৰগৰাকী কেতিয়াও পঞ্চম জৰ্জ, ষষ্ঠ জৰ্জ বা আন কোনো জৰ্জ হ'ব নোৱাৰে। মোৰ সেই বন্ধুজনেও আনকি গীতটোৰ বিষয়ে এই কথাবোৰ বুজি পাইছিল। কাৰণ ৰজাৰ প্ৰতি প্ৰশংসা অত্যাধিক হ'লেও এই কথাখিনি বুজিব পৰাকৈ তেওঁৰ সাধাৰণ জ্ঞানৰ অভাৱ নাছিল।" সেই একেখন চিঠিত কবিগুৰুৱে পুনৰ লিখিছে, "মানৱ জাতিৰ ইতিহাসত অনিৰ্দিষ্ট সময়ৰ পৰা পথ প্ৰদৰ্শনকাৰীৰ ভূমিকা পালন কৰি অহা সাৰথি হিচাপে মই চতুৰ্থ বা পঞ্চম জৰ্জক প্ৰশংসা কৰি গীত গোৱাৰ মুৰ্খামি কৰিব পাৰিম বুলি যিসকলে ভাৱে, সেইসকলৰ কথাৰ উত্তৰ দিবলৈ যোৱাটো হ'ব মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ মুৰ্খামি আৰু নিন্দনীয় কাম।" (Purvasa, Phalgun, 1354, p. 738.) কবিগুৰুৰ এই চিঠিখনৰ পৰাও এইটোৱেই স্পষ্ট হয় যে গীতটোত উল্লেখ থকা জনগণৰ মনক শাসন কৰা শাসকজন আৰু আন কোনো নহয়, তেওঁ হৈছে সমগ্ৰ ভাৰতবাসীয়ে যুগ যুগান্তৰৰ পৰা শৰীৰ আৰু মনৰ অধিনায়ক হিচাপে বিশ্বাস কৰি অহা সৰ্বশক্তিমান পৰম সত্তা ভগৱান শ্ৰীকৃষ্ণ।

https://howlyraasmahotsav.org/

কৃষ্ণ চৰিত্ৰৰ মাহাত্ম্য ঃ মানৱী ৰূপত দৈৱিক আধ্যাত্মিক সত্তাৰ প্ৰকাশ

কমল দাস

মানৱী শিশুৰূপী কৃষ্ণ আচলতে পৰম ব্ৰহ্মৰে অৱতাৰ। কৃষ্ণ মনুষ্য নহয়, স্বয়ং ঈশ্বৰ। সেয়েহে কালীনাগৰ ফণাত উঠি কৰা শিশুকৃষ্ণৰ ভৰিৰ গচকত ‘হাজাৰেক শিৰ ভৈল ছিৰাছিৰ’ হোৱা কাৰ্য কৃষ্ণৰ মহিমাৰ প্ৰকাশ আৰু নাগপত্নীৰ স্তুতিৰ মাজত বিকশি উঠিছে কৃষ্ণৰ ব্ৰহ্মময় ৰূপ। গকুলত নন্দ-যশোদাই প্ৰতি মুহূৰ্ততে নিজৰ বিষয়ে সজাগ উদাহৰণ ৰূপে পুতনা ৰাক্ষসীয়ে দিব্যৰূপ লৈ মানুহৰ ঘৰে ঘৰে শিশু বিচাৰি ফুৰিছে। গকুলবাসীয়ে পুতনাক চিনিব পৰা নাই। বৰং দিব্য ৰূপধাৰী পুতনাৰ সৌন্দৰ্যত মুগ্ধ হৈছে শুই থকা নন্দ দুলালে জানিছে লোকদৃষ্টিৰ আঁৰত নিজৰ ঐশ্বৰিকত্বক বাস্তৱায়িত কৰি ৰখাটোৱেই কৃষ্ণ চৰিত্ৰৰ মাহাত্ম্য প্ৰকাশ, পুতনাক বধ কৰিবলৈকে কৃষ্ণই ‘আছাৰন্ত ভৰি ভোকে কান্দন্ত শয্যাত ইয়াৰ পিছত আনে নজনাকৈ পুতনাই কৃষ্ণক কোলাত তুলি লৈ বিষাক্ত স্তন পানেৰে কৃষ্ণক মাৰিব নোৱাৰি মৃত পুতনাৰ অদ্ভুত ভয়ানক শৰীৰটোৰ ওপৰত কৃষ্ণক দেখি নন্দ যশোদা ৰোহিণী সমন্বিতে গোপ গোপীসকলে কৃষ্ণক সাৱটি ধৰিছে। যশোদামাই বান্ধি থোৱা কৃষ্ণৰ আৰু নল উৰালটো দুয়োজোপা অৰ্জুন গছ উভালি পৰিল ঘটনাংশ এই দুই দিব্যপুৰুষ পূৰ্বতে নাৰদৰ দ্বাৰা পাপগ্ৰস্থ। মণিগ্ৰীৱ আৰু নল দুয়ো বৃক্ষৰূপ লৈ থকা আৰু এনেদৰে কৃষ্ণৰ দ্বাৰা বন্ধন মুক্তিৰ ঘটনাও পূৰ্বনিৰ্দিষ্ট এয়াই কৃষ্ণৰ মাহাত্ম্য। হামি মৰাৰ ছলেৰে যেতিয়া যশোদাক নিজৰ মুখগহ্বৰত জগতখন দেখা পায়, তেতিয়াও এই সত্যই প্ৰকাশ পাইছে। সেয়ে তেওঁ ভজনীয় দেৱতা প্ৰথম কৰুণাময় ৰূপত। গো-গোপবালকৰ প্ৰতি থকা কৃষ্ণৰ আত্মীয়তা আৰু দায়বদ্ধতাৰ পৰা ওপজা কৰুণা। দ্বিতীয়তে সাহস আৰু বীৰত্ব এয়া কোনো সাধৰণ মানৱ শিশুৰ বাবে বাস্তৱ নহয়। যি হ্ৰদৰ পানী খাই সকলোৰে প্ৰাণ গৈছে, যি বিষৰ জ্বালাত গছ-লতাও মৰি গৈছে, সেই বিষময় পানীত কৃষ্ণই বিনা দ্বিধাই জাপ দিছে। তৃতীয়তে কৃষ্ণৰ ৰূপ পৰম সুন্দৰ ৰূপ লাৱণ্য প্ৰচুৰ দেখি বৌটি কন্দৰ্পৰো দৰ্প হোৱে চুৰ। জগতৰ সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ অধিকাৰী সৰ্বগুণৰ আধাৰ স্বৰূপ ভগৱন্তৰ সকলো কাৰ্যই মূলত লীলাবিলাস। তাত সাধনালব্ধ মহত্ব নাথাকে। বকাসুৰ, অঘাসুৰ, পুতনা, কালী নাগ আদিবোৰ তেওঁৰে সৃষ্টি, শক্তিৰ প্ৰকাশ ভগৱন্তৰ শক্তি সামৰ্থৰ তুলনাত আন সকলোবোৰেই ক্ষুদ্ৰৰো ক্ষুদ্ৰতম। তেনেস্থলত ভাগৱন্ত ৰূপে বা বিষ্ণু ৰূপে এইবোৰ ক্ষুদ্ৰ শক্তি নিধনৰ মাজত কোনো বীৰত্ব, মহত্ত্ব বা আন গুণৰ প্ৰকাশ নাপায়। আধ্যাত্মিক বিচাৰত সেয়া ভগৱন্তৰ লীলা।

মহত্ব থাকে সাধনাৰ মাজত, সীমাবদ্ধতাৰ মাজত সাধন কৰা বিৰাট কৰ্মতহে মহত্ব থাকে। সেয়ে ভগৱন্তৰ লীলাক মহত্বৰ সাজ দিবলৈ মানৱীৰূপী কৃষ্ণৰ অংকন। এটা স্বাভৱিক মানৱ শিশুৰূপে কৃষ্ণৰ আচৰণৰ পৰা সাধাৰণ মানুহে কৃষ্ণৰ দৰেই উপলব্ধি কৰে। মানৱ ৰূপত কৃষ্ণক অংকন কৰাৰ বাবে কৃষ্ণৰ লগত পাঠক-শ্ৰোতাৰ সম্পৰ্ক সহজ হয়। আনহাতে কৃষ্ণৰ অসাধাৰণ কাৰ্যকলাপে বিস্ময় আৰু আচৰ্যৰ ভাৱ আনে। এই ভাৱৰ পৰাহে কৃষ্ণৰ মাহাত্ম্যৰ উপলব্ধি হয়। সেইবাবে দৈৱিক

https://howlyraasmahotsav.org/

সত্তাক দৈৱিক ৰূপত অংকন নকৰি মানৱী ৰূপত অংকন কৰা হৈছে। আদি দশমৰ কৃষ্ণ চৰিত্ৰৰ মাহাত্ম্যৰ অন্য এক দিশ হ'ল— এফালে পৰম পুৰুষ ঈশ্বৰ আৰু আনফালে মানৱ। চিৰন্তন শিশুৰূপৰ মাজেৰে মাতৃ-পুত্ৰৰ সম্পৰ্কৰ স্বৰ্গীয় অনুভৱ, লগৰীয়াৰ সৈতে সম্পৰ্কৰ আত্মীয়তা, সংবেদনশীলতা, আনৰ দুখ-যন্ত্ৰণাৰ প্ৰতি সমমৰ্মিতা, দায়বদ্ধতা আৰু নৈসৰ্গিক জগতৰ সৈতে এক নিবিড় অটুট বন্ধন। এই আটাইবোৰ গুণৰ সমাবেশ ঘটিছে কৃষ্ণৰ মাজত। অত্যন্ত প্ৰতিকূলতাৰ মাজতো উগ্ৰতাৰ বিপৰীতে সাম্যৰূপ, হিংসাৰ প্ৰত্যুত্তৰতো ক্ষমা, আনৰ দুখ-কাৰুণ্যৰ প্ৰতি সহনশীলতা ইত্যাদি বিভিন্ন ৰূপত কাহিনীৰ মাজত উজলি আছে কৃষ্ণ। আদি দশমত মহাপুৰুষ শংকৰদেৱে উপস্থাপন কৰা আধ্যাত্মিক বিষয়সমূহ উপস্থাপন কৰিবলৈ প্ৰয়াস কৰা হৈছে। কেৱল মানুহেই নহয়, সকলো জীৱৰ ক্ষেত্ৰতে জীৱদেহটো সক্ৰিয় আৰু সংবেদনশীল কৰি ৰখাৰ আঁৰত আত্মাৰ কল্পনা কৰা হৈছে।

এই আত্মাও আকৌ 'পৰমাত্মা' নামৰ অনন্ত ব্যাপ্ত বিৰাট সত্তাৰ অংশ মাত্ৰ। জীৱ জগতৰ সৃষ্টি আৰু স্বৰূপ, পৰমাত্মা বা পৰম ব্ৰহ্মৰ স্বৰূপ, জীৱ-জগত আৰু পৰম ব্ৰহ্মৰ সম্পৰ্ক, জীৱনৰ দুখ-যাতনাৰ কাৰণ আৰু এইবোৰৰ পৰা মুক্তিৰ প্ৰাপ্তি উপায় বিষয়সমূহৰ চিন্তাৰ আৰু বিশ্লেষণেই আধ্যাত্মিক তত্ত্ব। বেদ-উপনিষদ, গীতাৰ পৰা আৰম্ভ কৰি পুৰাণ-মহাকাব্যলৈ সমগ্ৰ ভাৰতীয় সাহিত্যই আধ্যাত্মিক তত্ত্ব প্ৰতিপাদক শাস্ত্ৰ। ভাগৱত পুৰাণখন ভক্তিমাৰ্গৰ প্ৰতিষ্ঠাৰ বাবেই ঐতিহাসিকভাৱে এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ। শংকৰদেৱে ভাগৱত অনুবাদৰ উদ্দেশ্যও আছিল ভক্তি তত্ত্বক জনপ্ৰিয় কৰা। শংকৰদেৱে যি নতুন ধৰ্মীয় আদৰ্শ প্ৰতিষ্ঠা কৰিছিল তাৰ মূল আদৰ্শ হ'ল ভক্তি। ভক্তি মানে পূজ্য লোকৰ প্ৰতি একান্ত আনুগত্য প্ৰকাশ। ভক্তিৰ আধাৰ হ'ল প্ৰভু দাস সম্পৰ্ক। প্ৰভুৰ প্ৰতি দাসৰ একান্ত শ্ৰদ্ধা আনুগত্যই ভক্তি। শংকৰদেৱৰ ধৰ্মত প্ৰভু মানেই 'কৃষ্ণ'। কৃষ্ণ আকৌ স্বয়ং ভগৱান, সকলো দেৱতাৰ দেৱতা, কৃষ্ণই সৃষ্টি-স্থিতি-প্ৰলয়ৰ অধিকাৰী, সকলো অৱতাৰৰ কাৰণ কৃষ্ণৰ বাহিৰে সকলো দেৱতাই মায়াধীন; কৃষ্ণহে কেৱল মায়াধীশ। সেইবাবে কৃষ্ণহে একমাত্ৰ উপাস্য দেৱতা; সকলো জীৱই ভগৱন্তৰ সৃষ্টি আৰু নিয়ন্ত্ৰণাধীন। কৃষ্ণৰ প্ৰতি একমাত্ৰ জীৱৰ প্ৰয়োজনীয় কৰ্ম কাৰণ ভক্তিয়েই মুক্তিৰ একমাত্ৰ উপায়। ভক্তি কেইবা প্ৰকাৰৰ— অৰ্চন, বন্দন, পদসেৱন, শ্ৰৱণ্ , কীৰ্তন আদি মুঠ নবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তনেই শংকৰদেৱৰ আদৰ্শ মতে শ্ৰেষ্ঠ। সেয়েহে সত্য যুগত ধ্যান, ত্ৰেতা যুগত যজ্ঞ, দ্বাপৰত পূজা আৰু কলিযুগত হৰিনাম কীৰ্তন। এয়ে চাৰি যুগৰ চাৰি সাৰ্থক উপাসনা পদ্ধতি। সেইবাবে কলিযুগত কৃষ্ণভক্তিৰ বাহিৰে আন উপায় নাই। কীৰ্তন শ্ৰৱণ হ'ল সৰ্বোৎকৃষ্ট কাৰণ, একান্তভাৱে কৃষ্ণত মাত্ৰ শৰণ ল'লেহে জীৱই অপ্ৰয়াসে মুক্তি পাব পাৰে। গীতা, ভাগৱত আদি প্ৰামাণ্য শাস্ত্ৰৰ মত।

হৃদয় সমুদ্ৰৰ দৰে গভীৰ আৰু আকাশৰ দৰে বহল হ'ব লাগে, জগতৰ আটাইতকৈ উন্নতিশীল জাতি বিলাকৰ দৰে আমিও উন্নত হ'ব লাগিব। অতীতৰ ফালে চোৱাৰ প্ৰয়োজন নাই, আগৰফালে চোৱা, আমাক লাগে অসীম শক্তি, দুৰ্জেয় সাহস আৰু অসীম ধৈৰ্য। তেতিয়াহে আমি মহৎ কাৰ্য সাধন কৰিব পাৰিম। এটি আদৰ্শ লোৱা, ইয়াক জীৱনসংগী কৰা, ইয়াতে চিন্তা কৰা, ইয়াতে সপোন দেখা, ইয়াতে জীয়াই থাকা, ইয়াতে সন্তুষ্টি লাভ কৰা, এয়ে কৃতকাৰ্যতাৰ একমাত্ৰ উপায়। খং নকৰিবা নিজৰ সৰ্বনাশ হ'ব। অহংকাৰ নকৰিবা পতন হ'ব। কাকো ঘৃণা নকৰিবা নিজেও ঘৃণিত হ'বা।

— স্বামী বিবেকানন্দ

সংগ্ৰাহক ঃ **জয়ন্ত বৰুৱা**

https://howlyraasmahotsav.org/

পুঠিমাৰী অঞ্চলৰ শ্ৰী শ্ৰী বুঢ়ী আই থান ঃ দেৱী মাহাত্ম্যৰ অন্য এটি ৰূপ

চন্দামিতা দাস

লোক সংস্কৃতিৰ অন্যতম অংগ হৈছে লোক-বিশ্বাস। এই লোক-বিশ্বাসসমূহৰ ভেটিতে এটা জাতিৰ বা এখন সমাজৰ ৰীতি-নীতি, ধ্যান-ধাৰণা, ৰুচি-অভিৰুচি, ভাৱাদৰ্শ, বিশ্বাস আদিৰ প্ৰতিফলন ঘটে। লোক-বিশ্বাস সমূহেই সময়ত গৈ এখন সমাজৰ ইতিহাস ৰচে আৰু এই লোক-বিশ্বাসৰ অন্তৰ্গত ধৰ্মীয় বিশ্বাসৰ মূলতেই ঠায়ে ঠায়ে বিভিন্ন দেৱ-দেৱীৰ সৃষ্টি হোৱা বুলি ক'ব পাৰি। এই ধৰ্মীয় বিশ্বাসৰ ভেটিতেই বৃহত্তৰ বৰনগৰৰ (সৰভোগ) পুঠিমাৰী অঞ্চলত অৱস্থিত শ্ৰীশ্ৰী বুঢ়ী আই থানৰ উৎপত্তি।

এতিহ্যমণ্ডিত বৃহত্তৰ বৰপেটা জিলাৰ বৰনগৰ (সৰভোগ) অঞ্চলৰ পুঠিমাৰী গাঁৱত অৱস্থিত দেৱী মাহাত্ম্যৰ অন্যতম থান হিচাপে পৰিচিত শ্ৰী শ্ৰী বুঢ়ী আইৰ থান। এই থানখনৰ উৎপত্তি সম্পৰ্কীয় কোনো সঠিক তথ্য পোৱা নাযায় যদিও স্থানীয় লোকৰ জনশ্ৰুতি অনুসৰি এই থান গঢ়ি উঠিছিল প্ৰায় ২০০-৩০০ বছৰ আগতে। এই থান গঢ়ি উঠাৰ বহুতো কাহিনী বৰ্তমান স্থানীয় লোকৰ মুখে মুখে প্ৰচলিত। সেই কাহিনী বা কিংবদন্তি এনেধৰণৰ— বৰনগৰৰ পুঠিমাৰী গাঁৱৰ পূব দিশত এখন অতি মনোমোহা বিল আছে। বিলখন বৰ্তমান 'সৰভোগ বিল' হিচাপে পৰিচিত। সেউজীয়া ঘাঁহ-বন, গছ-গছনিৰে আৱৰা বিলখনৰ চৌপাশৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মনোমুগ্ধকৰ। এই বিলৰ পাৰতেই বুঢ়ী আইগৰাকীৰ উৎপত্তি স্থল বুলি পুঠিমাৰীবাসী ৰাইজৰ মুখে মুখে প্ৰচলিত। লোকশ্ৰুতি অনুসৰি পূৰ্ণিমাৰ জোনাক নিশা আইগৰাকীয়ে শুভ্ৰ সাজ পৰিধান কৰি বিলৰ পাৰে পাৰে বিচৰণ কৰে। এই দৃশ্য প্ৰথমে দুই-এজন স্থানীয় লোকৰ দৃষ্টিগোচৰ হোৱাত পিছলৈ সেই দৃশ্য উপভোগৰ বাবে গাঁৱৰ সকলো ৰাইজৰে পূৰ্ণিমা তিথিলৈ অপেক্ষা কৰি থাকে। এনেদৰে দেৱী আইক দৰ্শন কৰাৰ ফলত ৰাইজৰ অন্তৰত আপোনা-আপুনি ভক্তিভাৱৰ সঞ্চাৰ হ'ল আৰু সকলোৰে পূৰ্ণিমা তিথিত বুঢ়ী আইক দৰ্শন কৰিবলৈ অধীৰ আগ্ৰহেৰে বাট চাই থকা হ'ল। এনেকৈ গাঁৱৰ ৰাইজে দেৱী আইগৰাকীক দুৰ্গাৰ এটি ৰূপ বুলি ভাবিবলৈ ল'লে আৰু বুঢ়ী আইৰ চৰণত ধুপ-চাকি-নৈবেদ্যৰে পূজা-অৰ্চনা কৰিবলৈ ল'লে। তদুপৰি গাঁৱৰ ৰাইজৰ অপায়-অমংগল হ'লে এই বুঢ়ী আইগৰাকীক স্মৰণ কৰি মাহ-প্ৰসাদ আগবঢ়ালে ৰাইজৰ দুখ-দুৰ্গতি আঁতৰ হোৱাত আইগৰাকী পুঠিমাৰী ৰাইজৰ আশ্ৰয়ৰ থলী হৈ পৰিল। কালক্ৰমত এই বুঢ়ী আইগৰাকীৰ শক্তি-মহিমা সম্পৰ্কে গোটেই বৰনগৰ জনাজাত হৈ পৰিল। এনেদৰে বিলখনৰ পৰা কিছু আঁতৰত গাঁৱৰ ৰাইজৰ সহযোগত এখন বুঢ়ী আইৰ থান স্থাপন কৰা হ'ল আৰু তেতিয়াৰ পৰা বৰ্তমানলৈকে সেই থানখনতেই বুঢ়ী আইৰ পূজা কৰিবলৈ লোৱা হ'ল।

আন এটা লোকশ্ৰুতি মতে কোনো দুখীয়া নিচলাই বিবাহ অনুষ্ঠিত কৰিলে যদি অতিথিক আপ্যায়নৰ বাবে উপযুক্ত বাচন-বৰ্তনৰ অভাৱ হয়, তেতিয়া বুঢ়ী আইৰ চৰণত তামোল-পাণ, ধুপ-চাকি জ্বলাই একান্ত মনে বাচন-বৰ্তন যোগাৰ কৰি দিবলৈ সেৱা প্ৰাৰ্থনা জনায়; তেতিয়া

https://howlyraasmahotsav.org/

সেই বিলৰ পাৰত বিবাহৰ দিনা উপযুক্ত বাচন-বৰ্তন থুপ খাই থাকে। বিবাহ শেষ হোৱাৰ দিনা আকৌ নিৰ্দিষ্ট ঠাইত বাচন-বৰ্তনসমূহ ধুই-পখালি পৰিষ্কাৰ কৰি থৈ আহিব লাগে। এবাৰ গাঁৱৰ কোনো এঘৰ মানুহে সেই বাচন-বৰ্তনসমূহৰ এবিধ বাচন ওভতাই নিদিলে। তেতিয়াৰে পৰা আইয়ে বাচন দিয়া বন্ধ কৰি দিলে।

এনেদৰে বুঢ়ী আইৰ মহিমা, শক্তি কেৱল পুঠিমাৰী গাঁৱতে সীমাবদ্ধ নাথাকি সমগ্ৰ বৰনগৰ তথা বৰপেটা জিলাৰ ইমূৰৰ পৰা সিমূৰলৈকে প্ৰসাৰিত হ'ল। সম্প্ৰতি প্ৰত্যেক বছৰৰ মাঘ মাহৰ পূৰ্ণিমা তিথিত ৩-৪ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বুঢ়ী আই পূজা সম্পন্ন কৰা হয়। গাঁৱৰ ডেকাৰ পৰা বুঢ়ালৈকে সকলোৱে পূজাভাগ অতি শ্ৰদ্ধা আৰু ভক্তিৰে সম্পন্ন কৰা দেখা যায়। পূজাৰ প্ৰথম দিনা ভক্তিমূলক গীত-পদ, নাম-গুণ গাই, তাল-নাগাৰা, শংখ বজাই বুঢ়ী মাক আদৰি অনা হয় আৰু হোম-যজ্ঞ-মন্ত্ৰৰে সম্পূৰ্ণ নীতি-নিয়মেৰে বুঢ়ী মাক বেদীত স্থাপন কৰা হয় আৰু ভাগৱত পাঠ, আইসকলৰ নাম পৰিৱেশনকে ধৰি বিভিন্ন কাৰ্যসূচীৰে প্ৰায় ৪ দিনলৈকে পূজা কৰা হয়। উল্লেখযোগ্য যে পূজাৰ প্ৰথম দিনা ভক্তপ্ৰাণ ৰাইজে মা-প্ৰসাদ আগবঢ়োৱাৰ উপৰিও মনোবাঞ্ছা পূৰণৰ অৰ্থে যোৰ পাৰ চৰাই, পঠা ছাগলী (বলি দিয়া নহয়), সোণ-ৰূপৰ অলংকাৰ আদি বুঢ়ী আইৰ চৰণত আগবঢ়োৱা হয়।

দুৰ্গাৰ আন এটি ৰূপ বুলি বিশ্বাস কৰা বুঢ়ী আই পুঠিমাৰী ৰাইজৰ বাবে একমাত্ৰ আশা-ভৰসাৰ থল। কিয়নো ৰাইজৰ যিকোনো বিপদ-আপদৰ সময়ত একমাত্ৰ বুঢ়ী আইয়ে ৰাইজক ৰক্ষা কৰি আহিছে বুলি পুঠিমাৰী ৰাইজৰ বিশ্বাস।

সহায়ক গ্ৰন্থ ঃ

১। *বৰনগৰ দাপোণ, সম্পাদনা ঃ কন্দৰ্প পাঠক, ড° দীপ্তিশিখা নাথ*

https://howlyraasmahotsav.org/

এজাক চৰাই

দ্বীপেন কুমাৰ দাস

এজাক চৰাই দোকমোকালিতে
পূবৰ পৰা পশ্চিমলৈ যায়।
সিহঁতৰ উদ্দেশ্য ....
খাদ্যৰ সন্ধান কৰা।
ৰ'দ-বৰষুণ নেওচি হ'লেও
সিহঁত সদায় যায়।
জীৱশ্ৰেষ্ঠ মানৱৰ দৰে
সিহঁতে ভয় নকৰে .... কি ৰ'দ কি বৰষুণ।
সূৰুয থকালৈকে .... সিহঁতৰ কৰ্মব্যস্ততা।
বেলি লহিয়ালে সিহঁত ওভতে।
আত্মবিশ্বাস সিহঁতৰ সাহস।
সেয়ে পোৱালিবোৰ দিনৰ দিনটোত
বাহটোত অকলে এৰি থৈ যায়।

সিহঁত মানৱো নহয় দানৱো নহয়।
সিহঁত দল বান্ধি ওলাই যায়,
ওভতোতে দল বান্ধি ওভোতে।
সিহঁতে মানৱক বুজাই যায়
সিহঁতো জীৱ, সিহঁতৰো ঘৰ আছে,
সিহঁতৰো সংসাৰ আছে।
নাই সিহঁতৰ হিংসা, নাই সিহঁতৰ ভেদাভেদ।
কিন্তু সংগ্ৰাম আছে
সেই সংগ্ৰামত নাই ....
ৰক্তৰ খেলা কিম্বা অৰাজকতা।
আছে মাথোঁ হিংসা বৰ্জিত
আৰু বৈষম্যহীন এক সংগ্ৰাম।

শিশুৰ চৰিত্ৰ গঠনত ঘৰুৱা পৰিৱেশ

কৃষ্ণকান্ত বৰ্মন

শিশুসকলেই দেশৰ ভৱিষ্যত ধৰণী স্বৰূপ। এই শিশুসকলক বাদ দি সমাজৰ দেশৰ উন্নতিৰ কথা ভাবিবই নোৱাৰি। এই শিশুসকলৰ প্ৰথম আৰু নিশ্চিত আশ্ৰয় হৈছে নিজৰ ঘৰখনৰ লগতে পিতৃ-মাতৃ। শিশুৰ চৰিত্ৰ গঠনত মাতৃৰ প্ৰভাৱ অপৰিসীম। মনোবিজ্ঞানীসকলৰ দৃষ্টিকোণৰ পৰা কোৱা হয় যে মাতৃ গৰ্ভত সন্তানৰ স্থিতি লাভ হোৱাৰে পৰা আৰম্ভ কৰি কৈশোৰ কালৰ আৰম্ভণিলৈকে দেহ আৰু মানসিক বিকাশৰ সময়ছোৱাৰ অৱস্থাকেই শিশু বুলি গণ্য কৰা হয়। শিশুই জন্মতে কোনো জাতি বা বৰ্ণৰ অন্তৰ্গত হৈ জন্ম লাভ নকৰে। যিহেতু কেৱল শিশু হিচাপেহে জন্ম লাভ কৰে, সেইবাবে সকলো শিশুৰ প্ৰতিভা বিকাশত যাতে ব্যাঘাত নজন্মে তাৰ বাবে ঘৰখন সচেতন হ'ব লাগিব। বিশেষকৈ মাতৃয়ে এই শিশুসকলৰ দৈহিক, মানসিক, আৱেগিক, সামাজিক, আধ্যাত্মিক, নৈতিক আৰু ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিব লাগিব।

আজি আমাৰ ল'ৰা-ছোৱালীবিলাক বিপথগামী হৈছে। বিনা পৰিশ্ৰমে কোটিপতি হোৱাৰ সপোন ৰচিছে। জ্যেষ্ঠসকলৰ অলক্ষিতে নিচাযুক্ত দ্ৰব্য সেৱন, ধৰ্ষণ, লুণ্ঠন, মৰাকটা, মাৰপিট আদি অবাঞ্ছিত কিছুমান আচৰণত লিপ্ত হোৱা দেখা যায়। আজি যেন উঠি অহা নতুন প্ৰজন্মটোকেই মানসিকতা পতনৰ মহামাৰী ৰূপী অৱক্ষয়ে গ্ৰাস কৰি পেলাবৰ উপক্ৰম হৈছে। এনে সংকটপূৰ্ণ পৰিস্থিতিৰ পৰা কেনেকৈ পৰিত্ৰাণ পাব পৰা যায়--- তাৰ কাৰণে সমাজৰ প্ৰতিজন ব্যক্তিয়ে গভীৰভাৱে চিন্তা কৰিব লাগিব। বিশেষকৈ প্ৰতিজন পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিব লাগিব। বিশেষকৈ সন্তানৰ ওপৰত মাতৃৰ দায়িত্ব গধুৰ। এজন মহান যোদ্ধা নেপোলিয়ন বোনাপাৰ্টে কৈছিল--- "মোক এগৰাকী সু-মাতৃ দিয়া মই এটা সু-জাতি দিম"। এই কথাষাৰৰ তাৎপৰ্য্য অতি গভীৰ।

শিশুবিলাকে সৰু কালতেই জীৱনত যি প্ৰেৰণা লাভ কৰে সি ভৱিষ্যৎ জীৱনত প্ৰভাৱ বিস্তাৰ কৰে। কোমল আলসুৱা এটি নিষ্পাপ শিশুক সংসাৰৰ মায়াৰে পৰশিব নোৱাৰাকৈ আৰু তেওঁলোকৰ পৱিত্ৰ আত্মাসমূহক সৎ কৰি গঢ় দিবলৈ ঘৰখনেই আটাইতকৈ উপযুক্ত স্থান। নিজ ঘৰখনৰ পৰিৱেশতেই শিশুসকলৰ চৰিত্ৰ মূল ভেটি গঢ় লৈ উঠে। যিখন ঘৰত পুৱা-গধূলি ভগৱানৰ নামত এগছি ভক্তি প্ৰদীপ জ্বলোৱা হয়, সেই ঘৰখনৰ শিশু ভৱিষ্যতে কেতিয়াও বিপথে যাব নোৱাৰে। শিশুৰ মন ভগৱৎমুখী কৰিবৰ কাৰণে সৰুৰে পৰাই দৈনন্দিন প্ৰাৰ্থনা কৰাৰ অভ্যাস গঢ়ি তুলিব লাগে। শিশুৰ মনত ধৰ্মৰ তাত্ত্বিক ভাৱ পিতৃ-মাতৃয়ে জগাই তুলিব লাগিব। পৰিয়ালৰ লোকসকলৰ পাৰস্পাৰিক গ্ৰহণযোগ্যতা, বুজা-পৰা, বিশ্বাসৰ মনোভাৱ আৰু সহৃদয়তা আদিয়ে শিশুৰ মনত মানৱীয় অনুভূতি উপলব্ধি কৰাত বিশেষ সহায় কৰে।

শিশুৰ কাম-কাজ, চিন্তাধাৰা আদিৰ প্ৰতি লক্ষ্য ৰাখি শিশুক অনুশাসন কৰোঁতে এইটোও লক্ষ্য ৰাখিব লাগে যাতে শিশুৰ প্ৰতি থকা আচৰণ কঠোৰ অনুশাসনমূলক

https://howlyraasmahotsav.org/

নহয়। শিশুই প্ৰধানকৈ মাকৰ লগতে ঘৰখনৰ পৰিবেশৰ ওপৰতে তাৰ দৈহিক আৰু মানসিক প্ৰয়োজনবোৰ পূৰণৰ বাবে নিৰ্ভৰশীল। এনে অৱস্থাত ঘৰখনে শিশুৰ প্ৰতি যেনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে, সেই প্ৰতিক্ৰিয়াই শিশুৰ মনত গভীৰভাৱে ঠাই পায়। সেয়ে ঘৰখনে শিশুক আনৰ প্ৰতি শ্ৰদ্ধা, ভক্তি, মৰম, স্নেহ, সহনশীলতা, সহিষ্ণুতা, সহানুভূতি, সহৃদয়তা, সহযোগিতা, মানৱীয় মূল্যবোধৰ অনুভূতিবোৰৰ জ্ঞান দিব লাগে। শিশুৰ মনটো অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু পৰচৰ্চাৰ পৰা মুক্ত কৰি ৰাখিব লাগে। ভাগৱতে আমাক কৈছে —

জ্যেষ্ঠজনে কৰে গৰহিত কৰ্ম।
অন্যো অন্যে ভাৱে তাক সেহি মহা ধৰ্ম।।

গতিকে দেখা যায়, শিশুসকলে পিতৃ-মাতৃ বা বয়োজ্যেষ্ঠসকলৰ কৰ্মৰাজিকে শুদ্ধ ভাবি অনুসৰণ কৰি যায়। গতিকে পৰিয়ালৰ সদস্যসকলে নিজে আচৰণ কৰি ল'ৰা-ছোৱালীক আধ্যাত্মিক জ্ঞান দিব লাগিব। শংকৰদেৱে কৈছে — "আপুনি আচৰি ধৰ্ম আনক শিখাইবে"।

বেদত কৈছে — "সত্যতকৈ ডাঙৰ ধৰ্ম নাই আৰু অসত্যতকৈ ডাঙৰ পাপো নাই"। সত্যই সুন্দৰ। সুন্দৰ হৈছে ভগৱান। এনে ধৰণৰ কথাবিলাক পৰিয়ালৰ জ্যেষ্ঠসকলে কোমল মনৰ শিশুসকলক তেওঁলোকৰ মন চুই যোৱাকৈ শিকাব লাগে। আন এটা বিশেষ কথা মন কৰিব লাগে যে— শিশুসকলে সকলো সময়তেই সাত্বিকভাৱে আহাৰ গ্ৰহণ কৰিবলৈ পাইছেনে নাই। কাৰণ অন্নৰ পৰা ৰস, ৰসৰ পৰা ৰক্ত, ৰক্তৰ পৰা মাংস, মাংসৰ পৰা শুক্ৰ বা বীৰ্যৰ উৎপত্তি হয়। গতিকে বৰ্তমানৰ শিশুসকলে যাতে অশুদ্ধ অন্ন গ্ৰহণ কৰি তেওঁলোকৰ মনটো মানসিকভাৱে বিকাৰগ্ৰস্থ হ'বলৈ নাপায় তাৰ কাৰণে পিতৃ-মাতৃয়ে বিশেষভাৱে দায়িত্ব পালন কৰিব লাগিব।

আহাৰ শুদ্ধ হ'লে সৎ বস্তুৰ দৰ্শন হয়। সৎ বস্তুৰ দৰ্শন হ'লে সমস্ত হৃদয় গ্ৰন্থিয়েই ভগৱন্তমুখী হয়। শেষত ক'বলৈ বিচাৰিছোঁ, মাতৃগৰাকী যদি শুদ্ধ সদাচাৰী সত্য শৌচ ক্ষমা দয়া আদি গুণৰ অধিকাৰী হয়, তেনেহ'লে তেনে মাতৃৰ সন্তান কেতিয়াও উশৃংখল মানসিকতাৰে গঢ় ল'ব নোৱাৰে। তেওঁলোকৰ এই মহৎ গুণৰ দ্বাৰাই মাতৃ জাতিয়ে উঠি অহা কণ কণ ল'ৰা-ছোৱালীক আধ্যাত্মিক চিন্তা-চেতনাৰে দীক্ষিত কৰি একোখন শান্তি শৃংখলিত প্ৰেমময় সমাজ নিশ্চয় গঢ়ি তুলিব পাৰিব।

https://howlyraasmahotsav.org/

তুমি উৎসৱ

প্ৰদীপ কুমাৰ দাস

তোমাৰ চৌদিশে
উৎসৱৰ পয়োভৰ
উচ্ছল সেউজৰ আয়োজন
নালাগে ফাগুনৰ পচোৱা
নালাগে শৰতৰ সন্ধিয়া
নালাগে দীপাৱলীৰ বন্তি
দুপৰ নিশাও শেতেলি বগায়
ধূসৰ সপোন
তোমাৰ নয়ন পৰশত
ফুলি উঠে ভিতৰি ভিতৰি এখন
জক্‌মক্ জোনাকৰ ফুলনি
কাষলৈ আহিলে
ৰজনীগন্ধাই আমোলমোলায়
মনৰ ভিতৰ বাহিৰ
কথাত বিচাৰি পাওঁ
কৃষ্ণ-কানাইৰ বাঁহীৰ সুৰ
যি সুৰত বস্ত্ৰ পাহৰি
উলংগ হৈ নাচে গোপিনী
আনন্দ-বেজাৰৰ বতাহে
গৰকি যায়
হিয়াৰ পদূলি ...

উৎসৱ, সামাজিকীকৰণ, আধ্যাত্মিকতা ইত্যাদি

উদ্ধৱ দেৱ দাস

আমাৰ দেশ ভাৰতবৰ্ষক 'উৎসৱৰ দেশ' বুলি কোৱা হয়। বিভিন্ন জাতি, ভাষা, ধৰ্ম আদিৰ মিলনভূমি ভাৰতবৰ্ষত বছৰৰ প্ৰায় বেছিভাগ সময়তে বিভিন্ন সামাজিক আৰু ধৰ্মীয় উৎসৱ পালিত হয়। এই উৎসৱসমূহে ভাৰতীয় বৈচিত্ৰ্যময়ী সংস্কৃতিৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তদুপৰি এই উৎসৱসমুহে বিভিন্ন ধৰ্মীয় তথা ভাষিক লোকৰ মাজত প্ৰেম, ভ্ৰাতৃত্ব-সমন্বয়ৰ এনাজৰী সুদৃঢ় কৰে। সামাজিক আৰু ধৰ্মীয় উৎসৱসমূহে যিদৰে সমাজত ভ্ৰাতৃত্ববোধৰ বা সময়ৰ বাট মুকলি কৰে, ঠিক তেনেদৰে ব্যক্তিৰ সামাজিকীকৰণতো এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলায়। ব্যক্তিৰ সামাজিকীকৰণ এক জীৱনজোৰা প্ৰক্ৰিয়া, যিটো এক পৰ্যায়ক্ৰমে বিকাশিত হয়। সাধাৰণ অৰ্থত "সামাজিকীকৰণ" বুলিলে এজন ব্যক্তিয়ে সমাজৰ বিভিন্ন লোকৰ সৈতে সম্প্ৰীতিৰে বাস কৰি, সমাজৰ উন্নতি হেতু সমন্বিত প্ৰচেষ্টা চলোৱাকে বুজা যায়। মনোবিজ্ঞানীসকলে ব্যক্তিৰ পূৰ্ণ বিকাশৰ দুটা ঘাই কাৰক উল্লেখ কৰিছে। ইয়াৰে প্ৰথমটো বংশতত্ব (৫০) আৰু আনটো পৰিৱেশ (৫০)। সেয়ে ব্যক্তিত্বগঠনত সামাজিক পৰিৱেশে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি দৃঢ়ভাৱে ক'ব পাৰি। আকৌ শিক্ষাৰ চাৰিটা উদ্দেশ্যৰ ভিতৰত এই সামাজিকীকৰণ অন্যতম। মানুহে নজনাটো জানিবলৈ কোনো কাম কৰিবলৈ, আত্মপ্ৰতিষ্ঠা হেতু কিবা হবলৈ আৰু সমাজত সুশংখলভাৱে জীয়াই থাকিবলৈ শিকে। ইয়াৰ ভিতৰত চতুৰ্থটো অৰ্থাৎ 'সামাজিকীকৰণ'টো আটাইতকৈ কঠিন বুলি কোৱা হয়। সেয়ে বাস্তৱিক ক্ষেত্ৰত এইটো দেখা যায় যে, অকল সামাজিকীকৰণৰ অভাৱত, বাকী তিনিটা উদ্দেশ্যৰ সফলপ্ৰাপ্তিৰ পিছতো ব্যক্তি এগৰাকীয়ে সমাজত এক সফল আৰু শান্তিপূৰ্ণ জীৱন যাপন কৰিব নোৱাৰে। 'সামাজিকীৰণ' প্ৰক্ৰিয়াই, ব্যক্তিয়ে সামাজিক গুণসমূহ আয়ত্ব কৰি, সমাজত সুস্থ বাতাৱৰণ সৃষ্টি আৰু ব্যক্তিত্বৰ উন্নীতকৰণ সামৰি লয়। এই ক্ষেত্ৰত উৎসৱসমুহে এই দীৰ্ঘম্যাদী প্ৰক্ৰিয়াৰ উত্তৰণ ঘটাত যথেষ্ট অৰিহণা যোগায়। উৎসৱ এটি পালনৰ ক্ষেত্ৰত উৎসৱটিৰ পৰিকল্পনা আৰু পৰিচালনা আৰু পৰিসমাপ্তি, এই তিনিটা ক্ষেত্ৰতে ব্যক্তি এগৰাকীয়ে সমাজৰ আন লোকৰ সৈতে মিলি কাম কৰে। ইয়ে ব্যক্তিৰ ব্যক্তিত্বত সহযোগিতা, সহানুভূতি, নেতৃত্ব প্ৰদান, সিদ্ধান্ত গ্ৰহণ, আত্মীয়তা আদিকে ধৰি অনেক গুণৰ বিকাশ ঘটায়। ফলস্বৰূপে ব্যক্তিয়ে সামাজিকীকৰণ প্ৰক্ৰিয়াৰ অধিক উত্তৰণ ঘটাব পাৰে। এই উত্তৰণৰ জৰিয়তে অন্তঃমুখী, বহিঃমুখী আৰু উভয়মুখী তিনিপ্ৰকাৰৰ ব্যক্তিত্বৰ লোকে সমাজত সামাজিক গতিশীলতা আৰু সামাজিক মৰ্যদা লাভ কৰিবলৈ সমৰ্থ হয়। বিভিন্ন সময়ত পালন কৰা সামাজিক আৰু ধৰ্মীয় উৎসৱসমূহে ব্যক্তিৰ জীৱনত সামাজিকীকৰণ আৰু আধ্যাত্মিকতাৰ উন্মেষ ঘটায়। দকৈ চাবলৈ গ'লে দেখা যায় দুয়োটা বৰ গভীৰ অৰ্থপূৰ্ণ আৰু পাৰস্পৰিক মিল থকা বিষয়। সাধাৰণ অৰ্থত 'আধ্যাত্মিকতা' বুলিলে এক চিৰন্তন তথা সৰ্বশক্তিমান অবিনাশী শক্তিৰ ওপৰত গভীৰ আস্থা ৰখা, আৰু মানৱীয় গুণৰ বিকাশ ঘটাই নৈতিকতাৰ ওপৰত বিশ্বাস ৰখা অৱস্থাটোকেই বুজা যায়। আধ্যাত্মিকতাই ব্যক্তিৰ জীৱনত ইতিবাচক দৃষ্টিভংগীৰ বিকাশ ঘটায় আৰু আত্মপ্ৰশান্তিৰ বাট মুকলি কৰে।

https://howlyraasmahotsav.org/

অনুবাদ সাহিত্যৰ পৰিচয় আৰু অসমীয়া অনুবাদ

দীক্ষিতা বায়ন

অনুবাদ সাহিত্যত মূল পাঠৰ ভাষা বুজাবলৈ উৎস ভাষা বা স্ৰোত ভাষা শব্দটি আৰু যি ভাষালৈ অনুবাদ কৰা হয় সেই ভাষাক বুজাবলৈ লক্ষ্য ভাষা বা গ্ৰাহিণী ভাষা শব্দকেইটা ব্যৱহাৰ কৰা হয়। অনুবাদত অনুবাদজন হ'ল এজন মুখ্য পৰিবাহক। সাহিত্যৰ অনুবাদৰ ক্ষেত্ৰত প্ৰয়োজনীয় দিশবোৰ হ'ল শব্দগত অৰ্থ, ষ্টাইল, লেখন পদ্ধতি, লেখন শৈলী, আৰোপিত অৰ্থ, বাৰ্তা আদি।

https://howlyraasmahotsav.org/

অনুবাদ সাহিত্যৰ পৰিচয় ঃ অনুবাদ হ'ল এক ভাষান্তৰ প্ৰক্ৰিয়া। সাম্প্ৰতিক সময়ত বিদ্যায়তনিক ক্ষেত্ৰত অনুবাদৰ গুৰুত্ব বৃদ্ধি পাইছে। মানুহৰ বৌদ্ধিক বিকাশত অনুবাদে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সংস্কৃতৰ 'ৱদ' ধাতুৰ লগত 'ঘঞ' প্ৰত্যয় সংযোগ কৰি 'ৱাদ' শব্দটো সৃষ্টি হৈছে আৰু ইয়াৰ লগত 'অনু' উপসৰ্গৰ সংযোগ হৈ অনুবাদ হৈছে। অনু শব্দটিয়ে 'পাছত' অৰ্থ আৰু 'ৱদ' শব্দটিয়ে কোৱা অৰ্থ বহন কৰিছে। অনুবাদ শব্দটিৰ ব্যুৎপত্তিগত অৰ্থই বুজায় যে কোনো এটা পাঠৰ ভাষা অন্য এটা ভাষাত পুনৰাবৃত্তি বা পুনঃ কথনেই হ'ল অনুবাদ।

অনুবাদ সাহিত্যত মূল পাঠৰ ভাষা বুজাবলৈ উৎস ভাষা বা স্ৰোত ভাষা শব্দটি আৰু যি ভাষালৈ অনুবাদ কৰা হয় সেই ভাষাক বুজাবলৈ লক্ষ্য ভাষা বা গ্ৰাহিণী ভাষা শব্দকেইটা ব্যৱহাৰ কৰা হয়। অনুবাদত অনুবাদকজন হ'ল এজন মুখ্য পৰিবাহক। সাহিত্যৰ অনুবাদৰ ক্ষেত্ৰত প্ৰয়োজনীয় দিশবোৰ হ'ল শব্দগত অৰ্থ, ষ্টাইল, লেখন পদ্ধতি, লেখন শৈলী, আৰোপিত অৰ্থ, বাৰ্তা আদি। ইয়াৰ উপৰিও অনুবাদকৰ ধৈৰ্য্য, একাগ্ৰতা আৰু মানসিক শ্ৰমক অবিহনে অনুবাদ কাৰ্য সফল নহয়। অনুবাদ সাহিত্যৰ ইতিহাস বিচাৰিলে গম পোৱা যায় যে পশ্চিমীয়া দেশত অনুবাদৰ তাত্ত্বিক চিন্তা-চৰ্চা যীশুখ্ৰীষ্টৰ জন্মৰ আগতেই চলিছিল। অনুবাদ সম্পৰ্কীয় বিভিন্ন মতান্তৰ চলি থকাৰ মাজতে ১৫২২ খ্ৰীষ্টাব্দত মাৰ্টিন লুথাৰে জাৰ্মান ভাষালৈ বাইবেল অনুবাদ কৰিছিল। ১৭৯১ চনত প্ৰথমখন অনুবাদ সম্পৰ্কে আলোচনা থকা কিতাপ এ. এফ. টাইটলাৰে ৰচনা কৰিছিল। ইংৰাজী ভাষাত ৰচনা কৰা এই গ্ৰন্থখনৰ নাম হ'ল Essay on the Principles of Translation.

অনুবাদ সাহিত্যৰ লক্ষ্য আৰু পৰিসৰ ঃ অনুবাদ সাহিত্যৰ মূল লক্ষ্য হ'ল বেলেগ বেলেগ ভাষা, সংস্কৃতি আৰু সমাজৰ মাজত যোগসূত্ৰ স্থাপন কৰা। দুটা ভিন্ন ভাষাৰ মাজৰ প্ৰাচীৰ ভাঙি অনুবাদে কোনো এক ভাষাৰ সাহিত্যৰ সোৱাদ অন্য এক ভাষাত ল'বলৈ সুবিধা কৰি দিয়ে। অনুবাদৰ ক্ষেত্ৰত যোগ্যতা, প্ৰশিক্ষণ, অভ্যাস আদিক বাদ দি চলিব নোৱাৰি। অনুবাদ সাহিত্যক বিজ্ঞান, কলা, শিল্প এই সকলোবোৰৰ সমাহাৰত সৃষ্টি হোৱা

সাহিত্যৰ এক সুকীয়া শাখা বুলি ক'ব পৰা যায়।

অনুবাদৰ পৰিসৰ যথেষ্ট বিস্তৃত। অনুবাদৰ ভূমিকা থকা কিছুমান ক্ষেত্ৰ হ'ল— বাৰ্তালাপ, পত্ৰ যোগাযোগ, ধৰ্ম, ন্যায়ালয় সম্পৰ্কীয় কাৰ্যালয়, জনসংযোগ মাধ্যম, আন্তঃৰাষ্ট্ৰীয় যোগাযোগ সাহিত্য, শিক্ষা, বিজ্ঞান আৰু টেক্‌ন'ল'জী আদি।

বিভিন্ন ধৰণৰ দেশী-বিদেশী, কোম্পানীৰ পৰা মালবস্তু ক্ৰয়-বিক্ৰয়ৰ সময়তো চিঠি-পত্ৰবোৰ অনূদিত ৰূপত প্ৰেৰণ কৰিবলগীয়া হয়। কাৰ্যালয়ৰ মাজত পত্ৰ প্ৰেৰণ, নিয়ম বিনিময়, নথি-পত্ৰ আদি কেতিয়াবা ইংৰাজীলৈ অনুবাদ কৰিবলৈও অনুবাদৰ আশ্ৰয় ল'ব লগা হয়। সাম্প্ৰতিক সময়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ ফলত নতুন অৱিষ্কাৰসমূহৰ পৰা জ্ঞান আহৰণৰ বাবে অনুবাদৰ প্ৰয়োজন হয়। অনুবাদৰ বিস্তৃত পথাৰখন হ'ল সাহিত্য। সাহিত্যই খ্যাতি লাভ কৰি সাৰ্বজনীন হ'বলৈ অনুবাদৰ প্ৰয়োজন হয়। প্ৰাচীন ভাষাবোৰ যেনে ঃ সংস্কৃত, গ্ৰীক আদি নজনা লোকৰ বাবে সেই সাহিত্যৰাজিৰ বিষয়ে জানিবলৈ অনুবাদেই হ'ল একমাত্ৰ মাধ্যম।

https://howlyraasmahotsav.org/

অনুবাদ সাহিত্যৰ প্ৰকাৰ ঃ অনুবাদ সাহিত্যৰ প্ৰকাৰ বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে আগবঢ়াইছে। এই ক্ষেত্ৰত বিভিন্ন ধৰণৰ আধাৰৰ আশ্ৰয় লোৱাও দেখা যায়। যথাগদ্য আধাৰত সাহিত্যিক বিধানসমূহৰ আধাৰত, বিষয়ৰ আধাৰত, অনুবাদৰ প্ৰকৃতিৰ আধাৰত, শৈলীৰ আধাৰত, প্ৰতীকৰ আধাৰত, লিখিত ৰূপ আৰু মৌলিক ৰূপৰ আধাৰত, পাঠ-বিস্তাৰৰ আধাৰত, ভাষান্তৰৰ আধাৰত, অনুবাদৰ সৃষ্টি ধৰ্মিতাৰ আধাৰত আৰু যোগাযোগকাৰী ভূমিকাৰ আধাৰত। অনুবাদৰ প্ৰকৃতিৰ আধাৰত অনুবাদক দুই ধৰণে বিভাজন কৰা হৈছে। মূলনিষ্ঠ অনুবাদ আৰু মূলমুক্ত অনুবাদ। শৈলীৰ আধাৰত অনুবাদক ৬ টা ভাগত ভাগ কৰা হৈছে। যথা-শাব্দিক অনুবাদ, ছায়ানুবাদ, ভাবানুবাদ, ৰূপান্তৰণ, সাৰানুবাদ আৰু ব্যাখ্যানুবাদ। এচাম পণ্ডিতে মূলৰ বিষয়বস্তু আৰু অনুবাদকৰ দৃষ্টিভংগীৰ আধাৰত অনুবাদক ভাষামূলক, তথ্যমূলক, সংস্কৃতিমূলক আৰু সৌন্দৰ্যমূলক ৰূপে বিভাজন কৰিছে। কিছুমানে আকৌ অনুবাদকৰ আধাৰতো অনুবাদক দুই ধৰণে ভাগ কৰে— মানৱকৃত অনুবাদ আৰু যন্ত্ৰকৃত অনুবাদ

অনুবাদ সাহিত্যৰ অধ্যয়ন পদ্ধতি ঃ Gideon Toury নামৰ সমালোচক এজনে তেওঁৰ Translation across culture নামৰ গ্ৰন্থত অনুবাদৰ দুটা পদ্ধতিৰ বিষয়ে উল্লেখ কৰিছে— বৰ্ণনাত্মক অনুবাদ অধ্যয়ন আৰু তত্ত্বমূলক অনুবাদ অধ্যয়ন। বৰ্ণনাত্মক অনুবাদ অধ্যয়ন পদ্ধতিৰ অন্তৰ্গত ভাগবোৰ হ'ল—ফলমুখী বৰ্ণনাত্মক অনুবাদ অধ্যয়ন, কাৰ্যমুখী বৰ্ণনাত্মক অনুবাদ অধ্যয়ন আৰু কাৰ্যপ্ৰণালীমুখী বৰ্ণনাত্মক অনুবাদ অধ্যয়ন। তত্ত্বমূলক অনুবাদ অধ্যয়ন পদ্ধতিৰ অন্তৰ্গত ভাগসমূহ হ'ল— অনুবাদৰ সাধাৰণ সূত্ৰ আৰু আংশিক অনুবাদ সূত্ৰ।

অসমীয়া অনুবাদ সাহিত্য ঃ ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰা কবিসকলে আৰ্য সংস্কৃতিৰ মহাকাব্য 'ৰামায়ণ', 'মহাভাৰত'ৰ আখ্যান অসমীয়ালৈ অনুবাদ কৰি মহাভাৰতীয় মূল্যবোধ, সাংস্কৃতিক আদৰ্শ আদি জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল। শংকৰদেৱৰ নেতৃত্বত বহুতো শৰণাৰ্থীয়ে সৰ্বভাৰতীয় বৈষ্ণৱ শাস্ত্ৰ, পুৰাণ আদি অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। সত্ৰীয়া আৰু ৰজাঘৰীয়া পৃষ্ঠপোষকতাত অসমীয়া অনুবাদ সাহিত্যৰ বৈচিত্ৰ্য বৃদ্ধি হয়। অৰুণোদই যুগত ব্যাপ্টিষ্ট মিছনেৰীসকলে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ অৰ্থে বাইবেলৰ কিছুমান আখ্যান আৰু স্তুতিগীত অসমীয়ালৈ অনুবাদ কৰিছিল। ১৮৮৯ চনৰ পৰা প্ৰকাশিত 'জোনাকী', 'বাঁহী' (১৯০৯), 'উষা' (১৯০৭) আদিয়ে পাশ্চাত্য ভাৱধাৰা আৰু সাহিত্যৰ শৈলী প্ৰচাৰ কৰি অসমীয়া সাহিত্যকো সুপ্ৰতিষ্ঠিত কৰাত সহায় কৰে। তৎসত্ত্বেও পৃথিৱীৰ বিভিন্ন সাহিত্যৰ তুলনাত অসমীয়া ভাষাত অনুবাদ কৰা সাহিত্যৰ পৰিমাণ নিচেই কম হৈ থকা যেন অনুভৱ হয়। ⏮

শ্ৰীকৃষ্ণৰ ৰাস লীলা

জয়মতী দাস

মনোহৰ শৰৎ কালৰ জোনাক ৰাতি বৃন্দাবনত ৰাসলীলা কৰাৰ মন ভাৱনাৰে শ্ৰীকৃষ্ণই সুমধুৰ বংশী বাদনেৰে গীত গাইছিল। কৃষ্ণৰ বংশী বাদনৰ তানে ব্ৰজবালাসকলৰ কামভাবত চিত্ত উতলা হৈ আপোনাৰ প্ৰিয় জীৱন কান্তই বেণুৰ সুৰে স্বামীৰ ঘৰতেই প্ৰতিটো কামত উলট-পালট হৈ গাৰ চেতনা নাইকীয়া হৈছিল। কাণৰ কাণফুলি নাকত পিন্ধিছিল আৰু ভৰিৰ নূপুৰ হাতত পিন্ধিছিল। তাৰ পিছত স্বামীৰ কোনো বাধা নামানি বংশীধ্বনি অনুকৰণ কৰি লৰ মাৰিছিল। আকৌ কিছুমান গোপীক স্বামীয়ে বাধা প্ৰদান কৰি ঘৰৰ ভিতৰত আৱদ্ধ কৰি ৰাখিছিল। কিন্তু ঘৰত আৱদ্ধ কৰি ৰখাৰ ফলত গোপীসকল শ্ৰীকৃষ্ণৰ বিৰহত কৃষ্ণক ধ্যান কৰি পৰমাত্মা মুক্ত হৈ জড় দেহৰ পৰা ওলাই গ'ল।

দৌৰি দৌৰি গৈ ব্ৰজ নাৰীসব বৃন্দাবন পাই শ্ৰীকৃষ্ণক দেখা পাই আনন্দিত হৈছিল। পীতবস্ত্ৰধাৰী শ্যাম তনু কান্তি বিজুলীৰ দৰে শোভা চৰণ দুখনিত পৰি প্ৰণাম জনালে। হে প্ৰভু, কাম-কামনাৰে ৰাস লীলা ইচ্ছাৰে তুমি মোহন মুৰুলী বজালা। শৰতৰ ৰাতি ৰূপালী কিৰণে ধৰণী পোহৰাই ফুলমল্লিকাৰ সুশোভিত বেশে গোপীসকলৰ মন, প্ৰাণ-বাসনা হৰণ কৰিছা প্ৰভু।

সুজলা যমুনা নদী নিজৰ বেগত কল কল সুৰেৰে বৈ আছে প্ৰিয় সমাগম সূৰত আমাৰ মন চঞ্চল হৈ পৰিছে। সুৰদী কুলিয়ে ভুবন ভুলোৱা গান গাইছে। ময়ূৰ ময়ূৰীয়ে আপোন সুখেৰে পেখন ধৰিছে। অতি বিতোপন বৃন্দাবনত গোপীসকলে নিজৰ পতি গৃহৰ কথা নাভাবি কৃষ্ণত মন প্ৰাণ অৰ্পণ কৰিছিল। শ্ৰীকৃষ্ণই ব্ৰজ গোপীসকলক দেখি ক'বলৈ ধৰিলে। হে ব্ৰজৰ সুন্দৰীসকল হঠাৎ এই ৰাতিখন কিয় আহিলা। গোকুলত কিবা অথন্তৰ হৈছে নেকি? সকলো পৰিয়াল ভালে-কুশলে আছেনে? এই ৰাতি তোমালোক জংঘলৰ মাজেৰে কেনেদৰে আহিলা, জংঘলত সিংহ-বাঘৰ ভয়, তাতে আকৌ তোমালোক অবলা নাৰী। তোমালোকে সোনকালে ঘৰলৈ যোৱা, এই নিৰ্জন বনত থকাটো উচিত নহয়। তোমালোকক পতি পুত্ৰই বিচাৰি ফুৰিছে। তোমালাক সোনকালে ঘৰলৈ যোৱা আৰু পতি-পুত্ৰৰ মন শান্ত কৰা।

হে প্ৰভু, প্ৰিয় মাধৱৰ কাৰণেই পতি-পুত্ৰ-মিতিৰ, কুটুম্ব সকলোকে ত্যাগ কৰি তোমাৰ অভয় চৰণত মনে প্ৰাণে অৰ্পণ কৰিছোঁ অসাৰ অনিত্য পাৰ্থিৱ সম্পদ ঘৰ-বাৰী পতি-পুত্ৰ ত্যাগ কৰি তোমাৰ বংশীৰ ধ্বনি সুৰেৰে আমাৰ সকলো ব্ৰজ নাৰীৰ মন উতলা হৈ তোমাৰ ওচৰলৈ দৌৰি আহিছোঁ আৰু এতিয়া তোমাক ত্যাগি কেনেকৈ বাৰু ব্ৰজলৈ উভতি যাম। তোমাৰ মোহন মুৰুলী তানেৰে আমাক মাতিলা, আকৌ বঞ্চনাৰে এতিয়া যাবলৈ ক'লা, তুমি এবাৰ ভাবি চোৱাচোন প্ৰভু। নিজেই সাদৰি, নিজে দিছা সমিধান তোমালোক যোৱা। স্বামী, তোমাক এৰি যাম কেনেকৈ? তুমি ব্ৰজবালাসকলৰ প্ৰাণ, তুমি অন্তৰ্যামী গোপীৰ হৃদয়ৰ পতি।

হে প্ৰভু, আমাৰ অন্তৰত থকা ভোক-পিয়াহ তুমি সকলো জানা, তথাপিও তুমি আমাক বিদায় দিয়া! হে হৃষীকেশ, নাৰীৰ কৰ্তব্য পতি-পুত্ৰ সেৱা কৰা, তোমাৰেই উপদেশ। মানৱৰ ধৰ্ম জগতৰ ৰীতি সত্য কথা। নিখিল বিশ্বৰ তুমিয়েই জনক ভুবন গুৰু। তুমিয়েই আমাৰ পতি-পুত্ৰৰ আত্মীয়-স্বজন, কেৱল আমাৰ হিয়াৰ

https://howlyraasmahotsav.org/

মাণিক তুমি আমাৰ স্বামী, হৃদয় পদ্মত অধিষ্ঠান কৰিছা ব্ৰজবাসীসকলৰ। হে হৃষীকেশ, আমি ব্ৰজবালা সকলোৱে ঘৰুৱা কাম কৰিছিলোঁ, তোমাৰ দুখনি চৰণ চিন্তা কৰি পৰম সুখ লভিছিলো। এতিয়া তোমাৰ ওচৰলৈ আহিছোঁ, তোমাক এৰি এখোজো যাব নোৱাৰোঁ। তুমিয়ে আমাৰ প্ৰাণ হৰণ কৰিছা। সঁচাকৈয়ে যদি আমি যাবই লাগে, তেনেহ'লে তোমাৰ চৰণত প্ৰাণ অৰ্পণ কৰি মৰা শ যাব লাগিব। তেতিয়া কটাক্ষ নয়নে শ্ৰীকৃষ্ণই মিচিকিয়া হাঁহি মাৰি মোহন মুৰুলী টানি গোপীৰ কাম অগনিৰ অধীৰ কৰিলে। হে প্ৰিয়তম, তুমি ভালদৰে জানা তোমাৰ বাহিৰে আমাৰ কোনো প্ৰিয়জন নাই। তোমাক আমি কেনেকৈ এৰি যাম? মৃত গোপীকাক তোমাৰ প্ৰেমেৰে সঞ্জীৱিত কৰা তোমাৰ প্ৰেম অমিয়া ঢালি। কৃষ্ণই বজালে মোহন মুৰুলী। সুৰদী কুলিয়ে ভুৱন ভুলোৱা সুৰেৰে গান গাইছে, ময়ূৰ ময়ূৰ আপোন সুৰে পেখন ধৰিছে, যত প্ৰিয় মনোহৰ ধেনু গোপ স'তে ঘূৰি ফুৰি আছে বৃন্দাবনত শ্ৰীকৃষ্ণই কৰিছে ৰাসলীলা। কুমকুম ৰাগেৰে ৰঞ্জিত শশীৰ অমল কিৰণ লাগি কুঞ্জ কাননৰ জেউতি বাঢ়িছে। এই মধুৰ মৰুতিত বাসনাৰ ৰসে ব্ৰজবালাসকলৰ মন পুলকিত হৈ চঞ্চলা হৈ পৰিছে। নাচে প্ৰতি খোজত কনক কুঞ্জ গালে মুখে শোভা কৰে। ব্ৰজবাসীসকলে চঞ্চলা মনেৰে উতলা হৈ কানাইৰ বেণুৰ উন্মোহিনী সুৰত আপোন পাহৰা হৈ কৃষ্ণৰ বেণুৰ সুৰে-সুৰে ৰাসলীলা কৰে। হে ভকত বৎসল, পুৰ্ণিমাৰ জোনত মনৰ আবেগত দশোদিশে প্ৰেমিকাৰ বদন চুমি লাহতি হাতেৰে অন্ধকাৰ আঁতৰাই মলয় সমীৰণে ধীৰে ধীৰে ৰতিক্লান্ত প্ৰাণ সুশান্ত কৰিছে। গোপীসকলৰ মিনতি বচন শুনি প্ৰভু শ্ৰীকৃষ্ণই মিচিকীয়া হাঁহি মাৰি অতি তুষ্ট হৈ ৰতিক্ৰীড়া কৰা ভাবেৰে প্ৰভু চুড়ামনি ভকতৰ সংগে নানা লীলা খেলা কৰি গোপীসকলক সুধাকৰ ৰূপে মোহি ৰতি কেলি কৰিছিল।

শ্ৰীকৃষ্ণই মোহন বেণুৰ তানত গোপীকাৰ মন উঠলি উঠিছিল। ভকতৰ আশা পূৰণৰ অৰ্থে মায়াৰে ৰতি ৰংগ হৈ ৰসময় সুখ লাভ কৰিছিল।

হে ভকত বৎসল, কৰুণাৰ মদন মোহন প্ৰভু, তোমাৰ ৰসপূৰ্ণ তনু সৎচিত আনন্দময় বিধানী, বিশ্বৰ মহৎ মঙ্গলৰ বাবে লীলাৰ কৌশল কৰি আপোনাক আপুনিয়ে মাথোঁ ৰমণ কৰিছ প্ৰভু।

https://howlyraasmahotsav.org/

জীৱনৰ উশাহ প্ৰেম

কৃষ্ণাশ্ৰী নাথ

যেতিয়া বেৰবোৰ ভাঙি যায়,
পথবোৰ মুকলি হৈ পৰিব,
ৰ'দে হাঁহিব, মৃদু বতাহে ঠেলি দিব
মোক মোৰ লক্ষ্যলৈ,
হয়তো তেতিয়া ঢুকি পাব,
জীৱনে ইয়াৰ উৎস
তেতিয়া আৰু জীৱন্ত হৈ উঠিম,
য'ত থাকিব জীৱনৰ উশাহ প্ৰেম।।

বৰষুণ

প্ৰিয়ংকা নাথ

এটোপাল দুটোপাল কৰি
সৰে চকুপানী,
মেঘৰ গাজনি
ডাৱৰৰ ক'লা চুলি,
মৰম সিঁচি
মাটিৰ সুগন্ধি বিলাই
আহে বৰষুণজাক
জিৰ্-জিৰ্াই।
খাল-বিলত পৰে
টোপ্ টোপ্কৈ
বতাহ বলে
জিৰ্ জিৰ্কৈ।

জ্ঞান উত্তৰণৰ বাহুল্যতা

জিতেন চৌধুৰী

হাইস্কুলৰ তল শ্ৰেণীত পঢ়ি থকা দিনৰ কথা। আমাৰ ছাৰ-বাইদেউসকলে শ্ৰেণীত পাঠদান কৰা সময়ত কিছুমান জটিল শব্দৰ অৰ্থ ক'ব দিয়া মনত পৰে। যিবোৰ অসমীয়া শব্দৰ আচল অৰ্থ আমি জনা নাছিলোঁ; এনেয়ে বুজি পোৱা যেন ভাব দেখুৱাইছিলোঁ। তেনে কিছুমান শব্দ হৈছে---বিজ্ঞাপন, আধাৰশিলা, শিলান্যাস, মূৰ্তি উন্মোচন, মাইলৰ খুঁটি, লাইখুঁটা, গীতৰ শৰাই, হৰতাল, মানচিত্ৰ, ভূচিত্ৰাৱলী আদি কিবাকিবিবোৰ। ইয়াৰ উপৰিও আন কিছুমান কথিত বা উপভাষাৰ শব্দ কোৱা মনত পৰে। সেইবোৰৰ ভিতৰত নামনিৰ বৰপেটীয়া, নলবেৰীয়া আৰু গোৱালপাৰীয়া অঞ্চলৰ ভাষাও আছে। সমস্যা হৈছিল এইবাবেই যে মোৰ দৰে আন বহুতৰে অভিধানৰ পাত লুটিয়াই চোৱাৰ অভ্যাস নাছিল। ক'বলৈ গ'লে বৰ লাজ পোৱা কথা আছিল যে অভিধান মানে কি? তাৰ অৰ্থ জনা নাছিলোঁ। শুনিছিলোঁ মহান পণ্ডিত, সাহিত্যিকসকলে অভিধানৰ পৰা নজনা কথা শব্দৰ অৰ্থবিলাক চায় আৰু কিতাপ-পত্ৰ বিবিধ ৰচনা লিখি উলিয়াই পঢ়ুৱৈক শুদ্ধ জ্ঞানৰ পোহৰ দিয়ে। উন্নত শব্দকোষৰ স্বীকৃত স্থান হৈছে— 'অভিধান'। কোনো এটা নিকা ভাষাৰ স্তৰ শব্দ বিন্যাস, সাহিত্যকলাকে ধৰি ব্যাকৰণিক সূত্ৰ প্ৰণয়ন নীতিৰ প্ৰাধান্য দি অভিধানৰ পৃষ্ঠাত সন্নিবিষ্ট কৰা হয়। ফলত ভাষাৰ মান্যতা বৰ্তি থাকে। সঁচাকৈয়ে অভিধান ৰচকসকল শলাগৰ পাত্ৰ। শ্ৰমৰ মৰ্যাদা পোৱাৰ যোগ্য। এদিন শ্ৰেণীকোঠাৰ পৰা আমাৰ প্ৰধান শিক্ষক ডাঙৰীয়াই মোক আৰু লগৰ চাৰিজন ছাত্ৰক চকীদাৰৰ হতুৱাই তেওঁৰ বহাকোঠালৈ মতাই নি আমাৰ উপদ্ৰৱ, উৎপীড়নৰ বিচাৰ চলাইছিল। অপৰাধ আছিল ভাষাৰ মাধ্যমলৈ কৰা তৰ্কাতৰ্কি, যুঁজ। সেইবাবে আমি ইজনে সিজনে পিন্ধা বগা চোলাবোৰত কলমৰ নীলা চিয়াঁহী ছটিয়াইছিলোঁ, তেওঁ আমাক সাৱধানবাণী শুনাইছিল এটা স্বভাৱসিদ্ধ হাঁহিমাৰি। সিদিনা বুজিছিলোঁ মানুহে ভাল কাম কৰিলেও হাঁহে, বেয়া কাম কৰিলেও হাঁহে। তেওঁ আমাৰ দোষ মাৰ্জনা কৰি দিছিল। সিদিনা তেওঁৰ কোঠাৰ মেলা খিৰিকী এখনৰ কাষত ওলোমাই ৰখা ভাৰতৰ মানচিত্ৰখন চকুত পৰিছিল। সেইখন আঁতৰৰ পৰা চাই ভাবিছিলোঁ মেপখনৰ কোনটোফালে বা আমাৰ স্কুলখন আছে! ছাৰৰ মেজৰ ওপৰত প্ৰথমবাৰৰ বাবে এখন বৰ ডাঙৰ অভিধান দেখিছিলোঁ, মনত এটা ভয়ভাৱ লৈ সেইখন মই চুই চাইছিলোঁ। এখন হাতেৰে উঠাব নোৱাৰি দুয়োখন হাতেৰে আঁকোৱালি লৈ দাঙিছিলোঁ। মই দেখা আন গ্ৰন্থতকৈ ওজন বহুত বেছি। হালধীয়া ৰঙৰ বকলাৰ মাজতে বৰ ডাঙৰ হৰফেৰে 'হেমকোষ' বুলি লিখা অভিধানখনৰ পৃষ্ঠাৰ সংখ্যা ১৪০০ৰো অধিক হ'ব। মোৰ মনত ধাৰণা উপজিছিল যে প্ৰধান শিক্ষকজন বৰ জ্ঞানী শব্দৰ অৰ্থ বিচাৰি অভিধান চায়। আগতে আমাৰ অঞ্চলত কিতাপৰ বিপণিসমূহত বেচিবলৈ অভিধান, ডাঙৰ গ্ৰন্থবিলাক ৰখা নাছিল। সাধাৰণভাৱে বহী-কিতাপ, কাগজ, কলম, ফলি-পেঞ্চিল, জ্যামিতিৰ বাকচ, লবৰ, চিয়াঁহীৰ বটল আদি বিক্ৰী কৰা দেখিছিলোঁ। মানুহে দৰকাৰী কিতাপ-পত্ৰ লগা হ'লে বৰপেটালৈ বিচাৰি

https://howlyraasmahotsav.org/

যায়। নাপালে গুৱাহাটীৰ পৰা কিনি আনি সমস্যা দূৰ কৰে। মই কলেজত প্ৰথম খোজ দিয়া সময়ত দেউতাই মোৰ খেচ্-খেচনি সহ্য কৰিব নোৱাৰি অভিধান এখন আনি দিছিল। সেইখন গুৱাহাটী গ্ৰন্থমেলাৰ পৰা ৰেহাই মূল্যত পাইছিল। বৰ্তমান সময়ত কিতাপ, সংবাদপত্ৰ, ৰং-বিৰঙৰ আলোচনীৰ কোনো অভাৱ নাই যদিও পঢ়াৰ নিচা পাতলিছে। ম'বাইল টিপিলেই, বিচৰা বস্তু নিমিষতে পোৱা যায়। কণ কণ ছাত্ৰ-ছাত্ৰীৰ বাবে সেইটো শুদ্ধ বিচাৰত নপৰে। শৈশৱত দেখা পোৱা কিছুমান নাটকীয় দৃশ্য এতিয়াও মোৰ চকুত আগৰ জল-জল, পট-পটকৈ ভাহি আছে। এদিনাখন বিয়লি পশ্চিম দিগন্তত সুৰুজ নামি গৈ বহা সময়ত এনেয়ে এজন বন্ধুৰ লগত হাউলী হাটখোলাৰ ফালে ফুৰিব গৈ ৰাস্তাৰ দাঁতিত থকা ১৭৬০ গজ মাপত পুতা মাইলৰ খুঁটিটোৰ ওপৰত বুঢ়া শগুন এটা বহি থকা দেখা পালোঁ। সি বোধকৰোঁ মৰা গৰুৰ মঙহ খাই খুঁটিটোৰ ওপৰত বহি জিৰাইছিল। এটা ভেকেটা গোন্ধ পাইছিলোঁ। আমাৰ উপস্থিতিৰ সন্ভেদ পাই সি পাখিমেলি উৰিগৈ বৰ ওখ শিমলুগছ এজোপাৰ ডালত থকা বাহত আশ্ৰয় লৈছিল। মাইলৰ খুঁটিটো কাঠৰ ডাঙৰ আৰু বহুবছৰ আগৰ পুৰণি। সেইটোৰ ওপৰফালে হালধীয়া আৰু তলত কলা ৰং কৰা যদিও লেতেৰা। পথচাৰি তামোলৰ পিক্ পেলোৱা আৰু ধেকুৰা কুকুৰে ঠেংদাঙি মুতাৰ বাহিৰে কোনো তাৰ নতুনত্ব নাই। সেইটোৰ কাষ্ধাত বাঁহৰ বজাৰ আৰু ওচৰত ৰাস হাউলী মন্দিৰ। মাইলৰ খুঁটিৰ ৰং চালে বুজিব পাৰি সেইটো ৰাজ্যিক নে কেন্দ্ৰীয় চৰকাৰে নিৰ্মাণ কৰা পথ। লগৰ বন্ধু জনে মাইলৰ খুঁটি সম্পৰ্কে মোক তেনেদৰে জ্ঞান দিছিল। ভাল লাগিছিল অভিধানৰ পাত নেমেলাকৈ অৰ্থ বুজি পোৱা বাবে। আকৌ এদিনাখন সেইফালে থকা মৰা মানাহ নৈৰ পাৰৰ শ্মশান ঘাটলৈ ককাৰ নশ্বৰদেহ সমদল যাত্ৰাকৰি ওলাই যাওতে দেখাপালো জোঙা শিল দিয়া ৰাস্তাটো ৰাতিৰ ভিতৰতে মাজতে কাটি দুটুকুৰা কৰিছে। স্থানীয় ছোৱালী হাইস্কুলখনৰ সন্মুখত সেই কাণ্ড। দৃশ্য চাই মোৰ ভৰিৰ তলোৱাৰ পৰা মেডিনীখহি পৰা যেন ভাৱ হৈছিল। আনে কি ভাবিছিল নাজানো, মোৰ কিন্তু বৰ খঙ উঠিছিল কিন্তু কাৰ ওপৰত এই খঙ উঠিছিল মই নিজেই জনা নাছিলো। হে'- ভগৱান এই কদৰ্যৰ পৰা ৰক্ষা কৰা বুলি ঈশ্বৰক মিনতি জনাই সমদলৰ পাছে পাছে আগ বাঢ়িছিলোঁ। কিছুদূৰ আগবাঢ়ি গৈ দেখিলোঁ পৰাভঁড়াল আৰু জলজলী গাঁৱলৈ যোৱা পথ দুটাৰো সেই একে অৱস্থা। ৰজা চণ্ডীনাৰায়ণ বৰুৱাক স্মৰণ কৰি থকা ৰাইজে ইয়াৰ কিবা প্ৰতিবাদ কৰিছিল নে নাই? জনা নায়ায়। সমদলত যোগদিয়া ডাঙৰ দাদাই সেইফালে এটা ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ হ'ব বুলি কৈছিল আৰু পথটো ৰাসমন্দিৰ ভেদি বহুদূৰলৈ ওলাই যাব। বহিঃৰাজ্যত আন পথৰ লগত সংযোগ হ'ব। সীতাক উদ্ধাৰৰ বাবে ৰামভক্ত হনুমানৰ দলটো লংকালৈ যোৱাৰ বাবে পথ নিৰ্মাণ কাৰ্যত ভাগ লোৱা দৃশ্যটোৰ দৰে, ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কাম বিলাক পূৰ্ণগতিত আগ বাঢ়িছিল। গতিকে সমস্যাই উক দিলে ৰাস মন্দিৰক কেন্দ্ৰ কৰি। মন্দিৰটো তাৰ পৰা স্থানান্তৰিত কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ পৰা ৰাস সমিতিৰ সভাপতিক জাননী দিলে। পথ নিৰ্মাণৰ অজুহাত দেখুৱাই অতি মূল্যৱান গছ-গছনিবোৰ কাটি প্ৰাকৃতিক পৰিৱেশ লঠঙা কৰি সেইবোৰ ট্ৰাকত উঠাই সুবিধাবাদী কিছুমান বাহিৰাগত মানুহে লৈ গ'ল। মাছমৰীয়াই বাৰিষা মাছ ধৰা খাল, ডোংবোৰ মাটি-বালিৰে পুতিলে। বাঁহৰ বজাৰ গৰু-ম'হ, ভেৰা-ছাগলী বেচা-কিনা কৰা হাট বজাৰ খন তাৰ পৰা আঁতৰলৈ উঠাই নিয়া হ'ল। মাইলৰ খুঁটিৰ পূৱ প্ৰান্তত থকা এডৰা পতিত মাটিত সেই প্ৰতিষ্ঠিত ৰাস মণ্ডপটো উঠাই আনি পুনঃ নিৰ্মাণ কৰাৰ বাবে তাৎক্ষণিক ভাৱে লাইখুঁটা পুতি আধাৰশিলা কাৰ্যসূচী সমাপ্ত কৰিলে আৰু পূৰ্ণদমে কামবোৰ আগবাঢ়িল। গাঁৱৰ ৰাইজ, শিক্ষক বুদ্ধিজীৱি আৰু গাঁও পঞ্চায়তৰ কৰ্ম-কৰ্তাসকলৰ ত্যাগৰ বলত প্ৰায় ছমাহ দিন উকলি যোৱাৰ শেষত দ্বিতীয় বাৰৰ বাবে হাউলী ৰাস মন্দিৰটো উন্মোচন কৰা হয়। ৰাস মন্দিৰ মণ্ডপত ৰাধা-কৃষ্ণৰ যুগল মূৰ্তিৰ উপৰিও ভালে সংখ্যক দেৱ-দেৱীৰ প্ৰতিমা প্ৰতিষ্ঠা কৰা হয়। তেতিয়াৰ পৰাই হাউলী ৰাস উৎসৱ মেলাৰ প্ৰয়োভৰ পৰ্যায়ক্ৰমে বৃদ্ধি পাই ৯৭ সংখ্যক বৰ্ষত উপনীত হৈছে।

বৰ্তমান ৰাস মন্দিৰৰ পৰিসৰ আগৰ তুলনাত বহুত বৃদ্ধি পাইছে। ২০০৭ বৰ্ষৰ শেষ ভাগত এই পুৰণি মন্দিৰৰ স্থান সলাই পুনৰ আধুনিক ৰূপত মাৰ্বল শিল আদিৰে ৰাস থলীৰ পূৱ প্ৰান্তত সু-উচ্চ মন্দিৰ সাজি প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। মন্দিৰ বাকৰিত এখন বৃহৎ ৰঙ্গমঞ্চ আৰু তাৰ সন্মুখত

https://howlyraasmahotsav.org/

এখন স্থায়ী ৰভা সজাৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। নতুনত্বৰ প্ৰয়োভৱ বাঢ়িছে। ৰাস মহোৎসৱলৈ প্ৰসাৰ ঘাটিছে। বিজ্ঞান সন্মত কাৰু-কাৰ্যখচিত আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰ আৰু নবঃপ্ৰজন্মৰ প্ৰচেষ্টাত হাউলী ৰাসৰ উত্তৰণ ঘটিছে। নতুন দৃষ্টি ভংগীৰে ৰাসৰ পযেকীয়া কাৰ্যসূচীবোৰ গুণমুগ্ধ ৰাইজৰ সহযোগত পৰিচালিত হয়।

সৰুতে ৰাস চাব গৈ দেখিছিলোঁ ৰভাৰ তলত ওজা-পালি নৃত্য চলিছে। ওজা-পালি বা আকৌ কি? মই জনা নাছিলোঁ। অভিধানৰ অৰ্থ বুজি নোপোৱাৰ দৰে ওজা-পালিৰো গভীৰ অৰ্থৰ পোখা-গুৰি বিচাৰি পোৱা নাছিলো। সেয়া কঁকাল ভাঙি নচা বিহু নৃত্যৰ দৰে নাছিল। এটা গম্ভীৰ পৰিৱেশত অৱতাৰী পুৰুষে হাত-ভৰি নচুৱাই গীত গোৱা যেন দেখাইছিল। চাৰিওফালে ঘেৰি থকা দৰ্শকৰ ভিৰৰ মাজৰ পৰা মই গল মেলি চাই আছিলোঁ। আন্ধাৰ নামি আহিছিল চাৰিওফালে ৰচী টানি ওলোমাই ৰখা হেজাক লাইটবোৰ ঢিমিক-ঢামাককৈ জ্বলি আছিল আৰু সেইবোৰৰ ফা-ফাকৈ ওলাই থকা শব্দ প্ৰদূষণৰ বাবে ওজাৰ মুখৰ বচন কৰ্ণগোচৰ হোৱা নাছিল। ওজা-পালি চাই সাম্যক জ্ঞান অলপ পাইছিলোঁ। ওজাই পৌৰাণিক আখ্যানৰ কিছুমান কাহিনী গীত ৰূপে গায় আৰু মাজে মাজে এজনে কাহিনীৰ গভীৰতা ৰস সানি বৰ্ণনা দি যায় নাচি-বাগি নিৰ্দেশকৰ দৰে। দলৰ আনবোৰ পালি একগোট হৈ থিয় হৈ সোঁহাতৰ আঙুলিত মেৰুৱাই লোৱা কৰতাল বজাই ভৰিৰ গোৰোহা-ফান্দনি লৰাই ওজাজনে জুৰি দিয়া গীত-মাত ছন্দ লগাই সমৰ্থক সূচক শব্দৰে হয়, হয়, হয় বুলি কৈ টিলিং ঘপ্, টিলিং ঘপ্‌কৈ কৰতাল বজাই নাচি নাচি জমাই তোলে। যেতিয়ালৈ ওজাৰ মুখৰ কাহিনীৰ বৰ্ণনা শেষ নহয় নিয়ম মতে বহিব নোৱাৰে বা নিজৰ অংগি-ভঙ্গিবোৰ সলনি কৰিব নোৱাৰে। আটাইয়ে ধুতি পিৰানচোলা পিন্ধি কঁকালত গামোচা মেৰুৱাই লৈ নৃত্যত ভাগ লয়। ওজায়ে মূৰত সত্ৰীয়া পাগুৰি, কান্ধত চেলেং-চাদৰ ৰাখি আঁৰি লয়। ওজা-পালিৰ দলে বাহিৰা পোছাক পৰিধান নকৰে। জোতা-চেণ্ডেল বৰ্জনীয়। কৰতালৰ বাহিৰে আন বাদ্য-যন্ত্ৰ সংগত নকৰে। ইয়াৰ দ্বাৰা সৃষ্টিশীল কৰ্মৰ নিদৰ্শন দাঙি ধৰা হয়। ওজা-পালি চাই ঘৰ অভিমুখে খোজ পেলাইছিলোঁ মনত এটা সাংঘাতিক ভয় ভাৰ খেলি আছিল। অলিয়ে-গলিয়ে পগলা কুকুৰ ঘূৰি ফুৰে। কুকুৰে কামুৰিব পাৰে বুলি ভাবি ৰাস্তাৰ শিলগুটি বুটলি পেটলঙৰ পকেটত ভৰাই লৈছিলোঁ। কিন্তু পথত গাঁৱৰ মানুহ লগ পোৱা বাবে কোনো বিপদে দেখা নিদিলে। ঘৰপাই ৰেডিঅ'ৰ সন্ধিয়াৰ আঞ্চলিক বাতৰি শুনি গম পালো চীনা সৈন্য অসমত সোমাইছে। চীন-ভাৰতৰ যুদ্ধ হোৱাৰ আশংকা বাঢ়িছে মোৰ বৰ ভাগৰ লগা বাবে শুই থাকিলো। কি হয় কাইলৈ গম পাম। ৰাতি পুৱাল আৰু সঠিক সময়ত ভাত-পানী খাই যুদ্ধৰ কথা ভাবি ভাবি স্কুল পালো। সকলোৰে যুদ্ধৰ কথা আলোচনা কৰি আছিল। সেই সুযোগতে ৰাসথলীত ঢুলীয়া চোৱা ভাল হ'ব বুলি ভাবি জিৰণি সময়ত স্কুলৰ পৰা গুচি আহিলোঁ। মই ঘৰৰ পদুলি ওচৰ পাই পাই দেখিলো এখন পুৰণি মামৰে ধৰা চাইকেল। ফুলনি বাৰীৰ জেওৰাৰ এটা খুঁটাত ভেজাদি থৈছে। সেইখন দেখি ভাব হ'ল বোধহয় বৰপেটাৰ পৰা মামাঠৈৰ আতা আহিছে, মই দূৰৰ পৰা জুমি চাই দেখিলো আতাই চ'ৰা ঘৰৰ বাৰান্দাৰ চকীত জুপুকামাৰি বহি চাহপান কৰিছে। তেওঁৰ উপস্থিতিৰ সম্ভেদ পাই মনে মনে চোৰৰ দৰে পিচদুৱাৰেদি ঘৰৰ ভিতৰত সোমালোঁ। আতাক মই বৰ ভয় কৰিছিলোঁ। স্কুলৰ পৰা পলাই অহা বুলি জানিলে হৈ-চৈ লগাই দিব। গালি-গালাজ কৰিব। তেওঁৰ চকু দুটি ৰঙচুৱা আঙঠাৰ দৰে। তহ্ তহ্‌কৈ জ্বলি থাকে। মানুহজন খঙাল মুখৰ। কথাৰ মাজে মাজে কবিতা বৰসে। আমি ঘৰৰ আটাইয়ে বাঘ যেন দেখিছিলো মানুহজন যিমান খঙাল আছিল তাতকৈ বেছি মৰম বিলাব জানিছিল। আমি ডাঙৰ-দীঘল হোৱাৰ পিছতহে জানিব পাৰিছিলোঁ যে তেওঁ অসমৰ এজন বিপ্লৱী কবি আছিল। মই নিজৰ বহী-কিতাপবোৰ পঢ়া কোঠাৰ মেজত সজাই পৰাই থৈ আলেঙে-আলেঙে ঘৰৰ মানুহে নেদেখাকৈ তামোল-পানৰ বাৰীৰ মাজেৰে পোনাই ৰাস মন্দিৰ ওলালো গৈ। ঘৰৰ ওচৰতে ৰাসমন্দিৰ প্ৰাঙ্গণ। পেটত ভোক আছিল যদিও ভাত-পানী খোৱাৰ সময় নাছিল। ঢুলীয়াৰ দপ্‌দপনি ধম-ধমনি আৰম্ভ হৈছিল। ৰভাতলত উপস্থিত হৈ দেখা পালো ভীমাকৃতিৰ চাপৰ পেট ধুমা, ঢোলভাৰি ঢুলীয়া ওস্তাদ দুজনে মূৰত গামোচাৰে পাগুৰি মাৰি কান্ধত বৰঢোল ওলোমাই লৈ চেও তুলি, গোটেই খন ৰজন জনাই তুলিছে। দলৰ পোৱালি ঢুলীয়া কেইজন মানে ঢোল বজাই তাল লয় মিলাই, নামগাই ঝুমুৰ

https://howlyraasmahotsav.org/

নৃত্য কৰাৰ দৰে হৰি ধ্বনি লগাই কিছুমান আকৰ্ষণীয় কুস্তিখেল আৰু খুহুতীয়া ভাওৱামী দেখুৱাই মন মোহিত কৰি দিলে। ভাওৰীয়াৰ মুখৰ তিতা-মিঠা সাময়িক প্ৰসংগবোৰৰ বিৱৰণী আৰু হাঁহি-খিকিন্দালি কৰা নাটকীয় ভাও দেখিলে মানুহৰ আন কিবা সমস্যা আছে বুলি ভাবেই নহয়। ৰাসৰ মাজত বছৰেকীয়া পৰীক্ষাত বহিব লগা হৈছিল। তথাপি ধাউতি এৰিব পৰা নাছিলো। ৰাসৰ সময়ত স্থানীয় চিত্ৰগৃহত এখন ভাল আকৰ্ষণীয় চিনেমা শুভ মুক্তি দিয়াৰ নিয়ম এটা প্ৰচলন আছিল বাবে ৰাসৰ লগতে চিনেমা চাবলৈ অৱধাৰিত গতিত দৰ্শকৰ সোঁত বৈছিল। সেই লোভ সামৰিব পৰা নাছিলো চিনেমা চাব ওলাই গৈছিলো। ধৰ্মমূলক চিনেমা চাই জ্ঞান বিকাশিত হৈছিল। 'মানুহৰ উত্তম ধৰ্ম হৈছে জ্ঞান।' জ্ঞান চিৰস্থায়ী ইয়াক ইচ্ছানুযাই কামত লগাব পাৰি। জ্ঞানৰ ফালৰ পৰা শ্ৰীকৃষ্ণ আছিল মহান। সেই কাৰণে মানুহৰ বাবে কৃষ্ণ নামেই শ্ৰেষ্ঠ। যি আমাক দুখ কষ্টৰ পৰা মুক্তি দিব পাৰে। প্ৰত্যেক মানুহ ভগৱানৰ কৃপাত সন্তুষ্ট হয়। সেই বাবে মানুহে তেওঁৰ প্ৰাপ্যখিনি দিব লাগে। শ্ৰীকৃষ্ণৰ মহিমা বুজি পালেই প্ৰকৃততে মুক্তি লাভ হয়। অন্ধ সংস্কৃতিয়ে মানুহৰ ক্ষতিকৰে। কীৰ্তিৰূপ গুণময়ী শৰীৰৰ কোনো কালেই বিনাশ নহয়। শৰীৰ মাটিৰ লগত লীন হৈ গ'লেও গুণময়ী লৌকিক শৰীৰে জীৱক অমৰ কৰি ৰাখে। মানুহ অমৰ হ'বলৈ সত্যক প্ৰতিষ্ঠা কৰিব লাগিব। সংগ্ৰাম এটি নাম জীৱনৰ! যি সংগ্ৰামত হিংসাৰ স্থান নাই, তেনেকুৱা পথ মানুহে অনুকৰণ কৰা দৰকাৰ। নানা ধৰণৰ সংগ্ৰাম থাকে। সুফল অৰ্জন কৰাটোৱে আচল কথা। সংগ্ৰামৰ সাক্ষী হয় ভগৱান ৰূপী মানুহ। যি শান্তি বিচাৰে সকলো ধৰ্মৰ মূল বিষয়বস্তু একেই সেয়া হৈছে মানুহৰ পাপ খণ্ডন কাম, ক্ৰোধ, লোভ, মোহ, মদ মৎসৰ্য এই বিপু সমূহে মানুহৰ মনত ক্ৰীয়া কৰে। সেই বাবেই মানুহৰ মতিগতি বুজা টান। মানুহৰ মন কেতিয়াও স্থিৰ হৈ নাথাকে। যাৰ বাবে মানুহ যাতনাৰ বলী হ'ব লগা হয়। সকলো ধৰ্মৰ লোকে ভাবি চিন্তি কৰ্মক্ষেত্ৰত আগবাঢ়িব লাগে। আনে বেয়া পোৱা ঠেনুকা কামত হাত দিব নালাগে। এইবোৰ প্ৰভু শ্ৰীকৃষ্ণৰ মহিমা। হিন্দু ধৰ্মৰ মূল গ্ৰন্থৰ চাৰি বেদৰ বাণীয়ে শুকীয়া জ্ঞান প্ৰদান কৰে। সেইবোৰ হৈছে— ৰাজকীয়, মানৱদেহ সম্পৰ্কীয়, মন্ত্ৰপাঠ আৰু যাগ-যজ্ঞ বিধান সম্পৰ্কীয়। উপসনা থলী যিয়েই নহওক কিয় যি নামেৰে প্ৰভু শ্ৰীকৃষ্ণক মাতিব সেই নামেই প্ৰভুক পাব। যি মানুহে ঈৰ্ষাপৰায়ণ নহয় তাকে কৃষ্ণই জ্ঞান দান কৰে। হাউলী অঞ্চলৰ ধৰ্মপ্ৰাণ লোক সকলে সাৰ্ব্বজনীন ভাৱে ৰাস মহোৎসৱ পাতি আহিছে। শৰৎ কালৰ পূৰ্ণিমাৰ ৰাতি অতি বিতোপন। ইয়াৰ অপৰূপ শোভা দৃশ্যৱলীৰ বিষয় চমু বৰ্ণনা দি শেষ কৰিব নোৱাৰি। শ্ৰীকৃষ্ণৰ ৰাসলীলা ভক্তি আৰু ত্যাগৰ নিদৰ্শন। মহাপ্ৰভু শ্ৰীকৃষ্ণই নাৰী-পুৰুষ সকলোৰে বাবে একতা স্থাপন কৰি কৃতাৰ্থ লাভ কৰাৰ এটা শুদ্ধ পথৰ সন্ধান দি থৈছে সেইবাবে জীৱৰ মাজত কৃষ্ণ সংস্কৃতি বিৰাজমান যুগে যুগে।

https://howlyraasmahotsav.org/

জীৱন মানে ধন-সম্পত্তি, টকা-পইচা নহয়। জীৱন হ'ল ঈশ্বৰৰ পবিত্ৰ দান। এই দান দেশৰ, দহৰ, সমাজৰ বাবেহে। আমাৰ দেশখনৰ শতকৰা এশ ভাগ ল'ৰা-ছোৱালীক একমাত্ৰ মানৱ ধৰ্মত দীক্ষিত কৰিব লাগিব। তেতিয়াহে দেশত, সমাজত শান্তি প্ৰতিষ্ঠা হ'ব। মানুহৰ মনত হিন্দু, মুছলমান আদি ভেদভাব থাকিলে নহ'ব।

— মহাত্মা গান্ধী

সংগ্ৰাহক ঃ **জয়ন্ত বৰুৱা**

ৰাসক্ৰীড়া, ‘গজেন্দ্ৰোপাখ্যান’ আৰু মোৰ অনুভৱ

ভানুমতী কাকতি

‘কৃষ্ণায়, বাসুদেবায় দৈৱকী নন্দনায় চ,
নন্দগোপ কুমাৰায় গোবিন্দায় নমোনম ঃ।।

‘ৰাস’ — ৰাস উৎসৱক কেন্দ্ৰ কৰি লিখাৰ বাবে ‘ৰাসক্ৰীড়া’ৰ বিষয়ে দুষাৰ নিলিখি নোৱাৰিলো— শাৰদীয় জোনালী নিশাত শ্ৰীকৃষ্ণই গোপাঙ্গনাসকলৰ লগত কৰা নৃত্যক্ৰীড়া টীকাকাৰ শ্ৰীধৰ স্বামীৰ ভাষাত ‘ৰাসক্ৰীড়া’ ৰাসো নাম বহুনৰ্ত্তকীযুক্তো নৃত্যবিশেষস্তাং ক্ৰীড়াম্। অন্যোন্যমাদ্বা সংগ্ৰহিতা বাহবো যৈস্তৈঃ সহ।’ (ভাগৱত ১০/৩৩/২) শ্ৰীপাদশ্ৰীজীৱে তেওঁৰ বৃহৎ ক্ৰমসন্দৰ্ভ - টীকাত লিখিছে ‘মণ্ডলাকাৰে নৃত্য কৰা অনেক নৰ্ত্তকীৰ মাজত যদি কোনো নটে নৃত্য কৰে, সেই নৃত্যক হল্লীষক নৃত্য বোলে। এই হল্লীষক নৃত্য যদি বিবিধ তালবদ্ধ আৰু বহুবিধগতি সমন্বিত হয়, তেতিয়া হ’লে সি ৰাসনৃত্য নামে অভিহিত হ’ব পাৰে। এই ৰাসনৃত্য স্বৰ্গতো দুৰ্লভ, মৰ্ত্যতো কথাই নাই।’

অকল ভাগৱত পুৰাণতেই নহয়, আৰু কিছুমান ভাৰতীয় প্ৰাচীন গ্ৰন্থত ৰাস নৃত্যৰ আভাস পোৱা যায়। অৱশ্যে ভাগৱত পুৰাণত অংকিত শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া বৰ প্ৰসিদ্ধ আৰু তাৎপৰ্য্যপূৰ্ণ। (ভাগৱত, ১০/২৯-৩০)।

ৰাসলীলাৰ মাজেদি ভক্তিতত্ত্ব, সৃষ্টিতত্ত্ব প্ৰেম আৰু মিলনতত্ত্ব সুনিপুনভাৱে প্ৰতিপাদন কৰা হৈছে। গোপীসকলে সাংসাৰিক সকলো মায়া-মোহ পৰিত্যাগ কৰি দেহ-মন প্ৰাণ সকলো কৃষ্ণত অৰ্পন কৰি কৃষ্ণপৰস্পদ লাভ কৰিবলৈ সক্ষম হৈছিল। একনিষ্ঠ ভক্তিৰ বলেৰে জগত ঈশ্বৰ শ্ৰীকৃষ্ণক বশ কৰিব পাৰিছিল।

‘পৰম ঈশ্বৰ যিটো ব্ৰহ্মাৰ নমস্য।
ভৈলা ভকতিতে গোপ যুৱতীৰ বশ্য।”

শ্ৰীকৃষ্ণ আৰু গোপীৰ যি ৰাসক্ৰীড়া বা ৰতি দেখুওৱা হৈছে সেই ৰতি আধ্যাত্মিকহে। ভক্তিৰ মাহাত্ম্য দেখুৱাইবলৈ এই ৰতিৰ অৱতাৰণা কৰা হৈছে। কবিৰাজ বিশ্বনাথে ৰতি সম্পৰ্কত কৈছে — ‘প্ৰিয় বস্তু লাভ কৰিবলৈ মানুহৰ মনৰ সহজাত অনুৰাগেই হ’ল ৰতি।’ গোপীৰ এই ৰতি শ্ৰীকৃষ্ণৰ পৰম ভক্তি লাভৰ ৰতি, ৰাসক্ৰীড়া বা ৰতিৰ অৰ্থ, জাগতিক কামনা বা ৰমনক্ৰীড়া বুলি ধৰিলে ই বিকৃতাৰ্থ হৈ ভাগৱতক অৱমাননা কৰাহে হ’ব। মায়া, মোহ, মুক্ত হৈ শ্ৰীকৃষ্ণৰ ভক্তিত মনৰ একনিষ্ঠ ৰতি জন্মাব পাৰিলে পৰম ব্ৰহ্মানন্দ লাভ কৰি নিৰ্বাণ লাভ কৰিব পাৰি।

‘প্ৰেম আৰু কাম একে বস্তু নহয়। কাম জাগতিক আৰু প্ৰেম মানসিক। কাম মনোবৃত্তি বা বাসনা, কিন্তু প্ৰেম তেনে নহয়। কামে প্ৰকৃত বস্তুক আশ্ৰয় কৰি আনন্দ উপভোগ কৰিব বিচাৰে, কিন্তু প্ৰেমে বস্তুলৈ অপেক্ষা নকৰি মাথোন মানসিকভাৱে অনাবিল আনন্দ আস্বাদন কৰে।’ মৌনতাৰ বৰ্ণনা কেৱল মৌনতাৰ উত্তেজনাৰ কাৰণে কৰা হ’লেহে তাক অশ্লীল বুলিব পাৰি। ৰাসক্ৰীড়াত বৰ্ণনা কৰা হৈছে।

বাহু থেলি কাকো আলিঙ্গি ধৰি।
কাৰো স্তন নখে পৰশৈ হৰি। ৮৪৩
লন্ত বস্ত্ৰ কাঢ়ি বঢ়ায়া ৰঙ্গ।
বেকত কৰন্ত গুপুত অঙ্গ। (৮৪৪)

শংকৰদেৱৰ ৰচনা ধৰ্ম নিৰপেক্ষ নহয় আৰু

https://howlyraasmahotsav.org/

মৌনতাৰ বৰ্ণনাকো ধৰ্মীয় উদ্দেশ্যৰ পৰা পৃথক কৰি চাব নোৱাৰি। গোপীসকলৰ লগত ৰাসলীলা কৰা মানুহজন সাধাৰণ মানুহ নহয়। তেওঁ হ'ল — 'যিটো হৰি আছা জগত ব্যাপি।' যিজনে জগত ব্যাপি আছে নিজেই পূৰ্ণ আনন্দ স্বৰূপ তেওঁক আনন্দ দিবলৈ বাহ্য বিষয়ৰ প্ৰয়োজন নাই।

জীৱৰ সকলো প্ৰকাৰ পাৰ্থিৱ আনন্দতকৈ প্ৰকৃতি পুৰুষৰ ৰমানন্দই প্ৰধান। সেয়েহে— জীৱাত্মা আৰু পৰমাত্মাৰ মিলনৰ যি আনন্দ তাৰ কিঞ্চিত আভাস দিবলৈ ব্যাসদেৱে ৰাসলীলাত পাৰ্থিৱ শৃংগাৰ ৰসৰ আনন্দৰ উদাহৰণৰ আশ্ৰয় লব লগা হৈছে। শ্ৰীকৃষ্ণ ৰাসলীলা জীৱনৰ পৰমব্ৰহ্মৰ সৈতে মিলনৰ আখৰা। ব্ৰহ্ম সংহিতাত আছে—

'ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ সাচ্ছিদানন্দ বিগ্ৰহঃ।
অনাদিৰাদি গোবিন্দঃ সৰ্বকাৰণ কাৰণম।'

অৰ্থাৎ শ্ৰীকৃষ্ণই পৰমতত্ত্ব, পৰমেশ্বৰ অনাদিৰ আদি, সৰ্বপালক আৰু সৰ্বকাৰণৰ কাৰণ। সংখ্যাৰ দৃষ্টিৰে বিচাৰ কৰিলে দেখা যায় যে কামক্ৰীড়া হ'ল পুৰুষ আৰু প্ৰকৃতিৰ মহামিলন। গতিকে ৰাসক্ৰীড়া সৃষ্টিৰে প্ৰতীক। সংখ্যাৰ সৃষ্টিতত্ত্ব বিচাৰত ওলাই পৰে যে ৰাসলীলা এটা অধ্যাত্মিক ৰূপক। কৃষ্ণ আৰু গোপী ক্ৰমে পৰমাত্মা আৰু জীৱাত্মাৰ প্ৰতীক। ৰাসক্ৰীড়া হ'ল সৃষ্টিচক্ৰ। এই সৃষ্টিচক্ৰত পৰমাত্মাৰ প্ৰতি জীৱাত্মা অহৰ্নিশে আকৰ্ষিত হৈয়ে আছে। লৌকিক দৃষ্টিৰে নিৰীক্ষণ কৰিলে ৰাসলীলাৰ ৰহস্য উদ্‌ঘাটন কৰা নাযায়। লৌকিক প্ৰেমত ঈৰ্ষা আৰু প্ৰতি হিংসা আছে। কিন্তু ৰাসক্ৰীড়াত সকলো গোপীয়ে এক কৃষ্ণৰ ওচৰত প্ৰেম নিবেদন কৰিছে। আনহাতে গোপীৰ কাম-তৃষ্ণা নিবাৰণ কৰাৰো লৌকিক উদাহৰণ নাই। কিয়নো শ শ গোপীয়ে এক কৃষ্ণৰ লগত ৰাসক্ৰীড়া কৰিছিল আৰু সেই সময়ত কৃষ্ণৰ বয়স আছিল মাথোন সাত (৭) বছৰ। এনে এটি শিশুৱে মাতৃৰ বয়সৰ গোপীসকলৰ লগত কৰা ধেমালি যে কাম গন্ধহীন আছিল তাক কোৱা নিষ্প্ৰয়োজন।

'কীৰ্ত্তন' কৃষ্ণৰ গুণ-গৰিমা মহিমা আদিৰ গান মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱে ৰচিত 'কীৰ্ত্তন' পুথিখন হ'ল সমূহীয়া নাম কীৰ্ত্তন বা প্ৰসঙ্গৰ উপযোগী কৰি ঘোষা আৰু পদ সম্বলিত একোটি অধ্যায় ৰচনা কৰিছিল। একাধিক অধ্যায় জোৰা লগাই একোটা খণ্ডৰ সৃষ্টি কৰিছিল। এনে উনত্ৰিশটা খণ্ড সম্বলিত 'কীৰ্তন' পুথিয়ে সকলো স্তৰতে শ্ৰীকৃষ্ণৰ গুণাৱলী প্ৰকাশ পাইছে।

'কীৰ্তন' মুঠ উনত্ৰিশতা খণ্ডৰ সাত (৭) নম্বৰ খণ্ডটি 'গজেন্দ্ৰোপাখ্যান'। উল্লেখ থাকে যে 'কীৰ্তন'ৰ প্ৰতিটো অধ্যায় একোটা ঘোষাৰে আৰম্ভ হৈছে।

এই খণ্ডটি তিনিটা ঘোষা ৩৯ নম্বৰৰ পৰা ৪১ নম্বৰলৈ আৰু পদ ৪৭৩ পৰা ৫১০ নম্বৰলৈ পদ আছে

ৰাম ৰাম ৰাম হৰি ৰাম ৰাম ৰাম।। ৩৯।।

কীৰ্ত্তনৰ ৩৯ নম্বৰ এই ঘোষাতৰে 'গজেন্দ্ৰোপাখ্যান' প্ৰথম অধ্যায়ৰ আৰম্ভণি। এইটো অধ্যায়ত ৰজাক মুনিয়ে আদৰি আনে। ৰজা পৰীক্ষিতক কুৰুকুলৰ নন্দন। পৰম মধুৰ মাধৱৰ গুণচয়।। শুনা সাৱধানে পাপৰ প্ৰলয় হওঁক এই বুলি সুমধুৰ ভাষাৰে ক'লে।

'ক্ষীৰ' সাগৰৰ মাজত এখন অতি বিতোপন 'ত্ৰিকূট' নামেৰে পৰ্ব্বত আছিল। সেই পৰ্ব্বতখনৰ শৃংগ তিনিটা। শৃংগ তিনিটা অতি উজ্বল সুবৰ্ণৰ দৰে চাৰিওফালে বিৰাজমান হৈ থাকে। দশোদিশে তৰু-তৃণ, গছ বিৰিখে পৰিপূৰ্ণ চালে চকু চাট মাৰি ধৰে। চৌদিশে সৌন্দৰ্য্যৰে ভৰপূৰ সেই সু-উচ্চ শৃংগবোৰ। 'ক্ষীৰ' সাগৰৰ ঢৌ চাৰিওফালে উঠলি থাকে। 'পথালে পৰ্ব্বত সুশীলত দুগ্ধজলে, থানে থানে আছে ভূমি অনেক উদ্যান'। সাগৰৰ চাৰিওফালে বা ঠায়ে ঠায়ে নানা ধৰণৰ উদ্যান বিৰাজমান। ফুলে ফলে সেই উদ্যানখন জাতিষ্কাৰ হৈ সোণত সুৱগা চৰায়। নদ-নদী সৰোবৰ ফটিকৰ নিচিনা নিৰ্মল জল 'ক্ষীৰ' সাগৰৰ। তাতে সৰগৰ অপেশ্বৰী বিলাকে স্নান কৰিবলৈ আহে। অপেশ্বৰী এজনীৰ নাম বিদ্যাধৰী। বিদ্যাধৰীৰ লগত অন্যান্য অপেশ্বৰী বিলাকেও স্নান কৰিবলৈ আহে।

বিদ্যাধৰীসবে তাতে নামি কৰে স্নান।
পখালি শৰীৰ বৰে সুগন্ধিত জল ঘ্ৰান। ৪৭৭
পৰম অমূল্য গন্ধ উথলে সদায়ে।
দশোদিশে জুৰি তাৰ বাম বহি যায়।
দেখি সুশোভন বন নৱ উপবনে।
যাত নিতে ক্ৰীড়ে দেৱে বিদ্যাধৰীগণে।। ৪৭৮

অপেশ্বৰীৰ শৰীৰ সু-গন্ধিৰে ভৰপূৰ। সেই উদ্যানতে শাল, তাল, মদাৰ, পাৰিজাত, অশোক আৰু চম্পা আদি অসংখ্য ফুলেৰে পৰিপূৰ্ণ, জাম, আম, লেতেকু, কল,

https://howlyraasmahotsav.org/

নাৰিকল, তাম্বুল, সোণাৰু, পদ্ম, অগৰু, চন্দন আদি বিভিন্ন ফল-ফুলেৰে সুসজ্জিত। আনফালে গন্ধৰ্ব্ব আৰু কিন্নৰ বিলাকেও সদায়ে তাতে শ্ৰীকৃষ্ণৰ মহিমা আৰু গুণানুকীৰ্তন কৰি থাকে। তেওঁলোকে এইবোৰ কৰি সকলো পাপৰ পৰা ৰক্ষা পাব বিচাৰে। 'কীৰ্তন'ত বৰ্ণনা কৰিছে যে —

'হৰিগুণ গীত গাৱৈ গন্ধৰ্ব্ব কিন্নৰে
পাপ দূৰ হৌক,
হৰি বোলা নিৰন্তৰে।' ৪৮১
ইয়াৰ পিছত — ঘোষা ঃ 'ৰাম দামোদৰ হৰে।
সেৱকে কাতৰ কৰে।। ৪০।।

সেই উপবনৰ মাজতে গজেন্দ্ৰ আৰু অনেক হস্তীনী ক্ৰীড়া কৰি থাকোতে গজেন্দ্ৰই উপবনৰ চাৰিওফালে আগে পাছে ঘূৰি ফুৰিছিল। গজেন্দ্ৰই প্ৰখৰ সূৰ্যৰ তাপ সহিব নোৱাৰি পানী পিয়াৰ উদ্দেশ্যে 'ক্ষীৰ' সৰোবৰত নামি গৈছিল। হস্তীবিলাকৰ সৈতে গজেন্দ্ৰই সৰোবৰত নামে আৰু পানীত পদুম ফুলৰ দৰে গোন্ধ পায়। তৃষ্ণা পলাই গজেন্দ্ৰই পানী খাইছিল। গজেন্দ্ৰই বাৰে বাৰে জলত বুৰ মাৰিছিল আৰু হস্তীবোৰৰ লগত জলক্ৰীড়া কৰিছিল। জলক্ৰীড়া কৰি থাকোতে ঠিক সেই সময়তে মহাগ্ৰাহে দেখা পাইছিল —

জলত গজেন্দ্ৰেই ক্ৰীড়া উল্লাহে।
দেখিল তাক পাচে মহাগ্ৰাহে। ৪৯৩

সেই সময়তে দুয়োৰে মহাযুদ্ধ আৰম্ভ হ'ল। কোনোৰে কাকো হাৰ মনা নাই। দুয়োৰে অদ্ভুত যুদ্ধ দেখি ত্ৰিদশৰ দেৱ দেৱতা বিলাকে ভয়ত থৰহৰি কম্পমান হৈছিল। যুদ্ধ কৰোতে কৰোতে সহস্ৰ বছৰ অতিক্ৰম হৈ গ'ল। কাৰো ক'তো জয়-পৰাজয় হোৱা নাই। সেই সময়তে গজেন্দ্ৰই ভাগৰুৱা হৈ পৰম ব্ৰহ্ম শ্ৰীকৃষ্ণক স্মৰণ কৰি, কি হ'ল বুলি মনতে ভাবিবলৈ ধৰিলে। চাৰিওফালে হস্তীনীবোৰে স্বামীৰ দুখত কাতৰ হৈ চিঞৰিবলৈ ধৰিলে। গজেন্দ্ৰই তেতিয়া পত্নী, পুত্ৰক ৰক্ষা কৰিবৰ কাৰণে 'ভগৱান'ক খাটনি ধৰিলে। 'হায় বিধি মোৰ কি কপাল'। সহস্ৰ বছৰ যুদ্ধ কৰিও বিধাতা পাশত বন্দী হৈলো— হে ত্ৰাণকৰ্ত্তা মাধৱ মোক ৰক্ষা কৰা, এই বুলি গজেন্দ্ৰই অতি ভক্তিভাৱে মাধৱক অবিৰত ভাৱে স্মৰণ কৰিব ধৰিলে।

'কৃষ্ণৰাম জয় জগবন্ধু জগন্নাথ।
কৃষ্ণৰ চৰণে বন্দি ৰৌক মোৰ মাথ। ৪১।।

হে প্ৰভু জগন্নাথ, অনাথৰ বন্ধু তোমাত বিনে আমাক ৰক্ষা কৰোন্তা কোনো নাই, হে হৰি তোমাক অকাতৰে বিনীত ভাৱে প্ৰাৰ্থনা কৰিছো, তুমি আমাক ৰক্ষা কৰা হে দয়াময় দৈৱকী নন্দন হৰি।

এইখিনিতে এটা কথা কোৱা ভাল হ'ব যেন পাওঁ— ঘৰত যেতিয়া মানুহৰ বিপদ, অপায়-অমংগলে দেখা দিয়ে তেতিয়া গ্ৰহ দোষৰ পৰা পৰিত্ৰাণ পাবলৈ ভকতে ভাগৱত পাঠ, নাম-কীৰ্ত্তন কৰে বুঢ়া মেথাৰ উপদেশ মৰ্ম্মে। ঘৰত গ্ৰহ দোষ থাকিলে নামতী সকলে 'গ্ৰাহ গজেন্দ্ৰ'ৰ উপ্যাখ্যান পঢ়ে বা নাম ধৰে, গৃহস্থৰ কথাবোৰ মন দি শুনাৰ পাছত— ইয়াৰ পদৰ লগত ৰজিতা খোৱাকৈ নামতীসকলে নাম গায় বিভিন্ন দিহা লগোৱা দেখা যায়।

১। মোৰ প্ৰভু নাৰায়ণ ধৰো দুচৰণত ও গ্ৰাহৰ হাতৰ হন্তে কৰা পৰিত্ৰাণ বিপদৰ সময়ত গজেন্দ্ৰই কৃষ্ণক স্তুতি কৰিবলৈ ধৰে আৰু মনত একান্ত ভক্তি ভাৱ উপজে।...

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ধৰ্মানুষ্ঠানৰ ভিতৰত মূল বস্তু একামাত্ৰ ভক্তি' যিজন ভগৱন্তৰ সীমা চাৰি বেদেও বান্ধি ৰাখিব পৰা নাই সেই জন ভগৱন্তক একমাত্ৰ ভকতিয়েহে বশ কৰিব পাৰে।

২। দিহা ঃ গোবিন্দৰ বিনে হৰি হে, ও হৰিহে গোবিন্দৰ বিনে ও সংকট বেলাত ৰাখিব কোনোহে, গোবিন্দৰ বিনে হৰি হে।...

পদঃ 'শুণ্ডে মেৰাই পদ্মগোট উপৰক তুলি।
কৃষ্ণত শৰণ লৈল ত্ৰাহি হৰি বুলি।।
দিহা ঃ শঙ্খ চক্ৰ গদা পংকজ পাণি
ও গৰুড় বাহনে বনমালী গোপাল।
ও ৰাখা প্ৰভু ভকত বৎসল।।

এইদৰে নামতী সকলে গৃহস্থৰ অপায় অমংগল দূৰ কৰিবৰ কাৰণে ভগৱানক কৰযোৰে স্তুতি কৰে। এই মানৱ জীৱনত ধন-ঐশ্বৰ্য্য, ৰূপ যৌৱন সকলো কচুপাতৰ পানীৰ দৰে বৃথা। মাথোন একান্ত ভক্তিহে সঁচা। গ্ৰাহ নো কোন? গ্ৰাহ হ'ল হুদু ৰজা আৰু গজেন্দ্ৰ হ'ল ইন্দ্ৰদ্যুম্ন ৰজা। দুয়ো সত্য যুগত কিবা অপৰাধত মহৰ্ষি ঋষিৰ কোপত পৰিছিল আৰু মুনিয়ে শাপ দিছিল যে— 'দুয়ো গ্ৰাহ আৰু গজেন্দ্ৰ হৈ থাক' এই 'ক্ষীৰ' সৰোবৰত। ঋষিৰ এনেকুৱা শাপত তেওঁলোকে মনত বৰ কষ্ট পাইছিল

https://howlyraasmahotsav.org/

আৰু অশেষ কাকুতি-মিনতি কৰি শাপ ভ্ৰষ্টা কৰি দিবলৈ অনুৰোধ কৰিছিল। তেওঁলোকৰ কৰুণ মিনতিত ঋষি সন্তুষ্ট হৈ কৈছিল— যেতিয়া সত্য, ত্ৰেতা আৰু দ্বাপৰ যুগ পৰিব, তেতিয়া ভগৱানক শ্ৰীকৃষ্ণৰ পৰশ পাবা এই সৰোবৰতেই দ্বাপৰ যুগত আৰু তেতিয়াই নিজস্ব ৰূপে ধাৰণ কৰি বৈকুণ্ঠলৈ যাব পাৰিবা। এইবুলি কৈ ঋষি অন্তৰ্দ্ধান হৈছিল।

আমাৰ গুৰুজনাই আমাক দি থৈ গৈছে অমূল্য উপহাৰ 'কীৰ্তন ঘোষা' দি থৈ গৈছে গ্ৰাহ গজেন্দ্ৰৰ মাধমেদি সমাজক এক বিশাল ভক্তি ধাৰণা। মোৰ অনুভৱ হয়— মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এই খণ্ডটোৰ যোগেদি আজিৰ পৰা প্ৰায় পাঁচশ বছৰ আগেয়ে কৈ গৈছিল যে — ভগৱান কৃষ্ণৰ অপাৰ মহিমা আৰু ব্ৰহ্মাৰ স'তে একাত্ম হ'ব পৰাৰ সাধনা।

গীতাত ভগৱান শ্ৰীকৃষ্ণই কোৱা এশাৰী শ্লোকৰ মৰ্মাৰ্থ এনেধৰণৰ — 'সত'তে মোক স্মৰণ কৰা আৰু আৰু যুদ্ধও কৰা, মোত মন বুদ্ধি অৰ্পণ কৰিলে তুমি নিশ্চয় মোক পাবা। যিয়ে অন্য চিন্ত হৈ নিৰন্তৰে মোক স্মৰণ কৰে, যাৰ চিত্ত নিৰন্তৰ মোতেই যুক্ত থাকে তেওঁৰ বাবেই মই সুলভ'। ভাগৱততো এনে মৰ্মাৰ্থ প্ৰতিধ্বনি শুনা যায়। ভগৱান সদায়ে ভকতিৰ বশ্য। ভকতৰ ভক্তি ভাৱত ভগৱানে জাত-পাতৰ বিচাৰো নকৰে-

'নচাৰে অজাতি-জাতি পাপী পূণ্যৱন্ত'।
ভকতিয়ে বশ্য কিনো প্ৰভু ভগৱন্ত।

হাউলীত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস উৎসৱ

ধৃতি সুন্দৰ দাস

https://howlyraasmahotsav.org/

শৰতৰে, বতৰত পূৰ্ণিমাৰ জোনাক ৰাতি।
শ্ৰীশ্ৰী কৃষ্ণৰ সৌন্দৰ্যৰে ভৰা আকাশৰ তলত।।
শ্ৰীশ্ৰী কৃষ্ণই, ৰাস লীলা কৰিছে।
ৰাধা-গোপিনীৰ, সকলৰে লগত।।
কি যে ভাল, লাগি যায়।
সকলোৰে হিয়া-মন জুৰ পৰি যায়।।
পৃথিৱীৰ সকলো ঠাইতে কৰিছে পালন।
শ্ৰীশ্ৰী কৃষ্ণৰ, ৰাস-লীলাৰ উৎসৱ ।।
আমি দেখিছিলো শৈশৱ কালতে।
হাউলীত ৰাস-লীলাৰ, উৎসৱ
শ্ৰীশ্ৰী কৃষ্ণৰ।।
এতিয়া, দেখিছোঁ ৰাস-উৎসৱ
হাউলীত বহুত পৰিৱৰ্তন।।
আহিছে দূৰ -দূৰণিৰ পৰা
ভক্ত সকলে হাউলীত
ৰাস-উৎসৱ চাবলৈ বিভিন্ন প্ৰান্তৰে পৰা।।
বুৰঞ্জীত লিখা আছে, চণ্ডী বৰুৱা ৰজাৰ কথা।
আছিল তেওঁৰ ৰাজ-হাউলি হাউলীত।।
ৰাস উৎসৱ হাউলীৰ সকলো জাতিৰে।
মানুহৰ প্ৰীতি সমৃদ্ধিৰ মিলনৰ এখন ঠাই।
বিভিন্ন জাতিৰ সম্প্ৰদায়ৰ
হিন্দু, মুছলমান, খ্ৰীষ্টিয়ান।
সকলো ধৰ্মৰ মিলনৰ ৰাস উৎসৱৰ পৱিত্ৰ তীৰ্থস্থান।।
সকলোৰেই সহযোগত গঢ়ি উঠিছে।
এইতো মহান শ্ৰীশ্ৰী কৃষ্ণৰ
ৰাস-মন্দিৰৰ অনুষ্ঠান।।
মই প্ৰভু শ্ৰীশ্ৰী কৃষ্ণৰ চৰণত
প্ৰাৰ্থনা কৰিছো সদায়
জাউতি যুগীয়া হৈ থাকক।
প্ৰভুৰ চৰণত কোটি কোটি প্ৰণাম।

অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ স্বীকৃতি

কিৰ্তীকা কাশ্যপ (কুঁহি)

ভাৰত চৰকাৰে ভাৰতবৰ্ষৰ প্ৰাচীন ভাষাসমূহৰ ধ্ৰুপদী ভাষা (Classical language) হিচাপে স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিছিল ২০০৪ চনৰ পৰা। ভাৰতীয় এটা প্ৰাদেশিক ভাষা ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ বাবে তলত দিয়া চৰ্তসমূহ ভাৰত চৰকাৰে আৰোপ কৰিছিল।

চৰ্তাৱলী—

১। ভাষাৰ এটা বুৰঞ্জী আছে, যিটো ১৫০০-২০০০ বছৰ পুৰণি, ২। কিছুমান পুৰণি সাহিত্য! মহাকাব্য যিটো ভাষাত লিখা হৈছে, যিসকল লোকে সেই ভাষাটো কয়, তেওঁলোকৰ বাবে সেই মহাকাব্য বা সাহিত্য মূল্যৱান সম্পত্তি, ৩। ভাষাৰ এটা প্ৰকৃত সাহিত্যিক পৰম্পৰা আছে আৰু আন ভাষা বা সম্প্ৰদায়ৰ পৰা তাক ল'ব নোৱাৰিব, ৪। ভাষাৰ প্ৰাচীন সাহিত্য আৰু আধুনিক সাহিত্যৰ মাজত বিভিন্নতা থাকিব লাগিব।

উপৰিউক্ত চৰ্তানুসৰি ২০০৪ চনৰ পৰা ভাৰত চৰকাৰে পৰ্যায়ক্ৰমে ভাৰতীয় প্ৰাচীন ভাষাক ধ্ৰুপদী ভাষা (Classical language) হিচাপে স্বীকৃতি দি আহিছে।

স্বীকৃতিপ্ৰাপ্ত ভাষা	প্ৰাপ্ত চন
১। তামিল	২০০৪
২। সংস্কৃত	২০০৫
৩। তেলুগু	২০০৮
৪। কানাড়া	২০০৮
৫। মালায়ালম	২০১৩
৬। উড়িয়া	২০১৪
৭। মাৰাঠী	২০২৪
৮। পালি	২০২৪
৯। প্ৰাকৃত	২০২৪
১০। অসমীয়া	২০২৪
১১। বাংলা	২০২৪

স্বীকৃতিপ্ৰাপ্ত ধ্ৰুপদী ভাষাৰ পৰা পোৱা সুবিধাসমূহ—

১। কেন্দ্ৰীয় চৰকাৰে এটা ভাষা ধ্ৰুপদী ভাষা (Classical language) হিচাপে স্বীকৃতি দিয়াৰ লগে লগে সুদূৰ প্ৰসাৰী প্ৰভাৱ পৰে। সমগ্ৰ পৃথিৱীৰ বৌদ্ধিক সমাজৰ মাজত এই ভাষাটোৱে এখন সুকীয়া স্থান লাভ কৰে, ২। কেন্দ্ৰীয় চৰকাৰে ভাষাটোৰ প্ৰচাৰ, প্ৰসাৰ, সুৰক্ষা আৰু সংৰক্ষণৰ বাবে বিশেষ সহযোগিতা আগবঢ়ায়, ৩। ভাষাটোৰ উৎকৰ্ষ সাধনৰ বাবে কেন্দ্ৰীয় চৰকাৰে গৱেষণাগাৰ স্থাপন, পুথি আদি যোগান ধৰে, ৪। বিভিন্ন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত সংশ্লিষ্ট বিষয়ৰ বিশেষ আসনৰ ব্যৱস্থা কৰে, ৫। সেই ভাষাটোৰ সাহিত্যিকসকলৰ বাবে বিশেষ আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰদানৰ ব্যৱস্থা কৰে।, ৬। কেন্দ্ৰ তথা ৰাজ্যত চৰকাৰী ভাষা হিচাপে ভাষাটো ব্যৱহাৰ কৰিব পাৰিব। অৰ্থাৎ সৰ্বভাৰতীয় পৰীক্ষাসমূহত অসমীয়া বা সেই ভাষাৰ দ্বাৰা পৰীক্ষা দিয়াৰ ব্যৱস্থাৰ বাবে আবেদন কৰিব পাৰিব।

ভাৰতৰ স্বীকৃতপ্ৰাপ্ত ধ্ৰুপদী নৃত্যসমূহ—

১। কথাকলি (মালায়ালম, কেৰালা), ২। মোহিনী আট্টাম (কেৰালা), ৩। ভাৰত নাট্যম (তামিলনাডু), ৪। কুচিপুড়ী (অন্ধ্ৰপ্ৰদেশ), ৫। অ'ডিছি (ওড়িশা), ৬। কথক (উত্তৰ ভাৰত), ৭। সত্ৰীয়া (অসম), ৮। মণিপুৰী (মণিপুৰ)

https://howlyraasmahotsav.org/

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নাটকত আধুনিক নাৰী মনস্তত্বঃ এক চমু পৰ্যালোচনা

দীপজ্যোতি বৈশ্য

পূৰ্ববৰ্তী সংস্কৃত নাটক আৰু অসমীয়া থলুৱা নাট্যধৰ্মী অনুষ্ঠানৰ আদৰ্শ সন্মুখত ৰাখি ৰচনা কৰিলেও নাট্য সাহিত্যৰ ক্ষেত্ৰত শংকৰদেৱে অভিনৱত্বৰ সূচনা কৰিবলৈ সক্ষম হৈছে। সু-কৌশলী কাহিনী বিন্যাস, যথোপযোগী সংলাপ নিৰ্মাণ, পৰিৱেশৰ সাৰ্থক ৰূপায়ণ আদিৰ দৰেই নাটৰ চৰিত্ৰৰাজিৰ জীৱন্ত আৰু স্বাভাৱিক চিত্ৰায়ণৰ ক্ষেত্ৰতো নাট্যকাৰৰ সাৰ্থকতা লক্ষ্য কৰা যায়। বিশেষকৈ নাৰীৰ স্বভাৱজাত মানসিকতা প্ৰতিফলনে শংকৰদেৱৰ নাটৰ নাৰী চৰিত্ৰসমূহক আকৰ্ষণীয় আৰু সজীৱ ৰূপত গঢ়ি তুলিছে। চৰিত্ৰৰ মনোজগতৰ সাৰ্থক উন্মোচনৰ বাবে নাট্যকাৰৰ গভীৰ অন্তৰ্দৃষ্টি আৰু সূক্ষ্ম চিন্তাৰ প্ৰয়োজন। সেই অন্তৰ্দৃষ্টিৰে শংকৰদেৱে নাৰী মনস্তত্ত্বৰ এনে ছবি অংকন কৰিছিল, যাক আধুনিক নাৰী মনস্তত্ত্বৰ প্ৰতিফলন বুলিও ক'ব পাৰি। 'পাৰিজাত হৰণ', 'ৰুক্মিণী হৰণ', 'কালিয় দমন', 'ৰাম বিজয়' আদি নাটকসমূহৰ জৰিয়তে নাট্যকাৰৰ এনে গুণৰ স্পষ্ট প্ৰকাশ পৰিলক্ষিত হয়।

'কালিয় দমন' নাটকৰ প্ৰধান নাৰী চৰিত্ৰ যশোদাৰ জৰিয়তে এক চিৰন্তন মাতৃমূৰ্তি প্ৰতিভাত হৈছে। একমাত্ৰ পুত্ৰ কৃষ্ণক কালিনাগে দংশন কৰা বুলি শুনি যশোদা যিদৰে দুখ-বেদনাত অস্থিৰ হৈ উঠিছে, সেয়া কোনো অস্বাভাৱিক ঘটনা নহয়। পুত্ৰ শোকত ৰ'ব নোৱাৰি যশোদাই কৰা ক্ৰন্দন, বিলাপ, আশংকা আদি যিকোনো এগৰাকী সাধাৰণ মাতৃৰ বাবেই সম্ভৱপৰ; সন্তানৰ মাজতে জীৱনৰ পূৰ্ণতা বিচাৰি পোৱা স্নেহাকুল মাতৃৰ বাবে এনে মুহূৰ্তত নিজৰ মান-মৰ্যাদা ভবাৰো যেন অৱকাশ নাথাকে। গকুলৰ ৰাণী যশোদায়ো স্থান-কাল পাহৰি একেদৰেই পুত্ৰ বিৰহত হাহাকাৰ কৰে। সন্তান যিমানেই ডাঙৰ বা অসাধাৰণ গুণ সম্পন্ন হ'লেও মাতৃৰ দৃষ্টিত সদায়েই শিশুসম। পুত্ৰ বৎসল যশোদাই শিশু কৃষ্ণক এটা সাধাৰণ শিশুৰ দৰে মৰমৰ আঁচলেৰে বান্ধি থৈছে। সেয়া অনুভৱ কৰিব নোৱাৰে। সেয়েহে কালিনাগৰ দৰ্পচূৰ্ণ কৰি উঠি অহাৰ পিছতো যশোদাই মৰমত উদ্বাউল সাধাৰণ এটি শিশুৰ দৰেই কৃষ্ণৰ সৈতে ব্যৱহাৰ কৰিছে আৰু কথা কৈছে। কৃষ্ণৰ অসাধাৰণত্বই যশোদাৰ মাতৃ হৃদয়ক স্পৰ্শ কৰিব পৰা নাই। ইয়াতেই এটি চৰিত্ৰৰ সৃষ্টিত নাট্যকাৰৰ সূক্ষ্মদৰ্শী চিন্তাৰ প্ৰকাশ ঘটিছে।

'ৰুক্মিণী হৰণ' নাটকত নায়িকা ৰুক্মিণী চৰিত্ৰটিয়েও নাৰীসুলভ গুণৰাশিৰ সমাহাৰত উজ্জ্বল, আকৰ্ষণীয় ৰূপ পৰিগ্ৰহ কৰিছে। ভাটৰ মুখে কৃষ্ণৰ ৰূপ-গুণৰ কথা শুনি ৰুক্মিণীয়ে মনে মনে তেওঁক স্বামী বৰণ কৰে। ৰুক্মিণীৰ এনে কাৰ্য নাৰীৰ আৱেগ নিৰ্ভৰ আৰু অনুভূতি প্ৰৱণ মনৰ পৰিচায়ক। কিন্তু ৰুক্মিণীৰ ইচ্ছাত বাধা ৰূপে থিয় দিয়ে ককায়েক ৰুক্মবীৰে। শোকবিহ্বল ৰুক্মিণী আসন্ন ভৱিষ্যতৰ চিন্তাত অস্থিৰ হ'লেও এজনী সহজ-সৰল অসমীয়া জীয়ৰীৰ দৰেই তাইয়ো ককায়েকৰ সন্মুখত মাত মাতিব নোৱাৰে। সেয়েহে কথাৰে যুদ্ধ নকৰি বুদ্ধিৰে ৰুক্মিণীয়ে কৃষ্ণক লাভ কৰাৰ চেষ্টা কৰিছে। কৃষ্ণলৈ পত্ৰ লিখি দূত ৰূপে পঠিওৱা বেদনিধি উলটি নহা দেখি ৰুক্মিণী যিদৰে অস্থিৰ হৈ উঠিছে, সিও চৰিত্ৰটিক নাৰীৰ ৰূপত সাৰ্থকভাৱে প্ৰতিষ্ঠাত সহায়

https://howlyraasmahotsav.org/

কৰিছে। তদুপৰি স্বামী লাভৰ পিছত কৃষ্ণক আক্ৰমণ কৰিবলৈ অহা ৰজাসকলক দেখি ৰুক্মিণীয়ে সাধাৰণ এগৰাকী নাৰীৰ দৰেই ভয়-শংকাত বিহ্বল হৈ উঠিছে। সেইদৰে কৃষ্ণৰ হাতত ৰুক্মবীৰৰ মৃত্যু নিশ্চিত বুলি জানি তেওঁ যিদৰে অনুনয় কৰি ককায়েকৰ প্ৰাণ ভিক্ষা বিচাৰিছে, তাৰ জৰিয়তেও ভাতৃ প্ৰেমাপ্লুত নাৰীৰ স্বভাৱজাত কোমল মন আৰু আৱেগৰ পৰিচয় ফুটি উঠিছে।

'ৰুক্মিণী হৰণ' নাটৰ আন দুটি উল্লেখযোগ্য নাৰী চৰিত্ৰ শশীপ্ৰভা আৰু দৈৱকীৰ জৰিয়তেও নাৰী মনৰ স্পষ্ট ছবি জিলিকি উঠা দেখা গৈছে। সাধাৰণ একোগৰাকী মাতৃতকৈ তেওঁলোকো কোনো ক্ষেত্ৰতে ব্যতিক্ৰম নহয়। ৰুক্মিণী হৰণৰ উদ্দেশ্যে যোৱা কৃষ্ণক অকলশৰীয়া বুলি ভাবি দৈৱকীয়ে বলোভদ্ৰ, সাত্যকি আৰু গদৰ আগত দুঃচিন্তা ব্যক্ত কৰাৰ লগতে সহায়ৰ বাবেও যাবলৈ কৈছে। 'কালিয় দমন'ৰ যশোদাৰ দৰে দৈৱকীয়েও কৃষ্ণৰ অসাধাৰণত্ব উপলব্ধি কৰিব নোৱাৰে। স্বয়ং কৃষ্ণৰ মাতৃ হ'লেও আৰু দ্বাৰকাত বাস কৰিলেও দৈৱকীৰ এনে মমতাময়ী মাতৃ ৰূপৰ প্ৰকাশ পৰিসৰত সংক্ষিপ্ত যদিও অতি স্বাভাৱিক আৰু সজীৱ। ৰুক্মিণীৰ দুই সখী লীলাৱতী আৰু মদন মঞ্জৰীকো নাট্যকাৰে নাটখনত মৰমৰ আকৰ ৰূপত সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে। সখীয়েকৰ সুখ-দুখৰ প্ৰতি সদা সচেতন দুয়োটা চৰিত্ৰই কমণীয় নাৰী সৌন্দৰ্য আৰু উদাৰ গুণৰ অধিকাৰী।

শংকৰদেৱৰ উল্লেখযোগ্য নাট্যকীৰ্তি 'পাৰিজাত হৰণ' নাটৰ মূল চালিকা শক্তি হৈছে নাৰী চৰিত্ৰ। ৰুক্মিণী, সত্যভামা, আৰু ইন্দ্ৰপত্নী শশী— এই তিনিটা চৰিত্ৰক কেন্দ্ৰ কৰিয়ে নাটকখনৰ মূল কাহিনীটো আৱৰ্তিত হৈছে। ইয়াত এই তিনিও গৰাকী নাৰীৰ জৰিয়তে নাৰী মনৰ ভিন্ন দিশৰ ছবি স্পষ্ট হৈ উঠিছে।

ফুলৰ প্ৰতি আকৰ্ষণ নাৰী মানেই স্বাভাৱিক ধৰ্ম। এনে এক আকৰ্ষণৰ পৰা ৰুক্মিণীও বহিৰ্ভূত নহয়। সেয়েহে নাৰদে কৃষ্ণৰ চৰণত অৰ্পণ কৰা পাৰিজাত ফুলপাহ মূৰত পিন্ধি তেওঁ হেঁপাহ পূৰোৱাৰ লগতে নাৰীৰ স্বভাৱজাত সৌন্দৰ্যবোধৰো ইংগিত প্ৰদান কৰিছে। আনহাতে ঈৰ্ষা পৰায়ণতা হ'ল নাৰীৰ আন এক সহজাত প্ৰবৃত্তি। আলসুৱা আৰু আৱেগিক বাবেই নাৰী হৃদয়ক সহজেই ঈৰ্ষাই গ্ৰাস কৰিব পাৰে। 'পাৰিজাত হৰণ'ত সত্যভামা আৰু শশী এই দুয়োটা চৰিত্ৰৰ জৰিয়তে নাৰীৰ তীব্ৰ ঈৰ্ষাকাতৰ স্বভাৱৰ প্ৰকাশ ঘটিছে। ৰুক্মিণীক পাৰিজাত ফুল এপাহ দিয়া বুলি শুনি ৰোহঘৰত পৰা সত্যভামাৰ কথা আৰু কাৰ্যৰ জৰিয়তে প্ৰচুৰ ঈৰ্ষাৰ লগতে নাৰীৰ স্বাভাৱিক সতিনীবিদ্বেষী ৰূপৰ পৰিচয় পোৱা যায়। সেইদৰে মানৱী সত্যভামাক পাৰিজাত দিবলৈ অমান্তি হোৱাৰ মূলতে শশীৰ মনতো ঈৰ্ষাইহে ক্ৰিয়া কৰিছে। তদুপৰি পাৰিজাতক লৈ শশী-সত্যভামাই কৰা ব্যৱহাৰ আৰু বাকযুদ্ধৰ জৰিয়তেও ৰুচিগৰ্হিত, অমাৰ্জিত নাৰীৰ ৰূপ একোটিয়ে প্ৰকাশ লাভ কৰিছে। ইয়াৰ বিপৰীতে কৃষ্ণ পত্নী ৰূপে 'জগতৰ পৰম গুৰু কৃষ্ণৰ চৰণ সেৱা' কৰিবলৈ পোৱাতে পৰম কৃতাৰ্থ লভা ৰুক্মিণীয়ে স্ব-মৰ্যাদা আৰু সন্মান ৰক্ষা কৰিব জানে। মৃদুভাষী, আধ্যাত্মিক জ্ঞান সম্পন্ন আৰু এই চৰিত্ৰটোৰ জৰিয়তে এক আদৰ্শ নাৰীৰ ৰূপত প্ৰতিফলিত হৈছে। ৰুক্মিণী, সত্যভামা আৰু শশী— এইকেইটা চৰিত্ৰৰ জৰিয়তে নাৰী মনৰ বৈচিত্ৰ্যময় দিশৰ চিত্ৰায়ণত 'পাৰিজাত হৰণ' নাটত নাট্যকাৰে বিশেষকৈ সাৰ্থকতা লাভ কৰিছে বুলি ক'ব পৰা যায়।

নাৰী চৰিত্ৰ প্ৰাধান্য শংকৰদেৱৰ কাব্য, নাট্য আদিৰ এটি উল্লেখনীয় বৈশিষ্ট্য। আনহাতে নাৰী মনৰ প্ৰকৃত উপলব্ধি আৰু একাত্মতা অবিহনে এনে ৰূপায়ণে কেতিয়াও সাৰ্থকতা লভিব নোৱাৰে। তেওঁৰ নাটকৰ নাৰী চৰিত্ৰৰাজিৰ মাজেদি প্ৰকাশ ঘটা বৈচিত্ৰ্যময় ৰূপসমূহে এইক্ষেত্ৰত থকা নাট্যকাৰৰ উচ্চ আৰু উদাৰ মনোভাৱ, সুতীক্ষ্ণ আৰু দূৰদৰ্শী দৃষ্টি, তীব্ৰ অনুভূতিশীল মন আৰু গভীৰ আনুগত্যৰ পৰিচয় বহন কৰিছে। সবাতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, শংকৰদেৱৰ নাটকৰ এই নাৰী মনস্তত্ত্ব আজিৰ নাৰীৰ সৈতে প্ৰায় অভিন্ন। ◂◂

https://howlyraasmahotsav.org/

শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া আৰু বৰ্তমান সমাজ জীৱনত ইয়াৰ প্ৰাসংগিকতা

প্ৰতিভা দেৱী

লোক সমাজত পৰম্পৰাগত ভাৱে প্ৰৱহমান ৰাসনৃত্য ধৰ্মীয়, দাৰ্শনিক আৰু নৈতিক আদৰ্শৰ দ্বাৰা পৰিপুষ্ট হৈ বৰ্তমানৰ অৱস্থা পাইছে। ৰাস-নৃত্য ভগৱান শ্ৰীকৃষ্ণই গোপীসকলক লৈ কৰা নৃত্য, যাক হল্লীস নৃত্যও বোলা হয়। ৰাস-নৃত্য বা হল্লীস-নৃত্যত এটা নিৰ্দ্দিষ্ট বিন্দুক কেন্দ্ৰ কৰি ডেকা-গাভৰুৱে মণ্ডলাকাৰে ঘূৰি-ঘূৰি নাচে। ড° নবীন চন্দ্ৰ শৰ্মাই তেখেতৰ 'পুৰণি অসমীয়া সাহিত্যৰ সুবাস' পুথিখনত উল্লেখ কৰিছে যে স্ত্ৰী-পুৰুষে মণ্ডলাকাৰে কৰা নৃত্য প্ৰজনন কৃত্যৰ লগত বিজড়িত। ৰাস নৃত্যও যে প্ৰজনন কৃত্যৰ লগত সংপৃক্ত আছিল তাত সন্দেহ নাই। ৰাসনৃত্য বা হল্লীস নৃত্য শৰতকালৰ পূৰ্ণিমাত ব্ৰজধামত বিশেষভাৱে উদযাপন হৈছিল।

'ৰস' শব্দৰ পৰাই 'ৰাস' শব্দৰ সৃষ্টি হৈছে। য'ত 'ৰস' থাকে সিয়ে 'ৰস' পোৱাৰ বাবে যি ক্ৰীড়া বা লীলা কৰা হয় সেয়াই ৰাসলীলা বা ৰাসক্ৰীড়া। ৰাসক্ৰীড়াৰ জৰিয়তে গোপী-কৃষ্ণৰ প্ৰকৃত প্ৰেমৰ স্বৰূপ প্ৰকাশ হৈছে।

মহাপুৰুষ শংকৰদেৱে শ্ৰী মদ্ভাগৱতৰ দশম স্কন্ধৰ অন্তৰ্গত আদ্যদশমৰ ২৯ নম্বৰ অধ্যায়ৰ পৰা ৩৩ নম্বৰ অধ্যায়লৈ ৰাসক্ৰীড়াৰ বৰ্ণনা কৰিছে। ইয়াক 'ৰাস পঞ্চাধ্যায়ী' বোলা হয়। আকৌ দশম স্কন্ধৰ আধাৰত ৰচিত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি 'কীৰ্ত্তন ঘোষা'তো ওঠৰটা কীৰ্ত্তনৰ মাধ্যমেৰে 'ৰাসক্ৰীড়া' বৰ্ণিত কৰিছে। মহাপুৰুষ শংকৰদেৱৰ তৃতীয় নাট্যকৃতি 'কেলি গোপালতো ৰাসক্ৰীড়াৰ উল্লেখ পোৱা যায়।

'ভাগৱত পুৰাণ'ৰ পঞ্চম স্কন্ধৰ ২৯ নম্বৰ অধ্যায়ত শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াৰ মনোৰম বৰ্ণনা দাঙি ধৰা হৈছে। শৰত কালৰ বিতোপন ৰাতি প্ৰভু শ্ৰীকৃষ্ণৰ ঐশ্বৰিক প্ৰেমৰ খেল খেলিবলৈ মন গ'ল। সেয়ে যোগমায়া বলেৰে ৰাসক্ৰীড়া কৰি ৰতি ক্ৰিয়াৰ নিচিনাকৈ দেখুৱাব বিচাৰিলে। গোপীসৱক আকৃষ্ট কৰাৰ উদ্দেশ্যে শ্ৰী কৃষ্ণই সুমধুৰ মুৰেৰে বাঁহী বজাবলৈ ধৰিলে। কৃষ্ণৰ ভুবন শ্ৰীকৃষ্ণই সুমধুৰ সুৰেৰে বাঁহী বজাবলৈ ধৰিলে। কৃষ্ণৰ ভুবন ভুলোৱা বংশীৰ ধ্বনি শুনি গোপীসকল উত্ৰাৱল হৈ স্বামী পুত্ৰ সকলোকে এৰি বৃন্দাৱনলৈ দৌৰি আহিল। কৃষ্ণই নানা ভংগীমাৰে নৃত্য কৰি গোপীসৱক আলিংগন কৰা কাৰ্যত তেওঁলোক গৰ্বিত হৈছিল। গোপীসৱৰ অহংকাৰৰ কথা জানি কৃষ্ণই পুনৰ গোপীসৱক দেখা পাই ব্ৰজধামৰ কুশল বাৰ্তা সুধিলে আৰু প্ৰাণৰ ভয়, লোকভয় আৰু ধৰ্মভয় দেখুৱাই ক'লে—

"স্বামি আছে গৃহতে কিমক ভৈলা ভ্ৰান্তি।
কৰিয়ো শুশ্ৰূষা তাক তুমিসৱ শান্তী।।
উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম
স্বামীৰ শুশ্ৰূষা কুলস্ত্ৰীৰ মহাধৰ্ম।।"

(ভাগৱত, দশম স্কন্ধ)

কৃষ্ণৰ উপদেশ বাণীত গোপীসকল মৰ্মাহত হ'ল। তেওঁলোকে সমস্ত গৃহ সুখ ত্যাগ কৰি যিহেতু কৃষ্ণকে ভজিছে, সেয়ে তেওঁ এনে নিদাৰুণ কথা কৈ ভক্তবৃন্দক ত্যাগ কৰা অনুচিত। তেওঁলোকে ঘৰলৈ উভতি নাযায়, যোগ অভ্যাস কৰি যোগ বলেৰে প্ৰাণত্যাগ কৰি আকৌ

https://howlyraasmahotsav.org/

কৃষ্ণতে মিলিব। কৃষ্ণৰ পৰীক্ষাত গোপীসকল উত্তীৰ্ণ হ'ল।

কৃষ্ণই গোপীসকলক প্ৰবোধ বানী শুনালে যে তেওঁ গোপীসকলৰ প্ৰেম ভকতিত বশীভূত হৈ পৰিছে। কোকিলৰ কুহু-কুহু ধ্বনি, ৰিব্‌-ৰিব্‌ মলয়া বতাহ, ফুলৰ সুবাসিত গোন্ধ আৰু ভোমোৰাৰ মধুৰ গুঞ্জনেৰে আমোদিত বৃন্দাবনত কৃষ্ণই গোপীসকলৰ লগত ৰাসক্ৰীড়া আৰম্ভ কৰিলে।

হেন বিতো পন বনে ভ্ৰমি ভগৱন্ত।
গোপীসব সমে ক্ৰীড়িলন্ত অপৰ্য্যন্ত।। (দশম ১২৮২)

ভাগৱতৰ কবিয়ে ৰাসক্ৰীড়াক জন মানমত ৰহস্যাবৃত আৰু মধুৰতকৈও মধুৰ কৰাৰ কাৰণে সম্পূৰ্ণ মানৱীয় দৃষ্টিভংগীৰে সজাই তুলিছে। শৰতকালৰ প্ৰতিটো ৰাতিতে কৃষ্ণই বৃন্দাবনত ৰাসক্ৰীড়া কৰি গোপীসকলৰ সমস্ত কাম-পীড়া নিবৃত্ত কৰিছিল।

এহিমতে সবে শৰতকালৰ
ৰাত্ৰিত কৰিয়া ক্ৰীড়া।
ভকত বৎসল গুচাইলা সকল
গোপিকাৰ কাম-পীড়া।। (দশম ১৫৪৯)

প্ৰত্যেকগৰাকী গোপীয়ে ভাবিলে কৃষ্ণই অকল তেওঁৰ লগতহে ক্ৰীড়া কৰিছে। যত গোপীসকল তত কৃষ্ণ। জীৱাত্মাৰূপী গোপীসকল মিলনৰ এক ঐশ্বৰিক লীলা—

"ভৈলন্ত মণ্ডলাকাৰে হাতে গলে ধৰি।
সৱে বোলে মোক সে আলিঙ্গি আছে হৰি।।"

ৰাসক্ৰীড়া (কীৰ্ত্তন-ঘোষা)

আকাশৰ পৰা দেৱগনে পুষ্পবৃষ্টি কৰিলে আৰু গন্ধৰ্ব্ব, অপেশ্বৰাসকলেও ৰাসক্ৰীড়া চাই ৰোমাঞ্চিত হ'ল। গোপীসকলে প্ৰত্যেকে ওচৰতে কৃষ্ণক দেখি অভিভূত হ'ল। যোগমায়াৰ বলত যমুনাৰ তীৰত ৰাসলীলা চলি থকা অৱস্থাতে গোপীসকলে নিজ নিজ পত্নীক কাষতে শুই থকা অৱস্থাতে দেখা পালে।

"মোহিলা গোপক কৃষ্ণৰ মায়া।
কাষতে আছে দেকে নিজ জায়া।।
নকৰে অসূয়া কৃষ্ণক কেৰ।
কায়মনে সৱে কৰন্ত সেৱ।।

ৰাসক্ৰীড়া (কীৰ্ত্তন-ঘোষা)

কৃষ্ণই গোপীসকলৰ লগত কৰা চুম্বন, আলিঙ্গন আদিয়ে প্ৰতি গৰাকী গোপীক মায়াহীন কৰিলে আৰু পৰম ব্ৰহ্মৰ অস্তিত্ব গোপীসকলে লাভ কৰিলে। এইবাৰ পূৰ্ণকাম হৰিয়ে গোপিনীবিলাকৰ অন্তৰ শুদ্ধভক্তিৰে পৰিপূৰ্ণ হোৱাত য'ত গোপী তত কৃষ্ণ হৈ ৰাসক্ৰীয়া কৰিব ধৰিলে।

"যত গোপী তত কৃষ্ণ হুয়া কৰি ক্ৰীড়া।
সমস্তে গুচাইলা গোপিকাৰ কাম পীড়া।।"

ৰাসক্ৰীড়া (কীৰ্ত্তন-ঘোষা)

তাত্বিক দৃষ্টিকোণেৰে ৰাসলীলাৰ তাৎপৰ্য বিশ্লেষণ কৰিলে দেখা যায় যে গোপীসকলৰ লগত ভগৱানৰ প্ৰেমলীলাৰ মাধ্যমেৰে জীৱাত্মাক পৰমাত্মালৈ, জাগতিক সুখানুভূতিক আধ্যাত্মিকতালৈ আৰু কাম প্ৰবৃত্তিক সম্পূৰ্ণৰূপে কলাৰ শাৰীলৈ উন্নত কৰাৰ প্ৰয়াস কৰা হৈছে। "টাকাকাৰ নীলকণ্ঠৰ মতে ৰাসক্ৰীড়াত শ্ৰী কৃষ্ণই গোপীসৰৰ লগত কৰা কামক্ৰীড়াত শৃঙ্গাঁৰ ৰসৰ গোন্ধ নাই, কাৰণ দহ-এঘাৰ বছৰ বয়সত উপময়নৰ পূৰ্বে কৃষ্ণই গোপীসৰৰ লগত ক্ৰীড়া কৰিছিল। গতিকে কৃষ্ণৰ এই ক্ৰীড়া কামভাৱৰ দ্বাৰা কলংকিত হ'ব নোৱাৰে"। (শৰ্মা, উনবীন চন্দ্ৰ, পুৰণি অসমীয়া সাহিত্যৰ সুবাস, বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, দ্বিতীয় প্ৰকাশ, এপ্ৰিল, ১৯৯৪, পৃষ্ঠা ১৪৮)

স্বৰূপাৰ্থত ৰাসলীলা ভগৱন্তৰ নিজলীলাহে। ভক্ত আৰু ভগৱন্তৰ মাজত আহৰহ চলি থকা নিজলীলাৰ ই এককৰূপাত্মক অভিব্যক্তি। ভগৱন্ত ৰসময়, আনন্দময় অৰ্থাৎ 'ৰসো বৈ সঃ। সকলো বাধা নেওচি গোপীসকলে কৃষ্ণৰ লগত মিলন হ'বলৈ যোৱা বৰ্ণনাই গম্ভীৰ ভক্তিৰ আদৰ্শ ফুটাই তুলিছে। শংকৰদেৱে কীৰ্ত্তন ঘোষাৰ ৰাসক্ৰীড়াত বৰ্ণনা কৰিছে এনেদৰে—

ইটো ৰাসক্ৰীড়া কেলি নামে কামজয়।
কৰিলা নৃত্যৰ পদে কৃষ্ণ কৃপাময়।।

বৰ্তমান সময়ত শ্ৰী কৃষ্ণৰ ৰাসক্ৰীড়া লোক-উৎসৱৰ পৰা লোক-মহোৎসৱত পৰিণত হৈছে। শংকৰদেৱৰ ভাগৱত-পুৰাণ, কীৰ্ত্তন ঘোষাৰ ৰাসক্ৰীড়া আদি শ্ৰী কৃষ্ণৰ মহিমাৰে, আধ্যাত্মিক চেতনাৰে বৰ্ণিত কৰি জনমানসত ধৰ্মীয় চেতনা জাগ্ৰত কৰিবলৈ কৰা প্ৰচেষ্টা এতিয়াও সময়োপযোগী হৈ আছে। তৎসত্বেও আমি ক'ব খোজা যে সাম্প্ৰতিক একবিংশ শতিকাত ধৰ্মীয় দৃষ্টিভংগীৰে ৰাস

https://howlyraasmahotsav.org/

উৎসৱ অনুষ্ঠানটো পালন কৰিলেও এতিয়া এই অনুষ্ঠানৰ লগত বিভিন্ন আৰ্থ-সামাজিক দিশ জড়িত হৈছে।

মানুহৰ জীৱন পৰিক্ৰমাৰ লগত সংগতি ৰাখি বিভিন্ন জনগোষ্ঠীয়ে বিভিন্ন উৎসৱ পালন কৰে। অসমত পালন কৰা কিছুমান উৎসৱ যেনে— দুৰ্গাপূজা, লক্ষ্মীপূজা, কালীপূজা, শিৱৰাত্ৰি, ভঠেলি, অম্বুবাচী আৰু শ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ আদিত বৃহৎ জনমেলাৰ কৰি আহিছে। এই মেলাবোৰত নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ ক্ৰয়-বিক্ৰয়ৰ যোগেদি বেহা-বেপাৰৰ দিশত জড়িত ব্যক্তিসকল আৰ্থিক দিশত উপকৃত হোৱা দেখা গৈছে। আয়োজকসকলে সাহিত্য সংস্কৃতিৰ লগতে মনোৰঞ্জনধৰ্মী অনুষ্ঠানসমূহৰ মাজেৰে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোকে অংশ গ্ৰহণৰ সুবিধা প্ৰদান কৰি আহিছে। এইবোৰৰ যোগেদি মানুহৰ মাজত শান্তি সম্প্ৰীতি আৰু ভাতৃত্ববোধ গঢ় লৈ উঠাত অৰিহনা যোগাইছে। সেয়ে ৰাস মহোৎসৱৰ প্ৰাসংগিকতা নুই কৰিব নোৱাৰি।

সৰ্বভাৰতীয় স্তৰত শ্ৰীকৃষ্ণ কেন্দ্ৰী ৰাস উৎসৱ ভিন্ ভিন্ মাধ্যমেৰে ৰূপায়ণ হৈ আহিছে, লগতে সৰ্বসাধাৰণ লোকৰ মাজত এই উৎসৱৰ জনপ্ৰিয়তাও বাঢ়ি গৈছে। মাজে সময়ে ৰাস মহোৎসৱক মেলামুখিতাই গ্ৰাস কৰাৰ অভিযোগ উত্থাপন কৰা দেখা যায়। শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াৰ পৰম্পৰাগত ধৰ্মীয় ঐতিহ্যক সুদৃঢ় কৰি ৰখাৰ দায়িত্ব ৰাসমহোৎসৱৰ আয়োজক সকলৰ যদিও চিন্তাশীল ব্যক্তিসকলৰো কৰণীয় আছে। শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ মৃন্ময় মূৰ্তি সমূহ সাজি শিল্পীসকলে নিজৰ কৰ্মদক্ষতা প্ৰকাশ কৰাৰ লগতে ৰাসলীলাৰ গুঢ়াৰ্থ ভক্তগণৰ মাজত উদ্ৰেক কৰি মহোৎসৱক মৰ্যাদাপূৰ্ণ অনুষ্ঠানত পৰিণত কৰিছে। উজনি অসমত বিশেষকৈ মাজুলীত ৰাস মহোৎসৱত বহুতো অখ্যাত শিল্পীয়ে জীৱন্ত ৰূপত ৰাসলীলা প্ৰদৰ্শন কৰি অনুষ্ঠানটোক এক নতুন মাত্ৰা প্ৰদান কৰিছে। এইসকল কলা-কুশলীক ৰাজহুৱা তথা চৰকাৰী স্বীকৃতি দিয়াৰ সময় সমাগত বুলি অনুভৱ কৰোঁ। আমাৰ শৰীৰৰ বাবে যিদৰে সুষম খাদ্যৰ প্ৰয়োজন, ঠিক সেইদৰে মানসিক সন্তুলনৰ বাবেও খাদ্যৰ আৱশ্যক। মানসিক তথা বৌদ্ধিক দিশৰ প্ৰয়োজনীয় উপাদানসমূহ ৰাস মহোৎসৱৰ দৰে অনুষ্ঠানৰ জৰিয়তে উপলব্ধ হয়, সেয়ে সমাজ জীৱনত ৰাসমহোৎসৱৰ প্ৰাসংগিকতা অনস্বীকাৰ্য।

https://howlyraasmahotsav.org/

সজাৰ পখী

কানন দাস

বন্দী হলো তাহানিয়ে-
আজি মই সজাৰ পখী
ফৰ ফৰাইছো চাৰি বেৰত,
মুক্তি লাগে মোক
অজান দেশৰ কল্প বৃক্ষৰ
স্বৰ্গীয় পোহৰেৰে জক মকাই
স্বৰ্গীয় পোহৰ বিলোৱা ডালত
এখনি গামোচা বান্ধিম
মনোকামনা পূৰণৰ হেতু ।

বহু যুগ হ'ল আবদ্ধ সজাৰ
যন্ত্ৰণা কাতৰ মুহূৰ্তবোৰ
শেষ হোৱা নাই এতিয়াও ।
এয়া জানো কৰ্ম ফল ?
সৰি পৰিলোঁ কিয়!
পাপ আৰু পূণ্যৰ উৰ্দ্ধত
মহাত্মাৰ স্থান বৈকুণ্ঠত।
বৈকুণ্ঠ বাৰু কিমান দূৰ!!!

অসমৰ পালনাম মহোৎসৱ ঃ মাজুলীৰ ঐতিহ্য

ৰঞ্জিৎ কুমাৰ ভূঞা

সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলী কোনোকালে দুৰ্গাপূজা অনুষ্ঠিত নহয় তাৰ পৰিৱৰ্তে কাতিবিহুৰ দিনটো অকাশ বন্তি প্ৰজ্বলনেৰে আৰম্ভ হয় শাৰদীয় উৎসৱৰ। শাৰদীয় উৎসৱৰ ভিতৰত ৰাসলীলা আৰু পালনাম মহোৎসৱ উল্লেখযোগ্য উৎসৱ। আউনীআটী সত্ৰত কাতি বিহুৰ দিনা ২১ যোৰ আকাশ বন্তিয়ে আকাশ আলোকিত কৰি সমগ্ৰ কাতি মাহটো প্ৰজ্বলন কৰা হয়। তাৰো এক তাৎপৰ্য আছে। নৰসিংহ অবতাৰৰ সময়ত ভগৱন্তই প্ৰহ্লাদক বৰ দিব খুজিছিল। প্ৰহ্লাদে ভাগবন্তক ২১ পুৰুষ উদ্ধাৰ কৰিবলৈ কৰিবলৈ প্ৰাৰ্থনা কৰা ভগৱন্তই ভক্তৰ বাঞ্ছা পুৰণ কৰি ২১ পুৰুষ উদ্ধাৰ কৰাৰ যুগতে আউনীআটী সত্ৰত ২১ যোৰা আকাশ বন্তি প্ৰজ্বলন কৰি 'পালনাম'ৰ সামৰণিত অৱনমিত কৰাৰ পৰম্পৰা আজিও অব্যাহত আছে।

'নাম' শব্দটোৰ জৰিয়তে নৱবৈষ্ণৱ ধৰ্মৰ আধ্যাত্মিকতাৰ দাৰ্শনিক তত্ব নিহিত হৈ আছে। নাম নাদব্ৰহ্ম অৰ্থাৎ শব্দব্ৰহ্ম। শব্দ ব্ৰহ্মাই জ্যোৰ্তিময় ভগৱান। ভগৱন্তৰ নাম গুণ অভিন্ন। নামৰ আধাৰ ভক্তি ভকতৰ দ্বাৰা নাম সঞ্চাৰিত হয়। মাধৱদেৱে ঘোষাত উল্লেখ কৰিছে—

একান্ত ভকত সৱে নিৰ্গুন কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰো হৃদয় তৰি
থাকা হৰি সাক্ষাতে তথাত।।

মোক্ষ প্ৰাপ্তিয়েই মানৱ জীৱনৰ সফল সমাপ্তি। নামৰ মহিমাই মোক্ষ প্ৰাপ্তিৰ পথ পৰিষ্কাৰ কৰে। মহাপুৰুষ শংকৰদেৱে নামৰ জৰিয়তে সাতোতা কৰ্ম সম্পন্ন হয় বুলি কীৰ্তনত উল্লেখ কৰিছে।

প্ৰথমে দহিবো পতিকয়ে কৰিবে মহাপুণ্যে অভ্যুদয়।।
কৰাইবে বিষয়ৰো বিৰকতি।
কৃষ্ণত বাঢ়িবে ভকতি।"
ওপজাইৱে আতি বৈষ্ণৱ জ্ঞান।
মায়াকো দহিয়া কৰে নিৰ্মাণ'
চৈতন্য মুৰ্ত্তি পূৰ্নানন্দ ছবি। থৈবত তেন্তেয়েৰে এক কৰি।

নাম চিত্ত শুদ্ধি কৰি ভগৱৎ প্ৰেমত নিমগ্ন কৰে। বৈষ্ণৱ ধৰ্মৰ আৰ্হিত ৫২ প্ৰকাৰৰ নাম প্ৰচলিত আছে। তাৰ ভিতৰত পালনাম নৱবৈষ্ণৱ ধৰ্মৰ সাত্বিক আৰু আধ্যাত্মিক অনুষ্ঠান। অখণ্ডভাৱে চলা এই নামভাগী পালপাতি পৰিৱেশন ৰীতিত পৰিণত হোৱাৰ বাবে 'পালনাম' ৰূপে পৰিচিত হৈ এতিয়া মহোৎসৱত পৰিণত হৈছে। সত্ৰ বা নামঘৰৰ সমূহিয়াভাৱে অথবা ব্যক্তিগত ভাৱে পালনাম আগবঢ়োৱাত পৰম্পৰা আছে। ব্যক্তিগত ভাৱে আগবঢ়োৱা 'পালনাম' সকামি বুলি অভিহিত কৰিলেও সমূহীয়াভাৱে আগবঢ়োৱা পালনাম নিষ্কাম ভক্তিলৈ ৰূপান্তৰ ঘটে। সাধাৰণতে সকামি পালনামৰ এদিনীকৈ উদ্‌যাপন কৰা হয়। নাম প্ৰসংগ পাঁচ প্ৰকাৰৰ মানস, নিবিড়, বীৰ, উপাংগ আৰু উৎসৱ। পালনাম নিবিড় প্ৰসংগৰ অন্তৰ্গত। সেইবাবে বাদ্যযন্ত্ৰ প্ৰয়োগ কৰা নহয়। হাত চাপৰি নবজায়। পালনামৰ ঘাই সম্পদ মাধৱদেৱৰ 'নামঘোষা' অৱশ্যে কোনো কোনো যজ্ঞত সত্ৰাধিকাৰ সকলে ৰচনা ঘোষাও পৰিৱেশন কৰে।

https://howlyraasmahotsav.org/

পালনামৰ আৰ্হি তিনিবিধ — ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰ পালনাম। সত্যযুগত শিৱই ব্ৰহ্মত্ব লাভৰ কাৰণে অবিৰতভাৱে যি ব্ৰহ্মা মন্ত্ৰ উচ্চাৰণ কৰি কীৰ্ত্তন আৰম্ভ কৰিছিল এয়াই পালনামৰ আৰ্হি স্বৰূপ। দ্বিতীয়তে ব্ৰহ্মাই পাপ মোচনৰ কাৰণে শিৱৰ সপ্তনাম চৰ্চা কৰিছিল। সেয়াই ৰুদ্ৰ পালনাম ৰূপে পৰিচিত। কালিয় হ্ৰদৰ কালিৰ আক্ৰমণৰ পৰা ৰক্ষা বা পৰিত্ৰাণ পাবলৈ গোপগোপী সমন্বিতে বাসুদেৱ দৈৱকীয়ে বিষ্ণু মন্ত্ৰ কীৰ্ত্তন কৰিছিল। সেয়া 'বিষ্ণু পালনাম'ৰ আৰ্হি।

চৰিত পুথিৰ মতে মহাপুৰুষ শংকৰদেৱে জীৱনৰ আদিছোৱাত বৰদোৱা থানত থকা কালত— পানীৰ অভাৱত গছ-গছনি শুকাই গৈছিল। জীৱ-জন্তু, পশু-পক্ষী আৰু মানুহৰ হাহাকাৰ লাগিছিল। সেই স্থানতে সাতদিন সাত ৰাতি পালনাম পাতিছিল। নামৰ অন্তত সকলো ঘৰাঘৰী গ'ল। গুৰুজনাই পৰমানন্দ আতৈক লগত লৈ বিশাল বট বৃক্ষৰ তলত বৈ সাতোটা গোৰোহনি মাৰিলে। লগে লগে বটবৃক্ষ দ্ৰবীভূত হৈ ধনুৰ আকৃতিৰ এক সৰোবৰৰ সৃষ্টি হ'ল। তেতিয়াৰ পৰাই সেই ঠাই 'বটদ্ৰবা' নামে পৰিচিত হ'ল।

মহাপুৰুষ শংকৰদেৱে ধোৱাহাটীত থকাৰ কালত ৰাজৰোষত পৰিছিল। এচাম বৈষ্ণৱ ধৰ্মীৰ বিদ্বেষীলোকৰ প্ৰৰোচনাত শংকৰ-মাধৱৰ লগতে ভকতসকলক হাতীগড়ৰ হাতীৰখিয়া পাতিছিল। দফলা পাহাৰৰ পৰা মাজুলীৰ মাজেৰে ৰংপুৰলৈ থকা এই হাতীগড়টো দুয়োফালে গড় আৰু মাজত খাল। দফলা পাহাৰৰ পৰা হাতীধাৰ হাতীগড়ৰ খালটোত পেলাই পাৰে পাৰে হাতীৰখি ৰংপুৰ পোৱাইছিলগৈ। হাতীৰ ওপৰত কোনো অভিজ্ঞতা নথকা গুৰুসকলৰ লগতে ভকতসকলে ৰখা হাতী গড় ভাঙি পলাল। লগে লগে শংকৰ-মাধৱক ধৰি নিবলৈ মানুহ পঠালে। গুৰুজনাই উপস্থিত বুদ্ধিৰে নিজকে বচাব পাৰিলে যদিও মাধৱদেৱ আৰু হৰিজোৱাইক নি- কেওকিছু নোহোৱা মাধৱদেৱক চাউল-লোন দি বিদায় দিলে আৰু হৰিজোৱাইক মৃত্যু দণ্ড দিলে। মাধৱদেৱ ঘূৰি নহা পৰ্যন্ত মহাপুৰুষ শংকৰদেৱে অখণ্ডভাৱে পালনাম পাতিছিল। অৱশেষত মাধৱদেৱ ধুৱাহাটাত উপস্থিত হ'ল। হাতত থকা লোন আৰু চাউলেৰে সেৱা জনালে। পালনামৰ সামৰণি পৰিল। পালনামত লোণ, ঘিউ, বন্তি আদি সেৱা ধৰা পৰম্পৰা থাকি গ'ল। মাধৱদেৱ সুন্দৰীদিয়া সত্ৰত থাকোতে সত্ৰত ভূত যখ আদি অপদেৱতাই বাৰে বাৰে অমংগল ঘটোৱাত তাৰ নিবাৰণৰ বাবে 'পালনাম' পতা বিষয়টো চৰিত পুথি পোৱা যায়।

বৰ্তমান অসমত আউনিআটী সত্ৰত পালনামে বিপুল জনসমাদৰ লাভ কৰাই নহয়— উৎসৱটো জনসমুদ্ৰত পৰিণত হৈছে। এই পালনাম মহোৎসৱ অনুষ্ঠিত কৰাৰ অন্তৰালত আহোম ৰাজত্ব কালত মাজুলীত বৈষ্ণৱ নিৰ্যাতনৰ এক কৰুণ কাহিনী সম্পৃক্ত হৈ আছে। ল'ৰা ৰজাই অংগক্ষুত কৰাৰ ভয়ত গদাপাণি কোঁৱৰ পলাই ফুৰিবলগীয়া হৈছিল। সেই সময়ত মাজুলীৰ কেইখনো সত্ৰত আশ্ৰয় বিচৰাত ৰাজৰোষৰ ভয়ত আশ্ৰয় দিবলৈ অমান্তি হৈছিল। ফলস্বৰূপে গদাপাণি ৰজাই পুৰণি পোটক তুলিবৰ বাবে বৈষ্ণৱ নিৰ্যাতন কৰিছিল। আউনিআটী সত্ৰৰ দ্বিতীয় গৰাকী সত্ৰাধীকাৰ শ্ৰীশ্ৰী কেশৱদেৱ গোস্বামীয়ে কেইজনমান ভকত লগত লৈ শদিয়াৰ কুণ্ডিল নৈৰ পাৰত আত্মগোপন কৰিবলগীয়া হৈছিল। 'হৰি বিনে গতি নাই' এই আশাৰে সত্ৰাধিকাৰ গৰাকী কুশলে সত্ৰলৈ উভতি আহিবৰ আশাৰে গুৰুজনাৰ আৰ্হিৰে পালনাম অনুষ্ঠিত কৰিছিল। এটা সময়ত নিৰ্যাতনৰ অৱসান হ'ল আৰু সত্ৰাধিকাৰ গৰাকীও সত্ৰত উপস্থিত হ'লত পালনামৰো সামৰণি হ'ল। তেতিয়াৰ পৰা পাঁচজন ভকতে নিত্য প্ৰসংগৰ পিছতে পালনাম গোৱাৰ পৰম্পৰা থাকি গ'ল। চৈধ্য প্ৰসংগৰ অতিৰিক্ত পালনাম ভাগিক পাচতিয়া পালনাম ৰূপে পৰিচিত হ'ল। অৱশ্যে এই পালনাম পৰৱৰ্তী সত্ৰাধিকাৰ ঁশ্ৰীশ্ৰী হৰিদেৱ গোস্বামীৰ দিনতে উৎসৱ মুখৰ হয়। প্ৰথম অৱস্থাত বাৰমাহৰ শেষৰ পাঁচটা দিনত পালনাম অনুষ্ঠিত হৈছিল। ঠিক পিছলৈ সকলো দিশ পৰ্যবেক্ষণ কৰি কাতি মাহৰ শেষৰ পাঁচটা দিন— ২৫ কাতিৰ পৰা ২৯ কাতিলৈ অনুষ্ঠিত কৰা সিদ্ধান্ত গ্ৰহণ কৰে। কাতি মাহত পালনাম পতাৰ এক গূঢ়াৰ্থ নোহোৱা নহয়। পদ্ম পুৰাণৰ মতে— ভগৱন্তৰ চাৰি প্ৰিয় বস্তুৰ ভিতৰত— তুলসী, মাটিমাহ, একাদশী আৰু স্থানৰ ভিতৰত দ্বাৰকা কাতি মাহৰ বল শক্তি বুলি গণ্য কৰা হয়। এই কাতি মাহৰ পাঁচটা দিনতে ভগৱান বসুদেৱৰ পৰামৰ্শ মতে ভীষ্ম পোষন ব্ৰত পালন কৰি অতিপ্ৰিয় হৈছিল। কাতিমাহৰ কৃষ্ণ পক্ষৰ একাদশী তিথিৰ পৰা পূৰ্ণিমা তিথিলৈ বিষ্ণু পঞ্চম ব্ৰত অথবা ৰক্ষপঞ্চমী পালনৰ এক পৰম্পৰা আছে। জনবিশ্বাসমতে সেই পাঁচ দিনত অসমীয়াৰ মৎস

https://howlyraasmahotsav.org/

ভক্ষণ নকৰে। সত্ৰৰ বৈষ্ণৱসকলেও নিৰামিষ ভোজন কৰি ব্ৰত পালন কৰি আকাশবন্তিৰ পোহৰত পুৱতি নিশা হৰি জাগৰণৰ গীত গাই চাৰিহাটী প্ৰদক্ষিণ কৰে। এনে কিছুমান শাস্ত্ৰ সন্মত ধাৰণা আৰু জনবিশ্বাসৰ আলমত আউনীআটী সত্ৰত কাতি মাহৰ শেষৰ পাঁচটা দিন পালনাম অনুষ্ঠিত হৈ আহিছে।

আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পিতাম্বৰ দেৱ গোস্বামীৰ মতে— গুৰু, দেউ, নাম, ভকত য'ত বিৰাজমান চৈধ্য প্ৰসংগত অজানিতে অপৰাধ হোৱাটো স্বাভাৱিক। অপৰাধ নিবৃত্তিৰ বাবে পালনামৰ ব্যৱস্থা হ'ল।

পালনাম পাঁচদিনীয়া কৰাৰ আৰু এক গুৰুত্বপূৰ্ণ গুঢ়াৰ্থ পোৱা যায়। ভগৱানৰ শ্ৰীচৰণক ধিয়াই ভকতসকলে নাম পৰিৱেশন কৰে। ভগৱানৰ চৰণ পাঁচ বৰণীয়া। বৰণকেইটা হ'ল— ধৱল, শ্বেত, গৌৰ, ৰক্ত আৰু হৰিৎ। ভগৱানৰ চৰণ পথৰ বৰণ অনুসৰি পাঁচদিনা পালনাম অনুষ্ঠিত কৰা গভীৰ জনবিশ্বাস জড়িত হৈছে। আউনীআটী সত্ৰত ভগৱানৰ ৩২ অলংকাৰৰ প্ৰতীক স্বৰূপে ৩২ গৰাকী ভকত পালনামত থকাটো ধৰাবন্ধা নীতি। ইয়াৰে ভিতৰত ২৪ গৰাকী শ্ৰৱণী, ৬ গৰাকী নাম লগোৱা আৰু ২ গৰাকী ধুপীয়া, মলিয়া। আউনীআটী সত্ৰত আছে চাৰিহাটী আছিল যদিও পালনাম তিনিপালহে চলে। ব্ৰহ্মা, বিষ্ণু আৰু সত্ৰৰ আৰ্হিত তিনিপালৰ ব্যৱস্থা কৰা হয়। আউনীআটী সত্ৰৰ পালনামৰ প্ৰথম দিনটোত প্ৰথমতে পাঁচজন ভকতে সত্ৰাধিকাৰৰ অনুমতি লৈ বৰণ গ্ৰহণ কৰে। তাৰ পিছত মণিকুটক বৈকুণ্ঠ জ্ঞান কৰি সেই স্থানৰ পৰা মুখ্য প্ৰসংগ নামঘৰৰ প্ৰসংগ থালত স্থাপন কৰি নামৰূপী নৌকা স্থাপন কৰি সমুখভাগত ভাগৱত প্ৰতিষ্ঠা কৰে। ইয়াৰ প্ৰতীকী অৰ্থ হ'ল— নামৰ নৌকাত ভৱসাগৰ পাৰ হোৱাৰ সম্বল আৰু নামৰ কাণ্ডাৰী হ'ল ভাগৱত শাস্ত্ৰ তথা প্ৰত্যক্ষ বৃক্ষ। 'পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰ' এই ঘোষা সাৰোগত কৰি নাৱৰ দুয়োকাষে দুশাৰী ভকতে অৱস্থান গ্ৰহণ কৰি অখণ্ডভাৱে নাম পৰিৱেশন কৰে। তাল অথবা চাপৰি অবিহনে মাধৱদেৱৰ ঘোষা সুৰ লগাই গায়— নিবিড় প্ৰসংগৰ বৈশিষ্ট্য ৰাখি ক্ষন্তেক যতি পেলাই ইটো ঘোষাৰ পৰা সিটো ঘোষা আৰম্ভ কৰে। তিনিটা পালৰ প্ৰতিটো পালৰ অন্তত সত্ৰাধিকাৰ, ডেকাসত্ৰাধিকাৰ, গোবিন্দপুৰীয়া আৰু বৈষ্ণৱসকল তথা সেৱকীসকলে পশ্চিম মূৰৰ পৰা সেৱা ধৰাৰ নিয়ম। নামৰ যতিপৰা অংশত আশীৰ্বাদ বৰিষণ কৰে। জয়ধ্বনি কৰে। সেৱকীয়ে মাধৱদেৱৰ আৰ্হি ৰক্ষা কৰি, নিমখ (লোণ) ঘিউবন্তি তথা দক্ষিণা দি সেৱাধৰাৰ পৰম্পৰা আজিকোপতি চলি আছে। এনে ৰীতি-নীতিৰে চলা পালনাম চাৰিদিন অতিক্ৰম কৰাৰ পিছত শেষৰ দিনা পালনাম অহোৰাত্ৰ হয়। পুৱতি নিশা সত্ৰাধিকাৰ, ডেকাসত্ৰাধিকাৰ, গোবিন্দপুৰীয়া সাতমান ভগীয়া বৈষ্ণৱসকৰে মণিকুটত সেৱা কৰি সত্ৰাধিকাৰে অস্বৰূপী ব্ৰহ্ম (ভাগৱত) শিৰত লৈ সমদলেৰে নামঘৰত প্ৰৱেশ কৰি লগে লগে মাঙ্গলিক বাদ্যৰোল হয়। সমদলৰ সন্মুখত মণিকুটীয়া, দেউৰীসকলে মাঙ্গলিক বাদ্যধ্বনি কৰি ধুনী, দুনৰী লৈ আগে আগে যায়। এইদৰে সমদলটোৰে পালনামৰ থালিখন চাৰিবাৰ প্ৰদক্ষিণ কৰে। ডবাঘৰীয়াই মাঙ্গলিক ধ্বনি কৰাৰ লগে লগে বৈষ্ণৱসকল থিয় হৈ তাল বজাই 'ও প্ৰাণ হৰি গৈলা এৰি' কীৰ্তনটি সমস্বৰে গাবলৈ ধৰে। চাৰিবাৰ প্ৰদক্ষিন শেষ হ'লে কীৰ্ত্তনৰো সামৰণি পৰে।

নামঘৰৰ পশ্চিম দিশৰ টুপৰফালে পাঁচখন ৰাঙলি শৰাই আৰু এখন সৰু শৰাই আৰু সন্মুখত মহাপ্ৰভুৰ কৰণি স্থাপন কৰা হয়। নামৰ শেষত সত্ৰাধিকাৰে দণ্ডৱতে সেৱা কৰে। আশীৰ্বাদীয়াই আশীৰ্বাদ কৰে। হৰিধ্বনি আৰু মাংগলীক বাদ্যধ্বনি হয়। ইয়াৰ পিছত সত্ৰাধিকাৰ, ডেকাসত্ৰাধিকাৰ, গোবিন্দপুৰীয়া প্ৰমূখ্যে সমস্ত ভকত বৈষ্ণৱে আৰ্শীবাদ গ্ৰহণ কৰে। আৰ্শীবাদক সমস্ত বৈষ্ণৱ, মহন্ত, সন্ত শিৰোমণি ফালৰ উপৰিও আউনীআটী, দক্ষিণপাট, গড়মূৰ, বৰুৱাবাদী যতৰ প্ৰয়াত সত্ৰাধিকাৰৰ নাম উচ্চাৰণ কৰে। তদুপৰি আৰ্শীবাদত ঋষি-মুনি যক্ষ, ৰক্ষ, গন্ধৰ্ব, কিন্নৰ পশুপক্ষী আকাশীচাৰি, নদী পৰ্বত, সমুদ্ৰ, বৃক্ষ আদিকো সামৰি লোৱা হয়। এনেদৰে ব্ৰহ্মমুহূৰ্ত্তৰ কাৰ্যসূচী সমাপ্ত কৰি অক্ষৰৰূপী ভাগৱত পুনৰ মাণিকুটত স্থাপন কৰে। সংক্ৰান্তিৰ দিন পুৱাৰ প্ৰসংগৰে নামৰ সামৰণি মাৰে। তদুপৰি কাতি বিহুৰ দিনাই প্ৰজ্বলিত কৰা ২১ যোৰ আকাশবন্তিও অৱনমিত কৰা হয়।

গড়মূৰ সত্ৰত, দক্ষিণপাট, কুৰুৱাবাহী সত্ৰতো এদিনীয়া পালনাম অনুষ্ঠিত কৰে। গড়মুৰ সত্ৰত কাতিমাহৰ সংকাক্ৰিৰ দিনা অহোৰাত্ৰ পালনাম অনুষ্ঠিত হয়। বেঙেনা আটীসত্ৰত সমগ্ৰ মাহটো পালনাম গোৱাৰ

https://howlyraasmahotsav.org/

প্ৰথা আছে শাওণ মাহৰ সংক্ৰান্তিৰ দিনা আৰম্ভ হোৱা পালনাম ভাদ মাহৰ শেষত দিটোত সমাপ্তি ঘটে।

নিকা সংহতিৰ সত্ৰ কমলাবাৰী মূলৰ সত্ৰসমূহত এদিনৰ পৰা সাতদিনলৈ কোনো বছৰত সমস্তভাৱে পালনাম অনুষ্ঠিত কৰে। পুৰুষ সংহতি সত্ৰ মাজুলী বিহিমপুৰ সত্ৰত এদিনীয়াকৈ পালনামৰ আয়োজন কৰে। সত্ৰখনৰ পালনামৰ এক বৈশিষ্ট্য হ'ল নামাচাৰ্য গৰাকীয়ে পালনামৰ উৎপত্তিৰ বিৱৰণ দাঙি ধৰে।

কালসংহতিৰ সত্ৰসমূহত ৰাতি ৰখা পালনাম এক বিশেষ পদ্ধতিৰে পৰিৱেশন কৰে। সত্ৰাধিকাৰক আচাৰ্যৰূপে সন্মানিত কৰি ভকত বৈষ্ণৱক দুশাৰীকৈ বহুৱাই নাম গায়। প্ৰথমতে গুণমালা, লীলামালা, ভটিমা, চপয়, টোটয় বৰগীতেৰে নামৰ পৰিৱেশ সৃষ্টি কৰি পাচত পদ্যঘোষাৰে প্ৰসংগ আৰম্ভ কৰে। ইয়াৰ পিছত ভাগ, বিহাৰ কীৰ্তন, এভাগ, চতুৰ্বিংশ কীৰ্ত্তন দি ঘোষাসমূহ পৰিৱেশন কৰে। শেষ ভাগত যদুমণিদেৱে জগন্নাথৰ পৰা লিখি অনা ২৬ ফুট ঘোষা গাই পালনামৰ সামৰণি মাৰে।

সত্ৰ সন্দৰ্ভত পালনাম চলি থাকিলেও নিজ প্ৰসংগ, গুৰুসকলৰ তিথি উপলক্ষে বিশেষ প্ৰসংগ নিয়মীয়া অব্যাহত থাকে। আউনীআটী সত্ৰৰ পালনামত প্ৰতিবছৰে ভকত শিষ্য আৰু দেশীবিদেশী পৰ্যায়ৰ ভিৰ বৃদ্ধি হৈছে। জনসমুদ্ৰৰ মাজত হৰিনামৰ মহিমা যজ্ঞসাৰ হৈছে। এই পালনাম মহোৎসৱ সমাজত সমন্বয় স্থাপনৰ মাধ্যম বুলি ক'ব পাৰি।

মোকে কৃপা কৰা হৰি এ
দাতে ধৰো তৃণ মাথেধৰো তৃণ
তুমি কৃপাময়ক নাজানো এতদিন
মোকে কৃপা কৰা হৰি এ
মোকে কৃপা কৰা এ
ঐ বন্ধু ৰাম, প্ৰাণবন্ধু ৰাম
নেৰিব মুখে ৰামকৃষ্ণ নাম।। (নামঘোষা)

https://howlyraasmahotsav.org/

এইবেলি শ্ৰীকৃষ্ণ আহিব হেনো

কৰুণাময় দাস

এইবেলি শ্ৰীকৃষ্ণ আহিব হেনো
ৰাসক্ৰীড়া কৰিবলৈ............

স্নিগ্ধ জোনাক নিশা
যমুনাৰ চিক্‌মিকীয়া বালি
কেলি কদমজোপাৰ পাতৰ খিল্‌খিলীয়া হাঁহি.......

ইয়াত এখনি উজ্জীৱিত বৃন্দাৱন।
শ্ৰীকৃষ্ণৰ প্ৰতীক্ষা ৰাসপ্ৰিয়ালৈ
লৰি-ঢাপৰি আহিব তাই
বুকুত ভক্তি-প্ৰেমৰ মালাধাৰ খামুচি।

ইয়াত এইবেলি ঝংকৃত হ'ব
ৰাস পঞ্চাধ্যায়ৰ সুৰৰ মূৰ্ছনা।

দূৰণিতে ৰ'ব বিশ্বায়ন দৈত্যৰ
কপট চাৱনিটো।

মুৰুলীত সুৰ তুলি শ্ৰীকৃষ্ণই ক'ব.......
চোৱা, এয়া মোৰ যোল্লশ গোপিকা
দুভৰিত ৰুণ-জুণ নূপুৰৰ ধ্বনি.........
হৃদয় যমুনাত বৈ থাকে
চিৰ শাশ্বত প্ৰেমৰ নিৰ্যাস..........

আনন্দ মেলা

প্ৰণৱ জ্যোতি দাস

মেলা মানেই হ'ল মিলনৰ ক্ষেত্ৰ অৰ্থাৎ মেলা মানেই মহামিলন। মেলাৰ মাজেদিয়ে মানুহৰ আনন্দ উল্লাসৰ বহিঃপ্ৰকাশ ঘটে। ভিন্ন জাতি, ধৰ্ম সম্প্ৰদায়ৰ উৰ্দ্ধত থাকি মেলাই মানুহক সম্প্ৰীতিৰ বান্ধোনেৰে গঢ় দিয়ে। হাউলী ৰাস মহোৎসৱৰ আনন্দ মেলা ঐতিহ্যৰ এক মহামিলন। হাউলী ৰাসৰ এই আনন্দ মেলাৰ মাজত মানুহে নিজকে বিচাৰি পায়।

https://howlyraasmahotsav.org/

জনা হোৱাৰ পৰা মানুহে বিভিন্ন মেলাৰ কথা শুনিবলৈ পাইছোঁ আৰু আশে-পাশে হৈ থকা বিভিন্ন মেলালৈ যোৱাৰ সৌভাগ্য হয়। মেলা হ'ল আমাৰ আশা-আকাঙ্খা পূৰণৰ ঠাই। নামনি অসমৰ কিছুমান অঞ্চলৰ সভা-মহোৎসৱত পতা আনন্দ-মেলা, পূজাৰ বতৰত পতা আনন্দমেলা, উজনিৰ ফালে বছৰৰ নিৰ্দিষ্ট দিনত বিভিন্ন জাতি জনগোষ্ঠীয়ে পতা ভিন্ন উৎসৱৰ আনন্দ মেলাই বহুদিন ধৰি পৰিবেশ উৎসৱমুখৰ কৰি ৰাখে। ধনী-দুখীয়া, নাৰী-পুৰুষ সকলো মিলি এই মেলাৰ আনন্দৰ সমভাগী হয়। বৰ্তমান সময়ত আনন্দ মেলাত বহুতো উন্নত মানদণ্ডৰ আনন্দদায়ক অনুষ্ঠান পৰিবেশন কৰা হয়।

বাইস্কোপ, নাগৰতলা, পুতলা নাচ, ডিস্কো ডেন্স, চাৰ্কাচ আদি আনন্দদায়ক অনুষ্ঠানবোৰ বহুদিন ধৰি চলি থাকে বাবে সভা-উৎসৱসমূহলৈ বহু দূৰ-দূৰণিৰ পৰা অহা দৰ্শনাৰ্থীৰ লানি নিছিগা সোঁত দেখিবলৈ পোৱা যায়। আজিকালি সভা, উৎসৱ, মহোৎসৱসমূহৰ ব্যাপক পৰিৱৰ্তন দেখা পোৱা গৈছে। এই মেলা-মহোৎসৱসমূহ গোটেই কেইদিন বিদ্যুৎ আলোক সজ্জাত জিক্‌মিক্‌াই থাকে। এসময়ত আমাৰ ভিতৰুৱা অঞ্চলবোৰত সংকীৰ্ণতাই বিৰাজ কৰি আছিল। মানুহৰ মনৰ পৰা সেই সংকীৰ্ণতা আঁতৰাই পঠোৱাৰ ক্ষেত্ৰত এই আনন্দ মেলাৰ ভূমিকা অনস্বীকাৰ্য্য।

মানুহৰ মনৰ অনাবিল আনন্দৰ বাবে মানুহৰ স'তে মানুহৰ মিলনৰ কাৰণে, নজনা কোনো ঠাই বা নজনা কোনো বিষয় ভালদৰে জানিবৰ বাবে মেলাৰ প্ৰয়োজন আছে। ইয়াৰ বাহিৰেও অৰ্থনৈতিক ক্ষেত্ৰখনত মেলাৰ যথেষ্ট ভূমিকা আছে। মেলাৰ ভিতৰৰ সৰু-ডাঙৰ দোকানসমূহত প্ৰচুৰ পৰিমাণে সামগ্ৰী বেচা-কিনা হয়। স্থানীয় গ্ৰাম্য অঞ্চলসমূহৰ লোকে ঘৰতে তৈয়াৰ কৰা প্ৰয়োজনীয় বিভিন্ন থলুৱা সামগ্ৰী যেনে- ডলা, কুলা আদিকে ধৰি বাঁহ-বেতৰ চকী, মেজ আদি বিক্ৰীৰ জৰিয়তে অৰ্থনৈতিকভাবে যথেষ্ট পৰিমাণে লাভান্বিত হ'ব পাৰে। তেনেদৰে ঘৰত তৈয়াৰ কৰা টেকেলি পিঠা, আচাৰ, আদি বিক্ৰী কৰিও অনেকেই উপকৃত হয়। সভা, উৎসৱ, মহোৎসৱসমূহক সৃজনশীলতাৰ এখন ক্ষেত্ৰ বুলি ক'ব পাৰি। কিয়নো এই মেলা আৰু উৎসৱসমূহৰ সাংস্কৃতিক শোভাযাত্ৰা বিভিন্ন মঞ্চানুস্থানসমূহৰ জৰিয়তে বহুতো ভিতৰুৱা অঞ্চলৰ শিল্পীৰ সন্ধান পোৱা যায়। এনেকৈ কোনো অখ্যাত অঞ্চল উদ্ভাসিত হ'ব পাৰে।

এই মেলাৰ মাধ্যমেৰে মেলাৰ জৰিয়তে মানুহৰ মনৰ পৰা অহংকাৰ, সংকীৰ্ণতা আঁতৰে।

উদিত সূৰ্যৰ হাতত

ৰূণু চৌধুৰী

মই এখন আত্মজীৱনী ৰচনা কৰিছোঁ। মানুহে মোৰ কৰ্ম দেখি হাঁহিছে। মই এজন সাধাৰণ মানুহ। এজন অৱসৰপ্ৰাপ্ত শিক্ষক। মোৰ জীৱনত ঘটা সত্য ঘটনাবোৰকে আত্মজীৱনীখনত লিখিছোঁ। এতিয়া মোৰ এটাই সমস্যা আত্মজীৱনীখন প্ৰকাশ কৰা সমস্যা কাষলতিৰ তলত মোৰ আত্মজীৱনীখনৰ পাণ্ডুলিপিটো চেপামাৰি ধৰি লৈ মৰমী কিতাপ ঘৰ পালো দোকানৰ ভিতৰৰ পৰা মানুহ এজনে ওলাই আহি মোক প্ৰশ্ন কৰিলে আপোনাক কিবা লাগে? মই ক'লো— কিতাপ, কাগজ একো নালাগে মই মালিককহে বিচাৰি আহিছো। মালিক নাই নেকি? আছে। তেওঁ ভিতৰত আছে। অনুগ্ৰহ কৰি মাতি দিব নেকি? বাৰু আপুনি অলপ সময় অপেক্ষা কৰক ইফালে-সিফোলে এনে কিছু পৰ চকুফুৰাই থকাৰ পিছত ভিতৰৰ পৰা ওখ পাখ চেহেৰাৰ ডেকা এজন ওলাই আহিল মোৰ তুলনাত তেওঁ অলপ ওখ। তেওঁ মুখলৈ চাবৰ সময়ত মোৰ মূৰটো কিঞ্চিৎ ওপৰলৈ তুলিব লগা হ'ল।

"ছাৰ আপুনি"

"তুমি"

আচৰিত হৈ মালিকৰ মুখলৈ চালো মই অসীমদাস ছাৰ! অসীম দাস? ও মনত পৰিছে। "মই চিনিবকে পৰা নাছিলোঁ। বেয়া নাপাবা" বেয়া পাম কিয় ছাৰ? কেতিয়াবা এনেকুৱা হয়েই। চাকৰি বিচাৰি বিচাৰি হায়ৰাণ হৈ শেষত কিতাপৰ দোকানখনকে দিবলৈ থিক কৰিলোঁ। "ইয়াতে বহক ছাৰ "অসীমে চকী এখন আগবঢ়াই দিলে, মই বহিলো। মোৰ তিনিশ পৃষ্ঠাৰ আত্মজীৱনীৰ পাণ্ডুলিপিটো মেজখনৰ ওপৰতে ৰাখিলোঁ। এটা বিশেষ ভঙ্গীমাৰে আন এখন চকীত অসীম বহিল আৰু পাণ্ডুলিপিটোৰ ফালে চাই সুধিলে "এইখন কি ছাৰ?" নকবা আৰু এইখনৰ কাৰণে তোমাৰ ওচৰলৈ আহিলো। কিবা উপন্যাস লিখিছিল নেকি? নে নোটছৰ কিতাপ?

"সেই বিলাক একো নহয়" তেনেহ'লে কি ছাৰ?

"এইখন আত্মজীৱনী"

কাৰ?

মোৰ নিজৰেই আত্মজীৱনী।

আপোনাৰ? আপোনাৰ মানে— তাৰ চাৱনি মোৰ সহ্য নহ'ল। পৰিৱেশটো যেন হঠাতে বৰ গম্ভীৰ হৈ পৰিল। সি আচৰিত হোৱা দেখি মই ক'লো — তুমি আচৰিত হ'বা বুলি মই জানো। কাৰণ মোৰ দৰে এজন ব্যক্তিয়ে আত্মজীৱনী ৰচনা কৰা বুলি শুনিলে তোমাৰ দৰে বহুতেই আচৰিত হ'ব। এয়া স্বাভাৱিক কথা। লাভৰ কাৰণে এইখন মই ৰচনা কৰা নাই। প্ৰকাশ পালেই মই সন্তুষ্ট হ'ম। তুমি হেনো কিতাপ প্ৰকাশ কৰা। মোৰ এইখন প্ৰকাশৰ বাবে নোলোৱা কিয়? এমাহ পলম হ'লেও কথা নাই। মোৰ এই কিতাপখনে প্ৰকাশ হ'লেই হয়। তুমি মোক ইয়াৰ বিনিময়ত একো দিব নালাগে।

নহয় ছাৰ! আচলতে আপোনাৰ কিতাপখন প্ৰকাশ কৰিবলৈ ইচ্ছা নথকা নহয়; কিন্তু বৰ্ত্তমানে মই প্ৰকাশৰ কাৰণে নতুন কিতাপ লোৱা বন্ধ কৰিছোঁ। আপুনি এটা কাম কৰিব পাৰে ছাৰ। স্কুলীয়া পাঠ্যপুথিবোৰৰ নোটছ

https://howlyraasmahotsav.org/

কিছুমান লিখিব পাৰে নোটছ লিখিলে যথেষ্ট টকা পোৱা যায়। “তোমাৰ কথা মনত ৰাখিম” কেতিয়াবা যদি নোটছ বা ৰহস্য কাহিনী লিখিব পাৰোঁ, তেতিয়া তোমাকেই প্ৰকাশ কৰিবলৈ দিম বাৰু। মেজখনৰ পৰা পাণ্ডুলিপিটো উঠাই পুনৰ কাষলতিৰ তলত চেপি ধৰি মৰমী কিতাপ ঘৰৰ পৰা ওলাই আহিলোঁ। আত্মজীৱনীখনত দেউতাৰ কথা লিখিছোঁ। শিক্ষকৰ জীৱনৰ কথা লিখিছোঁ। সাধৰণ এজন শিক্ষকে গোটেই জীৱন ল’ৰা-ছোৱালীক শিক্ষাদান কৰি কি পায়, সেই কথাও লিখিছোঁ, দেউতা এজন আদৰ্শ শিক্ষাক আছিল; কিন্তু তেওঁ কোনো পদক পোৱা নাছিল।

এদিন মদন পাঠক আহিছিল। মদন পাঠক মোৰ এসময়ৰ সহপাঠী। মই যেতিয়া আত্মজীৱনী এখন ৰচনা কৰি উলিওৱাৰ কথা কৈছিলোঁ, তেতিয়া মদনে মোৰ কাৰ্যটোৰ প্ৰতি অলপো আগ্ৰহ নেদেখুৱালে। মদনে ক’লে “তই যে এনেদৰে সময়বোৰ নষ্ট কৰিবি ভবা নাছিলোঁ। তোৰ সেই কিতাপখনক কোনে মূল্য দিব? কোনে প্ৰকাশ কৰিব? সমাজতো তোৰ বিশেষ প্ৰতিপত্তি নাই। আত্মজীৱনী সাধাৰণতে বিখ্যাত ব্যক্তি সকলেহে ৰচনা কৰে কাৰণ তেওঁলোকৰ জীৱন আনৰ কাৰণে আদৰ্শস্বৰূপ। মিছাতে কিবা-কিবি এসোপা লিখি মূৰ গৰম কৰি থাকিলে লাভ নহয়। গুৱাহাটীৰ এজন প্ৰকাশকে বিচৰা বাবে আত্মজীৱনীখনৰ পাণ্ডুলিপিটো ডাক যোগে পঠাবলৈ ঠিক কৰিলোঁ। এয়া মই ডাকঘৰ অভিমুখে যাত্ৰা কৰিছোঁ। কাউৰী এজনী মূৰৰ ওপৰেৰে উৰি গ’ল কা-কা কৰি। ঘৰৰ কাষত থকা আমগছ জোপাৰ পৰা শুকানডাল এটা মৰতকৈ ভাঙি পৰিলে। ৰাস্তাত আজি অগনন জনতা। চহৰত গণ সমাবেশ হ’ব। আন্দোলনৰ কেইজনমান আগশাৰীৰ নেতাই হেনো ভাষণ দিব। ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে খোজ পেলাইছে চহৰৰ শৰাইঘাট পথাৰলৈ। সেই পথাৰতে গণ সমাবেশ হ’ব। ডাকঘৰৰ কামখিনি শেষ কৰি মইও এপাক শৰাইঘাট পথাৰলৈ যাব লাগিব।

মন্থৰ গতিত খোজ পেলাব লগা হৈছে। ৰাস্তাটোত মানুহৰ বৰ ভিৰ। বিৰ দিওঁ বাট নোপোৱা অৱস্থা। ডাকঘৰটৌলৈ এতিয়াও এক কিলোমিটাৰ পথ বাকী আছে। এই খিনিবাট মানুহৰ ভিৰৰ মাজেৰে যাব পাৰিলে ৰক্ষা পৰোঁ। পাণ্ডুলিপিটো পঠাব পাৰিলেই হয়। তাৰ পিছত গণ সমাৱেশত উপস্থিত হ’ব পাৰিম। মোৰ কাষেৰে কেইজনমান ল’ৰা পাৰ হৈ গ’ল। সিহঁতে কৈ গ’ল পুলিচে গুলি চলাইছে। মোৰ সৰ্বশৰীৰ কঁপি উঠিছে। ৰাস্তাৰ ওপৰতে থিয়হৈ মানুহবোৰ ইফালে-সিপালে দৌৰি যোৱা চাই আছোঁ। আত্মজীৱনীৰ পাণ্ডুলিপিটো কাষলতিৰ তলত জোৰেৰে চেপি ধৰিছো ভাবিছো আগুৱাম নে পিছুৱাম। চিয়ঁৰি চিয়ঁৰি গাভৰু এজনী মোৰ পিনে দৌৰি আহি আছে। পাছ পাছে চি, আৰ, পি দুটাই খেদি আহিছে। গাভৰুজনীয়ে মাজে মাজে চি, আৰ, পি দুটালৈ উভতি চাইছে আৰু অসহায় হৈ দৌৰি আছে মোৰ পিনে। মই অস্থিৰ হৈ পৰিছোঁ। কিং কৰ্তব্য বিমূঢ় হৈ পৰিছোঁ। দানৱ দুটাৰ কৱলৰ পৰা গাভৰুজনীক কেনেকৈ উদ্ধাৰ কৰা যায়। এই সময়ত ৰাস্তাটোত মোৰ বাহিৰে কোনো মানুহ নাই। সকলো মানুহ দৌৰি দৌৰি গৈ নাইকীয়া হ’ল। গাভৰুজনীৰ চাগে চি, আৰ, পিৰ সন্মুখৰ পৰা আঁতৰিবলৈ সময়েই নাপালে। তাইৰ মুখখনি ৰঙা পৰিছে। চুলিবোৰ আউল বাউল। চকু দুটিত আতংক। ভাগৰি পৰিছে তাই। দৌৰিবলৈ অক্ষম হৈ পৰিছে। মই থিয় হৈ থকা ঠাইৰ পৰা কিছু আঁতৰত তাই উজুটি খাই পৰিছে। চি, আৰ, পি দুটা আহি তাইৰ কাষ পাইছে। ৰাস্তাৰ ওপৰত পৰি যোৱা গাভৰুজনীৰ পিঠিতে এটা লাঠীৰে কোৱাইছে। মোৰ দেহমন জ্বলি উঠিছে। এয়া আকৌ কি? ৰাক্ষক নেকি? চি, আৰ, পি এটাই দেখোন গাভৰু জনীৰ পিন্ধিথকা চাদৰখন টানি টানি ফালি পেলালে। দেহত কেৱল মেখেলাখন আৰু ব্লাউজটো আছে চিঞৰি চিঞৰি তাই এখন হাতেৰে লাজ ঢাকিবলৈ আপ্ৰাণ চেষ্টা কৰিছে। দানৱ এটাই তাইৰ বাহুত ধৰি টানিছে। মোৰ ধৈৰ্য্য নাইকিয়া হ’ল। মই উন্মাদৰ দৰে হৈ পৰিছোঁ। ৰাক্ষক দুটাৰ কৱলৰ পৰা গাভৰুজনীক ৰক্ষা কৰিবই লাগিব। দৌৰি আহি চি, আৰ, পি দুটা আৰু গাভৰুজনীৰ কাষ পাইছোঁ মই। মোক দেখি সিহঁতে দাঁত উলিয়াই ঢেক ঢেকাই হাঁহিছে। খঙত উত্ৰাৱল হৈ মই ক’লো — “ হেৰা গাভৰু জনীক অত্যাচাৰ কৰিছা কিয়? এৰি দিয়া। কি দোষ কৰিছে এই জনীয়ে?

চি, আৰ, পি দুটাই মোৰ ভাষা বুজি পোৱা নাই চাগে। দুয়োটাই সিহঁতৰ ভাষাত কিবা কথা পাতিলে। এটাই মোৰ পিনে চাই ভাগ যাওঁ ভাগ যাওঁ বুলি কৈ গৰজি উঠিছে। মোৰ কাষলৈ সি লাঠীদাণ্ডি আগুৱাই আহিছে। আৰু কাষলতিৰ তলত চেপামাৰি ধৰি থকা আত্মজীৱনীৰ

https://howlyraasmahotsav.org/

পাণ্ডুলিপিটো জোৰ কৰি কাঢ়ি লৈ গৈছে। মই চিয়ঁৰিছো — " হেৰা সেইটো নিনিবা ! সেইটো মই ডাকত পঠাবলৈ আনিছোঁ। দিয়া, মোক পাণ্ডুলিপিটো দিয়া। তাত মোৰ জীৱনটো সোমাই আছে। দিয়া লৈ নাযাবা।

চি, আৰ, পি দুটাই দৈত্যৰ দৰে হাঁহিছে মোৰ কথা শুনি। মই পাণ্ডুলিপিটো আনিবলৈ চেষ্টা কৰিছোঁ। সি এৰি দিয়া নাই। কিছুপৰ টনা-আজোৰা কৰি আছোঁ। এইবাৰ সি লাঠীডাল মূৰৰ ওপৰলৈ দাঙিলে। উস মোৰ মূৰটো যে ভাঙিগ'ল। আকাশ, পৃথিৱী সকলো মোৰ চকুৰ আগত ভাহিব ধৰিলে। খুব জোৰেৰে মূৰটোতে দানৱটোৱে লাঠীডালেৰে কোবালে। মোৰ হাত এখন মূৰলৈ গ'ল। মূৰটো পিহিছোঁ মূৰৰ পৰা কুমেৰে ধৰাসাৰে তেজ বৈ আহিছে। পাণ্ডুলিপিটো চি, আৰ, পি টোৱে ৰাস্তাৰ কাষলৈ দলিয়াই পেলাই দিছে। ভিতৰৰ পাত কিছুমান ফালি গৈছে। মূৰটোৰ হাতেৰে ধৰি পাণ্ডুলিপিটো আনিবলৈ কথমপি আগবাঢ়িছো। কিন্তু এইবাৰ আনটো চি, আৰ, পি য়ে ভৰি এখন দাঙি আহিছে আৰু মোৰ দেহত জোৰেৰে গুৰিয়াই দিছে হামথুৰি খাই ৰাস্তাৰ ওপৰতে মই বাগৰি পৰিছোঁ। চৌ দিশে আন্ধাৰ দেখিছোঁ।

"দেউতা !"

কো-ন ?

"মই দেউতা, নিৰ্মল !"

"নিৰ্মল। "

'দেউতা'

"নিৰ্মল, মই ক'ত আছো ?

"আপুনি হাস্পতালত আছে দেউতা। চি, আৰ, পিৰ আক্ৰমণত ৰাস্তাত অচেতন হৈ পৰি আছিল। স্বেচ্ছাসেৱকবোৰে আপোনাক ইয়ালৈকে লৈ আহিছে। "

"কিমান দিন হ'ল ?"

"পাঁচদিন হ'ল দেউতা। "

" ওঁ, পাঁচদিন মই অচেতন হৈয়ে পৰি আছিলো ইয়াত, নহয় নে ?

"দেউতা !

"কোন ?"

"মই উজ্জ্বল দেউতা। "

"ওঁ, উজ্জ্বল। '

অমি সকলোৱে আপোনাৰ কাষত আছোঁ দেউতা।

"সেই গাভৰুজনী — সেই গাভৰুজনী —"

"কোন গাভৰুৰ কথা কৈছে দেউতা ?"

"দানৱ দুটাই যে— "

" মাধুৰী আৰু তাই ছাৰ। চি, আৰ, পিৰ পাশবিক অত্যাচাৰত তাই প্ৰাণত্যাগ কৰিলে। "

"কি ?"

'হয় ছাৰ ! মাধুৰীক সিহঁতে অশেষ যাতনা দি হত্যা কৰিলে। "

"উস !"

"ছাৰ !"

"হু ?"

আপোনাৰ পাণ্ডুলিপিটো আমি উদ্ধাৰ কৰিছোঁ।

"তুমি কোন ?"

"মই এজন স্বেচ্ছাসেৱক। কলেজত পঢ়ো। "

"মোৰ আত্মজীৱনীৰ পাণ্ডুলিপিটো চি, আৰ, পি এটাই দলিয়াই দিছিল। সেইখন মই বৰ কষ্টকৰি লিখি উলিয়াইছিলোঁ। চপোৱা কিতাপখন চোৱাৰ ইচ্ছা আছিল। চাব নোৱাৰিলোঁ।

মোৰ চাৰিওফালে থিয় হৈ থকা মানুহবোৰৰ মুখবোৰৰ ওপৰেৰে দৃষ্টি বগৰাই আনিছোঁ। নিৰ্মল, মাক বহি আছে কান্দিছে। নিৰ্মল মোৰ মূৰ শিতানৰ কাষত বহি আছে। নাম নজনা বহুতো মানুহে একেলগে মোৰ মুখলৈ চাই আছে। মোৰ শক্তি নাইকিয়া হৈছে। চি, আৰ, পিয়ে লঠিয়াই মোৰ কঁকালখন ভাঙি পেলাইছে। মূৰটোত ব্যণ্ডেজ লগাইছে। হয়তো আৰু কিছু সময় পিছতে মোৰ মৃত্যু হ'ব। অনুমান কৰিছোঁ। মোৰ বাক্ শক্তিও হ্ৰাস পাই আহিছে।

'নিৰ্মল !"

"দেউতা"।

" তুমি মোৰ কথা এটা ৰাখিবা নিৰ্মল ?"

"ৰাখিম দেউতা। নিশ্চয় ৰাখিম।

বহুত চেষ্টা কৰিও মই আত্মজীৱনীখন প্ৰকাশ কৰিব নোৱাৰিলোঁ। তুমিয়েই সেইখন প্ৰকাশ কৰিবা। সেইখন প্ৰকাশ হ'লে মোৰ আত্মাই শান্তি পাব। "

"সেইখন আমি প্ৰকাশ কৰিম বুলি ভাৱিছো ছাৰ।"

স্বেচ্ছাসেৱক জনলৈ চালো। ল'ৰাজনৰ মুখখন উজ্জ্বল। ল'ৰাজনৰ কাষত থিয় হৈ থকা আন এজন ল'ৰাই মোৰ আত্মজীৱনীৰ পাণ্ডুলিপিটো লৈ থকা দেখিছোঁ। সি

https://howlyraasmahotsav.org/

মোৰ নিচেই কাষলৈ আগবাঢ়ি আহি কৈছে— “ছাৰ! আপোনাৰ এই আত্মজীৱনীখন মই পঢ়ি শেষ কৰিছোঁ। এনেকুৱা আত্মজীৱনী সচাঁকৈয়ে বিৰল। এইখন প্ৰকাশ কৰিলে আমাৰ সাহিত্যৰ এটা ডাঙৰ সম্পদ হ'ব। আমি ছাত্ৰ-ছাত্ৰী সকলোৱে মিলি পইচা সংগ্ৰহ কৰি এইখন ছপা কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছোঁ। আপুনি অনুমতি দিলে আমি সুখী হম, ছাৰ।”

মোৰ চকুৰে আনন্দৰ অশ্ৰু বাগৰি আহিছে। ল'ৰাবোৰৰ পিনে অপলক নেত্ৰে চাইছোঁ। ইহঁত যেন একোটা উদিত সূৰ্য। সকলোৱে মুখবোৰ উজ্জ্বল। ইহঁতে এন্ধাৰ নাশি পোহৰলৈ আগবাঢ়ে।

“দেউতা আপুনি কান্দিছে?”

“কন্দা নাই নিৰ্মল। এয়া আনন্দৰ চকুলো। জীৱনৰ অন্তিম ক্ষণত এনে আনন্দৰ ভাগ কেইজনে পায় নিৰ্মল? হেৰা বন্ধুসকল, মোৰ আত্মজীৱনীখন তোমালোকৰ হাততে এৰি গ'লো।

অনুমান কৰিছোঁ মোৰ মাতটো ক্ষীণ হৈ আহিছে। শব্দবোৰ অস্পষ্ট হৈ উচ্চাৰিত হৈছে। দৃষ্টি শক্তিও কমি আহিছে। মোৰ মৃত্যু ওচৰ চাপিছে।

(প্ৰয়াত মনোৰঞ্জন চৌধুৰীৰ একে নামৰ অপ্ৰকাশিত উপন্যাসৰ কাহিনীভাগৰ আলম লৈ চুটি গল্পৰ ৰূপ দিয়া হৈছে)

https://howlyraasmahotsav.org/

নাৰী মই

জুনুমনি হালৈ

নাৰী মই আলসুৱা
নাৰী মই মৰম আকলুৱা।
কোনোবাই মৰম দিলে
সকলো পাহৰি যাওঁ
কোনোবাই অশ্ৰু দিলে
মৃত্যু পৰ্যন্ত
তাৰ বোজা কঢ়িয়াওঁ।
নাৰী মই জীয়ৰী
নাৰী মই প্ৰেমিকা
নাৰী মই পত্নী আৰু মা
আৰু কাৰোবাৰ বোৱাৰী।
নাৰী মই,
মোৰ জীৱন সংগ্ৰামেৰে গঠিত
জন্ম লোৱাৰ পৰা মৃত্যুলৈকে
বিষাদেৰে পৰিপূৰ্ণ।
সংঘাতেই যাৰ জীৱন
নীৰৱতাই একমাত্ৰ সংগী
কোনে শুনিব মোৰ বুকুৰ ধপ্‌ধপনি
কোনে দেখিব মোৰ চকুৰ চকুপানী।
নীৰৱতাক অস্ত্ৰ হিচাপে লৈ
আগুৱাম জীৱন বাটত,
এদিন নহয় এদিন হ'ব নাৰীৰ জয়
হ'ব মুক্ত নাৰী বিষাদ আঁতৰিব।

হাউলী ৰাস মহোৎসৱ ঃ এটি অৱলোকন

কল্প তালুকদাৰ

ৰস শব্দৰ পৰাই ৰাসৰ উৎপত্তি হৈছে। ৰাস শব্দৰ অৰ্থ— 'ৰসস্যায় ইতি ৰাস' যি সমস্ত ৰসৰ উৎস তাতেই আছে ৰাসৰ তত্ব। ভগৱান কৃষ্ণতেই ব্যাপ্তি আছে সমস্ত ৰস। ভাগৱতৰ মূল কথা 'কৃষ্ণস্তু ভগৱান স্বয়ম'। ভগৱান শ্ৰীকৃষ্ণ ষড়ৈস্বৰ্যৰ অধিকাৰী। ভগৱান শব্দৰ অৰ্থ— 'ভগ' মানে ঐশ্বৰ্য্য আৰু 'বান' মানে গৰাকী। এই ষড় ঐশ্বৰ্য্যবোৰ হ'ল সমগ্ৰ ঐশ্বৰ্য্য, সমগ্ৰ বীৰ্য্য, যশ, শ্ৰী, জ্ঞান আৰু বৈৰাগ্য।

নৃত্য শাস্ত্ৰৰ পৰিভাষা অনুসৰি কায়মনো বাক্যেই বহুত নৰ্তকী কৃষ্ণক কেন্দ্ৰ কৰি চক্ৰাকাৰে ঘূৰি ঘূৰি কৰা নৃত্য বিশেষেই হ'ল ৰাস নৃত্য।

'বলয়ানাং নূপুৰানাং কিঙ্কিণীনাং চ যোষিতাম্।
সপ্ৰিয়ানামভুচ্ছব্দস্তুমুলো ৰাসমণ্ডলে।।'

ভাগৱত- ১০/৩৩-৬

ৰাসমণ্ডলত সন্মিলিত সকলো গোপীৰ অলংকাৰ নূপুৰ আৰু কিঙ্কিনিৰ ৰজন্‌জনাই যোৱা বিপুল ধ্বনিৰ তালে তালে যি নৃত্য হৈছিল সেয়াই আছিল বহিৰ্দৰ্শনৰ ৰাসনৃত্য।

ৰাসত ভক্ত আৰু ভগৱানৰ আত্মা আৰু পৰমাত্মাৰ মিলন ভগৱান কৃষ্ণ পৰমাত্মা আৰু গোপীসকল আত্মা। কৃষ্ণ ভক্তি— সাধাৰণ জনকো লীন নিয়াবলৈ কৰা এক আধ্যাত্মিক প্ৰক্ৰিয়া। ৰাস নৃত্য কৰাৰ সময়ত কৃষ্ণৰ বয়স আছিল ৮/৯ বছৰ। ইয়াত প্ৰকৃত প্ৰেমৰ কথা উল্লেখ কৰা হৈছে। গুৰুজনাই এই প্ৰসংগত লিখিছে—

শৃংগাৰ ৰসত আছে যাৰ ৰতি।
আকে শুনি হৌক নিৰ্মল মতি।। কীৰ্ত্তন ৮/১০

ৰাসক্ৰীড়া জড়বন্ধনৰ পৰা মুক্তিৰ এক অনুশীলন। আত্মাৰ উদ্দেশ্য পৰমাত্মাৰ লগত মিলন হোৱা। ইন্দ্ৰিয় আৰু ৰিপুৰ প্ৰভাৱ থকালৈ আত্মা বন্ধন যুক্ত। কৃষ্ণভাৱনাময় হৈ জড়বন্ধনৰ পৰা মুক্তি হ'লে ভগৱত প্ৰাপ্তি হয়।

অসমত পোন প্ৰথম বাৰৰ বাবে ৰাস উৎসৱ উদ্‌যাপিত হৈছিল ১৭৭২ শকত মাজুলীৰ দক্ষিণপাট সত্ৰত। পৰৱৰ্তী সময়ত গড়মূড়, আউনীআটী, বেঙেনাআটী, কমলাবাৰী, ঢোলপুৰ সত্ৰলৈ এই উৎসৱ প্ৰসাৰিত হয়। ইয়াৰ পাছত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ৰাস সম্প্ৰসাৰিত হয়। উজনি অসমত এই ৰাস জীৱন্ত মানুহে অভিনয় কৰি ৰাস উৎসৱ পালন কৰে; কিন্তু নামনি অসমত মৃন্ময় মূৰ্তিৰ দ্বাৰা এই ৰাস উৎসৱ পালন কৰা হয়। নামনি অসমত বহু ঠাইত ৰাস উৎসৱ উদ্‌যাপিত হয় যদিও তাৰ ভিতৰত ঐতিহ্যপূৰ্ণ তিনিখন বিশাল ৰাস হ'ল ক্ৰমে— ১৯২৮ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠিত হাউলী ৰাস মহোৎসৱ, ১৯৩৩ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠিত নলবাৰী ৰাস মহোৎসৱ আৰু ১৯৪৭ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠিত পলাশবাৰী ৰাস মহোৎসৱ। এই তিনিখন ৰাসৰ ভিতৰত হাউলী ৰাস আটাইতকৈ পুৰণি।

হাউলী ৰাস মহোৎসৱ সমন্বয়ৰ সেতু মহা মিলনৰ উৎসৱ। হিন্দু, মুছলমান, বড়ো জাতি-উপজাতিৰ এক মিলন ভূমি। ৰাসৰ সময়ত অসমৰ বিভিন্ন প্ৰান্তৰ মানুহে লোকে লোকাৰণ্য হয়। হাউলীৰ ৰাস মহোৎসৱে ধৰ্মীয়, সামাজিক আৰু সংস্কৃতিৰ মাধ্যমেৰে মানুহৰ মাজত মানৱীয় প্ৰমূল্যবোধৰ প্ৰেম, ভাতৃত্ব আৰু সমন্বয়ৰ

https://howlyraasmahotsav.org/

এনাজৰীৰে বান্ধি ৰাখিছে।

হাউলী ৰাস উৎসৱৰ সময়ত বৈদ্যুতিক আলোক সজ্জাৰে সু-সজ্জিত হৈ হাউলীখন স্বৰ্গপুৰীৰ নিচিনা সুন্দৰকৈ সজোৱা হয়। হাউলী ৰাসৰ মূৰ্তিসমূহ ডাঙৰ আৰু বিদ্যুত চালিত অতি আকৰ্ষণীয় হয়। হাউলীৰ ৰাসে নতুন প্ৰযুক্তিৰ লগত খোজ মিলাই আগবাঢ়িছে। ৰাস পূজা ক্ষেত্ৰত ওজাপালি, ঢুলীয়া পাৰ্টী, নাগাৰা নাম, থিয় নাম, আয়তীসকলৰ নাম, ভোৰতাল আদি লোকসংস্কৃতিৰে পৰিপূৰ্ণ অনুষ্ঠান। উক্ত অনুষ্ঠানবোৰৰ উপৰিও সমাজখন বিভিন্ন দিশত যেনে— শৈক্ষিক, বৌদ্ধিক দিশত আগবঢ়াই নিবলৈ প্ৰয়াস কৰিছে।

মুৰুলী ঃ প্ৰত্যেক বছৰে হাউলী ৰাস মহোৎসৱে 'মুৰুলী' নামৰ এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি আহিছে। এই স্মৃতিগ্ৰন্থখনে কেৱল অনুষ্ঠানটোৰ স্মৃতি ৰক্ষা বা ঐতিহ্য সংৰক্ষণেই নহয়; নতুন প্ৰজন্মক সাহিত্য চৰ্চাৰ প্ৰতি আকৰ্ষিত কৰিবলৈ প্ৰয়াস কৰি আহিছে। এই বৌদ্ধিক যাত্ৰা সঁচাকৈয়ে প্ৰশংসনীয়। লগতে বিশিষ্ট লেখকসকলৰ তত্বগধুৰ লেখাৰ পৰা কৃষ্ণ সংস্কৃতি, সাহিত্য চৰ্চাৰ ক্ষেত্ৰত পাঠকসমাজ উপকৃত হৈছে। বৰ্তমানলৈ প্ৰকাশিত মুৰুলীৰ সংখ্যাবোৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। ইতিমধ্যে প্ৰকাশ হৈ যোৱা সংখ্যা সমূহৰ নিৰ্বাচিত প্ৰবন্ধৰে এখন সংকলন কৰিলে নিশ্চই ই গৱেষণাৰ বিষয় হ'ব। নতুন প্ৰজন্ম উপকৃত হ'ব। যিদৰে ভগৱান শ্ৰীকৃষ্ণৰ মুৰুলীৰ সুৰত মতলীয়া হোৱা সহস্ৰাধিক গোপীনীয়ে কৃষ্ণক লগ পাবলৈ বৃন্দাবনলৈ ঢাপলি মেলিছিল; তেনেকৈ সাহিত্য প্ৰেমী, জিজ্ঞাসু পঢ়ুৱৈ, লেখক-লেখিকাসকলে হাউলীৰ ৰাস মহোৎসৱৰ অতি উচ্চ মানৰ স্মৃতিগ্ৰন্থ মুৰুলীখনৰ বাবে আতুৰ হৈ কাৰ্যালয়লৈ ধাবমান হয়। স্মৃতিগ্ৰন্থ 'মুৰুলী' নামটো যথাযথ হৈছে। সমিতিৰ ঐক্যান্তিক ধাৰাবাহিক প্ৰচেষ্টাক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ।

গ্ৰন্থমেলা ঃ হাউলী ৰাস মহোৎসৱৰ গুৰুত্বপূৰ্ণ বিষয় হ'ল গ্ৰন্থমেলা। হাউলী ৰাস মহোৎসৱ অকল আধ্যাত্মিক উৎসৱ নহয়; শৈক্ষিক দিশত এই অঞ্চলটো আগবঢ়াই নিবলৈ ৰাস পূজাৰ লগত সংগতি ৰাখি প্ৰতি বছৰে এখন গ্ৰন্থমেলাৰ আয়োজন কৰি আহিছে। এইটো অতি আনন্দৰ কথা। এই গ্ৰন্থমেলাখনত আমিও বহুবাৰ ইস্কনৰ গ্ৰন্থ বিপনী দিয়াৰ অভিজ্ঞতা আছে। এই গ্ৰন্থমেলাখনে হাউলীবাসীৰ লগতে সম্পৃক্ত গাঁওসমূত কিতাপ পঢ়াৰ আন্দোলন গঢ়ি তোলাত সহায়ক হৈছে। প্ৰতি বছৰে হাউলী ৰাসৰ গ্ৰন্থমেলাত বহু গ্ৰন্থ বিক্ৰী হৈ আহিছে। যুৱ প্ৰজন্মৰ মাজত কিতাপ পঢ়াত প্ৰৰণতা গঢ় লৈ উঠিছে। ৰাস পূজা চাবলৈ অহা শিশু-কিশোৰসকলক পিতৃ-মাতৃয়ে অন্ততঃ একোখনলৈ কিতাপ হাতত তুলি দিবলৈ সক্ষম হৈছে। এনেদৰে শিশুসকলেও গ্ৰন্থৰ সৈতে চিনাকি হোৱাৰ এটা সুযোগ পাইছে।

হাউলী বঁটা ঃ সাহিত্য-সংস্কৃতি, সমাজ সংস্কাৰ, সমাজ নিৰ্মাণ, শিক্ষা ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে হাউলী ৰাস মহোৎসৱ উদ্যাপন সমিতিয়ে প্ৰতি বছৰে হাউলী অঞ্চলৰ সৰ্বশ্ৰেষ্ঠ সন্মান 'হাউলী বঁটা' প্ৰদান কৰি আহিছে। ইতিমধ্যে এই বঁটা প্ৰাপক মহান ব্যক্তিসকল— ড° ভূপেন হাজৰিকা, গকুল পাঠক, হোমেন বৰগোহাঞি, অচ্যুত লহকৰ, ড° বীৰেন্দ্ৰ নাথ দত্ত, সত্যনাথ দাস, আব্দুল মজিদ, ড° লক্ষহীৰা দাস, বশিষ্ঠ দেৱশৰ্মা, বীৰুবালা ৰাভা, দুলাল ৰয়, গিলবাৰ্টচন চাংমা, অক্ষয় মিশ্ৰ, পুলক বেনাৰ্জী। সুন্দৰক সুন্দৰ বুলি ক'বলৈ এখন সুন্দৰ হৃদয় লাগে। কৃতজ্ঞতা জনোৱাটো এটি জাতিৰ শুভ লক্ষণ। এই বঁটা প্ৰদান অনুষ্ঠানে ব্যক্তিসকলক কৰ্ম কৰাৰ প্ৰেৰণা প্ৰদান কৰাৰ লগতে হাউলী ৰাস মহোৎসৱ কমিটিৰ মৰ্যাদা বৃদ্ধি কৰিছে।

সংস্কৃতি ঃ হাউলী ৰাসত প্ৰতি বছৰে সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰি আহিছে। অসমৰ অতি জনপ্ৰিয় শিল্পীসকলৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰি আহিছে। হাউলী অঞ্চলৰ নতুন প্ৰতিভাৱান শিল্পীসকলে নিজৰ পাৰদশিতা প্ৰদৰ্শন কৰিব পাৰিছে। আমি জানিব পাৰি সুখি হৈছোঁ যে এই বছৰৰ পৰা হাউলী ৰাসৰ লগত সম্পৃক্ত ওঠৰখন গাঁৱৰ নৱপ্ৰজন্মৰ প্ৰতিভা বিকাশৰ বাবে প্ৰতিখন গাঁৱৰ পৰা শাখা সমিতি গঠন কৰি সেই গাঁও কেইখনৰ সাংস্কৃতিক প্ৰতিভা প্ৰদৰ্শন কৰাৰ যি ব্যৱস্থা কৰিছে; সঁচাকৈয়ে ই এক মহৎ প্ৰচেষ্টা। এনেকুৱা প্ৰচেষ্টাই একোটা বৃহৎ অঞ্চল সাংস্কৃতিক দিশত বিশ্বৰ দৰবাৰলৈ আগবঢ়াই নিব সেয়া ধ্ৰুৱপ। এই যাত্ৰা জয় যাত্ৰা হওক।

লটাৰী খেল ঃ লটাৰী খেলক আমি সমৰ্থন নকৰো; কিয়নো ইয়াৰ লগত সততে প্ৰতাৰণা জড়িত

https://howlyraasmahotsav.org/

হৈ থাকে। কিন্তু হাউলী ৰাসৰ লটাৰী খেলখন ইয়াৰ ব্যতিক্ৰম। হাউলী ৰাসৰ লটাৰী খেলখন নিকা ভাবে সম্পন্ন হয়। সেয়ে অসমত হাউলী ৰাসৰ লটাৰী খেলৰ এটি সুনাম আছে। তেখেতসকলে লটাৰী খেলৰ বাৰ্ষিক আয়েৰে মন্দিৰ, অতিথিশালা আদি নিৰ্মাণ কৰাৰ উপৰিও হাউলী অঞ্চলত থকা ৩৪ খন সত্ৰলৈ যোৱা ২০২৩ বৰ্ষত এক লাখ টকাকৈ সাহায্য আগবঢ়াইছে। এয়া ৰাস মহোৎসৱ কমিটিৰ এক মহান বদান্যতাৰ পৰিচায়ক। ইয়াৰ উপৰিও হাউলী ৰাস উৎসৱৰ উপসমিতি 'মানৱ সম্পদ উন্নয়ন সমিতি'ৰ জৰিয়তে হাউলী অঞ্চলৰ প্ৰতিভাবান নৱপ্ৰজন্মক ক্ৰীড়া, নাট্য চৰ্চা, গীতমাত, লোকসংস্কৃতিৰ প্ৰতি আগবঢ়াই নিবলৈ যথেষ্ট অনুদান আগবঢ়াই মানৱ সম্পদ গঢ়াত সহায় কৰি আহিছে। সঁচাকৈয়ে ই এক প্ৰশংসনীয় আৰু অনুকৰণীয় পদক্ষেপ।

আতচ্‌বাজী ঃ বৰপেটা আতচ্‌বাজী নিৰ্মাণৰ বাবে অসম বিখ্যাত। ইয়াত বহুতো আতচ্‌বাজী নিৰ্মাণ কৰা উদ্যোগ আছে। ধৰ্মীয় উৎসৱ, বিবাহ-সভা, দ্বীপান্বিতা, উৎসৱ-পাৰ্বন আদিত আতচ্‌বাজীয়ে সৌন্দৰ্য বৃদ্ধি কৰাত বিশেষ অৰিহণা যোগাই আহিছে। হাউলীৰ ৰাসো ইয়াৰ বিপৰীত নহয়। বৰ্তমান সময়ত বায়ুমণ্ডল প্ৰদূষণ, শব্দ প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখি কুটিৰ শিল্পীসকলৰ সন্মানাৰ্থে নামমাত্ৰ আতচ্‌বাজী প্ৰদৰ্শন কৰিব। আমি জানি সুখি হৈছোঁ যে এই বছৰৰ পৰা প্ৰদূষণ মুক্ত লেজাৰ শ্বোৰে আকাশ মাৰ্গত আলোকসজ্জা প্ৰদৰ্শন কৰিব। সঁচা অৰ্থত সংস্কাৰেই সংস্কৃতি। দুই কুল ৰক্ষাৰ নামেই হৈছে সভ্যতা।

উপসংহাৰ ঃ প্ৰতি বছৰে যিহেতু দৰ্শনাৰ্থীৰ সংখ্যা বৃদ্ধি পাই আহিছে; সেয়েহে ভক্তপ্ৰাণ ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ২৪ খন উপসমিতি গঠন কৰা হয়; যাতে সকলো কাম নিয়াৰিকৈ তথা শৃংখলাবদ্ধভাৱে পৰিচালিত হয়। এই বৰ্ষত আৰু দুখন অতিৰিক্ত উপ-সমিতি— স্বচ্ছতা উপসমিতি আৰু দৰ্শনাৰ্থী সহায়ক উপ-সমিতি গঠন কৰা হৈছে। আশা কৰো যাহে হাউলী ৰাস মহোৎসৱে ব্যতিক্ৰমধৰ্মী সেৱাৰ বাবে অসমবাসীৰ লগতে ভাৰতবাসীৰ হৃদয়ত বিশেষ স্থান দখল কৰিব পাৰে। জয়তু হাউলী ৰাস মহোৎসৱ। ⏮

https://howlyraasmahotsav.org/

হে গুৰু ঃ প্ৰণাম আপোনাক

পূজা তালুকদাৰ

হে গুৰু ঃ প্ৰণামো আপোনাক
আপুনি আদৰ্শ, আপুনি মহান
আপুনিয়ে যে জাতিৰ ভৱিষ্যৎ নিৰ্মাতা।
আপোনাৰ সৃষ্টিতে প্ৰাণ পাব ন ন আৱিষ্কাৰ।
অজ্ঞান আন্ধাৰ দূৰ কৰি গঢ়িছে
আপুনিয়ে শিশুৰ সুন্দৰ ভৱিষ্যৎ।
হে গুৰুঃ আপুনি দেশৰ বাবে,
আপুনি সমাজৰ বাবে আদৰ্শ
শিল্পী আপুনিয়ে হাজাৰজনৰ পৰিচয় গঢ়াৰ
হে গুৰু ঃ আপোনাৰ চৰণত নিবেদিছোঁ
শতকোটি প্ৰণাম। ⏮

সেউজীয়াৰ সোঁমাজত

মনজিৎ কলিতা

উৰুৱাই লৈ গ'ল মোৰ মনক
কুৰুৱা বতাহে সেউজীয়াৰ সোঁমাজত
আৰু থৈ দিলে এৱাল দি জালিকটা ৰ'দত

থাপনা পাতি থাপি থ'লো
উশাহৰ উশাহেৰে সী
অনুৰাগক পহৰা পাতি

নাচি থকা লহৰত
গাখীৰতী সুবাসত
সেউজীয়াৰ সোঁমাজত... ⏮

হাউলীয়ে ৰিঙিয়ায়

ড° হৃদয় ৰঞ্জন দাস

১৮২২ চনত বৰপেটা জিলাৰ হাদিৰাচকীত মান সৈন্য বাহিনীৰ হাতত আহোম স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহ পৰাজিত হৈছিল। তাৰ ঠিক আগে আগে হাউলীৰ ৰজা চণ্ডী বৰুৱাকো মান সৈন্যই বধ কৰিছিল। সেই সময়ৰ বৃহত্তৰ হাউলী অঞ্চলত হত্যা, হিংসা, লুণ্ঠন চলি ব্যাপক ৰূপে হাউলীবাসী ক্ষতিগ্ৰস্ত হৈছিল। ৰজা চণ্ডী বৰুৱাৰ ৰাজহাউলি মান সেনাই ভাঙি পেলাইছিল। ১৮২৬ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগত হোৱা ইয়াণ্ডাবু সন্ধিৰ পাছত অসম তথা এই হাউলী অঞ্চলতো শান্তিৰ পৰিৱেশ ঘূৰি আহিছিল। সমগ্ৰ অসম প্ৰদেশ আৰু হাউলীবাসীৰ মুখত হাঁহি বিৰিঙিছিল। কিন্তু ১৮৯৭ চনত অসমত হোৱা প্ৰৱল ভূমিকম্পৰ ফলত নামনি অসম তথা হাউলী অঞ্চল পুনৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। তথাপি সমগ্ৰ হাউলীবাসীয়ে অসীম ধৈৰ্য আৰু অফুৰন্ত আশা বুকুত সাবটি সকলো বাধা-বিঘিনি নেওচি পুনৰ সমাজ জীৱন আৰম্ভ কৰিছিল। অনান্য অনুষ্ঠানৰ উপৰিও আধ্যাত্মিক তথা হিন্দু ধৰ্মৰ ভক্তি ৰসত ডুব গৈ ৰাধা-কৃষ্ণৰ ৰাসলীলা ৰাস উৎসৱ পাতিবলৈ আৰম্ভ কৰিছিল। ১৯২৮ চনৰ শৰৎ কালৰ পূৰ্ণিমাৰ নিশা বিশিষ্ট ব্যক্তি বিশ্বনাথ দাসক সভাপতি আৰু গৰ্জন চন্দ্ৰ চৰকাৰক সম্পাদক হিচাপে লৈ নানা জাতি-উপজাতি, ধৰ্মপৰায়ণ লোকসকল লগ হৈ হাউলীবাসীয়ে অতি উলহ-মালহেৰে ৰাস উৎসৱ উদ্‌যাপন কৰিছিল। তেতিয়াৰে পৰা বছৰি বছৰি পালন কৰি অহা এই ৰাস উৎসৱ বৰ্তমান সময়ত হাউলীবাসীৰ হেঁপাহ, আশা, উদ্দীপনা আৰু আপ্ৰাণ চেষ্টাৰ ফলশ্ৰুতিত ই হাউলীৰ ৰাস মহোৎসৱলৈ ৰূপান্তৰিত হৈ পৰিল। জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে মহামিলনৰ তীৰ্থ হৈ পৰিল। বিভিন্ন জনগোষ্ঠী একতাৰ ডোলেৰে বান্ধ খাই পৰিল। প্ৰেমৰ এনাজৰীৰ অটুট বন্ধনেৰে বান্ধ খাই পৰিল। এই হাউলী অনৈক্যৰ মাজত ঐক্যৰ এক পুণ্যভূমিত পৰিণত হৈ পৰিল।

শৰৎ ঋতুৰ কাতি মাহৰ পূৰ্ণিমা নিশা শ্ৰীকৃষ্ণৰ ৰাসলীলা আৰম্ভ হয়। সেইদিনা ব্ৰত পালন কৰা হয় আৰু সন্ধিয়া পৰত ঘট স্থাপন কৰি, ৰাধা-কৃষ্ণৰ মূৰ্তি স্থাপন কৰি, মন্ত্ৰ পাঠ কৰি পূজা-অৰ্চনা কৰা হয়। খোল বাদ্য, তাল, মৃদঙ্গ আদি দেৱ বাদ্যৰ বাদনেৰে হিন্দু পৰম্পৰা অনুসৰি ভগৱান শ্ৰীকৃষ্ণৰ নাম-কীৰ্তন শ্ৰদ্ধা-ভক্তি সহকাৰে কৰা হয়। ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ মতে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ পাতনিৰে পৰাই ভগৱান শ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰক্ৰিয়া চলি আহিছে। নাট, ভাওনাৰ যোগেদিও ৰাধা-কৃষ্ণৰ সহিতে গোপীসকলৰ এই ৰাসলীলা, ৰাস উৎসৱ বিভিন্ন ঠাইত পালন কৰা হয়।

প্ৰকৃততে 'ৰস' শব্দৰ পৰাই 'ৰাস' হৈছে। 'ৰস' শব্দই আনন্দ বা ৰং-ধেমালি আৰু ঈশ্বৰক বুজায়। 'লীলা' শব্দৰ অৰ্থ হৈছে কেলি, খেলা বা ঈশ্বৰৰ কৰ্ম। গতিকে ৰাসলীলাৰ অৰ্থ ভগৱন্তৰ এক আনন্দময় কৰ্ম বুলি কোৱা হয়। এক আনন্দ, ভোগ-বিলাস আৰু প্ৰেমৰ ৰহস্যময় লীলা বুলি অভিহিত কৰা যায়। প্ৰভু ভগৱন্তৰ, শ্ৰীকৃষ্ণৰ বিভিন্ন সময়ৰ বিভিন্ন ৰূপ, দশ অৱতাৰ মূৰ্তি প্ৰদৰ্শন কৰি এই ৰাস মহোৎসৱৰ আকৰ্ষণীয়ভাৱে উদ্‌যাপন কৰা হয়।

https://howlyraasmahotsav.org/

ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ মতে ৰাধাই গোপীসকলৰ লগত যেতিয়া যমুনা নৈৰ পাৰত বালিৰে কাত্যায়নী দেৱীৰ মূৰ্তি তৈয়াৰ কৰি প্ৰায় এমাহ কাল পূজা-অৰ্চনা কৰিছিল, তেতিয়া কাত্যায়নী দেৱীয়ে তেওঁলোকৰ ভক্তিত সন্তুষ্ট হৈ ভগৱান শ্ৰীকৃষ্ণই নিৰ্মাণ কৰা বৃন্দাবনত নিজম নিশা তেওঁলোকে হাঁহি, ধেমালি, আনন্দেৰে শ্ৰীকৃষ্ণৰ লগত ৰাসলীলা কৰিব পাৰিব আৰু গোলোক ধামলৈ যাব পাৰিব বুলি আশীৰ্বাদ দিছিল। তাৰ উপৰিও ৰাধাই জনমে-জনমে, যুগে-যুগে শ্ৰীকৃষ্ণক স্বামী ৰূপে লাভ কৰিব বুলিও কৈছিল।

এদিন ৰাধা সহিতে গোপীসকলে যমুনা নৈৰ পাৰত হেমন্ত কালত কৰা কাত্যায়নী পূজা, অৰ্চনা শেষ কৰি নৈৰ পাৰতে নিজ নিজ বস্ত্ৰ খুলি থৈ উলংগ হৈ নৈত গা ধুই আছিল, তেতিয়া ঠিক সেই সময়তে শ্ৰীকৃষ্ণই মনে মনে আহি তেওঁলোকৰ সেই বসনবোৰ চুৰ কৰি লৈ গৈছিল। ইতিমধ্যে গা ধুই উঠি গোপীসকল আৰু ৰাধাই নিজৰ বস্ত্ৰবোৰ নিৰ্দিষ্ট স্থানত নেদেখি আচৰিত হ'ল আৰু এইয়া যে শ্ৰীকৃষ্ণৰেই কাম তাক বুজিবলৈ বাকী নাথাকিল। সেয়ে উপায়বিহীন হৈ শ্ৰীকৃষ্ণক তেওঁলোকৰ বস্ত্ৰখিনি উলিয়াই দিবলৈ কাকুতি-মিনতি কৰিবলৈ ধৰিলে আৰু কৰযোৰে স্তুতি, প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। তেতিয়া শ্ৰীকৃষ্ণই সকলোখিনি বস্ত্ৰ গোপীসকল আৰু ৰাধাক উলিয়াই দিয়ে। তাৰ পাছত বসন পৰিধান কৰি সকলো ঘৰলৈ বুলি যাবলৈ ওলালে, কিন্তু তেতিয়াও শ্ৰীকৃষ্ণই ৰাধা আৰু গোপীসকলক ঘৰলৈ যাবলৈ নিদি আগভেটি ধৰিলে। যেতিয়া ৰাধা আৰু গোপীসকলে পুনৰ শ্ৰীকৃষ্ণক বাট এৰি দিবলৈ হাতযোৰে প্ৰাৰ্থনা কৰিলে, তেতিয়া শ্ৰীকৃষ্ণই বাট এৰি দিলে আৰু শৰৎ কালত ৰাধা সহিতে গোপীসকলৰ লগত একেলগে বৃন্দাবনত ৰাসলীলা কৰিব বুলি ব্যক্ত কৰিলে।

কাত্যায়নী দেৱী আৰু ভগৱান শ্ৰীকৃষ্ণৰ বৰদানৰ ফলশ্ৰুতিতেই ৰাধা সহিতে গোপীসকলে মনোমোহা প্ৰাকৃতিক পৰিৱেশ আৰু সমলেৰে পৰিৱেষ্টিত বৃন্দাবনত গোটেই শৰৎ কালটোত হেঁপাহ পলুৱাই শ্ৰীকৃষ্ণৰ লগত ৰাসলীলা কৰিছিল। শ্ৰীকৃষ্ণই যেতিয়া মথুৰাৰ পৰা বৃন্দাবনলৈ আহিছিল, তেতিয়া ৰাধা-কৃষ্ণৰ পুনৰ মিলন ঘটিছিল। কাত্যায়নী দেৱীয়ে ৰাধাক কৈছিল যে শ্ৰীকৃষ্ণৰ সখা শ্ৰীদামৰ অভিশাপৰ ফলতেই ৰাধাই গোলোকধামৰ পৰা গোকুলত জন্ম গ্ৰহণ কৰিছে আৰু সেইবাবেই শ্ৰীকৃষ্ণই বৃন্দাবনখন গোলোকধামৰ দৰেই তৈয়াৰ কৰিছে, য'ত শ্ৰীকৃষ্ণৰ লগত য'ত গোপী ত'ত কৃষ্ণৰূপে গোপীসকলৰ সৈতে ৰাসলীলা কৰিব পাৰিব আৰু পাছলৈ গোলোকধামলৈ যাব পাৰিব। ইতিমধ্যে সেই সময়তেই ৰাধা-কৃষ্ণৰ বিচ্ছেদ ঘটাৰ এশবছৰো সম্পূৰ্ণ হৈ গৈছিল আৰু সেইবাবেই ৰাধা-কৃষ্ণৰ পুনৰ মিলন ঘটি ৰাধা সহিতে গোপীসকলৰ লগত প্ৰেমৰসত ডুব গৈ আনন্দ-উলাহেৰে বৃন্দাবনত ৰাসলীলা কৰিছিল। এতিয়াও মধুবনত নিশা ৰাধা আৰু গোপীসকলৰ লগত শ্ৰীকৃষ্ণই ৰাসলীলা কৰে বুলি জনবিশ্বাস আছে।

https://howlyraasmahotsav.org/

ভাৰতবৰ্ষৰ পৱিত্ৰ ভূমি মথুৰা, বৃন্দাবন, মধুবন, দ্বাৰকা আদিৰ লগতে অসম প্ৰদেশৰ বিভিন্ন স্থান তথা হাউলীতো এই ৰাসলীলা ৰাস মহোৎসৱ হিচাপে অতি উলহ-মালহেৰে ধৰ্মীয় ৰীতি-নীতিৰে হাউলীবাসীয়ে প্ৰতিবছৰে উদ্যাপন কৰি আহিছে। এই হিন্দু পৰম্পৰা, ধৰ্মীয় চেতনাৰ পৱিত্ৰ তথা মহান যাত্ৰা যুগে যুগে অব্যাহত থাকক, চিৰকাল প্ৰেম, ভক্তি আৰু মহামিলনৰ তীৰ্থস্থান হৈ ৰওক,

জয় শ্ৰীকৃষ্ণ,

জয় ৰাধে-শ্যাম...

হাউলীৰ ৰাস মহোৎসৱ
বিজ্ঞান আৰু আধ্যাত্মিক দিশৰ এটি অনুভৱ

গণেশ চন্দ্ৰ দাস

কথিত আছে যে ১৯২৮ চনত হাটখোলাৰ উত্তৰে তেলি কদম এদাল বৃহৎ বৃক্ষ আছিল। এই বৃক্ষৰ তলত সুখে দুখে বহুত মানুহৰ সমাগম হৈছিল। সময়ৰ অগ্ৰগতিত কিছুমান মানুহৰ আলোচনা বিলোচনাৰ মাজেৰে ৰাস উৎসৱ পালন কৰাৰ পৰিকল্পনা কৰা হয়। সেয়ে ১৯২৮ চনত ৰাস পূৰ্ণিমাৰ পবিত্ৰ ক্ষণত সেই দূৰদৰ্শী, ধৰ্মপ্ৰাণ ও জ্ঞানী লোকৰ প্ৰচেষ্টাত প্ৰধানকৈ তেতিয়াৰ ৰাস উৎসৱৰ প্ৰথম সভাপতি প্ৰয়াত বিশ্বনাথ দাস আৰু সম্পাদক ক্ৰমে প্ৰয়াত যোগেশ চন্দ্ৰ দাস আৰু প্ৰয়াত গৰ্জন চন্দ্ৰ চৰকাৰৰ তত্বাবধানত উত্তৰ পুৰুষ সকলক ধৰ্মীয়, সাংস্কৃতিক আৰু আধ্যাত্মিক দিশৰ পথপ্ৰদৰ্শনৰ উদ্দেশ্যে হাটখোলাৰ উত্তৰে সেই তেলি কদমৰ তলতে হাউলীৰ ৰাস উৎসৱ আৰম্ভ কৰা হয়। প্ৰথম অৱস্থাত ৰাস উৎসৱ তিনি দিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। তেতিয়াৰ পৰাই এই উৎসৱ পালন কৰি অহা হৈছে আৰু সময়ৰ অগ্ৰগতিত ৰাইজৰ বিপুল সহযোগত সাৰ্বজনীন ৰাস উৎসৱ হিচাপে চিহ্নিত হয়। এতিয়া বিজ্ঞানৰ প্ৰগতিৰ ফল স্বৰূপে অধিক আকৰ্ষণীয় ৰূপত প্ৰদৰ্শন কৰাৰ সুবিধাৰ বাবে জনসাধাৰণৰ প্ৰত্যক্ষ ও পৰোক্ষ সহযোগিতা লাভ কৰি ৰাজ্যৰ চুকে কোনে সকলোতে আনকি বাহিৰতো এই উৎসৱ, হাউলীৰ ৰাস মহোৎসৱত হিচাপে চিহ্নিত হোৱা দেখা গৈছে। সেই সময়ত ৰাসৰ কাৰ্যসূচী হেজাক লাইট আৰু পেট্ৰোমাক্স লাইটৰ পোহৰেৰে চলিছিল। পূজাঁ, ভাগৱত পাঠ, ওজাপালি, ঢুলীয়া, কবিগান, যাত্ৰাগান, নাম-কীৰ্তন আদিয়ে আছিল ৰাসৰ কাৰ্যাৱলীৰ প্ৰধান প্ৰধান অংশ। দৰ্শকসকলে মাটিত পাৰি দিয়া ধান খেৰত বহি ৰাসৰ কাৰ্যসূচী উপভোগ কৰিছিল। বৰ্তমান বিজ্ঞানৰ প্ৰগতি আৰু মানুহৰ বৌদ্ধিক বিকাশৰ ফলস্বৰূপে ন ন সৃষ্টি ও সংস্কৃতিৰে হাউলীৰ ৰাস মহোৎসৱ হৈ পৰিছে ৰাজ্যৰ আগ শাৰীৰ ৰাস মহোৎসৱবিলাকৰ ভিতৰত অন্যতম।

বিজ্ঞান আৰু আধ্যাত্মিক দিশৰ অনুভৱ ঃ পৰিয়াল, সমাজ তথা দেশত মানুহৰ মাজত সুখ-শান্তি, মিলা প্ৰীতি অবিহনে সকলো কৃতকাৰ্যতাকে পৰাজয় বুলি গণ্য কৰা হয়। বিজ্ঞানৰ যিমানেই অগ্ৰগতি নহওক কিয়, মানুহৰ মাজত আধ্যাত্মিক দিশৰ সূচনা অবিহনে সমাজত শান্তি প্ৰতিষ্ঠা কৰা সম্ভৱ নহয়। জীৱনক সুন্দৰ, অৰ্থপূৰ্ণ, আদৰণীয় আৰু মাধুৰ্যময় কৰি গঢ় দিবলৈ হ'লে, সেই ধাৰণাবিলাক বিবেকৰ দ্বাৰা পৰিচালিত হ'ব লাগিব। ইয়াতেই আধ্যাত্মিকতাৰ প্ৰয়োজন অত্যধিক।

ভাৰতবৰ্ষৰ প্ৰাচীন শাস্ত্ৰ শ্ৰীমদ্ভাগৱদত উল্লেখ আছে যে মাতৃ সুৰুচিয়ে পুত্ৰ ধ্ৰুৱক পাঁচ বছৰ বয়সতে সৃষ্টিকৰ্তা ঈশ্বৰৰ সান্নিধ্য কেনেকৈ লাভ কৰি জীৱন ধন্য হয়, এই সম্পৰ্কে আধ্যাত্মিক জ্ঞানৰ ধাৰণা দিছিল। আধ্যাত্মিক জ্ঞানেৰে পৰিপুষ্ট মাতৃ সুৰুচিয়ে ধ্ৰুৱলৈ অৰ্থাৎ উত্তৰপুৰুষলৈ বিয়পাৰ উদ্দেশ্যে এই আধ্যাত্মিক জ্ঞানৰ প্ৰভাৱ বিস্তাৰ কৰিছিল।

বৰ্তমান একৈশ শতিকাত বিজ্ঞানৰ প্ৰগতিয়ে শিশুকে সামৰি ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, পৌঢ় ও বৃদ্ধ সকলো আধুনিক বিশ্বৰ যাত্ৰী। বিজ্ঞানৰ ধাৰাবাহিক প্ৰগতিয়ে

https://howlyraasmahotsav.org/

মানুহৰ মনোজগতক সন্তোষ দিবলৈ প্রয়োজনীয় সামগ্রী যোগান ধৰাত বিশ্বৰ চুকে কোণে সকলোতে আনন্দোৎসৱ গা কৰি উঠিছে। অভিভাৱককে ধৰি সৰ্বস্তৰৰ জীৱনযাত্রা আমোদ—প্রমোদত উটি-ভাহি যাবলৈ ওলাইছে।

বিজ্ঞানৰ দুর্জয় প্রগতিয়ে মানুহকো যেন যন্ত্রত পৰিণত কৰিছে। আধুনিক পৃথিৱীত যন্ত্র আৰু মানুহ নামৰ যন্ত্ৰৰ দৌৰাত্ম্যত মানুহৰ হৃদয়ত লুকাই থকা মৰমৰ অনুভূতিবোৰ ইতিমধ্যে হেৰাই গৈছে অথবা হেৰাই যোৱাৰ উপক্রম হৈছে। ফলস্বৰূপে প্রায় সকলোতে চোৰ-ডকাইত, সন্তানৰ দ্বাৰা পিতৃ-মাতৃৰ ওপৰত অত্যাচাৰ, পিতৃ-মাতৃয়ে নিজৰ জন্ম দিয়া শিশুক হত্যা, নির্যাতন, আনৰ ওচৰত বিক্রী আদি অমানবীয় ঘটনাবোৰ সমাজত গতানুগতিক নিয়মত পৰিণত হোৱা দেখা গৈছে। বিজ্ঞান আৰু আধ্যাত্মিকতা, এটাই আনটোৰ পৰিপূৰক হিচাপে চিহ্নিত কৰিব পাৰিলে শিক্ষাত আধ্যাত্মিকতাৰ মিশ্রণ ঘটাই উত্তৰপুৰুষক সাজু কৰাব পাৰিলে অনাগত দিনবোৰ সুখ শান্তিৰে ভৰপুৰ হ'ব বুলি অনুমান কৰা হৈছে। বিজ্ঞান আৰু ধর্ম এটাই আনটোৰ পৰিপূৰক—Science and Religion are the two wings of a peaceful society.

বিদ্যালয়সমূহত ছাত্র-ছাত্রীৰ মানৱীয় গুণৰ বিকাশ সাধনৰ উদ্দেশ্যে আধ্যাত্মিক শিক্ষাৰ সৰ্বাধিক গুৰুত্ব দিয়া প্রয়োজন হৈছে। সাম্প্রতিক সময়ৰ পশ্চিমীয়া শিক্ষাৰ প্রতি লক্ষ্য ৰাখি বিদ্যালয় পর্যায়ত প্রতিৰক্ষা, কম্পিউটাৰ, এন.চি.চি., স্বাস্থ্য, ৰেচম, কাৰিকৰী আদি আধুনিক বিষয় কিছুমান পাঠ্যক্রমত অন্তৰ্ভুক্ত হৈ আহিছে। এইবিলাকৰ সঠিক প্রয়োগক সমর্থন কৰাৰ পিছতো নৈতিকতাৰ উন্মেষণ ঘটাব পৰা আধ্যাত্মিক দিশটো আওঁকাণ কৰা যেন অনুমান কৰা হৈছে।

বিজ্ঞানৰ অৱদান মোবাইল ফোনৰ অৱিহণাই সমাজত বিয়পাইছে অসীম শান্তি, প্রগতি আনকি শিশুৰ পৰা বৃদ্ধ লৈকে এক ব্যস্ততাপূর্ণ জীৱন। কিন্তু মোবাইলৰ অপব্যৱহাৰৰ বাবেই বহুত যুৱক-যুৱতী, ছাত্র-ছাত্রী হৈ পৰিছে আদর্শচ্যুত, লক্ষ্যভ্রষ্ট। অপকর্মত লিপ্ত হৈছে বহুত নৱ প্রজন্ম। প্রায় ৯০% অভিভাৱকে মোবাইল ফোনটো শিশুটিৰ হাতত এৰি দি নিজ কৰ্মত ব্যস্ত হোৱা দেখা যায়। প্রাচ্য ও পাশ্চাত্য অর্থাৎ বর্তমান সমাজত প্রচলিত কিছুমান অপসংস্কৃতিয়ে শিশুটিৰ মন মগজু গ্রাস কৰাৰ পিছত ইয়াক ঘূৰাই অনাটো অতি জটিল সমস্যাৰ সন্মুখীন হ'ব লগা হয়। হেৰাই যায় শিশুটিৰ আধ্যাত্মিক দিশ ও মানবীয়তা। পঢ়া-শুনাৰ গভীৰতাৰ সলনি বাহ্যিক গভীৰতাই স্থান দখল কৰে শিশুটিৰ জীৱন প্রক্রিয়া। এই মানৱতা স্খলনৰ বাবে আমি অভিভাৱক সকলেই দায়ী। শিশুটিৰ পৰা কিবা গঠন মূলক চিন্তা আশা কৰিবলৈ হ'লে আমি আজিয়েই সজাগ হ'ব লাগিব। দিনটোৰ ভিতৰত অতি কমেও দুই-তিনি ঘণ্টা শিশুটিৰ লগত কটাবই লাগিব। অন্যথা আশানুৰূপ ফল পোৱাত জটিল সমস্যাই দেখা দিব পাৰে। আজিৰ শিশু কাইলৈৰ নাগৰিক। এই নাগৰিক সকল হৈ পৰিব অনাগত দিনত আমাৰ সকলোৰে হৰ্তা-কৰ্তা। অনুশাসনহীনতাই অনিৰুদ্ধ গতিত চৌদিশে মূৰ দাঙি উঠিছে। আমি সকলো জানো, অথচ অজ্ঞাত ভাৱে আগ বাঢ়ি আছোঁ এক গভীৰ অন্ধকাৰৰ পিনে। এয়াই হয়তো হ'ব পাৰে আমাৰ কিছুমানৰ বাবে বৃদ্ধাশ্রম অভিমুখে যাত্ৰাৰ আগলি বতৰা অথবা ৰাস্তাই ঘাটে পৰি থাকিবলগীয়া ঠিকনাবিহীন ঠাইৰ নির্দিষ্ট ঠিকনা।

https://howlyraasmahotsav.org/

হাউলী ৰাস-মহোৎৱ

সুভাষ মেধি

'হাউলী' নামেই যাৰ পৰিচয়। ইতিহাস প্ৰসিদ্ধ ৰজা চণ্ডীবৰুৱাৰ ৰাজহাউলি 'হাউলী' ত আজি উদুলি-মুদুলি পৰিৱেশ। কাৰণ হ'ল— 'হাউলী ৰাস মহোৎসৱ'। চাওঁতে-চাওঁতে হাউলী ৰাসে ৯৭ বছৰ পূৰ্তি কৰিব। কি যে বৰ্নিল-বিশাল আয়োজন। মনত অসীম হেঁপাহ, দুবৰি আশা আৰু প্ৰত্যাশা। লাখ-লাখ দৰ্শনাৰ্থীয়ে দুৰ-দুৰনীৰ পৰা আহি হাউলীত প্ৰদাৰ্পন কৰিবহি। ই যে এক সমন্বয়ৰ মহামিলন ভূমি। জাতি-ধৰ্ম, বৰ্ণ-নিৰ্বিশেষে ভেদা-ভেদ পৰিহাৰ কৰি হাউলী ৰাস-মহোৎসৱত অংশগ্ৰহণ কৰে। লেখত লবলগীয়া বহু দিশ মোৰ প্ৰিয়। যেনে ঃ— বাৰে-ৰহনীয়া সাংস্কৃতিক কাৰ্যসূচীবোৰ, লোক-সংস্কৃতি, লোকবাদ্য, লোক-নৃত্য, পৰম্পৰাগত সাজ-পাৰ, বিভিন্ন ভাষা-সংস্কৃতি, কবি-সন্মিলন, নৃত্য-গীত ইত্যাদি।

হাউলী ৰাসৰ আন এক বৃহৎ সফলতা হ'ল— স্মৃতিগ্ৰন্থ 'মুৰুলী'। প্ৰভু শ্ৰীকৃষ্ণৰ বাল্য-কালৰ লীলা, গুণ, মহাত্মা, ইত্যাদি আধ্যাত্মিক দিশ তথা গভীৰ লিখনিৰ সমাহাৰ এই 'মুৰুলী'। বহুত ভাল লাগে গৌৰববোধ কৰা। হাউলী বাসী হিচাপে। এই অভাজনেও 'মুৰুলী' ৰ অংশীদাৰ হ'বৰ বাবে লিখিবলৈ যত্ন কৰো। জুমি-জুমি চাওঁ মোৰ লিখনি প্ৰকাশ পালেনে? মনত অধিক প্ৰশ্ন, সাথৰ হাউলী ৰাসৰ প্ৰস্তুতি তংগত হয়। স্বতৰ্স্ফুৰ্ত ৰাইজৰ অংশগ্ৰহণে ৰাস মহোৎসৱক সুন্দৰ মাত্ৰা প্ৰদান কৰে। হাউলী ৰাসৰ অন্যতম আকৰ্ষণ স্বৰূপ বহু দিশ আছে। যাক সহজতে কোৱা টান। কিন্তু তাৰ ভিতৰত কিছু দিশ উল্লেখ কৰিব বিচাৰিছো।

ক) সাংস্কৃতিক সন্ধিয়া ঃ ন-পুৰণি শিল্পী সমাহাৰত ৰাসৰ প্ৰায় প্ৰতিদিনে সাংস্কৃতিক সন্ধিয়া পৰিবেশন কৰা হয়। সুন্দৰ গীত-মাত, কলা-কৃষ্টিৰ সংমিশ্ৰণ এই সন্ধিয়া।

খ) আঁতচবাজি প্ৰদৰ্শন ঃ ৰাসৰ প্ৰথম দিনাখন আঁতচবাজি চাবলৈ দুৰ-দুৰণিৰ পৰা বহু লোক আহে। থলুৱা শিল্পীৰ দ্বাৰা প্ৰতিবছৰে আয়োজিত উপহাৰ কুপন খেল গোটেই অসম বিখ্যাত। এক নিখুঁত-নিশ আৰু শুদ্ধ পদ্ধতিৰে ৰাইজৰ উপস্থিতিত এই খেল অনুষ্ঠিত কৰা হয়। মাত্ৰ ১০০ টকাৰ বৰঙণিৰে বহুতো বিলাসী গাড়ী পুৰস্কাৰ স্বৰূপে বিজেতাক প্ৰদান কৰা হয়। এক মহৎ উদ্দেশ্য আগত ৰাখি এক খেল আয়োজন কৰা হয়।

গ) গ্ৰন্থ-মেলা আৰু প্ৰদৰ্শনী ঃ প্ৰদৰ্শনী ৰ দ্বাৰা ছাত্ৰ- ছাত্ৰী সকল বিশেষভাৱে উপকৃত হয়। তাত আকৌ গ্ৰন্থ-মেলাই যেন সোনত-সুৰগা চৰায়। অৰ্থাৎ বিভিন্ন অমুল্য কিতাপ অধ্যয়ন তথা ক্ৰয় কৰি জ্ঞান- ভাণ্ডাৰ বৃদ্ধি কৰাত বিশেষ ইন্ধন যোগায় এই কিতাপবোৰে।

হাউলী ৰাস মহোৎসৱ লাহে-লাহে শতবৰ্ষ গঢ়কিব। গভীৰ প্ৰত্যাশাৰে জনসমুদ্ৰই বাট চাই ৰ'ব। ইতিহাস সাক্ষী হ'ব। এই চেগতে মহান ব্যক্তি সকলক স্মৰণ কৰিছো, শ্ৰদ্ধা নিবেদিছো।

হাউলী ৰাস মহোৎসৱৰ উন্নতি কামনা কৰিলো। অপেক্ষা মাথো সময়ৰ.........

সময় আগবাঢ়িব কাৰো বাবে সময়ে অপেক্ষা নকৰে। ই পাখিলগা কাঁড়ৰ নিচিনা। এবাৰ ওলাই গ'লে

https://howlyraasmahotsav.org/

আৰু উভতি নোহে। সময়ক আমি ধৰি ৰাখিব বা নিয়ন্ত্ৰনত ৰাখিব নোৱাৰো। এই সময় সময়ৰ সোঁতে-সোঁতে পৰিবৰ্তনশীল। হাউলী ৰাসৰ ক্ষেত্ৰতো ই ব্যতিক্ৰম নহয়। আমি যেন গনতান্ত্ৰিক চিন্তাধাৰাৰে সময়ৰ সতে মিলাই আগবাঢ়িব লাগিব।

ইতিমধ্যে ইতিবাচক চিন্তাৰে হাউলী ৰাস মহোৎসৱ উদ্‌যাপনৰ যোজা চলি আছে। এই লেখনি প্ৰকাশ পোৱাৰ সময়লৈকে হাউলী ৰাস মহোৎসৱ শুভাৰম্ভণি হৈ যাব। 'মুৰুলী' ৰ টানে-টানে গোপীনী সকল বাউলী হোৱাৰ নিচিনা আমিবোৰেও যেন হাউলী-ৰাসৰ নাম শুনিলেই থমকি ৰব নোৱাৰো। নিজকে হাউলীবাসী হিচাপে মই গৌৰববোধ কৰো। 'হাউলী' যেন এক সমন্বয়ৰ নাম, এক মহা-মিলনৰ নাম। এক উন্নয়নৰ নাম আমাৰ হাউলী। এই চেগতে হাউলী ৰাস মহোৎসৱৰ নৱ-নিৰ্বাচিত শ্ৰদ্ধাৰ সভাপতি দেৱ, কাৰ্যকৰী মান্যবড় সভাপতি দেৱ, সম্পাদক দেৱ সমন্বিতে সন্মানিত বিষয়ববীয়া তথা হাউলী ৰাস মহোৎসৱৰ সমিতিক শুভেচ্ছা, শুভকামনা তথা প্ৰনাম জাচিছো। তেওঁলোকৰ অনবদ্য বলিষ্ঠ ভুমিকা আৰু নেতৃত্বই আৰু অসীম কষ্ট স্বীকাৰ হাউলী ৰাস মহোৎসৱৰ গৰিমা বহুগুণে বৃদ্ধি কৰিব। সেয়া ধ্ৰুৱপ। হাউলী ৰাস মহোৎসৱৰ শতবৰ্ষৰ আগমুহুৰ্তত আমাৰ হাউলী বাসীয়ে আৰু বহুতো উন্নয়নমুলক দিশত আগবাঢ়িব বুলি আমি আশাবাদী। হাউলী ৰাসে অনাগত দিনত একমাহ ধৰি মহা-বিশাল আয়োজনেৰে চলিব বুলি মোৰ ধাৰণা হয়। এনে লাগিছে জনসমুদ্ৰত পৰিণত হাউলী ৰাস-মহোৎসৱে যেন দৰ্শনাৰ্থীক ইতিবাচক চিন্তাৰ খোৰাকদি উন্নয়নৰ দিশত অগ্ৰসৰ কৰি গোটেই 'অসম' ৰ বাবে আদৰ্শ স্বৰূপ হৈ পৰিব। ই এক শুভ লক্ষণ।

হাউলী ৰাস মহোৎসৱৰ প্ৰতি নৱ-প্ৰজন্ম আগ্ৰহী হোৱাটো ভৱিষ্যতৰ বাবে এক আশাৰ ৰেঙনি। নৱ-প্ৰজন্মৰ প্ৰতিজন যুৱক-যুৱতী যেন হাউলী ৰাস-মহোৎসৱৰ বাবে দায়বদ্ধ আৰু সংকল্পবদ্ধ। অন্ততঃ ১০০ জনৰ ৯০ জনে যদিও ৰাসৰ কিবা এক অবদান আগবঢ়াব পাৰে তাৰ প্ৰতি লক্ষ্য ৰখা উচিত। কাৰণ এয়া আমাৰ দায়িত্ব, সুকীয়া হৃৎস্পন্দন। ক'বলৈ বিচাৰিছো যে কোনোৱাই! সেৰিকাৰ দায়িত্ব গ্ৰহণ, সৰুকৈ হ'লেও দোকান বা ব্যৱসায় কৰিব পাৰে। এইবোৰ বৰ ভাল কথা হ'ব। এইবোৰে ডেকা চামক কেৱল চাকৰি বিচাৰি হাবাথুৰি নাখায় ব্যৱসায়ৰ প্ৰতি অগ্ৰসৰ হ'বলৈ অনুপ্ৰেৰণা যোগাব। হাউলী ৰাস মহোৎসৱৰ ভূমিকা এই ক্ষেত্ৰত অনবদ্য।

ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশ কৰাৰ বাবেও হাউলী ৰাস মহোৎসৱৰ এক সু-বিশাল মঞ্চ আছে। প্ৰতিবছৰে প্ৰতিভাবান ছাত্ৰ-ছাত্ৰী সকলে চিত্ৰাংকন প্ৰতিযোগিতা, গীত-নৃত্য, নাট ইত্যাদি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি নিজ-নিজ প্ৰতিভাৰ প্ৰদৰ্শনি কৰি আহিছে। ৯৭ বছৰ গঢ়কা হাউলী ৰাস মহোৎসৱ এই বেলিও এই ক্ষেত্ৰত ব্যতিক্ৰম নহ'ব। হাউলী ৰাস-মহোৎসৱৰ দ্বাৰা আয়োজিত 'কবি-সন্মিলন'ত মই নিজেও অংশগ্ৰহন কৰো আৰু ন-পুৰণি কবিৰ সমাহাৰে এই সন্ধিয়া অধিক জীপাল কৰি তোলে। সচাঁকৈ সুন্দৰ এই মহা-মিলনৰ মহাভূমি 'হাউলী'।

এতিয়া ক'বলৈ ওলাইছো হাউলী ৰাস মহোৎসৱৰ অন্যতম প্ৰাণকেন্দ্ৰ স্বৰূপ মৃন্ময় প্ৰতিমা আৰু বৃন্দাবন। ভগৱান শ্ৰীকৃষ্ণৰ লীলা, ভগৱান শ্ৰী বিষ্ণুৰ দশ-অৱতাৰ, সাম্প্ৰতিক সময়ৰ বাৰ্তাবাহাক প্ৰতিমা সমুহে হাউলী ৰাসৰ সৌন্দৰ্য্য বৃদ্ধি কৰে। দৰ্শনাৰ্থী সকলে ৰাস মন্দিৰত আশীষ বিচাৰে আৰু আধ্যাত্মিক দিশত বিভোৰ হয়। বিশেষকৈ হিন্দুমুলৰ ভক্তসকলে। অৱশ্যে বৰ্তমান সময়ৰ লগত ৰজিতা খুৱাই প্ৰতিমাৰ প্ৰদৰ্শন কাৰিকৰী দিশত বৈদুৎতিক সংযোগেৰে জাৱন্ত ৰূপ দিব পাৰিলে হয়তো সোণত সুৱগা চৰাব। অৱশ্যে মোৰ ধাৰণা শুদ্ধ নহ'বও পাৰে। এইয়া সুধী সমাজ তথা সন্মানীয় ৰাইজৰ বিচাৰ্য্য। চাওঁতে-চাওঁতে লেখনি বৰ দীঘল হৈ গৈছে নেকি বাৰু। ধৰিবকে পৰা নাই। ৰাসৰ মাদকতাই তেনেকুৱা। কলম যেন থমকিব এখোজা নাই। যি কি ন'হওক এক সুন্দৰ আয়োজন আমাৰ অতি মৰমৰ আপোন হাউলীৰ ৰাস-মহোৎসৱ। আপোনাসৱৰ উপস্থিতিয়ে আমাক অনুপ্ৰেৰণা যোগায়।

সৰ্বশেষত হাউলী ৰাস মহোৎসৱৰ অধিক উন্নতি আৰু সফলতা কামনা কৰিলো। লগতে অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে পাঠক সমাজৰ ওচৰত ক্ষমা বিচাৰি লেখনি সামৰিছো।

https://howlyraasmahotsav.org/

শতবৰ্ষত খোজ থবলৈ অগ্ৰসৰ হৈছে ঐতিহাসিক 'হাউলী ৰাস মহোৎসৱ'

গৌৰাংগ দাস

বুৰঞ্জী প্ৰসিদ্ধ হাউলী অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ ভিতৰত এক লেখত ল'বলগীয়া অনুষ্ঠান হিচাপে পৰিগণিত হোৱা দেখা যায়। চণ্ডীনাৰায়ণ বৰুৱাৰ ৰাজধানী হিচাপে খ্যাত 'ৰাজ হাউলি'ৰ ঐতিহ্যসিক হাউলী ৰাস মহোৎসৱ। একতাৰ মিলন ক্ষেত্ৰ হিচাপে পৰিগণিত হোৱা হাউলী ৰাস মহোৎসৱৰ সৰ্বাংগীণ বিকাশৰ লগতে ধৰ্মীয়, সাংস্কৃতিক ক্ৰীড়াৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা আগবঢ়াই আহিছে। শৈল্পীক চিন্তাৰে নতুন আংগিক, অনবদ্য, সম্ভাৰেৰে ৰূপ নান্দনিক শতবৰ্ষৰ পিনে ধাৱমানে হোৱা ঐতিহ্যমণ্ডিত হাউলী ৰাস মহোৎসৱ ৰাজ্যখনৰ ভিতৰত অনুষ্ঠিত হোৱা উজনি নামনিৰ ৰাস উৎসৱ সমূহৰ ভিতৰত এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। বহুমুখী সাংস্কৃতিক প্ৰকল্প হাউলী নিৰ্মাণেৰে সাহায্যাৰ্থে বিগত বছৰেই অনুষ্ঠিত হৈ অহা উপহাৰ কুপন খেল হাউলী ৰাস মহোৎসৱৰ এক অনবদ্য অংগস্বৰূপ। যোগাত্মক দৃষ্টিৰে হাউলী ৰাস মহোৎসৱৰ উপহাৰ কুপনৰ লাভৰ আংশিকসমূহ কিছুধনেৰে হাউলী ৰাস মহোৎসৱৰ অংগস্বৰূপে লাগি থকা হাউলী অঞ্চলৰ গাঁও, সত্ৰসমূহৰ নামঘৰ, বড়ো জনজাতীয় লোকসকলৰ বাথৌ মন্দিৰ আৰু বঙালী লোকসকলৰ ৰাধা গোবিন্দ মন্দিৰ সমূহকে ধৰি তেওঁলোকৰ ধৰ্মীয় অনুষ্ঠান সমূহক আৰ্থিকভাৱে আগবঢ়োৱা ধনে হাউলী অঞ্চলৰ লগতে হাউলীৰ বাহিৰৰ অঞ্চলসমূহত এক যোগাত্মক তথা ইতিবাচক সঁহাৰি পাবলৈ সক্ষম হৈছে। সময়ৰ গতিত সৃষ্টি হয় আজিৰ নৱ প্ৰজন্মৰ নতুন সৃষ্টিশীল প্ৰতিভা। এনেধৰণৰ সৃষ্টিশীল প্ৰতিভা সমূহক সন্মান জনাই হাউলীৰ ৯৭ সংখ্যক ৰাস মহোৎসৱে এইবাৰ হাউলী অঞ্চলৰ প্ৰতিখন গাঁও, ৱাৰ্ড সমূহৰ মাজত এক সাংস্কৃতিক 'আপোন গাঁও আমাৰ গাঁও' শীৰ্ষক সৃষ্টিশীলতাৰ এক অনবদ্য অনুষ্ঠান আৰম্ভ কৰাৰ প্ৰয়াস কৰিছিল বিকশিত হ'ব গাঁও আৰু ৱাৰ্ড সমূহৰ ব্যক্তি আৰু ল'ৰা ছোৱালীৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভা সমূহ। সৃষ্টি হ'ব প্ৰথমবাৰৰ বাবে এখন প্ৰতিভা বিকাশৰ মঞ্চ। আন এক লেখত ল'বলগীয়া চিন্তা সমৃদ্ধৰে বিবেচিত হৈছে হাউলী ৰাস মহোৎসৱ আতচবাজী প্ৰদৰ্শন। বিগত বৰ্ষ সমূহতকৈ এইবাৰ শতবৰ্ষলৈ ধাৱমান তথা অগ্ৰসৰ হোৱা ৯৭ সংখ্যক হাউলী ৰাস মহোৎসৱৰ প্ৰকৃতি আৰু প্ৰদূষণ ৰোধৰ সাময়িকতাৰে আতজবাজী প্ৰদৰ্শন কিছু কমকৈ প্ৰদৰ্শিত হোৱাৰ লগতে নতুনকৈ সৃষ্টি হব আকাশত 'লেজাৰ শ্বো'। চাৰি শতাধিক মৃন্ময় মুৰ্ত্তি, এনামৰফিক পদ্ধতিৰ প্ৰয়োগ, আধ্যাত্মিক অনুষ্ঠান, শিক্ষা আৰু সাহিত্যৰ মনোতত্ত অনুষ্ঠান সমূহৰ দৰে শতবৰ্ষৰ দিশে ধাৱমান হোৱা হাউলী ৰাস মহোৎসৱ একামাত্ৰ ঐতিহ্য পৰম্পৰা আৰু সংহতিৰ প্ৰতীক হৈ উজ্বলি থাকিব।

https://howlyraasmahotsav.org/

হাউলীৰ অন্তৰ্গত গাঁও সমূহত পালন কৰা উৎসৱ সমূহৰ চমু আভাস

ভাস্কৰ জ্যোতি দাস

ইংৰাজী ১৮১৭ চনৰ পৰা ১৮২৬ চনৰ ভিতৰত মানে তিনিবাৰকৈ অসম আক্ৰমণ কৰি অসম দেশৰ জনগাঁথনি তথা সমাজ ব্যৱস্থা ছেদেলি-ভেদেলি কৰি পেলাইছিল। ১৮৯৭ ইং চনত হোৱা বৰভূঁইকপেও অসমৰ জনগাঁথনিত যথেষ্ঠ প্ৰভাৱ পেলাইছিল।। হাউলী অঞ্চলো এই দুয়োটা ভয়ংকৰ দূৰ্যোগৰ জ্বলন্ত সাক্ষী, মানৰ আক্ৰমণ আৰু বৰ ভূঁইকপৰ ফলত সেই সময়ৰ অসমৰ বিভিন্ন ঠাইৰ পৰা মানুহে ওখ ঠাই বিচাৰি হাউলীত থিতাপি লৈছিল। সৃষ্টি হৈছিল বহুকেইখন গাঁওৰ। এখন সু-সংগঠিত আৰু সংস্কৃতিৱান ঠাই হিচাপে গঢ় লৈ উঠিছিল এই হাউলী। সাংস্কৃতিক প্ৰতিভাৰে পৰিপুষ্ট জনসমাজত স্থাপন হৈছিল। নামঘৰ, মঠ, মন্দিৰ, পুথিভঁৰাল, সংঘ, সমিতি আদি ধৰ্মীয় আৰু সামাজিক অনুষ্ঠান। এই অনুষ্ঠানসমূহত আজিও ধৰ্মীয় ৰীতি-নীতি আৰু বিধিগত সামাজিক পৰম্পৰাৰে আয়োজিত হৈ আছে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান।

হাউলী নগৰ আৰু ইয়াৰ অন্তৰ্গত গাঁওসমূহৰ জন সমাজৰ ঐকান্তিক আৰু সন্মিলিত প্ৰচেষ্টাত পালন হৈ আহিছে ৰাস মহোৎসৱ। আনুমানিক ১৯২৭ চনতে বৰ্ত্তমান হাউলী বাঁহৰ বজাৰত থকা তেলি কদম গছৰ তলত আৰম্ভ হোৱা ৰাস উৎসৱে আজি আহি ৯৭ সংখ্যক ৰাস মহোৎসৱৰ পদূলিত উপস্থিত হৈছে। শতবৰ্ষ উৎসৱ পালন কৰিবলৈ মাজত মাথো দুটা বছৰ।

সাংস্কৃতিক বাতাবৰণেৰে পৰিপুষ্ট হাউলীৰ সক্ৰিয় অংগ স্বৰূপ হাউলীৰ অন্তৰ্গত গাঁওসমূহৰ নাম আৰু এই গাঁওসমূহত পালন কৰি থকা কিছু ধৰ্মীয় উৎসৱৰ এক চমু আভাস উল্লেখ কৰিবলৈ আগবাঢ়িছোঁ।

হাউলীৰ অন্তৰ্গত গাঁওসমূহৰ নাম— মাচুৰা, মাদুলীঝাৰ, মৌটুপুৰী, হালাপাকুৰী, মাজৰ গাঁও, খাটালপাৰা, বেন্নিবাৰী, জলজলী, পৰাভঁড়াল, হাউলীগাঁও, ৰংদিয়া, হাতীজানা, মৈৰামাৰা, দলাগাঁও, ২নং খাটালপাৰা, হেলনাৰ পাম, কালঝাৰ।

https://howlyraasmahotsav.org/

মাছুৰা ঃ মাচুৰা গাঁৱৰ বৈদিক ৰীতি-নীতি আৰু ধৰ্মীয় পৰম্পৰাৰে দুৰ্গা পূজা, লক্ষ্মী পূজা, কালিপূজা, শিৱ পূজা, আদি পালন কৰা হয়। তিনিওটা বিহু পালন কৰা হয়।

মাদুলীঝাৰ ঃ মাদুলীঝাৰ গাঁৱত তিনিওটা বিহু নামঘৰ কেন্দ্ৰিক বিভিন্ন ধৰ্মীয় উৎসৱ সমূহ আৰু লগতে পুথিভঁৰালৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। মহাপুৰুষ কেইজনাৰ তিথি পালন কৰা হয়।

মৌটুপুৰী ঃ নামঘৰ কেন্দ্ৰিক বিভিন্ন ধৰ্মীয় অনুষ্ঠান পালন কৰা হয়। ইয়াৰ উপৰিও লক্ষ্মীপূজা, শিৱপূজা আৰু তিনিওটা বিহু পালন কৰা হয়।

হালাপাকুৰী ঃ নামঘৰ কেন্দ্ৰিক ধৰ্মীয় অনুষ্ঠান পালন কৰা হয় তিনিওটা বিহু পালন কৰা হয়। লক্ষ্মীপূজা, শিৱ পূজা, পালন কৰা হয়। মহাপুৰুষৰ তিথি পালন কৰা হয়।

মাজৰ গাঁও ঃ নামঘৰ কেন্দ্ৰিক ধৰ্মীয় উৎসৱ পালন কৰা হয়। মহাপুৰুষ কেইজনাৰ তিথি পালন কৰা হয়। লক্ষ্মীপূজা, শিৱপূজা পালন কৰা হয়। তিনিওটা বিহু

পালন কৰা হয়।

খাটালপাৰা ঃ নামঘৰ কেন্দ্রিক উৎসৱসমূহ পালন কৰা হয়। মহাপুৰুষৰ তিথিসমূহ পালন কৰা হয়। তিনিওটা বিহু পালন কৰা হয়। লক্ষ্মী পূজা, শিৱ পূজা পালন কৰা হয়।

বেন্নিবাৰী ঃ লক্ষ্মী পূজা, শিৱ পূজা বা বাথৌ পূজা, দুৰ্গা পূজা, পালন কৰা হয়। তিনিওটা বিহু পালন কৰা হয়।

জলজলী ঃ নামঘৰ কেন্দ্রিক উৎসৱসমূহ পালন কৰা হয়। মহাপুৰুষৰ তিথিসমূহ পালন কৰা হয়। তিনিওটা বিহু পালন কৰা হয়। লক্ষ্মী পূজা, গণেশ পূজা পালন কৰা হয়।

পৰাভঁড়াল ঃ পৰাভঁড়াল গাঁৱত নামঘৰ কেন্দ্রিক উৎসৱসমূহ পালন কৰা হয়। বিশেষকৈ দৌল উৎসৱ মহা ধুমধামেৰে পালন কৰা হয়। মহাপুৰুষ কেইজনাৰ তিথি পালন কৰা হয়। তিনিওটা বিহু পালন কৰা হয়।

ৰংদিয়া ঃ ৰংদিয়া গাঁৱত বাথৌ পূজা, লক্ষ্মী পূজা পালন কৰা হয়। তিনিওটা বিহু পালন কৰা হয়।

হাউলী গাঁও ঃ হাউলী গাঁৱত নামঘৰ কেন্দ্রিক ধৰ্মীয় উৎসৱসমূহ পালন কৰা হয়। মহাপুৰুষৰ তিথিসমূহ পালন কৰা হয়। তিনিওটা বিহু মহা ধুমধামেৰে পালন কৰা হয়। শিৱ পূজা, লক্ষ্মী পূজা পালন কৰা হয়।

হাতীজানা ঃ হাতীজানা গাঁৱত ধৰ্মীয় পৰম্পৰাৰে বাথৌ পূজা, লক্ষ্মী পূজা পালন কৰা হয়। তিনিওটা বিহু পালন কৰা হয়।

https://howlyraasmahotsav.org/

ভগ্নাৱশেষ

পূৰবী চক্ৰৱৰ্তী

ভগ্নাৱশেষবোৰৰো আছে
একো একোটা ইতিহাস

শব্দই কৰাল মাৰি এঙাৰ হোৱাৰ পৰত
মৃত্যুধ্বনিত দেওধনী নাচে
সপোনৰ প্ৰেতাত্মাই

এলেন্ধুৱা সময়ৰ বোকোচাত ইতিহাসৰ ৰোদন
ভগ্নাৱশেষ গচকা মানুহৰ
মুখত বহুৰঙী মুখা

অৱশেষবোৰৰ সৈতে পৰি ৰয়
একালৰ ভৰা ঘৰৰ, সমাজৰ ছাঁ
ভগ্নাৱশেষবোৰৰ বুকুত পমি থাকে একোটা জীয়া কাহিনী
লগতে থাকে
নজহা নপমা
একো একোটা সাধুকথা
সেই সাধুকথাৰ বকিয়াইদি উঠি আহে এৰেগতীয়া
সোণাৰ গাছ-ৰূপাৰ পাতৰ
মোহত মোহাচ্ছন্ন
মুখাবোৰ

ভগ্নাৱশেষবোৰ পৰি ৰয়
আৰু কাহিনীবোৰক বুকুত সাৱটি
পছিমৰ সীমনাত বুৰ মাৰে পোহৰে।

ৰাস মহোৎসৱ সম্পৰ্কে
হাউলীৰ বিভিন্ন ধৰ্মানুষ্ঠানৰ বিষয়ববীয়াৰ মনৰ ভাৱ

হাউলী ৰাস মহোৎসৱ হাউলীৰ এক পাৰম্পৰিক উৎসৱলৈ পৰ্যবসিত হোৱা দেখা যায়। এই হাউলী ৰাস মহোৎসৱে অকল হাউলীবাসীকে নহয়, অসম তথা ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগতে বিদেশীকো আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। গতিকে এই পৰম্পৰা বৰ্তাই ৰাখিবলৈ হ'লে আমাৰ ভৱিষ্যত পৰিকল্পনা কেনে হোৱা উচিত?

— হাউলী ৰাস উৎসৱে মহোৎসৱৰ মৰ্যদা পাইছে, আমি গৌৰৱবোধ কৰিছোঁ। ইয়াৰ পৰম্পৰাই আঞ্চলিক সীমা চেৰাই ৰাজ্য, দেশ হৈ বিদেশকো আকৰ্ষিত কৰিবলৈ সক্ষম হোৱাত আমি গৌৰৱবোধ কৰিছোঁ। এই গৌৰৱবোধে আমাৰ দায়িত্ব আৰু কৰ্ত্তব্য বৃদ্ধি কৰিছে। শতবৰ্ষলৈ দুটামান বছৰ বাকী থকা এই অনুষ্ঠানৰ গৰিমাক ধৰি ৰখা আৰু ইয়াক বিশ্ব দৰবাৰত দৃঢ়ভাৱে প্ৰতিষ্ঠিত কৰাৰ বাবে আমাৰ বহুতো কৰণীয় আছে। হাউলী ইতিহাস প্ৰসিদ্ধ ঠাই। ইয়াৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ কথাবোৰ চিন্তা কৰি বৃহত্তৰ হাউলীক অসমৰ গুৰুত্বপূৰ্ণ অংগ হিচাপে বিশ্বৰ আগত তুলি ধৰিবলৈ অসমৰ পৰ্যটন মানচিত্ৰত হাউলী ৰাসক অন্তৰ্ভুক্ত কৰা, ডিজিটেল মাধ্যমৰ সহায় লোৱা আৰু হাউলী ৰাসৰ নিজস্ব যি পৰিচয়ৰ পৰম্পৰা তাক নিখুঁতভাৱে ৰক্ষা কৰা কামবোৰ দীৰ্ঘকালীন আৰু হ্ৰস্যকালীন পৰিকল্পনাৰে সু-পৰিকল্পিত পদ্ধতিৰে আগুৱাই নিবলৈ প্ৰচাৰ কৰিব লাগিব। প্ৰচাৰ মাধ্যমৰ বলিষ্ঠ দিশক মান্যতা দিব লাগিব। তথ্যৰ সংৰক্ষণ আৰু ইয়াৰ চৰ্চাৰ বাট মুকলি কৰিব লাগিব। বিভিন্ন পৰ্যায়ত হাউলী ৰাসৰ চৰ্চাৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয় সমূহত এই সম্পৰ্কত আলোচনাচক্ৰ অনুষ্ঠিত কৰিব লাগিব, যি আলোচনাই হাউলী ৰাসক শুদ্ধ ৰূপত ৰাইজৰ আগত তুলি ধৰিব পাৰে।

সভাপতিঃ নিবাৰণ চন্দ্ৰ কলিতা, সম্পাদকদ্বয়ঃ ৰাজু কলিতা, টিকেন দাস, কালঝাৰ সত্ৰ পৰিচালনা সমিতি।

হাউলী ৰাস মহোৎসৱ ভাৰতীয় কৃষ্ণ সংস্কৃতিৰে এটা অংশ ৰূপে উদ্‌যাপিত হয়। আপোনাৰ দৃষ্টিত হাউলী ৰাস মহোৎসৱত ভাৰতীয় কৃষ্ণ সংস্কৃতিৰ প্ৰতিফলন সম্পৰ্কে আপুনি কি ক'ব?

— হিন্দু ধৰ্ম বিভিন্ন জাতি জনগোষ্ঠীৰ গঠিত এটা হিন্দু জাতি। সনাতন হিন্দু ধৰ্মত মূলতঃ চাৰিবেদ ২৪ শাস্ত্ৰ আৰু ১৮ খন পুৰাণত বহুলভাৱে সকলোবোৰ সমল পোৱা যায়। বিভিন্ন জাতি জনগোষ্ঠীসমূহৰ হিন্দু ধৰ্মৰ আধাৰত নিজ নিজ সংস্কৃতি, উপাসক আছে যদিও ভাৰতবৰ্ষত কৃষ্ণ সংস্কৃতিয়ে প্ৰাধান্য লাভ কৰিছে। হিন্দু ধৰ্মত শংকৰদেৱৰ একশৰণ বৈষ্ণৱ ধৰ্ম মিলিত হৈ কৃষ্ণ সংস্কৃতিৰ বিকাশ হৈছে। কৃষ্ণ সংস্কৃতিত শ্ৰীকৃষ্ণৰ শিশুলীলা, ৰাসলীলা শ্ৰীমদ্ভাগৱতত উল্লেখ আছে। মহাভাৰতত পাণ্ডৱ আৰু কৌৰৱৰ মাজত ধৰ্ম-অধৰ্ম নাশ, পূণ্য কাহিনী পোৱা যায়। এই সকলোবোৰ কৃষ্ণ সংস্কৃতি হাউলী ৰাস মহোৎসৱত বহলভাৱে প্ৰস্ফুটিত হৈ আহিছে। ইয়াত কাৰো দ্বিমত থাকিব নালাগে। মোৰ দৃষ্টিত ই ১০০ শতাংশ প্ৰয়োজ্য। জয়তু হাউলী ৰাস মহোৎসৱ।

মৌটুপুৰী নামঘৰ সতীশ দাস, সম্পাদক মৌটুপুৰী গাঁও উন্নয়ন সমিতি

শতবৰ্ষৰ দুৱাৰদলিত হাউলী ৰাস মহোৎসৱ। আপোনাৰ দৃষ্টিত বিভিন্ন সমাহাৰ পুষ্ট হাউলী ৰাসৰ আধ্যাত্মিক দিশৰ উত্তৰণৰ ক্ষেত্ৰত কিভাৱে উদ্‌যাপিত কৰিব পৰা যায়।

— হাউলী ৰাস মহোৎসৱ আধ্যাত্মিক দিশৰ উত্তৰণৰ ক্ষেত্ৰত ভাৰতীয় কৃষ্ণ সংস্কৃতিৰ লগত জড়িত কিছুমান

https://howlyraasmahotsav.org/

প্ৰতিযোগিতা যেনেঃ কৃষ্ণনৃত্যৰ প্ৰতিযোগিতা, ভোৰতাল নৃত্যৰ প্ৰতিযোগিতা, সত্ৰীয়া নৃত্যৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰিব পৰা যায়। তদুপৰি শ্ৰীকৃষ্ণৰ জীৱন্ত মূৰ্ত্তি প্ৰদৰ্শন, তেওঁৰ জীৱনৰ আধাৰক কেন্দ্ৰ কৰি লৈ শ্ৰীকৃষ্ণৰ বিভিন্ন ধৰণৰ দুঃসাহসিক কাৰ্যকলাপৰ জীৱন্ত মূৰ্ত্তি আদিয়ে ভক্তৰ মনত আধ্যাত্মিক ভাৱৰ সৃষ্টি কৰিব পাৰে। শ্ৰীকৃষ্ণৰ জন্মৰ পৰা আৰম্ভ কৰি তেওঁৰ বৈকুণ্ঠ প্ৰয়াণলৈকে সকলো কাহিনী মূৰ্ত্তিৰ ৰূপত দেখুৱাব পাৰি। হাউলী ৰাস মহোৎসৱত ভাওনাৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হয়। ভাওনা যিহেতু ভাৰতীয় কৃষ্ণ সংস্কৃতিৰে অংশ গতিকে ভাওনাৰ প্ৰদৰ্শন, ওজাপালিৰ প্ৰদৰ্শন আদিয়ে ভক্তৰ মনত অধিক আধ্যাত্মিক মনোভাৱৰ সৃষ্টিৰ অৱদান আগবঢ়াব বুলি আশা কৰিব পৰা যায়।

হৰজিৎ বায়ন, সম্পাদক দলাগাঁও সত্ৰ পৰিচালনা সমিতি, হাউলী

আপোনালোকৰ গাঁওৰ নামঘৰ, মঠ-মন্দিৰৰ বিষয়ে সংক্ষেপে ক'ব পাৰে।

—ভক্তপ্ৰাণ ৰাইজৰ সহযোগিতাত হাউলীৰ মাজমজিয়াৰ ঠাকুৰবাড়ী ৰোডত ১৯৬৬ চনত স্থাপন হৈছিল 'হাউলী সাৰ্ব্বজনীন ৰাধা গোবিন্দ মন্দিৰ'। সেই তাহানিৰ যুগৰ পৰাই সনাতন বৈষ্ণৱ ধৰ্ম অনুযায়ী এই মন্দিৰত প্ৰতিদিনে নিত্যভোগ, আৰতি কীৰ্ত্তন, ভাগৱত পাঠ পৰিৱেশনৰ লগতে বাৰ্ষিক উৎসৱ তথা শ্ৰীশ্ৰী ৰাধাকৃষ্ণৰ বিভিন্ন উৎসৱসমূহ পৰম্পৰাগতভাৱে পালিত হৈ আহিছে।

হাউলী সাৰ্ব্বজনীন শ্ৰীশ্ৰী ৰাধা গোবিন্দ মন্দিৰ পৰিচালনা সমিতি, ঠাকুৰবাড়ী ৰোড

— কৃষ্ণ কৃষ্ণ। আমি হাউলী আঞ্চলিক সমাজ নামঘৰ খাটালপাৰা গাঁওত ৰজ্মাজ্মচ চনত প্ৰতিষ্ঠা কৰোঁ যদিও স্থায়ীভাৱে নামঘৰটো সজা নাছিলোঁ। যোৱা ২০১৮ চনৰ পৰা আমি নামঘৰটো সাজিবলৈ লওঁ। আমাৰ নামঘৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ জন্মজয়ন্তী, গুৰুদুজনাৰ কীৰ্ত্তন মহোৎসৱ, শ্ৰীশ্ৰী কৃষ্ণৰ জন্মাষ্টমী, ভাগৱত জয়ন্তী, মাঘ-ফাগুন মাহত শংকৰদেৱ সমাজৰ অধিবেশনৰ লগতে পালনাম অনুষ্ঠিত কৰি অহা হৈছে।

হাউলী আঞ্চলিক শংকৰদেৱ সমাজ নামঘৰ সমিতি, খাটালপাৰা

https://howlyraasmahotsav.org/

ইতিহাস প্ৰসিদ্ধ চণ্ডীবৰুৱাৰ ৰাজধানী বৃহত্তৰ হাউলী অঞ্চল বিভিন্ন জাতি - বৰ্ণ-ধৰ্ম-ভাষাৰ লোকেৰে গঠিত এটা অঞ্চল। হাউলী ৰাস মহোৎসৱৰ উদ্‌যাপন থলীতো এয়া আমি সততে প্ৰত্যেক্ষ কৰি আহিছোঁ। এই মহোৎসৱৰ অংশীদাৰ হৈ বৃহত্তৰ হাউলীৰ বাসিন্দা হিচাপে আপুনি কি অনুভৱ কৰে?

— ইতিহাস প্ৰসিদ্ধ বৰনগৰৰ ৰজা চণ্ডী নাৰায়ণ বৰুৱাৰ ৰাজধানী হাউলীৰ বিভিন্ন সম্প্ৰদায়ৰ এক মিলন ভূমি। হাউলী সমন্বয়ৰ ইতিহাস আৰু সম্প্ৰীতিৰ এক দৃষ্টান্তমুলক ক্ষেত্ৰ। ১৯২৮ চনত শৰতৰ পূৰ্ণিমা ৰাতি-হাউলীৰ ৰাইজে ধৰ্মীয় মনোভাৱেৰে বিশিষ্ট নাগৰিক ঁবিশ্বনাথ দাস আৰু ঁগৰ্জন সৰকাৰ আৰু ঁযোগেশ চন্দ্ৰ দাসক ক্ৰমে সভাপতি আৰু সম্পাদকদ্বয় ৰূপে লৈ হাউলীৰ ৰাস আৰম্ভ কৰিছিল । সম্প্ৰতি এই উৎসৱটোৱে ধৰ্মীয় পৰিসীমা অতিক্ৰমি বিভিন্ন ধৰ্মাৱলম্বী ভিন ভিন ভাষা, জাতি, জনগোষ্ঠীৰ মানুহক আকোৱালী লৈ সমন্বয়ৰ তীৰ্থ ভূমিলৈ ৰূপান্তৰিত কৰিছে। ফলত উৎসৱটো মহোৎসৱলৈ পৰিবৰ্তিত হৈছে। হাউলী ৰাস মহোৎসৱ হৈ পৰিছে অসমৰ বৌদ্ধিক, সাংস্কৃতিক আৰু সামূহিক চিন্তা চেতনাৰ উজ্জ্বল নিদৰ্শন। হাউলী ৰাস মহোৎসৱৰ সম্প্ৰীতি ভাৰতবৰ্ষৰ ইতিহাসত এক নজিৰবিহীন ঘটনা। ১৫ দিনীয়া হাউলী ৰাস মহোৎসৱৰ কাৰ্যসূচীত অসমৰ চুকে কোণে থকা বাৰে ৰহণীয়া সংস্কৃতিৰ প্ৰদৰ্শনেৰে এক সাংস্কৃতিক মহাৰাণৰ প্ৰস্তুতিৰ প্ৰক্ষেপ কৰা হয়। এইবেলি হাউলী অঞ্চলৰ প্ৰতিখন গাঁওত এটাকৈ সাংস্কৃতিক কোষ গঠন কৰি প্ৰতিখন গাঁওক প্ৰদৰ্শনৰ ব্যৱস্থা সমন্বয়ৰ এক আদৰণীয় পদক্ষেপ।

শতবৰ্ষৰ পিনে অগ্ৰসৰ হোৱা হাউলী ৰাস মহোৎসৱে আন্তঃ ৰাজ্যিক পৰিসীমা অতিক্ৰম কৰি ৰাষ্ট্ৰীয় পৰ্যায়ৰ এক সাৰ্বজনীন মহোৎসৱত পৰিণত হৈছে। হাউলীবাসীৰ আশাশুধীয়া প্ৰচেষ্টাত নিৰ্মাণ হৈছে শ্ৰীকৃষ্ণৰ ৰাস মন্দিৰ, সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ কৰি অসমীয়া জাতিৰ কৃষ্টিৰ সমলসমূহ উদজীৱিত কৰিবলৈ বিচৰা হৈছে, বিশাল মঞ্চৰ নিৰ্মাণ কাৰ্য, বৃহৎ কলেৱৰৰ স্মাৰক সংকলন, সাহিত্য-সংস্কৃতি, সামাজিক, শৈক্ষিক, মানৱসেৱা, ক্ৰীড়া আদি ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে নমস্য ব্যক্তিসকললৈ হাউলী বঁটা প্ৰদান। ৰাজ্যিক তথা আন্তঃৰাজ্যিক বাণিজ্য আৰু গ্ৰন্থ মেলা, আতজবাজী প্ৰদৰ্শন, উপহাৰ কুপন খেলৰ লাভাংশৰে সাংস্কৃতিক প্ৰকল্পৰ লগতে হাউলী অঞ্চলৰ ধৰ্মীয় অনুষ্ঠানৰ উন্নয়ণৰ বাবে আৰ্থিক

সাহার্য প্ৰদান কৰি এই অঞ্চলৰ ভাষা-গোষ্ঠীৰ মাজত সমন্বয়ৰ বাতাবৰণ সৃষ্টি কৰা হৈছে।

সেয়েহে আমাৰ চৌদিশৰ ক্ৰমবৰ্দ্ধমান হিংসা, বিদ্বেষ, অসুয়া-অশান্তি প্ৰতিহত কৰি শান্তি সম্প্ৰীতি আৰু মানৱীয় মূল্যবোধ প্ৰতিষ্ঠা কৰি সংস্কৃতিৰ সমন্বয় আৰু বিনিময়ৰ মাজেৰে সম্প্ৰীতিৰ এনাজৰীডাল মজবুত কৰাত হাউলী ৰাস মহোৎসৱে এক বিশেষ ভূমিকা পালন কৰাত সফল হ'ব।

গজেন দাস, (সম্পাদক) মৈৰামাৰা নমাটি সত্ৰ -প্ৰত্যেক ঠাইৰ এক নিজত্ব সুকীয়া পৰিচয় নামৰ দ্বাৰা জনা যায়। তাৰে ভিতৰতে অসমৰ বৰপেটা জিলা অন্তৰ্গত হাউলী চহৰ। নামেৰে জনা যায় যাক আমি ইতিহাস প্ৰসিদ্ধ চণ্ডীবৰুৱাৰ ৰাজধানী বুলি কওঁ। ইয়াৰ সত্যতা মনোমতী উপন্যাসত উল্লেখ কৰা হৈছে। লগতে হাউলী অঞ্চল চিকনি চুপাৰীৰ ব্যৱসায় নগৰী হিচাপেও জনা যায়। এই ব্যৱসায়ৰ জৰিয়তে ভাৰতৰ বিভিন্ন ৰাজ্যৰ মানুহৰ আগমন হৈছিল। বিভিন্ন ধৰ্ম-বৰ্ণ, ভাষা-ভাষী, মানুহৰ বসতি ঠাই হিচাপে ভৰি পৰিছিল আৰু অসমীয়া ভাষা কৃষ্টি-সংস্কৃতি এক ভাতৃত্ব এনাজৰীৰে বান্ধ খাই থকা ৰাস মহোৎসৱ থলীত আমি সত'তে প্ৰত্যেক্ষ কৰি আহিছোঁ আৰু বৃহত্তৰ হাউলী বাসিন্দা হিচাপে গৌৰৱ অনুভৱ কৰোঁ।

জলজলী বুঢ়াগোঁহাই নামঘৰ, হাউলী বিভিন্ন জাতি, ধৰ্ম ভাষাৰ লোকেৰে গঠিত তথা ইতিহাস প্ৰসিদ্ধ চণ্ডীবৰুৱাৰ হাউলীৰ বাসিন্দা হিচাপে আপুনি গৌৰৱ অনুভৱ কৰেনে?

— ইতিহাস প্ৰসিদ্ধ চণ্ডীবৰুৱা হাউলীৰ বাসিন্দা হিচাপে মই হাউলী গাঁওৰ কিছু ধৰ্মানুষ্ঠানৰ বিষয়ে লিখিবলৈ ওলাইছোঁ হাউলী গাঁওত তিনিটা কীৰ্ত্তনঘৰ বা নামঘৰ আছে। মালেকুছীয়া কীৰ্ত্তনঘৰ, য'ত প্ৰতিদিনে নাম প্ৰসংগ চলে। এই নামঘৰ প্ৰাঙ্গনত আজি চল্লিচ বছৰ ধৰি 'ভোগালী বিহু উৎসৱ' পালন কৰি অহা হৈছে। হাউলী গাঁওৰ ভিতৰত অতি পুৰণি নামঘৰ হ'ল বৰপেটীয়া বুঢ়া গোঁসাইৰ থান (তেতেলীৰ তল) ইয়াত আৰু দুটা অনুষ্ঠান আছে— 'ৰাখাল গোঁসাইৰ থান' আৰু 'শিতলী বা ফুলেশ্বৰী থান' আৰু আনটো কীৰ্ত্তন ঘৰ হ'ল, বৰপেটীয়া দক্ষিণ হাটী নামঘৰ। অতীতৰে যাত্ৰা গান আৰু পুৰুষৰ 'বীৰ নাম'ৰ বাবে হাউলী গাঁও বিখ্যাত আছিল। বৰ্তমান হাউলী গাঁওত পুৰুষৰ বীৰ নামৰ উপৰিও মহিলাৰ নাগাৰা তালৰ নাম এই অঞ্চলত জনপ্ৰিয় হৈ পৰিছে।

https://howlyraasmahotsav.org/

হাউলী গাঁওৰ প্ৰথম বীৰনামৰ প্ৰশিক্ষণ দিছিল পাঠক ঁমহলা ৰাম নাথ আৰু তাৰ পিছত ক্ৰমে ঁহলিৰাম নাথ, ঁপ্ৰহলাদ নাথ আৰু ঁপদ্মৰাম নাথ।

শ্ৰীতৰুণ চন্দ্ৰ নাথ, হাউলী গাঁও, মালেকুছীয়া নামঘৰ, হাউলী গাঁও

— হয়। নিশ্চয় গৌৰৱ অনুভৱ কৰোঁ। ইতিহাস প্ৰসিদ্ধ চণ্ডীবৰুৱাৰ হাউলীৰ বাসিন্দা হিচাপে ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ অসম, ভাৰত তথা বিশ্ব দৰবাৰত প্ৰতিষ্ঠা হওঁক আৰু ইয়াৰ নাম উজ্জ্বলি থাকক। এয়া আমাৰ একান্ত কাম্য।

বাথৌ থান R.K.G.H.B

ভাগৱান শ্ৰীকৃষ্ণৰ বিষয়ে বা কৃষ্ণ সংস্কৃতিৰ বিষয়ে চমুকৈ কওঁক?

কৃষ্ণায় বাসুদেৱায় দৈৱকী— নন্দনায় চ।
নন্দ-গোপ কুমাৰায় গোবিন্দায় নমো নমঃ

ভাৰতীয় সংস্কৃতি হ'ল কৃষ্ণ সংস্কৃতি। ভাগৱান কৃষ্ণক সকলো দেৱতাৰ ভিতৰত শ্ৰেষ্ঠ বুলি আৰাধনা কৰা হয়। কৃষ্ণ শব্দৰ অৰ্থ হ'ল আনন্দ। ভগৱান কৃষ্ণ আনন্দস্বৰূপ বিশ্বত পৰিব্যাপ্ত; সেয়ে আমি জীৱনত সুখে-শান্তিৰে অতিবাহিত কৰিবলৈ হ'লে কৃষ্ণত শৰণ লব লাগিব। পৃথিৱীত যেতিয়াই ধৰ্মৰ গ্লানি হয়, অধৰ্মৰ প্ৰাদুৰ্ভাৱ বাঢ়ে তেতিয়াই ভগৱান শ্ৰীকৃষ্ণই দুষ্টক বিনাশ, সন্তক পালন আৰু ধৰ্ম প্ৰতিষ্ঠাৰ বাবে অৱতাৰ ধাৰণ কৰে। সেই কাৰণে শ্ৰীকৃষ্ণই দ্বাপৰ যুগত বসুদেৱ দৈৱকীৰ পুত্ৰ ৰূপে আৱিৰ্ভাৱ হয়। ভাৰতীয় সভ্যতাৰ বেদ, উপনিষদ, পুৰাণ, মহাভাৰত, ভাগৱত, গীতাত শ্ৰীকৃষ্ণৰ নাম গুণ বৰ্ণনা কৰা হৈছে।

দিপুল দাস, পাঠক, খাটালপাৰা নামঘৰ

হাউলী ৰাস উৎসৱৰ লগত আপোনাকে কি ধৰণে জড়িত?

—হাউলী ৰাস মহোৎসৱৰ জন্মকালৰে পৰা আমাৰ হালাপাকুৰী গাঁওবাসী জড়িত। অতীতৰে পৰা ৰাসৰ শেষৰ দিনা হাউলীৰ সকলোবোৰ গাঁওৰ লগতে আমাৰ গাঁওৰ নামঘৰৰ পৰা মহিলাসকলে নাম প্ৰসংগ কৰিবলৈ যোৱাৰ পৰম্পৰা আছে। ৰাস মহোৎসৱলৈ বিভিন্ন ঠাইৰ পৰা অহা ভক্ত, দৰ্শনাৰ্থীৰ সুবিধা অসুবিধাৰ প্ৰতি আমাৰ গাঁওবাসী সচেতন। ৰাস উদ্‌যাপন সমিতিৰ লগত আমাৰ গাঁওবাসী এতিয়াও জড়িত। শেষত হাউলী ৰাস মহোৎসৱৰ সৰ্বাতো প্ৰকাৰৰ উন্নতি কামনা কৰিছোঁ।

চক্ৰধৰ দাস, হালাপাকুৰী নামঘৰ সত্ৰেৰে অৰৱা বৃহত্তৰ হাউলী অঞ্চল হাউলী ৰাস মহোৎসৱৰ ৰূপ-ৰস গন্ধৰ প্ৰভাৱত সমন্বয়ৰ থলীত পৰিণত হৈছে। এই সমন্বয়ৰ বান্ধোন অটুট ৰাখিবৰ বাবে আপোনাৰ পৰামৰ্শ কি?

—বৃহত্তৰ হাউলী অঞ্চলৰ যিবোৰ গাঁওত সত্ৰ নামঘৰ আছে সেইবোৰ গাঁও প্ৰায়ে গাঁওৰ ৰাইজৰ লগত হাউলী ৰাস মহোৎসৱৰ বিষয়ে সু-পৰামৰ্শ দি ৰাইজক উৎসাহ উদ্দীপনা দি মনোগ্ৰাহী কৰাটো উচিত বুলি আমাৰ ভাৱ হয়। তেতিয়া মানুহবোৰ সমন্বয়থলীত বান্ধ খাই হাউলীৰ ৰাস আৰু অধিক সুন্দৰ হব।

ভুবন দাস ২ নং বেন্নীবাৰী নামঘৰ, হাউলী

এই সমন্বয়ৰ বান্ধোন অটুত ৰাখিবলৈ হাউলী ৰাস মহোৎসৱৰ অন্তৰ্গত প্ৰতিখন গাঁও, ৱাৰ্ডত উদ্‌যাপিত সমূহীয়া অনুষ্ঠানত ৰাস মহোৎসৱ তথা বাকী গাঁও আৰু ৱাৰ্ডবাসীৰ অংশগ্ৰহণ নিশ্চিত কৰিব লাগিব।

ৰজনীকান্ত দাস, পৰাভঁৰাল গোপাল আঁতা সত্ৰ, হাউলী ধৰ্মানুষ্ঠানে আৰৱা বিশেষকৈ সত্ৰ, নামঘৰ, মন্দিৰেৰে সমৃদ্ধ হাউলী অঞ্চল ঐক্য সংহতিৰ এক মিলন ভূমি, এই ক্ষেত্ৰত হাউলী ৰাস মহোৎসৱৰ অৱদান কিমান বুলি আপুনি অনুভৱ কৰে?

— হাউলী অঞ্চলৰ বৃহত্তম অনুষ্ঠান হাউলী ৰাস মহোৎসৱৰ বিভিন্ন সত্ৰ, নামঘৰ আৰু মন্দিৰলৈ আৰ্থিক অনুদান আগবঢ়োৱাৰ লগতে ঐক্য সংহতিৰ ক্ষেত্ৰতো যথেষ্ট অৱদান আছে বুলি মোৰ অনুভৱ হয়। হাউলীৰ গৌৰৱ, সম্পদ, মৰ্যদা, গৰিমা, আশা-ভৰষা হাউলীৰ ৰাস মহোৎসৱ। বিভিন্ন জাতি, ধৰ্ম-বৰ্ণ, ভাষাৰ লোকৰ মিলনভূমি হিচাপে গঢ়ি তোলাত এই অনুষ্ঠানৰ যথেষ্ট অৱদান আছে।

https://howlyraasmahotsav.org/

ৰুবুল কলিতা, মাদুলীঝাৰ নামঘৰ।

—হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিয়ে অকল উৎসৱ মুখী নহৈ বৃহত্তৰ হাউলী অঞ্চলৰ ৰাইজৰ বাবে হাতত লোৱা শিক্ষা, সংস্কৃতি, বৌদ্ধিক আৰু ক্ৰীড়া আদি ক্ষেত্ৰৰ লগতে সত্ৰ, নামঘৰ, কীৰ্ত্তনঘৰ আদিক আৰ্থিক দিশতো অৱদান আগবঢ়াইছে। ইয়াক আমি সকলোৱে শলাগিছো। এনেকুৱা কামৰ দ্বাৰাই ভৱিষ্যতলৈ এই অনুষ্ঠানটো বহু দূৰলৈ আগবাঢ়ি যাব।

পৰমানন্দ দাস, মাজৰগাঁও নামঘৰ।

শত বৰ্ষৰ দুৱাৰদলিত হাউলী ৰাসমহোৎসৱ। আপোনাৰ দৃষ্টিত বিভিন্ন সমাহাৰ পুষ্ট হাউলীৰ ৰাস আধ্যাত্মিক দিশৰ উত্তৰণৰ ক্ষেত্ৰত কিভাৱে উদ্‌যাপিত কৰিব পৰা যায়?

— ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলা মন। ৰাসক্ৰীড়া হৈছে আত্মা আৰু পৰমাত্মাৰ মিলনভূমি। পূৰ্ণিমাৰ স্নিগ্ধ জোনাকৰ পোহৰত গোপ-গোপী আৰু কৃষ্ণৰ মাজত অনঙ্গ কেলি আৰু ভক্তি ৰসৰ মাহাত্ম্য প্ৰকাশ। কথা হ'ল বাহিৰত মানুহক বুজাবৰ বাবে যিবোৰ মৎস, কুৰ্ম্ম, আদি কৰি যিবোৰ মৃন্ময় মুৰ্ত্তি সজোৱা হৈছে তাত আমাৰ ক'ব লগা নাই। কিন্তু উপাসনাৰ গৃহত ভাগৱত বা গুণমালা স্থাপন হ'ব লাগে।

দ্বীপেন্দ্ৰ দাস, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ হাউলী আঞ্চলিক নামঘৰ।

(প্ৰতিবেদনটো যুগুতালে সম্পাদনা সমিতি, মুৰুলী)

যমুনাৰ বালিত কি সুৰ বাজিছে

মনহৰি বায়ন

যমুনাৰ বালিত কি সুৰ বাজিছে
জোনাক মতলীয়া নূপুৰবোৰ
উছাহত উথলি উঠিছে

কেলি কদমৰ সুগন্ধি অনুসৰণ কৰোঁতে
দুৰাৰদলিৰ শিকলিয়ে
কাকনো ৰাখিছিল বান্ধি
আত্মহাৰা হোৱা সপোনবোৰক
কোনেনো ৰাখিছিল ধৰি

আহ ! কি লয়লাস আছিল
পানীৰ ঢৌৰ দৰে জিলমিলীয়া
কুঁৱলীৰ দৰে মায়াময়
জোনে-ধোৱা ৰাতিৰ আন্ধাৰত
আমাক শিপাই থকা এজোপা গছ

চুব খুজিও চুব নোৱৰাত
দুলি থকা এটা গান
তাপিত হিয়াক থাপিব খোজা থাপনাত
সুৰধ্বনি হৈ বাজে

কথাবোৰ গোপনীয় হৈ থাকে
জোনাকত তিতিবলৈ
বিদুষী বধূগণ সৰগী-ৰথত উঠে

কোনেও নাজানে
কেনেকৈনো দিন জ্বলে
কেনেকৈ উজলে ৰাতি
অজ্ঞান আন্ধাৰে বেৰি ৰাখিছে
গোসাঁই-কমলৰ মাটি

https://howlyraasmahotsav.org/

নিধিবনত কৃষ্ণক বিচাৰি ফুৰোতে...

ধ্রুৱকুমাৰ তালুকদাৰ

সূৰ্যোদয়ক বিদায় দি জোনাকত
বৃন্দাবনে আমাক কৃষ্ণ-কথা ক'লে—
পৃথিৱীৰ বহু মানুহে এইকথা জানে
নিধিবন অৰণ্য নহয়...

যি প্ৰেমৰ এক বিচৰণ ভূমি
আৰু বতাহে তাত বাঁহী বজাব জানে

ৰাতি বাঁহী বজাব নাপায় বুলি
সৰুকালত আইতাই আমাক কৈছিল !—
কিয় নাপায় ?
তেওঁ কোনোদিনে কোৱা নাছিল।
আৰু আমিও সেইকথা নজনাকৈয়ে থাকিলো
যোৱা শ শ বছৰে...

কিন্তু এইকথা জানি আহিলো
নিধিবনৰ বাঁহী অকল ৰাতি বাজে
বজাই স্বয়ং কৃষ্ণই
কৃষ্ণই বাঁহী বজাই আমি শুনা-নুশুনাকৈ শুনো
আৰু নিধিবনলৈ যোৱাৰ বাটত ভিৰ কৰো
কিন্তু দুৱৰী ককাই আমাৰ প্ৰবেশ নিষিদ্ধ কৰে
কিয় ?...
আইতাৰ দৰে তেৰোঁ নকয়...

ৰাতি ৰাতি নিধিবনলৈ কৃষ্ণ আহে
আৰু ৰাধাও
আৰু গোপীনিসকলো—
তেওঁলোকৰ সেই সময়খিনিৰ গানবোৰ
আৰু লীলা-খেলাবোৰ
আৰু জোনাকখিনি

আৰু মণিহাৰৰ শব্দবোৰ
আৰু নুপূৰৰ কান্দোনখিনি
আৰু প্ৰেম নামৰ উৰি ফুৰা তৰাবোৰ
গছবোৰৰ পাতৰ পৰা শিপালৈ
শিপাবোৰৰ পৰা পাতলৈ
শিপাই থাকে
শিপাই থাকে
সিবোৰ আমাৰ কাৰণে নহয়
আৰু আমাৰ পৃথিৱীখনৰ কাৰণেও নহয়
সিবোৰ আমাৰ আত্মাৰ অৰ্ঘত
আৰু আমাৰ প্ৰাৰ্থনাৰ ভজপত্ৰত
ধূপ-চাকি হৈ জ্বলিবলৈ...

কৃষ্ণক আমি পাওঁ
তেওঁ আহে আৰু আমাৰ বহুদিনীয়া চকুপানীবোৰ
মচি দিয়ে
আৰু আমাৰ দুখ-দুৰ্দশা নামৰ শৰবিদ্ধ হৰিণীজনীৰ
ক্ষতত
নিধিবনৰ ঔষধি গছবোৰৰ শিপাৰে লেপন দিয়ে
আৰু কৈ যায়
কৈ যায় যে মই তোমালোকৰ হাতৰ মুঠিবোৰত আছো
মোৰ এই থকাখিনিতে তোমালোকো আছা
বৃন্দাবন নামৰ এই নগৰখন তোমালোকৰ
নিধিবন নামৰ এই অৰণ্যখন অৰণ্য নহয়
তোমালোকৰ সূৰ্যৰ পোহৰত তোমালোকৰ
আৰু মোৰ জোনাকৰ পোহৰত মোৰ
প্ৰেমৰ..

https://howlyraasmahotsav.org/

হৃদয়ৰ দাপোণত তুমি

নমিতা চৌধুৰী

নিয়ৰ সিক্ত দূবৰি ডৰাক সাবটি
মই ৰৈ থাকোঁ প্ৰতিটো শৰতত
মাথোঁ তোমাৰ বাবে...
প্ৰতিটো বিষাদ ঋতুত তুমি দি যোৱা
এটি এটি অলবদ্ধ প্ৰেৰণা...
জোনে ধোৱা নিৰ্মল চোতালখনত
সপোনে পাখা মেলে...
তেতিয়াই পিন্ধি লওঁ মই এটি হাঁহি...
তুমি যে মোৰ জীৱনৰ আধা লিখা
এটা জীয়া কবিতা...
ৰিক্ত হৃদয়ৰ তুমি এটি দৰদী গান...।।
জীৱন কেনভাছত আঁকি যোৱা
